আত্ম শিকন সামগ্ৰী

**Bachelor of Arts (General)**

# শিক্ষাতত্ত্ব

# EDUCATION

**পাঠ্যক্ৰম – EDUG : 501**

**Development History of Education in India**

**5th Semester**

# ভাৰতীয় শিক্ষাৰ বিকাশাত্মক ইতিহাস

## খণ্ড - ১,২,৩

দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

# EDUCATION

## COURSE : EDUG - 501

### BLOCK - 1,2,3

**ISBN NO. : 978-93-82785-01-9**

**Authors :**

**Dr. Alpona Gogoi Bhuyan,**

Associate Professor, Dept. of Education, Moran College.

**Dr. Shrutidhara Mahanta,**

Asst. Prof. in Education, Centre for Distance and Online Education.

**Dr. Monalisha Buragohain,**

Asst. Prof. Dept of Education, Dibru College, Dibrugarh

**Dr. Leena Dutta,**

Asst. Prof. Dept of Education, HCDK Collegem Nitaipukhuri, Sivsagar

**Mr. Poban Gogoi,**

Assistant Professor, Dept. of Education, Digboi College

**Mr. Porag Rajkhowa,**

Assistant Professor, Dept. of Education, Sivsagar College, Joysagar

**Mrs. Ankita Baruah,**

Assistant Professor, Dept. of Education, Duliajan College

**Mr. Pranab Chetia,**

Dikhowmukh College, Sivsagar

**Reviewer :**

**Dr. Shrutidhara Mahanta**

Assistant Professor in Education,

Centre for Distance and Online Education, Dibrugarh University

© Copy right by Centre for Distance and Online Education, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form of by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Centre for Distance and Online Education, Dibrugarh University by the Director, CODE, D.U. and Printed at Bhattacharyya Offset, Dibrugarh

# সূচীপত্ৰ


| | |
|---|---|
| | পৃষ্ঠা |
| খণ্ড - ১ ভাৰতৰ প্ৰাচীন আৰ মধ্যযুগৰ শিক্ষা | |
| গোট - ১ ঃ বৈদিক যুগৰ শিক্ষা | ১-২২ |
| গোট - ২ ঃ বৌদ্ধযুগৰ শিক্ষা | ২৩-৪৬ |
| গোট - ৩ ঃ ইছলামযুগৰ শিক্ষা | ৪৭-৬১ |
| খণ্ড - ২ ঃ বৃটিছ শাসন কালৰ শিক্ষা | |
| গোট - ১ ঃ বৃটিছ আগমন সময়ত ভাৰতৰ শিক্ষা ব্যৱস্থা (সংগঠন আৰু বৈশিষ্ঠ্য) | ৬৩-৭৮ |
| গোট - ২ ঃ মিছনেৰীসকল আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাৰ্য্যৱলী | ৭৯-১০৩ |
| খণ্ড - ৩ ঃ জাতীয় আন্দোলনৰ সময়ত ভাৰতৰ শিক্ষাৰ বিকাশ | |
| গোট -১ ঃ জাতীয় আন্দোলনৰ সময়ত ভাৰতৰ শিক্ষাৰ বিকাশ ঃ লৰ্ড কাৰ্জনৰ শিক্ষানীতি আৰু গোখলেৰ প্ৰচেষ্টা ? | ১০৪-১৩৩ |
| গোট -২ ঃ ভাৰতীয় আন্দোলনৰ সময়ত ভাৰতীয় শিক্ষাৰ বিকাশ ঃ চেদলাৰ আয়োগ, ভাৰত চৰকাৰৰ আইন (১৯২১), হাৰ্টট কমিটিৰ প্ৰতিবেদন -১৯২৯ | ১৩৪-১৫৭ |
| গোট -৩ ঃ ভাৰতীয় আন্দোলনৰ সময়ত ভাৰতীয় শিক্ষাৰ বিকাশ ঃ উড-এবট প্ৰতিবেদন, বুনিয়াদী শিক্ষা, ছাৰ্জেণ্টৰ প্ৰতিবেদন | ১৫৮-১৯০ |

# খণ্ড ঃ ১
# ভাৰতৰ প্ৰাচীন আৰু মধ্যযুগৰ শিক্ষা
## গোট ঃ ১
## বৈদিক যুগৰ শিক্ষা

গোট গঠন বিন্যাস ঃ


১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ বৈদিক শিক্ষাৰ ধাৰণা
১.৩ বৈদিক শিক্ষাৰ আদৰ্শ আৰু বৈশিষ্ট্য
১.৪ বৈদিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য
আত্ম মূল্যায়নৰ প্ৰশ্ন
১.৫ বৈদিক শিক্ষাৰ সংগঠন
১.৫.১ গুৰুকূল ব্যৱস্থা
১.৫.২ পৰিষদ
১.৫.৩ সন্মিলন
১.৫.৪ উচ্চ শিক্ষাৰ কেন্দ্ৰসমূহ
আত্ম মূল্যায়নৰ প্ৰশ্ন
১.৬ বৈদিক শিক্ষাৰ বিত্তীয় ব্যৱস্থা
১.৭ বৈদিক শিক্ষাৰ পাঠ্যক্ৰম
১.৭.১ সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম
১.৭.২ বিত্তীয় শিক্ষাৰ পাঠ্যক্ৰম
আত্ম মূল্যায়নৰ প্ৰশ্ন
১.৮ বৈদিক শিক্ষাৰ শিক্ষাদান পদ্ধতি
১.৮.১ অনুশাসন ব্যৱস্থা
১.৮.২ শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক
১.৯ বৈদিক যুগৰ স্ত্ৰী শিক্ষা
১.৯.১ সামাজিক স্থান আৰু স্বাধীনতা
আত্ম মূল্যায়নৰ প্ৰশ্ন
১.১০ সামৰণি
ঘাই শব্দ সমূহ
পাঠ নিদেৰ্শনা
সম্ভাব্য উত্তৰ
আৰ্হি প্ৰশ্ন
প্ৰসঙ্গ পুথি

## ১.০ উদ্দেশ্য (Objective)

এই গোটটো পঢ়াৰ পিছত তোমালোকে

(ক) বৈদিক শিক্ষাৰ আদৰ্শ, বৈশিষ্ট্য আৰু উদ্দেশ্যসমূহ বৰ্ণনা কৰিব পাৰিবা।

(খ) বৈদিক শিক্ষাৰ সংগঠন ব্যাখ্যা কৰাৰ উপৰিও বৰ্তমানৰ লগত তুলনা কৰিব পাৰিবা।

(গ) বৈদিক শিক্ষাৰ পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি আৰু বিত্তীয় ব্যৱস্থাৰ আলোচনা কৰিব পাৰিবা।

(ঘ) বৈদিক যুগৰ মহিলা শিক্ষা সম্বন্ধে আলোচনা কৰিব পাৰিবা আৰু বৰ্তমান যুগত ইয়াৰ প্ৰাসঙ্গিকতা ব্যাখ্যা কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা (Introduction)

ইতিমধ্যে তোমালোক যি সকলে উচ্চতৰ মাধ্যমিক শ্ৰেণীত শিক্ষা বিষয় অধ্যয়ন কৰিছিলা তেওঁলোকে প্ৰাচীন ভাৰতৰ থলুৱা (Indegenous institution) শিক্ষানুষ্ঠান সমূহৰ পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, বিত্তীয় ব্যৱস্থাকে আদি কৰি আনুষঙ্গিক দিশবোৰ অধ্যয়ন কৰিলা। তোমালোকে বৃটিছ সকল ভাৰতবৰ্ষলৈ অহাৰ পাছত শিক্ষাৰ বিকাশৰো আভাস পালা। এতিয়া আমি প্ৰাচীন ভাৰতৰ শিক্ষানুষ্ঠানসমূহৰ মূল ভেটিস্বৰূপ বৈদিক শিক্ষাৰ বিষয়ে সবিস্তাৰে আলোচনা কৰিম।

এই গোটটোত আমি বৈদিক শিক্ষাৰ আদৰ্শ, লক্ষ্য আৰু উদ্দেশ্য, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, সাংগঠনিক ব্যৱস্থা, বিত্তীয় ব্যৱস্থাকে আদি কৰি স্ত্ৰী শিক্ষাৰ বিকাশ আৰু সমাজত নাৰীৰ স্থান আদি সকলো দিশেই বিতংকৈ আলোচনা কৰিবলৈ যত্ন কৰিম।

এই গোটটো পঢ়াৰ পাছত তোমালোকে নিশ্চয় বুজিব পাৰিবা আধুনিক ভাৰতৰ শিক্ষাৰ ভেটি কেনেকৈ গঢ় লৈ উঠিছিল আৰু বৰ্তমান শিক্ষাৰ অগ্ৰগতিত বৈদিক যুগৰ অৱদান কিমান। তদুপৰি তোমালোকে শিক্ষক আৰু ছাত্ৰৰ মাজৰ নিবিড় সম্পৰ্কৰ বিষয়ে বুজিব পাৰিবা আৰু বৰ্তমানৰ লগত তুলনা কৰিবও পাৰিবা।

## ১.২ বৈদিক শিক্ষাৰ ধাৰণা (Concept of Vedic Education)

তোমালোকে হিন্দুধৰ্মৰ পবিত্ৰ গ্ৰন্থসমূহৰ ভিতৰত বেদৰ নাম নিশ্চয় শুনিছা। এতিয়া আমি বেদ নো কি আৰু বৈদিক শিক্ষানো কি তাৰ বিষয়ে আলোচনা কৰিম।

আচলতে প্ৰাচীন কালত বেদ নামৰ কোনো গ্ৰন্থ নাছিল। মুখে মুখে প্ৰচলিত দেব-দেবীক পূজা পাতলৰ বিধি বিধান, বিভিন্ন ৰীতি-নীতি, তন্ত্ৰ-মন্ত্ৰ, উপদেশ, সামাজিক উৎসৱ উদ্‌যাপনৰ নীতি আদিকেই বেদ আখ্যা দিয়া হৈছিল। লাহে লাহে লিপি আৱিষ্কাৰ হোৱাৰ পাছত এখন এখনকৈ চাৰিখন বেদৰ সৃষ্টি হ'ল, সেইকেইখন ক্ৰমান্বয়ে - ঋক্‌বেদ, যজুৰ বেদ, সামবেদ আৰু অথৰ্ব বেদ। প্ৰাচীন কালত এই বেদৰ বিধান আৰু আদৰ্শৰ আধাৰতেই মানুহৰ জীৱন প্ৰণালী আগবাঢ়িছিল আৰু শিক্ষাৰো বিকাশ হৈছিল বেদৰ আধাৰতেই। বৈদিক যুগৰ শিক্ষা বুলিলে বৈদিক আৰু বৈদিকোত্তৰ এই দুয়ো সময়ৰ শিক্ষাকে সামৰি লোৱা হয়। এই শিক্ষা ব্যৱস্থাক হিন্দু শিক্ষা বুলিও ক'ব পাৰি।

বৈদিকোত্তৰ শিক্ষা মানে বেদ, বেদান্ত আৰু উপনিষদকে আদি কৰি হিন্দুধৰ্ম মতে প্ৰচলিত সমাজ ব্যৱস্থাৰ লগত জড়িত শিক্ষাক বুজোৱা হয়। তোমালোকে শুনি আচৰিতেই হ'বা যে ভাৰতবৰ্ষত বৈদিক শিক্ষা খ্ৰীঃ পূঃ ২৫০০ ৰ পৰা ৬০০ খ্ৰীঃ পূঃ পৰ্যন্ত প্ৰৱৰ্তন হৈ আছিল। কিন্তু লাহে লাহে ইয়াক ধৰ্মীয় গোড়ামী বুলি ভাৰি আৰু অন্যহাতে গৌতম বুদ্ধই প্ৰচাৰ কৰা নতুন ধৰ্মীয় আদৰ্শ আৰু চিন্তাৰ প্ৰতি আকৃষ্ট হোৱাত এই বৈদিক শিক্ষাৰ আকৰ্ষণ কমি আহিবলৈ ধৰিলে। তোমালোকে গৌতম বুদ্ধই প্ৰচাৰ কৰা ধৰ্মৰ আদৰ্শ আৰু বৌদ্ধ শিক্ষাৰ কথা পাছত গোটটোত পঢ়িবলৈ পাবা। ওপৰৰ কথাখিনিৰ পৰা তোমালোকে নিশ্চয় বুজিব পাৰিছা বৈদিক শিক্ষানো আচলতে কি?

## ১.৩ বৈদিক শিক্ষাৰ আদৰ্শ আৰু বৈশিষ্ট্যসমূহ
## (Ideals and characteristics of Vedic Education)

তোমালোকে হিন্দু ঋষি, মুনিসকলৰ কথা নিশ্চয় নুশুনাকৈ থকা নাই। তেওঁলোকে কিছুমান পৰমাৰ্থিক জ্ঞান লাভৰ চেষ্টা কৰিছিল। তেওঁলোকৰ অন্তৰ্নিৰ্হিত শক্তি আৰু সাধনাৰ বলত দিব্য জ্ঞান সমূহ লাভ কৰি তাক প্ৰচাৰ নকৰা হ'লে মহান ভাৰতীয় সভ্যতা, সংস্কৃতিৰ বিকাশো সম্ভৱ নহলহেতেন। তেওঁলোকৰ সৃজনীশীল প্ৰতিভাৰে লাভ কৰা জ্ঞানসমূহ মানুহৰ মুখে মুখে প্ৰচলিত হৈ বেদ আখ্যা পালে। প্ৰকৃতাৰ্থত বেদ শব্দটো সংস্কৃত বিদ ধাতুৰ পৰা আহিছে। বেদ মানে জ্ঞান।

বৈদিক যুগৰ জীৱন দৰ্শন আছিল আত্ম উপলব্ধি (self realiasation)। ভগবানৰ বিশ্বাস ৰাখি, পবিত্ৰ মনেৰে নিজক উপলব্ধি কৰিব পৰাটোৱেই জীৱনৰ পৰম উদ্দেশ্য।

চাৰিখন বেদৰ ভিতৰত ঋক্ বেদ আটাইতকৈ পুৰণি, ইয়াত ব্ৰহ্ম জ্ঞানৰ বৰ্ণনা আছে। সাম বেদত দেৱ-দেৱীক পূজা অৰ্চনাৰ বিধি, উৎসৱ পাৰ্বণৰ ৰীতি আদিৰ উল্লেখ আছে। অথৰ্ব বেদত আকৌ অৰ্থনীতি, ৰাজনীতি, আধ্যাত্মিক বিষয়, চিকিৎসা বিদ্যা, জোতিবিদ্যা আদিৰ বৰ্ণনা পোৱা যায়।

**আদৰ্শ** - ভাৰতবৰ্ষত যুগে যুগে চলি অহা হিন্দু ধৰ্মৰ আধাৰ এই বেদসমূহেই। ইয়াতেই অন্তৰ্নিৰ্হিত হৈ আছে আধ্যাত্মিক, নৈতিক, অৰ্থনৈতিক, ৰাজনৈতিক চিন্তাৰ মূলমন্ত্ৰসমূহ। বেদসমূহত উল্লেখিত বিষয়সমূহে মানুহক অজ্ঞান আন্ধাৰৰ পৰা জ্ঞানৰ পোহৰলৈ অনাত বিশেষভাৱে সহায় কৰিছে। মানুহৰ মুক্তিৰ পথো দেখুৱাইছে বেদে। আত্ম বিশ্লেষণ অথবা আত্ম উপলব্ধিৰ অবিহনে মুক্তিৰ পথ সম্ভৱ নহয়। বৈদিক শিক্ষাই মানুহৰ কৰ্তব্য সম্বন্ধেও জ্ঞান দিয়ে সেয়ে কৰ্মই ধৰ্ম বুলি কৈছে। মানুহৰ চৰিত্ৰ গঠন অথবা নৈতিক বিকাশৰ মূল মন্ত্ৰও বেদসমূহত পোৱা যায়। আত্মসংযম আৰু আত্মানুশাসনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। আত্মজ্ঞান, জীৱনৰ মূল্য, মানবীয় প্ৰমূল্যবোধ আৰু অনন্ত জ্ঞানৰ অৰ্থে শিক্ষা প্ৰদান কৰাৰ লগতে বৈদিক শিক্ষাই ন্যায়, স্বাধীনতা আৰু ৰিপু সংযমত গুৰুত্ব দিছিল। তদুপৰি দয়া, ক্ষমা, সহানুভূতি আদি মানৱীয় গুণসমূহৰ অধিকাৰী হবলৈ শিকোৱাটোও এই শিক্ষাৰ আদৰ্শ আছিল।

**বৈশিষ্ট্যসমূহ ঃ**

বৈদিক শিক্ষাৰ মূল বৈশিষ্ট্যসমূহ হ'ল

(ক) বৈদিক শিক্ষাত ধৰ্মই মুখ্য স্থান লাভ কৰিছিল।

(খ) গুৰুকুল শিক্ষাৰ প্ৰচলন।

(গ) ব্ৰহ্মচৰ্য ব্ৰত পালনত গুৰুত্ব।

(ঘ) বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰম।

(ঙ) মনস্তাত্বিক শিক্ষাত গুৰুত্ব প্ৰদান।

(চ) বৰ্ণৰ ভিত্তিত শিক্ষা প্ৰদান।

(ছ) গুৰুকুলত প্ৰৱেশ অনুষ্ঠান - উপনয়ন উদযাপন আৰু সামৰণি অনুষ্ঠান - সমাবৰ্ত্তন উদযাপন।

(জ) শিক্ষক আৰু ছাত্ৰৰ আন্তৰিক সম্পৰ্ক।

(ঝ) বক্তৃতা আৰু প্ৰশ্নোত্তৰ পদ্ধতিৰ প্ৰচলন।

## ১.৪ বৈদিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য

## (Aims and objectives of Vedic Education)

তোমালোকে যেনেকৈ কিছুমান নিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি শিক্ষা গ্ৰহণ কৰিছা তেনেকৈয়ে বৈদিক কালতো শিক্ষাৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য আছিল। আহাচোন আমি বৈদিক কালৰ শিক্ষাৰ উদ্দেশ্যসমূহ আলোচনা কৰো। সেই সময়ত শিক্ষাৰ উদ্দেশ্য আছিল এনেধৰণৰ

(ক) আত্ম উপলব্ধি, আত্ম সন্তুষ্টি আৰু আত্ম বিশ্লেষণ কৰিবলৈ শিকোৱা।

(খ) চৰিত্ৰ গঠন আৰু নৈতিক প্ৰমূল্যবোধৰ জ্ঞান দিয়া।

(গ) শক্তিশালী ব্যক্তিত্বৰ গঢ় দিয়া।

(ঘ) নাগৰিকত্বৰ শিক্ষা আৰু সামাজিক মূল্যবোধৰ বিকাশ ঘটোৱা।

(ঙ) অৰ্থনৈতিক উৎকৰ্ষ সাধন কৰা।

(চ) সাহিত্য-সংস্কৃতিৰ বিকাশ ঘটোৱা।

(ছ) ধৰ্মীয় পৰম্পৰা আৰু সংস্কৃতিক সংৰক্ষণ কৰা।

যদিও ধৰ্মক মূখ্য কৰি বৈদিক শিক্ষাই বিকাশ লাভ কৰিছিল এই শিক্ষাৰ দ্বাৰা সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক, আধ্যাত্মিক, সাংস্কৃতিৰ সকলো দিশতেই সমানে বিকাশ হৈছিল। সেই সময়ত মানুহে শিক্ষাক অন্তৰ্দৃষ্টি দান কৰা তৃতীয় নয়ন বুলি গণ্য কৰিছিল। শিক্ষাই আত্ম উপলব্ধি আৰু আত্মাৰ উৎকৰ্ষ সাধন কৰি মানুহক এক ঐশ্বৰিক শক্তি প্ৰদান কৰে বুলি অনুভৱ কৰিছিল। শিক্ষাৰ অবিহনে মানুহে পশুত্বৰ পৰা নিস্তাৰ যে পাব নোৱাৰে সেই কথা শিক্ষাগুৰুসকলে দোহাৰিছিল। ছাত্ৰসকলে ব্ৰহ্মচৰ্য ব্ৰত পালন কৰোঁতে যাগ-যজ্ঞৰ বিধি-বিধান, ধৰ্মীয় ৰীতি-নীতি পালন কৰোঁতে স্বভাৱ, চৰিত্ৰ আৰু আচৰণৰ সংস্কাৰ হৈছিল আৰু সবল ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰিছিল। ওপৰৰ আলোচনাৰ পৰা তোমালোকে নিশ্চয় বুজিব পাৰিছা বৈদিক শিক্ষা কেনে আছিল আৰু বৰ্তমান শিক্ষাৰ লগত পাৰ্থক্য ক'ত।

**আত্ম মূল্যায়নৰ প্ৰশ্ন - (ক)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰ লগত মিলাই চাবা।

১) বৈদিক শিক্ষাৰ ধাৰণা কেতিয়াৰ পৰা কেনেদৰে আহিল?

.......................................................................

.......................................................................

২) বৈদিক শিক্ষাৰ তিনিটা বৈশিষ্ট্য লিখা।

.......................................................................

.......................................................................

৩) বৰ্তমান শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত বৈদিক শিক্ষাৰ কি সাদৃশ্য লক্ষ্য কৰিছা?

.......................................................................

.......................................................................

## ১.৫ বৈদিক শিক্ষাৰ সংগঠন (Organisation of Vedic Education)

তোমালোকে আজিকালি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ যোগেদি সহজেই নানা ধৰণৰ শিক্ষা লাভ কৰাৰ সুবিধা পাইছা কিন্তু প্ৰাচীন কালত কিছুমান মহান ব্যক্তিয়ে এনে মহান কামৰ আৰম্ভণি নকৰাহ'লে আজিৰ এনে সুবিধাবোৰ নিশ্চয় উপলব্ধ নহলহেতেন। প্ৰাচীন ঋষি, মুনিসকলে জ্ঞানৰ চৰ্চা কৰি সেই জ্ঞান নিজৰ সন্তানৰ উপৰিও ওচৰ-চুবুৰীয়া ল'ৰা-ছোৱালীক দিওঁতে তেওঁলোক সমাজৰ গুৰুলৈ ৰূপান্তৰিত হৈছিল। ব্ৰহ্মৰ জ্ঞান লাভ কৰি তেওঁলোকে ব্ৰাহ্মণ আখ্যা পাইছিল আৰু সমাজৰ ধৰ্মীয় কাম কাজত সেই জ্ঞানে সহায় কৰিছিল।

বৈদিক যুগৰ প্ৰাৰম্ভিক কালত শিক্ষাক সংগঠিত ৰূপত পোৱা নগৈছিল যদিও ব্ৰাহ্মণ গুৰুসকলৰ চেষ্টাত জ্ঞানৰ বিকাশ হৈছিল। ঋষি, মুনিসকলে নিজৰ ঘৰতে অথবা ঘৰৰ পৰা নিলগত প্ৰাকৃতিক পৰিবেশত শিক্ষা দিয়াৰ ব্যৱস্থা কৰি শিক্ষাৰ এক সংগঠিত ৰূপ দিলে। এতিয়া আমি আলোচনা কৰিম বৈদিক যুগৰ তিনিবিধ শিক্ষানুষ্ঠানৰ বিষয়ে।

### ১.৫.১ গুৰুকুল (Gurukul)

গুৰুকুল হল গুৰুৰ ঘৰতে থাকি শিক্ষা লোৱাৰ ব্যৱস্থা। জ্ঞান আহৰণক পবিত্ৰ কৰ্ম বুলি বিবেচনা কৰা প্ৰাচীন সমাজে সন্তানক গুৰুকুললৈ পঠাইছিল ব্ৰহ্মচৰ্য ব্ৰত পালনৰ বাবে গুৰুৰ আশ্ৰয়ত জ্ঞান লাভ কৰি জীৱনৰ বিভিন্ন সমস্যা আৰু বাধা-বিঘিনিৰ পৰা পৰিত্ৰাণ পাব পাৰি বুলি বিশ্বাস কৰি গভীৰ আগ্ৰহেৰে ছাত্ৰই গুৰুৰ

গৃহত প্ৰৱেশ কৰিছিল।

গুৰুগৃহত প্ৰৱেশ কৰাৰ আগতে ছাত্ৰই প্ৰৱেশ বিধি মানিবলগীয়া হৈছিল। প্ৰৱেশৰ আগতে তেওঁলোকে এক প্ৰাৰম্ভিক উৎসৱ উদযাপন কৰিব লগীয়া হৈছিল যাক উপনয়ন বোলা হৈছিল। বিদ্যাৰম্ভৰ হোমযজ্ঞ কৰি ন-গুণ মন্ত্ৰ লৈহে ঘৰৰ পৰা গুৰুকুললৈ যাব পাৰিছিল। গুৰুকুলত ১২ বছৰ অতিবাহিত কৰি জ্ঞান আৰু বিদ্যা আহৰণ কৰিছিল। গুৰুৰ ঘৰত সম্পূৰ্ণ বৈদিক প্ৰথাৰে এই দীঘলীয়া সময় অতিবাহিত কৰিব লগীয়া হৈছিল। আজি কালিৰ আবাসিক বিদ্যালয়বোৰ এই গুৰুকুলৰে আধুনিক ৰূপ নহয়নে?

প্ৰাৰম্ভিক অনুষ্ঠানৰ দৰেই গুৰুকুলত সামৰণি অনুষ্ঠাৰো আয়োজন কৰা যাক 'সমাবৰ্ত্তন' বুলি কোৱা হৈছিল। ১২ বছৰ কাল অতিবাহিত কৰাৰ পিছত বিভিন্ন জ্ঞানেৰে পুষ্ট হৈ ছাত্ৰই গুৰুৰ ঘৰৰ পৰা সমাবৰ্তন অনুষ্ঠানেৰে বিদায় লোৱা প্ৰথা আছিল। এই অনুষ্ঠানত ছাত্ৰক গুৰুৱে পূৰ্ণ মৰ্যাদাৰে বিদায় দিছিল। বৰ্তমান সংবৰ্দ্ধক বিশ্ববিদ্যালয় (Affiliated University) বোৰে সময়ে সময়ে সমাবৰ্তন অনুষ্ঠানৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক স্নাতক, স্নাতকোত্তৰ, ডক্টৰেট উপাধি প্ৰদান কৰাৰ কথা তোমালোকে নিশ্চয় জানা। এই অনুষ্ঠানৰ ধাৰণাটো বৈদিক যুগৰ পৰাই আহিছে।

### ১.৫.২ পৰিষদ (Parishad or Academy)

তোমালোকে পৰিষদ শব্দটো নিশ্চয় শুনিবলৈ পাইছা। মনত পেলাব পাৰিছানে ক'ত ব্যৱহাৰ কৰা হয়? এই পৰিষদ শব্দটো বৈদিক যুগৰ পৰাই ব্যৱহৃত শব্দ। পৰিষদ মানে হ'ল একোটা অঞ্চলৰ গুৰুসকলৰ এখন উমৈহতীয়া মঞ্চ যত গুৰুসকলে জটিল বিষয়বোৰ একেলগে আলোচনা কৰিব পাৰে। কেতিয়াবা শিষ্যই কৰা জটিল প্ৰশ্নবোৰৰ উত্তৰ গুৰুৱে দিব নোৱাৰিলে সেই প্ৰশ্নবোৰো পৰিষদত বিশদভাৱে আলোচনা কৰে। এনে পৰিষদলৈ গুৰুৰ পৰম শিষ্যসকলেও যোৱাৰ সুবিধা পাইছিল। বহু শিষ্যই উচ্চ জ্ঞান লাভৰ আশাত গুৰুৰ লগত পৰিষদলৈ গৈছিল।

### ১.৫.৩ সন্মিলন (Conference)

তোমালোকৰ এই শব্দটো নিশ্চয় পৰিচিত। ডাঙৰ ডাঙৰ বেনাৰ বোৰত 'সন্মিলন' শব্দটো সঘনাই চকুত নপৰেনে এই শব্দটোও তেতিয়াৰে পৰাই প্ৰচলিত হৈ আহিছে। প্ৰাচীন হিন্দু ৰজা মহাৰজাসকলে সময়ে সময়ে সন্মিলন নামৰ এক অনুষ্ঠানৰ আয়োজন

কৰি গুৰুসকলক ৰাজ আতিথ্য প্ৰদান কৰি সন্মান যাচিছিল। তদুপৰি দেশৰ জটিল বিষয়বোৰ গুৰুসকলৰ লগত আলোচনা কৰিছিল। ৰাজ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিবলৈ গুৰুৰ পৰা দিহা-পৰামৰ্শও বিচাৰিছিল। এনে সন্মিলনলৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা গুৰুসকল আহি আলোচনাৰ মাধ্যমেৰে নতুন চিন্তাৰ সৃষ্টি কৰিছিল লগতে সমাজৰ বিভিন্ন সমস্যা সমাধানৰ পথো বিচাৰি উলিয়াইছিল।

### ১.৫.৪ উচ্চ শিক্ষাৰ কেন্দ্ৰসমূহ (Centres for Higher Learning)

প্ৰাচীন কালত ভাৰতবৰ্ষত কিছুমান উচ্চ শিক্ষাৰ কেন্দ্ৰ গঢ়ি উঠিছিল, তাৰ ভিতৰৰ কেইটামান উল্লেখযোগ্য কেন্দ্ৰ হল - তক্ষশীলা, উজ্জয়িনী, কাশী, মিথিলা, তিৰোমোক্কোডলা, পণ্ডিচেৰী ইত্যাদি। ইয়াৰ ভিতৰত তক্ষশীলা, উজ্জয়িনী, কাশী আদি বিশেষভাৱে উল্লেখযোগ্য। কাৰণ তক্ষশীলাত আয়ুৰ্বেদ, ধনুৰ্বিদ্যা আৰু আইন পাঠ্যক্ৰম শিকোৱা হৈছিল। উজ্জয়িনী আৰু কাশীত দৰ্শন, সঙ্গীত চৰ্চা হৈছিল। মিথিলাত দৰ্শন চচা, সাহিত্য চৰ্চা হৈছিল। মিথিলাত শিক্ষা গ্ৰহণ কৰি বিদ্যাপতি নামৰ এজন কবিয়ে অনেক খ্যাতি অৰ্জন কৰিছিল। সাহিত্য চৰ্চাৰ উপৰিও ইয়াত সুকুমাৰ কলাৰ চৰ্চা হৈছিল। মিথিলা আইন শিক্ষাৰ বাবেও প্ৰখ্যাত আছিল। গণেক্ষ উপাধ্যায় নামৰ এজন পণ্ডিতে নৱ ন্যায় (new logic) নামৰ এখন স্কুলো স্থাপন কৰিছিল।

**আত্ম মূল্যায়নৰ প্ৰশ্ন - (খ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নৰ তলতে তোমাক ঠাই দিয়া হৈছে।

তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) গুৰুকুলৰ তিনিটা বৈশিষ্ট্য লিখা।

......................................................................

......................................................................

......................................................................

২) বৈদিক শিক্ষাৰ যিকোনো দুটা উচ্চ শিক্ষা কেন্দ্ৰৰ পাঠ্যক্ৰম বৰ্ণনা কৰা।

......................................................................

......................................................................

## ১.৬ বৈদিক যুগৰ বিত্তীয় ব্যৱস্থা (Finance in Vedic Period)

বৈদিক কালত জ্ঞান আহৰণ আৰু জ্ঞান দানৰ সমান পবিত্ৰ কৰ্ম একো নাছিল। ধৰ্মীয় ৰীতি-নীতি আৰু প্ৰাৰম্ভিক অনুষ্ঠানৰ জৰিয়তে বিদ্যাৰম্ভ কৰাৰ পিছত শিষ্যই গুৰুৰ ঘৰত থাকি সৰ্ব্বান্তকৰণেৰে শিক্ষা আহৰণ কৰিছিল। অৱশ্যে বহু শিষ্যই নিজ পিতৃ-মাতৃৰ পৰা ঘৰতে শিক্ষা গ্ৰহণ কৰিছিল বুলিও জনা যায়। গুৰু গৃহত শিষ্যৰ সংখ্যা সীমিত আছিল, শিক্ষা বিনামূলীয়া আছিল। গুৰুৱেও শিক্ষাদানৰ বিনিময়ত মাচুল লোৱাৰ প্ৰথা নাছিল। শিক্ষাদানত মাচুল লোৱা আচাৰ্যক বৃত্তিকা নামাকৰণ কৰা হৈছিল। শিক্ষা কাৰ্যত বাহিৰৰ পৰা কোনেও কোনো কাৰণতে হস্তক্ষেপ কৰিব নোৱাৰিছিল। শিক্ষা কাৰ্য সম্পূৰ্ণৰূপে গুৰুৰ অধীনত থকাৰ বাবে ৰাজনীতিৰ পৰা মুক্ত আছিল।

গুৰু গৃহত প্ৰৱেশ অনুষ্ঠানৰ খা-খৰচ পিতৃ-মাতৃয়ে বহন কৰিছিল। সামৰ্থ অনুসৰি হোম-যজ্ঞ কৰি যাৱতীয় সা-সামগ্ৰী লৈ গুৰু গৃহত প্ৰৱেশ কৰাৰ পাছত শিষ্যই সম্পূৰ্ণ গুৰুৰ তত্ত্বাৱধানতে জীৱন যাপন কৰিছিল। নিজৰ খাদ্য সামগ্ৰী ওচৰৰ গাঁৱে ভূঞে গৈ ভিক্ষা কৰি অনাটো নিয়ম আছিল। শিষ্যই খুজি মাগি অনা সামগ্ৰীসমূহেই তেওঁলোকে ভোজন কৰিছিল আৰু গুৰুকো দিছিল। তদুপৰি পিতৃ-মাতৃয়ে ঘৰুৱা শাক-পাচলি, ফল মূল, ধান-চাউল গুৰু গৃহলৈ আনিছিল। শিক্ষাৰ অন্তত গুৰু দক্ষিণা হিচাপে ধনী পিতৃ-মাতৃয়ে গুৰুলৈ সোণ, ৰূপ, ভূমি, জীৱ জন্তু আদিও আগবঢ়াইছিল। বহু বিত্তবান পৰিয়ালে মূল্যবান উপহাৰো আগবঢ়াইছিল, দুখীয়া পৰিয়ালে পোহনীয়া জীৱ-জন্তু, শাক-পাচলি, ফল-মূল আদিৰে দক্ষিণা আগবঢ়াইছিল।

ৰজা মহাৰজাসকলে সময়ে সময়ে গুৰুগৃহলৈ অথবা আশ্ৰমসমূহলৈ বিভিন্ন দান-বৰঙণি দিছিল, ভূমি-দান, গো-দান, সোণ দান আদি প্ৰচলন আছিল। ধনী জমীদাৰসকলে সাধাৰণতে ভূমি দান কৰি শিক্ষাৰ বিকাশত সহায় কৰিছিল।

শিষ্যসকলে গুৰুগৃহত শ্ৰম কৰি যাৱতীয় খাদ্য সামগ্ৰী উৎপাদন কৰাটো বাধ্যতামূলক আছিল। ঘৰৰ যাৱতীয় কাম-কাজৰ উপৰিও খেতি-বাতি, গৰু ছাগলী পোহপাল দিয়া আদি দৈনিক কাম আছিল। গুৰুৰ কঠোৰ অনুশাসনত শিষ্যসকল সকলো কামত পাৰ্গত হ'ব পাৰিছিল।

গুৰুগৃহত নাম ভৰ্তি প্ৰথাতো কোনোধৰণৰ মাচুল দিব নালাগিছিল। এতেকে

শিক্ষা সম্পূৰ্ণৰূপে স্বাধীন আৰু মুক্ত আছিল। ধনী-দুখীয়াৰ প্ৰভেদ নাছিল। আনন্দ মনেৰে সকলোৰে একেলগে শিক্ষা গ্ৰহণ কৰাৰ সুবিধা পাইছিল। ভাবি আচৰিত নালাগেনে বাৰু তাহানিৰ শিক্ষা আৰু বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ মাজত কিমান প্ৰভেদ। অৱশ্যে সময় পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তা, দৰ্শন বেলেগ হৈ আহিছে সেই অনুপাতে জীৱন ধাৰণৰ মানদণ্ডও বাঢ়িছে যাৰ বাবে শিক্ষা এক বিনিয়োগলৈ ৰূপান্তৰিত হোৱা নাইনে?

## ১.৭ বৈদিক শিক্ষাৰ পাঠ্যক্ৰম (Curriculum of Vedic Education)

এইবাৰ আমি বৈদিক শিক্ষাৰ পাঠ্যক্ৰমৰ বিষয়ে আলোচনা কৰিবলৈ লৈছোঁ। এই শিক্ষা যদিও মূলতঃ ধৰ্মমূলক আছিল, ইয়াত বৈদিক সাহিত্যইও প্ৰাধান্য পাইছিল। এই শিক্ষাৰ দ্বাৰা সৰ্বোৎকৃষ্ট জ্ঞানৰ সন্ধান কৰিব পাৰিছিল। তদুপৰি সৰ্বাঙ্গীন বিকাশৰ বাবে প্ৰয়োজনীয় সকলো বিষয়েই পাঠ্যক্ৰমত ঠাই পাইছিল।

বৈদিক পাঠ্যক্ৰম তেনেই সহজ নাছিল। গুৰুগৃহত ১২ বছৰ কাল লাগিছিল চাৰিখন বেদ অধ্যয়ন কৰোঁতে। বহু শিষ্যই এই সময়ছোৱাত অধ্যয়ন শেষ কৰিব নোৱাৰি অধিক সময় গুৰু গৃহত অতিবাহিত কৰিছিল। দৈনিক ৭/৮ ঘণ্টা শিক্ষা আহৰণৰ বাবে নিৰ্দ্ধাৰিত আছিল। সাধাৰণতে প্ৰতিপদ আৰু পূৰ্ণিমা এই দুদিন বন্ধৰ দিন আছিল। পুৱা, মধ্যাহ্ন আৰু আবেলি পৰত জপ কৰিব লাগিছিল আৰু নিয়ম অনুসৰি বস্ত্ৰ ধাৰণ কৰিব লাগিছিল। এনে নীতি নিয়ম পালনৰ পিছতহে বেদ অধ্যয়ন কৰিব পাৰিছিল। গুৰুগৃহত শিষ্যই আত্ম উপলব্ধি, আত্ম বিশ্লেষণৰ জ্ঞান আয়ত্ব কৰিব লাগিছিল। লোভ, মোহ, অহংকাৰ, আনন্দ উল্লাস, পৰচৰ্চা, অলাগতিয়াল বাৰ্তালাপ কৰিব নোৱাৰিছিল। সদায় আচাৰ ব্যৱহাৰত আত্ম সংযম ৰক্ষা কৰিব লাগিছিল। ৰিপু সংযম কৰিবলৈ শিকোৱা হৈছিল। ধনী আৰু দুখীয়া ছাত্ৰৰ মাজত ভেদ ভাৱ নৰখাকৈ একেধৰণে জীৱন-যাপন কৰিবলৈ শিকোৱাটো বৈদিক পাঠ্যক্ৰমৰ মহত্ব আছিল।

বৈদিক পাঠ্যক্ৰমক মূলত দুভাগত ভগাব পাৰি - সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম (General subjects in curriculum) আৰু বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰম (Vocational subjects in curriculum)

**১.৭.১ সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম** - যদিও বৈদিক শিক্ষাৰ পাঠ্যক্ৰমত ধৰ্মই মূখ্য স্থান পাইছিল তথাপিও আনুষঙ্গিক বহু বিষয় ইয়াত অন্তৰ্ভূক্ত কৰি এখন শক্তিশালী

পাঠ্যক্ৰম গঢ়ি তুলিছিল। অন্যান্য বিষয়সমূহ হ'ল - চাৰিখন বেদ, বৈদিক ব্যাকৰণ, উপনিষদ, বুৰঞ্জী, সাহিত্য, অংক শাস্ত্ৰ, জ্যামিতি, জোখ-মাখ সম্পৰ্কীয় বিষয়, পৰম ব্ৰহ্মৰ জ্ঞান, সৌৰজগতৰ জ্ঞান অৰ্থাৎ জ্যোতিৰ্বিদ্যা, জ্যোতিষ -শাস্ত্ৰ, দেৱ -দেৱীৰ কাহিনী, পূজা-অৰ্চনা, উৎসৱ পালনৰ বিধি, অশৰীৰী আত্মাৰ জ্ঞান, শব্দতত্ত্বৰ জ্ঞান, নীতি শাস্ত্ৰ, তত্ত্ব বিদ্যা, গুৰু সেৱা, পিতৃ সেৱা দৰ্শন, অৰ্থনীতি, ৰাজনীতি, সমাজনীতি, সময়ৰ জ্ঞান, সৌন্দৰ্য শিক্ষা, পৰিবেশ অধ্যয়ন। তোমালোকে নিশ্চয় আচৰিত হৈছা যে ইমানবোৰ বিষয় ছাত্ৰই কেনেকৈ অধ্যয়ন কৰিছিল। কিন্তু গুৰুৰ নিয়মিত কাৰ্যসূচী আৰু কঠোৰ নিৰ্দেশনা মতে স্বাধীনভাৱে অধ্যয়ন কৰাৰ সুবিধাও পাইছিল। গুৰুৱে ছাত্ৰক সকলো ক্ষেত্ৰতে পূৰ্ণ সহায় সহযোগ আগবঢ়োৱাৰ হেতুকে ছাত্ৰই শিকিবলৈ সহজ হৈছিল।

**১.৭.২ বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰম** - তোমালোকে পঢ়ি অহা পাঠ্যক্ৰমত বৃত্তিমূলক বিষয় পাইছিলানে? নিশ্চয় নাই পোৱা কাৰণ আমাৰ পাঠ্যক্ৰমত বৃত্তিমূলক বিষয় বাধ্যতামূলক নহয়। বৈদিক শিক্ষাৰ পাঠ্যক্ৰমত ছাত্ৰই শিকিব পৰাকৈ বৃত্তিমূলক বিষয়ৰ ব্যৱস্থা আছিল।

বৈদিক শিক্ষাৰ পাঠ্যক্ৰমত ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষা দিব পৰা বিষয় অন্তৰ্ভূক্ত কৰা হৈছিল যদিও বৰ্ণৰ ভিত্তিত কৰ্ম বিভাজনৰ প্ৰথা আছিল। এতিয়া আমি সেই বিষয়টো আলোচনা কৰোহক। প্ৰাচীন কালত মানুহক চাৰিভাগত ভাগ কৰি কৰ্ম বিভাজন কৰা হৈছিল, সেই ভাগকেইটা হ'ল - ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ।

**ব্ৰাহ্মণ** - এওঁলোক জ্ঞান চৰ্চা আৰু ধৰ্মীয় পূজা-পাতল আৰু পৌৰুহিত্বমূলক কাম কৰিছিল। সমাজৰ দুখ-দূৰ্গতি নাশৰ অৰ্থে দেৱ-দেৱীক পূজা অৰ্চনা কৰাকে আদি কৰি সমাজৰ সংস্কাৰমূলক কামতো ব্ৰতী হৈছিল। এওঁলোকৰ স্থান সমাজত উচ্চ আছিল। বৰ্তমানৰ বুদ্ধিজীৱীসকলৰ সমাজ তথা দেশৰ উন্নয়নত যি দায়িত্ব সেই একেই দায়িত্ব ব্ৰাহ্মণসকলেও পালন কৰিছিল। তেওঁলোকে সমাজত জ্ঞানৰ বিকাশ নতুন চিন্তাৰ উদ্বেগ ঘটোৱা কামত লিপ্ত হৈছিল।

**ক্ষত্ৰিয়** - দেশখনক বিভিন্ন বিবাদ বিধিনি অথবা বহিঃ শত্ৰুৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব আছিল ক্ষত্ৰিয়সকলৰ। তোমালোকে জানা যে দেশৰক্ষা কামটোও সাধাৰণ কাম নহয়। তেওঁলোকে যুদ্ধৰ কৌশল ৰচনা, অস্ত্ৰবিদ্যা শিকি দেশৰ সেৱা কৰিব

লাগিছিল। বৈদিক যুগত অস্ত্ৰবিদ্যা অতি গুৰুত্বপূৰ্ণ বিষয় আছিল। মুনি দ্ৰোণাচাৰ্যই অৰ্জুনক ধনুৰ্বিদ্যা শিকোৱাৰ কথা তোমালোকে নিশ্চয় জানা। কিন্তু ক্ষত্ৰিয় কূলত জন্ম গ্ৰহণ কৰি বহু ছাত্ৰই মহৰ্ষি উপাধিও লাভ কৰিছিল। সেই সকলৰ ভিতৰত জনক আছিল অন্যতম।

**বৈশ্য** - এওঁলোকে বেহা-বেপাৰ, কৃষি, পশুপালন উদ্যোগ আদিৰ বিদ্যা লাভ কৰি দেশৰ অৰ্থনীতিত সহায় কৰিব লাগিছিল। এওঁলোকে আজিৰ পৰা হাজাৰ হাজাৰ বছৰৰ আগতেই অৰ্থনৈতিক ভেটি সুৰক্ষিত নকৰাহ'লে আজি ভাৰতবৰ্ষই অৰ্থনৈতিক দিশত আগবাঢ়িব নোৱাৰিলেহেতেন। শুনিবলৈ অসুবিধা হলেও কৰ্ম বিভাজনে কামবোৰ শৃংখলাবদ্ধভাৱে, নিয়াৰিকৈ কৰাত যে সহায় কৰে কথাষাৰ স্বীকাৰ কৰিবই লাগিব, নহয়নে?

**শূদ্ৰ** - শূদ্ৰসকলে উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিছিল। তেওঁলোকে বাকীসকলক যি কোনো ক্ষেত্ৰতে সহায় কৰাৰ উপৰিও মাছ ধৰা, সাপ ধৰা, খেতি কৰা, মাটি কটা, পশু পালন, খৰি কটা, ৰং কৰা, নৃত্য, গীত, বাদ্য আদিও শিকিব লাগিছিল। যদিও সেই সময়ত কোনো কাৰিকৰী প্ৰতিস্থান নাছিল তেওঁলোকৰ কাম সমূহ বংশগত ভাৱে এটাৰ পৰা আনটো যুগলৈ প্ৰৱাহিত হৈছিল। যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, মূৰ্ত্তি সজা, খোদাই কৰা, চিত্ৰ অঁকা আদি কাৰ্য এওঁলোকেই সম্পাদন কৰিছিল। শূদ্ৰসকলক এনেবোৰ কামত বিভিন্ন পাকৈত শিক্ষকৰ বৰঙণি আছে। এইক্ষেত্ৰত নাৰদৰ নাম উল্লেখযোগ্য। ব্ৰাহ্মণ পণ্ডিতসকলৰো এনেবোৰ বিদ্যা আছিল বুলি উপনিষদত উল্লেখ আছে।

এতেকে কৃষিশিক্ষা, পশুপালন, বাণিজ্য, বিভিন্ন কাৰিকৰী শিক্ষাৰ লগতে চিকিৎসা শাস্ত্ৰ অস্ত্ৰোপচাৰ, আয়ুৰ্বেদ শিক্ষা, হস্তীবিদ্যা, ললিত কলা আদি অনেক বিষয় বৃত্তিমূলক পাঠ্যক্ৰমত সন্নিবিষ্ট আছিল। এইখিনিতে তোমালোকক জনাই থওঁ যে প্ৰাচীন ভাৰবৰ্যত চিকিৎসা শাস্ত্ৰই বিশ্বজোৰা খ্যাতি অৰ্জন কৰিছিল। ভাৰতত চিকিৎসা শাস্ত্ৰৰ বিকাশ দেখি আৰবৰ খালিফাই আৰবৰ বহু চিকিৎসাবিদক ভাৰতীয় চিকিৎসা বিদ্যাৰ অধ্যয়ন কৰিবলৈ পঠাইছিল। তদুপৰি আৰবত চিকিৎসা বৃত্তি গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ কৰিছিল। এইসকলৰ ভিতৰত মাণিক্যৰ নাম উল্লেখনীয়। প্ৰাচীন ভাৰতৰ আয়ুৰ্বেদ চিকিৎসাইও খ্যাতি অৰ্জন কৰিছিল। আয়ুৰ্বেদ চিকিৎসকৰূপে চৰক, সুশ্ৰুত আৰু ধন্বন্টৰিৰ নাম প্ৰখ্যাত আছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (গ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নৰ তলতে তোমাক ঠাই দিয়া হৈছে।

তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) গুৰুকুলৰ তিনিটা বৈশিষ্ট্য লিখা।

..........................................................................

..........................................................................

..........................................................................

## ১.৮ বৈদিক শিক্ষা পদ্ধতি (Methods of Vedic Education)

তোমালোকে শুনি আচৰিত হ'বা যে প্ৰাৰম্ভিক কালত লিপিৰ আৱিস্কাৰ হোৱা নাছিল যদিও শিক্ষাৰ বিকাশ হৈ আছিল। গুৰুৱে কৈ যোৱা কথাবোৰ ছাত্ৰই শুনি শুনিয়েই জ্ঞান আয়ত্ত্ব কৰিছিল। সেই সময়ত তিনিটা পৰ্য্যায়ত শিক্ষা কাৰ্য সম্পন্ন কৰিছিল - শ্ৰৱণ, মনন আৰু নিধিধ্যাসন।

প্ৰথম পৰ্য্যায় - শ্ৰৱণ মানে শুনা, গুৰুৱে মাতি যোৱা বেদৰ শ্লোকবোৰ ছাত্ৰই শুনিব লাগে। গুৰুৰ শুদ্ধ আৰু সাৱলীল উচ্চাৰণ একান্তমনে ছাত্ৰই শুনি মনত ৰাখি যোৱাটো এক জটিল কথা আছিল যদিও গুৰুৰ ঐকান্তিক প্ৰচেষ্টাত ছাত্ৰই সম্ভৱ কৰি তুলিছিল। উচ্চাৰণত অধিক গুৰুত্ব দিছিল, উচ্চাৰণ শুদ্ধ নহলে ভাবাৰ্থ প্ৰকাশ নহয়। শুদ্ধ উচ্চাৰণ কৰিবলৈ হলে শ্ৰৱণ শক্তি স্মৃতি শক্তিও প্ৰখৰ হ'ব নালাগিবনে?

দ্বিতীয় পৰ্য্যায়টো হ'ল - মনন, গুৰুৱে কৈ যোৱা বাক্যবোৰ বা শ্লোকৰ ভাঙনিবোৰ ছাত্ৰই হৃদয়ঙ্গম কৰাত গুৰুত্ব দিছিল। হৃদয়ঙ্গম নহলে জ্ঞানৰ বিকাশ নহয়।

তৃতীয় পৰ্য্যায়ত নিধিধ্যাসন ইয়াৰ অৰ্থ হ'ল বুজি পোৱা বিষয়বোৰৰ ওপৰত নিজৰ মতামত, যুক্তি, সত্যাসত্য নিৰূপণ কৰা।

বৈদিক শিক্ষাত প্ৰশ্ন-উত্তৰ পদ্ধতিও ব্যৱহাৰ হৈছিল। গুৰুৱে কৰা প্ৰশ্নৰ উচ্চৰ ছাত্ৰই দিছিল আৰু ছাত্ৰইও গুৰুক প্ৰশ্ন কৰিব পাৰিছিল। ছাত্ৰৰ বহু জটিল প্ৰশ্নৰ উত্তৰ কেতিয়াবা গুৰুৱে দিব নোৱাৰি পৰিষদত উত্থাপন কৰিছিল।

আজিকালি বক্তৃতা পদ্ধতিক পৰম্পৰাগত পদ্ধতি বোলা হয়, এই পদ্ধতিও বৈদিক কালৰে পৰা প্ৰচলন হৈ আহিছে। বিভিন্ন ধৰ্মীয় কাহিনীবোৰৰ কথা, বেদৰ

ব্যাখ্যা গুৰুৱে বক্তৃতাৰে উপস্থাপন কৰিছিল। উপস্থাপন কৰা বিষয়বোৰ ছাত্ৰই নুবুজিলে প্ৰশ্ন সুধিব পাৰিছিল।

বৈদিক কালত মৌখিক শিক্ষাদান দিয়াৰ কাৰণে আবৃত্তিৰ ওপৰত গুৰুত্ব দিছিল। শিষ্যই গুৰুৰ লগে লগে আবৃত্তি কৰি তাক আয়ত্ব কৰি পুনৰ আবৃত্তি কৰি গুৰুক শুনাইছিল। গুৰুৱে শব্দৰ উচ্চাৰণ ভুল হ'লে পুনৰ কৰাইছিল।

অস্ত্ৰ শস্ত্ৰৰ শিক্ষা দিওঁতে গুৰু শিষ্যৰ লগত থাকি প্ৰতিটো কথা হাতত ধৰি শিকোৱাৰ বাবে শিষ্যই সহজে আয়ত্ব কৰিছিল। গুৰু আৰু শিষ্যৰ মুখামুখি সম্পৰ্কৰ হেতুকে গুৰুৱে শিষ্যৰ সকলো কথাই বুজি পাইছিল। শিষ্যৰ মানসিক অৱস্থাৰ উমান পোৱা হেতুকে শিক্ষাদান পদ্ধতি সহজ হৈ পৰিছিল।

### ১.৮.১ অনুশাসন ব্যৱস্থা (Discipline)

আমি আগতে উল্লেখ কৰিছো যে বৈদিক শিক্ষা বৰ সহজ-সৰল নাছিল। কঠোৰ ব্ৰতৰ মাজেৰেহে ১২ বছৰ কাল গুৰু গৃহত অতিবাহিত কৰিছিল। শিষ্যই ব্ৰহ্মচৰ্য ব্ৰত গ্ৰহণ কৰি ভোগ বিলাসৰ পৰা আতৰি থাকি কঠোৰ জীৱন যাপন কৰিবলগীয়া হৈছিল। ধৰ্মক কেন্দ্ৰ কৰি শিক্ষা বিকাশ হৈছিল; গতিকে পুৱা-গধূলি ধৰ্মীয় নিয়ম পালন কৰাটো বাধ্যতামূলক আছিল। গুৰুক সেৱা শুশ্ৰূষা কৰাটো পাঠ্যক্ৰমৰ অবিচ্ছেদ্য অঙ্গ আছিল। গুৰু গৃহত মাছ, মঙহ, ৰাগিয়াল বস্তু, মছলা আদি একো গ্ৰহণ কৰিব নোৱাৰিছিল। সাধাৰণ বস্ত্ৰ পৰিধান কৰি, মূৰ খুৰাই দিন অতিবাহিত কৰিছিল। নিজৰ ইচ্ছামতেই যি কোনো কাম কৰিব নোৱাৰিছিল। গুৰুৰ বিনা অনুমতিত বাহিৰলৈ যাব নোৱাৰিছিল। গুৰু বাক্য উলংঘা কৰাতো পাপ বুলি গণ্য কৰা হৈছিল। গুৰু গৃহৰ যাৱতীয় কাম-কাজ কৰাতো বাধ্যতামূলক আছিল।

তোমালোকে জানানে গুৰুকুলৰ অনুশাসন ভঙ্গ কৰিলে শিষ্যই শাস্তিও পাইছিল। তেওঁলোকক সৌকাৰে কোব দিয়া হৈছিল কিন্তু গুৰুৱে আদৰ স্নেহেৰে আকৌ আকোঁৱালি লৈছিল। গুৰুৱে শিষ্যসকলৰ মাজৰ পৰা আটাইতকৈ যোগ্য আৰু বুদ্ধিমান ছাত্ৰজনক 'ওজা ছাত্ৰ' (Monitor) পাতিছিল আৰু তেওঁক বিভিন্ন দায়িত্ব অৰ্পণ কৰিছিল। এই বিষয়ে আমি আগলৈ পাম।

### ১.৮.২ গুৰু শিষ্যৰ সম্পৰ্ক (Teacher-Student relationship)

বৈদিক কালত শিক্ষকক আচাৰ্য বুলি কোৱা হৈছিল। বোধকৰো আজিকালি

বিশ্ববিদ্যালয়ৰ আচাৰ্য বুলি কোৱা মুৰব্বীজনৰ পদবীটোৰ নামাকৰণ বৈদিক কালৰ এই আচাৰ্যৰ অনুকৰণত হৈছে। সচৰাচৰ আচাৰ্যক গুৰু বুলি কোৱা হৈছিল।

সেই সময়ত গুৰু-শিষ্যৰ সম্পৰ্ক পিতা-পুত্ৰৰ সম্পৰ্কতকৈ ওপৰৰ আছিল। গুৰু-শিষ্যৰ এক আবেগিক সম্পৰ্ক থকাৰ হেতুকে ১২ বছৰ কাল অতিবাহিত কৰাটো সহজ হৈ পৰিছিল। গুৰুৰ ওজা ছাত্ৰ ব্যৱস্থাটোৱে শিক্ষা কাৰ্য সম্পাদনত সহজ কৰিছিল। গুৰুৰ অসুস্থতাত বা অনুপস্থিতিত ওজা ছাত্ৰজনে সকলো কাম চলাই নিয়াত সহায় কৰিছিল। আনকি ওজা ছাত্ৰজন গুৰুৰ লগত বিভিন্ন পৰিষদলৈও যাব পাৰিছিল। গুৰুক পিতৃৰ দৰে সেৱা শুশ্ৰূষা কৰি সকলো আদেশ আখৰে আখৰে পালন কৰিছিল। গুৰুৱেও একেদৰে শিষ্যৰ স্বাস্থ্যৰক্ষাত যত্ন লৈছিল আনকি অসুখত পৰিলে পিতৃৰ দৰে আদৰ যত্ন কৰিছিল। শিষ্যৰ শাৰীৰিক, মানসিক আৰু নৈতিক সকলো দিশতে সফল হোৱাৰ সুবিধা প্ৰদান কৰিছিল। গুৰুৰ আৰ্শীবাদ পোৱাটো সেই সময়ত শিষ্যৰ একান্ত কাম্য আছিল।

বহু শিষ্যই গুৰু গৃহ ত্যাগ কৰিব নিবিচাৰিছিল। গুৰু আৰু শিষ্যৰ এনে মধুৰ সম্পৰ্কৰ আৰু এটা কাহিনী উল্লেখ কৰিলো। তোমালোকে নিশ্চয় গুৰু দ্ৰোনাচাৰ্যৰ নাম শুনিছা। দ্ৰোনাচাৰ্য অস্ত্ৰ বিদ্যাৰ গুৰু হোৱাৰ হেতুকে একলব্য নামৰ এজন শিষ্যই তেওঁৰ এচৰত ধনুৰ্বিদ্যা শিকিব বিচাৰিছিল কিন্তু দ্ৰোনাচাৰ্যই তেওঁক শিকাবলৈ অমান্তি হোৱাত তেওঁ গুৰুৰ প্ৰতিমূৰ্তি স্থাপন কৰি নিজে নিজে অনুশীলন কৰি ধনুৰ্বিদ্যা আয়ত্ত্ব কৰিলে। এসময়ত তেওঁ বিদ্যাত পাৰ্গত হৈ পৰাত দ্ৰোনাচাৰ্যই তেওঁক গুৰু দক্ষিণা হিচাবে তেওঁৰ সোঁ হাতৰ বুঢ়া আঙুলিটো বিচৰাত গুৰুক সন্তুষ্ট কৰিবলৈ বুঢ়া আঙুলিটো দক্ষিণাস্বৰূপে দি দিলে। ইয়াৰ পাছত একলব্যই ধনুৰ্বিদ্যা সিমানতেই সমাপ্ত কৰিবলগীয়া হল। এই ঘটনাটোৱে বাৰু কি সূচায়? ঘটনাটোৱে একলব্যৰ গুৰু ভক্তিক চিৰকাললৈ যুগমীয়া কৰিলে, অন্যহাতে দ্ৰোনাচাৰ্যৰ বহু দিশ চিৰকাললৈ মুকলি কৰা নাইনে?

## ১.৯ বৈদিক যুগৰ স্ত্ৰী শিক্ষা (Women Education in Vedic Period)

বৈদিক যুগৰ আৰম্ভণীত স্ত্ৰী আৰু পুৰুষ উভয়ৰে শিক্ষা গ্ৰহণৰ সম অধিকাৰ আছিল। ল'ৰাৰ দৰে ছোৱালীয়েও উপনয়ন উদযাপনেৰে গুৰুগৃহত প্ৰৱেশ কৰাৰ সুবিধা পাইছিল। তেওঁলোকে ধৰ্ম শাস্ত্ৰ, বেদৰ জ্ঞানো অৰ্জন কৰি যাগ-যজ্ঞ, পূজা

পাতলত স্বামীক সহায় কৰিছিল। ঋকবেদৰ বহুত শ্লোক বিশ গৰাকী মহিলা কবিয়ে লিখিছিল, তাৰে কেইগৰাকীমান হ'ল - বিশ্বৰাৰা, ঘোষা, নিভাবাৰী, ৰোমানা, লোপামুদ্ৰা, অপলা, চিকটা, উৰ্ব্বশী। মহিলাই অনেক শাস্ত্ৰ অধ্যয়ন কৰি পণ্ডিত লেখক, কবিও হৈছিল। লীলাৱতীয়ে অঙ্ক শাস্ত্ৰ ৰচনা কৰিছিল। মৈত্ৰেয়ীয়ে বাল্মিকীৰ আশ্ৰমত লৱ-কুশৰ সৈতে বেদান্ত অধ্যয়ন কৰিছিল। ল'ৰাৰ দৰে ছোৱালীয়েও ন-গুণ ধাৰণ কৰি গায়ত্ৰী মন্ত্ৰ উচ্চাৰণ কৰাৰ নিয়ম আছিল। দৰ্শন, ধৰ্মকে আদি কৰি বিভিন্ন বিষয়ত পুৰুষৰ লগত মহিলাই সমানে যুক্তি তৰ্কত ভাগ লোৱাৰ অনেক নিদৰ্শন আছে। তাৰ ভিতৰত জনক আৰু সুলভা, যাজ্ঞবল্ক আৰু মৈত্ৰেয়ী, গাৰ্গী, শঙ্কৰাচাৰ্য আৰু বিদ্যাধাৰীৰ ভিতৰত হোৱা যুক্তি তৰ্ক উল্লেখনীয়।

বিয়া নোহোৱা মহিলাসকলেও বৈদিক সাহিত্য, শ্লোক আদি শিকিব পাৰিছিল। তেওঁলোকে নিজ জ্ঞানৰ সাধনা কৰি সাহিত্য সৃষ্টিও কৰিছিল। আনকি বহু মহিলাই মীমাংসাও পঢ়িব পাৰিছিল। মহিলাসকল কেৱল ধৰ্ম, দৰ্শন, সাহিত্য চৰ্চাতে সীমাবদ্ধ নাছিল; সংগীত, নৃত্য কলা, সুকুমাৰ কলা, খেতি বাতিৰ কামো কৰিব পাৰিছিল। এতেকে অনুমান কৰিব পাৰি বৈদিক কালত মহিলা কিমান আগৰণুৱা আছিল।

### ১.৯.১ সামাজিক স্থান আৰু স্বাধীনতা (Social Status and freedom)

বৈদিক যুগৰ শিক্ষাৰ মহত্ত্বপূৰ্ণ দিশবিলাকৰ ভিতৰত এটা দিশ হ'ল নাৰীৰ সামাজিক স্থান আৰু স্বাধীনতা। সেই সময়ৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থান পুৰুষৰ দৰেই আছিল। কোনো সামাজিক অনুষ্ঠান, উৎসৱ, পূজা অৰ্চনা নাৰীৰ অবিহনে সম্ভৱ নহৈছিল। ঋকবেদৰ সময়ত নাৰীক পূৰ্ণ স্বাধীনতা আৰু উচ্চ সামাজিক স্থান দিয়া হৈছিল। নাৰী অবিহনে যাগ-যজ্ঞ সম্পন্ন নহৈছিল। স্বামীৰ লগত ছাঁৰ দৰে সকলো ধৰ্ম, কৰ্মতে নাৰীয়ে ভাগ লৈছিল, আনকি নৃত্য-গীত পৰিৱেশনতো কোনো ধৰণৰ বাধা নাছিল।

সেই সময়ত শিক্ষা বাধ্যতামূলক নাছিল ল'ৰা আৰু ছোৱালীয়ে সমানে শিক্ষা লাভ কৰিছিল। আগতেও উল্লেখ কৰিছোঁ যে জ্ঞান অৰ্জনক সেই সময়ত পবিত্ৰ ধৰ্ম বুলি ভবা হৈছিল। কোনোবা ছোৱালীয়ে গুৰুৰ ঘৰত কঠোৰ ব্ৰত নল'লৈও ঘৰতে জ্ঞান চৰ্চা কৰিছিল। ঘৰত শিক্ষা লাভ কৰাটো একপ্ৰকাৰ নিয়মেই আছিল। ঋষি কন্যাৰ বাহিৰেও অৱস্থাপন্ন ঘৰৰ ছোৱালীয়ে শিক্ষা লাভৰ সুবিধা পাইছিল।

সমাজত মহিলাই আদৰ, সন্মান পোৱাৰ হেতুকে ওপৰত উল্লেখ কৰি অহা মহিলাসকলে বিভিন্ন বিষয়ত নিজৰ প্ৰতিভা বিকাশ কৰিছিল। বৈদিক কালত মহিলাক সাহস, ত্যাগ আৰু শক্তিৰ প্ৰতীক ৰূপে গণ্য কৰা হৈছিল। মহিলাৰ অবিহনে পুৰুষ আগবাঢ়িব নোৱাৰে বুলি অনুভৱ কৰিছিল বাবেই আলোচনা, যুক্তি তৰ্কত মহিলাক ভাগ লবলৈ দিয়া হৈছিল। পুৰুষৰ দৰে মহিলাই শিক্ষা দান কৰাৰ অধিকাৰো পাইছিল। মহিলা শিক্ষকক উপাধ্যায়া বোলা হৈছিল। সমাজত মহিলাই স্বাধীনতা নোপোৱাহ'লে নিশ্চয় এনেদৰে আগবাঢ়িব নোৱাৰিলেহেতেন। ওপৰৰ আলোচনাৰ পৰা তোমালোকে স্পষ্টকৈ বুজিব পাৰিলা যে প্ৰাচীন কালত স্ত্ৰী শিক্ষাৰ ভেটি শক্তিশালী আছিল।

**আত্ম মূল্যায়নৰ প্ৰশ্ন - (ঘ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নৰ তলতে তোমাক ঠাই দিয়া হৈছে।

তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) বৈদিক শিক্ষাৰ শিক্ষা-দান পদ্ধতিৰ দুটা গুণ উল্লেখ কৰা।

.......................................................................................

.......................................................................................

২) বৈদিক শিক্ষাত গুৰু আৰু শিষ্যৰ দায়িত্ব সম্পৰ্কে চমুকৈ লিখা।

.......................................................................................

.......................................................................................

.......................................................................................

**কৰণীয়া কৰ্ম (Activity)**

১) বৈদিক শিক্ষা লাভ কৰি বিশিষ্ট স্থান লাভ কৰা মহিলাসকলৰ নাম তালিকা প্ৰস্তুত কৰা।

## ২.০ সামৰণি (Let us sum up)

গোটটো অধ্যয়ন কৰাৰ পাছত আমি তলৰ কথাখিনি বুজিবলৈ সক্ষম হ'লো।

বৈদিক ধৰ্মৰ আধাৰতেই শিক্ষাই বিকাশ লাভ কৰিছিল। এই শিক্ষাই সমাজৰ সকলো শ্ৰেণীৰ মানুহকেই প্ৰভাৱিত কৰিছিল। ধৰ্মক মুখ্য কৰিয়েই দৰ্শন, সাহিত্য, কাব্য, নীতিশাস্ত্ৰ আদিৰ চৰ্চা হৈছিল।

এই শিক্ষাৰ মুখ্য উদ্দেশ্য আছিল আত্ম উপলব্ধি, নৈতিক বিকাশ, শাৰীৰিক

বিকাশ, ব্যক্তিত্ব গঠন, ধৰ্মীয় সংস্কৃতি আৰু পৰম্পৰা সংৰক্ষণ, নাগৰিকত্বৰ শিক্ষা ইত্যাদি।

বৈদিক শিক্ষাৰ মূল বৈশিষ্ট্যসমূহৰ ভিতৰত ওজা ছাত্ৰ পদ্ধতি, ব্ৰহ্মচৰ্য পালন, গুৰুকুল প্ৰথা, বৃত্তিমূলক শিক্ষা আদিয়ে প্ৰধান।

গুৰুকুল প্ৰথাৰ উপনয়ন আৰু সমাৱৰ্তন অনুষ্ঠানৰ দ্বাৰা বিদ্যাৰম্ভ আৰু সামৰণিও এই শিক্ষাৰ উল্লেখযোগ্য দিশ।

মৌখিক পদ্ধতিকে প্ৰাধান্য কৰি শ্ৰৱন, মনন আৰু নিধিধ্যাসনৰ দ্বাৰা শিক্ষা কাৰ্য্য সম্পাদন কৰা হৈছিল।

গুৰুকুলত শিষ্যই কঠোৰ অনুশাসনৰ মাজত ১২ বছৰ কাল অতিবাহিত কৰি শাৰীৰিক, মানসিক শ্ৰম কৰিছিল। গুৰু বাক্য উলংঘা কৰাটো পাপ বুলি গণ্য কৰা হৈছিল।

তোমালোকে স্ত্ৰী শিক্ষাৰ বিকাশ সম্বন্ধেও শিকিলা। ব্ৰহ্মচাৰিণী, ব্ৰহ্মবাদিনীসকলৰ বিষয়েও জানিব পাৰিলা। গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতীকে আদি কৰি স্ত্ৰী শিক্ষাৰ বাটকটীয়া বহু মহিলাৰ নামো উল্লেখ কৰা হ'ল। সমাজত নাৰীৰ মৰ্যদা, নাৰীৰ স্থান সম্পৰ্কেও আলোচনা কৰিছোঁ। তোমালোকে বৈদিক শিক্ষাৰ লগত বৰ্তমান শিক্ষাৰ এটা তুলনামূলক অধ্যয়ন কৰিব পাৰিবা।

## ঘাই শব্দসমূহ (Key Words)

**বৈদিকোত্তৰ** - উপনিষদৰ সময় - যাক বেদৰ শেষৰ পৰ্য্যায় বুলিও কোৱা হয়।

**ব্ৰহ্মজ্ঞান** - ভগৱান সম্বন্ধীয় জ্ঞান।

**গুৰুকুল** - গুৰুৰ ওচৰত থাকি শিক্ষা গ্ৰহণৰ ব্যৱস্থা।

**আচাৰ্য** - শিক্ষক, গুৰুক সেই সময়ত আচাৰ্য বোলা হৈছিল।

**উপনয়ন** - গুৰুকুলত প্ৰৱেশ কৰাৰ প্ৰাৰম্ভিক অনুষ্ঠান। হোম-যজ্ঞ, ন গুণ মন্ত্ৰ পাঠ কৰি প্ৰৱেশ কৰাৰ বিধি।

**সমাৱৰ্তন** - গুৰুকুলৰ সামৰণি অনুষ্ঠান।

**ওজা ছাত্ৰ প্ৰথা** - শিষ্যৰ মাজৰ পৰা আটাইতকৈ উপযুক্ত বুলি ভবা ছাত্ৰজনৰ দ্বাৰা শিক্ষাদান কাৰ্যসূচী সম্পন্ন কৰা প্ৰথা।

**বৃত্তিমূলক পাঠ্যক্ৰম** - যিবোৰ বিষয় অধ্যয়ন কৰি কোনো এটা বৃত্তিৰ কাৰণে

উপযোগী হ'ব পাৰি তেনে পাঠ্যক্ৰম।

**পৰিষদ** - পণ্ডিত, গুৰুসকলৰ সামূহিক অনুষ্ঠান।

**সন্মিলন** - ৰজা মহাৰজাই আহ্বান কৰা ধৰ্ম গুৰুসকলৰ বা পণ্ডিতৰ সমাৰোহ।

**ব্ৰহ্মচৰ্য** - চাৰিভাগত ভাগ কৰা মানুহৰ জীৱনৰ প্ৰথম কালছোৱাক ব্ৰহ্মচৰ্য বোলা হয়। এই কালছোৱা জ্ঞান আহৰণৰ সময় বুলি ধৰা হয়।

**ব্ৰহ্মচাৰিণী** - ছোৱালীয়ে গুৰুৰ ওচৰত থাকি শিক্ষা ললে ব্ৰহ্মচাৰিণী বুলি কোৱা হয়।

**ব্ৰহ্মবাদিনী** - বেদ অধ্যয়ন কৰা মহিলাই বিবাহ সম্পন্ন কৰাৰ পিছত ব্ৰহ্মবাদিনী বুলি কোৱা হয়।

**ঋষিকা** - বেদৰ জ্ঞান লাভ কৰি সমৃদ্ধিশালী হোৱা মহিলা।

**নিধিধ্যাসন** - ধ্যান বা ঐকান্তিক ভাৱে চিন্তা কৰা।

## পাঠ্য নিৰ্দেশনা (Suggested reading)

১) ৰাৱট, পি.এল, ভাৰতীয় শিক্ষাৰ ইতিহাস, ৰাম প্ৰসাদ এণ্ড চন্স, আগ্ৰা -৩

২) শৰ্মা, ৰেণু, ভাৰতৰ শিক্ষাৰ ইতিহাস, ষ্টুডেণ্টচ ষ্টৰচ, গুৱাহাটী।

৩) শৰ্মা, তৰুণ কুমাৰ, গোস্বামী, ৰজনীকান্ত, ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা প্ৰকাশন, ডিব্ৰুগড়, গুৱাহাটী।

## সাম্ভাব্য উত্তৰ (Probable Answers)

### আত্মমূল্যায়ন (ক)

১) আজিৰ পৰা কেইবাহাজাৰ বছৰৰ আগতে ঋষি মুনিসকলে অন্তনিৰ্হিত শক্তি আৰু সাধনাৰ বলত লাভ কৰা ব্ৰহ্ম জ্ঞানসমূহ মুখে মুখে প্ৰচাৰিত হৈ হৈ পিছত সংগ্ৰহিত ৰূপত বেদ আখ্যা পালে। বেদব্যাস মুনিয়ে সেইবোৰ সংগ্ৰহ কৰি সম্পাদনা কৰাত চাৰিটা খণ্ডলৈ ৰূপান্তৰিত হ'ল। এই বেদকেইখনত উল্লেখিত জ্ঞানসমূহ উঠি অহা প্ৰজন্মক দিয়াৰ চেষ্টা কৰি বিভিন্ন মুনি, পণ্ডিতে নিজৰ ঘৰতে গুৰুকুল নতুন প্ৰাকৃতিক পৰিবেশত ঘৰৰ পৰা নিলগত আশ্ৰম পাতি শিক্ষাৰম্ভ কৰাৰ পাছৰে পৰাই বৈদিক শিক্ষাৰ বিকাশ হ'বলৈ ধৰিলে।

২) বৈদিক শিক্ষাৰ বিশেষত্বসমূহৰ ভিতৰত গুৰুকুল প্ৰথা, ওজা ছাত্ৰ প্ৰথা, ব্ৰহ্মচৰ্য ব্ৰত, উপনয়ন আৰু সমাবৰ্তন উল্লেখযোগ্য। তদুপৰি আধ্যাত্মিক শিক্ষাৰ লগতে

মনস্তাত্ত্বিক দিশত প্ৰাধান্য দিয়াটোও তাৎপৰ্যপূৰ্ণ।

৩) বৈদিক শিক্ষাৰপ্ৰভাৱতে আমাৰ আধুনিক ভাৰতীয় শিক্ষাও গঢ় লৈ উঠিছে। এই শিক্ষাৰ আধাৰতে ভাৰতৰ সভ্যতা আৰু সংস্কৃতিও গঢ় লৈ উঠাত ইয়াৰ প্ৰভাৱ শিক্ষাত পৰাটো স্বাভাৱিক।

বৈদিক সিক্ষাৰ লক্ষ্যৰ আধাৰতে নৈতিক চৰিত্ৰৰ বিকাশ, আধ্যাত্মিক উৎকৰ্ষ সাধন, শাৰীৰিক বিকাশ, নাগৰিকত্বৰ বিকাষ. ব্যক্তিত্ব গঠন, মানসিক উৎকৰ্ষ সাধন আদি বৰ্তমান শিক্ষাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য।

**আত্মমূল্যায়ন (খ)**

১)  গুৰুকুল শিক্ষা গুৰুগৃহতে দিয়া হৈছিল। ইয়াত প্ৰাৰম্ভিক অনুষ্ঠান উপনয়ন উদ্‌যাপন কৰিহে শিষ্যই প্ৰৱেশ কৰিব পাৰিছিল। সমাবৰ্তন অনুষ্ঠানেৰে ১২ বছৰ অধ্যয়ন কৰি শিক্ষা সমাপ্ত কৰা হৈছিল। ইয়াত ওজা ছাত্ৰ ব্যৱস্থা আছিল। শিষ্যসকলে শাৰীৰিক শ্ৰম কৰাটো বাধ্যতামূলক আছিল।

২) তক্ষশীলাত ৩ খন বেদ, বেদান্ত, ব্যাকৰণ, আয়ুৰ্বেদ শাস্ত্ৰ, ১৮ বিধ শিল্প, দৰ্শন আইন, জ্যোতিৰ্বিদ্যা, জ্যোতিষ শাস্ত্ৰ, কৃষি উদ্যোগ, বাণিজ্য, শলা চিকিৎসা শাস্ত্ৰ আদি মূল পাঠ্যক্ৰম আছিল।

মিথিলাত সাহিত্য, সুকুমাৰ কলা, আইন, তৰ্ক শাস্ত্ৰ আদি বিষয়ৰ শিক্ষা প্ৰদান কৰা হৈছিল।

**আত্মমূল্যায়ন প্ৰশ্ন (গ)**

১) বৈদিক যুগত কাৰিকৰী শিক্ষাৰ বিকাশ হৈছিল। আত্মৰক্ষাৰ বাবে অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰা, ঘৰ দুৱাৰ সজা, ঘৰদুৱাৰত ৰং দিয়া, কাপোৰ বোৱা, কাপোৰত ৰং দিয়া, সূতা কটা, সুগন্ধি বস্তু উৎপাদন কৰা আদিও পাঠ্যক্ৰমত অন্তৰ্ভুক্ত আছিল।

**আত্মমূল্যায়ন প্ৰশ্ন (ঘ)**

১) শিক্ষাদান পদ্ধতি মূলতঃ মৌখিক আছিল। শ্ৰৱণ, মনন, ধ্যানৰ দ্বাৰাই শিষ্যই জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি আলোচনামূলক পদ্ধতি, বক্তৃতা পদ্ধতি, প্ৰশ্ন-উত্তৰ পদ্ধতি, তৰ্ক পদ্ধতিয়েও জ্ঞান আহৰণত সহায় কৰিছিল।

২) গুৰুৱে সকলো কামতে শিষ্যক সহায় কৰিছিল, গুৰুকুলৰ সকলো কামেই শিষ্যই কৰিব পাৰিছিল। ঘৰ দুৱাৰ চাফাই কৰা, খেতি বাতি কৰা, পশুপালন কৰা,

খৰি কটা, গুৰুক শুশ্ৰূষা কৰাকে আদি কৰি সকলো কামেই শিষ্যই কৰিছিল। শিষ্যৰ অসুখত গুৰুৱে চোৱা-চিতা কৰিছিল ঠিক একেদৰে গুৰুৰ অসুস্থতাত শিষ্যই শুশ্ৰূষা কৰিছিল। গুৰুৱে শিষ্যক সম্পূৰ্ণ দায়িত্ব সহকাৰে ১২ বছৰ কাল পুত্ৰৰ দৰেই আদৰ যত্নৰ মাজেৰে শিক্ষা দিয়াৰ চেষ্টা কৰিছিল।

## আৰ্হি প্ৰশ্ন (Model Question)

১) বৈদিক শিক্ষাৰ আদৰ্শ কি?

২) বৈদিক শিক্ষাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৩) বৈদিক শিক্ষাৰ মূল লক্ষ্য কি আছিল বহলাই লিখা।

৪) বৈদিক শিক্ষাৰ আৰ্থিক অনুদান ক'ৰ পৰা আহিছিল আৰু কেনেকৈ?

৫) বৈদিক শিক্ষাৰ পাঠ্যক্ৰমৰ উল্লেখযোগ্য দিশসমূহ আলোচনা কৰা।

৬) বৈদিক যুগৰ অনুশাসন ব্যৱস্থাৰ পৰ্য্যালোচনা কৰা।

৭) বৈদিক কালৰ গুৰু আৰু শিষ্যৰ সম্পৰ্কৰ আধাৰত বৰ্তমান কালৰ সম্পৰ্কৰ ওপৰত তোমাৰ মতামত বহলাই লিখা।

৮) বৈদিক কালত মহিলাৰ স্বাধীনতা আৰু সামাজিক স্থান সম্পৰ্কে আলোচনা কৰা

৯) চমু টোকা লিখা -

(ক) গুৰুকুল প্ৰথা

(খ) ওজা-ছাত্ৰ পদ্ধতি

(গ) উপনয়ন

(ঘ) পৰিষদ

(ঙ) বৃত্তিমূলক পাঠ্যক্ৰম

## প্ৰসঙ্গ পুথি (Reference Book)

অসমীয়া -

১) শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্ৰুগড়।

২) শৰ্মা, ৰেণু স্নাতক মহলাৰ ভাৰতৰ শিক্ষাৰ ইতিহাস, ষ্টুডেণ্টচ্ ষ্টৰচ, গুৱাহাটী।

ইংৰাজী -

1. Rawat, P.L. : History of Indian Education, Published by Ram Prasad & Sons, Agra -3

2. Chaube, S.P. : History and Problems of Indian Education, Vinod Puspak Mandir, Agra-2

**খণ্ড ঃ ১**

গোট -২ (unit II)

# বৌদ্ধ যুগৰ শিক্ষা

## (Education in Buddhist Period)

গোট গঠন বিন্যাস ঃ


২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ বৌদ্ধযুগৰ শিক্ষাৰ ধাৰণা

 ২.২.১ গৌতম বুদ্ধ

 ২.২.২ বৌদ্ধ ধৰ্ম

২.৩ বৌদ্ধ শিক্ষাৰ আদৰ্শ আৰু বৈশিষ্ট্য

২.৪ বৌদ্ধ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য

২.৫ সংগঠন

 ২.৫.১ বৌদ্ধ সংঘ

 ২.৫.২ নামভৰ্ত্তিৰ অনুস্থান

২.৬ বৌদ্ধ শিক্ষাৰ বিত্তীয় ব্যৱস্থা

২.৭ বৌদ্ধ শিক্ষাৰ পাঠ্যক্ৰম

 ২.৭.১ সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম

 ২.৭.২ কাৰিকৰী শিক্ষাৰ পাঠ্যক্ৰম

১.৮ শিক্ষাদান পদ্ধতি

২.৯ শিক্ষক ছাত্ৰৰ সম্পৰ্ক

 ২.৯.১ বৌদ্ধ শিক্ষাত অনুশাসন

২.১০ বৌদ্ধ শিক্ষাত স্ত্ৰী শিক্ষাৰ স্থান

 সামৰণি

 ঘাই শব্দ সমূহ

 সম্ভাব্য উত্তৰ

 আৰ্হি প্ৰশ্ন

 প্ৰসঙ্গ পুথি

**উদ্দেশ্য (Objectives) ঃ**

এই গোটটো পঢ়াৰ পিছত তোমালোকে

* গৌতম বুদ্ধ আৰু বৌদ্ধধৰ্মৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
* বৌদ্ধ শিক্ষাৰ আদৰ্শ, বৈশিষ্ট্য, লক্ষ্য আৰু উদ্দেশ্য বৰ্ণনা কৰিব পাৰিবা।
* বৌদ্ধ শিক্ষা ব্যৱস্থাৰ সংগঠন, বিত্তীয় ব্যৱস্থা, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, শিক্ষক ছাত্ৰৰ সম্পৰ্ক আৰু স্ত্ৰী শিক্ষাৰ স্থানৰ বিষয়ে আলোচনা কৰিব পাৰিবা।

**প্ৰস্তাৱনা (Introduction) ঃ**

ইয়াৰ আগৰ গোটটোত তোমালোকে বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে জানিলা। তোমালোকে বুজিব পাৰিলাযে বৈদিক যুগৰ শিক্ষা বুলিলে বেদ , বেদান্ত উপনিষদকে আদি কৰি হিন্দুধৰ্মৰ গ্ৰন্থ সমূহৰ ওপৰত ভিত্তি কৰি প্ৰাচীন ভাৰতত যি শিক্ষাব্যৱস্থা গঢ় লৈ উঠিছিল তাকেই কোৱা হয় আৰু সেয়ে ইয়াক প্ৰাচীন হিন্দু শিক্ষা ব্যৱস্থাও বুলি কোৱা হয়। বৈদিক শিক্ষাৰ নানান দিশবোৰ বিতংকৈ পঢ়াৰ পিছত তোমালোকে নিশ্চয় বুজিব পাৰিছাযে আমাৰ আজিৰ শিক্ষাৰ ভেটি সেই প্ৰাচীন কালতে কেনেদৰে গঢ় লৈ উঠিছিল।

এই গোটটোত আমি বৈদিক যুগৰ পিছৰ যুগ বৌদ্ধ যুগৰ শিক্ষাব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম। বৌদ্ধযুগৰ শিক্ষাব্যৱস্থা বুলি কওঁতে ইয়াৰ আদৰ্শ ,বৈশিষ্ট, লক্ষ্য, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, সাংগঠনিক ব্যৱস্থা, অনুশাসন আদি সকলোবোৰ দিশৰ এক সম্যক ধাৰণা তোমালোকক দিবলৈ যত্ন কৰিম। তাৰ আগেয়ে অৱশ্যে আমি বৈদিক শিক্ষাৰ স্থানত বৌদ্ধ শিক্ষাই জনপ্ৰিয়তা লাভ কৰাৰ কাৰনসমূহো ফহিয়াই চাম।

তোমালোকে নিশ্চয় জানা যে বৌদ্ধ শিক্ষা ব্যৱস্থাৰ ভেটি হ'ল গৌতমবুদ্ধই প্ৰচাৰ কৰা বৌদ্ধ ধৰ্ম। সেয়ে এই বৌদ্ধযুগৰ শৈক্ষিক ঐতিহ্যৰ বিষয়ে জনাৰ আগেয়ে আমি গৌতম বুদ্ধ আৰু তেওঁ প্ৰচাৰ কৰা বৌদ্ধ ধৰ্মৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

এই গোটটো পঢ়াৰ পিছত তোমালোকে বৈদিক যুগৰ শিক্ষা আৰু বৌদ্ধযুগৰ শিক্ষা ব্যৱস্থাৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্য সমূহ বিচাৰ কৰিব পাৰিবা। আৰু লগতে বৰ্ত্তমানৰ শিক্ষাব্যৱস্থাত বৌদ্ধযুগৰ শিক্ষাব্যৱস্থাৰ প্ৰভাৱ বিচাৰ কৰি চাব পাৰিবা।

### বৌদ্ধ শিক্ষাৰ ধাৰণা ঃ

তোমালোকে জানিবা পাৰিছা যে গৌতমবুদ্ধৰ মতাদৰ্শৰ পৰাই বৌদ্ধ ধৰ্মৰ উৎপত্তি হয় আৰু এই বৌদ্ধধৰ্মৰ ভিত্তিত যি শিক্ষাব্যৱস্থাৰ প্ৰচলন হ'ল সেয়েই বৌদ্ধ শিক্ষা ব্যৱস্থা। আমি এতিয়া গৌতমবুদ্ধ আৰু তেওঁৰ মতাদৰ্শৰ বিষয়ে চমুকৈ আলোচনা কৰিম। অৱশ্যে তাৰ আগেয়ে বৈদিক শিক্ষাৰ জনপ্ৰিয়তা সমাজত কিয় কমি আহিছিল তাক তোমালোকে জনাটো অতি প্ৰয়োজনীয়।

ইয়াৰ আগৰ গোটটোত তোমালোকে পাইছাযে প্ৰায় খৃঃ পূঃ ২০০০ ৰ পৰা খৃঃ পূঃ ৫০০ ৰ মাজৰ সময়চোৱা হ'ল বৈদিক যুগ। এই শিক্ষা ব্যৱস্থা যদিও সুসংগঠিত নাছিল ইয়েই ভাৰতীয় সংস্কৃতিক বিশেষভাৱে গঢ় দিছিল। আনকি ভাৰতৰ বাহিৰেও আন আন দেশকো ই যথেষ্ট প্ৰভাৱান্বিত কৰিছিল। তোমালোকে জানিছাই যে এই শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য আছিল শিক্ষাৰ্থীসকলক আত্মসংযমী, নৈতিকতাবাদী, আদৰ্শবান কৰি গঢ়ি তোলা। কিন্তু ধৰ্মীয় গোড়ামীৰ প্ৰাধান্যত ক্ৰমান্বয়ে এই শিক্ষা ব্যৱস্থাত, অধ্যয়নতকৈ পূজা-পাৰ্বন, যাগ-যজ্ঞ আদিৰহে গুৰুত্ব বেছি বাঢ়ি আহিবলৈ ধৰিছিল। এই শিক্ষা ব্যৱস্থাই শ্ৰেণী বিভাজনৰ সৃষ্টি কৰিছিল। এনেবোৰ কাৰণতে সমাজৰ এক গৰিষ্ঠ সংখ্যক লোকৰ এই শিক্ষাব্যৱস্থাৰ প্ৰতি নিষ্ঠা কমি আহিছিল আৰু পুৰোহিত শ্ৰেণী তথা ধৰ্মীয় নীতি নিয়মৰ প্ৰতি বিৰোধ ভাৱৰ জন্ম হৈছিল।



সেই সময়তে গৌতম বুদ্ধই প্ৰচাৰ কৰা ধৰ্মৰ আলমত বৌদ্ধ সংঘসমূহক কেন্দ্ৰ বৌদ্ধযুগৰ শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটিছিল। সমাজৰ সকলোৱে সমভাৱে দিয়া বাবে এই শিক্ষা ব্যৱস্থাই সকলো শ্ৰেণীৰ লোকৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

### গৌতমবুদ্ধ ঃ

বৌদ্ধ ধৰ্মৰ প্ৰতিষ্ঠাতা গৌতমবুদ্ধৰ জন্মহৈছিল খৃঃ পূঃ ৫৬৩ ত হিমালয়ৰ পাদদেশৰ লুম্বিণী বনত (বৰ্ত্তমান নেপালত)। তেওঁৰ দেউতাক আছিল শাক্যবংশৰ ৰজা শুদ্ধোধন আৰু মাকৰ নাম আছিল মায়া। তেওঁৰ আচল নাম আছিল সিদ্ধাৰ্থ। মাত্ৰ ৭ বছৰ বয়সতে তেওঁৰ মাকৰ মৃত্যু হয়। তাৰ পাছত তেওক মাহীয়েক মহাপ্ৰজাপতি গৌতমীয়ে তুলি তালি ডাঙৰ দীঘল কৰে। সেয়ে তেওঁক গৌতম বুলিও কোৱা হয়।

সৰুৰে পৰা তেওঁ চিন্তাশীল আছিল আৰু সংসাৰৰ প্ৰতি নিৰাসক্ত আছিল। সেয়ে দেউতাক শুদ্ধোধনে তেওঁক সংসাৰৰ মায়ামোহত আবদ্ধ কৰি ৰাখিবলৈ মাত্ৰ ১৬ বছৰ বয়সতে যশোধৰা নামৰ এক ৰাজকন্যাৰ লগত বিয়া পাতি দিয়ে। কিছু বছৰৰ পিছত তেঁওলোকৰ ৰাহুল নামৰ এক পুত্ৰ সন্তানৰ জন্ম হয়। তথাপিও সিদ্ধাৰ্থ সংসাৰৰ মায়ামোহত আবদ্ধ হৈ নাথাকিল। দুখ-দুৰ্দশা, জন্ম মৃত্যু এইবোৰ কিয় হয়. তাৰ পৰা কেনেদৰে পৰিত্ৰাণ পাব পাৰি  এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি এদিন তেওঁ সংসাৰৰ সকলো মায়ামোহ ত্যাগ কৰি ৰাজপ্ৰাসাদৰ পৰা ওলাই গুছি গ'ল। ইয়াৰ পাছত প্ৰায় ৬ বছৰ কাল তেও প্ৰকৃত জ্ঞানৰ সন্ধানত ইফালে সিফালে অঘৰীৰ দৰে ঘূৰি ফুৰিছিল। এই সময় ছোৱাতে তেওঁ বেলেগ বেলেগ গুৰুৰ ওচৰত ধ্যান আৰু যোগৰ শিক্ষাও গ্ৰহন কৰিছিল। কিন্তু কতো তেও "সংসাৰৰ দুখ-দুৰ্দশাৰ পৰা কেনেকৈ পৰিত্ৰান পাব পাৰি" - এই প্ৰশ্নৰ উত্তৰ বিচাৰি নাপালে। শেষত তেওঁ বৰ্ত্তমানৰ বোধগয়াত এজোপা গছৰ তলত বহি গভীৰ সাধনাত মগ্ন হয় আৰু তাতেই তেওঁ সিদ্ধিলাভ কৰে। এই গছজোপাকেই পিছলৈ বোধিদ্ৰুম বুলি কোৱা হয়। সাধনাত সিদ্ধি লাভ কৰাৰ পাছত তেওঁ কাশী (বৰ্ত্তমান বেনাৰস) ৰ ওচৰৰ সৰনাথলৈ গৈ তেওঁৰ মতাদৰ্শ মানুহৰ মাজত প্ৰচাৰ কৰে। সমাজৰ সকলো শ্ৰেণীৰ লোককে সমভাৱেৰে চোৱা বাবেই হয়তু তেওঁৰ আদৰ্শ সকলোৱে গ্ৰহন কৰিছিল। এনেদৰে প্ৰায় ৪৫ বছৰ কাল তেওঁ মগধ, কোশল আৰু ইয়াৰ ওচৰৰ আন আন ৰাজ্য ভ্ৰমন কৰি কেনেদৰে 'নিৰ্বাণ' পাব পাৰি, সংসাৰৰ দুখ কষ্টৰ পৰা পৰিত্ৰান পাব পাৰি - এই বিষয়ে শিক্ষা প্ৰদান কৰিছিল। ৮০ বছৰ বয়সত কুশীনগৰত তেওঁৰ মহাপ্ৰয়াণ ঘটে।

ইয়াতে তোমালোকে চাবৰ বাবে সেইসময়ৰ এখন মানচিত্ৰ দিয়া হৈছে। এই মানচিত্ৰ খনত তোমালোকে কাশী, মগধ, কোশল, তক্ষশীলা, কুশীনগৰ আদি ঠাইবোৰ মন কৰিবাচোন আৰু বৰ্ত্তমানৰ ভাৰত পাকিস্তানৰ মানচিত্ৰৰ লগত তুলনা কাৰ চাবা।



## ২.২.২ বৌদ্ধধৰ্ম ঃ

এতিয়া আমি বৌদ্ধ ধৰ্মৰ বিষয়ে অতি চমুকৈ আলোচনা কৰিম।

বুদ্ধৰ মতে সংসাৰৰ দুখকষ্টৰ পৰা পৰিত্ৰাণ পোৱাৰ পথ হে আচলতে প্ৰকৃত জ্ঞান - আত্মা তথা ইয়াৰ অস্তিত্ব নহয়। কঠোৰ তপস্যাৰ অন্তত তেওঁ চাৰি সত্য (Four noble truths) উদঘাটন কৰে আৰু এই চাৰিসত্য হৈছে-

(১) সংসাৰত দুখ আছে

(২) দুখৰ কাৰণ আছে

(৩) দুখৰ পৰা নিবৃত্তি পাব পাৰি ।

(৪) দুখ নিবৃত্তিৰ উপায় আছে।

এতিয়া এই চাৰিসত্য নো কি? এই বিষয়ে জানোচোন আহা ।

'দুখ' - এই চাৰিসত্যৰ ভিতৰত প্ৰথমটো সত্য। বিভিন্ন কথাত আমাৰ মনত দুখৰ উৎপন্ন হয়। বেমাৰ- আজাৰ, জন্ম -মৃত্যু, পাবলৈ ইচ্ছা কৰা বস্তুটো নেপালে, অপ্ৰীতিকৰ পৰিবেশ পৰিস্থিতিৰ লগত সংযোগ হ'লে বা আন বিভিন্ন কাৰণত আমাৰ মনত অতৃপ্তিৰ জন্ম- হয় আৰু এই অতৃপ্তিৰ পৰা দুখ ওপজে।

দ্বিতীয় সত্যহৈছে সকলো ধৰণৰ দুখৰে এটা কাৰণ আছে। সংসাৰত যিদৰে প্ৰতিটো বস্তুৰেই কাৰণ (Cause) আৰু পৰিণাম (Effect) আছে- তেনেদৰে দুখৰো এটা কাৰণ আছে।

তৃতীয়তে যিহেতু দুখৰ কাৰণ আছে সেয়ে ইয়াৰ পৰা হাতসাৰিবও পৰা যায়। অৰ্থাৎ এই সংসাৰৰ দুখ কষ্টৰ পৰা আমি নিবৃত্তি পাব পাৰো।

চতুৰ্থ সত্যটো হৈছে সংসাৰৰ দুখকষ্টৰ পৰা আমি কিছুমান উপায়ৰ মাধ্যমেৰে হাত সাৰি থাকিব পাৰো। বৌদ্ধ দৰ্শনমতে সংসাৰৰ দুখকষ্টৰ পৰা পৰিত্ৰান পাব পৰা অৱস্থাই হৈছে নিৰ্বান (Nirvana)। নিৰ্বান মানে হৈছে মুক্তি, সংসাৰৰ দুখকষ্টৰ পৰা মুক্তি। মুক্তিলোৱাজনক বৌদ্ধ দৰ্শনত অৰ্হত (Arhata) বুলি কোৱা হয়। এই অৰ্হত সকলে সকলো ধৰণৰ আসক্তি আৰু ইন্দ্ৰিয়ক জয় কৰিব পাৰে আৰু সেয়ে তেওঁলোকে দুখৰ পৰা মুক্তি পাব পাৰে। আচলতে মনৰ এক স্থিৰ আৰু সংযত অৱস্থাই অৰ্হত। বৌদ্ধদৰ্শনে দুখ- কষ্টৰ পৰা পৰিত্ৰান পোৱাৰ উপায় হিচাপে আঠটা স্পষ্ট পথ বা মাৰ্গৰ সন্ধান দিছে আৰু ইয়াকেই অষ্টমাৰ্গ (Eightfold Path)বুলি কোৱা হয়।

| ভাগ | অষ্ট-মাৰ্গ | বিৱৰণ |
|---|---|---|
| জ্ঞান/প্ৰজ্ঞা (Wisdom) | সম্যকদৃষ্টি Right view | সংসাৰক অন্তদৃষ্টি বা প্ৰকৃত ভাৱে চাবলৈ শিকা। |
| | সম্যক সংকল্প Right intension | অসৎ ভাব, বেয়া চিন্তা মনলৈ নানিবৰ বাবে কৰা সংকল্প। |
| নৈতিকতাপূণ ব্যৱহাৰ (Ethical Conduct) | সম্যক বাক Right speech | সচাঁ কথা কোৱা আৰু আনৰ অপকাৰ হোৱা কথা বৰ্জন কৰা। |
| | সম্যক কৰ্ম Right action | আনৰ অপকাৰ নোহোৱা কাৰ্য্য কৰা। |
| | সম্যক জীৱন ধাৰণ পদ্ধতি (আজীৱ) Right livelihood | সৎ উপায়েৰে বেলেগৰ অপকাৰ নোহোৱাকৈ জীৱন নিৰ্বাহ কৰা। |
| ধ্যান/সাধনা (Concentra-tion) | সম্যক ব্যায়াম Right effort | সৎ চিন্তা সৎকৰ্ম কৰ্ম, সৎ ভাৱে জীৱন নিৰ্বাহ কৰাৰ বাবে যত্ন /চেষ্টা কৰা। (Making as effort to unprose) |
| | সম্যক স্মৃতি Right mindfulness | আমাৰ দেহ-মন, ইন্দ্ৰিয় সুখ আদি সকলোবোৰ যে ক্ষণস্থায়ী আৰু দুখৰ উৎস- সেই কথা মনত ৰখা আৰু তাৰ ফলস্বৰূপে দুখৰ পৰা পৰিত্ৰান পোৱা। |
| | সম্যক সমাধি Right concertration | মনৰ এক শান্ত - ধীৰ স্থিৰ অৱস্থা । ধ্যানৰ দ্বাৰা ইয়াক লাভ কৰিব পাৰি। |

তোমালোকে নিশ্চয় বিদ্যালয়তেই এই বিষয়ে পঢ়িছিলা। এই ভাগ কেইটা তোমালোকে ভালদৰে বুজিবৰ বাবে তালিকা ৰূপে আগবঢ়াইছো - ভালদৰে মন কৰিবাহঁক।

ইয়াত উল্লেখ কৰা চাৰিসত্য আৰু এই অষ্টমাৰ্গেই বৌদ্ধ ধৰ্মৰ মূল। বৌদ্ধ দৰ্শন মতে আমি এইটো জীৱনত যিবোৰ ভোগ কৰো, সকলো আমাৰ পূৰ্বজন্মৰ ফল। আৰু তেনেদৰে বৰ্তমানৰ কৰ্মফল আমি ভৱিষ্যতৰ জন্মত ভোগ কৰিব লাগিব। সেয়ে আমাৰ সকলোৰে মাজত বিভিন্নতা দেখা পোৱা যায়। বৌদ্ধধৰ্মৰ মতে মানুহে যেনে কৰ্ম কৰে- সেইমতে ফল লাভ কৰে আৰু সেয়ে বৰ্তমান আৰু ভৱিষ্যত জীৱনৰ দুখ কষ্টৰ পৰা পৰিত্ৰান পাবলৈ হ'লে সৎ কৰ্ম কৰাটো প্ৰয়োজন। আমি কেতিয়াও আমাৰ কৰ্মৰ ফলাফলৰ পৰা হাতসাৰিব নোৱাৰো।

**আত্মমূল্যায়ন (ক)**

(১) গৌতম বুদ্ধৰ জন্ম আৰু মৃত্যুৰ চন দুটা লিখা।

.........................................................................

(২) বৈদিক শিক্ষাৰ স্থানত বৌদ্ধ শিক্ষাই জনপ্ৰিয়তা লাভ কৰাৰ দুটা কাৰণ উল্লেখ কৰা।

.........................................................................

.........................................................................

(৩) চাৰি সত্য মানে কি বুজা ?

.........................................................................

.........................................................................

**বৌদ্ধ শিক্ষাৰ আদৰ্শ আৰু বৈশিষ্ট্য ঃ**

তোমালোকে ইয়াৰ আগৰ উপশাখাত পাইছা যে ধৰ্মীয় গোড়ামী আৰু আন আন কাৰণত বৈদিক যুগত শিক্ষা সৰ্বসাধাৰনৰ বাবে আকাশকুসুম স্বৰূপ হৈ পৰিছিল। সেয়েহে গৌতমবুদ্ধই এক নতুন ধৰ্মৰ , নতুন মতাদৰ্শৰ সৃষ্টি কৰিবলৈ বিছাৰিছিল, য'ত বৰ্ণ নিৰ্বিশেষে সকলোৱে ধৰ্মৰ ক্ষেত্ৰত আৰু লগতে শিক্ষাৰ ক্ষেত্ৰত সম অধিকাৰ লাভ কৰে। আচলতে , বুদ্ধ ধৰ্মৰ বা মতাদৰ্শৰ ভিত্তিত যি শিক্ষা ব্যৱস্থা প্ৰচলিত হৈছিল তাকেই বৌদ্ধ শিক্ষা ব্যৱস্থা বোলা হয়। এই বৌদ্ধ শিক্ষা ব্যৱস্থাৰ কেন্দ্ৰ আছিল বৌদ্ধ মঠ বা সংঘসমূহ।

বৌদ্ধ ধৰ্মৰ আদৰ্শ চাৰিসত্যৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত আমি সংক্ষেপে বৌদ্ধধৰ্মৰ আদৰ্শসমূহ উল্লেখ কৰিম তোমালোকে মনপুতি পঢ়িবাচোন।

(১) এই শিক্ষাব্যৱস্থাত সকলোৰে বাবে শিক্ষা লাভ কৰাৰ অধিকাৰ সমান আছিল। যদিও, প্ৰথমাবস্থাত কেৱল বৌদ্ধ ধৰ্মাৱলী লোক সকলকহে এই শিক্ষাৰ সুবিধা দিয়া হৈছিল - পিছলৈ আন ধৰ্মৰ লোকেও এই শিক্ষা গ্ৰহন কৰিব পাৰিছিল। ঠিক তেনেদৰে বৰ্ণ বিদ্বেষো এই শিক্ষাব্যৱস্থাত নাছিল।

(২) এই শিক্ষা গনতান্ত্ৰিক আদৰ্শৰ পৰিচালিত হৈছিল। তোমালোকে ইতিমধ্যে জানিছা যে বৌদ্ধ সংঘবোৰেই এই শিক্ষা ব্যৱস্থাৰ কেন্দ্ৰ আছিল আৰু এই বোৰতেই বৌদ্ধ শিক্ষা প্ৰদান কৰা হৈছিল। এই সংঘ সমূহত বহুতো বৌদ্ধ ভিক্ষু বা সন্যাসী

আছিল, যিসকলৰ সমূহীয়া সিদ্ধান্তৰ দ্বাৰা এই শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু প্ৰশাসনীয় নীতি পৰিচালিত হৈছিল।

(৩) বৈদিক শিক্ষাৰ দৰে এই শিক্ষা ব্যৱস্থাও মূলত মৌখিক আছিল, যাক 'শ্ৰুত পৰম্পৰা' বুলি জনা যায়। অথাৎ শিক্ষকে মৌখিক ভাবে শিক্ষা দিয়ে আৰু শিক্ষাৰ্থী সকলে শুনি তাক আয়ত্ব কৰিব লাগে।

(৪) বৌদ্ধ শিক্ষা ব্যৱস্থা বাস্তৱমুখী আছিল। সেয়ে এই শিক্ষা ব্যৱস্থাত শিক্ষাসকলক  জীৱন যাপনৰ বাবে প্ৰয়োজনীয় শিক্ষা যেনে - চিলাই কৰা, বোৱা কটা কৰা, ৰং কৰা, কৃষি, পশুপালন আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই বিষয়ে তোমালোকে অনুচ্ছেদ (২.৯) ত বিতংভাৱে পঢ়িবলৈ পাবা।

বৌদ্ধশিক্ষাৰ আদৰ্শৰ বিষয়ে জনাৰ পাছত আমি বৌদ্ধ শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট সমূহ জানি লওচোন আহা-

এই শিক্ষা ব্যৱস্থাৰ মূল বৈশিষ্ট্য সমূহ হৈছে -

(১) শিক্ষাৰ দ্বাৰা বৌদ্ধ ধৰ্মৰ প্ৰসাৰ আৰু লগতে নিৰ্বান লাভ কৰোৱা।

(২) বৌদ্ধ মঠ, বিহাৰ সমূহেই শিক্ষাৰ মূল কেন্দ্ৰস্থল আছিল। শিক্ষা প্ৰদানৰ দায়িত্ব আছিল শ্ৰমন আৰু ভিক্ষু - ভিক্ষুনী সকল ওপৰত। ইয়াৰ শিক্ষা ইমানেই উচ্চপৰ্য্যায়ৰ আছিল যে চীন, জাপান, কোৰিয়া, জাভা, বাৰ্মা, তিব্বত, শ্ৰীলংকা আদি দেশৰ পৰাও বহু ইয়াত শিক্ষা গ্ৰহন কৰিবলৈ আহিছিল।

(৩)  এই শিক্ষা ব্যৱস্থাৰ দৃষ্টিভঙ্গী যথেষ্ট বহল আৰু ধনাত্মক আছিল। জাতি ধৰ্ম নিৰ্বিশেষে সকলোৱে  এই শিক্ষা গ্ৰহন  কৰিব পাৰিছিল। সকলো ধৰণৰ শিক্ষাৰ উপৰিও এই শিক্ষাই চৰিত্ৰ গঠনত বহুত গুৰুত্ব আৰোপ কৰিছিল।

(৪) শিক্ষক আৰু শিকাৰুৰ মাজত সৌহাৰ্দ্য পূৰ্ণ সম্পৰ্ক আছিল। শিক্ষাৰ্থীসকলে শিক্ষকসকলক যথেষ্ট শ্ৰদ্ধা- ভক্তি কৰিছিল।

**বৌদ্ধশিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

বৌদ্ধ ধৰ্মৰ মতে আমাৰ জীৱনৰ মূল উদ্দেশ্য হৈছে প্ৰকৃত সত্যৰ উদঘাটন। আমাৰ সকলোৰে মাজত সেই সত্য উদঘাটন কৰাৰ ক্ষমতা আছে,মাত্ৰ আমি সেই উদ্দেশ্য নিজকে প্ৰস্তুত কৰিব লাগিব। সেয়ে বৌদ্ধ শিক্ষাৰ  মূল লক্ষ্য হ'ল প্ৰকৃত জ্ঞান (Ultimate wisdom) লাভ কৰা আৰু ইয়াৰ যোগেৰে বৌদ্ধ ধৰ্মৰ প্ৰসাৰ ঘটোৱা।

এই লক্ষ্যক আমি তলত উল্লেখ কৰা ধৰণে কেতবোৰ উদ্দেশ্যত ভাগ কৰিব পাৰোঁ।

(১) বৈদিক যুগৰ দৰে বৌদ্ধযুগটো ধৰ্মক বহু বেছি গুৰুত্ব দিয়া হৈছিল আৰু ধৰ্মৰ ভিত্তিতেই শিক্ষা প্ৰদান কৰা হৈছিল। সেয়ে এই শিক্ষা ব্যৱস্থাৰ প্ৰধান উদ্দেশ্য আছিল বৌদ্ধধৰ্মৰ প্ৰচাৰ আৰু লগতে ধৰ্মীয় অনুভুতিৰে সৰ্বসাধাৰনক নিৰ্বান লাভ কৰোৱা।

(২) বৌদ্ধ শিক্ষাৰ এটা উদ্দেশ্য হ'ল এজন শিশুৰ ব্যক্তিত্বৰ পূৰ্ণাঙ্গ বিকাশ (all round development of child's personality) সেয়েহে এই শিক্ষাই শিক্ষাৰ্থীৰ শাৰীৰিক মানসিক , নৈতিক আৰু বৌদ্ধক (Intellectual) দিশৰ বিকাশত গুৰুত্ব আৰোপ কৰিছিল।

(৩) এই শিক্ষাৰ আন এটা উদ্দেশ্য হ'ল এজন ব্যক্তিক পাৰ্থিৱ সীমাবদ্ধতাৰ পৰা মুক্ত কৰি জ্ঞানী, বুদ্ধিমান, নৈতিকতাবাদী, অহিংসাবাদী, ধৰ্মনিৰপেক্ষ আদি গুনৰ অধিকাৰী কৰি গঢ়ি তোলা। ইয়াৰ লগতে শিক্ষাৰ্থীসকলক সুবিচাৰ পূৰ্ণ, যুক্তিবাদী, মানৱতাবাদী কৰি গঢ়ি তোলাৰ লগতে কু-সংস্কাৰ - অন্ধবিশ্বাস, লোভ- মোহ, অজ্ঞানতা আদিৰ পৰা আতঁৰাই ৰখা।

(৪) এই শিক্ষাৰ আন এটা উদ্দেশ্য হৈছে - অন্তৰ্নিৰ্হিত প্ৰকৃতিক বাহিৰলৈ উলিয়াই অনা (regaining our intrinsic nature) । বুদ্ধৰ মতে সকলোৰে ভিতৰত প্ৰকৃত জ্ঞান থাকে, মাত্ৰ অজ্ঞানতাৰ বাবে মানুহে তাক গম নাপায়। সেই বিশুদ্ধ আৰু প্ৰকৃত জ্ঞানৰ উপলব্ধি কৰিব পাৰিলেহে আমি আমাৰ জীৱনৰ সকলোবোৰ সমস্যা সমাধান কৰিব পাৰিম আৰু সংসাৰৰ দুখকষ্টবোৰক সুখলৈ ৰূপান্তৰ কৰিব পাৰিম।

(৫) বাস্তৱ জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা দিয়াটোও এই শিক্ষা ব্যৱস্থাৰ আন এটা উদ্দেশ্য আছিল যাতে শিক্ষাথীসকলে পিছত জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সম্পদ আহৰণ কৰিব পাৰে।

(৬) দেশৰ/ৰাষ্ট্ৰৰ বাবে উপযুক্ত নাগৰিক গঢ়াও বৌদ্ধ শিক্ষা ব্যৱস্থাৰ আন এক উদ্দেশ্য। সেয়ে শিক্ষাৰ্থীসকলে কিছুমান নীতিনিয়ম কঠোৰভাৱে পালন কৰিব লাগিছিল। আমি পিছত যেতিয়া শিক্ষক -শিক্ষাৰ্থীৰ সম্পৰ্ক আৰু শিক্ষাৰ্থীৰ কৰ্ত্তব্যৰ বিষয়ে আলোচনা কৰিম, তেতিয়া তোমালোকে এনে নীতি নিয়মবোৰৰ বিষয়ে বিতংকৈ জানিব পাৰিবা। এনে নীতি নিয়মবোৰে শিক্ষাৰ্থীসকলৰ চৰিত্ৰ গঠনত সহায় কৰিছিল।

**আত্মমূল্যায়ণ - (খ)**

(১) শ্ৰুত পৰম্পৰা বুলিলে কি বুজা?

.......................................................................

(২) "বৌদ্ধ শিক্ষা ব্যৱস্থাৰ দৃষ্টিভংগী যথেষ্ট বহল আৰু ধনাত্মক আছিল"

.......................................................................

(৩) খালী ঠাই পুৰ কৰা ঃ

(ক) বৌদ্ধ শিক্ষাৰ মূল লক্ষ্য ..................... লাভ কৰা।

(খ) বৈদিক যুগৰ দৰে বৌদ্ধযুগটো .............. বহু বেচি গুৰুত্ব দিয়া হৈছিল।

(গ) এজন শিশুৰ ব্যক্তিত্বৰ ............. বৌদ্ধ শিক্ষা ব্যৱস্থাৰ আন এটা উদ্দেশ্য।

---

**সংগঠন (Organization) ঃ**

---

তোমালোকে ইতিমধ্যে গম পাইছা যে বৌদ্ধ শিক্ষা ব্যৱস্থাটো একেবাৰে নতুন শিক্ষাব্যৱস্থা নাছিল - বৈদিক শিক্ষাব্যৱস্থাৰ দোষখিনি বা অপ্ৰয়োজীয় দিশ বোৰ বিসৰ্জন দি, নতুন কিছুমান দিশ সামৰি লৈ এই শিক্ষা ব্যৱস্থাই সমাজৰ সকলোশ্ৰেণীৰ লোককে সাঙুৰিবলৈ যত্ন কৰিছিল।

এই শিক্ষা ব্যৱস্থা বৈদিক শিক্ষা ব্যৱস্থাতকৈ সুসংগঠিত আছিল। এতিয়া আমি বুদ্ধ শিক্ষা ব্যৱস্থাৰ সংগঠনৰ বিষয়ে অলপ বহলাই আলোচনা কৰিম।

**২.৫.১ বৌদ্ধ সংঘ ঃ** ইয়াৰ আগৰ উপশাখাত তোমালোকে পাইছা যে বৌদ্ধ সংঘ সমূহেই বৌদ্ধ শিক্ষা ব্যৱস্থাৰ মূল আৰু শিক্ষন- শিকন প্ৰক্ৰিয়া মূলতঃ এই সংঘ বোৰতেই সম্পন্ন হৈছিল। সংঘৰ কাম- কাজ সুকলমে চলাবৰ বাবে একোটা স্থায়ী বাসগৃহ আছিল আৰু ইয়াকে বৌদ্ধ মঠ (Monasteries) বা বৌদ্ধ বিহাৰ (Vihar) বুলি কোৱা হৈছিল। ইয়াত শিক্ষা প্ৰদান কৰা প্ৰাথমিক পয্যায়ৰ শিক্ষকক আচাৰ্য্য আৰু উচ্চশিক্ষাৰ শিক্ষকক উপাধ্যায় বোলা হৈছিল। তোমালোকে ইয়াৰ আগৰ গোটত পাইছিলা যে বৈদিক শিক্ষাব্যৱস্থাৰ কেন্দ্ৰ পাঠশালা বা টোল একো -একোজন গুৰুৰ দ্বাৰা পৰিচালিত হৈছিল। বৌদ্ধ শিক্ষা ব্যৱস্থাৰ কেন্দ্ৰ স্বৰূপ এই সংঘ সমূহ কিন্তু আচাৰ্য্য আৰু উপাধ্যায় সকলে সমূহীয়া ভাৱে পৰিচালিত কৰিছিল।

বৌদ্ধ শিক্ষা তথা মঠত বাস কৰা শিক্ষক আৰু শিক্ষাৰ্থী উভয়েই কঠোৰ নীতি- নিয়ম মানি চলিব  লাগিছিল। এওঁলোকৰ  জীৱনৰ মূল নীতি আছিল দুটা - ব্ৰহ্মচৰ্য্য আৰু দাৰিদ্ৰ। কোনো সাংসাৰিক লোকে ভিক্ষু হ'ব বিছাৰিলে সংসাৰৰ মায়া-মোহ ত্যাগ কৰি থৈ আহিব লাগিছিল আৰু যদি কোনো লোকে সাংসাৰিক জীৱন যাপন কৰিব বিচাৰে, সংঘ ত্যাগ কৰি সংসাৰলৈ ঘূৰি যাব পাৰিছিল। গতিকে তোমালোকে বুজিব পাৰিছা নিশ্চয় যে নীতি- নিয়মৰ ক্ষেত্ৰত এই বৌদ্ধ সংঘ সমূহ কঠোৰ হ'লেও কিছু ক্ষেত্ৰত নমনীয় (flexible) আছিল।

**২.৫.২ নামভৰ্ত্তিৰ  অনুস্থান ঃ** 'পবজ্যা' (Pabajya) নামৰ এক অনুষ্ঠানৰ যোগেৰে শিক্ষৰ্থীসকলে বৌদ্ধসংঘত প্ৰবেশ কৰিব লাগিছিল। 'পবজ্যা' শব্দৰ অৰ্থ হৈছে ওলাই থোৱা - অথাৎ ঘৰ ত্যাগ কৰি বুদ্ধ আদৰ্শত সোমাই পৰা। শিক্ষাথীসকলে চুলি সম্পূৰ্ণৰূপে খুৰাই, হালধীয়া বস্ত্ৰ পিন্ধি সংঘত প্ৰবেশ কৰিব লাগিছিল আৰু লগতে আগৰ জাত -পাত-বৰ্ণ আদিৰ ধাৰণাবোৰ আঁতৰাই নিজকে বৌদ্ধ ভিক্ষু ৰূপে চিনাকী দিব লাগিছিল।

সাধাৰনতে ছাত্ৰসকলে ৮  বছৰ  (জাতকৰ মতে ৬ বছৰ) বয়সত নামভৰ্ত্তি কৰিব লাগিছিল যদিও ১২ বছৰ বয়সলৈকে নাম ভৰ্ত্তি কৰিব পাৰিছিল। সংঘত তেওঁলোকে প্ৰথমেই তলত উল্লেখ কৰা বাক্য কেইশাৰী তিনিবাৰ উচ্চাৰণ কৰিব লাগিছিল-

বুদ্ধং শৰণম্ গচ্ছামী  অৰ্থাৎ বুদ্ধৰ আদৰ্শমানি চলিম।

ধৰ্মং শৰণম্ গচ্ছামী  অৰ্থাৎ ধৰ্মত শৰণ লম।

সংঘং শৰণম গচ্ছামী অৰ্থাৎ সংঘৰ নীতি-নিয়ম মানি চলিম।

এনেদৰে প্ৰতিজ্ঞাবদ্ধ হোৱাৰ পিছত শিক্ষাৰ্থী সকলক ১০ টা কৰ্মৰ পৰা আঁতৰত থাকিবলৈ উপদেশ দিয়া হৈছিল। সেইকেইটা হ'ল-

(১) প্ৰাণী হত্যা

(২) অসৎ আচৰন

(৩) মিছা কথা

(৪) বেলেগে দান নকৰা সামগ্ৰী

(৫) অসময়ৰ আহাৰ

(৬) মাদক দ্ৰব্য

(৭) নৃত্য- গীত আদিত যোগদান

(৮) গন্ধ মালা আৰু বিলাসৰ সামগ্ৰী

(৯) আৰামদায়ক আসন

(১০) সোন- ৰূপ আদি গ্ৰহন।

এনেদৰে বুদ্ধৰ আদৰ্শৰ শিক্ষা দিয়াৰ পিছতহে শিক্ষাথীসকলক গুৰুৰ তত্বাৱধনাত শিক্ষা গ্ৰহন কৰিবলৈ দিয়া হয়।

পবজ্যাৰ পিছত সম্পূৰ্ণ বাৰ বছৰ কাল শ্ৰমন হিচাপে দীক্ষা লোৱাৰ পিছত উপসম্পদ নামৰ আন এক অনুস্থানৰ আয়োজন কৰা হয় আৰু এই অনুস্থানৰ জৰিয়তহে শিক্ষাৰ্থী সকলক পূৰ্ণ ভিক্ষুৰ মৰ্য্যদা দিয়া হয়। অৱশ্যে সকলো শ্ৰমনেই 'উপসম্পদ' অনুস্থানৰ অন্তভুক্ত হ'ব নোৱাৰিছিল - ইয়াৰ বাবে সংঘসভাই অনুমোদন জনাব লাগিছিল। সংঘসভা হৈছে অতিকমেও ১০ জন আচাৰ্য্যৰে গঠিত এখন সমিতি -যি শ্ৰমনসকলৰ মাজৰ পৰা 'উপসম্পদ' ৰ বাবে উপযুক্ত বুলি ভবাজনক নিৰ্বাচিত কৰে। অৱশ্যে দুৰ্গম অঞ্চল বা সীমান্তত এনে সদস্যৰ সংখ্যা ৫ জন হ'লেও হয়। ইয়াৰ পাছত প্ৰতিজন শিক্ষাৰ্থী মূলতঃ দুজন শিক্ষকৰ তত্বাৱধনাত থাকিব লাগে। এজন জেষ্ঠ আচাৰ্য্য আৰু আনজন উপাধ্যায়। সাধাৰনতে আচাৰ্য্য গৰাকীৰ ভিক্ষুসকলক বা শিক্ষাৰ্থীসকলক চৰিত্ৰ , আচৰণ আদিৰ শিক্ষা দিছিল আৰু উপাধ্যায় গৰাকীয়ে ধৰ্মৰ শিক্ষা দিছিল। এনেদৰে ছয় বছৰ কাল শিক্ষা লাভ কৰাৰ অন্তত, শিক্ষাৰ্থীসকল আচাৰ্য্য পৰ্য্যয়িলৈ উন্নীত হ'ব পাৰিছিল আৰু ১০ বছৰ শিক্ষা লাভ কৰিলে উপাধ্যায় পৰ্য্যায় পাব পাৰিছিল।

## ২.৬ বৌদ্ধ শিক্ষাৰ বিত্তীয় ব্যৱস্থা ঃ

বৈদিক যুগৰ দৰেই এই যুগটো শিক্ষাক এক পবিত্ৰ কৰ্ম বুলি জ্ঞান কৰা হৈছিল। আজিৰ যুগৰ দৰে শিক্ষাৰ বাবে মাচুল সংগ্ৰহ কৰা হোৱা নাছিল আৰু দান বৰঙনিয়েই বিত্তীয় পুজিৰ মূল উৎস আছিল।

তথাপিও বৈদিক যুগতকৈ এই যুগৰ বিত্তীয় ব্যৱস্থা সু সংগঠিত আছিল বুলি কোৱা হয়। বৌদ্ধ বিহাৰ আৰু মঠ সমূহ চৌপাশৰ গাওঁ বা মানুহৰ বসতিৰ সহায়ত গঢ় লৈ উঠিছিল। সেয়েহে গৌতম বুদ্ধই লোক বসতিৰ ওচৰে পাজৰে মঠ সমূহ

গঢ় লৈ উঠাত গুৰত্ব দিছিল, যাতে বৌদ্ধ ভিক্ষুসকলে প্ৰয়োজনীয় পুজি ওচৰৰ গাঁও বা নগৰৰ পৰা সংগ্ৰহ কৰিব পাৰে। ইয়াৰ ওপৰিও বৌদ্ধ ধৰ্মাৱলম্বী সম্ভ্ৰান্ত পৰিয়াল, ধনী ব্যৱসায়ী, ৰজা - মহাৰজা আদিয়ে পৰ্য্যাপ্ত পুজিৰ যোগান ধৰিছিল। বহুলোকে নিজৰ ফলমূলত বাগিচা, শস্যৰ পথাৰ, পোহনীয়া জন্তু আদিও দান কৰিছিল। এনে ধৰনৰে সংগ্ৰহ হোৱা পুজিৰে শিক্ষাদান, বৌদ্ধ বিহাৰ পৰিচালনা, আচাৰ্য্য উপাধ্যায় সকলৰ বাবে সামগ্ৰীৰ যোগাৰ আদিৰ বাবে প্ৰয়োজনীয় বিভিন্ন খৰচ সমূহৰ ব্যৱস্থা কৰিব পৰা হৈছিল।

## ২.৭ বৌদ্ধ শিক্ষাৰ পাঠ্যক্ৰম (Curriculum of Buddha Education) ঃ

আমি এতিয়া বৌদ্ধ শিক্ষাৰ পাঠ্যক্ৰমৰ বিষয়ে আলোচনা কৰিম। যদিও, বৌদ্ধ শিক্ষা মূলত: আধ্যাত্মিক আছিল, ইয়াত শিক্ষাৰ্থীৰ সৰ্বাঙ্গীন বিকাশৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল।

বৌদ্ধ শিক্ষা ব্যৱস্থাত প্ৰতিজন শিক্ষাৰ্থীৰ শিক্ষালাভৰ মূল উদ্দেশ্য আছিল মুক্তি লাভ বা 'নিৰ্বান'। এই শিক্ষা ব্যৱস্থাৰ আৰম্ভনিতে কেইটামান বিষয়হে শিকোৱা হৈছিল যদিও পিছলৈ আন কেতবোৰ ধৰ্ম নিৰপেক্ষ বিষয়ো অন্তভুক্ত কৰা হৈছিল। সেয়ে এই শিক্ষা ব্যৱস্থাক আমি গতিশীল (Dynamic) আছিল বুলি কব পাৰো। বৌদ্ধ গ্ৰন্থ মিলিন্দ পান্হা (Milinda Panha) ত এই বিষয়ে বিতং বৰ্ণনা পোৱা যায়। বৈদিক যুগৰ দৰেই ইয়াতো শাস্ত্ৰাদি অধ্যয়নৰ লগতে সৎ চৰিত্ৰ, তথা নৈতিকতা, সৎ আচাৰ, ব্যৱহাৰ আদিৰ শিক্ষা গ্ৰহন কৰিব লাগিছিল। ধনী দুখীয়া ছাত্ৰৰ মাজত কোনো ধৰণৰ ভেদ ভাৱ ৰখা হোৱা নাছিল।বুদ্ধ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমক সাধাৰনতে দুই ভাগত ভগোৱা হয়। ভাগ কেইটা হৈছে-

(১) সাধাৰন শিক্ষাৰ পাঠ্যক্ৰম (Curricuium of General Education)

(২) কাৰিকৰী শিক্ষাৰ পাঠ্যক্ৰম (Curricuium of Technical Education)

আমি এতিয়া এই দুই ধৰনৰ পাঠ্যক্ৰমৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

### ২.৭.১ সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম (Curricuium of Technical Education) ঃ

সাধাৰন শিক্ষাৰ পাঠ্যক্ৰমক আমি আকৌ প্ৰাথমিক পৰ্য্যয়ৰ শিক্ষা আৰু উচ্চ পৰ্য্যায়ৰ শিক্ষা এই দুটা ভাগত ভগাব পাৰো।

ক) প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা ঃ এই শিক্ষাৰ উদ্দেশ্য আছিল শিক্ষাৰ্থীসকলক

লিখা- পঢ়া, গণনাকৰা, আদি শিকোৱা আৰু লগতে বৌদ্ধ ধৰ্মৰ নীতিসমূহৰ লগত পৰিচয় কৰাই এক আদৰ্শৱান জীৱন - যাপনৰ বাবে শিক্ষা দান কৰা।

খ) উচ্চ পৰ্য্যায়ৰ শিক্ষা ঃ উচ্চ শিক্ষাৰ পাঠ্যক্ৰম যথেষ্ট বিস্তৃত আছিল। শিক্ষাৰ্থী সকলে বহু বেলেগ বেলেগ বিষয় অধ্যয়ন কৰিব লাগিছিল। সাহিত্য , দৰ্শন, তৰ্কশাস্ত্ৰ, আইন, ধৰ্ম, ৰাজনীতি , জ্যোৰ্তিবিজ্ঞান , প্ৰশাসনীয় জ্ঞান, সংগীত, কলা আদি বিষয় সমূহ উচ্চ স্তৰৰ সাধাৰন শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছিল। ইয়াৰ উপৰিও বেদ আৰু বৌদ্ধ সাহিত্যৰ অধ্যয়ন , হিন্দু আৰু জৈন ধৰ্মৰ তুলনামূলক অধ্যয়ন আদি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছিল।

### ২.৭.২ কাৰিকৰী শিক্ষাৰ পাঠ্যক্ৰম

**(Curricuium of Technical Education) ঃ**

বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীসকলে যাতে নিজৰ জীৱিকা নিজে অৰ্জন কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু সেয়ে বোৱা -কটা কৰা, চিলাই কৰা, গোঁঠা, ৰং কৰা, কৃষি, পশুপালন, আদিৰ শিক্ষা দিয়া হৈছিল। ইয়াৰ উপৰিও বানিজ্য, কুটীৰশিল্প, পশুচিকিৎসা, চিকিৎসা উদ্যানীকৰণ, কমাৰ, কুমাৰ , কঁহাৰ, সোন -ৰূপৰ অলংকাৰ গঢ়া, কাঠ আৰু বাঁহৰ আচবাব তৈয়াৰ কৰা, ৰাজমিস্ত্ৰি, ছপাশাল, হস্তী আৰু ঘোঁৰা পৰিচালনা কৰা, সৰ্পবিদ্যা, ধনুবিদ্যা, সৈনিক প্ৰশিক্ষন আদি বিষয় সমূহ অন্তভুক্ত কৰা হৈছিল। সেই সময়ত চিকিৎসাবিজ্ঞানে, বিশেষকৈ যজুৰ্বেদৰ চিকিৎসাবিজ্ঞানে যথেষ্ট খ্যাতি লাভ কৰিছিল। এই ক্ষেত্ৰত আমি জীৱক নামৰ চিকিৎসক জনৰ কথা উনুকিয়াব পাৰো। তেওঁ আছিল বুদ্ধ দেৱৰ ব্যক্তিগত চিকিৎসক আৰু তেঁও অস্ত্ৰোপ্ৰচাৰৰ ক্ষেত্ৰত যথেষ্ট বুৎপত্তি লাভ কৰিছিল। প্ৰখ্যাত চীনা পৰিব্ৰাজক হিউৱেনচাঙে তেঁওৰ বৰ্ণনাত বৌদ্ধ শিক্ষা ব্যৱস্থাত পাঠক্ৰম যথেষ্ট উন্নত আছিল বুলি উল্লেখ কৰিছিল।

**আত্মমূল্যায়ণ - (গ)**

(১) বৌদ্ধ শিক্ষা ব্যৱস্থাত বৌদ্ধ সংঘ সমূহৰ ভূমিকা কেনে আছিল?

.........................................................................

.........................................................................

(২) পবজ্যা কি ?

.....................................................................

(৩) বৌদ্ধ শিক্ষা ব্যৱস্থাক কিয় গতিশীল বুলি কোৱা হয়?

.....................................................................

.....................................................................

## ২.৮ শিক্ষাদান পদ্ধতি (Methods of Teaching) ঃ

বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষাথীসকলৰ নৈতিকতা তথা নির্মল চৰিত্র গঠনত বিশেষ গুৰুত্ব দিয়া হৈছিল। ধর্মীয় শিক্ষা নীতিক সেইযুগত এনে শিক্ষাৰ মূল আহিলাৰূপে গন্য কৰা হৈছিল। এতিয়া আমি বৌদ্ধযুগৰ বিভিন্ন শিক্ষাদান পদ্ধতি সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

### (১) মৌখিক পদ্ধতি (Verbal or Oral Method) ঃ

বৈদিক শিক্ষাব্যৱস্থাৰ দৰে, এই শিক্ষা ব্যৱস্থাটো শিক্ষা মূলত: মুখে - মুখে প্রদান কৰা হৈছিল। যদিও এই সময়লৈ লিখাৰ কৌশল উদ্ভাৱন হৈছিল, লিখন সামগ্রীৰ পৰিমান পর্যাপ্ত নোহাৱাৰ বাবেই শিক্ষাদান পদ্ধতি মৌখিক আছিল। শিক্ষার্থীসকলক শিক্ষকসকলে মৌখিক ভাৱেই বিভিন্ন পাঠ দিছিল আৰু সেইবোৰ তেঁওলোকে তেনেদৰেই মনত ৰাখিব লাগিছিল। তোমালোকে এবাৰ চিন্তা কৰি চোৱাচোন, কিতাপ নোহোৱাকৈ তেনেদৰে মনত ৰাখিবলৈ হ'লে শিক্ষার্থী সকলক কিমান বেছি একাগ্রতা তথা মনোযোগ লাগিছিল। 'মহাভাগ' নামৰ এখন গ্রন্থত উল্লেখ আছে যে একো একোজন ভিক্ষুক ওচৰৰ কোনো এক ঠাইৰ পৰা কোনো এক বিশেষ বিষয়ৰ মৌখিক জ্ঞান আয়ত্ব কৰিবলৈ কোৱা হৈছিল আৰু এনেদৰে আয়ত্ব কৰি অনা জ্ঞান শিক্ষার্থী সকলক প্রদান কৰা হৈছিল।

### (২) প্রশ্নোত্তৰ পদ্ধতি (Question Answer Method) ঃ

বৌদ্ধ যুগত প্রশ্নোত্তৰ পদ্ধতিৰেই শিক্ষা প্রদান কৰা হৈছিল। শিক্ষকে ছাত্রক নিদিষ্ট বিষয়ৰ ওপৰত বিভিন্ন প্রশ্ন সুধিছিল আৰু ছাত্রসকলক তাৰ উত্তৰ দিবলৈ যত্ন কৰিছিল। এই ক্ষেত্রত শিক্ষক জনে সহায় কর্ত্তাৰ (guide) ৰ ভূমিকা পালন কৰিছিল। উত্তৰ শুদ্ধ হ'লে ছাত্রসকলক কবলৈ অনুমতি দিছিল আৰু ভুল হোৱা যেন পালে ইঙ্গিতৰ দ্বাৰা ছাত্রক সহায় কৰিছিল।

**(৩) আলোচনা পদ্ধতি (Discussion Method) ঃ**

শিক্ষাৰ্থী সকলৰ মাজত তেওঁলোকে আয়ত্ব কৰিব লগা শাস্ত্ৰজ্ঞান সম্পৰ্কত আলোচনা হৈছিল আৰু ইয়াৰ বাবে কিছুমান নিৰ্দিষ্ট নীতি নিৰ্ধাৰণ কৰা হৈছিল। পণ্ডিত সকলৰ সমাৰোহ স্থানত, ৰাজসভা বা তেনে ৰাজহুৱা স্থানত আলোচনা অনুস্থিত হৈছিল।

**(৪) তৰ্কবিজ্ঞান আৰু প্ৰমানীকৰণ (Debeting and Proof) ঃ**

সঠিক শিক্ষা প্ৰদানৰ বাবে তৰ্কবিজ্ঞান আৰু প্ৰমানীকৰণ পদ্ধতিৰ সহায় লোৱা হৈছিল। ইয়াৰ উপৰিও কোনো বিৰ্তকিত বিষয় সম্পৰ্কত সিদ্ধান্ত লবৰ বাবেও প্ৰমাণীকৰণ পদ্ধতিৰ সহায় লোৱা হৈছিল। তোমালোকে জানিবলৈ পাই সুখী হ'বা যে সেই যুগততেই কোনো বিষয়ৰ ওপৰত সিন্ধান্ত গ্ৰহন কৰিবৰ বাবে বিভিন্ন দাৰ্শনিক প্ৰক্ৰিয়া যেনে কাৰণ, উদাহৰণ, স্বধৰ্ম, বিধৰ্ম, প্ৰত্যেক্ষ,. যুক্তি আদিৰ সহায় লোৱা হৈছিল। ইয়াৰ বাবে অংশগ্ৰহনকাৰী সকলৰ বিষয়বস্তুৰ ওপৰত গভীৰ জ্ঞান থকাটো অপৰিহাৰ্য্য আছিল।

**(৫) ভ্ৰমন (Education Through Tours) ঃ**

আজিৰ শিক্ষা ব্যৱস্থাৰ দৰেই বৌদ্ধশিক্ষটো ভ্ৰমনৰ দ্বাৰা বিভিন্ন বিষয়ৰ বাস্তৱ জ্ঞান লাভ কৰিবলৈ শিক্ষাৰ্থী তথা বৌদ্ধ ভিক্ষুসকলক উৎসাহিত কৰা হৈছিল।

**(৬) ব্যাখ্যা পদ্ধতি (Interpretation Method) ঃ**

এই শিক্ষা পদ্ধতিত শিক্ষাৰ বিষয়বস্তু 'সূত্ৰ' হিচাপে শিক্ষাৰ্থীসকললৈ আগবঢ়োৱা হয় আৰু শিক্ষকসকলে তাৰ তাৎপৰ্য্য ব্যাখ্যা কৰে। যদিহে শিক্ষাৰ্থী সকলৰ কিবা সুধিব লগীয়া থাকে তেঁওলোকে শিক্ষককলক প্ৰশ্ন কৰিব পাৰে আৰু সেইদৰেই তেওলোকৰ সন্দেহবোৰ দূৰ কৰি সেই বিষয়ৰ ওপৰত গভীৰ জ্ঞান লাভ কৰে।

**(৭) শৈক্ষিক অধিবেশন (Educational Congress) ঃ**

বৌদ্ধ শিক্ষা ব্যৱস্থাত শৈক্ষিক অধিবেশনৰ যোগেৰেও শিক্ষা প্ৰদান কৰাৰ হৈছিল। প্ৰতি মাহৰ পূৰ্ণিমা আৰু প্ৰতিপদৰ দিনা বৌদ্ধ ভিক্ষুসকলৰ অধিবেশন বা সন্মিলন অনুস্থিত হয়। এই অধিবেশনলৈ বেলেগ বেলেগ সংঘৰ পৰাও ভিক্ষুসকলে

যোগদান কৰে। ইয়াত তেঁওলোকে আলোচনাৰ দ্বাৰা নিজৰ মনত থকা সন্দেহ দূৰ কৰে। ইয়াত উপস্থিত থকাটো ভিক্ষু তথা শিক্ষাৰ্থী সকলৰ বাবে বাধ্যতামূলক। অসুখ বা আন অসুবিধা হ'লে নিদিৰ্ষ্ট কেতবোৰ নিয়মনীতিৰ যোগেৰে তেওঁলোকে সংঘৰ পৰা অনুমতি লাভ কৰিব লাগিছিল। কোনো দোষত অভিযুক্ত হ'লে ভিক্ষুসকলে এই অধিবেশনতে নিজকে নিৰ্দোষী বুলি প্ৰমান কৰিব লাগিছিল। বছৰেকীয়া অধিবেশনখন অলপ বেছি ডাঙৰকৈ আয়োজন কৰা হৈছিল আৰু তালৈ একোজন প্ৰখ্যাত বৌদ্ধ পণ্ডিতক আমন্ত্ৰন জনোৱা হৈছিল। তেওঁ বেলেগ বেলেগ বিষয়ৰ ওপৰত বৃক্ততা আগবঢ়াইছিল আৰু লগতে সকলোকে তেওঁৰ চৰিত্ৰৰ কিবা দোষ উলিয়াবলৈ প্ৰত্যাহ্বান জনাইছিল। ইয়াৰ পৰা তোমালোকে নিশ্চয় অনুমান কৰিব পাৰিছা যে সেইসময়ত নৈতিক চৰিত্ৰৰ ওপৰত কিমান বেছি গুৰুত্ব দিয়া হৈছিল।

**(৮) সাধনা (Meditation) ঃ**

বৈদিক যুগত যেনেদৰে ঋষি -মুনি সকলে অৰণ্য , গুহা আদি নিৰ্জন স্থানত অকলসৰে ধ্যানত বহি গভীৰ জ্ঞান লাভ কৰাৰ বাবে আগ্ৰহী আছিল, বৌদ্ধশিক্ষাটো তেনে ব্যৱস্থাৰ প্ৰচলন আছিল। অৱশ্যে যি সকল ভিক্ষুয়ে দীৰ্ঘদীন ধৰি বৌদ্ধ বিহাৰত থাকি শিক্ষা আহৰণ কৰিছিল আৰু পাৰ্থিৱ সুখ ত্যাগ কৰিব পাৰিছিল, তেনে ভিক্ষুকহে ধ্যান বা সাধনাৰ অনুমতি দিয়া হৈছিল।

ইয়াৰ উপৰিও (Inductive method), ভৱিষ্যবাণী কৰা (predict method) আদিৰ দ্বাৰাও বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষা প্ৰদান কৰা হৈছিল।

## ২.৯ শিক্ষক ছাত্ৰৰ সম্পৰ্ক (Relation between Teacher and Student) ঃ

এই শিক্ষা ব্যৱস্থাত শিক্ষক ছাত্ৰৰ সম্পৰ্ক অতি পবিত্ৰ, আবেগিক আৰু ঘনিষ্ঠ আছিল। ছাত্ৰসকলে শিক্ষকসকলক গভীৰ শ্ৰদ্ধা -ভক্তি কৰিছিল আৰু শিক্ষকেও ছাত্ৰসকলক মৰম কৰিছিল আৰু ছাত্ৰসকলৰ প্ৰতি সহানুভুতিশীল আছিল। শিক্ষকে শিক্ষকৰ কৰ্ত্তব্য বা ছাত্ৰই ছাত্ৰৰ কৰ্ত্তব্য পালন কৰাত পৰস্পৰে পৰস্পৰক সহায় কৰিবলৈ যত্নপৰ আছিল।

শিক্ষকসকলে অতি সহজ- সৰল জীৱন যাপন কৰিছিল। তেওঁলোকে বিদ্বান, আত্মসংযমী আৰু চৰিত্ৰবান আছিল। সেইযুগত ছাত্ৰৰ বাবে শিক্ষকসকলেই আছিল

আদৰ্শস্বৰূপ , সেয়ে শিক্ষক সকলে সদায় সদাচাৰ, সদালাপ আদি অষ্টমাৰ্গ পালন কৰি চলিছিল।তেওঁলোকে মৰমৰে পঢ়াইছিল আৰু প্ৰয়োজনীয় শিক্ষা ছাত্ৰসকলে লাভ কৰিছেনে নাই তাৰ প্ৰতি চকু ৰাখিছিল। ইয়াৰ উপৰিও শিক্ষাৰ্থীৰ সৰ্বাঙ্গীণ উন্নতি তথা বিকাশৰ বাবে প্ৰয়োজনীয় সকলো সা- সুবিধা প্ৰদান কৰাটো শিক্ষকসকলৰ দায়িত্ব আছিল। কোনো শিক্ষাৰ্থীৰ অসুখ হ'লে শিক্ষক লগত থাকি তেওঁৰ যত্ন লব লাগিছিল।

তোমালোকে ইতিমধ্যে বৈদিক শিক্ষা ব্যৱস্থাৰ বিষয়ে পঢ়োতে পাইছিলা যে সেই যুগৰ ছাত্ৰসকলে গুৰুগৃহত থাকি প্ৰয়োজনীয় সকলো কাম বন কৰিব লাগিছিল। বৌদ্ধ শিক্ষাটো শিক্ষাৰ্থীসকলে শিক্ষকক বিভিন্ন কামত সহায় কৰিব লাগিছিল। উদাহৰন স্বৰূপে পুৱা দাতোন আৰু পানীৰ যোগান ধৰা, খাদ্যৰ ব্যৱস্থা কৰা , বাচন ধোৱা, শিক্ষকৰ সৈতে ভিক্ষাৰ পাত্ৰ লৈ ভিক্ষা কৰিবলৈ যোৱা ইত্যাদি ইত্যাদি। তাৰ পিছতহে তেঁওলোকে শিক্ষকৰ ওচৰত পাঠ গ্ৰহন কৰিছিল।

শিক্ষাৰ্থীসকলৰ সকলো কাম কাজ শিক্ষকৰ নিৰ্দেশ মতে চলিছিল, শিক্ষকৰ অনুমতি অবিহনে তেওঁলোকে কেনিও যাব নোৱাৰিছিল।

সেইদৰে বৌদ্ধ সংঘৰ শিক্ষকসকলৰ আচাৰ, ব্যৱহাৰ, চৰিত্ৰ আদি সংঘই মন কৰিছিল আৰু শাসনত ৰাখিছিল। কোনো শিক্ষকে যদি সংঘৰ নীতি- বিৰুদ্ধে কিবা কাৰ্য্য কৰে, তেঁওক সংঘৰ পৰা বহিস্কাৰ কৰা হৈছিল। শিক্ষকৰ এনে নীতি বিৰুদ্ধে কাৰ্য্যৰ বিষয়ে সংঘক জনোৱাটো শিক্ষাৰ্থীৰ বাবে বাধ্যতামূলক আছিল। অৱশ্যে শিক্ষক জনকো সংশোধনৰ পিছত পুনৰ সংঘত নিযুক্তি দিবলৈ শিক্ষাৰ্থীসকলে অনুৰোধ কৰিব লাগিছিল আৰু ফলস্বৰূপে শিক্ষক -শিক্ষাৰ্থীৰ সম্পৰ্ক বেছি মধুৰ আৰু উচ্চ পৰ্য্যায়ৰ হৈছিল।

এই আলোচনা খিনিৰ পৰা তোমালোকে নিশ্চয় বৌদ্ধ শিক্ষা ব্যৱস্থাৰ শিক্ষক শিক্ষাৰ্থীৰ সম্পৰ্ক বিষয়ে বুজিব পাৰিছা । তোমাৰ নিজৰ জীৱনত কোনোবা শিক্ষকৰ লগত এনে মধুৰ আৰু নিবিড় সম্পৰ্ক গঢ়ি উঠিছেন নে ? চিন্তা কৰাচোন ।এতিয়া আমি এই শিক্ষা ব্যৱস্থাৰ অনুশাসনৰ বিষয়েও চমুকৈ আলোচনা কৰিম।

**২.৯.১ বৌদ্ধ শিক্ষাত অনুশাসন (Discipline in the Buddhist Education) ঃ**

বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষক, ছাত্ৰই মানি চলিব লগা নীতিসমূহ কঠোৰভাৱে

মানি নচলিলে  সংঘৰ পৰা বহিষ্কৃত হ'ব লগা হৈছিল। এই সংঘ সমূহেই আছিল বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষক আৰু ছাত্ৰৰ নিয়ন্ত্ৰক। এনে নিয়ম সৰ্ম্পকে তোমালোকে ইতিমধ্যে এই অনুচ্ছেদত পঢ়িবলৈ পাইছা। নীতি-নিয়মৰ ক্ষেত্ৰত কঠোৰতা থাকিলেও শিক্ষক -শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক যথেষ্ট মধুৰ আছিল। শিক্ষক আৰু ছাত্ৰ দুয়োৰে মাজত পাৰস্পৰিক বুজা-পৰা আছিল আৰু সেয়ে শিক্ষা জীৱন সুকলমে অতিবাহিত কৰিছিল। শাৰীৰিক শাস্তি বিধানৰ কোনো ব্যৱস্থা নাছিল। শিক্ষক বা ছাত্ৰ কাৰোবাৰ বিৰুদ্ধে কিবা অভিযোগ উথাপন হ'লে তেওঁক অভিযোগ খণ্ডন কৰিবলৈ সুবিধা দিয়া হৈছিল। তোমালোকে ইতিমধ্যে গম পাইছা যে  কোনো ছাত্ৰই শিক্ষকৰ বিৰুদ্ধে অভিযোগ আনিলে আৰু সেই অভিযোগ সত্য বুলি প্ৰমান কৰিব নোৱাৰালৈকে শিক্ষকজনক নিজেই সংঘৰ পৰা আঁতৰি থাকিব লাগিছিল। আনহাতে আত্মপক্ষ সমৰ্থন কৰি অভিযুক্ত শিক্ষক বা ছাত্ৰক বৌদ্ধ সন্মিলনত যুক্তি প্ৰদৰ্শন কৰিবলৈ সুবিধা দিয়া হৈছিল। ইয়াৰ উপৰিও অভিযুক্ত শিক্ষকৰ সপক্ষে যুক্তি দিবৰ বাবে অভিযোগকাৰী শিক্ষাৰ্থীয়ে অধিকাৰ পায় আৰু ঠিক তেনেদৰে কোনো ছাত্ৰৰ নিৰ্দেশিত প্ৰমান কৰিবৰ কাৰণে শিক্ষকে যুক্তি দিব পাৰে । এক কথাত ক'ব পাৰি যে বৌদ্ধ অনুশাসন সম্পূৰ্ণ গনতান্ত্ৰিক  পদ্ধিতিৰে নিয়ন্ত্ৰিত হৈছিল।

শিক্ষাৰ্থীসকল, বৌদ্ধ বিহাৰত প্ৰৱেশাধিকাৰ লাভ কৰা শিক্ষাৰ্থীসকলে বাধ্যতামূলকভাৱে কিছুমান নিয়ম মানি চলিব লাগিছিল। এই নিয়মসমূহ ইতিমধ্যে তোমালোকে এই গোটটোতে অনুচ্ছেদ ২.৫.২ ত পাই আহিছা। আকৌ এবাৰ পঢ়ি লোৱাচোন।

## ২.১০ বৌদ্ধ শিক্ষাত স্ত্ৰীশিক্ষাৰ স্থান
## (Women Education in Buddist Education) ঃ

বুদ্ধই  মহিলা সকলে শিক্ষাগ্ৰহন কৰাটো বিচৰা নাছিল কাৰণ তেঁওৰ মতে মহিলাসকলৰ ঘৰত বহু বেছি দায়িত্ব থাকে। সেয়ে সংঘত থাকি শিক্ষা গ্ৰহন কৰাতকৈ ঘৰত মনোনিবেশ কৰাটো সমাজৰ বাবে বেছি প্ৰয়োজনীয় বুলি তেওঁ ভাবিছিল। সেয়ে প্ৰথমে মহিলাক সংঘত  প্ৰৱেশৰ অনুমতি দিয়া নাছিল। পিছলৈ ইচ্ছুক মহিলাই সংঘত প্ৰৱেশৰ অনুমতি লাভ কৰিছিল আৰু তেওঁলোকৰ বাবে বেলেগ বৌদ্ধবিহাৰো প্ৰতিষ্ঠা  কৰা হৈছিল। ক্ৰমান্বয়ে শিক্ষিত মহিলাৰ সংখ্যা বৃদ্ধি পাই আহিছিল। শিচল

ভট্টাৰিকা, বিজয়ঙ্কা, প্ৰভুদেৱী আদি বৌদ্ধ ধৰ্মাৱলম্বী উচ্চ শিক্ষিতা মহিলাৰ নাম পোৱা যায়। মহাৰাজ অশোকৰ দুহিতা সংঘমিত্ৰা তেনে এগৰাকী শিক্ষিতা মহিলা আছিল। তেওঁক ধৰ্ম প্ৰচাৰৰ বাবে সিংহল অথাৎ আজিৰ শ্ৰীলংকালৈ পঠোৱা হৈছিল। তোমালোকে ইতিমধ্যে গম পাইছা যে বৌদ্ধ শিক্ষা ব্যৱস্থাত গণতান্ত্ৰিক আদৰ্শ প্ৰতিফলিত হৈছিল। গতিকে মহিলাসকলেও পিচলৈ শিক্ষাৰ অধিকাৰ পাইছিল কিন্তু বৈদিক যুগৰ তুলনাত বৌদ্ধ যুগৰ শিক্ষাত ভাগ লোৱা মহিলাৰ সংখ্যা কম আছিল।

**আত্মমূল্যায়ণ - (ঘ)**

(১) বৌদ্ধ শিক্ষা ব্যৱস্থাৰ যিকোনো দুটা শিক্ষা ব্যৱস্থাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

..............................................................................

..............................................................................

..............................................................................

(২) ভুল নে শুদ্ধ কোৱা -

(ক) বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীয়ে নিয়মনীতি মানি নচলিলে কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিছিল।

(খ) বৌদ্ধ অনুশাসন সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিয়ন্ত্ৰিত হৈছিল।

(গ) বৈদিক যুগতকৈ বৌদ্ধশিক্ষা ব্যৱস্থাত শিক্ষাত ভাগ লোৱা মহিলাৰ সংখ্যা বেছি আছিল।

(ঘ) বৌদ্ধ শিক্ষাত শিক্ষক-শিক্ষাৰ্থীৰ মাজত মধুৰ আৰু নিবিড় সম্পৰ্ক আছিল।

**সামৰণি ঃ**

এই গোটটোৰ পৰা আমি জানিব পাৰিলো যে -

ধৰ্মীয় গোড়ামীৰ প্ৰাধান্যত বৈদিক যুগৰ শিক্ষাব্যৱস্থাত শিক্ষাতকৈ পূজা-পাৰ্বন, যাগ-যজ্ঞই বেছি গুৰুত্ব লাভ কৰাত, গৌতম বুদ্ধৰ আদৰ্শৰ ভিত্তিত প্ৰচলন হোৱা বৌদ্ধ শিক্ষা ব্যৱস্থাই লাহে লাহে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত জনপ্ৰিয়তা লাভ কৰিছিল।এই শিক্ষাব্যৱস্থাৰ মূল ভেটি হৈছে বুদ্ধজেৰৰ 'চাৰিসত্য' আৰু অষ্টমাৰ্গ। এই শিক্ষা ব্যৱস্থাত ধৰ্মক বহু বেছি গুৰুত্ব দিয়া হৈছিল আৰু ইয়াৰ

মূল উদ্দেশ্য আছিল বৌদ্ধ ধৰ্মৰ প্ৰচাৰ আৰু লগতে বৌদ্ধ শিক্ষাৰ দ্বাৰা সৰ্বসাধাৰণক নিৰ্বাণ প্ৰাপ্তি কৰোৱা। বৌদ্ধ মঠ বা বিহাৰ সমূহেই এই শিক্ষাৰ মূল কেন্দ্ৰ আছিল আৰু এই মঠসমূহেই এই শিক্ষা প্ৰচাৰত আগভাগ লৈছিল। যিহেতু অনু শাসনক অগ্ৰাধিকাৰ দিয়া হৈছিল, সেয়ে এই শিক্ষা ব্যৱস্থাত শিক্ষক-শিক্ষাৰ্থীয়ে কঠোৰ নীতি-নিয়ম মানি চলিব লাগিছিল। তেওঁলোকৰ মাজৰ অৰ্থাৎ শিক্ষক-শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক আছিল যথেষ্ট মধুৰ আৰু নিবিড়। মূলতঃ মৌখিক পদ্ধতিত শিক্ষাদান কৰা হৈছিল যদিও প্ৰশ্নোত্তৰ, প্ৰমাণীকৰণ, তৰ্ক আদি শিক্ষাদানৰ বিভিন্ন পদ্ধতি এই শিক্ষাব্যৱস্থাত প্ৰচলিত আছিল। শিক্ষাৰ্থীসকলে নিজৰ ইচ্ছা বা সামৰ্থ অনুসৰি প্ৰাথমিক বা উচ্চ পৰ্য্যায়ৰ শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। তদুপৰি জীৱিকা অৰ্জনৰ বাবে প্ৰয়োজনীয় কাৰিকৰী শিক্ষাও শিক্ষাৰ্থীসকলৰ বাবে উপলব্ধ আছিল। অৱশ্যে তোমালোকে ইতিমধ্যে জানিচা যে স্ত্ৰীশিক্ষাক এই শিক্ষাব্যৱস্থাত গুৰুত্ব দিয়া হোৱা নাছিল যদিও পিছলৈ মহিলাসকলেও শিক্ষাৰ অধিকাৰ পাইছিল।

**ঘাই শব্দ সমূহ ঃ**

চাৰিসত্য ঃ বৌদ্ধ ধৰ্মৰ মূল ভেটি। অনুচ্ছেদ ২.২.২ ত বৰ্ণনা কৰা আছে।

অষ্টমাৰ্গ ঃ সংসাৰৰ দুখ দূৰ্দশাৰ

**আত্মমূল্যায়নৰ উত্তৰসমূহ ঃ**

**আত্মমূল্যায়ন -ক**

(১) জন্ম - খৃঃপূঃ ৫৬৩ মৃত্যু - খৃঃপূঃ ৪৮৭

(২) বৈদিক শিক্ষাৰ স্থানত বৌদ্ধশিক্ষাই জনপ্ৰিয়তা লাভ কৰাৰ দুটা কাৰণ ঃ

(ক) বৈদিক শিক্ষাব্যৱস্থা ধৰ্মীয় গোড়ামীৰে পৰিবেষ্টিত হোৱা বাবে অধ্যয়নতকৈ পূজা-পাৰ্বন, যাগ-যজ্ঞ আদিৰ শিক্ষাইহে অধিক প্ৰাধান্য পাইছিল।

(খ) ই সমাজত শ্ৰেণীবিভাজনৰ সৃষ্টি কৰিছিল।

**আত্মমূল্যায়ন -খ**

(১) শ্ৰুত পৰম্পৰা এনে এক ব্যৱস্থা, য'ত শিক্ষকে শিক্ষাৰ্থী সকলক মৌখিকভাৱে শিক্ষা প্ৰদান কৰে আৰু শিক্ষাৰ্থীসকলেও শুনি তাক আয়ত্ব কৰিব লাগে। বৈদিক শিক্ষা আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাত মূলত এই পৰম্পৰাৰে শিক্ষা প্ৰদান কৰা হৈছিল।

(২) বৈদিক শিক্ষা ব্যৱস্থাত সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে শিক্ষা আকাশ কুসুম স্বৰূপ আছিল। কেৱল উচ্চবৰ্ণৰ হিন্দু লোকেহে শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। কিন্তু বৌদ্ধ শিক্ষা ব্যৱস্থাত জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোৰে বাবে এই শিক্ষাৰ দ্বাৰ খোলা আছিল। তদুপৰি, এই শিক্ষাই শিক্ষক-শিক্ষাৰ্থী দুয়োৰে চৰিত্ৰ গঠনত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। সেয়ে এই শিক্ষাব্যৱস্থাৰ দৃষ্টিভংগী বহল আৰু ধনাত্মক আছিল বুলি কোৱা হয়।

(৩) (ক) প্ৰকৃত জ্ঞান

(খ) ধৰ্মৰ

(গ) পূৰ্ণাঙ্গ বিকাশ

**আত্মমূল্যায়ন - গ**

(১) যেনেদৰে বৈদিক শিক্ষা ব্যৱস্থাত ‘টোল’ সমূহে শিক্ষণ-শিকন প্ৰক্ৰিয়াত মূখ্য ভূমিকা পালন কৰিছিল তেনেদৰে বৌদ্ধ সংঘ সমূহে বৌদ্ধ শিক্ষা ব্যৱস্থাত মুখ্য ভূমিকা পালন কৰিছিল। শিক্ষা প্ৰদানৰ দ্বায়িত্ব আছিল বৌদ্ধসংঘসমূহত থক শ্ৰমণ আৰু ভিক্ষু-ভিক্ষুনী সকলৰ ওপৰত । প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা প্ৰদান কৰা সকলক আচাৰ্য্য আৰু উচ্চ শিক্ষাৰ শিক্ষকক উপাচাৰ্য্য বুলি কোৱা হৈছিল। আৰু এই আচাৰ্য্য আৰু উপাচাৰ্য্যসকলে সমূহীয়াভাৱে বৌদ্ধসংঘসমূহ পৰিচালনা কৰিছিল।

(২) যি অনুস্থানৰ যোগেৰে শিক্ষাৰ্থীসকলে বৌদ্ধসংঘত প্ৰৱেশ কৰিব পাৰিছিল তাকেই পবজ্যা বুলি কোৱা হয়। পবজ্যা শব্দৰ অৰ্থ হৈছে ওলাই যোৱা - অৰ্থাৎ ঘৰ আৰু আগৰ পৰিচয় ত্যাগ কৰি, চুলি খুৰাই, হালধীয়া বস্ত্ৰ পিন্ধি, জাত-পাত-বৰ্ণ আদি ধাৰণাবোৰ ত্যাগ কৰি বৌদ্ধ ভিক্ষুৰূপে সংঘত প্ৰৱেশ কৰা।

(৩) প্ৰথমে বৌদ্ধশিক্ষা ব্যৱস্থাৰ মূল উদ্দেশ্য আছিল ধৰ্মশিক্ষাৰ জৰিয়তে মুক্তি বা নিৰ্বাণ লাভ কৰা। সেয়ে এই শিক্ষাব্যৱস্থাৰ আৰম্ভণীতে কেইটামান ধৰ্মীয় বিষয়হে শিকোৱা হৈছিল যদিও পিছলৈ আন কিছুমান ধৰ্মনিৰপেক্ষ বিষয়ো শিকোৱা হৈছিল। সেয়ে এই শিক্ষা ব্যৱস্থাক গতিশীল বুলি কোৱা হয়।

**আত্মমূল্যায়ন - ঘ**

(১) অনুচ্ছেদ ২.৮ ত দিয়া আছে। তোমাৰ পচন্দৰ দুটা পদ্ধতি নিজে লিখিবলৈ যত্ন কৰা।

(২) (ক) ভুল

(খ) শুদ্ধ

(গ) ভুল

(ঘ) শুদ্ধ

**প্ৰসঙ্গ পুথি ঃ**

বৰুৱা, যতীন (২০০৯), ভৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়ার্চ বুক ষ্টল।

শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত, ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্ৰুগড়।

শৰ্মা, ৰেণু, স্নাতক মহলাৰ ভাৰতৰ শিক্ষাৰ ইতিহাস, ষ্টুডেণ্টচ ষ্টৰত, গুৱাহাটী।

# খণ্ড ঃ ১
# মধ্য যুগৰ ভাৰতীয় শিক্ষা
## গোট ঃ ৩
## ইছলাম যুগৰ শিক্ষা

## খণ্ড ঃ ১

# মধ্য যুগৰ ভাৰতীয় শিক্ষা

## গোট ঃ ৩

# ইছলাম যুগৰ শিক্ষা

গোট গঠন বিন্যাস


৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ ইছলাম যুগৰ শিক্ষা

৩.৩ ইছলাম যুগৰ শিক্ষাৰ উদ্দেশ্য

৩.৪ ইছলামীয় শিক্ষাৰ বৈশিষ্ট্য

৩.৫ ইছলামীয় শিক্ষাৰ সংগঠন আৰু বিত্ত

৩.৫.১ মক্তাব

৩.৫.২ মাদ্ৰাছা

৩.৫.৩ ইছলামীয় শিক্ষাৰ বিত্তীয় দিশ

আত্ম মূল্যায়নৰ প্ৰশ্ন

৩.৬ ইছলামীয় শিক্ষাত শিক্ষাদান পদ্ধতি

৩.৭ ইছলামীয় শিক্ষা ব্যৱস্থাত শিক্ষক-শিক্ষাৰ্থীৰ সম্বন্ধ

আত্ম মূল্যায়নৰ প্ৰশ্ন

৩.৮ ইছলামীয় শিক্ষা ব্যৱস্থাত অনুশাসন

৩.৯ ইছলামীয় শিক্ষা ব্যৱস্থাত মহিলা শিক্ষা

আত্ম মূল্যায়নৰ প্ৰশ্ন

৩.১০ সামৰণি

ঘাই শব্দ সমূহ

প্ৰসংগসূচী

সম্ভাৱ্য উত্তৰ

আৰ্হি প্ৰশ্ন

প্ৰসঙ্গ পুথি

## ৩.০ উদ্দেশ্য (Objective) ঃ

এই গোটটো পঢ়াৰ পাছত তোমালোকে -

১) ইছলাম যুগৰ শিক্ষাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰিব পাৰিবা।

২) ইছলাম যুগৰ শিক্ষাৰ পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, সংগঠন, বিত্ত আৰু শিক্ষক-শিক্ষাৰ্থীৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰিব পাৰিবা।

৩) ইছলাম যুগৰ মহিলা শিক্ষাৰ বিষয়ে আলোচনা কৰিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা (Introduction) ঃ

ইয়াৰ আগৰ গোটত আমি বৌদ্ধযুগৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য, আদৰ্শ, বৈশিষ্ট্য, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, সংগঠন, শিক্ষক-শিক্ষাৰ্থীৰ সম্বন্ধ আৰু বৌদ্ধৰ মহিলা শিক্ষাৰ বিষয়ে আলোচনা কৰিলোঁ। প্ৰথম গোটত আমি বৈদিক শিক্ষাৰ বিভিন্ন দিশসমূহৰ বিষয়েও আলোচনা কৰিলো। গতিকে আমি ইছলামীয় শিক্ষা ব্যৱস্থাৰ বিষয়েও পঢ়িলে ভাৰতীয় শিক্ষাৰ মোটামুটি সামগ্ৰিক ধাৰণা এটা পাম। এই গোটত আমি মুছলমানসকলৰ ৰাজত্ব কালছোৱাত তেওঁলোকৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম। তাৰপিছত তোমালোকে তেওঁলোকে শিক্ষাব্যৱস্থাই কেনেদৰে ভাৰতৰ সভ্যতা আৰু সংস্কৃতিত প্ৰভাৱ পেলাইছিল তাক ব্যাখ্যা কৰিম।

এই গোটত আমি ইছলাম যুগৰ ভাৰতীয় শিক্ষাৰ লক্ষ্য, আদৰ্শ, বৈশিষ্ট্য, ইছলাম শিক্ষাৰ পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, সংগঠন আৰু মহিলা শিক্ষাৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিম। লগতে এই শিক্ষাব্যৱস্থাই ভাৰতীয় শিক্ষাক কেনেদৰে আগুৱাই নিছিল সেই বিষয়েও ব্যাখ্যা কৰিম।

এই গোটটো পঢ়াৰ আগতে তোমালোকে মন কৰিবাচোন আগৰ বৈদিক আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাই কিদৰে ভাৰতীয় সমাজত প্ৰভাৱ পেলাইছিল। এই গোটটো পঢ়াৰ পাছত তোমালোকে ভাৰতীয় সমাজত ইছলামীয় শিক্ষাৰ প্ৰভাৱ আৰু বৰ্তমান শিক্ষাত তাৰ প্ৰাসংগিকতা স্পষ্টকৈ বুজিব পাৰিবা। তোমাৰ ঘৰৰ ওচৰত যদি মুক্তাব বা মাদ্ৰাছাৰ দৰে কোনো ইছলাম শিক্ষাৰ অনুষ্ঠান আছে সেইবোৰৰ লগত তুমি গোটৰ কথাবোৰৰ এটা তুলনাও কৰিব পাৰা।

## ৩.২ ইছলাম যুগৰ শিক্ষা ঃ

তোমালোকে গম পাইছা যে বৌদ্ধ যুগৰ পাছতেই ভাৰতবৰ্ষত ইছলাম যুগ

আৰম্ভ হয়। দ্বাদশ শতিকাৰ আৰম্ভণিৰ পৰা ১৮৫৭ চনলৈকে সুদীৰ্ঘকাল ইছলামসকলে ভাৰতবৰ্ষৰ বিভিন্ন দিশত শাসন কৰে। মহম্মদ ঘোৰীয়ে ভাৰতবৰ্ষত তেওঁলোকৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰাৰ পাছৰ পৰাই বিভিন্ন ইছলাম সম্ৰাটসকলে ভাৰতবৰ্ষত বিভিন্ন শিক্ষাকেন্দ্ৰ গঢ়ি তোলে।

ইছলামসকল মূলতঃ বহিৰাগত হোৱাৰ কাৰণে নিজৰ সংস্কৃতি-কলা, শিক্ষাব্যৱস্থা আদি আমাৰ দেশতকৈ বহুত বেলেগ আছিল। আগত তোমালোকে পঢ়ি অহা বৈদিক আৰু বৌদ্ধ শিক্ষাৰ আদৰ্শৰ লগত তেওঁলোকৰ শিক্ষাৰ মিল নাছিল। কিন্তু তথাপিও ইছলাম সম্ৰাটসকলে শিক্ষাক ধৰ্মীয় অনিবাৰ্যতা স্বৰূপে মানি নিজৰ শিক্ষা-সংস্কৃতি আমাৰ দেশত প্ৰচলন কৰি তুলিবলৈ চেষ্টা কৰিছিল। মোগল সম্ৰাটসকলৰ ভিতৰত মহামতি আকবৰে হিন্দুসকলৰ বৈদিক শিক্ষা আৰু সংস্কৃতিৰ লগত ইছলামীয় শিক্ষাৰ সংহতি আৰু সমন্বয় স্থাপন কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। ১৮৫৭ চনত ইংৰাজসকলে ইছলামসকলৰ শেষ সম্ৰাট দ্বিতীয় বাহাদুৰ শ্বাহক বন্দী কৰি ইছলামসকলৰ শাসনৰ অন্ত পেলাই ভাৰতবৰ্ষত নিজৰ ৰাজত্ব প্ৰতিষ্ঠা কৰে।

## ৩.৩ ইছলাম যুগৰ শিক্ষাৰ উদ্দেশ্য (Objectives) ঃ

তোমালোকে ইতিমধ্যে গম পাই অহা বৈদিক আৰু বৌদ্ধ শিক্ষাৰ দৰে ইছলাম যুগৰ শিক্ষা ব্যৱস্থাও কেতবোৰ নিৰ্দিষ্ট উদ্দেশ্যৰ দ্বাৰা পৰিচালিত। আমি এতিয়া এই উদ্দেশ্যসমূহৰ বিষয়ে তলত আলোচনা কৰিম -

### (১) জ্ঞানৰ সম্প্ৰসাৰণ ঘটোৱা

ইছলাম ধৰ্মীয় শিক্ষাৰ এটা প্ৰধান উদ্দেশ্য আছিল ভাৰতীয়সকল আৰু ভাৰতলৈ অহা বহিৰাগতসকলৰ মাজত শিক্ষাৰ জৰিয়তে জ্ঞানৰ সম্প্ৰসাৰণ ঘটোৱা। ইছলাম ধৰ্মৰ বিশ্বাস মতে জ্ঞানে মানুহৰ মুক্তিলাভ সম্ভৱ কৰি তোলে। সেয়েহে মানুহক শিক্ষাৰ যোগেদি জ্ঞান আহৰণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰোৱাটোৱেই তেওঁলোকে শিক্ষাৰ প্ৰধান উদ্দেশ্য বুলি বিবেচনা কৰিছিল।

### (২) ইছলাম ধৰ্ম প্ৰচাৰ কৰা

ইছলাম শিক্ষাৰ জৰিয়তে ইছলাম ধৰ্ম প্ৰচাৰ কৰাটো তেওঁলোকৰ শিক্ষাৰ অন্যতম উদ্দেশ্য আছিল। শিক্ষানুষ্ঠানমূহ সাধাৰণতে মছজিদৰ কাষত প্ৰতিষ্ঠা কৰা হৈছিল আৰু শ্ৰেণীকোঠাত কোৰাণৰ বাণীসমূহ মুখস্থ কৰি ইয়াৰ তাৎপৰ্য উপলব্ধি কৰাৰ

ওপৰত গুৰুত্ব দিয়া হৈছিল।

**(৩) নিৰক্ষৰতা দূৰীকৰণ আৰু সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা**

ইছলাম ধৰ্মই নিৰক্ষৰতা দূৰ কৰি সাক্ষৰলোকৰ সংখ্যা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। সেইবাবে তেওঁলোকে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থাও কৰিছিল।

**(৪) সামাজিক মূল্যবোধৰ সৃষ্টি**

ইছলামীয় শিক্ষাৰ অন্য এটা উদ্দেশ্য আছিল ইছলাম ধৰ্মৰ আইন, নীতি-নিয়ম, পৰম্পৰা, সংস্কৃতি আদি সমাজত প্ৰচাৰ কৰি সামাজিক মূল্যবোধৰ সৃষ্টি কৰা।

**(৫) শিক্ষাৰ্থীক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলা**

ইছলামীয় শিক্ষাৰ অন্যতম উদ্দেশ্য আছিল শিক্ষাৰ্থীসকলক শিক্ষাৰ জৰিয়তে অৰ্থনৈতিকভাবে স্বাৱলম্বী কৰি তোলা আৰু ইছলামীয় প্ৰশাসনিক কাৰ্যসমূহ পৰিচালনা কৰিবৰ কাৰণে এক উপযুক্ত পৰিমাণৰ শিক্ষিত তথা সুদক্ষ মানৱ সম্পদ গঢ় দি তোলা।

**(৬) শিক্ষাৰ্থীৰ সৎ চৰিত্ৰ গঠন**

ইছলামীয় শিক্ষাৰ আন এটা উদ্দেশ্য আছিল শিক্ষাৰ্থীৰ সৎ চৰিত্ৰ গঠন কৰা। ইছলাম ধৰ্মৰ বিশ্বাস মতে সৎ চৰিত্ৰবান লোকহে প্ৰকৃততে জ্ঞানী হ'ব পাৰে।

গতিকে তোমালোকে এতিয়া ইছলামীয় শিক্ষাৰ প্ৰধান উদ্দেশ্যসমূহ নিশ্চয় ব্যাখ্যা কৰিব পাৰিবা নহয় জানো? এতিয়া আমি ইছলামীয় শিক্ষাৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰিম।

## ৩.৪ ইছলামীয় শিক্ষাৰ বৈশিষ্ট্য (Characteristics of Islamic Education) ঃ

ইছলামীয় শিক্ষাৰ স্বৰূপ তোমালোকে তলৰ বৈশিষ্ট্যকেইটাৰ জৰিয়তে ভালদৰে ব্যাখ্যা কৰিব পাৰিবা -

(১) ইছলামীয় শিক্ষাব্যৱস্থা ৰাজকীয় পৃষ্ঠপোষকতাৰে পৰিচালিত হৈছিল। মোগল সম্ৰাটসকলে শিক্ষাৰ্থীসকলৰ অধ্যয়ন কাৰ্যত সহায় কৰিবৰ কাৰণে জলপানি আৰু অন্যান্য আৰ্থিক সাহাৰ্য আগবঢ়াইছিল।

(২) ইছলামীয় শিক্ষাব্যৱস্থাত ধৰ্মীয় গোড়ামিৰ প্ৰভাৱ পৰিছিল। সেয়েহে শিক্ষাৰ পাঠ্যক্ৰমত ইছলামীয় আইন আৰু নীতি, বিশ্বাস, কোৰাণ শ্বৰীফৰ মূলকথা আদিয়ে আগস্থান পাইছিল। ইয়াৰ জৰিয়তে অন্য ধৰ্মাৱলম্বী লোকৰ মাজতো ইছলাম

ধৰ্ম প্ৰসাৰৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

(৩) ইছলামীয় শিক্ষাব্যৱস্থাত প্ৰধানকৈ আৰবী আৰু ফাৰ্চী ভাষাক শিক্ষাৰ মাধ্যমস্বৰূপে ব্যৱহাৰ কৰা হৈছিল।

(৪) ব্যৱহাৰিক জীৱনৰ প্ৰয়োজন পূৰণ কৰাতো ইছলাম শিক্ষা ব্যৱস্থাই গুৰুত্ব প্ৰদান কৰিছিল।

(৫) ইছলামীয় শিক্ষা ব্যৱস্থাত মহিলা শিক্ষাৰ প্ৰসাৰ হোৱা নাছিল। পৰ্দা প্ৰথা, বাল্য বিবাহ আদিয়ে মহিলা শিক্ষাৰ বিকাশ স্তব্ধ কৰি ৰাখিছিল। অৱশ্যে ৰাজপৰিয়ালৰ দুই এগৰাকী মহিলাই ঘৰতে শিক্ষা গ্ৰহণ কৰিছিল।

(৬) ইছলামীয় শিক্ষা ব্যৱস্থাত কোনো মাচুল গ্ৰহণ কৰা হোৱা নাছিল। শিক্ষা বিনামূলীয়া হোৱাৰ কাৰণে ধনী-দুখীয়া সকলোৱে শিক্ষা গ্ৰহণ কৰিব পাৰিছিল।

## ৩.৫ ইছলামীয় শিক্ষাৰ সংগঠন আৰু বিত্ত (Organization and finance) ঃ

আমি ইতিমধ্যে ইছলামীয় শিক্ষাৰ উদ্দেশ্য আৰু বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰি আহিলো আৰু তোমালোকে নিশ্চয় এতিয়া ব্যাখ্যা কৰিব পাৰিবা। এতিয়া আহঁা ইছলামীয় শিক্ষা ব্যৱস্থাৰ সংগঠনৰ বিষয়ে আলোচনা কৰোঁ।

### ৩.৫.১ মক্তাব (Maktab) ঃ

মক্তাববিলাক আছিল ইছলামসকলৰ প্ৰাথমিক শিক্ষা প্ৰদানৰ শিক্ষানুষ্ঠান। মক্তাব শব্দটো আৰবী শব্দ কুটুব ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল 'তেওঁ লিখে' (He write), গতিকে ইয়াৰ অৰ্থ হ'ল য'ত লিখাৰ ব্যৱস্থা আছে বা লিখিবলৈ শিকোৱা ঠাই। মক্তাবসমূহ এজনীয়া শিক্ষকৰ শিক্ষানুষ্ঠান আছিল। ইয়াত লিখা, পঢ়া আৰু গণনাৰ (3R's) জ্ঞান দিয়াৰ লগতে পবিত্ৰ কোৰাণ, গুলিস্তান, বাস্তান আদি শিকোৱা হয়।

**মক্তাবত নামভৰ্তিকৰণ (Admission in Maktab) ঃ**

মক্তাবসমূহত বিছমিল্লাহ নামৰ অনুষ্ঠানৰ জৰিয়তে শিক্ষাৰ্থীৰ বিদ্যাৰম্ভ কৰা হয়। ছাত্ৰজনৰ চাৰি বছৰ চাৰি মাহ, চাৰি দিন হোৱাৰ দিনাই এই অনুষ্ঠান অনুষ্ঠিত কৰি শিশুটিক নতুন পোছাক পিন্ধাই বিশেষ আসনত বহুৱাই মৌলবীয়ে পবিত্ৰ কোৰাণ শ্বৰিফৰ বাণীসমূহ গাই শুনায়। এই বাণীসমূহ শিশুটিক পুনৰাবৃত্তি কৰিবলৈ দিয়া হয়। যদিহে শিশুটিয়ে বাণীসমূহ পুনৰাবৃত্তি কৰিব নোৱাৰে তেন্তে তেওঁক বিছমিল্লাহ শব্দটো উচ্চাৰণ কৰিবলৈ কোৱা হয়। এইদৰে মক্তাবত বিদ্যাৰম্ভ কৰা হয়। এই

অনুষ্ঠানত বিছমিল্লা খানিও বোলা হয়।

**মক্তাবৰ পাঠ্যক্ৰম (Curriculum) ঃ**

মক্তাবৰ পাঠ্যক্ৰমত শিক্ষাৰ্থীক লিখা, পঢ়া আৰু গণনা কৰাৰ জ্ঞান দিয়া হৈছিল। ইয়াত আৰবী আৰু পাৰ্চী ভাষা শিকা, কোৰাণৰ বাণীসমূহ মুখস্থ কৰা, নামাজ পঢ়িবলৈ আৰু আজান দিবলৈ শিকোৱা হয়। তদুপৰি কৰি চেখ ভাদিৰৰ গুলিস্তান আৰু বাস্তান আদিৰ জৰিয়তে নৈতিক শিক্ষা দিয়া হৈছিল। লাইলা-মজনুৰ কাহিনী, ইউচুফ আৰু জুলেখাৰ কবিতা, চিকন্দৰ নামা আদি কাহিনী শিকোৱা হৈছিল। তদুপৰি যুদ্ধ-বিগ্ৰহ আৰু প্ৰশাসন সম্পৰ্কীয় শিক্ষা দিয়াৰো ব্যৱস্থা আছিল।

**মক্তাবৰ শিক্ষাদান পদ্ধতি (Method of Teaching) ঃ**

মক্তাবৰ শিক্ষাদান পদ্ধতি মৌখিক আৰু যান্ত্ৰিক আছিল। ইয়াত মুখস্থ বিদ্যাৰ ওপৰত অধিক প্ৰাধান্য দিয়া হৈছিল। শব্দ আৰু বাক্য লিখাৰ পিছত মুখস্থ কৰিবলৈ দিয়া হৈছিল। শিক্ষাৰ্থীসকলক পবিত্ৰ কোৰাণৰ কেতবোৰ আয়াত উচ্চাৰণ কৰি মুখস্থ কৰিবলৈ দিয়া হৈছিল। শব্দৰ শুদ্ধ উচ্চাৰণ আৰু অৰ্থজ্ঞান লাভ কৰাৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছিল।

**৩.৫.২ মাদ্ৰাছা (Madrasa) ঃ**

তোমালোকে ওপৰৰ আলোচনাৰ পৰা গম পাইছা যে ইছলামীয় প্ৰাথমিক শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত মক্তাবসমূহে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। আমি এতিয়া ইছলামীয় সিক্ষাৰ অনুষ্ঠান মাদ্ৰাছাৰ বিষয়ে আলোচনা কৰো আহাঁ-

মাদ্ৰাছা শব্দটো আৰবী ভাষাৰ দৰচ শব্দৰ পৰা উৎপত্তি হৈছে যাৰ অৰ্থ হ'ল বক্তৃতা প্ৰদান কৰা। মাদ্ৰাছাসমূহত বিভিন্ন পণ্ডিতসকলে ভিন ভিন সময়ত মৌখিকভাবে বক্তৃতা প্ৰদা কৰিছিল। মাদ্ৰাছাসমূহ বিশেষকৈ উন্নত নগৰ অঞ্চলত স্থাপন কৰা হৈছিল। মাদ্ৰাছাৰ শিক্ষা অধিক ব্যাপক আৰু দায়িত্বপূৰ্ণ হোৱাৰ বাবে একোখন নিজস্ব পৰিচালনা সমিতিৰদ্বাৰা ইয়াৰ পৰিচালনাৰ ব্যৱস্থা কৰা হৈছিল। ৰজা আৰু আঢ্যৱন্ত লোকসকলে মাদ্ৰাছা স্থাপন কৰি একোজন বিদ্বান লোকক ইয়াৰ পৰিচালনাৰ দায়িত্ব দিছিল। ৰজাই আৰ্থিক অনুদান, মাটি-বাৰী দান দিয়াৰ ওপৰিও শিক্ষক আৰু ছাত্ৰৰ বাবে আবাস গৃহৰ ব্যৱস্থাও কৰিছিল।

**মাদ্ৰাছাৰ পাঠ্যক্ৰম (Curriculum) ঃ**

মাদ্ৰাছাৰ পাঠ্যক্ৰমত প্ৰধানকৈ ধৰ্মীয় শিক্ষা, সাধাৰণ শিক্ষা আৰু ব্যৱহাৰিক তথা বৃত্তিমূলক শিক্ষাৰ বিভিন্ন বিষয়বোৰ শিকোৱা হৈছিল। আৰবী ভাষাৰ ব্যাকৰণ, তৰ্কশাস্ত্ৰ, বুৰঞ্জী, বিজ্ঞান, অৰ্থনীতি, দৰ্শন, গণিত, চিকিৎসাবিজ্ঞান, জ্যোতিষশাস্ত্ৰ, ৰাজনীতি, কৃষি, সংগীত, হস্তশিল্প, আইন, ভূগোল ইত্যাদি বিষয়বোৰ অন্তৰ্ভূক্ত কৰা হৈছিল। তদুপৰি কোৰাণৰ অধ্যয়ন বাধ্যতামূলক হিচাপে গণ্য কৰা হৈছিল। হিন্দুসকলৰ বাবে সংস্কৃত শিক্ষাৰ ব্যৱস্থাও ইয়াত আছিল। ইয়াত চুফি দৰ্শন, ভাষা, সাহিত্য আদি বিষয়বোৰ অন্তৰ্ভূক্ত কৰা হৈছিল।

### ৩.৫.৩ ইছলামীয় শিক্ষাৰ বিত্তীয় দিশ (Finance) ঃ

ইছলামীয় শিক্ষা ব্যৱস্থা ৰাজকীয় প্ৰভাৱৰদ্বাৰা পৰিচালিত আছিল। ইয়াত শিক্ষা পৰিচালনাৰ কাৰণে নিৰ্দিষ্ট শিক্ষা বিভাগ নাছিল। মোগল সম্ৰাটসকলে বহুতো শিক্ষানুষ্ঠান, পুথিভৰাঁল আদি স্থাপন কৰিছিল। তদুপৰি শিক্ষাৰ বিভিন্ন দিশত আৰ্থিক সাহাৰ্য, শিক্ষাৰ্থীসকলৰ বিনামূলীয়া শিক্ষা প্ৰদানৰ ওপৰিও, বিদ্বান পণ্ডিত আৰু সাহিত্যিকসকলক আৰ্থিক সাহাৰ্য দিয়া হৈছিল।

**আত্ম মূল্যায়নৰ প্ৰশ্ন - (ক)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নৰ তলত তোমাক ঠাই দিয়া হৈছে।

তোমাৰ উত্তৰবোৰ গোটৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) ইছলামীয় শিক্ষাৰ প্ৰধান উদ্দেশ্যসমূহ কি কি?

..........................................................................

..........................................................................

২) ইছলামীয় শিক্ষাব্যৱস্থাত প্ৰাথমিক শিক্ষাৰ সাংগঠনিক দিশ কেনে আছিল?

..........................................................................

..........................................................................

### ৩.৬ ইছলামীয় শিক্ষাত শিক্ষাদান পদ্ধতি (Method of Teaching) ঃ

আমি এতিয়া ইছলামীয় শিক্ষা ব্যৱস্থাত কেনেদৰেনো শিক্ষাদান কৰা হৈছিল সেই বিষয়ে আলোচনা কৰো আহাঁ -

ইছলামীয় শিক্ষাব্যৱস্থাত শিক্ষাদানৰ ক্ষেত্ৰত প্ৰধানকৈ মৌখিক আৰু বক্তৃতা পদ্ধতি ব্যৱহাৰ কৰা হৈছিল। এই ব্যৱস্থাত যান্ত্ৰিক স্মৃতিৰ ওপৰতহে প্ৰাধান্য দিয়া

হৈছিল। শিক্ষকে আবৃত্তি পদ্ধতিৰদ্বাৰা পাঠবোৰ পঢ়াইছিল আৰু শিক্ষাৰ্থীয়ে সেইবোৰ পুনৰাবৃত্তিৰ যোগেদি মনত ৰাখিব লাগিছিল। এই পদ্ধতিৰে কোৰাণৰ আয়াতসমূহ মুখস্থ কৰি মনত ৰখাৰ ওপৰতহে গুৰুত্ব দি যথেষ্ট শক্তি আৰু সময় ব্যৱহাৰ কৰা হৈছিল। তাৰ অৰ্থ উপযুক্তভাবে বুজি উঠা আৰু উপলব্ধি কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। প্ৰাথমিক পৰ্যায়ত শিশুক আখৰ, সংখ্যা শিকাবৰ বাবে কাঠৰ ফলি ব্যৱহাৰ কৰা হৈছিল। মাধ্যমিক আৰু উচ্চ পৰ্যায়ত বক্তৃতা আৰু আলোচনা পদ্ধতি ব্যৱহাৰ কৰি শিক্ষাদান কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। অৱশ্যে পিছৰ পৰ্যায়ত বিখ্যাত মোগল সম্ৰাট মহামতি আকবৰে যান্ত্ৰিক শিক্ষাদান পদ্ধতিৰ বিপৰীতে ইয়াৰ সংস্কাৰ সাধনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। শিক্ষাৰ্থীক শিক্ষাদান কৰাৰ ক্ষেত্ৰত শিক্ষকে পাঠটো বুজি উঠাৰ পিছতহে মনত ৰখা উচিত বুলি মত পোষণ কৰে। কাৰণ যান্ত্ৰিক পদ্ধতিয়ে শিক্ষাৰ্থীৰ সময় আৰু শক্তিৰ অপচয় কৰে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত শিক্ষাদান পদ্ধতি মৌখিক বিধৰ আছিল আৰু উচ্চ শিক্ষাৰ বিভিন্ন বিষয়ত বক্তৃতা প্ৰদান কৰিবৰ কাৰণে বিখ্যাত পণ্ডিতসকলক আমন্ত্ৰণ কৰি অনা হৈছিল। এই শিক্ষাদান পদ্ধতিত প্ৰশ্নোত্তৰ পদ্ধতি আৰু আলোচনা পদ্ধতিও ব্যৱহাৰ কৰা হৈছিল। প্ৰায়োগিক দিশ আৰু পৰীক্ষা পদ্ধতিৰ সহায়ো বহুক্ষেত্ৰত লোৱা হৈছিল।

ইছলামীয় শিক্ষা ব্যৱস্থাত পাৰ্চী ভাষা শিকাবৰ কাৰণে প্ৰথমে বৰ্ণমালাৰ বৰ্ণবোৰৰ শুদ্ধ উচ্চাৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। তাৰ পিছত যুক্তাক্ষৰ শিকোৱা হৈছিল আৰু বাক্যবোৰ শুদ্ধকৈ পঢ়িবলৈ শিকোৱা হৈছিল।।

## ৩.৭ ইছলামীয় শিক্ষা ব্যৱস্থাত শিক্ষক-শিক্ষাৰ্থীৰ সম্বন্ধ

**(Teacher-student relationship in Islamic Education) ঃ**

আমি ইতিমধ্যে ইছলামীয় শিক্ষা ব্যৱস্থাত শিক্ষাদান পদ্ধতিৰ বিষয়ে আলোচনা কৰিলো। এতিয়া আমি এই শিক্ষাব্যৱস্থাত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক কেনে আছিল সেই বিষয়ে আলোচনা কৰো আহাঁ -

আমি আগতেই উল্লেখ কৰি আহিছো যে ইছলামসকলৰ শিক্ষাব্যৱস্থা ধৰ্মীয় অনুভূতিৰদ্বাৰা প্ৰভাৱিত আছিল। ইয়াত ধৰ্মগুৰুসকলেই শিক্ষকৰ ভূমিকা পালন কৰিছিল আৰু শিক্ষক-শিক্ষাৰ্থীৰ মাজত নৈতিকতাপূৰ্ণ সম্বন্ধ আছিল। শিক্ষাগুৰুসকল

যথেষ্ট উচ্চশিক্ষিত ব্যক্তি আৰু ব্যক্তিত্বসম্পন্ন আছিল আৰু তেওঁলোকে সমাজত এক উচ্চ আসন আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। শিক্ষকসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰি শিক্ষাৰ্থীৰ সৈতে বন্ধুত্ব গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। অৱশ্যে, শিক্ষাৰ্থীৰ দোষণীয় কামৰ বাবে শাস্তি প্ৰদানৰ ব্যৱস্থাও আছিল। সৎ চৰিত্ৰবান আৰু মেধা ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হৈছিল। গতিকে শিক্ষাৰ্থীসকলেও শিক্ষকৰ কথা আখৰে আখৰে পালন কৰিছিল।

**আত্ম মূল্যায়নৰ প্ৰশ্ন - (খ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নৰ তলত তোমাক ঠাই দিয়া হৈছে।

তোমাৰ উত্তৰবোৰ গোটৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) ইছলামীয় শিক্ষাব্যৱস্থাত শিক্ষাদান পদ্ধতি কেনে আছিল?

........................................................................

........................................................................

........................................................................

২) ইছলামীয় শিক্ষাব্যৱস্থাত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক কেনে আছিল?

........................................................................

........................................................................

........................................................................

## ৩.৮ ইছলামীয় শিক্ষা ব্যৱস্থাত অনুশাসন (Discipline in Islamic Education)ঃ

আমি এতিয়া ইছলামীয় শিক্ষা ব্যৱস্থাত অনুশাসন ব্যৱস্থানো কেনে আছিল সেই বিষয়ে আলোচনা কৰো আহঁা -

ইছলামসকলৰ শিক্ষা অনুশাসন পূৰ্বৰ বৈদিক আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাতকৈ অতি কঠোৰ আছিল। ইয়াত শাৰীৰিক শাস্তি আৰু কঠোৰ দমনমূলক নীতিৰ যথেষ্ট প্ৰভাৱ আছিল। ‘চেকনিৰ আগত বিদ্যা’ নীতিত বিশ্বাস কৰা হৈছিল। শিক্ষকসকলে নিজ ইচ্ছামতে শিক্ষাৰ্থীক শাস্তি দিব পাৰিছিল। অনুশাসন ভংগকাৰী শিক্ষাৰ্থীক বিভিন্ন ধৰণৰ শাৰীৰিক শাস্তি প্ৰদানৰ ব্যৱস্থা আছিল। শাস্তি প্ৰদানৰ ব্যৱস্থা থকাৰ কাৰণেই

যোগ্যজনক পুৰস্কাৰ প্ৰদান কৰাৰ ব্যৱস্থাও আছিল। শৈক্ষিক কৃতিত্ব দেখুওৱা শিক্ষাৰ্থীসকলক বিভিন্ন ধৰণেৰে পুৰস্কৃত কৰি উৎসাহিত কৰা হৈছিল। গতিকে তোমালোকে এতিয়া আলোচনা কৰিব পাৰিবা যে ইছলামীয় শিক্ষা ব্যৱস্থাত অনুশানৰ দিশত পুৰস্কাৰ আৰু শাস্তি (Reward and Punishment) এই দুয়োটা কৌশলেই ব্যৱহাৰ কৰা হৈছিল।

## ৩.৯ ইছলামীয় শিক্ষা ব্যৱস্থাত মহিলা শিক্ষা (Women Education in Islamic Education) ঃ

তোমালোকে ইতিমধ্যে ইছলামীয় শিক্ষা ব্যৱস্থাৰ বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰি আহিলা। এতিয়া আমি চাওঁচোন আহা ইছলামীয় শিক্ষা-ব্যৱস্থাত মহিলা শিক্ষাৰ ব্যৱস্থাটোনো কেনে ৰূপত আছিল?

ইছলামীয় শিক্ষা-ব্যৱস্থাত মহিলা শিক্ষাৰ একেবাৰে বিকাশ হোৱা নাছিল। সেই সময়ত পৰ্দা প্ৰথাৰ বহুল প্ৰচলন আছিল গতিকে মহিলাসকলে শিক্ষা গ্ৰহণ কৰাৰ পৰা বঞ্চিত হবলগীয়াত পৰিছিল। তদুপৰি পুৰুষসকলেও বহুসময়ত মহিলাসকলক দমন কৰি ৰাখিছিল আৰু মহিলাসকলক শিক্ষিত হৈ উঠাটো বিচৰা নাছিল। অৱশ্যে ৰাজপৰিয়াল আৰু সম্ভ্ৰান্ত পৰিয়ালৰ দুই-এগৰাকী মহিলাই ঘৰতে শিক্ষা লাভ কৰি নিজকে বিদ্বান হিচাপে পৰিচয় দিবলৈও সক্ষম হৈছিল। তেওঁলোকৰ বাবে ঘৰুৱা শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। সেই মহিলাসকলৰ ভিতৰত উল্লেখযোগ্য আছিল নুৰজাহান, গুলবদন, মমতাজ, জেবুন্নিছা, জাহানাৰা, ছালমা চুলতানা ৰেজিয়া আদি। এই মহিলাসকলে আৰবী আৰু পাৰ্চী ভাষাত বিশেষভাৱে সমকালীন সাহিত্যলৈ নিজা নিজা অৱদান আগবঢ়াই গৈছে।

ইছলামীয় শাসনৰ সময়ছোৱাত ৰজাৰ হেৰেমত আৰু সভাসদসকলৰ ব্যক্তিগত বাসস্থানত তেওঁলোকৰ পৰিয়ালৰ ছোৱালীয়ে সাধাৰণ শিক্ষাৰ লগতে কলা-শিল্প আৰু সংগীত নৃত্যৰ শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰিছিল। ইলতুৎমিছৰ কন্যা চুলতানা ৰেজিয়া উচ্চ শিক্ষিতা হোৱাৰ উপৰিও ঘোঁৰা চালনা আৰু যুদ্ধবিদ্যাও জানিছিল। তদুপৰি তেওঁ অন্য মহিলাকো শিক্ষিত কৰি তোলাৰ পৃষ্ঠপোষকতা কৰিছিল। বহুকেইজন মোগল সম্ৰাটৰ মাতৃ আৰু পত্নীয়ে তেওঁলোকৰ প্ৰশাসনিক কাৰ্যত সহায় কৰিছিল। প্ৰথমজন মোগল সম্ৰাট বাবৰৰ কন্যা গুলবদন এগৰাকী

উচ্চশিক্ষিতা মহিলা হোৱাৰ উপৰিও তেওঁ হুমায়ুননামা নামৰ গ্ৰন্থ ৰচনা কৰিছিল। তেওঁ বহুতো উন্নতমানৰ কবিতাও ৰচনা কৰিছিল। চেলিকা চুলতানাই ফাৰ্চী ভাষা আৰু সাহিত্য গভীৰভাৱে অধ্যয়ন কৰিছিল। তেওঁ দিৱান নামৰ কবিতা পুথি সংকলন কৰিছিল। আকবৰৰ মাতৃ হামিদা বানু বেগম এগৰাকী শিক্ষিতা মহিলা আছিল। জাহাংগীৰৰ পত্নী নুৰজাহানে আৰবী আৰু ফাৰ্চী ভাষা ভালদৰে জানিছিল আৰু সম্ৰাটক প্ৰশাসনিক কাৰ্যত সহায় কৰিছিল। সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহী নুৰজাহানে কবিতাও লিখিছিল।

চাহজাহানৰ জীয়েক জাহানাৰা বেগম আৰু জেবিনা বেগম দুগৰাকী অন্যতম ইছলামীয় শিক্ষিত মহিলা আছিল। জাহানাৰাই দুখন জীৱনীমূলক গ্ৰন্থ লিখাৰ উপৰিও ৰাজসভাতো নিজৰ পাণ্ডিত্য প্ৰদৰ্শন কৰি নাম অৰ্জন কৰিছিল। ঔৰংগজেৱৰ উচ্চ শিক্ষিতা জীয়েক জেবুন্নিছা বেগম আৰু জিন্নৎ-উন-নিচাই আৰবী আৰু পাৰ্চী ভাষা ভালদৰে জানিছিল আৰু কোৰাণ মুখস্থ কৰিছিল। জেবুন্নিছাই গণিত, জ্যোতিষবিদ্যা আৰু সাংস্কৃতিক দিশত নিজৰ যোগ্যতা প্ৰদৰ্শন কৰিছিল। মোগল শাসনকালত জাহানাৰা, তাৰবাই, নুৰজাহান, চান্দবিবি আদি মহিলাই সংগঠন, নৃত্য, কলা-শিল্প আদিত অনুৰাগী আছিল আৰু তেওঁলোকে মহিলা শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত বহুমূলীয়া অৱদান আগবঢ়াইছিল।

গতিকে তোমালোকে এতিয়া ইছলামীয় শাসনকালত মহিলা শিক্ষাৰ অৱস্থাটো ব্যাখ্যা কৰিব পাৰিবা ছাগে নহয় জানো?

**আত্ম মূল্যায়নৰ প্ৰশ্ন - (গ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নৰ তলত তোমাক ঠাই দিয়া হৈছে।

তোমাৰ উত্তৰবোৰ গোটৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) ইছলামীয় শিক্ষা ব্যৱস্থাত অনুশাসনৰ স্বৰূপ কেনে আছিল?

.........................................................................

.........................................................................

২) ইছলামীয় শিক্ষা ব্যৱস্থাত মহিলাৰ শিক্ষাৰ অৱস্থা কেনে আছিল?

.........................................................................

.........................................................................

৩) মোগল সম্ৰাজ্যৰ সময়ছোৱাৰ শিক্ষিত আৰু বিদূষী মহিলাসকলৰ এখন তালিকা প্ৰস্তুত কৰা।

.........................................................................

.........................................................................

## ৩.১০ সামৰণি (Let us sum up) ঃ

এই গোটটোত আমি গম পালো যে মধ্যযুগত ইছলামসকলৰ শাসনকালত ভাৰতীয় শিক্ষাব্যৱস্থাৰ বিভিন্ন দিশসমূহত প্ৰভাৱ পৰিছিল। ভাৰতবৰ্ষত প্ৰায় ৬৫০ বছৰ কালজুৰি ইছলামসকলে শাসন কৰে। তেওঁলোকৰ নিজস্ব বৈশিষ্ট্যপূৰ্ণ শিক্ষাব্যৱস্থা আছিল যি পূৰ্বৰ বৈদিক আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাতকৈ পৃথক আছিল। এই শিক্ষা ব্যৱস্থাত ধৰ্মীয় গোড়ামিৰ যথেষ্ট প্ৰভাৱ পৰিছিল আৰু ৰাজকীয় পৃষ্ঠাপোষকতাৰ দ্বাৰা পৰিচালিত হৈছিল। ইছলামীয় শিক্ষা ব্যৱস্থাৰ প্ৰধান লক্ষ্য আছিল জ্ঞানৰ প্ৰসাৰ কৰা, ধৰ্ম প্ৰচাৰ কৰা, সামাজিক মূল্যবোধৰ সৃষ্টি কৰা, নিৰক্ষৰতা দূৰীকৰণ, শিক্ষাৰ্থীৰ চৰিত্ৰ গঠন, বৃহত্তৰ জীৱনৰ বাবে প্ৰস্তুতি ইত্যাদি। ইছলামীয় শিক্ষাত দুই ধৰণৰ শিক্ষা সংগঠনৰ ব্যৱস্থা আছিল। সেয়া আছিল - মক্তাব আৰু মাদ্ৰাছা। মক্তাবসমূহত শিশুসকলক প্ৰাথমিক শিক্ষা প্ৰদান কৰা হৈছিল। মক্তাবসমূহত লিখা, পঢ়া আৰু গণনাৰ জ্ঞানৰ লগতে আৰবী আৰু ফাৰ্চী ভাষা, কোৰাণৰ বাণীসমূহ, নামাজ পঢ়িবলৈ আৰু আজান দিবলৈ শিকা আৰু অন্যান্য নৈতিক শিক্ষা প্ৰদান কৰা হৈছিল। মাদ্ৰাছাসমূহত বিশিষ্ট পণ্ডিতসকলে মুখে মুখে বক্তৃতা প্ৰদান কৰিছিল। মাদ্ৰাছাৰ পাঠ্যক্ৰমত ধৰ্মীয় শিক্ষা, সাধাৰণ শিক্ষা আৰু ব্যৱহাৰিক তথা বৃত্তিমূলক শিক্ষাৰ বিভিন্ন বিষয়বোৰ অন্তৰ্ভূক্ত কৰা হৈছিল। ইছলামীয় শিক্ষা ব্যৱস্থাত শিক্ষাদানৰ বাবে মৌখিক পদ্ধতি আৰু যান্ত্ৰিক স্মৃতি প্ৰক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। ইয়াত বক্তৃতা পদ্ধতিয়ে প্ৰাধান্য লাভ কৰিছিল। শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক নৈতিক আদৰ্শৰদ্বাৰা পৰিচালিত হৈছিল আৰু অনুশাসন ব্যৱস্থা অতি কঠোৰ আছিল। এই শিক্ষাত শাৰীৰিক শাস্তি আৰু দমনমূলক নীতিৰ প্ৰভাৱ আছিল আৰু শাস্তিৰ লগতে পুৰষ্কাৰৰ ব্যৱস্থাও আছিল। ইছলামীয় শিক্ষা ব্যৱস্থাত মহিলা শিক্ষা ব্যৱস্থা একেবাৰে নৰম পৰ্যায়ত আছিল। সেই সময়ত সমাজখন পৰ্দা প্ৰথা, বাল্য বিবাহ আদিৰে ভৰপূৰ আছিল আৰু মহিলাসকল সেয়েহে শিক্ষাগ্ৰহণৰ লগতে সমাজৰ

বিভিন্ন কামত অংশ লোৱাৰপৰা বিৰত আছিল। অৱশ্যে ৰাজপৰিয়াল আৰু সম্ভ্রান্ত ঘৰত কিছু মহিলাই ঘৰতে থাকি শিক্ষা লাভ কৰি বিদ্বান হিচাপে জনাজাত হৈছিল। তেওঁলোকৰ ভিতৰত গুলবদন, নুৰজাহান, মমতাজ, জেবুন্নিছা, জাহানাৰা, চালমা চুলতানা ৰেজিয়া, আদি মহিলাই বিভিন্ন বিষয় অধ্যয়নৰ জৰিয়তে খ্যাতি লাভ কৰিছিল।

**ঘাই শব্দসমূহ (Key words) ঃ**

**মক্তাব** ঃ ইছলামীয় শিক্ষাব্যৱস্থাত প্ৰাথমিক শিক্ষা প্ৰদান কৰা শিক্ষানুষ্ঠানসমুহ যত বিছমিল্লাহ নামৰ অনুষ্ঠানৰ যোগেদি বিদ্যাৰম্ভ কৰা হৈছিল।

**মাদ্ৰাছা** ঃ ইছলামীয় শিক্ষাব্যৱস্থাত মাধ্যমিক শিক্ষা প্ৰদানৰ অনুষ্ঠান। মাদ্ৰাছা মূল আৰবী শব্দ দৰচৰ অৰ্থ হল বক্তৃতা প্ৰদান কৰা।

**বিচমিল্লাহ** ঃ ইছলামীয় শিক্ষাব্যৱস্থাত শিশুক বিদ্যাৰম্ভ কৰাৰ অনুষ্ঠান যত চাৰি বছৰ চাৰি মাহ আৰু চাৰি দিন সম্পূৰ্ণ কৰা শিশুক নতুন সাজ-পোচাক পিন্ধাই বিদ্যাৰম্ভ কৰা হয়।

**পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ**

গোটটোত আমি ইতিমধ্যে আলোচনা কৰি অহা বিষয়বস্তুসমূহৰ সম্পৰ্কে অধিক জানিবলৈ তোমালোকে তলৰ পাঠ্যপুথিৰ সহায় ল'ব পাৰা -

চলিহা আৰু অন্যান্য ঃ **ভাৰতৰ শিক্ষাৰ ইতিহাস**, বিদ্যাভৱন, যোৰহাট-১।

বৰুৱা, যতীন ঃ **ভাৰতৰ শিক্ষা সমস্যাত দৃষ্টিপাত**, লয়াৰ্ছ বুক ষ্টল।

শৰ্মা, তৰুণ আৰু গোস্বামী, ৰজনীকান্ত ঃ **ভাৰতৰ শিক্ষাৰ বুৰঞ্জী**, বনলতা প্ৰকাশন।

**সাম্ভাব্য উত্তৰ (Probable answers) ঃ**

**আত্মমূল্যায়ন - ক ঃ**

১। ইছলামীয় শিক্ষাৰ প্ৰধান উদ্দেশ্যসমূহ আছিল জ্ঞানৰ সম্প্ৰসাৰণ ঘটোৱা, ইছলাম ধৰ্ম প্ৰচাৰ কৰা, নিৰক্ষৰতা দূৰীকৰণ আৰু সাক্ষৰতা বৃদ্ধি কৰা, সামাজিক মূল্যবোধৰ সৃষ্টি, শিক্ষাৰ্থীক আৰ্থিকভাবে স্বাৱলম্বী কৰি তোলা, শিক্ষাৰ্থীৰ সৎ চৰিত্ৰ গঠন।

২। ইছলামীয় শিক্ষাত প্ৰাথমিক শিক্ষাৰ বাবে মক্তাবৰ ব্যৱস্থা আছিল। ইয়াত বিছমিল্লাহ নামৰ অনুষ্ঠানৰ জৰিয়তে শিক্ষাৰ্থীৰ বিদ্যাৰম্ভ কৰা হৈছিল। শিক্ষাদান

পদ্ধতি যান্ত্রিক আৰু মৌখিক বিধৰ আছিল।

**আত্মমূল্যায়ন - খ ঃ**

১। ইছলামীয় শিক্ষাদান পদ্ধতিত মৌখিক আৰু বক্তৃতা পদ্ধতিক প্ৰাধান্য দিয়া হৈছিল। উচ্চশিক্ষাৰ ক্ষেত্ৰতো শিক্ষাদান পদ্ধতি মৌখিক আছিল।

২। ইছলামীয় শিক্ষাব্যৱস্থাত ধৰ্মগুৰুসকলেই শিক্ষকৰ ভূমিকা পালন কৰিছিল। শিক্ষক-শিক্ষাৰ্থীৰ মাজত নৈতিকতাপূৰ্ণ সম্বন্ধ আছিল। শিক্ষকসকলে সমাজত এক উচ্চাসন লাভ কৰিছিল। শিক্ষকসকলে শিক্ষাৰ্থীক পুৰষ্কাৰৰ লগতে শাস্তিও প্ৰদান কৰিছিল।

**আত্মমূল্যায়ন - গ ঃ**

১। অনুশাসন যথেষ্ট কঠোৰ আছিল। শাৰীৰিক শাস্তি আৰু দমনমূলক নীতিৰ কঠোৰ প্ৰভাৱ আছিল। অৱশ্যে শাস্তি প্ৰদানৰ ব্যৱস্থা থকাৰ কাৰণেই যোগ্যজনক আৰু শৈক্ষিক কৃতিত্ব দেখুওৱা শিক্ষাৰ্থীক পুৰষ্কাৰৰ ব্যৱস্থাও আছিল।

২। মহিলা শিক্ষাৰ একেবাৰে বিকাশ হোৱা নাছিল। পৰ্দা প্ৰথা, বাল্য বিবাহ আদিৰ প্ৰচলন থকা হেতুকে মহিলাসকলক শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত ৰখা হৈছিল। অৱশ্যে সম্ভ্ৰান্ত ঘৰৰ আৰু ৰাজপৰিয়ালৰ মহিলাসকলে ঘৰতে শিক্ষাগ্ৰহণ কৰিছিল।

৩। নুৰজাহান, গুলবদন, মমতাজ, জেবুন্নিছা, জাহানাৰা, ছালমা চুলতানা ৰেজিয়া, জেবিনা বেগম।

---

**আৰ্হি প্ৰশ্ন ঃ**

---

১। মোগলসকলৰ প্ৰথমজন সম্ৰাট কোন আছিল?

২। ইছলামীয় শিক্ষাৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৩। মক্তাবৰ শিক্ষাদান পদ্ধতিৰ বিষয়ে এটি টোকা লিখা।

৪। মাদ্ৰাছাৰ পাঠ্যক্ৰম কেনে আছিল?

৫। ইছলামীয় শিক্ষাদান পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

৬। ইছলামীয় শিক্ষা ব্যৱস্থাত শিক্ষক-শিক্ষাৰ্থীৰ সম্বন্ধ কেনে আছিল এটি চমু আলোচনা আগবঢ়োৱা।

৭। ইছলামীয় শিক্ষাৰ অনুশাসন ব্যৱস্থাৰ বিষয়ে লিখা।

৮। ইছলামীয় শিক্ষা ব্যৱস্থাত মহিলাসকলে শিক্ষাৰ ক্ষেত্ৰত কেনেদৰে

অংশগ্ৰহণ কৰিছিল লিখা।

**প্ৰসঙ্গ পুথি (Reference Book) ঃ**


অসমীয়া ঃ

১। বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা সমস্যাত দৃষ্টিপাত, লয়াৰ্ছ বুক ষ্টল।

২। শৰ্মা, তৰুণ; গোস্বামী, ৰজনীকান্ত ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা প্ৰকাশন।

৩। চলিহা আৰু অন্যান্য ঃ ভাৰতৰ শিক্ষাৰ ইতিহাস, বিদ্যাভৱন, যোৰহাট-১।

ইংৰাজী ঃ

1. Aggarwal, J.C, : Landmarks in the History of Modern Indian Education, Vikas Publishing House Pvt. Ltd., New Delhi- 110014.

2. Goswami, A.C. : Education in Emerging India.

## খণ্ড ঃ ২

# বৃটিছ শাসন কালৰ শিক্ষা

**(Education in British Period)**

## গোট ঃ ১

# বৃটিছ আগমনৰ সময়ত ভাৰতৰ শিক্ষা ব্যৱস্থা
# (সংগঠন আৰু বৈশিষ্ট্য)

( State of Education at the advent of British Rule)

(Organization and Characteristics)

# খণ্ড ঃ ২
# বৃটিছ শাসন কালৰ শিক্ষা
## (Education in British Period)
## গোট ঃ ১
## বৃটিছ আগমনৰ সময়ত ভাৰতৰ শিক্ষা ব্যৱস্থা (সংগঠন আৰু বৈশিষ্ট্য)
( State of Education at the advent of British Rule)

(Organization and Characteristics)

---

**গোট গঠন বিন্যাস**


১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ বৃটিছৰ আগমনৰ সময়ত ভাৰতৰ শিক্ষা ব্যৱস্থা সম্পৰ্কত বিভিন্ন উৎস সমূহ

১.২.১ চাৰ থমাছ মনৰোৰ জৰীপ কাৰ্য্য

আত্ম মূল্যায়ন - ক

১.২.২ মাউণ্ট ষ্টুৱাৰ্ট এলফিন ষ্টোলৰ অনুসন্ধান কাৰ্য

আত্ম মূল্যায়ন - খ

১.২.৩ উইলিয়াম আদামৰ অনুসন্ধান কাৰ্য

আত্ম মূল্যায়ন - গ

১.২.৪ মূল্যায়ন

১.৩ সাৰাংশ

১.৪ ঘাই শব্দ সমূহ

১.৫ পঢ়িবলগীয়া পুথি

আত্ম মূল্যায়নৰ সম্ভাব্য উত্তৰ

প্ৰসঙ্গ গ্ৰন্থ

আৰ্হি প্ৰশ্ন

## ১.০ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰাৰ অন্তত তোমালোকে

- ১৮২২ চনৰ চাৰ থমাচ মনৰোৰ জৰীপ কাৰ্য্যৰ প্ৰতিবেদনৰ জৰিয়তে সেই সময়ৰ শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু বৈশিষ্ট্য আলোচনা কৰিব পাৰিবা।

- ১৮২৩ চনৰ মাউণ্ট ষ্টুৱৰ্টি এলফিন ষ্টোনৰ অনুসন্ধান কাৰ্যৰ জৰিয়তে সংগৃহীত হোৱা তথ্য সমূহৰ জৰিয়তে সেই সময়ৰ শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু বৈশিষ্ট্য আলোচনা কৰিব পাৰিবা।

- উইলিয়াম আদামৰ অনুসন্ধান কাৰ্যৰ প্ৰতিবেদনৰ যোগেদি প্ৰকাশ পোৱা তথ্য সমূহৰ জৰিয়তে উক্ত সময়ছোৱাৰ শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু বৈশিষ্ট্য আলোচনা কৰিব পাৰিবা।

- বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ লগত বৃটিছ আগমনৰ সময়ৰ ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু বৈশিষ্ট্যসমূহৰ তুলনা কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

তোমালোকে ইয়াৰ আগৰ দুটা খণ্ডত প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতৰ শিক্ষা সম্পৰ্কত অধ্যয়ন কৰিলা। বৈদিক আৰু বৈদিকোত্তৰ যুগৰ শিক্ষা ব্যৱস্থাক প্ৰাচীন হিন্দু শিক্ষা ব্যৱস্থা বুলিও ক'ব পৰা যায়। খ্ৰীঃ পূঃ ২৫০০ ৰ পৰা খ্ৰীঃ পূঃ ৬০০ পৰ্য্যন্ত এই হিন্দু শিক্ষা প্ৰৱৰ্তিত হৈ আছিল। তোমালোকে হয়তু জানিব পাৰিছা যে ধৰ্মৰ নামত ব্ৰাহ্মণ পুৰোহিত সকলে প্ৰণয়ন কৰা কিছুমান নীতি-নিয়ম পালন কৰাটো বহুতৰ বাবে কষ্টকৰ আৰু আমনিদায়ক হোৱাৰ বাবে বৈদিকোত্তৰ শিক্ষা ব্যৱস্থাৰ প্ৰচলন ক্ৰমান্বয়ে ম্লান পৰি আহিবলৈ ধৰে। ঠিক সেই সময়তে গৌতম বুদ্ধই প্ৰচাৰ কৰা নতুন ধৰ্ম্মীয় বিশ্বাসৰ প্ৰতি বহুতো লোক আকৰ্ষিত হৈ বৌদ্ধ ধৰ্ম গ্ৰহণ কৰে। ভাৰতৰ বাহিৰেও চীন, তিব্বত, ব্ৰহ্মদেশ আদিৰ পৰাও বহুত লোক আহি এই ধৰ্ম গ্ৰহণ কৰে।

প্ৰাচীন কালত ভাৰতীয় শিক্ষাৰ যি মৰ্য্যদা আছিল ক্ৰমান্বয়ে মধ্যযুগৰ ফালে বিশেষকৈ বৃটিছ সকলৰ আগমনৰ সময়ত যেন সি বহু পৰিমাণে ম্লান হৈ পৰিল। শৈক্ষিক দিশটোকে ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত দেখা দিয়া বেমেজালিবোৰ বা দুৰ্বলতাবোৰৰ সুযোগ লৈয়েই বৃটিছ সকলে তেওঁলোকৰ প্ৰভুত্ব দেখুৱাবৰ বাবে আগবাঢ়ি আহিবলৈ সাহস পালে।

## ১.২ বৃটিছৰ আগমনৰ সময়ত ভাৰতৰ শিক্ষা ব্যৱস্থা সম্পৰ্কত বিভিন্ন উৎসসমূহ ঃ

তোমালোকৰ বাৰু জানিবলৈ মন নাযায় নে বৃটিছ সকলে ভাৰতলৈ আহিয়েই অৰ্থাৎ ভাৰতত খোজ পেলাইয়ে শিক্ষা জগতখনত কি দেখিলে। এই পাঠটিত তাৰেই এটি আভাষ দিবৰ বাবে যত্ন কৰা হৈছে। পিছে আমাৰেই দুৰ্ভাগ্য যে সেই সময়ৰ শিক্ষা ব্যৱস্থাটোৰ সম্পৰ্কত বিতংভাৱে জানিবৰ বাবে পৰ্য্যাপ্ত পৰিমাণৰ সমলৰ অতি অভাৱ। তথাপিও আমি যি দুই এটা উৎসৰ সম্পৰ্কত জ্ঞাত তাৰ সহায়তেই বৃটিছ আগমনৰ সময়ত আমাৰ দেশৰ শিক্ষা-ব্যৱস্থাৰ এখন ছবি দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। সেই সমল বা উৎসসমূহ হৈছে -

১। ১৮২২ চনৰ চাৰ থমাছ মনৰোৰ জৰীপ কাৰ্য

২। ১৮২৩ চনৰ মাউণ্ট ষ্টুৱাৰ্ট এলফিন ষ্টোনৰ অনুসন্ধান কাৰ্য

৩। ১৮৩৫ চনৰ পৰা ১৮৩৮ চনলৈ উইলিয়াম আদামৰ অনুসন্ধান কাৰ্য

এই আটাইকেইটা উৎসৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

### ১.২.১ ১৮২২ চনৰ চাৰ থমাচ মনৰোৰ জৰীপ কাৰ্য ঃ

দেশীয় বিদ্যালয় সমূহৰ সংখ্যা আৰু স্থানীয় লোকসকলৰ শিক্ষাৰ পৰিমাণ সম্পৰ্কত সবিশেষ অধ্যয়ন কৰি চৰকাৰক সকলো তথ্য দাখিল কৰিবৰ বাবে ইংৰাজ চৰকাৰে ১৮২২ চনৰ ২ জুলাই তাৰিখে ৰেভিনিউ কলেক্টৰ সকলক নিৰ্দেশ দিয়ে। দেশীয় বিদ্যালয় ব্যৱস্থা সম্পৰ্কত কৰা এনে অনুসন্ধান সমূহৰ ভিতৰত চাৰ থমাচ মনৰোৰ অনুসন্ধানেই প্ৰথম।

এওঁলোকে দাখিল কৰা প্ৰতিবেদন সমূহৰ পৰা জনা যায় যে বিভিন্ন বিদ্যালয় আৰু উচ্চ শিক্ষাৰ অনুষ্ঠান (কলেজ)ৰ সংখ্যা সেই সময়ত আছিল ১২,৪৯৮ খন আৰু প্ৰদেশখনৰ (মাদ্ৰাজ) জনসংখ্যা আছিল ১২, ৮৫০, ৯৪১ গৰাকী। তোমালোকে যদি ভাৱি চোৱা তেন্তে গম পাবা যে উক্ত হিচাপ অনুসৰি প্ৰতি এহেজাৰ জন লোকৰ মাজত এখনকৈহে বিদ্যালয় আছিল। আচৰিত হৈছো চাগে। ৰেভিনিউ ব'ৰ্ডৰ হিচাপ মতে আক' ১২.৫০ নিযুত লোকৰ মাজত (অৰ্থাৎ ১,২৫,০০০০০ জন) ১,৮৮,০০০ জনে শিক্ষা লাভ কৰিছিল। এই হিচাপৰ পৰাও তোমালোকে জানিব পাৰিবা যে ৬৭ জন লোকৰ ভিতৰত মাত্ৰ এজন লোকেহে শিক্ষা আহৰণ কৰিছিল। সেই সময়ত

যিহেতু বহুতো লোকে ঘৰতে থাকি শিক্ষা লাভ কৰিছিল; সেয়েহে এনেধৰণে মাদ্ৰাজ প্ৰদেশত ঘৰতে থাকি শিক্ষা লাভ কৰা লোকৰ সংখ্যা আছিল ২৬,৯০৩ জন। অৱশ্যে সম্প্ৰদায় বিশেষে প্ৰত্যেক সম্প্ৰদায় লোকৰ মাজত শিক্ষিতৰ পৰিমাণ বেলেগ বেলেগ আছিল।

কলেক্টৰ সকলে চৰকাৰক দাখিল কৰা প্ৰতিবেদন সমূহৰ ভিতৰত এক উল্লেখযোগ্য প্ৰতিবেদন হ'ল বেলাৰীৰ কলেক্টৰৰ প্ৰতিবেদন। এই প্ৰতিবেদনৰ পৰা তোমালোকে সময়ৰ দেশীয় প্ৰাথমিক শিক্ষাৰ বৈশিষ্ট্য সম্পৰ্কে তলত উল্লেখ কৰা কথাবোৰ জানিব পাৰিবা।

(ক) সাধাৰণতে পাঁচ বছৰ বয়সৰ পৰাই হিন্দু সম্প্ৰদায়ৰ ল'ৰাবিলাকৰ শিক্ষা আৰম্ভ হয়। যিজন ল'ৰা যিখন বিদ্যালয়লৈ পঢ়িবলৈ যাব সেই বিদ্যালয়ৰ ছাত্ৰসকলক আৰু শিক্ষকজনক অভিভাৱকজনে নিজৰ ঘৰলৈ কিছু নিয়ম কৰিবৰ বাবে মাতি আনে। প্ৰথমতে গণেশ মূৰ্ত্তি এজনাৰ সন্মুখত ছাত্ৰজনক বহুৱাই লৈ বাকীসকল ছাত্ৰক মূৰ্তি জনাৰ চাৰিওকাষে বহিবলৈ দিয়া হয়। ইয়াৰ পিছতে শিক্ষক গৰাকীয়ে ধূপ-ধূনা জ্বলাই লৈ ছাত্ৰজনৰ হতুৱাই গণেশৰ মূৰ্তি পুষ্পাৰ্ঘ্য অৰ্পণ কৰোৱা হয়। পুষ্পাৰ্ঘ্য অৰ্পণ কৰি থকা সময়ত মন্ত্ৰ উচ্চাৰণো কৰি থকা হয়। শিক্ষকে ছাত্ৰজনৰ হাতত ধৰি চাউলেৰে গণেশ শব্দটো লিখাই দিয়ে। অভিভাৱকে দা-দক্ষিণা দি অনুষ্ঠানটো শেষ কৰে আৰু পিছদিনাৰ পৰা লৰাটোৰ বিদ্যালয়লৈ পঠোৱা হয়।

(খ) অভিভাৱকসকলৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱাৰ বাবে সকলো ছাত্ৰই ১৪/১৫ বছৰ বয়সলৈকে বিদ্যালয়ত থকা দেখা নাযায়। সাধাৰণতে সৰহ সংখ্যক ছাত্ৰই চাৰি-পাঁচ বছৰ মানহে বিদ্যালয়ত থাকে।

(গ) পুৱা ৬ বজাৰ পৰা বিদ্যালয় সাধাৰণতে আৰম্ভ হয়। দিনটোৰ ভিতৰত যিজন ছাত্ৰ বিদ্যালয়লৈ প্ৰথমে আহে তেওঁক সৰস্বতী নামেৰে মতা হয় আৰু সৰস্বতী শব্দটো হাতৰ তলুৱাত লিখি দিয়া হয়। দ্বিতীয়তে অহা জনক অবুজ শব্দ এটা লিখি দিয়া হয়। তৃতীয়জনক বেতেৰে একোব মৰা হয়। চতুৰ্থজনক দুইকোব, পঞ্চমজনক তিনিকোব মৰা হয় আৰু এনেদৰে ছাত্ৰৰ প্ৰতি বেতৰ কোব বাঢ়ি যায়। অবাধ্য আৰু এলেহুৱা ছাত্ৰক কি কৰা হয় জানানে? এনে ছাত্ৰক আঠু কাঢ়ি থকা, উঠ-বহ কৰি থকা আনকি দুই হাতত ৰছী লগাই হাত দুখন ওলোমাই ৰখা পৰ্য্যন্ত শাস্তি বিহা হয়।

(ঘ) ছাত্ৰসকলে শ্ৰেণীত কোনে কিমান পৰিমাণৰ পাঠ শিকিলে তাৰ ওপৰত বিবেচনা কৰি তেওঁলোকক বিভিন্ন ভাগত ভাগ কৰা হয়। যিসকল পুৰণি ছাত্ৰই ইতিমধ্যে বেছিকৈ শিকিছে তেওঁলোকে বাকী কমকৈ শিকা ছাত্ৰ সকলক শিকোৱাৰ ব্যৱস্থা কৰা হয়। শিকাৰ পৰিমাণ বেছি হোৱা পুৰণি ছাত্ৰ সকলক শিক্ষক গৰাকীয়ে নিজেই শিকোৱাৰ দায়িত্ব লয়। বিদ্যালয়সমূহত সাধাৰণতে চাৰিটাকৈ শ্ৰেণী থাকে। প্ৰথম শিকাৰু সকলক বালি বা মাটিতহে আঙুলিৰে আখৰ লিখিবলৈ শিকোৱা হয়। লাহে লাহে অভ্যাস হোৱাৰ পিছত গছৰ ছাল আৰু কাগজ ব্যৱহাৰ কৰিবলৈ দিয়া হয়। সহজ আখৰবোৰ শিকাৰ পিছত যৌগিক আখৰ, যৌগিক শব্দবোৰ শিকোৱা হয়। শেহৰ শ্ৰেণীটোত গণিতৰ চিনবোৰ শিকোৱা হয়। নেওতা শিকাৰ পিছত যোগ, বিয়োগ, পূৰণ, হৰণ, টকা-পইচাৰ যোগ-বিয়োগ(সুদ কচা), দশমিক আদি শিকোৱা হয়।

(ঙ) বিদ্যালয়ৰ শিক্ষকজনে বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰি অনা বিভিন্ন প্ৰকাৰৰ হাতৰ আখৰ পঢ়া, অন্যান্য সাধাৰণ চিঠি লিখা, সাধু পঢ়া, কবিতা মুখস্থ কৰা আৰু বিশেষকৈ শুদ্ধকৈ আৰু স্পষ্টকৈ পঢ়া আৰু উচ্চাৰণ কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

এনেধৰণৰ অনুসন্ধানৰ জৰিয়তে লাভ কৰা তথ্যসমূহে যিহেতু ভাৰতবৰ্ষত সকলো প্ৰদেশকে প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা নাই সেয়েহে ইতিহাসবিদ সকলে উক্ত তথ্য সমূহক নিঃসঙ্কোচে গ্ৰহণ কৰিবলৈ টান পায়। কিন্তু উপযুক্ত সমলৰ অভাৱত আমি এই সমূহকে গ্ৰহণ কৰিবলৈ এক প্ৰকাৰ বাধ্য।

**আত্ম মূল্যায়ন - (ক)**

১) চাৰ থমাচ মনৰোৰ প্ৰতিবেদন অনুসৰি সেই সময়ৰ দেশীয় শিক্ষা ব্যৱস্থাৰ তিনিটা বৈশিষ্ট্য লিখা।

..............................................................................

..............................................................................

..............................................................................

### ১.২.২ ১৮২৩ চনৰ মাউণ্ট ষ্টুৱাৰ্ট এলফিন ষ্টোনৰ অনুসন্ধান কাৰ্য ঃ

ছাৰ থমাছ মনৰোৱে মাদ্ৰাজ প্ৰদেশত দেশীয় শিক্ষা ব্যৱস্থাৰ ওপৰত অনুসন্ধান আৰম্ভ কৰাৰ ঠিক পিছতেই ১৮২৩ চনত বোম্বাই প্ৰদেশত গৱৰ্ণৰ মি. মাউণ্ট ষ্টুৱাৰ্ট এলফিন ষ্টোনেও একে উদ্দেশ্যেৰেই নিজ প্ৰদেশত এক অনুসন্ধান কাৰ্যৰ বাবে নিৰ্দেশ দিয়ে। সেই অনুক্ৰমে চৰকাৰৰ সচিবে ১৮২৪ চনৰ ১০ মাৰ্চ তাৰিখে সকলো কলেক্টৰলৈ চৰকাৰী পত্ৰ প্ৰেৰণ কৰি দেশীয় শিক্ষা ব্যৱস্থা সম্পৰ্কত সোনকালে তথ্যপাতি দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। কলেক্টৰ সকলৰ পৰা পোৱা এই তথ্য সমূহৰ পৰা দেশীয় শিক্ষা ব্যৱস্থাৰ সেই সময়ৰ অৱস্থা সম্পৰ্কত তলত উল্লেখ কৰা দিশ সমূহ তোমালোকে জানিবৰ বাবে আগবঢ়োৱা হ'ল।

**(ক) দেশীয় প্ৰাথমিক বিদ্যালয় ঃ** সেই সময়ত কোনো বিদ্যালয়ৰে নিজস্ব ঘৰ-দুৱাৰ নাছিল। যিসমূহ বিদ্যালয় চলি আছিল সেইবোৰ মন্দিৰ, কোনো লোকৰ ব্যক্তিগত বাসস্থান, শিক্ষকসকলৰ নিজা ঘৰতে নাইবা কাৰোবাৰ চালিৰ তলত শিক্ষা প্ৰদান কৰিব লগীয়া হৈছিল। একেৰাহে চলি থকা বিদ্যালয়ৰ উমান পোৱা নগৈছিল। অৰ্থাৎ কিছুমান বিদ্যালয় মাজে মাজে অৰ্ন্তধ্যান হৈছিল। প্ৰয়োজন অনুসৰিহে বিদ্যালয় সমূহ স্থাপন কৰা হৈছিল। প্ৰয়োজন শেষ হ'লে বিদ্যালয় সমূহো ভংগ কৰি দিয়া হৈছিল। প্ৰতিখন বিদ্যালয়ত গড় হিচাপত ১৫ জনকৈ ছাত্ৰ আছিল। ছাত্ৰৰ সংখ্যা সৰ্বনিম্ন ২ জনৰ পৰা সৰ্বোচ্চ ১৫০ জনলৈকে একোখন বিদ্যালয় আছিল। বিদ্যালয় সমূহ যদিও সাম্প্ৰদায়িক নাছিল তথাপিও নিম্ন জাতি বুলি ভবা লোকক প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাছিল। অন্য সম্প্ৰদায় সকলৰ ভিতৰত যি সকলে বিদ্যালয়ৰ মাচুল দিব পাৰিছিল সেই সকলকহে ভৰ্ত্তি হ'বলৈ দিয়া হৈছিল।

**(খ) শিক্ষক ঃ** সাধাৰণতে শিক্ষকসকলৰ সৰহ সংখ্যকেই আছিল ব্ৰাহ্মণ সম্প্ৰদায়ৰ। পূৰ্বৰ পৰা পৰম্পৰাগত ভাৱে চলি অহা ৰীতিৰ প্ৰতি সন্মান জনাইহে তেওঁলোকে শিক্ষকতা বৃত্তিটো গ্ৰহণ কৰিছিল। আৰ্থিক লাভালাভৰ আশাৰে তেওঁলোকে এই বৃত্তিটো গ্ৰহণ কৰা নাছিল। অন্য যিবোৰ সম্প্ৰদায়ৰ লোক শিক্ষকতাৰ বৃত্তিত জড়িত হৈছিল সেই সম্প্ৰদায় সমূহ হৈছে - মাৰাঠা, ভাণ্ডাৰী, প্ৰভু, কান্‌বী, ওৱানিচ, চিম্পীচ আৰু বণিয়া ইত্যাদি। শিক্ষকসকলৰ মাহিলী বেতন ৩ টকাৰ পৰা ৫ টকা আছিল। অৱশ্যে ছাত্ৰসকলে বিভিন্ন সময়ত তেখেতলোকক সভক্তিৰে

উপঢৌকনো যাঁচিছিল। শিক্ষকসকলে সেইসময়ৰ সমাজৰ পৰা অগ্ৰাধিকাৰ ভিত্তিত বহুতো সা-সুবিধা আদায় কৰিবলৈ সক্ষম হৈছিল। যি সকল লোকৰ বা যিটো অঞ্চলৰ ৰাইজৰ সন্তান-সন্ততিসকলক জ্ঞান চকু প্ৰদান কৰিছে সেই সকলো লোকৰ বাবে শিক্ষক সকল হ'ল অতি আদৰণীয় ব্যক্তি। শিক্ষক সকলে বাস কৰা অঞ্চলৰ লোক সকলে যিকোনো উৎসৱ পাৰ্বনলৈ স-সন্মানেৰে নিমন্ত্ৰণ জনায়।

**(গ) ছাত্ৰ ঃ** হৰিজন সকলৰ বাহিৰে অন্য সকলো হিন্দু ছাত্ৰৰে প্ৰাথমিক শিক্ষাৰ বিদ্যালয় সমূহত প্ৰৱেশৰ সুবিধা আছিল। ছাত্ৰসকলৰ ভিতৰত ৩০% ই আছিল ব্ৰাহ্মণ সম্প্ৰদায়ৰ। অন্য যিবিলাক সম্প্ৰদায়ৰ পৰা অধিক ছাত্ৰ আহিছিল সেই সম্প্ৰদায় বিলাক হ'ল ৰানিচ, প্ৰভু, চুনাৰচ আৰু বণিয়া। মুঠ ছাত্ৰৰ প্ৰায় ৭০% ই আহিছিল উন্নত সম্প্ৰদায় সমূহৰ পৰা। ৬ ৰ পৰা ১৪ বছৰ বয়সীয়া ছাত্ৰসকলে নামভৰ্ত্তি কৰিছিল।

**(ঘ) পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতি ঃ** গুজৰাটত থকা প্ৰাথমিক বিদ্যালয় সমূহৰ পাঠ্যক্ৰম দুই-তিনি বছৰীয়া আৰু বাকীবোৰ অঞ্চলৰ পাঠ্যক্ৰম তিনি-চাৰি বছৰীয়া আছিল। পাঠ্যক্ৰমত লিখা, পঢ়া আৰু গণিতৰ জ্ঞান প্ৰদান কৰা হৈছিল। দৈনন্দিন জীৱনৰ সকলো প্ৰকাৰৰ অংক কৰিব পৰাকৈ মানসিক সামৰ্থ্য প্ৰদান কৰিবৰ বাবে গণিতৰ ক্ষেত্ৰত পূৰণ অংক বেছি পৰিমাণে শিকোৱা হৈছিল। তোমালোকে জানি আচৰিত হ'বা যে বিদ্যালয়ত ছপা কিতাপৰ ব্যৱহাৰ সেই সময়ত মুঠেও হোৱা নাছিল। শিক্ষণীয় সজুঁলিবোৰ একেবাৰে সৰল আৰু সাধাৰণ বিধৰ আছিল। বিদ্যালয়ত সঘনে আৰু কঠোৰ ভাৱে শাস্তি দিয়াৰ ব্যৱস্থা আছিল।

**(ঙ) মহিলা শিক্ষা ঃ** তোমালোকে হয়তু শুনি আচৰিত হ'বা যে কোনো বিদ্যালয়তে ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ কোনো তথ্য পোৱা নাযায়। সমাজৰ ৰক্ষণশীল ৰীতিয়ে হয়তু মহিলা অৰ্থাৎ ছোৱালী সকলক বিদ্যালয়লৈ অহাত বাধাৰ সৃষ্টি কৰিছিল। বিদ্যালয় সমূহত কেৱল ছাত্ৰইহে শিক্ষাগ্ৰহণ কৰাৰ তথ্য পোৱা যায়।

**(চ) মুছলমানৰ শিক্ষা ঃ** মুছলমান সকলৰ বাবে বহুতো দেশীয় বিদ্যালয় আছিল। এই বিদ্যালয় সমূহৰ শিক্ষক সকলো মুছলমান সম্প্ৰদায়ৰ লোক আছিল। এনে বিদ্যালয়ত সাধাৰণতে পাৰ্চীয়ান শিকোৱা হৈছিল যদিও কোনো কোনো শ্ৰেণীত হিন্দুস্তানীও শিকোৱা হৈছিল। অনেক হিন্দুৰ বিদ্যালয়ত আক' মুছলমান ছাত্ৰইও

নাম ভৰ্ত্তি কৰিছিল।

**(ছ) উচ্চ শিক্ষাৰ হিন্দু বিদ্যালয় ঃ** উচ্চশিক্ষাৰ বাবে হিন্দু বিদ্যালয় থকাৰ কথাও বহুতো প্ৰতিবেদনত উল্লেখ আছে। এনে বিদ্যালয় আহমদ নগৰত ১৬ খন আৰু পুনা নগৰত ১৬৪ খন থকাৰ কথা জানিব পৰা যায়।

১৮২৩-২৫ চনৰ ভিতৰত জিলা ন্যায়াধীশ সকলৰ দ্বাৰা কৰা অনুসন্ধানত অঞ্চলটোৰ ১৭০৫ খন বিদ্যালয় সৰ্বমুঠ ৩৫,১৫৩ জন ছাত্ৰ আছিল বুলি উল্লেখ আছে।

**আত্ম মূল্যায়ন - (খ)**

১) এলফিন ষ্টোনৰ অনুসন্ধানত পোৱা তথ্য মতে সেই সময়ত প্ৰাথমিক বিদ্যালয়সমূহত গড় হিচাপত কিমানজনকৈ ছাত্ৰ আছিল?

.........................................................................

২) দেশীয় বিদ্যালয় সমূহত ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছাত্ৰৰ শতকৰা হাৰ কিমান আছিল?

.........................................................................

৩) পুনা নগৰত উচ্চশিক্ষাৰ হিন্দু বিদ্যালয়ৰ সংখ্যা কিমান আছিল?

.........................................................................

### ১.২.৩ ১৮৩৫ চনৰ উইলিয়াম আদামৰ অনুসন্ধান কাৰ্য ঃ

লৰ্ড উইলিয়াম বেণ্টিংকে সৰ্বসাধাৰণৰ শিক্ষাৰ দিশবোৰৰ প্ৰতি যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। জনসাধাৰণৰ মাজলৈ শিক্ষাৰ বিস্তাৰ ঘটোৱাৰ উদ্দেশ্যে ১৮৩৫ চনত ছাৰ উইলিয়াম আদাম চাহাবক নিযুক্তি দি এই সম্পৰ্কত চৰকাৰক পৰামৰ্শ আগবঢ়োৱাৰ বাবে নিৰ্দেশ দিয়ে। আদাম চাহাবে সেই সময়ৰ বঙ্গ আৰু বিহাৰৰ কিছু অংশৰ জৰীপ কৰি আৰু কিছু পূৰ্বৰ চৰকাৰী পিয়লৰ তথ্য সন্নিৱিষ্ট কৰি সৰ্বমুঠ তিনিখন প্ৰতিবেদন প্ৰস্তুত কৰি চৰকাৰৰ ওচৰত দাখিল কৰে। উক্ত প্ৰতিবেদন তিনিখন সম্পৰ্কত কিছু কথা (জানিবৰ বাবে) তলত দাঙি ধৰা হ'ল।

**(ক) আদামৰ প্ৰথম প্ৰতিবেদন ঃ** ১৮৩৫ চনৰ ১ জুলাই তাৰিখে আদামৰ প্ৰথমখন প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰা হয়। সেই সময়ত উপলব্ধ হোৱা সকলো প্ৰকাৰৰ শৈক্ষিক তথ্য সংগ্ৰহ কৰি অতি যত্ন সহকাৰে আদামৰ প্ৰথম প্ৰতিবেদন

খন প্ৰস্তুত কৰা হৈছিল। যদিও তথ্যসমূহ যথোপযুক্ত আৰু নিৰ্ভৰযোগ্য নাছিল তথাপিও সেই সময়ৰ শিক্ষা সম্পৰ্কীয় বহুতো কথা জনাত প্ৰতিবেদনখনে আমাক সহায় কৰে।

এই প্ৰতিবেদন অনুসৰি সেই সময়ত বঙ্গত এক বুজন সংখ্যক দেশীয় প্ৰাথমিক বিদ্যালয়(পাঠশালা) আছিল। আদামৰ মতে, বিহাৰ আৰু বঙ্গৰ প্ৰায় চাৰি কোটি লোকৰ মাজত প্ৰায় এক লাখ পাঠশালা আছিল। এই পাঠশালা সমূহ সকলো শ্ৰেণীৰ লোকৰ কাৰণে মুকলি আছিল আৰু ইয়াৰ শিক্ষা বিনামূলীয়া আছিল। বিদ্যালয় সমূহত লিখা, পঢ়া আৰু গণিত (3R's - Reading, Writing & Arithmetic) ৰ শিক্ষা দিয়া হৈছিল। বিদ্যালয়ৰ শিক্ষণীয় সা-সৰ্জুঁলিবোৰ সৰল আৰু স্থানীয়ভাৱে তৈয়াৰ কৰি লোৱা হৈছিল। কটকটীয়া অনুশাসন ৰক্ষা কৰাৰ বাবে ছাত্ৰ সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হৈছিল। শিক্ষকসকলে মাহে ৪/৫ টকাৰ মাননিহে লাভ কৰিছিল। গৃহশিক্ষাৰ ব্যাপক ব্যৱস্থাও সেই সময়ত আছিল।

**(খ) আদামৰ দ্বিতীয় প্ৰতিবেদন ঃ** ১৮৩৮ চনত আদামৰ দ্বিতীয় প্ৰতিবেদন প্ৰকাশ কৰা হৈছিল। বৰ্ত্তমান বাংলাদেশৰ আৰু তেতিয়াৰ ৰাজসাহী নামৰ ঠাইখনৰ নাটোৰ থানাৰ অন্তৰ্গত এলেকাৰ শিক্ষাব্যৱস্থাৰ এক বিশদ আৰু বিতং অনুসন্ধান কাৰ্য সম্পৰ্কত এই প্ৰতিবেদনত সন্নিৱিষ্ট কৰা হৈছে।

এই প্ৰতিবেদন মতে উক্ত অঞ্চলত সেই সময়ত ৪৮৫ খন গাঁৱৰ মাত্ৰ ২৭ খনহে প্ৰাথমিক বিদ্যালয় আছিল। ছাত্ৰৰ সংখ্যা আছিল ২৬২ গৰাকী। এই ছাত্ৰসকলৰ ভিতৰত ১৬৭ গৰাকী আছিল ১০ খন বেঙ্গলী মাধ্যমৰ বিদ্যালয়ত। ১১ খন কোৰাণ শিক্ষাৰ আৰবী বিদ্যালয়ত/স্কুলত মুঠ ২৩ গৰাকী ছাত্ৰ আছিল। বেঙ্গলী আৰু পাৰ্চীয়ান এই উভয় মাধ্যমতে মুঠ ৩০ গৰাকী ছাত্ৰ আছিল। তোমালোকে জানি আচৰিত হ'বা যে ২৩৮ খন গাঁৱৰ ১৫৮৮ টা পৰিয়ালত গৃহ শিক্ষাৰো (অৰ্থাৎ পৰিয়ালতে শিক্ষা লোৱাৰ) ব্যৱস্থা আছিল। আদামৰ মতে মহিলা সকল অজ্ঞান অন্ধকাৰত ডুব গৈ আছিল কিয়নো তেতিয়া স্ত্ৰী শিক্ষাৰ কোনো ব্যৱস্থা নাছিল।

প্ৰাথমিক বিদ্যালয়বোৰত ছাত্ৰই প্ৰৱেশ কৰাৰ গড় বয়স আছিল ৮ বছৰ আৰু বিদ্যালয় এৰাৰ বয়স আছিল ১৪ বছৰ পৰ্য্যন্ত। প্ৰাথমিক শিক্ষকৰ মাহিলি বেতন ৫ টকাৰ পৰা ৮ টকালৈকে আছিল।

নাটোৰ জিলাত সেই সময়ত মুছলমান সকলৰ দ্বাৰা পৰিচালিত কোনো ধৰণৰ দেশীয় মহাবিদ্যালয় নাছিল। এই প্ৰতিবেদন মতে ৩৯৭ জন ছাত্ৰৰ সৈতে সৰ্বমুঠ ৩৮ খন সংস্কৃত কলেজ আছিল। উচ্চ শিক্ষা সাধাৰণতে ১১ বছৰ বয়সত আৰম্ভ হৈ ২৭ বছৰ বয়সলৈকে চলিছিল।

দূৰৈৰ পৰা অহা ছাত্ৰসকলৰ বাবে থকা খোৱাৰ ব্যৱস্থা শিক্ষক সকলে কৰিছিল। এই অঞ্চলত পুৰুষ জনসংখ্যাৰ শিক্ষাৰ আনুপাতিক হাৰ আছিল ৬.১% আৰু মুঠ জনসংখ্যাৰ হিচাপত (নাৰী-পুৰুষ মিলি) এই হাৰ আছিল ৩.১%।

**(গ) আদামৰ তৃতীয় প্ৰতিবেদন ঃ** ১৮৩৮ চনতেই আদামৰ তৃতীয় প্ৰতিবেদনো প্ৰকাশ কৰা হৈছিল। তোমালোকে জনা উচিত যে আদামৰ এই তৃতীয় প্ৰতিবেদনখন অতি উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ প্ৰতিবেদন হিচাপে বিবেচনা কৰা হয়।

এই প্ৰতিবেদনত বংগ আৰু বিহাৰৰ শিক্ষা ব্যৱস্থাৰ এক বিস্তৃত ছবি দাঙি ধৰা হৈছে। এই দুয়োখন প্ৰদেশৰে মুঠ ৫খন জিলাত (যেনে- মুৰ্চ্ছিদাবাদ, বীৰভূম, বৰ্দ্ধমান, দক্ষিণ বিহাৰ আৰু তিৰহুট জিলা সৰ্বমুঠ ২৫৬৭ খন বিদ্যালয় আছিল আৰু ইয়াৰ মুঠ ছাত্ৰ সংখ্যা আছিল ৩০,৯১৫ গৰাকী। ইয়াৰে ২৪,২৫০ জন আছিল বেঙ্গলী আৰু হিন্দী বিদ্যালয়ৰ ছাত্ৰ, ২৫৫৫ জন আছিল সংস্কৃত বিদ্যালয়ৰ, ৩,৬৫৪ জন আছিল পাৰ্চী আৰু আৰবী বিদ্যালয়ৰ, ২৪২ জন ইংৰাজী বিদ্যালয়ৰ আৰু ২১৪ গৰাকী মহিলা বিদ্যালয়ৰ। তোমালোকে জানি ভাল পাবা যে বৰ্দ্ধমান, মুৰ্চ্ছিদাবাদ আৰু বীৰভূম অঞ্চলত ৬খন বালিকা বিদ্যালয়ৰ সন্ধান পোৱা গৈছিল।

আদাম চাহাবে এই প্ৰতিবেদনৰ অন্তত শিক্ষা ব্যৱস্থাৰ পৰ্য্যালোচনা আৰু জাতীয় শিক্ষা ব্যৱস্থা গঠনৰ বাবে কিছুমান মূল্যবান পৰামৰ্শ আগবঢ়াইছিল। সেই সমূহ তলত চমুকৈ উল্লেখ কৰা হৈছে।

(ক) জাতীয় শিক্ষাৰ পৰীক্ষামূলক আঁচনিৰ বাবে এখন বা তাতোধিক জিলা প্ৰথমতে বাছি ল'ব লাগিব আৰু তাত শিক্ষাৰ এটা পুংখানুপুংখ ভাৱে জৰীপ কৰিব লাগিব।

(খ) শিক্ষক আৰু ছাত্ৰ উভয়ে উপকৃত হোৱাকৈ আধুনিক ভাৰতীয় ভাষাৰে কিছুমান কিতাপ প্ৰস্তুত কৰিব লাগে।

(গ) শৈক্ষিক পৰিকল্পনাৰ সুস্থ ৰূপায়নৰ বাবে প্ৰতিখন জিলাকে এজনকৈ

পৰীক্ষক (EXAMINER) নিযুক্ত কৰিব লাগে। উক্ত পৰীক্ষকজনে শিক্ষা সম্বন্ধীয় সকলো তথ্যপাতি সংগ্ৰহ কৰি শিক্ষক সকলৰ সৈতে যোগাযোগ স্থাপন কৰিব। ইয়াৰ উপৰিও পৰীক্ষা পৰিচালনা, পুৰস্কাৰ বিতৰণকে আদি কৰি সমগ্ৰ আঁচনিৰ ৰূপায়নত গুৰুত্ব সহকাৰে দায়িত্ব বহন কৰিব লাগিব।

(ঘ) ধাৰাবাহিক ভাৱে শিক্ষক সকলে জ্ঞান অৰ্জন কৰিবলৈ হ'লে কিতাপ অধ্যয়ন কৰিবই লাগিব। সেয়েহে কিতাপ অধ্যয়নৰ বাবে শিক্ষকসকলৰ উৎসাহ যোগোৱাৰ লতে তেওঁলোকৰ প্ৰশিক্ষণৰ বাবে নৰ্মাল স্কুল স্থাপন কৰিব লাগে। পিছলৈ এই প্ৰশিক্ষিত শিক্ষকসকলে অনুৰূপ ধৰণে ছাত্ৰসকলক শিক্ষা প্ৰদান কৰিব লাগিব।

(ঙ) শিক্ষক সকলৰ অৰ্হতা বৃদ্ধি কৰিবৰ বাবে পৰীক্ষা ল'ব লাগিব আৰু উত্তীৰ্ণ হোৱা সকলক পুৰস্কাৰৰ বাবে ব্যৱস্থা কৰিব লাগিব।

(চ) শিক্ষক সকল গ্ৰাম্যাঞ্চললৈ গৈ যাতে ল'ৰা-ছোৱালীক সুকলমে শিক্ষা দিব পাৰে তাৰ বাবে তেওঁলোকক ভূমিদান কৰিব লাগে।

আদাম চাহাবৰ এই প্ৰতিবেদনৰ অন্তত শিক্ষা ব্যৱস্থাৰ পৰ্য্যালোচনা আৰু জাতীয় শিক্ষা ব্যৱস্থা গঠনৰ বাবে পৰামৰ্শ আগবঢ়ায়। কিন্তু বৃটিছ চৰকাৰে 'আকাশত চাং পতা' কথা বুলি পৰামৰ্শাৱলী সমূহ মানি নললে। আদামৰ মতে সেই সময়ত দেশীয় শিক্ষা ব্যৱস্থা অৱনতিৰ পথত আগবাঢ়িছিল। কোনো জাতিৰ নিজস্ব বৈশিষ্ট্য অটুত ৰাখি প্ৰগতিশীল এক স্থায়ী শিক্ষাৰ ভেটি নিৰ্মাণ কৰিবলৈ হ'লে দেশীয় বিদ্যালয়বোৰ যত্ন সহকাৰে জীয়াই ৰাখিবই লাগিব। কিন্তু বৃটিছ চৰকাৰে পুঁজিৰ অজুহাত দেখুৱাই এই সকলোবোৰ দিশ আওকান কৰিছিল।

**আত্ম মূল্যায়ন - (গ)**

১) আদামৰ তৃতীয় প্ৰতিবেদন মতে বঙ্গ আৰু বিহাৰৰ ৫ খন জিলাত মুঠ বিদ্যালয়ৰ সংখ্যা কিমান আছিল?

..........................................................................

২) সেই সময়ত মুঠ ছাত্ৰৰ সংখ্যা কিমান আছিল?

..........................................................................

৩) বৰ্দ্ধমান, মুৰ্চিদাবাদ আৰু বীৰভূম অঞ্চলত সন্ধান পোৱা বালিকা

বিদ্যালয়ৰ সংখ্যা কিমান আছিল?

...................................................................................

৪) দেশীয় শিক্ষাৰ উন্নতিৰ বাবে আদামে দিয়া তিনিটা পৰামৰ্শ উল্লেখ কৰা?

...................................................................................

...................................................................................

...................................................................................

**১.২.৪ মূল্যায়ন ঃ**

ওপৰৰ আলোচনাৰ পৰা আমি চৰকাৰী নিৰ্দেশত সম্পন্ন হোৱা জৰীপ বা অনুসন্ধান কাৰ্য সমূহৰ প্ৰতিবেদন সম্পৰ্কত কিছু জ্ঞান আয়ত্ব কৰিবলৈ নিশ্চয় সক্ষম হ'লো। নহয়নে বাৰু? কিন্তু যিটো মূল উদ্দেশ্য আগত ৰাখি এই প্ৰতিবেদন সমূহ যুগুত কৰা হৈছিল বা চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল, সেই উদ্দেশ্য প্ৰকৃততে পূৰণ কৰা হ'লনে? অৰ্থাৎ প্ৰতিবেদনসমূহ লাভ কৰাৰ পিছত চৰকাৰে প্ৰতিবেদনত উল্লেখ কৰা গুৰুত্বপূৰ্ণ দিশসমূহ, উল্লিখিত পৰামৰ্শসমূহ গুৰুত্ব সহকাৰে বিবেচনা কৰি শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ হাতত ললেনে? এই সম্পৰ্কে জানিবৰ বাবেই তোমালোকে তলত উল্লেখ কৰা কথাবোৰলৈ মন কৰিব লাগিব।

(ক) ১৮২২ চনত ছাৰ থমাছ মনৰোয়ে দেশীয় শিক্ষা ব্যৱস্থাৰ ওপৰত কৰা জৰীপ কাৰ্যৰ পৰা এটা কথা স্পষ্ট হৈছিল যে চৰকাৰী অৱহেলা আৰু সৰ্বসাধাৰণ ৰাইজৰ আৰ্থিক অনাটনৰ বাবেই সেই সময়ত ঘাইকৈ শিক্ষাৰ অৱস্থা শোচনীয় হৈছিল। সেয়েহে চৰকাৰেও ইয়াক উপলব্ধি কৰি সেই সময়ৰ মাদ্ৰাজ স্কুল চচাইটিলৈ আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰে। হিন্দু আৰু মুছলমানৰ কাৰণে দুখন বিদ্যালয় স্থাপন কৰা হয়। অন্যান্য (৭০) সত্তৰখন তহচীলদাৰী বিদ্যালয় স্থাপন কৰা হয়। শিক্ষাৰ্থীসকলৰ বাবে উপযোগী পাঠ্যপুথি প্ৰকাশ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হয়। কিন্তু অতি দুখৰ কথা মনৰোৰ পৰিকল্পনা সম্পূৰ্ণ হোৱাৰ আগতেই মাদ্ৰাজ চৰকাৰৰ কোৰ্ট অৱ ডাইৰেক্টৰছে সৰ্বসাধাৰণ ৰাইজৰ শিক্ষাৰ আঁচনিতকৈ ইংৰাজী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিবলৈহে নিৰ্দেশনা জাৰি কৰে। আৰু ইয়াৰ ফলস্বৰূপেই মাদ্ৰাজত শিক্ষাৰ দিশটো চৰকাৰী অৱহেলাৰ বাবেই ১৮৮৬ চন পৰ্য্যন্ত স্থবিৰ হৈ পৰে।

(খ) ১৮২৩ চনত মি. মাউণ্ট ষ্টুৱাৰ্ট এলফিন ষ্টোনে বোম্বেত দেশীয় শিক্ষা ব্যৱস্থা সম্পৰ্কত অনুসন্ধান কৰিবলৈ নিৰ্দেশ দিয়াৰ পূৰ্বে ১৮১৯ চনতে তেওঁ বোম্বেৰ গৱৰ্ণৰ হিচাপে নিযুক্ত হৈছিল। সেই সময়ত সমাজৰ এক প্ৰভাৱশালী লোক চামক সন্তুষ্ট কৰিবলৈ তেওঁ ১৮২১ চনত পুনাত এখন সংস্কৃত মহাবিদ্যালয় স্থাপন কৰে। ১৮২৩ চনলৈকে এই বিদ্যালয়ৰ পৰিচালনাতেই কোম্পানীৰ শিক্ষামূলক কাম কাজবোৰ সীমিত পৰিসৰৰ মাজত চলি আছিল। এলফিন ষ্টোনে স্থানীয় বিদ্যালয় সমূহক সুসংগঠিত কৰি শিক্ষাৰ ভেটিটো সুদৃঢ় কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। কিন্তু দুৰ্ভাগ্যবশত এই বহুমূলীয়া পৰামৰ্শটি গৱৰ্ণৰৰ পৰিষদ সভাৰ সদস্যসকলে নাকচ কৰিলে। তেওঁলোকে মন্তব্য কৰিলে যে সকলো সৰ্বসাধাৰণকে নিচেই অলপীয়া শিক্ষা দিয়াতকৈ মুষ্টিমেয় সকলক সম্পূৰ্ণ শিক্ষা (পৰিপূৰ্ণ শিক্ষা) দিয়াটো বেছি লাভজনক। সেয়েহে স্বাভাৱিকতে এনে সিদ্ধান্তৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ শিক্ষা-দীক্ষা লোৱাত বাধা আহি পৰিল। স্থানীয় শিক্ষা সংস্থালৈ সাহায্য আগবঢ়োৱাৰ বাদে আৰু বোম্বাই আৰু পুনেত সংস্কৃত কলেজ স্থাপন কৰাৰ বাদে এই সময়ছোৱাত শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী পৰ্য্যায়ত বিশেষ ফলপ্ৰসু প্ৰচেষ্টা নাছিল বুলি ক'ব পাৰি।

(গ) মেকলে চাহাবৰ মাইনুট লৰ্ড উইলিয়াম বেণ্টিংকে গ্ৰহণ কৰাৰ ফলতেই ১৮৩৫ চনৰ পৰা ভাৰতীয় শিক্ষা নীতি প্ৰস্তুত হয়। ইংৰাজী মাধ্যমেৰে ইউৰোপীয় জ্ঞান-বিজ্ঞানৰ চৰ্চাৰ আৰম্ভণি হয় যদিও প্ৰাচ্য বিদ্যাৰ অনুষ্ঠানসমূহ চলি থাকিবলৈ দিয়া হয়। জনসাধাৰণৰ মাজত শিক্ষাৰ দিশটোৰ সম্বন্ধে অধ্যয়ন কৰি শিক্ষাৰ প্ৰসাৰ সম্বন্ধে পৰামৰ্শ আগবঢ়াবৰ কাৰণে লৰ্ড বেণ্টিংকে উইলিয়াম আদাম চাহাবক যি নিৰ্দেশ দিছিল তাৰ ভেটিটেই বংগ আৰু বিহাৰ ৰাজ্যত শিক্ষা জৰীপ চলাই প্ৰতিবেদন তিনিখন দাখিল কৰে। আদাম চাহাবৰ তৃতীয়খন প্ৰতিবেদনত ভাৰতত এক জাতীয় শিক্ষা ব্যৱস্থা গঠনৰ উদ্দেশ্যে চৰকাৰৰ নিজা দায়িত্বত ব্যৱস্থা লবলৈ যি মূল্যবান পৰামৰ্শ আগবঢ়োৱা হৈছিল, দুৰ্ভাগ্যবশতঃ ঠিক সেই সময়তেই লৰ্ড উইলিয়াম বেণ্টিংকৰ কাৰ্যকাল সমাপ্ত হয়। পৰৱৰ্তী গভৰ্ণৰ হিচাপে লৰ্ড অকলেণ্ডে কাৰ্যভাৰ গ্ৰহণ কৰে যদিও তেওঁৰ হাতত এই প্ৰতিবেদন সমূহ পৰাত তেওঁ উপযুক্ত গুৰুত্ব আৰু দায়িত্ব বুজি প্ৰয়োজনীয় পদক্ষেপ লবলৈ সদিচ্ছা প্ৰকাশ নকৰিলে। বৰঞ্চ তেওঁ ইয়াক এক 'অলীক স্বপ্ন' বুলিহে অভিহিত কৰে। ইয়াৰ উপৰিও পৰামৰ্শসমূহৰ

ৰূপায়নৰ ক্ষেত্ৰত প্ৰয়োজনীয় পুঁজিৰ অভাৱ দেখুৱাই সেই অজুহাততে ভাৰতীয় জাতীয় শিক্ষা ব্যৱস্থা গঠনৰ এক মূল্যবান প্ৰচেষ্টা ব্যৰ্থ কৰি তোলে।

তোমালোকে এতিয়া নিশ্চয় উপলব্ধি কৰিব পাৰিছা যে দি উদ্দেশ্যত প্ৰকৃততে শিক্ষামূলক জৰীপ বা অনুসন্ধানসমূহ বৃটিছ চৰকাৰে কৰোৱাইছিল বাস্তৱ ক্ষেত্ৰত তাৰ সফল ৰূপায়ন কৰা নহ'ল । সেয়েহে ভাৰতীয় শিক্ষাৰ সেই সময়ৰ পয়াঁ লগা অৱস্থাটোৱে পৰৱৰ্তী পৰ্য্যায়ত আমাৰ ভাৰতীয় সকলৰ যথেষ্ট ক্ষতিসাধন কৰিলে।

## ১.৩ সাৰাংশ ঃ

ইতিমধ্যে আমি কো খিনি কথা ওপৰত আলোচনা কৰিলো, তাক বিহংগম দৃষ্টিৰে এবাৰ চাওঁচোন আঁহা।

**(ক) ১৮২২ চনৰ চাৰ থমাছ মনৰোৰ জৰীপ কাৰ্য্য ঃ**

দেশীয় বিদ্যালয় সমূহৰ সংখ্যা আৰু স্থানীয় লোক সকলৰ শিক্ষাৰ পৰিমাণ সম্পৰ্কত সবিশেষ অধ্যয়ন কৰি চৰকাৰক সকলো তথ্য দাখিল কৰিবৰ বাবে চাৰ থমাছ মনৰোৰে কৰোৱা অনুসন্ধানেই আছিল প্ৰথম অনুসন্ধান কাৰ্য। মাদ্ৰাজত কৰোৱা এই প্ৰতিবেদনৰ পৰা জনা যায় যে বিভিন্ন বিদ্যালয় আৰু উচ্চ শিক্ষাৰ অনুষ্ঠান (কলেজ)ৰ সংখ্যা সেই সময়ত আছিল ১২,৪৯৮ খন আৰু জনসংখ্যা আছিল ১২, ৮৫০,৯৪১ গৰাকী। আনহাতে ১২.৫০ নিযুত লোকৰ মাজত ১,৮৮,০০০ জনে শিক্ষা লাভ কৰিছিল। ঘৰতে থাকি শিক্ষা লাভ কৰা লোকৰ সংখ্যা আছিল ২৬,৯০৩ জন।

**(খ) ১৮২৩ চনৰ মাউণ্ট ষ্টুৰ্বাট এলফিন ষ্টোনৰ অনুসন্ধান কাৰ্য ঃ**

বোম্বাই প্ৰদেশত এলফিন ষ্টোনে চলোৱা অনুসন্ধানৰ মতে সেই সময়ৰ দেশীয় প্ৰাথমিক বিদ্যালয় সমূহৰ কোনো নিজস্ব ঘৰ-দুৱাৰ নাছিল। মন্দিৰ, ব্যক্তিগত ঘৰ, চালি আদিত অস্থায়ীভাৱে চলিছিল। প্ৰতিখন বিদ্যালয়ত গড় হিচাপত ১৫ জনকৈ ছাত্ৰ আছিল। নিম্ন জাতিৰ লোকৰ বাবে আৰু মাচুল দিব নোৱাৰা ছাত্ৰৰ বাবে নামভৰ্তিৰ ক্ষেত্ৰত বাধা আছিল। শিক্ষকসকলৰ বেছিভাগেই ব্ৰাহ্মণ সম্প্ৰদায়ৰ আছিল। সমাজত শিক্ষকৰ স্থান অতি উচ্চ আছিল। তেওঁলোকে মাহিলী ৩ টকাৰ পৰা ৫ টকালৈকে পাইছিল। ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছাত্ৰ সংখ্যাই (৩০%) বেছি আছিল নামভৰ্তিৰ বয়স আছিল ৬-১৪ বছৰ। পাঠ্যক্ৰম ২/৩ বছৰীয়া বা ৩/৪ বছৰীয়া আছিল। ইয়াত লিখা, পঢ়া আৰু গণিতৰ জ্ঞান প্ৰদান কৰা হৈছিল। বিদ্যালয়ত ছপা কিতাপৰ ব্যৱহাৰ হোৱা

নাছিল। অনুশাসন ব্যৱস্থা অতি কঠোৰ আছিল। মুছলমান শিক্ষকৰ দ্বাৰা পাঠদান কৰা বহুতো দেশীয় বিদ্যালয় মুছলমান ছাত্ৰ সকলৰ বাবে আছিল। উচ্চ শিক্ষাৰ বাবে হিন্দু বিদ্যালয়ৰ সংখ্যা আহমদ নগৰত ১৬ খন আৰু পুনা নগৰত ১৬৪ খন আছিল। সেই সময়ত ১৭০৫ খন বিদ্যালয়ত সৰ্বমুঠ ছাত্ৰ-ছাত্ৰী আছিল ৩৫,১৫৩ জন।

**(গ) ১৮৩৫ চনৰ উইলিয়াম আদামৰ অনুসন্ধান কাৰ্য ঃ**

আদাম চাহাবে বঙ্গ আৰু বিহাৰত চলোৱা অনুসন্ধানৰ প্ৰথম প্ৰতিবেদন মতে সেই সময়ত দেশীয় প্ৰাথমিক বিদ্যালয় (পাঠশালা)ৰ সংখ্যা আছিল চাৰি কোটি লোকৰ মাজত প্ৰায় এক লাখ। বিনামূলীয়া এই পাঠশালা বিদ্যালয়বোৰ সকলো শ্ৰেণীৰ লোকৰ বাবে মুকলি আছিল। লিখা, পঢ়া আৰু গণনাৰ শিক্ষা ইয়াত দিয়া হৈছিল আৰু অতি সৰল শিক্ষণীয় সজুঁলি ব্যৱহাৰ কৰা হৈছিল। অনুশাসন ব্যৱস্থা অতি কটকটীয়া আছিল আৰু শিক্ষকৰ দৰমাহাৰ পৰিমাণ আছিল মাহে ৪/৫ টকা।

আদামৰ দ্বিতীয় প্ৰতিবেদন মতে নাটোৰ থানাৰ অন্তৰ্গত ৰাজসাহী নামৰ অঞ্চলটোত ৪৮৫ খন গাঁৱৰ মাজত মাত্ৰ ২৭ খনহে প্ৰাথমিক বিদ্যালয় আছিল। ছাত্ৰৰ সংখ্যা আছিল ২৬২ গৰাকী। বেঙ্গলী, আৰবী, পাৰ্চীয়ান আদি বিভিন্ন মাধ্যমৰ বিদ্যালয় আছিল। ২৩৮ খন গাঁৱৰ ১৫৮৮ টা পৰিয়ালত গৃহ শিক্ষাৰ ব্যৱস্থা আছিল। ছাত্ৰসকলে নামভৰ্ত্তি কৰাৰ গড় বয়স আছিল ৮-১৪ বছৰ। উচ্চ শিক্ষা সাধাৰণতে ১১ বছৰত আৰম্ভ হৈ ২৭ বছৰ বয়সলৈকে চলিছিল। ৩৯৭ জন ছাত্ৰৰ মাজত ৩৮ খন সংস্কৃত কলেজ আছিল। পুৰুষ জনসংখ্যাৰ শিক্ষাৰ আনুপাতিক হাৰ আছিল ৬.১%।

আদাম চাহাবৰ তৃতীয় প্ৰতিবেদন মতে বংগ আৰু বিহাৰৰ মুঠ ৫ খন জিলাত সৰ্বমুঠ ২৫৬৭ খন বিদ্যালয় আছিল। ইয়াত মুঠ ছাত্ৰ সংখ্যা আছিল ৩০,৯১৫ গৰাকী। উল্লেখযোগ্য যে বৰ্দ্ধমান, মুৰ্চিদাবাদ আৰু বীৰভূম অঞ্চলত মুঠ ৬ খন বালিকা বিদ্যালয়ৰ সন্ধান পোৱা গৈছিল। তথ্যসমূহ প্ৰদান কৰাৰ উপৰিও আদামৰ ততীয় প্ৰতিবেদনত ভাৰতীয় জাতীয় শিক্ষাৰ উন্নতিৰ বাবে বহুতো মূল্যবান পৰামৰ্শ আগবঢ়ায়।

## ১.৫ পঢ়িবলগীয়া পুথি ঃ

১. Syed Nurullar and Naik J.P (1956). A Student's History of Education in India, Macmilan & Co Ltd, London.

২. শৰ্মা তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত (২০০৯), ভাৰতীয় শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্রুগড়

## আত্ম মূল্যায়নৰ সম্ভাব্য উত্তৰ সমূহ ঃ

আত্মমূল্যায়ন - ক

১. ১.২.১ ৰ ক,খ আৰু গ চোৱা

আত্মমূল্যায়ন - খ

১. ১৫ জন  ২. ৩০%  ৩. ১৬৪ খন

আত্মমূল্যায়ন - গ

১. ২৫৬৭  ২. ৩০,৯১৫ গৰাকী  ৩. ৬ খন

৪. আদামৰ তৃতীয় প্রতিবেদনৰ অন্তৰ্গত পৰামৰ্শ ক, খ আৰু গ চোৱা।

## আৰ্হি প্ৰশ্ন ঃ

১। চাৰ থমাচ মনৰোৰ অনুসন্ধান মতে সেই সময়ৰ দেশীয় শিক্ষা ব্যৱস্থা কেনেকুৱা আছিল? বৰ্ণনা কৰা।

২। মাউণ্ট ষ্টুৱাৰ্ট এলফিন ষ্টোন কোন আছিল? তেওঁৰ শিক্ষা জৰীপৰ বিষয়ে এক বিতং বিৱৰণ দাঙি ধৰা।

৩। আদাম চাহাবৰ শৈক্ষিক প্রতিবেদন তিনিখনৰ আলমত সেই সময়ৰ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এটি চিত্র দাঙি ধৰা।

৪। চমুটোকা লিখা - (ক) পাঠশালা (খ) আদামৰ তৃতীয় প্রতিবেদন (গ) দেশীয় শিক্ষা ব্যৱস্থাত অনুশাসন

## প্রাসংগিক গ্রন্থ ঃ

১। Naik, J.P and Nurullah, S. (1974), A Students History of India, Macmilan India Ltd, Delhi

২। ভাৰতৰ শিক্ষাৰ বুৰঞ্জী , তৰুণ কুমাৰ শৰ্মা, ৰজনীকান্ত গোস্বামী, বনলতা- ডিব্রুগড় আৰু গুৱাহাটী, ২০০৯

৩। শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত (২০০৯), ভাৰতীয় শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্রুগড় আৰু গুৱাহাটী।

# খণ্ড ঃ ২
# বৃটিছ শাসন কালত শিক্ষা
## গোট ঃ ২
## মিছনেৰীসকল আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ কার্যাৱলী

গোট গঠন বিন্যাস

২.০ উদ্দেশ্য
২.১ প্রস্তাৱনা
২.২ ভাৰতীয় শিক্ষালৈ মিছনেৰীসকলৰ অৱদান
২.২.১ পর্তুগীজসকলৰ অৱদান (The portugues)
২.২.২ উলণ্ডাজসকলৰ অৱদান (The Dutch)
২.২.৩ ডেনিচসকলৰ অৱদান (The Danes)
২.২.৪ ফৰাচীসকলৰ অৱদান (The French)
আত্মমূল্যায়নৰ প্রশ্ন
২.৩ ভাৰতীয় শিক্ষালৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ অৱদান
২.৩.১ চার্টাৰ আইন ১৮১৩
২.৩.২ প্রাচ্য পাশ্চাত্যৰ বিবাদ
আত্মমূল্যায়নৰ প্রশ্ন
২.৩.৩ মেকলেৰ প্রতিবেদন
২.৩.৪ বেণ্টিংকৰ প্রতিবেদন
আত্মমূল্যায়নৰ প্রশান
২.৩.৫ উদৰ প্রতিবেদন
২.৪ সামৰণি
ঘাই শব্দ সমূহ
পাঠ নির্দেশনা
সম্ভাৱ্য উত্তৰ
আৰ্হি প্রশ্ন
প্রসঙ্গ গ্রন্থ

## ২.০ উদ্দেশ্য (Objective) ঃ

এই পাঠটো পঢ়াৰ পাছত তোমালোকে -

(ক) ভাৰতীয় শিক্ষালৈ মিছনেৰীসকলৰ অৱদান আলোচনা কৰিব পাৰিবা।

(খ) চাৰ্টাৰ আইন ১৮১৩ ৰ বিশেষত্ব আঙুলিয়াই দিব পাৰিবা।

(গ) প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ কাৰণ আৰু ফলাফলসমূহ বিশ্লেষণ কৰিব পাৰিবা।

(ঘ) মেকলেৰ শিক্ষা প্ৰতিবেদনৰ বিভিন্ন সিদ্ধান্ত আৰু প্ৰভাৱ বিশ্লেষণ কৰিব পাৰিবা।

(ঙ) বেণ্টিংক আৰু উদৰ প্ৰতিবেদনৰ মূল পৰামৰ্শবোৰ আলোচনা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা (Introduction) ঃ

আমি পূৰ্বৰ গোটটোত বৃটিছসকল ভাৰতলৈ অহাৰ সময়ৰ শিক্ষাৰ সংগঠন আৰু সেই শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিলো।গোটটো অধ্যয়ন কৰি তোমালোকে নিশ্চয় জানিব পাৰিছা যে সেই সময়ত অৰ্থাৎ বৃটিছসকল অহাৰ সময়ত ভাৰতত দেশীয় শিক্ষা ব্যৱস্থাৰ প্ৰচলন আছিল। এই পাঠটোত তোমালোকে বৃটিছসকল ভাৰতলৈ অহাৰ পাছত প্ৰৱৰ্তন হোৱা শিক্ষা ব্যৱস্থাৰ সম্পৰ্কে জানিব পাৰিবা আৰু শেষৰ ফাললৈ তোমালোকে স্বাধীনতা আন্দোলনৰ সময়ছোৱাত হোৱা শিক্ষা বিকাশৰ বিষয়েও জানিব পাৰিবা। এই গোটটো অধ্যয়নৰ দ্বাৰা ভাৰতীয় শিক্ষালৈ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে জ্ঞান লাভ কৰিবা ইয়াৰ উপৰিও প্ৰাচ্য পাশ্চত্যৰ বিবাদ আৰু এই বিবাদ মীমাংসাৰ বাবে মেকলে শিক্ষা সম্পৰ্কে গ্ৰহণ কৰা সিদ্ধান্ত সম্বন্ধেও জানিব পাৰিবা। একেবাৰে শেষৰ ফালে তোমালোকে বেণ্টিংকৰ শিক্ষা প্ৰতিবেদন আৰু উদৰ প্ৰতিবেদন বিষয়ে জ্ঞান লাভ কৰিবা।

তোমালোকে চহৰত থকা বা তোমালোকৰ শিক্ষানুষ্ঠানৰ আশে পাশে থকা মিছনেৰীসকলৰ দ্বাৰা পৰিচালিত হোৱা শিক্ষানুষ্ঠানসমূহ অকণমান মন কৰিবাচোন। এই শিক্ষানুষ্ঠানসমূহ মন কৰিলে কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য তোমালোকৰ চকুত পৰিব।

### ২.২.১ পৰ্তুগীজসকলৰ অৱদান (The Portugues) ঃ

তোমালোকে নিশ্চয় শুনিছাই যে ভাস্ক ডা গামা নামৰ এজন পৰ্তুগীজ নাবিকে

১৪৯৮ চনত উত্তমালা অন্তৰীপ অতিক্ৰম কৰি ভাৰতত প্ৰৱেশ কৰাৰ নতুন জলপথ আৱিস্কাৰ কৰিছিল। তেওঁৰ নেতৃত্বতে ভাৰতলৈ অহা প্ৰথম ইউৰোপীয় জাতি আছিল পৰ্তুগীজ। আহাচোন আমি এই পৰ্টুগীজসকলে শিক্ষাৰ ক্ষেত্ৰত ভাৰতত আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰোঁ।

আমাৰ ভাৰতীয় শিক্ষাৰ আধুনিকীকৰণত পৰ্টুগীজসকলৰ অৱদান উল্লেখযোগ্য। যদিও তেওঁলোক মূলতে বাণিজ্যিক উদ্দেশ্যেৰে আহিছিল কিন্তু শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ কামতো আগভাগ লৈছিল। পৰ্টুগীজসকলে ভাৰতৰ গোৱা, দমন, দিউ, হুগলি, চিতাগং, দাদৰা, বোম্বে আদি ঠাইত বাণিজ্যিক ঘাটি স্থাপন কৰাৰ লগতে শিক্ষানুষ্ঠানো স্থাপন কৰে। অৰ্থাৎ যি ঠাইতে এই পৰ্টুগীজসকলে নিজৰ বাণিজ্যিক কেন্দ্ৰ স্থাপন কৰিছিল তাতে সমান্তৰালভাৱে শিক্ষাৰ বিকাশতো অৰিহণা আগবঢ়াইছিল। পৰ্টুগীজ মিছনেৰীসকলে ভাৰতত বিভিন্ন প্ৰকাৰৰ শিক্ষানুষ্ঠান স্থাপন কৰে, যেনে ধৰা প্ৰাথমিক স্কুল, মহাবিদ্যালয়, কৃষি আৰু কাৰিকৰী অনুষ্ঠান ইত্যাদি। এনেধৰণৰ শিক্ষানুষ্ঠানত প্ৰধানকৈ খ্ৰীষ্ট ধৰ্মাৱলম্বী ব্যক্তিসকলৰ লৰা ছোৱালীক শিক্ষা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও খ্ৰীষ্ট ধৰ্মৰ প্ৰতি মানুহক আকৰ্ষিত কৰিবৰ কাৰণে দুখীয়া লৰা ছোৱালীক খাদ্য, কিতাপ পত্ৰ আদি যোগান ধৰি শিক্ষা গ্ৰহণৰ সুচল ব্যৱস্থা কৰে।

পৰ্তুগীজসকলে প্ৰথমবাৰৰ কাৰণে ১৫৭৫ চনত গোৱাত এখন স্নাতক মহাবিদ্যালয় স্থাপন কৰে। এই মহাবিদ্যালয়খনত প্ৰায় ৩০০ জন ছাত্ৰই অধ্যয়ন কৰিছিল। সেই একে সময়তে বান্দ্ৰাত চেইণ্ট এনি নামৰ এখন মহাবিদ্যালয় স্থাপন কৰিছিল।

কিন্তু ১৭ শতিকাত পৰ্টুগীজসকলৰ বাণিজ্যিক অৱনতি হোৱাৰ কাৰণে তেওঁলোকৰ কাৰ্যকলাপ কেৱল গোৱা, দমন, দিউতে আবদ্ধ থাকে। যাৰ ফলস্বৰূপে পটুৰ্গীজসকলৰ শিক্ষাই প্ৰসাৰ লাভ কৰিব নোৱাৰিলে। কিন্তু ভাৰতত আধুনিক শিক্ষাৰ আৰম্ভণি বুলি ক'বলৈ যাওঁতে আমি প্ৰথমতেই এওঁলোকক মনত পেলাব লাগিব।

### ২.২.২ উলন্দাজসকলৰ অৱদান (The Dutch) ঃ

পৰ্টুগীজসকলৰ পিছতে উলন্দাজসকলৰ ভাৰতলৈ প্ৰায় ১৭ শতিকাত আগমন হয়। এওঁলোক মূলতে আহিছিল হলেণ্ড বা নেডাৰলেণ্ডৰ পৰা। পটুৰ্গীজসকলৰ দৰেই উলন্দাজসকলেও ডাটচ ইষ্ট ইণ্ডিয়া কোম্পানী নাম লৈ ভাৰতলৈ বাণিজ্য কৰিবলৈ

আহিছিল। তেওঁলোকে ভাৰতৰ উত্তৰ পশ্চিম অঞ্চলৰ গুজৰাট আৰু দক্ষিণ পূবত বিহাৰ, বংগ, উৰিষ্যা আদিত বেপাৰ বাণিজ্যৰ ঘাটি স্থাপন কৰে। ১৬০৫ চনত এওঁলোকে মাদ্ৰাজতো বাণিজ্যিক ঘাটি স্থাপন কৰিছিল। শেষৰ ফাললৈ সিংহল, চুমাত্ৰা, জাভা আদি অঞ্চললৈ বাণিজ্যিক কেন্দ্ৰ সম্প্ৰসাৰিত কৰিছিল। যিহেতুকে তোমালোকে প্ৰথমতে পঢ়ি আহিছা যে তেওঁলোক হলেণ্ডৰ পৰা আহিছিল সেয়ে তেওঁলোকৰ লৰা ছোৱালী ভাৰতত শিক্ষা দিবলৈ ভাৰতত বিদ্যালয় স্থাপন কৰিছিল। অৱশ্যে তেওঁলোকে ধৰ্ম নিৰপেক্ষ নীতি অৱলম্বন কৰা বাবে ভাৰতীয় মূলৰ লৰা ছোৱালীয়েও শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিছিল। তেওঁলোকে ভাৰতীয় শিশুৰ বাবেও পিছলৈ শিক্ষানুষ্ঠান স্থাপন কৰিছিল। কিন্তু ১৮ শতিকাৰ মাজভাগত ইংৰাজসকলৰ লগতে হোৱা সংঘাটৰ ফলত তেওঁলোকৰ বাণিজ্যিক কাৰ্যকলাপৰো অন্ত পৰে। কিন্তু এইখিনিতে তোমালোকক কৈ থওঁ যে আন বাণিজ্যিক সংগঠনবোৰৰ দৰে যেনে ধৰা পৰ্টুগীজসকলৰ দৰে তেওঁলোকৰ কাৰ্যকলাপ ইমান গুৰুত্বপূৰ্ণ বা তাৎপৰ্য্যপূৰ্ণ বুলি কব নোৱাৰি।

**আত্ম মূল্যায়ন - (ক)**

১) পৰ্টুগীজসকলে কোন কোন অঞ্চলত প্ৰথমে বাণিজ্যিক ঘাটি স্থাপন কৰিছিল?

.........................................................................

.........................................................................

২) খ্ৰীষ্ট ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰিবৰ কাৰণে পৰ্টুগীজসকলৰ শিক্ষানীতি কি আছিল?

.........................................................................

.........................................................................

৩) উলণ্ডাজসকল ভাৰতলৈ কেতিয়া আৰু ক'ৰ পৰা আহিছিল?

.........................................................................

.........................................................................

### ২.২.৩ ডেনিচসকলৰ অৱদান (the danes) ঃ

১৭ শতিকাত ভাৰতলৈ অহা এটা উল্লেখযোগ্য বাণিজ্যিক কোম্পানী হ'ল

ডেনিচসকল। যদিও তেওঁলোক প্ৰধানত বাণিজ্যিক কাৰ্য্যকলাপৰ কাৰণে আহিছিল কিন্তু তাতে তেওঁলোক ক্ষান্ত নাথাকি শিক্ষাৰ ক্ষেত্ৰতো বৰঙণি আগবঢ়াইছিল। ডেনমাৰ্কৰ পৰা অহা এই ডেনিচসকলে মূলত দক্ষিণাত্যত শিক্ষা সম্প্ৰসাৰণৰ কাম হাতত লয়। যেনে ধৰা মাদ্ৰাজ, টাঞ্জোৰা, ত্ৰিচিন্ত্ৰাপল্লি, তিনাডেলি ইত্যাদি। তেওঁলোকে শৈক্ষিক, ধৰ্মীয় আৰু সাংস্কৃতিক বিকাশত বিশেষভাৱে বৰঙণি আগবঢ়ায়। ডেনিচসকলে মাদ্ৰাজত এটা প্ৰেছ স্থাপন কৰি বাইবেল গ্ৰন্থ তামিল ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল। ডেনিচসকলৰ শিক্ষা ব্যৱস্থাত কিছুমান বিশেষ বৈশিষ্ট্য আছিল। যেনে ধৰা এজনতকৈ বেছি শিক্ষকৰ নিযুক্তি দিয়া, সুনিৰ্দিষ্ট শ্ৰেণী আৰু সময়সূচীৰ ব্যৱস্থা ইত্যাদি। পাঠ্যক্ৰমত ইংৰাজী ভাষা শিকোৱাৰ বাহিৰেও ব্যাকৰণ, ভূগোল, ইতিহাস, ধৰ্মতত্ত্ব আদিও ছাত্ৰ-ছাত্ৰীক শিকোৱা হৈছিল। তদুপৰি কেৱল বিদ্যালয় স্থাপন কৰাতে সীমাবদ্ধ নাথাকি সূচাৰুৰূপে শিক্ষা পৰিচালিত হ'বৰ কাৰণে পাঠ্যপুথি যুগুত আৰু প্ৰকাশ কৰাৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰিছিল। যাৰ কাৰণে সাধাৰণতে কোৱা হয় যে ১৯ শতিকাত যি আধুনিক শিক্ষা ব্যৱস্থাৰ সূচনা হয় তাৰ মূলতে আছিল ডেনিচসকল।

**২.২.৪ ফৰাচীসকলৰ অৱদান (The French) ঃ**

ইউৰোপৰ পৰা অহা সকলো বাণিজ্যিক কোম্পানীৰ ভিতৰত একেবাৰে শেষৰ বাণিজ্যিক কোম্পানী আছিল ফৰাচীসকল। ১৬৬৪ চনত ফৰাচী বণিকসকলে ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানী স্থাপন কৰিছিল। তেওঁলোকৰ ঘাটিসমূহ আছিল মামেন, চন্দননগৰ, কৰাইকল, মচলিপট্টম আদি। পূৰ্বৰ মিছনেৰীসকলৰ দৰে ফৰাচীসকলেও নিজৰ আধিপত্যত থকা অঞ্চলসমূহত বিদ্যালয় স্থাপন কৰিছিল। এওঁলোকে প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ লগতে পণ্ডিচেৰীত মাধ্যমিক বিদ্যালয় স্থাপন কৰে। এইখিনিতে তোমালোকক কৈ থওঁ যে তেওঁলোকৰ শিক্ষানুষ্ঠানবোৰত কেৱল খ্ৰীষ্টয়ান শিক্ষকে শিক্ষাদান নকৰি সকলো ধৰ্মীয় শিক্ষকে শিক্ষাদান কৰিছিল। ১৬৭৩ চনত ইংৰাজসকলৰ পৰা ফৰাচীসকলে এখন সৰু গাওঁ লাভ কৰে। যি পিছলৈ আজিৰ পণ্ডিচেৰী চিটিত পৰিণত হয়। ইয়াতে ফৰাচীসকলে ভালেমান উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰিছিল। এই বিদ্যালয়সমূহত খ্ৰীষ্টধৰ্মই আছিল প্ৰধান বিষয়বস্তু। অৰ্থাৎ খ্ৰীষ্টধৰ্মৰ দৰ্শন, ৰীতি-নীতি, আদৰ্শ আদিবোৰ শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীক প্ৰদান

কৰাটো ফৰাচীসকলৰ প্ৰধান উদ্দেশ্য আছিল।

**আত্ম মূল্যায়ন - (খ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলত তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সাম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) ডেনিচসকলে প্ৰথমে ক'ত ক'ত শিক্ষা সম্প্ৰসাৰণৰ কাম হাতত লৈছিল ?

.......................................................................

.......................................................................

২) ডেনিচসকলৰ শিক্ষা ব্যৱস্থাৰ দুটা নিৰ্দিষ্ট বৈশিষ্ট্য লিখা।

.......................................................................

.......................................................................

৩) ফৰাচীসকলে প্ৰথমে ক'ত উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰে?

.......................................................................

.......................................................................

## ২.৩ ভাৰতীয় শিক্ষালৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ অৱদান ঃ

প্ৰথম অৱস্থাত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত শিক্ষাৰ দায়িত্ব ল'ব বিচৰা নাছিল। কিয়নো তেওঁলোকে ভালদৰে বুজি পাইছিল শিক্ষাই ভাৰতীয় লোকসকলৰ মাজত সচেতনাৰ সৃষ্টি কৰিব যি ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাৰণে এক প্ৰত্যাহ্বান হৈ পৰিব। সেয়ে কোম্পানীয়ে নিজৰ গা বচাই ৰাখিবলৈ বিভিন্ন ধৰণৰ যুক্তি আগবঢ়াইছিল। কিন্তু ব্যৱসায়িক কোম্পানী হিচাপে অহা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে যেতিয়া ভাৰতৰ শাসনভাৰ নিজৰ হাতত লয় তেতিয়া স্বাভাৱিকভাৱে শিক্ষাৰ দায়িত্বও তেওঁলোকে নিজৰ কান্ধত ল'বলগীয়া হয়।

শাসনকালৰ প্ৰথমছোৱাত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে শিক্ষাৰ দায়িত্ব হিচাপে মিছনেৰীসকলে প্ৰতিস্থা কৰা বিদ্যালয়সমূহত কেৱল আৰ্থিক সাহাৰ্য্য প্ৰদান কৰাতে সীমাবদ্ধ আছিল। কিন্তু তেওঁলোকক অধিক শিক্ষিত লোকৰ প্ৰয়োজন আহি পৰে। যাৰ ফলস্বৰূপে স্কুল প্ৰতিস্থা কৰাৰ সময়ো আহি পৰিছিল। ইয়াৰ উপৰিও বহুতো বৃটিছ মূলৰ ব্যক্তি প্ৰশাসনৰ কামত সহায় কৰিবলৈ ভাৰতলৈ আহিছিল। তেওঁলোকৰ লৰা- ছোৱালীক শিক্ষা দিবৰ কাৰণে বৃটিছসকলে ঘোষণা কৰে যে তেওঁলোকে

ইংৰাজী ভাষাজ্ঞান থকা লোককহে চাকৰিত নিযুক্তি প্ৰদান কৰিব। এই সকলোবোৰ পৰিস্থিতিয়ে ইষ্ট ইণ্ডিয়া কোম্পানীক শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰাত অৰদান আগবঢ়াইছিল।

**২.৩.১ চার্টাৰ আইন ১৮১৩ ঃ**

১৮১৩ চনৰ চার্টাৰ আইনৰ নবীকৰণৰ সময়ত শিক্ষাৰ প্ৰয়োজনীয়তাৰ লৈ এক বিপুল জনমতৰ সৃষ্টি হৈছিল। যাৰ ফলস্বৰূপে ১৮১৩ চনৰ চার্টাৰ আইনৰ ৪৩ নং ধাৰাত শিক্ষা বিষয়ক লৈ এটা চৰ্ত লিপিবদ্ধ কৰা হয়। এই চৰ্ত অনুসৰি এতিয়াৰ পৰা প্ৰত্যেক বছৰে ভাৰতীয় সাহিত্যৰ পুনৰুত্থান আৰু উন্নয়নৰ কাৰণে শিক্ষিত ভাৰতীয় লোকসকলক উৎসাহিত কৰি ইংৰাজসকলৰ অধীনত থকা অঞ্চলৰ লোকসকলৰ মাজত বিজ্ঞান শিক্ষাৰ সম্প্ৰসাৰণ আৰু প্ৰগতিৰ বাবে একলাখ (১,০০,০০০) টকা আছুতীয়াকৈ ৰখা হ'ব। According to claus No. 43 Charter Act of 1813 " A sum of not less than one lac of rupees in each year shall be apart and applied to the revival and improvement of literature and encouragement of the learned natives of India and for the introduction and promotion of a knowledge of sciences among the habitants of the British territiries in India."

১৮১৩ চনৰ চার্টাৰ আইনখনক ভাৰতত আধুনিক শিক্ষাৰ দিশ নিৰ্ণায়ক বুলি কোৱা হয়। যাৰ ফলস্বৰূপে ভাৰতীয় দেশীয় শিক্ষাই এক সুকীয়া ৰূপ পাইছিল। এই আইনখনৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰোঁ আহাচোন ---

১) ভাৰতীয় শিক্ষাৰ দিশত ইংৰাজসকলৰ দ্বাৰা গ্ৰহণ কৰা ই হৈছে প্ৰথম পদক্ষেপ। তেওঁলোকে প্ৰথমবাৰৰ কাৰণে ভাৰতত শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে আৰু সেই অনুসৰি আইনী ব্যৱস্থা গ্ৰহণ কৰে।

২) ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বেপাৰ বাণিজ্য আৰু ৰাজহৰ দ্বাৰা লাভ কৰা ধনৰ লাভাংশ কেৱল ইংৰাজসকলৰ বাবেই নহয়, ভাৰতীয় লোকসকলৰ বাবেও তাক ব্যৱহাৰ কৰিব লাগে, এই কথা প্ৰথমবাৰৰ কাৰণে উপলব্ধি কৰে।

৩) এই চার্টাৰ আইনৰ জৰিয়তে প্ৰাশ্চাত্যৰ শিক্ষা আৰু জ্ঞান বিজ্ঞানৰ প্ৰয়োগ কৰা হয় আৰু পিছলৈ ইয়াক সুনিশ্চিত কৰা হয়।

৪) অৰ্থ সাহাৰ্য্যৰ দ্বাৰাহে যে ভাৰতীয় শিক্ষাৰ দুৰৱস্থা আঁতৰ কৰিব পৰা যাব সেই কথা এই আইনৰ দ্বাৰা স্পষ্ট হৈ পৰে। বছৰি এক লাখ টকা ইয়াৰ বাবে ধাৰ্য কৰাৰ নিৰ্দেশ সেয়েহে কোম্পানীৰ প্ৰশাসনক দিয়া হয়।

**২.৩.২ প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ ঃ**

১৮১৩ চনৰ চাৰ্টাৰ আইনত শিক্ষা বিষয়ত যি ৪৩ নং ধাৰা অন্তৰ্ভুক্ত হৈছিল তাৰ পৰা আশা কৰা হৈছিল যে চৰকাৰৰ প্ৰচেষ্টাত ভাৰতত শিক্ষাৰ দ্ৰুত প্ৰসাৰ হ'ব। ইয়াৰ লগতে শিক্ষানীতি স্থিৰ কৰি শিক্ষা নিয়ন্ত্ৰণ আৰু পুনৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হ'ব। কিন্তু বাস্তৱত এই আইনৰ দ্বাৰা শিক্ষা সম্পৰ্কে এক দীঘলীয়া বিবাদৰহে সৃষ্টি হ'ল। এই বিবাদ সৃষ্টি হোৱাৰ প্ৰধান কাৰণসমূহ হল-

(ক) সেই সময়ত ভাৰতীয় শিক্ষাৰ নীতি সম্পৰ্কে বিতৰ্কিত পৰিস্থিতি।

(খ) আইনখনৰ নিৰ্দেশাৱলীৰ অস্পষ্টতা।

(গ) শিক্ষাৰ বিবাদ নিষ্পত্তি কৰিব পৰা কোম্পানীৰ উপযুক্ত শিক্ষা কৰ্তৃপক্ষৰ অভাৱ।

সেই সময়ত এক শ্ৰেণীৰ ভাৰতীয় মূলৰ শিক্ষিত লোক ইংৰাজী মাধ্যমৰ স্কুল আৰু ইয়াৰ শিক্ষা ব্যৱস্থাৰ দিশত বাৰুকৈয়ে আকৃষ্ট হৈছিল। তেওঁলোকৰ ভিতৰত ৰাজা ৰামমোহন ৰায় অন্যতম। তোমালোকে নিশ্চয় জানা যে ৰামমোহন ৰায় এজন আগশাৰীৰ চিন্তাবিদ আৰু সমাজসংস্কাৰক আছিল। ৰাজা ৰামমোহন ৰায়ৰ দৰে এক শ্ৰেণীৰ লোকে মত পোষণ কৰিছিল যে পাশ্চাত্য শিক্ষাৰ জৰিয়তেহে ভাৰত আধুনিক আৰু বৈজ্ঞানিক শিক্ষাৰ দিশে আগুৱাই যাব পাৰিব। এনেবোৰ কাৰণতে ইংৰাজী ভাষা, সাহিত্য, বিজ্ঞান সমৰ্থনকাৰী এটা দলৰ সৃষ্টি হৈছিল যাক পাশ্চাত্য পন্থী বোলা হৈছিল।

আনহাতেদি মন কৰিবলগীয়া যে কোম্পানীয়ে প্ৰাচ্য-ভাষা সাহিত্যৰ বিকাশৰ নীতি অনুসৰণ কৰি কলকাতা, মাদ্ৰাজ আৰু বেনাৰচত ইতিমধ্যে সংস্কৃত কলেজ স্থাপন কৰে। ইয়াৰ উপৰিও কলিকতাত সংস্কৃত কলেজ, এৰিয়েণ্টেল কলেজ আগ্ৰা আৰু দিল্লীত স্থাপন কৰিছিল। এই সকলোবোৰ শৈক্ষিক প্ৰতিস্থান দেশীয় শিক্ষা ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। কোম্পানীয়ে এনে শিক্ষানুষ্ঠানবোৰক অৰ্থ সাহাৰ্য্য প্ৰদান কৰিছিল আৰু লগতে প্ৰাচ্য ভাষাত পুথি ৰচনা আৰু প্ৰকাশনতো

অৰিহণা আগবঢ়াইছিল। এই প্ৰাচ্য শিক্ষাৰ সমৰ্থনকাৰী বিশিষ্ট ব্যক্তিসকল আছিল লৰ্ড মিণ্টো, ৱাৰেন হেষ্টিংচ, উইলচন আদি। বিবাদৰ আন এটা প্ৰধান কাৰণ আছিল আইনখনৰ ৪৩ নং অনুচ্ছেদটোৰ অস্পষ্টতা। তোমালোকে অনুচ্ছেদটো পঢ়ি বুজিছা নিশ্চয় যে এক লাখ টকা খৰচ কৰিব লাগে। কিন্তু এই টকা কাৰ বাবে আৰু কেনেকৈ খৰচ কৰিব লাগে তাৰ স্পষ্ট ধাৰণা নাছিল। উদাহৰণস্বৰূপে অনুচ্ছেদটোত কোৱা হৈছে “Learned natives if India” বা ভাৰতৰ শিক্ষিত দেশীয় লোক, ইয়াৰ দ্বাৰা দেশীয় শিক্ষাৰ নে পাশ্চাত্য শিক্ষাৰে শিক্ষিত লোকৰ কথা কোৱা হৈছে সেই সম্পৰ্কে স্পষ্টতা নাই। ইয়াৰ উপৰিও অন্য এযাৰি বাক্য revival and improvement of literature অৰ্থাৎ ভাষা সাহিত্যৰ পুনৰ্বতন আৰু বিকাশ সাধন মানে কোন সাহিত্যৰ কথা কৈছে - ইংৰাজী নে দেশীয় সাহিত্য সি আছিল অনুমানৰ ওপৰতে নিৰ্ভৰশীল। ফলত এই সকলোবোৰ বিতৰ্কৰ সৃষ্টিত অৰিহণা আগবঢ়াইছিল।

বিবাদৰ অন্য এটা প্ৰধান কাৰণ আছিল সেই সময়ত কোম্পানীৰ শিক্ষানীতি সম্বন্ধীয় গুৰুত্বপূৰ্ণ বিষয়বস্তুসমূহৰ তৎকালে সিদ্ধান্ত ল'ব পৰা কৰ্তৃত্বশীল বিষয়া বা কৰ্তৃপক্ষৰ অভাৱ আছিল। উপৰোক্ত বিষয়সমূহৰ ওপৰত নিৰ্ভৰ কৰি যি বিবাদৰ সৃষ্টি হয় সেই বিবাদ প্ৰায় দীৰ্ঘদিন চলে। অৱশেষত গভৰ্ণৰ জেনেৰেলে ১৮২৩ চনত জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাক্চন গঠন কৰে আৰু ১ লাখ টকা খৰচৰ দায়িত্ব আৰোপ কৰে। ইয়াৰ পাঁচজন সদস্য প্ৰাশ্চ্য শিক্ষাত সম্পৰ্কে আৰু পাঁচজন সদস্যই প্ৰাশ্চাত্য শিক্ষা সম্পৰ্কে মত পোষণ কৰে। ইংৰাজী সাহিত্য আৰু বিজ্ঞানৰ সমৰ্থনসকলৰ ইংৰাজ দল বা Abglicist Party আৰু পূব”দেশৰ অৰ্থাৎ ভাৰতীয় ভাষা সাহিত্য বিজ্ঞানৰ সমৰ্থকসকলৰক প্ৰাচ্য দল বা Orientalist Party বুলি আখ্যা দিয়া হয়। এই দুয়োদলৰ মাজত হোৱা বিবাদক বিখ্যাত প্ৰাশ্চ্য আৰু প্ৰাশ্চাত্যৰ বাক বিতণ্ডা (Anglicist Orientalist controversy) বুলি কোৱা হয়। এই বিবাদ ১৮২৩ চনৰ পৰা ১৮৩৫ চনলৈকে প্ৰায় ১২ বছৰ কাল চলি থাকিল।

**বিবাদৰ বিষয় ঃ** আমি ইতিমধ্যে বিবাদৰ কাৰণসমূহৰ সম্পৰ্কে আলোচনা কৰিলোঁ। এই বিবাদৰ কাৰণসমূহ কিছুমান নিৰ্দিষ্ট বিষয়বস্তুৰ লগত জড়িত হৈ আছিল। যেনে ধৰা শিক্ষাৰ উদ্দেশ্য বা লক্ষ্য কি হ'ব, শিক্ষাৰ দায়িত্ব কোনে গ্ৰহণ কৰিব, শিক্ষাদানৰ পদ্ধতি কি হ'ব ইত্যাদি। আহাচোন এতিয়া আমি এই বিষয়সমূহৰ সম্পৰ্কে

থূলমূলকৈ আলোচনা কৰো।

**১) শিক্ষাৰ উদ্দেশ্য ঃ** ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ ৪৩ নং দফাটোত সাহিত্যৰ পুনৰজীৱন আৰু উন্নতিৰ (Revival and omprovement of literature) কথা কওঁতে কোন সাহিত্যৰ কথা কৈছে অৰ্থাৎ ভাৰতীয়নে ইংৰাজী তাৰ স্পষ্ট উল্লেখ নাছিল। থিক এনেদৰে বিজ্ঞান শিক্ষাৰ প্ৰৱৰ্তন আৰু উন্নয়ন (Introduction and promotion of knowledge of science) বোলোঁতে ভাৰতীয় বিজ্ঞান নে পশ্চিমীয়া বিজ্ঞানৰ তাৰো কোনো সুস্পষ্ট ধাৰণা দিয়া হোৱা নাছিল। এই সকলোবোৰ অস্পষ্ট আৰু অনিৰ্দিষ্ট ধাৰণাই বিবাদত অৰিহণা আগবঢ়ায়। কোম্পানীৰ জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাকচনত থকা প্ৰাচ্য শিক্ষাৰ সমৰ্থনকাৰীসকলে মত দিয়ে যে ভাৰতীয় ভাষা সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশ কৰাটো শিক্ষাৰ লক্ষ্য হ'ব লাগে। পাশ্চাত্য শিক্ষাৰ সমৰ্থনকাৰীসকলে মত প্ৰকাশ কৰে যে ইউৰোপীয় জ্ঞান বিজ্ঞানৰ প্ৰয়োগৰ যোগেদি ভাৰতীয় শিক্ষা আধুনিকীকৰণ কৰাটো শিক্ষাৰ লক্ষ্য হ'ব লাগে। অন্যহাতেদি আন এটা গোটে মত প্ৰকাশ কৰে যে কোম্পানীৰ অধীনত চাকৰি কৰিব পৰাটোহে শিক্ষাৰ কাৰ্যকৰী লক্ষ্য হ'ব লাগে।

**২) শিক্ষাৰ মাধ্যম ঃ** শিক্ষাদানৰ মাধ্যম সম্পৰ্কেও বাক বিতণ্ডা সৃষ্টি হোৱা পৰিলক্ষিত হয়। শিক্ষাদানৰ মাধ্যম অৰ্থাৎ ভাষা সম্পৰ্কে তিনিটা প্ৰধান মতামত পৰিলক্ষিত হয়। প্ৰাচ্য শিক্ষাৰ সমৰ্থনকাৰীসকলৰ মতে 'Literature' শব্দটোৱে মূলত প্ৰাচীন ভাৰতীয় ভাষাকহে বুজাইছে। সেয়েহে শিক্ষাৰ মাধ্যম সংস্কৃত অথবা আৰবী হ'ব লাগে। আনহাতে পাশ্চাত্যপন্থী দলটোৱে ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম হোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁলোকে মত পোষণ কৰিছিল যে ইংৰাজী ভাষা এটা উন্নত ভাষা। ইয়াৰ উপৰিও বিজ্ঞান শিক্ষাৰ উন্নতিৰ কাৰণে ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম হোৱাটো অত্যন্ত প্ৰয়োজনীয়। তৃতীয় দলটোৱে আধুনিক ভাৰতীয় ভাষাৰ (Modern Indian Language) ওপৰত গুৰুত্ব প্ৰদান কৰিছিল।

**৩) শিক্ষাৰ দায়িত্ব ঃ** শিক্ষাৰ মাধ্যমৰ দৰে দায়িত্ব সম্পৰ্কেও তিনিটা প্ৰধান মত পাৰ্থক্য সেই সময়ত পৰিলক্ষিত হয়। ইয়াতো এটা মতবাদত কোৱা হয় যে যিহেতু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত প্ৰশাসনৰ দায়িত্ব গ্ৰহণ কৰিছে সেয়ে শিক্ষাৰ দায়িত্ব তেওঁলোকে ল'ব লাগে। দ্বিতীয়টো মত আছিল যে কোম্পানী অহাৰ আগৰে পৰা

মিছনেৰীসকলে শিক্ষাৰ প্ৰসাৰ আৰু উন্নতি সাধনৰ কাৰণে কাম কৰি আহিছে সেয়ে শিক্ষাৰ দায়িত্ব তেওঁলোকক প্ৰদান কৰাটো উচিত। অন্যহাতেদি তৃতীয়টো দলে মত প্ৰকাশ কৰে যে ভাৰতীয় লোকসকলহে শিক্ষা সংস্কৃতিৰ উত্তৰাধিকাৰী আৰু সেইবাবে তেওঁলোকে নিজে শিক্ষা পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিব লাগে।

**৪) শিক্ষাদানৰ পদ্ধতি ঃ** প্ৰাচ্য-প্ৰাশ্চাত্যৰ বিবাদৰ আন এটা প্ৰধান বিষয় আছিল শিক্ষাদানৰ পদ্ধতি কেনেধৰণৰ হ'ব। এই সম্পৰ্কে প্ৰধানকৈ দুটা মত পাৰ্থক্য পৰিলক্ষিত হয়। এটা দলৰ মতে যিহেতুকে ভাৰত এখন বিশাল দেশ সেয়ে সকলো ব্যক্তিকে শিক্ষা প্ৰদান কৰাতো সম্ভৱ নহয়। ইয়াৰ উপৰিও ১ লাখ টকাৰ দ্বাৰা সকলো ভাৰতীয় নাগৰিককে শিক্ষা দিয়াটো প্ৰায় অসম্ভৱ। সেয়ে এনে ক্ষেত্ৰত নিম্নগামী পৰিশ্ৰাৱণ নীতি (Downward Filteration Theory) প্ৰযোজ্য কৰাটো উপযুক্ত বুলি গণ্য কৰা হৈছিল। এই তত্ত্ব অনুসৰি পানী যেনেকৈ ওপৰৰ পৰা তললৈ বৈ যায় তেনেদৰে শিক্ষাও ভাৰতৰ উচ্চস্তৰৰ পৰা নিম্নস্তৰলৈ প্ৰদান কৰিব লাগে। সমাজৰ উচ্চস্তৰৰ লোকসকলক শিক্ষিত কৰি ল'ব পাৰিলে সি নিজে নিজে নিম্নস্তৰৰ সাধাৰণ লোকলৈ বিয়পি পৰিব।

কিন্তু আনটো দলে মত পোষণ কৰে যে এনে শিক্ষাৰ দ্বাৰা সমাজত পাৰ্থক্য সৃষ্টি হয়। সমাজৰ উচ্চশ্ৰেণীৰ ব্যক্তিসকলে শিক্ষাক নিজৰ একচেতিয়া অধিকাৰ হিচাপে গণ্য কৰিব যাৰ ফলত সমাজত বিভেদৰ সৃষ্টি হয়। সাধাৰণ শ্ৰেণীৰ লোকে কেতিয়াও শিক্ষাৰ পোহৰ লাভ নকৰিব।

ওপৰৰ আলোচনাৰ পৰা বুজা গৈছে যে সেই সময়ত ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ বিভিন্ন দিশৰ ওপৰত বিবাদৰ সৃষ্টি হয় আৰু যাৰ ফলত পৰিস্থিতি অত্যন্ত জটিল হৈ পৰে। জেনেৰেলে কমিটি অব পাব্লিক ইনষ্ট্ৰাক্চনৰ নিজৰ ১০ জনীয়া সদস্যৰ মাজত হোৱা বিবাদ প্ৰায় ১২ বছৰ চলি থাকে। যাৰ ফলস্বৰূপে চৰকাৰে চাৰ্টাৰ আইনৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা ১ লাখ টকা খৰচৰ পৰা বিৰত থাকে।

**আত্ম মূল্যায়ন - (ঘ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলত তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সাম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) চাৰ্টাৰ আইনৰ দুটা গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰা।

..................................................................

..................................................................

..................................................................

২) প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ দুটা বিষয় উল্লেখ কৰা।

..................................................................

..................................................................

..................................................................

**২.৩.৩ মেকলেৰ প্ৰতিবেদন ঃ**

লৰ্ড মেকলে ১৮৩৪ চনত গৰ্ভৰ্ণৰ জেনেৰেলৰ প্ৰশাসনীয় পৰিষদৰ আইন উপদেষ্টা স্বৰূপে ভাৰতলৈ আহিছিল। ইংৰাজী ভাষা সাহিত্যৰ ওপৰত তেওঁৰ গভীৰ জ্ঞান থকাৰ উপৰিও তেওঁ আছিল এজন তাৰ্কিক আৰু আইনজ্ঞ। তেওঁ যেতিয়া ভাৰতলৈ আহিছিল তেতিয়া প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ তুংগত আছিল। লৰ্ড বেণ্টিংকে মেকলেৰ দক্ষতা আৰু যোগ্যতাৰ কাৰণে জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাকচনৰ অধ্যক্ষ নিয়োগ কৰে। অৱশ্যে তেওঁ প্ৰথমতেই পদ গ্ৰহণ কৰা নাছিল। কিয়নো তেওঁ ভালকে জানিছিল বিবাদ নিষ্পত্তি কৰিবৰ কাৰণে অৱশেষত বিষয়টো তেওঁৰ হাতলৈ আহিব। অৱশেষত ১৮৩৫ চনৰ ২ ফেব্ৰুৱাৰীত প্ৰাচ্যবাদীসকলৰ মতৰ বিৰুদ্ধে নিজস্ব মত পোষণ কৰি তেওঁ বিখ্যাত মাইনুট প্ৰস্তুত কৰি উলিয়ায়। যাক মেকলেৰ প্ৰতিবেদন বুলি কোৱা হয়। এই প্ৰতিবেদনৰ দ্বাৰা উপৰোক্ত প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ মীমাংসা কৰা হয়। এই প্ৰতিবেদনৰ কেতবোৰ বিশেষ সীদ্ধান্ত তলত আলোচনা কৰা হ'ল-

**১) সাহিত্য শব্দৰ অৰ্থ ঃ** মেকলে প্ৰথমে ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ Literature বা সাহিত্য শব্দটোৰ অৰ্থ সুনিৰ্দিষ্ট কৰে। কিয়নো প্ৰাচ্য-পাশ্চাত্যৰ বিবাদত এই শব্দটোৱে যথেষ্ট অৰিহণা আগবঢ়াইছিল। তেওঁ মত পোষণ কৰে যে Literature বা সাহিত্য শব্দটোৱে সংস্কৃত বা আৰবী সাহিত্যৰ বিপৰীতে ইংৰাজী সাহিত্যকহে বুজাইছে। ইয়াৰ উপৰিও Learned natives of India বা শিক্ষিত ভাৰতীয় লোকৰ অৰ্থ হৈছে সেইসকল ভাৰতীয় যি ইউৰোপৰ লকৰ (Locke) দৰ্শন মিলটনৰ (Milton) কবিতা জানে। ভাৰতত সাহিত্য আৰু বিজ্ঞানৰ বিকাশ কেৱল এই ইংৰাজী ভাষাৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে।

**২) শিক্ষাদানৰ মাধ্যম সম্পৰ্কে ঃ** তোমালোকে প্ৰাচ্য-পাশ্চাত্যৰ বিবাদত শিক্ষাদানৰ মাধ্যম সম্পৰ্কে তিনিটা প্ৰধান মতভেদ পঢ়ি আহিছা। এই মাধ্যম সম্পৰ্কে হোৱা বিবাদ মীমাংসা কৰিবৰ কাৰণে মেকলে ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ মত পোষণ কৰে যে পৃথিৱীৰ যিকোনো ভাষাতকৈ ইংৰাজী ভাষা অধিক বিকশিত আৰু ব্যৱহাৰযোগ্য। ইয়াৰ লগতে তেওঁ যুক্তি প্ৰদান কৰে যে যি ব্যক্তিয়ে ইংৰাজী ভাষা জানে তেওঁ পৃথিৱীৰ বুদ্ধিজীৱীসকলে আগবঢ়োৱা ব্যাপক পৰিসৰৰ বৌদ্ধিক সম্পদ আহৰণ কৰিব পাৰে। ইংৰাজী ভাষা শাসকসকলৰ ভাষা সেয়ে ভাৰতৰ উচ্চ শ্ৰেণীৰ ই আদৰৰ ভাষা হৈ পৰিছে। যি দেশৰ বাণিজ্যৰো মাধ্যম। শিক্ষিত ভাৰতীয় লোকসকলে ইংৰাজী ভাষা যে বিচাৰে তাৰ উদাহৰণ হ'ল - ইংৰাজী ভাষাত প্ৰকাশিত গ্ৰন্থ ভাৰতত প্ৰচুৰ বিক্ৰী হয় আৰু তাৰ দ্বাৰা প্ৰচুৰ লাভ অৰ্জন কৰা হয়। অৰ্থাৎ ইংৰাজী ভাষা ভাৰতীয় সকলে মনেৰে বিচাৰে। তেওঁ কয় যে ভাৰতীয়সকলৰ বাবে যি মুখৰুচক তাক দিয়াৰ পৰিৱৰ্তে তেওঁলোকৰ স্বাস্থ্যৰ বাবে যি উপযুক্ত তাক দিয়াটোহে ইংৰাজসকলৰ কৰ্তব্য। অৰ্থাৎ ইংৰাজী ভাষাৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলৰ মানসিক বিকাশ হোৱাৰ সম্ভাৱনীয়তা আছে। এই সকলোবোৰ যুক্তিৰ দ্বাৰা মেকলে শিক্ষাদানৰ মাধ্যম হিচাপে ইংৰাজী ভাষাক প্ৰতিস্থা কৰে।

**৩) প্ৰাচ্য ভাষা সাহিত্য সম্বন্ধে ঃ** মেকলেই প্ৰাচ্য ভাষা সাহিত্যৰ অধ্যয়নৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিল। পৌৰাণিক আৰু আধুনিক ভাৰতীয় ভাষাসমূহৰ সমালোচনা কৰি তেওঁ কৈছিল যে ভাৰতীয় ভাষাৰ সমগ্ৰ কিতাপবোৰ ইউৰোপৰ গ্ৰন্থাগাৰৰ এটা চেল্ফৰ কেইখনমান ভাল কিতাপৰ সমানে মূল্যবান। তেওঁ ভাৰতীয় সাহিত্য আৰু ইয়াৰ অধ্যয়ন সম্পূৰ্ণৰূপে বন্ধ কৰাৰ পোষকতা কৰিছিল। লগতে তেওঁ কয় যে ভাৰতীয় ভাষাৰ শিক্ষানুষ্ঠান প্ৰতিস্থা কৰি আৰু পুৰণি সাহিত্য গ্ৰন্থ প্ৰকাশ কৰি একো সুফল পোৱা নাযায়। এই ধন ইয়াৰ পিছৰ পৰা কেৱল ইংৰাজী সাহিত্যৰ বাবেহে খৰছ কৰা প্ৰয়োজন। তদুপৰি হিন্দু আৰু মুছলমানসকলৰ আইনৰ পৰামৰ্শসমূহ চৰকাৰে ইংৰাজী ভাষলৈ তৰ্জমা কৰা দৰকাৰ।

**৪) শিক্ষাৰ উদ্দেশ্য আৰু লক্ষ্য ঃ** মেকলেৰ প্ৰতিবেদনৰ দ্বাৰা তেওঁৰ শিক্ষাৰ লক্ষ্য সম্পূৰ্ণ নিৰ্দিষ্ট হৈ পৰে। তেওঁৰ মতে শিক্ষাৰ দ্বাৰা এনে এচাম ব্যক্তি প্ৰস্তুত

কৰিব লাগে যি চৰকাৰ আৰু সাধাৰণ জনসাধাৰণৰ মাজত মধ্যস্থতাকাৰী হিতাপে কাম কৰে। এই চাম লোক যদিও তেজ মঙহৰ দ্বাৰা ভাৰতীয় কিন্তু ৰুচি, অভিৰুচি, চিন্তাধাৰা, বুদ্ধি, মূল্যবোধ আদি দিশত সম্পূৰ্ণৰূপে ইংৰাজৰ দৰে হ'ব। অৰ্থাৎ দৈহিকভাৱে ভাৰতীয় কিন্তু মানসিক দিশত ইংৰাজ হ'ব।

**৫) শিক্ষাদানৰ পদ্ধতি সম্বন্ধে ঃ** মেকলেই বিখ্যাত নিম্ন পৰিশ্ৰাৱন নীতিৰ পোষকতা কৰিছিল। যাৰ সম্বন্ধে আমি প্ৰাচ্য-পাশ্চাত্যৰ বিবাদত ইতিমধ্যে অধ্যয়ন কৰি আহিলোঁ। অৰ্থাৎ মেকলে সাৰ্বজনীন শিক্ষাৰ বিপৰীতে মুষ্টিমেয় কিছুমান ব্যক্তিক শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। এই ব্যক্তিসকলে জনসাধাৰণ আৰু শাসক বৰ্গৰ মাজত যোগসূত্ৰ হিতাপে কাম কৰিব বুলি আশা কৰিছিল। হিমাচল পৰ্বতৰ পৰা পানী নিগৰি পৰি নদী উপত্যকাইদি বৈ আহি ভাৰত মহাসাগৰত পৰে সেইদিৰে এইসকল লোক শিক্ষিত হৈ উঠি সাধাৰণ লোকক শিক্ষা প্ৰদান কৰিব।

ওপৰৰ আলোচনাৰ পৰা তোমালোকে নিশ্চয় বুজিব পাৰিছা যে ভাৰতীয় শিক্ষাৰ বিতৰ্কমূলক দিশকেইটাত মেকলেই সিদ্ধান্ত গ্ৰহণ কৰিছিল। তেওঁৰ এই প্ৰতিবেদনক সেয়ে ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত মাইলৰ খুটি, দিশ দৰ্শনকাৰী আদি শব্দৰ দ্বাৰা বৰ্ণনা কৰা হয়। আহাচোন আমি এতিয়া এই প্ৰতিবেদনে আধুনিক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানসমূহক চালি-জাৰি চাওঁ--

যদি আমি গভীৰভাৱে লক্ষ্য কৰোঁ তেন্তে দেখিম যে ভাৰতীয় শিক্ষা আধুনিকীকৰণত মেকলেৰ প্ৰতিবেদন উল্লেখযোগ্য। সেয়েহে তেওঁক প্ৰগতিৰ পথৰ বন্তিবাহক (Torch bearer in the path of progress) বুলি আখ্যা দিয়া হয়। অন্য কিছুমানে মত প্ৰকাশ কৰে যে মেকলে ইংৰাজী ভাষা সাহিত্য ভাৰতীয় লোকৰ মাজত জোৰ কৰি আৰোপ কৰিছিল। কিন্তু ভাৰতীয়সকলৰ মাজত পূৰ্বৰ পৰাই ইংৰাজী ভাষা সাহিত্যৰ প্ৰতি আকৰ্ষণ আছিল। আনকি ৰাজা ৰামমোহন ৰায়ৰ দৰে চিন্তাশীল ব্যক্তিয়ে ইংৰাজী ভাষা সাহিত্যৰ পোষকতা কৰিছিল। তেওঁ আনকি ১৮২১ চনত কলিকতাত স্থাপন হোৱা সংস্কৃত কলেজ বন্ধ কৰাৰ মত পোষণ কৰিছিল। ৰাজা ৰামমোহন ৰায়ৰ দৰে ব্যক্তিসকলে উপলব্ধি কৰিছিল যে ভাৰতৰ দেশীয় ভাষা সাহিত্যই সমাজৰ আশানুৰূপ বিকাশ আৰু প্ৰগতিৰ সূচনা কৰিব নোৱাৰে। আধুনিক জ্ঞান বিজ্ঞানৰ পোহৰ পাবলৈ হ'লে ইংৰাজী ভাষাৰ জ্ঞান অত্যন্ত প্ৰয়োজনীয়। সেয়ে

আমি কেৱল মেকলেক জগৰীয়া কৰিব নোৱাৰো। তেওঁ মাথো সময় সাপেক্ষে দ্ৰুতভাৱে সিদ্ধান্ত গ্ৰহণ কৰিছিল। যাৰ ফলস্বৰূপে প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ নিষ্পত্তি হৈছিল।

কিন্তু মেকলে সমস্যা সমাধান কৰিবলৈ গ্ৰহণ কৰা সকলো চিন্তাধাৰা শুদ্ধ বুলি ক'ব নোৱাৰো। বিশেষকৈ ভাৰতীয় সাহিত্যৰ প্ৰতি যি কটু মন্তব্য আগবঢ়াইছিল সি সমূলি গ্ৰহণযোগ্য নহয়। তেওঁ মত পোষণ কৰিছিল যে ইংলেণ্ডৰ গ্ৰন্থাগাৰৰ এটা আলমাৰিত থকা কেইখনমান গ্ৰন্থ ভাৰতীয় সমগ্ৰ সাহিত্যতকৈ বেছি মূল্যবান। এনে দৃষ্টিভংগীৰ দ্বাৰা তেওঁৰ মনৰ সংকীৰ্ণতা আৰু অজ্ঞানতাক ভালকৈ বুজা যায়।

ইয়াৰ উপৰিও মেকলেৰ নিম্ন পৰিশ্ৰাৱন নীতি ভ্ৰান্তিমূলক আৰু অভিসন্ধিমূলক আছিল। কেইজনমান নিৰ্দিষ্ট লোকক শিক্ষাদান কৰি সকলো লোককে শিক্ষাদান কৰিব নোৱাৰি। বিশেষকৈ গ্ৰামাঞ্চলত বাস কৰা লোকসকলৰ কাৰণে এই নীতি মুঠেই গ্ৰহণযোগ্য নহয়। এই এচাম শিক্ষিত উচ্চবৰ্গৰ লোকৰ দ্বাৰা শিক্ষাদান কৰা হ'ব বুলি আশা কৰিব নোৱাৰো। ইংৰাজীভাষাৰে শিক্ষিত লোকসকল কেৱল নগৰমুখী হোৱাৰ প্ৰৱণতা পৰিলক্ষিত হৈছিল। এনেধৰণৰ নগৰমুখী চিন্তাধাৰা বৰ্তমানো পৰিলক্ষিত হোৱা দেখা পোৱা যায়।

শেষত আমি ক'ব পাৰোঁ যে মেকলেৰ প্ৰতিবেদনৰ দ্বাৰা যদিও ভাৰতীয় ভাষা সংস্কৃতি প্ৰতিকূলতাৰ সন্মুখীন হয় কিন্তু ভাৰতীয় শিক্ষিত শ্ৰেণী লোকৰ মন ই আধুনিকীকৰণ কৰি তুলিব পাৰিলে।

**২.৩.৪ বেণ্টিংকৰ প্ৰতিবেদন ঃ**

তোমালোকে বুজিব পাৰিছা যে ইংৰাজে বাণিজ্যিক উদ্দেশ্যৰে ভাৰতৰ বিভিন্ন অঞ্চল এখন এখনকৈ দখল কৰিছিল। যাৰ ফলস্বৰূপে তেওঁলোকৰ প্ৰশাসনীক কাৰ্য পৰিধি বৃদ্ধি হোৱাৰ লগতে প্ৰশাসনীয় নীতিসমূহৰো পৰিৱৰ্তনৰ প্ৰয়োজন হৈছিল। সেই অনুসৰি বম্বে, মাদ্ৰাজ আৰু বংগত প্ৰশাসনীয় কেন্দ্ৰ স্থাপন কৰা হয়। ১৮০৬ চনত বেণ্টিংকক মাদ্ৰাজৰ গৱৰ্ণৰ জেনেৰেল হিচাপে নিযুক্তি প্ৰদান কৰা হয়। ১৮২৮ চনত লৰ্ড বেণ্টিংকক সমগ্ৰ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হিচাপে নিযুক্তি দিয়া হয়। বেণ্টিংক আছিল এজন যোগ্য প্ৰশাসক, সমাজ সংস্কাৰক আৰু শিক্ষানীতি নিৰ্দ্ধাৰক। তেওঁ ভাৰতত সতীদাহ প্ৰথা অন্ত পেলাবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছিল। ইয়াৰ

উপৰিও কন্যা সন্তান হত্যা, ঠগসকলৰ অত্যাচাৰ আদিৰ দৰে সামাজিক কুপ্ৰথাৰ অন্ত পেলায়। তেওঁ বৃত্তীয় আৰু প্ৰশাসনীয় দিশৰো অভাৱনীয় সংস্কাৰ সাধন কৰে। শিক্ষাৰ দিশতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

বেণ্টিংকে প্ৰাচ্য-পাশ্চাত্য বিবাদৰ পুনৰ মূল্যাংকনৰ বাবে আৰু বিবাদ মীমাংসাৰ কাৰণে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। লৰ্ড বেণ্টিংকে ১৮৩৪ চনত মেলেক জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাকচনৰ অধ্যক্ষ পদত নিযুক্তি দিয়ে। তেওঁ মেকলেক ১৮১৩ চনৰ আইনখনৰ বিধিগত পৰামৰ্শ আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। ১৮৩৫ চনৰ ২৪ ফেব্ৰাৰীত মেকলেই তেওঁৰ নিৰ্দেশ অনুসৰি প্ৰতিবেদন দাখিল কৰে। লৰ্ড বেণ্টিংক মেকলেৰ প্ৰতিবেদনৰ দ্বাৰা প্ৰভাৱিত হয় আৰু বিনা দ্বিধাৰে গ্ৰহণ কৰে। শেষলৈ এই প্ৰতিবেদনকে ১৮৩৫ চনৰ ৭ মাৰ্চত শিক্ষানীতি হিচাপে গ্ৰহণ কৰা হয়। এই শিক্ষানীতিয়ে ভাৰতৰ ইংৰাজী শিক্ষাৰ ভেটি অধিক কটকটীয়া কৰাৰ লগতে দেশীয় ভাষা সাহিত্য আৰু শিক্ষা ব্যৱস্থাৰ ওপৰত চৰকাৰী প্ৰতিবন্ধকতা আৰোপ কৰা হয়। এই প্ৰতিবেদনত আগবঢ়োৱা পৰামৰ্শাৱলী আলোচনা কৰোঁ আহাঁ -

(ক) বৃটিছ চৰকাৰৰ মূল উদ্দেশ্য আছিল ভাৰতত ইউৰোপীয় ভাষা সাহিত্যৰ বিকাশ সাধন কৰা। সেয়েহে শিক্ষাৰ ক্ষেত্ৰত ব্যয় কৰা সকলো ধন কেৱল ইংৰাজী শিক্ষাত ব্যয় কৰা উচিত। দেশীয় শিক্ষাৰ জৰিয়তে তেওঁলোকৰ উদ্দেশ্য পূৰণ নহব সেই কথা তেওঁলোকে ভালদৰে বুজি পাইছিল।

(খ) অৱশ্যে এই নীতিৰ দ্বাৰা প্ৰাচ্যৰ শিক্ষানুষ্ঠানসমূহ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া চৰকাৰৰ উদ্দেশ্য নাছিল। শিক্ষকৰ মাহিলী দৰমহা আৰু ছাত্ৰসকলৰ বৃত্তি বা জলপানি পূৰ্বৰ দৰেই দি থকা হ'ব বুলি এই শিক্ষা নীতিৰ দ্বাৰা স্থিৰ কৰা হয়। লগতে এই কথাও উনুকীয়াই দিয়ে যে কোনো নতুন ছাত্ৰক ছাত্ৰ বৃত্তি দিয়া নহ'ব। শিক্ষকৰ পদ খালি হ'লে এই শিক্ষানুষ্ঠানসমূহে চৰকাৰক জনাব লাগিব।

(গ) গভৰ্ণৰ জেনেৰেলে মত প্ৰকাশ কৰে যে ভৱিষ্যতে প্ৰাচ্যৰ সাহিত্যৰ গ্ৰন্থ প্ৰকাশ কৰা নহ'ব। কিয়নো ইয়াৰ দ্বাৰা চৰকাৰী ধনৰ অপচয় কৰা হয়। সেয়ে ভৱিষ্যতে অপচয় ৰোধ কৰিবৰ কাৰণে প্ৰাচ্যৰ সাহিত্য গ্ৰন্থ প্ৰকাশ বন্ধ কৰা অত্যন্ত প্ৰয়োজনীয়।

(ঘ) গভৰ্ণৰ জেনেৰেলে নিৰ্দেশ দিয়ে যে প্ৰাচ্য ভাষা-সাহিত্যৰ গ্ৰন্থ প্ৰকাশ বন্ধ কৰিলে এক নিৰ্দিষ্ট পৰিমাণৰ ধন ৰাহি হ'ব। এই সঞ্চিত ধন কেৱল ইংৰাজী ভাষা,

সাহিত্য আৰু বিজ্ঞানৰ বিকাশত খৰচ কৰা হ'ব। যাৰ ফলস্বৰূপে ভাৰতীয়সকল যথেষ্ট পৰিমাণে উপকৃত হ'ব। ইয়াৰ বাবে কমিটিয়ে উপযুক্ত আচনি প্ৰস্তুত কৰি তুলিব।

ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত বেণ্টিংকৰ শিক্ষানীতি হ'ল প্ৰথম চৰকাৰী ঘোষণা পত্ৰ। মেকলেৰ প্ৰতিবেদনৰ পেৰত ভিত্তি কৰি গঢ়ি উঠা এই প্ৰতিবেদনে প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ অন্ত পেলাবলৈ প্ৰচেষ্টা হাতত লৈছিল। যদিও এই প্ৰতিবেদনৰ দ্বাৰা সাময়িকভাৱে বিবাদ সাম কাটে কিন্তু সম্পূৰ্ণৰূপে বিবাদৰ মীমাংসা কৰাত বিফল হয়। এই প্ৰতিবেদনৰ দ্বাৰা পাশ্চাত্যৰ ভাষা, শিক্ষা আৰু বিজ্ঞানৰ উদগনী যোগোৱা হয়। যাৰ ফলস্বৰূপে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ সংখ্যা বঢ়াৰ লগতে পাশ্চাত্য ভাষা শিক্ষাৰ শিক্ষিত লোকৰ সংখ্যাও বৃদ্ধি পায়। অন্যহাতেদি প্ৰাচ্যৰ ভাষা সংস্কৃতিৰ সাধৰসকলক অৱহেলা কৰা হয়।

**আত্ম মূল্যায়ন - (ঘ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলত তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সাম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) লৰ্ড মেকলে কোন আছিল ?

..........................................................................

২) মেকলে প্ৰতিবেদনৰ দুটা সিদ্ধান্ত চমুকৈ লিখা।

..........................................................................

..........................................................................

৩) বেণ্টিংকৰ প্ৰতিবেদন কেতিয়াৰ পৰা শিক্ষা নীতি হিচাপে গ্ৰহণ কৰা হয়?

..........................................................................

## ২.৩.৫ উদৰ প্ৰতিবেদন ঃ

মেকলেৰ প্ৰতিবেদন আৰু উইলিয়াম বেণ্টিংকৰ শিক্ষাসম্পৰ্কীয় প্ৰস্তাৱৰ যোগেদি ভাৰতত শিক্ষা সম্পৰ্কীয় সুনিৰ্দিষ্ট বিকাশৰ আশা কৰা হৈছিল। যদিও বাস্তৱত এই আশা পূৰণ নহ'ল। বেণ্টিংকৰ শিক্ষা নীতিৰ ২০ বছৰ পাছতো শিক্ষাৰ মাধ্যম, পদ্ধতি, প্ৰক্ৰিয়া আদি সম্পৰ্কত জটিলতাৰ ওৰ নপৰিল। ১৮৫৩ চনৰ অনুমতি পত্ৰ নবীকৰণৰ সময়ত বৃটিছ চৰকাৰে উপলব্ধি কৰিলে যে শিক্ষা সম্পৰ্কীয় নীতিৰ

ব্যাপক নবীকৰণৰ প্ৰয়োজনীয়। কিয়নো ভাৰতত আৰ্থ সামাজিক, ৰাজনৈতিক আদি দিশত গুৰুত্বপূৰ্ণ পৰিৰৰ্তন সাধন হৈছে। সেই উদ্দেশ্য আগত ৰাখি বৃটিছ পাৰ্লিয়ামেণ্টে কেইজনমান নিৰ্বাচিত সদস্যৰ দ্বাৰা এখন কমিটি গঠন কৰে। এই কমিটিয়ে ভাৰতলৈ আহি পৰিস্থিতি বিশ্লেষণ কৰাৰ লগতে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ লগত জড়িত ব্যক্তি যেনে - পেৰী, উইলচন, মাৰ্ছমেন আদি বিভিন্ন ব্যক্তিক লগ ধৰে। এই কমিটিয়ে ইংলেণ্ডলৈ ঘূৰি গৈ প্ৰতিবেদন দাখিল কৰে। সেই সময়ত ভাৰতৰ বৰ্ড অব কণ্ট্ৰোলৰ অধ্যক্ষ আছিল চাৰ্লছ উড। তেওঁ কমিটিৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি শিক্ষা বিকাশৰ চৰকাৰী পত্ৰ ১৮৫৪ চনৰ ১৯ জুলাইত প্ৰকাশ কৰে আৰু গভৰ্ণৰ জেনেৰেললৈ প্ৰেৰণ কৰে। ইয়াকে উডৰ প্ৰতিবেদন নামে জনা যায়। এই প্ৰতিবেদনত শিক্ষাৰ প্ৰয়োজনীয় সকলো দিশকে সাঙুৰি লোৱা হৈছিল। ভাৰতীয় শিক্ষা ইংৰাজসকলৰ দ্বাৰা আধুনিকীকৰণত ই প্ৰথম আৰু প্ৰধান পদক্ষেপ হিচাপে অভিহিত কৰিব পাৰি। ইয়াৰ পৰামৰ্শাৱলীসমূহ তলত আলোচনা কৰা হ'ল -

**১) ভাৰতীয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্বন্ধে ঃ** এই প্ৰতিবেদনৰ প্ৰথমতেই শিক্ষাৰ উদ্দেশ্য আৰু লক্ষ্য সুনিৰ্দিষ্ট কৰি দিয়ে। পূৰ্বৰ প্ৰতিবেদনসমূহ অধ্যয়ন কৰি তোমালোকে নিশ্চয় বুজিছা যে ইংৰাজ চৰকাৰৰ মূখ্য উদ্দেশ্য আছিল শিক্ষাৰ জৰিয়তে এচাম ইংৰাজী ভাষা সংস্কৃতিৰ জ্ঞান থকা কেৰাণী মহৰীৰ সৃষ্টি কৰা। কিন্তু উডৰ এই প্ৰতিবেদনত মত প্ৰকাশ কৰা হয় যে শিক্ষাৰ দ্বাৰা কেৱল মানসিক আৰু বৌদ্ধিক বিকাশ সাধন নকৰি নৈতিক চৰিত্ৰ গঠনৰ লগতে অৰ্থনৈতিক অৱস্থাও সুচল কৰিব লাগে। তদুপৰি ভাৰতীয় জ্ঞানৰ লগত উন্নত পাশ্চাত্য জ্ঞানৰ সংমিশ্ৰণ ঘটাব লাগিব।

**২) শিক্ষাৰ দায়িত্ব গ্ৰহণৰ সম্বন্ধে ঃ** প্ৰাচ্য-পাশ্চাত্য বিবাদত তোমালোকে নিশ্চয় মন কৰিছা যে শিক্ষাৰ দায়িত্ব কোনে গ্ৰহণ কৰিব সেই সম্পৰ্কে ব্যাপক মতানৈক্যৰ সৃষ্টি হৈছিল। উডৰ প্ৰতিবেদনে পোন প্ৰথমবাৰৰ কাৰণে মত প্ৰকাশ কৰে যে শিক্ষাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিব লাগে। চৰকাৰৰ বিভিন্ন দায়িত্বৰ ভিতৰত শিক্ষা প্ৰদান কৰাটো হৈছে অন্যতম। চৰকাৰে এই দায়িত্বক কেতিয়াও অৱহেলা কৰিব নোৱাৰে। কিয়নো শিক্ষাৰ দ্বাৰা যি মানৱ সম্পদ সৃষ্টি হয় তাৰ দ্বাৰা দেশৰ সৰ্বাংগীন বিকাশ সাধন হয়। এনে সম্পদৰ শিক্ষাৰ জৰিয়তে বিকাশ সুনিশ্চিত কৰিবৰ কাৰণে চৰকাৰে দায়িত্ব গ্ৰহণ কৰা অত্যন্ত প্ৰয়োজন।

**৩) শিক্ষাৰ মাধ্যম সম্বন্ধে ঃ** মেকলেৰ প্ৰতিবেদন, বেণ্টিংকৰ শিক্ষানীতিত তোমালোকে নিশ্চয় লক্ষ্য কৰিছা যে শিক্ষাৰ মাধ্যম হিচাপে কেৱল ইংৰাজী ভাষাকহে গুৰুত্ব প্ৰদান কৰা হৈছিল। কিন্তু উডৰ প্ৰতিবেদনত ইংৰাজীৰ লগতে দেশীয় ভাষাবোৰকো গুৰুত্ব দিয়া হয়। প্ৰতিবেদনত উল্লেখ কৰা হয় যে দেশীয় ভাষাৰ উপযুক্ত গ্ৰন্থ নথকাৰ বাবে এই ভাষা শিক্ষাৰ মাধ্যম কৰাত অসুবিধাৰ আছে। সেয়ে এনে ক্ষেত্ৰত ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাটো উচিত। কিন্তু কেৱল ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম হলে অপকাৰ সাধন হ'ব পাৰে সেয়ে সমান্তৰালভাৱে দেশীয় ভাষাকো ব্যৱহাৰ কৰা প্ৰয়োজন। ইংৰাজী ভাষা উপযুক্তভাৱে শিক্ষিত লোকসকলৰ মাজত ব্যৱহাৰ কৰিব পৰা হৈ উঠিছে। কিন্তু ইংৰাজী ভাষা সম্পৰ্কে অজ্ঞ অথবা উপযুক্তভাৱে ব্যৱহাৰ কৰিব নোৱাৰা ব্যক্তিসকলৰ কাৰণে দেশীয় ভাষা উপযোগী। ইউৰোপীয় সাহিত্য দেশীয় ভাষালৈ তৰ্জমা কৰি দেশীয় সাহিত্যৰো বিকাশ সাধন কৰিব পৰা যায়। প্ৰতিবেদনত মত প্ৰকাশ কৰা হয় যে দেশীয় আৰু ইংৰাজী এই দুয়োটা শিক্ষাৰ মাধ্যম স্বৰূপে প্ৰয়োগ কৰা উচিত।

**৪) শিক্ষা বিভাগ স্থাপন সম্বন্ধে ঃ** এই প্ৰতিবেদনে পূৰ্বৰ প্ৰাদেশিক বৰ্ড আৰু শিক্ষা পৰিষদ বাতিল কৰি তাৰ ঠাইত শিক্ষা বিভাগ (Department of Public Instruction) গঠন কৰাত গুৰুত্ব আৰোপ কৰে। যাৰ ফলস্বৰূপে পাঞ্জাৱ, বেংগল, মাদ্ৰাজ, বম্বে, উত্তৰ পশ্চিম প্ৰদেশত একোটা শিক্ষা বিভাগ স্থাপন কৰা হয়। মুঠ পাঁচটা শিক্ষা বিভাগ নতুনকৈ স্থাপন কৰা হয়। এই প্ৰত্যেকটো বিভাগত একোজনকৈ বিভাগীয় শিক্ষাধিকাৰ বা শিক্ষাসঞ্চালক থাকিব। তেওঁক সহায় কৰিবৰ কাৰণে এজন উপসঞ্চালক আৰু স্কুল পৰিদৰ্শক নিযুক্তিৰো পৰামৰ্শ প্ৰদান কৰে। এই শিক্ষা বিভাগে নিজ নিজ শিক্ষাৰ অগ্ৰগতিৰ বছেৰেকীয়া প্ৰতিবেদনো দাখিল কৰিব।

**৫) বিশ্ববিদ্যালয় স্থাপন সম্বন্ধে ঃ** উডৰ প্ৰতিবেদনে ভাৰতত উচ্চ শিক্ষা বিকাশৰ কাৰণে বিশ্ববিদ্যালয় স্থাপন কৰাত গুৰুত্ব প্ৰদান কৰে। সেয়ে এই প্ৰতিবেদনে কলিকতা, মাদ্ৰাজ আৰু বম্বেত বিশ্ববিদ্যালয় স্থাপন কৰাত আগ্ৰহ প্ৰকাশ কৰে। এই বিশ্ববিদ্যালয়সমূহ লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপনৰ পৰামৰ্শ প্ৰদান কৰে। এই বিশ্ববিদ্যালয় পৰিচালনা কৰিবৰ কাৰণে চিনেট সভা থাকিব। এজন আচাৰ্য্য, উপাচাৰ্য্য আৰু চৰকাৰৰ মনোনীত সদস্যৰ দ্বাৰা চিনেট সভা গঠন কৰা হ'ব।

**৬) শিক্ষা পৰ্যায়কৰণ সম্বন্ধে ঃ** উডৰ প্ৰতিবেদনত মত পোষণ কৰা হয় যে শিক্ষাত সফলতা লাভ কৰাৰ কাৰণে শিক্ষা পৰ্যায়কৰণ হোৱাটো প্ৰয়োজনীয়। সেয়ে তেওঁ সমগ্ৰ শিক্ষাব্যৱস্থাক তিনিটা ভাগত ভাগ কৰে। ইয়াৰ প্ৰথম পৰ্যায়ত বিশ্ববিদ্যালয় আৰু ইয়াৰ সম্বন্ধিত কলেজ সমূহক অন্তৰ্ভূক্ত কৰা হয়। দ্বিতীয় পৰ্যায়ত ইংৰাজী আৰু আধুনিক ভাৰতীয় ভাষাৰ মাধ্যমিক বিদ্যালয় আৰু হাইস্কুলসমূহক অন্তৰ্ভুক্ত কৰা হয়। শেষত অৰ্থাৎ তৃতীয় পৰ্যায়ত প্ৰাথমিক স্কুলসমূহ অন্তৰ্ভুক্ত কৰা হয়। এই পৰ্যায়কৰণ ব্যৱস্থাৰ জৰিয়তে চৰকাৰে শিক্ষাৰ এক সুদৃঢ় ভেটি স্থাপন কৰে।

**৭) সহায়ক অনুদান সম্বন্ধে ঃ** এই প্ৰতিবেদনৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল সহায়ক অনুদান প্ৰদান কৰা সম্পৰ্কে দিয়া পৰামৰ্শ। কিয়নো ভাৰতত শিক্ষাৰ বিকাশৰ কাৰণে যে অনুদানৰ প্ৰয়োজন সেই কথা অনুভৱ কৰা হয়। সেয়ে এক উদাৰ নীতি গ্ৰহণ কৰি প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে সহায় অনুদান লাভ কৰিবৰ কাৰণে শিক্ষানুষ্ঠানসমূহৰ ওপৰত কিছুমান চৰ্ত আৰোপ কৰা হৈছিল। সেই চৰ্তবিলাক হ'ল -

(ক) শিক্ষানুষ্ঠানৰ শিক্ষা ব্যৱস্থা ধৰ্মনিৰপেক্ষ হব লাগিব।

(খ) স্থানীয় পৰিচালনা কমিটিৰ দ্বাৰা সুচাৰুৰূপে পৰিচালিত হব লাগিব।

(গ) চৰকাৰী পৰামৰ্শ আৰু আদেশ মানি চলিব লাগে।

(ঘ) ছাত্ৰ সকলৰ পৰা সামান্যভাৱে হলেও কৰ্তৃপক্ষই মাছুল আদায় কৰিব লাগিব।

**৮) শিক্ষক প্ৰশিক্ষণ সম্বন্ধে ঃ** প্ৰতিবেদনত শিক্ষক প্ৰশিক্ষণ সম্বন্ধে উপযুক্ত পৰামৰ্শ আগবঢ়ায়। কিয়নো সেই সময়ত শিক্ষক প্ৰশিক্ষণ ব্যৱস্থা নথকাৰ কাৰণে পাৰ্গত আৰু উপযুক্ত শিক্ষকৰ অভাৱ আছিল। সেয়ে দক্ষ শিক্ষকৰ অভাৱ পূৰণ কৰিবৰ কাৰণে ইংলেণ্ডৰ আৰ্হিত শিক্ষক প্ৰশিক্ষণ প্ৰতিস্থান স্থাপন কৰাত গুৰুত্ব প্ৰদান কৰে। এই প্ৰতিবেদনে প্ৰতিখন প্ৰদেশতে একোখন শিক্ষক প্ৰশিক্ষণ বিদ্যালয় স্থাপন কৰাৰ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰিও প্ৰতিবেদনে পৰামৰ্শ দিয়ে যে আইন, চিকিৎসা আৰু ইঞ্জিনিয়াৰিং আদি বিষয়ৰ শিক্ষকৰ বাবেও প্ৰশিক্ষণৰ বিশেষ ব্যৱস্থা কৰা হ'ব।

**৯) জন শিক্ষা সম্বন্ধে ঃ** পূৰ্বৰ প্ৰতিবেদনত কেৱল এচাম মুষ্টিমেয় লোকক শিক্ষাদান কৰাৰ পৰিৱৰ্তে উডৰ প্ৰতিবেদনত জন শিক্ষাক গুৰুত্ব প্ৰদান কৰা হয়।

যাৰ বাবে অধিক প্ৰাথমিক, উচ্চ মাধ্যমিক শিক্ষানুষ্ঠান স্থাপন কৰিব লাগে। কিন্তু উপযুক্ত অৰ্থ সাহাৰ্যৰ অবিহনে এই উদ্দেশ্য পূৰণ কৰিব পৰা নাযায়। সেয়ে উডৰ প্ৰতিবেদনে জলপানি প্ৰদান কৰা দৰে আঁচনি হাতত লয় যাতে সকলোৱে প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈকে শিক্ষা লাভ কৰিব পাৰে।

**১০) স্ত্ৰী শিক্ষা সম্বন্ধে ঃ** এই প্ৰতিবেদনে স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে উপলব্ধি কৰিছিল। ব্যক্তিগত অনুষ্ঠান, প্ৰতিষ্ঠানসমূহে এইক্ষেত্ৰত লোৱা পদক্ষেপসমূহক এই প্ৰতিবেদনে অনুপ্ৰেৰণা যোগায়। এই ক্ষেত্ৰত বেংগলৰ গভৰ্ণৰ জেনেৰেলে লোৱা ব্যৱস্থাতো আন্তৰিক সমৰ্থন আগবঢ়োৱা হয়। স্ত্ৰী শিক্ষাৰ কাৰণে চৰকাৰী সহায়ক অনুদান আগবঢ়োৱাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে।

**১১) মুছলিম শিক্ষা সম্বন্ধে ঃ** ভাৰতত মুছলমানসকলৰ শিক্ষাৰ অনগ্ৰসৰতাৰ প্ৰতিও প্ৰতিবেদনে দৃষ্টি আকৰ্ষণ কৰে। প্ৰতিবেদনত মত প্ৰকাশ যে মুছলিম সম্প্ৰদায়ৰ মাজত শিক্ষা বহু পিছপৰি আছে। সেয়ে এওঁলোকৰ শিক্ষাৰ বিকাশৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**১২) বৃত্তিমূলক শিক্ষা ঃ** এই প্ৰতিবেদনে বৃত্তিমূলক শিক্ষাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। এই ক্ষেত্ৰত পৰামৰ্শ প্ৰদান কৰে যে বিদ্যালয়, মহাবিদ্যালয়সমূহ এনে স্থানত প্ৰতিস্থা কৰিব লাগে য'ত বৃত্তিমুখী শিক্ষাৰ সুবিধা আছে। বৃত্তিমূলক শিক্ষাৰ সুবিধা নথকা ঠাইবোৰত চৰকাৰে নিজে তেনে শিক্ষাকেন্দ্ৰ স্থাপন কৰাটো আৱশ্যকীয় বুলি এই প্ৰতিবেদনে মন্তব্য দিয়ে।

ভাৰতৰ শিক্ষা ইতিহাসত উডৰ প্ৰতিবেদন হৈছে মাইলৰ খুটি। আমি সকলোৱে এই কথা স্বীকাৰ কৰিবই লাগিব যে ভাৰতীয় শিক্ষাৰ সম্বন্ধে ইংলণ্ডৰ প্ৰশাসনে প্ৰদান কৰা ই এক পূৰ্ণাংগ প্ৰতিবেদন। এই প্ৰতিবেদনে শিক্ষাৰ সকলো দিশকে সাঙুৰি লোৱাৰ উপৰিও শিক্ষাৰ সংগঠনৰ দিশতো পৰামৰ্শ আগবঢ়ায়। এই প্ৰতিবেদনৰ এটা উল্লেখযোগ্য দিশ হ'ল ই সময় উপযোগী আছিল। সময়ৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবেদনত পৰামৰ্শসমূহ আগবঢ়োৱা হৈছিল।

**আত্ম মূল্যায়ন - (ঙ)**

টোকা - উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলত তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সাম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।

১) উডৰ প্ৰতিবেদন কেতিয়া প্ৰকাশ পায় ?

.........................................................................

২) উডৰ প্ৰতিবেদনৰ তিনিটা পৰামৰ্শ চমুকৈ লিখা।

.........................................................................

.........................................................................

.........................................................................

## ২.৪ সামৰণি ঃ

পাঠটো অধ্যয়ন কৰাৰ পাছত তোমালোকে বুজি পাইছা যে ভাৰতীয় শিক্ষালৈ মিছনেৰীসকলে বিশেষ অৰদান আগবঢ়াই থৈ গৈছে। বিশেষকৈ আধুনিক ভাৰতীয় শিক্ষাৰ আৰম্ভণিত এওঁলোকৰ অৰদান উল্লেখযোগ্য। যদিও পৰ্টুগীজ, উলণ্ডাজ, ডেনিচ আৰু ফৰাচীসকল বাণিজ্যিক লাভালাভৰ কাৰণে আহিছিল কিন্তু পিছলৈ তেওঁলোকে কেৱল বাণিজ্যিক কাৰ্যত আবদ্ধ নাথাকি নিজ নিজ বাণিজ্যিক ঘাটি সমূহত ধৰ্মীয় আৰু শিক্ষাৰ প্ৰচাৰৰ কামো হাতত লয়।

মিছনেৰীসলৰ পাছতে আধুনিক শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা অন্য এটা দল হ'ল ইষ্ট ইণ্ডিয়া কোম্পানী। ১৮১৩ চনত চাৰ্টাৰ আইনৰ জৰিয়তে তেওঁলোকে শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰে। লগতে বছৰি ১ লাখ টকা শিক্ষাৰ নামত খৰচ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই চাৰ্টাৰ আইনে শেষলৈ প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ সূচনা কৰে। এই বিবাদ নিষ্পত্তি কৰিবৰ কাৰণে মেকলেৰ আৰু বেণ্টিংকৰ প্ৰতিবেদনে প্ৰাচ্য পন্থীসকলৰ মতৰ বিপৰীতে মত প্ৰদান কৰে। শেষত উডৰ প্ৰতিবেদনে সকলো পৰ্যায়ৰ শিক্ষাক সাঙুৰি লৈ সকলোৰে সন্মতি সাপেক্ষে পৰামৰ্শ প্ৰদান কৰে। যি ভাৰতীয় শিক্ষাৰ সকলো দিশ সামৰি লোৱাৰ উপৰিও সময় উপযোগী আছিল।

## ঘাই শব্দসমূহ ঃ

........................

........................

........................

**পাঠ নিৰ্দেশনা ঃ**

১) শৰ্মা আৰু গোস্বামী ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্ৰুগড় আৰু গুৱাহাটী।

২) শৰ্মা, তৰুণ কুমাৰ ঃ আধুনিক ভাৰতৰ ইতিহাস আৰু সমস্যাৱলী, বনলতা, ডিব্ৰুগড়।

৩) বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা ইতিহাস অধ্যয়ন, লয়াৰ্চ বুকষ্টল, পানবজাৰ, গুৱাহাটী।

**সাম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন - ক**

১) পৰ্তুগীজকলে গোৱা দমন, দিউ, দাদৰা, বোম্বে আদি ঠাইত বাণিজ্যিক ঘাটি স্থাপন কৰিছিল।

২) দুখীয়া লৰা-ছোৱালীক খাদ্য, কিতাপ পত্ৰ আদি যোগান ধৰি শিক্ষা গ্ৰহণৰ সুচল ব্যৱস্থা কৰিছিল।

৩) উলণ্ডাজসকল ভাৰতলৈ ১৭ শতিকাত হলেণ্ডৰ পৰা আহিছিল।

**আত্মমূল্যায়ন - খ**

১) ডেনিচসকলে মূলত দক্ষিণাত্যৰ মাদ্ৰাজ, টাঞ্জোৰা, ত্ৰিচিনাপল্লি আদি ঠাতি শিক্ষা সম্প্ৰসাৰণৰ কাম হাতত লয়।

২) ডেনিচসকলৰ শিক্ষাৰ দুটা নিৰ্দিষ্ট বৈশিষ্ট্য হ'ল - এজনতকৈ বেছি শিক্ষকৰ নিযুক্তি আৰু সময়সূচীৰ ব্যৱস্থা।

৩) ফৰাচীসকলে পণ্ডিচেৰীত উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰে।

**আত্মমূল্যায়ন - গ**

১) চাৰ্টাৰ আইনৰ দুটা গুৰুত্বপূৰ্ণ দিশ হ'ল -

(ক) ভাৰতীয় শিক্ষাৰ দিশত ইংৰাজসকলে গ্ৰহণ কৰা ই হৈছে প্ৰথম পদক্ষেপ।

(খ) এই চাৰ্টাৰ আইনৰ জৰিয়তে প্ৰাশ্চাত্যৰ শিক্ষা আৰু জ্ঞান বিজ্ঞানৰ প্ৰয়োগ কৰা হয়।

২) প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ দুটা বিষয় হ'ল -

(ক) শিক্ষাৰ উদ্দেশ্য ঃ শিক্ষাৰ উদ্দেশ্য কি হ'ব লাগিব সেই সম্পৰ্কে স্পষ্ট ধাৰণা দিয়া হোৱা নাছিল। সেই বাবে বিভিন্নজনে বিভিন্ন মত পোষণ কৰিছিল।

(খ) শিক্ষাৰ মাধ্যম ঃ শিক্ষাদানৰ মাধ্যম অৰ্থাৎ ভাষা সম্পৰ্কে তিনিটা প্ৰধান

মতামত পৰিলক্ষিত হয়। প্ৰাচ্যপন্থীসকলৰ মতে সংস্কৃত বা আৰবী, প্ৰাশ্চাত্য পন্থীসকলৰ মতে ইংৰাজী আৰু তৃতীয় গোটৰ মতে আধুনিক ভাৰতীয় ভাষা শিক্ষাৰ মাধ্যম হ'ব লাগে।

**আত্মমূল্যায়ন - ঘ**

১) লৰ্ড মেকলে আছিল গভৰ্ণৰ জেনেৰেলৰ প্ৰশাসনীয় পৰিষদৰ আইন সদস্য।

২) মেকলে প্ৰতিবেদনৰ দুটা সিদ্ধান্ত হ'ল -

(ক) LIterature বা সাহিত্য শব্দৰ অৰ্থ সম্বন্ধে সিদ্ধান্ত প্ৰদান কৰে যে এই শব্দটোৱে ইংৰাজী সাহিত্যক বুজাইছে।

(খ) শিক্ষাদানৰ মাধ্যম সম্পৰ্কে তেওঁ মত প্ৰকাশ কৰে যে শিক্ষাৰ মাধ্যম ইংৰাজী হ'ব লাগে।

৩) ১৮৩৫ চনৰ ৭ মাৰ্চত লৰ্ড বেণ্টিংকৰ প্ৰতিবেদন শিক্ষানীতি হিচাপে গ্ৰহণ কৰা হয়।

**আত্মমূল্যায়ন - ঙ**

১) উদৰ প্ৰতিবেদন ১৮৫৪ চনৰ ১৯ জুলাইত প্ৰকাশ পায়।

২) উডৰ প্ৰতিবেদনৰ তিনিটা পৰামৰ্শৱলী হ'ল -

(ক) শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্বন্ধে ঃ শিক্ষাৰ দ্বাৰা কেৱল মানসিক আৰু বৌদ্ধিক বিকাশ সাধন নকৰি নৈতিক চৰিত্ৰ আৰু অৰ্থনৈতিক অৱস্থাও সুচল কৰিব লাগে।

(খ) শিক্ষাৰ দায়িত্ব গ্ৰহণৰ সম্বন্ধে ঃ শিক্ষাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিব লাগে।

(গ) বিশ্ববিদ্যালয় স্থাপন সম্বন্ধে ঃকলিকতা, মাদ্ৰাজ আৰু বম্বেত ইংলেণ্ডৰ বিশ্ববিদ্যালয়ৰ আৰ্হিত বিশ্ববিদ্যালয় স্থাপন কৰাৰ পৰামৰ্শ প্ৰদান কৰে।

**আৰ্হি প্ৰশ্ন ঃ**

১) ভাৰতীয় শিক্ষালৈ মিছনেৰীসকলৰ অৱদান আলোচনা কৰা।

২) প্ৰাশ্য-পাশ্চাত্যৰ বিবাদৰ কাৰণসমূহ বৰ্ণনা কৰা।

৩) মেকলেৰ শিক্ষা প্ৰতিবেদনৰ বিভিন্ন সিদ্ধান্ত আলোচনা কৰা।

৪) বেণ্টিংকৰ প্ৰতিবেদন আৰু উডৰ প্ৰতিবেদনৰ মাজৰ পাৰ্থক্য বৰ্ণনা কৰা।

**প্ৰসংগ পুথি ঃ**

1. Goswami, A.C : Philosophical and Sociological Bases of Education in Emerging India. Jyoti Prakashan, Panbazar, Guwahati - 781001

2. Srivastava & Bhanderi :Development of Educational System in India. (History of Indian Education), Doaba House Booksellers and Publishers 1688, Nai Sarak, Delhi - 110006

EDUG - 301

# জাতীয় আন্দোলনৰ সময়ত ভাৰতীয় শিক্ষাৰ বিকাশ (১৯০০-১৯৪৭)

খণ্ড - ৩

গোট - ০১

# জাতীয় আন্দোলনৰ সময়ত ভাৰতীয় শিক্ষাৰ বিকাশ (১৯০০-১৯৪৭)

খণ্ড - ৩

গোট - ০১

## পাঠ্য বিন্যাস ঃ

১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ জাতীয় আন্দোলনৰ বিৱৰ্তন
    ১.২.১ জাতীয় আন্দোলনৰ প্ৰভাৱ
১.৩ লৰ্ড কাৰ্জনৰ শাসনকালৰ শিক্ষা ব্যৱস্থা
    ১.৩.১ লৰ্ড কাৰ্জনৰ ব্যক্তিগত পৰিচিতি
    ১.৩.২ চিমলা শিক্ষা সন্মিলন
১.৪ লৰ্ড কাৰ্জনৰ শিক্ষানীতি
    ১.৪.১ লৰ্ড কাৰ্জনৰ প্ৰাথমিক শিক্ষানীতি
    ১.৪.২ কাৰ্জনৰ প্ৰাথমিক শিক্ষানীতিৰ মূল্যায়ন
    ১.৪.৩ কাৰ্জনৰ মাধ্যমিক শিক্ষানীতি
    ১.৪.৪ কাৰ্জনৰ মাধ্যমিক শিক্ষানীতিৰ মূল্যায়ন
১.৫ কাৰ্জনৰ উচ্চ শিক্ষানীতি
    ১.৫.১ বিশ্ববিদ্যালয় শিক্ষা আয়োগ-১৯০২
    ১.৫.২ ভাৰতীয় বিশ্ববিদ্যালয় আইন -১৯০৪
    ১.৫.৩ কাৰ্জনৰ উচ্চ শিক্ষানীতিৰ মূল্যায়ন
    ১.৫.৪ ভাৰতীয় শিক্ষাৰ প্ৰতি কাৰ্জনৰ অৱদান
১.৬ গোখলেৰ প্ৰচেষ্টা
    ১.৬.১ গোখলেৰ ব্যক্তিগত পৰিচিতি
    ১.৬.২ গোখলেৰ প্ৰস্তাৱ ১৯১০
    ১.৬.৩ গোখলেৰ বিল - ১৯১১
    ১.৬.৪ বিলখনৰ পৰিণতি
    ১.৬.৫ প্ৰাথমিক শিক্ষাত গোখলে বিলৰ প্ৰভাৱ
১.৭ সামৰণি
  ঘাই শব্দ
  প্ৰসঙ্গ পুথি
  আত্মমূল্যায়ণৰ সাম্ভাব্য উত্তৰ
  আৰ্হি প্ৰশ্ন

## ১.০ উদ্দেশ্য (Objective)ঃ

এই গোটটো অধ্যয়ন কৰাৰ পাছত তোমালোকে

(ক) জাতীয় আন্দোলনৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিবা।

(খ) লৰ্ড কাৰ্জনৰ ব্যক্তিগত পৰিচিতি আৰু চিমলা শিক্ষা সন্মিলনৰ ওপৰত এটি টোকা লেখিব পাৰিবা।

(গ) লৰ্ড কাৰ্জনৰ প্ৰাথমিক শিক্ষানীতি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিবা।

(ঘ) লৰ্ড কাৰ্জনৰ মাধ্যমিক শিক্ষানীতি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিবা।

(ঙ) লৰ্ড কাৰ্জনৰ বিশ্ববিদ্যালয় শিক্ষা আৰু বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ পৰামৰ্শসমূহ বিশ্লেষণ কৰিব পাৰিবা।

(চ) গোপাল কৃষ্ণ গোখলেৰ প্ৰাথমিক শিক্ষা সম্পৰ্কীয় প্ৰচেষ্টাৰ বিতং বিৱৰণ আগবঢ়াব পাৰিবা।

(ছ) চেদলাৰ আয়োগৰ প্ৰয়োজনীয়তা আৰু পৰামৰ্শৱলী সম্পৰ্কে উল্লেখ কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা (Introduction)ঃ

ইতিমধ্যে তোমালোকে আগৰ খণ্ড সমূহত বৈদিক যুগ, বৌদ্ধ যুগ আৰু মুছলমানসকলৰ শাসনকালৰ সময়ত ভাৰতীয় শিক্ষাৰ সমবিতৰণৰ ধাৰাটো অনুধাৱন কৰিব পাৰিছা। মুছলমান যুগৰ শিক্ষাব্যৱস্থাৰ শেষৰফালে অৰ্থাৎ ১৪৯৮ খ্ৰীষ্টাব্দত ভাস্কো-ডা-গামাৰ ভাৰত আগমন আৰু ১৫৯৯ চনত গঠিত ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰৱেশে ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ লগতে শিক্ষাৰ ক্ষেত্ৰখনটো তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলালে। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ ফলস্বৰূপে ভাৰতৰ প্ৰশাসনিক দায়িত্ব ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা বৃটিছ প্ৰশাসকৰ হাতলৈ গ'ল। ইতিমধ্যে উডৰ প্ৰতিবেদনৰ পৰামৰ্শাৱলীৰ ভিত্তিত কলিকতা, বোম্বে আৰু মাদ্ৰাজত তিনিখন বিশ্ববিদ্যালয় স্থাপনে ভাৰতীয় শিক্ষাৰ নৱজাগৰণ সৃষ্টি কৰিলেও চিপাহী বিদ্ৰোহৰ পৰিণতিত ভাৰতীয়সকলৰ মনত ব্ৰিটিছ শাসন আৰু শাসকসকলৰ বিৰুদ্ধে বিৰোধ মনোভাৱ জাগি উঠিছিল। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ নামেৰে জাতীয় সংগঠন গঠন কৰিলে আৰু তাৰ প্ৰভাৱে শিক্ষাৰ ওপৰত পৰিল। এনে পৰিস্থিতিৰ মাজতেই কেইবাজনো ইংৰাজ আৰু ভাৰতীয়ই শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ বাবে

নতুন নীতি প্ৰস্তুত কৰিলে। তেওঁলোকৰ ভিতৰত লৰ্ড কাৰ্জন, গোপালকৃষ্ণ গোখলে, চেদলাৰ আদিৰ নাম উল্লেখযোগ্য। এই গোটত তোমালোকে এওঁলোকৰ শিক্ষা সম্পৰ্কীয় বিভিন্ন পৰামৰ্শ অধ্যয়ন কৰিব পাৰিবা আৰু তাৰ যোগেদি কেনেদৰে জাতীয় শিক্ষাৰ ধাৰণা জাগ্ৰত হ'ল সেইয়া ব্যাখ্যা কৰিব পাৰিবা।

## ১.২ জাতীয় আন্দোলনৰ বিৱৰ্তন (National Movement)ঃ

১৪৯৮ চনত ভাস্কো-ডা-গামাই ইউৰোপীয় দেশসমূহক প্ৰাচ্যলৈ অহাৰ পথ সুগম কৰিছিল। ইয়াৰ ভিতৰত পৰ্টুগীজ, উলণ্ডাজ, ইংৰাজ, ডেনিচ আৰু ফৰাচীসকল অন্যতম আছিল। এই সমূহ কোম্পানীৰ ভিতৰত ইংৰাজসকলৰ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিজা চাতুৰ্য আৰু যোগ্যতাৰে পিছলৈ সমগ্ৰ ভাৰতবৰ্ষ দখল কৰিছিল। বিশেষকৈ ১৭৫৭ চনৰ পলাচী যুদ্ধৰ পাছত ইংৰাজে ৰাণীৰ হাতলৈ ক্ষমতা নি লয় আৰু ১৯৪৭ চনলৈকে ভাৰতবৰ্ষৰ শাসনতন্ত্ৰ পৰিচালনা কৰিছিল। এই সুদীৰ্ঘ পৰিক্ৰমাৰ মাজতেই ১৮৫৭ চনত চিপাহী বিদ্ৰোহে গা কৰি উঠিছিল। ইয়াক ভাৰতৰ প্ৰথম স্বাধীনতা যুদ্ধ বুলি অভিহিত কৰিব পৰা যায়। সু-সংগঠন আৰু নেতৃত্বৰ অভাৱে চিপাহী বিদ্ৰোহক সফল কৰি তুলিব নোৱাৰিলে। ইংৰাজসকলে সহজেই এই বিদ্ৰোহক দমন কৰিছিল।

অৱশ্যে ইংৰাজসকলে ভাৰতীয়সকলৰ শিক্ষা আৰু সামাজিক জীৱনৰ বিকাশত যে সহায় কৰা নাছিল এনে নহয়। তোমালোকে পাই অহা মেকলেৰ প্ৰতিবেদনত প্ৰকাশ কৰা ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ নীতি বহুতো ভাৰতীয়লোকেও সমৰ্থন কৰিছিল। লৰ্ড বেণ্টিংকৰ নিচিনা সমাজহিতৈষী ব্যক্তিয়ে ইংৰাজী জ্ঞান আৰু ভাষা সাহিত্যৰ যোগেদি ভাৰতীয় সমাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি সামাজিক ব্যাধিসমূহ আঁতৰাবলৈ চেষ্টা কৰিছিল। তদুপৰি ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আদিয়ে পাশ্চাত্যসকলক সমৰ্থন কৰিছিল।

মুষ্টিমেয় ভাৰতীয়ৰ সমৰ্থন লাভেৰে ইংৰাজসকলে ভাৰতত সুকলমে শাসন পৰিচালনা কৰিবলৈ আগ্ৰহী হৈ থাকিলেও প্ৰকৃতাৰ্থত ভাৰতীয়সকলে ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ উঠি ইংৰাজসকলৰ বিৰুদ্ধেই মাত মাতিবলৈ নিজকে প্ৰস্তুত কৰি তুলিছিল। ইংৰাজসকলৰ অন্তৰ্নিৰ্হিত লক্ষ্য আৰু উদ্দেশ্য ভাৰতীয়সকলে বুজি উঠিছিল।পশ্চিমীয়া শিক্ষাৰে শিক্ষিত ভাৰতীয়সকলে ইংৰাজসকলৰ শাসন আৰু

শোষণৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হ'ল। ঠিক তেনে সময়তে এলেন অক্টোভিয়ান হিউমৰ নেতৃত্বত ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ নামৰ এক জাতীয় অনুষ্ঠান গঢ়ি উঠিল। এই অনুষ্ঠানৰ যোগেদিয়ে ভাৰতীয়সকলে জাতীয় অনুভূতি প্ৰকাশ কৰাৰ এক সমূহীয়া মঞ্চ লাভ কৰিলে। প্ৰকৃতাৰ্থত ভাৰতীয়সকলৰ মনত ক্ৰমান্বয়ে গা কৰি উঠা জাতীয় অনুভূতিয়ে সংগঠিত ৰূপত আত্ম প্ৰকাশ কৰাৰ এক সুবিধা লাভ কৰিলে। তোমালোকে এটা কথা মন কৰিবা দাদা ভাই নৌৰাজী, বাল গংগাধৰ তিলক, লালা লাজপত ৰায়, এনি বেচাণ্ট, গোপাল কৃষ্ণ গোখলে আদি জাতীয়তাবাদী নেতাই এই অনুষ্ঠানৰ গুৰি ধৰিছিল। এইসকল ব্যক্তিৰ বলিষ্ঠ নেতৃত্বত জাতীয় আন্দোলনৰ বিবৰ্তন ঘটিছিল।

**১.২.১ জাতীয় আন্দোলনৰ প্ৰভাৱ (Impact of National Movement)ঃ**

ইংৰাজ শাসন শোষণৰ ফলশ্ৰুতিয়েই হওঁক বা ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ বাবেই হওঁক ভাৰতীয় সকলৰ মনত জাগৃত হোৱা এই ভাৱধাৰা তথা আন্দোলনৰ প্ৰভাৱ সেইসময়ৰ ভাৰতৰ সকলোদিশতে পৰিছিল। ৰাজনৈতিক, ধৰ্মীয়, শিল্প তথা কাৰিকৰী, শিক্ষা আদি সকলো দিশতে জাতীয় চেতনাই বিস্ফোৰণমূলক প্ৰভাৱ পেলাইছিল। সকলো দিশতে ভাৰতীয়সকলৰ মনত নতুন মূল্যবোধে গা-কৰি উঠিছিল। এই কথা তোমালোকে তলৰ আলোচনাৰ পৰা উপলব্ধি কৰিব পাৰিবা --

**(ক) ৰাজনৈতিক দিশত (On Political Aspect)** ঃ তোমালোকে ইতিমধ্যে স্মৰণ কৰিছা যে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ ইংৰাজসকলে দমন কৰিলে যদিও এই বিদ্ৰোহে ভাৰতীয় সকলৰ মনত জাগ্ৰত কৰি তোলা স্বাধীনতাৰ মনোভাৱ আৰু দেশপ্ৰেমবোধ নাইকিয়া কৰিব নোৱাৰিলে। বৰঞ্চ এই মনোভাৱ ক্ৰমান্বয়ে বাঢ়িবলৈ হে ললে। বাল গংগাধৰ তিলকৰ 'স্বৰাজ মোৰ জন্মস্বত্ব আৰু ইয়াক মই লাভ কৰিমেই' ধাৰণাই তথা ঘোষণাই ভাৰতীয়সকলৰ জাতীয় চেতনাবোধ আৰু প্ৰবল কৰি তুলিলে।

**(খ) ধৰ্মীয় অনুভূতিৰ দিশত (On Religious sentiment)** ঃ জাতীয় ভাৱধাৰাৰ বিৱৰ্তনে কেৱল ৰাজনৈতিক দিশতেই নহয় ভাৰতৰ ধৰ্মীয় ভাবানুভূতিতো সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল। সেই সময়ত 'কলিকতা' ইংৰাজসকলৰ ৰাজধানী হোৱা বাবে এই প্ৰভাৱ বংগ দেশত বেছি পৰিছিল। ইতিমধ্যে ৰাজা ৰামমোহন ৰায়ে 'ব্ৰাহ্ম সমাজ', দয়ানন্দ সৰস্বতীয়ে 'আৰ্য সমাজ', ৰাম কৃষ্ণ পৰমহংসই 'ৰাম কৃষ্ণ

মিছন' নামৰ তিনিটা অনুষ্ঠান গঢ়ি তুলিছিল। ইয়াৰে ব্ৰাহ্ম সমাজৰ লক্ষ্য আছিল হিন্দু ধৰ্মৰ সামাজিক সংকীৰ্ণতা নাইকিয়া কৰা, আৰু আৰ্য সমাজৰ লক্ষ্য আছিল পুৰণি ভাৰতৰ মূল্যবোধ জগাই তোলা। আনহাতে জাতীয় কংগ্ৰেছে হিন্দুসকলৰ অনুষ্ঠান বুলি ভাৰি চেনিউল্লাৰ নেতৃত্বত ১৯০৬ চনত 'মুছলীম লীগ' নামৰ অন্য এটা অনুষ্ঠান গঢ়লৈ উঠে। ফলস্বৰূপে সাম্প্ৰদায়িক বিভাজনৰ মনোভাৱ ভাৰতীয়সকলৰ মনত সোমাই পৰিল। ইতিমধ্যে লৰ্ড কাৰ্জনে ১৯০৪ চনত 'বংগ ভংগ' নীতি গ্ৰহণ কৰে। ফলত গোটেই দেশতেই ইয়াৰ প্ৰতিবাদী আন্দোলন গঢ়ি উঠে।

**(গ) শিল্প আৰু কাৰিকৰী দিশত (On Industrial and Technological Aspects)** ঃ ভাৰতীয়সকলৰ মনত জাতীয় মনোভাৱ জগাই তোলাৰ মূলতে আছিল ইংৰাজ সকলৰ অৰ্থনৈতিক শোষণৰ বিৰোধিতা। ভাৰতবৰ্ষৰ পৰা কম মূল্যত কেঁচা সামগ্ৰী নি সেই সামগ্ৰীৰে উৎপাদিত বস্তু ভাৰতীয়সকলকে বেছি দামত বিক্ৰী কৰাৰ বিষয়টো ভাৰতীয়সকলে বুজি উঠিছিল। সেয়ে তেওঁলোকে এই নীতিৰ বিৰোধিতা কৰিছিল। ভাৰতীয়সকলৰ আন্দোলনৰ মুখ্য বিষয় কৰি লৈছিল অৰ্থনৈতিক বিকাশ আৰু স্বাৱলম্বিতা আহৰণ। ফলস্বৰূপে বিদেশী বস্তু বৰ্জন নীতি গ্ৰহণ কৰিছিল। দেশত কাৰিকৰী আৰু অভিযান্ত্ৰিক শিক্ষা প্ৰতিস্থান স্থাপন হৈছিল। উদাহৰণস্বৰূপে ভাৰতীয়সকলৰ জাতীয় জাগৰণৰ ফলশ্ৰুতিতেই ১৯২০ চনত কলিকতাৰ যাদবপুৰ ইঞ্জিনিয়াৰিং কলেজ স্থাপন কৰা হৈছিল।

**(ঘ) শিক্ষাৰ দিশত (On Educational Aspects)** ঃ ৰাজনৈতিক, ধৰ্মীয়, শিল্প আৰু উদ্যোগৰ লগতে শিক্ষাৰ দিশতো জাতীয় জাগৰণৰ প্ৰভাৱ পৰিছিল। জাতীয় জাগৰণে ভাৰতীয় শিক্ষাত নতুন ভাৱাদৰ্শ গঢ়ি তুলিছিল। দেশৰ জাতীয়তাবাদী নেতাসকলে 'জাতীয় শিক্ষা সংস্থা' (National Education Council) নামৰ এক সংস্থা গঢ়ি তোলে। এই সংস্থাই জাতীয় ভাৱধাৰা বিকশাৰ বাবে তথা শিক্ষাৰ প্ৰসাৰৰ বাবে দেশীয় প্ৰচেষ্টাৰে প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈকে বিস্তৃত আঁচনি প্ৰস্তুত কৰি তুলিছিল। কলিকতাৰ নেচনেল কলেজ, যাদবপুৰৰ অভিযান্ত্ৰিক আৰু কাৰিকৰী প্ৰশিক্ষণ কলেজ আদিৰ দৰে বিভিন্ন জাতীয় প্ৰতিষ্ঠান গঢ়ি তোলা হৈছিল। এই অনুষ্ঠানবোৰত ভাৰতীয় ভাষাৰে শিক্ষা প্ৰদান কৰা হৈছিল যদিও অনুষ্ঠানবোৰৰ স্থায়িত্ব দীঘলীয়া নহ'ল।

শিক্ষাৰ দিশত জাতীয় জাগৰণ অনাত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভূমিকাও অপৰিসীম আছিল। ১৯০১ চনত তেওঁ স্থাপন কৰা 'শান্তি নিকেতন' গুৰুকুলীয় শিক্ষাব্যস্থাৰ আদৰ্শ বিকাশ ঘটাবলৈ বিচাৰিছিল। এই শান্তি নিকেতনকে ১৯২১ চনত 'বিশ্বভাৰতী বিশ্ববিদ্যালয়' নামেৰে নামকৰণ কৰা হয়। এই দুই প্ৰতিষ্ঠানে এতিয়াও জাতীয় আদৰ্শ প্ৰতিফলন ঘটোৱাত অৰিহণা যোগাই আহিছে।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ পাছতেই জাতীয় আদৰ্শৰে শিক্ষা ইতিহাস গঢ়ি তোলাত আৰিহণা যোগোৱা অন্য এজন ব্যক্তি আছিল গোপাল কৃষ্ণ গোখলে। গোখলেই ১৯১০ আৰু ১৯১১ চনত দুবাৰ দুটা প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ প্ৰস্তাৱ লেজিচলেটিভ কাউঞ্চিলত উত্থাপন কৰিছিল। বিভিন্ন কাৰণত এই প্ৰস্তাৱ সদনত গৃহীত নহ'লেও প্ৰাথমিক শিক্ষাক বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ প্ৰয়োজনীয়তা সকলোৱে উপলব্ধি কৰিলে।

জাতীয় শিক্ষাৰ ভাৱাদৰ্শ প্ৰসাৰ ঘটোৱাত মহামানৱ মহাত্মাগান্ধীৰ ভূমিকা অপৰিসীম। তেখেতে গুজৰাটৰ সবৰমতী আশ্ৰম স্থাপন কৰি বুনিয়াদী শিক্ষাক জাতীয় শিক্ষা ব্যৱস্থা স্বৰূপে গঢ়ি তোলাৰ প্ৰয়াস কৰে। বুনিয়াদী শিক্ষাৰ বিষয়ে তোমালোকে ইয়াৰ পিছৰ গোটত পঢ়িবলৈ পাবা।

এইদৰেই কুৰি শতিকাৰ প্ৰথমাংশত ভাৰতীয়সকলৰ মনত জাতীয় ভাৱধাৰাৰ মনোভাৱ গঢ়ি উঠিছিল আৰু পাছলৈ স্বাধীনতা আন্দোলনত অৰিহণা আগবঢ়াইছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ ক**

১। ভাস্কো-ডা-গামা কোন চনত ভাৰতলৈ আহিছিল?

......................................................................................

২। ইষ্ট ইণ্ডিয়া কোম্পানী কোন চনত গঠন হৈছিল?

......................................................................................

৩। জাতীয় আন্দোলনৰ বিবৰ্তনৰ সুত্ৰ লিখা (২০ টা শব্দৰ ভিতৰত)।

......................................................................................

......................................................................................

৪। শিক্ষা ব্যৱস্থাৰ ওপৰত জাতীয় আন্দোলনৰ প্ৰভাৱ ৩০টা শব্দৰ ভিতৰত লিখা।

..........................................................................................

..........................................................................................

..........................................................................................

## ১.৩ লৰ্ড কাৰ্জনৰ শাসনকালৰ শিক্ষা ব্যৱস্থা

**(Education during Lord Curzon's reign) ঃ**

ভাৰতৰ শিক্ষা ইতিহাসত ১৯ শতিকাৰ শেষৰ আৰু কুৰি শতিকাৰ আৰম্ভণি সময়চোৱাই তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। জাতীয়তাবাদৰ সূত্ৰপাত আৰু শিক্ষানীতিৰ বিতৰ্কই প্ৰশাসকসকলক বহুসময়ত বিমোৰত পেলাইছিল। তেনে সময়তে ১৮৯৯ চনত লৰ্ড কাৰ্জন ইংলেণ্ডৰ ৰাজ প্ৰতিনিধি (viceroy) হৈ ভাৰতলৈ আহিছিল।

**১.৩.১ লৰ্ড কাৰ্জনৰ ব্যক্তিগত পৰিচিতি (Introduction to Lord Curzon) ঃ** বৃটিছ শাসন কালত ভাৰতলৈ অহা প্ৰশাসক আৰু প্ৰতিনিধিসকলৰ ভিতৰত লৰ্ড কাৰ্জন আছিল অন্যতম। তেওঁ এজন দৃঢ়মনা, কৰ্মপটু, আঁকোৰগোজ স্বভাৱৰ, সাহসী আৰু কৰ্তব্যপৰায়ণ ব্যক্তি আছিল। লৰ্ড কাৰ্জনৰ সম্পূৰ্ণ নাম আছিল (George Nathaniel Curzon) । তেওঁৰ জন্ম ১৮৫৯ চনৰ ১১ জানুৱাৰী কেডলিষ্টন হল (Kedleston hall) লণ্ডনত আৰু মৃত্যু ১৯২৫ চনৰ ২০ মাৰ্চত হৈছিল।

লৰ্ড কাৰ্জনে Wixeford School, Eton College আৰু Oxford ৰ Balliol College ত শিক্ষাগ্ৰহণ কৰিছিল। তদুপৰি তেওঁ সৈনিক সম্পৰ্কীয় বিষয়সমূহতো বিশেষ আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁ ১৯০১ চনত Imperial Cadet Corps (ICC) নামেৰে এটা সংস্থা গঠন কৰিছিল য'ত ভাৰতীয় ৰাজকুমাৰ আৰু সম্ভ্ৰান্ত লোকসকলক সামৰিক প্ৰশিক্ষণ দিবলৈ বিচৰা হৈছিল।

**১.৩.২ চিমলা শিক্ষা সন্মিলন (Simla Education Conference) ঃ** ভাৰতৰ শিক্ষা সংস্কাৰৰ প্ৰথম পদক্ষেপ স্বৰূপে লৰ্ড কাৰ্জনে ১৯০১ চনত বৰ্তমান হিমাচল প্ৰদেশৰ চিমলাত এখন পোন্ধৰদিনীয়া সন্মিলন অনুস্থিত কৰিছিল। এই সন্মিলনলৈ ৰাজ্যিক চৰকাৰৰ শিক্ষাধিকাৰ সকলৰ লগতে খ্ৰীষ্টিয়ান মিছনেৰীসকলকো আমন্ত্ৰণ জনাইছিল। এই সন্মিলন খুউব গোপনীয়ভাৱে অনুষ্ঠিত কৰা হৈছিল আৰু এজনো ভাৰতীয়ক আমন্ত্ৰণ কৰা হোৱা নাছিল। সৰ্বভাৰতীয় পৰ্যায়ত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত

কৰা এই সন্মিলনৰ সভাপতি আছিল লৰ্ড কাৰ্জন নিজে। এই সন্মিলনত মুঠ ১৫০ টা প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু তাৰ আধাৰতে পাছলৈ ১৯০৪ চনত ভাৰত চৰকাৰৰ শিক্ষানীতি ঘোষণা কৰে। কাৰ্জনৰ এই সন্মিলনত প্ৰাথমিকৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে সকলো দিশ সামৰি আলোচনা কৰিছিল। যিহেতু সন্মিলনৰ পৰা ভাৰতীয়সকলক আতৰত ৰখা হৈছিল সেয়েহে ভাৰতীয়সকলে সন্মিলনৰ সিদ্ধান্তসমূহ বিশ্বাসত ল'ব পৰা নাছিল। তদুপৰি সন্মিলনৰ বিতং সিদ্ধান্ত প্ৰকাশো কৰা হোৱা নাছিল।

কাৰ্জনৰ সন্মিলনৰ শিক্ষানীতিৰ মূলধাৰাসমূহ এনেধৰণৰ -

(ক) ব্ৰিটিছ চৰকাৰে ভাৰতীয় শিক্ষাৰ পৰা অব্যাহতি নলয় বৰঞ্চ শিক্ষাৰ প্ৰতিটো দিশৰে নিয়ন্ত্ৰণ কৰাৰ লগতে ভাৰতীয় শিক্ষাৰ নিৰ্দেশনা আগবঢ়াব।

(খ) ঠায়ে ঠায়ে প্ৰয়োজনুসাৰে ৰাজহুৱা প্ৰতিষ্ঠান স্থাপন কৰিব আৰু ইবিলাকে ব্যক্তিগত প্ৰতিষ্ঠানৰ বাবে আদৰ্শস্বৰূপে সেৱা আগবঢ়াব লাগিব।

(গ) ভাৰতীয় শিক্ষাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ থাকিব আৰু শিক্ষানীতিও তেওঁলোকৰদ্বাৰা পৰিচালিত আৰু নিৰ্দেশিত হ'ব।

(ঘ) শিক্ষাৰ ক্ষেত্ৰত ব্ৰিটিছ চৰকাৰে অধিক ধন ব্যয় কৰিব।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ খ**

১। লৰ্ড কাৰ্জনৰ জন্ম আৰু মৃত্যু কোন চনত হৈছিল?

......................................................................................................

২। চিমলা শিক্ষা সন্মিলনক কিয় গোপন বুলি অভিহিত কৰা হয়?

......................................................................................................

......................................................................................................

## ১.৪ লৰ্ড কাৰ্জনৰ শিক্ষানীতি (Educational Policy of Lord Curzon) ঃ

ইতিমধ্যে তোমালোকে পঢ়িবলৈ পাইছা যে লৰ্ড কাৰ্জনে শিক্ষা সন্মিলনৰ যোগেদি ভাৰতীয়শিক্ষাৰ সকলো পৰ্যায়ৰে বিভিন্ন দিশসমূহ আলোচনা কৰিছিল। অন্যান্য বিষয়াসকলৰ নিচিনাকৈ লৰ্ড কাৰ্জনেও শিক্ষাৰ সম্প্ৰসাৰণৰ লগতে গুণগত উন্নয়ণত গুৰুত্ব আৰোপ কৰিছিল। তেখেতৰ শিক্ষা বিকাশৰ বিভিন্ন নীতিসমূহ এনেধৰণৰ-

### ১.৪.১ লৰ্ড কাৰ্জনৰ প্ৰাথমিক শিক্ষানীতি (Curzon's Policy on Primary Education)ঃ

কাৰ্জনে প্ৰাথমিক শিক্ষাৰ সংখ্যাগত আৰু গুণগত দুয়োদিশৰ বিকাশত গুৰুত্ব আৰোপ কৰিছিল। ১৯০৪ চনৰ চৰকাৰী প্ৰস্তাৱতো প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ সাধন কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য হিচাপে উল্লেখ কৰিছে। অৰ্থৰ অভাৱৰ বাবেই যে প্ৰাথমিক শিক্ষাৰ গুণগত উন্নয়ণ হোৱা নাই আৰু তাক উত্তৰণৰ বাবে বৃহৎ সংখ্যক পুঁজিৰ প্ৰয়োজন সেই কথা তেওঁ বুজি উঠি প্ৰাথমিক শিক্ষাত বৃহৎ পুঁজি আবণ্টন দিছিল। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কাৰ্জনে লোৱা ব্যৱস্থাসমূহ এনেধৰণৰ -

(i) প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ প্ৰশিক্ষণ (Training of Primary Teachers) ঃ কাৰ্জনে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ইয়াৰ বাবে তেওঁ শিক্ষকৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন, প্ৰশিক্ষণ কাল দুবছৰীয়া কৰা, শিক্ষকসকলক কৃষিবিষয়ক প্ৰশিক্ষণ দিয়া আদি দিশৰ ওপৰত প্ৰাধান্য দিছিল।

(ii) পাঠ্যক্ৰমৰ সংস্কাৰ সাধন (Reform in Curriculum) ঃ কাৰ্জনে অনুভৱ কৰিছিল যে প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম পুৰণি হৈছে আৰু ইয়াক উন্নত কৰাটো প্ৰয়োজন। পাঠ্যক্ৰমৰ বিষয়বস্তু কেৱল লিখা পঢ়া আৰু গণনা কৰাতে সীমাবদ্ধ নাৰাখি বিভিন্ন উপযোগিতামূলক বিষয় অন্তৰ্ভুক্ত কৰিছিল। গাঁৱৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আন অঞ্চলৰ কাৰণে কৃষিবিষয়ক বিশেষ পাঠ্যক্ৰম প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তভুক্তিৰ নিৰ্দিশ দিছিল। তদুপৰি পাঠ্যক্ৰমত শৰীৰ বা শাৰিৰীক শিক্ষা অধ্যয়নৰ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিছিল। স্থানীয় পৰিবেশৰ লগত খাপ খুৱাকৈ গাওঁ আৰু চহৰৰ পাঠ্যক্ৰম পৃথক পৃথক হোৱাটো তেওঁ বিচাৰিছিল।

(iii) ফলাফলৰ ভিত্তিত অৰ্থ সাহাৰ্য নীতিৰ পৰিহাৰ (System of Payment by Result was abondoned) ঃ তোমালোকে ইতিমধ্যে পাই আহিছা যে ১৮৮২ চনত হাণ্টাৰ আয়োগত পৰীক্ষাৰ ফলাফলৰ ভিত্তিত অৰ্থ সাহাৰ্য নীতি গ্ৰহণৰ পৰামৰ্শ দিছিল। এই পৰামৰ্শ বিশেষ কাৰ্যকৰী নহ'ল। নিম্নমানৰ প্ৰাথমিক বিদ্যালয়সমূহৰ লগতে ব্যক্তিগতখণ্ডৰ বিদ্যালয়সমূহ ক্ষতিগ্ৰস্ত হৈছিল। কাৰ্জনে সেই নীতি পৰিহাৰ কৰি এক উদাৰ নীতিৰ অৰ্থ সাহাৰ্য ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিছিল।

(iv) শিক্ষকৰ দৰমহা বৃদ্ধি (Imprement of Teachers Pay) ঃ কাৰ্জনে

শিক্ষকসকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ দৰমহা পুনৰ বিবেচনা কৰাটো বিচাৰিছিল। তদুপৰি দৰমহাৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্যও পৰিলক্ষিত হৈছিল। উদাহৰণস্বৰূপে, সেই সময়ত বংগত মাহিলি দৰমহা আছিল ৫ টকা আৰু বোম্বেত আছিল ১৮ টকা। তেখেতে দৰমহাৰ এই বৈষম্য আতৰ কৰিবলৈ বিচাৰিছিল। অৱশ্যে তেওঁৰ এই লক্ষ্য কম সময় শাসনত থকাৰ বাবে কাৰ্যকৰী কৰি তুলিব নোৱাৰিলে।

(v) উন্নত শিক্ষা পদ্ধতিৰ প্ৰয়োগ (Use of improved method of Teaching) ঃ কাৰ্জনৰ সময়ত ভাৰতৰ প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষাদান পদ্ধতি পুৰণি আৰু অমনোবৈজ্ঞানিক আছিল। প্ৰাথমিক বিদ্যালয়সমূহত মুখস্থবিদ্যাত দিয়া অত্যাধিক গুৰুত্ব তেওঁ ভাল নাপাইছিল। সেয়ে শিক্ষাৰ্থীসকলে নিজৰ যুক্তি, চিন্তা আৰু পৰ্যবেক্ষণ ক্ষমতা প্ৰয়োগেৰে শিক্ষা আহৰণ কৰাটো তেওঁ বিচাৰিছিল। উপযুক্ত শিক্ষক থাকিলে কিণ্ডাৰ গাৰ্টেনৰ দৰে উন্নত শিশু শিক্ষা পদ্ধতি প্ৰয়োগৰো তেওঁ পৰামৰ্শ আগবঢ়াইছিল।

**১.৪.২ কাৰ্জনৰ প্ৰাথমিক শিক্ষানীতিৰ মূল্যায়ন (Evaluation of Curzon's Primary Education policy) ঃ**

ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণত লৰ্ড কাৰ্জনৰ অৱদান অনস্বীকাৰ্য। তেওঁ ভাৰতৰ প্ৰাথমিক শিক্ষাৰ আধুনিকীকৰণৰ ধাৰাটো আৰম্ভ কৰিছিল। কাৰ্জন এজন প্ৰশাসনিকে নাছিল তেওঁ এজন সু শিক্ষাবিদো। সেয়েহে তেওঁ আৰ্থ-সামাজিক দিশৰ উত্তৰণৰ বাবে প্ৰাথমিক শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰিছিল। কেৱল সংখ্যাৰ দিশেৰে নহয়, গুণগত নামৰ সম্প্ৰসাৰণো আছিল কাৰ্জনৰ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ মূলনীতি।

প্ৰাথমিক শিক্ষাৰ সংখ্যাগত সম্প্ৰসাৰণৰ ক্ষেত্ৰত কাৰ্জনে এটা কথা নিৰীক্ষণ কৰিছিল যে পূৰ্বৰ চৰকাৰসমূহে উচ্চ শিক্ষাৰ সম্প্ৰসাৰণতহে বেছি গুৰুত্ব দিছিল যাৰ বাবে প্ৰাথমিক শিক্ষাৰ বিষয়টোৱে অগ্ৰাধিকাৰ লাভ কৰা নাই। তদুপৰি অৰ্থৰ নাটনিয়েই যে প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণৰ মুল অন্তৰায় সেই কথা তেওঁ জানিছিল। তাৰ বাবে তেওঁ আৰ্থিক অনুদানৰ ক্ষেত্ৰত উদাৰ নীতি গ্ৰহণৰ পৰামৰ্শ দিছিল। ফলস্বৰূপে ১৯০১-০২ চনৰ ৯৩,৬০৪ খন স্বীকৃতিপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ ঠাইত ১৯১১-১২ চনত ১,১৮,২৬২ খন হৈছিল। একেদৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও

৩০,৭৬,৬৭১ ৰ পৰা ৪৮,০৬৭৩৬ জন হৈছিলগৈ।

গুণগত প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণতো লৰ্ড কাৰ্জনৰ অৱদান অতুলনীয়। পাঠ্যক্ৰমৰ তথা প্ৰাথমিক শিক্ষাৰ আধুনিকীকৰণৰ ধাৰণাৰ পৰাই এই কথা স্পষ্ট হয়। প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমৰ সংস্কাৰ সাধন কৰি শাৰিৰীক শিক্ষা কৃষি শিক্ষা আদি উপযোগিতা মূলক বিষয় অন্তৰ্ভূক্তিকৰণ, শিক্ষকসকলক প্ৰশিক্ষণ দিয়া, প্ৰশিক্ষণৰ লগত কৃষিক সংযোজন কৰা আদি অতি প্ৰাসংগিক। শিশুৰ মুখস্থ শক্তিৰ বিকাশৰ পৰিবৰ্তে তেওঁলোকৰ যুক্তি, বোধ, দক্ষতা, কৌশল আদিৰ বিকাশৰ ধাৰণা সময়োপযোগী আছিল। কাৰ্জনে কিণ্ডাৰ গাৰ্টেনৰ নিচিনা বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগৰ পোষকতা কৰিছিল। শিক্ষকসকলৰ দৰমহাৰ বৈষম্য নাইকিয়া কৰাৰ ব্যৱস্থা হাতত লৈছিল।

উপৰিউক্ত সময়োপয়োগী আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবেই লৰ্ড কাৰ্জনক এজন প্ৰকৃত শিক্ষানুৰাগী ব্যক্তি বুলি অভিহিত কৰিব পৰা যায়।

**১.৪.৩ কাৰ্জনৰ মাধ্যমিক শিক্ষানীতি (Secondary Education policy of Lord Curzon)ঃ**

কাৰ্জনৰ মাধ্যমিক শিক্ষা প্ৰসঙ্গত চৰকাৰী প্ৰস্তাৱত কোৱা হৈছিল যে ১৮৮২ চনৰ পিছৰ পৰা দেশত মাধমিক বিদ্যালয়ৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। আনহাতে এই বিদ্যালয়সমূহৰ গুণগত মান ক্ৰমান্বয়ে কমি আহিছে। এনে পৰিস্থিতিত কাৰ্জনে মাধ্যমিক শিক্ষাৰ পূৰ্বৰ উদাৰ নীতিৰ পৰিহাৰ কৰি এক কঠোৰ নীতি গ্ৰহণ কৰিছিল। এই নীতি তেওঁ চৰকাৰী অনুদান লাভ কৰা আৰু নকৰা সকলো বিদ্যালয়তে এই নীতি বলবৎ কৰা হৈছিল। কাৰ্জনে গ্ৰহণ কৰা এই মাধ্যমিক শিক্ষানীতিক বহলকৈ দুটা ভাগত ভাগ কৰা হয়-

(ক) নিয়ন্ত্ৰণৰ নীতি  আৰু  (খ) সম্প্ৰসাৰণৰ নীতি

**(ক) নিয়ন্ত্ৰণৰ নীতি (Policy of Controll) ঃ** মাধ্যমিক বিদ্যালয়সমূহক নিয়ন্ত্ৰণৰ অধীনলৈ আনিবলৈ কাৰ্জনে বলবৎ কৰা নিয়ন্ত্ৰমৰ নীতিবোৰ এনেধৰণৰ ঃ

১। বিদ্যালয় পৰিচালনা সমিতিসমূহ উপযুক্তভাৱে সংগঠিত কৰা।

২। বিদ্যালয়ৰ আৰ্থিক জটিলতা নাইকিয়া কৰিবৰ বাবে অৰ্থপুজীসমহ সন্তোষজনক কৰি তোলা।

৩। কোনোস্থানত মাধ্যমিক বিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা আছে নে নাই তাক বিচাৰ কৰা।

৪। সকলো মাধ্যমিক বিদ্যালয়েই শিক্ষাধিকাৰৰ পৰা স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব।

৫। শিক্ষাধিকাৰৰ পৰা স্বীকৃতি পোৱাৰ উপৰিও বিদ্যালয়সমূহে সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ পৰাও স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব।

৬। শিক্ষকৰ সংখ্যা উপযুক্ত হ'ব লাগিব আৰু তেওঁলোক প্ৰশিক্ষণ প্ৰাপ্ত হ'ব লাগিব। ইত্যাদি

**(খ) সম্প্ৰসাৰণৰ নীতি (Policy of Impurement) ঃ** মাধ্যমিক শিক্ষাৰ বিকাশৰ বাবে নিয়ন্ত্ৰণ নীতিৰ লগতে কাৰ্জনে সম্প্ৰসাৰণৰ নীতিৰ ওপৰতো গুৰুত্ব দিছিল। ইয়াৰ যোগেদি বিদ্যালয়সমূহৰ গুণগত মানদণ্ড উন্নত কৰিবলৈ বিচৰা হৈছিল। সেই উদ্দেশ্যেৰে তেখেতে মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে ঘোষণা কৰা কেইটামান নীতি এনেধৰণৰ ঃ

১। মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰম ব্যৱহাৰিক কৰি গঢ়ি তুলিব লাগে আৰু প্ৰৱেশিকা পৰীক্ষা উপযুক্ত কৰি তুলিবৰ বাবে পাঠ্যক্ৰমৰ সংশোধন কৰিব লাগে।

২। শিক্ষাদানৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে শিক্ষক ছাত্ৰ উভয়ৰে নিয়মানুৱৰ্তীতা আৰু অনুশাসন ভাল হ'ব লাগিব।

৩। মজলীয়া স্কুলৰ পৰ্যায়লৈকে শিক্ষাৰ মাধ্যম মাতৃভাষা কৰি তুলিব লাগিব। অৱশ্যে উচ্চ মাধ্যমিক পৰ্যায়ত তেওঁলোকে সমযোজন কৰাত যাতে কোনো অসুবিধা নাপায় তাৰ বাবে ইংৰাজী ভাষাৰ শিক্ষা আহৰণত অৱহেলা কৰিব নালাগে।

৪। মাধ্যমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শৰীৰ চৰ্চা আৰু শাৰীৰিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে আৰু সেই ব্যৱস্থা বিদ্যালয়ৰ প্ৰাঙ্গনৰ ভিতৰতে থাকিব লাগে।

৫। মাধ্যমিক বিদ্যালয় সমূহৰ গুণগত মান উন্নয়ণৰ বাবে পৰিদৰ্শকসকলৰ কৰ্মদক্ষতা বৃদ্ধি কৰিব লাগে। ইয়াৰ বাবে তেওঁলোকৰ দৰমহা বৃদ্ধি কৰিব লাগে।

### ১.৪.৪ কাৰ্জনৰ মাধ্যমিক শিক্ষানীতিৰ মূল্যায়ন (Evaluation of Curzon's Secondary Education policy) ঃ

লৰ্ড কাৰ্জনে গ্ৰহণ কৰা মাধ্যমিক শিক্ষানীতিয়ে বিশেষ সফলতা লাভ কৰিছিল। বিদ্যালয়সমূহে চৰকাৰ আৰু বিশ্ববিদ্যালয় দুয়োপক্ষৰ আওতালৈ অহাৰ লগে লগে

অনুশাসনৰ বাবে সুচল হ'ল আৰু প্ৰশাসনীয় মানদণ্ড উন্নত কৰি তোলা হ'ল।

ইতিমধ্যে তোমালোকে অনুমান কৰিছা যে বিদ্যালয় সমূহে বিশ্ববিদ্যালয় সমূহৰ দ্বাৰা স্বীকৃত প্ৰাপ্ত হ'বলগীয়া হ'ল। সেয়ে বিশ্ববিদ্যালয়সমূহে নিৰ্দিষ্ট পাঠ্যক্ৰম, বিষয়সূচী আদিৰ ওপৰত কিছুমান চৰ্ত বিদ্যালয়সমূহৰ ওপৰত আৰোপ কৰিছিল। বিদ্যালয়সমূহে এই চৰ্তসমূহ পূৰণ কৰিব পাৰিলেহে ছাত্ৰ-ছাত্ৰীক প্ৰৱেশিকা পৰীক্ষাত বহিবলৈ সুযোগ দিব পাৰিছিল। আনহাতে স্বীকৃতি পোৱা বিদ্যালয়লৈ স্বীকৃতি নোপোৱা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ নামভৰ্ত্তি প্ৰক্ৰিয়াত বাধা আৰোপ কৰা হৈছিল। ফলত সকলো বিদ্যালয়ে চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ চৰ্তসমূহ পূৰণ কৰিব বাবে নিজকে প্ৰস্তুত কৰিব লগা হৈছিল। আনহাতে চৰ্তপূৰণত বিফল হোৱা বিদ্যালয়সমূহ অৰ্থ সাহাৰ্যৰ অভাৱত বন্ধ হৈ গৈছিল।

এনে পৰিস্থিতিত জাতীয়তাবাদী ভাৰতীয়সকল অসন্তুষ্ট হৈছিল। তেওঁলোকে চৰকাৰৰ এই নিয়ন্ত্ৰণ নীতিক জাতীয়তাবাদ দমনৰ ব্যৱস্থা বুলি অভিহিত কৰিছিল। যাই কি নহওঁক, বেচৰকাৰী বিদ্যালয়সমূহৰ ওপৰত কাৰ্জনে বলবৎ কৰা নীতিয়ে শিক্ষাৰ প্ৰশাসনীয় দিশত মানদণ্ড উন্নত কৰাত সহায় কৰিছিল।

শিক্ষাৰ মাধ্যম সম্পৰ্কত কাৰ্জনে উৎসাহমূলক মন্তব্য আগবঢ়াইছিল। ইয়াৰ চৰকাৰী প্ৰস্তাৱত কোৱা হৈছিল যে শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে যাৰ যোগেদি মাতৃভাষাৰ উন্নতিৰ লগে লগে সাহিত্যৰো উন্নতি হ'ব। অৱশ্যে তেওঁ ইংৰাজী ভাষাৰ অধ্যয়নকো অৱহেলা কৰিব নালাগে বুলি মন্তব্য প্ৰকাশ কৰিছিল কাৰণ এই ভাষাৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলক মাধ্যমিক পৰ্যায়ত সমযোজন কৰাত সহায় কৰে।

পাঠ্যক্ৰমৰ সংস্কাৰ সাধনতো কাৰ্জনৰ অৱদান অপৰিসীম। তেওঁ প্ৰচলিত তত্ত্বগত আৰু একমুখী পাঠ্যক্ৰমৰ বিপৰীতে ইয়াক বহুমুখী কৰাৰ ওপৰত গুৰুত্ব দিছিল। তদুপৰি শিক্ষাৰ মানদণ্ড উন্নয়নৰ বাবে পৰিদৰ্শক নিয়োগত গুৰুত্বাৰোপ কৰাৰ লগতে পৰিদৰ্শকসকলক বন্ধু, দাৰ্শনিক আৰু পথ-প্ৰদৰ্শক হিচাপে দায়িত্ব পালনৰ উৎসাহ যোগাইছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ গ**

১। মাধ্যমিক শিক্ষাৰ নিয়ন্ত্ৰণ নীতি কি?

..........................................................................................

২। মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণ নীতি কি?

..............................................................................................

..............................................................................................

৩। কাৰ্জনৰ মাধ্যমিক শিক্ষাৰ নীতিৰ সাম্প্ৰতিক সময়ত কিমান প্ৰাসংগিকতা - ব্যাখ্যা কৰা।

..............................................................................................

..............................................................................................

..............................................................................................

## ১.৫ কাৰ্জনৰ উচ্চ শিক্ষানীতি (Curzon's Policy on Higher Education)ঃ

চিমলা শিক্ষা সন্মিলনৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰি তুলিবৰ বাবে লৰ্ড কাৰ্জনে প্ৰথম পদক্ষেপ হিচাপে বিশ্ববিদ্যালয়ৰ শিক্ষা সংস্কাৰৰ ওপৰত মনোনিৱেশ কৰিছিল। উদৰ ঘোষণা পত্ৰৰ পৰা কাৰ্জনৰ সময়লৈকে থকা পাঁচখন বিশ্ববিদ্যালয়ৰ কাৰ্যসূচীকলৈ কাৰ্জন একেবাৰে সন্তুষ্ট হোৱা নাছিল। তদুপৰি ১৮৯৮ চনত লণ্ডন বিশ্ববিদ্যালয়ক নতুন ৰূপ প্ৰদান কৰা হৈছিল যদিও ভাৰতীয় বিশ্ববিদ্যালয় কেইখনৰ কোনো পৰিবৰ্তন সাধন কৰা নাছিল। প্ৰশাসনীয় ক্ষেত্ৰতো বিশ্ববিদ্যালয়সমূহৰ বহু জটিলতা আছিল যাৰ ফলত বিশ্ববিদ্যালয়ৰ কাৰ্যক্ষমতা হ্ৰাস হৈছিল। এই অসুবিধা আতৰাই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰিবৰ বাবে ১৯০২ চনত বিশ্ববিদ্যালয় আয়োগ আৰু ১৯০৪ চনত বিশ্ববিদ্যালয় আইন ঘোষণা কৰে। তলত এই বিষয়ে আলোচনা কৰা হৈছে -

### ১.৫.১ বিশ্ববিদ্যালয় শিক্ষা আয়োগ-১৯০২ (University Education Commission-1902)ঃ

কাৰ্জনে ১৯০২ চনত বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰে। এই আয়োগৰ সভাপতিৰ দায়িত্ব দিয়া হৈছিল চাৰ থমাচ ৰেলীক। তেওঁ সেই বছৰতে প্ৰতিবেদন প্ৰস্তুত কৰি উলিয়াইছিল। অৱশ্যে প্ৰতিবেদন প্ৰস্তুত কালত প্ৰথম অৱস্থাত কোনো ভাৰতীয় সদস্য অন্তৰ্ভুক্ত নকৰিলেও পাছলৈ ভাৰতীয়সকলৰ অসন্তুষ্টি নিবাৰণৰ বাবে গুৰুদাস বেনাৰ্জি আৰু ছৈয়দ হাচান বিলগ্ৰামীক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। আয়োগক সেই সময়ৰ ভাৰতৰ বিশ্ববিদ্যালয় সমূহৰ অৱস্থা আৰু

প্ৰয়োজনীয়তাসমূহৰ অধ্যয়ন, প্ৰৱৰ্তিত বিষয়ৰ উন্নতি, শিক্ষণ কাৰ্যৰ মান উন্নীত কৰণ আৰু অগ্ৰৱৰ্তী শিক্ষণ ব্যৱস্থা আদিৰ বিষয়ে চৰকাৰলৈ পৰামৰ্শ প্ৰদান কৰিবলৈ কোৱা হৈছিল।

**আয়োগৰ মূল পৰামৰ্শসমূহ (Recommendations of the Commission) ঃ**

আয়োগৰ মূল পৰামৰ্শসমূহ এনেধৰণৰ ঃ

**(ক) অধ্যাপনামূলক বিশ্ববিদ্যালয় (Teaching Universities)** ঃ

(i) বিশ্ববিদ্যালয়সমূহৰ প্ৰশাসন ব্যৱস্থা পুনৰ গঠন কৰিব লাগে আৰু প্ৰত্যেক বিশ্ববিদ্যালয়ৰ নিজা এলেকা (territorial jurisdiction) নিৰ্ধাৰণ কৰি দিব লাগে।

(ii) বিশ্ববিদ্যালয়সমূহে ইয়াৰ সংবদ্ধ কলেজ সমূহক কঠোৰ আৰু প্ৰণালীগতভাৱে পৰিদৰ্শন কৰিব লাগে আৰু সংবদ্ধকৰণৰ ক্ষেত্ৰত অধিক কাৰ্যকৰী চৰ্ত (exacting condition)বলবৎ কৰিব লাগে।

(iii) ছাত্ৰ-ছাত্ৰীৰ বসবাসৰ ঠাই অৰ্থাৎ আবাসগৃহ আৰু কামৰ অৱস্থাৰ প্ৰতি অধিক মনোযোগ দিব লাগে।

(iv) বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতিৰ আৱশ্যকীয় সংশোধন বা পৰিবৰ্তন কৰিব লাগে।

(v) নিৰ্ধাৰিত পৰিসৰৰ ভিতৰত বিশ্ববিদ্যালয়ে শিক্ষাদান কামৰ দায়িত্ব পালন কৰিব।

(vi) বিশ্ববিদ্যালয়ৰ সংবদ্ধ কেন্দ্ৰীয় মহাবিদ্যালয় সমূহে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা আহৰণৰ কাৰণে পঠাব পাৰিব।

**(খ) ইংৰাজী ভাষা সম্পৰ্কীয় পৰামৰ্শ (On English Language)** ঃ

ভাষা সম্পৰ্কীয় পৰামৰ্শ আগবঢ়াবলৈ যাওঁতে আয়োগে দৃষ্টি ৰাখিছিল যে মেট্ৰিক উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ বক্তৃতা অনুকৰণ কৰিবলৈ অসুবিধা পায় আৰু বিদ্যালয় পৰ্যায়ত ইংৰাজী শিক্ষাদানৰ এটা বেয়া পৰম্পৰা চলি আছে। এই ক্ষেত্ৰত আয়োগে পৰামৰ্শ দিয়ে যে -

(i) ইংৰাজী তেতিয়ালৈকে শিকাব নালাগে যেতিয়ালৈকে ছাত্ৰসকলে কি শিকাবলৈ বিচাৰিছে সেইয়া নাজানে।

(ii) ভাষা শিক্ষাৰ শ্ৰেণীসমূহ সৰু হ'ব লাগে।

(iii) ইংৰাজকহে ইংৰাজী শিকাবলৈ দিব লাগে।

(iv) বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত কোনো পাঠ্যপুথি থাকিব নালাগে।

(v) স্নাতক পৰ্যায়ৰ ইংৰাজী শিক্ষাৰ মানদণ্ড উন্নত কৰিব লাগে।

**(গ) অন্য ভাষা সম্পৰ্কীয় পৰামৰ্শ (On Other Language) ঃ**

(i) MA পৰ্যায়লৈকে মাতৃভাষাক উৎসাহিত কৰিব লাগে।

(ii) ধ্ৰুপদী ভাষা অধ্যয়ন কৰিব লাগে, কিয়নো সম্পশীল সাহিত্যই সঠিক মানকি প্ৰশিক্ষণত সহায় কৰে।

**(ঘ) পৰীক্ষা সম্পৰ্কীয় পৰামৰ্শ (On Examination) ঃ**

আয়োগে স্বীকাৰ কৰিছিল যে শিক্ষাদান ব্যৱস্থাটো পৰীক্ষাৰ দ্বাৰা অৱনমিত। অৰ্থাৎ পৰীক্ষা এবিধ অত্যাৱশ্যকীয় অথব হানিকাৰক ব্যৱস্থা। এই সন্দৰ্ভত আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছিল -

(i) বিশ্ববিদ্যালয়ৰ পৰীক্ষা পদ্ধতিত কিছুমান সংশোধন আনিব লাগে।

(ii) প্ৰৱেশ পৰীক্ষাৰ মান উন্নত কৰিব লাগে।

(iiii) ইণ্টাৰমেডিয়েট পৰীক্ষা ব্যৱস্থাটো আঁতৰাই দিব লাগে।

(iv) প্ৰাইভেট পৰীক্ষাৰ্থীৰ বাবে পৰীক্ষা দিয়াৰ নিয়ম অধিক কঠোৰ হ'ব লাগে।

তদুপৰি কলিকতা বিশ্ববিদ্যালয় আয়োগে ১৯০২ চনৰ আয়োগৰ মূল পৰামৰ্শসমূ এনেদৰে আঙুলিয়াই দিছিল -

বিশ্ববিদ্যালয় আয়োগৰ মতে লণ্ডন সংশোধনীৰ চাৰিটা মূল দিশ (features), যি কেইটা ভাৰতীয় প্ৰেক্ষাপটত প্ৰণিধানযোগ্য। সেই কেইটা হ'ল -

- v প্ৰতিখন বিশ্ববিদ্যালয়কে অধ্যাপনামূলক বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিব লাগে।
- v কোনো মহাবিদ্যালয়কে যথোপযুক্ত শিক্ষক কৰ্মচাৰী আৰু সা-সুবিধা নহ'লে পূৰ্ণমাত্ৰাৰ সুবিধা বা স্বীকৃতি প্ৰদান কৰিব নালাগে।
- v শিক্ষকসকল সদায়েই বিশ্ববিদ্যালয় পৰিচালনাৰ লগত অংগাংগীভাৱে সংপৃক্ত হৈ থাকিব লাগে।
- v বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰিচালনা সংস্থাটোক চিনেট (senate) বুলি লণ্ডনৰ নিচিনাকৈয়ে কোৰা হ'ব আৰু এইসমূহ বৰ ডাঙৰ হ'ব নালাগে।

তদুপৰি আয়োগে ডিগ্ৰী পৰ্যায় তিনিবছৰীয়া কৰা, ছাত্ৰৰ যোগ্যতা অনুসৰি বৃত্তি প্ৰদান কৰা, বিশ্ববিদ্যালয়ত পুথিভড়াঁল আৰু প্ৰয়োগশালা স্থাপন কৰা আদি বিষয়তো পৰামৰ্শ আগবঢ়াইছিল।

সমীক্ষা ঃ উপৰিউক্ত ভাৰতৰ বিশ্ববিদ্যালয় আয়োগখন কাৰ্জনে প্ৰশাসনীয় সংস্কাৰ সাধনৰ বাবে গঢ়ি তুলিছিল। আয়োগৰ পৰামশ'’ৱলীও তাকেই পূৰণ কৰিছিল। উচ্চ শিক্ষাৰ শৈক্ষিক বিকাশ সাধনত আয়োগৰ কোনো গুৰুত্বপূৰ্ণ পৰামৰ্শ দেখা পোৱা নাযায়। আয়োগৰ পৰামৰ্শৱলীয়ে জাতীয়তাবাদী নেতাসকলক অসন্তুষ্ট কৰিছিল। মুঠৰ ওপৰত প্ৰথম ভাৰতীয় উচ্চ শিক্ষাৰ আয়োগ হিচাপে আয়োগখনে ভাৰতীয় আশা-আকাংক্ষ্যা প্ৰতিনিধিত্ব কৰিব নোৱাৰিলে।

**১.৫.২ ভাৰতীয় বিশ্ববিদ্যালয় আইন -১৯০৪ (Indian University Act-1904) ঃ**

ভাৰতীয় বিশ্ববিদ্যালয়আয়োগ ১৯০২ চনৰ পৰামৰ্শৱলীক কিছু সংশোধিতৰূপত ভাৰতীয় বিশ্ববিদ্যালয় আইন ১৯০৪ হিচাপে বিধান পৰিষদত গ্ৰহণ কৰা হয়। ভাৰতৰ জাতীয়তাবাদী নেতা গোপাল কৃষ্ণ গোখলেই আইনখনৰ তীব্ৰ বিৰোধিতা কৰা স্বত্বেও গৰিষ্ঠ সংখ্যক সমৰ্থনকাৰীৰ সমৰ্থন সাপেক্ষে আইনখন বিধান পৰিষদত স্বীকৃত হয় আৰু ১৯০৪ চনৰ পহিলা চেপ্তেম্বৰ (1st Sept., 1904) পৰা বলবৎ কৰা হয়। আইনখনৰ মূল বৈশিষ্ট্যসমূহ এনেধৰণৰ-

**১। বিশ্ববিদ্যালয়ৰ কাৰ্যপৰিসৰ বৃদ্ধি ঃ** আইনখনৰ যোগেদি ইয়াৰ প্ৰথম গুৰুত্বপূৰ্ণ পৰিবৰ্তন হিচাপে বিশ্ববিদ্যালয়ৰ কাৰ্যাৱলীৰ পৰিসৰ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ দিছিল। আইনখনে বিশ্ববিদ্যালয়সমূহৰ পূৰ্বৰ কাৰ্যসূচী কেৱল পৰীক্ষা লোৱা আৰু ডিগ্ৰী দিয়াৰ পৰিবৰ্তে তলৰ কাৰ্যসমূহ সাঙুৰি লোৱাৰ কথা প্ৰস্তাৱ কৰে -

- v ছাত্ৰ-ছাত্ৰীক নিৰ্দেশনা প্ৰদান
- v বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু প্ৰবক্তাসকলক নিয়োগ কৰা
- v শৈক্ষিক দান বৰঙণি (endowments) ব্যৱস্থাপনা কৰা
- v বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ, পৰীক্ষাগাৰ আৰু যাদুঘৰসমূহ সজীৱ, সম্পদশালী আৰু পৰিচালনা কৰা
- v ছাত্ৰ বাস আৰু ছাত্ৰৰ আচৰণ সম্পৰ্কীয় বিধি প্ৰস্তুত কৰা আৰু

v অধ্যয়ন আৰু গৱেষণাৰ বাবে সকলো ধৰণৰ কাম প্ৰশাসনে কৰা ইত্যাদি

**২। চিনেটৰ আকাৰ ঃ** আইনখনৰ যোগেদি বিশ্ববিদ্যালয়সমূহৰ চিনেটসমূহ পৰিচালনাযোগ্য আকাৰত গঠন কৰাৰ পৰামৰ্শ দিয়ে। এই ক্ষেত্ৰত তলৰ প্ৰস্তাৱসমূহ আগবঢ়ায় -

v চিনেটৰ সদস্য সংখ্যা ৫০ ৰ পৰা ১০০ ৰ ভিতৰত সীমিত কৰা হয়।

v সদস্যসকলৰ কাৰ্যকাল ৫ বছৰীয়া কৰা হয়।

**৩। নিৰ্বাচনৰ নীতি ঃ** আইনখনে চিনেটৰ সদস্য সকলক সদস্য নিৰ্বাচনৰ ক্ষমতা প্ৰদান কৰে। আইনখনে কলিকতা, বোম্বে আৰু মাদ্ৰাজ এই তিনিখন পুৰণি বিশ্ববিদ্যালয়তে নিৰ্বাচিত সদস্য সংখ্যা ২০ জন আৰু নতুন দুখন (পঞ্জাৱ আৰু এলাহাবাদ) ১৫ জন সদস্য মনোনীত কৰাৰ কথা উল্লেখ কৰে।

**৪। চিণ্ডিকেটৰ স্বীকৃতি ঃ** আইনখনে বিশ্ববিদ্যালয়ৰ চিণ্ডিকেট সভাবোৰক আইনসংগত স্বীকৃতি প্ৰদান কৰে। ইয়াত চিণ্ডিকেট সভাৰ গুৰুত্ব বৃদ্ধি কৰি উক্ত সভাক বিশ্ববিদ্যালয় কাৰ্যকৰী চৰকাৰ ৰূপে গঠন কৰিব লাগিব বুলি দোহাৰে। চিণ্ডিকেট সভাত এতিয়াৰে পৰা বিশ্ববিদ্যালয় পৰ্যন্ত শিক্ষক প্ৰতিনিধি থকাৰ বা ৰখাৰ কথাও উল্লেখ কৰে।

**৫। সংবদ্ধ কৰণৰ নীতি নিৰ্ধাৰণ ঃ** আইনখনত কোনো মহাবিদ্যালয়ৰ সংবদ্ধকৰণ অথবা ইতিপূৰ্বে সংবদ্ধকৰণ কৰা মহাবিদ্যালয় সমূহক সংবদ্ধকৰণ প্ৰত্যাহাৰ নীতিসমূহ দৃঢ় কৰাৰ কথা কয়। ইয়াত কোৱা হয় যে সংবদ্ধ কলেজসমূহক চিণ্ডিকেটৰ যোগেদি সময়ে সময়ে পৰিদৰ্শন কৰোৱাব লাগিব যাতে সঠিক মানদণ্ড ফলপ্ৰসূভাৱে মানি চলে।

**৬। চৰকাৰী ক্ষমতাৰ ব্যৱহাৰ ঃ** আনখনৰ যোগেদি চৰকাৰ আগতকৈ অধিক ক্ষমতা প্ৰদান কৰা হয়। এতিয়াৰে পৰাই বিশ্ববিদ্যালয়ৰ চিনেট সভাই নিৰ্ধাৰণ কৰা নীতিসমূহ চৰকাৰৰ দ্বাৰা অনুমোদন হ'ব লাগিব। প্ৰয়োজনবোধ কৰিলে চৰকাৰে কোনো নীতি নিয়মত বাধা দান কৰিব পাৰে। তদুপৰি চিনেট সভাই নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত নীতি ধাৰ্য কৰিব নোৱাৰিলে চৰকাৰে এনে নীতি নিজে ঠিক কৰিব।

**৭।ৰাজপ্ৰতিনিধি (Governer General in Council )ৰ ক্ষমতা ঃ** আইনখনে Governer General in Council ক বিশ্ববিদ্যালয়ৰ নিজৰ এলেকা (territorial juris-

diction) নিৰ্ধাৰণৰ কৰ্তৃত্ব প্ৰদান কৰিছে। তোমালোকৰ বাবে এটা কথা উল্লেখনীয় যে সেই সময়ৰ বিশ্ববিদ্যালয়বিলাকৰ নিজ নিজ এলেকা লৈ খেলি মেলি আছিল। অন্য এলেকাৰ কলেজ বেলেগ এলেকাৰ বিশ্ববিদ্যালয়ৰ তলত আছিল বা কেতিয়াবা একেখন কলেজৰে বিভিন্ন শ্ৰেণী দুখন বিশ্ববিদ্যালয়ৰ তলত আছিল। সেই অসুবিধা আঁতৰ কৰিবৰ বাবে Governer General in Council এ সাধাৰণ বা বিশেষ নিৰ্দেশৰ যোগেদি বিশ্ববিদ্যালয়ৰ এলেকা নিৰ্ধাৰণ কৰাৰ ক্ষমতা প্ৰদান কৰিছিল।

ভাৰতীয় বিশ্ববিদ্যালয় আইনে কলেজীয়া শিক্ষাৰ যথেষ্ট উন্নতি সাধন কৰিবলৈ সক্ষম হৈছিল।

**১.৫.৩ কাৰ্জনৰ উচ্চ শিক্ষানীতিৰ মূল্যায়ন (Evaluation of Curzon's Policy on Higher Education)ঃ**

ভাৰতীয় বিশ্ববিদ্যালয় শিক্ষানীতি আছিল মূলতঃ নিয়ন্ত্ৰণ আৰু সংকোচনৰ নীতি। এই নীতি ভাৰতীয়সকলে সন্দেহৰ চকুৰে চাইছিল আৰু তেওঁলোকে জাতীয়তাবাদৰ পৰিপন্থী বুলি ভাবিছিল। ১৯০২ চনৰ আয়োগত ভাৰতীয়সকলৰ মতামতক কোনো গুৰুত্ব দিয়া নাছিল। আনহাতে ১৯০৪ চনৰ আইনত চিনেটসভাক সংকুচিত কৰা, কলেজ সংবদ্ধকৰণৰ নতুন আৰু কঠিন নিয়ম প্ৰৱৰ্তন কৰা আদি নীতিৰ বাবে বিতৰ্ক হৈছিল। এই নীতিৰ বাবেই হয়তু ১৯০২ চনৰ পৰা ১০ বছৰৰ ভিতৰত কলেজৰ সংখ্যা ২২ খন কমি যোৱাটো মন কৰিব লগীয়া।

অৱশ্যে কাৰ্জনৰ উচ্চ শিক্ষাৰ নীতিক কেৱল নীতিবাচক দৃষ্টিৰে কোৱাটোও সমীচিন নহয়। সুক্ষ্ম দৃষ্টিৰে পৰ্যবেক্ষণ কৰিলে দেখা যায় যে সেই সময়ত উচ্চ শিক্ষাত দেখা দিয়া বিশৃংখলতা গুচাবৰ বাবে নিয়ন্ত্ৰণৰ ক্ষমতা সময়োপযোগী আছিল। ১৯০২ চনৰ শিক্ষা আয়োগ আৰু ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইনক সেই ক্ষমতা প্ৰদান কৰা হৈছিল। ১৯০৪ চনৰ আইনে আধুনিক ভাৰতৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ বুনিয়াদ গঢ়ি তুলিছিল। বিশ্ববিদ্যালয়বোৰক কেৱল পৰীক্ষা লোৱাৰ যন্ত্ৰ হৈ নাথাকি অধ্যয়নৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছিল।

এজন দৃঢ়মনা আৰু কৰ্তব্যপৰায়ন প্ৰশাসক হিচাপে লৰ্ড কাৰ্জনৰ শিক্ষাৰ প্ৰতি থকা দায়বদ্ধতা প্ৰশংসাযোগ্য। তেওঁৰ সংস্কাৰ সাধনৰ দিশত সজ উদ্দেশ্য আৰু আন্তৰিকতা থকাৰ বাবেহে তেওঁৰ চিন্তাবিলাক কাৰ্যকৰী কৰি তুলিব পাৰিছিল। কিন্তু

সেই সময়ৰ প্ৰতিকুল পৰিস্থিতিৰ বাবে তেওঁ চিন্তাধাৰা প্ৰকৃত কাৰ্যকৰী নহ'ল।

**১.৫.৪ ভাৰতীয় শিক্ষাৰ প্ৰতি কাৰ্জনৰ অৱদান (Lord Curzon's contribution to Indian Education) ঃ**

লৰ্ড কাৰ্জন এজন যোগ্য প্ৰশাসক হোৱাৰ উপৰিও তেওঁ আছিল শিক্ষাৰ এজন উপাসক। তেওঁ ভাৰতীয় শিক্ষাৰ দিক্ দৰ্শনকাৰী। শিক্ষাৰ প্ৰতিটো দিশতেই তেওঁ মনোযোগ দিছিল আৰু প্ৰতিটো দিশৰে সংস্কাৰ সাধন কৰিবলৈ বিচাৰিছিল। সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতি অনুকুল নোহোৱাৰ বাবে তেওঁৰ সংস্কাৰমুখী ভাৰধাৰা কাৰ্যত পৰিণত কৰিব নোৱাৰিলে। তদুপৰি স্বদেশী আন্দোলনৰ প্ৰভাৱেও ইংৰাজশাসনৰ বিৰুদ্ধে নেতিবাচক মনোভাৱ গঢ়ি তুলিছিল। সেয়ে হ'লেও কাৰ্জনে তেওঁৰ নীতিযে সুস্থ আৰু নিৰ্ভুল আছিল তাক প্ৰতিপন্ন কৰিছিল। তেখেতৰ কেইটামান স্মৰণীয় অৱদান এনেধৰণৰ -

(ক) ভাৰতীয় শিক্ষাৰ বিকাশৰ বাবে তেওঁ উদাৰ নীতিৰ অৰ্থসাহাৰ্য আগবঢ়াইছিল।

(খ) শিক্ষাৰ সকলো দিশতে চৰকাৰৰ অধিকাৰ সাব্যস্ত কৰি অনুশাসন ৰক্ষাৰ লগতে গুণমান উন্নত কৰি তোলাটো সম্ভৱ হৈছিল।

(গ) কৃষিপ্ৰধান ভাৰতৰ কৃষি শিক্ষাৰ প্ৰসাৰ আৰু উচ্চ পৰ্যায়ৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰাত তেওঁৰেই প্ৰথম পদক্ষেপ হাত লয়।

(ঘ) ভাৰতীয় ভাষা সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণৰ দিশতো কাৰ্জনৰ অৱদান প্ৰশংসনীয়।

সেয়েহে এই আলোচনাৰ পৰা তোমালোকে অনুমান কৰিব পাৰিছা যে ১৮৫৪ চনৰ উদৰ প্ৰতিবেদনে আৰম্ভ কৰা শিক্ষা আধুনিকীকৰণ প্ৰক্ৰিয়া আৰু অধিক আগবঢ়াই লৈ গৈছিল। প্ৰশাসক হিচাপে যেনেকুৱা কাৰ্যব্যৱস্থা নলওক কিয় শিক্ষাৰ সংস্কাৰক হিচাপে তেওঁৰ অৱদান সৰ্বদিন স্বীকৃত।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ ঘ**

১। ১৯০২ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ অধ্যাপনামূলক বিশ্ববিদ্যালয় (Teaching Universities) সম্পৰ্কীয় পৰামৰ্শ সমূহ কি কি?

..........................................................................................

..............................................................................................

২। কলিকতা বিশ্ববিদ্যালয় আয়োগে আঙুলিয়াই দিয়া ১৯০২ চনৰ আয়োগৰ মূল পৰামৰ্শসমূহ কি কি?

..............................................................................................

৩। ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইনৰ মূল পৰামৰ্শাৱলী উল্লেখ কৰা।

..............................................................................................

..............................................................................................

৪। ভাৰতীয় শিক্ষালৈ লৰ্ড কাৰ্জনৰ অৱদান শীৰ্ষক এটি টোকা লিখা।

..............................................................................................

..............................................................................................

..............................................................................................

## ১.৬ গোখলেৰ প্ৰচেষ্টা (Gokhale's Attempt) ঃ

শিকাৰোসকল তোমালোকে ইতিমধ্যে পাই অহা লৰ্ড কাৰ্জন ১৯০৫ চনত ভাইচৰয় পদৰ পৰা অৱসৰ লৈ ইংলণ্ডলৈ ঘূৰি যায়। তেওঁৰ পিছত ভাৰতলৈ অহা প্ৰশাসকসকলে তেওঁৰ প্ৰশাসনীয় নীতিক ওলটাই পেলালেও শিক্ষানীতিক কিন্তু ওলটোৱা নাছিল। বৰঞ্চ অনুকৰণহে কৰিছিল। কিন্তু ভাৰতীয়সকলে সদায়েই তাৰ বিৰোধিতাহে কৰি আছিল। কাৰ্জনে আগবঢ়োৱা অনুদান ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ১৯০৫ চনৰ পৰা ১৯৯২ চনলৈকে প্ৰাথমিক শিক্ষাৰ যথেষ্ট সম্প্ৰসাৰণ ঘটিছিল। অৱশ্যে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামুলক কৰাৰ সপক্ষে কোনো আলোচনা কৰা হোৱা নাছিল বা নীতি প্ৰস্তুত নকৰিছিল। আনহাতে জাতীয়তাবাদী ভাৰতীয়সকলে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাটোহে দাবী জনাইছিল। এনেসময়তে ১৯০৬ চনত বৰোদা ৰাজ্যৰ গাইকোৱৰে (Gaekwar of Baroda) তেওঁৰ ৰাজ্যত প্ৰাথমিক শিক্ষাক সকলোৰে বাবে বাধ্যতামূলক বুলি ঘোষণা কৰা কাৰ্যই জাতীয়তাবাদী নেতাসকলক অধিক উৎসাহী কৰিলে। তেওঁলোকৰ ভিতৰত গোপাল কৃষ্ণ গোখলে অন্যতম।

### ১.৬.১ গোখলেৰ ব্যক্তিগত পৰিচিতি (Introduction to Gokhale) ঃ

গোপাল কৃষ্ণ গোখলেৰ জন্ম হৈছিল ১৮৬৬ চনত কোলহাপুৰৰ এক মাৰাঠী

পৰিয়ালত। তেওঁ ১৮৮৪ চনত স্নাতক ডিগ্ৰী গ্ৰহণ কৰিছিল। তেওঁ বিখ্যাত জাতীয়তাবাদী নেতা মহাদেব গোবিন্দ ৰানাডেৰ পৰম ভক্ত আছিল আৰু তেওঁৰ Deccan Education Society ত যোগ কৰিছিল। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য আছিল আৰু বম্বে গোটৰ সভাপতি আছিল। তেওঁ পুনাৰ ফাগুচন কলেজৰ অধ্যাপক আৰু পৰৱৰ্তী কালত অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯০২ চনত তেওঁ বৃটিছ ইম্পিৰিয়েল লেজিছলেটিভ কাউঞ্চিলৰ বেচৰকাৰী সদস্য স্বৰূপে নিযুক্ত হয়। ১৯০৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধ্যক্ষপদ গ্ৰহণ কৰিছিল। ব্যক্তিগত গুণাৱলীৰ ভিতৰত তেওঁ এজন ওজস্বী, মানুহৰ মন জয় কৰিব পৰা, সু-বক্তা, অতি কঠোৰ আৰু জটিল কথাও নম্ৰ আৰু ভদ্ৰভাষাৰে প্ৰকাশ কৰাৰ ক্ষমতাৰে ক্ষমতাশীল আছিল। ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাক বিনামূলীয়া আৰু বাধ্যতামূলক (free and compulsory) কৰাত গোখলে অহোপুৰুষাৰ্থ প্ৰচেষ্টাই ভাৰতৰ শিক্ষা ইতিহাসত তেওঁৰ নাম সদায়েই উজ্বলাই ৰাখিব। তেওঁৰ এই প্ৰচেষ্টা ভাৰতৰ শিক্ষা ইতিহাসৰ গৌৰবোজ্বল অধ্যায়।

গোপাল কৃষ্ণ গোখলেই তেওঁৰ চিন্তাধাৰাক প্ৰস্তাৱ আকাৰে ১৯১০ আৰু ১৯১১ চনত লেজিছলেটিভ কাউঞ্চিলত উত্থাপন কৰিছিল। তলত এই বিষয়ে আলোচনা কৰা হ'ল -

### ১.৬.২ গোখলেৰ প্ৰস্তাৱ ১৯১০ (Gokhale's Proposal 1910)ঃ

প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তুলিবৰ বাবে গোখলেই ইম্পিৰিয়েল লেজিছলেটিভ কাউঞ্চিলৰ সদস্য হিচাপে ১৯১০ চনৰ ১৯ মাৰ্চত এটা প্ৰস্তাৱ উত্থাপন কৰিছিল। প্ৰস্তাৱটো আছিল এনেধৰণৰ , " this council recommends that a beginning should be made in the direction of making elementary education free and compulsory through out the country and that a mixed commission of officials and non officials be appointed at an early date to frame definite proposals. (এই সভাই/পৰিষদে অনুমোদন কৰে যে সমগ্ৰ দেশতে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তুলিবৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি চলাব লাগে আৰু এই সম্বন্ধে নিৰ্দিষ্ট প্ৰস্তাৱ প্ৰস্তুত কৰিবৰ বাবে চৰকাৰী আৰু বেচৰকাৰী সদস্যক লৈ এখন সন্মিলিত আয়োগ গঠন কৰিব লাগে।)

এই প্ৰস্তাৱৰ যোগেদি গোখলেই দাঙি ধৰা মূল্যৱান পৰামৰ্শসমূহ এনেধৰণৰ -

১। শতকৰা ৩০ ভাগ ছাত্ৰই শিক্ষা গ্ৰহণ কৰা অঞ্চলতহে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিব লাগে।

২। প্ৰাথমিক শিক্ষাৰ বিনামূলীয়া আৰু বাধ্যতামূলক ব্যৱস্থা ৬-১০ বছৰৰ ছাত্ৰৰ বাবে থাকিব লাগে।

৩। শিক্ষাৰ ব্যয় ৰাজ্য চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষসমূহে ক্ৰমে দুই তৃতীয়াংশ আৰু এক-তৃতীয়াংশ অনুক্ৰমে ব্যয় কৰিব লাগে।

৪। বাধ্যতামূলক প্ৰাথমিক শিক্ষা আঁচনি প্ৰস্তুত আৰু পৰিচালনা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনত এটা সম্পূৰ্ণ পৃথক শিক্ষাবিভাগ খুলিব লাগে।

৫। এই শিক্ষাবিভাগ পৰিচালনা কৰিবৰ বাবে এজন সচিব নিযুক্ত কৰিব লাগে আৰু তেওঁ প্ৰাথমিক শিক্ষাৰ অগ্ৰগতি সম্বন্ধে এক বিবৰণ বাজেট প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰিব লাগে।

**প্ৰস্তাৱৰ প্ৰতিক্ৰিয়া (Reactions of the resolution) ঃ** গোখলেৰ প্ৰস্তাৱৰ আলোচনা কালত চৰকাৰে আশ্বাস দিয়ে যে অতি সোনকালেই প্ৰাথমিক শিক্ষাৰ বিষয়টি চৰকাৰে বিশেষ সহানুভূতিৰে বিচাৰ কৰিব। গোখলেই এই আশ্বাস পাই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰে। অন্যহাতে চৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ তলত প্ৰাথমিক শিক্ষাৰ এটা বিভাগ খুলি এজন সচিব নিযুক্ত কৰিছিল। তেওঁ প্ৰাথমিক শিক্ষাৰ অগ্ৰগতি সম্পৰ্কীয় চৰকাৰী প্ৰতিবেদনো প্ৰকাশ কৰে। কিন্তু প্ৰস্তাৱৰ মূল বিষয় প্ৰাথমিক শিক্ষাৰ বিনামূলীয়া আৰু বাধ্যতামূলক  কৰাৰ প্ৰসঙ্গটো একাষৰীয়া হৈয়ে থাকিল। অৱশ্যে ভাৰতত প্ৰাথমিক শিক্ষাৰ প্ৰতি সৰ্বসাধাৰণৰ দৃষ্টি আকৰ্ষণ হ'ল।

### ১.৬.৩ গোখলেৰ বিল - ১৯১১ (Gokhale Bill 1911) ঃ

প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ আৰু বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত চৰকাৰী অভিপ্ৰায় গোখলেই ভালদৰে বুজি উঠিছিল। সেয়ে তেওঁৰ দাবী অধিক শক্তিশালী কৰি তুলিবৰ বাবে তেওঁ পুনৰ ১৯১১ চনৰ ১৫ মাৰ্চত লেজিছলেটিভ কাউঞ্চিলত কাউঞ্চিলৰ বেচৰকাৰী সদস্যস্বৰূপে এখন বিল উত্থাপন কৰে য'ত প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ বাবে অধিক উদাৰ আৰু নম্ৰ সুবিধা প্ৰদান কৰা হৈছিল।

বিলখনৰ মূল দফা সমূহ এনেধৰণৰ ঃ-

১। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিবৰ বাবে চিহ্নিত অঞ্চসমূহত এক নিৰ্দিষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত থাকিব লাগিব। এই নিৰ্দিষ্ট সংখ্যাটো গৰ্ভণৰ জেনেৰেলৰ মত সাপেক্ষে শিক্ষা বিভাগে নিৰ্ধাৰণ কৰিব।

২। পূৰ্ব চৰ্ত পূৰণ কৰাৰ পিছত স্থানীয় কৰ্তৃপক্ষসমূহে তেওঁলোকৰ সমগ্ৰ অঞ্চল নাইবা কোনো বিশেষ অঞ্চলত প্ৰয়োজন অনুসাৰে বাধ্যতামূলক কৰণৰ নীতি বলবৎ কৰিব।

৩। চৰকাৰৰ অনুমতি পোৱাৰ পিছত স্থানীয় কৰ্তৃপক্ষই নিজ নিজ অঞ্চলত এই আইন বলবৎ কৰিব পাৰিব।

৪। বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ বাবে হোৱা খৰচৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে স্থানীয় কৰ্তৃপক্ষসমূহে শিক্ষা কৰ ধাৰ্য কৰাৰ অনুমতি প্ৰদান কৰিব লাগিব।

৫। বাধ্যতামূলক শিক্ষাৰ বাবে হোৱা মুঠ খৰচৰ দুই তৃতীয়াংশ চৰকাৰে আৰু এক তৃতীয়াংশ স্থানীয় কৰ্তৃপক্ষই বহন কৰিব লাগিব।

৬। যিবিলাক ল'ৰাৰ বয়স ৬ বছৰৰ পৰা ১০ বছৰৰ ভিতৰত তেওঁলোকৰ বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক আৰু অভিভাৱকো তেওঁলোকক বিদ্যালয়লৈ পঠাবলৈ বাধ্য। আনহাতে ছোৱালীৰ কাৰণে এই আইন লাহে লাহে প্ৰযোজ্য হ'ব।

৭। নিৰ্ধাৰিত বয়সসীমাৰ কোনো ছাত্ৰ বিদ্যালয়ত উপস্থিত নাথাকিলে অভিভাৱকক শাস্তি দিয়া হ'ব।

৮। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিশ্চিত কৰিবৰ বাবে 'বিদ্যালয় উপস্থিতি সমিতি' গঠন কৰিব লাগে।

৯। যিসকল অভিভাৱকৰ মাহিলী উপাৰ্জন ১০ টকাৰ কম, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে মাচুল দিব নালাগে।

১০। প্ৰাদেশিক চৰকাৰৰ শিক্ষাবিভাগে বিদ্যালয়ত উপস্থিত থাকিবলগীয়া দিন আৰু প্ৰতিদিনৰ সময় ধাৰ্য কৰিব।

### ১.৬.৪ বিলখনৰ পৰিণতি (Fate of the Bill) ঃ

গোখলেই বিলখন যেতিয়া ইম্পেৰিয়েল লেজেছলেটিভ কাউঞ্চিলত আলোচনাৰ কাৰণে দাঙি ধৰিলে তেতিয়া বিলখন কাউঞ্চিলে মানি ল'বলৈ অমান্তি হয়। আৰু ইয়াৰ মতামত গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰ, বিশ্ববিদ্যালয় আৰু স্থানীয় কৰ্তৃপক্ষসমূহলৈ

তাৰ প্ৰতিলিপি প্ৰেৰণ কৰা হয়। সদনত দুদিন ধৰি বিলখনৰ আলোচনা চলে। গোখলেই নিজৰ সামৰ্থত প্ৰবল যুক্তি দাঙি ধৰে। বিতৰ্কৰ অন্তত বিলখন ভোটত দিয়াৰ সিদ্ধান্ত লয়। সপক্ষে ১৩ টা ভোটৰ বিপৰীতে বিপক্ষে ৩৮ টা ভোটেৰে বিলখন অগ্ৰাহ্য কৰা হয়।

গোখলে বিলখনৰ এই সম্ভাব্য পৰিণতিৰ বাবে তেওঁ আগৰে পৰা সাজু আছিল। সেয়ে তেওঁ কৈছিল, "My Lord, I know that my Bill will be thrown out before the day class, I make no complaint. I shall not even feel depressed." তেওঁ তেওঁৰ এই অকৃতকাৰ্যতাক 'বীৰত্বপূৰ্ণ পৰাজয়' বুলিয়ে স্বীকাৰ কৰিছিল। আৰু লগে লগেই প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ প্ৰথম প্ৰচেষ্টা অন্ত পৰিছিল। এই বিফলতাৰ মূল কাৰণসমূহ এনেধৰণৰ -

**বিলখন অগ্ৰাহ্য কৰাৰ কাৰণ (Reasons for rejecting the Bill) ঃ** বিলখন কাউঞ্চিলত গৃহীত নোহোৱাৰ কাৰণসমূহ এনেধৰণৰ -

১। দেশৰ জনসাধাৰণ বাধ্যতামূলক নীতি গ্ৰহণৰ বাবে সাজু নাছিল।

২। এই সম্পৰ্কে কোনো জনপ্ৰিয় দাবী উত্থাপিত হোৱা নাছিল।

৩। ৰাজ্য চৰকাৰসমূহেও বিলখনৰ প্ৰতি সমৰ্থন জনোৱা নাছিল।

৪। এক শ্ৰেণীৰ শিক্ষিত ভাৰতীয় লোকেও বিলখন সমৰ্থন কৰা নাছিল।

৫। স্থানীয় কৰ্তৃপক্ষসমূহো কৰ নিৰ্ধাৰণৰ প্ৰতি আগ্ৰহী নাছিল। ইত্যাদি

### ১.৬.৫ প্ৰাথমিক শিক্ষাত গোখলে বিলৰ প্ৰভাৱ (Inpact of Gokhale's Bill on Primary Education) ঃ

ইম্পেৰিয়েল লেজেছলেটিভ কাউঞ্চিলত গোখলেৰ বিলখন গ্ৰাহ্য নহ'ল যদিও ভাৰতৰ প্ৰাথমিক শিক্ষাৰ বিকাশত গোখলেৰ প্ৰচেষ্টা আলোচ্য বিষয়। তেওঁৰ সেই বলিষ্ঠ পদক্ষেপে ভাৰতীয়সকলৰ মনত প্ৰাথমিক শিক্ষাৰ বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰোৱালে।

ঠিক তেনে সময়তে ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জ ১৯১২ চনত ভাৰতলৈ আহিছিল। তেওঁ ভ্ৰমণৰ শুভেচ্ছামূলক চিনস্বৰূপে ৫০ লাখ টকা দান দিয়াৰ কথা ঘোষণা কৰিছিল। তদুপৰি গোখলেৰ প্ৰাথমিক শিক্ষা বিল কিয় অগ্ৰাহ্য কৰা হ'ল সেই বিষয়ে তেওঁ কৈফিয়ৎ তলব কৰিছিল।

ঘটনাৰ পৰিবৰ্তিত অনুক্ৰমে শিক্ষা সম্বন্ধে চৰকাৰেও পূৰ্বৰ নীতি সংশোধিত কৰিব লগা হৈছিল। এই নীতি প্ৰস্তাৱ আকাৰে ১৯১৩ চনৰ ২১ মে'ত প্ৰকাশ কৰিছিল। এই নীতিত প্ৰাথমিকৰ পৰা আৰম্ভ কৰি মাধ্যমিক, বিশ্ববিদ্যালয় আৰু স্ত্ৰী শিক্ষা সম্বন্ধত বিবেচনা কৰা হয়। এইয়া মূলতঃ গোখলেৰ প্ৰচেষ্টাৰ প্ৰভাৱ।

**১৯১৩ চনৰ ভাৰত চৰকাৰৰ শিক্ষানীতিৰ প্ৰস্তাৱসমূহ (Government of India Resolution of 1913 on Education) ঃ** এনেধৰণৰ

**প্ৰাথমিক শিক্ষা সম্বন্ধে ঃ**

- নিম্ন প্ৰাথমিক বিদ্যালয় বৃদ্ধি কৰিব লাগে
- ছাত্ৰৰ স্বাস্থ্য বিকাশত শিক্ষা আৰু স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে।
- সুবিধাজনক ঠাইত উচ্চ প্ৰাথমিক স্কুল স্থাপন কৰিব লাগে।
- স্থানীয় কৰ্তৃপক্ষবোৰে নিজ নিজ এলেকাত অধিক বিদ্যালয় স্থাপন কৰিব আৰু নোৱাৰিলে ব্যক্তিগত উদ্যোগীক উৎসাহ প্ৰদান কৰিব।
- নগৰ আৰু গ্ৰাম্য অঞ্চলৰ পাঠ্যক্ৰম পৃথক হ'ব নালাগে।
- শিক্ষকসকল প্ৰশিক্ষণ প্ৰাপ্ত হ'ব লাগে।

**মাধ্যমিক শিক্ষা সম্বন্ধে ঃ**

- বিশ্ববিদ্যালয়ৰ স্বীকৃতি বাতিল কৰি এই দায়িত্ব কেৱল চৰকাৰৰ শিক্ষা বিভাগক দিব লাগে।
- ৰাজ্যিক চৰকাৰে মাধ্যমিক বিদ্যালয় স্থাপন কৰিব লাগে।
- পাঠ্যক্ৰম আৰু পৰীক্ষা ব্যৱস্থা উন্নত হ'ব লাগে।
- উপযুক্ত পৰিদৰ্শনৰ ব্যৱস্থা কৰিব লাগে।

**বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধে ঃ**

- বিশ্ববিদ্যালয় শিক্ষাৰ সংকোচন নীতিৰ বিপৰীতে সম্প্ৰসাৰণ নীতি গ্ৰহণ কৰিব লাগে।
- শিক্ষাদান আৰু পৰীক্ষাকাৰ্য পৃথক হ'ব লাগে।
- পাঠ্যক্ৰমত শিল্প বিষয়ত প্ৰাধান্য দিব লাগে।
- গবেষণা কাৰ্যৰ প্ৰয়োজনীয় সুবিধা প্ৰদান কৰিব লাগে।

> ছাত্ৰ-ছাত্ৰীসকল তোমালোকে ১৯১৩ চনৰ এই প্ৰস্তাৱৰ বিষয়ে অধিক জানিবৰ বাবে যতীন বৰুৱাৰ ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন কিতাপখনৰ পৃষ্ঠা নং ২৩৫ - ২৩৮ লৈ অধ্যয়ন কৰিবা।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ ৬**

১। গোখলেৰ জন্ম ক'ত হৈছিল ?

.....................................................................................................

২। গোখলেৰ ১৯১০ চনৰ প্ৰস্তাৱৰ মূল দফাটো ২০টা শব্দৰ ভিতৰত লিখা।

.....................................................................................................

.....................................................................................................

.....................................................................................................

৩। গোখলেৰ বিল ১৯১১ ৰ মূল দফাসমূহ আলোচনা কৰা।

.....................................................................................................

.....................................................................................................

৪। গোখলেৰ বিলৰ পৰিণতি আৰু ইয়াৰ অগ্ৰাহ্যৰ কাৰণসমূহ ব্যাখ্যা কৰা।

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ১.৭ সামৰণি ঃ

শিক্ষাৰ্থীসকল এই গোটত আমি জাতীয় আন্দোলনৰ পটভূমি, চিমলা শিক্ষা সন্মিলন, কাৰ্জনৰ শিক্ষানীতি, গোপাল কৃষ্ণ গোখলেৰ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা সম্পৰ্কীয় অৰদানৰ বিষয়ে অধ্যয়ন ও আলোচনা কৰিলো।

পশ্চিমীয়া শিক্ষাৰে শিক্ষিত হৈও নিজৰ জাতিৰ প্ৰতি থকা প্ৰেমভাৱে ভাৰতীয়সকলক ইংৰাজৰ শোষণ আৰু শাসনৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস যোগাইছিল। গোপাল কৃষ্ণ গোখলে, ৰবীন্দ্ৰনাথ ঠাকুৰ আদি জাতীয়তাবাদী নেতাসকলে নিজস্ব চিন্তাধাৰাৰে জাতীয় শিক্ষা আঁচনি প্ৰস্তুত কৰিছিল। শান্তিনিকেতন, বিশ্বভাৰতী আদি তাৰে উদাহৰণ। জাতীয়তাবাদৰ এই উত্থানে ভাৰতৰ ৰাজনৈতিক,

ধৰ্মীয়, শিল্প আৰু কাৰিকৰী এই সকলো দিশতে প্ৰভাৱ পেলাইছিল।

লৰ্ড কাৰ্জন ১৮৯৯ চনত ভাৰতলৈ ইংলণ্ডৰ ৰাজপ্ৰতিনিধি (Viceroy) হৈ আহিছিল। ১৯০১ চনত তেওঁ চিমলাত গোপনে শিক্ষা সংস্কাৰৰ অৰ্থে এখন সন্মিলন পাতিছিল। এইখন ভাৰতবৰ্ষৰ প্ৰথম শিক্ষা সন্মিলন আছিল আৰু ইয়াত ১৫০টা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

লৰ্ড কাৰ্জনে প্ৰাথমিক শিক্ষাৰ সংখ্যাগত আৰু গুণগত এই দুয়ো দিশৰ বিকাশত গুৰুত্ব দিছিল। তেওঁ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ প্ৰশিক্ষণ, পাঠ্যক্ৰমৰ সংস্কাৰ সাধন, ফলাফলৰ ভিত্তিত অৰ্থ সাহাৰ্য নীতিৰ পৰিহাৰ, শিক্ষকৰ দৰমহা বৃদ্ধি, উন্নত শিক্ষা পদ্ধতি প্ৰয়োগ আদি বিভিন্ন পৰামৰ্শ দিছিল। এনে পৰামৰ্শৰ ফলত দেশত স্বীকৃতিপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ লগতে ছাত্ৰছাত্ৰীৰ সংখ্যাও বৃদ্ধি হৈছিল।

মাধ্যমিক শিক্ষাৰ সংস্কাৰৰ লক্ষ্যৰে কাৰ্জনে নিয়ন্ত্ৰণ আৰু সম্প্ৰসাৰণ নীতিৰ প্ৰয়োগ কৰিছিল। নিয়ন্ত্ৰণ নীতৰ যোগেদি অনুপযুক্ত বিদ্যালয়সমূহ স্বীকৃতি বাতিল বা প্ৰদান নকৰা আৰু সম্প্ৰসাৰণ নীতিৰ যোগেদি মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰিবলৈ বিচৰা হৈছিল।

লৰ্ড কাৰ্জনে ভাৰতৰ শিক্ষাৰ উন্নতি সাধন কৰিবলৈ বিশ্ববিদ্যালয় শিক্ষা আয়োগ ১৯০২ আৰু ভাৰতীয় বিশ্ববিদ্যালয় আইন ১৯০৪ গঠন কৰিছিল। ইয়াৰ যোগেদি তেওঁ আধুনিক বাৰতৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ বুনিয়াদ ৰচনা কৰিছিল। বিশ্ববিদ্যালয় সমূহ কেৱল পৰীক্ষাকেন্দ্ৰ হোৱাৰ পৰিবৰ্তে অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰলৈ পৰিণত কৰাত গুৰুত্ব দিছিল।

উক্ত গোটটিতে ভাৰতত জাতীয় জাগৰণৰ সূত্ৰপাত ঘটোৱা বিখ্যাত জাতীয়তাবাদী নেতা গোপাল কৃষ্ণ গোখলেৰ অৱদান বৰ্ণনা কৰা হৈছে। প্ৰাথমিক শিক্ষাক বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ বাবে তেওঁৰ প্ৰথম যি সাহসী প্ৰচেষ্টা সেইয়া স্মৰণীয়। লেজিছলেটেভ কাউঞ্চিলৰ সদস্য হিচাপে তেওঁ প্ৰথম ১৯১০ চনত এটা প্ৰস্তাৱ আৰু ১৯১১ চনত এখন বিল উত্থাপন কৰিছিল। এই দুয়োটা দিশ চৰকাৰে নাকচ কৰিলেও গোখলেৰ প্ৰচেষ্টাই ভাৰত চৰকাৰক শিক্ষানীতি সংশোধন কৰিবলৈ আৰু প্ৰণয়ন কৰিবৰৈ উৎসাহ যোগাইছিল। ইয়াকে ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱ হিচাপে জনা যায়। গোটটোত এই সকলো কথা বিতংভাৱে আলোচনা

কৰা হৈছে।

**ঘাই শব্দসমূহ ঃ**

**পাঠ্যনির্দেশনা ঃ**

**আত্মমূল্যায়ন প্ৰশ্নৰ সম্ভাব্য উত্তৰ ঃ**

**আৰ্হি প্ৰশ্নাৱলী ঃ**

**প্ৰসঙ্গ পুথি ঃ**

EDUG - 301

# জাতীয় আন্দোলনৰ সময়ত ভাৰতীয় শিক্ষাৰ বিকাশ (১৯০০-১৯৪৭)

খণ্ড - ৩

গোট - ০২


২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ চেদলাৰ আয়োগ গঠনৰ প্ৰয়োজনীয়তা আৰু নিযুক্তি

২.৩ আয়োগৰ প্ৰতিবেদন

২.৩.১ মাধ্যমিক শিক্ষা সম্বন্ধে পৰামৰ্শৱলী

২.৩.২ মাধ্যমিক শিক্ষাৰ সম্বন্ধীয় পৰামৰ্শাৱলীৰ মূল্যায়ন

আত্ম মূল্যায়নৰ প্ৰশ্ন - ক

২.৪ বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধে পৰামশৱলী

২.৪.১ শৈক্ষিক নিৰ্দেশসমূহ

২.৪.২ প্ৰশানীয় নিৰ্দেশসমূহ

২.৪.৩ কলিকতা বিশ্ববিদ্যালয় সম্বন্ধে পৰামৰ্শাৱলী

২.৪.৪ শিক্ষক প্ৰশিক্ষণ সম্বন্ধে পৰামৰ্শৱলী

২.৫ আন পৰামৰ্শসমূহ

২.৫.১ স্ত্ৰী শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী

২.৫.২ বৃত্তীয় আৰু কাৰিকৰী শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী

২.৫.৩ পৰামৰ্শাৱলীৰ মূল্যায়ন

আত্ম মূল্যায়ন প্ৰশ্ন - খ

২.৬ ভাৰত চৰকাৰ আইন ১৯২১

২.৬.১ আগকথা

২.৬.২ মন্টফোৰ্ড সংস্কাৰ

২.৬.৩ দ্বৈত শাসন ব্যৱস্থা

২.৬.৪ দ্বৈত শাসন আৰু ভাৰতৰ শিক্ষা

২.৬.৫ দ্বৈত শাসন ব্যৱস্থাত শিক্ষাৰ সমস্যা

আত্ম মূল্যায়ন প্ৰশ্ন - গ

২.৭ হাৰ্টগ কমিটিৰ প্ৰতিবেদন - ১৯২৯

২.৭.১ প্ৰাথমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শৱলী

প্ৰাথমিক শিক্ষাৰ ত্ৰুটিসমূহ
কমিটিৰ পৰামৰ্শৱলী
কমিটিৰ পৰামৰ্শৱলীৰ সমীক্ষা
২.৭.২ মাধ্যমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শৱলী
মাধ্যমিক শিক্ষাৰ দোষ ত্ৰুটি
কমিটিৰ পৰামৰ্শৱলী
কমিটিৰ পৰামৰ্শৱলীৰ সমীক্ষা
২.৭.৩ উচ্চ শিক্ষা সম্বন্ধীয় পৰামৰ্শৱলী
২.৭.৪ স্ত্ৰী শিক্ষা সম্বন্ধীয় পৰামৰ্শৱলী
২.৭.৫ হাৰ্টগ কমিটিৰ পৰামৰ্শাৱলীৰ মূল্যায়ন
আত্ম মূল্যায়ন প্ৰশ্ন - ঘ
২.৮ সামৰণি
ঘাই শব্দসমূহ
পাঠ্যনিৰ্দেশনা
আত্মমূল্যায়ন প্ৰশ্নৰ সম্ভাব্য উত্তৰ
আৰ্হি প্ৰশ্নাৱলী
প্ৰসঙ্গ পুথি

## ২.০উদ্দেশ্য (Objective)

এই গোটটো পঢ়াৰ পাছত তোমালোকে

(ক) চেদলাৰ আয়োগৰ পৰামৰ্শৱলী ব্যাখ্যা কৰিব পাৰিবা।

(খ) চেদলাৰ আয়োগৰ পৰামৰ্শৱলীৰ মূল্যায়ন কৰিব পাৰিবা।

(গ) ভাৰত চৰকাৰ আইনে, ১৯২১ এ ভাৰতীয় শিক্ষালৈ আগবঢ়োৱা সংস্কাৰবোৰ আলোচনা কৰিব পাৰিবা।

(ঘ) হাৰ্টগ কমিটিৰ প্ৰতিবেদন ১৯২৯ ৰ পৰামৰ্শাৱলীৰ বিশ্লেষণ কৰিব পাৰিবা।

(ঙ) হাৰ্টগ কমিটিৰ প্ৰতিবেদন, ১৯২৯ ৰ পৰামৰ্শাৱলীৰ মূল্যায়ন কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা (Introduction)

তোমালোকে আগৰ গোটটোত ভাৰতবৰ্ষত জাতীয় জাগৰণৰ পটভূমি, ইয়াৰ প্ৰভাৱ, লৰ্ড কাৰ্জনৰ আগমন আৰু শৈক্ষিক সংস্কাৰৰ প্ৰচেষ্টা, জাতীয়তাবাদী নেতা গোপাল কৃষ্ণ গোখলেৰ প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ প্ৰস্তাৱ আৰু ইয়াৰ পৰিণতিৰ বিষয়ে অধ্যয়ন কৰিছিলা। এই অধ্যয়নত তোমালোকে ভাৰতত বিশ্ববিদ্যালয় শিক্ষাৰ বিকাশ আৰু উন্নতি কল্পে গঠন কৰা কলিকতা বিশ্ববিদ্যালয় আয়োগৰ বিষয়ে অৱগত হোৱাৰ লগতে ইয়াৰ ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে মূল্যায়ন কৰিব পাৰিবা।

## ২.২ চেদলাৰ আয়োগ গঠনৰ প্ৰয়োজনীয়তা আৰু নিযুক্তি (Need and Appointment of Sadler Commission)

১৯১৩ চনৰ শিক্ষানীতিৰ প্ৰস্তাৱত ভাৰতৰ বিশ্ববিদ্যালয় সমূহৰ সংস্কাৰ আৰু প্ৰসাৰৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ দফা সন্নিৱিষ্ট কৰা হৈছিল আৰু প্ৰতিখন ৰাজ্যতে একোখন বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছিল। কিন্তু বিভিন্ন কাৰণত এই পৰামৰ্শৱলী সম্পূৰ্ণৰূপে কাৰ্যত পৰিণত নহ'ল। সেয়েহে ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰিস্থিতি আৰু ভৱিষ্যত উন্নতিৰ সম্ভাৱনা সম্পৰ্কে তথ্য আহৰণ আৰু পৰামৰ্শ প্ৰদানৰ বাবে কলিকতা বিশ্ববিদ্যালয় আয়োগ, ১৯১৭ গঠন কৰা হৈছিল।

অৱশ্যে ১৯১৪ চনতেই এই আয়োগ গঠনৰ প্ৰয়োজনীয়তা ভাৰত চৰকাৰে অনুভৱ কৰিছিল যদিও প্ৰথম বিশ্বযুদ্ধৰ পৰিপ্ৰেক্ষিতত সেইয়া পাছ পৰি ৰ'ল। বিশ্বযুদ্ধ শাম কাটিলত ভাৰত চৰকাৰে ইংলণ্ডৰ লীডচ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মাইকেল চেদলাৰক অধ্যক্ষ হিচাপে লৈ ১৯১৭ চনৰ ১৪ চেপ্তেম্বৰত কলিকতা বিশ্ববিদ্যালয় আয়োগে গঠন কৰে। এই

আয়োগক চেধলাৰৰ নামানুসৰি চেদলাৰ আয়োগ নামেৰেও জনা যায়।

## ২.৩ আয়োগৰ প্ৰতিবেদন (Report of th Committee)

চেদলাৰ আয়োগে সেই সময়ৰ ভাৰতৰ সকলো বিশ্ববিদ্যালয় ভ্ৰমণ কৰি প্ৰায় সোতৰ মাহৰ পাছত ইয়াৰ প্ৰতিবেদন প্ৰস্তুত কৰিছিল। আয়োগে পুঙ্খানুপুঙ্খভাৱে কলিকতা বিশ্ববিদ্যালয়ৰ সকলো সমস্যা আলোচনা কৰিছিল। আয়োগে ১৯১৯ চনত ভিন ভিন দিশৰ মুঠ ১৩ লানি পৰামৰ্শ চৰকাৰক দাখিল কৰিছিল। প্ৰাথমিক স্তৰৰ বাহিৰে ভাৰতীয় শিক্ষাৰ সকলো স্তৰৰ বাবে আয়োগে বহুতো গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল।

### ২.৩.১ প্ৰাথমিক শিক্ষাৰ সম্বন্ধে পৰামৰ্শাৱলী (Recommendations of Secondary Education)

চেদলাৰ আয়োগে মত পোষণ কৰিছিল যে মাধ্যমিক শিক্ষাৰ সংস্কাৰ নহ'লে বিশ্ববিদ্যালয় শিক্ষাৰ উন্নতি সম্ভৱ নহয়। মাধ্যমিক শিক্ষা উচ্চ শিক্ষাৰ বুনিয়াদ স্বৰূপ। মাধ্যমিক শিক্ষা সম্পৰ্কীয় পৰামৰ্শ আগবঢ়োৱাৰ পূৰ্বে আয়োগে মাধ্যমিক শিক্ষাৰ দোষসমূহ বিচাৰি উলিয়াইছিল। এই দোষসমূহ এনেধৰণৰ --

(ক) মাধ্যমিক শিক্ষাৰ প্ৰসাৰৰ অনুপাতে ইয়াৰ গুণগত বিকাশ সাধন হোৱা নাই।

(খ) শিক্ষকৰ পাৰিতোষিক যথেষ্ট কম আৰু ইয়াৰ বাবেই শিক্ষকতাই যোগ্যব্যক্তিক আকৰ্ষণ কৰিব নোৱাৰে।

(গ) প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ।

(ঘ) লক্ষ্য অতি সংকীৰ্ণ। কেৱল মেট্ৰিক পৰীক্ষাত উৰ্ত্তীণ হোৱাটোৱেই মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ মূল লক্ষ্য।

তদুপৰি কাৰ্যকৰী আৰু ব্যৱসায়িক দিশৰ প্ৰতি অমনোযোগিতা, নিয়মীয়া পৰিদৰ্শনৰ অভাৱ আদি বহুতো সমস্যাৰে মাধ্যমিক শিক্ষা ভাৰাক্ৰান্ত।

**সংস্কাৰ সাধনৰ পৰামৰ্শৱলী ঃ** উপৰি উক্ত দোষ-ত্ৰুটি সমূহ আঁতৰাবৰ বাবে আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়াই -

১। প্ৰতিখন ৰাজ্যতে মাধ্যমিক আৰু মধ্যকালীন (Intermediate) শিক্ষাবৰ্ড গঠন কৰিব লাগে।

২। স্নাতক মহাবিদ্যালয়সমূহৰ পৰা ইন্টাৰমেডিয়েট শ্ৰেণীসমূহ পৃথক কৰিব লাগে। ইন্টাৰমেডিয়েট শ্ৰেণীসমূহৰ বাবে নতুনকৈ পৃথকে ইন্টাৰ মেডিয়েট কলেজ স্থাপন কৰিব

লাগে। ইয়াত কলা, বিজ্ঞান, চিকিৎসা, ইঞ্জিনিয়াৰিং, বাণিজ্য, শিল্প উদ্যোগ আৰু কৃষিবিষয়ক পাঠ্যক্রমৰ ব্যৱস্থা থাকিব।

৩। যদিও মাধ্যমিক বিদ্যালয়ৰ পৰা ইন্টাৰ মেডিয়েট কলেজবোৰ পৃথক হ'ব তথাপি ইয়াৰ প্ৰৱৰ্তন কৰা শিক্ষা মাধ্যমিক শিক্ষাৰহে অন্তৰ্গত হ'ব।

৪। ইন্টাৰ মেডিয়েট পৰীক্ষা পাছ কৰাৰ পাছতহে ছাত্ৰক বিশ্ববিদ্যালয়ত ভৰ্তি কৰা হ'ব।

৫। মাধ্যমিক শিক্ষাৰ উপযুক্ত বিকাশৰ বাবে চৰকাৰৰ অৰ্থ সাহায্যৰ প্ৰয়োজন।

৬। স্ত্ৰী শিক্ষাৰ বিশেষ সুবিধাৰ অৰ্থে ১৫/১৬ বছৰীয়া ছোৱালীৰ কাৰণে 'পৰ্দাস্কুল' স্থাপন কৰিব লাগিব।

উল্লেখিত কৰা পৰামৰ্শসমূহ আৰু বিশেষকৈ মাধ্যমিক আৰু ইন্টাৰমেডিয়েট বৰ্ড গঠন হ'লে বিশ্ববিদ্যালয়ৰ কামৰ হেঁচা কমি যাব আৰু বিশ্ববিদ্যালয়সমূহে উচ্চ শিক্ষাৰ উন্নয়ন কল্পে অধিক মনোযোগ দিব পাৰিব বুলি আয়োগে আশা কৰিছিল।

### ২.৩.২ পৰামৰ্শাৱলীৰ মূল্যায়ন (Valuation of the Recommendation) ঃ

চেদলাৰ আয়োগে মাধ্যমিক আৰু ইন্টাৰ মেডিয়েট পৰ্যায়ৰ শিক্ষাৰ বিকাশৰ বাবে ইয়াৰ পৰামৰ্শাৱলীত বহু নতুনত্ব প্ৰদান কৰিছিল। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ উত্তৰণৰ বাবে মাধ্যমিক পৰ্যায়ৰ দোষ ত্ৰুটিৰ সুক্ষ্মবিশ্লেষণ আয়োগৰ দূৰদৃষ্টিৰ পৰিচায়ক। আয়োগে আগবঢ়োৱা মাধ্যমিক পৰ্যায়ৰ শিক্ষাব্যৱস্থাৰ দোষসমূহ আমাৰ সকলোৰে পৰিচিত। এই সমূহে মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ মান নিম্নগামী কৰাত কাৰো দ্বিমত নাই। মেট্ৰিক পৰীক্ষাৰ অত্যাধিক প্ৰাধান্য হ্ৰাস কৰিবৰ বাবে ইন্টাৰ মেডিয়েট পৰ্যায় খোলাটো আৰু তাৰ যোগেদি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱাটো আয়োগৰ মূল উদ্দেশ্য। তদুপৰি মাধ্যমিক শিক্ষাৰ মাধ্যম মাতৃভাষা কৰিবৰ বাবে দিয়া আয়োগৰ পৰামৰ্শ তাৎপৰ্যপূৰ্ণ আৰু প্ৰেৰণাদায়ক।

আয়োগে ইন্টাৰ মেডিয়েট পৰ্যায়টো নতুনকৈ সৃষ্টি কৰিলে আৰু ইয়াক বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাজত বিভাজন ৰেখা স্বৰূপে স্থিৰ কৰিলে। এই পৰ্যায়ৰ পাঠ্যক্ৰমো যথেষ্ট বহল পৰিসৰৰ কৰা হ'ল। আমাৰ বৰ্তমানৰ +২ পৰ্যায় এই ইন্টাৰ মেডিয়েট পৰ্যায়ৰে পুনৰ সংস্কৰণ মাথোন। অসমতো বৰ্তমানৰ 'জুনিয়ৰ কলেজৰ' জনপ্ৰিয়তাইয়ো আয়োগৰ পৰামৰ্শাৱলীকে মনত পেলায়। তদুপৰি বৰ্তমান আমাৰ 'উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ' আৰু ইয়াৰ কাৰ্যপৰিসৰ চেদলাৰ আয়োগৰ পৰামৰ্শাৱলীৰে ফলশ্ৰুতি মাথোন।

**আত্ম মূল্যায়নৰ প্ৰশ্ন - ক**

১। চেদলাৰ আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ দুটা দোষ উল্লেখ কৰা।

..........................................................................................

..........................................................................................

২। ইন্টাৰ মেডিয়েট পৰ্যায়ৰ শিক্ষা কি ?

..........................................................................................

## ২.৪ বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী (Recommendation on University Education) ঃ

চেদলাৰ আয়োগৰ মুখ্য উদ্দেশ্য আছিল বিশ্ববিদ্যালয় শিক্ষাৰ সংস্কাৰ সাধন কৰা। এই সংস্কাৰৰ যোগেদি উচ্চ শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰিবলৈ বিচৰা হৈছিল। আয়োগে উচ্চ শিক্ষাৰ দিশত দিয়া পৰামৰ্শৱলীক শৈক্ষিক আৰু প্ৰশাসনীয় এই দুটা ভাগত আলোচনা কৰিব পাৰি। তলত এই বিষয়ে উল্লেখ কৰা হ'ল -

### ২.৪.১ শৈক্ষিক দিশৰ পৰামৰ্শসমূহ (Academic Recommendation) ঃ

১। স্নাতক পৰ্যায়ৰ শিক্ষা আহৰণৰ সময়সীমা তিনি (৩) বছৰীয়া হ'ব লাগে।

২। উচ্চ শিক্ষাত 'টিউটৰিয়েল শ্ৰেণী' আৰু 'আলোচনা চক্ৰ' আদিৰ ব্যৱস্থা কৰিব লাগে।

৩। বিভিন্ন বিষয়ৰ 'ফেকাল্টি সমূহত' শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ ভিতৰত কলা, বিজ্ঞান, অভিযান্ত্ৰিক, কৃষি বাণিজ্য, চিকিৎসা আদি অন্তৰ্ভূক্ত কৰিব লাগে।

৪। প্ৰতিখন বিশ্ববিদ্যালয়ত 'শিক্ষাবিভাগ' খুলিব লাগে আৰু স্নাতক তথা স্নাতকোত্তৰ পৰ্যায়ত অনাৰ্চ আৰু 'পাচ' পাঠ্যক্ৰমত শিক্ষা বিষয়ৰ শিক্ষা প্ৰদান কৰিব লাগে।

৫। ভাৰতীয় ভাষাসমূহ অধ্যয়নৰ বাবেও 'অনাৰ্চ' আৰু 'পাচ' পাঠ্যক্ৰমৰ ব্যৱস্থা থাকিব লাগে।

৬। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম ইংৰাজী হ'ব লাগে।

৭। ভাৰতীয় ভাষাসমূহৰ লগতে বিশ্ববিদ্যালয়ত প্ৰাচ্যৰ ভাষাসমূহ অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে।

৮। ছাত্ৰসকলৰ কল্যাণৰ বাবে বিশ্ববিদ্যালয়সমূহে একোখন 'ছাত্ৰকল্যাণ পৰিষদ' গঠন কৰিব লাগে আৰু ইয়াৰ চিকিৎসকসকলকো অন্তৰ্ভূক্ত কৰিব লাগে।

৯। ছাত্রসকলৰ দৈহিক স্বাস্থ্য ৰক্ষাৰ নিমিত্তে 'দৈহিক প্রশিক্ষণ সঞ্চালক' নিযুক্তি দিব লাগে।

### ২.৪.২ প্রশাসনীয় দিশৰ পৰামশসমূহ (Administrative Recommendation) ঃ

১। চৰকাৰৰ কঠোৰ নিয়ন্ত্রণ নীতিৰ বিপৰীতে মুক্ত আৰু স্বতন্ত্র ভাৱে কাম কৰিব পৰাকৈ শিঠিলতাৰ নীতি গ্রহণ কৰিব লাগে।

২। বিশ্ববিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ বাবে 'বিশেষ নির্বাচন কমিটি' গঠন কৰিব লাগে।

৩। বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ প্রশাসন পৰিচালনাৰ বাবে পূর্বৰ 'চিনেটৰ' পৰিৱৰ্তে 'বিশ্ববিদ্যালয় কোর্ট' আৰু 'চিণ্ডিকেটৰ' পৰিৱৰ্তে 'কাৰ্যকৰী পৰিষদ' গঠন কৰিব লাগে।

৪। বিশ্ববিদ্যালয়ৰ পাঠ্যক্রম, পৰীক্ষা, উপাধি প্রদান আৰু অনুশাসন আদি শৈক্ষিক দিশসমূহৰ চোৱা-চিতা কৰিবৰ বাবে 'শৈক্ষিক পৰিষদ' গঠন কৰিব লাগে।

৫। উপাচাৰ্যক এজন পূর্ণকালীন বিষয়া হিচাপে নিযুক্তি হ'ব লাগে।

৬। বেলেগ বেলেগ বিশ্ববিদ্যালয়ৰ মাজত যোগাযোগ ৰক্ষা কৰিবৰ বাবে 'আন্তঃ বিশ্ববিদ্যালয় সংস্থা' গঠন কৰিব লাগে।

৭। সংগবদ্ধ মহাবিদ্যালয়সমূহৰ সহযোগিতা অধিক বৃদ্ধি কৰিব লাগে।

### ২.৪.৩ কলিকতা বিশ্ববিদ্যালয় সম্বন্ধে পৰামৰ্শৱলী (Recommendation on Calcutta University) ঃ

চেদলাৰ আয়োগ নিযুক্তিৰ মূল কাৰণ আছিল কলিকতা বিশ্ববিদ্যালয়ৰ প্রশাসনীয় সমস্যাসমূহ সমাধানৰ পৰামর্শ দিয়া। অৱশ্যে এই পৰামর্শসমূহ আগবঢ়োৱাৰ আগতে আয়োগে সেই সময়ৰ বংগদেশৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত থকা মূল দুর্বলতা সমূহ আলোচনা কৰিছিল। এই দুর্বলতাসমূহৰ আলোচনাৰ ভিত্তিতেই আয়োগে কলিকতা বিশ্ববিদ্যালয় সম্বন্ধে পৰামর্শ আগবঢ়াইছিল। আয়োগে দৃষ্টি নিক্ষেপ কৰা দুর্বলতা সমূহ এনেধৰণৰ ঃ

১। সংবদ্ধ কলেজবোৰৰ শিক্ষা তত্ত্ব প্রধান। এই শিক্ষাই কেৰাণী, শিক্ষক আৰু অধিবক্তাহে গঢ়ি তুলিব পাৰে।

২। মহাবিদ্যালয় সমূহত শিক্ষাদানৰ বাবে শিক্ষাদানৰ সা-সঁজুলিৰ অভাৱ।

৩। শিক্ষকসকলৰ দৰমহা অতি নিম্নমানৰ, তেওঁলোকৰ স্ব-স্বাধীনতাৰ অভাৱ। ইয়াৰ ফলশ্রুতিত যোগ্য ব্যক্তিসকল শিক্ষাদানৰ বাবে আগ্রহী নহয়।

৪। শিক্ষাদানৰ পদ্ধতি গতানুগতিক আৰু মৌখিক।

৫।প্ৰশাসনিক ব্যৱস্থাও অতি দোষমুক্ত।

**মূল পৰামৰ্শৱলী (Main Recommendation)**

১।ঢাকাত অনতি পলমে এখন একাত্মক আৰু শিক্ষাদানকাৰী (Unifary and Teaching) বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।

২।কলিকতা মহানগৰীত শিক্ষানুষ্ঠানবোৰ এনেদৰে সু-সংগঠিত কৰি তুলিব লাগে যাতে এখন শিক্ষাদানকাৰী বিশ্ববিদ্যালয় গঠন কৰি তুলিবগৈ পৰা যায়।

৩।কলিকতাৰ আশে পাশে থকা মফচিল্ কলেজবোৰ এনেদৰে সু-সংগঠিত কৰিব লাগে যাতে ক্ৰমে সেই ঠাইবোৰত পিছলৈ সা-সুবিধা কেন্দ্ৰীভূত কৰি তুলি এনেদৰে নতুন বিশ্ববিদ্যালয় স্থাপন কৰিবগৈ পৰা যায়।

৪।ইংলণ্ডৰ অস্কফোৰ্ড আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ আৰ্হিত কলিকতা বিশ্ববিদ্যালয় পৰিচালিত হ'ব লাগে।

**২.৪.৪ শিক্ষক প্ৰশিক্ষণ সম্বন্ধে (Regarding training of Teachers) ঃ**

শিক্ষক প্ৰশিক্ষণ সম্পৰ্কে আয়োগে ইয়াৰ প্ৰতিবেদনত নতুনত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। শিক্ষা বিষয়টোক এটা বিজ্ঞানসন্মত বিষয়ৰূপে গঢ়ি তোলাত আয়োগৰ পৰামৰ্শ তাৎপৰ্যপূৰ্ণ। এনে পৰামৰ্শই শিক্ষক প্ৰশিক্ষণত এক নতুন দৃষ্টি দান কৰিছিল। এই পৰামৰ্শসমূহ এনেধৰণৰ -

১। মাধ্যমিক পৰ্যায়ৰ প্ৰশিক্ষকৰ নাটনি দূৰ কৰিবৰ বাবে চৰকাৰে শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

২। অধিক সংখ্যক শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপনৰ যোগেদি প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সংখ্যা বৃদ্ধি কৰিব লাগে।

৩। ইন্টাৰ মেডিয়েট আৰু স্নাতক পৰ্যায়ত 'শিক্ষা' বিষয়টো পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত কৰিব লাগে।

৪। কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ে এই বিষয়টোৰ আৰম্ভণিৰ ব্যৱস্থা ল'ব।

**২.৫ আন পৰামৰ্শসমূহ (Other Recommendation) ঃ**

চেদলাৰ আয়োগ বা কলিকতা বিশ্ববিদ্যালয় আয়োগখন যদিওবা কেৱল উচ্চ শিক্ষা আৰু কলিকতা বিশ্ববিদ্যালয়ৰ উত্তৰণৰ বাবে নিয়োগ কৰা হৈছিল, তথাপিও আয়োগে আন আন কিছু পৰামৰ্শও আগবঢ়াইছিল। এনে কিছুমান পৰামৰ্শ এনেধৰণৰ --

**২.৫.১ স্ত্ৰী শিক্ষা সম্বন্ধে পৰামৰ্শ (Recommendations on Female Education) ঃ**

স্ত্ৰী শিক্ষা সম্পৰ্কীয় আয়োগৰ পৰামৰ্শ সমূহতো নতুনত্ব দেখা পোৱা যায়। এই পৰামৰ্শসমূহ এনেধৰণৰ ঃ

১। স্ত্ৰী শিক্ষাৰ বিশেষ সুবিধাৰ অৰ্থে ১৫/১৬ বছৰীয়া ছোৱালীৰ কাৰণে ‘পৰ্দাস্কুল’ স্থাপন কৰিব লাগে।

২। কলিকতা বিশ্ববিদ্যালয়ত স্ত্ৰী শিক্ষাৰ ‘বিশেষ সংস্থা’ স্থাপন কৰিব লাগে।

৩। স্ত্ৰী শিক্ষাৰ এই ‘বিশেষ সংস্থাই’ ছোৱালীৰ বাবে বিশেষ পাঠ্যক্ৰম আৰু ছোৱালীৰ চিকিৎসা বিভাগৰ অধ্যয়নৰ বিশেষ পাঠ্যসূচী প্ৰস্তুত কৰিব লাগে।

৪। ছোৱালীৰ বাবে পৃথক শিক্ষানুস্থানৰ অভাৱ থকা অঞ্চলসমূহত সহ-শিক্ষাৰ প্ৰতি উৎসাহিত কৰিব লাগে।

৫। মাধ্যমিক পৰ্যায়ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষয়িত্ৰীৰ অভাৱ গুচাবৰ বাবে শিক্ষয়িত্ৰীসকলক প্ৰশিক্ষণৰ বিশেষ ব্যৱস্থা কৰিব লাগে।

**২.৫.২ বৃত্তীয় আৰু কাৰিকৰী শিক্ষা সম্বন্ধে পৰামৰ্শৱলী (Recommendations on Vocational and Technical Education) ঃ**

ভাৰতীয় শিক্ষাৰ বৃত্তীয় আৰু কাৰিকৰী দিশৰ অনগ্ৰসৰতা আতৰ কৰিবৰ বাবে তলৰ পৰামৰ্শ আগবঢ়ায় --

১। প্ৰায়োগিক বিজ্ঞান আৰু তেনেধৰণৰ বিষয় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে।

২। এনে পাঠ্যক্ৰম অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীক বিশ্ববিদ্যালয়ে উপাধি প্ৰদান কৰিব লাগে।

৩। ইন্টাৰ মেডিয়েট পৰ্যায়ত বৃত্তীয় আৰু ব্যৱসায়িক পাঠ্যক্ৰম খুলিব লাগে।

৪। বিশ্ববিদালয়সমূহত আইন আৰু চিকিৎসা বিষয় অধ্যয়নৰ বাবে মুকলি কৰিব লাগে।

**২.৫.৩ পৰামৰ্শৱলীৰ মূল্যায়ন (Assessment of Recommendation) ঃ**

কলিকতা বিশ্ববিদ্যালয় আয়োগৰ উপৰিউক্ত পৰামৰ্শৱলীয়ে ভাৰতৰ পৰৱৰ্তীকালত শিক্ষাৰ বিকাশত বিশেষকৈ উচ্চ শিক্ষাৰ প্ৰসাৰত বিশেষভাৱে প্ৰভাৱ পেলাইছিল। আয়োগৰ

সভ্যসকলে ১৭ মাহকাল সমগ্ৰ ভাৰত ভ্ৰমণ কৰি সৰুবৰ অনেক শিক্ষা প্ৰতিষ্ঠানলৈ গৈ, শিক্ষাবিদসকলৰ লগত আলোচনা বিলোচনা কৰি আৰু বিভিন্ন দিশবোৰ সামৰি নিজস্ব অধ্যয়নেৰে পুষ্ট হৈ এই প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সেয়েহে এই প্ৰতিবেদনে দেশত থকা বিশ্ববিদ্যালয় সমূহক নতুনভাৱে গঢ় দিয়াত আৰু ভৱিষ্যতে প্ৰতিষ্ঠা কৰিব খোজা বিশ্ববিদ্যালয়সমূহক বঞ্চিত ৰূপত সংগঠিত কৰাত এই আয়োগে নতুন প্ৰেৰণা আৰু শক্তি যোগাইছিল। আয়োগৰ প্ৰতিবেদনৰ ফলশ্ৰুতিতেই ১। আলিগড় (১৯২০), ২। ৰেঙ্গুন (১৯২০) ৩। লক্ষ্ণৌ (১৯২০) ৪। ঢাকা (১৯২১), ৫। দিল্লী (১৯২২), ৬। নাগপুৰ (১৯২৩) ৭। অন্ধ্ৰ (১৯২৬) আৰু ৮। আগ্ৰা (১৯২৬)ত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল।

আয়োগৰ প্ৰতিবেদন ইংলণ্ডৰ হেলদন ৰিপৰ্টৰ দ্বাৰা প্ৰভাৱিত হ'লেও ভাৰতীয় উচ্চ শিক্ষাৰ সংস্কাৰৰ অৰ্থে নতুন আৰু বহল দৃষ্টিভংগীৰ পৰিচয় পোৱা যায়। আয়োগে ভাৰতীয় শিক্ষাৰ বিভিন্ন দিশসমূহ যেনে - বৃত্তিমূলক, কাৰিকৰী, সাধাৰণ শিক্ষা তথা স্তৰসমূহ যেনে - মাধ্যমিক, উচ্চমাধ্যমিক আৰু বিশ্ববিদ্যালয় এই সকলোৰে বাবে পৰামৰ্শ আগবঢ়াইছিল।

ভাৰতীয় ভাষাৰ উন্নতি বাবেও আয়োগে সুযোগ প্ৰদান কৰিছিল। গৱেষণাৰ কামো আশানুৰূপভাৱে আগবাঢ়িছিল। বিশ্ববিদ্যালয়ৰ ভিতৰুৱা প্ৰশাসন আৰু সংগঠনৰ দক্ষতাও বৃদ্ধি পাইছিল। কিন্তু সেয়ে হ'লেও আয়োগৰ কিছুমান পৰামৰ্শ বাস্তৱিক অসুবিধাৰ কাৰণে কাৰ্যত পৰিণত কৰিব পৰাটো টান আছিল। তথাপিতো দেশৰ উচ্চ শিক্ষাৰ নতুন দিগ দৰ্শন কৰাৰ লগতে আধুনিকতাৰ ৰূপ প্ৰদান কৰাত আয়োগৰ অৱদান অতুলনীয়।

**আত্মমূল্যায়ণ প্ৰশ্ন ঃ খ**

১। কলিকতা বিশ্ববিদ্যালয় আয়োগৰ শৈক্ষিক পৰামৰ্শসমূহৰ যিকোনো দুটা ।

..............................................................................

..............................................................................

২। স্ত্ৰী শিক্ষা সম্বন্ধে আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ কি কি আছিল ?

..............................................................................

..............................................................................

## ২.৬ ভাৰত চৰকাৰ আইন- ১৯২১ (Government of India Act - 1921) ঃ

ছাত্ৰছাত্ৰীসকল ভাৰত চৰকাৰ আইন-১৯২১ বা শিক্ষাৰ নিয়ন্ত্ৰণ ভাৰতীয় মন্ত্ৰীলৈ হস্তান্তৰ বা মন্ট ফোৰ্ড সংস্কাৰ বুলিও জনা যায়। এই অংশত তোমালোকে এই বিষয়ে

পঢ়িবলৈ পাবা।

### ২.৬.১ আগকথা ঃ

১৯১৪ চনৰ প্ৰথম মহাযুদ্ধত ভাৰতে ব্ৰিটিছৰ হৈ যুদ্ধত অংশগ্ৰহণ কৰিছিল। ইয়াৰ অন্তৰালত ভাৰতৰ ৰাজনৈতিক উদ্দেশ্য নিহিত আছিল। যুদ্ধত অংশগ্ৰহণ কৰা ভাৰতীয়সকলৰ মূল চৰ্ত আছিল যে এই সহায়ৰ বিনিময়ত ভাৰতীয়সকলক দায়িত্বশীল স্বায়ত্বশাসন ব্যৱস্থা প্ৰদান কৰিব। ব্ৰিটিছ চৰকাৰে প্ৰতিশ্ৰুতিও প্ৰদান কৰিছিল। ইতিমধ্যে ভাৰতীয় জাতীয়তাবাদী আন্দোলনেও প্ৰৱল ৰূপ ধাৰণ কৰিছিল। যুদ্ধৰ অৱস্থা তেওঁলোকৰ অনুকুলে অহাৰ পাছত ইংৰাজ শাসকসকলে প্ৰতিশ্ৰুতি পাহৰি আন্দোলন দমন কৰাতহে গুৰুত্ব দিছিল।

### ২.৬.২ মন্ট ফোৰ্ড সংস্কাৰ (Mont-Ford reform) ঃ

ছাত্ৰ ছাত্ৰীসকল তোমালোকে ইতিমধ্যে পাই আহিছা যে ইংৰাজ সকলক বিশ্বমহাযুদ্ধত ভাৰতীয়সকলে সহায় কৰিছিল। ইয়াৰ ফলত ভাৰতীয়সকলে তেওঁলোকক স্বায়ত্ব শাসন প্ৰদান কৰিব বুলি আশা কৰিছিল। ইতিমধ্যে ১৯১৭ চনতেই মন্টেগ' ভাৰতলৈ আহিছিল আৰু সেই সময়ৰ ৰাজ প্ৰতিনিধি লৰ্ড চেমচ্ ফোৰ্ডৰ লগত দেশৰ ৰাজনৈতিক আৰু প্ৰশাসনিক পৰিস্থিতি সম্বন্ধে আলোচনা কৰি তেওঁলোকৰ যুটীয়া নামেৰে এক প্ৰতিবেদন প্ৰস্তুত কৰে। এই প্ৰতিবেদন ১৯১৮ ত ইংলণ্ডৰ পাৰ্লিয়ামেন্টত দাখিল কৰে। পিছলৈ এই ৰিপৰ্টৰ অনুমোদনৰ ওপৰত নিৰ্ভৰ কৰি ব্ৰিটিছ পাৰ্লিয়ামেন্টে ১৯১৯ চনত 'ভাৰত চৰকাৰ আইন' (Government of India Act ) পাছ কৰে। মন্টেগ' আৰু চেমচ্ ফোৰ্ডৰ যুটীয়া নামেৰে এই সংস্কাৰক 'মন্ট-ফোৰ্ড' সংস্কাৰ বুলি জনা যায়।

### ২.৬.৩ দ্বৈত শাসন ব্যৱস্থা (System of Diarchy) ঃ

ভাৰতীয় প্ৰশাসনীয় ব্যৱস্থা 'দ্বৈত শাসন' 'মন্ট-ফোৰ্ড' সংস্কাৰৰ ফলশ্ৰুতি মাথোন। এই নতুন ব্যৱস্থা অনুসৰি কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰসমূহৰ প্ৰশাসনীয় ক্ষমতা আৰু অধিকাৰ ক্ষেত্ৰ নিৰ্দিষ্ট কৰি দিয়া হয়। দ্বৈত শাসনৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে প্ৰাদেশিক চৰকাৰৰ হৈ কেন্দ্ৰীয়ভাৱে সকলো ক্ষমতা নিৰ্ধাৰণ আৰু পৰিচালনা কৰিছিল। আগৰ গৱৰ্ণৰৰ প্ৰশাসনীয় পৰিষদত কোনো ভাৰতীয় সদস্য নাছিল। এতিয়াৰে পৰা এই প্ৰশাসনীয় পৰিষদত তিনিজন ভাৰতীয় সদস্য অন্তৰ্ভূক্ত কৰা হয়। এই পৰিষদে সমগ্ৰ দেশৰ বাবে আইন প্ৰস্তুত কৰণৰ ক্ষমতা লাভ কৰে।

আনহাতে, প্ৰাদেশিক চৰকাৰবোৰৰ শাসন ক্ষমতা দুটা ভাগত বিভক্ত কৰা হয়। এটা

ভাগক সংৰক্ষিত (Reserved) আৰু আনটো ভাগক হস্তান্তৰিত (Transfered) বিভাগ বুলি অভিহিত কৰা হয়। সংৰক্ষিত বিষয়ৰ তালিকাত থকা বিষয়সমূহ হ'ল - আইন-শৃংখলা, পুলিচ, ৰাজহ আদি। আনহাতে শিক্ষা, স্বাস্থ্যৰক্ষা আৰু স্থানীয় স্বায়ত্ব শাসন আদি বিষয়সমূহ স্থানান্তৰিত তালিকাত অন্তৰ্ভূক্ত কৰা হয়।

দ্বৈত শাসনে ৰাজ্যৰ গৱৰ্ণৰসকলক অধিক ক্ষমতা প্ৰদান কৰে। প্ৰাদেশিক চৰকাৰবোৰত থকা গৱৰ্ণৰৰ প্ৰশাসনীয় পৰিষদ আৰু ৰাজ্যিক বিধায়িনী পৰিষদ দুয়োখনকে গৱৰ্ণৰ অধীনত ৰখা হয়। ৰাজ্যিক বিধায়িনী পৰিষদ ভাৰতীয় লোকসকলৰ নিৰ্বাচিত প্ৰতিনিধিৰদ্বাৰা গঠন কৰা হয় আৰু তেওঁলোকৰ মাজৰ পৰা গৱৰ্ণৰে মন্ত্ৰী নিযুক্ত কৰাৰ নিয়ম হয়। প্ৰশাসনীয় পৰিষদে স্থানান্তৰিত বিষয়সমূহৰ ক্ষমতা আৰু দায়িত্ব গ্ৰহণ কৰে।

### ২.৬.৪ দ্বৈত শাসন আৰু ভাৰতৰ শিক্ষা (Diarchy and Indian Education) ঃ

দ্বৈত শাসনৰ নতুন সাংবিধানিক ব্যৱস্থা স্বৰূপে শিক্ষা বিভাগ স্থানান্তৰিত বিষয়ৰ তালিকাত প্ৰাদেশিক চৰকাৰৰ আয়ত্বৰ গণ্ডীলৈ আহে। অৱশ্যে শিক্ষা বিভাগক স্থানান্তৰিত কৰাত মত বিৰোধৰ সৃষ্টি হ'ল। বিশেষকৈ ভাৰতত থকা ইউৰোপীয়ান আৰু এংগ্লো ইণ্ডিয়ানসকলে ইয়াৰ আপত্তি কৰিছিল। কাৰণ ৰাজ্যিক বিধায়িনী পৰিষদৰ নিৰ্বাচিত মন্ত্ৰীসকলে তেওঁলোকৰ শৈক্ষিক স্বাৰ্থ পূৰণ নকৰিব বুলি মত প্ৰকাশ কৰিছিল। এনে মত ভিন্নতাৰ পৰিপ্ৰেক্ষিতত কিছুমান চৰ্ত সাপেক্ষেহে শিক্ষা বিষয়টো ভাৰতীয় মন্ত্ৰীৰ হাতত গতাই দিছিল। এই চৰ্তসমূহ এনেধৰণৰ --

১। বেনাৰস হিন্দু বিশ্ববিদ্যালয়কে ধৰি নতুন কিছুমান বিশ্ববিদ্যালয়ো, সৰ্বভাৰতীয় চৰিত্ৰ স্বৰূপে চিহ্নিত হোৱাৰ কাৰণে, গৱৰ্ণৰ জেনেৰেলৰ ঘোষনাৰ পাছত হস্তান্তৰিত সূচীৰ পৰা বাদ দিয়া যাব।

২। সৈন্য বাহিনীৰ মুখ্য বিষয়াসকলৰ প্ৰশিক্ষণ, চৰকাৰী সৈনিক, আন চৰকাৰী প্ৰশাসনীয় বিষয়া বা কৰ্মচাৰী আৰু তেওঁলোকৰ ল'ৰা ছোৱালীৰ শিক্ষাৰ দায়িত্ব হস্তান্তৰিত কৰা নহ'ব।

৩।এংগলো ইণ্ডিয়ান আৰু ইউৰোপীয়ান সকলৰ শিক্ষা বিষয়তো প্ৰাদেশিক হৈও সংৰক্ষিত হ'ব।

৪। কেন্দ্ৰীয় চৰকাৰৰ শাসনাধীন অঞ্চলসমূহত শিক্ষা সংৰক্ষিত হ'ব।

এনেবোৰ ব্যৱস্থাই স্বাভাৱিকতেই প্ৰাদেশিক শিক্ষা মন্ত্ৰীসকলৰ ক্ষমতা সীমিত আৰু

নিয়ন্ত্ৰিত কৰি তুলিলে। শিক্ষাৰ ক্ষমতাৰ কেতবোৰ বিষয় কেন্দ্ৰীয় চৰকাৰ আৰু আন কেতবোৰ ৰাজ্যিক শিক্ষামন্ত্ৰীৰ হাতত প্ৰদান কৰি ক্ষমতাৰ বিভাজন কৰা হ'ল। প্ৰাদেশিক শিক্ষা মন্ত্ৰীসকলৰ হাতত যাতে ইংৰাজসকলৰ স্বাৰ্থ বিঘ্নিত নহয় তাক সুনিশ্চিত কৰা হ'ল।

**২.৬.৫ দ্বৈত শাসন ব্যৱস্থাত শিক্ষাৰ সমস্যা**

**(Problems of Education under the system of Diarchy) ঃ**

ভাৰতীয় সকলৰ হাতলৈ শিক্ষাৰ দায়িত্ব হস্তান্তৰিত হোৱাৰ কাৰণে ভাৰতীয় শিক্ষাত যি খৰতকীয়া বিকাশ আনিব পৰা হ'ব বুলি আশা কৰা হৈছিল, বাস্তৱত সেইয়া হৈ নুঠিল। তাৰ পৰিবৰ্তে আন কিছুমান নতুন নতুন সমস্যাইহে শিক্ষা ব্যৱস্থাক জৰ্জৰিত কৰিলে। এনে কিছুমান সমস্যা এনেধৰণৰ -

১।অৰ্থনৈতিক সমস্যা ঃ শিক্ষা বিষয়টো হস্তান্তৰিত সূচীলৈ অনা হ'ল যদিও অৰ্থনৈতিক বিষয়টো সংৰক্ষিত সূচীত থাকিল। সেয়ে শিক্ষা প্ৰসাৰৰ কাৰণে প্ৰয়োজনীয় টকা পইচা সময়মতে পোৱাত অসুবিধা হ'ল।

২।মন্ত্ৰীসকলৰ সীমিত ক্ষমতা ঃ দ্বৈত শাসন ব্যৱস্থা অনুসৰি শিক্ষা ব্যৱস্থাৰ প্ৰধান পদ সমূহৰ ওপৰত ভাৰতীয় মন্ত্ৰীসকলৰ সীমিত নিয়ন্ত্ৰণ ক্ষমতা। ইতিমধ্যে ভাৰতীয় শিক্ষা পদ সমূহত ইংৰাজসকল আছিল আৰু তেওঁলোকে বাৰতীয় মন্ত্ৰীসকলৰ কোনো কথাই মানি ল'ব নিবিচাৰিছিল। ইয়াৰ ফলত শিক্ষা ব্যৱস্থাৰ উন্নতি ব্যাহত হ'ল।

৩। কেন্দ্ৰীয় চৰকাৰৰ আগ্ৰহহীনতা ঃ কেন্দ্ৰ চৰকাৰেও শিক্ষা ব্যৱস্থাত সাহায্য প্ৰদানত অমনোযোগী হোৱা দেখা গ'ল। দেশৰ শিক্ষা সম্পৰ্কীয় দায়িত্বৰ পৰা কেন্দ্ৰীয় চৰকাৰ মুক্ত হ'ল। তাৰ ফলত কেন্দ্ৰীয় চৰকাৰে অৰ্থৰ যোগান নধৰা হ'ল। ই শিক্ষা ব্যৱস্থাত আৰু জটিলতাৰ সৃষ্টি কৰিলে।

৪।ৰঙা ফিটাৰ মেৰপাক ঃ প্ৰাদেশিক চৰকাৰৰ মন্ত্ৰীসমূহ সিক্ষা বিস্তাৰৰ কাৰ্যত অনভিজ্ঞ আৰু তেওঁলোকৰ মাজত সমন্বয় নথকাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ মাজত আদান প্ৰদানত ৰঙা ফিটাৰ মেৰপাক বৃদ্ধি হৈছিল। ই শিক্ষাৰ উন্নতি আৰু প্ৰসাৰত যটি পেলাইছিল।

**আত্মমূল্যায়ণ প্ৰশ্ন ঃ গ**

১।অতি চমু উত্তৰ দিয়া ঃ

(ক) ভাৰত চৰকাৰ আইন-১৯২১ চনৰ আন এটা নাম কি?

.............................................................................

(খ) প্ৰথম বিশ্বযুদ্ধত ভাৰতে কাৰ হৈ যোগদান কৰিছিল?

..........................................................................

(গ) এডুইন মন্টেগ' কোন আছিল?

..........................................................................

২। চমু উত্তৰ দিয়া -

(ক) দ্বৈত শাসন ব্যৱস্থা মানে কি?

..........................................................................

..........................................................................

(খ) দ্বৈত শাসন ব্যৱস্থাৰ সংৰক্ষিত আৰু স্থানান্তৰিত বিভাগৰ দুটাকৈ বিষয় উল্লেখ কৰা।

..........................................................................

## ২.৭ হাৰ্টগ কমিটিৰ প্ৰতিবেদন -১৯২৯ ঃ

১৯২৮ চনৰ মে মাহত চাৰ ফিলিপ হাৰ্টগৰ সভাপতিত্বত ভাৰতৰ শিক্ষাৰ অগ্ৰগতিৰ বুজ ল'বলৈ আৰু ভৱিষ্যতৰ উন্নতিৰ পৰামৰ্শ আগবঢ়াবলৈ হাৰ্টগ কমিটি গঠন কৰা হয়। মূলতঃ ১৯২৭ চনৰ চাইমন আয়োগে আইন সংগত ভাৱে গঠন কৰা অনুসন্ধান কাৰ্যৰ এখন সহায়ক কমিটিয়ে হ'ল হাৰ্টগ কমিটি। চাৰ ফিলিপ হাৰ্টগ ঢাকা বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য আছিল। এই কমিটিয়ে ভাৰতৰ শিক্ষাৰ সকলো দিশ অধ্যয়ন কৰি ১৯২৯ চনৰ চেপ্তেম্বৰ মাহত ইয়াৰ প্ৰতিবেদন আগবঢ়াইছিল। শিক্ষাৰ বিভিন্ন স্তৰত কমিটিয়ে আগবঢ়োৱা পৰামৰ্শৱলীৰ সাৰাংৰলী এনেধৰণৰ -

### ২.৭.১ প্ৰাথমিক শিক্ষা সম্পৰ্কীয় পৰামৰ্শৱলী

**(Recomendations on Primary Education) ঃ**

হাৰ্টগ কমিটিয়ে ভাৰতৰ প্ৰাথমিক শিক্ষা সম্বন্ধে কৰা অধ্যয়ন আৰু পৰামৰ্শ আছিল বিশেষ তাৎপৰ্যপূৰ্ণ। ভাৰতৰ প্ৰাথমিক শিক্ষাৰ দোষত্ৰুটিৰ আটাইতকৈ ভয়ানক দিশটোৰ প্ৰতি আঙুলিয়াই দিয়া সৰ্বপ্ৰথম ব্যক্তিজনেই আছিল হাৰ্টগ।

**প্ৰাথমিক শিক্ষাৰ দোষ ত্ৰুটি ঃ** কমিটিয়ে আঙুলিয়াই দিয়ে যে ভাৰতীয় প্ৰাথমিক শিক্ষা প্ৰধান সমস্যা হ'ল স্থবিৰতা বা অনুন্নয়ন আৰু অপচয়। ল'ৰাতকৈ ছোৱালীৰ নিৰক্ষৰতাৰ মাত্ৰাধিক্য আৰু গ্ৰামাঞ্চলৰ জনসাধাৰণৰ দৰিদ্ৰতা, নিৰক্ষৰতা আৰু সংৰক্ষণশীলতাই

প্ৰাথমিক শিক্ষাৰ মূল সমস্যা। তদুপৰি কমিটিয়ে প্ৰাথমিক শিক্ষাৰ আন কেতবোৰ দোষ ত্ৰুটি আঙুলিয়াই দিছিল। যেনে -

| |
|---|
| অপচয় ঃ স্কুলীয়া শিক্ষা সম্পূৰ্ণ নকৰাকৈ আধাতে এৰি দিয়া |
| অনুন্নয়ন / স্থবিৰতা ঃ এটা শিশু একেটা শ্ৰেণীতে এবছৰতকৈ অধিক সময় আবদ্ধ থকা। |

১। বেছিভাগ বিদ্যালয়তে এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত।

২। নিয়মীয়া পৰিদৰ্শনৰ অভাৱ।

৩। গ্ৰামাঞ্চলত মহিলা শিক্ষকৰ অভাৱ।

৪। প্ৰয়োজন অনুপাতে শিক্ষকৰ অভাৱ। তদুপৰি অৰ্হতা সম্পন্ন আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ।

৫। প্ৰাপ্তবয়স্ক লোকসকলৰ শিক্ষাৰ সা-সুবিধাৰ অভাৱ।

৬। পাঠ্যক্ৰম বাস্তৱ জীৱনৰ লগত সম্পৰ্কহীন।

৭। শিক্ষাদান পদ্ধতি গতানুগতিক আৰু অনাকৰ্ষনীয়।

৮। স্কুল স্থাপন ব্যৱস্থা আনুপাতিক আৰু সু-পৰিকল্পিত নহয়।

৯। বহুতো প্ৰাথমিক বিদ্যালয় অস্থায়ী প্ৰকৃতিৰ।

১০। বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইনসমূহো দোষযুক্ত।

প্ৰাথমিক শিক্ষাৰ উন্নতিৰ কাৰণে দিয়া পৰামৰ্শসমূহ ঃ কমিটিয়ে অকামিলা স্কুলসমূহ বন্ধ কৰি দিয়া, শিক্ষাৰ প্ৰসাৰৰ ওপৰত অধিক গুৰুত্ব নিদি স্থবিৰতা আৰু অপচয় ৰোধ কৰি প্ৰাথমিক শিক্ষাৰ উন্নতিৰ চেষ্টা কৰা, পৰিদৰ্শন আৰু পৰিচালনাৰ সু-ব্যৱস্থা কৰা -- দিশকেইটাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। কমিটিৰ পৰামৰ্শসমূহ এনেধৰণৰ -

১। প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰিবৰ বাবে খৰখেদা কৰিব নালাগে। পৰিবেশ, পৰিস্থিতি আৰু স্থানীয় প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি লাহে লাহে এই ব্যৱস্থা কাৰ্যকৰীকৰণৰ প্ৰচেষ্টা হাতত ল'ব লাগে।

২। প্ৰাথমিক শিক্ষাৰ সংখ্যাগত বিকাশতকৈ গুণাগুণ বা গুণগত বিকাশ সাধনৰ দিশতহে গুৰুত্ব দিব লাগে।

৩। প্ৰাথমিক শিক্ষাৰ বিষয়টো জাতীয় উন্নতিৰ লগত জড়িত হৈ আছে। গতিকে এই স্তৰৰ শিক্ষাৰ দায়িত্ব সম্পূৰ্ণভাৱে বেচৰকাৰী স্থানীয় অনুষ্ঠানৰ হাতত এৰি নিদি চৰকাৰে নিজৰ হাতত ৰাখিব লাগে।

৪। প্ৰাথমিক শিক্ষাৰ শিক্ষাকাল চাৰিবছৰীয়া হ'ব লাগে।

৫। ঋতু অনুসৰি আৰু প্ৰয়োজন অনুসৰি প্ৰাথমিক স্কুলৰ পাঠদানৰ সময় আৰু বন্ধৰ দিন ঠিক কৰিব লাগে।

৬। নিম্ন প্ৰাথমিক স্তৰ অৰ্থাৎ প্ৰাথমিক স্কুলৰ একেবাৰে তলৰ শ্ৰেণীসমূহৰ বিকাশত অধিক মনোযোগ দিব লাগে। এনে পৰ্যায়ৰ অপচয় আৰু অনুন্নয়ন ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে।

৭। ইয়াৰ পাঠ্যক্ৰম উদাৰ মনোভাৱৰ হ'ব লাগে আৰু ছাত্ৰৰ ব্যৱহাৰিক জীৱনৰ প্ৰয়োজনীয় বিষয়সমূহ ইয়াত অন্তৰ্ভুক্ত কৰিব লাগে।

৮। প্ৰাথমিক স্কুলৰ শিক্ষকৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে পুনৰুদ্দীপন পাঠ্যক্ৰম আৰু প্ৰশিক্ষণ আঁচনি প্ৰৱৰ্তন কৰিব লাগে।

৯। প্ৰাথমিক শিক্ষাৰ অৰ্থে থকা প্ৰশিক্ষণ কেন্দ্ৰসমূহত উপযুক্ত শিক্ষকৰ দৰমহা কৰিব লাগে। প্ৰাথমিক স্কুলৰ শিক্ষকৰ দৰমহা আৰু চাকৰি বিধি অধিক আকৰ্ষণীয় কৰি তোলা প্ৰয়োজন।

১০। প্ৰাথমিক স্কুলবোৰে গ্ৰাম্য উন্নয়ন কেন্দ্ৰ স্বৰূপে কাম কৰিব লাগে।

১১। চৰকাৰে পৰিদৰ্শন ব্যৱস্থা অধিক শক্তিশালী কৰিব লাগিব।

**কমিটিৰ পৰামৰ্শৱলীৰ সমীক্ষা ঃ** ইংৰাজশাসন কালত দীৰ্ঘদিন অৱহেলিত হৈ অহা প্ৰাথমিক শিক্ষাই কমিটিৰ পৰামৰ্শৱলীৰ যোগেদি বাস্তৱভিত্তিক আৰু সুদুৰপ্ৰসাৰী প্ৰতিবেদন লাভ কৰিছিল। গ্ৰাম্য জীৱন আৰু গ্ৰাম্য প্ৰাথমিক শিক্ষাৰ লগত পৰিচিত কমিটিয়ে প্ৰাথমিক শিক্ষাক মুলতঃ গ্ৰাম্য সমস্যা হিচাপেই অভিহিত কৰিছে।

কমিটিয়ে প্ৰথমবাৰৰ বাবে অতি সময়োপযোগীকৈ অপচয় আৰু স্থবিৰতাৰ দৰে অতি বিবেচনাযোগ্য সমস্যাৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। কমিটিয়ে আঙুলিয়াই দিয়াৰ দৰে এজনীয়া শিক্ষকৰ সমস্যা এতিয়াও আমাৰ প্ৰাথমিক শিক্ষাৰ প্ৰধান সমস্যা। কমিটিয়ে উল্লেখ কৰা আন আন সমস্যাসমূহো সঠিক আৰু নিৰ্ভুল আছিল।

কমিটিৰ পৰামৰ্শৱলীও সময়োপযোগী। প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ বাবে বাধ্যতামূলক কৰণেই যে যথেষ্ট নহয় বা এই সম্পৰ্কীয় আইন প্ৰনয়ণেই যথেষ্ট নহয়। স্থানীয় প্ৰয়োজন, পৰিস্থিতি, প্ৰস্তুতি আদিহে মূল বিবেচনাযোগ্য বিষয়।

প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰাৰ ওপৰত কমিটিৰ পৰামৰ্শ সময়োপযোগী।

আমাক বৰ্তমান কেৱল শিক্ষাই নহয় উন্নত মানৰ শিক্ষাৰো প্ৰয়োজন।

হাৰ্টগ কমিটিৰ আন এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ আছিল প্ৰাথমিক বিদ্যালয়সমূহক গ্ৰাম্য উন্নয়ন কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ দিয়া পৰামৰ্শ। সম্প্ৰতি বিদ্যলয়সমূহক একোখন ক্ষুদ্ৰ সমাজ হিচাপে বিবেচনা কৰা হয়। স্থানীয় সমাজৰ আৰ্থসমাজিক দিশৰ উন্নয়ণত প্ৰাথমিক শিক্ষাৰ ভূমিকা অনস্বীকাৰ্য।

কমিটিৰ পৰামৰ্শসমূহে প্ৰাথমিক শিক্ষাৰ হৈ চৰকাৰৰ দায়িত্বৰ প্ৰতি আঙুলিয়াই দি চৰকাৰক পুনৰ সজাগ কৰি তুলিলে। কমিটিৰ বেছিভাগ পৰামৰ্শকে চৰকাৰে মানি ল'লে। ইয়াৰ প্ৰাথমিক শিক্ষাৰ মান সামগ্ৰীকভাৱে আগতকৈ উন্নত কৰাত সক্ষম হ'ল।

### ২.৭.২ মাধ্যমিক শিক্ষা সম্পৰ্কীয় পৰামৰ্শৱলী (Recomendations on Secondary Education) ঃ

মাধ্যমিক শিক্ষা সম্বন্ধে আয়োগৰ অধ্যয়ণৰ পৰিসৰ প্ৰাথমিক শিক্ষাতকৈ কম আছিল। অৱশ্যে এই পৰ্যায়ৰ শিক্ষাতো কমিটিয়ে কিছুমান দোষক্ৰটি দেখা পাইছিল আৰু ইবিলাকৰ প্ৰতিকাৰৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

১। মাধ্যমিক শিক্ষাৰ লক্ষ্য নিচেই ঠেক আৰু পুৰণি আদৰ্শৰদ্বাৰা প্ৰভাৱিত। ই ছাত্ৰ-ছাত্ৰীক কেৱল পৰীক্ষাৰ বাবেহে প্ৰস্তুত কৰি তোলে।

২। কমিটিয়ে প্ৰত্যক্ষ কৰে যে পৰীক্ষাত অকৃতকাৰ্যতাৰ মাত্ৰাও অধিক। ই ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা আৰু সময়ৰ অপচয় কৰিছে।

৩। মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমো দোষযুক্ত। ইয়াৰ পাঠ্যক্ৰম সংকীৰ্ণ আৰু জীৱন বিছিন্ন। ইয়াত বৃত্তিমূলক শিক্ষাৰ কোনো স্থান নাই।

**কমিটিৰ পৰামৰ্শৱলী ঃ** মাধ্যমিক শিক্ষাৰ উন্নতিৰ প্ৰসঙ্গত কমিটিৰ পৰামৰ্শৱলী এনেধৰণৰ -

১। মধ্য মাতৃভাষাৰ (Middle Vernacular) স্কুলবোৰত বহুমুখী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিব লাগে। পাঠ্যক্ৰমৰ পুনৰ সংগঠন কৰি গ্ৰামাঞ্চলৰ প্ৰয়োজনৰ লগত খাপ খুৱাই প্ৰস্তুত কৰিব লাগে।

২। নিম্ন মাধ্যমিক স্তৰৰ পাছত বেছিভাগ ল'ৰা-ছোৱালীক শিল্প আৰু বাণিজ্য শিক্ষাৰ পৰি উৎসাহিত কৰিব লাগে। ইয়াৰ বাবে হাইস্কুলত শিল্প আৰু বাণিজ্যমূলক অন্তৰ্ভুক্ত কৰিব লাগে।

৩। উচ্চমাধ্যমিক বিদ্যালয়সমূহত বিকল্প পাঠ্যক্ৰম অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে বিদ্যালয়সমূহত বিভিন্ন ধৰণৰ অনেক শিক্ষা শাখাৰ সৃষ্টি কৰিব লাগে। এনে পাঠ্যক্ৰমৰ যোগেদি ছাত্ৰসকলক নিজ নিজ আৰু ক্ষমতা অনুসৰি পাঠ্যক্ৰম নিৰ্বাচনৰ সুবিধা প্ৰদান কৰিব লাগে।

৪। মজলীয়া স্কুল পৰ্যায় শেষ হোৱাৰ পিছত পৰীক্ষা পাতিব লাগে। এনে পৰীক্ষাই উপযুক্ত ছাত্ৰসকলক নিৰ্বাচন কৰিব পাৰিব লাগে।

৫। শিক্ষক প্ৰশিক্ষণৰ বাবে উন্নত গুণমানৰ প্ৰশিক্ষণ কলেজ স্থাপন কৰিব লাগে। এই কলেজে উন্নত পদ্ধতিবোৰৰ শিক্ষা দিব লাগে আৰু পুনৰুদ্দীপন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

৬। শিক্ষকসকলৰ দৰমহা উন্নত কৰিব লাগে, চাকৰিৰ নিৰাপত্তা প্ৰদান কৰিব লাগে যাতে উপযুক্ত লোকক শিক্ষকতাৰ বাবে আকৰ্ষণ কৰিব পৰা যায়।

**কমিটিৰ পৰামৰ্শৱলীৰ সমীক্ষা (Assessment of the Recommendations) ঃ**

মাধ্যমিক শিক্ষা সম্বন্ধে হাৰ্টগ কমিটিয়ে বিস্তৃত অধ্যয়ণ কৰা নাছিল যদিও আয়োগৰ পৰামৰ্শৱলী তাৎপৰ্যপূৰ্ণ আছিল। মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰমৰ পুনৰ সংগঠন, শিল্প বাণিজ্যমূলক পাঠ্যক্ৰমৰ অন্তৰ্ভূক্তি, বিকল্প পাঠ্যক্ৰম অধ্যয়নৰ ব্যৱস্থা, ছাত্ৰৰ প্ৰতিভানুসৰি বিষয় নিৰ্বাচনৰ সুবিধা, শিক্ষকৰ প্ৰশিক্ষণ, শিক্ষকৰ সামাজিক মানদণ্ডৰ উন্নতি আদি বহুতো সময়োপযোগী পৰামৰ্শৰে কমিটিয়ে মাধ্যমিক শিক্ষাৰ উন্নতি সাধন কৰিব বিচাৰিছিল।

### ২.৭.৩ উচ্চ শিক্ষা সম্পৰ্কীয় পৰামৰ্শৱলী (Recomendations on Higher Education) ঃ

ইতিমধ্যে তোমালোকে হাৰ্টগ কমিটিয়ে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সম্পৰ্কে দিয়া পৰামৰ্শসমূহ অধ্যয়ন কৰিলা। কমিটিয়ে উচ্চ শিক্ষাৰ দিশতো কিছুমান পৰামৰ্শ আগবঢ়াইছিল। অৱশ্যে তাৰ আগেয়ে উচ্চ শিক্ষাৰ দোষসমূহো আঙুলিয়াই দিছে। এইসমূহ এনেধৰণৰ -

**উচ্চ শিক্ষাৰ দোষত্ৰুটি ঃ**

১। বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি হ'লেও শিক্ষাৰ মানদণ্ড কমি আহিছে।

২। উচ্চ শিক্ষাই সমাজৰ বাবে উপযুক্ত মানুহ সৃষ্টি কৰিব পৰা নাছিল। অৰ্থাৎ উচ্চ শিক্ষাই ইয়াৰ লক্ষ্য পূৰণত ব্যৰ্থ হৈছিল।

৩। কলেজসমূহত পুথিভঁৰালৰ সা-সুবিধাৰ অভাৱ।

৪। জধে-মধে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিকৰণ।

৫। গৱেষণাত ভাল ফল দেখুৱালেও সন্মান পাঠ্যক্ৰমত ভালদৰে সংগঠিত কৰা নাছিল।

**পৰামৰ্শসমূহ ঃ**

১। বিশ্ববিদ্যালয়সমূহে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক উচ্চ মানদণ্ড ৰাখিব লাগিব।

২। অৰ্হতা নথকা ছাত্ৰই যাতে বিশ্ববিদ্যালয়ত সোমাব নোৱাৰে তাৰ বাবে এনট্ৰেন্স পৰীক্ষা দিয়া ছাত্ৰসকলক ভালদৰে বাছনি কৰিব লাগিব।

৩। অনৰ্াছ পাঠ্যক্ৰম ভালদৰে সংগঠিত কৰিব লাগিব।

৪। অৰ্হতা সম্পন্ন শিক্ষকক বিশ্ববিদ্যালয়ত নিযুক্তি দিব লাগিব।

৫। পুথিভঁড়ালৰ বাবে সু বন্দবস্ত কৰিব লাগে। ইয়াৰ যোগেদি শিক্ষকসকলক নতুন জ্ঞান আহৰণত সহায় কৰিব লাগে।

৬। উচ্চস্তৰীয় জ্ঞান দান আৰু গৱেষণাৰ বাবে বিশ্ববিদ্যালয়ক উপযুক্ত সাঁচ দিব লাগিব।

৭। উচ্চ শিক্ষাৰ বৰ্ধিত প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি আবাসিক বিশ্ববিদ্যালয়ৰ উপৰিও সংবদ্ধ কৰণকাৰী বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।

৮। বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ উপৰিও স্নাতকসকলক প্ৰশাসনীয় কামকাজত নিয়োগ কৰিবৰ বাবে বিভাগীয় পৰীক্ষা পাতিব লাগে।

৯। চাকৰিৰ প্ৰয়োজনীয় বা বাতৰিৰ যোগানৰ বাবে বিশ্ববিদ্যালয়সমূহত নিয়োগ বিভাগ স্থাপন কৰিব লাগে।

১০। জ্ঞানৰ বিকাশসাধন উচ্চ শিক্ষাৰ প্ৰধান লক্ষ্য। উচ্চ শিক্ষাই সৰ্বসাধাৰণ লোকৰ মনত ৰাজনৈতিক আৰু সামাজিক সচেতনতা জগাই তুলিব লাগিব।

### ২.৭.৪ স্ত্ৰী শিক্ষা সম্পৰ্কীয় পৰামৰ্শৱলী ঃ

হাৰ্টগ কমিটিয়ে স্ত্ৰী শিক্ষাৰ বিষয়ৰ ওপৰত অধিক প্ৰাধান্য দিছিল। স্ত্ৰী শিক্ষাৰ দিশত থকা সাধাৰণ সমস্যাসমূহো আয়োগে আঙুলিয়াই দিছিল। নগৰতকৈ গ্ৰামাঞ্চলত স্ত্ৰী শিক্ষা অধিক পিছপৰা। মাধ্যমিক স্তৰত ছোৱালীৰ শিক্ষা লাভৰ সুবিধা অত্যন্ত সীমাবদ্ধ। অৰ্হতাসম্পন্ন শিক্ষয়িত্ৰীৰো অভাৱ। পৰিদৰ্শকৰো বিশেষ অভাৱ। সেয়ে কমিটিয়ে তলৰ

পৰামৰ্শসমূহ আগবঢ়ায় -

১। স্ত্ৰী শিক্ষাৰ পাঠ্যক্ৰম তেওঁলোকৰ জীৱনৰ উপযোগী হ'ব লাগে। ল'ৰা আৰু ছোৱালীৰ পাঠ্যক্ৰম বেলেগ বেলেগ হ'ব লাগে।

২। ছোৱালীৰ বাবে যথেষ্ট সংখ্যক প্ৰাথমিক আৰু মাধ্যমিক স্কুল স্থাপন কৰিব লাগে।

৩। মহিলা শিক্ষক আৰু পৰিদৰ্শকৰ সংখ্যা বৃদ্ধি কৰিব লাগে।

৪। প্ৰাথমিক শিক্ষা ক্ৰমান্বয়ে ছোৱালীৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব লাগে।

৫। স্ত্ৰী শিক্ষাত চৰকাৰে প্ৰাধান্য দিয়া উচিত যিহেতু তেওঁলোকেই দেশৰ নেতাসকলক জন্ম দিব।

## ২.৭.৫ হাৰ্টগ কমিটিৰ পৰামৰ্শৱলীৰ মূল্যায়ণ

**(Assessment of the Recommendations of Hartag Committee) ঃ**

প্ৰচলিত শিক্ষা ব্যৱস্থাৰ দোষ ত্ৰুটি সমূহ খুচৰি উলিয়াই ইবিলাকৰ সমাধানৰ বাবে কমিটিয়ে আগবঢ়োৱা পৰামৰ্শৱলী সমালোচনাৰ বাহিৰত নহয়। বহুসময়ত এই শিক্ষা প্ৰতিবেদনক চৰকাৰী ক্ৰিয়া কলাপৰ প্ৰশংসা-পত্ৰ স্বৰূপে সমালোচনা কৰা হয়। প্ৰতিবেদনখনে কেন্দ্ৰীয় আৰু ৰাজ্যচৰকাৰ শিক্ষানীতিৰ প্ৰশংসা কৰাৰ পৰিবৰ্তে কোনো নতুনত্ব দেখা পোৱা নাযায়। অৱশ্যে সেইয়া প্ৰতিকূল পৰিস্থিতিৰ ফল বুলিও কব পৰা যায়। কাৰণ সেই সময় অৰ্থনৈতিক সংকট, ৰাজনৈতিক অস্থিৰতা আৰু শিক্ষাৰ অনুকুল পৰিস্থিৰি অভাৱে কমিটিক বহুসময়ত অসুবিধাত পেলাইছিল। তদুপৰি ভালদৰে চালে কমিটিৰ পৰামৰ্শসমূহত কোনো নতুনত্ব দেখা পোৱা নাযায়। কিয়নো সেই সময়ৰ প্ৰাদেশিক শিক্ষা বিভাগৰ অধিকৰ্তা সমূহৰ ৰিপৰ্টসমূহতো একেধৰণৰ মন্তব্যকে পোৱা যায়। গতিকে চৰকাৰী নিয়ন্ত্ৰণমূলক মনোভাৱৰ সমৰ্থন জনাই প্ৰকৃততে শিক্ষা সম্প্ৰসাৰণত কমিটিৰ ৰিপ'ৰ্টে বাধাৰহে সৃষ্টি কৰিলে, চৰকাৰেও আন পৰামৰ্শসমূহৰ ওপৰত বিশেষ গুৰুত্ব নিদি কেৱল তেওঁলোকে বিচাৰি থকা নিয়ন্ত্ৰণৰ মন্তব্যত গুৰুত্ব দিবলৈ আগুৱাই আহিল।

অৱশ্যে ভাৰতীয় শিক্ষাৰ ইতিহাসত কমিটিৰ পৰামৰ্শৱলীৰ তাৎপৰ্য নুই কৰিব নোৱাৰি। বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আয়োগে আঙুলিয়াই দিয়া অপচয় আৰু স্থবিৰতাৰ সমস্যা আৰু ইবিলাকৰ সমাধানৰ বাবে আগবঢ়োৱা পৰামৰ্শ কাৰ্যকৰী আৰু সময়োপযোগী আছিল। প্ৰাথমিক শিক্ষাৰ এই সমস্যা আজিও একেবাৰে শেষ হোৱা নাই। তদুপৰি মাধ্যমিক

আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰতো কমিটিয়ে ইয়াৰ লক্ষ্য আৰু আদৰ্শৰ দিশতো সময়োপযোগী পৰামৰ্শ আগবঢ়াইছিল।

**আত্মমূল্যায়ণ প্ৰশ্ন - ঘ**

১। চাইমন আয়োগ কোন চনত গঠন কৰা হৈছিল?

..............................................................................

২। হাৰ্টগ কমিটিয়ে কোন চনত ইয়াৰ প্ৰতিবেদন প্ৰকাশ কৰিছিল?

..............................................................................

৩। হাৰ্টগ কমিটিৰ মতে প্ৰাথমিক শিক্ষাৰ মূল দোষ ত্ৰুটিসমূহ কি কি?

..............................................................................

..............................................................................

৪। অপচয় আৰু স্থবিৰতা মানে কি বুজা?

..............................................................................

..............................................................................

৫। হাৰ্টগ কমিটিৰ প্ৰাথমিক শিক্ষা সম্পৰ্কীয় যিকোনো তিনিটা পৰামৰ্শ লিখা।

..............................................................................

..............................................................................

..............................................................................

## ২.৮ সামৰণি ঃ

ছাত্ৰ-ছাত্ৰীসকল এই গোটটোত তোমালোকে চেদলাৰ আয়োগ গঠনৰ প্ৰয়োজনীয়তা আৰু নিযুক্তি সম্পৰ্কে আয়ত্ব কৰিব পাৰিছা। ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰিস্থিতি আৰু ভৱিষ্যতৰ উন্নতিৰ সম্ভাৱনা সম্পৰ্কে পৰামৰ্শ প্ৰদানৰ বাবে এই আয়োগ গঠন কৰা হৈছিল। আয়োগে ইয়াৰ প্ৰতিবেদনত মাধ্যমিক শিক্ষাৰ দোষত্ৰুটি বিশ্লেষণ কৰাৰ লগতে সংস্কাৰৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

উচ্চ শিক্ষা সম্পৰ্কীয় আয়োগৰ পৰামৰ্শৰলীত স্নাতক শিক্ষা তিনিবছৰীয়া কৰা, উচ্চ শিক্ষাত টিউটৰিয়েল আৰু আলোচনা চক্ৰৰ ব্যৱস্থা কৰা, শিক্ষা বিভাগ খোলা আদি বহুতো পৰামৰ্শ আগবঢ়াইছিল। প্ৰশাসনীয় দিশৰ সংস্কাৰৰ বাবে বিশ্ববিদ্যালয় সমূহক মুক্ত আৰু স্বতন্ত্ৰভাৱে কাম কৰাৰ সুবিধা প্ৰদানৰ পৰামৰ্শ দিয়ে।

ভাৰতীয় প্ৰশাসন ব্যৱস্থাত দ্বৈত-শাসন ব্যৱস্থাৰ প্ৰৱৰ্তনৰ যোগেদি মন্টফৰ্ড সংস্কাৰে শিক্ষা ব্যৱস্থাৰো উত্তৰণৰ কথা চিন্তা কৰিছিল। ১৯১৭ চনৰ ২০ আগষ্টত ইংলণ্ডৰ পাৰ্লিয়ামেণ্টত ঘোষণা কৰা এই উদাৰ নীতিয়ে শিক্ষা বিষয়টো স্থানান্তৰিত বিষয়ৰ তালিকাত অন্তৰ্ভূক্ত কৰে। অৱশ্যে ভাৰতীয় শিক্ষাত কিছুমান চৰ্ত সাপেক্ষেহে শিক্ষা বিষয়টো ভাৰতীয় মন্ত্ৰীৰ হাতত দিয়া হৈছিল। এই ব্যৱস্থাই ভাৰতীয় শিক্ষাত অৰ্থনৈতিক সমস্যা, সীমিত ক্ষমতা, কেন্দ্ৰীয় চৰকাৰৰ আগ্ৰহহীনতা আদি সমস্যা সৃষ্টি কৰাৰ লগতে ৰঙাফিটাৰ মেৰপাক বৃদ্ধি কৰিছিল।

ইয়াৰ পিছতেই আমাৰ আলোচনাৰ মূল বিষয় আছিল হাৰ্টগ কমিটিৰ প্ৰতিবেদন - ১৯২৯। কমিটিৰ প্ৰতিবেদন শিক্ষাৰ সকলো দিশ স্পৰ্শ কৰিছে। অৱশ্যে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে আলোচনা কৰা 'অপচয়' আৰু 'স্থবিৰতা' বিষয়ক আলোচনা অতি প্ৰাসঙ্গিক । প্ৰাথমিক শিক্ষাৰ অপচয় আৰু স্থবিৰতা আঁতৰাবৰ বাবে চৰকাৰী পৰিদৰ্শন, গুণগত শিক্ষক নিয়োগ আদি দিশৰ ওপৰত গুৰুত্ব দিছিল।

কমিটিয়ে তেওঁলোকৰ আলোচনাত মাধ্যমিক আৰু উচ্চ শিক্ষাৰ বিষয়তো বহল অধ্যয়নেৰে শিক্ষা ব্যৱস্থাৰ বিকাশৰ কৰা আলোচনা কৰিছে। কমিটিসমূহৰ পৰামৰ্শৱলীসমূহে ভাৰতীয় শিক্ষাত সুদুৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল।

## ঘাই ঘাই শব্দসমূহ ঃ

ইন্টাৰ মেডিয়েট শ্ৰেণী ঃ নিম্ন মাধ্যমিক আৰু বিশ্ববিদ্যালয় শিক্ষাৰ মাজৰ শ্ৰেণী দুটাক ইন্টাৰ মেডিয়েট শ্ৰেণী বুলি জনা যায়। বৰ্তমান আমাৰ উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটা। আগতে ইয়াক প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী বুলিও কোৱা হৈছিল।

পৰ্দাস্কুল ঃ স্ত্ৰী শিক্ষা বিশেষ সুবিধাৰ অৰ্থে ১৫/১৬ বছৰীয়া ছোৱালীৰ বাবে স্থাপন কৰা এক বিশেষ বিদ্যালয়।

অপচয় ঃ অপচয়ৰ অৰ্থ হৈছে স্কুলীয়া শিক্ষা সম্পূৰ্ণ নকৰাকৈ অকালতে এৰি দিয়া কাৰ্য।

অনুন্নয়ন ঃ এটা শিশু একেটা শ্ৰেণীতে এবছৰতকৈও অধিক সময় থকাটোৱেই হ'ল অনুন্নয়ন।

## পাঠ্য নিৰ্দেশনা ঃ

১। দাস লক্ষহীৰা (১৯৯৮) ঃ সম্পূৰ্ণ শিক্ষা, সংগম প্ৰকাশ, গুৱাহাটী-৩

২। শৰ্মা, তৰুণ কুমাৰ, গোস্বামী, ৰজনী কান্ত (২০০৯) ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্ৰুগড়-১

৩। বৰুৱা যতীন (২০০৭) ঃ ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়াৰ্ছ, গুৱাহাটী-১

**আত্মমূল্যায়ণ প্ৰশ্নৰ সম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন- ক**

১। (ক) ১৯১৭ চনত (খ) ড° মাইকেল ছেদলাৰ (গ) চেদলাৰ আয়োগ

২। চেদলাৰ আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ দুটা দোষ হ'ল -

(ক) প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ। (খ) নিয়মীয়া পৰিদৰ্শনৰ অভাৱ।

৩। ইন্টাৰ মেডিয়েট পৰ্যায়ৰ শিক্ষা বিশ্ববিদ্যালয় পৰা আৰু মাধ্যমিক শিক্ষা পৰ্যায়ৰ পৰাও স্বতন্ত্ৰ এক শিক্ষা পৰ্যায়।

**আত্মমূল্যায়ন ঃ খ**

১। কলিকতা বিশ্ববিদ্যালয় আয়োগৰ শৈক্ষিক পৰামৰ্শ সমূহৰ দুটা -

(ক) স্নাতক পৰ্যায়ৰ শিক্ষা আহৰণৰ সময়সীমা তিনি (৩) বছৰীয়া হ'ব।

(খ) বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম ইংৰাজী হ'ব লাগে।

২। অনুচ্ছেদ ২.৫.১ ৰ পৰা যিকোনো দুটা লিখা।

**আত্মমূল্যায়ন ঃ গ**

১। অতি চমু প্ৰশ্নৰ উত্তৰ ঃ

(ক) মন্টফোৰ্ড সংস্কাৰ (খ) ব্ৰিটিছ চৰকাৰৰ হৈ

(গ) ভাৰতৰ প্ৰশান সম্বন্ধীয় সচীব

২। চমু উত্তৰ ঃ

(ক) দ্বৈত শাসন ব্যৱস্থানুসৰি কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰসমূহৰ প্ৰশাসনীয় আৰু অধিকাৰ ক্ষেত্ৰ নিৰ্দিষ্ট কৰি দিয়া। তদুপৰি প্ৰাদেশিক চৰকাৰৰ শাসন ক্ষমতা সংৰক্ষিত আৰু হস্তান্তৰিত এই দুইভাগত ভাগ কৰা হয়।

(খ) সংৰক্ষিত বিষয় ঃ আইন শৃংখলা, পুলিচ

হস্তান্তৰিত বিষয় ঃ শিক্ষা, স্বাস্থ্য ৰক্ষা

**আত্মমূল্যায়ন- ঘ**

১। ১৯২৭ চনত ২। ১৯২৯ চনত

৩। এজনীয়া শিক্ষকৰ বিদ্যালয়

নিয়মীয়া পৰিদৰ্শনৰ অভাৱ

মহিলা শিক্ষকৰ অভাৱ

পাঠ্যক্ৰম বাস্তৱজীৱনৰ লগত সংগতিবিহীন ইত্যাদি।

৪। অপচয় আৰু স্থবিৰতা ঃ অপচয় হ'ল প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম সম্পূৰ্ণ নকৰাকৈ, যিকোনো সময়তে শিক্ষা লাভৰ পৰা বঞ্চিত কৰি শিশুসকলক বিদ্যালয়ৰ পৰা এৰুৱাই অনা আৰু 'স্থবিৰতা' হ'ল এটা শ্ৰেণীতে বাৰে বাৰে উৰ্ত্তীণ নোহোৱাকৈ থকা আৰু পাঠ্যক্ৰমৰ গতিৰ লগত নিজকে খাপ খুৱাব নোৱাৰা।

৫। হাৰ্টগ কমিটিৰ প্ৰাথমিক শিক্ষা সম্পৰ্কীয় তিনিটা পৰামৰ্শ ঃ

প্ৰাথমিক শিক্ষাৰ কাৰ্যকাল ছবছৰীয়া হ'ব লাগে।

পাঠদানৰ সময় আৰু বন্ধৰ দিন ঋতু অনুসৰি হ'ব লাগে।

পাঠ্যক্ৰম উদাৰ হ'ব লাগে।

## আৰ্হি প্ৰশ্নাৱলী ঃ

১। চেদলাৰ আয়োগৰ মাধ্যমিক শিক্ষা সম্পৰ্কীয় পৰামৰ্শৱলীৰ এক সমালোচনাত্মক টোকা প্ৰস্তুত কৰা।

২। ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ সন্দৰ্ভত চেদলাৰ আয়োগে কি কি পৰামৰ্শ আগবঢ়াইছিল? ভাৰতৰ উচ্চ সিক্ষাৰ বিকাশত আয়োগখনে কিমানদূৰ প্ৰভাৱ পেলাইছে?

৩। কলিকতা বিশ্ববিদ্যালয় সম্বন্ধে চেদলাৰ আয়োগৰ পৰামৰ্শসমূহ আলোচনা কৰা।

৪। ভাৰত চৰকাৰ আইন -১৯২১ ৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

৫। কি পৰিস্থিতিত হাৰ্টগ কমিটি গঠন কৰা হৈছিল? প্ৰাথমিক শিক্ষা সম্পৰ্কত আয়োগৰ পৰ্যবেক্ষণ আৰু পৰামৰ্শ ব্যাখ্যা কৰা।

৬। অপচয় আৰু স্থবিৰতা সম্পৰ্কীয় হাৰ্টগ কমিটিৰ পৰ্যবেক্ষণ ব্যাখ্যা কৰা।

৭। হাৰ্টগ কমিটিৰ পৰামৰ্শৱলীৰ এক সমালোচনাত্মক টোকা প্ৰস্তুত কৰা।

## প্ৰসঙ্গ পুথি ঃ

১। Rawat, PL : History of Indian Education, Ram prasad & son, Agra-3

২। Mukheree, S.N : Education India, Today & Tomorrow, AB dept, Vadodora

৩। দাস, লক্ষহীৰা ঃ সম্পূৰ্ণ শিক্ষা, সংগম প্ৰকাশ, গুৱাহাটী-৩

৪। শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনী কান্ত ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্ৰুগড়-১

৫। বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়াৰ্ছ, গুৱাহাটী-১

EDUG - 301

## জাতীয় আন্দোলনৰ সময়ত ভাৰতীয় শিক্ষাৰ বিকাশ (১৯০০-১৯৪৭)

খণ্ড - ৩

গোট - ০৩

## গোট গঠন বিন্যাস

৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ উড-এবৰ্'ট প্ৰতিবেদন

৩.২.১ উড-এবৰ্'ট কমিটিৰ নিযুক্তি

৩.২.২ উড-এবৰ্'ট প্ৰতিবেদনৰ পৰামৰ্শাৱলী

* সাধাৰণ শিক্ষা সম্বন্ধীয়

* বৃত্তিমূলক শিক্ষা সম্বন্ধীয়

৩.২.৩ উড-এবৰ্'ট প্ৰতিবেদনৰ মূল্যায়ন

আত্ম মূল্যায়নৰ প্ৰশ্ন - ক

৩.৩ বুনিয়াদী শিক্ষা

৩.৩.১ বুনিয়াদী শিক্ষাৰ পটভূমি

* ৱাৰ্ধা শিক্ষা সন্মিলন, ১৯৩৭

* ড° জাকিৰ হুছেইন কমিটি

৩.৩.২ বুনিয়াদী শিক্ষাৰ অৰ্থ

আত্ম মূল্যায়নৰ প্ৰশ্ন -খ

৩.৩.৩ বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্য

৩.৩.৪ বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম

৩.৩.৫ বুনিয়াদী শিক্ষাৰ মূল্যায়ন

* বুনিয়াদী শিক্ষাৰ সবলতাসমূহ

* বুনিয়াদী শিক্ষাৰ বিফলতাৰ কাৰণ বা দুৰ্বলতাসমূহ

৩.৩.৬ সাম্প্ৰতিক সময়ত বুনিয়াদী শিক্ষাৰ প্ৰাসংগিকতা

আত্ম মূল্যায়ন প্ৰশ্ন - গ

৩.৪ ছাৰ্জেণ্টৰ প্ৰতিবেদন

৩.৪.১ ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ পটভূমি

৩.৪.২ জাতীয় শিক্ষা আঁচনি হিচাপে ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ পৰামৰ্শাৱলী

* প্ৰাক-প্ৰাথমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ
* প্ৰাথমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ
* মাধ্যমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ
* বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধীয় পৰামৰ্শ
* প্ৰাপ্তঃবয়স্ক শিক্ষা সম্বন্ধীয় পৰামৰ্শ
* শিক্ষক প্ৰশিক্ষণ সম্বন্ধীয় পৰামৰ্শ
* বাধাগ্ৰস্ত শিশুৰ শিক্ষা সম্বন্ধীয় পৰামৰ্শ

৩.৪.৩ ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ মূল্যায়ন

* ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ সবলতাসমূহ
* ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ দুৰ্বলতাসমূহ

আত্ম মূল্যায়ন প্ৰশ্ন - ঘ

৩.৫ সামৰণি

ঘাই শব্দসমূহ

পাঠ্য নিৰ্দেশনা

আত্মমূল্যায়ন প্ৰশ্নৰ সাম্ভাব্য উত্তৰ

আৰ্হি প্ৰশ্ন

প্ৰসংগ পুথি

## ৩.০ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰাৰ পাছত তোমালোকে

(ক) উড-এব'ট কমিটিৰ নিযুক্তি, সাধাৰণ শিক্ষা আৰু বৃত্তিমূলক শিক্ষা সম্বন্ধীয় পৰামৰ্শৰ ব্যাখ্যা কৰাৰ লগতে প্ৰতিবেদনৰ মূল্যায়ন কৰিব পাৰিবা।

(খ) বুনিয়াদী শিক্ষাৰ পটভূমি, অৰ্থ, বৈশিষ্ট্য, পাঠ্যক্ৰম, সফলতা, বিফলতাৰ কাৰণ আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা বিতংভাৱে বৰ্ণনা কৰিব পাৰিবা।

(গ) ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ পটভূমি, জাতীয় শিক্ষা আঁচনি হিচাপে প্ৰাক-প্ৰাথমিক শিক্ষা, প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, বিশ্ববিদ্যালয় শিক্ষা, প্ৰাপ্তঃবয়স্ক শিক্ষা, শিক্ষক প্ৰশিক্ষণ সম্বন্ধীয়, বাধাগ্ৰস্ত আৰু শিশুৰ শিক্ষা সম্বন্ধীয় পৰামৰ্শৱলী আলোচনাৰ লগতে প্ৰতিবেদনখন মূল্যায়ন কৰিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা ঃ

এই তৃতীয় খণ্ডৰ প্ৰথম আৰু দ্বিতীয়টো গোটত তোমালোকে ইতিমধ্যে ভাৰতৰ জাতীয় আন্দোলনৰ ধাৰাটোৰ আৰম্ভণি পৰ্যায়ত শৈক্ষিক বিকাশৰ ৰেহ-ৰূপ বিতংভাৱে পাই আহিলা। এই তৃতীয়টো গোটত তোমালোকলৈ বুলি আগবঢ়োৱা হৈছে জাতীয় আন্দোলনৰ কাৰ্যক্ৰমনিকা পূৰ্ণগতিত চলি থকা অৱস্থাত ভাৰতীয় শিক্ষা ব্যৱস্থাত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হোৱা তিনিটা মাইলৰ খুটি - উড-এব'ট প্ৰতিবেদন (১৯৩৭), বুনিয়াদী শিক্ষা (১৯৩৭) আৰু ছাৰ্জেণ্টৰ প্ৰতিবেদন (১৯৪৪) সম্পৰ্কীয় কিছু কথা। ভাৰতৰ জাতীয়তাবাদী আন্দোলনে ভৰপক দিয়াৰ সময়ছোৱাত শৈক্ষিক বিকাশৰ গতি-প্ৰকৃতিৰ ৰেহৰূপ জনাৰ ক্ষেত্ৰত এই উড-এব'ট প্ৰতিবেদন, বুনিয়াদী প্ৰতিবেদনৰ শিতানত আলোচিত কথাখিনিয়ে নিশ্চিতভাৱে তোমালোকক সহায় কৰিব।

## ৩.২ উড-এব'ট প্ৰতিবেদন (Wood-Abbott Report) ঃ

এতিয়া উড-এব'ট প্ৰতিবেদন সম্পৰ্কে আলোচনা কৰিবলৈ আগবাঢ়িছো। ভাৰতৰ শিক্ষাৰ ইতিহাসত বিশেষকৈ বৃত্তিমূলক শিক্ষাৰ ক্ষেত্ৰখনত বিশেষভাৱে ঐতিহাসিক তাৎপৰ্য থকা উড-এব'ট প্ৰতিবেদনৰ বিষয়ে সকলোৱে জনা উচিত। এই শিতানত উড-এব'ট প্ৰতিবেদনৰ বিভিন্ন দিশ এটা এটা কৈ আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

### ৩.২.১ উড-এব'ট কমিটিৰ নিযুক্তি ঃ

কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে (Central Advospry Board of Education- CABE) ভাৰতৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন দিশৰ অধ্যয়ন আৰু তাৰে ভেঁটিত চৰকাৰক যাৱতীয় দিহা-পৰামৰ্শ প্ৰদান কৰিবলৈ ১৯৩৬ চনত এখন কমিটি নিয়োগ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। সেইমৰ্মে ইংলেণ্ডৰ শিক্ষাবোৰ্ডৰ কাৰিকৰী বিদ্যালয়সমূহৰ প্ৰাক্তন মুখ্য পৰিদৰ্শক মিষ্টাৰ এ, এবট (A. Abbott) আৰু ডাইৰেক্টৰ অৱ ইণ্টেলিজেন্স মিষ্টাৰ এচ, এইচ উডক (S.H. Wood) ভাৰতবৰ্ষলৈ আমন্ত্ৰণ কৰি অনা হয়। তেওঁলোক দুয়োজনে সমগ্ৰ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা অধ্যয়ন কৰি বিস্তৃত আলাপ-আলোচনাৰ অন্তত ১৯৩৭ চনত এখন প্ৰতিবেদন চৰকাৰৰ হাতত অৰ্পণ কৰে। এই প্ৰতিবেদনখন দুটা ভাগত বিভক্ত। প্ৰতিবেদনৰ প্ৰথমটো ভাগত থকা সাধাৰণ শিক্ষা আৰু ইয়াৰ প্ৰশাসনীয় ব্যৱস্থা সম্পৰ্কীয় পৰামৰ্শবোৰ এচ,এইচ উডে প্ৰস্তুত কৰিছিল আৰু প্ৰতিবেদনৰ দ্বিতীয়টো ভাগত থকা বৃত্তিমূলক শিক্ষা সম্বন্ধীয় পৰামৰ্শবোৰ মিষ্টাৰ এ, এব'টে প্ৰস্তুত কৰিছিল। এই দুজন ব্যক্তিয়ে যুটীয়াভাৱে প্ৰস্তুত কৰা প্ৰতিবেদনখনকে উড-এব'ট প্ৰতিবেদন বুলি অভিহিত কৰা হয়।

### ৩.২.২ উড-এব'ট প্ৰতিবেদনৰ পৰামৰ্শৱলী ঃ

আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে উড-এব'ট প্ৰতিবেদনখন মূলত দুটা খণ্ডত বিভক্ত। প্ৰথমটো খণ্ডত সাধাৰণ শিক্ষা (General Education) সম্বন্ধে আৰু দ্বিতীয়টো খণ্ডত বৃত্তিমূলক শিক্ষা (Vocational Education) সম্বন্ধে বিভিন্ন গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। এই দুয়োটা খণ্ডত থকা পৰামৰ্শবোৰ এটা এটাকৈ আলোচনা কৰিবলৈ যত্ন কৰা হ'ল -

**সাধাৰণ শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** উড-এব'ট প্ৰতিবেদনৰ প্ৰথমটো অংশত সাধাৰণ শিক্ষা সম্বন্ধীয় পৰামৰ্শবোৰ অন্তৰ্ভুক্ত কৰা হৈছিল। এই খণ্ডতো প্ৰস্তুত কৰিছে এচ,এইচ, উডে। এই খণ্ডত থকা সাধাৰণ শিক্ষা সম্বন্ধীয় পৰামৰ্শবোৰ তলত উল্লেখ কৰা হ'ল-

প্ৰাথমিক শিক্ষাৰ কাৰণে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিযুক্ত কৰিব লাগে।

প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমৰ পৰিৱৰ্তন সাধন কৰি পুথিগত বিদ্যাৰ পৰিৱৰ্তে শিক্ষাৰ্থীৰ স্বাভাৱিক আগ্ৰহ আৰু কাৰ্যকলাপ প্ৰতিফলিত কৰিব পৰা বিধৰ কৰি তুলিব

লাগে।

গ্ৰামাঞ্চলৰ মজলীয়া বিদ্যালয়ৰ ক্ষেত্ৰত গ্ৰাম্য সমাজৰ প্ৰয়োজন আৰু চাহিদাৰ ভিত্তিত পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগে।

গ্ৰামাঞ্চলৰ মজলীয়া বিদ্যালয়বোৰত মাতৃভাষাক শিক্ষাদানৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগে। এই স্তৰত পৰাপক্ষত ইংৰাজী ভাষা শিকোৱাটো এৰাই চলিব লাগে।

হাইস্কুল পৰ্যায়ত ইংৰাজী ভাষা শিকোৱাটো বাধ্যতামূলক কৰি তুলিব লাগে আৰু যিমান দূৰ সম্ভৱ এই স্তৰতো শিক্ষাদানৰ মাধ্যম হ'ব লাগে মাতৃভাষা।

হাইস্কুলবোৰত সুকুমাৰ কলা (Fine Arts) ৰ শিক্ষা প্ৰদানৰ কাৰণে যোগ্য শিক্ষক নিযুক্ত কৰিব লাগে।

মজলীয়া বিদ্যালয়ৰ স্তৰ সম্পূৰ্ণ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক তিনি বছৰীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক হিচাপে সাজু কৰিব লাগিব। এই উদ্দেশ্যে "নৰ্মাল স্কুল" প্ৰতিষ্ঠা কৰিব লাগিব।

নিম্ন আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰস্তুত কৰিবৰ কাৰণে পৰ্যাপ্ত প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব লাগিব।

ছাত্ৰ-ছাত্ৰীৰ কাৰণে শাৰীৰিক ব্যায়াম, খেলা-ধুলা আদিৰ ব্যৱস্থা কৰিব লাগিব।

মহিলা শিক্ষকৰ সংখ্যা বৃদ্ধি কৰিব লাগিব।

শিক্ষক আৰু পৰিদৰ্শকক নিৰ্বাচিত কৰি বিদেশত প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

**বৃত্তিমূলক শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** উড-এব'ট প্ৰতিবেদনৰ দ্বিতীয়টো অংশত বৃত্তিমূলক শিক্ষা সম্বন্ধীয় পৰামৰ্শবোৰ অন্তৰ্ভুক্ত কৰিছিল। এইটো খণ্ড প্ৰস্তুত কৰিছিল মিষ্টাৰ এ, এব'ট (A. Abbott) এ। উড-এব'ট প্ৰতিবেদনৰ বৃত্তিমূলক শিক্ষা সম্বন্ধীয় পৰামৰ্শবোৰ তলত উল্লেখ কৰা হ'ল -

দেশৰ উদ্যোগিক বিকাশ আৰু নিবনুৱা সমস্যা সমাধানৰ কাৰণে বৃত্তিমূলক শিক্ষাৰ বিকাশ সাধন কৰিব লাগিব। বৃত্তিমূলক শিক্ষা আৰু সাধাৰণ শিক্ষাক দুটা সুকীয়া শাখা বুলি বিবেচনা নকৰি দুয়োটাকে সমানে গুৰুত্ব প্ৰদান কৰিব লাগে আৰু ইহঁতক সমগ্ৰ শিক্ষা প্ৰক্ৰিয়াটোৰ দুটা অগা-পিছা অংশ বুলি বিবেচনা কৰিব লাগে।

এই শিতানত প্ৰতিবেদনখনত উল্লেখ আছে - “If general education brings about the development of the non-material culture of a country, vocational education does the something for material culture : hence, both are necessary for the progress of a country .......”

মজলীয়া বিদ্যালয় সাং কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে জুনিয়ৰ বৃত্তিমূলক বিদ্যালয়ত আৰু উচ্চ মাধ্যমিক শিক্ষা সাং কৰা সকলে চিনিয়ৰ বৃত্তিমূলক বিদ্যালয়ত নামভৰ্ত্তি কৰিব পাৰিব।

জুনিয়ৰ বৃত্তিমূলক বিদ্যালয়ৰ শিক্ষাকাল ৩ বছৰীয়া হ'ব আৰু চিনিয়ৰ বৃত্তিমূলক বিদ্যালয়ৰ শিক্ষাকাল ২ বছৰীয়া হ'ব।

চাকৰি কৰা বা কৰ্মত নিযুক্ত শিক্ষাৰ্থীৰ কাৰণে অংশকালীন বিদ্যালয়ৰ ব্যৱস্থা কৰিব লাগে।

উড-এবট প্ৰতিবেদনত কোৱা হৈছিল যে প্ৰতিখন প্ৰদেশতে একোখনকৈ বৃত্তিমূলক শিক্ষাৰ উপদেষ্টা পৰিষদ (Advisory Council for Vocational Education) গঠন কৰিব লাগে। এই পৰিষদৰ কিছুমান উপ-সমিতি থাকিব আৰু সেই উপ-সমিতিবোৰ যাৱতীয় পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ দায়িত্বত থাকিব।

দিল্লীত এখন বৃত্তিমূলক প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব লাগিব।

মাধ্যমিক বিদ্যালয়বোৰত কৃষি আৰু বাণিজ্য এই বিষয় দুটা বিকল্প বা ঐচ্ছিক বিষয় হিচাপে থাকিব লাগে।

বিভিন্ন বৃত্তিৰ শিক্ষা প্ৰদানৰ কাৰণে পলিটেকনিক বিদ্যালয় প্ৰতিষ্ঠা কৰাব লাগে।

ছাত্ৰ-ছাত্ৰীক বৃত্তিমূলক পৰামৰ্শ প্ৰদানৰ কাৰণে বৃত্তিমূলক নিৰ্দেশনা (Vocational Guidance)ৰ ব্যৱস্থা কৰা হ'ব।

### ৩.২.৩ উড-এবট প্ৰতিবেদনৰ মূল্যায়ন ঃ

উড-এবট প্ৰতিবেদনৰ এক ঐতিহাসিক গুৰুত্ব আছে। কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে গঠন কৰি দিয়া এই কমিটিৰ প্ৰতিবেদনত কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ অন্তৰ্ভুক্ত কৰা হৈছিল। ভাৰতত বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ কাৰণে তেতিয়ালৈকে কোনোধৰণৰ বিশেষ আঁচনি বা চিন্তা-চৰ্চা গ্ৰহণ কৰা হোৱা নাছিল। এটা গুৰুত্বপূৰ্ণ দিশ বহু দশক ধৰি অৱহেলিত হৈ ৰৈছিল। উড-এবটৰ প্ৰতিবেদনে

সেই শূন্যতা পূৰণ কৰিলে। কাৰণ এই কমিটিখনে সাধাৰণ শিক্ষাৰ লগতে বৃত্তিমূলক শিক্ষাৰ কাৰণেও এক বিস্তাৰিত আঁচনি দাঙি ধৰিছিল। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পুনৰ গঠনৰ কাৰণে ইংলেণ্ডৰ দুজন বিশেষজ্ঞ ব্যক্তিক লৈ গঠন কৰা এই কমিটিখনৰ প্ৰতিবেদনখনৰ পৰা নিশ্চিতভাৱে ভাৰতবাসীয়ে বহু গুৰুত্বপূৰ্ণ পৰামৰ্শ লাভ কৰিছিল। উড-এব'টৰ প্ৰতিবেদনৰ আধাৰতে ভাৰতবৰ্ষত বৃত্তিমূলক শিক্ষাৰ বিকাশৰ বুনিয়াদ ৰচনা কৰা হৈছিল। বৃত্তিমূলক শিক্ষাক্ষেত্ৰখনত এই প্ৰতিবেদনক মাইলৰ খুঁটি ৰূপে বিবেচনা কৰা হয়। কেৱল সেয়ে নহয় সাধাৰণ শিক্ষাৰ কাৰণেও এই প্ৰতিবেদনত বহুতো গুৰুত্বপূৰ্ণ পৰামৰ্শ সন্নিৱিষ্ট কৰা হৈছিল।

উড-এব'ট প্ৰতিবেদনৰ সফল ৰূপায়নৰ কাৰণে প্ৰয়োজনীয় ৰাজনৈতিক বাতাবৰণ আৰু সামাজিক অৱস্থাৰ অভাৱ দেখা গৈছিল। দেশৰ অৰ্থনৈতিক দূৰৱস্থা আৰু ৰাজনৈতিক অস্থিৰতা উড-এব'ট প্ৰতিবেদনৰ পৰামৰ্শবোৰ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত হেঙাৰ স্বৰূপে থিয় দিছিল। ফলত বহু গুৰুত্বপূৰ্ণ পৰামৰ্শ সম্বলিত উড-এব'টৰ প্ৰতিবেদনখনে ৰূপায়নৰ বাট নেদেখিলে। তথাপিও এই প্ৰতিবেদনক ভাৰতীয় বৃত্তিমূলক শিক্ষা ইতিহাসৰ "মাৰ্গ দৰ্শনকাৰী" হিচাপে বিবেচনা কৰা হয়।

**আত্মমূল্যায়ন প্ৰশ্ন - ক**

১। উড-এব'ট কমিটি কোনে আৰু কিমান চনত নিযুক্তি দিছিল?

..........................................................................

..........................................................................

২। উড-এব'ট প্ৰতিবেদনৰ সাধাৰণ শিক্ষা সম্বন্ধীয় তিনিটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................

..........................................................................

৩। উড-এব'ট প্ৰতিবেদনৰ বৃত্তিমূলক শিক্ষা সম্বন্ধীয় তিনিটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................

..........................................................................

## ৩.৩ বুনিয়াদী শিক্ষা (Basic Education) ঃ

এতিয়া তোমালোকৰ কাৰণে বুনিয়াদী শিক্ষাৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে। মহাত্মা গান্ধীৰ দ্বাৰা প্ৰৱৰ্তিত এই বুনিয়াদী শিক্ষাৰ বিষয়ে সকলো ভাৰতীয় লোকে জনা উচিত। ভাৰতীয় শিক্ষা ইতিহাসত মাইলৰ খুঁটি ৰূপে পৰিচিত এই বুনিয়াদী শিক্ষাৰ উত্থান আৰু পতন শিক্ষাবিদসকলৰ কাৰণেও গভীৰ চিন্তা-চৰ্চাৰ বিষয়। এই আলোচনাত বুনিয়াদী শিক্ষাৰ বিভিন্ন দিশ সাঙুৰি লোৱা হৈছে।

### ৩.৩.১ বুনিয়াদী শিক্ষাৰ পটভূমি ঃ

বুনিয়াদী শিক্ষাৰ জন্মদাতা হ'ল জাতিৰ পিতা মহাত্মা গান্ধী। মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষৰ জনগনলৈ আগবঢ়োৱা ই এক অনবদ্য উপহাৰ। ৰাজনৈতিক, আধ্যাত্মিক ও সামাজিক নেতা হিচাপে মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষলৈ কি কি অৱদান আগবঢ়ালে সেইয়া তোমালোকে নিশ্চয় জানা। কিন্তু শিক্ষাবিদ হিচাপে, এটা জাতীয় শিক্ষা আঁচনিৰ প্ৰৱৰ্তক হিচাপে মহাত্মা গান্ধীৰ প্ৰকৃত মূল্যায়ন এতিয়াও হোৱা নাই বুলি বিজ্ঞসকলে ক'ব খোজে। ইংৰাজ শাসিত ভাৰতবৰ্ষত মহাত্মা গান্ধীয়ে থলুৱা আৰু দেশীয় চিন্তা-দৰ্শনৰ প্ৰলেপ দি গঢ়ি তোলা এই বুনিয়াদী শিক্ষা আঁচনিখন সঁচাই এক অভিলাষী আঁচনি বুলি কোৱা হয়। আগ্ৰাসী ইংৰাজী শিক্ষাৰ সন্মুখত দিশহাৰা হৈ পৰা ভাৰতীয় শিক্ষা ব্যৱস্থাত মহৌষধৰূপে উদ্ভাৱিত হোৱা বুনিয়াদী শিক্ষাৰ এক পটভূমি আছে।

দৰাচলতে বুনিয়াদী শিক্ষাৰ দৰে এক শিক্ষা আঁচনিৰ চিন্তাটোৱে মহাত্মা গান্ধীৰ মনত ভুমুকি মাৰিছিল তেওঁ দক্ষিণ আফ্ৰিকাত কটোৱা সময়ছোৱাতে। মহাত্মা গান্ধীয়ে ১৮৯৩ চনত দক্ষিণ আফ্ৰিকালৈ গৈছিল। দক্ষিণ আফ্ৰিকাত কটোৱা সময়খিনিত তেখেতে বৰ্ণ-বৈষম্যৰ প্ৰভাৱত ভুক্তভোগী সেই দেশৰ আৰু ভাৰতীয় বংশোদ্ভুদ লোকসকলৰ দুখ-দুৰ্দশা দেখি মৰ্মাহত হৈ পৰিছিল। এই অমানৱীয় বৈষম্য আৰু নিপীড়নৰ প্ৰতিবাদী কণ্ঠ হিচাপে তেখেতে ১৮৯৪ চনত "নাটাল ইণ্ডিয়া কংগ্ৰেছ" (Natal India Congress) প্ৰতিষ্ঠা কৰে। ১৯০৩ চনত 'ট্ৰান্সভাল' নামৰ ঠাইত এই নাটাল ইণ্ডিয়া কংগ্ৰেছৰ মূল কাৰ্যালয় পাতে। বৰ্ণ -বৈষম্যৰ অমানৱীয় হাতোৰাত নিপীড়িত আফ্ৰিকীয় আৰু ভাৰতীয় শিশুসকলক শিক্ষা প্ৰদানৰ কাৰণে মহাত্মা গান্ধীয়ে ট্ৰান্সভালত "টলষ্টয় ফাৰ্ম" (Tolstoy Farm ) নামৰ এক প্ৰতিষ্ঠান আৰম্ভ কৰে। টলষ্টয়

ফাৰ্মত শিশুৰ সৰ্বাঙ্গীন বিকাশৰ বাবে প্ৰায়োগিক আৰু উপযোগী শিক্ষা প্ৰদানৰ প্ৰচেষ্টাত গান্ধীজী বহু পৰিমাণে সফল হৈছিল।

মহাত্মা গান্ধী ১৯১৫ চনত দক্ষিণ আফ্ৰিকাৰ পৰা ঘূৰি আহিছিল। ভাৰতবৰ্ষলৈ আহিয়েই তেখেতে গুজৰাটত সৱৰমতি আশ্ৰম খুলি নিজস্ব ধ্যান-ধাৰণাৰে শিক্ষাদান কৰিবলৈ আৰম্ভ কৰে। টলষ্টয় ফাৰ্মত লাভ কৰা অভিজ্ঞতাই এইক্ষেত্ৰত গান্ধীজীক যথেষ্ট সহায় কৰিলে। পিছত ১৯৩৫ চনত ৱাৰ্ধাত তেখেতে আন এখন আশ্ৰম প্ৰতিষ্ঠা কৰিছিল আৰু তাতে শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদান কৰিবলৈ লয়। সেই সময়ছোৱাতে গান্ধীয়ে শিক্ষা সম্বন্ধীয় নিজৰ ধ্যান-ধাৰণাবোৰ 'হৰিজন' নামৰ কাকতখনত এলানি প্ৰবন্ধ আকাৰে প্ৰকাশ কৰিছিল। এই প্ৰবন্ধলানিত তেখেতে ইংৰাজ চৰকাৰে প্ৰৱৰ্তন কৰা, ভাৰতীয় সভ্যতা-সংস্কৃতিৰ লগত খাপ নোখোৱা, পুথিগত আৰু উৎপাদনহীন শিক্ষাৰ আসোঁৱাহবোৰ পৰিষ্কাৰকৈ বিশ্লেষণ কৰি দেখুৱাইছিল আৰু এক নতুন শিক্ষা আঁচনি, গান্ধীৰ ভাষাত "নঈ তালিম"ৰ অৱতাৰণা কৰিছিল। গান্ধীজীৰ মানসপুত্ৰস্বৰূপ এই নতুন শিক্ষানীতি আঁচনিৰ বিষয়ে আলোচনা-বিলোচনা কৰিবলৈ ১৯৩৭ চনত ৱাৰ্ধাত এখন সৰ্বভাৰতীয় শিক্ষা সন্মিলন আয়োজন কৰিছিল। বুনিয়াদী শিক্ষা আঁচনিৰ বিকাশত এই সন্মিলনৰ তাৎপৰ্য মন কৰিবলগীয়া। এতিয়া এই শিক্ষা সন্মিলনৰ বিষয়ে চমুকৈ আলোচনা কৰা যাওঁক -

ৱাৰ্ধা শিক্ষা সন্মিলন, ১৯৩৭ ঃ মহাত্মা গান্ধীৰ আহ্বানক্ৰমে ১৯৩৭ চনত ৱাৰ্ধা নামৰ ঠাইত এখন সৰ্বভাৰতীয় শিক্ষা সন্মিলন অনুষ্ঠিত হয়। গান্ধীয়ে তেওঁৰ নতুন শিক্ষা আঁচনিখনৰ সন্দৰ্ভত সৰ্বভাৰতীয় পৰ্যায়ৰ নেতাসকলৰ লগত আলোচনা কৰাৰ উদ্দেশ্যে ১৯৩৭ চনৰ ২২ আৰু ২৩ অক্টোবৰত দুদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনলৈ দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাবিদ, কংগ্ৰেছ শাসিত ৰাজ্যৰ শিক্ষামন্ত্ৰীসকলৰ লগতে জ্যেষ্ঠ কংগ্ৰেছ নেতা-কৰ্মীসকলক আমন্ত্ৰণ কৰিছিল। মহাত্মা গান্ধীৰ সভাপতিত্বত অনুষ্ঠিত এই সন্মিলনত বিস্তৃত আলোচনা-বিলোচনাৰ অন্তত নিম্নোক্ত প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হৈছিল -

সমগ্ৰ দেশ জুৰি সাত বছৰীয়া (৭ বছৰ বয়সৰ পৰা ১৪ বছৰ) বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব লাগে।

শিক্ষাদনৰ মাধ্যম হ'ব লাগে মাতৃভাষা।

এটা উৎপাদনযুক্ত হস্তশিল্পক কেন্দ্ৰ কৰি এই শিক্ষা গঢ়ি তুলিব লাগে।

এই শিক্ষাই শিক্ষকসকলৰ বেতন আদিৰ খৰছ যোগান ধৰিব পাৰিব লাগে।

উপৰোক্ত প্ৰস্তাৱকেইটি সম্বলিত মহাত্মা গান্ধীৰ মানসসৃষ্ট এই শিক্ষা আঁচনিক সেয়েহে "ৱাৰ্ধা আঁচনি" (Wardha Scheme) বুলিও কোৱা হয়। "ৱাৰ্ধা আঁচনি"ৰ প্ৰস্তাৱৰ ভিত্তিত এক শিক্ষা আঁচনি প্ৰস্তুত কৰি তোলা আৰু যাৱতীয় পাঠ্যক্ৰম প্ৰস্তুত কৰিবৰ কাৰণে আন এখন কমিটি গঠন কৰা হৈছিল। এতিয়া এই কমিটিখনৰ বিষয়ে চোৱা যাওঁক -

ডঃ জাকিৰ হুছেইন কমিটি - ৱাৰ্ধা সন্মিলনত গৃহীত শিক্ষা আঁচনিখন চালি-জাৰি চাই চূড়ান্ত ৰূপ দিয়াৰ লগতে যাৱতীয় পাঠ্যক্ৰম প্ৰস্তুত কৰিবৰ বাবে জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপাচাৰ্য ড° জাকিৰ হুছেইনক অধ্যক্ষ স্বৰূপে লৈ এখন কমিটি গঠন কৰা হৈছিল। ইয়াকেই ড° জাকিৰ হুছেইন কমিটি বোলা হয়। এই কমিটিৰ আন সদস্যসকল আছিল - বিনোৱা ভাবে, কাকা কালেলকাৰ, আৰ্য নায়কম, জেঃচিঃ কুমাৰাপ্পা আদি বিশিষ্ট ব্যক্তিসকল। ড° জাকিৰ হুছেইন কমিটিয়ে ১৯৩৭ চনৰ ডিচেম্বৰ মাহ আৰু ১৯৩৮ চনৰ এপ্ৰিল মাহত দুটা খণ্ডত ইয়াৰ প্ৰতিবেদন দাখিল কৰে। ১৯৩৭ চনৰ ডিচেম্বৰ মাহত দাখিল কৰা প্ৰতিবেদনৰ প্ৰথমটো খণ্ডত ৱাৰ্ধাত গৃহীত শিক্ষা আঁচনিৰ নীতি আৰু আদৰ্শ, উদ্দেশ্য, বিদ্যালয়ৰ সংগঠন, শিক্ষক প্ৰশিক্ষণ, প্ৰশাসন, পৰিদৰ্শন আদি দিশ সাঙুৰি লৈছিল। আনহাতে, ১৯৩৮ চনৰ এপ্ৰিল মাহত দাখিল কৰা প্ৰতিবেদনৰ দ্বিতীয়টো খণ্ডত হস্তশিল্পৰ আধাৰত কেনেদৰে পাঠ্যক্ৰম প্ৰস্তুত কৰিব পাৰি তাৰ ব্যাখ্যা থকাৰ লগতে হস্তশিল্পৰ লগত অন্য বিষয়ৰ সম্বন্ধ ৰক্ষা কৰি কিদৰে সহঃসম্বন্ধৰ নীতি প্ৰয়োগ কৰিব পাৰি তাৰ ব্যাখ্যা আছিল।

ড° জাকিৰ হুছেইন কমিটিৰ প্ৰতিবেদনখন ১৯৩৮ চনত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত আৱশ্যকীয় সালসলনিসহ গ্ৰহণ কৰা হয়। ৱাৰ্ধা আঁচনিৰ যাৱতীয় আটাইবোৰ দিশ ঠিৰাং কৰি ড° জাকিৰ হুছেইন কমিটিয়ে আগবঢ়োৱা মূল দিশকেইটা তলত উল্লেখ কৰা হ'ল -

এই নতুন শিক্ষা আঁচনিক বুনিয়াদী শিক্ষা বুলি নামকৰণ কৰা হয়। বহুতে ইয়াক "নঈ তালিম" বা "নতুন শিক্ষা" বুলিও অভিহিত কৰে।

এই শিক্ষা ব্যৱস্থা শিল্পকেন্দ্ৰীক হ'ব। এটা হস্তশিল্পক কেন্দ্ৰ কৰি সহঃসম্বন্ধৰ

নীতিৰে এই শিক্ষা প্ৰদান কৰা হ'ব।

এই শিক্ষা আত্ম-নিৰ্ভৰশীল প্ৰকৃতিৰ হ'ব। হস্তশিল্পৰ উৎপাদিত সামগ্ৰীৰে শিক্ষকৰ বেতনৰো কিছু অংশ জোৰা মৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ অৰ্থনৈতিক ভেঁটি ইয়াতেই নিৰ্মিত হ'ব।

এই শিক্ষা পুথিগত আৰু পৰীক্ষাপ্ৰধান হ'ব।

মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা প্ৰদান কৰা হ'ব।

এই শিক্ষাই দৈহিক পৰিশ্ৰমক মৰ্যদা দিব।

**৩.৩.২ বুনিয়াদী শিক্ষাৰ অৰ্থ ঃ**

বুনিয়াদী শিক্ষাৰ ইংৰাজী প্ৰতিশব্দ হৈছে Basic Education। এই Basic শব্দটো Base শব্দৰ পৰা আহিছে। Base মানে 'আধাৰ' বা 'বুনিয়াদ'। মহাত্মা গান্ধীয়ে বিশ্বাস কৰিছিল যে শিক্ষাই মানুহৰ সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ বুনিয়াদ গঢ়ি তোলা উচিত। সেয়েহে শিক্ষাৰ সংজ্ঞা প্ৰদান কৰিবলৈ গৈ তেখেতে কৈছিল -"শিশু আৰু মানুহৰ দেহ, মন আৰু আত্মাৰ সামগ্ৰিক গুণৰাশি সৰ্বোৎকৃষ্টভাৱে উদ্‌ঘাটিত কৰি তোলাকেই মই শিক্ষা বুজো" (By Education I mean an alround drawing out of the best in child and man - body, mind and spirit)। গান্ধীয়ে প্ৰৱৰ্তন কৰা এই বুনিয়াদী শিক্ষাৰ জৰিয়তেও শিশুৰ ব্যক্তিত্বৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক - এই তিনিওটা দিশৰে বিকাশৰ বুনিয়াদ বা ভেঁটি নিৰ্মাণ কৰিব পৰা যায় বুলি পণ্ডিতসকলে ক'ব খোজে। সেই দৃষ্টিকোণৰ পৰা গান্ধীজী প্ৰৱৰ্তিত এই শিক্ষা ব্যৱস্থাক বুনিয়াদী শিক্ষা বুলি অভিহিত কৰা হয়।

মহাত্মা গান্ধীৰ মতে এই বুনিয়াদী শিক্ষা ল'ৰা-ছোৱালীৰ বুনিয়াদী বা মূল আগ্ৰহ আৰু প্ৰয়োজনীয়তাখিনি পূৰণ কৰিবলৈ সক্ষম। এই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ চাহিদা আৰু সামৰ্থসমূহক আধাৰ হিচাপে লৈ শিল্পকেন্দ্ৰীক শিক্ষাৰ ব্যৱস্থা কৰে। সেই দৃষ্টিকোণৰ পৰা ইয়াক বুনিয়াদী শিক্ষা বোলা হৈছে।

গান্ধীজীয়ে বিশ্বাস কৰিছিল যে এই বুনিয়াদী শিক্ষাই জাতীয় সংস্কৃতিৰ বুনিয়াদ অৰ্থাৎ ভেঁটি ৰচনা কৰিব পাৰিব। গান্ধীজী প্ৰৱৰ্তিত বুনিয়াদী শিক্ষা ইংৰাজসকলৰ ব্যয়বহুল আৰু পাশ্চাত্য শিক্ষাৰ বিকল্পৰূপে থিয় দিছিল আৰু প্ৰত্যাহ্বান জনাইছিল। ই ভাৰতীয় সামাজিক আৰু সাংস্কৃতিক দিশৰ ভেঁটি নিৰ্মাণ কৰিব। ভাৰতীয় সমাজৰ

বুনিয়াদ ৰচনা কৰিব পৰাকৈ প্ৰৱৰ্তিত এই শিক্ষা ব্যৱস্থাক সেয়ে বুনিয়াদী শিক্ষা বোলা হৈছিল।

বুনিয়াদী শিক্ষাই দেশৰ অৰ্থনৈতিক বুনিয়াদ গঠনৰ ক্ষেত্ৰটো সমৰ্থবান বুলি কোৱা হয়। এই শিক্ষা যিহেতু হস্তশিল্পকেন্দ্ৰীক সেয়েহে এই হস্তশিল্পই ভাৰতীয় গ্ৰাম্য জীৱনৰ অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ পৰিচয় প্ৰদান কৰিব। হস্তশিল্পৰ শিক্ষা ভাৰতীয় গ্ৰাম্য জীৱনৰ আৰ্থিক দিশৰো বুনিয়াদী বা মৌলিক প্ৰয়োজনবোৰ পূৰণ কৰিববলৈ সক্ষম। তদুপৰি শিশুৰ সৃজনীশীল প্ৰতিভাৰ বিকাশৰো বুনিয়াদ গঠন কৰিব এই বুনিয়াদী শিক্ষাই। গ্ৰামীণ অঞ্চলৰ মুখ্য হস্তশিল্পটোক বুনিয়াদ হিচাপে লৈ দেশৰ অৰ্থনৈতিক কাঠামো নিৰ্মাণৰ প্ৰয়াস কৰা এই শিক্ষাক যথাৰ্থতে বুনিয়াদী শিক্ষা নামকৰণ কৰা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন - খ**

১। ৱাৰ্ধা সন্মিলন কিমান চনত অনুষ্ঠিত হৈছিল?

..............................................................................

২। বুনিয়াদী শিক্ষা আঁচনিৰ আন দুটা নাম লিখা।

..............................................................................

..............................................................................

৩। মহাত্মা গান্ধীয়ে প্ৰদান কৰা শিক্ষাৰ সংজ্ঞাটো লিখা।

..............................................................................

..............................................................................

### ৩.৩.৩ বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্য ঃ

এতিয়া আমি বুনিয়াদী শিক্ষাৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিববলৈ আগবাঢ়িছো।

**শিল্পকেন্দ্ৰীক শিক্ষা ঃ** বুনিয়াদী শিক্ষা শিল্পকেন্দ্ৰীক। ইয়াত কোনো এটা শিল্পক কেন্দ্ৰ কৰি শিক্ষা প্ৰদান কৰিব লাগে। স্থানীয় প্ৰয়োজন আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি এটা হস্তশিল্প বা কুটিৰ শিল্প নিৰ্বাচিত কৰি লৈ সেই শিল্পবিধৰ জৰিয়তে কৰ্মকেন্দ্ৰীক শিক্ষা প্ৰদান কৰা হয়। ইয়াৰ জৰিয়তে উক্ত শিল্পবিধকে ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে নিজৰ বৃত্তি হিচাপে গ্ৰহণ কৰিব পাৰিছিল।

**মাতৃভাষাৰ মাধ্যমক শিক্ষা ঃ** বুনিয়াদী শিক্ষা ব্যৱস্থাত শিক্ষাদানৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয় মাতৃভাষা। কাৰণ গান্ধীজীয়ে বুজি উঠিছিল যে মাতৃভাষা হৈছে শিশুৰ আত্মপ্ৰকাশৰ আটাইতকৈ সৰল মাধ্যম। শিশুৰ শিক্ষা প্ৰক্ৰিয়া স্বতঃস্ফূৰ্ত আৰু ফলপ্ৰসু কৰি তুলিবৰ কাৰণে মাধ্যম হিচাপে মাতৃভাষা ব্যৱহাৰ কৰাটো অতিকৈ প্ৰয়োজন। বিদেশী ভাষাক মাধ্যম হিচাপে ব্যৱহাৰ কৰিলে শিশুৰ শিক্ষা স্বাভাৱিক আৰু ফলপ্ৰসূ হৈ নুঠে।

**স্বাৱলম্বী শিক্ষা ঃ** বুনিয়াদী শিক্ষা স্বাৱলম্বী। বুনিয়াদী শিক্ষাত যিহেতু শিল্পকৰ্মৰ ব্যৱস্থা আছে সেয়েহে সেই শিল্পকৰ্মৰ পৰা উৎপাদিত সামগ্ৰী বজাৰত বিক্ৰী কৰি ধন আহৰণ কৰিব পাৰি আৰু সেই ধনেৰে শিক্ষকৰ দা-দৰমহাকে ধৰি এক বুজন অংশ জোৰা মাৰিব পাৰি। তাৰোপৰি ই ছাত্ৰ-ছাত্ৰীকো আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈ অনুপ্ৰেৰণা দিব। সেই অৰ্থত বুনিয়াদী শিক্ষাক স্বাৱলম্বী শিক্ষা বুলিব পাৰি।

**শিশুকেন্দ্ৰীক শিক্ষা ঃ** বুনিয়াদী শিক্ষাৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াৰ শিশুকেন্দ্ৰীকতা। গান্ধীজী প্ৰৱৰ্তিত এই শিক্ষাত শিশুসকলকহে শিক্ষা ব্যৱস্থাৰ কেন্দ্ৰবিন্দু হিচাপে ধৰা হয়। বুনিয়াদী শিক্ষাত শিশুৱে নিজ নিজ প্ৰতিভা আৰু চাহিদা অনুযায়ী আগুৱাই যাবলৈ সুবিধা পায়। শিশুৰ সুপ্ত গুণাৱলীৰ বিকাশত ইয়াত গুৰুত্ব আৰোপ কৰা হয়।

**শ্ৰমৰ মৰ্যদাৰ শিক্ষা ঃ** বুনিয়াদী শিক্ষাত শাৰীৰিক শ্ৰমৰ মৰ্যদাৰ ওপৰত গুৰুত্ব দিয়া হয়। কৰ্মকেন্দ্ৰীক শিক্ষা প্ৰদানৰ জৰিয়তে শিশুক শ্ৰমৰ মৰ্যদা উপলব্ধি কৰিবলৈ শিক্ষা প্ৰদান কৰা হয়।

**বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ঃ** বুনিয়াদী শিক্ষা বাধ্যতামূলক। মহাত্মা গান্ধীয়ে ৭ বছৰৰ পৰা ১৪ বছৰ বয়স পৰ্যন্ত সকলো শিশুকে ৭ বছৰীয়া প্ৰাথমিক শিক্ষা প্ৰদান কৰাটো বিচাৰিছিল। তেওঁ গণশিক্ষাৰ ওপৰত জোৰ দিছিল।

**নাগৰিকত্ববোধৰ শিক্ষা** ঃ গান্ধীজীৰ বুনিয়াদী শিক্ষাত সু-নাগৰিক হিচাপে শিশুসকলক গঢ়ি তুলিবলৈ বিছাৰিছিল। ভৱিষ্যতৰ দেশৰ নাগৰিক হিচাপে শিশুসকলক নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ জ্ঞান প্ৰদান কৰি নাগৰিকত্ববোধৰ শিক্ষা প্ৰদান কৰাটো বুনিয়াদী শিক্ষাৰ অন্যতম উদ্দেশ্য। সামাজিক, ধৰ্মীয় আৰু সাম্প্ৰদায়িক বৈষম্য নাইকিয়া কৰি সমতা আৰু সহযোগিতাৰে পৰিচালিত এখন সমাজ সৃষ্টি

কৰিবলৈ শিশুসকলক নাগৰিকত্ববোধৰ শিক্ষাৰে পুষ্ট কৰি তোলাটো গান্ধীজীয়ে বিচাৰিছিল।

**অহিংসা আৰু নৈতিকতা আধাৰিত শিক্ষা ঃ** বুনিয়াদী শিক্ষা গান্ধীজীৰ আহিংসা, সত্য, প্ৰেম, বিশ্বভ্ৰাতৃত্ব, ন্যায় আৰু সেৱা নীতিৰ আধাৰত প্ৰতিষ্ঠিত। এই বুনিয়াদী শিক্ষাত গান্ধীজীৰ জীৱন দৰ্শন প্ৰতিফলিত হয়। সম্পূৰ্ণ ভাৰতীয় আদৰ্শসিক্ত এক নৈতিক পৰিৱেশত শিক্ষা প্ৰদানৰ ওপৰত ইয়াত গুৰুত্ব আৰোপ কৰা হয়। সম্পূৰ্ণৰূপে ভাৰতীয় চিন্তা-দৰ্শন প্ৰতিফলিত হোৱা পৰিৱেশত শিক্ষা প্ৰদান কৰি শিশুসকলৰ চেতনাত ভাৰতীয়ত্বৰ বীজ ৰোপন কৰিবলৈ বুনিয়াদী শিক্ষাই চেষ্টা কৰিছিল। ইয়াৰ জৰিয়তে জাতীয় সংস্কৃতি আৰু মূল্যবোধ জগাই তুলিবলৈ যত্ন কৰা হৈছিল।

**সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ শিক্ষা ঃ** বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমৰ লগতে অন্য আনুসংগিক দিশবোৰ নিৰ্ধাৰণ কৰিবৰ কাৰণেই ড° জাকিৰ হুছেইন কমিটিখন গঠন কৰা হৈছিল। বুনিয়াদী শিক্ষাত কৰ্মকেন্দ্ৰীকতাৰ দৃষ্টিভংগী ৰাখি বিদ্যালয়বোৰক পৰীক্ষণ আৰু ন-ন উদ্ভাৱনৰ কাৰ্যক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে যত্ন কৰা হৈছিল। ড° জাকিৰ হুছেইন কমিটিয়ে বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমত নিম্নোক্ত বিষয়সমূহ অন্তৰ্ভুক্ত কৰিছিল-

- মৌলিক শিল্পকৰ্ম
  - (ক) সূতা কটা আৰু কাপোৰ বোৱা
  - (খ) কাঠৰ কাম
  - (গ) ফলমূল আৰু শাক-পাচলিৰ বাগান
  - (ঘ) মীন পালন
  - (ঙ) কৃষি
  - (চ) চৰ্ম শিল্প
  - (ছ) গাৰ্হস্থ্য শিল্প
  - (জ) পুতলা আৰু বাচন-বৰ্তন তৈয়াৰ কৰ্ম
  - (ঝ) স্থানীয় চাহিদাৰ ভিত্তিত আন কোনো শিল্প
- মাতৃভাষা
- গণিত

v সমাজ অধ্যয়ন (বুৰঞ্জী, ভূগোল আৰু পৌৰ বিজ্ঞান)

v সাধাৰণ বিজ্ঞান ( উদ্ভিদ বিদ্যা, ৰসায়ন বিদ্যা), শৰীৰ বিদ্যা, প্ৰাথমিক স্বাস্থ্য বিজ্ঞান, জ্যোতিৰ্বিদ্যা, প্ৰকৃতি অধ্যয়ন, জীৱনী অধ্যয়ন ইত্যাদি)

v শাৰীৰিক শিক্ষা ও খেলা-ধূলা

v কলা (চিত্ৰাংকন, সংগীত ইত্যাদি)

v হিন্দুস্থানী ভাষা ইত্যাদি

**বুনিয়াদী শিক্ষাৰ সবলতাসমূহ** -

মহাত্মা গান্ধীয়ে প্ৰৱৰ্তন কৰা বুনিয়াদী শিক্ষাৰ কিছুমান সবল দিশ বা গুণ লক্ষ্য কৰা যায়। এই সবলতাসমূহ হ'ল -

বুনিয়াদী শিক্ষা শিশুকেন্দ্ৰীক। ইয়াত শিশুৰ চাহিদা আৰু মনস্তত্বৰ আধাৰত শিক্ষা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিয়ে।

বুনিয়াদী শিক্ষাত শিক্ষাদানৰ মাধ্যম হিচাপে মাতৃভাষাক ব্যৱহাৰ কৰা হয়। মাতৃভাষাৰ মাধ্যমেৰে প্ৰদান কৰাটো এই শিক্ষা ব্যৱস্থাৰ অন্যতম সবলতা।

বুনিয়াদী শিক্ষাৰ আন এটা সবল দিশ হ'ল ইয়াৰ কৰ্মকেন্দ্ৰিকতাৰ নীতি। পৰম্পৰাগত পুথিপ্ৰধান আৰু পৰীক্ষানিৰ্ভৰ শিক্ষাব্যৱস্থাৰ প্ৰতিক্ৰিয়াস্বৰূপে গঢ়ি তোলা বুনিয়াদী শিক্ষা শিশু মনস্বত্বৰ লগত খাপ খোৱা বিধৰ।

এই শিক্ষা স্বাৱলম্বী। ইয়াত শিক্ষানুষ্ঠানৰ লগতে ছাত্ৰ-ছাত্ৰীকো অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ উৎসাহ যোগোৱা হয়।

বুনিয়াদী শিক্ষাৰ আন এটা সবলতা হ'ল এই শিক্ষা ভাৰতীয় সংস্কৃতি আৰু প্ৰমূল্যবোধৰ আধাৰত প্ৰতিষ্ঠিত। শিক্ষাত পাশ্চাত্য চিন্তা-চৰ্চাৰ প্ৰতিবাদী কণ্ঠস্বৰূপে বুনিয়াদী শিক্ষাই ভাৰতীয়ত্বৰ বুনিয়াদী গঠন কৰি তুলিব পাৰে।

বুনিয়াদী শিক্ষা শিশুৰ সৰ্বাঙ্গীন বিকাশৰ ক্ষেত্ৰত সহায় হৈ উঠে। ইয়াৰ জৰিয়তে শিশুৰ দেহ, মন আৰু আত্মাৰ বিকাশ সম্ভৱ হৈ উঠিব পাৰে।

বুনিয়াদী শিক্ষাত দেশৰ অৰ্থনৈতিক ভেঁটি নিৰ্মাণৰ সম্ভাৱনীয়তা লুকাই থাকে। ইয়াত দেশৰ ভয়াবহ নিবনুৱা সমস্যাৰ সমাধানৰ পথ নিহিত থকাৰ লগতে ই শিক্ষাক বৃত্তিমুখীকৰণৰ পথ দেখুৱায়।

বুনিয়াদী শিক্ষা যিহেতু বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰকৃতিৰ সেয়েহে

আৰ্থিকভাৱে দুৰ্বল শিক্ষাৰ্থীৰ বাবে এই শিক্ষা সহায়ক হৈ পৰে।

**বুনিয়াদী শিক্ষা বিফলতাৰ কাৰণসমূহ -**

বুনিয়াদী শিক্ষাক ভাৰতীয় সমাজ ব্যৱস্থাৰ কাৰণে এক মহৌষধৰূপে প্ৰৱৰ্তন কৰিবলৈ যত্ন কৰা হৈছিল যদিও ইয়াৰ অনেক দুৰ্বল দিশ দেখা গৈছিল। এই দুৰ্বলতাসমূহৰ কাৰণেই ভাৰতবৰ্ষত বুনিয়াদী শিক্ষা সফল নহ'ল। বুনিয়াদী শিক্ষাৰ বিফলতাৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল -

**বুনিয়াদী শিক্ষাৰ ধাৰণাৰ অস্পষ্টতা ঃ** বুনিয়াদী শিক্ষাৰ বিফলতাৰ এটা প্ৰধান কাৰণ হ'ল এই সম্পৰ্কে মানুহৰ ধাৰণাৰ অস্পষ্টতা। সেই সময়ৰ গৰিষ্ঠ সংখ্যক শিক্ষাবিদ, প্ৰশাসক আৰু শিক্ষকে মহাত্মা গান্ধীৰ শৈক্ষিক দৰ্শনৰ মৰ্ম উপলব্ধি কৰিব পৰা নাছিল। জনসাধাৰণেও গান্ধীজীৰ শৈক্ষিক দৰ্শনেৰে সিক্ত এই শিক্ষা ব্যৱস্থাৰ নীতি আৰু উদ্দেশ্য বুজি পোৱা নাছিল। ফলত বুনিয়াদী শিক্ষাই ভাৰতবৰ্ষত সহাঁৰি নাপালে।

**অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱ ঃ** বুনিয়াদী শিক্ষা আঁচনি বিফল হোৱাৰ অন্যতম কাৰণ হ'ল উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ। সেই সময়ৰ শিক্ষকসকল মাজত বুনিয়াদী শিক্ষাৰ অন্তৰ্নিহিত দৰ্শন সম্বন্ধে স্পষ্ট ধাৰণা হোৱা নাছিল। তাৰোপৰি বুনিয়াদী শিক্ষা আঁচনি প্ৰয়োগৰ কাৰণে শিক্ষকসকলক যথোপযুক্তভাৱে প্ৰশিক্ষণ প্ৰদানৰো ব্যৱস্থা কৰা হোৱা নাছিল।

**শিল্পকেন্দ্ৰীক নীতিৰ বিৰোধিতা ঃ** বুনিয়াদী শিক্ষাৰ শিল্পকেন্দ্ৰীক নীতিকো সেই সময়ৰ বহু শিক্ষক আৰু শিক্ষাবিদে বিৰোধিতা কৰিছিল। শিশুসকলক হস্তশিল্প বা কুটিৰ শিল্পত মগ্ন কৰি ৰাখি তেওঁলোকক শ্ৰমিকৰ পৰ্যায়লৈ লৈ যাব পাৰে বুলি বহুতে আশংকা প্ৰকাশ কৰিছিল। তাৰোপৰি এই শিল্পকৰ্মই কেৱল অৰ্থনৈতিক দিশটোৰ কথাতহে গুৰুত্ব দি ছাত্ৰ-ছাত্ৰীসকলক অৰ্থ উপাৰ্জনকাৰীলৈহে পৰ্যবসিত কৰিব বুলি বহুতে ভাবিছিল।

**কেৱল প্ৰাথমিক পৰ্যায়তহে গুৰুত্ব প্ৰদান ঃ** বুনিয়াদী শিক্ষাত প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ ওপৰতহে বেছিকৈ গুৰুত্ব আৰোপ কৰা হৈছিল। মাধ্যমিক আৰু উচ্চ পৰ্যায়ৰ শিক্ষাৰ ওপৰত যথোপযুক্ত গুৰুত্ব আৰোপ কৰা হোৱা নাছিল।

**গ্ৰাম্য প্ৰধান শিক্ষা ব্যৱস্থা ঃ** বহু শিক্ষাবিদে বুনিয়াদী শিক্ষাক গ্ৰাম্যপ্ৰধান

শিক্ষাব্যৱস্থা বুলি অভিহিত কৰিছিল। তেওঁলোকৰ মতে বুনিয়াদী শিক্ষা পিছপৰা গাঁৱলীয়া অঞ্চলৰ কাৰণেহে উপযোগী আৰু নগৰীয়া বা চহৰাঞ্চলৰ বাবে উপযোগী নহয়। আধুনিক বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতিৰ যুগত হস্তশিল্প বা কুটিৰ শিল্পৰ শিক্ষা প্ৰদানৰ দ্বাৰা দেশৰ অৰ্থনৈতিক আৰু উদ্যোগিক বিকাশ সম্ভৱ নহয় বুলি বহুতে ক'ব খোজে।

**দোষযুক্ত সময়সূচী ঃ** বুনিয়াদী শিক্ষা বিফল হোৱাৰ অন্যতম কাৰণ হ'ল দোষযুক্ত সময়সূচী। ছাত্ৰ-ছাত্ৰীৰ দৈনিক কাৰ্যসূচীত সৰহভাগ সময় শিল্পকৰ্মৰ নামত ধাৰ্য কৰি অন্যান্য বিষয়সমূহৰ অধ্যয়ন বাধাগ্ৰস্ত কৰি তোলা হৈছিল। দিনটোৰ বেছিভাগ সময়েই সিশুসকলক শিল্পকৰ্মত লিপ্ত কৰি ৰখাৰ ফলত তেওঁলোক ভাগৰুৱা আৰু অৱসাদগ্ৰস্ত হৈ পৰে আৰু অন্যান্য বিষয়সমূহৰ অধ্যয়নৰ কথাটো পিছপৰি ৰৈছিল।

**মূলধন আৰু কেঁচামালৰ অসবিধা ঃ** বুনিয়াদী শিক্ষা বিফল হোৱাৰ অন্যতম কাৰণ হ'ল মূলধন আৰু কেঁচামালৰ সমস্যা। এই শিক্ষা ব্যৱস্থা সফল কৰি তুলিবৰ কাৰণে পৰ্যাপ্ত শিক্ষকৰ লগতে অন্যান্য সা-সঁজুলি আৰু কেঁচামালৰ প্ৰয়োজন। চৰকাৰে এই দিশবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাছিল।

**জাতীয় স্তৰৰ আঁচনিৰ অভাৱ ঃ** বুনিয়াদী আঁচনিখনৰ সফল প্ৰয়োগৰ কাৰণে এক জাতীয় স্তৰৰ বৃহৎ আঁচনিৰ প্ৰয়োজনীয়তা আছিল। সৰ্বভাৰতীয় পৰ্যায়ৰ বিশেষ পদক্ষেপ গ্ৰহণ নকৰি প্ৰাদেশিক পৰ্যায়ত কিছুমান পদক্ষেপ গ্ৰহণ কৰাটো সঠিক হোৱা নাছিল। উল্লেখযোগ্য যে বুনিয়াদী শিক্ষা প্ৰয়োগৰ কাৰণে কেইখনমান প্ৰদেশতহে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এই ক্ষেত্ৰত আমি অসমৰ নাম লব পাৰো।

### ৩.৩.৬ সাম্প্ৰতিক সময়ত বুনিয়াদী শিক্ষাৰ প্ৰাসংগিকতা ঃ

মহাত্মা গান্ধীয়ে প্ৰৱৰ্তন কৰা বুনিয়াদী শিক্ষা এটা অতি মূল্যবান উপহাৰ বুলি কোৱা হয়। মহাত্মা গান্ধীয়ে নিজেও উপলব্ধি কৰিছিল যে ভাৰতবৰ্ষৰ জনসাধাৰণৰ কাৰণে আগবঢ়োৱা বিভিন্ন অৱদানৰ ভিতৰত তেওঁৰ মতে বুনিয়াদী শিক্ষা নামৰ অৱদানটি আটাইতকৈ গুৰুত্বপূৰ্ণ। গান্ধীজীৰ জীৱনজোৰা সাধনা আৰু গভীৰ দাৰ্শনিক চিন্তা-চৰ্চাৰ ফলস্বৰূপে ভাৰতবাসীয়ে বুনিয়াদী শিক্ষা আঁচনিখন লাভ কৰিছিল। কিন্তু গান্ধীজীৰ সেই শৈক্ষিক দৰ্শনক ভাৰতবাসীয়ে সঠিকভাৱে অনুধাৱন কৰিব নোৱাৰিলে বুলি কোৱা হয়।

আমি নিবনুৱা সমস্যাৰ কথা কওঁ, শিক্ষাক বৃত্তিমুখীকৰণৰ কথা কওঁ। মহাত্মা গান্ধীয়ে সেইটো কথা আজিৰ পৰা প্ৰায় সত্তৰ বছৰ আগতেই কৈছিল। কৰ্মকেন্দ্ৰীক নীতিৰ আধাৰত, সম্পূৰ্ণ ভাৰতীয় পৰিৱেশত এক উৎপাদনমুখী শিক্ষাৰ কথা তেওঁ কৈছিল। সাম্প্ৰতিক সময়ত গম্ভীৰ ৰূপত দেখা দিয়া নিবনুৱা সমস্যা, অৰ্থনৈতিক অনগ্ৰসৰতা আৰু শ্ৰমবিমুখতাৰ সমাধানৰ পথ কিন্তু আজিৰ পৰা সত্তৰ বছৰ আগতেই গান্ধীজীয়ে বুনিয়াদী শিক্ষাৰ মাজেৰে দি থৈ গৈছিল। আজিৰ আধুনিক তথ্য-প্ৰযুক্তিৰ যুগত সূতা কটা বা তাঁত বোৱাক হয়তো আমি প্ৰধান শিল্পৰূপে লৈ শিক্ষা প্ৰদানৰ কথা ভবাত অসুবিধা আছে। কিন্তু বুনিয়াদী শিক্ষাৰ সেই শিল্পকেন্দ্ৰীকতাৰ নীতিক আমি নিশ্চয় গ্ৰহণ কৰিব পাৰো। এটা আধুনিক শিল্পকৰ্মক প্ৰধান হিচাপে লৈ সহ-সম্বন্ধ নীতিৰ আধাৰত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিলে সাম্প্ৰতিক সময়ত শিক্ষা ক্ষেত্ৰখনত দেখা দিয়া বহু সমস্যাৰে সমাধানৰ পথ মুকলি হ'ব।

মহাত্মা গান্ধী প্ৰকৃতাৰ্থত এজন সমাজ বিজ্ঞানী। এজন অভিজ্ঞ ডাক্তৰে ৰোগীৰ হৃদস্পন্দন বুজি পোৱাৰ দৰে তেখেতে সেই সময়ৰ ভাৰতীয় সমাজব্যৱস্থাৰ নাড়ী-নক্ষত্ৰ ভালকৈ বুজি উঠিছিল। সেইবাবে মহৌষধৰূপী এই বুনিয়াদী শিক্ষা ভাৰতীয়সকলৰ বাবে আগবঢ়াইছিল। তেওঁ শিক্ষাক স্বাৱলম্বী কৰি তুলিব বিচাৰিছিল। বিদ্যালয়ক উৎপাদনমুখী কৰি সমগ্ৰ শিক্ষা ব্যৱস্থাটোকে অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তুলিবলৈ বিচাৰিছিল। সাম্প্ৰতিক সময়ত দেখা পোৱা স্বাৱলম্বী পাঠ্যক্ৰম (Self-Supporting Courses), আত্মনিৰ্ভৰশীল পাঠ্যক্ৰম আদিৰ মূল শিপাডালত গান্ধীজীৰ সেই বুনিয়াদী শিক্ষাৰ দৰ্শন প্ৰতিফলিত হয়। এই কথাটোৱে প্ৰমাণিত কৰে যে গান্ধীজীৰ চিন্তা-চৰ্চাবোৰ যে সঁচাকৈয়ে সময়তকৈ আগবঢ়াধৰণৰ। সেয়েহে গান্ধীজীয়ে কৈছিল "My Nai Talim is not dependent on money. The running expenses of this education should come from the educational process itself. Whatever the Criticism may be, I know that the only education is that which is Self-Supporting" - M.K. Gandhi - Harijan, 1946. মহাত্মা গান্ধীয়ে প্ৰৱৰ্তন কৰা বুনিয়াদী শিক্ষাত সম্পূৰ্ণ দেশীয় মূল্যবোধ আৰু সাংস্কৃতিক সুঁতিৰ চানেকি পোৱা যায়। ইংৰাজী মাধ্যমৰ পশ্চিমীয়া সংস্কৃতিৰ আগ্ৰাসনত থৰক-বৰক হৈ পৰা সেই সময়ৰ শিক্ষাব্যৱস্থাৰ বিপৰীতে ই আছিল জাতীয় জাগৰণৰ সঁজুলি স্বৰূপ।

সাম্প্ৰতিক সময়ৰ বহু পৰীক্ষা-নিৰীক্ষা আৰু গৱেষণাই প্ৰমাণিত কৰিছে যে সাম্প্ৰতিক সময়ৰ ভাৰতীয় সমাজ আৰু অৰ্থনৈতিক পৰিকাঠামৰ পৰিপ্ৰেক্ষিতত বুনিয়াদী শিক্ষাৰ গত্যন্তৰ নাই। আৱশ্যকীয় সংশোধন আৰু পৰিৱৰ্তন সাধন কৰি বুনিয়াদী শিক্ষা পুনৰুজ্জীৱিতকৰণৰ সময় এয়া। কৰ্মকেন্দ্ৰীকতাৰ নীতিৰে পৰিচালিত, আত্মনিৰ্ভৰশীল, মাতৃভাষাৰ মাধ্যমেৰে পৰিচালিত, বিনামূলীয়া আৰু বাধ্যতামূলক বুনিয়াদী শিক্ষাই আমাক নিশ্চিতভাৱে পথৰ সন্ধান দিব।

বুনিয়াদী শিক্ষাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কাৰণেই ১৯৪৮-৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগে গ্ৰাম্য বিশ্ববিদ্যালয়ৰ কথা উল্লেখ কৰিছিল, ১৯৫২-৫৩ চনৰ মুডালিয়াৰ আয়োগ বহুমুখী বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ওপৰত জোঁৰ দিলে, কোঠাৰী আয়োগে (১৯৬৪-৬৬) কৰ্ম অভিজ্ঞতাৰ কথা উল্লেখ কৰিলে, ১৯৭৭ চনৰ ঈশ্বৰ ভাই পেটেল কমিটিয়ে "সামাজিকভাৱে উপযোগী উৎপাদনমূলক কাম"ৰ কথা কলে বা ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত শিক্ষাক বৃত্তিমুখীকৰণৰ বাবে যত্ন কৰিলে। এই কথাবোৰে প্ৰমাণিত কৰে যে বুনিয়াদী শিক্ষাৰ মূল ধাৰণা আৰু আদৰ্শই আজিও ভাৰতবৰ্ষক উদ্বুদ্ধ কৰি আছে। ভুল পৰিচালনা আৰু সৰ্বসাধাৰণ ৰাইজৰ অজ্ঞতাৰ কাৰণে এই শিক্ষাব্যৱস্থা অকৃতকাৰ্য হ'ল যদিও ইয়াৰ প্ৰাসংগিকতা ভাৰতীয়সকলে সদায়েই অনুভৱ কৰে। থলুৱা দৰ্শনৰ আধাৰত ৰচিত হাড়ে-হিমজুৱে ভাৰতীয়ত্বৰ ছাপ থকা এই বুনিয়াদী শিক্ষাৰ ওপৰত অধিক চৰ্চা আৰু গৱেষণা হোৱাটো সকলোৰে কাম্য।

**আত্মমূল্যায়ন প্ৰশ্ন - গ**

১। বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম নিৰ্ধাৰণৰ কাৰণে গঠন কৰা কমিটিখনৰ নাম লিখা।

..............................................................................

২। বুনিয়াদী শিক্ষাৰ দুটা সবলতা উল্লেখ কৰা।

..............................................................................

..............................................................................

৩। বুনিয়াদী শিক্ষাৰ বিফলতাৰ দুটা কাৰণ উল্লেখ কৰা।

..............................................................................

..............................................................................

### ৩.৪ ছাৰ্জেণ্টৰ প্ৰতিবেদন (Sargent's Report) ঃ

এতিয়া তোমালোকে ছাৰ্জেণ্টৰ প্ৰতিবেদন সম্পৰ্কে কিছু কথা জানিব পাৰিবা। এই প্ৰতিবেদন বা আঁচনিক যুদ্ধোত্তৰ শিক্ষা আঁচনি (Post-war Education Scheme) বুলিও কোৱা হয়। কিয় কোৱা হয় সেয়া যথাস্থানত কোৱা হ'ব। ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ বিষয়ে আলোচনা কৰা হওঁক -

#### ৩.৪.১ ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ পটভূমি ঃ

তোমালোকে জানা যে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল ১৯৩৯ চনত। যুদ্ধকালীন সময়তে ভাৰত চৰকাৰে যুদ্ধৰ পৰৱৰ্তীকালত ভাৰতীয় শিক্ষাৰ বিকাশৰ কাৰণে এক শিক্ষা আঁচনি তৈয়াৰ কৰিবলৈ মনস্থ কৰিছিল। সেইমতে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদ (Central Advisory Board of Education - CABE) ক এন শিক্ষা আঁচনি প্ৰস্তুত কৰিবলৈ দিয়া হয়। সেই সময়ৰ কেন্দ্ৰীয় শিক্ষা উপদেষ্টা হিচাপে আছিল ছাৰ জন ছাৰ্জেণ্ট। ছাৰ জন ছাৰ্জেণ্টে শিক্ষা বিষয়ক এখন প্ৰতিবেদন প্ৰস্তুত কৰি ১৯৪৪ চনত চৰকাৰৰ হাতত দাখিল কৰে। বিভিন্ন আলোচনা-বিলোচনা আৰু তথ্য-পাতি সংগ্ৰহ কৰি বিশদ আলোচনাৰ মাধ্যমেৰে প্ৰস্তুত কৰা এই শিক্ষা প্ৰতিবেদনখনক সেই সময়ৰ ভাৰত চৰকাৰৰ শিক্ষা উপদেষ্টা ছাৰ জন ছাৰ্জেণ্ট (Sir John Sargent)ৰ নাম অনুসৰি "ছাৰ্জেণ্টৰ প্ৰতিবেদন" বুলি কোৱা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তীকালৰ ভাৰতীয় শিক্ষাব্যৱস্থাৰ বাবে পৰামৰ্শ আৰু আঁচনি গ্ৰহণৰ কাৰণে দাখিল কৰা এই প্ৰতিবেদনক সেয়েহে কেতিয়াবা যুদ্ধোত্তৰ শিক্ষা আঁচনি (Post-war Education Scheme) বুলিও অভিহিত কৰা হয়।

#### ৩.৪.২ জাতীয় শিক্ষা আঁচনি হিচাপে ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ পৰামৰ্শাৱলী ঃ

ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ ঐতিহাসিক গুৰুত্ব আছে। প্ৰাক-স্বাধীনতাকালৰ ভাৰত চৰকাৰে গ্ৰহণ কৰা আঁচনিবোৰৰ ভিতৰত ছাৰ্জেণ্টৰ প্ৰতিবেদনখনেই আটাইতকৈ বিস্তৃত। ইয়াত শিক্ষাৰ প্ৰাক-প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় স্তৰ পৰ্যন্ত, শিক্ষাৰ সকলো দিশ আৰু স্তৰ অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল। অৰ্থাৎ শিক্ষাৰ সকলো দিশ আৰু স্তৰ ইয়াত অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল। ভাৰতৰ শিক্ষাব্যৱস্থাৰ পুনৰ গঠন সমৃদ্ধিকৰণৰ বাবে প্ৰস্তুত কৰি তোলা ই এক বিস্তাৰিত আঁচনি।

ছাৰ্জেণ্টৰ প্ৰতিবেদনত মুঠতে ১২ টা অধ্যায় আছিল। এই অধ্যায়বোৰত প্ৰাক-

প্ৰাথমিক শিক্ষা, প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, বিশ্ববিদ্যালয় শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা, শিক্ষক- প্ৰশিক্ষণ, বাধাগ্ৰস্ত শিশুৰ শিক্ষা আদি দিশ অন্তৰ্ভুক্ত কৰা হৈছিল। ভাৰতৰ শিক্ষা ব্যৱস্থা পিছ পৰি ৰোৱা দিশটোলৈ লক্ষ্য ৰাখি ছাৰ্জেণ্টৰ প্ৰতিবেদনত কোৱা হৈছিল যে মুঠ ৪০ বছৰৰ ভিতৰত ভাৰতৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন আৰু উন্নতি সাধন কৰি ইয়াক ইংলেণ্ডৰ শিক্ষা ব্যৱস্থাৰ সমকক্ষ কৰি তোলা হ'ব। অৰ্থাৎ ৪০ বছৰৰ ভিতৰত ভাৰতীয় শিক্ষাৰ অগ্ৰগতি তদানীন্তন ইংলেণ্ডৰ শিক্ষা ব্যৱস্থাৰ সম-পৰ্যায়ৰ কৰি তোলা হ'ব। যি কি নহওঁক, ছাৰ্জেণ্টৰ প্ৰতিবেদনত উল্লেখ থকা পৰামৰ্শাৱলী তলত আলোচনা কৰা হ'ল -

**প্ৰাক-প্ৰাথমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনত প্ৰাক-প্ৰাথমিক শিক্ষা সম্বন্ধীয় কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ প্ৰদান কৰা হৈছিল। সেই সময়ত ভাৰতবৰ্ষত প্ৰাক-প্ৰাথমিক শিক্ষা বিশেষ আগবাঢ়িব পৰা নাছিল। সেয়েহে প্ৰাক-প্ৰাথমিক শিক্ষাৰ বিকাশৰ বাবে উক্ত প্ৰতিবেদনত নিম্নোক্ত পৰামৰ্শবোৰ আগবঢ়োৱা হৈছিল -

(ক) ৩-৬ বছৰ বয়সৰ শিশুৰ বাবে প্ৰাক-প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(খ) প্ৰাক-প্ৰাথমিক শিক্ষাৰ কাৰণে নাৰ্চাৰী স্কুলৰ ব্যৱস্থা কৰিব লাগে।

(গ) সৰহ সংখ্যাৰ শিশু থাকিলে নগৰ অঞ্চলত এই নাৰ্চাৰী বিদ্যালয়বোৰ সুকীয়াভাৱে প্ৰতিষ্ঠা কৰিব লাগে আৰু গ্ৰামাঞ্চলত এই নাচাৰী স্কুলবোৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ লগত সংযুক্ত কৰি লব লাগে।

(ঘ) এই স্তৰৰ শিক্ষা বিনামূলীয়া কৰিব লাগে। এই শিক্ষা বাধ্যতামূলক হ'ব নালাগে যদিও শিশুসকলক প্ৰাক-প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিবলৈ পঠাবলৈ অভিভাৱকক অনুপ্ৰেৰণা যোগাব লাগে।

(ঙ) প্ৰাক-প্ৰাথমিক শিক্ষাৰ বিদ্যালয়বোৰত প্ৰশিক্ষণপ্ৰাপ্ত মহিলাক শিক্ষক হিচাপে নিয়োগ কৰিব লাগে।

(চ) প্ৰাক-প্ৰাথমিক শিক্ষাত শিশুসকলক সজ আচৰণ, সজ অভ্যাস, সামাজিক জ্ঞান আদি প্ৰদান কৰিব লাগে।

**প্ৰাথমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনত প্ৰাথমিক বা বুনিয়াদী শিক্ষা সম্পৰ্কে অন্তৰ্ভুক্ত হোৱা মূল পৰামৰ্শাৱলী হ'ল -

(ক)  ৬ বছৰৰ পৰা ১৪ বছৰ বয়সীয়া ল'ৰা-ছোৱালীৰ কাৰণে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

(খ)  বুনিয়াদী শিক্ষাক দুটা ভাগত বিভক্ত কৰিব লাগে। ৬-১০ বছৰ বয়সৰ বাবে নিম্ন বুনিয়াদী আৰু ১১-১৪ বছৰ বয়সৰ বাবে উচ্চ বুনিয়াদী শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(গ)  প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তুলিব লাগে।

(ঘ)  শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা ব্যৱহাৰ কৰিব লাগে। নিম্ন বুনিয়াদী স্তৰত ইংৰাজী ভাষা শিকাব নালাগে কিন্তু উচ্চ বুনিয়াদী স্তৰত ইংৰাজী ভাষা শিকাব লাগে।

(ঙ)  প্ৰাথমিক বা বুনিয়াদী শিক্ষাৰ স্তৰত শাৰীৰিক শিক্ষা আৰু খেলা-ধূলাৰ ব্যৱস্থা কৰিব লাগে।

(চ)  শিক্ষকৰ নিয়োগ, প্ৰশিক্ষণ আৰু সেৱা-বিধি উচ্চ মানদণ্ড সম্পন্ন হ'ব লাগে।

(ছ)  হস্তশিল্পৰ যোগেদি শিক্ষাৰ খৰছ জোৰা মৰাৰ নীতি পৰিহাৰ কৰিব লাগে।

(জ)  আৰ্থিকভাৱে দুৰ্বল আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ কাৰণে জলপানি, আৰ্থিক সাহাৰ্য, বানচ আদিৰ ব্যৱস্থা কৰিব লাগে।

(ঝ)  কোনো শিক্ষকৰ মাহিলি দৰমহা ২০ টকাৰ কম হ'ব নালাগে।

(ঞ)  বহিঃ পৰীক্ষাৰ সলনি প্ৰাথমিক শিক্ষাত আভ্যন্তৰীণ পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে ইত্যাদি।

**মাধ্যমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনত মাধ্যমিক শিক্ষা সম্বন্ধীয় কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। ছাৰ্জেণ্টৰ প্ৰতিবেদনত মাধ্যমিক শিক্ষাক স্বয়ংসম্পূৰ্ণ কৰি তুলিবলৈ বিচাৰিছিল। এই সংক্ৰান্তত ছাৰ্জেণ্টৰ প্ৰতিবেদনত কৈছিল - " High School Education on no account be considered simply as a preliminary to University education but as a stage complete in itself ..........".  মাধ্যমিক শিক্ষা সম্বন্ধীয় ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ মূল পৰামৰ্শবোৰ হ'ল -

(ক)  মাধ্যমিক শিক্ষা ৬ বছৰীয়া হ'ব। ১১ বছৰৰ পৰা ১৭ বছৰ বয়সৰ

ল'ৰা-ছোৱালীয়ে মাধ্যমিক শিক্ষা গ্ৰহণ কৰিব লাগে।

(খ) মাধ্যমিক শিক্ষা প্ৰদান কৰা হাইস্কুলবোৰ দুই প্ৰকাৰৰ হ'ব - শৈক্ষিক (Academic) আৰু কাৰিকৰী (Technical)।

(গ) মাধ্যমিক শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাক ব্যৱহাৰ কৰা হ'ব। ইংৰাজী ভাষা বাধ্যতামূলক দ্বিতীয় ভাষা হ'ব।

(ঘ) মাধ্যমিক শিক্ষাৰ শেষৰফালে দুই বা তিনিবছৰীয়া বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা কৰা হ'ব।

(ঙ) উচ্চ মাধ্যমিক শিক্ষাৰ স্তৰত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে শতকৰা ৫০ জনক বিনা মাচুলেৰে শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা প্ৰদান কৰা হ'ব।

(চ) উচ্চ পৰ্যায়ৰ শিক্ষাৰ বাবে অভিৰুচি আৰু যোগ্যতা থকা সকলকহে এই পৰ্যায়ৰ শিক্ষাগ্ৰহণ কৰিবলৈ দিয়া হ'ব।

(ছ) মাধ্যমিক পৰ্যায়ত ছোৱালীসকলৰ কাৰণে গাৰ্হস্থ্য বিজ্ঞানৰ শিক্ষাৰ ব্যৱস্থা কৰা হ'ব।

(জ) কাৰিকৰী আৰু শৈক্ষিক - এই দুয়োধৰণৰ শিক্ষাৰ বিষয়সূচীত উমৈহতীয়া বিষয়সমূহ যেনে - মাতৃভাষা, ইংৰাজী, আধুনিক ভাৰতীয় ভাষা, ভাৰত আৰু বিশ্ব ইতিহাস, ভাৰত আৰু বিশ্বৰ ভূগোল, বিজ্ঞান, গণিত, অৰ্থনীতি, কৃষি; সংগীত, কলা, শৰীৰ চৰ্চা আদি থাকিব। কাৰিকৰী মাধ্যমিক বিদ্যালয়ত এইবিলাকৰ উপৰিও বিজ্ঞান, কাঠৰ কাম, ধাতুৰ কাম, ৰেখাংকন, টাইপ ৰাইটিং, হিচাপ পৰীক্ষণ আদি বিষয়বোৰ থাকিব।

(ঝ) মাধ্যমিক শিক্ষাই ছাত্ৰ-ছাত্ৰীক আত্মনিৰ্ভৰশীল কৰি তুলিব।

**বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনত বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধে আগবঢ়োৱা পৰামৰ্শবোৰ এতিয়া চোৱা যাওঁক। সেই সময়ৰ বিশ্ববিদ্যালয়বোৰৰ বিভিন্ন দোষ-ত্ৰুটি আঙুলিয়াই দি প্ৰতিবেদনত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ উন্নতিকল্পে নিম্নোক্ত পৰামৰ্শবোৰ আগবঢ়াইছিল -

(ক) বিশ্ববিদ্যালয়ৰ শিক্ষাৰ পাঠ্যক্ৰম তিনিবছৰীয়া হ'ব।

(খ) ইণ্টাৰমিডিয়েট স্তৰটো নাইকিয়া কৰি তাৰ প্ৰথম বৰ্ষটো মাধ্যমিক স্তৰৰ লগত আৰু দ্বিতীয় বৰ্ষটো বিশ্ববিদ্যালয়ৰ সৈতে সংযুক্ত কৰিব লাগে।

(গ) বিশ্ববিদ্যালয়ৰ স্তৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশৰ বেলিকা কঠোৰ চৰ্ত আৰু নীতি গ্ৰহণ কৰিব লাগে। সকলো ছাত্ৰ-ছাত্ৰীকে হকে-বিহকে বিশ্ববিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিবলৈ নিদিয়াটোৱেই ভাল।

(ঘ) টিউটৰিয়েল শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগে।

(ঙ) গৱেষণা কৰ্মৰ উন্নতি সাধন কৰি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ গুণগত মান উন্নীত কৰিব লাগে।

(চ) শিক্ষকৰ দা-দৰমহা আৰু সেৱা-বিধি উন্নীত কৰিব লাগে।

(ছ) আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সা-সুবিধা প্ৰদান কৰিব লাগে।

(জ) বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission) গঠন কৰিব লাগে।

(ঝ) উপযুক্ত দক্ষ শিক্ষক নিযুক্ত কৰিব লাগে।

**প্ৰাপ্তবয়স্ক শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনত প্ৰাপ্তবয়স্ক শিক্ষা সম্বন্ধেও কিছুমান পৰামৰ্শ প্ৰদান কৰিছিল। সেই কাৰণে প্ৰাপ্তবয়স্ক শিক্ষাৰ জৰিয়তে মূলত নিৰক্ষৰতা দূৰীকৰণৰ ওপৰত এই প্ৰতিবেদনে গুৰুত্ব আৰোপ কৰিছিল। এই শিতানত ছাৰ্জেণ্টৰ প্ৰতিবেদনত উল্লেখ আছিল - The main emphasis in this country must, for some time to come, be on literacy, although from the very beginning some provision must be made for adult education proper, so that those made literate may have an inducement as well as an opportunity to pursue their studies".

ছাৰ্জেণ্টৰ প্ৰতিবেদনত উল্লেখ থকা প্ৰাপ্তঃবয়স্কৰ শিক্ষা সম্বন্ধীয় কিছুমান পৰামৰ্শ এনেধৰণৰ -

(ক) প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ বয়সৰ সীমা ১০ বছৰৰ পৰা ৪০ বছৰলৈ ধৰা হ'ব।

(খ) প্ৰাপ্তবয়স্কৰ শিক্ষাৰ একোটা শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ সংখ্যা ২৫তকৈ বেছি নহ'ব।

(গ) প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰণে শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

(ঘ) প্ৰাপ্তবয়স্কসকলৰ বাবে প্ৰদান কৰা শিক্ষা সাধাৰণ আৰু কাৰিকৰী এই

দুয়োধৰণৰ হ'ব।

(ঙ) প্ৰাপ্তবয়স্ক শিক্ষাৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰৰ হাতত থাকিব। প্ৰয়োজন সাপেক্ষে চৰকাৰে বেচৰকাৰী খণ্ডৰ পৰাও সহায়-সাহাৰ্য গ্ৰহণ কৰিব।

(চ) কৈশোৰ আৰু বয়স্কসকলৰ কাৰণে পৃথকভাৱে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব।

(ছ) প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচী আকৰ্ষণীয় কৰি তুলিবৰ কাৰণে শ্ৰাব্য-দৃশ্য সঁজুলি, যান্ত্ৰিক সঁজুলি, চিত্ৰ আদিৰ ব্যৱহাৰ কৰা হ'ব ইত্যাদি।

**শিক্ষক প্ৰশিক্ষণ সম্বন্ধীয় পৰামৰ্শ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনত শিক্ষক প্ৰশিক্ষণ সম্বন্ধীয় বহু গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। শিক্ষা আঁচনিৰ ফলপ্ৰসূ ৰূপায়ন আৰু শিক্ষাৰ গুণগত মান উন্নত কৰিবলৈ শিক্ষক প্ৰশিক্ষণৰ ওপৰত এই প্ৰতিবেদনে গুৰুত্ব আৰোপ কৰিছিল। শিক্ষক প্ৰশিক্ষণ সম্বন্ধীয় ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ পৰামৰ্শবোৰ এনেধৰণৰ -

(ক) বিশ্ববিদ্যালয়ত শিক্ষাতত্ব বিভাগ খুলিব লাগে। তাৰোপৰি নতুনকৈ শিক্ষক প্ৰশিক্ষণ কলেজ প্ৰতিষ্ঠা কৰিব লাগে।

(খ) প্ৰাক-স্নাতক পৰ্যায়ৰ তিনি প্ৰকাৰৰ শিক্ষক যেনে - প্ৰাক-প্ৰাথমিক, বুনিয়াদী আৰু হাইস্কুল পৰ্যায়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ কাৰণে তিনি প্ৰকাৰৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰিব লাগিব।

(গ) শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী বিনামূলীয়া কৰি তুলিব লাগিব।

(ঘ) শিক্ষকৰ দা-দৰমহাকে ধৰি অন্যান্য সা-সুবিধা বৃদ্ধি কৰিব লাগিব।

(ঙ) হাইস্কুলীয়া শিক্ষাৰ শেষৰফালে ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত কৰি শিক্ষকতাৰ বাবে আগবঢ়াই লৈ যাব লাগে।

**বাধাগ্ৰস্ত শিশুৰ শিক্ষা সম্বন্ধীয় পৰামৰ্শ ঃ** ভাৰতীয় শিক্ষাৰ ইতিহাসত পোনপ্ৰথমবাৰৰ কাৰণে এই ছাৰ্জেণ্টৰ প্ৰতিবেদনতে গুৰুত্ব সহকাৰে শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত শিশুৰ শিক্ষাৰ কথা কোৱা হৈছিল। ইয়াত প্ৰতিবেদনখনৰ উদাৰ দৃষ্টিভংগীৰ ছবি প্ৰতিফলিত হয়।

**ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ মূল্যায়ন ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ ফলস্বৰূপে ভাৰতীয় শিক্ষা ব্যৱস্থালৈ আমূল পৰিৱৰ্তন আহিব বুলি আশা কৰা হৈছিল। প্ৰাক-

স্বাধীনতাকালীন সময়ছোৱাত এই প্ৰতিবেদনে শিক্ষাবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰাত কিছু পৰিমাণে ব্যৰ্থ হ'লেও স্বাধীনতাৰ পিছৰ সময়ছোৱাত কিন্তু এই প্ৰতিবেদনৰ পৰামৰ্শাৱলীৰ প্ৰকৃত মূল্যায়ন হ'বলৈ ধৰিলে। শিক্ষাৰ সকলো স্তৰ সাঙুৰি ইয়াৰ আগৰ প্ৰতিবেদন আৰু আয়োগসমূহত যথাযোগ্য গুৰুত্ব লাভ নকৰা কিছুমান দিশ যেনে - প্ৰাক-প্ৰাথমিক শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আদিয়ে ইয়াত স্থান লাভ কৰাত এই প্ৰতিবেদনে সচেতন লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

**ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ সবলতাসমূহ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ সবলতাসমূহ তলত উল্লেখ কৰা হ'ল -

(ক) ভাৰতীয় শিক্ষাৰ ইতিহাসত ছাৰ্জেণ্টৰ প্ৰতিবেদনতে পোন প্ৰথমবাৰৰ কাৰণে শিক্ষাৰ সকলো দিশ আৰু স্তৰ সাঙুৰি এক বিস্তাৰিত জাতীয় শিক্ষা আঁচনি ডাঙি ধৰা হৈছিল। এই প্ৰতিবেদনত প্ৰাক-প্ৰাথমিক শিক্ষাৰ পৰা বিশ্ববিদ্যালয়ৰ শিক্ষা পৰ্যন্ত, প্ৰাপ্তবয়স্ক শিক্ষা, শিক্ষক প্ৰশিক্ষণ আদি দিশ সাঙুৰি এক বিস্তৃত শিক্ষা ব্যৱস্থাৰ কথা কোৱা হৈছিল।

(খ) ছাৰ্জেণ্টৰ প্ৰতিবেদনত গান্ধীজী প্ৰৱৰ্তিত বুনিয়াদী শিক্ষাক যথোপযুক্ত মৰ্যদা প্ৰদান কৰি ইয়াক মান্যতা প্ৰদান কৰিছিল। ফলত এই প্ৰতিবেদনৰ জৰিয়তে বুনিয়াদী শিক্ষাই ইংৰাজসকলৰো অনুমোদন লাভ কৰাৰ নিচিনা হ'ল।

(গ) ছাৰ্জেণ্টৰ প্ৰতিবেদনত শিক্ষকসকলৰ ওপৰত পৰ্যাপ্ত গুৰুত্ব প্ৰদান কৰিছিল। শিক্ষকৰ দা-দৰমহা, সেৱা-বিধি আদিৰ ক্ষেত্ৰত প্ৰতিবেদনখনত যথাৰ্থ গুৰুত্ব প্ৰদান কৰা হৈছিল।

(ঘ) এই প্ৰতিবেদনখনত শাৰীৰিকভাৱে অক্ষম, প্ৰাপ্তবয়স্ক আদি বিশেষ শ্ৰেণীৰ শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল।

(ঙ) ছাৰ্জেণ্টৰ প্ৰতিবেদনত এক জাতীয় শিক্ষা আঁচনিৰ পোষকতা কৰিছিল। ই প্ৰতিবেদনখনৰ এটা যোগাত্মক দিশ।

(চ) প্ৰতিবেদনখনত এক ভৱিষ্যতমুখী চিন্তা-চৰ্চাৰ উমান পোৱা যায়। সেয়েহে ভাৰতবৰ্ষই গ্ৰহণ কৰা স্বাধীনোত্তৰ কালৰ বিভিন্ন শিক্ষা আঁচনি, আয়োগ আদিত ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ লক্ষ্য কৰা যায়।

**ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ দুৰ্বলতাসমূহ ঃ** ছাৰ্জেণ্টৰ প্ৰতিবেদনক বহু সমালোচকে

অপ্ৰয়োজনীয় আৰু মৌলিকত্বহীন বুলি কব খোজে। সেয়েহে বহুতে এই প্ৰতিবেদনক মান্যতা প্ৰদান কৰিব নোখোজে। ইয়াক এক জোৰা টাপলি মৰা প্ৰতিবেদন বুলি অভিহিত কৰা দেখা যায়। ৪০ বছৰৰ ভিতৰত ১৯৮৪ চনৰ ভিতৰত ভাৰতীয় শিক্ষাব্যৱস্থাক তদানীন্তন ইংলেণ্ডৰ শিক্ষাৰ সমপৰ্যায়ৰ কৰি তুলিবলৈ যত্ন কৰা হৈছিল এই প্ৰতিবেদনৰ জৰিয়তে। এই ক্ষেত্ৰত প্ৰতিবেদনখনত কোৱা হৈছিল যে "India would reach the educational standard of the England of 1939 in a period of not less than 40 years ..." অৰ্থাৎ ১৯৩৯ চনৰ ইংলেণ্ডৰ শিক্ষাব্যৱস্থাৰ নিচিনা এক ব্যৱস্থা ৪০ বছৰৰ পিছত অৰ্থাৎ ১৯৮৪ চনত ভাৰতত গঢ়ি তুলিবলৈ চেষ্টা কৰাৰ কথা ইয়াত কৈছিল। ইয়াৰ অৰ্থ ভাৰতীয় শিক্ষাব্যৱস্থা ইংলেণ্ডতকৈ ৫০ বছৰ পিছ পৰি ৰব। এনেধৰণৰ বিভিন্ন দুৰ্বল আৰু আসোঁৱাহপূৰ্ণ কথাৰ বাবে এই প্ৰতিবেদনক সমালোচনা কৰা দেখা যায়। যি কি নহওঁক ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ মূল দুৰ্বলতাসমূহ তলত উল্লেখ কৰা হ'ল -

(ক) ভাৰতীয় শিক্ষাৰ বিকাশৰ কাৰণে ছাৰ্জেণ্টৰ প্ৰতিবেদনত ৪০ বছৰীয়া এক দীৰ্ঘম্যাদী আঁচনিৰ কথা কোৱা হৈছিল। এনে দীৰ্ঘম্যাদী আঁচনিতকৈ দেশে সেই সময়ত খৰতকীয়া আৰু হ্ৰস্বকালীন আঁচনিহে বিচাৰিছিল।

(খ) বহু সমালোচকে কব খোজে যে ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ জৰিয়তে ভাৰতীয় শিক্ষাব্যৱস্থাক ইংলেণ্ডতকৈ পিছুৱাই ৰাখিবৰ বাবেহে ব্যৱস্থা কৰা হৈছিল।

(গ) ছাৰ্জেণ্টৰ প্ৰতিবেদনত শিক্ষা ব্যৱস্থাৰ কেইটামান গুৰুত্বপূৰ্ণ দিশ যেনে - স্ত্ৰী শিক্ষা, সামাজিকভাৱে পিছপৰা শ্ৰেণীৰ শিক্ষা আদি দিশ বাদ পৰি গৈছিল।

(ঘ) বহু পণ্ডিতে কব খোজে যে ছাৰ্জেণ্টৰ প্ৰতিবেদনখন ইংলেণ্ডৰ শিক্ষা বিকাশ আঁচনিৰ প্ৰতিলিপি স্বৰূপহে মাত্ৰ। ই মাত্ৰ জোৰা-টাপলি মাৰি প্ৰস্তুত কৰা এখন কল্পনা প্ৰধান আঁচনি।

(ঙ) ছাৰ্জেণ্টৰ প্ৰতিবেদনত প্ৰদান কৰা জাতীয় শিক্ষা আঁচনিখন যথেষ্ট ব্যয়বহুল।

**আত্মমূল্যায়ন প্ৰশ্ন - ঘ**

১। ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ প্ৰাক-প্ৰাথমিক শিক্ষা সম্বন্ধীয় দুটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................

..........................................................................

২। ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ প্ৰাথমিক শিক্ষা সম্বন্ধীয় দুটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................

..........................................................................

৩। ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ মাধ্যমিক শিক্ষা সম্বন্ধীয় তিনিটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................

..........................................................................

..........................................................................

৪। ছাৰ্জেণ্টৰ প্ৰতিবেদনত উল্লেখ থকা বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধীয় দুটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................

..........................................................................

## ৩.৫ সামৰণি ঃ

এই পৰ্যন্ত তোমালোকে তৃতীয় খণ্ডৰ এই তৃতীয় গোটটিত ভাৰতৰ জাতীয় আন্দোলন পূৰ্ণগতিত চলি থকা সময়খিনিৰ ভাৰতীয় শিক্ষা ইতিহাসৰ তিনিটা তাৎপৰ্যপূৰ্ণ স্তম্ভস্বৰূপ ঘটনা উড-এব'ট প্ৰতিবেদন (১৯৩৭), বুনিয়াদী শিক্ষা (১৯৩৭) আৰু ছাৰ্জেণ্টৰ প্ৰতিবেদন (১৯৪৪)ৰ বিষয়ে যথেষ্ট জানিলা। এতিয়া এইবোৰৰ মূল অংশখিনি এবাৰ পুনঃস্মৰণ কৰি লওঁ আহা -

ইংলেণ্ডৰ শিক্ষাবোৰ্ডৰ কাৰিকৰী বিদ্যালয়সমূহৰ প্ৰাক্তন মুখ্য পৰিদৰ্শক মিষ্টাৰ এ,এব'ট (A. Abbott) আৰু ডাইৰেক্টৰ অৱ ইণ্টেলিজেন্স মিষ্টাৰ এচ, এইচ, উড (S.H. Wood) ক লৈ উড-এব'ট কমিটিখন গঠন কৰিছিল কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদ (Central Advisory Board of Education) এ ১৯৩৬ চনত। দুটা ভাগত বিভক্ত কৰি এখন বিস্তৃত প্ৰতিবেদন দাখিল কৰে কমিটিয়ে ১৯৩৭ চনত। প্ৰতিবেদনখনৰ প্ৰথমটো ভাগত সাধাৰণ শিক্ষা আৰু দ্বিতীয়টো ভাগত বৃত্তিমূলক শিক্ষা সম্বন্ধীয় পৰামৰ্শ অন্তৰ্ভুক্ত কৰা হৈছিল। ভাৰতৰ শিক্ষা ইতিহাসত বিশেষকৈ বৃত্তিমূলক শিক্ষাৰ

ইতিহাসত উড-এব'ট প্ৰতিবেদনৰ পৰামৰ্শবোৰ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হয়।

বুনিয়াদী শিক্ষা (১৯৩৭)ৰ জন্মদাতা হ'ল মহাত্মা গান্ধী। দক্ষিণ আফ্ৰিকাৰ "টলষ্টয় ফাৰ্ম", সেৱাগ্ৰাম আশ্ৰম, ৱাৰ্ধা সন্মিলন, ডঃ জাকিৰ হুছেইন কমিটি আদি এক দীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰি এক দেশীয় আৰু থলুৱা শিক্ষা আঁচনি হিচাপে বুনিয়াদী শিক্ষাৰ উত্থান ঘটিছিল। শিক্ষাৰ জৰিয়তে শিশুৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক - এই তিনিওটা দিশৰ বিকাশৰ বুনিয়াদ বা ভেঁটি নিৰ্মাণ কৰিব খোজা বুনিয়াদী শিক্ষাৰ মূল বৈশিষ্ট্যবোৰ হ'ল - শিল্পকেন্দ্ৰীকতা, মাতৃভাষাৰ মাধ্যমত শিক্ষা, স্বাৱলম্বী শিক্ষা, শিশুকেন্দ্ৰীক শিক্ষা, শ্ৰমৰ মৰ্যদাৰ শিক্ষা, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা, নাগৰিকত্ববোধৰ শিক্ষা, অহিংসা আৰু নৈতিকতা আধাৰিত শিক্ষা, সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ শিক্ষা ইত্যাদি। বুনিয়াদী শিক্ষাৰ বহু সবলতা আছিল যদিও বিভিন্ন দুৰ্বলতা বা আসোঁৱাহ যেনে - বুনিয়াদী শিক্ষাৰ ধাৰণাৰ অস্পষ্টতা, অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱ, শিল্পকেন্দ্ৰীক শিক্ষাৰ নীতিৰ বিৰোধীতা, কেৱল প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত গুৰুত্ব আৰোপ, গ্ৰাম্য-প্ৰধান শিক্ষা ব্যৱস্থা, দোষযুক্ত সময়সূচী, মূলধন আৰু কেঁচামালৰ অভাৱ, জাতীয় স্তৰৰ আঁচনিৰ অভাৱ আদি কাৰণত বুনিয়াদী শিক্ষা ভাৰতবৰ্ষত সফল নহ'ল।

ভাৰত চৰকাৰৰ শিক্ষা উপদেষ্টা চাৰ জন ছাৰ্জেণ্টে ১৯৪৪ চনত যিখন শিক্ষা আঁচনি বা প্ৰতিবেদন চৰকাৰক দাখিল কৰিছিল তাকেই ছাৰ্জেণ্টৰ প্ৰতিবেদন বুলি কোৱা হয়। ইয়াক "যুদ্ধোত্তৰ শিক্ষা আঁচনি" বুলিও কোৱা হয়। ছাৰ্জেণ্টৰ প্ৰতিবেদনত অন্তৰ্ভুক্ত হৈ থকা নিম্নোক্ত পৰামৰ্শবোৰ শিক্ষাৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হয়।

প্ৰাক-প্ৰাথমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ

প্ৰাথমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ

মাধ্যমিক শিক্ষা সম্বন্ধীয় পৰামৰ্শ

বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধীয় পৰামৰ্শ

প্ৰাপ্তঃবয়স্ক শিক্ষা সম্বন্ধীয় পৰামৰ্শ

শিক্ষক প্ৰশিক্ষণ সম্বন্ধীয় পৰামৰ্শ

বাধাগ্ৰস্ত শিশুৰ শিক্ষা সম্বন্ধীয় পৰামৰ্শ

**ঘাই শব্দসমূহ ঃ**

১। বৃত্তিমূলক শিক্ষা (Vocational Education) ঃ যি শৈক্ষিক কাৰ্যসূচীৰ জৰিয়তে শিক্ষাৰ্থীৰ বৃত্তিমূলক দক্ষতাসমূহৰ বিকাশ সাধন কৰিবলৈ যত্ন কৰা হয় তাকেই বৃত্তিমূলক শিক্ষা বোলা হয়।

২। বুনিয়াদী শিক্ষা (Basic Education) ঃ মহাত্মা গান্ধী প্ৰৱৰ্তিত এক শিক্ষা আঁচনি য'ত এটা শিল্পক কেন্দ্ৰ কৰি শিক্ষা প্ৰদান কৰা হয় আৰু তাৰ জৰিয়তে শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ সামগ্ৰিক বিকাশ সাধন কৰিবলৈ যত্ন কৰা হয়।

৩। যুদ্ধোত্তৰ শিক্ষা আঁচনি (Post-war Education Scheme) ঃ ১৯৪৪ চনত ভাৰত চৰকাৰৰ হাতত দাখিল কৰা ছাৰ্জেণ্টৰ প্ৰতিবেদনক যুদ্ধোত্তৰ শিক্ষা আঁচনি বুলিও কোৱা হয়। কাৰণ এইখন শিক্ষা আঁচনিত দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তীকালৰ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ৰেহ-ৰূপ নিৰ্ধাৰণ কৰিবলৈ যাৱতীয় দিহা-পৰামৰ্শ অন্তৰ্ভুক্ত কৰা হৈছিল।

**পাঠ্য নিৰ্দেশনা ঃ**

১। বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা-ইতিহাসৰ অধ্যয়ন, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১

২। শৰ্মা, ড° মুকুল কুমাৰ ঃ ভাৰতীয় শিক্ষাৰ বিকাশাত্মক ইতিহাস, বনলতা, ডিব্ৰুগড়-১

৩। শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত ঃ ভাৰতৰ শিক্ষা বুৰঞ্জী, বনলতা, ডিব্ৰুগড়-১

**আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ ঃ (ক)**

১। কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদ (Central Advisory Board of Education) এ ১৯৩৬ চনত নিযুক্তি দিছিল।

২। (ক) প্ৰাথমিক শিক্ষাৰ কাৰণে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিযুক্ত কৰিব লাগে।

(খ) প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমৰ পৰিৱৰ্তন সাধন কৰি পুথিগত বিদ্যাৰ সলনি শিক্ষাৰ্থীৰ স্বাভাৱিক আগ্ৰহ আৰু কাৰ্যকলাপ প্ৰতিফলিত কৰিব পৰা বিধৰ কৰি তুলিব লাগে।

(গ) গ্ৰামাঞ্চলৰ মজলীয়া বিদ্যালয়বোৰত মাতৃভাষাক শিক্ষাদানৰ মাধ্যম

হিচাপে ব্যৱহাৰ কৰিব লাগে। এই স্তৰত ইংৰাজী ভাষা শিকাব নালাগে। ইত্যাদি

৩। (ক) মজলীয়া বিদ্যালয় সাং কৰাৰ পিছত জুনিয়ৰ বৃত্তিমূলক বিদ্যালয়ত আৰু উচ্চ মাধ্যমিক শিক্ষা সাং কৰাৰ পিছত চিনিয়ৰ বৃত্তিমূলক বিদ্যালয়ত নাম ভৰ্ত্তি কৰিব লাগে।

(খ) চাকৰি কৰা বা কৰ্মত নিযুক্ত শিক্ষাৰ্থীৰ কাৰণে অংশকালীন বিদ্যালয়ৰ ব্যৱস্থা কৰিব লাগে।

(গ) দিল্লীত এখন বৃত্তিমূলক প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব লাগিব।

**আত্মমূল্যয়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ ঃ (খ)**

১। ১৯৩৭ চনত ।

২। বুনিয়াদী শিক্ষাৰ আন দুটা নাম -

(ক) ৱাৰ্ধা আঁচনি (খ) নঈ তালিম বা নতুন শিক্ষা

৩। "শিশু আৰু মানুহৰ দেহ, মন আত্মাৰ সামগ্ৰিক গুণৰাশি সৰ্বোৎকৃষ্টভাৱে উদ্‌ঘাটিত কৰি তোলাকেই মই শিক্ষা বুলি বুজো"।

**আত্মমূল্যয়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ ঃ (গ)**

১। ড° জাকিৰ হুছেইন কমিটি।

২। (ক) বুনিয়াদী শিক্ষা শিশুকেন্দ্ৰীক।

(খ) এই শিক্ষাই স্বাৱলম্বী হ'বলৈ উদগনি যোগায়।

৩। (ক) বুনিয়াদী শিক্ষাৰ ধাৰণাৰ অস্পষ্টতা

(খ) অৰ্হতা সম্পন্ন শিক্ষকৰ অভাৱ।

**আত্মমূল্যয়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ ঃ (ঘ)**

১। (ক) ৩-৬ বছৰ বয়সৰ ভিতৰৰ শিশুৰ বাবে প্ৰাক-প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(খ) প্ৰাক-প্ৰাথমিক শিক্ষাৰ বিদ্যালয়বোৰত প্ৰশিক্ষণপ্ৰাপ্ত মহিলাক শিক্ষক হিচাপে নিয়োগ কৰিব লাগে।

২। (ক) ৬-১৪ বছৰ বয়সীয়া ল'ৰা-ছোৱালীৰ কাৰণে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

(খ) বুনিয়াদী শিক্ষা দুটা ভাগত বিভক্ত কৰিব লাগে - নিম্ন বুনিয়াদী আৰু

উচ্চ বুনিয়াদী।

৩। (ক) মাধ্যমিক শিক্ষা ৬ বছৰীয়া হ'ব।

(খ) মাধ্যমিক শিক্ষা প্ৰদান কৰা হাইস্কুলবোৰ দুই প্ৰকাৰৰ হ'ব - শৈক্ষিক আৰু কাৰিকৰী।

(গ) মাধ্যমিক শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাক ব্যৱহাৰ কৰা হ'ব।

৪। (ক) বিশ্ববিদ্যালয়ৰ শিক্ষাৰ পাঠ্যক্ৰম তিনিবছৰীয়া হ'ব।

(খ) টিউটৰিয়েল শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগে।

৫। সবলতা - এই প্ৰতিবেদনত শিক্ষাৰ সকলো দিশ আৰু স্তৰ সাঙুৰি বিস্তাৰিত জাতীয় শিক্ষা আঁচনি দাঙি ধৰা হৈছিল।

দুৰ্বলতা - ছাৰ্জেণ্টৰ প্ৰতিবেদনখন এখন দীৰ্ঘম্যাদী শিক্ষা আঁচনি।

## আৰ্হি প্ৰশ্নাৱলী ঃ

অতি চমু প্ৰশ্ন -

১। উড-এব'ট কমিটি কিমান চনত নিযুক্ত কৰা হৈছিল?

২। ৱাৰ্ধা শিক্ষা সন্মিলন কিমান চনত অনুষ্ঠিত হৈছিল?

৩। ছাৰ্জেণ্টৰ প্ৰতিবেদন (১৯৪৪) ক অন্য কি নামেৰে জনা যায়?

৪। ছাৰ্জেণ্টৰ প্ৰতিবেদনত মুঠ কিমানটা অধ্যায় আছে?

চমু প্ৰশ্ন -

১। উড-এব'ট কমিটি কিয় নিযুক্ত কৰা হৈছিল?

২। ড° জাকিৰ হুছেইন কমিটিৰ নিযুক্তিৰ কাৰণ কি আছিল?

৩। প্ৰাথমিক শিক্ষাত শিক্ষাৰ মাধ্যম কিয় মাতৃভাষা হ'ব লাগে?

৪। ছাৰ্জেণ্ট কমিটি কিয় গঠন কৰা হৈছিল?

৫। ছাৰ্জেণ্টৰ প্ৰতিবেদনত প্ৰাপ্তবয়স্ক শিক্ষা সম্পৰ্কে উল্লেখিত কথাখিনি চমুকৈ লিখা।

দীঘল প্ৰশ্ন -

১। উড-এব'ট প্ৰতিবেদনৰ পৰামৰ্শাৱলী সাম্প্ৰতিক সময়ত গ্ৰহণযোগ্যনে? তোমাৰ মতামত ব্যাখ্যা কৰা।

২। ৱাৰ্ধা শিক্ষা সন্মিলনৰ মূল প্ৰস্তাৱকেইটা আলোচনা কৰা।

৩। বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

৪। বুনিয়াদী শিক্ষাৰ বিফলতাৰ মূল কাৰণবোৰ ব্যাখ্যা কৰা।

৫। আধুনিক ভাৰতীয় শিক্ষাত বুনিয়াদী শিক্ষাৰ প্ৰাসঙ্গিকতা আছেনে? তোমাৰ মতামত যুক্তি সহকাৰে আগবঢ়োৱা।

৬। ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ মূল পৰামৰ্শাৱলী আলোচনা কৰা।

৭। ছাৰ্জেণ্টৰ প্ৰতিবেদনৰ সবলতা আৰু দুৰ্বলতাসমূহ ব্যাখ্যা কৰা।

**প্ৰসঙ্গ পুথি ঃ**

1. Altekar A.S. : Education in Ancient India, Mohohar Prakashan, Varnashi,8th Edition, 1992.

2. Ghose. S : History of Education in India, Rawat Publication, Jaipur.

3. Naik & Murullah : A student History of Education in India 1800-1973, Macmillan, 6th Revised Edition.

4. Pandey R : Development of Education System in India, Shri Vinod Pustak Mandir, Agra-2, 2010.

5. Rai, B.C.: History of India Education, Prakashan Kendra, Lucknow.

বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা-ইতিহাসৰ অধ্যয়ন, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১

শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত ঃ ভাৰতৰ শিক্ষা বুৰঞ্জী, বনলতা, ডিব্ৰুগড়-১

শৰ্মা, মুকুল কুমাৰ ঃ ভাৰতীয় শিক্ষাৰ বিকাশাত্মক ইতিহাস, বনলতা, ডিব্ৰুগড় -১

আত্ম শিকন সামগ্ৰী

**Bachelor of Arts (General)**

# শিক্ষাতত্ত্ব

# EDUCATION

**পাঠ্যক্ৰম – EDUG : 501**

**Development History of Education in India**

**5th Semester**

## ভাৰতীয় শিক্ষাৰ বিকাশাত্মক ইতিহাস

## খণ্ড - ৪

দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

# EDUCATION
## COURSE : EDUG - 501

### BLOCK - 4
### EMERGING ISSUES IN THE NEW MILLEMINUM

**Contributors :**

**Dr. Shrutidhara Mahanta**
Asstt. Professor in Education, CODE, Dibrugarh University

**Editor** : **Dr. Shrutidhara Mahanta**
Asstt. Professor in Education, CODE, Dibrugarh University

**ISBN : 978-81-924664-8-4**

© Copy right by Centre for Distance and Online Education, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Centre for Distance and Online Education, Dibrugarh University by the Director, CODE, D.U. and printed at Bhattacharyya Offset, Dibrugarh -1.

# শিক্ষাতত্ত্ব

## পাঠ্যক্ৰম - EDUG : 501

### খণ্ড - ৪

## নতুন সহস্ৰাব্দত আলোচ্য বিষয়সমূহ

## সূচীপত্ৰ


পৃষ্ঠা

**খণ্ড - ৪ ঃ ব্যক্তিত্ব, ব্যতিক্ৰমী শিশুৰ শিক্ষা**

গোট - ১ ঃ ভাৰতীয় শিক্ষাৰ সাংবিধানিক ব্যৱস্থা — ১-২০

গোট - ২ ঃ ৰাধাকৃষ্ণণ আয়োগ ১৯৪৯ — ২১- ৬০

গোট - ৩ ঃ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২ — ৬১-১ ০৮

গোট - ৪ ঃ কোঠাৰী আয়োগ (ভাৰতীয় শিক্ষা আয়োগ) ১৯৬৪ - ৬৬ — ১০৯ -১৯২

গোট - ৫ ঃ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি — ১৯৩ - ২৪৩

গোট - ৬ ঃ জাতীয় শিক্ষা নীতি (কৰ্ম আঁচনি ঃ ১৯৯২) — ২৪৫ - ২৫৭

# খণ্ড- ৪

## গোট - ১

## ভাৰতীয় শিক্ষাৰ সাংবিধানিক ব্যৱস্থা

**গোট গঠন বিন্যাস (Unit Structure)**

**১.০. উদ্দেশ্য**

**১.১. প্ৰস্তাৱনা**

**১.২. ভাৰতৰ সংবিধানৰ চমু পৰিচয়**

**১.৩. শিক্ষাৰ সাংবিধানিক দায়িত্ব**

**১.৪. সংবিধানৰ অনুচ্ছেদ আৰু শৈক্ষিক সুবিধা**

আত্মমূল্যায়ন (ক)

**১.৫. সাংবিধানিক ব্যৱস্থাসমূহৰ সমালোচনা**

১.৫.০ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা

১.৫.১ শিক্ষাত সংখ্যালঘুসকলৰ অধিকাৰ সম্বন্ধে

১.৫.২ দুৰ্বল শ্ৰেণীলোকৰ শিক্ষা সম্বন্ধে

১.৫.৩ ভাৰতীয় সংবিধান আৰু ভাষা

১.৫.৪ উচ্চ শিক্ষা আৰু গৱেষণা

১.৫.৫ শিক্ষাত ধৰ্ম নিৰপেক্ষ নীতি আৰু ভাৰতীয় সংবিধান

১.৫.৬. মহিলা শিক্ষা সম্বন্ধে ভাৰতীয় সংবিধান

আত্মমূল্যায়ন (খ)

**১.৭. সামৰণি**

ঘাই শব্দসমূহ

সম্ভাব্য উত্তৰ

পাঠ্য নিৰ্দেশনা

প্ৰসঙ্গ পুথি

আৰ্হি প্ৰশ্ন

## ১.০ উদ্দেশ্য ঃ

এই গোটটো পঢ়াৰ পাছত তোমালোকে

(ক) ভাৰতীয় সংবিধানৰ চমু পৰিচয় জানিব পাৰিবা।

(খ) ভাৰতীয় সংবিধানত উল্লেখিত শিক্ষাৰ সাংবিধানিক ব্যৱস্থাসমূহ আয়ত্ব কৰিব পাৰিবা।

(গ) শিক্ষাৰ সাংবিধানিক ব্যৱস্থাসমূহৰ সমালোচনা কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

ছাত্ৰ-ছাত্ৰীসকল, আমাৰ ভাৰতবৰ্ষই ২৬ জানুৱাৰী দিনটো গণতন্ত্ৰ দিৱস হিচাপে কিয় পালন কৰে নিশ্চয় জানা। সেইদিনাৰ পৰাই আমাৰ ভাৰতবৰ্ষৰ সংবিধানখন আনুষ্ঠানিকভাৱে বলবৎ কৰা হৈছিল। সংবিধানখনতেই ভাৰতীয় জনসাধাৰণৰ আশা আকাংক্ষাৰ প্ৰতিফলন ঘটিছে। ভাৰতৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰয়োজনীয় শিক্ষাৰ সুবিধাও সংবিধানত স্পষ্টভাৱে উল্লেখ কৰিছে। অন্যান্য দিশৰ লগতে সংবিধানখনো শিক্ষাৰ দলিল স্বৰূপ। ইয়াৰ বিভিন্ন অনুচ্ছেদত শিক্ষা সম্পৰ্কীয় বিশ্লেষণ আগবঢ়াইছে। এই গোটত সংবিধানত উল্লেখিত শৈক্ষিক সুবিধাসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

## ১.২. ভাৰতীয় সংবিধানৰ চমু পৰিচয় ঃ

ভাৰতবৰ্ষই প্ৰায় ২০০ বছৰীয়া বৃটিছৰ পৰাধীনতাৰ পৰা সুদীৰ্ঘ সংগ্ৰামৰ পিছত ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰিছিল। স্বাধীন ভাৰতৰ প্ৰশাসন ব্যৱস্থা পৰিচালনৰ বাবে এখন সংবিধানৰ বিশেষ প্ৰয়োজন হৈছিল। ইয়াৰ বাবে প্ৰয়োজন হৈছিল এখন সংবিধান সভা (Constituent Assembly)। এই সংবিধান সভাৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছিল ড° ৰাজেন্দ্ৰ প্ৰসাদক। মুখ্য উপদেষ্টা আছিল ড° ভীমৰাম আম্বেদকাৰ। ১৯৪৯ চনৰ ২৬ নবেম্বৰত সংবিধানৰ খচৰা প্ৰস্তুত কৰা হৈছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ইয়াক সমগ্ৰ দেশৰ বাবে বলবৎ কৰা হৈছিল। সংবিধানৰ প্ৰস্তাৱনাত কোৱা হৈছে - আমি ভাৰতৰ জনসাধাৰণে ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্ম নিৰপেক্ষ, গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ স্বৰূপে গঠন কৰিবলৈ আনুষ্ঠানিকভাৱে সংকল্পবদ্ধ হৈ আৰু ইয়াৰ নাগৰিকে যাতে, সকলো সামাজিক

অৰ্থনৈতিক ক্ষেত্ৰত ন্যায় বিচাৰ পায়, চিন্তা, ভাৱ প্ৰকাশ, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ ক্ষেত্ৰত স্বাধীনতা পায়, সামাজিক মৰ্যাদা আৰু সুযোগ সুবিধাৰ ক্ষেত্ৰত সমতা লাভ কৰে আৰু ব্যক্তি স্বাধীনতা তথা ব্যক্তিৰ মৰ্যাদা আৰু জাতীয় ঐক্য নিশ্চিতভাৱে ৰক্ষা কৰিব পৰাকৈ ভ্ৰাতৃত্ব ভাৱৰ বৃদ্ধি হয়, তাক সু-নিশ্চিতভাৱে পালন কৰিবৰ বাবে ১৯৪৯ চনৰ ২৬ নৱেম্বৰৰ সংবিধান সভাত আমাৰ এই সংবিধান গ্ৰহণ কৰি একে অধিনিয়মবদ্ধ হৈ নিজকে অৰ্পণ কৰিছে।

সাংবিধানিক দায়িত্ব আৰু কৰ্তব্যবিলাক সুচাৰুৰূপে পৰিচালিত কৰিবৰ বাবে দায়িত্ববিলাক তিনিটা ভাগত ভাগ কৰি লোৱা হৈছে -

১) কেন্দ্ৰীয় সূচী - কেন্দ্ৰৰ দায়িত্ব
২) ৰাজ্যিক সূচী - ৰাজ্যৰ দায়িত্ব
৩) সমবৰ্তী সূচী - কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰে দায়িত্ব

### ১.৩. শিক্ষাৰ সাংবিধানিক দায়িত্ব ব্যৱস্থা ঃ

ভাৰতীয় নাগৰিকৰ আশা-আকাংক্ষা প্ৰতিফলন ঘটাবলৈ বিচৰা সংবিধানখন ১৯৫১ চনৰ পৰাই প্ৰয়োজন সাপেক্ষে সংশোধন কৰি অহা হৈছে। ১৯৭৬ চনৰ ৪২ তম সংবিধান সংশোধনীত শিক্ষা বিষয়টো সংবিধানৰ সমৱৰ্তী সূচীলৈ স্থানান্তৰিত কৰা হয়। এই সংশোধনীৰ আগলৈকে শিক্ষা বিষয়ক দায়িত্বসমূহৰ কেইটামান সপ্তম অনুসূচীৰ কেন্দ্ৰীয় তালিকাভুক্ত আৰু কেইটামান দায়িত্ব ৰাজ্যিক সূচীৰ অৰ্ন্তভুক্ত আছিল। সংশোধনীৰ ফলস্বৰূপে আগৰ ৰাজ্য চৰকাৰসমূহৰ দায়িত্বত থকা বিষয়কেইটা তেতিয়াৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ আৰু ৰাজ্যিক চৰকাৰে যুগ্মভাৱে পালন কৰিব লগা হৈছে।

### ১.৪ শিক্ষা এক মৌলিক অধিকাৰ (Education as Fundamental Rights)

সংবিধানৰ ২১ (ক) [21. (A) Right to Education] অনুচ্ছেদত শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। এই অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই আইন প্ৰণয়ন যোগেদি ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান

কৰিব। (The state shall provide free and compulsory education to all children of the age of six to fourteen years in such a manner as the state may, by low , determine)

**১.৫. সংবিধানৰ অনুচ্ছেদ আৰু শৈক্ষিক সুবিধা**

**১৫ (ক) অনুচ্ছেদ (Article 15(i) ঃ** অনুচ্ছেদ নং ১৫ (ক) মতে ৰাষ্ট্ৰই জাতি, ধৰ্ম, বৰ্ণ, লিংগ অথবা ইয়াৰ কোনো এটা বিষয়ৰ ওপৰত ভিত্তি কৰি কোনো নাগৰিকৰ প্ৰতি বৈষম্য দেখুৱাব নোৱাৰিব। ইয়াত উল্লেখ কৰা হৈছে যে অনুসূচীত জাতি, জনজাতি আৰু সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা লোকৰ উন্নতিৰ বাবে ব্যৱস্থা লোৱাৰ পৰা চৰকাৰ বিৰত থাকিব নোৱাৰিব।

**১৬ (ক) অনুচ্ছেদ (Article 16(i) ঃ** অনুচ্ছেদ নং ১৬ (ক) ৰ যোগেদি পুৰুষৰ সমানে মহিলাকো ৰাজ্য চৰকাৰৰ অধীনৰ সকলো কাৰ্যালয়ত নিয়োগৰ ক্ষেত্ৰত সমান সুবিধা প্ৰদান কৰা হৈছে।

সংবিধানে পুৰুষৰ সমানে মহিলাক সুবিধা প্ৰদান কৰিছে। এইটো সম্ভৱ কেৱল ছোৱালীবিলাকক শিক্ষাৰ কাৰণে সম্পূৰ্ণ সুবিধা প্ৰদান কৰা, তেতিয়াহে আৰ্থ-সামাজিক উন্নয়নৰ লগতে এশ শতাংশ সাক্ষৰতা লাভ কৰিব পাৰা যাব।

**অনুচ্ছেদ নং ২৮ (Article No. 28) ঃ**

সংবিধানৰ ২৮ (ক) অনুচ্ছেদ মতে সম্পূৰ্ণভাৱে চৰকাৰী সাহায্যৰে পৰিচালনা কৰা কোনো শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা প্ৰদানৰ ব্যৱস্থা ৰাখিব নোৱাৰিব।

২৮ (খ) নং অনুচ্ছেদ মতে ধৰ্মীয় শিক্ষাদানৰ বাবে কোনো ন্যাসৰ অধীনত প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানৰ পৰিচালনাৰ দায়িত্ব চৰকাৰলৈ আহিলেও তাত চৰকাৰে ধৰ্মীয় শিক্ষাদান বন্ধ কৰিব নোৱাৰিব।

২৮ (গ) নং অনুচ্ছেদমতে ৰাজ্য চৰকাৰৰ পুঁজিৰে পৰিচালিত বা

চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানত  বা তাৰ লগত সংলগ্ন কোনো স্থানত আয়োজিত ধৰ্মীয় অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ ছাত্ৰ ছাত্ৰীক বাধ্য কৰিব নোৱাৰিব। এৱশ্যে নাবালক ছাত্ৰ-ছাত্ৰীয়ে অভিভাৱকৰ অনুমতি সাপেক্ষে তেনে ধৰ্মীয় অনুষ্ঠানত অংশ গ্ৰহণ কৰিব পাৰিব।

**অনুচ্ছেদ নং ৩০ (Article no. 30) ঃ**

অনুচ্ছেদ নং ৩০ (ক) ৰ মতে সকলো ধৰ্ম বা ভাষিক সংখ্যালঘুৱেই নিজৰ ৰুচিমতে মনোমত শিক্ষামুষ্ঠান প্ৰতিষ্ঠা আৰু পৰিচালনা কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ নং ৩০ (খ) ৰ মতে শিক্ষানুষ্ঠানলৈ সাহায্য  আগবঢ়াওতে ধৰ্মীয় বা ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰলোকে পৰিচালনা কৰা বুলি কোনো শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত চৰকাৰে বৈষম্যমূলক নীতি গ্ৰহণ কৰিব নোৱাৰিব।

**অনুচ্ছেদ নং ৪১ (Article no. 41) ঃ** ভাৰতীয় সংবিধানৰ ৪১ নং অনুচ্ছেদত উল্লেখিত নিৰ্দেশাত্মক নীতিত উল্লেখ কৰা হৈছে যে ভাৰতৰ সকলো নাগৰিকে কাম কৰাৰ অধিকাৰ, শিক্ষা লাভৰ অধিকাৰ আৰু ৰাজহুৱা সাহায্য পাব পৰাৰ অধিকাৰ লাভ কৰিব। ৰাজ্য চৰকাৰে অৰ্থনৈতিক ক্ষমতা আৰু বিকাশৰ দিশলৈ লক্ষ্য ৰাখি কৰ্মৰ অধিকাৰ, শিক্ষা লাভৰ অধিকাৰ,  নিবনুৱাকালীন সাহায্য, বৃদ্ধকালীন সাহায্য, ৰোগগ্ৰস্ত আৰু বাধাগ্ৰস্তসকলৰ সুচল ব্যৱস্থা কৰিব পাৰিব।

**অনুচ্ছেদ নং ৪৫  (Article no. 45)** ঃ সংবিধানৰ এই অনুচ্ছেদত ছয় বছৰ সম্পূৰ্ণ নকৰালৈকে প্ৰাক বাল্যকালৰ যতন আৰু শিক্ষা (Early Childhood Care and Education) ওপৰত নিৰ্দেশনা আগবঢ়াইছে। এই নিদেৰ্শনাটো এনে ধৰণৰ - ছয় বছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালীকে প্ৰাক্-শৈশৰ যতন আৰু আৰু শিক্ষাৰ সুবিধা ৰাষ্ট্ৰই দিবলৈ চেষ্টা কৰিব।

**অনুচ্ছেদ নং ৪৬ (Article no. 46) ঃ** এই অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই ৰাজ্যই বিশেষ যত্ন সহকাৰে দুৰ্বল শ্ৰেণী লোকৰ বিশেষকৈ অনুসূচীত জাতি আৰু জনজাতি লোকসকলৰ শৈক্ষিক অৰ্থনৈতিক স্বাৰ্থ উন্নয়ন কৰিব আৰু তেওঁ লোকক সকলো ধৰণৰ সামাজিক অন্যায় আৰু শোষণৰ পৰা ৰক্ষা কৰিব।

**কেন্দ্ৰীয় সূচীৰ ৬২ নম্বৰত ঃ** সংবিধান বলবৎ হোৱাৰ সময়ত জাতীয় পুথিভৰাঁল, ভাৰতীয় সংগ্ৰহালয়, ইম্পিৰিয়েল ৱাৰ মিউজিয়াম, ভিক্টোৰিয়া মেমৰিয়েল, ইণ্ডিয়ান ৱাৰ মেমৰিয়েল আৰু এনেধৰণৰ অনুষ্ঠানবিলাক, যিবিলাক ভাৰত চৰকাৰৰ দ্বাৰা আংশিক বা সম্পূৰ্ণভাৱে অৰ্থৰ যোগান ধৰিছিল তেনেবিলাক অনুষ্ঠানক সংসদে আইনৰ দ্বাৰা জাতীয় গুৰুত্ব থকা অনুষ্ঠান বুলি ঘোষণা কৰিব।

**কেন্দ্ৰীয় সূচীৰ ৬৩ নম্বৰত ঃ** সংবিধান বলবৎ হোৱাৰ সময়ত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়, আলিগড় মুছলিম বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয়ৰ সংবিধানৰ ৩৭১ (E) অনুচ্ছেদ মতে প্ৰতিষ্ঠা কৰা আৰু এনে অন্যান্য অনুষ্ঠানবিলাক সংসদে আইনৰ দ্বাৰা জাতীয় অনুষ্ঠান বুলি ঘোষণা কৰিব।

**কেন্দ্ৰীয় সূচীৰ (৬৪ নম্বৰত) ঃ** ভাৰত চৰকাৰৰ দ্বাৰা আংশিক বা সম্পূৰ্ণভাৱে পুঁজিৰ যোগান ধৰা, বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ অনুষ্ঠানসমূহক সংসদে আইনৰ দ্বাৰা জাতীয় দায়িত্ব থকা অনুষ্ঠান বুলি ঘোষণা কৰিব।

**কেন্দ্ৰীয় সূচীৰ (৬৫ নম্বৰত) ঃ**

কেন্দ্ৰীয় অভিকৰ্তা (agencies) আৰু অনুষ্ঠানসমূহৰ দায়িত্ব হ'ল -

ক) আৰক্ষী বিষয়াৰ প্ৰশিক্ষণকে ধৰি বৃত্তিমূলক আৰু কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

খ) বিশেষ ধৰণৰ অধ্যয়ন আৰু গবেষণাৰ ব্যৱস্থা কৰা।

গ) অপৰাধৰ অনুসন্ধান বা অপৰাধী কৰায়ত্ব কৰাৰ বাবে বৈজ্ঞানিক

বা কাৰিকৰী সাহায্য প্ৰদানৰ বাবে কেন্দ্ৰীয় সংস্থা গঠন কৰা।

**কেন্দ্ৰীয় সূচীৰ ৬৬ নম্বৰত ঃ** উচ্চ শিক্ষা বা গৱেষণাৰ বাবে স্থাপনা কৰা অনুষ্ঠানসমূহৰ মান নিৰ্ধাৰণ আৰু এনে অনুষ্ঠানবোৰৰ মাজত সমংন্বয় সাধনৰ ব্যৱস্থা গ্ৰহণ।

**কেন্দ্ৰীয় সূচীৰ ৬৭ নম্বৰত ঃ** প্ৰাচীন আৰু ঐতিহাসিক সম্পদ আৰু টোকাবোৰ পুৰাতাত্বিকভাৱে তাৎপৰ্যপূৰ্ণ স্থান আৰু চিহ্নবোৰ (সংসদৰ দ্বাৰা স্বীকৃত) জাতীয় গুৰুত্বসহকাৰে বিবেচনা কৰা হ'ব।

**অনুচ্ছেদ নং ৩৩৭ (Article 337) ঃ** সংবিধানৰ এই অনুচ্ছেদ অনুসৰি সংবিধান প্ৰণয়নৰ প্ৰথম তিনিটা বিত্তীয় বছৰত কেন্দ্ৰ আৰু প্ৰত্যেক ৰাজ্য চৰকাৰে এংলো ইণ্ডিয়ানসকলৰ শিক্ষাৰ বাবে অনুদানৰ ব্যৱস্থা কৰিব।

**অনুচ্ছেদ নং ৩৫০ (Article 350) ঃ** এই অনুচ্ছেদ অনুসৰি প্ৰত্যেক ব্যক্তিয়ে যিকোনো গোচৰ নিস্পত্তি কৰিব বাবে কেন্দ্ৰ বা ৰাজ্যৰ কোনো বিষয়া বা কৰ্তৃপক্ষক কেন্দ্ৰ বা ৰাজ্যৰ যিকোনো ভাষাৰে জনাব পাৰিব।

**অনুচ্ছেদ নং ৩৫০ (ক) (Article 350) (A) ঃ** ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ সকলো ল'ৰা ছোৱালীকে শিক্ষাৰ প্ৰাথমিক পৰ্যায়ত মাতৃভাষাৰ যোগেদি শিক্ষা লাভৰ উপযুক্ত সুবিধা প্ৰদানৰ বাবে ৰাষ্ট্ৰই চেষ্টা কৰিব লাগিব আৰু ৰাষ্ট্ৰপতিয়ে প্ৰয়োজনীয়তাবোধ কৰিলে এই ঘোষণা কৰিব পাৰিব।

**অনুচ্ছেদ নং ৩৫০ (খ) (Article 350) (B) ঃ**

১) ৰাষ্ট্ৰপতিয়ে ভাষিক সংখ্যালঘুসকলৰ বাবে এজন বিশেষ বিষয়া নিযুক্তি কৰিব।

২) সংবিধানে ভাষিক সংখ্যালঘুসকলৰ বাবে প্ৰদান কৰা সকলো সংৰক্ষণৰ ব্যৱস্থা পালনৰ সম্বন্ধে অনুসন্ধান কৰাটো বিশেষ বিষয়াজনৰ কৰ্তব্য হ'ব।

**জনা উচিত ঃ**

- ভাৰতবৰ্ষই ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰিছিল।
- ১৯৪৯ চনৰ ২৬ নবেম্বৰত সংবিধানৰ খচৰা প্ৰস্তুত কৰা হৈছিল।
- ১৯৫০ চনৰ ২৬ জানুৱাৰীত সংবিধানখন বলবৎ কৰা হৈছিল।
- সাংবিধানিক দায়িত্ব আৰু কৰ্তব্যসমূহক তিনিটা সূচীত ভাগ কৰা হৈছে -
    - ➢ কেন্দ্ৰীয় সূচী
    - ➢ ৰাজ্যিক সূচী
    - ➢ সমৱৰ্তী সূচী
- ১৯৭৬ চনত সংবিধানৰ ৪২ তম সংশোধনী কৰা হৈছিল।

- শিক্ষা বৰ্তমান সমৱৰ্তী সূচীত থকা বিষয়।
- সংবিধানৰ বিভিন্ন অনুসূচিত শিক্ষাৰ বিভিন্ন সুবিধা প্ৰদান কৰা হৈছে।

**আত্মমূল্যায়ন (ক)**

*(টোকা ঃ উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সাম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।*

১) শিক্ষা বিষয়টো সংবিধানৰ কোনটো সূচীত উল্লেখ আছে?

..........................................................................................

..........................................................................................

২) তলত ক অংশৰ লগত খ অংশ মিলোৱা -

| ক - অংশ | খ - অংশ |
|---|---|
| ক) অনুচ্ছেদ নং ৪৫ | ১. ভাষিক সংখ্যালঘুৰ শিক্ষা |
| খ) অনুচ্ছেদ নং ৪৬ | ২. হিন্দী ভাষাৰ শিক্ষা |
| গ) অনুচ্ছেদ নং ৩৫০ | ৩. বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা |
| ঘ) অনুচ্ছেদ নং ৩৫১ | ৪. বিশেষ শ্ৰেণীৰ শিক্ষা |

৩) সংবিধানৰ ১৬ (ক) অনুচ্ছেদত উল্লেখ থকা বিষয়বিলাক উল্লেখ কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

**১.৬ সাংবিধানিক ব্যৱস্থাসমূহৰ সমালোচনা ঃ**

ছাত্র-ছাত্রীসকল, আগৰ উপগোটত তোমালোকক পোনপটীয়াভাৱে সংবিধানৰ বিভিন্ন অনুচ্ছেদসমূহত থকা শৈক্ষিক ব্যৱস্থাসমূহে সামগ্রিকভাৱে কেনে কথা বিশ্লেষণ কৰিবলৈ বিচাৰিছে সেইয়া তোমালোকলৈ আগবঢ়াইছো-

**১.৬.০ বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা ঃ**

সাক্ষৰতা দেশ এখনৰ সামগ্রিক উন্নয়নৰ মূল ভেঁটি। নাগৰিকৰ অনগ্রসৰতা, দুখ-দুৰ্গতি আদিৰ মূলতেঃ হ'ল তেওঁলোকৰ নিৰক্ষৰতা। নিৰক্ষৰতা আঁতৰাই দেখাৰ সকলো নাগৰিককে সাক্ষৰ কৰি তোলাটো ৰাষ্ট্ৰৰ দায়িত্ব আৰু কৰ্তব্য। এই দায়িত্বৰ প্রতি লক্ষ্য ৰাখিয়েই সংবিধানৰ ৪৫ নং অনুচ্ছেদত সেই গুৰুত্বপূৰ্ণ সিদ্ধান্তটো ৰখা হৈছিল। সংবিধান প্রণয়নৰ ১০ বছৰৰ ভিতৰত ৬ৰ পৰা ১৪ বছৰ বয়সলৈকে দেশৰ সকলো নাগৰিককে বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রদান কৰাটো ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, স্থানীয় কৰ্তৃপক্ষ আৰু সকলো স্বেচ্ছাসেৱী অনুষ্ঠানৰ সমূহীয়া দায়িত্ব হিচাপে বিবেচনা কৰিছিল। সম্প্রতি সংবিধানৰ ৮৬ তম সংশোধনী (the constitution (Eighty-sixth Amendment Act, 2002,see2) ৰ যোগেদি শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হ'ল।

**সমীক্ষা ঃ** দেশৰ পৰা নিৰক্ষৰতা, দৰিদ্ৰতা, জনসংখ্যা বিস্ফোৰণৰ সমস্য আদি আঁতৰ কৰিবৰ কাৰণে সংবিধানৰ এই নিৰ্দেশনা নিঃসন্দেহে গুৰুত্বপূৰ্ণ। ১৯৫১ চনত ভাৰতৰ শিক্ষিতৰ হাৰ আছিল ১৯.৭৪% । সংবিধানৰ লক্ষ্য আছিল দহবছৰৰ ভিতৰত ১০০% কিন্তু হলগৈ মাথো ৩০.১১%। মনকৰিবলগীয়া কথা হ'ল স্বাধীনতা লাভৰ ৬৫ বছৰ আৰু সংবিধান প্রণয়নৰ ৬২ বছৰ পিছত ২০১১ চনৰ লোকপিয়ল ভাৰতৰ সাক্ষৰতাৰ হাৰ হ'লগৈ ৭৪.০৪%। এতিয়া প্ৰায় ১৫ লোক সাক্ষৰ হ'বলৈ বাকী। ২০১০ চনৰ ১ এপ্রিলৰ পৰা শিক্ষাৰ অধিকাৰ আইন ২০০৯ (Right to Education Act 2009) প্রয়োগ কৰি শিক্ষাক মৌলিক অধিকাৰ (Fundamental Right) কৰা হৈছে। ইয়াৰ ফলপ্ৰসূতা কেনেকুৱা হ'ব সেইয়া সময়হে ক'ব।

**১.৬.১ শিক্ষাত সংখ্যালঘুসকলৰ অধিকাৰ সম্বন্ধ ঃ**

গণতান্ত্রিক দেশত, দেশৰ সকলো নাগৰিকৰে সমান অধিকাৰ। সংখ্যাগুৰুসকলৰ মতামতে সংখ্যালঘুসকলৰ স্বাৰ্থ ক্ষতিগ্ৰস্ত কৰিব নোৱাৰে তাৰ ব্যৱস্থা ভাৰতীয় সংবিধানত ৰখা হৈছে। ভাৰতবৰ্ষৰ এই সংখ্যালঘুসকলক ভাষিক আৰু ধৰ্মীয় এই দুই ভাগত ভাগ কৰিব পৰা যায়। সংবিধানৰ ২৯, ৩০, ৩৫০, ৩৫০ (ক) আৰু ৩৫০ (খ) ৰ যোগেদি তেওঁলোকৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিছে।

সংবিধানৰ এই অনুচ্ছেদ কেইটা সংখ্যালঘুসকলে তেওঁলোকৰ -

* ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ ৰক্ষা কৰাৰ অধিকাৰ আছে।
* শিক্ষানুষ্ঠানত নাম ভৰ্তিৰ অধিকাৰ আছে।
* শিক্ষানুষ্ঠান স্থাপনৰ অধিকাৰ।
* আৰ্থিক অনুদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বৈষম্য বিবেচনা কৰিব নোৱাৰিব।
* মাতৃভাষাৰ যোগেদি প্ৰাথমিক শিক্ষা লাভৰ অধিকাৰ।
* তেওঁলোকৰ বাবে বিশেষ বিষয়া নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**সমীক্ষা ঃ** সংবিধানৰ এই অনুচ্ছেদৰ যোগেদি সংখ্যাগুৰুলকলৰ লগতে সংখ্যালঘুসকলৰ নিৰাপত্তা সুনিশ্চিত কৰা হৈছে। শিক্ষাৰ উপযুক্ত সুবিধা প্ৰদান আৰু সংখ্যালঘুসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ ব্যৱস্থা সাংবিধানিকভাৱে মানি লোৱা হৈছে।

সংখ্যালঘুসকলৰ বাবে সংবিধানৰ এই আছুতীয়া ব্যৱস্থাই তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ সাম্প্ৰতিক সময়ত মাজে সময়ে সৃষ্ট কিছুমান অপ্ৰীতিকৰ পৰিস্থিতিকো আমি উলাই কৰিব নোৱাৰো। এই ব্যৱস্থাই দেশৰ নাগৰিকসকলক সংখ্যাগুৰু আৰু সংখ্যালঘু এই দুটা ভাগত ভাগ কৰাৰ বাবে সামাজিক বিশৃংখলতাৰ সৃষ্টি হৈছে। নিজৰ সাংবিধানিক সুৰক্ষাৰ বাবে সংখ্যালঘুসকল সচেতন হৈছে ফলত সংখ্যাগুৰুৰ লগত ব্যৱধান বাঢ়ি গৈছে। সংখ্যালঘুসকল দেশৰ মূলধাৰাৰ পৰা আঁতৰি যোৱাৰ প্ৰৱণতা গঢ়লৈ উঠা পৰিলক্ষিত হৈছে।

**১.৬.২ দুৰ্বল শ্ৰেণী লোকৰ শিক্ষা সম্বন্ধে ঃ**

সংবিধানৰ প্ৰস্তাৱনাত আমি পাই আহিছোঁ যে সংবিধানখন দেশত সামাজিক ন্যায় স্থাপনৰ বাবে প্ৰতিজ্ঞাবদ্ধ। সমাজৰ পিছপৰা আৰু দুৰ্বল শ্ৰেণীৰ লোকসকলক সমাজৰ আন শ্ৰেণীৰ লোকসকলৰ সমপৰ্যায়লৈ আনিবলৈ কিছুমান সাংবিধানিক ব্যৱস্থা গ্ৰহণ কৰিছে। সমাজৰ যিসকল লোক সামাজিক, অৰ্থনৈতিক, শৈক্ষিক আদি দিশত পিছুপৰি আছে তেওঁলোককেই দুৰ্বল শ্ৰেণী বুলি অভিহিত কৰা হয়। ইয়াৰ ভিতৰত অনুসূচিত জাতি, জনজাতি আৰু মহিলাসকলক অন্তৰ্ভুক্ত কৰা হৈছে। এইসকল লোকৰ উন্নয়নৰ বাবে সংবিধানৰ ১৫, ১৬, ১৭ আৰু ৪৬ অনুচ্ছেদত সুবিধা প্ৰদান কৰা হৈছে।

**সমীক্ষা** ঃ দেশ এখনৰ সামগ্ৰিক উন্নয়নৰ বাবে মুষ্টিমেয় কেইজনমান ব্যক্তি বা কেইটামান গোষ্ঠীৰ উন্নতিয়েই যথেষ্ট নহয়। পুৰুষৰ সমানে মহিলা, বলীৰ সমানে দুৰ্বলী, আগবঢ়াৰ সমানে পিছপৰা, সকলোকে একে কৰিব পাৰিলেহে দেশৰ উন্নয়ন সম্ভৱপৰ। এই দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই সংবিধানত দুৰ্বল শ্ৰেণীৰ বাবে সুৰক্ষাৰ ব্যৱস্থা ৰাখিছে। এই ব্যৱস্থা সামাজিক সমতা আৰু ন্যায় স্থাপনৰ দিশৰ পৰা যথেষ্ট তাৎপৰ্যপূৰ্ণ।

দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে সংবিধানত ইমানবিলাক ব্যৱস্থা থকা স্বত্বেও স্বাধীনতা লাভৰ ৬৩ বছৰ বয়সৰ পিছতো দুৰ্বলসকল দুৰ্বল আৰু পিছপৰাসকল পিছপৰিয়েই আছে। কিছুমানৰ বাবে সংবিধানিক ব্যৱস্থাৰ মূল্য নাই। আন কিছুমান এই বিষয়ে অজ্ঞ আৰু আন কিছুমানে কৌশলপূৰ্ণভাৱে সেই সুবিধা ভোগ কৰি আছে। বংশানুক্ৰমে লাভ কৰা সুবিধা এক শ্ৰেণীয়ে শিক্ষা আৰু কৰ্ম অজনজাতীয়লোকে সাংবিধানিক সুবিধা লাভৰ বাবে জনজাতিৰ অন্তৰ্ভুক্ত হোৱা, ভুৱা প্ৰমাণপত্ৰ আহৰণ কৰা আদিয়ে প্ৰকৃত জনজাতিৰ লগত মতানৈক্যৰ সৃষ্টি কৰিছে। ই জাতীয় সংহতিৰ পৰিপন্থী।

**২.৬.৩ ভাৰতীয় সংবিধান আৰু ভাষা ঃ**

ভাষা সুৰক্ষা সংবিধানৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব। সেই উদ্দেশ্যেৰে ভাৰতীয় সংবিধানত মাতৃভাষা, হিন্দী ভাষা, চৰকাৰী ভাষা সকলো দিশতে

গুৰুত্ব আৰোপ কৰিছে। ৩৫০ (ক)ত মাতৃভাষা, আৰু ৩৫১ত হিন্দী ভাষাৰ বিষয়ে আলোচনা কৰিছে। তাৰোপৰি ৩৪৩ নং আৰু ৩৪৫ নং অনুচ্ছেদত চৰকাৰী ভাষা সম্পৰ্কে মতামত আগবঢ়াইছে। এই ব্যৱস্থাসমূহৰ যোগেদি শিশুৰ বিকাশ শক্তিশালী কৰাৰ লগতে বিভিন্ন ব্যক্তিৰ মাজৰ যোগযোগ প্ৰক্ৰিয়া সূচল কৰাৰ ব্যৱস্থা কৰা হৈছিল। হিন্দী ভাষাৰ যোগেদি জাতীয় সংবিধানৰ অষ্টম অনুসূচীত (Eight Schedule) ত স্বীকৃতি প্ৰাপ্ত ১৮ টা ভাষাৰ বিষয়েও উল্লেখ আছে।

**সমীক্ষা ঃ** ভাষা সম্বন্ধীয় সাংবিধানিক নিৰ্দেশনা যথেষ্ট তাৎপৰ্যপূৰ্ণ। শিশুৰ মৌলিক চিন্তাৰ মুক্ত প্ৰকাশ আৰু শক্তিশালী কৰাৰ ক্ষেত্ৰত মাতৃভাষাৰ গুৰুত্ব সৰ্বাধিক। শিক্ষাৰ নিম্নতম পৰ্যায়ত মাতৃভাষাক মাধ্যম হিচাপে গ্ৰহণ কৰাৰ বাবে শিশুৰ শৈক্ষিক বিকাশ প্ৰক্ৰিয়া সহজ আৰু সাৱলীল হয়। মাতৃভাষাৰ লগতে হিন্দী ভাষাক ৰাষ্ট্ৰীয় অখণ্ডতা অটুট ৰাখিবৰ বাবে ৰাষ্ট্ৰ ভাষা হিচাপে স্বীকৃতি দি জাতীয় চেতনা গঢ়ি তুলিবলৈ বিচৰা হৈছে। কিন্তু ১৯৪৭ চনৰ ৰাজ্য পুনৰ গঠন আয়োগ (State Reorganisation Commission) এ ভাষাৰ ভিত্তিত ৰাজ্যসমূহ পুনৰ গঠনৰ পৰামৰ্শ দিয়াৰ ফলত দেশৰ বিভিন্ন অঞ্চলত সাম্প্ৰদায়িক আৰু আঞ্চলিক মতবিভেদৰ সৃষ্টি হয়। ৬০ দশকত দক্ষিণ ভাৰতত সংঘটিত হোৱা হিন্দী বিৰোধী আন্দোলনে হিন্দী ভাষাৰ বিকাশ ক্ষতিগ্ৰস্থ কৰে। ফলত ইংৰাজী ভাষাক সহযোগী চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰিবলগীয়া হয়।

তদুপৰি একাধিক আঞ্চলিক ভাষা ৰাজ্যভাষা হিচাপে গ্ৰহণৰ বাবে দিয়া নিৰ্দেশে আঞ্চলিক ভাষাৰ প্ৰতি স্নেহপ্ৰীতি বঢ়াই তোলে। ইয়াৰ ফলত সাম্প্ৰদায়িক আৰু সাংস্কৃতিক ঐতিহ্য ক্ষুন্ন হোৱাটো আমি নুই কৰিব নোৱাৰো। আমাৰ অসমতে এনে ধৰণৰ বিশৃংখলতা দেখা পোৱা গৈছে। ভাষাকলৈ উদ্ভৱ হোৱা এনেবোৰ খেলি-মেলিয়ে পিছলৈ ইংৰাজী ভাষাকে কাৰ্যকৰী হিচাপে গ্ৰহণ কৰা হ'বলৈও পাৰে। সেই কথা সময়েহে ক'ব।

**১.৬.৪. উচ্চ শিক্ষা আৰু গৱেষণা ঃ**

সংবিধানৰ কেন্দ্ৰীয় সূচীৰ ৬২, ৬৩, ৬৪, ৬৫, আৰু ৬৬ নম্বৰত উচ্চ শিক্ষা আৰু গৱেষণাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। জাতীয় গুৰুত্ব প্ৰতিফলন ঘটা অনুষ্ঠানসমূহৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। এইসমূহৰ উন্নয়নৰ বাবে সংসদে স্বতন্ত্ৰভাৱে আইন প্ৰণয়ন কৰি লোৱাৰ অধিকাৰ আছে।

**১.৬.৫ শিক্ষাত ধৰ্ম নিৰপেক্ষ নীতি আৰু ভাৰতীয় সংবিধান ঃ**

ধৰ্ম নিৰপেক্ষতাত বিশ্বাসী ভাৰতবৰ্ষই সংবিধান গ্ৰহণৰ সময়ত প্ৰস্তাৱনাত উল্লেখ থকা সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য শব্দকেইটা নতুনকৈ ৪২ তম সংশোধনীৰ যোগেদি সমাজবাদী আৰু ধৰ্মনিৰপেক্ষ কথাখিনি সন্নিবিষ্ট কৰে। ইয়াৰ যোগেদি প্ৰতিটো ধৰ্ম-বিশ্বাসৰ স্থান সমান। শিক্ষানুষ্ঠানৰ ভিতৰত কোনো ধৰ্মক প্ৰাধান্য দিয়া নহয়, সকলো ধৰ্মীয় অনুভূতি মানি চলা হয়। ভাৰতীয় শিক্ষা সংস্কৃতিৰ মূল আধাৰ হ'ল বিভিন্ন সময়ত হিন্দু, বৌদ্ধ, জৈন, মুছলমান, খৃষ্টিয়ান আদি ধৰ্মৰ সমন্বয়। দেশৰ সকলো নাগৰিকৰে নিজৰ ইচ্ছামতে ধৰ্ম গ্ৰহণ কৰাৰ অধিকাৰ থাকিব। সংবিধানৰ ২৫, ২৬, ২৮ আৰু ৩০ অনুচ্ছেদত এই সম্পৰ্কীয় প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

**সমীক্ষা ঃ** শিক্ষাত ধৰ্ম নিৰপেক্ষতাৰ নীতি গ্ৰহণ, ভাৰতীয় সংবিধানৰ বহু আগতেই ইংৰাজসকলে গ্ৰহণ আৰু কাৰ্যকৰী কৰি তুলিছিল। ধৰ্ম নিৰপেক্ষতাৰ ভিত্তিত সহায়ক অনুদান দিয়াৰ কথা ঘোষণা কৰিছিল। সংবিধানত পুনৰ এনে কাৰ্যব্যৱস্থা গ্ৰহণ বিভিন্ন ধৰ্মসম্প্ৰদায়ৰ মাজত সহনশীলতা আৰু বুজা পৰাৰ মনোভাৱ গঢ়ি তোলাৰ এক উৎসাহজনক পদক্ষেপ।

**১.৬.৬ মহিলা শিক্ষা সম্বন্ধে ভাৰতীয় সংবিধান ঃ**

ইতিমধ্যে দুৰ্বল শ্ৰেণীৰ সুবিধাৰ কথা উল্লেখ কৰোতে মহিলাসকলৰ কথা উল্লেখ কৰি অহা হৈছে। মহিলাসকলক পুৰুষৰ সমানে সামাজিক মৰ্যাদা, শিক্ষাৰ সা-সুবিধা প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৈদিক যুগত মহিলাৰ প্ৰতি থকা গুৰুত্ব পাছলৈ কমি আহিল। ইংৰাজসকলে তেওঁলোকৰ

বিভিন্ন প্ৰতিবেদনত মহিলাৰ শিক্ষাৰ কথা কৈ আহিছিল। কিন্তু ১৯৫১ চনৰ লোকপিয়লত দেশত মাত্ৰ ১২.৮২ মহিলাহে সাক্ষৰ আছিল। সংবিধান প্ৰণেতাসকলে সেয়েহে সংবিধানৰ ১৫ (৩) আৰু ১৬ (১), (২) ত মহিলাসকলৰ অনগ্ৰসৰতা নাইকিয়া কৰিবৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা আগবঢ়াইছে।

**সমীক্ষা ঃ** সংবিধানৰ এই ব্যৱস্থাসমূহে মহিলাসকলৰ আত্ম-প্ৰকাশ আৰু আত্মপ্ৰতিষ্ঠাত সহায় কৰিছে। ৰক্ষণশীল মনোভাৱৰ পৰিবৰ্তে আধুনিক বিজ্ঞানমুখী মানসিকতা গঢ়ি তোলাত সহায়ক হৈছে। পুৰুষৰ সমানে মহিলাৰ কৰ্ম নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। মহিলাসকলৰ বাবে কৰ্মত নিৰ্দিষ্ট আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

অৱশ্যে ২০১১ চনৰ লোকপিয়লত ভাৰতৰ মহিলাৰ সাক্ষৰতাৰ হাৰ 65.46% পোৱা গৈছে। এতিয়াও দেশৰ 34.54% মহিলা নিৰক্ষৰ। এইসকল মহিলা নিৰক্ষৰ হোৱাটো দেশৰ বাবে মংগলজনক নহয়। এওঁলোক নিৰক্ষৰ হোৱাৰ মূলতে আওপুৰণি মনোবৃত্তি, অভিভাৱকৰ নিৰক্ষৰতা, আৰ্থিক দৈন্যতা আদি। এই সকলোবোৰ আঁতৰ কৰিব পাৰিলেহে মহিলাসকলৰ সাংবিধানিক সুবিধাসমূহ উপভোগ কৰিব পাৰিব।

**জনা উচিত ঃ**

- সংবিধানৰ ৪৫ নং অনুচ্ছেদত বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বিষয়ে উল্লেখ আছে।
- শিক্ষাৰ অধিকাৰ আইন ২০০৯, ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা বলবৎ কৰা হৈছে।
- সংবিধানৰ ২৯, ৩০, ৩৫০, ৩৫০, (ক) আৰু ৩৫০ (খ) ৰ যোগেদি সংখ্যালঘুসকলৰ অধিকাৰ সম্বন্ধে আলোচনা কৰিছে।
- উচ্চ শিক্ষাৰ বিকাশৰ বাবেও সংবিধানত যাৱতীয় ব্যৱস্থা উল্লেখ আছে।
- সংবিধানৰ ২৫, ২৬, ২৮, আৰু ৩০ নং অনুচ্ছেদত ধৰ্ম নিৰপেক্ষ ৰীতিৰ বিষয়ে ব্যাখ্যা কৰিছে।

- মহিলাসকলৰ সামাজিক আৰু শৈক্ষিক স্থিতি উন্নয়নৰ বাবে সংবিধানৰ ১৫ (৩) আৰু ১৬ (১), (২) ত বিশেষ ব্যৱস্থা ৰাখিছে।

**আত্মমূল্যায়ন (খ)**

*(টোকা ঃ উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰত লগত মিলাই চাবা)*

১) বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থা উল্লেখ কৰা।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

২) সংবিধানত উচ্চ শিক্ষা আৰু গৱেষণাৰ বাবে কেনে ব্যৱস্থা আছে।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

৩) মহিলা শিক্ষা সম্বন্ধে ভাৰতীয় সংবিধানৰ ব্যৱস্থা কিমান দূৰ কাৰ্যকৰী হৈছে তোমাৰ মতামত ব্যাখ্যা কৰা।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

## ১.৭ সামৰণি (Let us sum up)

ছাত্ৰ-ছাত্ৰীসকল, ভাৰতীয় শিক্ষাৰ সাংবিধানিক ব্যৱস্থাৰ বিভিন্ন দিশ আলোচনাৰ পিছত আমি তলৰ কথাখিনি আয়ত্ব কৰিবলৈ সক্ষম হ'ব পাৰোঁ -

- সংবিধানখন ভাৰতীয় জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতিফলন তথা শিক্ষাৰ দলিল স্বৰূপ।
- সংবিধানৰ ১৯৭৬ চনৰ ৪২ তম সংশোধনীত শিক্ষা বিষয়টো সমৱৰ্তী সূচীৰ অন্তৰ্ভূক্ত কৰা হৈছে।
- সংবিধানৰ বিভিন্ন অনুচ্ছেদত শিক্ষাৰ বিভিন্ন দিশৰ আলোচনা কৰিছে।
- শিক্ষাৰ সাৰ্বজনীনকৰণ তথা বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ দিশৰ পৰা অনুচ্ছেদ নং ৪৫ টো তাৎপৰ্যপূৰ্ণ।
- শিক্ষাৰ অধিকাৰ আইন ২০০৯ (Right to Education Act 2009), ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা বলবৎ কৰা হৈছে।
- সংবিধানত সংখ্যালঘু আৰু দুৰ্বলশ্ৰেণীৰ লোকৰ সামগ্ৰিক উন্নয়নৰ বাবে যাৱতীয় ব্যৱস্থা আছে।
- ভাৰতীয় সংবিধানে মাতৃভাষা, চৰকাৰী ভাষা আৰু হিন্দী ভাষাৰ উন্নয়নকল্পে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। সংবিধানৰ অষ্টম অনুসূচীত স্বীকৃতিপ্ৰাপ্ত ১৮টা ভাষাৰ কথাও উল্লেখ আছে।
- সংবিধানৰ কেন্দ্ৰীয় সূচীৰ ৬২, ৬৩, ৬৪, ৬৫, আৰু ৬৬ নম্বৰত উচ্চ শিক্ষা আৰু গৱেষণাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা দিছে।
- সংবিধানিকভাৱে ভাৰতবৰ্ষই নিজকে ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিছে আৰু শিক্ষাত সেই নীতি মানি লৈছে।
- ভাৰতৰ মহিলাৰ বৰ্তমান সাক্ষৰতাৰ হাৰ ৬৫.৪৬ শতাংশ। সংবিধানত বহুতো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা পিছতো ১০০% মহিলাৰ সাক্ষৰতা কাৰ্যকৰী হোৱা নাই।

## ঘাই শব্দসমূহ (Key Words)

**সাৰ্বভৌম ঃ** সৰ্ব্বোচ ক্ষমতা

**সমাজবাদী ঃ** এটা ধাৰণা, যাৰদ্বাৰা সমাজৰ সকলো শ্ৰেণীৰ লোকক সমঅধিকাৰ প্ৰদান কৰাক বুজায়।

**ধৰ্মনিৰপেক্ষ ঃ** সংবিধান অনুসৰি ৰাষ্ট্ৰব্যৱস্থাত সকলো ধৰ্মাৱলীলোকক সমভাবে বিবেচনা কৰা।

**গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ ঃ** জনসাধাৰণে অধিকাৰ প্ৰদান কৰি চৰকাৰ গঠনত মুখ্য ভূমিকা পালন কৰে।

**কেন্দ্ৰীয় সূচী ঃ** কেন্দ্ৰীয় চৰকাৰে যিসমূহ বিষয়ৰ ওপৰত আইন প্ৰণয়ন আৰু ৰূপায়ন কৰিব পাৰে।

**সমৱৰ্তী সূচী ঃ** কেন্দ্ৰীয় আৰু ৰাজ্যিক উভয় চৰকাৰে যিবোৰ বিষয়ৰ ওপৰত আইন প্ৰণয়ন আৰু ৰূপায়ন কৰিব পাৰে।

**অনুসূচিত জাতি ঃ** সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত লোকসকল

**অনুসুচিত জনজাতি ঃ** সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত লোকসকল।

**আৰ্থ-সামাজিক উন্নয়ন ঃ** অৰ্থনৈতিক আৰু সামাজিক দিশৰ উন্নয়ন।

**ধৰ্মীয় শিক্ষা ঃ** ধৰ্মক গুৰুত্ব প্ৰদান কৰি দিয়া শিক্ষা।

**সংখ্যালঘু ঃ** যিসকলৰ জনসমষ্টি তুলনামূলকভাৱে কম।

**ত্ৰি-ভাষা-সূত্ৰ ঃ** ৰাষ্ট্ৰভাষা হিচাপে, হিন্দী, সংযোগী ভাষা হিচাপে ইংৰাজী আৰু এটা আঞ্চলিক ভাষা শিক্ষা আহৰণৰ নীতি।

**জনসংখ্যা বিস্ফোৰণ ঃ** অত্যাধিক হাৰত জনসংখ্যা বৃদ্ধি।

**দুৰ্বল শ্ৰেণী ঃ** যিসকলোক সামাজিক, অৰ্থনৈতিক, শৈক্ষিক আদি সকলো দিশত পিছপৰা।

**স্বীকৃতি প্ৰাপ্ত ভাষা ঃ** অসমীয়া, বেংগলী, গুজৰাটী, হিন্দী, কানাড়া, কাশ্মিৰী, কোংকনী, মালায়ালম, মণিপুৰী, মাৰাঠী, নেপালী, উড়ীয়া, পাঞ্জাৰী, সংস্কৃত, তামিল, তেলেগু আৰু উৰ্দু।

**মহিলা শিক্ষা ঃ** মহিলাসকলৰ সৱলীকৰণৰ বাবে প্ৰদান কৰা শিক্ষা।

**সম্ভাব্য উত্তৰ (Probable Answers)**

আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ

১) সমৱৰ্তী সূচীত

২)

| ক - অংশ | খ - অংশ |
|---|---|
| ক) অনুচ্ছেদ নং ৪৫ | ৩) বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা |
| খ) অনুচ্ছেদ নং ৪৬ | ৪) বিশেষ শ্ৰেণীৰ শিক্ষা |
| গ) অনুচ্ছেদ নং ৩৫০ | ১) ভাষিক সংখ্যালঘুৰ শিক্ষা |
| ঘ) অনুচ্ছেদ নং ৩৫১ | ২) হিন্দীভাষাৰ শিক্ষা |

৩) অনুচ্ছেদ নং ১৬ (ক) ৰ যোগেদি পুৰুষৰ সমানে মহিলাসকলকো ৰাজ্য চৰকাৰৰ অধীনৰ সকলো কাৰ্যালয়ত নিয়োগৰ ক্ষেত্ৰত সমান সুবিধা প্ৰদান কৰা হৈছে।

**আত্মমূল্যায়ন (খ) ৰ উত্তৰ ঃ**

১) সংবিধানৰ ৪৫ নং অনুচ্ছেদত বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা সম্বন্ধে থকা নিৰ্দেশনাটো হ'ল এই সংবিধান কাৰ্যকৰী কৰাৰ দহ বছৰ বয়সৰ ভিতৰত সকলো ল'ৰা - ছোৱালীক তেওঁলোকে চৈধ্য বছৰ পূৰ্ণ কৰাৰ আগতে ৰাষ্ট্ৰই / ৰাজ্যই বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ চেষ্টা কৰিব।

২) সংবিধানত উচ্চ শিক্ষা আৰু গৱেষণাৰ বাবে যাৱতীয় ব্যৱস্থা ৰাখিছে। সংবিধানৰ প্ৰথম তালিকাৰ ৬২, ৬৩, ৬৪, ৬৫ আৰু ৬৬ উচ্চ শিক্ষা আৰু গৱেষণাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। জাতীয় গুৰুত্ব প্ৰতিফলন ঘটা অনুষ্ঠানসমূহৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। এইসমূহৰ উন্নয়নৰ বাবে সংসদে স্বতন্ত্ৰভাৱে আইন প্ৰণয়ন কৰি লোৱাৰ অধিকাৰ আছে।

৩) নিজে চেষ্টা কৰা।

**কৰণীয় কৰ্ম ঃ**

তোমালোকে ২০১১ চনৰ লোকপিয়লৰ বিভিন্ন ৰাজ্যৰ সাক্ষৰতা

হাৰৰ তথ্যসমূহ সংগ্ৰহ কৰি তুলনা কৰি চোৱাচোন কোনখন ৰাজ্য কিমান আগবাঢ়িছে।

## পাঠ্য নিৰ্দেশনা (Suggested Reading)

১) বৰুৱা যতীন ঃ ভাৰতৰ শিক্ষা -ইতিহাসৰ অধ্যয়ন, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।
২) শৰ্মা আৰু অন্যান্য ঃ ভাৰতৰ শিক্ষাৰ ইতিহাস, অসম বুক ডিপো, গুৱাহাটী।

## প্ৰসঙ্গ পুথি (Reference Book)

**অসমীয়া ঃ**

বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়াৰ্চ্ছ বুকষ্টল, গুৱাহাটী।
শৰ্মা আৰু অন্যান্য ঃ ভাৰতৰ শিক্ষাৰ ইতিহাস, অসম বুক ডিপো, গুৱাহাটী।

**ইংৰাজী ঃ**

Aggarwal. J.C. : *Development and Planning of Modern Indian Education .*

Bakshi, P.M. : *The Constitution of India,* Universal Law Publishing Co, Pvt, Ltd. Delhi. 2009

## আৰ্হি প্ৰশ্ন (Model Questions) :

১) ভাৰতৰ সংবিধানে শিক্ষাৰ কোনবোৰ দিশত গুৰুত্ব আৰোপ কৰিছে চমুকৈ ব্যাখ্যা কৰা।
২) প্ৰাথমিক শিক্ষাৰ বিনামূলীয়া আৰু বাধ্যতামূলক কৰা সম্বন্ধে সংবিধানে কেনে নিৰ্দেশ দিছে? এই নিৰ্দেশ কিমানদূৰ কাৰ্যকৰী হৈছে?
৩) মহিলা শিক্ষা আৰু বিকাশৰ বাবে ভাৰতীয় সংবিধানৰ নিৰ্দেশাৱলী কি আছিল? এই নিৰ্দেশাৱলীয়ে ভাৰতীয় মহিলা সকলৰ শৈক্ষিক আৰু সামাজিক অনগ্ৰসৰতা আঁতৰাব পাৰিলেনে?
৪) দুৰ্বল শ্ৰেণী কোন বিলাক? এওঁলোকৰ বাবে সাংবিধানিক ব্যৱস্থা আছেনে? আলোচনা কৰাঁ।
৫) ভাষা সম্পৰ্কীয় সংবিধানৰ নিৰ্দেশনা ব্যাখ্যা কৰাঁ।

# খণ্ড - ৪
# গোট - ২
# ৰাধাকৃষ্ণণ আয়োগ ১৯৪৯

**গোট গঠন বিন্যাস (Unit Structure)**

**২.০ উদ্দেশ্য**

**২.১ প্ৰস্তৱনা**

**২.২ ৰাধাকৃষ্ণণ আয়োগ**

২.২.১ আয়োগৰ নিযুক্তি বা গঠণ

২..২.২ আয়োগ গঠনৰ উদ্দেশ্য আৰু কাৰ্য পৰিসৰ

২.২.৩ আয়োগৰ প্ৰতিবেদন দাখিল

২..২.৪ বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য

২..২.৫ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম

২.২.৬ স্নাতকোত্তৰ স্তৰৰ প্ৰশিক্ষণ আৰু গৱেষণা

২.২.৭ শিক্ষা

২.২.৮ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা

২.২.৯ বাণিজ্য শিক্ষা

২..২.১০ আইন শিক্ষা

২.২.১১ চিকিৎসা শিক্ষা

২.২.১২ গ্ৰামীণ বিশ্ববিদ্যালয়

২.২.১৩ বিশ্ববিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনা

২.২.১৪ বিশ্ববিদ্যালয়ৰ পুঁজি

২.২.১৫ বিশ্ববিদ্যালয়ৰ স্তৰৰ শিক্ষাদানৰ মান উন্নয়ন

২.২.১৬ শিক্ষকৰ মান আৰু স্থান উন্নয়ন

২.২.১৭ শিক্ষক প্ৰশিক্ষণ

২.২.১৮ ধৰ্মীয় শিক্ষা

২.২.১৯ নাৰী শিক্ষা
২.২.২০ শিক্ষাৰ মাধ্যম
২.২.২১ পৰীক্ষা ব্যৱস্থা
২.২.২২ ছাত্ৰ কল্যাণ
২.২.২৩ ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ মূল্যায়ন

**২.৩ সামৰণি**
ঘাই শব্দসমূহ
পাঠ্য নিৰ্দেশনা
সম্ভাব্য উত্তৰ
আৰ্হি প্ৰশ্ন
প্ৰসংগ পুথি

## ২.০ উদ্দেশ্য ঃ

গোটটো পঢ়াৰ পিছত তোমালোকে -

(ক) ১৯৪৯ চনৰ ৰাধাকৃষ্ণণ আয়োগে সম্পৰ্কে লিখিব পাৰিবা।

(খ) আয়োগ গঠনৰ উদ্দেশ্য আৰু কাৰ্য পৰিসৰ বৰ্ণনা কৰিব পাৰিবা।

(গ) বিশ্ববিদ্যালয় শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত আয়োগে প্ৰদান কৰা পৰামৰ্শৱলী আলোচনা কৰিব পাৰিবা।

(ঘ) আয়োগৰ বিভিন্ন পৰামৰ্শৱলীৰ সবল আৰু দুৰ্বল দিশসমূহ বিশ্লেষণ কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

তোমালোকে পূৰ্বৰ খণ্ডবোৰ পঢ়ি বৃটিশ শাসনৰ সময়ছোৱাত ভাৰতবৰ্ষৰ শিক্ষাৰ উন্নতিৰ বাবে গঠন কৰা বিভিন্ন আয়োগ, কমিটি, আইন, বিল, প্ৰতিবেদন ইত্যাদি সম্পৰ্কে জানিব পাৰিলা। এই খণ্ডৰ প্ৰথম গোটটো পঢ়ি তোমালোকে স্বাধীন ভাৰতৰ সংবিধানত সন্নিবিষ্ট বিভিন্ন শৈক্ষিক ক্ষেত্ৰৰ সাংবিধানিক সুবিধাবোৰৰ বিষয়ে এটা আভাস পালা। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰ পৰা বৰ্তমান সময়লৈকে বিভিন্ন স্তৰৰ শিক্ষাৰ বিকাশ আৰু উন্নতিৰ বাবে বিভিন্ন সময়ত বিভিন্ন আয়োগ, কমিটি গঠন, আইন প্ৰণয়ন ইত্যাদি কৰা হৈছে।

তোমালোকে নিশ্চয় বিশ্ববিদ্যালয় নামৰ ধাৰণাটোৰ স'তে পৰিচিত হৈছা। আনুষ্ঠানিক শিক্ষাৰ জখলাডালৰ সৰ্বোচ্চ স্তৰটোৱেই হৈছে বিশ্ববিদ্যালয় স্তৰ। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাক একেলগে বিশ্ববিদ্যালয় স্তৰৰ অন্তৰ্ভুক্ত কৰা হৈছে। তোমালোকে নিজকে বৰ্তমান বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয় স্তৰত অধ্যয়ন কৰি আছা।

ভাৰতবৰ্ষৰ বিভিন্ন মহাবিদ্যালয়সমূহত প্ৰচলিত নীতি-নিয়ম, পৰীক্ষা ব্যৱস্থা, পাঠ্যক্ৰম, শিক্ষা গ্ৰহণৰ সময়সীমা, শিক্ষকৰ যোগ্যতা ইত্যাদি সম্পৰ্কে জানিবলৈ চেষ্টা কৰিবাচোন। লগতে তোমালোকে ভাৰতবৰ্ষৰ উপৰিও বিশ্বৰ বিভিন্ন দেশৰ বিশ্ববিদ্যালয়, সেইসমূহৰ আন্তঃগাঁঠনি, ছাত্ৰ-ছাত্ৰী, পৰীক্ষা ব্যৱস্থা।

পাঠ্যক্ৰম, শিক্ষকৰ যোগ্যতা, বিভিন্ন সা-সুবিধা ইত্যাদি সম্পৰ্কে জানিবলৈ চেষ্টা কৰিবা।

**২.২ ৰাধাকৃষ্ণণ আয়োগ ঃ**

তোমালোকৰ সকলোৱে নিশ্চয় আমাৰ দেশ ভাৰতবৰ্ষই কেতিয়া বৃটিছ শাসনৰ কবলৰ পৰা মুক্ত হৈ স্বাধীনতা লাভ কৰিলে সেই কথাযাৰ জানা। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। ইয়াৰ আগলৈকে ১৬ শতিকাৰ পৰাই মিছনেৰীসকল, ইষ্ট ইণ্ডিয়া কোম্পানী আৰু বৃটিছসকলৰ প্ৰচেষ্টাত ভাৰতীয় শিক্ষাই বিকাশ আৰু প্ৰসাৰ লাভ কৰিছিল। গতিকে শিক্ষা ব্যৱস্থাত পাশ্চাত্য প্ৰভাৱে গা কৰি উঠিছিল। স্বাধীনতাৰ পিছত বৃটিছ শাসন কালছোৱাতে গঢ় লৈ শিক্ষা ব্যৱস্থা স্বাধীন ভাৰতৰ উচ্চ শিক্ষিত লোকৰ আশা আকাংক্ষা পূৰণ কৰাত কিমান দূৰ সক্ষম হৈছে তাক মূল্যায়ন আৰু বিবেচনা কৰাৰ প্ৰয়োজন আহি পৰিল। ১৯০২ চনৰ ২৭ জানুৱাৰীত চাৰ থমাচ বেলিৰ অধ্যক্ষতাত প্ৰথম বিশ্ববিদ্যালয়ৰ আয়োগ গঠন কৰা হয়। ১৯১৭ চনৰ ১৪ চেপ্তেম্বৰত ড° মাইকেল চেদলাৰক অধ্যক্ষ হিচাপে লৈ কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰা হয়। উক্ত আয়োগ অনুসৰি বিশ্ববিদ্যালয় শিক্ষাৰ প্ৰশাসনীয় ব্যৱস্থাৰ সংস্কাৰ সাধন, সম্প্ৰসাৰণ, ক্ৰিয়া পৰিসৰ বৃদ্ধি আৰু শৈক্ষিক মান উন্নত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। কিন্তু বিশ্ববিদ্যালয়ৰ শিক্ষাই স্বাধীন ভাৰতৰ যুৱক-যুৱতীসকলৰ প্ৰয়োজনীয় গুণসমূহ বিকশাই তোলাত বিফল হৈছিল। পাশ্চাত্য শিক্ষাৰ ভাৱ-অনুভূতি আৰু অভিজ্ঞতা আদিৰ অন্ধ আৰু যান্ত্ৰিক অনুকৰণে উচ্চ শিক্ষিত ভাৰতীয় ছাত্ৰ-ছাত্ৰীক নতুন মূল্যবোধৰ বিকাশত সহায় কৰিব পৰা নাছিল।

এনে কেতবোৰ সমস্যাৰ বাবে ভাৰতত তৃতীয়খন বিশ্ববিদ্যালয় আয়োগ গঠনৰ প্ৰয়োজনীয়তা আহি পৰিছিল। সেই উদ্দেশ্য আন্তঃবিশ্ববিদ্যালয় শিক্ষা সংস্থা (Inter University Board of Education) আৰু কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে (Central Advisory Board of Education) নৱগঠিত ভাৰত চৰকাৰক এখন বিশ্ববিদ্যালয়ত শিক্ষা আয়োগ গঠনৰ পৰামৰ্শ দিয়ে বিশ্ববিদ্যালয় আয়োগ গঠন, আয়োগ গঠনৰ উদ্দেশ্য আৰু কাৰ্য পৰিসৰ সম্পৰ্কে তলত আলোচনা কৰা হৈছে।

### ২.২.১ আয়োগৰ নিযুক্তি বা গঠন ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিলা যে আন্তঃবিশ্ববিদ্যালয় শিক্ষা সংস্থা আৰু কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে স্বাধীন ভাৰতত পুনৰ এখন বিশ্ববিদ্যালয় আয়োগ গঠন কৰিবলৈ পৰামৰ্শ দিছিল। উক্ত পৰামৰ্শক্ৰমে ১৯৪৮ চনৰ ৪ নৱেম্বৰত বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰা হয়। এই আয়োগৰ অধ্যক্ষ পদত বিশ্ববিখ্যাত দাৰ্শনিক তথা শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক নিযুক্তি প্ৰদান কৰা হৈছিল। সেইকাৰণে উক্ত আয়োগক ৰাধাকৃষ্ণণ আয়োগ নামেৰেও জনা যায়। অধ্যক্ষকে ধৰি মুঠ ১০ জন সদস্যক এই আয়োগত নিযুক্তি দিয়া হৈছিল। তেওঁলোকে আছিল -

১) ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ - সভাপতি অধ্যক্ষ

২) ড° লক্ষ্মণস্বামী মুডালিয়াৰ - উপাচাৰ্য, মাদ্ৰাজ বিশ্ববিদ্যালয়

৩) ড° তাৰা চান্দ - ভাৰত চৰকাৰৰ শিক্ষা উপদেষ্টা

৪) ড° ছাৰ জেমছ এছ, ডাফ - উপাচাৰ্য, ডাৰহাম বিশ্ববিদ্যালয়

৫) ড° জাকিৰ হুছেইন - উপাচাৰ্য, আলিগড় মুছলিম বিশ্ববিদ্যালয়

৬) ড° মেঘনাদ সাহা - অধ্যাপক

৭) ড° আৰ্থাৰ মৰ্গান - শিক্ষাবিশেষজ্ঞ, আমেৰিকা

৮) ড° কৰম নাৰায়ণ বাহল - প্ৰাণীবিদ্যাৰ অধ্যাপক, লক্ষ্ণৌ বিশ্ববিদ্যালয়।

৯) ড° জন জে, টিৰ্জাট - প্ৰাক্তন শিক্ষা আয়ুক্ত, আমেৰিকা

১০) ড° প্ৰফেছাৰ এন. কে. সিদ্ধান্ত - আয়োগৰ সচিব।

**আত্মমূল্যায়ন (ক)**

*(টোকা ঃ উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) ভাৰতবৰ্ষত প্ৰথমখন বিশ্ববিদ্যালয় আয়োগ কেতিয়া গঠন কৰা হৈছিল?

..........................................................................................

২) ১৯১৭ চনত গঠন কৰা বিশ্ববিদ্যালয় আয়োগ সভাপতি কোন আছিল?

..........................................................................................

৩) ১৯৪৮ চনত গঠন কৰা বিশ্ববিদ্যালয় আয়োগক আন কি নামেৰে জনা যায়?

..................................................................................................

৪) ১৯৪৮ চনৰ বিশ্ববিদ্যালয় আয়োগৰ সভাপতি কোন আছিল?

..................................................................................................

**২.২.২ ৰাধা কৃষ্ণণ আয়োগ গঠনৰ উদ্দেশ্য আৰু কাৰ্য পৰিসৰ ঃ**

তোমালোকে ইতিমধ্যে ৰাধাকৃষ্ণণ আয়োগ গঠনৰ পটভূমিৰ লগতে আয়োগৰ অধ্যক্ষ আৰু অন্যান্য নিযুক্তিপ্ৰাপ্ত সদস্য সম্পৰ্কে অৱগত হ'লা। তলত আয়োগ গঠনৰ উদ্দেশ্য আৰু কাৰ্য পৰিসৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

**ৰাধাকৃষ্ণণ আয়োগক প্ৰধানত ঃ** বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ ওপৰত প্ৰতিবেদন দাখিল কৰিবলৈ দিয়াৰ লগতে নিম্নোলিখিত দিশসমূহৰ অধ্যয়ন আৰু তাৰ ভিত্তিত চৰকাৰক পৰামৰ্শ দিবলৈ কোৱা হৈছিল।

১) বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য
২) ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ গাঁঠনি, নিয়ন্ত্ৰণ, কাৰ্য তথা সীমা সম্বন্ধীয় ক্ষেত্ৰত প্ৰয়োজনীয় পৰিৱৰ্তন আৰু ইয়াৰ সৈতে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ সম্পৰ্ক
৩) বিশ্ববিদ্যালয় াৰু সংবদ্ধ কলেজসমূহত উচ্চমানৰ গৱেষণা তথা শিক্ষণ কাৰ্য।
৪) বিশ্ববিদ্যালয়ৰ পুঁজি
৫) কলা, বিজ্ঞান আৰু প্ৰযুক্তিগত বিষয়ৰ পাঠ্যক্ৰম আৰু ইয়াৰ অধ্যয়নৰ সময়সীমা।
৬) বিশ্ববিদ্যালয় পৰ্যায়ৰ নামভৰ্তিকৰণ
৭) বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ মাধ্যম
৮) আঞ্চলিক বা আন তেনে কোনো ভিত্তিত নতুন বিশ্ববিদ্যালয় স্থাপন
৯) বিশ্ববিদ্যালয় পৰ্যায়ত ধৰ্ম সম্বন্ধীয় শিক্ষা

১০) উচ্চশিক্ষাৰ অনুষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহত উচ্চ পর্যায়ৰ অধ্যয়ন আৰু গৱেষণা

১১) বেনাৰস হিন্দু বিশ্ববিদ্যালয়, আলিগড় মুছলিম বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয় আৰু আন সর্বভাৰতীয় উচ্চ শিক্ষাৰ কেন্দ্রসমূহৰ সমস্যা

১২) শিক্ষকৰ অৰ্হতা, দৰমহা আৰু অন্যান্য সা-সুবিধা

১৩) ছাত্রৰ অনুশাসন, ছাত্রাবাস, টিউটৰিয়েল শ্রেণী আৰু আন কল্যাণমূলক আঁচনি।

১৪) নাৰী শিক্ষা সম্বন্ধে।

**আত্মমূল্যায়ন (খ)**

*(টোকা ঃ উত্তৰ লিখিবৰ বাবে প্রশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) ৰাধাকৃষ্ণণ আয়োগ গঠনৰ মূল উদ্দেশ্য কি আছিল? (২০টা শব্দৰ ভিতৰত)

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

২) ৰাধাকৃষ্ণণ আয়োগৰ দুটা কার্য পৰিসৰ বিষয়ে উল্লেখ কৰা। (২০টা শব্দৰ ভিতৰত)

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

**২.২.৩ আয়োগৰ প্ৰতিবেদন দাখিল ঃ**

তোমালোকে ইতিমধ্যে বিশ্ববিদ্যালয় আয়োগ গঠনৰ উদ্দেশ্য আৰু কাৰ্য পৰিসৰ সম্বন্ধে জানিব পাৰিলা। চৰকাৰে প্ৰদান কৰা উপৰোক্ত নিৰ্দ্দেশসমূহ বিবেচনা কৰাৰ অৰ্থে আয়োগৰ প্ৰথমখন বৈঠক ১৯৪৮ চনৰ ৬ নবেম্বৰত দিল্লীত অনুষ্ঠিত হয়। সেই সময়ৰ ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ পৰিস্থিতি সম্বন্ধে অৱগত হ'বৰ বাবে আয়োগে এখন প্ৰশ্নাৱলী প্ৰস্তুত কৰি দেশৰ শিক্ষাবিদ আৰু শিক্ষাৰ লগত জড়িত ব্যক্তিসকললৈ প্ৰেৰণ কৰি তেওঁলোকৰ মতামত সংগ্ৰহ কৰে। আয়োগে বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়বোৰলৈ গৈ ছাত্ৰ সংগঠনৰ প্ৰতিনিধি, শিক্ষা প্ৰশাসক আৰু শিক্ষা বিশেষজ্ঞসকলৰ সাক্ষাৎ গ্ৰহণ কৰি বিভিন্ন তথ্য সংগ্ৰহ কৰে আৰু ১৯৪৯ চনৰ ১৫ আগষ্টত ৭৮৭ পৃষ্ঠাজোৰা এই প্ৰতিবেদনত ভাৰতৰ উচ্চ শিক্ষাৰ সকলো দিশ সামৰি ইয়াৰ সংস্কাৰ তথা বিকাশৰ বাবে পৰামৰ্শ আগবঢ়োৱা হৈছে। আয়োগৰ এই পৰামৰ্শৱলী তলত আলোচনা কৰা হৈছে।

**২.২.৪ বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

ওপৰত উল্লেখ কৰা আয়োগৰ প্ৰতিবেদন অনুসৰি বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কীয় পৰামৰ্শ তলত আলোচনা কৰা হৈছে।

১) বিশ্ববিদ্যালয়ৰ শিক্ষাই স্বাধীন ভাৰতৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত যোগ্য নেতৃত্ব দিব পৰা ব্যক্তি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

২) আধুনিকতা, উন্নতি আৰু প্ৰগতিৰ নামত দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা ত্যাগ কৰাৰ পৰিৱৰ্তে বিশ্ববিদ্যালয়ৰ শিক্ষাই দেশৰ সভ্যতা, সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা কৰাৰ প্ৰতি যত্নপৰ হ'ব লাগে।

৩) সমাজৰ প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আদি আঁতৰ কৰি সমাজৰ অগ্ৰগতিত বিশ্ববিদ্যালয়ৰ শিক্ষাই অৰিহনা যোগাব লাগে। তাৰবাবে বিশ্ববিদ্যালয়সমূহক উপযুক্ত সংস্কাৰৰ মাজেৰে সভ্যতাৰ কেন্দ্ৰৰূপে গঢ় দিব লাগিব আৰু বিশ্ববিদ্যালয়সমূহে সভ্যতাৰ বুদ্ধিদীপ্ত

পথপ্ৰদৰ্শকসকলক গঢ়ি তুলিব লাগিব।

৪) বিশ্ববিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সুপ্ত প্ৰতিভা, গুণাৱলীৰ সন্ধান কৰি সেইবোৰৰ সৰ্বোচ্চ বিকাশ সাধন কৰিব লাগে।

৫) বিশ্ববিদ্যালয়সমূহে ছাত্ৰ-ছাত্ৰীৰ মাজত সুস্থ নাগৰিকত্বৰ বিকাশ সাধন কৰি ভাৰতবৰ্ষৰ গণতন্ত্ৰক সফল কৰাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব লাগে।

৬) বিশ্ববিদ্যালয়েসমূহে উচ্চ শিক্ষাৰ সৰ্বস্তৰৰ সাহিত্য, বিজ্ঞান, কাৰিকৰী আৰু ব্যৱসায়িক ক্ষেত্ৰৰ দাবীসমূহ পূৰণ কৰিব পাৰিব লাগে।

৭) বিশ্ববিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনত আধ্যাত্মিক ভাৱৰ বিকাশ সাধন কৰিব লাগে।

৮) বিশ্ববিদ্যালয়ৰসমূহ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উভয় দিশৰ বিকাশৰ প্ৰতি যত্নপৰ হ'ব লাগে।

**আত্মমূল্যায়ন (গ)**

*(**টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) বিশ্ববিদ্যালয়ৰ শিক্ষাৰ লক্ষ্য উদ্দেশ্য সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগে আগবঢ়োৱা যিকোনো দুটা পৰামৰ্শ লিখা। (৪৫টা শব্দৰ ভিতৰত)

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

### ২.২.৫ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম

ওপৰৰ আলোচনাৰপৰা তোমালোকে আয়োগৰ বিশ্ববিদ্যালয়ৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। তলত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কীয় আয়োগৰ পৰামৰ্শ আলোচনা কৰা হৈছে।

১) বিশ্ববিদ্যালয়ৰ প্ৰথম উপাধি স্তৰ অৰ্থাৎ মহাবিদ্যালয় স্তৰটো ৩ বছৰীয়া হ'ব লাগে।

২) সাধাৰণ শিক্ষাৰ অনাৰ্চ আৰু পাছ কোৰ্ছ উভয় ছাত্ৰ-ছাত্ৰীয়ে তলত দিয়া পাঠ্যক্ৰম অধ্যয়ন কৰিব লাগিব।

(ক) ৰাষ্ট্ৰীয় ভাষা। যদি এই ভাষা মাতৃভাষা হয় তেন্তে পৌৰাণিক বা আধুনিক ইংৰাজী ভাষা অধ্যয়ন কৰিব লাগিব।

(খ) ইংৰাজী আৰু

(গ) কলা বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে তলৰ ভাষাসমষ্টিৰ পৰা আন দুটা বিষয় বাচি ল'ব পাৰিব।

১ম সমষ্টি ঃ এটা পৌৰাণিক বা আধুনিক ভাৰতীয় ভাষা, ইংৰাজী, ফৰাচী বা জাৰ্মান ভাষা, দৰ্শন, ইতিহাস, গণিত, সুকুমাৰ কলা ইত্যাদি।

২য় সমষ্টি ঃ ৰাজনীতি, অৰ্থনীতি, সমাজবিদ্যা, ভূগোল, মনোবিজ্ঞান, গৃহ অৰ্থনীতি, পুৰাতত্ত্ব ইত্যাদি।

(ঘ) বিজ্ঞান বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে তলৰ বিষয়সূচীৰ পৰা দুটা বিষয় বাচি ল'ব পাৰে। গণিত, পদাৰ্থবিজ্ঞান, ৰাসায়নবিজ্ঞান, উদ্ভিদবিদ্যা, প্ৰাণীবিদ্যা, ভূ-বিদ্যা ইত্যাদি।

### ২.২.৬ স্নাতকোত্তৰ স্তৰৰ প্ৰশিক্ষণ আৰু গৱেষণা ঃ

ইতিমধ্যে তোমালোকে স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰম সম্পৰ্কীয় আয়োগৰ পৰামৰ্শ জানিব পাৰিলা। এতিয়া স্নাতকোত্তৰ স্তৰৰ প্ৰশিক্ষণ আৰু গৱেষণা সম্পৰ্কীয় আয়োগৰ পৰামৰ্শ আলোচনা কৰা হ'ব।

১) এম.এ. অথবা এম.এছ.চি. পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চমানৰ বৌদ্ধিক

বিকাশৰ অৰ্থে প্ৰশিক্ষণ দিব লাগে।

২) স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অতি উচ্চ মানৰ শৈক্ষিক কৃতিত্ব প্ৰদৰ্শন কৰিব পাৰিব লাগিব।

৩) এই পৰ্যায়ৰ পৰীক্ষাসমূহ লিখিত আৰু মৌখিক দুয়োবিধ হ'ব লাগিব আৰু বিজ্ঞান বিষয়ৰ অৰ্থে ব্যৱহাৰিক (Practical) পৰীক্ষাৰ ব্যৱস্থা থাকিব।

৪) পি. এইচ. ডি. উপাধি বিতৰণৰ ক্ষেত্ৰত সৰ্বভাৰতীয় বিত্তিতহে শিক্ষাৰ্থী নিৰ্বাচন কৰি ল'ব লাগিব।

৫) গৱেষণা কাৰ্যৰ বাবে বিশ্ববিদ্যালয়সমূহে বিশেষ তত্ত্বাৱধায়ক আৰু প্ৰয়োজনীয় সা-সুবিধা প্ৰতি লক্ষ্য ৰাখিব লাগিব।

৬) তত্ত্বাৱধায়কগৰাকী গৱেষণাৰ অৰ্থে নিৰ্বাচিত বিষয়টোত বিশেষজ্ঞ হ'ব লাগিব।

৭) তত্ত্বাৱধায়কগৰাকীয়ে সপ্তাহত এবাৰকৈ গৱেষক শিক্ষাৰ্থীগৰাকীৰ সৈতে গৱেষণাৰ বিভিন্ন দিশৰ আলোচনা কৰাৰ লগতে গৱেষণা পত্ৰৰ প্ৰাৰম্ভিক টোকা সম্পৰ্কে আলোচনা কৰিব।

৮) গৱেষণা কাৰ্যৰ সময়সীমা দুবছৰীয়া হ'ব লাগিব।

৯) দুখীয়া আৰু প্ৰতিভাৱান গৱেষক শিক্ষাৰ্থীৰ বাবে স্কলাৰশ্বিপ ব্যৱস্থাৰ দ্বাৰা আৰ্থিক সাহায্য আগবঢ়াব লাগিব।

১০) যিহেতু গৱেষক শিক্ষাৰ্থীয়ে তথ্য সংগ্ৰহৰ বাবে বিভিন্ন ঠাইলৈ যাব লগা হ'ব পাৰে, সেয়েহে তেওঁলোকৰ বাবে নিয়মীয়াকৈ ছাত্ৰাবাসত থকাৰ নিয়ম থাকিব নালাগে।

১১) গৱেষক শিক্ষাৰ্থীগৰাকীক তিনিজন পৰীক্ষকে পৰীক্ষা কৰিব। এওঁলোকৰ এজন আভ্যন্তৰীণ আৰু বাকী দুজন বাহিৰৰ হ'ব।

১২) উচ্চমানৰ গৱেষণা পত্ৰ (Thesis) প্ৰকাশৰ বাবে বিশ্ববিদ্যালয়ে আৰ্থিক সাহায্য প্ৰদান কৰিব লাগিব।

১৩) কলা, সুকুমাৰ কলা, পৌৰাণিক ভাষা আদিৰ ক্ষেত্ৰত গৱেষণাৰ বাবে বিশেষ সাহাৰ্য্য প্ৰদান কৰাত বিশ্ববিদ্যালয়সমূহে ভূমিকা ল'ব লাগে।

**আত্মমূল্যায়ন (ঘ)**

*(টোকা ঃ উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) ৰাধাকৃষ্ণণ আয়োগৰ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কীয় যিকোনো এটা পৰামৰ্শ উল্লেখ কৰা। (১০-১৫টা শব্দৰ ভিতৰত)

........................................................................................................

........................................................................................................

........................................................................................................

২) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগৰ স্নাতকোত্তৰ স্তৰৰ প্ৰশিক্ষণ আৰু গৱেষণা সম্বন্ধীয় তিনিটা পৰামৰ্শ উল্লেখ কৰা। (৪০টা শব্দৰ ভিতৰত)

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

**২.২.৭ কৃষি শিক্ষা**

তোমালোকে পূৰ্বৰ আলোচনাৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ প্ৰশিক্ষণ আৰু গৱেষণাৰ ক্ষেত্ৰত আয়োগৰ পৰামৰ্শ সম্পৰ্কে জানিব পাৰিলা। তলত আয়োগৰ কৃষি শিক্ষা সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰা হৈছে।

১) ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। সেয়েহে বিশ্ববিদ্যালয়ে কৃষি শিক্ষাক এক গুৰুত্বপূৰ্ণ জাতীয় দিশ হিচাপে বিবেচনা কৰিব লাগে।

২) কৃষি সম্বন্ধীয় জ্ঞান থকা ব্যক্তি, দল বা সংগঠনৰ হাততহে কৃষি শিক্ষা, কৃষিমূলক গৱেষণা আৰু কৃষি নীতি যুগুত কৰা দায়িত্ব অৰ্পণ কৰিব লাগে।

৩) কৃষি সম্পৰ্কীয় প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিবলৈ কৃষি শিক্ষাক গ্ৰাম্য পৰিৱেশত প্ৰদান কৰিব লাগে।

৪) কৃষি মহাবিদ্যালয়সমূহৰ উন্নতি সাধন কৰিবৰ বাবে উপযুক্ত পৰিমাণৰ সা-সঁজুলি আৰু শিক্ষকৰ ব্যৱস্থা কৰিব লাগে।

৫) কৃষি শিক্ষাৰ উন্নয়নৰ বাবে নতুন কৃষি মহাবিদ্যালয় স্থাপন কৰি সেইসমূহক গ্ৰামীণ বিশ্ববিদ্যালয়ৰ সৈতে সম্পৰ্ক স্থাপন কৰিব লাগে।

৬) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৃষি বিষয়ক পৰীক্ষা নিৰীক্ষাৰ বাবে পৰীক্ষামূলক কৃষি পামৰ ব্যৱস্থা কৰিব লাগে।

৭) প্ৰতিখন নিম্ন বুনিয়াদী বিদ্যালয়, গ্ৰামীণ মাধ্যমিক বিদ্যালয় আৰু গ্ৰামীণ বিশ্ববিদ্যালয়সমূহত একোখনকৈ কৃষি নিৰীক্ষণ পাম থাকিব লাগে।

৮) কৃষি গৱেষণা কেন্দ্ৰসমূহ বিকাশৰ বাবে কৃষি গৱেষণা কেন্দ্ৰসমূহক অধিক সাহায্য প্ৰদান কৰিব লাগে।

**২.২.৮ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা ঃ**

তোমালোকে আয়োগৰ কৃষি শিক্ষা সম্পৰ্কীয় পৰামৰ্শৰ ওপৰত এটা আভাস পালা। আয়োগৰ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা সম্পৰ্কীয় পৰামৰ্শ হ'ল এনেধৰণৰ -

১) বৰ্তমানৰ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাকেন্দ্ৰসমূহক দেশৰ বিশেষ সম্পদ হিচাপে লৈ সেইবোৰক অধিক উপযুক্ত আৰু ব্যৱহাৰিকভাৱে উন্নত মানৰ কৰি তুলিব লাগিব।

২) অধিক সংখ্যক ফোৰমেন, ড্ৰাফটমেন, অভাৰচিয়াৰ আদি প্ৰস্তুত কৰিবৰ বাবে বিভিন্ন বিষয়ৰ অভিযান্ত্ৰিক কেন্দ্ৰ স্থাপন কৰিব লাগে।

৩) বিভিন্ন অভিযান্ত্ৰিক শাখাৰ পাঠ্যসূচী এক বছৰ বা ততোধিক সময়লৈকে একে হোৱা উচিত।

৪) বৰ্তমানৰ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ কলেজসমূহক স্নাতকোত্তৰ স্তৰলৈ উন্নীত কৰি সেইবোৰত বিশেষ কিছুমান বিষয়ৰ গৱেষণাৰ সা-সুবিধা প্ৰদান কৰিব লাগে।

৫) স্নাতক পৰ্যায়ৰ অভিযন্তা বা অভিযান্ত্ৰিক বিজ্ঞানীক আমেৰিকা বা আন দেশৰ অনুষ্ঠানত বিশেষ প্ৰশিক্ষণ দিবলৈ অনুসন্ধান কৰিব লাগে।

### ২.২.৯ বাণিজ্য শিক্ষা

আয়োগৰ বাণিজ্য শিক্ষা সম্পৰ্কীয় পৰামৰ্শবোৰ তলত আলোচনা কৰা হৈছে -

১) স্নাতকোত্তৰ পৰ্যায়ৰ বাণিজ্য শিক্ষা পুথিগত হ'ব নালাগিব।

২) বাণিজ্য শিক্ষাৰ বিষয়সূচীত ব্যৱহাৰিক (Practical) কৰ্মক গুৰুত্ব প্ৰদান কৰিব লাগে আৰু তাৰ বাবে শিক্ষাৰ্থীসকলক তিনি বা চাৰিখন পামত প্ৰশিক্ষণৰ সুযোগ প্ৰদান কৰিব লাগে।

৩) স্নাতক উপাধি লাভ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীক হিচাপ পৰীক্ষণ বা তেনে ধৰণৰ আন বিষয়ত প্ৰশিক্ষণপ্ৰাপ্ত হ'বৰ বাবে অনুপ্ৰাণিত কৰিব লাগে।

**আত্মমূল্যায়ন (৬)**

*(**টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) কৃষি শিক্ষা সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগৰ দুটা পৰামৰ্শ চমুকৈ লিখা। (৩০টা শব্দৰ ভিতৰত)

................................................................................

................................................................................

................................................................................

................................................................................

২) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগে অভিযান্ত্রিক আৰু প্রযুক্তিবিদ্যা সম্পৰ্কে আগবঢ়োৱা এটা পৰামৰ্শ লিখা। (২০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

৩) ৰাধাকৃষ্ণণ আয়োগৰ বাণিজ্য শিক্ষা সম্পৰ্কীয় দুটা পৰামৰ্শ উল্লেখ কৰা। (২০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ২.২.১০ আইন শিক্ষা

পূৰ্বৰ আলোচনাৰ পৰা তোমালোকে আয়োগৰ বাণিজ্য শিক্ষা সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা । তলত আয়োগৰ আইন শিক্ষা সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰা হৈছে।

১) দেশৰ আইন শিক্ষা ব্যৱস্থাত থকা বৈষম্য আঁতৰ কৰি আইন মহাবিদ্যালয়সমূহক পুনৰ গঠন কৰিব লাগিব।

২) বিশ্ববিদ্যালয়ত আন আন বিষয়ৰ শিক্ষাদানৰ দৰে আইন শিক্ষা প্ৰদানৰো ব্যৱস্থা কৰিব লাগে।

৩) আইন শিক্ষা বিভাগত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰিব লাগে।

৪) প্ৰাক্-আইন আৰু সাধাৰণ বিষয়সূচীৰ তিনি বছৰীয়া উপাধি থাকিলেহে ছাত্ৰ-ছাত্ৰীয়ে আইন বিভাগত প্ৰৱেশৰ অনুমতি পাব।

৫) আইন মহাবিদ্যালয়ৰ শিক্ষকসকল পূৰ্ণকালীন বা অংশকালীন দুয়োপ্ৰকাৰৰ হ'ব পাৰে।

### ২.২.১১ চিকিৎসা শিক্ষা

আয়োগৰ চিকিৎসা শিক্ষা সম্পৰ্কীয় পৰামৰ্শবোৰ হ'ল -

১) চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ সংখ্যা ১০০ জনৰ অধিক হ'ব নালাগিব।

২) সকলো বিভাগৰ অৰ্থে মহাবিদ্যালয়ৰ চৌহদত আবাসিক সা-সুবিধা প্ৰদান কৰিব লাগে।

৩) নিম্ন স্নাতক আৰু স্নাতক উভয় পৰ্যায়তে ছাত্ৰ-ছাত্ৰীৰ প্ৰশিক্ষণৰ বাবে গ্ৰামীণ অঞ্চলৰ কেন্দ্ৰসমূহত ব্যৱস্থা কৰিব লাগিব।

৪) ভাৰতীয় চিকিৎসা পদ্ধতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাচীন ভাৰতীয় চিকিৎসাৰ শিক্ষা প্ৰদান কৰিব লাগে।

৫) জনস্বাস্থ্য আৰু প্ৰতিপালন সম্বন্ধীয় দিশত বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগে।

### ২.২.১২ গ্ৰামীণ বিশ্ববিদ্যালয়

ওপৰৰ আলোচনাৰ পৰা তোমালোকে আয়োগৰ চিকিৎসা শিক্ষা সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। তলত আয়োগৰ গ্ৰামীণ বিশ্ববিদ্যালয় সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰা হৈছে।

১) ভাৰতবৰ্ষত গাঁও অঞ্চলত কিছুসংখ্যক গ্ৰামীণ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।

২) এই মহাবিদ্যালয়ৰ বা বিশ্ববিদ্যালয়সমূহত ছাত্ৰৰ সংখ্যা ৩০০ ৰ পৰা ২৫০০ ৰ ভিতৰত হ'ব লাগিব।

৩) গ্ৰাম্য অঞ্চলৰ সংবদ্ধ মহাবিদ্যালয়ৰ দ্বাৰা গ্ৰামীণ বিশ্ববিদ্যালয় গঠন হ'ব আৰু ইয়াত এখন বিশ্ববিদ্যালয়ত থাকিবলগা সকলো সুবিধা থাকিব।

৪) প্ৰত্যেকখন গ্ৰামীণ মহাবিদ্যালয়তে পৃথক ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু সা-সুবিধা ব্যৱস্থা থাকিব যদিও পুঁথিভৰাল, পৰীক্ষাগাৰ, খেলা-ধূলা, চিকিৎসা ইত্যাদি দিশসমূহত বহুকেইখন মহাবিদ্যালয় একগোট হৈ থাকিব পাৰে।

৫) গ্ৰামীন বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সাধাৰণ শিক্ষাৰ সৈতে একে হ'লেও শিক্ষণ পদ্ধতি আৰু জ্ঞান আহৰণৰ পদ্ধতি বেলেগ হ'ব লাগে।

৬) গ্ৰামীণ বিশ্ববিদ্যালয়ৰ সাধাৰণ পাঠ্যক্ৰমৰ সৈতে ব্যৱহাৰিক বিষয়সমূহকো অন্তৰ্ভুক্ত কৰিব লাগে।

**আত্মমূল্যায়ন (চ)**

(***টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষ থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।*)

১) ৰাধাকৃষ্ণণ আয়োগৰ আইন শিক্ষা সম্পৰ্কীয় যিকোনো দুটা পৰামৰ্শ উল্লেখ কৰা। (২৫টা শব্দৰ ভিতৰত)

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

২) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগে আগবঢ়োৱা চিকিৎসা শিক্ষা সম্পৰ্কীয় তিনিটা পৰামৰ্শ উল্লেখ কৰা। (৩০টা শব্দৰ ভিতৰত)

.......................................................................................

.......................................................................................

.......................................................................................

.................................................................................

.................................................................................

.................................................................................

৩) গ্ৰামীণ বিশ্ববিদ্যালয় সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগৰ দুটা পৰামৰ্শ লিখা। (২০টা শব্দৰ ভিতৰত)

.................................................................................

.................................................................................

.................................................................................

.................................................................................

**২.২.১৩ বিশ্ববিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনা**

ইতিমধ্যে তোমালোকে ৰাধাকৃষ্ণণ আয়োগৰ বৃত্তিমুখী শিক্ষা আৰু গ্ৰামীণ বিশ্ববিদ্যালয় সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। তলত আয়োগৰ প্ৰশাসন আৰু পৰিচালনা সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰা হৈছে।

প্ৰশাসন আৰু পৰিচালনাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহত তলত দিয়াৰ দৰে গাঁঠনি থাকিব লাগিব।

১) পৰিদৰ্শক

২) আচাৰ্য

৩) উপাচাৰ্য

৪) চিনেট সভা বা কোটি

৫) কাৰ্যবাহী পৰিষদ

৬) শিক্ষা পৰিষদ

৭) শিক্ষা বিভাগ

৮) অধ্যয়ন বৰ্ড

৯) পুঁজি সমিতি

১০) নিৰ্বাচন সমিতি

**২.২.১৪ বিশ্ববিদ্যালয়ৰ পুঁজি**

ৰাধাকৃষ্ণণ আয়োগে বিশ্ববিদ্যালয়ৰ পুঁজি সম্পৰ্কত তলত দিয়াৰ দৰে পৰামৰ্শ আগবঢ়াইছে -

১) বিশ্ববিদ্যালয়সমূহলৈ পুঁজি নিৰ্ধাৰণ আৰু যোগান ধৰাৰ অৰ্থে বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grant Commission) গঠন কৰিব লাগে।

২) পুঁজিৰ যোগানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহেও বহন কৰিব লাগিব।

**২.২.১৫ বিশ্ববিদ্যালয় স্তৰত শিক্ষাদানৰ মান উন্নয়ন**

ওপৰৰ আলোচনাৰ পৰা তোমালোকে আয়োগৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসন আৰু পুঁজি সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। তলত আয়োগৰ শিক্ষাদানৰ মান উন্নয়ন সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰা হৈছে -

১) প্ৰচলিত ইন্টাৰমিডিয়েট পৰীক্ষা পাছ কৰাৰ পাছতহে শিক্ষাৰ্থীসকলে বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ অন্তৰ্ভুক্ত হ'ব পাৰিব।

২) বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ মান উন্নীতকৰণৰ বাবে বৰ্তমানৰ ইন্টাৰমিডিয়েট স্তৰৰ শিক্ষাৰ মান উন্নত হ'ব লাগিব।

৩) প্ৰতিখন ৰাজ্যতে বহুসংখ্যক ইন্টাৰমিডিয়েট কলেজ প্ৰতিষ্ঠা কৰাৰ লগতে উপযুক্ত সংখ্যক শিক্ষকক নিযুক্তি আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰিব লাগিব।

৪) ইন্টাৰমিডিয়েট স্তৰৰ শিক্ষাৰ্থীসকলে শিক্ষা ল'বৰ কাৰণে যথেষ্ট সংখ্যক ব্যৱসায়িক আৰু বৃত্তিমূলক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব লাগে।

৫) শিক্ষাদান কামৰ সুবিধাৰ্থে বিশ্ববিদ্যালয়ত ৩ হেজাৰ আৰু সংবদ্ধ কলেজত ১৫ শতকৈ অধিক ছাত্ৰ-ছাত্ৰী হ'ব নালাগে।

৬) পৰীক্ষাৰ দিনকেইটা বাদ দি বছৰটোৰ মুঠ পাঠদান  কাৰ্যসূচী ১৮০ দিনৰ কম হ'ব নালাগিব।

৭) সকলো উচ্চ শিক্ষাৰ অনুষ্ঠানৰ পুথিভঁৰালসমূহ উন্নত মানৰ হ'ব লাগিব।

৮) স্নাতকোত্তৰ আৰু পি.এইচ.ডি. উপাধি পৰ্যায়ত আলোচনা চক্ৰৰ (Seminar) ব্যৱস্থা থাকিব লাগিব।

**আত্মমূল্যায়ন (ছ)**

*(**টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) বিশ্ববিদ্যালয়ৰ পুঁজি সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগৰ যিকোনো এটা পৰামৰ্শ লিখা। (১০-১৫টা শব্দৰ ভিতৰত)

.....................................................................................

.....................................................................................

.....................................................................................

২) বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাদানৰ মান উন্নয়নৰ বাবে ৰাধাকৃষ্ণণ আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ উল্লেখ কৰা। (৩০টা শব্দৰ ভিতৰত)

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

**২.২.১৬ শিক্ষকৰ মান আৰু স্থান উন্নয়ন**

পূৰ্বৰ আলোচনাৰ পৰা তোমালোকে আয়োগৰ শিক্ষাদানৰ মান উন্নয়ন সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। তলত আয়োগৰ শিক্ষকৰ মান আৰু স্থান উন্নয়ন সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে আলোচনা কৰা হৈছে।

১) শিক্ষকসকলৰ ভৱিষ্যনিধি পুঁজিৰ বাবে তেওঁলোকৰ পৰা ৮ শতাংশ আৰু বিশ্ববিদ্যালয়ৰ ফালৰ পৰা ৮ শতাংশ বৰঙণি আগবঢ়োৱা বাঞ্ছনীয়।

২) শিক্ষকসকলৰ কাৰণে বিশ্ববিদ্যালয়ৰ আশে পাশে আৱাসিক সুবিধা প্ৰদান কৰিব লাগে।

৩) সাধাৰণতে শিক্ষকসকলৰ অৱসৰৰ বয়স ৬০ বছৰ হোৱা উচিত যদিও বিশেষ অৰ্হতাৰ খাতিৰত এই সময়সীমা ৪ বছৰলৈ বৃদ্ধি কৰিব পাৰি।

৪) শিক্ষক অৰ্থে বিশেষ অধ্যয়ন ছুটীৰ (study leave) ব্যৱস্থা থাকিব লাগে।

৫) যিসকল শিক্ষকে পাঠদান আৰু গৱেষণা দুয়োটা কাৰ্যতে জড়িত হৈ আছে তেওঁলোকৰ বাবে সপ্তাহত ১২ ৰ পৰা ১৫ টা পাঠদান কাৰ্যসূচী হোৱাটো প্ৰয়োজন।

৬) টিউটৰিয়েল শ্ৰেণীকে ধৰি এজন শিক্ষকৰ সপ্তাহত ১৮ টাতকৈ অধিক পাঠদান কাৰ্যসূচী হ'ব নালাগে।

৭) প্ৰবক্তা (লেকচাৰাৰ) আৰু নিৰ্দেশক (ইন্স্ট্ৰাকটৰত) ৰ সংখ্যা প্ৰাধ্যাপক (প্ৰফেছাৰ) আৰু অধ্যাপকৰ (ৰিডাৰ) সংখ্যাৰ সৈতে অনুপাতিক হাৰ ২:১ হ'ব লাগিব।

৮) প্ৰত্যেক বিশ্ববিদ্যালয়তে কিছুসংখ্যক গৱেষক ছাত্ৰ বা ৰিচাৰ্চফেল' থাকিব লাগিব।

৯) আয়োগে বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষকৰ দৰমহা নিম্নলিখিত ধৰণৰ হ'ব লাগে বুলি মত প্ৰকাশ কৰে।

বিশ্ববিদ্যালয় পৰ্যায় -

(ক) প্ৰাধ্যাপক (প্ৰফেছাৰ) - ৯০০-৫০-১,৩৫০ প্ৰতি মাহে

(খ) অধ্যাপক (ৰিডাৰ) - ৬০০-৩০-৯০০ প্ৰতি মাহে

(গ) প্ৰৱক্তা (লেকচাৰাৰ) - ৩০০-২৫-৬০০ প্ৰতি মাহে

(ঘ) ইন্স্ট্ৰাকটৰ (নিৰ্দেশক) ফেল - ২৫০-২৫-৫০০ প্ৰতি মাহে

(ঙ) গৱেষক ছাত্ৰ (ৰিছাৰ্চ ফেল) - ২৫০-২৫-৫০০ প্ৰতি মাহে

স্নাতকোত্তৰ মহাবিদ্যালয় -

(ক) অধ্যক্ষ - ৮০০-৫০-১০০০ প্ৰতি মাহে

(খ) জেষ্ঠ শিক্ষক (অন্ততঃ দুজন) ৫০০-২৫--৮০০ প্ৰতি মাহে

(গ) প্ৰৱক্তা - ২০০-১৫-৩১০-২০-৪০০-২৫-৫০০ প্ৰতি মাহে

স্নাতক মহাবিদ্যালয় -

(ক) অধ্যক্ষ - ৬০০-৪৫-৮০০ প্ৰতি মাহে

(খ) জেষ্ঠ শিক্ষক (অন্ততঃ ২জন) ৪০০--২৫-৬০০ প্ৰতি মাহে

(গ) প্ৰৱক্তা - ২০০-১৫-৩২০-২০-৪০০ প্ৰতি মাহে

**২.২.১৭ শিক্ষক প্ৰশিক্ষণ**

তোমালোকে ইতিমধ্যে শিক্ষকৰ মান, স্থান আৰু বেতন সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। তলত আয়োগৰ শিক্ষক প্ৰশিক্ষণ সম্বন্ধীয় পৰামৰ্শ আলোচনা কৰা হৈছে -

১) শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানবোৰত প্ৰচলিত বিষয়সূচীৰ পৰিৱৰ্তন সাধন কৰিব লাগে।

২) প্ৰশিক্ষাৰ্থীসকলে পাঠদান অভ্যাস গঠনৰ বাবে স্কুলত অধিক সময় খৰছ কৰিব পৰাকৈ বিশেষ সূচী তৈয়াৰ কৰিব লাগে।

৩) অভ্যাস শিক্ষণ পাঠদান (Practice teraching) ৰ বাবে কেইখনমান বিদ্যালয় বাছি ল'ব লাগিব।

৪) এক সৰ্বভাৰতীয় আঁচনিৰ ভিত্তিত প্ৰফেছাৰ আৰু লেকচাৰাৰসকলৰ প্ৰশিক্ষণ সম্বন্ধীয় মৌলিক কাৰ্য গঢ়ি তুলিব লাগিব।

**আত্মমূল্যায়ন (জ)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শ অনুসৰি বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপকৰ মাহিলি দৰমহা কিমান ধাৰ্য় কৰা হৈছে?

..........................................................................................

২) বিশ্ববিদ্যালয়ৰ শিক্ষা আয়োগৰ শিক্ষকৰ মান আৰু স্থান সম্পৰ্কীয় দুটা পৰামৰ্শ লিখা। (২০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

৩) শিক্ষক প্ৰশিক্ষণৰ ক্ষেত্ৰত ৰাধাকৃষ্ণণ আয়োগে আগবঢ়োৱা যিকোনো দুটা পৰামৰ্শ উল্লেখ কৰা। (২৫টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

**২.২.১৮ ধৰ্মীয় শিক্ষা**

ওপৰৰ আলোচনাৰপৰা তোমালোকে আয়োগৰ শিক্ষক প্ৰশিক্ষণ সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। তলত আয়োগৰ ধৰ্মীয় শিক্ষা,

নাৰী শিক্ষা আৰু শিক্ষাৰ মাধ্যম সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰা হ'ব।

১) প্ৰতিখন শিক্ষানুষ্ঠানতে শ্ৰেণী আৰম্ভ হোৱাৰ আগে আগে কেই মিনিটমান সময়ৰ বাবে ছাত্ৰ-ছাত্ৰীক মৌন ধ্যান (Silent meditation) কৰিবলৈ দিব লাগে।

২) প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীক গৌতম বুদ্ধ, কনফুচিয়াচ্, চক্ৰেটিছ, যীশুখ্ৰীষ্ট, শংকৰ, ৰামানুজ, মাধৱ, মহম্মদ, কবীৰ, নানক, গান্ধী ইত্যাদি ধৰ্মপ্ৰচাৰক আৰু ধৰ্মীয় নেতাসকলৰ জীৱনী সম্বন্ধে শিক্ষা প্ৰদান কৰিব লাগে।

৩) দ্বিতীয় বৰ্ষত বিভিন্ন ধৰ্ম শাস্ত্ৰত উল্লেখ থকা কিছুমান চৰিত্ৰ নিৰ্বাচিত কৰি সেই চৰিত্ৰসমূহৰ ওপৰত শিক্ষাদান কৰিব লাগে।

৪) তৃতীয় বৰ্ষত ধৰ্ম দৰ্শনৰ মূল সমস্যাসমূহৰ বিষয়ে শিক্ষাদান কৰিব লাগে।

**২.২.১৯ নাৰী শিক্ষা ঃ**

আয়োগৰ নাৰী শিক্ষা সম্বন্ধীয় পৰামৰ্শবোৰ হ'ল -

১) নাৰীসকলৰ বিশেষ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি নাৰীসকল উপকৃত হ'ব পৰাকৈ বিশেষভাৱে শিক্ষা প্ৰদান কৰিব লাগে।

২) নাৰী শিক্ষাৰ বিকাশ আৰু উন্নতিৰ বাবে সকলো সু-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

৩) নাৰী শিক্ষাৰ পাঠক্ৰমত গাৰ্হস্থ্য বিজ্ঞান, গৃহ-অৰ্থনীতি আদি বিষয় অন্তৰ্ভুক্ত কৰিব লাগে।

৪) সহ-শিক্ষাৰ সুবিধা থকা শিক্ষানুষ্ঠানত সহশিক্ষাৰ সাধাৰণ সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

৫) মহিলা শিক্ষয়িত্ৰীসকলকো পুৰুষ শিক্ষকৰ সমানে দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**২.২.২০ শিক্ষাৰ মাধ্যম ঃ**

শিক্ষাৰ মাধ্যম সম্পৰ্কীয় আয়োগৰ পৰামৰ্শ হ'ল এনেধৰণৰ -

১) উচ্চ শিক্ষাৰ মাধ্যম বৰ্তমানৰ ইংৰাজী ভাষাৰ সলনি আধুনিক ভাৰতীয় ভাষা হ'ব লাগে।

২) মাধ্যমিক আৰু উচ্চ পৰ্যায়ৰ শিক্ষাত আঞ্চলিক বা মাতৃভাষা, ৰাষ্ট্ৰীয় ভাষা তথা ইংৰাজী ভাষা শিকাব পাৰিব।

৩) ৰাষ্ট্ৰীয় ভাষাৰ উপৰিও আঞ্চলিক ভাষাসমূহকো বিকশিত আৰু চহকী কৰিবৰ বাবে প্ৰচেষ্টা হাতত ল'ব লাগিব।

৪) ভাৰতীয় উচ্চাৰণৰ সৈতে সামঞ্জস্য ৰাখি বিজ্ঞান আৰু কাৰিকৰী দিশত ব্যৱহাৰ হোৱা আন্তঃৰাষ্ট্ৰীয় শব্দাৱলীৰ প্ৰয়োগৰ কথাও বিবেচনা কৰিব লাগে।

৫) মাধ্যমিক, কলেজ আৰু বিশ্ববিদ্যালয়ৰ স্তৰত ইংৰাজী ভাষাক এটা বিষয় হিচাপে প্ৰদান কৰিব লাগে।

৬) সংস্কৃত ভাষাৰ গুৰুত্ব আছে যদিও এই ভাষাক মাধ্যম ৰূপে ব্যৱহাৰ কৰিব পৰা নাযাব।

**আত্মমূল্যায়ন (ঝ)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) ৰাধাকৃষ্ণণ আয়োগৰ ধৰ্মীয় শিক্ষা সম্পৰ্কীয় দুটা পৰামৰ্শ লিখা। (২০-৪০টা শব্দৰ ভিতৰত)

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

২) নাৰী শিক্ষাৰ ক্ষেত্ৰত ৰাধাকৃষ্ণণ আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ উল্লেখ কৰা। (২৫টা শব্দৰ ভিতৰত)

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

৩) শিক্ষাৰ মাধ্যম সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগৰ যিকোনো দুটা পৰামৰ্শ লিখা। (৩০টা শব্দৰ ভিতৰত)

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

**২.২.২১ পৰীক্ষা ব্যৱস্থা ঃ**

তোমালোকে ইতিমধ্যে আয়োগৰ ধৰ্মীয় শিক্ষা, নাৰী শিক্ষা, শিক্ষাৰ মাধ্যম সম্পৰ্কীয় পৰামৰ্শৰ বিষয়ে অৱগত হ'লা। তলত আয়োগৰ পৰীক্ষা ব্যৱস্থা সম্বন্ধীয় পৰামৰ্শ আলোচনা কৰা হৈছে।

১) ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয় আৰু বিশ্ববিদ্যালয়সমূহে প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ গুণা-গুণ বিশ্লেষণ কৰি পৰীক্ষা ব্যৱস্থাৰ দোষ সমূহ আঁতৰ কৰাৰ উপায় উদ্ভাৱন কৰিব লাগে।

২) প্ৰতিখন বিশ্ববিদ্যালয়তে পূৰ্ণকালীন ভিত্তিত একোখনকৈ পৰীক্ষা বৰ্ড

গঠন কৰিব লাগে। বৰ্ডৰ সদস্যসকলৰ কমেও পাঁচ বছৰৰ শিক্ষাদানৰ অভিজ্ঞতা থাকিব লাগিব।

৩) প্ৰচলিত ৰচনাত্মক পৰীক্ষাৰ (Essay type) ঠাইত বস্তুনিষ্ঠ পৰীক্ষাৰ (Objective type) ব্যৱস্থা কৰিব লাগিব।

৪) পৰীক্ষাত লাভ কৰা নম্বৰ মান সকলো বিশ্ববিদ্যালয়তে একে হ'ব লাগিব। প্ৰথম শ্ৰেণীৰ বাবে ৭০ শতাংশ, দ্বিতীয় শ্ৰেণীৰ বাবে ৫৫ ৰ পৰা ৬৯ শতাংশ আৰু তৃতীয় শ্ৰেণীৰ বাবে ৪০ ৰ পৰা ৫৪ শতাংশ ধাৰ্য কৰিব লাগে।

৫) অনুগ্ৰহ নম্বৰ (grace mark) দিয়াৰ নিয়ম বাতিল কৰিব লাগে।

৬) স্নাতকোত্তৰ আৰু বৃত্তিগত বা পেশাগত (Professional) উপাধি পৰীক্ষাসমূহত মৌখিক (vivavoce) পৰীক্ষাৰ অৱতাৰণা কৰিব লাগে।

৭) পাঁচ বছৰৰ শিক্ষকতা কৰাৰ অভিজ্ঞতা থকা শিক্ষককহে পৰীক্ষক হিচাপে নিযুক্তি দিব লাগে।

**২.২.২২ ছাত্ৰ কল্যাণ ঃ**

ইতিমধ্যে তোমালোকে আয়োগৰ পৰীক্ষা সম্বন্ধীয় পৰামৰ্শৰ বিষয়ে জানিব পাৰিলা। এতিয়া আয়োগৰ ছাত্ৰ কল্যাণ সম্পৰ্কীয় পৰামৰ্শ আলোচনা কৰা হ'ব।

১) জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰৱেশ পৰীক্ষাৰ ফলাফল ওপৰত ভিত্তি কৰি বিশ্ববিদ্যালয়ত নামভৰ্তিৰ সুবিধা লাভ কৰিব।

২) দুখীয়া মেধাৱী শিক্ষাৰ্থীক বিশেষ জলপানি (Scholarship) দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৩) শিক্ষাৰ্থীৰ নামভৰ্তিৰ সময়ত তেওঁলোকৰ স্বাস্থ্য পৰীক্ষা কৰিব লাগে।

৪) আৱাসিক বিদ্যালয়সমূহত অন্ততঃ এখন চিকিৎসা মহাবিদ্যালয় থাকিব লাগিব। লগতে ৰোগী থাকিব পৰাকৈ এখন চিকিৎসালয়

সুদক্ষ চিকিৎসক, চিকিৎসা কৰ্মী আৰু নাৰ্চ আদি থাকিব লাগিব।

৫) বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত আৱাসিক সুবিধা থকাৰ লগতে শৰীৰ চৰ্চা আৰু খেলা-ধূলাৰো ব্যৱস্থা থাকিব লাগে।

৬) ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অৰ্থে প্ৰত্যেক বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত এন.চি.চিৰ ব্যৱস্থা থাকিব লাগে।

৭) ছাত্ৰ সংগঠনক কৰ্তৃপক্ষই কোনোধৰণৰ হস্তক্ষেপ কৰিব নালাগিব আৰু তেওঁলোক ৰাজনীতিৰ পৰা আঁতৰত থাকিব লাগিব।

৮) প্ৰত্যেক বিশ্ববিদ্যালয়তে ছাত্ৰ কল্যাণমূলক বৰ্ড গঠন কৰিব লাগে আৰু ছাত্ৰ কল্যাণ দিশৰ তদাৰকৰবাবে একোজন মুখ্য বিষয়া (Dean) নিয়োগ কৰিব লাগে।

**আত্মমূল্যায়ন (এও)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) বিশ্ববিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা সম্পৰ্কীয় আয়োগৰ তিনিটা পৰামৰ্শ উল্লেখ কৰা। (২০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

২) ৰাধাকৃষ্ণণ আয়োগৰ ছাত্ৰ কল্যাণ সম্পৰ্কীয় দুটা পৰামৰ্শ লিখা। (২০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ২.২.২৩ ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ মূল্যায়ন

ওপৰৰ আলোচনাৰ পৰা তোমালোকে ৰাধাকৃষ্ণণ আয়োগ গঠনৰ পটভূমি, প্ৰতিবেদন আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত আয়োগে প্ৰদান কৰা পৰামৰ্শ সম্পৰ্কে জানিব পাৰিলা। এই আয়োগ আছিল স্বাধীন ভাৰতৰ প্ৰথমখন বিশ্ববিদ্যালয় আয়োগ। স্বাধীন ভাৰতৰ উচ্চ বিকাশ তথা উন্নতিৰ বাবে আয়োগে আগবঢ়োৱা পৰামৰ্শৰ সবলতা আৰু দুৰ্বলতা সম্পৰ্কে তলত চমুকৈ আলোচনা কৰা হৈছে।

**(ক) আয়োগৰ পৰামৰ্শৱলীৰ সবলতা ঃ**

আয়োগৰ পৰামৰ্শৱলীৰ সবল দিশসমূহ হৈছে -

১) ৰাধাকৃষ্ণণ আয়োগে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বিকাশ আৰু অতীতৰ সামাজিক সংকীৰ্ণতা আৰু অন্ধ অনুকৰণ আঁতৰাই পৰিৱৰ্তনশীল ভাৱধাৰা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। এই পৰামৰ্শৰ আধাৰত বিশ্ববিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলক ভাৰতীয় সভ্যতা সংস্কৃতিৰ বিকাশত সহায় কৰাৰ লগতে তেওঁলোকৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশত সহায় কৰিব।

২) আয়োগৰ নাগৰিকত্ব বিকাশৰ পৰামৰ্শই ছাত্ৰ-ছাত্ৰীসকলক ভাৰতীয় গণতন্ত্ৰৰ এজন সফল নাগৰিক হোৱাত সহায় কৰিব।

৩) আয়োগে উচ্চ শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাৰ বিকাশ, সৌন্দৰ্যমূলক বিকাশ, বৌদ্ধিক বিকাশ ইত্যাদি সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছিল। এই পৰামৰ্শৰ আধাৰত শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সৃজনীশীল প্ৰতিভা, কলাসুলভ মনোভাৱৰ বিকাশৰ লগতে বৌদ্ধিক উৎকৰ্ষ সাধনত সহায় কৰিব।

৪) শিক্ষকৰ মান উন্নয়ন আৰু দৰমহা সম্পৰ্কীয় পৰামৰ্শই শিক্ষকসকলক

শিক্ষকতা বৃত্তিত নিজৰ দক্ষতা, পাৰদৰ্শিতা বৃদ্ধিৰ লগতে সফলভাৱে শিক্ষাদান কাৰ্যত ব্ৰতী হোৱাত সহায় কৰিব।

৫) আয়োগৰ বৃত্তিমূলক শিক্ষা যেনে - কৃষি শিক্ষা, আইন, বাণিজ্য, চিকিৎসা, আভিযান্ত্রিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা সম্পৰ্কীয় পৰামৰ্শ বাস্তৱসন্মত আৰু ব্যৱহাৰপযোগী। ই ছাত্ৰ-ছাত্ৰীসকলক মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ লগতে ভাৰতবৰ্ষৰ অৰ্থনৈতিক বিকাশত সহায় কৰিব।

৬) সমাজৰ বিকাশৰ বাবে পুৰুষৰ শিক্ষাৰ সমানে নাৰী শিক্ষাও অতি গুৰুত্বপূৰ্ণ। নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি আয়োগে ভাৰতবৰ্ষত নাৰীৰ উচ্চ শিক্ষাৰ বিকাশৰ লগতে বিশেষভাৱে নাৰীসকল উপকৃত হ'ব পৰাকৈ বিশেষ পাঠ্যক্ৰম ৰচনাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

৭) গ্ৰাম্য বিশ্ববিদ্যালয় স্থাপনৰ বাবে আয়োগে আগবঢ়োৱা পৰামৰ্শই ভাৰতবৰ্ষৰ গাওঁ অঞ্চলৰ লোকসকলৰ উচ্চ শিক্ষাৰ বিকাশত সহায় কৰাৰ লগতে পিছপৰা অঞ্চলসমূহৰ উন্নতিত সহায় কৰিব।

৮) আয়োগে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ বিত্তীয় অৱস্থাৰ উন্নতিৰ বাবে আগবঢ়োৱা পৰামৰ্শৰৰ আধাৰতে ১৯৫৩ চনত বিশ্ববিদ্যালয় অনুদান আয়োগ (Univercity Greats Commiseion or UGC) গঠন কৰা হয়।

ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ বিশ্লেষণ কৰিলে আয়োগৰ পৰামৰ্শসমূহক সময়োপযোগী, বাস্তৱসন্মত আৰু সুদূৰপ্ৰসাৰী বুলি অভিহিত কৰা হৈছে যদিও ইয়াৰ কিছুমান আঁসোৱাহো দেখিবলৈ পোৱা যায়। আয়োগৰ পৰামৰ্শসমূহৰ দোষ ত্ৰুটিবোৰ তলত আলোচনা কৰা হৈছে ঃ

**(খ) আয়োগৰ পৰামৰ্শৱলীৰ দুৰ্বলতা ঃ**

ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ দুৰ্বল দিশসমূহ হৈছে ঃ

১) আয়োগৰ পৰামৰ্শৰ আধাৰত বিশ্ববিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ গণতান্ত্রিক দেশৰ সফল নাগৰিক হিচাপে গঢ়ি তুলিব পৰা নাই।

২) কিছুসংখ্যক শিক্ষাবিদে আয়োগৰ পৰামৰ্শৱলীত নতুনত্ব থকা পৰিৱৰ্তে পূৰ্বৰ শিক্ষানীতিসমূহৰ পুনৰাবৃত্তি বুলিহে অভিহিত কৰিছে।

৩) উচ্চ শিক্ষাত প্ৰচলিত পৰীক্ষা ব্যৱস্থাই উচ্চ গুণমান বিশিষ্ট শিক্ষিত লোক সৃষ্টি কৰাৰ পৰিৱৰ্তে শিক্ষিত নিবনুৱাৰহে সৃষ্টি কৰিছে।
৪) বিশ্ববিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ সুস্থ ব্যক্তিত্ব, কলাত্মক দিশৰ বিকাশ কৰাৰ পৰিৱৰ্তে তেওঁলোকক বৈষয়িক ভোগ-বিলাসৰ প্ৰতিহে বেছি আকৰ্ষিত কৰি তোলা দেখা যায়।
৫) আয়োগৰ গ্ৰামীণ বিশ্ববিদ্যালয়ৰ পৰামৰ্শ বাস্তৱসন্মত আছিল যদিও সঠিক পৰিকল্পনাৰ অভাৱত ই সফলভাৱে কাৰ্যকৰী হৈ নুঠিল।

শিক্ষাৰ্থীসকল, ওপৰৰ আলোচনাৰ পৰা তোমালোকে ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ সবলতা আৰু দুৰ্বলতা সম্পৰ্কে জানিব পাৰিলা। ৰাধাকৃষ্ণণ আয়োগেই পোন প্ৰথমবাৰ স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ বিকাশ আৰু প্ৰসাৰৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। কিন্তু উপযুক্ত পৰিকল্পনাৰ অভাৱত বৰ্তমানেও আয়োগৰ পৰামৰ্শৱলী যথাৰ্থভাৱে আমাৰ উচ্চ শিক্ষাৰ বিকাশত বাস্তৱ ৰূপ দিব পৰা হোৱা নাই।

## ২.৩ সামৰণি

ওপৰৰ গোটটো পঢ়ি তোমালোকে ১৯৪৯ চনৰ ৰাধাকৃষ্ণণ আয়োগ সম্পৰ্কে কিছু কথা জানিব পাৰিলা। গোটটো পঢ়ি তোমালোকে জানিব পাৰিলা যে -

১) ভাৰত চৰকাৰৰ আন্তঃবিশ্ববিদ্যালয় শিক্ষা সংস্থা আৰু শিক্ষা উপদেষ্টা পৰিষদৰ পৰামৰ্শ ক্ৰমে ১৯৪৮চনৰ ৪ নবেম্বৰত বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰে।
২) ১৯৪৬ চনত গঠন হোৱা বিশ্ববিদ্যালয় আয়োগৰ সভাপতি আছিল ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।
৩) আয়োগে গঠনৰ মূল উদ্দেশ্য আছিল ভাৰতীয় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ সম্বন্ধে প্ৰতিবেদন যুগুত কৰা আৰু দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজন অনুসৰি উন্নতি সাধন আৰু সম্প্ৰসাৰণৰ পৰামৰ্শ দিয়া।
৪) ১৯৪৯ চনৰ ১৫ আগষ্টত আয়োগে নিজা প্ৰতিবেদন চৰকাৰৰ ওচৰত

দাখিল কৰে। আয়োগৰ উক্ত প্ৰতিবেদনত মুঠ ৭৮৭ পৃষ্ঠা আৰু ১৮ টা অধ্যায় সন্নিৱিষ্ট আছিল।

৫) আয়োগৰ উক্ত প্ৰতিবেদনত ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় শিক্ষাৰ বিভিন্ন দিশ, যেনে - বিশ্ববিদ্যালয়ৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য, শিক্ষাৰ মাধ্যম, পৰীক্ষা ব্যৱস্থা, শিক্ষকসকলৰ অৱস্থা আৰু শিক্ষা দানৰ মানদণ্ড, ছাত্ৰ-ছাত্ৰীৰ কল্যাণ আঁচনি, বিশ্ববিদ্যালয়ৰ সংগঠন আৰু নিয়ন্ত্ৰণ, বৃত্তিমূলক শিক্ষা, গ্ৰাম্য বিশ্ববিদ্যালয় ইত্যাদিৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়।

৬) আয়োগৰ পৰামৰ্শৱলীৰ সকলোবোৰ এতিয়াও আমাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত সফলভাৱে প্ৰযোজ্য হোৱা দেখিবলৈ পোৱা নাযায়।

## ঘাই শব্দসমূহ (Key Words)

**সৰ্বপল্লী ৰাধাকৃষ্ণণ ঃ** জন্ম ১৮৮৮ চনৰ ৫ ছেপ্তেম্বৰ, মৃত্যু ১৯৭৫ চনৰ ২৪ এপ্ৰিল। ১৯০৯ চনত দৰ্শনত স্নাতকোত্তৰ হোৱাৰ পিছত মাদ্ৰাজৰ প্ৰেচিডেঞ্চি কলেজৰ দৰ্শন বিভাগৰ অধ্যাপক হিচাপে নিযুক্তি লাভ। ১৯৪৮-৪৯ চনত আন্তঃৰাষ্ট্ৰীয় সংস্থা ইউনেস্কোৰ (UNESCO) অধ্যক্ষ পদ অলংকৃত কৰিছিল। ১৯৩১ চনত নাইট উপাধিৰে বিভূষিত হয়। ১৯৫৪ চনত ভাৰত চৰকাৰে ভাৰতৰত্ন উপাধিৰে বিভূষিত কৰে।

**সংবদ্ধ ঃ** একেলগে থকা।

**ইন্টাৰমিডিয়েট ঃ** বৰ্তমান উচ্চতৰ মাধ্যমিক (হায়াৰ চেকেণ্ডাৰী) স্তৰটোক সেই সময়ত ইন্টাৰমিডিয়েট বুলি কোৱা হৈছিল।

**ৰচনাধৰ্মী প্ৰশ্ন পৰীক্ষা ঃ** যিবোৰ পৰীক্ষাৰ প্ৰশ্নসমূহত নম্বৰ মান ৫ ৰ পৰা ১৫-২০ ৰ ভিতৰত ধাৰ্য কৰা হয়। এই পৰীক্ষাৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নকাকতৰ উত্তৰসমূহ ৰচনাৰ নিচিনাকৈ দীঘলীয়াকৈ লিখিব লাগে।

**বস্তুনিষ্ঠ পৰীক্ষা ঃ** যি পৰীক্ষকৰ ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱ নাথাকে এই প্ৰশ্নসমূহৰ এটাই মাথো শুদ্ধ উত্তৰ থাকে।

**বিশ্ববিদ্যালয় অনুদান আয়োগ ঃ** ১৯৫৬ চনৰ ৫ নৱেম্বৰত গঠন কৰা হয়। ইয়াৰ মুখ্য কাৰ্যালয় দিল্লীত অৱস্থিত। ইয়াৰ মুখ্য কাম হৈছে বিশ্ববিদ্যালয়ৰ পৰ্য্যায়ৰ শিক্ষা ব্যৱস্থা শিকন, পৰীক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত এক বিশেষ মানদণ্ড বৰ্ত্তাই ৰখা আৰু লগতে ভাৰতৰ বিশ্ববিদ্যালয় পৰ্যায়ৰ বিভিন্ন শিক্ষানুস্থান সমূহৰ মাজত সমন্বয় বৰ্ত্তাই ৰখা।

**পাঠ্য নিৰ্দেশনা ঃ**

গোটটোৰ অন্তৰ্গত বিষয়বোৰ ভালদৰে বুজি পাবৰ বাবে নিম্নলিখিত পুথিসমূহৰ সহায় ল'ব পাৰা।

অসমীয়া ঃ

১) চলিহা, শইকীয়া আৰু বৰা, *ভাৰতৰ শিক্ষাৰ ইতিহাস।*

২) শৰ্মা আৰু অন্যান্যঃ ভাৰতৰ শিক্ষাৰ ইতিহাস, অসম বুক ডিপো, গুৱাহাটী।

৩) শৰ্মা, তৰুণ কুমাৰ , *ভাৰতৰ শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী*

**ইংৰাজী ঃ**

1. Aggarwal I. J. : *Landmarks in the History of Modern Indian Education.*

2. Saikia Siddheswar, *History of Education in India.*

**সম্ভাব্য উত্তৰ ঃ**

আত্মমূল্যায়ন (ক) ৰ উত্তৰ

১) ১৯০২ চনৰ ২৭ জানুৱাৰীত।

২) ড° মাইকেল চেডলাৰ।

৩) ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ

৪) ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

**আত্মমূল্যায়ন (খ) ৰ উত্তৰ ঃ**

১) ৰাধাকৃষ্ণণ আয়োগ গঠনৰ মূল উদ্দেশ্য আছিল ভাৰতীয় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ সম্বন্ধে প্ৰতিবেদন যুগুত কৰা আৰু দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজন অনুসৰি উন্নতি সাধন আৰু সম্প্ৰসাৰণৰ পৰামৰ্শ দিয়া।

২) ৰাধাকৃষ্ণণ আয়োগৰ দুটা কাৰ্য পৰিসৰ হ'ল -

ক) বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্বন্ধে পৰামৰ্শ আগবঢ়োৱা আৰু

খ) বিশ্ববিদ্যালয় আৰু সংবদ্ধ কলেজসমূহত উচ্চমানৰ গৱেষণা তথা শিক্ষণ কাৰ্য সম্বন্ধে পৰামৰ্শ আগবঢ়োৱা।

**আত্মমূল্যায়ন (গ) ৰ উত্তৰ ঃ**

১) বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগৰ দুটা পৰামৰ্শ হ'ল -

ক) বিশ্ববিদ্যালয়ৰ শিক্ষাই স্বাধীন ভাৰতৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত যোগ্য নেতৃত্ব দিবপৰা ব্যক্তি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

খ) আধুনিকতা , উন্নতি আৰু প্ৰগতিৰ নামত দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা ত্যাগ কৰাৰ পৰিৱৰ্তে বিশ্ববিদ্যালয়ৰ শিক্ষাই দেশৰ সভ্যতা, সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা কৰাৰ প্ৰতি যত্নপৰ হ'ব লাগে।

**আত্মমূল্যায়ন (ঘ) ৰ উত্তৰ ঃ**

১) ৰাধাকৃষ্ণণ আয়োগৰ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কীয় এটা পৰামৰ্শ হ'ল - স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় ভাষা বা মাতৃভাষা, ইংৰাজী আৰু আন দুটা বিষয় বাচি লৈ অধ্যয়ন কৰিব লাগিব।

২) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগৰ স্নাতকোত্তৰ স্তৰৰ প্ৰশিক্ষণ আৰু গৱেষণা সম্বন্ধীয় তিনিটা পৰামৰ্শ হ'ল -

ক) এম.এ. অথবা এম.এছ.চি. পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চমানৰ বিকাশৰ অৰ্থে প্ৰশিক্ষণ দিব লাগে।

খ) এই পৰ্যায়ৰ পৰীক্ষাসমূহ লিখিত আৰু মৌখিক দুয়োবিধ হ'ব লাগিব আৰু বিজ্ঞান বিষয়ৰ অৰ্থে ব্যৱহাৰিক পৰীক্ষাৰ ব্যৱস্থা

থাকিব।

গ) পি.এইচ.ডি. উপাধি বিতৰণৰ ক্ষেত্ৰত সৰ্বভাৰতীয় ভিত্তিতহে শিক্ষাৰ্থী নিৰ্বাচন কৰি ল'ব লাগিব।

**আত্মমূল্যায়ন (ঙ) ৰ উত্তৰ ঃ**

১) কৃষি শিক্ষা সম্পৰ্কীয় আয়োগৰ দুটা পৰামৰ্শ হ'ল -

ক) ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ হোৱাৰ কাৰণে বিশ্ববিদ্যালয়ে কৃষি শিক্ষাক এক গুৰুত্বপূৰ্ণ জাতীয় দিশ হিচাপে বিবেচনা কৰিব লাগে।

খ) কৃষি সম্পৰ্কীয় প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিবলৈ কৃষি শিক্ষাক গ্ৰাম্য পৰিৱেশত প্ৰদান কৰিব লাগে।

২) ১৯৪৯ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আয়োগে অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাৰ ওপৰত আগবঢ়োৱা এটা পৰামৰ্শ হ'ল - বৰ্তমানৰ আভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাকেন্দ্ৰসমূহক দেশৰ বিশেষ সম্পদ হিচাপে লৈ সেইবোৰক অধিক উপযুক্ত আৰু ব্যৱহাৰিকভাৱে উন্নত মানদণ্ডৰ কৰি তুলিব লাগিব।

৩) ৰাধাকৃষ্ণণ আয়োগৰ বাণিজ্য শিক্ষা সম্পৰ্কীয় দুটা পৰামৰ্শ হ'ল -

ক) স্নাতকোত্তৰ পৰ্যায়ৰ বাণিজ্য শিক্ষা পুথিগত হ'ব নালাগে।

খ) বাণিজ্য শিক্ষাৰ বিষয়সূচীত ব্যৱহাৰিক কৰ্মক গুৰুত্ব প্ৰদান কৰিব লাগে।

**আত্মমূল্যায়ন (চ) ৰ উত্তৰ**

১) ৰাধাকৃষ্ণণ আয়োগৰ আইন শিক্ষা সম্পৰ্কীয় দুটা পৰামৰ্শ হ'ল -

(ক) ভাৰতবৰ্ষৰ আইন শিক্ষা ব্যৱস্থাত থকা বৈষম্য আঁতৰ কৰি আইন মহাবিদ্যালয়সমূহক পুনৰ গঠন কৰিব লাগিব।

(খ) বিশ্ববিদ্যালয়ত আন আন বিষয়ৰ শিক্ষাদানৰ দৰে আইন শিক্ষা প্ৰদানৰো ব্যৱস্থা কৰিব লাগে।

২) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগৰ চিকিৎসা শিক্ষা সম্পৰ্কীয় তিনিটা পৰামৰ্শ হ'ল -

(ক) চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ সংখ্যা ১০০ জনৰ অধিক হ'ব নালাগিব।

(খ) সকলো বিভাগৰ অৰ্থে মহাবিদ্যালয়ৰ চৌহদত আবাসিক সা-সুবিধা প্ৰদান কৰিব লাগে।

(গ) ভাৰতীয় চিকিৎসা পদ্ধতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাচীন ভাৰতীয় চিকিৎসাৰ শিক্ষা প্ৰদান কৰিব লাগে।

৩) গ্ৰামীন বিশ্ববিদ্যালয় সম্পৰ্কীয় আয়োগৰ দুটা পৰামৰ্শ হ'ল -

(ক) ভাৰতবৰ্ষত গাওঁ অঞ্চলত কিছুসংখ্যক গ্ৰামীণ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।

(খ) এই মহাবিদ্যালয় বা বিশ্ববিদ্যালয়সমূহত ছাত্ৰৰ সংখ্যা ৩০০ ৰ পৰা ২৫০০ ৰ ভিতৰত হ'ব লাগিব।

**আত্মমূল্যায়ন (ছ) ৰ উত্তৰ ঃ**

১) বিশ্ববিদ্যালয়ৰ পুঁজি সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগৰ এটা পৰামৰ্শ হ'ল- বিশ্ববিদ্যালয়সমূহলৈ পুঁজি নিৰ্ধাৰণ আৰু যোগান ধৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰিব লাগে।

২) বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাদানৰ মানদণ্ড উন্নয়নৰ বাবে ৰাধাকৃষ্ণণ আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ হ'ল -

(ক) প্ৰতিখন ৰাজ্যতে বহুসংখ্যক ইন্টাৰমিডিয়েট কলেজ প্ৰতিষ্ঠা কৰাৰ লগতে উপযুক্ত সংখ্যক শিক্ষকক নিযুক্তি আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰিব লাগে।

(খ) বৰ্তমানৰ ইন্টাৰমিডিয়েট স্তৰৰ শিক্ষাৰ মান উন্নত হ'ব লাগিব।

**আত্মমূল্যায়ন (জ) ৰ উত্তৰ ঃ**

১) প্ৰতি মাহে ৯০০-৫০-১৩৫০ টকা।

২) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগৰ শিক্ষকৰ মান আৰু স্থান সম্পৰ্কীয় দুটা পৰামৰ্শ হ'ল -

(ক) শিক্ষকসকলৰ কাৰণে বিশ্ববিদ্যালয়ৰ আশে-পাশে আৱাসিক সুবিধা প্ৰদান কৰিব লাগে।

(খ) শিক্ষকৰ অৰ্থে বিশেষ অধ্যয়ন ছুটিৰ ব্যৱস্থা থাকিব লাগে।

৩) শিক্ষক প্ৰশিক্ষণৰ ক্ষেত্ৰত ৰাধাকৃষ্ণণ আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ হ'ল -

(ক) শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানবোৰত প্ৰচলিত বিষয়সূচীৰ পৰিৱৰ্তন সাধন কৰিব লাগে।

(খ) অভ্যাস শিক্ষণ বা পাঠদানৰ বাবে কেইখনমান বিদ্যালয় বেছি ল'ব লাগিব।

**আত্মমূল্যায়ন (ঝ) ৰ উত্তৰ ঃ**

১) ৰাধাকৃষ্ণণ আয়োগৰ ধৰ্মীয় শিক্ষা সম্পৰ্কীয় দুটা পৰামৰ্শ হ'ল -

(ক) প্ৰতিখন শিক্ষা অনুষ্ঠানতে শ্ৰেণী আৰম্ভ হোৱাৰ আগে আগে কেইমিনিটমান সময়ৰ বাবে ছাত্ৰ-ছাত্ৰীক মৌন ধ্যান কৰিবলৈ দিব লাগে।

(খ) স্নাতক পৰ্যায়ৰ প্ৰথম বৰ্ষত ছাত্ৰ-ছাত্ৰীক গৌতম বুদ্ধ, চক্ৰেটিছ. যীশুখৃষ্ট, শংকৰ, ৰামানুজ, মহম্মদ, কবীৰ, নানক, গান্ধী ইত্যাদি ধৰ্মপ্ৰচাৰক আৰু ধৰ্মীয় নেতাসকলৰ জীৱনী সম্বন্ধে শিক্ষা প্ৰদান কৰিব লাগে।

২) নাৰী শিক্ষাৰ ক্ষেত্ৰত ৰাধাকৃষ্ণণ আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ হ'ল -

(ক) নাৰী শিক্ষাৰ বিকাশ আৰু উন্নতিৰ বাবে সকলো সা-সুবিধা প্ৰদানৰ

ব্যৱস্থা কৰিব লাগে।

(খ) সহশিক্ষাৰ সুবিধা থকা অনুষ্ঠানত সহশিক্ষাৰ সাধাৰণ সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

৩) শিক্ষাৰ মাধ্যম সম্পৰ্কীয় ৰাধাকৃষ্ণণ আয়োগৰ দুটা পৰামৰ্শ হ'ল -

(ক) উচ্চ শিক্ষাৰ মাধ্যম বৰ্তমানৰ ইংৰাজী ভাষাৰ সলনি আধুনিক ভাৰতীয় ভাষা হ'ব লাগে।

(খ) সংস্কৃত ভাষাৰ গুৰুত্ব আছে যদিও এই ভাষাক মাধ্যম ৰূপে ব্যৱহাৰ কৰিব পৰা নাযাব।

**আত্মমূল্যায়ন (ঞ) ৰ উত্তৰ ঃ**

১) বিশ্ববিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা সম্পৰ্কীয় আয়োগৰ তিনিটা পৰামৰ্শ হ'ল -

(ক) প্ৰতিখন বিশ্ববিদ্যালয়তে পূৰ্ণকালীন ভিত্তিত একোখনকৈ পৰীক্ষা বৰ্ড গঠন কৰিব লাগে।

(খ) প্ৰচলিত ৰচনাত্মক পৰীক্ষাৰ ঠাইত বস্তুনিষ্ঠ পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(গ) পৰীক্ষাত লাভ কৰা নম্বৰ মান সকলো বিশ্ববিদ্যালয়তে একে হ'ব লাগিব। প্ৰথম শ্ৰেণীৰ বাবে ৭০ শতাংশ, দ্বিতীয় শ্ৰেণীৰ বাবে ৫৫ ৰ পৰা ৬৯ শতাংশ আৰু তৃতীয় শ্ৰেণীৰ বাবে ৪০ ৰ পৰা ৫৪ শতাংশ ধাৰ্য কৰিব লাগে।

২) ৰাধাকৃষ্ণণ আয়োগৰ ছাত্ৰ কল্যাণ সম্পৰ্কীয় দুটা পৰামৰ্শ হ'ল -

(ক) জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰৱেশ পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি বিশ্ববিদ্যালয়ত নাম ভৰ্তিৰ সুবিধা লাভ কৰিব।

(খ) দুখীয়া মেধাৰী শিক্ষাৰ্থীক বিশেষ জলপানি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**আত্মমূল্যায়ন (ট) ৰ উত্তৰ ঃ**

১) ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ দুটা সবল দিশ হ'ল -

(ক) আয়োগে ভাৰতৰ বিশ্ববিদ্যালয়সমূহক ভাৰতীয় সভ্যতা সংস্কৃতিৰ অধ্যয়ন আৰু বিকাশৰ কেন্দ্ৰ হিচাপে গঢ় দি তুলিবলৈ পৰামৰ্শ আগবঢ়াইছিল। ইয়াৰ ফলত ছাত্ৰ-শিক্ষকৰ মাজত ভাৰতীয় সভ্যতা সংস্কৃতিৰ প্ৰতি আদৰ আৰু মনোযোগ বাঢ়িবলৈ ধৰে।

(খ) আয়োগৰ পৰামৰ্শক্ৰমে বিশ্ববিদ্যালয়ৰ স্নাতক পৰ্যায়লৈকে শিক্ষাৰ মাধ্যম মাতৃভাষা কৰি তোলা হয়। ফলত ভাৰতবৰ্ষৰ আঞ্চলিক ভাষাসমূহে বিকাশ আৰু প্ৰসাৰৰ সুবিধা লাভ কৰে।

২) ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ দুটা দুৰ্বল দিশ হ'ল -

(ক) আয়োগে আগবঢ়োৱা পৰামৰ্শ মতে বিশ্ববিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মাজত গণতান্ত্ৰিক জীৱনৰ আদৰ্শ আৰু মূল্যাবোধৰ বিকাশ সাধন কৰাত সফল হোৱা নাই।

(খ) বিশ্ববিদ্যালয়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ সুস্থ ব্যক্তিত্ব, কলাত্মক দিশৰ বিকাশ কৰাৰ পৰিৱৰ্তে তেওঁলোকক বৈষয়িক ভোগ-বিলাসৰ প্ৰতিহে বেছি আকৰ্ষিত কৰি তুলিছে।

**আৰ্হি প্ৰশ্ন ঃ**

১) U.G.C ৰ সম্পূৰ্ণ ৰূপ কি?

২) ৰাধাকৃষ্ণণ আয়োগ কেতিয়া গঠন কৰা হৈছিল?

৩) ৰাধাকৃষ্ণণে আয়োগে ভাৰতীয় উচ্চ শিক্ষা সম্পৰ্কীয় প্ৰতিবেদন কেতিয়া ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰিছিল?

৪) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগ গঠনৰ উদ্দেশ্য আৰু কাৰ্য পৰিসৰ সম্পৰ্কে আলোচনা কৰা।

৫) ৰাধাকৃষ্ণণ আয়োগে ভাৰতীয় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শৱলী আলোচনা কৰা।

৬) ১৯৪৯ চনৰ বিশ্ববিদ্যালয় আয়োগৰ পৰামৰ্শৱলীৰ এটি মূল্যায়ন আগবঢ়োৱা।

**প্ৰসংগ পুথি ঃ**

**অসমীয়া ঃ**

১) চলিহা, ড° বেদ কুমাৰ আৰু অন্যান্য ঃ *ভাৰতৰ শিক্ষা ইতিহাস,* বিদ্যাভৱন, যোৰহাট, ২০১১।

২) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ২০০৮।

৩) শৰ্মা, তৰুণ কুমাৰ ঃ *ভাৰতত শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী,* বনলতা, ডিব্ৰুগড়, ২০০৮।

**ইংৰাজী ঃ**

১. Aggarwal, I.J., *Landmarks in the History of Modern Indian Education*. Vikas Publishing House Pvt. Ltd., New Delhi, 2008.

২. Saikia, Dr. Siddheswar : *History of Education in India.* Mani Manik Prakash, Guwahati, 1993.

# খণ্ড - ৪
# স্বাধীনোত্তৰ কালত ভাৰতৰ শিক্ষাৰ পুনৰ গঠন
# (১৯৪৭ - ২০০০)
## গোট ৩ ঃ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২

**গোট গঠন বিন্যাস (Unit Structure)**


**৩.০ উদ্দেশ্য**

**৩.১ প্ৰস্তাৱনা**

**৩.২ মাধ্যমিক শিক্ষা আয়োগ**

৩.২.১ মাধ্যমিক শিক্ষা আয়োগ গঠন

আত্মমূল্যায়নৰ প্ৰশ্ন

৩.২.২ মাধ্যমিক শিক্ষা আয়োগৰ উদ্দেশ্য

আত্মমূল্যায়নৰ প্ৰশ্ন

**৩.৩ মাধ্যমিক শিক্ষাৰ সমস্যাৱলী**

আত্মমূল্যায়নৰ প্ৰশ্ন

**৩.৪ মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম ত্ৰুটি আৰু সংস্কাৰ**

৩.৪.১ প্ৰচলিত পাঠ্যক্ৰমৰ আসোঁৱাহ

৩.৪.২ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ মৌলিক নীতি

আত্মমূল্যায়নৰ প্ৰশ্ন

৩.৪.৩ স্তৰ অনুযায়ী পাঠ্যক্ৰম আৰু বিষয়সমূহ

৩.৪.৪ মাধ্যমিক বিদ্যালয়ৰ পাঠ্যপুথি নিৰ্বাচন

আত্মমূল্যায়নৰ প্ৰশ্ন

**৩.৫ মাধ্যমিক শিক্ষাৰ নতুন সংগঠনৰ আৰ্হি**

৩.৫.১ মাধ্যমিক শিক্ষাৰ মাধ্যম আৰু ভাষা

৩.৫.২ মাধ্যমিক শিক্ষাত শিক্ষাদান প্ৰণালী

৩.৫.৩ মাধ্যমিক বিদ্যালয়ৰ প্ৰশাসন
আত্মমূল্যায়নৰ প্ৰশ্ন
**৩.৬ মাধ্যমিক পৰ্যায়ৰ শিক্ষক সম্বন্ধীয় পৰামৰ্শ**
৩.৬.১ শিক্ষৰ নিৰ্বাচন
৩.৬.২ শিক্ষক প্ৰশিক্ষণ
৩.৬.৩ মাধ্যমিক স্তৰত নিৰ্দেশনা আৰু পৰামৰ্শদান
আত্মমূল্যায়নৰ প্ৰশ্ন
**৩.৭ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থী সম্বন্ধীয় পৰামৰ্শ**
৩.৭.১ মাধ্যমিক পৰ্যায়ত ধৰ্মীয় আৰু নৈতিক শিক্ষা
৩.৭.২ পৰীক্ষা সংক্ৰান্তীয় পৰামৰ্শ
৩.৭.৩ মাধ্যমিক পৰ্যায়ত কাৰিকৰী শিক্ষা
৩.৭.৪ মাধ্যমিক পৰ্যায়ত ছাত্ৰ কল্যাণ আৰু শাৰীৰিক শিক্ষা
আত্মমূল্যায়নৰ প্ৰশ্ন
**৩.৮ মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শৱলী বিশ্লেষণ**
৩.৮.১ লক্ষ্য
৩.৮.২ পাঠ্যক্ৰম
আত্মমূল্যায়নৰ প্ৰশ্ন
**৩.৯ মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শাৱলী সাম্প্ৰতিক কাৰ্যকাৰিতা**
আত্মমূল্যায়নৰ প্ৰশ্ন
**৩.১০ সামৰণি**
ঘাই শব্দসমূহ
পাঠ্য নিৰ্দেশনা
সম্ভাব্য উত্তৰ
আৰ্হি প্ৰশ্ন
প্ৰসংগ পুথি

**৩.০. উদ্দেশ্য ঃ**

এই গোটটো অধ্যয়ন কৰাৰ পাছত তোমালোকে -

(ক) মাধ্যমিক শিক্ষা আয়োগ গঠনৰ ইতিহাস বৰ্ণনা কৰিব পাৰিবা।

(খ) মাধ্যমিক শিক্ষাৰ সমস্যাৱলী বিশ্লেষণ কৰিব পাৰিবা।

(গ) মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম সম্বন্ধে পৰামৰ্শৱলী বৰ্ণনা কৰিব পাৰিবা।

(ঘ) মাধ্যমিক শিক্ষাৰ নতুন সংগঠন সম্বন্ধে আলোচনামূলক ব্যাখ্যা আগবঢ়াব পাৰিবা।

(ঙ) মাধ্যমিক শিক্ষাৰ শিক্ষক আৰু শিক্ষাৰ্থীসম্বন্ধে আগবঢ়াব পৰামৰ্শসমূহ উল্লেখ কৰিব পাৰিবা।

(চ) মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শৱলী সম্বন্ধে সমীক্ষা আগবঢ়াব পাৰিবা।

(ছ) মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ বৰ্তমান কাৰ্যকাৰিতা সম্পৰ্কে আলোচনা কৰিব পাৰিবা।

**৩.১ প্ৰস্তাৱনা ঃ**

পূৰ্বৰ গোটটোত তোমালোকে স্বাধীনোত্তৰ কালৰ প্ৰথমখন শিক্ষা আয়োগে ভাৰতৰ উচ্চশিক্ষা সম্বন্ধে আগবঢ়োৱা পৰামৰ্শসমূহ পাই আহিছা। উচ্চশিক্ষাৰ বিভিন্ন দিশ সম্পৰ্কে ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৱলীৰ বিশ্লেষণ পঢ়াৰ পিছত এই গোটটোৰ তোমালোকে মাধ্যমিক শিক্ষা সম্বন্ধে মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ বিষয়ে পঢ়িবলৈ পাবা।

এই গোটটোত তোমালোকে মাধ্যমিক শিক্ষা আয়োগ গঠনৰ পটভূমিৰ বিষয়ে পঢ়িবলৈ পাবা। গোটটো অধ্যয়ন কৰাৰ পাছত তোমালোকে ভাৰতৰ মাধ্যমিক শিক্ষাৰ সাংগঠনিক দিশৰ সৈতে অৱগত হ'ব পাৰিবা। তাৰ লগতে মাধ্যমিক শিক্ষাৰ পৰিৱৰ্তনসমূহৰ বিশ্লেষণো গোটটোত আগবঢ়োৱা হৈছে। মাধ্যমিক শিক্ষাৰ উদ্দেশ্য, পাঠ্যক্ৰম, প্ৰশাসন, বিদ্যালয় ব্যৱস্থা, শিক্ষক প্ৰশিক্ষণ, শিক্ষাৰ্থীৰ বিষয়, বিদ্যালয়ব্যৱস্থা, মাধ্যম আদি সন্দৰ্ভত মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহ পঢ়িবলৈ পাবা। মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ বিশ্লেষণ

আৰু বৰ্তমান কালত কাৰ্যকাৰিতাৰ বিষয়ে জানিবলৈ পাবা।

গোটটোত লিখা বিষয়বোৰ ভালদৰে বুজি পাবলৈ তোমালোকে বৰ্তমানৰ মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰম, পাঠ্যপুথি, বিষয়, পৰীক্ষাব্যৱস্থা আদি লক্ষ্য কৰিবাচোন। তাৰ লগতে, বাতৰি কাকতত মাধ্যমিক শিক্ষা সম্বন্ধে প্ৰকাশ পোৱা প্ৰবন্ধসমূহ পঢ়িবা। ফলস্বৰূপে, তোমালোকে বৰ্তমান মাধ্যমিক শিক্ষাত মুডালিয়াৰ আয়োগৰ অৱদান সম্পৰ্কে জানিব পাৰিবা।

## ৩.২ মাধ্যমিক শিক্ষা আয়োগ (Secondary Education Commission) :

প্ৰাথমিক শিক্ষা সমাপ্তৰ পাছতে মাধ্যমিক শিক্ষা আৰম্ভ হয়। মাধ্যমিক শিক্ষাই উচ্চ শিক্ষা গ্ৰহণৰ পথ মুকলি কৰে। ভাৰত চৰকাৰে গঠন কৰা কেইবাখনো আয়োগে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পাছত শিক্ষাৰ প্ৰতিটো স্তৰৰ প্ৰয়োজনীয় পৰিৱৰ্তনৰ কাৰণে গঠনমূলক পৰামৰ্শ আগবঢ়াই আহিছে। চৰকাৰী পদক্ষেপ আৰু জনসাধাৰণৰ সহযোগত শৈক্ষিক পৰামৰ্শসমূহ ৰূপায়ণৰ কাৰণে প্ৰচেষ্টা হাতত লোৱা হয়। শিক্ষা ব্যৱস্থাক সময়ৰ সৈতে খাপ-খোৱাকৈ সংগঠিত কৰিবলৈ চৰকাৰীভাৱে কমিটি আৰু আয়োগ গঠনৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। শৈক্ষিক পৰিকল্পনা প্ৰস্তুত, নীতি নিৰ্দ্ধাৰণ আৰু ৰূপায়ণ, কৰাত আয়োগে মাধ্যমিক শিক্ষাৰ সাংগঠনিক ৰূপ দিবলৈ আগবঢ়োৱা পৰামৰ্শৰ বিষয়ে তোমালোকে আগৰ খণ্ডত পঢ়ি আহিছা। স্বাধীনোত্তৰ কালত, ১৯৫২ চনত মাধ্যমিক শিক্ষাৰ পুনৰ গঠনৰ কাৰণে মাধ্যমিক শিক্ষা আয়োগ গঠন কৰা হয়। এই আয়োগৰ সভাপতি লক্ষ্মণস্বামী মুডালিয়াৰৰ নামেৰে আয়োগক মুডালিয়াৰ আয়োগ বুলি জনা যায়। এই গোটটোত তোমালোকে মুডালিয়াৰ আয়োগৰ বিস্তৃত প্ৰতিবেদনৰ চমু বিশ্লেষণ পঢ়িবলৈ পাবা। তলত মাধ্যমিক শিক্ষা আয়োগৰ গঠন প্ৰক্ৰিয়া বৰ্ণনা কৰা হ'ল -

### ৩.২.১ মাধ্যমিক শিক্ষা আয়োগৰ গঠনৰ ইতিহাস ঃ

বৃটিছ শাসনৰ পৰা ভাৰতবৰ্ষই ১৯৪৭ চনত স্বাধীনতা লাভ কৰাৰ পাছত দেশৰ উঠি অহা যুৱ প্ৰজন্মৰ সুশিক্ষা গ্ৰহণ আৰু আৰ্থিক স্বাৱলম্বিতা সুনিশ্চিত কৰিবলৈ এক উন্নত শিক্ষাব্যৱস্থাৰ পুনৰ গঠন কৰাটো প্ৰয়োজনীয়

হৈ পৰিছিল। এই উদ্দেশ্য আগত ৰাখিয়েই ১৯৪৮ চনত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা বৰ্ডে মাধ্যমিক শিক্ষাৰ পুনৰ গঠন আৰু বিকাশৰ কাৰণে এখন আয়োগ গঠনৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই প্ৰস্তাৱত মাধ্যমিক শিক্ষাৰ পৰিস্থিতি অনুসন্ধান আৰু বিশ্লেষণ কৰিবলৈ এখন আয়োগৰ প্ৰয়োজনীয়তা উল্লেখ কৰা হৈছিল আৰু মাধ্যমিক শিক্ষাৰ উদ্দেশ্য নিৰ্দ্ধাৰণ কৰি উপনীত হ'বলৈ পৰামৰ্শ প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছিল। এই প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব নিদিয়াত ১৯৫১ চনত পুনৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। কৈশোৰ কালৰ ল'ৰা-ছোৱালীবিলাকৰ মানসিকতা আৰু ধ্যান-চিন্তাত ভৱিষ্যত জীৱনৰ কাৰণে প্ৰস্তুত হ'ব পৰাকৈ প্ৰয়োজনীয় জ্ঞান-অভিজ্ঞতা প্ৰদানৰ উদ্দেশ্যেৰেই এই আয়োগৰ গঠনত গুৰুত্ব দিয়া হয়। বিগত তিনিবছৰত মাধ্যমিক শিক্ষাৰ বিভিন্ন প্ৰয়োজনীয়তা সম্পৰ্কে বিশ্লেষণ হৈছে।

### ৩.২.২ মাধ্যমিক শিক্ষা আয়োগ গঠন ঃ

১৯৫২ চনৰ ২৩ চেপ্তেম্বৰত ভাৰত চৰকাৰে মাধ্যমিক শিক্ষা আয়োগ গঠন কৰে। এই আয়োগৰ সদস্যসকলে বিভিন্ন দেশৰ শিক্ষানুষ্ঠান ভ্ৰমণ কৰি আৰু জনসাধাৰণৰ সৈতে আলোচনা কৰি তথ্য সংগ্ৰহ কৰে। এনে সংগ্ৰহৰ ভিত্তিত তেওঁলোকে এখন প্ৰতিবেদন প্ৰস্তুত কৰি ১৯৫৩ চনৰ ২৫ আগষ্টত চৰকাৰৰ হাতত অৰ্পণ কৰে। এই আয়োগৰ সদস্যসকল হৈছে -

১) সভাপতি - মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপাচাৰ্য ড° এ. লক্ষ্মণ স্বামী মুডালিয়াৰ

২) সচিব (সম্পাদক) - দিল্লীৰ কেন্দ্ৰীয় শিক্ষা বিদ্যালয়ৰ ড° এ.এন, বসু

৩) উদয়পুৰৰ বিদ্যাভৱন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কে.এল. শ্ৰী মালী

৪) বৰোদা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হংস মেহতা

৫) বোম্বাইৰ কাৰিকৰী শিক্ষা সঞ্চালক জে.এ, তাৰাপুৰৱালা

৬) বোম্বাইৰ নিউ এৰা বিদ্যালয়ৰ অধ্যক্ষ এম.চি. ব্যাস

৭) ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ যুটীয়া সচিব (পদেন-সদস্য) কে. জি. চৈয়াদিন

৮) আমেৰিকাৰ আটলান্টাৰ দক্ষিণ আঞ্চলিক সহযোগী সঞ্চালক ড° কেনেথ ৰাষ্ট্ৰ উইলিয়াম
৯) লণ্ডন অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ জেচুইট কলেজৰ অধ্যক্ষ জন ক্ৰিষ্টি

উক্ত নজন সদস্যই দেশৰ বিভিন্ন ব্যক্তিৰ সাক্ষাৎকাৰ লয়, প্ৰশ্নাৱলীৰ সহায়ত তথ্য সংগ্ৰহ কৰে, মানুহৰ মতামত লয়, পৰামৰ্শ গ্ৰহণ কৰে আৰু ভ্ৰমণ কৰে। তেওঁলোকে ২৫০ পৃষ্ঠাজোৰা ১৫টা অধ্যায় সম্বলিত এখন প্ৰতিবেদন প্ৰস্তুত কৰে। দেশৰ সকলো ৰাজ্যৰ পৰাই এই আয়োগলৈ সভ্য নিৰ্বাচন কৰা হৈছিল। মাধ্যমিক শিক্ষা আয়োগত সন্নিবিষ্ট পোন্ধৰটা অধ্যায় হৈছে -

(১) প্ৰস্তাৱনা, (২) বৰ্তমান পৰিস্থিতিৰ মূল্যায়ন, (৩) মাধ্যমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ পুনৰ গঠন, (৪) শিক্ষাৰ নতুন সাংগঠনিক ব্যৱস্থা, (৫) ভাষা অধ্যয়ন, (৬) পাঠ্যক্ৰম আৰু পাঠ্যপুথি প্ৰস্তুতকৰণ, (৭) গতিশীল শিক্ষণ পদ্ধতি, (৮) চৰিত্ৰ গঠনৰ শিক্ষণ, (৯) মাধ্যমিক স্কুলৰ পথ প্ৰদৰ্শন আৰু নিৰ্দেশনা কাৰ্য, (১০) শিক্ষাৰ্থীৰ দৈহিক কল্যাণ আঁচনি, (১১) পৰীক্ষা আৰু মূল্যায়ন ব্যৱস্থাৰ উন্নতি সাধন, (১২) শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন, (১৩) শৈক্ষিক প্ৰশাসনৰ সমস্যা, (১৪) অৰ্থ ব্যৱস্থা, (১৫) আয়োগৰ দৃষ্টিত মাধ্যমিক বিদ্যালয়।

**আত্মমূল্যায়ন (ক)**

(১) মাধ্যমিক শিক্ষা আয়োগক কিয় মুডালিয়াৰ আয়োগ বুলি কোৱা হয়?

..........................................................................................

(২) মাধ্যমিক শিক্ষা আয়োগ কোন চনত গঠন কৰা হৈছিল?

..........................................................................................

(৩) মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিবেদনত কেইটা দিশত গুৰুত্ব দিয়া হৈছিল?

..........................................................................................

**৩.২.২ মাধ্যমিক শিক্ষা আয়োগৰ উদ্দেশ্যসমূহ ঃ**

মাধ্যমিক শিক্ষা আয়োগে দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ পটভূমিত চাৰিটা প্ৰধান উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰিছিল।

**(১) গণতান্ত্ৰিক নাগৰিকত্ব বিকাশ সাধন ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছতেই মাধ্যমিক শিক্ষা আয়োগ গঠন কৰা হৈছিল। ভাৰতবৰ্ষক গণতান্ত্ৰিক সাৰ্বভৌম ধৰ্মনিৰপেক্ষ গণৰাজ্য হিচাপে গঢ়িবলৈ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ আছে। তোমালোকে আগতে সমাজবিদ্যাৰ পাঠ্যপুথিত সংবিধানৰ প্ৰস্তাৱনাটো পঢ়ি পাইছানে ? এই দেশীয় দৰ্শনৰ প্ৰতি লক্ষ্য ৰাখি আয়োগে গণতান্ত্ৰিক মূল্যবোধ থকা নাগৰিক প্ৰস্তুত কৰাত গুৰুত্ব দিছিল। গণতান্ত্ৰিক ৰাষ্ট্ৰত প্ৰতিজন উঠি অহা ল'ৰা ছোৱালীয়ে যাতে বিদ্যালয় পৰ্যায়তে ভাল চিন্তা আয়ত্ব কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ল'ৰা-ছোৱালীক সামাজিক কৌশল, সামাজিক ন্যায়, নতুন আদৰ্শ, দেশপ্ৰেমৰ চিন্তাধাৰা, সহনশীলতা, কথন আৰু লিখনৰ স্পষ্টতা আদি শিকাব লাগে যাতে ভৱিষ্যতে গণতান্ত্ৰিক ভাবধাৰা অটুট ৰাখিব পাৰে। তোমালোকে মাধ্যমিক পৰ্যায়ত পঢ়োতে বিদ্যালয়ত দেশপ্ৰেম, সহনশীলতা, ন্যায়, সমতা, সামাজিক গুণসমূহ নিশ্চয় শিকাইছিল।

**(২) বৃত্তিমূলক দক্ষতাৰ বিকাশ সাধন ঃ** মাধ্যমিক পৰ্যায়ত শিক্ষাৰ্থীসকলক হস্তশিল্প আৰু উৎপাদনমূলক কাৰ্যৰে শিক্ষা প্ৰদানৰ জৰিয়তে ভৱিষ্যতে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাত গুৰুত্ব দিয়া হৈছিল। পাঠ্যক্ৰমত কৃষি, বাণিজ্য, কাৰিকৰী বিষয় আৰু অন্যান্য বৃত্তিমূলক বিষয় অন্তৰ্ভূক্ত কৰি কৰ্মৰ মহত্ত্ব উপলব্ধি কৰিবলৈ শিকোৱা হৈছিল। কাৰিকৰী কৌশলৰ উন্নয়ন সাধন আৰু কৰ্মৰ মূল্য বুজিবলৈ বিভিন্ন বৃত্তিমূলক বিষয়ৰ শিক্ষাদানৰ উদ্দেশ্য স্থিৰ কৰা হৈছিল।

**(৩) ব্যক্তিত্বৰ বিকাশ সাধন ঃ** মাধ্যমিক শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীলতা, সামাজিক আৰু আবেগিক বিকাশ, কলাত্মক গুণৰ বিকাশত গুৰুত্ব দিব লাগে। পাঠ্যক্ৰমত এই উদ্দেশ্যেৰে কলা. সংগীত, নৃত্য, হস্তশিল্প ইত্যাদি অন্তৰ্ভুক্ত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীৰ সংবেদনশীল মনৰ বিকাশ

সাধনৰ কাৰণে কলাত্মক বিষয় অধ্যয়ন কৰাৰ সুযোগ দিব লাগে।

**(৪) নেতৃত্ব গুণৰ বিকাশ সাধন ঃ** আয়োগে মাধ্যমিক পৰ্যায়ত পঢ়ি থকা ল'ৰা-ছোৱালীবোৰে ভৱিষ্যতে যাতে সাহিত্য, কলা, বিজ্ঞান, কৃষি, বাণিজ্য, ৰাজনীতি, সমাজ, শিল্প, সংস্কৃতি আদি দিশত নেতৃত্ব দিব পাৰে তাৰ কাৰণে শিক্ষাপ্ৰদানত গুৰুত্ব দিব লাগে। অনুশাসন আৰু সবল নেতৃত্বৰ শিক্ষাৰ ব্যৱস্থা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলে সামাজিক বিষয়সমূহ স্পষ্ট আৰু গভীৰভাৱে বুজি পোৱাকৈ বিদ্যালয়ত শিকাব লাগে।

**আত্মমূল্যায়ন (খ)**

(১) মাধ্যমিক শিক্ষা আয়োগৰ প্ৰধান উদ্দেশ্যসমূহ উল্লেখ কৰা।

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

(২) মাধ্যমিক পৰ্যায়ত গণতান্ত্ৰিক ভাবধাৰা শিকাবলৈ শিক্ষাৰ্থীসকলক কেনেধৰণৰ বিষয় শিকাব লাগে।

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

(৩) মাধ্যমিক শিক্ষাই শিক্ষাৰ্থীৰ নেতৃত্ব গুণৰ উৎকৰ্ষ সাধনৰ কাৰণে কেনে ব্যৱস্থা গ্ৰহণ কৰে।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

## ৩.৩ মাধ্যমিক শিক্ষা সমস্যাৱলী (Problems of Secondary Education) :

আয়োগৰ সদস্যসকলে পৰ্যবেক্ষণ কৰি মাধ্যমিক শিক্ষাৰ সমস্যা নিৰ্ণয় কৰিছিল। এই সমস্যাসমূহ তলত উল্লেখ কৰা হ'ল -

**(১) পুথিগত শিক্ষাব্যৱস্থা ঃ** আয়োগৰ মতে প্ৰচলিত পাঠ্যক্ৰম পুথিগত, যান্ত্ৰিক, একীভূত আৰু গতানুগতিক। পুথিগতৰ অৰ্থ হৈছে মাধ্যমিক বিদ্যালয়ৰ শিক্ষা পাঠ্যপুথিৰ তত্ত্ব অধ্যয়নতে সীমাবদ্ধ হৈ থাকে। ছাত্ৰ-ছাত্ৰীয়ে যন্ত্ৰৰ দৰে এটা উদ্দেশ্যত ব্যস্ত হৈ থাকিবলগীয়া হোৱা কাৰণে কোনো গতিশীলতা নাথাকে। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন গুণৰ বিকাশতকৈ বিশ্ববিদ্যালয় শিক্ষাৰ কাৰণে প্ৰস্তুততহে গুৰুত্ব দিয়া হয়।

**(২) অনুপযুক্ত পাঠ্যক্ৰম ঃ** প্ৰচলিত পাঠ্যক্ৰম অপ্ৰয়োজনীয় বিষয়বস্তুৰে বিস্তৃত আৰু যথেষ্ট গধুৰ। বাস্তৱ জীৱনৰ সৈতে খাপ খোৱা বিষয়বস্তু নথকা কাৰণে আত্মপ্ৰকাশৰ সুযোগ নাথাকে।

**(৩) বহুমুখী পাঠ্যক্ৰম অভাৱ ঃ** স্বাধীনোত্তৰ কালৰ মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ, আগ্ৰহ, প্ৰয়োজনীয়তা অনুযায়ী পঢ়িব পৰা বিষয়বস্তু অধ্যয়নৰ সুবিধা নাছিল। সেয়ে মাধ্যমিক শিক্ষা শেষ হোৱাৰ পাছত ল'ৰা-ছোৱালীয়ে আৰ্থিক উপাৰ্জনৰ পথ বিচাৰি নাপাইছিল।

**(৪) বাস্তৱ জীৱনৰ সৈতে সম্পৰ্কৰ অভাৱ ঃ** মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম শিক্ষাৰ্থীয়ে বাস্তৱ সামাজিক জীৱনত প্ৰয়োগ কৰিব পৰা বিষয়বস্তু

পঢ়িবলৈ কোনো সুবিধা নাছিল। সেয়ে অনুশাসন, সহযোগিতা, নেতৃত্ব আদি সামাজিক গুণ শিকাই ল'ৰা-ছোৱালীক গণতান্ত্ৰিক দেশৰ সুনাগৰিক হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা নাছিল।

**(৫) পৰীক্ষাকেন্দ্ৰিক ঃ** ছাত্ৰ-ছাত্ৰীসকলে মুখস্থ কৰি পৰীক্ষাত উত্তীৰ্ণ হোৱাত অধিক গুৰুত্ব দিয়া দেখা গৈছিল। তেওঁলোকে নিজে চেষ্টা কৰি প্ৰশ্নৰ উত্তৰ লিখাত গুৰুত্ব নিদিয়াৰ কাৰণে আত্ম-প্ৰতিভা প্ৰকাশ হোৱাত বাধা আহিছিল।

**(৬) সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ অভাৱ ঃ** মাধ্যমিক শিক্ষাত পাঠ্যপুথি অধ্যয়নৰ জৰিয়তে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ব্যৱস্থাহে আছিল। শিক্ষাৰ্থীৰ দৈহিক, সামাজিক, আবেগিক, নৈতিক গুণাৱলী বিকাশৰ কোনো ব্যৱস্থা নাছিল। বিদ্যালয়ত খেলপথাৰ আৰু সৃজনীশক্তি বিকাশৰ সুবিধা নাছিল।

**(৭) বৃত্তি শিক্ষাৰ অভাৱ ঃ** মাধ্যমিক পৰ্যায়ত বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ ব্যৱস্থা নথকা কাৰণে ভৱিষ্যত জীৱিকা-নিৰ্বাহৰ উপায় নাথাকে।

**(৮) দোষমুক্ত শিক্ষাদান পদ্ধতি ঃ** শিক্ষাৰ্থীসকলৰ যান্ত্ৰিক স্মৃতি প্ৰয়োগতহে অধিক গুৰুত্ব দিয়া হৈছিল। শিক্ষাৰ্থীৰ স্বাধীন চিন্তাৰ প্ৰকাশৰ সুবিধা নাথাকে।

**(৯) উপযুক্ত শিক্ষকৰ অভাৱ ঃ** প্ৰচলিত শিক্ষা ব্যৱস্থাত সেইসময়ত উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ নিযুক্তি দিয়াৰ ব্যৱস্থা নাছিল। শিক্ষকৰ বেতনো নিম্ন পৰ্যায়ৰ আছিল। সেয়ে শিক্ষাগ্ৰহণৰ অনুকূল পৰিবেশ বিদ্যালয়ত নাছিল। সেই অনুপাতে ঘৰৰ পৰিবেশতো শিক্ষা লাভ বিশেষ সুবিধা আৰু সচেতনতো নাছিল।

**(১০) ইংৰাজী ভাষাত অধিক গুৰুত্ব ঃ** স্বাধীনোত্তৰ কালত মাধ্যমিক পৰ্যায়ত ইংৰাজী ভাষা বাধ্যতামূলক আছিল। ফলত, উপযুক্ত শিক্ষাদান পদ্ধতিৰ অভাৱ আৰু অবিজ্ঞানসন্মত মূল্যাংকনৰ কাৰণে বহুতো ল'ৰা-ছোৱালীয়ে আধাতে পঢ়া এৰিবলগীয়া হৈছিল।

উপৰোক্ত সমস্যাসমূহ অধ্যয়ন কৰাৰ পাছত তোমালোকে মাধ্যমিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত স্বাধীনোত্তৰ কালত উদ্ভৱ হোৱা সমস্যাসমূহ উপলব্ধি

কৰিব পাৰিবা আৰু বৰ্তমানৰ মাধ্যমিক শিক্ষা গ্ৰহণত তোমালোকে সন্মুখীন হোৱা সমস্যাৰ সৈতে তুলনা কৰি মনত ৰাখিব পাৰিবা।

**আত্মমূল্যায়ন (গ)**

(১) স্বাধীনোত্তৰ কালত মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ প্ৰধান ত্ৰুটি কি আছিল?

..........................................................................

..........................................................................

..........................................................................

..........................................................................

..........................................................................

(২) বহুমুখী পাঠ্যক্ৰম বুলিলে কি বুজা?

..........................................................................

..........................................................................

..........................................................................

..........................................................................

..........................................................................

(৩) ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়ত শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা আছিলনে?

..........................................................................

..........................................................................

..........................................................................

..........................................................................

..........................................................................

## ৩.৪ মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম – ত্ৰুটি আৰু সংস্কাৰ ঃ (Curriculum of Secondary Education : Defects and Reforms)

ভাৰতবৰ্ষৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ পাঠ্যক্ৰম সম্পৰ্কে অধ্যয়ন কৰি আয়োগে প্ৰধান ত্ৰুটি নিৰ্বাচন কৰিছিল আৰু তাৰ নিৰাময়ৰ কাৰণে পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ নীতি নিদ্ধাৰণ কৰিছিল। আয়োগে পাঠ্যক্ৰম সময়ৰ উপযোগী কৰি গঢ়ি তোলাত গুৰুত্ব দিছিল।

### ৩.৪.১ প্ৰচলিত পাঠ্যক্ৰমৰ আসোঁৱাহ ঃ

মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমৰ প্ৰধান দোষ-ত্ৰুটি তলত বৰ্ণনা কৰা হৈছে। আয়োগে প্ৰচলিত পাঠ্যক্ৰমে জীৱন-নিৰ্বাহৰ কাৰণে শিক্ষাৰ্থীক প্ৰস্তুত কৰি তুলিবলৈ অসমৰ্থতাৰ বিষয়ে উল্লেখ কৰিছিল।

(১) **পাঠ্যক্ৰমৰ সংকীৰ্ণ ধাৰণা ঃ** প্ৰচলিত শিক্ষাব্যৱস্থাৰ পাঠ্যক্ৰমে প্ৰৱেশিক পৰীক্ষাত উত্তীৰ্ণ হৈ বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰাৰ কাৰণে প্ৰস্তুত হোৱাত অধিক গুৰুত্ব দিয়ে।

(২) **পুথিকেন্দ্ৰিক শিক্ষা ঃ** প্ৰচলিত পাঠ্যক্ৰমে পুথিগত বিদ্যা অৰ্জন ওপৰত গুৰুত্ব দিয়ে। পুথিৰ তত্ত্বজ্ঞান আহৰণত অধিক গুৰুত্ব দিয়া কাৰণে জীৱনৰ বাস্তৱিকতাৰ সৈতে কোনো সম্পৰ্ক নাথাকে।

(৩) **ব্যক্তিগত বৈষম্যত গুৰুত্বৰ অভাৱ ঃ** বৰ্তমান পাঠ্যক্ৰমে শিক্ষাৰ্থীৰ ব্যক্তিগত অভিৰুচি, আগ্ৰহ প্ৰৱণতা আদিৰ দিশত কোনো গুৰুত্ব নিদিয়াৰ কাৰণে আত্মবিকাশত বাধা আহে।

(৪) **পাঠ্যক্ৰমৰ বিষয়ৰ মাত্ৰাধিক্য ঃ** পাঠ্যক্ৰমত সহ-সম্বন্ধ নথকাকৈহে অতিমাত্ৰা বিষয়বস্তুৰ অন্তৰ্ভুক্তিৰ কাৰণে শিক্ষকৰ পাঠদানতো অসুবিধা হয়।

(৫) **বিভিন্ন বিষয়ৰ অভাৱ ঃ** বিভিন্ন প্ৰয়োজনীয় বিষয়সমূহ পাঠ্যক্ৰমত নথকা কাৰণে শিক্ষাৰ্থীসকলৰ বহুতো চাহিদা আৰু প্ৰয়োজন পূৰণ নহয়।

(৬) **কাৰিকৰী আৰু বৃত্তি মূলক বিষয়ৰ অভাৱ ঃ** আয়োগৰ মতে

প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ, আন্তঃগাঠনিৰ অভাৱ, শৈক্ষিক বিষয়ৰ প্ৰতি দুৰ্ব্বলতা আদি কাৰণত মাধ্যমিক পৰ্যায়ত কাৰিকৰী আৰু বৃত্তিমূলক বিষয় অধ্যয়নৰ পৰ্যাপ্ত সুবিধা নাথাকে। তাৰ ফলস্বৰূপে, শিক্ষাৰ্থীসকলে ভৱিষ্যত জীৱনৰ কাৰণে বৃত্তিশিক্ষাৰ অভাৱ অনুভৱ কৰিছিল।

**(৭) ব্যৱহাৰিক বা প্ৰায়োগিক শিক্ষাৰ অভাৱ ঃ** প্ৰচলিত পাঠ্যক্ৰমত ব্যৱহাৰিক কাৰ্যসূচীৰ অভাৱে শিক্ষাৰ্থীৰ ব্যক্তিত্ব গঠনত সহায় কৰিব নোৱাৰিছিল।

**(৮) পৰীক্ষাৰ দ্বাৰা প্ৰভাৱিত ঃ** প্ৰচলিত পাঠ্যক্ৰমে পৰীক্ষাকেন্দ্ৰিক শিক্ষাৰ কাৰণে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰি তোলে। পৰীক্ষাৰ যোগেদি শৈক্ষিক যোগ্যতা নিৰ্ণয়ত গুৰুত্ব দিয়া কাৰণে যুক্তি, চিন্তা, আত্ম-প্ৰকাশভঙ্গীৰ বিকাশত হেঙাৰ সৃষ্টি হৈছে।

মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমৰ এনে ত্ৰুটি কাৰণে আয়োগে পাঠ্যক্ৰম প্ৰস্তুতিৰ নীতি প্ৰস্তুত কৰি উলিয়াইছিল।

### ৩.৪.২ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ মৌলিক নীতি ঃ

মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰোতে কেনেধৰণৰ নীতি অৱলম্বন কৰিকব সেই বিষয়ে আয়োগে কেইটামান মৌলিক নীতিৰ পৰামৰ্শ দান কৰিছিল। এই নীতিসমূহ হৈছে -

(১) মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰম বহ'ল পৰিসৰৰ হ'ব লাগে। আয়োগে মত প্ৰকাশ কৰে যে পাঠ্যক্ৰম বুলিলে বিদ্যালয়, শ্ৰেণীকোঠা, গ্ৰন্থাগাৰ, প্ৰয়োগশালা, কৰ্মশালা, খেলপথাৰ আৰু শিক্ষকৰ সৈতে ছাত্ৰ-ছাত্ৰীয়ে স্থাপন কৰা বিভিন্ন অনানুষ্ঠানিক সংযোগ সাধনৰ বহুমুখী কাৰ্যাৱলীৰ পৰা আহৰণ কৰা সকলো অভিজ্ঞতাক অন্তৰ্ভুক্ত কৰা হয়। অৰ্থাৎ তোমালোকে বিদ্যালয় চৌহদত ভিতৰত যিকোনো স্থানত আয়ত্ব কৰা সকলো জ্ঞান-অভিজ্ঞতাই পাঠ্যক্ৰমৰ ভিতৰুৱা।

(২) মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰম নমনীয় আৰু ভিন্নমুখী হ'ব লাগে। পাঠ্যক্ৰম শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা, আগ্ৰহ, অভিৰুচি অনুযায়ী

প্ৰস্তুত কৰিব লাগে। প্ৰতিজন শিক্ষাৰ্থীৰ সামৰ্থ আৰু সফলতাত দৃষ্টি ৰাখিব লাগে। তোমালোকে পাঠ্যপুথিত সন্নিবিষ্ট বিষয়বোৰ যথেষ্ট কঠিন পালে পঢ়িবলৈ আমনি নোপোৱানে?

(৩) পাঠ্যক্ৰমত প্ৰস্তুত কৰোতে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ণৰ জৰিয়তে যাতে সমাজৰ সৈতে খাপ খাব পাৰে তাৰ ওপৰত চকু দিব লাগে। সমাজেও বিদ্যালয়ক তেওঁলোকৰ অবিচ্ছেদ্য অংগ যেন জ্ঞান কৰাৰ ব্যৱস্থা কৰিব লাগে।

(৪) ছাত্ৰ-ছাত্ৰীসকলে অৱসৰ সময়ত সক্ৰিয় কৰ্মৰ জৰিয়তে সৃষ্টিশীলতা আৰু বিনোদনত জড়িত হ'বৰ কাৰণে পাঠ্যক্ৰমত কৰ্মমূলক বিষয়বস্তু অধ্যয়নৰ সুবিধা থাকিব লাগে। পাঠ্যক্ৰম সামাজিক কৰ্মৰ বিষয়ো থকা উচিত।

(৫) পাঠ্যক্ৰমত বিষয়সমূহ পৃথকভাৱে নিশিকাই এটা পাঠ বা বিষয়বস্তু সৈতে অন্য এটা পাঠৰ সহসম্বন্ধ থকা উচিত। তোমালোকে মাধ্যমিক বিদ্যালয়ত পঢ়োতে যিবোৰ বিষয় পঢ়িছিলা, বিষয়সমূহৰ মাজত সম্বন্ধ আছিল। যেনে - সমাজবিদ্যা বিষয়ত অসমৰ ভূগোল আৰু বুৰঞ্জী পঢ়িব লাগিছিল। পিছৰ শ্ৰেণীত তোমালোকক ভাৰতৰ বুৰঞ্জী পঢ়িবলৈ দিয়া হৈছিল আৰু ভূগোলৰ ক্ষেত্ৰত ভাৰতৰ লগতে পৃথিৱীৰ বিভিন্ন দেশৰ ভূগোলো পঢ়িবলগীয়া হৈছিল। সেইদৰে, গণিতৰ ক্ষেত্ৰত এটা পাঠৰ অংকবোৰ ভালদৰে নিশিকিলে পাছৰ পাঠৰ অংক বা পিছৰ শ্ৰেণীবোৰতো অসুবিধা হয়। বিদ্যালয়ৰ নিম্ন শ্ৰেণীত তোমালোকে বিজ্ঞানত মৌলৰ বিষয়ে পঢ়া মনত আছে নে? যদি পাহৰিছা, তোমালোকৰ ভাইটি-ভন্টীৰ ষষ্ঠ বা সপ্তমমানৰ বিজ্ঞানৰ পাঠ্যপুথিখন চাবাচোন। পিছলৈ নৱম শ্ৰেণীত বিভিন্ন ৰাসায়নিক সমীকৰণ আৰু পদাৰ্থ গঠনৰ বিষয়ে পঢ়িবলগীয়া নহৈছিল নে? এনেধৰণৰ বিষয়বস্তুৰ সম্বন্ধকে শিক্ষাৰ ক্ষেত্ৰত বিষয়ৰ সহ-সম্বন্ধ বুলি কোৱা হয়।

(৬) পাঠ্যক্ৰমত বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰা উচিত। বৃত্তিশিক্ষাই শিক্ষাৰ্থীৰ নিবনুৱাৰ সংখ্যা হ্ৰাস কৰাৰ আশা কৰা হৈছিল। পাঠ্যক্ৰমক গতিশীলভাৱে প্ৰস্তুত কৰিব লাগে।

উক্ত আলোচনাৰ পৰা বুজিব পৰা গৈছে যে মাধ্যমিকস্তৰত বহ'ল পৰিসৰৰ, নমনীয়, ভিন্নমুখী, সমাজৰ প্ৰয়োজনভিত্তিক, কৰ্মশিক্ষা, বৃত্তিশিক্ষা, কাৰিকৰীশিক্ষাৰ বিষয়বস্তু সন্নিবিষ্ট থকা, বিষয়বস্তুৰ সহসম্বন্ধ থকা এখন গতিশীল পাঠ্যক্ৰম থকা অতি প্ৰয়োজনীয়।

**আত্মমূল্যায়ন (ঘ)**

(১) মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমৰ দুটা আসোঁৱাহ উল্লেখ কৰা।

..............................................................................

..............................................................................

..............................................................................

..............................................................................

(২) মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমক কিয় পৰীক্ষাকেন্দ্ৰিক হিচাপে গণ্য কৰা হৈছিল?

..............................................................................

..............................................................................

..............................................................................

..............................................................................

(৩) মাধ্যমিক স্তৰৰ পাঠ্যক্ৰম প্ৰস্তুত কৰোতে কেনেধৰণৰ নীতি মানি চলি'ব লাগে?

..............................................................................

..............................................................................

..............................................................................

**৩.৪.৩. স্তৰ অনুযায়ী পাঠ্যক্রম আৰু বিষয়সমূহ ঃ**

মুডালিয়াৰ আয়োগৰ মতে, মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্রম দুটা স্তৰত গঠন কৰিব লাগে। যেনে -

(১) **মজলীয়া বিদ্যালয় পৰ্যায়ৰ পাঠ্যক্রম ঃ** এই পাঠ্যক্রম তিনিবছৰীয়া হ'ব। ১১ বছৰ বয়সৰ পৰা ১৩ বছৰ বয়সলৈ ছাত্ৰ-ছাত্ৰীসকলে এই পাঠ্যক্রম অধ্যয়ন কৰিবলৈ স্থিৰ কৰা হৈছিল।

(২) **উচ্চ আৰু উচ্চতম মাধ্যমিক বিদ্যালয় পৰ্যায়ৰ পাঠ্যক্রম ঃ** এই পাঠ্যক্রম চাৰিবছৰীয়া হ'ব। উচ্চ মাধ্যমিক স্তৰত ১৪ ৰ পৰা ১৬ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে আৰু উচ্চতৰ মাধ্যমিক স্তৰত ১৪ ৰ পৰা ১৭ বছৰ বয়সলৈ শিক্ষাৰ্থীৰ কাৰণে পাঠ্যক্রম প্ৰস্তুত কৰা হ'ব।

দুয়োটা স্তৰৰ পাঠ্যক্রমৰ বিষয়বস্তু পৃথক হ'ব। তলত দুয়োটাস্তৰৰ পাঠ্যক্রম প্ৰস্তুতকৰণ আৰু বিষয়ৰ অন্তৰ্ভুক্তি সম্পৰ্কে আয়োগৰ পৰামৰ্শসমূহ উল্লেখ কৰা হ'ল -

**(১) মজলীয়া বিদ্যালয় স্তৰৰ পাঠ্যক্রম ঃ** এই স্তৰ প্ৰকৃতিতে প্ৰাথমিক স্তৰৰহে অন্তৰ্ভুক্ত। সেয়ে এই স্তৰৰ পাঠ্যক্রমৰ বিষয়বস্তু আৰু শিক্ষাদান পদ্ধতিৰ ক্ষেত্ৰত ব্যৱধান থাকিব নালাগে। প্ৰাথমিক স্তৰৰ পাঠ্যক্রমৰ সৈতে মজলীয়া বিদ্যালয়ৰ পাঠ্যক্রমৰ সংগতি থাকিব লাগে। মাধ্যমিক স্কুলৰ পাঠ্যক্রম প্ৰস্তুত কৰোতে প্ৰস্তুতকৰ্তাই গুৰুত্ব দিবলগীয়া দিশসমূহ হৈছে -

(ক) মজলীয়া বিদ্যালয়ৰ পাঠ্যক্রম সক্ৰিয় আৰু কাৰ্যকৰী হ'ব লাগে।

(খ) এই পাঠ্যক্রম ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰয়োজনভিত্তিক হ'ব লাগে।

(গ) এই পাঠ্যক্রমত সাধাৰণ জীৱন-যাপনত প্ৰয়োজন হোৱা সকলোবিলাক শিক্ষা দিব লাগে।

(ঘ) মজলীয়া বিদ্যালয় পাঠ্যক্রমে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা প্ৰকাশত সহায় কৰিব লাগে।

(ঙ) মাধ্যমিক স্তৰৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে।

(চ) মাধ্যমিক স্তৰৰ মজলীয়া বিদ্যালয়ত অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয়সমূহ হৈছে -

(১) ভাষা
(২) সমাজবিদ্যা
(৩) সাধাৰণ বিজ্ঞান
(৪) গণিত
(৫) চাৰুকলা আৰু সংগীত
(৬) হস্তশিল্প
(৭) শাৰীৰিক শিক্ষা

**(২) উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰম ঃ** এই স্তৰৰ পৰামৰ্শসমূহ হৈছে -

(ক) এই পৰ্যায়ত পাঠ্যক্ৰম প্ৰস্তুত কৰোঁতে শিক্ষাৰ্থীৰ মানসিক যোগ্যতা, সামৰ্থ, ইচ্ছা, ৰুচি-অভিৰুচিৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

(খ) এই পৰ্যায়ৰ পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ ভিন্ন বিষয়ৰ অন্তৰ্ভুক্ত হ'ব লাগে।

(গ) পাঠ্যক্ৰমত ভৱিষ্যতে স্বাৱলম্বী হ'ব পৰাকৈ বৃত্তিশিক্ষাৰ ব্যৱস্থা থাকিব লাগে। তাৰ লগতে মানুহ স্বৰূপে আৰু উপযুক্ত নাগৰিক স্বৰূপে নিজৰ দায়িত্ব পালন কৰিব পৰাকৈ সাধাৰণ শিক্ষা লাভৰ সুসংহত ব্যৱস্থা থাকিব লাগে।

(ঘ) প্ৰথম বাৰ্ষিকত সাধাৰণ আৰু মৌলিক বিষয়সমূহ অন্তৰ্ভুক্ত কৰিব লাগে আৰু দ্বিতীয় বাৰ্ষিকতহে বিশেষ বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে।

(ঙ) এই স্তৰৰ পাঠ্যক্ৰমত প্ৰধান বিষয়ৰ লগতে ঐচ্ছিক বিষয়ো অধ্যয়নৰ সুবিধা থাকিব লাগে। মূল বিষয়সমূহ হৈছে - ভাষা, সমাজ অধ্যয়ন, সাধাৰণ বিজ্ঞান, গণিত, হস্তশিল্প ঐচ্ছিক বিষয়সমূহ সাতটা বহল ভাগত ভাগ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে তাৰে তিনিটা বিষয় বাছি ল'ব পাৰিব। এই সাতটা ভাগ হৈছে -

কলা বা মানবীয় বিষয়, বিজ্ঞান, বাণিজ্যিক, কাৰিকৰী, কৃষিশিক্ষা, সুকুমাৰ কলা, গাৰ্হস্থ্য বিজ্ঞান (ছোৱালীৰ কাৰণে)

পাঠ্যক্ৰমসমূহ চাৰিটা সমষ্টিত ভাগ কৰা হৈছে। তাৰে প্ৰথম তিনিটা সমষ্টি বাধ্যতামূলক আৰু চতুৰ্থ সমষ্টি ঐচ্ছিক বিষয়। চতুৰ্থ সমষ্টি সাতটা বিভাগ আছে।

**"ক" সমষ্টি (বাধ্যতামূলক )**

১) মাতৃভাষা বা আঞ্চলিক ভাষা

২) যিকোনো নিম্নোলিখিত ভাষা

(ক) হিন্দী (যিসকল শিক্ষাৰ্থীৰ মাতৃভাষা হিন্দী নহয়)

(খ) প্ৰাথমিক ইংৰাজী (মজলীয়া স্তৰত ইংৰাজী ভাষা নপঢ়াসকলৰ কাৰণে)

(গ) উচ্চতৰ ইংৰাজী (যিসকলে মজলীয়া স্তৰত ইংৰাজী অধ্যয়ন কৰিছিল)

(ঘ) এটা আধুনিক বিদেশী ভাষা (ইংৰাজীক বাদ দি)

(ঙ) এটা পৌৰাণিক ভাষা

**"খ" সমষ্টি (বাধ্যতামূলক)**

১) সাধাৰণ পাঠ্যক্ৰম (কেৱল প্ৰথম দুবছৰ কাৰণে)

২) গণিতসহ সাধাৰণ বিজ্ঞান, সাধাৰণ পাঠ্যক্ৰম (কেৱল প্ৰথম দুবছৰৰ কাৰণে)

**"গ" সমষ্টি (বাধ্যতামূলক)**

নিম্নেলিখিত যিকোনো এটা বিষয় বাছি ল'ব লাগিব।

১) সূতাকটা আৰু বয়ন (Spinning and Weaving)

২) কাঠৰ কাম (Wood work)

৩) ধাতুৰ কাম (Metal work)

৪) বাগিছা কৰা (Gardening)

৫) বস্ত্ৰচিলাই কাম (Tailoring)

৬) মুদ্ৰালিখন (Typography)

৭) কৰ্মশালা অভ্যাস (Workshop practice)

৮) চিলাই, বেজী-সূতাৰ কাম, কাপোৰত ফুলৰ চানেকি গোঁঠা কাম (Sewing, needle work, Embroidary)

৯) আৰ্হি প্ৰস্তুতকৰণ (Modelling)

**"ঘ" সমষ্টি (ঐচ্ছিক)**

তলৰ উল্লেখ কৰা ভাগসমূহৰ পৰা এটা ভাগ বাছি লৈ তাৰ তিনিটা বিষয় বাছি ল'ব লাগিব। সপ্তমভাগ ছোৱালীৰ কাৰণে সংৰক্ষিত হ'ব।

প্ৰথম ভাগ ঃ কলা বা মানবীয় বিষয়

১) এটা প্ৰধান ভাষা (আগতে অধ্যয়ন কৰিব নালাগিব)

২) ইতিহাস

৩) বুৰঞ্জী

৪) অৰ্থনীতি আৰু পৌৰপ্ৰশাসনৰ উপাদান (Elements of economics and civics)

৫) মনোবিজ্ঞান আৰু তৰ্কশাস্ত্ৰ বিষয়ৰ উপাদান

৬) গণিত

৭) সংগীত

৮) গাৰ্হস্থ্য বিজ্ঞান (Domestic Science)

**দ্বিতীয় ভাগ ঃ বিজ্ঞান**

১) পদাৰ্থ বিজ্ঞান (Physics)

২) ৰাসায়নিক বিজ্ঞান (Chemistry)

৩) জীৱবিদ্যা (Biology)

৪) ভূগোল (Geography)

৫) গণিত (Mathematics)

৬) শৰীৰবিজ্ঞান আৰু মানসিক স্বাস্থ্যবিজ্ঞানৰ উপাদান (Elements of Physiology and Hygiene)

**তৃতীয় ভাগ ঃ কাৰিকৰী**

১) প্ৰায়োগিক গণিত আৰু জ্যামিতিক অংকন (Applied Mathematics and Geometrical drawing)

২) বৈদ্যুতিক আভিযান্ত্ৰিক বিষয়ৰ উপাদান (Elements of Eletrical Engineering)

৩) প্ৰায়োগিক বিজ্ঞান (Applied Science)

৪) যান্ত্ৰিক আভিযান্ত্ৰিক বিষয়ৰ উপাদান (Elements of Mechanical engineering)

**চতুৰ্থ ভাগ ঃ (বাণিজ্যিক বিষয়)**

১) বাণিজ্য (Commerce)

২) হিচাপ ৰক্ষণ (Book-keeing)

৩) বাণিজ্যিক ভূগোল, পৌৰ প্ৰশাসন আৰু অৰ্থনীতি (Commercial Geography, Civics and Economics)

৪) দ্ৰুতলিখন আৰু ছপা আখৰ লিখন (Shorthand and Type writting)

**পঞ্চম ভাগ ঃ ( কৃষি)**

১) সাধাৰণ কৃষি (General Agriculture)

২) পশুপালন (Animal Husbandry)

৩) বৃক্ষৰোপণ আৰু উদ্যানবিদ্যা (Horticulture and Gardening)

৪) কৃষি ৰসায়ন আৰু উদ্ভিদবিদ্যা (Agriculture Chemistry and Botany)

**ষষ্ঠ ভাগ ঃ (চাৰুকলা)**

১) চাৰুকলাৰ ইতিহাস

২) চিত্ৰাঙ্কণ আৰু ৰূপাংকন

৩) চিত্ৰকৰণ

৪) নক্সা বিদ্যা
৫) সংগীত
৬) নৃত্য

**সপ্তমভাগ ঃ (গাৰ্হস্থ্য বিজ্ঞান)**

১) গৃহ অৰ্থনীতি (Home Economics)
২) পুষ্টি আৰু বন্ধন প্ৰকৰণ (Nutrition and Cookery)
৩) ......... আৰু শিশু প্ৰতিপালন (Mother Scaft and Child Care) (স্বাভাৱিক হস্তশিল্প বা মাতৃশিল্প)
৪) গৃহ - পৰিচৰ্যা (Home Nursing)

**৩.৪.৪. মাধ্যমিক বিদ্যালয়ৰ পাঠ্যপুথি নিৰ্বাচন ঃ**

মাধ্যমিক শিক্ষা আয়োগে ইয়াৰ প্ৰতিবেদনত ভাৰতৰ মাধ্যমিক বিদ্যালয়সমূহত চলি থকা পাঠ্যপুথিসমূহ নিম্নমানবিশিষ্ট বুলি উল্লেখ কৰিছিল। আয়োগ মতে, প্ৰচলিত পাঠ্যপুথি (textbook) সমূহৰ ক্ৰটীসমূহ হৈছে -

(ক) আঞ্চলিক ভাষাত মাধ্যমিক শিক্ষাৰ পাঠ্যপুথি প্ৰকাশ হৈছিল আৰু এনে পুথিৰ লিখন মানদণ্ড নিম্ন আছিল। আঞ্চলিক ভাষাত লিখকৰ সংখ্যা সীমিত আছিল। সেইদৰে, উপযুক্ত ব্যক্তিৰো আঞ্চলিক ভাষা ভালদৰে নজনাৰ কাৰণে পাছ্যপুথিৰ লিখাসমূহ বেয়া হৈছিল।

(খ) পাঠ্যপুথি নিৰ্বাচন সমিতিৰ কাৰ্যসমূহ বিশ্বাসযোগ্য নাছিল। সমিতিয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক যোগ্যতাৰ সৈতে খাপ খুওৱাই পাঠ্যপুথি অনুমোদন কৰাত ব্যৰ্থ হৈছিল।

(গ) মাধ্যমিক শিক্ষাৰ পাঠ্যপুথিৰ আন এটা প্ৰধান ক্ৰটী হৈছে পাঠ্যপুথিসমূহৰ কাগজ বেয়া, মুদ্ৰণ নিম্ন পৰ্যায়ৰ। পুথি প্ৰকাশৰ কাৰণে প্ৰকাশকসকলৰ হাতত বাণিজ্যিকভাৱে এৰি দিয়াত পাঠ্যপুথিৰ মান নিম্নগামী হৈছে।

উপৰোক্ত আসোঁৱাহসমূহ চকুত পৰাত আয়োগৰ কাৰণে এক উচ্চমানৰ

পাঠ্যক্ৰম প্ৰস্তুত কৰাটো অতি আৱশ্যকীয় হৈ পৰে। আয়োগে এখন উচ্চ ক্ষমতা সম্পন্ন পাঠ্যপুথি কমিটি গঠনৰ পোষকতা কৰে। এই কমিটিয়ে পাঠ্যপুথি নিৰ্বাচন মানদণ্ড স্থিৰ আৰু প্ৰকাশৰ প্ৰদক্ষেপ গ্ৰহণ কৰিব। এই কমিটিখন গঠন কৰিবলৈ অভিজ্ঞ ব্যক্তি নিৰ্বাচন কৰা হ'ব যিসকল এজন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, এজন লোকসেৱা আয়োগৰ সদস্য, এগৰাকী আঞ্চলিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, শিক্ষাসঞ্চালক, দুগৰাকী শিক্ষাবিদ, শিক্ষাধিকাৰ আৰু এগৰাকী মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ মাজৰ পৰা বাছনি কৰিব লাগিব। আয়োগে কমিটিৰ কাৰ্যাৱলীও স্থিৰ কৰিছিল। এই কাৰ্যসমূহ হৈছে -

(১) প্ৰতিটো বিষয়ৰ কাৰণে অভিজ্ঞ পাঠ্যপুথি প্ৰণেতা নিয়োগ কৰিব লাগিব।

(২) প্ৰকাশিত পাঠ্যপুথি বিক্ৰী কৰি পোৱা আয়েৰে এটা পুঁজি গঠন কৰিব লাগে। এই পুঁজিৰ ধনেৰে মেধাৱী দৰিদ্ৰ শিক্ষাৰ্থীক বৃত্তি দিয়া, পাঠ্যপুথি বিতৰণ কৰা আৰু মাধ্যমিক শিক্ষাৰ উন্নতিৰ কাৰণে খৰচ কৰিব লাগিব।

(৩) পাঠ্যপুথি প্ৰস্তুত কৰা লেখক-লেখিকাসকলক উপযুক্ত পাৰিশ্ৰমিক দিয়াত আয়োগে গুৰুত্ব দিব লাগিব।

(৪) কমিটিয়ে পাঠ্যপুথিত ব্যৱহাৰ কৰা কাগজ, ছপা পাঠৰ লগত সংযোজিত চিত্ৰ, কিতাপৰ আকাৰ, কিতাপৰ বন্ধা আদিৰ বিষয়ে স্পষ্ট নীতি নিৰ্ধাৰণ কৰিব লাগিব।

(৫) কমিটিয়ে পাঠ্যপুথিত ব্যৱহাৰ কৰা সচিত্ৰকৰণ বিষয়ত প্ৰশিক্ষণ দিবলৈ চিত্ৰাঙ্কণ বিদ্যালয় স্থাপন কৰিব।

(৬) কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে ছপা কামৰ সুবিধাৰ কাৰণে কিছুমান সুন্দৰ ব্লক সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

(৭) প্ৰত্যেক বিষয়ৰ কাৰণে এখন পাঠ্যপুথি অনুমোদন কৰাৰ পৰিৱৰ্তে যথেষ্ট সংখ্যক পাঠ্যপুথি অনুমোদন কৰিব লাগিব আৰু তাৰে এখন স্কুল কৰ্তৃপক্ষক বাছনি কৰি ল'বলৈ দিব লাগিব।

(৮) পাঠ্যপুথি প্ৰকাশৰ দায়িত্ব ৰাজ্যিক শিক্ষা বিভাগে গ্ৰহণ কৰিব লাগে।

(৯) সমাজৰ অনুভূতি, ৰাজনীতি আৰু ধৰ্মীয় স্বাৰ্থক আঘাত কৰা বিষয়বস্তু পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰাত আয়োগে বাধা দিছিল।

**আত্মমূল্যায়ন (ঙ)**

(১) মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ স্তৰ দুটা কি কি?

.................................................................................

.................................................................................

.................................................................................

(২) উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত ঐচ্ছিক বিষয়ৰ ভাগ কেইটা?

.................................................................................

.................................................................................

(৩) আয়োগে পাঠ্যপুথি বাছনি কৰিবলৈ আগবঢ়োৱা দুটা পৰামৰ্শ উল্লেখ কৰা।

.................................................................................

.................................................................................

.................................................................................

.................................................................................

## ৩.৫ মাধ্যমিক শিক্ষাৰ নতুন সংগঠনৰ আৰ্হি ঃ (New pattern of organization of Secondary education)

মুডালিয়াৰ আয়োগে মাধ্যমিক শিক্ষাৰ সংগঠনৰ এক নতুন আৰ্হি দাঙি ধৰিছিল। এই পৰামৰ্শসমূহ হৈছে -

(১) মাধ্যমিক শিক্ষা মুঠ ৭ বছৰীয়া হ'ব। শিক্ষাৰ্থীয়ে ১১ বছৰ বয়সৰ পৰা ১৭ বা ১৮ বছৰ বয়সলৈ মাধ্যমিক শিক্ষা গ্ৰহণ কৰিব।

(২) মাধ্যমিক শিক্ষাৰ স্তৰ দুটা হ'ব -

ক) তিনি বছৰীয়া মজলীয়া বা নিম্ন মাধ্যমিক বা উচ্চ বুনিয়াদী স্তৰ

খ) চাৰি বছৰীয়া উচ্চতৰ মাধ্যমিক স্তৰ

(৩) আয়োগৰ মতে, মাধ্যমিক শিক্ষাৰ নতুন সংগঠনৰ আৰ্হিটো ৪+৩+৩+১ বা ৫+৩+২+১ বা ৫+২+৩+১ হ'ব লাগে। অৰ্থাৎ চাৰি বা পাঁচবছৰীয়া প্ৰাথমিক শিক্ষা, তিনি বা দুবছৰীয়া মজলীয়া বা নিম্ন মাধ্যমিক, তিনি বা দুবছৰীয়া উচ্চ মাধ্যমিক আৰু এবছৰীয়া উচ্চতৰ মাধ্যমিক স্তৰ হ'ব।

(৪) শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা অনুযায়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰক বহুমুখী বিদ্যালয়লৈ পৰিৱৰ্তন কৰিব লাগিব।

(৫) প্ৰত্যেক গ্ৰাম্যঞ্চলত এখন কৃষিশিক্ষাৰ বিদ্যালয় আৰু মহানগৰত এখন কাৰিকৰী শিক্ষাৰ বিদ্যালয় স্থাপন কৰাৰ পৰামৰ্শ দান কৰিছিল।

**৩.৫.১ মাধ্যমিক শিক্ষাৰ মাধ্যম আৰু ভাষা ঃ**

আয়োগে মাধ্যমিক পৰ্যায়ত মাতৃভাষা, আঞ্চলিক ভাষা, হিন্দী ভাষা (ৰাষ্ট্ৰ ভাষা), পৌৰাণিক ভাষা (সংস্কৃত, আৰবী, পাৰ্চী, লেটিন), ইংৰাজী ভাষা (আন্তৰ্জাতিক ভাষা) অধ্যয়নৰ পোষকতা কৰিছিল।

আয়োগে শিক্ষাৰ মাধ্যম মাতৃভাষা বা আঞ্চলিক ভাষা হোৱাৰ গুৰুত্ব দিছিল।

মাধ্যমিক স্তৰত প্ৰতিজন শিক্ষাৰ্থীয়ে দুটা ভাষাত শিকাত গুৰুত্ব দিছিল। নিম্ন বুনিয়াদী স্তৰৰ শেষ পৰ্যায়ত হিন্দী আৰু ইংৰাজী ভাষা শিকাব ব্যৱস্থা কৰিব লাগে। উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্তৰত মাতৃভাষা বা আঞ্চলিক ভাষাৰ উপৰিও অন্য এটা ভাষা শিকিব লাগিব। আয়োগে ইংৰাজী আৰু হিন্দীভাষা শিকাত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। ৰাষ্ট্ৰভাষা হিচাপে হিন্দী ভাষাৰ আৰু পৃথিৱীত আন্তঃযোগাযোগৰ প্ৰধান মাধ্যম হিচাপে ইংৰাজী ভাষাৰ গুৰুত্বক আয়োগে উল্লেখ কৰিছিল। আয়োগে পৌৰাণিক ভাষাসমূহ উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্তৰত শিকাৰ ওপৰত গুৰুত্ব দিছিল। তোমালোকে বাৰু পৌৰাণিক ভাষা বুলিলে বুজি পাইছানে? পৌৰাণিক ভাষা হৈছে যি ভাষাৰ

সহায়ত প্ৰাচীন কালত পুথি-পাঁজি ৰচনা কৰা হৈছিল। ভাৰতৰ প্ৰাচীনতম গ্ৰন্থ বেদ, মহাভাৰত, ৰামায়ণ, উপনিষদ, মদ্ভাগৱত গীতা, স্মৃতিসমূহত সংস্কৃত ভাষাৰ শ্লোক লিখা হৈছিল। ইছলাম ধৰ্মাৱলম্বী ব্যক্তিৰ ধৰ্মীয় গ্ৰন্থসমূহো আৰবী আৰু পাৰ্চী ভাষাত লিখা হৈছে। সেয়ে মাধ্যমিক বিদ্যালয় পৰ্যায়তে সংস্কৃত, পাৰ্চী, আৰবীৰ দৰে পৌৰাণিক ভাষা আয়ত্বত আয়োগে গুৰুত্ব দিছিল।

**৩.৫.২ মাধ্যমিক শিক্ষাত শিক্ষাদান প্ৰণালী ঃ**

মাধ্যমিক শিক্ষাৰ শিক্ষাদান প্ৰণালী লক্ষ্যভিত্তিক আৰু বাস্তৱভিত্তিক কৰিবলৈ আয়োগে পৰামৰ্শ দিছিল। বিদ্যালয়ৰ শিক্ষাদান প্ৰণালী কৰ্মকেন্দ্ৰিক হ'ব লাগে আৰু তাৰ কাৰণে প্ৰকল্প পদ্ধতি ব্যৱহাৰৰ পৰামৰ্শ দান কৰিছিল। প্ৰকল্প পদ্ধতিৰ সহায়ত ছাত্ৰ-ছাত্ৰীসকলক এটা সমস্যা নিৰ্বাচন কৰি তাৰ সমাধান উলিয়াবলৈ দিয়া হয়। শিক্ষাৰ্থীসকলে বিভিন্ন স্তৰত পৰিকল্পনা কৰি প্ৰকল্প প্ৰস্তুত কৰি উলিয়াব। প্ৰকল্প পদ্ধতিয়ে প্ৰস্তুতি আৰু অভ্যাস জৰিয়তে শিকাত সহায় কৰে। এই পদ্ধতিয়ে মুখস্থ বিদ্যা ৰোধ কৰাত অৰিহণা যোগাব পাৰে। ছাত্ৰ-ছাত্ৰীক প্ৰশ্নৰ উত্তৰ নিজে কৰিবলৈ দিব লাগে যাতে লিখনশৈলীৰ প্ৰকাশভংগী উন্নত হয়। প্ৰকল্প পদ্ধতিৰ দৰে সক্ৰিয় কৰ্মভিত্তিক শিক্ষাই দলীয় শিক্ষণ আৰু গণতান্ত্ৰিক মূল্যবোধ আহৰণত সহায় কৰে। কাৰণ, শিক্ষাৰ্থীসকলে সহযোগিতাৰে কাম কৰিবলৈ সুযোগ লাভ কৰে। শ্ৰেণীত আহৰণ কৰা শিক্ষাৰ বাস্তৱ প্ৰয়োগৰ ব্যৱস্থা থাকিব লাগে। আয়োগৰ মতে, মাধ্যমিক পৰ্যায়ত শিক্ষাদান পদ্ধতি গতিশীল হ'ব লাগে।

**৩.৫.৩ মাধ্যমিক বিদ্যালয়ৰ প্ৰশাসন ঃ**

মাধ্যমিক বিদ্যালয়ৰ প্ৰশাসনীয় দিশৰ সৈতে জড়িত পৰামৰ্শসমূহ হৈছে -

(১) কেন্দ্ৰ আৰু ৰাজ্যিক স্তৰত এখনকৈ মাধ্যমিক শিক্ষাবৰ্ড গঠনৰ পৰামৰ্শ প্ৰদান কৰা হৈছিল। কেন্দ্ৰীয় মাধ্যমিক শিক্ষাবৰ্ডৰ সভাপতি দায়িত্ব শিক্ষামন্ত্ৰীক দিয়া হ'ব আৰু শিক্ষা অধিকৰ্তাগৰাকীক ৰাজ্যিক বৰ্ডৰ সভাপতি নিয়োগ কৰা হ'ব।

(২) শিক্ষাধিকাৰ গৰাকীয়ে শৈক্ষিক প্ৰশাসনৰ মুৰব্বীৰ দায়িত্ব ল'ব আৰু শিক্ষামন্ত্ৰীৰ সৈতে শৈক্ষিক নীতি সম্পৰ্কত পৰামৰ্শমূলক সম্পৰ্ক ৰক্ষা কৰিব। তেখেতে আয়োগৰ যুটীয়া সচিবৰ সমমৰ্যাদা লাভ কৰিব।

(৩) প্ৰতিখন মাধ্যমিক শিক্ষা বৰ্ডৰ অধীনত এখনকৈ উপসমিতি থাকিব। এই সমিতিয়ে মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম উন্নয়ন আৰু পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ কাম কৰিব।

(৪) শিক্ষাবিভাগক পৰামৰ্শ দিবলৈ কেন্দ্ৰ আৰু ৰাজ্যিক স্তৰত শিক্ষা উপদেষ্টা বৰ্ড থাকিব।

(৫) চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় পৰিচালনাৰ কাৰণে পৰিচালনা সমিতি থাকিব। বিদ্যালয়ৰ স্বীকৃতিৰ কাৰণে নীতি নিৰ্ধাৰণ কৰা হ'ব আৰু স্কুল পৰিদৰ্শকে পৰামৰ্শ আগবঢ়াব।

**আত্মমূল্যায়ন (চ)**

(১) মুডালিয়াৰ আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ সাংগঠনিক আৰ্হি কেনে হোৱা উচিত?

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

(২) মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক পৰ্যায়ত কি কি ভাষা অধ্যয়নৰ পৰামৰ্শ আগবঢ়াইছিল?

.................................................................................

.................................................................................

.................................................................................

(৩) মাধ্যমিক পৰ্যায়ৰ দুটা দুটা শিক্ষাদান পদ্ধতিৰ নাম উল্লেখ কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

(৪) মাধ্যমিক বিদ্যালয়ৰ প্ৰশাসনৰ মূল নিয়ন্ত্ৰণ কাৰ হাতত ন্যস্ত কৰিবলৈ মাধ্যমিক শিক্ষা আয়োগে পৰামৰ্শ আগবঢ়াইছিল?

..........................................................................................

..........................................................................................

..........................................................................................

## ৩.৬ মাধ্যমিক পৰ্যায়ৰ শিক্ষক সম্বন্ধীয় পৰামৰ্শঃ (Recommendation regarding Teacher of Secondary Education)

শৈক্ষিক হৈছে আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থাৰ এক প্ৰধান উপাদান। শিক্ষকে ছাত্ৰসকলক নিৰ্দেশনা প্ৰদান কৰে আৰু অভিৰোচিত কৰে। মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিবলৈ উপযুক্ত শিক্ষক নিৰ্বাচন কৰা আৰু তেখেতসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ সম্পৰ্কে আয়োগে পৰামৰ্শ আগবঢ়াইছিল।

### ৩.৬.১ শিক্ষক নিৰ্বাচন

শিক্ষিত ব্যক্তিৰ মাজৰ পৰা যথোপযুক্ত ব্যক্তি নিৰ্বাচন কৰি শিক্ষক পদত নিযুক্তি দিয়াৰ প্ৰক্ৰিয়া সম্বন্ধে আয়োগে পৰামৰ্শ আগবঢ়াইছিল। আয়োগে শিক্ষকৰ বিভিন্ন সমস্যা সমাধান কৰাটো গুৰুত্ব দিছিল। আয়োগৰ পৰামৰ্শতমতে নিৰ্দ্ধাৰিণ কৰা শিক্ষক নিৰ্বাচন প্ৰক্ৰিয়াটো সমগ্ৰ দেশতে একে কৰাৰ নিদ্ধান্ত লোৱা হৈছিল।

শিক্ষক নিৰ্বাচন সম্পৰ্কত আয়োগৰ পৰামৰ্শসমূহ হৈছে -

(১) সকলো স্থানীয় পৰিষদৰ দ্বাৰা পৰিচালিত বিদ্যালয় আৰু বেচৰকাৰী বিদ্যালয়ত শিক্ষকক নিয়োগ কৰিবৰ কাৰণে এখন শিক্ষক নিৰ্বাচন সমিতি গঠন কৰা হ'ব। প্ৰধান শিক্ষক এই সমিতিৰ পদেন সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

(২) উচ্চ মাধ্যমিক পৰ্যায়ৰ শিক্ষক হ'বৰ কাৰণে স্নাতক ডিগ্ৰীধাৰী হোৱাৰ লগতে শিক্ষা বিষয়ত ডিগ্ৰী থাকিব লাগিব।

(৩) উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষক পদৰ কাৰণে স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ব লাগিব।

(৪) কাৰিকৰী বিষয়ত শিক্ষক হ'বৰ কাৰণে কাৰিকৰী বিষয়ত ডিগ্ৰী প্ৰাপ্ত ব্যক্তি হ'ব লাগিব, যাতে তেখেতে কাৰিকৰী বিষয়সমূহ দক্ষতাৰে শিকাব পাৰে।

(৫) মাধ্যমিক বিদ্যালয়ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ নিযুক্তিৰ ওপৰতহে গুৰুত্ব দিয়া হয়।

মাধ্যমিক শিক্ষা আয়োগে শিক্ষকৰ সা-সুবিধা প্ৰতি লক্ষ্য ৰাখিও পৰামৰ্শ প্ৰদান কৰিছিল। এই পৰামৰ্শসমূহ হৈছে -

(১) শিক্ষাকসকলৰ বেতন নিৰ্দ্ধাৰিণ কৰিবলৈ এখন বিশেষজ্ঞ সমিতি গঠন কৰা হ'ব। এনে অৰ্হতাৰ শিক্ষকসকলে সমানে বেতন লাভ কৰিব।

(২) শিক্ষকসকলৰ দাবী, বৰ্খাস্তকৰণ আদি পৰীক্ষা কৰিবলৈ এখন পঞ্চায়ত গঠনৰ পৰামৰ্শ আগবঢ়োৱা হৈছিল। সকলো ৰাজ্যতে শিক্ষকসকলৰ পেঞ্চন, ভৱিষ্যনিধি আৰু বীমাৰ সুবিধা দিবৰ বাবে ত্ৰি-উপকৃতকৰণ (Triple Benefit) আঁচনিৰ ব্যৱস্থা কৰা হ'ব।

(৩) শিক্ষকসকলে চাকৰিকালীন অৱস্থাত শিক্ষা বিষয়ত ডিগ্ৰী আহৰণ কৰিব খুজিলে বেতন নিয়মিতভাৱে লাভ কৰি থকাৰ সুবিধা পাব লাগিব। বন্ধকালীন শিবিৰ, শিক্ষাচক্ৰ, স্বাস্থ্যশিবিৰ আদিত যোগ দিবৰ কাৰণে শিক্ষকক ভ্ৰমণ বানচ দিয়াৰ লগতে ছুটী মঞ্জুৰ কৰিব লাগে। সকলো বিদ্যালয়ত একে সময়ত ছুটী প্ৰদানৰ ব্যৱস্থা থাকিব লাগে।

(৪) শিক্ষকসকলৰ বিদ্যালয়ৰ কাষতে বাসস্থান হ'ব লাগে যাতে বিভিন্ন সৃষ্টিমূলক কামত শিক্ষকসকলে সক্রিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে।

(৫) শিক্ষকৰ সন্তানক বিনামূলীয়া শিক্ষাদানৰ ব্যৱস্থা কৰাত গুৰুত্ব দিয়া হৈছিল।

(৬) শিক্ষকৰ ব্যক্তিগত শিক্ষাদান বন্ধ কৰিব লাগে।

(৭) শিক্ষকসকলৰ কাৰণে বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰিব লাগে।

(৮) স্বাস্থ্য-পাতি সুস্থ থকা শিক্ষকসকলক শিক্ষা সঞ্চালকালয়ৰ অনুমোদন সাপেক্ষে ৬০ বছৰ বয়সলৈকে চাকৰিকাল বৃদ্ধি কৰিব লাগে।

মাধ্যমিক শিক্ষা আয়োগে শিক্ষকৰ চাকৰিকালীন বিভিন্ন সা-সুবিধাৰ প্ৰতি দৃষ্টি দিছিল।

### ৩.৬.২ শিক্ষক প্ৰশিক্ষণ ঃ

আয়োগৰ মতে, প্ৰতিখন ৰাজ্যতে শিক্ষক প্ৰশিক্ষণ সমিতি থাকিব লাগে। শিক্ষকক প্ৰশিক্ষণ দিবলৈ বিশ্ববিদ্যালয় অনুমোদনপ্ৰাপ্ত স্নাতকোত্তৰ শিক্ষক প্ৰশিক্ষণ বিদ্যালয় শিক্ষকসকলৰ পৰিদৰ্শনকাৰী বিষয়াৰ সৈতে সংযোগ থাকিব। আয়োগৰ মতে, মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ দুই ধৰণৰ প্ৰশিক্ষণ ব্যৱস্থা থাকিব।

(ক) উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ শিক্ষাৰ্থীৰ কাৰণে দুবছৰীয়া প্ৰশিক্ষণ ব্যৱস্থা।

(খ) স্নাতক ডিগ্ৰীপ্ৰাপ্ত শিক্ষাৰ্থীৰ কাৰণে এবছৰীয়া প্ৰশিক্ষণ ব্যৱস্থা।

তদুপৰি, স্নাতক ডিগ্ৰীৰ লগতে তিনিবছৰীয়া শিক্ষকতাৰ অভিজ্ঞতা থাকিলে শিক্ষা বিষয়ত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তিৰ সুযোগ দিব লাগে। তেখেতসকলক নিয়মিত দৰমহাৰ উপৰিও বৃত্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাধ্যমিক শিক্ষা আয়োগে শিক্ষক প্ৰশিক্ষাৰ্থীসকলক এটাতকৈ অধিক বিষয়ত প্ৰশিক্ষণ লোৱাত গুৰুত্ব দিছিল। প্ৰশিক্ষণ বিদ্যালয়সমূহত গৱেষণামূলক অধ্যয়নৰো আয়োগ পোষকতা কৰিছিল। এনে বিদ্যালয়ত সময়ে সময়ে পৰিশীলন

পাঠ্যক্ৰম, হ্ৰস্বকালীন পাঠ্যক্ৰম, শিক্ষামূলক আলোচনা আদিৰ কৰিব লাগে।

মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰীসকলৰ সুবিধাৰ অৰ্থে শিক্ষায়িত্ৰীৰ প্ৰয়োজন হয়। শিক্ষয়িত্ৰী নিয়োগৰ কাৰণে শিক্ষক প্ৰশিক্ষণ বিদ্যালয়ত বিশেষ অংশকালীন প্ৰশিক্ষণ ব্যৱস্থা কৰিব লাগে। আয়োগে শিক্ষাদানৰ ক্ষেত্ৰত থকা সমস্যাসমূহ দূৰ কৰিবলৈ প্ৰশিক্ষণ ব্যৱস্থাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল।

**৩.৬.৩ মাধ্যমিক স্তৰত নিৰ্দেশনা আৰু পৰামৰ্শদান ঃ**

তোমালোকে মাধ্যমিক শিক্ষা সমাপ্তিৰ পাছতে ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন শিক্ষাত নামভৰ্ত্তি কৰি পৰৱৰ্তী শিক্ষা আগুৱাই নিয়া নিশ্চয় মন কৰিছা। মাধ্যমিক স্তৰত অধ্যয়ন কৰি থাকোতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতৰ শিক্ষা আৰু আৰ্থিক স্বাৱলম্বিতা সম্বন্ধে নিৰ্দেশনাৰ প্ৰয়োজন হয়। এই স্তৰতে উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া হোৱাৰ কাৰণে শিক্ষাৰ্থীসকলক শৈক্ষিক নিৰ্দেশনাৰো প্ৰয়োজন হয়। তদুপৰি কৈশোৰ কালৰ বিভিন্ন সমস্যা সংক্ৰান্তত আলোচনা আৰু পৰামৰ্শ প্ৰদান কৰা প্ৰয়োজনীয় হৈ পৰে। এই প্ৰয়োজনীয়তা উপলব্ধি কৰি মাধ্যমিক শিক্ষা আয়োগে বিদ্যালয় কৰ্তৃপক্ষই নিৰ্দেশনা আৰু পৰামৰ্শৰ ব্যৱস্থা কৰাত গুৰুত্ব আৰোপ কৰে।

আয়োগৰ মতে, শিক্ষক আৰু উপযুক্ত ব্যক্তিক নিৰ্দেশনা বিষয়া (Guidance and officer) আৰু কেৰিয়াৰ অভিজ্ঞ ব্যক্তি (Career Master) হিচাপে প্ৰশিক্ষণ প্ৰদান কৰি মাধ্যমিক বিদ্যালয়ত নিয়োগ কৰিব লাগে। ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় বৃত্তি বা জীৱিকাৰ পথ প্ৰদৰ্শন কৰাত কেৰিয়াৰ সম্পৰ্কে বিজ্ঞ ব্যক্তিয়ে আগভাগ ল'ব পাৰে। প্ৰশিক্ষণ কেন্দ্ৰসমূহত মাধ্যমিক বিদ্যালয়ত নিয়োগৰ কাৰণে উপযুক্ত ব্যক্তিক কেৰিয়াৰ সম্পৰ্কীয় প্ৰশিক্ষণ দিওঁতে ছাত্ৰ-ছাত্ৰীক কেনেদৰে নিৰ্দেশনা প্ৰদান কৰিব তাক শিকোৱা হয়।

**আত্মমূল্যায়ন (ছ)**

(১) মাধ্যমিক শিক্ষা আয়োগৰ মতে, উচ্চ মাধ্যমিক স্তৰত শিক্ষক হ'বলৈ এজন শিক্ষাৰ্থীৰ কেনেধৰণৰ শৈক্ষিক অৰ্হতাৰ প্ৰয়োজন?

.................................................................................

.................................................................................

.................................................................................

.................................................................................

(২) ভাৰতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক পদৰ কাৰণে মাধ্যমিক শিক্ষা আয়োগে কেইপ্ৰকাৰৰ প্ৰশিক্ষণ ব্যৱস্থাৰ পৰামৰ্শ আগবঢ়াইছিল?

.................................................................................

.................................................................................

.................................................................................

.................................................................................

(৩) মাধ্যমিক স্তৰত শিক্ষাৰ্থীসকলক কেনেধৰণৰ নিৰ্দেশনাৰ প্ৰয়োজন?

.................................................................................

.................................................................................

## ৩.৭ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থী সম্বন্ধীয় পৰামৰ্শ ঃ (Recommendations regarding students of S.E.)

মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিটো পৰামৰ্শৱলী শিক্ষাৰ্থীসকলৰ সামগ্ৰিক ৱিকাশৰ লগত জড়িত। শিক্ষাৰ্থীসকলৰ উন্নয়নৰ কাৰণে আগবঢ়োৱা পৰামৰ্শসমূহ শিক্ষাৰ প্ৰশাসন, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, লক্ষ্য আদিৰ সৈতে জড়িত। শিক্ষাৰ্থী সম্বন্ধীয় পৰামৰ্শসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ গঠন আৰু শাৰীৰিক বিকাশৰ সৈতে জড়িত।

**৩.৭.১ মাধ্যমিক পৰ্যায়ত ধৰ্মীয় আৰু নৈতিক শিক্ষা ঃ**

মাধ্যমিক শিক্ষা আয়োগে ছাত্ৰ-ছাত্ৰীসকলৰ সুচৰিত্ৰ গঠনৰ কাৰণে ধৰ্মীয় আৰু নৈতিক শিক্ষা ঐচ্ছিক বিষয় হিচাপে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিছিল। অৱশ্যে আয়োগে স্কুলৰ সময়সূচীৰ মাজত ধৰ্মীয় শিক্ষাদান কৰিব নোৱাৰিব।

ধৰ্মীয় শিক্ষা প্ৰদান কৰিবলৈ অভিভাৱক আৰু পৰিচালনা সমিতিৰ বিশেষ অনুমতি ল'ব লাগিব। কোনো বিশেষ ধৰ্মৰ শিক্ষা দিবলৈ শ্ৰেণীকোঠাত সেই ধৰ্মৰ প্ৰতি আস্থা ৰখা ছাত্ৰ-ছাত্ৰীকহে শিক্ষা দিয়া হ'ব।

শিক্ষাৰ্থীসকলৰ নৈতিক চৰিত্ৰ গঠনৰ কাৰণে শিক্ষকে প্ৰধান ভূমিকা পালন কৰা উচিত। বিদ্যালয়সমূহত আত্ম-প্ৰশাসনৰ (Self-government) ব্যৱস্থা ৰাখিব লাগে। য'ত ছাত্ৰ প্ৰতিনিধিত্বই বিদ্যালয়ৰ আভ্যন্তৰীণ শৃংখলাৰ কাৰণে কাম কৰিব। শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক নিবিড় হ'ব লাগে। আয়োগে বিদ্যালয়ত শিক্ষাৰ্থীয়ে নিয়মানুৱৰ্ত্তিতা গুণ আয়ত্ব কৰাৰ পৰিবেশ সৃষ্টিত গুৰুত্ব দিছিল।

আয়োগে বিদ্যালয়ৰ সকলো কাৰ্যৱলীক মনোবৈজ্ঞানিক দৃষ্টিৰে আকৰ্ষণীয় কৰি গঢ়ি তোলাত গুৰুত্ব দিছিল।

শিক্ষাৰ্থীসকলৰ চৰিত্ৰ গঠনৰ কাৰণে অনুকূল পৰিবেশ সৃষ্টি কৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। সকলো বিদ্যালয়তে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, জুনিয়ৰ ৰেডক্ৰছ আৰু প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ আয়োগে পৰামৰ্শ দিছিল।

**৩.৭.২ পৰীক্ষা সংক্ৰান্তীয় পৰামৰ্শ ঃ**

পৰীক্ষা সংক্ৰান্তীয় পৰামৰ্শসমূহ হৈছে -

(১) পৰীক্ষাৰ প্ৰশ্নকাকতৰ আৰ্হি সলনি কৰাৰ পৰামৰ্শ দান কৰি আয়োগে ব্যক্তিধৰ্মী পৰীক্ষাৰ পৰিৱৰ্তে বিষয়ধৰ্মী পৰীক্ষা প্ৰৱৰ্তনৰ উল্লেখ কৰিছিল। বাহ্যিক পৰীক্ষাৰ সংখ্যা হ্ৰাস কৰিব লাগিব।

(২) ছাত্ৰ-ছাত্ৰীসকলৰ আভ্যন্তৰীণ পৰীক্ষাত প্ৰাপ্ত নম্বৰ আৰু শ্ৰেণীৰ পৰীক্ষা তথা কৰ্মৰ ভিত্তিত সংগৃহীত অভিলেখ (Record) চাই শিক্ষাৰ্থীৰ অন্তিম ফলাফল নিৰ্ণয় কৰা হ'ব।

(৩) মাধ্যমিক স্তৰৰ শেষত এটা মাত্ৰ সাধাৰণ পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগিব আৰু (আংশিক) পৰীক্ষা (Compartmental) ৰ সুবিধা থাকিব লাগিব। শেষত এখন উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। আয়োগে সংখ্যাৰে মূল্যায়ন কৰাৰ পৰিৱৰ্তে গ্ৰেড পদ্ধতিৰে মূল্যায়ন কৰাত গুৰুত্ব দিছিল।

### ৩.৭.৩ মাধ্যমিক পৰ্যায়ত কাৰিকৰী শিক্ষা ঃ

মাধ্যমিক শিক্ষা আয়োগে গ্ৰামাঞ্চলত কৃষি বিদ্যালয় স্থাপনত গুৰুত্ব দিছিল। এই বিদ্যালয়ত উদ্যান, উদ্যোগ-পাম,পশু-পালন শিক্ষা, কুটীৰ শিল্প আদিৰ জ্ঞান দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

মাধ্যমিক শিক্ষা আয়োগে প্ৰতিখন মহানগৰত এখনকৈ কাৰিকৰী শিক্ষাৰ বিদ্যালয় স্থাপনৰ পৰামৰ্শ আগবঢ়াইছিল। এনে বিদ্যালয়ত মাধ্যমিক শিক্ষা প্ৰদান কৰা হ'ব। ভাৰতত এখন সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ থাকে। মাধ্যমিক স্তৰৰ কাৰিকৰী শিক্ষাৰ বিস্তাৰৰ কাৰণে এই পৰিষদৰ সৈতে সংযোগ ৰখা হ'ব। কাৰিকৰী শিক্ষাৰ বিদ্যালয়ে স্থানীয় ঔদ্যোগিক কেন্দ্ৰৰ সৈতে সমন্বয় ৰক্ষা কৰি চলিব'লৈ আৰু অভিজ্ঞ ব্যক্তিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ কাৰণে পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰিবলৈ আয়োগে পৰামৰ্শ প্ৰদান কৰিছিল। তোমালোকে পূৰ্বে আয়োগৰ উদ্দেশ্যসমূহ ভিতৰত বৃত্তিমূলক দক্ষতা আহৰণক মুখ্য উদ্দেশ্য হিচাপে পাই আহিছা। এই উদ্দেশ্যত উপনীত হ'বলৈ আয়োগে মাধ্যমিক স্তৰত বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ উন্নয়নৰ কাৰণে ব্যয় ধাৰ্য কৰিবলৈ চৰকাৰক পৰামৰ্শ প্ৰদান কৰিছিল।

### ৩.৭.৪ ছাত্ৰ কল্যাণ আৰু শাৰীৰিক শিক্ষা ঃ

আয়োগে ছাত্ৰ কল্যাণ আৰু শাৰীৰিক শিক্ষা মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ দৈহিক কল্যাণৰ কাৰণে স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শ আগবঢ়াইছিল। আয়োগে ব্যক্তিত্বৰ বিকাশ সাধনৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশৰ লগতে শাৰীৰিক দিশত সুৰক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল।

ছাত্ৰ কল্যাণ সম্পৰ্কীয় আয়োগৰ পৰামৰ্শসমূহ হৈছে -

(১) প্ৰতি বছৰে মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীৰ স্বাস্থ্য পৰীক্ষা, আৱশ্যকীয় পুষ্টিজনক সুষম আহাৰৰ যোগান আৰু চিকিৎসা সেৱাৰ ব্যৱস্থা থাকিব লাগিব।

(২) স্বাস্থ্য সম্পৰ্কীয় সকলো জ্ঞানৰ বিষয়ে প্ৰশিক্ষণ দিবলৈ শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। শিক্ষকসকলৰ প্ৰাথমিক স্বাস্থ্য সম্পৰ্কে সকলো জ্ঞান থাকিব লাগিব।

(৩) শাৰীৰিক শিক্ষাৰ প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপনত গুৰুত্ব দিব লাগে।

(৪) প্ৰতিখন বিদ্যালয়ত শিক্ষাৰ্থীৰ শাৰীৰিক কাৰ্যৰ বিৱৰণ সূচী ৰাখিব লাগে।

**আত্মমূল্যায়ন (জ)**

(১) মাধ্যমিক শিক্ষা আয়োগে ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰ গঠনৰ প্ৰধান দায়িত্ব অৰ্পণ কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ পৰামৰ্শ আগবঢ়াইছিল?

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

(২) মুডালিয়াৰ আয়োগৰ মতে, মাধ্যমিক স্তৰৰ পৰীক্ষাৰ প্ৰশ্নপত্ৰৰ আৰ্হি কেনেকুৱা হ'ব লাগে?

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

(৩) মাধ্যমিক স্তৰৰ শিক্ষাৰ্থীসকলৰ সুস্বাস্থ্য ৰক্ষাৰ কাৰণে আয়োগে কি পৰামৰ্শ আগবঢ়াইছিল?

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

**৩.৮ মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শাৱলী বিশ্লেষণ ঃ**

মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশৰ যোগেদি দেশৰ ভৱিষ্যত প্ৰগতি সুনিশ্চিত কৰিবলৈ বহুতো উল্লেখনীয় পৰামৰ্শ আগবঢ়াইছিল। আয়োগৰ লক্ষ্য সম্বন্ধীয় পৰামৰ্শসমূহৰ যথেষ্ট গুৰুত্বতা আছে। আয়োগে মাধ্যমিক স্তৰ সুসংগঠিতকৰণৰ যোগেদি শৈক্ষিক ক্ষেত্ৰত মুখামুখি হোৱা সমস্যাসমূহ নিৰ্মূল কৰিবলৈ সকলো দিশ সামৰিবলৈ চেষ্টা কৰিছিল। মাধ্যমিক শিক্ষা আয়োগে সেইসময়ৰ প্ৰচলিত শিক্ষাব্যৱস্থাৰ পৰ্যবেক্ষণ কৰি পাঠ্যক্ৰম, শিক্ষাদান প্ৰণালী, মূল্যায়ন ব্যৱস্থা, বিদ্যালয় গৃহ, শিক্ষকৰ অৰ্হতা আৰু শিক্ষাৰ্থীৰ চাহিদাৰ বাস্তৱসন্মত তথ্য সংগ্ৰহত গুৰুত্ব দিছিল। ফলস্বৰূপে, আয়োগৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আসোঁৱাহসমূহ জনাত সুবিধা হৈছিল আৰু তাৰ ওপৰত ভিত্তি কৰি বিভিন্ন প্ৰদক্ষেপ গ্ৰহণৰ কাৰণে পৰামৰ্শ আগবঢ়াইছিল।

আয়োগে কেন্দ্ৰ আৰু ৰাজ্যিক স্তৰত মাধ্যমিক শিক্ষাবৰ্ড গঠনৰ যোগেদি শৈক্ষিক প্ৰশাসন ব্যৱস্থা পৰিচালনা কৰাত আৰু মাধ্যমিক শিক্ষাৰ পৰিৱৰ্তন সাধন কৰাত গুৰুত্ব আৰোপ কৰিছিল। আয়োগে শিক্ষকৰ প্ৰশিক্ষণ আৰু অন্যান্য সা-সুবিধা সুনিশ্চিত কৰাত গুৰুত্ব দিছিল। মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ মানসিক আৰু আবেগিক বিকাশৰ কাৰণে নিৰ্দেশনা, পৰামৰ্শদান, আধ্যাত্মিক

শিক্ষা আৰু নৈতিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰাটোও আয়োগৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত। আয়োগে শিক্ষাৰ্থীৰ দৈহিক স্বাস্থ্যৰ কল্যাণ সাধনৰ আঁচনিও প্ৰস্তুত কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।

**৩.৮.১ আয়োগৰ লক্ষ্য সম্পৰ্কে পৰামৰ্শসমূহৰ বিশ্লেষণ ঃ**

মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে নিৰ্দ্ধাৰণ কৰা লক্ষ্যসমূহ আদৰণীয় লক্ষ্য হিচাপে অভিহিত কৰিব পাৰি। আয়োগৰ মতে, ছাত্ৰ-ছাত্ৰীসকলক মাধ্যমিক পৰ্যায়তে সুনাগৰিক হিচাপে গঢ়ি তোলাত লক্ষ্য ল'ব লাগে। মাধ্যমিক স্তৰত পঢ়ি থাকোতেই ল'ৰা-ছোৱালীয়ে ১১ ৰ পৰা ১৮বছৰ বয়সৰ ভিতৰত বিভিন্ন সামাজিক গুণসমূহ আয়ত্ব কৰাত আয়োগে গুৰুত্ব দিছিল। গণতান্ত্ৰিক ভাৱধাৰা জীয়াই ৰাখিবলৈ শিক্ষকে শ্ৰেণীকোঠাত দলীয় কৰ্মৰ জৰিয়তে শিক্ষা আহৰণৰ পৰামৰ্শ আগবঢ়াইছে। ছাত্ৰ-ছাত্ৰীক বিদ্যালয় পৰ্যায়ত সহযোগিতা, নিয়মানুৱৰ্তিতা, দেশপ্ৰেম, সুস্থ নাগৰিক চিন্তাধাৰা, সামাজিক কৌশল আদি গুণ শিকোৱাত আয়োগে প্ৰদান কৰা পৰামৰ্শৰ যথেষ্ট গুৰুত্বতা আছে।

মাধ্যমিক শিক্ষা আয়োগৰ বৃত্তিমূলক দক্ষতা আহৰণৰ লক্ষ্যত উপনীত হ'বলৈ পাঠ্যক্ৰমত বিভিন্ন বৃত্তিমূলক ঐচ্ছিক বিষয় সন্নিবিষ্ট কৰা হৈছে। সেইদৰে, মহানগৰত কাৰিকৰী ঔদ্যোগিক প্ৰশিক্ষণ ব্যৱস্থাৰ কাৰণে বিদ্যালয় শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। ছাত্ৰ-ছাত্ৰীয়ে কৃষি, বাণিজ্য, কাৰিকৰী, চাৰুকলা, গাৰ্হস্থ্য বিজ্ঞানৰ বিষয়ৰ জৰিয়তে কৰ্মপ্ৰৱণতা উপলব্ধি কৰাত গুৰুত্ব দিছিল।

মাধ্যমিক শিক্ষাৰ জৰিয়তে ব্যক্তিত্বৰ বিকাশ সাধনৰ কাৰণে সামাজিক শিক্ষা, আধ্যাত্মিক আৰু নৈতিক শিক্ষা, শাৰীৰিক শিক্ষা প্ৰদানত গুৰুত্ব দিয়া হৈছিল। আয়োগে সহ-পাঠ্যক্ৰমিত কাৰ্যাৱলীৰ বিকাশ সাধনত গুৰুত্ব দিছিল।

মাধ্যমিক স্তৰৰ শিক্ষাৰ্থীসকলৰ নেতৃত্ব গুণৰ বিকাশৰ জৰিয়তে ভৱিষ্যতে বিভিন্ন ক্ষেত্ৰত নেতৃত্ব দিব পৰা ছাত্ৰ-ছাত্ৰী প্ৰস্তুত কৰাত পৰামৰ্শ যথেষ্ট

তাৎপৰ্য আছে। শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক শৃংখলতাবদ্ধতা, অনুশাসন সহযোগিতা আদি গুণৰ শিক্ষা দিব পাৰি।

মাধ্যমিক শিক্ষা আয়োগে ইয়াৰ উদ্দেশ্যসমূহৰ জৰিয়তে গণতান্ত্ৰিক ভাৰতবৰ্ষৰ নীতি-আদৰ্শ অটুট ৰখাত প্ৰাধান্য দিছিল।

**৩.৮.২ পাঠ্যক্ৰমত সম্পৰ্কীয় বিশ্লেষণ ঃ**

মাধ্যমিক শিক্ষা আয়োগে পাঠ্যক্ৰম সম্বন্ধীয় ত্ৰুটীসমূহ নিৰ্ণয় কৰি তাক দূৰ কৰিবলৈ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ নীতি নিৰ্ধাৰণ কৰিছিল। আয়োগে পাঠ্যক্ৰমৰ এক বহ'ল ধাৰণা দাঙি ধৰিছিল। পাঠ্যক্ৰম প্ৰস্তুত কৰোতে শিক্ষাৰ্থীৰ মানসিক চাহিদাক গুৰুত্ব দিবলৈ আগবঢ়োৱা পৰমৰ্শ গ্ৰহণযোগ্য। পাঠ্যক্ৰম প্ৰস্তুত কৰোতে স্থানীয় সমাজ-সংস্কৃতিৰ সৈতে সামঞ্জস্য স্থাপন কৰা অতি প্ৰয়োজন। এখন পাঠ্যক্ৰমে অৱসৰ সময়ৰ সদ্যৱহাৰ কৰাত সহায় কৰা বাঞ্চনীয়। আয়োগৰ পৰামৰ্শ মতে, মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম ভিন্নমুখী তথা নমনীয় হোৱা উচিত। এই পৰামৰ্শই মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিছে। আয়োগ গঠনৰ সময়ত ভাৰতৰ মাধ্যমিক স্তৰৰ বিদ্যালয়সমূহত বিজ্ঞান শিক্ষা, বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষা, বাণিজ্যিক শিক্ষা বিস্তাৰৰ যথোপযুক্ত সা-সুবিধাৰ অভাৱ আছিল। সেয়ে আয়োগে তাৰ সৈতে সংগতি ৰাখি উপযুক্ত শিক্ষক প্ৰশিক্ষণ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। আয়োগে অভিজ্ঞ ব্যক্তিৰে পাঠ্যপুথি নিৰ্বাচন কমিটি গঠনৰ পৰামৰ্শ দিছিল যাতে, উন্নত ছপা কাগজ, সচিত্ৰকৰণ শুদ্ধতা, ভাষাৰ সুন্দৰ উপস্থাপনশৈলীৰে সৈতে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক যোগ্যতাৰ সৈতে খাপ খুওৱাই পাঠ্যক্ৰম প্ৰস্তুত কৰিব পৰা যায়। উচ্চমানসম্পন্ন পাঠ্যক্ৰমৰ অভাৱত শিক্ষাব্যৱস্থা পৰীক্ষাকেন্দ্ৰিক হৈ পৰিছিল। আয়োগে পাঠ্যক্ৰমৰ মাধ্যম মাতৃভাষা হোৱাত গুৰুত্ব আৰোপ কৰিছিল। আয়োগৰ পৰামৰ্শমতে, বাধ্যতামূলক বিষয়ৰ উপৰিও বৃত্তিমূলক বিষয় ঐচ্ছিক হিচাপে ৰখাটোৱেও শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছিল। আয়োগৰ পাঠ্যক্ৰম সম্পৰ্কীয় পৰামৰ্শসমূহ বাস্তৱ প্ৰয়োগৰ কাৰণে এখন সুপৰিকল্পিত আঁচনিৰ প্ৰয়োজন হৈছিল। উপযুক্ত পাঠ্যপুথি প্ৰস্তুতৰ জৰিয়তে

শিক্ষা দানৰ ক্ষেত্ৰত আয়োগৰ পৰামৰ্শ গুৰুত্ব আছে।

**আত্মমূল্যায়ন (ঝ)**

(১) আয়োগে মাধ্যমিক শিক্ষাৰ লক্ষ্য সম্বন্ধে আগবঢ়োৱা পৰামৰ্শসমূহ যথোপযুক্ত আছিল বুলি তুমি ভাবানে? তোমাৰ উত্তৰৰ সপক্ষে দুটা যুক্তি প্ৰদৰ্শন কৰা।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

(২) পাঠ্যক্ৰম সংশোধন সংক্ৰান্তত মাধ্যমিক শিক্ষা আয়োগৰ লেখত ল'বলগীয়া এটা পৰামৰ্শ উল্লেখ কৰা।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

### ৩.৯. মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শৱলীৰ সাম্প্ৰতিক কাৰ্যকাৰিতা ঃ (Effectiveness of recommendations of Secondary Education Commission in the Present day Context)

মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ বৰ্তমান সময়ত কিমানদূৰ কাৰ্যকৰী হ'ল তাক বিশ্লেষণ কৰা অতি আৱশ্যক। বৰ্তমান সময়ত এই পৰামৰ্শসমূহৰ প্ৰাসংগিকতাও অনুমান কৰা উচিত। এখন চৰকাৰী আয়োগৰ সফলতা ইয়াৰ বাস্তৱ ৰূপায়ণৰ ওপৰত নিৰ্ভৰ কৰে। আয়োগৰ পৰামৰ্শসমূহৰ ফলপ্ৰসূতা বিবেচনা কৰিবলৈ সাম্প্ৰতিক কালৰ মাধ্যমিক শিক্ষাৰ অগ্ৰগতি নিৰীক্ষণ কৰা প্ৰয়োজন।

তোমালোকে নিশ্চয় সৰ্বশিক্ষা অভিযানৰ বিষয়ে বিভিন্ন কাকত-পত্ৰৰ যোগেদি জানিবলৈ পাইছা। দেশৰ ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰ প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰিবলৈ সৰ্বশিক্ষা অভিযান আৰম্ভ কৰা হৈছিল। ঠিক সেইদৰে, ১৪ বছৰৰ পৰা ১৮ বছৰ বয়স পৰ্যন্ত কিশোৰ কিশোৰীসকলৰ মাধ্যমিক শিক্ষা সুনিশ্চিত কৰিবলৈও এখন আঁচনি কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰি উলিয়াইছে। তোমালোকে এই আঁচনিখনৰ নাম জানানে বাৰু? এই নতুন আঁচনিখনৰ নাম হৈছে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান। বৰ্তমান একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা কালত (২০০৭-২০১২), ২০০৯ চনৰ জানুৱাৰী মাহত মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নয়নৰ কাৰণে এই অভিযান আৰম্ভ কৰা হৈছে। ১৯৫২ চনত মাধ্যমিক শিক্ষা আয়োগে গঠন হোৱাৰ সুদীৰ্ঘ ৫৭ বছৰ বিৰতিৰ পাছত ভাৰতত কেৱল মাধ্যমিক শিক্ষাৰ উন্নয়নৰ কাৰণে এখন পৃথক কেন্দ্ৰীয় আঁচনি গ্ৰহণ কৰা হৈছে। এই অভিযানৰ লক্ষ্য আৰু পৰিকল্পনাত চকু ফুৰালে মাধ্যমিক শিক্ষা আয়োগৰ কিছুক্ষেত্ৰত পৰামৰ্শৰ প্ৰতিফলন দেখা যায়। সাম্প্ৰতিক কালত শিক্ষাব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন হৈছে। ছয়দশকৰ পূৰ্বৰ শিক্ষাব্যৱস্থাৰ সৈতে বৰ্তমান কালৰ মাধ্যমিক শিক্ষাত সাংগঠনিক দিশ, মাধ্যম, বিষয়-বস্তু, শিক্ষক প্ৰশিক্ষণ, প্ৰশাসন আদিৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়। তৎসত্বেও এই কথা প্ৰতীয়মান হয় যে বৰ্তমান কালতো মাধ্যমিক শিক্ষা আয়োগৰ উদ্দেশ্য, পৰীক্ষা সংক্ৰান্তীয় আৰু ছাত্ৰ কল্যাণ সম্বন্ধীয় বহুতো পৰামৰ্শৰ যথেষ্ট প্ৰাসংগিকতা আছে। পূৰ্বৰ

মজলীয়া বিদ্যালয় স্তৰক বৰ্তমান উচ্চ প্ৰাথমিক স্তৰত অন্তৰ্ভুক্ত কৰি ৰখা হৈছে। এই অভিযানেও শিক্ষা আয়োগৰ দৰে বিদ্যালয় বৈষয়িক সম্পদ আৰু শিক্ষক যোগানত গুৰুত্ব আৰোপ কৰিছে। বৰ্তমান কালত মাধ্যমিক পৰ্যায়ত যোগশিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ১৯৮৮ চনত মাধ্যমিক শিক্ষা বৃত্তিমুখীকৰণ কৰা হয়। বিদ্যালয়ত বিজ্ঞান শিক্ষাৰ উন্নয়নৰ কাৰণে আৰু তথ্য আৰু প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ পদক্ষেপ গ্ৰহণ কৰা হয়। মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ বৰ্তমান কালত যথেষ্ট গুৰুত্ব আছে। স্বাধীনোত্তৰ কালত মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম পুনৰ সংশোধন কৰিবলৈ কেইবাখনো ৰাষ্ট্ৰীয় বিদ্যালয় শিক্ষাৰ পাঠ্যক্ৰম গঠন আঁচনি গ্ৰহণ কৰা হৈছিল। তোমালোকে নিশ্চয় ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ নাম শুনিছা। এই পৰিষদে মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম সংশোধনৰ বিভিন্ন আঁচনি হাতত লৈ আহিছে। ২০০০ চনৰ পাঠ্যক্ৰম প্ৰস্তুত আঁচনিত তিনিটা ভাষা, গণিত, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, সমাজ বিজ্ঞান, কৰ্মশিক্ষা, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা উচ্চ মাধ্যমিক স্তৰত অন্তৰ্ভুক্তিৰ পৰামৰ্শ আগবঢ়াইছিল। বৰ্তমান পাঠ্যক্ৰমতো মূল্যবোধ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হয়। পাঠ্যপুথি আৰু প্ৰাসংগিক পুথি প্ৰস্তুত কৰোতে এনে দিশৰ ওপৰত প্ৰাধান্য দিয়া হয়।চৰকাৰৰ সহযোগিতা আৰু আৰ্থিক সাহায্যৰ সহায়তহে এই লক্ষ্যত উপনীত হোৱা সম্ভৱপৰ হ'ব। মাধ্যমিক শিক্ষাৰ বিকাশৰ কাৰণে বৰ্তমান সময়ত মাধ্যমিক শিক্ষাৰ বিকাশৰ কাৰণে বৰ্তমান সময়ত মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শৰ বাস্তৱ ৰূপায়ণৰ লগতে সময়ৰ সৈতে ফাপ-খুৱাই নতুন নীতি নিৰ্ধাৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে।

**আত্মমূল্যায়ন (এঙ)**

(১) মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শ বৰ্তমান সময়তো ৰূপায়ণ কৰাৰ প্ৰয়োজনীয়তা আছেনে? এটা যুক্তি প্ৰদৰ্শন কৰা।

..........................................................................................

..........................................................................................

.....................................................................................
.....................................................................................
.....................................................................................
.....................................................................................
.....................................................................................
.....................................................................................
.....................................................................................
.....................................................................................
.....................................................................................
.....................................................................................

**৩.১০ সামৰনি ঃ**

মাধ্যমিক শিক্ষা হৈছে প্ৰাথমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ সংযোগ সাধনাৰ শিক্ষাকাল। শিক্ষণীয় বিষয়ে আহৰণ কৰা মৌলিক জ্ঞানসমূহ মাধ্যমিক স্তৰত বহলভাৱে অধ্যয়নৰ সুবিধা পোৱা যায়। মাধ্যমিক স্তৰত পঢ়া ল'ৰা- ছোৱালীৰ বয়সৰ কাৰণে দ্ৰুত শাৰীৰিক আৰু মানসিক পৰিৱৰ্তন হয়। সেই পৰিৱত'ন লগত খাপ-খুৱাই মাধ্যমিক শিক্ষাৰ বিষয় বস্তু নিৰ্দ্ধাৰণ কৰা উচিত । এই স্তৰস ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাৰ বিকাশত গুৰুত্ব দিব লাগে আৰু সৃষ্টিশীলতা প্ৰকাশৰ উপযুক্ত পৰিবেশ প্ৰদান কৰিব লাগে । ছাত্ৰ-ছাত্ৰীয়ে যাতে ভবিষ্যতেআথিক দিশত স্বাৱলম্বী হ'ব পাৰে তাৰ কাৰণে বৃত্তিমূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা উচিত । মাধ্যমিক শিক্ষা আয়োগে এনে ধৰণৰ বিষয়ত গুৰুত্ব দি পৰামৰ্শ দিয়াৰ চেষ্টা কৰি ছিল কাৰণে এই আয়োগৰ বৰ্তমানেও গুৰুত্ব আছে। এই কথা তোমালোকে নিশ্চয় অনুধাৱন কৰিব পাৰিছা । মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ সাম্প্ৰতিক প্ৰাসংগিকতা উপলব্ধি কৰি বাস্তৱ ৰূপায়ণ কৰিব পাৰিলেহে আয়োগৰ কাৰ্যকাৰিতা নিৰ্ণয় হ'ব ।

**ঘাই শব্দসমূহ ঃ**

**নীতি** -কোনো নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ নিৰ্ণয় কৰা নিয়ম প্ৰণালী ।

**ঐচ্ছিক বিষয়** - নিজৰ ইচ্ছা অনুযায়ী পঢ়িবলৈ শিক্ষাৰ্থীয়ে নিৰ্বাচন কৰি লোৱা বিষয়।

**আত্মপ্ৰশাসন** -- নিজক নিয়ন্ত্ৰিত কৰিব পৰা শাসন ব্যৱস্থা ।

**পাঠ্য নিৰ্দেশনা ঃ**

(১) বৰুৱা , যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন* , লয়ার্ছ বুক ষ্টল, গুৱাহাটী ।

(২) শৰ্মা , তৰুণ কুমাৰ ঃ *ভাৰতত শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী,* বৰকটকী এণ্ড কোম্পানী প্ৰাইভেট লিমিটেড যোৰহাট।

(৩) চলিহা , শইকীয়া আৰু বৰা ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস,* যোৰহাট।

(৪) বৰকটকী, বিদ্যানন্দ ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস* ।

(৫) দত্ত, অঞ্জু ; সোণোৱাল , পুৰঞ্জয়; *সমসাময়িক ভাৰতীয় শিক্ষাৰ সমস্যাত দৃষ্টিপাত* ।

(৬) কোঁৱৰ , উৎপলা ঃ *আধুনিক ভাৰতীয় শিক্ষা আৰু ইয়াৰ সমস্যাৱলী ।*

**সাম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ**

(১) মাধ্যমিক শিক্ষা আয়োগৰ সভাপতি ড° এ. লক্ষ্মণস্বামী মুডালিয়াৰৰ নামেৰে আয়োগক মুডালিয়াৰ আয়োগ নামেৰে জনা যায়।

(২) মাধ্যমিক শিক্ষা আয়োগ ১৯৫২ চনৰ ২৩ চেপ্তেম্বৰত গঠন কৰা হয়।

(৩) মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিবেদনত ১৫ টা দিশত গুৰুত্ব দিয়া হৈছিল ।

**আত্মমূল্যায়ন (খ)ৰ উত্তৰ ঃ**

(১) মাধ্যমিক শিক্ষা আয়োগৰ উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল -

(ক) সুনাগৰিকত্ব গঠন

(খ) বৃত্তিমূলক দক্ষতাৰ বিকাশ সাধন

(গ) ব্যক্তিত্বৰ বিকাশ সাধন

(ঘ) নেতৃত্ব গুণৰ বিকাশ সাধন।

(২) মাধ্যমিক পৰ্যায়ত অধ্যয়নৰত শিক্ষ্যৰ্থীসকলক গণতান্ত্রিক মূল্যবোধৰ শিক্ষা দিবলৈ সামাজিক ন্যায়, সামাজিক কৌশল, দেশপ্রেম, সহিষ্ণুতা, কথন আৰু লিখনৰ স্পষ্টতা শিকাব লাগে।

(৩) মাধ্যমিক শিক্ষাই ছাত্র- ছাত্রীসকলৰ নেতৃত্ব গুণৰ বিকাশ কৰিবলৈ সাহিত্য, কলা, বিজ্ঞান, কৃষি, বাণিজ্য কাৰিকৰী, বৃত্তিমূলক, চাৰুকলা, ৰাজনীতি, সাংস্কৃতি আদি দিশত নেতৃত্ব প্রদানৰ শিক্ষা প্রদান কৰে ।

**আত্মমূল্যায়ন (গ) ৰ উত্তৰ ঃ**

(১) স্বাধীনোত্তৰ কালৰ মাধ্যমিক শিক্ষাৰ প্রধান ত্রুতি হৈছে এই পাঠ্যক্রম পুথিভিত্তিক আৰু গতানুগতিক আছিল। সেয়ে শিক্ষাব্যৱস্থা পৰীক্ষাকেন্দ্রিক হৈ পৰিছিল।

(২) যি পাঠ্যক্রমত কলা, বিজ্ঞান, বাণিজ্য, কাৰিকৰী, গাৰ্হস্থ্য বিজ্ঞান, নীতিশিক্ষা, ক্রীড়া বৃত্তি সকলো দিশৰ বিষয়বস্তু সন্নিবিষ্ট হৈ থাকে তাকে বহুমূখী পাঠ্যক্রম বোলা হয় ।এনে পাঠ্যক্রমে শিক্ষাৰ্থীৰ সৰ্বাঙ্গীন দিশৰ বিকাশ সাধন কৰে।

(৩) ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ত শিক্ষকৰ প্রশিক্ষণ ব্যৱস্থা চালুকীয়া আছিল। শিক্ষকক উচ্চপৰ্য্যয়ৰ প্রশিক্ষণ দানৰ সুব্যৱস্থা নাছিল।

**আত্মমূল্যায়ন (ঘ)ৰ উত্তৰ ঃ**

(১) মাধ্যমিক শিক্ষা আয়োগৰ মতে, মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমৰ দুটা আসোঁৱাহ হৈছে --

(ক) মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমে ছাত্ৰ -ছাত্ৰীক উচ্চশিক্ষাৰ কাৰণেহে প্ৰস্তুত কৰিছিল। শিক্ষাৰ প্ৰায়োগিকতাত গুৰুত্ব দিয়া হোৱা নাছিল ।

(খ) মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমে ব্যক্তিগত বৈষম্য অনুযায়ী প্ৰতিজন শিক্ষাৰ্থীৰ ব্যক্তিগত আগ্ৰহ অভিৰুচি পূৰণত গুৰুত্ব দিব পৰা নাছিল ।

(২) মাধ্যামক শিক্ষাৰ পাঠ্যক্ৰমৰ যোগেদি শিক্ষাৰ্থীৰ শৈক্ষিক যোগ্যতা মূল্যায়নতঅধিক গুৰুত্ব আৰোপ কৰা হৈছিল কাৰণে এনে পাঠ্যক্ৰমক পৰীক্ষা কেন্দ্ৰিক পাঠ্যক্ৰম বুলি কোৱা হয়।

(৩) মাধ্যমিক মাধ্যমিক স্তৰত পাঠ্যক্ৰম প্ৰস্তুত কৰোতে মানি চলিবলগীয়া প্ৰধান নীতি হৈছে--এনে পাঠ্যক্ৰম নমনীয় আৰু ভিন্নমুখী হ'ব লাগে ।

**আত্মমূল্যায়ন (ঙ) ৰ উত্তৰ ঃ**

(১) মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ স্তৰ দুটা হৈছে--

(ক) মজলীয়া বিদ্যালয় স্তৰ

(খ) উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় স্তৰ

(২) উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত ঐচ্ছিক বিষয়ত ভাগ সাতটা

(৩) আয়োগে পাঠ্যপুথি নিৰ্বাচন কৰিবলৈ আগবঢ়োৱা দুটা পৰামৰ্শ হৈছে -

(ক) প্ৰত্যেক বিষয়ৰ কাৰণে অভিজ্ঞ পাঠ্যপুথি প্ৰণেতা নিয়োগ কৰিব লাগিব।

(খ) কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ছপা কামৰ সুবিধাৰ কাৰণে কিছুমান সুন্দৰ ব্লক সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

**আত্ম মূল্যায়ন (চ)ৰ উত্তৰ**

(১) মুডালিয়াৰ আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ সাংগঠনিক আৰ্হি ৪+৩+৩+১ বা ৫+৩+২+১ বা ৫+১+৩+১ হ'ব লাগে। অৰ্থাৎ প্ৰাথমিক শিক্ষা চাৰি বা পাঁচবছৰীয়া হ'ব, মজলীয়া বা নিম্ন মাধ্যমিক শিক্ষা দুই বা তিনিবছৰীয়া, উচ্চ মাধ্যমিক তিনি বা দুবছৰীয়া আৰু উচ্চতৰ মাধ্যমিক শিক্ষা এবছৰীয়া হ'ব।

(২) মাধ্যামক শিক্ষা আয়োগে মাধ্যমিক পৰ্যায়ত মাতৃভাষা ,আঞ্চলিক ভাষা, হিন্দী, ইংৰাজী আৰু পৌৰাণিক ভাষা (সংস্কৃত , আৰবী, পাৰ্চী, লেটিন) আধুনিক বিদেশী ভাষা অধ্যয়নৰ পৰামৰ্শ আগবঢ়াইছিল।

(৩) মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শত মাধ্যমিক পৰ্যায়তে প্ৰয়োগ হোৱা দুটা শিক্ষাদান পদ্ধতি হৈছে কৰ্ম পদ্ধতি আৰু প্ৰকল্প পদ্ধতি ।

(৪) মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক বিদ্যালয়ৰ প্ৰশাসনৰ মূল নিয়ন্ত্ৰণ শিক্ষা অধিকাৰপদত অধিষ্ঠিত ব্যক্তিৰ হাতত ন্যস্ত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল ।

**আত্মমূল্যায়ন (ছ)ৰ উত্তৰ ঃ**

(১) মাধ্যমিক শিক্ষা আয়োগৰ মতে, উচ্চ মাধ্যমিকস্তৰত শিক্ষক হ'বলৈ এজন শিক্ষাৰ্থীৰ স্নাতক ডিগ্ৰীৰ লগতে শিক্ষা বিষয়ত ডিগ্ৰী থকা আৱশ্যক।

(২) ভাৰতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক পদৰ কাৰণে যোগ্যতা আহৰণ কৰিবলৈ দুইধৰণৰ প্ৰশিক্ষণ ব্যৱস্থাৰ বিষযে আয়োগে পৰামৰ্শ আগবঢ়াইছিল।

(৩) মাধ্যমিক স্তৰত শিক্ষাৰ্থীসকলক বৃত্তিমূলক আৰু শৈক্ষিক নিৰ্দেশনাৰ প্ৰয়োজন ।

**আত্মমূল্যায়ন (জ) ৰ উত্তৰ ঃ**

(১) মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক চৰিত্ৰ গঠনৰ দায়িত্ব শিক্ষকে গ্ৰহণ কৰা উচিত বুলি পৰামৰ্শ আগবঢ়াইছিল ।

(২) মুডালিয়াৰ আয়োগৰ মতে , মাধ্যমিক স্তৰৰ পৰীক্ষাৰ প্ৰশ্নপত্ৰ ব্যক্তিধৰ্মীৰ পৰিৱৰ্তে বিষয়ধৰ্মী হোৱা উচিত।

(৩) মাধ্যমিক স্তৰৰ শিক্ষাৰ্থীসকলৰ সুস্বাস্থ্য ৰক্ষাৰ কাৰণে তেওঁলোকৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা, পুষ্টিকৰ আৰু সুষম খাদ্য যোগান , বিনামূলীয়া চিকিৎসা ব্যৱস্থা আদি কাৰ্যসুচী ৰূপায়ণ কৰিব লাগে। শিক্ষকসকলক প্ৰাথমিক স্বাস্থ্য সৰ্ম্পকে প্ৰশিক্ষণ দিব লাগে।

**আত্মমূল্যায়ন (ঝ) ৰ উত্তৰ ঃ**

(১) মাধ্যমিক শিক্ষা আয়োগে আগবঢ়োৱা উদ্দেশ্য সমন্ধীয় পৰামৰ্শসমূহ গ্ৰহণযোগ্য বুলি ক'ব পাৰি। কাৰণ, মাধ্যমিক স্তৰত অধ্যয়ন কৰি থকা কিশোৰ -কিশোৰীসকলক গণতান্ত্ৰিক আদৰ্শ, ধ্যান-ধ্যৰণা, ভাৱধাৰাৰ জ্ঞান দিয়াটো অতি আৱশ্যক। মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত নিৰাপত্তা সুনিশ্চিত কৰিবলৈ বৃত্তিমূলক শিক্ষা প্ৰদান কৰাত আৰু ব্যক্তিতৰ সৰ্বাংগীন বিকাশ সাধন কৰাত গুৰুত্ব দিয়া উচিত। ছাত্ৰ -ছাত্ৰীৰ নেতৃত্বসুলভ গুণৰ ওপৰতে দেশত বিভিন্ন ক্ষেত্ৰৰ প্ৰগতি নিৰ্ভৰ কৰে । মাধ্যমিক শিক্ষা আয়োগে ভৱিষ্যতে দেশৰ শিক্ষাৰ্থীসকল যাতে উপযুক্ত ব্যক্তিত্বৰে নেতৃত্ব দিব পৰা গণতান্ত্ৰিক দেশৰ একোজন সুনাগৰিক হয় তাৰ প্ৰতি দৃষ্টি ৰাখি শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল।

(২) পাঠ্যক্ৰম সংশোধন সংক্ৰান্তত আয়োগে মাধ্যমিক স্তৰৰ শিক্ষাৰ্থী আগ্ৰহ, অভিৰুচি, চাহিদা, ভিত্তিত ভিন্নমূখী পাঠ্যক্ৰম প্ৰস্তুত কাৰণে আগবঢ়োৱা পৰামৰ্শ গুৰুত্বপূৰ্ণ ।

**আত্মমূল্যায়ন (ঞ) ৰ উত্তৰ ঃ**

(১) মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহ বৰ্তমান সময়ত ৰূপায়ণ কৰাৰ প্ৰয়োজন আছে। আয়োগে আগবঢ়োৱা পৰামৰ্শক সমৰ্থন কৰি বৰ্তমানকালেও শাৰীৰিক শিক্ষা, সামাজিক শিক্ষা, নৈতিক শিক্ষা , আধ্যাত্মিক শিক্ষা, বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষা, চৰিত্ৰ গঠন আদি দিশত গুৰুত্ব দিয়াৰ প্ৰয়োজন। শিক্ষাৰ্থীৰ ভিন্নমুখী চাহিদা পূৰণ কৰিবলৈ মাধ্যমিক পৰ্যায়ত এখন বহুমুখী পাঠ্যক্ৰম প্ৰস্তুতৰ আৱশ্যকতাক বৰ্তমান কালত নুই কৰিব নোৱাৰি ।

## আৰ্হি প্ৰশ্ন

(১) মাধ্যমিক শিক্ষা আয়োগৰ গঠন সম্পৰ্কে চমুকৈ উল্লেখ কৰা ।

(২) মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা অনুযায়ী মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ তোমাৰ নিজৰ ভাষাত বিশ্লেষণ কৰা ।

(৩) পাঠ্যক্ৰমৰ ত্ৰুটী সমন্ধে মাধ্যমিক শিক্ষা আয়োগে কি কি কাৰণ উল্লেখ কৰিছিল লিখা ।

(৪) প্ৰচলিত পাঠ্যক্ৰমৰ ত্ৰুটীসমূহ দূৰ কৰিবলৈ মুডালিয়াৰ আয়োগে আগবঢ়োৱা সংস্কাৰমূলক পৰামৰ্শসমূহ বৰ্ণনা কৰা।

(৫) আয়োগে মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয়সমূহ কেনেধৰণে উল্লেখ কৰিছিল বৰ্ণনা কৰা।

(৬) মাধ্যমিক শিক্ষা আয়োগে প্ৰচলিত মাধ্যমিক শিক্ষা ব্যৱস্থাৰ সাংগঠনিক পৰিৱৰ্তন বিষয়ে আগবঢ়োৱা পৰামৰ্শ সম্পৰ্কে চমু ব্যাখ্যা আগবঢ়োৱা ।

(৭) আয়োগে মাধ্যমিক শিক্ষাৰ শিক্ষক প্ৰশিক্ষণ সম্পৰ্কত কেনেধৰণৰ পৰামৰ্শ আগবঢ়াইছিল আলোচনা কৰা।

(৮) মাধ্যমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ কাৰণে কেনেধৰণৰ বৃত্তি শিক্ষাৰ ব্যৱস্থা কৰিব লাগে বুজাই লিখা।

(৯) মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শৱলীৰ চমু আলোচনা আগবঢ়োৱা ।

(১০) বৰ্তমান কালত মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহ কিমানদূৰ গ্ৰহণযোগ্য তোমাৰ নিজৰ ভাষাত লিখা ।

**প্ৰসংগ পুথি**

(১) শৰ্মা ,তৰুণ কুমাৰ ঃ *ভাৰতত শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী* ,বৰকটকী এণ্ড কোম্পানী প্ৰাইভেট লিমিটেড, যোৰহাট, ২০০৮

(২) বৰুৱা ,যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী ২০০৭ ।

# খণ্ড -৪

## স্বাধীনোত্তৰ ভাৰতৰ শৈক্ষিক পুনৰগঠন

( ১৯৪৭ --২০০০)

## গোট -৪— কোঠাৰী আয়োগ (ভাৰতীয় শিক্ষা আয়োগ)

**১৯৬৪ - ৬৬**

### গোট গঠন বিন্যাস (Unit Structure)

**৪.০ উদ্দেশ্য**

**৪.১ প্ৰস্তাৱনা**

**৪.২ আয়োগৰ গঠনৰ পটভূমি**

৪.২.১.আয়োগৰ সদস্যসকল

**৪.৩ আয়োগৰ প্ৰতিবেদনৰ প্ৰস্তুতকৰণ**

আত্মমূল্যায়ন (ক)

**৪.৪ আয়োগৰ মূল পৰামৰ্শসমহ**

৪.৪.১ শিক্ষা আৰু জাতীয় উদ্দেশ্য

৪.৪.২ শিক্ষা পদ্ধতি ইয়াৰ গাঁথনি আৰু মান

আত্মমূল্যায়ন (খ)

৪.৪.৩ শিক্ষকৰ স্থান , আয়োগৰ অনুভৱ আৰু পৰামৰ্শ

৪.৪.৪ শিক্ষকৰ শিক্ষা

আত্মমূল্যায়ন (গ)

৪.৪.৫ নামভৰ্তিকৰণ আৰু জনশক্তিৰ পৰিকল্পনা

৪.৪.৬ শৈক্ষিক সুবিধাৰ সমবিতৰণ

আত্মমূল্যায়ন (ঘ)

৪.৪.৭. বিদ্যালয় শিক্ষা সম্প্ৰসাৰণৰ সমস্যা

৪.৪.৮. বিদ্যালয়ৰ পাঠ্যক্ৰম

আত্মমূল্যায়ন (ঙ)

৪.৪.৯. শিক্ষাদান পদ্ধতি, নির্দেশনা আৰু মূল্যায়ন
৪.৪.১০ বিদ্যালয় শিক্ষা প্ৰশাসন আৰু পৰ্যবেক্ষণ
আত্মমূল্যায়ন (চ)
৪.৪.১১. উচ্চ শিক্ষা আৰু ভাৰতীয় শিক্ষা আয়োগ
৪.৪.১২. উচ্চ শিক্ষাৰ প্ৰয়োগ নীতি আৰু কাৰ্যসূচী
আত্মমূল্যায়ন (ছ)
৪.৪.১৩ বিশ্ববিদ্যালয় প্ৰশাসন
৪.৪.১৪. বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰশাসন
আত্মমূল্যায়ন (জ)
৪.৪.১৫. শিক্ষা পুঁজি
৪.৪.১৬ প্ৰযুক্তিবিদ্যা তথা কাৰিকৰী আৰু ব্যৱসায়িক শিক্ষা
আত্মমূল্যায়ন (ঝ)
৪.৪.১৭ প্ৰাপ্তবয়স্ক শিক্ষা
৪.৪.১৮ কৃষি বিষয়ক শিক্ষা
৪.৪.১৯ বিজ্ঞান শিক্ষা আৰু গৱেষণা
আত্মমূল্যায়ন (ঞ)
**৪.৫ সামৰণি**
৪.৬.১ ঘাই শব্দ
৪.৬.২ পাঠ্য নিৰ্দেশনা
৪.৬.৩ সাম্ভাব্য উত্তৰ
৪.৬.৪ আৰ্হি প্ৰশ্ন
৪.৬.৫ প্ৰসঙ্গ পুথি

## ৪.০. উদ্দেশ্য (Objectives)

এই গোটটো পঢ়াৰ পাছত তোমালোকে-

ক) কোঠাৰী আয়োগৰ পটভূমিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিবা ।

খ) কোঠাৰী আয়োগৰ শিক্ষা আৰু জাতীয় উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিবা ।

গ) বিদ্যালয় শিক্ষা সম্প্ৰসাৰণৰ সমস্যা সম্পৰ্কত আয়োগৰ মতামতসমূহ দাঙি ধৰিব পৰিবা ।

ঘ) উচ্চ শিক্ষা সম্পৰ্কত কোঠাৰী আয়োগৰ পৰামৰ্শসমূহ বিশ্লেষণ কৰিব পাৰিবা ।

ঙ) বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত কোঠাৰী আয়োগৰ পৰামৰ্শ সমূহ ব্যাখ্যা কৰিব পাৰিবা ।

## ৪.১. প্ৰস্তাৱনা (Introduction)

তোমালোকে ইতিমধ্যে পূৰ্বৰ গোটটোত মুডালিয়াৰ আয়োগ অৰ্থাৎ মাধ্যমিক শিক্ষা আয়োগ (১৯৫২-৫৩) চনৰ বিষয়ে অধ্যয়ন কৰি জানিব পাৰিছা যে এই আয়োগ খনেই হৈছে প্ৰথমখন আয়োগ য'ত স্বাধীনোত্তৰ কালৰ মাধ্যমিক শিক্ষা ব্যৱস্থা আৰু ইয়াৰ সমস্যাসমূহ চালি জাৰি চোৱাৰ প্ৰয়াস কৰিছিল। জাতীয় ভিত্তিত মাধ্যমিক শিক্ষাৰ পুনৰ গঠন কৰাৰ অৰ্থে মুডালিয়াৰ আয়োগে সৰ্ব্বপ্ৰথমে চিন্তা কৰি এই দিশত ল'ব লগা পদক্ষেপ সমন্ধে আগবঢ়োৱা অতি উপযোগী আৰু প্ৰয়োজনীয় পৰামৰ্শসমূহৰ বিষয়ে তোমালোকে আলোচনা কৰি আহিছা। এই পৰামৰ্শসমূহৰ আধাৰতেই প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষাৰ পৰ্যযলৈকে ভাৰতীয় শিক্ষা ব্যৱস্থাক সংশোধন কৰি পুনৰ গঠন কৰাৰ প্ৰচেষ্টা কৰি অহা হৈছিল। তথাপিও গণতান্ত্ৰিক দেশ এখনৰ প্ৰকৃত প্ৰয়োজন পূৰণ কৰিব পৰাকৈ আমাৰ দেশৰ শিক্ষা ব্যৱস্থা গঠন হৈ নুঠাত ১৯৬৪ চনত দেশৰ সাময়িক পৰিস্থিতিৰ পটভূমিত চৰকাৰে ক'ব লগা হ'ল যে যদিও কিছুমান ক্ষেত্ৰত কিছু প্ৰগতি গোৰা পৰিলক্ষিত হৈছে তথাপি জাতীয় কাৰ্যাৱলীৰ অনেক দিশত কৰ্ম আৰু চিন্তাধাৰাৰ মাজত এক বিৰাট ব্যৱধান ৰৈ গৈছে।

গতিকে এনে  অৱস্থাৰ অৱসান ঘটাবলৈ এক সুচিন্তিত শিক্ষাৰ আঁচনি দেশৰ কাৰণে প্ৰয়োজন হৈপৰিছে । ফলস্বৰূপে, কোঠাৰী আয়োগ গঠন কৰা হ'ল। এই গোটটোৰ দ্বাৰা তোমালোকে কোঠাৰী আয়োগে উল্লেখ কৰা শিক্ষাৰ বিভিন্ন সমস্যা আৰু এই সমস্যাসমূহ নিৰ্মূল কৰিবৰ বাবে আগবঢ়োৱা পৰামৰ্শসমূহৰ বিষয়ে অধ্যয়ন কৰিব পাৰিবা আৰু ইয়াৰ পাছৰ পাঠত ১৯৬৮ চনৰ জাতীয় শিক্ষানীতিৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰিব পাৰিব।

**৪.২. আয়োগৰ গঠনৰ পটভূমি ঃ**

তোমালোকে ইতিমধ্যে আগৰ গোটত ৰাধাকৃষ্ণণ আয়োগ (১৯৪৮) আৰু মুডালিয়াৰ আয়োগে (১৯৫২) স্বাধীনোত্তৰ ভাৰতবৰ্ষত শিক্ষা সংস্কাৰৰ কাৰণে আগবঢ়োৱা পৰামৰ্শসমূহৰ বিষয়ে অধ্যয়ন কৰি আহিছা । এই আয়োগৰ পৰামৰ্শসমূহে সমাজ আৰু বৰ্ত্তমানৰ নতুন পটভূমিত নৱদৃষ্টিভংগীৰে শিক্ষাৰ প্ৰতিটো দিশকে চালি -জাৰি চোৱাত প্ৰচুৰ অৱদান আগবঢ়াই আহিছে। এই আয়োগৰ পৰামৰ্শসমূহৰ আধাৰতে প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষা পৰ্যায়লৈকে ভাৰতীয় শিক্ষা ব্যৱস্থাক সংশোধন কৰি পুনৰ গঠন কৰাৰ প্ৰচেষ্টা কৰি অহা হৈছে ।

ভাৰতীয় সংবিধানৰ শিক্ষামূলক নিৰ্দেশ আৰু ৰাজ্যিক চৰকাৰসমূহে প্ৰস্তুত কৰা শিক্ষা আইনৰ মাধ্যমেৰে শিক্ষা বিষয়ৰ সকলো প্ৰকাৰৰ উন্নতি সাধন কৰাৰ প্ৰচেষ্টা চলি আহিছে যদিও গণতান্ত্ৰিক দেশ এখনৰ প্ৰকৃত প্ৰয়োজনীয়তাখিনি পূৰণ হোৱাকৈ দেশৰ শিক্ষা ব্যৱস্থা গঠন হৈ উঠা নাছিল। ইতিমধ্যে দেশত বুনিয়াদী শিক্ষা আঁচনি , তিনিবছৰীয়া মাধ্যমিক আচঁনি , বহুমূখী বিদ্যালয় আঁচনি  আদিও বিফল হৈছিল। দেশত তিনিটাকৈ পাঁচবছৰীয়া পৰিকল্পনা লোৱাৰ পাছতো আমাৰ শিক্ষা ব্যৱস্থাত , চিন্তা আৰু কাৰ্যৰ মাজত এক বিৰাট ব্যৱধান পৰিলক্ষিত হৈছিল। সংবিধানৰ নিৰ্দেশ অনুসৰি চৌধ্য বছৰ বয়সলৈকে যি বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ব্যৱস্থা ছাত্ৰ-ছাত্ৰীৰ কাৰণে গঠন কৰি তুলিব লাগিছিল চৰকাৰ তাত ব্যৰ্থ হৈছিল। ইতিমধ্যে দেশত দ্ৰুতগতিত বৃদ্ধি পোৱা জনসংখ্যাই শিক্ষাৰ দিশৰ বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছিল। দেশৰ অৰ্থনৈতিক প্ৰগতিৰ বিভিন্ন দিশৰ অৰ্থে প্ৰয়োজন হোৱা

উপযুক্ত লোক প্রস্তুত কৰাত শিক্ষা ব্যৱস্থাই একোকে কৰিব পৰা নাছিল। এনে কাৰণতে, দেশৰ আৰু জাতীয় জীৱনৰ সকলো ক্ষেত্ৰতে কেনে পৰিৱৰ্তন আনিব পৰা যায় আৰু প্ৰয়োজনসমূহ কেনেদৰে পূৰণ কৰিব পৰা যায় সেই সম্পৰ্কে বিচাৰ -বিবেচনা কৰিববলৈ এক সুচিন্তিত শিক্ষাৰ আঁচনি দেশৰ কাৰণে প্ৰয়োজন হৈ পৰে। সেয়েহে ১৯৬৪ চনৰ ১৪ জুলাই তাৰিখে বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি ড° ডি.এছ.কোঠাৰীৰ নামাকৰণ অনুসৰি এই আয়োগকে কোঠাৰী আয়োগ নামেৰে জনা যায়। এই আয়োগে প্ৰস্তুত কৰা প্ৰতিবেদনক শিক্ষা আৰু জাতীয় বিকাশ আঁচনি নামেৰে অভিহিত কৰা হয়।

**৪.২.১. আয়োগৰ সদস্যসকলঃ**

সভাপতিকে ধৰি কোঠাৰী আয়োগত দেশ -বিদেশৰ আন ১৬ গৰাকী সদস্যক অন্তৰ্ভুক্ত কৰা হৈছিল।

সেই কেইজন হৈছে--

১. সভাপতি ঃ অধ্যাপক ড° ডি.এছ কোঠাৰী । নতুন দিল্লী।

২. সচিব ঃ শ্ৰী জে.পি. নায়ক। শৈক্ষিক পৰিকল্পনা, প্ৰশাসন আৰু অৰ্থ বিভাগৰ মূৰব্বী গোখলে ৰাজনীতি আৰু অৰ্থনীতি বিদ্যালয়, পুনা।

৩. যুটীয়া সচিব ঃ জে.এফ. মেকডুগাল। ইউনেস্কোৰ বিদ্যালয় আৰু উচ্চ শিক্ষা বিভাগৰ সঞ্চালক (পেৰিচ)।

৪. সদস্যসকল

(ক) মি.এ.আৰ ডাউদ -মাধ্যমিক শিক্ষা বিস্তাৰ আঁচনি বিভাগৰ প্ৰাক্তন অধিৰ্কত্তা, নতুন দিল্লী।

(খ) মি.এইচ.এল.এলভিন- লণ্ডন বিশ্ববিদ্যালয়ৰ শিক্ষা প্ৰতিষ্ঠান বিভাগৰ অধিকৰ্তা

(গ) এ.আৰ. গোপালস্বামী -অধিকৰ্তা, প্ৰায়োগিক জনশক্তি গৱেষণা কেন্দ্ৰ, নতুন দিল্লী।

(ঘ) ড° ভি. এছ. ঝা - লণ্ডনস্থ কমনৱেলথ শিক্ষা সম্বন্বয়ৰক্ষী বিভাগৰ প্ৰাক্তন অধিকৰ্তা।

(ঙ) শ্ৰী পি.এল. কৃপাল - শিক্ষা সচিব আৰু উপদেষ্টা , শিক্ষা মন্ত্ৰণালয় , নতুন দিল্লী ।

(চ) অধ্যাপক এন.ভি. মাথুৰ - প্ৰাক্তন উপাচাৰ্য ৰাজস্থান বিশ্ববিদ্যালয়, জয়পুৰ।

(ছ) ড° বি.পি. পাল- অধিৰ্কতা ভাৰতীয় কৃষি গৱেষণা কেন্দ্ৰ, নতুন দিল্লী ।

(জ) কুমাৰী এচ পানন্দিকাৰ- মূৰব্বী অধ্যাপক, শিক্ষা বিভাগ , কৰ্ণাটক বিশ্ববিদ্যালয়।

(ঝ) অধ্যাপক ৰজাৰ ৰিভেলী-গৱেষণা বিভাগৰ মুৰব্বী, কালিফৰ্ণীয়া বিশ্ববিদ্যালয় আৰু জনসংখ্যা অধ্যয়ন কেন্দ্ৰৰ সঞ্চালক, হাৰ্বাড বিশ্ববিদ্যালয়, আমেৰিকা।

(ঞ) ড° কে.জি. চয়িদেইন - প্ৰাক্তন শিক্ষা উপদেষ্টা, ভাৰত চৰকাৰ, নতুন দিল্লী।

(ট) ড° ত্ৰিগুনী সেন- ৰেক্টৰ যাদবপুৰ বিশ্ববিদ্যালয়, কলিকতা।

(ঠ) অধ্যাপক এছ. এ চমভক্স- উচ্চশিক্ষা আৰু বিশেষ মাধ্যমিক শিক্ষাৰ অধিৰ্কতা, মস্কো বিশ্ববিদ্যালয়।

(ড) মি.জিয়েন থমাচ - শিক্ষা পৰিদৰ্শক প্ৰধান ফ্ৰান্স।

(ঢ) অধ্যাপক সদাতোচি ইহাৰ - বিজ্ঞান আৰু কাৰিকৰী বিভাগ, ৱাচিদা বিশ্ববিদ্যালয়, টকিঅ, জাপান ।

**৪.৩ আয়োগৰ প্ৰতিবেদন প্ৰস্তুতকৰণ ঃ**

কোঠাৰী আয়োগৰ কাৰ্যসমূহ ১৯৬৪ চনৰ ২ অক্টোবৰ মহাত্মা গান্ধীৰ জন্ম-জয়ন্তীৰ দিনাই আৰম্ভ কৰা হয়। আয়োগে দেশৰ বিভিন্ন শৈক্ষিক সমস্যা অধ্যয়নৰ বাবে ১২টা কাৰ্যদল আৰু ৭ খন কাৰ্যকৰী সমিতি নিযুক্তি দিয়ে। দেশৰ প্ৰায় ৯০০০ শিক্ষাবিদ, বিজ্ঞানী, উদ্যোগপতি আৰু সামাজিক ক্ষেত্ৰৰ আন বিশিষ্ট লোকক লগ ধৰি আয়োগৰ সদস্য সকলে তেওঁলোকৰ মতামত গ্ৰহণ কৰে। আয়োগে ২,৪০০ খনতকৈও অধিক স্মাৰক পত্ৰ সংগ্ৰহ

কৰাৰ লগতে বহুতো লোকৰ লিখিত তথ্য, টোকা, মন্ত্রী প্রশাসনক, সাংসদ, শিক্ষা বিশেষজ্ঞ আদিৰ পৰামৰ্শ গ্ৰহণ কৰে। এই আয়োগ ইংলেণ্ড, ফ্ৰান্স, আমেৰিকা, জাপান, ছোভিয়েট ৰাচিয়া আৰ ইউনেস্কো (UNESCO)ৰ শিক্ষা বিষয়ক সদস্যসকলৰ পৰামৰ্শও গ্ৰহণ কৰে.। আয়োগ গঠনৰ প্ৰায় ২১ মাহৰ পাছত ১৯৬৬ চনৰ ২৯ জুন তাৰিখে শিক্ষা আৰু ৰাষ্ট্ৰীয় উন্নতি (Education and national development) ৰ শীৰ্ষক ৬৯২ পৃষ্ঠাৰ এখন বৃহৎ প্ৰতিবেদন সেইসময়ৰ ভাৰতৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী এম.চি. চাগলাৰৰ হাতত অৰ্পণ । আয়োগে এই প্ৰতিবেদনখনত শিক্ষা ব্যৱস্থাৰ কেৱল দোষ -ত্ৰুটিসমূহকে উল্লেখ কৰা নাই। বৰঞ্চ সেইবোৰক কাৰ্যক্ষেত্ৰত কেনেদৰে নিৰ্মূল কৰিব পাৰি তাৰো উপায় আগবঢ়াইছে।

আয়োগৰ প্ৰতিবেদনখনক ঘাইকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে। প্ৰথম ভাগটোত ভাৰতীয় শিক্ষাৰ সাধাৰণ সমস্যাসমূহৰ বিষয়ে বিবেচনা কৰা হৈছে। ইয়াৰ ভিতৰত শিক্ষাৰ জাতীয় উদ্দেশ্য, শিক্ষা পদ্ধতিৰ পুনৰ গঠন , শিক্ষাৰ স্থান, জনশক্তি আঁচনি আৰু প্ৰৱেশ নীতি, শিক্ষাত সমান সুযোগ আৰু সামাজিক ন্যায় ইত্যাদি।

প্ৰতিবেদনৰ দ্বিতীয় ভাগটোত শিক্ষাৰ বিভিন্ন স্তৰ (Stages) আৰু ক্ষেত্ৰৰ ( Sector) বিষয়ে আলোচনা আৰু পৰামৰ্শ আছে। স্কুলীয়া শিক্ষাৰ সন্দৰ্ভত শিক্ষা সম্প্ৰসাৰণৰ সমস্যা, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, নিৰ্দেশনা , মূল্যায়ন, প্ৰশাসন আৰু পৰিদৰ্শন আদি দিশসমূহ অন্তৰ্ভূক্ত কৰিছে। বিশ্ববিদ্যালয়ৰ স্তৰৰ বিষয়ে বিশিষ্ট বিশ্ববিদ্যালয় গঠন , বিশ্ববিদ্যালয় প্ৰৱেশ নীতি, প্ৰশাসন আদি দিশৰ আলোচনা আৰু পৰামৰ্শসমূহ অন্তৰ্ভূক্ত কৰিছে। ক্ষেত্ৰ সম্বন্ধীয় দিশত -- কৃষি, কাৰিকৰী, আভিযান্ত্ৰিক তথা ব্যৱসায়িক দিশক সামৰি লোৱাৰ বাহিৰেও বিজ্ঞান শিক্ষা আৰু গৱেষণা আৰু প্ৰাপ্তবয়স্কসকলৰ শিক্ষাৰ বিষয়টোও অন্তৰ্ভূক্ত কৰিছে।

প্ৰতিবেদনৰ তৃতীয় আৰু শেষ ভাগটোত প্ৰায়োগিক সমস্যাসমূহ, যেনে ঃ শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন, পুঁজি ব্যৱস্থা আদিৰ বিষয়ে আলোচনা আৰু পৰামৰ্শ আছে। ইয়াৰ বাহিৰেও প্ৰতিবেদনত আৰু এটা ভাগ আছে য'ত আয়োগে নিজৰ কাৰ্য কেনেদৰে আগবঢ়াই নিছিল আৰু কেনে পদ্ধতি অৱলম্বন

কৰিছিল তাৰ বৰ্ণনা আছে।

কোঠাৰী আয়োগৰ প্ৰতিবেদনখনত সবাতোকৈ অধিক গুৰুত্ব প্ৰদান কৰা বিষয়সমূহ হৈছে-

১. নৈতিক শিক্ষা আৰু সামাজিক দায়িত্ববোধ গঠন। বিদ্যালয় সমূহে কৰ্ম আৰু জীৱন সম্বন্ধে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুতিৰ পথত আগবঢ়াই নিয়াৰ দায়িত্ব গ্ৰহণ কৰা ।

২. মাধ্যমিক শিক্ষাক ব্যৱসায়িক শিক্ষাৰ সৈতে জড়িত কৰা।

৩ আন্তঃৰাষ্ট্ৰীয়মানৰ সমপৰ্যায়ৰ হ'ব পৰাকৈ উচ্চ স্তৰীয় অধ্যয়নৰ কেন্দ্ৰ সমূহ আৰু কেইখনমান বিশিষ্ট বিশ্ববিদ্যালয় গঠন কৰা।

৪. শিক্ষকসকলৰ মান আৰু প্ৰশিক্ষণৰ বিশেষ গুৰুত্ব প্ৰদান কৰা।

৫. শিক্ষা পুনৰ গঠন আঁচনিত কৃষি শিক্ষা আৰু কৃষি গৱেষণা আৰু ইয়াৰ লগত সমন্ধ থকা বিষয়সমূহক প্ৰাধান্য দিয়া। শক্তিশালী আৰু কল্পনাপ্ৰসূত পদক্ষেপৰ দ্বাৰা কৃষি বিজ্ঞান আৰু গৱেষনাৰ অধ্যয়নৰ কাৰণে বিশেষ দক্ষতা থকা ছাত্ৰ-ছাত্ৰীক লৈ অহা।

৬. প্ৰতিটো স্তৰ আৰু ক্ষেত্ৰ বিশেষে গুণবাচক আৰু আদৰ্শমূলক হ'ব পৰাকৈ কিছু সংখ্যক শিক্ষানুষ্ঠান গঠন কৰা।

**আত্মমূল্যায়ন (ক)**

**(টোকাঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)

১. কোঠাৰী আয়োগ কেতিয়া গঠন হৈছিল?

....................................................................................

....................................................................................

২. আয়োগৰ প্ৰতিবেদনখনক কেইটা ভাগত ভাগ কৰা হৈছে?

....................................................................................

....................................................................................

**৪.৪ আয়োগৰ মূল পৰামৰ্শসমূহ ঃ**

কোঠাৰী আয়োগে শিক্ষাৰ বিভিন্ন স্তৰ আৰু ক্ষেত্ৰসমূহৰ বিষয়ে কিছুমান পৰামৰ্শ আগবঢ়াইছে। সেইসমূহ তলত আলোচনা কৰা হৈছে।

**৪.৪.১. শিক্ষা আৰু জাতীয় উদ্দেশ্য ঃ**

**(ক) শিক্ষা আৰু উৎপাদন শক্তি ঃ** উৎপাদন শক্তিৰ লগত শিক্ষাৰ সমন্ধ স্থাপন কৰা আৰু শিক্ষাক উৎপাদনমূখী কৰি তোলা মাধ্যমিক শিক্ষাৰ মূল লক্ষ্য হোৱাত গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ বাবে কৃষি উৎপাদন, প্ৰযুক্তিবিদ্যা আৰু উদ্যোগীকৰণ আদিৰ  দিশতো কৰ্ম অভিজ্ঞতাক সাঙুৰি ল'বৰ কাৰণে প্ৰচেষ্টা অব্যাহত ৰাখিব লাগে।

**(খ) সামাজিক আৰু জাতীয় ঐক্য ঃ** শিক্ষাৰ সকলো স্তৰতে আৰু সকলো  ল'ৰা-ছোৱালীৰ কাৰণে সামাজিক আৰু জাতীয় সেৱাৰ আঁচনি বাধ্যতামূলক হ'ব লাগিব । উপযুক্ত ভাষানীতিৰ উদ্ভাৱন কৰি সামাজিক আৰু জাতীয় ঐক্য সাধনৰ দিশত আগবাঢ়িব লাগিব। জাতীয় চেতনাৰ উন্নতি সাধনৰ অৰ্থে সংস্কৃতিৰ পুনৰ মূল্যায়নৰ ওপৰত কোঠাৰী আয়োগে গুৰুত্ব আৰোপ কৰিছে ইয়াৰ কাৰণে ভাষা শিক্ষা, সাহিত্য, দৰ্শন, ধৰ্ম, ভাৰতীয় ইতিহাস, পুৰাতত্ত্ব, সংগীত, নৃত্য আৰু নাটক আদিৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ উপৰিও নাগৰিকত্ব বিষয়ক শিক্ষাত গুৰুত্ব দিব লাগিব স্কুলীয়া আৰু উচ্চ পৰ্যায়ত মাতৃভাষাক শিক্ষাৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰিব লাগিব আৰু স্কুল আৰু কলেজ পৰ্যায়ৰ শিক্ষা কাৰ্যসূচীক নৱগঠন কৰি তাৰদ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মনত গণতান্ত্ৰিক মূল্যবোধ জগাই তুলিবৰ অৰ্থে প্ৰচেষ্টা থাকিব লাগিব।

**(গ) শিক্ষা আৰু আধুনিকীকৰণ ঃ** তোমালোকে আধুনিক সমাজখনলৈ মন কৰিলে এটা কথা দেখিবা যে আধুনিক সমাজত জ্ঞান বৃদ্ধিৰ গতি অতি দ্ৰুত হোৱা দেখা যায়। ইয়াৰ মূলতে হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পৰা পোৱা সহায় কোঠাৰী আয়োগৰ মতে এনে কাৰণতে আগ্ৰহ, ৰুচি আৰু মূল্যবোধৰ  বিকাশৰ অৰ্থে শিক্ষা বিতৰণ পদ্ধতিৰ হ'ব লাগিব। এনে পটভূমিত শিক্ষক প্ৰশিক্ষণৰ দিশটো অতি গুৰুত্বপুৰ্ণ।

আয়োগৰ মতে সমাজৰ আধুনিকীকৰণ বিচাৰোঁতে নিজেও শিক্ষাৰ দিশত আগবাঢ়িব লাগিব।

**(ঘ) সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ ঃ** বিশ্ববিদ্যালয় শিক্ষা আয়োগে দি থৈ যোৱা পৰামৰ্শৰ আধাৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহে চৰকাৰী আৰু বেচৰকাৰী সকলো শিক্ষাঅনুষ্ঠানতে সামাজিক, নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। বিশ্ববিদ্যালয়বোৰত তুলনামূলক ধৰ্ম আৰু দৰ্শন বিষয়ক শিক্ষা, ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন মূল্যবোধৰ শিক্ষা অব্যাহত ৰখাৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ৰে ব্যৱহাৰৰ উপযোগীকৈ এনে বিষয়ৰ বিশেষ, কিতাপ-পত্ৰ প্ৰস্তুত কৰিব লাগিব।

**(ঙ) ধৰ্ম বিষয়ক শিক্ষা ঃ** তোমালোকে ইতিমধ্যে স্কুলৰ পাঠত পঢ়ি আহিছা যে ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ। বিভিন্ন ধৰ্মৰ লোক বাস কৰা এখন দেশত ধৰ্মীয় সহনশীলতাৰ ভাবধাৰা নাগৰিক সকলৰ মনত গঠন কৰাটো অতি প্ৰয়োজনীয় কথা ।এনে কৰাৰ ফলত এজনে আন জনক বুজাত আৰু মিলেৰে বসবাস কৰাত সুবিধা হয়। কোঠাৰী আয়োগৰ পৰামৰ্শমতে স্কুল আৰু কলেজত নাগৰিকত্ব বিষয়ক পৃথক পাঠ্যক্ৰম নতুবা সাধাৰণ পাঠ্যক্ৰমতে মূখ্য ধৰ্ম সমূহৰ কিছুমান তত্ত্বকথা অন্তৰ্ভুক্ত কৰিব লাগে। দেশৰ সকলো অ়ঞ্চলৰ লোকৰ কাৰণে একে হ'ব পৰাকৈ ধৰ্মবিষয়ক এনে পাঠ্যপুথি তৈয়াৰ কৰিব লাগে।

*** শিক্ষা পদ্ধতি ঃ ইয়াৰ গাঁথনি আৰু মান ঃ**

দেশৰ শিক্ষা পদ্ধতিৰ সংগঠন আৰু মানলৈ লক্ষ্য ৰাখি মানৱ সম্পদৰ পূৰ্ণ বিকাশ সাধন কৰিবৰ বাবে কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ তলত আলোচনা কৰা হৈছে।

*** গাঁথনি আৰু সময় ঃ**

(১) শিক্ষাৰ মান ঘাইকৈ চাৰিটা বিশেষ উপাদানৰ ওপৰত নিৰ্ভৰশীল । সেইকেইটা হৈছে---

(ক) শিক্ষাৰ গাঁথনিৰ ভিন ভিন পৰ্যায়কৰণ আৰু এইবোৰৰ মাজত

পাৰস্পৰিক সমন্ধ ৰক্ষা কৰা ।

(খ) প্ৰত্যেক পৰ্যায়ৰ মুঠ সময়সীমা স্থিৰ কৰা।

(গ) শিক্ষকৰ মান , পাঠ্যক্ৰম, শিক্ষা পদ্ধতি, মূল্যায়ন পদ্ধতি, বিদ্যালয় গৃহ আৰু শিক্ষকৰ সা-সঁজুলিসমূহৰ প্ৰয়োগ সাধন আৰু তাৰ গুণমান বিশিষ্টতা নিৰ্ণয় কৰা।

(ঘ) প্ৰাপ্ত সা-সুবিধাসমূহৰ উপযুক্ত ব্যৱহাৰ কৰা।

(২) কোঠাৰী আয়োগৰ পৰামৰ্শমতে নতুন শিক্ষা-গাঁথনি তলত দিয়া ধৰণৰ হ'ব লাগিব।

(ক) একৰ পৰা তিনিবছৰীয়া প্ৰাক-প্ৰাথমিক শিক্ষা।

(খ) ৭ ৰপৰা ৮ বছৰীয়া প্ৰাথমিক পৰ্যায়ৰ শিক্ষা । ইয়াৰ মাজত ৪ বা ৫ বছৰীয়া নিম্ন-প্ৰাথমিক পৰ্যায় আৰু ২ বা তিনি বছৰীয়া উচ্চ প্ৰাথমিক পৰ্যায়ৰ শিক্ষা থাকিব লাগিব ।

(গ) ২ বা তিনি বছৰীয়া নিম্ন মাধ্যমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থা থাকিব লাগিব ।

(ঘ) ২ বা তিনি বছৰীয়া উচ্চতৰ মাধ্যমিক শিক্ষা । এই স্তৰত ২ বছৰীয়া সাধাৰণ শিক্ষা আৰু ১১ পৰা বছৰীয়া বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

(ঙ) ৩ বছৰীয়া উচ্চ শিক্ষাৰ স্তৰ বা প্ৰথম উপাধিৰ স্তৰ। ইয়াৰ পাছত হ'ব পৰ ৩ বছৰীয়া দ্বিতীয় উপাধিৰ স্তৰ আৰু ইয়াৰ পাছত গৱেষণাৰ স্তৰ ।

(৩) প্ৰাথমিক স্তৰৰ পূৰ্বে ১ বছৰীয়া প্ৰাক্- প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(৪) ছবছৰৰ কম বয়সৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক স্তৰত প্ৰৱেশ কৰিব নোৱাৰিব।

(৫) ১০ টা শ্ৰেণী অধ্যয়নৰ শেষতহে প্ৰথমটো বহিঃ পৰীক্ষা অনুষ্ঠিত হ'ব লাগে।

(৬) দশম শ্ৰেণীৰ পাঠ্যক্ৰমৰ পাছৰ পৰাহে ভিন্নমূখী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

(৭) উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীত বিভিন্ন বিষয়ৰ বিশিষ্ট অধ্যয়নৰ (Specalised Study) পাঠ্যসূচী থাকিব। যিবোৰ উচ্চতৰ মাধ্যমিক স্কুলত নৱম, দশম আৰু একাদশ শ্ৰেণীৰ কাৰণে একীভুত পাঠ্যক্ৰম চলি আছে, সেইবোৰত দ্বাদশ শ্ৰেণীৰ সংযোগ নোহোৱালৈকে পূৰ্বৰ পাঠ্যক্ৰমকে চলাই থাকিব পাৰিব।

*** উচ্চতৰ মাধ্যমিক শিক্ষাৰ সময়স্থিতিৰ বৃদ্ধি ঃ**

চতুৰ্থ পৰিকল্পনা কালছোৱাৰ ভিতৰতে উচ্চতৰ মাধ্যমিক শিক্ষা আচঁনি প্ৰস্তুত কৰা আৰু প্ৰয়োগ কৰা তথা পাঠ্যক্ৰমৰ সময়স্থিতি (duration) বৃদ্ধিকৰা আদি কাৰ্যসমূহ সম্পূৰ্ণ কৰিব লাগিব। প্ৰথমতে, এই আঁচনিক বিশেষবাচনিৰ মাজেৰে কেইখনমান মাধ্যমিক স্কুলত প্ৰয়োগ কৰিব লাগিব। এই স্কুলবোৰক পিছলৈ আন স্কুলসমূহে অনুসৰণ পৰিব পাৰিব। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ সময়স্থিতি দীঘলীয়া কৰাৰ পঞ্চমৰ পৰা সপ্তম পৰিকল্পনা কালৰ ভিতৰতে সম্পূৰ্ণ হ'ব লাগিব।

*** প্ৰাক- বিশ্ববিদ্যালয় শ্ৰেণীৰ স্থানান্তৰ ঃ**

আয়োগৰ পৰামৰ্শমতে বিশ্ববিদ্যালয় আৰু কলেজ পৰ্যায়ৰ পৰা প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীটো উচ্চ মাধ্যমিক স্কুল পৰ্যায়লৈ লৈ আহিব লাগিব আৰু এই কাৰ্য ১৯৭৫-৭৬ চনৰ ভিতৰত সম্পন্ন হ'ব লাগিব। বিশ্ববিদ্যালয় আৰু কলেজসমূহৰ পৰা সকলো প্ৰাক-বিশ্ববিদ্যালয় আৰু ইণ্টাৰমিডিয়েট শ্ৰেণী স্কুল পৰ্যায়লৈ অনাৰ দায়িত্ব বিশ্ববিদ্যালয় অনুদান আয়োগে ল'ব লাগিব। মাধ্যমিক শিক্ষা বোৰ্ডক উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ দায়িত্ব বহন কৰিব পৰাকৈ পুনৰ গঠন কৰিব লাগিব।

*** বিশ্ববিদ্যালয় পৰ্যায়ত পুনৰ সংগঠন ঃ**

তোমালোকে পুৰ্বৰ পাঠসমূহ অধ্যয়ন কৰি এটা কথা জানিব পাৰিছা যে বিশ্ববিদ্যালয় শিক্ষা আয়োগ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ উদ্দেশ্য ভাৰতৰ গণতান্ত্ৰিক আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই উদ্দেশ্য আগত ৰাখিয়েই কোঠাৰী আয়োগে বিশ্ববিদ্যালয় পৰ্যায়ৰ পুনৰ সংগঠন সম্পৰ্কত তলত কিছুমান পৰামৰ্শ আগবঢ়াইছে ।

(ক) বিশ্ববিদ্যালয়ৰ প্ৰথম ডিগ্ৰী বা স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰম তিনি বছৰতকৈ কম হ'ব নালাগে আৰু স্নাতকোত্তৰ পৰ্যায়ৰ পাঠ্যক্ৰম ২ বা ৩ বছৰীয়া হ'ব নালাগে।

(খ) উচ্চ শিক্ষাৰ শিক্ষণ কালত নমনীয়তাৰ নীতি গ্ৰহণ কৰিব লাগে আৰু বিশ্ববিদ্যালয়সমূহত ভিন ভিন বিষয়ৰ অধ্যয়নৰ ব্যৱস্থা থকিব লাগে।

(গ) প্ৰচলিত তিনি বছৰীয়া নিম্নস্নাতক পৰ্যায়ৰ ২য় বাৰ্ষিকত কিছুমান বিশেষ শিক্ষানুষ্ঠানে কিছুমান বিষয়ৰ নতুন তিনি বছৰীয়া বিশেষ পাঠক্ৰম আৰম্ভ কৰিব লাগে।

(ঘ) স্নাতক ডিগ্ৰীৰ বাবে কেতবোৰ নিৰ্বাচিত বিষয়ত ৪ বছৰীয়া বিশেষ পাঠ্যক্ৰম অধ্যয়ন আৰম্ভ কৰিব লাগে। এনে বিষয় প্ৰথমে পৰীক্ষামূলকভাৱে বিশ্ববিদ্যালয়ত প্ৰথমে আৰম্ভ কৰিব লাগে।

(ঙ) পূৰ্বৰ পাঠ্যক্ৰমৰ পৰা নতুন পাঠ্যক্ৰম ব্যৱস্থালৈ পৰিৱৰ্তন কৰোঁতে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(চ) স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত দীঘলীয়া সময়ৰ পাঠ্যক্ৰমৰ প্ৰতি আগ্ৰহশীল ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবৰ কাৰণে ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান কৰি উৎসাহিত কৰিব লাগে আৰু শিক্ষাৰ শেষত নিযুক্তি হোৱা চাকৰিৰ উচ্চ দৰমহাৰো ব্যৱস্থা কৰিব লাগে।

*** পূৰ্বৰ সা-সুবিধাসমূহৰ ব্যৱহাৰ ঃ**

আগৰ পৰা থকা সা-সুবিধাসমূহক ভালদৰে ব্যৱহাৰ কৰি ইয়াৰ পৰা সুফল পাবৰ বাবে তলত কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে--

(১) শৈক্ষিক বছৰত শিক্ষা নিৰ্দেশনাৰ কৰ্মদিন বৃদ্ধি । বিদ্যালয়ৰ বাবে প্ৰায় ২৩৪ দিন বা ৩৯ সপ্তাহ আৰু মহাবিদ্যালয়ৰ বাবে ২১৬ দিন বা ৩৬ সপ্তাহ কৰিব লাগে।

(২) বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰীক্ষা বা আন আন শৈক্ষিক কাৰ্যৰ বাবে শিক্ষা প্ৰদানৰ সময়ৰ পৰা ২১ দিন লোৱাৰ ব্যৱস্থা কৰিব লাগে।

(৩) সমগ্ৰ ভাৰততে শৈক্ষিক বছৰ একেটা দিনতে আৰম্ভ কৰিব লাগে।

(৪ ) বন্ধৰ দিন কমাবৰ বাবে যিকোনো ধৰ্মীয় উৎসৱ অথবা জন্ম মৃত্যুৰ উৎসৱত বন্ধ দিব নালাগে।

(৫) বন্ধৰ সময়খিনি সমাজসেৱা শিবিৰ, অভিজ্ঞতা , সাক্ষৰতা প্ৰদান , শিক্ষামূলক ভ্ৰমণ, এন.চি.চি.আদি শিক্ষাসমন্ধীয় বিষয়ৰ কাৰণে ব্যৱহাৰ কৰি লাগে।

(৬) ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত অধ্যয়নৰ (Self Study) ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগিব।

(৭) বিদ্যালয়ৰ সা-সুবিধা যেনে ঃ পুথিভঁৰাল, প্ৰয়োগশালা, কৰ্মশালা, কাৰাখানা আদি উপযুক্তভাৱে ব্যৱহাৰ কৰিব লাগিব আৰু এই সমূহ দৈনিক ৮ ঘণ্টাকৈ খোলা থাকিব লাগিব।

(৮) প্ৰতিটো স্তৰতে অপচয় ৰোধ কৰাৰ বিশেষ ল'ব লাগিব।

(৯) জাতীয় আৰু ৰাজ্যিক উভয়ক্ষেত্ৰতে শিক্ষাৰ মান একে হ'ব লাগিব।

(১০) স্কুলসমূহত অংশকালীন শিক্ষাৰ (post time education) ব্যৱস্থা কৰিব লাগিব। এই অংশকালীন শিক্ষা পূৰ্ণকালীন শিক্ষাৰ সমপৰ্যায়ৰ হ'ব লাগিব।

**আত্মমূল্যায়ন (খ)**

***(টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১. শিক্ষা আৰু জাতীয় উদ্দেশ্য সাধনৰ বাবে কোঠাৰী আয়োগে কোনবিলাক দিশক মূখ্য বিবেচনাৰ বিষয় হিচাপে বাচি লৈছিল।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

২. শিক্ষাৰ সংগঠনৰ আৰু মান বিষয়ৰ চাৰিটা দিশ উল্লেখ কৰা ।

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

**৪.৪.৩.শিক্ষকৰ স্থান, আয়োগৰ অনুভৱ আৰু পৰামৰ্শ ঃ**

তোমালোকে প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থাৰ কথা পঢ়োতে এটা কথা নিশ্চয় মন কৰিছা যে এই শিক্ষা ব্যৱস্থাত শিক্ষকেই আছিল প্ৰধান প্ৰাণকেন্দ্ৰ । তেওঁ পাঠ্যক্ৰম ৰচনা কৰাৰ পৰা ,শিক্ষাৰ্থীক শিক্ষাদান কৰা, শিক্ষাৰ সমস্ত ব্যয় ভাৰ গ্ৰহণ কৰা আৰু অনন্ত শিক্ষাৰ্থীক অভিজ্ঞান দিয়ালৈকে সকলো কাম অকলেই সম্পাদন কৰিছিল। গতিকে শিক্ষকসকলক অতীততে হওক বা বৰ্ত্তমানতে হওক অতি উচ্চ মানৰ কাৰ্য সম্পাদন কৰাৰ অৰ্থে ব্যৱহাৰ কৰি অহা হৈছে যদিও এওঁলোকৰ আয় কিন্তু অতি নিম্মমানৰ। বৰ্ত্তমান শিক্ষকসকলৰ অৱস্থা অতি দুখ লগা। এনে দুৰ্ভগীয়া অৱস্থাৰে জাতীয় উন্নতিৰ কাৰণে কিমান অৱদান আগবঢ়াব পাৰিব-- এই অনুভৱৰ ভিত্তিতে আয়োগে শিক্ষকৰ দৰমহাৰ পৰিমাণ বৃদ্ধি, শিক্ষকৰ বাবে সূচল পৰিবেশ সৃষ্টি, বৃত্তিগত দক্ষতা উন্নয়নৰ

সুবিধা দিব লাগে বুলি মত প্ৰকাশ কৰিছে। শিক্ষকৰ স্থান সম্পৰ্কে আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ তলত আলোচনা কৰা হৈছে--

১. মাধ্যামক শিক্ষা লাভকৰা আৰু দুবছৰীয়া প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দৰমহা ১৫০-২৫০ টকা হ'ব লাগে। এওঁলোকৰ ভিতৰৰে শতকৰা ১৫ শতাংশ শিক্ষকৰ কাৰণে বাছনিভিত্তিক দৰমহাৰ মান ২৫০-৩০০ টকা হ'ব লাগে।

২. এবছৰীয়া প্ৰশিক্ষণপ্ৰাপ্ত স্নাতক শিক্ষকৰ দৰমহা নিৰিখ ২২০-৪০০ টকা। বাছনিস্তৰৰ শিক্ষকৰ কাৰণে ৩০০-৫০০ টকা আৰু প্ৰশিক্ষণ নথকা শিক্ষকে প্ৰশিক্ষণ লৈ নহালৈকে আৰম্ভণিৰ দৰমহা মাহে ২০০ টকা পাই থাকিব ।

৩. স্নাতকোত্তৰ উপাধিধাৰী মাধ্যমিক বিদ্যালয়ৰ শিক্ষকে মাহে ৩০০-৬০০ টকা দৰমহা পাব আৰু প্ৰশিক্ষণ লৈ আহিলে এটা 'অধিক বাৰ্ষিক বৃদ্ধি' পাব।

৪. মাধ্যমিক স্কুলৰ প্ৰধান শিক্ষকে স্কুলৰ বিশেষ মান, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বা নিজা অৰ্হতাৰ ভিত্তিত মহাবিদ্যালয়ৰ শিক্ষকৰ কাৰণে ধাৰ্য কৰা যিকোনো এটা বেতন বা দৰমহা ল'ব পাৰিব।

৫. সংবদ্ধ মহাবিদ্যালয়ৰ শিক্ষকৰ কাৰণে --

(ক) প্ৰৱক্তাৰ নিম্ন বেতন মান ৩০০-২৫-৬০০ টকা ।

(খ) প্ৰৱক্তাৰ উচ্চ বেতন মান ৪০০-৩০-৬৪০-৪০-৮০০ টকা।

(গ) জ্যেষ্ঠ প্ৰৱক্তা/ৰীডাৰ ৭০০-৪০-১১০০ টকা।

(ঘ) অধ্যক্ষ - ১. প্ৰথম স্তৰ-৭০০-৪০-১১০০ টকা
২. দ্বিতীয় স্তৰ- ৭৫৯-৪০-১২৫০ টকা
৩. তৃতীয় স্তৰ - ১১৯০০-৫০-১৫০০ টকা।

৬. বিশ্ববিদ্যালয়ৰ শিক্ষকৰ বাবে বেতনৰ মান

(ক) প্ৰৱক্তাৰ বেতন - ৪০০-৪০-৫০-৯৫০ টকা

(খ) ৰীডাৰৰ বেতন - ৭৫০-৫০-১২৫০ টকা

(গ) অধ্যাপকৰ বেতন- ১১০০-৫০-১৩০০-৬০-১৬০০ টকা

(ঘ) এক তৃতীয়াংশ অধ্যাপকৰ উচ্চ বেতন মান ১৬০০-১৮০০ টকা।

এই বেতনমানৰ ওপৰত ভিত্তি কৰি আয়োগে এক নিৰ্দেশমূলক টোকা আগবঢ়াইছে ।

১. মাধ্যমিক পৰ্যায়ৰ শিক্ষা পূৰ্ণ কৰা প্ৰাথমিক স্কুলৰ শিক্ষকসকলৰ দৰমহা তৎকালেই ১০০ টকালৈ বৃদ্ধি কৰিব লাগিব। পাঁচ বছৰৰ ভিতৰত এনে বৃদ্ধি ১২৫ টকা হ'ব লাগিব। একেদৰে দুবছৰ প্ৰশিক্ষণ পোৱা শিক্ষকৰ দৰমহা ১২৫ টকালৈ বৃদ্ধি আৰু পাচঁ বছৰৰ ভিতৰত এই বৃদ্ধি ১৫০ টকালৈ হ'ব।

২. প্ৰতি পাঁচ বছৰৰ মূৰত বেতনৰ মান পুনৰীক্ষণ আৰু সংশোধন হ'ব লাগিব।

৩. ঘৰ ভাৰা, মৰগীয়া বানচ বা আন বিশেষ বানচৰ বেতনমান ওপৰঞ্চি হিচাপে থাকিব ।

৪. মাধ্যমিক বিদ্যালয়ৰ সকলো শিক্ষকৰে প্ৰশিক্ষণ বাধ্যতামূলক হ'ব।

৫. শিক্ষকসকলক প্ৰদান কৰা ৰাষ্ট্ৰীয় পুৰস্কাৰৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব

**৪.৫.৪. শিক্ষকৰ শিক্ষা ঃ**

শিক্ষকৰ ওপৰতে মান সম্পূৰ্ণৰূপে নিৰ্ভৰশীল । বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থালৈ লক্ষ্য কৰিলে এটা কথা তোমালোকে দেখিবা যে আন চাকৰিৰ সুবিধা কৰিব নোৱাৰা লোকসকলেহে সাধাৰণতে শিক্ষক হ'বলৈ আহে। সেয়েহে প্ৰশিক্ষণ নথকা শিক্ষকৰ হাতত শিক্ষাৰ মান নিম্নগামী হোৱাতো পৰিলক্ষিত হয়। কোঠাৰী আয়োগে শিক্ষক প্ৰশিক্ষণৰ দিশত অতি গুৰুত্ব আৰোপ কৰিছে। প্ৰাক্-বিশ্ববিদ্যালয়ৰ পৰা মাধ্যমিক পৰ্যায়ৰলৈকে সকলো শিক্ষকৰ কাৰণে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে ।

**ক) শিক্ষক প্ৰশিক্ষণৰ গুৰুত্ব ঃ**

শিক্ষক প্ৰশিক্ষণৰ গুৰুত্ব উপলব্ধি কৰি আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে-

১) সকলোবোৰ শৈক্ষিক পৰিকল্পনাত শিক্ষকৰ ব্যৱসায়িক প্ৰস্তুতিক শিক্ষাৰ ওপৰত উন্নতিৰ প্ৰধান দিশ হিচাপে মানি মূখ্যস্থান দিব

লাগিব আৰু ইয়াৰ বাবে পুঁজি আৰু প্ৰশাসনীয় সা-সুবিধা কেন্দ্ৰীয় আৰু ৰাজ্যিক উভয় পৰ্য্যয়তে কৰিব লাগিব।

২) শিক্ষকক প্ৰশিক্ষিত কৰি তুলিবৰ বাবে শিক্ষা বিষয়টোক বিশ্ববিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰমত অন্তভূৰ্ক্ত কৰিব লাগিব।

৩) প্ৰতিখন বিদ্যালয়ৰ প্ৰাক-প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ সা-সুবিধাৰ কাৰণে প্ৰশিক্ষণ কেন্দ্ৰসমূহে সম্প্ৰসাৰণ কৰ্মক (Extension work) প্ৰয়োজনীয় বুলি ল'ব লাগিব।

৪) নিৰ্বাচিত কিছু স্কুলত শিক্ষকসকলে প্ৰশিক্ষণৰ কালছোৱাত অভ্যাস শিক্ষণ (practice teaching) কৰিব লাগিব। এনে শিক্ষণ অভ্যাস কৰিবৰ বাবে সুবিধা দিয়া বিদ্যালয়বোৰৰ শিক্ষা বিভাগে অধিক মঞ্জুৰী আগবঢ়াব লাগিব।

৫) প্ৰশিক্ষণ কাৰ্যসুচীৰ মাজলৈ নহা বিষয় যেনেঃ শিল্পবিদ্যা, চাৰুকলা, শৰীৰ চৰ্চা আদিৰ কাৰণেও প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

৬) বিশেষ আচনিৰ জৰিয়তে প্ৰত্যেক ৰাজ্যত শিক্ষক শিক্ষাৰ ৰাজ্যিক বৰ্ড গঠন কৰিব লাগিব আৰু এই বৰ্ডেই শিক্ষাৰ প্ৰতিটো স্তৰ আৰু ক্ষেত্ৰৰ কাৰণে শিক্ষণ প্ৰশিক্ষণ সম্পৰ্কীয় সকলো দায়িত্ব বহন কৰিব লাগিব।

**খ) শিক্ষকৰ বৃত্তিমূখী শিক্ষাৰ উন্নতিকৰণ ঃ**

কোঠাৰী আয়োগে শিক্ষকৰ বৃত্তিমূখী শিক্ষাৰ গুণগত উন্নয়নৰ বাবে তলত পৰামৰ্শসমূহ আগবঢ়াইছে--

১) বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগসমূহৰ সহযোগত কনচেপ্টকৰ্চৰ (Concept cource) ব্যৱস্থা কৰি শিক্ষকসকলক কোনো বিষয়ৰ মূল ধাৰণা, উদ্দেশ্য আৰু আন বিশিষ্ট দিশসমূহৰ ক্ষেত্ৰত অৰ্ন্তদৃষ্টি গঠন কৰিব পৰাকৈ সহায় কৰিব লাগিব।

২) বিশ্ববিদ্যালয়ত সাধাৰণ আৰু বৃত্তিমূলক শিক্ষাৰ সংহত পাঠ্যসূচী (Integrated Course) ৰ ব্যৱস্থা ৰাখিব লাগিব।

৩) শিক্ষণ অভ্যাসৰ উন্নতিৰ কাৰণে আভ্যন্তৰীণ মূল্যায়নৰ ব্যৱস্থা কৰিব

লাগে আৰু স্ব-অধ্যয়ন আৰু আলোচনাৰ ব্যৱস্থা থকা উন্নত শিক্ষা বিতৰণ পদ্ধতিৰো ব্যৱস্থা কৰিব লাগে।

৪) পৰিবৰ্ত্তনশীল শৈক্ষিক পটভূমিৰ আধাৰত সকলো স্তৰতে প্ৰশিক্ষণৰ পাঠ্যক্ৰম আৰু কাৰ্যসূচীক সালসলনি কৰি থাকিব লাগিব।

৫) নতুন বৃত্তিমূখী দিশৰ অৱতাৰণা কৰি শিক্ষক প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিব লাগে।

৬) প্ৰশিক্ষণ মহাবিদ্যালয়সমূহত মনোবিজ্ঞান, সমাজবিজ্ঞান, বিজ্ঞান আৰু গণিত বিষয়ত বিশেষ পাৰদৰ্শিতা থকা লোকক শিক্ষক হিচাপে নিযুক্তি দিব লাগিব।

৭) প্ৰশিক্ষণ অনুষ্ঠানসমূহত শিক্ষকৰ আৰু প্ৰশিক্ষাৰ্থীৰ কাৰণে আবাসগৃহৰ ব্যৱস্থা থাকিব লাগিব।

**গ) শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ বিস্তাৰ ঃ**

শিক্ষণ প্ৰশিক্ষণ কাৰ্যসূচীৰ বিস্তাৰ সম্পৰ্কত ভাৰতীয় আয়োগৰ পৰামৰ্শসমূহ হ'ল--

১) প্ৰতিখন ৰাজ্যই নিজ নিজ অঞ্চলৰ শিক্ষা আৰু শিক্ষকৰ প্ৰয়োজনীয়তাৰ আধাৰত প্ৰশিক্ষণ সম্প্ৰসাৰণ কাৰ্য আঁচনি আৰু কৰ্মকালীন প্ৰশিক্ষণৰ দিশত বিশেষ দৃষ্টি ৰাখিব লাগিব।

২) প্ৰশিক্ষণ কেন্দ্ৰসমূহে ব্যাপক পৰিমানে অংশকালীন আৰু যোগাযোগ পাঠ্যসূচীৰ ব্যৱস্থা কৰিব লাগে যাতে পূৰ্ণকালীন পাঠ্যক্ৰমক সুন্দৰভাৱে আগবঢ়াই নিব পাৰে।

৩) প্ৰতি পাঁচ বছৰৰ ভিতৰত প্ৰতিজন শিক্ষকক অন্ততঃ এবাৰকৈ হ'লেও দুই বা তিনিমাহৰ একোটাকৈ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৪) মাধ্যমিক পৰ্যায়ৰ শিক্ষকৰ কাৰণে কৰ্মকালীন প্ৰশিক্ষণ কাৰ্যসূচীৰ অধিক সম্প্ৰসাৰণ কৰি ইয়াত বিভিন্ন ধৰণৰ সহায় আগবঢ়াব লাগিব।

৫) বিশ্ববিদ্যালয় প্ৰশিক্ষণ কেন্দ্ৰ আৰু শিক্ষক সন্থাসমূহৰ সামূহিক তত্বাৱধানত সকলো স্তৰতে কৰ্মকালীন শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

**ঘ) উচ্চ শিক্ষাৰ শিক্ষকৰ বৃত্তিমূখী প্ৰস্তুতি ঃ**

ভাৰতীয় শিক্ষা আয়োগে বা কোঠাৰী আয়োগে উচ্চ শিক্ষাৰ শিক্ষকৰ বৃত্তিমূখী প্ৰস্তুতি সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে-

১) কনিষ্ঠ প্ৰৱক্তাসকলৰ কাৰণে বৃত্তিমূখী প্ৰস্তুতিৰ হৈ সুবিধাজনকভাবে প্ৰশিক্ষণৰ আৰম্ভ কৰিব লাগিব।

২) নতুনকৈ নিযুক্তি পোৱা প্ৰৱক্তাসকলক ভাল অভিজ্ঞ শিক্ষকসকলৰ পাঠদানৰ সময়ত শ্ৰেণীত থাকিবলৈ উৎসাহ দিব লাগিব।

৩) নতুন শিক্ষকসকলৰ কাৰণে বিশ্ববিদ্যালয়ত নতুবা প্ৰতি কলেজতে পুনৰ বিন্যাস কাৰ্যসূচী (Orientation Course) ৰ ব্যৱস্থা সঘনাই কৰা উচিত।

৪) কিছুমান বিশ্ববিদ্যালয়ত স্থায়ীভাবে ষ্টাফ কলেজ (Staff College) স্থাপন কৰি এনে প্ৰশিক্ষণ পাঠ্যক্ৰমৰ দায়িত্ব অৰ্পণ কৰিব পাৰি।

**ঙ) শিক্ষক শিক্ষাৰ মান ঃ**

শিক্ষক শিক্ষাৰ মান সৰ্ম্পকত আয়োগৰ পৰামৰ্শসমূহ তলত আলোচনা কৰা হৈছে --

১) ৰাষ্ট্ৰীয় স্তৰত বিশ্ববিদ্যালয়ত অনুদান আয়োগে শিক্ষক শিক্ষাৰ মান সুস্থিৰ কৰা আৰু ৰাজ্যিক পৰ্যায়ত এনে মানৰ উন্নতি কৰা আদিৰ দায়িত্ব বহন কৰিব লাগিব।

২) চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত বিশ্ববিদ্যালয় অনুদান আয়োগলৈ অধিক পুঁজিৰ যোগান ধৰিব লাগে যাতে আয়োগে বিশ্ববিদ্যালয়ত শিক্ষক শিক্ষা সমন্ধীয় বিষয়ৰ সংস্কাৰ সাধন কৰিব পাৰে।

৩) বিশ্ববিদ্যালয় অনুদান আয়োগে জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) সহযোগত এক বিশেষ সমিতি গঠন কৰিব পাৰে। এই সমিতিত শিক্ষা বৃত্তিৰ অতি পাৰদৰ্শিতা থকা লোক থাকিব লাগিব।

৪) কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক শিক্ষাৰ ব্যৱস্থা উন্নতি কৰাৰ অৰ্থে আছুতীয়াকৈ অধিক পুঁজিৰ যোগান ধৰিব লাগিব।

**আত্মমূল্যায়ন (গ)**

***( টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) শিক্ষক প্ৰশিক্ষণৰ উন্নতিৰ কাৰণে কোঠাৰী আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ উল্লেখ কৰা।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

২) উচ্চ শিক্ষা শিক্ষকৰ বৃত্তিমূখী প্ৰস্তুতিৰ কাৰণে কনিষ্ঠ প্ৰৱক্তাৰ কেনেধৰণৰ বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন বুলি আয়োগে পৰামৰ্শ আগবঢ়াইছে।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

**৪.৪.৫ নামভৰ্তিকৰণ আৰু জনশক্তি পৰিকল্পনাঃ**

ভাৰতীয় শিক্ষা আয়োগে তথা বা কোঠাৰী আয়োগে নামভৰ্ত্তিকৰণ আৰু জনশক্তি পৰিকল্পনা সম্পৰ্কত আগবঢ়োৱা বিভিন্ন পৰামৰ্শসমূহ তলত উল্লেখ কৰা হ'ল--

**ক) জাতীয় প্ৰৱেশ নীতি ঃ** আয়োগৰ মতে অহা বিশটা বছৰৰ ভিতৰত তলত

দিয়াৰ দৰে ছাত্ৰ-ছাত্ৰীৰ শিক্ষানুষ্ঠানসমূহত প্ৰৱেশৰ প্ৰশ্নলৈ এক বহল উদ্দেশ্যেৰে জাতীয় প্ৰৱেশ নীতি প্ৰস্তুত কৰিব লাগিব।

১) সাত বছৰীয়া সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম বিনামূলীয়া আৰু বাধ্যতামূলক হ'ব লাগিব।

২) অৰ্হতা সম্পন্ন ইচ্ছুক ছাত্ৰ-ছাত্ৰীক উচ্চ মাধ্যমিক আৰু বিশ্ববিদ্যালয় পৰ্যায়ত প্ৰৱেশ পাবৰ কাৰণে প্ৰশিক্ষণ আৰু উচিত শিক্ষা দিব লাগিব।

৩) আৰ্থিকভাৱে অনাটনত ভোগা শিক্ষাৰ্থীসকলৰ কাৰণে যথোপযুক্ত অৰ্থ সাহাৰ্য দিব লাগিব।

৪) প্ৰাপ্তবয়স্কসকলৰ নিৰক্ষৰতা দূৰ কৰিব লাগিব। ইয়াৰ বাবে ধাৰাবাহিক শিক্ষাৰ (Continuing education) কাৰ্যসূচী প্ৰস্তুত কৰিব লাগিব।

৫) কাৰিকৰী, বৃত্তিমূখী আৰু ব্যৱসায়িক শিক্ষাৰ বিকাশৰ বাবে তথা উদ্যোগ আৰু কৃষিক্ষেত্ৰত সুদক্ষ লোক প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিব লাগে।

৬) ১৯৭৫--৭৬ চনৰ ভিতৰত পাঁচ বছৰীয়া ফলপ্ৰসু প্ৰাথমিক শিক্ষা আৰু ১৯৮৬--৮৬ চনৰ ভিতৰত সাত বছৰীয়া অনুৰূপ শিক্ষা সকলো শিক্ষাৰ্থীকে প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগিব।

৭) ১১-১৪ বছৰৰ প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰিলে তেওঁলোকৰ কাৰণে এবছৰীয়া অংশকালীন শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

**খ) মাধ্যমিক আৰু উচ্চ শিক্ষাত নাম ভৰ্তিৰ নীতি ঃ** মাধ্যমিক আৰু উচ্চশিক্ষাত নামভৰ্তি আৰু উচ্চ শিক্ষাৰ বিস্তাৰ সম্পৰ্কত তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে--

১) এনে শিক্ষাৰ প্ৰতি ৰাজহুৱা দাবী, সাধাৰণ সামৰ্থৰ উপযুক্ত বিকাশ শৈক্ষিক সুবিধা যোগানৰ ক্ষেত্ৰত সামাজিক সক্ষমতা আৰু জনশক্তিৰ প্ৰয়োজনীয়তা আদি দিশসমূহ বিবেচনা কৰিব লাগিব।

২) মাধ্যমিক আৰু উচ্চ শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমাগতভাৱে বাঢ়ি অহালৈ লক্ষ্য ৰাখি নামভৰ্তিৰ ক্ষেত্ৰত বাছনি নীতি গ্ৰহণ কৰিব লাগিব।

৩) বিশেষ মেধাসম্পন্ন ছাত্র-ছাত্রীৰ কাৰণে আৰ্থিক সাহায্যৰ ব্যৱস্থা থাকিব লাগিব।

৪) দেশৰ বৰ্তমান প্ৰয়োজনীয় জনশক্তি আৰু চাকৰিৰ সুযোগ আদিৰ বিষয়ে তথ্য আহৰণ কৰিব লাগিব।

৫) অপৰিকল্পিত আৰু অনিয়ন্ত্ৰিতভাৱে হ'ব পৰা শিক্ষাৰ বিস্তাৰ ৰোধ কৰিব লাগিব।

৬) মাধ্যমিক শিক্ষাক ব্যৱসায়িক আৰু বিশ্ববিদ্যালয় শিক্ষাক বৃত্তিমূখী কৰি তোলাৰ ব্যৱস্থা হাতত ল'ব লাগিব। এই কাৰ্যৰ হৈ জাতীয় আৰু ৰাজ্যিক উভয় ক্ষেত্ৰতে উপযুক্ত ব্যৱস্থা ল'ব লাগিব।

**গ) জনশক্তি পৰিকল্পনা ঃ** জনশক্তিৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কত আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে--

১) জাতীয় বিকাশসমূহৰ ক্ষেত্ৰত সাময়িক জনশক্তিৰ প্ৰয়োজনীয়তাৰ তথ্য আহৰণ কৰিবৰ কাৰণে পৰিকল্পনা আয়োগে এখন ষ্টেণ্ডিং কমিটি নিয়োজিত কৰিব লাগিব।

২) ৰাজ্যিক স্তৰত ৰাষ্ট্ৰীয় ষ্টেণ্ডিং কমিটিৰ আৰ্হিত জনশক্তিৰ ৰাজ্যিক সমিতি গঠন কৰিব লাগিব।

৩) প্ৰয়োজনীয়তা জনশক্তিৰ অভাৱ দূৰীকৰণৰ কাৰণে জাতীয় স্তৰত জনশক্তি প্ৰশিক্ষণ অনুষ্ঠানসমূহ সোনকালে গঠন কৰিব লাগিব। ৰাজ্যিক স্তৰতো একে ব্যৱস্থাকে ল'ব লাগিব।

৪) জনশক্তিৰ প্ৰয়োজনীতাৰ আধাৰত মাধ্যমিক আৰু কলেজ পৰ্য্যায়ৰ নানা ক্ষেত্ৰত ব্যৱসায়িক শিক্ষাৰ বিকাশ সাধন কৰিব লাগিব।

৫) উচ্চ শিক্ষাৰ পৰিকল্পনা ৰাজ্যিক ভিত্তিত হোৱা উচিত। এই দিশত প্ৰতিখন বিশ্ববিদ্যালয়ে একোখনকৈ পাঁচ বছৰীয়া আঁচনি তৈয়াৰ কৰিব লাগিব।

৬) জিলা পৰ্যায়ৰ কৰ্তৃপক্ষই নিজ এলেকাৰ স্কুলসমূহৰ কাৰণে এনে আঁচনি প্ৰস্তুত কৰি ল'ব লাগিব।

**ঘ) শিক্ষা আৰু নিয়োগ ঃ** শিক্ষা আৰু নিয়োগ সম্পৰ্কও আয়োগৰ মতসমূহ

তলত আগবঢ়োৱা হৈছে---

১) চৰকাৰে প্ৰতিজন স্নাতককে নিয়োগ কৰাৰ ব্যৱস্থা ল'ব লাগিব। বৰ্তমানৰ চিকিৎসা বিষয়ৰ স্নাতকসকলৰ ক্ষেত্ৰত থকাৰ দৰে ইনটাৰ্ণশ্বিপ ব্যৱস্থা আন আন বিষয়ৰ স্নাতকৰ ক্ষেত্ৰত কৰা উচিত হ'ব ।

২) জনশক্তি বিকাশৰ সমস্যা সমাধা কৰোঁতে বহল দৃষ্টিভংগীৰে বিবেচনা কৰিহে আচঁনি যুগুত কৰিব লাগে। এই আঁচনিত জন্মৰ হাৰ আধালৈ নমোৱা, অধিক নিয়োগ ক্ষেত্ৰ গঠন কৰা, কিছুমান কামৰ বাবে যুৱকসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে ।

**৪.৪.৬. শৈক্ষিক সুবিধাৰ সমবিতৰণ ঃ**

কোঠাৰী আয়োগেই হৈছে ভাৰতৰ সৰ্বপ্ৰথম আয়োগ যি জাতি বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ কাৰণে শিক্ষাত সমান সা-সুবিধা ৰখাৰ ক্ষেত্ৰত অতিমাত্ৰা গুৰুত্ব আৰোপ কৰিছে। এইক্ষেত্ৰত আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে ---

ক) চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত প্ৰাথমিক স্তৰত সকলো চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু স্থানীয় কৰ্তৃপক্ষ পৰিচালিত স্কুলত মাচুল ব্যৱস্থা সমুলি নোহোৱা কৰিব লাগে।

খ) পঞ্চম পৰিকল্পনাৰ কালছোৱাত নিম্ন মাধ্যমিক স্তৰত মাচুল ব্যৱস্থা ৰদ কৰিব লাগে।

গ) বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু ৰাজ্যিক চৰকাৰে সহায় আগবঢ়াই মাধ্যমিক আৰু উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰত বুকবেংকৰ ব্যৱস্থা কৰিব লাগে।

ঘ) মেধাবী আৰু প্ৰকৃত অনাটনগ্ৰস্ত্ৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে অহা দহোটা বছৰৰ ভিতৰত উচ্চতৰ মাধ্যমিক আৰু কলেজ পৰ্যায়ত মাচুল ৰেহাইৰ ব্যৱস্থা কৰিব লাগে।

ঙ) প্ৰাথমিক পৰ্যায়ত বিনামূলীয়া পাঠ্যপুথি আৰু লিখাৰ সঁজুলি বিতৰণ কৰিব লাগে।

চ) মাধ্যমিক আৰু উচ্চশিক্ষাৰ অনুষ্ঠানৰ গ্ৰন্থগাৰসমূহত যথেষ্ঠ সংখ্যক পাঠ্যপুথি ৰখাটো প্ৰয়োজনীয় যাতে সমূদায় ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ সুবিধা গ্ৰহণ কৰিব লাগে।

এতিয়া আমি কোঠাৰী আয়োগে বৃত্তিপ্ৰদান ব্যৱস্থাত আগবঢ়োৱা পৰামৰ্শসমূহ আলোচনা কৰিম। সেইবোৰ হৈছে--

**ক) প্ৰাথমিক স্তৰ ঃ** নিম্ন প্ৰাথমিক স্তৰৰ পিছৰ স্তৰসমূহত শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে যাতে মেধাবী ছাত্ৰ-ছাত্ৰীসকলে কোনো অসুবিধা নাপায়, তাৰ কাৰণে বৃত্তিৰ ব্যৱস্থা থাকিব।

**খ) মাধ্যমিক স্তৰ ঃ** মাধ্যমিক স্তৰত ১৫ শতাংশ বৃত্তি পোৱাৰ ব্যৱস্থা থাকিব।

**গ) বিশ্ববিদ্যালয় স্তৰ ঃ** ১৯৭৬ চনৰ ভিতৰত নিম্নস্নাতক পৰ্যায়ত ১৫ শতাংশ আৰু ১৯৮৬ চনৰ ভিতৰত ২৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি পাব লাগিব। স্নাতকোত্তৰ শ্ৰেণীত ১৯৭৬ চনৰ ভিতৰত ২৫ শতাংশ আৰু ১৯৮৬ চনলৈ ৫০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি পোৱাৰ ব্যৱস্থা কৰিব লাগিব।

**ঘ) জাতীয় বৃত্তি ঃ** জাতীয় বৃত্তি আচঁনিৰ ৫০ শতাংশ ৰাজ্যিক ভিত্তিত আৰু বাকী ৫০ শতাংশ বিদ্যালয় জোঁট ভিত্তিত (School Claster basis) প্ৰদান কৰিব লাগিব।

**ঙ) বিশ্ববিদ্যালয় পৰ্যায়ৰ বৃত্তি ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগৰ জৰিয়তে জাতীয় বৃত্তিৰ সহায়ক ৰূপেৰে বিশ্ববিদ্যালয় বৃত্তি আঁচনি যুগুত কৰিব লাগিব। স্নাতকোত্তৰ আৰু গৱেষণা পৰ্যায়ত ৰাষ্ট্ৰীয় বৃত্তি ব্যৱস্থাৰ বাবে শিক্ষা মন্ত্ৰণালয়ত এখন স্থায়ী সমিতি থাকিব।

**চ) ব্যৱসায়িক শিক্ষাৰ বৃত্তি ঃ** ব্যৱসায়িক শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় প্ৰযুক্তি বিদ্যাৰ বিদ্যাৰ কেন্দ্ৰসমূহৰ (IIT) প্ৰৱেশ পৰীক্ষা ইংৰাজী আৰু আঞ্চলিক ভাষাৰ মাধ্যমেৰে হ'ব। এনে বৃত্তিৰ পৰিমাণ বিদ্যালয় স্তৰত ৩০ শতাংশ আৰু মহাবিদ্যালয় স্তৰত ৫০ শতাংশ বৃত্তি প্ৰদান কৰিব লাগিব।

**ছ) বিদেশত অধ্যয়নৰ অৰ্থে বৃত্তি ঃ** মেধাবী ছাত্ৰ-ছাত্ৰীসকলক বিদেশলৈ গৈ অধ্যয়ন কৰিবৰ বাবে প্ৰতি বছৰে এক নিৰ্দ্দিষ্ট এক নিৰ্দিষ্ট পৰিমাণৰ বৃত্তি দিয়াৰ সুবিধা ৰাষ্ট্ৰীয় কাৰ্যসূচীত থাকিব।

**জ) ঋণ বৃত্তি ঃ** পোনপটীয়া বৃত্তিৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীৰ উপকাৰত আহিব পৰাকৈ ঋণ বৃত্তিৰ কাৰ্যসূচী ৰখাটো প্ৰয়োজনীয়, তাৰ কাৰণে ৰাষ্ট্ৰীয় বৃত্তি বৰ্ড স্থাপন কৰিব লাগিব।

২. কোঠাৰী আয়োগে বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰতো শিক্ষাৰ সম সুযোগ বিতৰণ কৰি তলত আগবঢ়োৱা পৰামৰ্শসমূহ আগবঢ়াইছে---

ক) অন্ততঃ ১৫ অন্ধ, বধিৰ আৰু শাৰীৰিকভাৱে অক্ষম বা বিকলাংগ ছাত্ৰ-ছাত্ৰী আৰু ৫ শতাংশ মানসিক ৰূপে বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা ব্যৱস্থা থাকিব লাগিব।

খ) প্ৰতিখন জিলাত একোখনকৈ বিদ্যালয় বাধাগ্ৰস্ত ল'ৰা -ছোৱালীৰ বাবে স্থাপন কৰিব লাগিব।

গ) বাধাগ্ৰস্তসকলক শিক্ষা প্ৰদান কৰিবৰ বাবে বিশেষ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী হাতত ল'ব লাগিব।

৩. বিভিন্ন ৰাজ্যসমূহৰ শিক্ষাৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে শৈক্ষিক উন্নতিৰ পৰিমাণ ৰাজ্যভেদে বেলেগ বেলেগ হয়। এই বৈষম্যতা কম কৰিবৰ কাৰণে আয়োগে কিছুমান পৰামৰ্শ আগবঢ়াই আহিছে। এইবোৰ হৈছে----

ক) জিলাখনক মূল একক হিচাপে লৈ শৈক্ষিক পাৰকল্পনা আৰু বিকাশৰ ব্যৱস্থা কৰিব লাগিব।

খ) সকলো ৰাজ্যতে যাতে শৈক্ষিক উন্নতি আৰু বিকাশ সমানভাৱে হয় তাৰ বাবে ভাৰত চৰকাৰে বিশেষ নীতি গ্ৰহণ কৰিব লাগে।

গ) বিশেষ নীতিৰ আধাৰত প্ৰশাসনীয় আৰু আৰ্থিক উপায় বা ব্যৱস্থা গ্ৰহণ কৰি ৰাজ্যিক স্তৰত বিভিন্ন জিলাসমূহৰ শৈক্ষিক দিশৰ সম বিকাশত গুৰুত্ব দিব লাগে।

৪. স্ত্ৰী-শিক্ষাৰ বিকাশৰ জৰিয়তে শৈক্ষিক সম-বিতৰণৰ প্ৰতি লক্ষ্য ৰাখি

আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে-

ক) স্ত্ৰী-শিক্ষাক প্ৰাধান্য দি ল'ৰা- ছোৱালীৰ শিক্ষাৰ মাজৰ ব্যৱধান দুৰ কৰিবৰ বাবে চৰকাৰে বিশেষ আঁচনি যুগুতাব লাগিব।

খ) স্ত্ৰী- শিক্ষাৰ এক বিশেষ বিভাগ গঠন কৰি কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত স্ত্ৰী-শিক্ষা সম্বন্ধীয় দিশটো উপস্থাপন কৰি বিশেষ দৃষ্টি আকৰ্ষণ কৰিব লাগিব।

গ) ছাত্ৰীসকলে বিশেষ সক্ষমতাৰে অংশ গ্ৰহণ কৰিব পৰাকৈ শিক্ষাদান সমাজসেৱা, নাৰ্চিং আদি বিষয়সমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব।

৫. অনুসূচীত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ শিক্ষাৰ ক্ষেত্ৰতো আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে-

ক) বৰ্ত্তমানৰ অনুসূচীত জাতি- জনজাতিৰ বাবে থকা কাৰ্যসূচীসমূহক চলাই নিয়া আৰু সেইবোৰৰ বিস্তাৰৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে।

খ) মানভুক্ত নোহোৱা আৰু সূচীভুক্ত নোহোৱা জাতি- জনজাতিৰ শিক্ষাৰ্থীৰ কাৰণে শিক্ষাৰ বিশেষ সুবিধা তথা ছাত্ৰাবাস বা ছাত্ৰীনিবাসৰ ব্যৱস্থা কৰিব লাগে।

গ) প্ৰাথমিক স্তৰৰ শৈক্ষিক সা-সুবিধাৰ উন্নতিৰ কাৰণে ঘন জনবসতিপূৰ্ণ অঞ্চলসমূহত আশ্ৰম স্কুল স্থাপনৰ ব্যৱস্থা কৰিব লাগিব।

ঘ) শিক্ষাৰ প্ৰথম দুটা বছৰ জনজাতীয় ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগে আৰু পিছলৈহে আঞ্চলিক ভাষাৰ মাধ্যমেৰে শিক্ষা দিব লাগে।

ঙ) মাধ্যমিক আৰু বিশ্ববিদ্যালয় স্তৰত বিশেষ শিক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

চ) জনজাতীয় এলেকাবোৰত কাম কৰিবৰ বাবে বেচৰকাৰী সংগঠনসমূহক উৎসাহিত কৰিব লাগে। জনজাতিসকলৰ মাজৰ পৰা সক্ষম যুৱকৰ বাছনি কৰি বিশেষ প্ৰশিক্ষণ দিব লাগে আৰু জনজাতীয় এলেকাবোৰত কাম কৰিবলৈ প্ৰস্তুত কৰি তুলিব লাগে ।

**আত্মমূল্যায়ন(ঘ)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) আয়োগে শাৰীৰিকভাৱে বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা সমবিতৰণৰ ক্ষেত্ৰত আগবঢ়োৱা দুটা পৰামৰ্শ বিষয়ে লিখা।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

২) পিছপৰা শ্ৰেণী আৰু জনজাতিসকলৰ শিক্ষাৰ সম্পৰ্কত আয়োগে আগবঢ়োৱা তিনিটা পৰামৰ্শ বিষয়ে লিখা।

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

**৪.৪.৭. বিদ্যালয় শিক্ষা সম্প্ৰসাৰণৰ সমস্যা ঃ**

বিদ্যালয় স্তৰৰ শিক্ষাৰ সম্প্ৰসাৰণৰ সমস্যা সমাধানৰ বাবে কোঠাৰী আয়োগে কিছু নতুন উপায়ৰ কথা কৈছে। তোমালোকে বৰ্ত্তমান সময়লৈ লক্ষ্য কৰিলে দেখিবা যে দেশৰ বিশাল জনসংখ্যা আৰু দিনে দিনে বৃদ্ধি পাই অহা

জনসংখ্যাই শিক্ষাৰ দ্ৰুত বিস্তাৰৰ প্ৰয়োজনীয়তা অধিকতৰ কৰি তুলিছে। গতিকে সকলো স্তৰতে নতুন নতুন সমস্যাই দেখা দিবলৈ ধৰিছে। ১৯৬৪ চনতে কোঠাৰী আয়োগে এনেধৰণৰ সমস্যাবোৰৰ সমাধানৰ কাৰণে কিছুমান পৰামৰ্শ আগবঢ়াই আহিছে। সেই সমূহ হৈছে--

**১) প্ৰাক্-প্ৰাথমিক শিক্ষা ঃ**

ক) প্ৰাক্-প্ৰাথমিক শিক্ষাৰ বাবে প্ৰত্যেক ৰাজ্যিক শিক্ষা প্ৰতিষ্ঠানত ৰাজ্যিক স্তৰৰ বিকাশকেন্দ্ৰ (Development Centre) স্থাপন কৰিব লাগিব।

খ) বিশেষকৈ বেচৰকাৰী প্ৰচেষ্টাতহে এনে বিদ্যালয় স্থাপন আৰু পৰিচালনাৰ ওপৰত গুৰুত্ব দিব লাগে।

গ) প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ কাৰ্যসূচী পৰিবৰ্ত্তনশীল হ'ব লাগিব আৰু বিদ্যালয়ত নানা তৰহৰ খেলা-ধূলা আৰু শিক্ষণৰ কাৰ্যৰ দ্বাৰা ইন্দ্ৰিয় প্ৰশিক্ষণৰ ওপৰত বিশেষ মনোনিবেশ কৰিব লাগিব।

**২) প্ৰাথমিক শিক্ষা ঃ**

ক) ছাত্ৰ-ছাত্ৰীসকলক দেশৰ দায়িত্বপূৰ্ণ আৰু উপযুক্ত নাগৰিক ৰূপে গঢ়ি তুলিবলৈ ছাত্ৰ-ছাত্ৰীৰ কাৰণে পাঁচ বছৰীয়া এক সুস্থ আৰু কাৰ্যকৰী প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

খ) প্ৰাথমিক স্তৰত অপচয় আৰু স্থবিৰতা ৰোধ কৰিবৰ কাৰণে বিশেষ উপায় ল'ব লাগিব।

গ) সপ্তম শ্ৰেণী সম্পূৰ্ণ নকৰালৈকে বিদ্যালয়ত ৰখাৰ ব্যৱস্থা কৰিব লাগে।

ঘ) প্ৰতি ১ মাইলৰ মূৰে মূৰে একোখনকৈ নিম্ন প্ৰাথমিক বিদ্যালয় আৰু প্ৰতি ৩ মাইলৰ মূৰে মূৰে একোখনকৈ উচ্চ প্ৰাথমিক বিদ্যালয় স্থাপন কৰিব লাগিব।

ঙ) প্ৰাথমিক শিক্ষাৰ নামভৰ্তিৰ বয়স ৬ বছৰ হ'ব লাগিব আৰু পঞ্চম পৰিকল্পনাৰ শেষত নিম্ন প্ৰাথমিকৰ পৰা উচ্চ পৰ্যায়লৈ উত্তীৰ্ণ হাৰ ১০০ শতাংশ হ'ব লাগিব।

চ) অপচয় আৰু স্থবিৰতা ৰোধ পৰিবৰ বাবে অংশকালীন শিক্ষাৰ ব্যৱস্থা

করাৰ লগতে জাতীয় ভিত্তিক বিদ্যালয় আঁচনি আৰু অভিভাৱকৰ শিক্ষাৰ কাৰণে বিশেষ কাৰ্যসূচী হাতত ল'ব লাগে।

ছ) ১১--১৪ বছৰ বয়সৰ স্কুললৈ নহা ল'ৰা-ছোৱালীৰ কাৰণে এবছৰীয়া বিশেষ সাক্ষৰতা শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগে।

জ) নিম্ন প্ৰাথমিক শিক্ষা শেষ কৰি উচ্চ পৰ্যায়ৰ শিক্ষা লাভৰ পৰা বঞ্চিত হোৱা ল'ৰা-ছোৱালীৰ বাবে অংশকালীন শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

**৩) মাধ্যমিক শিক্ষা ঃ**

ক) সকলো পৰ্যায়তে নতুন নতুন স্কুল স্থাপনৰ বাবে এক ৰাষ্ট্ৰীয় নীতি প্ৰস্তুত কৰিব লাগিব।

খ) সাময়িক সা-সুবিধাৰ ভিত্তিত যথোপযুক্ত শৈক্ষিক মানদণ্ড ৰক্ষা কৰিব পৰা দিশৰ ওপৰত ভিত্তি কৰিহে শিক্ষাৰ্থীক নামভৰ্ত্তি কৰোৱাৰ নীতি স্থিৰ কৰিব লাগিব।

গ) মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ নামভৰ্ত্তিৰ বাবে নিম্ন মাধ্যমিক পৰ্যায়ত নিৰ্বাচনৰ জৰিয়তে আৰু উচ্চতৰ পৰ্যায়ত বাহ্যিক পৰীক্ষাৰ ফলাফল আৰু বিদ্যালয় বৃত্তান্তৰ ভিত্তিত নিৰ্বাচনৰ ব্যৱস্থা কৰিব লাগিব।

ঘ) মাধ্যমিক পৰ্যায়ৰ শিক্ষাক ব্যৱসায়িকৰণৰ কাৰণে বৃহৎ আকাৰৰ কাৰ্যসূচী হাতত ল'ব লাগিব।

ঙ) কৃষিক ব্যৱসায় হিচাপে ল'ব খোজা ছাত্ৰসকলক কৃষিবিষয়ত আৰু ছাত্ৰীসকলৰ কাৰণে গাৰ্হস্থ্যবিজ্ঞান বিষয়ৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

**৪.৪.৮. বিদ্যালয়ৰ পাঠ্যক্ৰম ঃ**

বিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কত কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ তলত উল্লেখ কৰা হৈছে-

**১) পাঠ্যক্ৰমৰ উন্নতি ঃ**

ক) পাঠ্যক্ৰমৰ উন্নতি সাধনৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগ, প্ৰশিক্ষণ,

মহাবিদ্যালয়, ৰাজ্যিক শিক্ষা বিভাগ, শিক্ষা বৰ্ড আদিৰ সহযোগত পাঠ্যক্ৰমৰ বিকাশ, গৱেষণা আদিৰ জৰিয়তে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

খ) নিৰ্ধাৰিত সময়ৰ মূৰে মূৰে গৱেষণাৰ ভিত্তিত পাঠ্যক্ৰমৰ সাল-সলনি তথা পৰিৱৰ্ত্তন কৰি থাকিব লাগে।

গ) পাঠ্যপুথি প্ৰণয়ন আৰু বিতৰণ সঁজুলিৰ প্ৰস্তুত কৰিব লাগিব আৰু শিক্ষকসকলক কৰ্মকালীন শিক্ষাৰ দ্বাৰা পাঠ্যক্ৰমৰ বিশেষ দিশসমূহৰ বিষয়ে অৱগত কৰিব লাগিব।

ঘ) নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰা আৰু তাৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ ক্ষেত্ৰত বিদ্যালয়সমূহকো সুযোগ দিব লাগে।

ঙ) ৰাজ্যিক শিক্ষা বৰ্ডে সাধাৰণ আৰু অগ্ৰৱৰ্তী পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগিব। অৱশ্যে বিদ্যালয়ত থকা সা-সুবিধা আৰু শিক্ষকৰ কথা বিবেচনা কৰিহে বিদ্যালয়ত এনে পাঠ্যক্ৰমৰ ব্যৱহাৰ কৰিব লাগিব।

**২) পাঠ্যক্ৰমৰ সংগঠন ঃ**

ক) সাধাৰণ পাঠ্যক্ৰমৰ স্কুলসমূহত প্ৰথম দহোটা বছৰৰ কাৰণেহে সাধাৰণ পাঠ্যক্ৰম চলিব আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত পাঠ্যক্ৰম ভিন্নমুখী হ'ব।

খ) নিম্ন প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰম সৰল হ'ব লাগিব আৰু লগতে ভাষা, সাধাৰণ গণিত আৰু পৰিবেশ অধ্যয়ন সম্বন্ধীয় বিষয়ৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

গ) উচ্চ প্ৰাথমিক স্তৰক পাঠ্যক্ৰমৰ পৰিসৰ বহল হ'ব, শিক্ষণকাৰ্য পদ্ধতিযুক্ত হ'ব আৰু কৃতকাৰ্যতাৰ বিশেষ মান ধাৰ্য হ'ব লাগিব।

ঘ) নিম্ন মাধ্যমিক স্তৰত পাঠ্যক্ৰম ব্যাপক আৰু গভীৰ হ'ব লাগিব। উচ্চতৰ মাধ্যমিক স্তৰত পাঠ্যক্ৰমৰ বিষয়সূচীক এনেদৰে ভাগ কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে তিনিটা বিষয়ৰ গভীৰ অধ্যয়নৰ সুবিধা পায় আৰু বিষয়সমূহ নিজ ইচ্ছাৰে নিৰ্বাচন কৰিব পাৰে।

**৩ ) ভাষা অধ্যয়ন** (Language Study)

ক) মাতৃভাষাৰ পিছতে হিন্দী ভাষা চৰকাৰী ভাষা হিচাপে গুৰুত্ব লাভ কৰিব লাগিব আৰু কাম-কাজ চলাই নিবৰ বাবে ইংৰাজী ভাষাৰ জ্ঞান দিব লাগিব।

খ) অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে তিনিটা ভাষা অধ্যয়ন কৰিব লাগিব। কোনো স্তৰতে একেলগে চাৰিটাকৈ ভাষা বাধ্যতামূলক ভাবে ল'ব নালাগিব ।

গ) শিক্ষাৰ প্ৰতিটো স্তৰতে ভাষা অধ্যয়ন আৰু পাঠ্যক্ৰমৰ অন্যান্য বিষয়বোৰ নিম্নলিখিত ধৰণেৰে সংগঠন কৰিব লাগিব।

**১) নিম্ন প্ৰাথমিক স্তৰ (প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ)**

(১) এটা ভাষা বা আঞ্চলিক ভাষা
(২) গণিত
(৩) পৰিবেশ অধ্যয়ন
(৪) স্বাস্থ্য শিক্ষা
(৫) সৃষ্টিশীল কৰ্ম
(৬) কৰ্ম অভিজ্ঞতা আৰু সামাজিক সেৱা আদি অন্তৰ্ভুক্ত হ'ব লাগিব।

**২) উচ্চ প্ৰাথমিক স্তৰ (পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ)**

(১) দুটা ভাষা ঃ মাতৃভাষা বা আঞ্চলিক ভাষা আৰু চৰকাৰী ভাষা হিচাপে হিন্দী (ঐছিক হিচাপে ইংৰাজী ভাষাক তৃতীয় ভাষা হিচাপে ল'ব পাৰে।)
(২) গণিত
(৩) বিজ্ঞান
(৪) সমাজ অধ্যয়ন (ভুগোল, বুৰঞ্জী, পৌৰবিজ্ঞান আদি)
(৫) কলা
(৬) শাৰীৰিক শিক্ষা
(৭) নৈতিক আৰু আধ্যাত্মিক শিক্ষা
(৮) কৰ্ম অভিজ্ঞতা আৰু সমাজ সেৱা।

**৩) নিম্ন মাধ্যমিক স্তৰ (অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ )**

ক) তিনিটা ভাষা -- মাতৃভাষা বা আঞ্চলিক ভাষা, ৰাষ্ট্ৰীয় বা কাৰ্যালয় সহযোগী ভাষা আৰু এটা বিদেশী ভাষা আৰু বা আধুনিক ভাৰতীয় ভাষা।

খ) কৰ্ম অভিজ্ঞতা আৰু সমাজসেৱা, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা আদি পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিব লাগে।

**৪) উচ্চতৰ মাধ্যমিক স্তৰ ( একাদশৰ পৰা দ্বাদশ শ্ৰেণীলৈ)**

ক) দুটা ভাষা বাধ্যতামূলক । যিকোনো এটা আধুনিক ভাৰতীয় ভাষা আৰু এটা বৈদেশিক বা পৌৰাণিক ভাষা।

খ) তলৰ যিকোনো তিনিটা বিষয় পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিব লাগে। যেনে-- এটা অতিৰিক্ত ভাষা, ভূগোল, বুৰঞ্জী, তৰ্ক বিজ্ঞান, সমাজ বিজ্ঞান, মনোবিজ্ঞান, তলা, পদাৰ্থ বিজ্ঞান, গণিত, ৰাসায়ন বিজ্ঞান, ভূতত্ত্ব, অভিজ্ঞতা আৰু সমাজ বিজ্ঞান, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা আদি।

গ) অহিন্দী ভাষী অঞ্চলবোৰত আধুনিক ভাৰতীয় ভাষা শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

ঘ) উচ্চ শিক্ষাত বাধ্যতামূলক ভাষা শিক্ষা দিব নালাগিব।

ঙ) পঞ্চম শ্ৰেণীৰ আগতে ইংৰাজী ভাষা শিকাব নালাগিব। মাতৃভাষাৰ শিক্ষাহে সনলভাৱে আয়ত্ত কৰোৱাৰ ব্যৱস্থা কৰিব লাগিব।

চ) সংস্কৃত আৰু আৰবী ভাষাৰ শিক্ষা ঐচ্ছিক হ'ব লাগিব। এনে ভাষা অষ্টম শ্ৰেণীৰ পৰাহে দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

ছ) তিনিবছৰীয়া বা ছবছৰীয়া কালৰ বাবে ৰাষ্ট্ৰীয় ভাষা বা সহযোগী ৰাষ্ট্ৰীয় ভাষা অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে।

**৫) বিজ্ঞান আৰু গণিত (Science and mathematics)**

বিজ্ঞান আৰু গণিত শিক্ষা সম্পৰ্কেও আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে ।

ক) সাধাৰণ শিক্ষা পাঠ্যক্ৰমৰ দহ বছৰৰ শিক্ষাকালত বিজ্ঞান আৰু গণিত শিক্ষা বাধ্যতামূলক হ'ব লাগিব।

খ) নিম্ন প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিজ্ঞান শিক্ষা পৰিবেশ সমন্ধীয় হ'ব লাগে।

গ) ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা জ্ঞান আৰু চিন্তাশক্তিৰ পৰিমান কৰিহে বিজ্ঞান বিষয়ৰ পাঠ্যক্ৰম যুগুত কৰিব লাগে।

ঘ) প্ৰাথমিক স্কুলত বিজ্ঞানৰ শিক্ষাদান আছুতীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ঙ) নিম্ন মাধ্যমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ মানসিক অনুশাসত সহায়কাৰী হোৱাকৈ বিজ্ঞান বিষয়টো প্ৰস্তুত কৰিব লাগে।

চ) বিজ্ঞান শিক্ষাক গ্ৰামীণ অঞ্চলত কৃষিৰ সৈতে আৰু নগৰ অঞ্চলত প্ৰযুক্তিবিদ্যাৰ সৈতে সম্বন্ধ ৰাখি প্ৰস্তুত কৰিব লাগে।

ছ) গণিত বিষয়ক আধুনিক ৰূপেৰে গঠন কৰি ইয়াক আইন, গাণিতিক সূত্ৰ, যুক্তিযুক্ত চিন্তনৰ ভিত্তিত সময় সাপেক্ষ কৰি তোলাত গুৰুত্ব দিব লাগে।

**৬) কৰ্ম অভিজ্ঞতা (Work Exprience)**

তোমালোকে আগৰ খণ্ডত মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ শিল্পবিদ্যা (craft) সম্বন্ধে কিছু কথা জানি আহিছা। সেই শিল্পবিদ্যাৰ ধাৰণাৰ লগত আয়োগৰ কৰ্ম অভিজ্ঞতাৰ কিছু মিল থকাৰ পৰিলক্ষিত হয়। শিক্ষাৰ জাতীয় উদ্দেশ্য নিৰ্দ্ধাৰণ কৰিবলৈ যাওঁতে শিক্ষাক জীৱন আৰু উৎপাদনৰ লগত জড়িত কৰাৰ কথাত গুৰুত্ব দি আয়োগে কৰ্ম অভিজ্ঞতাৰ সম্পৰ্কে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে--

ক) নিম্ন প্ৰাথমিক স্তৰত কৰ্ম অভিজ্ঞতা সৰু-সুৰা হাতৰ কামৰ প্ৰশিক্ষণৰ যোগেদি প্ৰদান কৰিব লাগে।

খ) উচ্চ প্ৰাথমিক স্তৰত কোনো শিল্পৰ ভিত্তিত কৰ্ম অভিজ্ঞতাৰ আঁচনি প্ৰস্তুত কৰিব লাগে।

গ) নিম্ন মাধ্যমিক স্তৰত কাৰাখানামূলক প্ৰশিক্ষণ আৰু উচ্চ মাধ্যমিক স্তৰত বাণিজ্য, পাম আৰু উদ্যোগৰ লগত জড়িত কৰি কৰ্ম অভিজ্ঞতাৰ কাৰ্যসূচী প্ৰস্তুত কৰিব লাগে।

ঘ) কৰ্ম অভিজ্ঞতা আঁচনিৰ সফল ৰূপায়ণৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ ব্যৱস্থা কৰা, স্থানীয় সম্পদ আহৰণ কৰা আৰু কৰ্ম অভিজ্ঞতা সম্বন্ধীয় সাহিত্য যুগুত কৰাত গুৰুত্ব দিব লাগে।

**৭) সমাজ সেৱা আৰু শাৰীৰিক শিক্ষা (Social Service and physical Education)**

সমাজসেৱা আৰু শাৰীৰিক শিক্ষা সম্পৰ্কত আয়োগৰ পৰামৰ্শবোৰ হৈছে--

ক) শাৰীৰিক সুস্থতা , মানসিক সৰ্তকতা আদিৰ বিকাশৰ অৰ্থে শিক্ষাৰ প্ৰতিটো স্তৰতে শাৰীৰিক শিক্ষাৰ ব্যৱস্থা কৰাটো প্ৰয়োজনীয়।

খ) বয়স অনুসৰি শিক্ষাৰ সকলো স্তৰতে শিক্ষাৰ্থীক সমাজসেৱামূলক কাৰ্যৰ লগত জড়িত কৰিব লাগে।

গ) প্ৰত্যেক জিলাত সময়ে সময়ে সমাজসেৱা আৰু শ্ৰমদানমূলক শিবিৰ আদিৰ আয়োজন কৰিব লাগে।

**৮) নৈতিক আৰু আধ্যাত্মিক শিক্ষা (Education of Moral and Spritual Value)**

নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ সম্পৰ্কে আয়োগৰ মতামত হৈছে---

ক) নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ বিষয়টো মূল পাঠ্যক্ৰমৰ পৰা সম্পূৰ্ণকৈ বিছিন্ন কৰি গঠন কৰিব নালাগিব।

খ) সপ্তাহত এবাৰ বা দুবাৰৰ বাবে বিদ্যালয়ত এনে শিক্ষা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

গ) শিক্ষাৰ্থীসকলক প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিখ্যাত ধৰ্মসমূহৰ জ্ঞানৰ

বিতৰণৰ মাজেৰে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ শিক্ষা প্ৰদান কৰিব লাগে।

**৯) সৃষ্টিশীল প্ৰতিভাৰ বিকাশ (Development of Creativity)**

সৃষ্টিশীল প্ৰতিভাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কত আয়োগৰ পৰামৰ্শসমূহ হ'ল--

ক) সুকুমাৰ কলা বিষয়ক শিক্ষা বিস্তাৰৰ ব্যৱস্থা গ্ৰহণ কৰি শিক্ষাৰ্থীৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ সুযোগ দিব লাগিব। ইয়াৰ বাবে ভাৰত চৰকাৰে এখন বিশেষজ্ঞ কমিটি গঠন কৰি সুকুমাৰ কলা সম্বন্ধীয় বিষয়ৰ বিষয়ে অনুসন্ধান কৰিবলৈ চলোৱাৰ ব্যৱস্থা কৰিব লাগিব।

খ) সমগ্ৰ দেশৰ বিভিন্ন অঞ্চলত স্থানীয় লোকসকলৰ সহায়ত কলা ভৱন খোলাৰ ব্যৱস্থা কৰিব লাগিব।

গ) সুকুমাৰ কলা বিষয়ক গৱেষণাৰ বাবে কেইখনমান নিৰ্বাচিত বিশ্ববিদ্যালয়ত সুকুমাৰ কলা বিভাগ গঠন কৰিব লাগিব।

ঘ) বিভিন্ন সহ-পাঠ্যক্ৰমিক ক্যৰ্যাৱলীৰ আয়োজন কৰি শিক্ষাৰ্থীৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশৰ সুবিধা দিব লাগে।

**আত্মমূল্যায়ন (৬)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) বিদ্যালয়ৰ পাঠ্যক্ৰমৰ উন্নতিৰ কাৰণে আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ উল্লেখ কৰা।

......................................................................................

......................................................................................

......................................................................................

......................................................................................

..................................................................................
..................................................................................
..................................................................................
..................................................................................
..................................................................................
..................................................................................

**৪.৫.৯. শিক্ষাদান পদ্ধতি , নির্দেশনা আৰু মূল্যায়ন (Teaching Method, Guidence and Evaluation)**

১) আয়োগে শিক্ষাদান পদ্ধতি আৰু পাঠ্যপুথিসমূহত দেখা পোৱা আসোঁৱাসমূহ আঁতৰাবৰ কাৰণে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছিল।

ক) স্কুলৰ সাধাৰণ পৰিবেশৰ সংশোধন কৰাৰ অৰ্থে স্কুল প্ৰশাসন, কৰ্তৃপক্ষই শিক্ষকসকলক সহায় কৰা উচিত।

খ) শিক্ষকসকলক উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি শৈক্ষিক প্ৰশাসনে নতুন নতুন শিক্ষাদান পদ্ধতি ব্যৱহাৰৰ বাবে শিক্ষকসকলক উৎসাহিত কৰিব লাগে।

গ) শিক্ষাৰ মান উন্নত কৰিবৰ বাবে কম খৰচতে উন্নত মানৰ আৰু উপযুক্ত পৰিমাণৰ শিক্ষাদান সঁজুলি আৰু পাঠ্যপুথিৰ যোগান ধৰাত গুৰুত্ব দিব লাগে।

ঘ) জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে উপযুক্ত ব্যক্তিৰ দ্বাৰা ৰাজ্যিক পৰ্যায়ত পাঠ্যপুথি প্ৰণয়নৰ আঁচনি প্ৰস্তুত কৰিব লাগে।

ঙ) পাঠ্যপুথি প্ৰণয়ন আৰু শিক্ষাদান সঁজুলিৰ উৎপাদনৰ বাবে শিক্ষা বিভাগৰ সৈতে সম্বন্ধ ৰাখি ৰাজ্যিক স্তৰত এক স্ব-শাসিত অবিকৰণ (Autonomous Agency) গঠন কৰিব লাগিব।

**২) শ্রেণীৰ আকাৰ আৰু বিদ্যালয়ৰ ঘৰ (Class size and school building) ঃ** বিদ্যালয়ৰ শ্ৰেণী আকাৰ আৰু বিদ্যালয়ৰ ঘৰৰ সম্বন্ধে আয়োগে মতামত দিয়ে যে--

ক) নিম্ন প্ৰাথমিক স্তৰৰ ৫০ জন, উচ্চ প্ৰাথমিক আৰু নিম্ন মাধ্যমিক স্তৰত ৪৫ জন আৰু উচ্চতৰ মাধ্যমিক স্তৰত ৪০ জনতকৈ অধিক হ'ব নালাগে।

খ) শিক্ষাদান সমস্যা সমাধান আৰু শিক্ষাৰ্থীৰ সুবিধাৰ বাবে নতুন শ্ৰেণীকোঠা সাজিব লাগিব।

গ) বিদ্যালয়ৰ ঘৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক বাজেটত অধিক অৰ্থ ধাৰ্য কৰিব লাগিব।

ঘ) বিদ্যালয়ৰ ঘৰ নিৰ্মাণৰ বাবে স্থানীয় লোকৰ সহযোগ আৰু দান বৰঙণি গ্ৰহণ কৰিব লাগিব।

ঙ) গ্ৰাম্যাঞ্চলৰ বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে স্থানীয় লোকৰ সহযোগ আৰু দান বৰঙনি গ্ৰহণ কৰিব লাগিব।

চ) প্ৰত্যেক ৰাজ্যতে নিৰ্মাণ আঁচনি সম্পৰ্কত পৰ্যবেক্ষণ আৰু নিৰ্দেশনা দিবৰ বাবে শিক্ষা বিভাগৰ লগত সম্বন্ধ ৰাখি চৰকাৰী কৰ্ম বিভাগৰ অধীনত এখন শৈক্ষিক গৃহ উন্নয়ন দল গঠন কৰিব লাগে।

**৩) নিৰ্দেশনা আৰু পৰামৰ্শ দান (Guidance and Counselling)**

নিৰ্দেশনা আৰু পৰামৰ্শ দানক শিক্ষাৰ এক অপৰিহাৰ্য অংগ হিচাপে বিবেচনা কৰিব পাৰি। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীৰ আগ্ৰহ আৰু ক্ষমতাৰ উন্নতি সাধন কৰিব পাৰি। শিক্ষকসকলে শিক্ষাৰ্থীসকলক বৃত্তিমূলক আৰু শৈক্ষিক নিৰ্দেশনা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। এই ক্ষেত্ৰত আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে--

ক) নিৰ্দেশনা আৰু পৰামৰ্শদানৰ বাবে প্ৰাথমিক পৰ্যায়ৰ শিক্ষকসকলক বিশেষ চৰকাৰীকালীন প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

খ) মাধ্যমিক পৰ্যায়ত প্ৰথমে বিশবছৰীয়া আঁচনিৰ জৰিয়তে নিৰ্দেশনা

দিয়াৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ বাবে অন্ততঃ প্ৰতি দহখন মাধ্যমিক বিদ্যালয়ৰ কাৰণে একোজনকৈ পৰামৰ্শ বিশেষজ্ঞ নিয়োগ কৰিব লাগিব।

গ) মাধ্যমিক স্কুলৰ সকলো শিক্ষককে নিৰ্দেশনা বিষয়ক ধ্যান ধাৰণাৰ বিষয়ে অৱগত কৰাব লাগিব। এই উদ্দেশ্যৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা থাকিব লাগিব।

ঘ) জাতীয় আৰু ৰাজ্যিক স্তৰত ভাৰতীয় পৰিৱেশৰ লগত সামঞ্জস্য ৰাখি ৰাজ্যিক নিৰ্দেশনা প্ৰদৰ্শন সংস্থা স্থাপন কৰিব লাগিব আৰু এনে বিষয়ৰ গৱেষণা আৰু পুথি প্ৰস্তুতি আদিৰ অৰ্থে বিশেষ আঁচনি হাতত ল'ব লাগিব।

**৪) মেধাসম্পন্ন আৰু অনগ্ৰসৰ শিক্ষাৰ্থীৰ উন্নয়ন (Development of Telanted and Backward Children)**

মেধাসম্পন্ন আৰু অনগ্ৰসৰ শিক্ষাৰ্থীসকলক বাছি উলিয়াই তেওঁলোকৰ বাবে সংবৰ্দ্ধক আৰু উন্নত মানৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগিব।

ক) প্ৰতিভাসম্পন্ন আৰু অনগ্ৰসৰ শিক্ষাৰ্থীসকলক বাছি উলিয়াই তেওঁলোকৰ বাবে সংবৰ্দ্ধক আৰু উন্নত মানৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগিব।

খ) মেধাসম্পন্ন শিক্ষাৰ্থীৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকক নিয়োগ কৰাৰ লগতে তেওঁলোকৰ মুক্ত প্ৰকাশ আৰু সৃজনাত্মক কামৰ বাবে সকলোধৰণৰ সুবিধা প্ৰদান কৰিব লাগিব।

গ) মেধাসম্পন্ন শিক্ষাৰ্থীসকলৰ বিকাশৰ বাবে বিশেষ দৃষ্টি ৰখাৰ লগতে বিশেষ শৈক্ষিক সা-সুবিধাৰ ব্যৱস্থা কৰিব লাগিব।

ঘ) অনগ্ৰসৰ শিক্ষাৰ্থীৰ দুৰ্বলতাৰ কাৰণবোৰ নিৰ্ধাৰণ কৰি তেওঁলোকৰ বাবে বিশেষ সা-সুবিধাৰ আঁচনি যুগুত কৰি অগ্ৰসৰ হ'ব লাগে।

**৫) মূল্যায়ন (Evaluation)**

মূল্যায়ন সমগ্ৰ শিক্ষা ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংশ হিচাপে বিবেচনা কৰি আয়োগে মন্তব্য কৰিছে যে মূল্যায়নৰ লগত যিহেতু শৈক্ষিক উদ্দেশ্য,

পদ্ধতি আৰু সমগ্ৰ শিক্ষা ব্যৱস্থাৰ এক নিবিড় সম্বন্ধ আছে, সেয়ে মূল্যায়নৰ ক্ষেত্ৰত এক নৱ দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। এইক্ষেত্ৰত আয়োগে আগবঢ়োৱা পৰামৰ্শবোৰ হৈছে--

ক) ৰচনা মূলক পৰীক্ষাবোৰ পূৰ্বতকৈ অধিক বৈধ আৰু নিৰ্ভৰযোগ্য কৰি গঠন কৰিব লাগিব।

খ) প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈকে এটা একক হিচাপে লৈ মূল্যায়নৰ ব্যৱস্থা কৰিব লাগে যাতে নিজস্ব গতিবেগ অনুসৰি আগবঢ়াৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ সুবিধা হয়।

গ) উচ্চ প্ৰাথমিক স্তৰত লিখিত পৰীক্ষাৰ বাহিৰেও মৌখিক পৰীক্ষা আৰু আভ্যন্তৰীণ মূল্যাংকনৰ ব্যৱস্থা কৰিব লাগে।

ঘ) প্ৰাথমিক শিক্ষাৰ শেষত জিলা শিক্ষা কৰ্তৃপক্ষই নিজ নিজ এলেকাত ব্যৱস্থা কৰি বিদ্যালয়ৰ মাজত তুলনামূলক অগ্ৰগতি সম্বন্ধীয় তথ্য আহৰণ কৰিব লাগিব।

ঙ) প্ৰাথমিক পৰীক্ষাৰ শেষত একোখন মানপত্ৰ প্ৰদান কৰাৰ লগতে মেধাসম্পন্ন শিক্ষাৰ্থীসকলক বৃত্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব।

চ) ৰাজ্যিক স্কুল শিক্ষাবৰ্ডে বহিঃ পৰীক্ষাৰ ফলাফলৰ আধাৰত বিভিন্ন বিষয়ত শিক্ষাৰ্থীৰ পাৰদৰ্শিতা নিৰ্ণয় কৰি মানপত্ৰ প্ৰদানৰ লগতে বিফল শিক্ষাৰ্থীক পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ দিব লাগে।

ছ) বিদ্যালয় কৰ্তৃপক্ষই স্কুলবৰ্ডে প্ৰদান কৰা মানপত্ৰৰ লগত বিদ্যালয়ৰ আভ্যন্তৰীণ মূল্যায়ন আৰু সঞ্চয়ী তালিকাৰ ফলাফল গাঁথি দিব লাগিব।

### ৪.৪.১০ বিদ্যালয়ৰ শিক্ষা - প্ৰশাসন আৰু পৰ্যবেক্ষণ (School Education Administration and Supervision)

কোঠাৰী আয়োগে বিদ্যালয়ৰ শিক্ষাৰ প্ৰশাসন আৰু পৰ্যবেক্ষণৰ সৰ্ম্পকত আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে-

**ক) সাধাৰণ স্কুল (The Common School)**

১) সকলো চৰকাৰী স্কুল, সাহায্যপ্ৰাপ্ত স্কুল আৰু স্থানীয় কৰ্তৃপক্ষৰ দ্বাৰা

পৰিচালিত স্কুলসমূহ এই ব্যৱস্থাৰ অন্তৰ্ভূক্ত হ'ব। স্বতন্ত্ৰ আৰু স্বীকৃতি নোপোৱা স্কুলসমূহ এনে ব্যৱস্থাৰ পৰা বাদ পৰিব।

২) প্ৰাথমিক আৰু নিম্ন মাধ্যমিক পৰ্যায়ৰ মাচুল লোৱাৰ ব্যৱস্থা উঠাই দিব লাগিব।

৩) স্কুলসমূহৰ মাজৰ পাৰ্থক্য হ্ৰাস কৰাৰ বাবে বিশেষভাৱে আৱশ্যকীয় কিছুমান চৰ্ত নিৰ্ধাৰণ কৰিব লাগিব আৰু সকলো স্কুলে এনেবোৰ চৰ্ত পূৰণ কৰিব লাগিব।

**খ) চুবুৰীয়া বা প্ৰতিবেশী স্কুল (Neighbourhood School)**

১) নিম্ন প্ৰাথমিক পৰ্যায়ত বিশেষকৈ চুবুৰীয়া স্কুল আঁচনি আৰম্ভ কৰিব লাগিব। এই আঁচনিৰ দ্বাৰা সা-সুবিধা থকা আৰু নথকা সকলো ল'ৰা-ছোৱালীৰ মাজৰ শিক্ষাৰ বৈষ্যমতা দূৰ কৰিব লাগিব।

২) এই আঁচনি অনুসৰি সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ এলেকাৰ বিদ্যালয়ত শিক্ষা লাভ কৰিব।

৩) আঁচনিৰ প্ৰথম দহটা বছৰৰ ভিতৰতে সকলো প্ৰাথমিক স্কুলৰ উন্নতি সাধন কৰা হৈ উঠিব লাগিব।

৪) উচ্চ পৰ্যায়ৰ বৃত্তি প্ৰদান কৰোতে অন্ততঃ শতকৰা ৯০ ভাগ বৃত্তি চুবুৰীয়া স্কুলৰ শিক্ষাপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ কাৰণে আছুতীয়াকৈ ৰাখিব লাগিব।

**গ) স্কুল উন্নয়নৰ ৰাষ্ট্ৰব্যাপ্ত আঁচনি (Nationwide Programme of School improvement)**

আয়োগৰ মতে সকলোবোৰ স্কুল উন্নয়নৰ বাবে এখন ৰাষ্ট্ৰব্যাপ্ৰ আঁচনি ল'ব লাগে। ইয়াৰ বাবে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে--

১) প্ৰতিখন বিদ্যালয়কে একোটা গোট হিচাপে ধৰি স্কুলৰ নিজা মানৱ সম্পদ আৰু ভৌতিক সম্পদৰ উন্নয়ন আৰু কাৰ্য ব্যৱস্থাৰ বাবে আঁচনি যুগুত কৰিব লাগিব।

২) স্কুলৰ মূল্যায়ন ব্যৱস্থাৰ বাবে প্ৰত্যেক ৰাজ্যই কিছুমান স্পষ্ট নীতি নিৰ্ধাৰণ কৰিব লাগিব।

৩) স্কুলীয়া শিক্ষাৰ উন্নয়নৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত NCERT আৰু ৰাজ্যিক পৰ্যায়ত SJE (State Institute of Education) গঢ়ি তুলি ইয়াৰ দ্বাৰা স্কুলীয়া শিক্ষাৰ বিভিন্ন দিশ সম্পৰ্কে গৱেষণাৰ ব্যৱস্থা কৰিব লাগে।

**ঘ) বিদ্যালয় চক্ৰ বা যৌগিক বিদ্যালয় (The School Complex)**

কোঠাৰী আয়োগে বিদ্যালয় পৰ্যবেক্ষণৰ যোগেদি শিক্ষাৰ মান উন্নত কৰিবলৈ যিবোৰ নতুন পদ্ধতি অৱলম্বন কৰাৰ পৰামৰ্শ দিছিল সেইবোৰৰ ভিতৰত বিদ্যালয় চক্ৰ উল্লেখযোগ্য। এই সম্পৰ্কত আয়োগে আগবঢ়োৱা পৰামৰ্শবোৰ তলত দিয়া ধৰণৰ--

১) বিদ্যালয় চক্ৰত ৫ ৰপৰা ১০ মাইল ব্যাসাৰ্দ্ধত থকা এখন উচ্চ মাধ্যমিক স্কুল, তিনি বা চাৰিখন উচ্চ প্ৰাথমিক স্কুল আৰু দহৰ পৰা বিশখন প্ৰাথমিক স্কুল থাকিব আৰু সকলোবোৰ স্কুলৰ মাজত এক ঐক্যবদ্ধ সম্বন্ধ থাকিব।

২) বিদ্যালয় চক্ৰই ইয়াৰ অন্তৰ্গত প্ৰতিখন স্কুলৰ হৈ নিৰ্ধাৰিত কাৰ্যসমূহ সম্পাদন কৰিব লাগিব।

৩) শিক্ষা বিতৰণ আৰু মূল্যাংকনৰ উন্নত উপায় উদ্ভাৱনৰ বাবে বিদ্যালয় চক্ৰক যথোপযুক্ত ক্ষমতা আৰু দায়িত্ব দিব লাগে ।

৪) বিদ্যালয়ৰ চক্ৰৰ অন্তৰ্গত স্কুলসমূহে শৈক্ষিক সা-সুবিধাসমূহ মিলি-জুলি বহন কৰিব । তদুপৰি শিক্ষকৰ কৰ্মকালীন প্ৰশিক্ষণ আৰু শৈক্ষিক কাৰ্যসূচী প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো বিদ্যালয় চক্ৰই বিশেষ ব্যৱস্থা হাতত ল'ব।

৫) সকলো বিদ্যালয় চক্ৰই সমূহীয়া আৰু গাইগুটীয়া শৈক্ষিক নিৰীক্ষণ কৰিব পাৰিব। বিদ্যালয় চক্ৰৰ পৰা পাঠ্যপুথি , শিক্ষক নিৰ্দেশনা আৰু শৈক্ষিক সঁজুলিৰ ক্ষেত্ৰত পাৰস্পৰিক সুবিধা ল'ব পাৰিব।

**ঙ) প্ৰশাসনীয় গোট (Administrative Agencies)**

আয়োগে আগবঢ়োৱা পৰামৰ্শবোৰৰ মতে--

১) শিক্ষা প্ৰশাসন শিক্ষা পৰ্যবেক্ষণৰ পৰা পৃথক হ'ব লাগে। জিলা স্কুল বৰ্ডে প্ৰশাসনৰ দায়িত্ব আৰু জিলা শিক্ষা বিষয়াই (District Education Officer) পৰ্যবেক্ষণৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব। কিন্তু দুয়োটা গোটেই সহযোগিতাৰে কাম কৰিব লাগিব।

২) প্ৰত্যেক ৰাজ্যত ৰাজ্যিক বিদ্যালয় শিক্ষা বৰ্ড (State Board of School Education) গঠন কৰিব লাগে আৰু বৰ্তমানৰ মাধ্যমিক শিক্ষা বৰ্ডৰ কাম এই বৰ্ডেই কৰা উচিত।

৩) কেন্দ্ৰীয় চৰকাৰে উপদেশ দিবৰ বাবে শিক্ষামন্ত্ৰী দপ্তৰৰ অধীনত এখন ৰাষ্ট্ৰীয় বিদ্যালয় শিক্ষা বৰ্ড (national board of school education) গঠন কৰিব লাগে।

৪) এই ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বিদ্যালয় শিক্ষা বৰ্ড পাঠ্যক্ৰম প্ৰস্তুত আৰু প্ৰয়োগ কৰা, পাঠ্যপুথি আৰু অন্যান্য দিশ সমূহ প্ৰস্তুত কৰা, মূল্যায়ন ব্যৱস্থাৰ উন্নয়ন আৰু শিক্ষক আৰু শিক্ষানুষ্ঠানৰ মূল্যায়ন কৰা, বিদ্যালয়ৰ আন্তঃগাঠনিৰ সা-সুবিধা কৰা নীতি-নিয়মসমূহ ৰলৱৎ কৰা, অনুমোদন আদি কাৰ্যৰ লগত জড়িত। ৰাষ্ট্ৰীয় বিদ্যালয় শিক্ষা বৰ্ডে ৰাজ্যিক বিদ্যালয় শিক্ষা বৰ্ডক নিৰ্দেশ দিয়ে ।

**আত্মমূল্যায়ন (চ)**

***(টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা)*

১) মেধাসম্পন্ন আৰু অনগ্ৰসৰ শিক্ষাৰ্থীৰ বাবে কোঠাৰী আয়োগে আগবঢ়োৱা তিনিটা পৰামৰ্শ উল্লেখ কৰা।

...............................................................................

...............................................................................

...............................................................................

...............................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

**৪.৪.১১ উচ্চ শিক্ষা আৰু ভাৰতীয় শিক্ষা আয়োগ (Higher Education and Indian Education Commission)**

কোঠাৰী আয়োগে উচ্চ শিক্ষাৰ মূল সমস্যাসমূহৰ বিচাৰ কৰি শিক্ষাৰ উদ্দেশ্য সাধন আৰু বিকাশত সমস্যাসমূহ যাতে বাধা স্বৰূপ হৈ উঠিব নোৱাৰে তাৰ কাৰণে কিছুমান বিশেষ সমাধানৰ কথা বিবেচনা কৰে। আয়োগে উচ্চ শিক্ষাৰ উদ্দেশ্য, সংবদ্ধ মহাবিদ্যালয়সমূহৰ উন্নতি, শিক্ষণ আৰু অনুশাসন আদি প্ৰশ্নবোৰ বিশেষ বিবেচনাৰ বাবে লৈছিল। সমগ্ৰ বিশ্ববিদ্যালয়ৰ কালছোৱাকে একত্ৰ হিচাপে ধৰা, শিক্ষক ছাত্ৰ আৰু প্ৰশাসন আমে গাই- গুটীয়া হৈ নপৰে সেই বিষয়ে বিশেষ লক্ষ্য ৰাখি আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে--

**১) বিশ্ববিদ্যালয়ৰ উদ্দেশ্য ঃ**

(ক) আধুনিক বিশ্বত বিশ্ববিদ্যালয়সমূহৰ উদ্দেশ্য আৰু কাৰ্যৱলীসমূহ নৱজ্ঞানৰ চৰ্চা আৰু অনুসন্ধান, সত্যৰ হকে নিৰ্ভৰ আৰু উদ্যমেৰে অন্বেষণ ৰখা, নতুন আৱিস্কাৰ আৰু জীৱনৰ প্ৰয়োজনৰ আধাৰত পুৰণি জ্ঞান আৰু প্ৰত্যয়ৰ অৰ্থ প্ৰদান কৰা ইত্যাদি হোৱা প্ৰয়োজন।

(খ) জীৱনৰ সকলো দিশতে প্ৰকৃত নেতৃত্ব প্ৰদান কৰা আৰু প্ৰতিভাশালী যুৱক-যুৱতীক বিচাৰি উলিয়াই তেওঁলোকৰ শাৰীৰিক, মানসিক, নৈতিক আৰু প্ৰজ্ঞাত্মক কাৰ্যসমূহৰ উন্নতি সাধন কৰি প্ৰতিভাৰ সম্পূৰ্ণ বিকাশ সাধনত সহায় কৰিব লাগে।

(গ) কৃষি কলা, চিকিৎসা , বিজ্ঞান আদি অনেক ক্ষেত্ৰত সুদক্ষ নাৰী আৰু

পুৰুষ প্ৰস্তুত কৰি তেওঁলোকে যাতে সমাজ সেৱাৰ মনোভাৱ ৰাখি আগবাঢ়িব পাৰে তাৰ ব্যৱস্থা ল'ব লাগিব।

ঘ) সামাজিক ন্যায় আৰু সমতাৰ ৰক্ষণাবেক্ষণ আৰু উন্নতি বাবে প্ৰচেষ্টা অব্যাহত ৰখা, তথা শিক্ষা বিস্তাৰৰ যোগেদি সামাজিক আৰু সাংস্কৃতিক বৈষম্য দূৰ কৰাৰ ব্যৱস্থা ল'ব লাগিব।

ঙ) ব্যক্তিগত আৰু সামাজিকভাবে সুস্থ জীৱন যাপন কৰাৰ মনোভাব আৰু মূল্যবোধ, শিক্ষক আৰু ছাত্ৰসকলৰ মাজত জাগ্ৰত কৰি, তাৰ যোগেদি সমাজকো সেইভাবেৰে অনুপ্ৰাণিত কৰাৰ উদ্দেশ্য ল'ব লাগিব।

**২) বিশ্ববিদ্যালয়ৰ বিশিষ্ট দায়িত্ব আৰু কৰ্তব্য ঃ**

ক) বৰ্তমানৰ শৈক্ষিক আৰু সামাজিক বিকাশৰ দিশটো বিশেষভাৱে বিবেচনা কৰি বিশ্ববিদ্যালয়সমূহে ৰাষ্ট্ৰৰ বিবেক (Conscience of nation) হিচাপে আৰু জাতীয় জীৱন পদ্ধতিৰ মূল্য নিৰূপক হিচাপে কাৰ্যনিৰ্বাহ কৰিব লাগিব।

খ) স্কুলসমূহৰ গুণগত উন্নতিৰ হকে বিশ্ববিদ্যালয় সমূহে সহায় আগবঢ়াব লাগিব।

গ) সমাজ পদ্ধতিৰ গভীৰ অধ্যয়ন আৰু মূল্যায়নৰ দ্বাৰা বিশ্ববিদ্যালয়সমূহে সমাজক উপযুক্ত নেতৃত্ব প্ৰদান কৰি সামাজিক ভাৰসাম্যতা ৰক্ষা কৰিব লাগিব।

ঘ) বিশ বছৰৰ ভিতৰত বিশ্ববিদ্যালয়ৰ শিক্ষা আৰু গৱেষণাৰ মান আৰু গুণৰ প্ৰভুত্ব উন্নতি সাধন কৰিব লাগিব।

ঙ) এই সময়ছোৱাৰ ভিতৰতেই বিশ্ববিদ্যালয়ৰ সংগঠন আৰু প্ৰশাসনীয় দিশৰো উন্নতি সাধন হ'ব লাগিব।

**৩) প্ৰধান বিশ্ববিদ্যালয় স্থাপন ঃ**

ক) বিশ্ববিদ্যালয় অনুদান আয়োগে দেশৰ ছয়খন বিশ্ববিদ্যালয়ক প্ৰধান বিশ্ববিদ্যালয় হিচাপে গঠন কৰিব লাগিব। ইয়াৰ এখন কৃষি বিশ্ববিদ্যালয় আৰু এখন ভাৰতীয় প্ৰযুক্তিবিদ্যাৰ (I.I.T) বিশ্ববিদ্যালয় থাকিব।

খ) বিশ্ববিদ্যালয় অনুদান আয়োগে এনে বিশ্ববিদ্যালয়ৰ বাবে পুঁজিৰ যোগান ধৰিব।

গ) প্ৰতিখন বিশ্ববিদ্যালয়কে নিম্ন স্নাতক আৰু স্নাতক পৰ্যায়ৰ বাবে বৃত্তি প্ৰদান কৰিব লাগিব।

ঘ) প্ৰতিখন বিশ্ববিদ্যালয়ৰে প্ৰতিটো বিভাগতে এখন পৰামৰ্শদাতা সমিতি থাকিব যি বিশ্ববিদ্যালয় নিয়োগ কৰ্তৃপক্ষৰ লগত সম্বন্ধ ৰাখি কাৰ্য সম্পাদন কৰিব।

ঙ) প্ৰধান বিশ্ববিদ্যালয়সমূহে কিছুমান অগ্ৰৱতী কেন্দ্ৰ স্থাপন কৰাৰ লগতে ভাৰতীয় শিক্ষাৰ বুনিয়াদ গঠন কৰি বৰ্হিবিশ্বত ভাৰতীয় শিক্ষাৰ স্বকীয় মৰ্যাদা প্ৰতিপন্ন কৰাত সহায় কৰিব।

**৪) আন আন বিশ্ববিদ্যালয় আৰু সংবদ্ধ মহাবিদ্যালয় সমূহৰ উন্নতিঃ**

ক) প্ৰধান বিশ্ববিদ্যালয়ৰ বিশেষ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাকাৰ্যক বৃত্তি ৰূপেৰে বাছি লোৱাৰ অৰ্থে তেওঁলোকক উৎসাহিত কৰা উচিত।

খ) বিশ্ববিদ্যালয় অনুদান আয়োগে লেকচাৰাৰ, ৰীডাৰ, প্ৰফেচাৰ পদ পৰ্যায়ত ফেলশ্বিপ প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

গ) বিশ্ববিদ্যালয় আৰু সংবদ্ধ মহাবিদ্যালয়ত শিক্ষক নিযুক্তি কৰাৰ কাৰণে সেই লোকসকলক প্ৰধান বিশ্ববিদ্যালয়ৰ সৈতে নিৰ্ধাৰিত সময়ৰ বাবে জড়িত কৰিব লাগে।

ঘ) আন আন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ পৰা বিজ্ঞানী আৰু পণ্ডিতসকলক প্ৰধান বিশ্ববিদ্যালয়সমূহে অতিথি হিচাপে নিমন্ত্ৰণ কৰি গৱেষণা আৰু চেমিনাৰ আদিত জড়িত কৰিব লাগে।

ঙ) সংবদ্ধ মহাবিদ্যালয়সমূহক নিজ কাৰ্যদক্ষতাৰ ভিত্তিত শ্ৰেণী বিভাগ কৰি সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**৫) শিক্ষাদান আৰু মূল্যায়ন ব্যৱস্থাৰ উন্নয়ন ঃ**

ক) শ্ৰেণী আৰু পৰীক্ষাগাৰৰ কাৰণে ধাৰ্য কৰা সময় হ্ৰাস কৰি শিক্ষাৰ্থীক নিৰ্দেশনা দিয়াতহে অধিক সময় ব্যয় কৰিব লাগে ।

খ) বিশ্ববিদ্যালয় আৰু সংবদ্ধ মহাবিদ্যালয়ত উৎকৃষ্ট লাইব্ৰেৰী গঢ়ি তুলিব লাগে।

গ) কোনো শিক্ষকেই বছৰত সাতদিনতকৈ অধিক সময় নিৰ্দিষ্ট শিক্ষা কাৰ্যৰ পৰা আঁতৰত থাকিব নালাগিব।

ঘ) নিৰ্ধাৰিত পৰিমাণৰ অৰ্থৰে অধিক সংখ্যক শিক্ষাৰ্থীৰ শিক্ষাৰ সুবিধা কৰিব লাগিব আৰু স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত পঢ়ি থকা আৰু গৱেষণা কৰি থকা শিক্ষাৰ্থীৰ দ্বাৰা শিক্ষণ কাৰ্য আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব দিব লাগে।

ঙ) বিশ্ববিদ্যালয় অনুদান আয়োগে এক বিশেষ সমিতিৰ দ্বাৰা উচ্চ শিক্ষাত শিক্ষাদান পদ্ধতিৰ বিচাৰ কৰিব লাগে।

চ) এক কেন্দ্ৰীয় পৰীক্ষা সংশোধনী গোট গঠন কৰি অনুদান আয়োগে পৰীক্ষা ব্যৱস্থাৰ সংশোধনত গুৰুত্ব দিব লাগিব।

ছ) চেমিনাৰ, আলোচনা চক্ৰ আৰু বিশেষ শিবিৰৰ আয়োজন কৰি বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষকক নতুন শিক্ষাদান পদ্ধতিবোৰৰ সৈতে পৰিচয় কৰাব লাগিব।

**৬) উচ্চ শিক্ষাৰ মাধ্যম ঃ**

ক) দহ বছৰীয়া স্তৰীভূত কাৰ্যসূচীৰ মাজেৰে সৰ্বপ্ৰথমে বিশ্ববিদ্যালয় শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষাৰ যোগেদি হোৱাৰ ব্যৱস্থা ল'ব লাগিব।

খ) নিম্ন স্নাতক পৰ্যায়ত আঞ্চলিক ভাষাৰ মাধ্যমেৰে আৰু স্নাতকোত্তৰ পৰ্যায়ত ইংৰাজী ভাষাৰ মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগিব।

গ) উচ্চ শিক্ষাত নিয়োগপ্ৰাপ্ত শিক্ষকসকলে ইংৰাজী আৰু আঞ্চলিক দুয়োটা ভাষাই জানিব লাগিব।

ঘ) বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত ইংৰাজী ভাষা অধ্যয়নৰ বিশেষ সুবিধা দিয়াৰ স্থান দিব লাগে।

ঙ) বিশ্ববিদ্যালয় পৰ্যায়ত শিক্ষাত কোনো বিশেষ ভাষাৰ শিক্ষা দিয়াটো বাধ্যতামূলক হ'ব নালাগে।

**৭) ছাত্ৰ সংগঠন , ছাত্ৰসেৱা আৰু অনুশাসন ঃ**

ক) বিশ্ববিদ্যালয়সমূহে শিক্ষাৰ্থীসকলক মূল্যবোধৰ প্ৰতি আনুগত্য থকাকৈ আৰু সু-আচৰণ কৰিব পৰাকৈ সক্ষম কৰি তুলিব লাগে ।

খ) ছাত্ৰ আৰু শিক্ষক উভয়ৰে দ্বাৰা যুটীয়া আয়োগ গঠন কৰি ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সমস্যা, দাবী আদি কথাবোৰ বিবেচনা কৰাৰ ব্যৱস্থা থাকিব লাগে।

গ) বিশেষ প্ৰশাসনীয় ব্যৱস্থা আৰু অধিক উন্নতমানৰ ছাত্ৰসেৱা ব্যৱস্থা গঠন কৰি শিক্ষাৰ্থীৰ মাজত থকা শৈক্ষিক বৈষম্যতা দূৰ কৰাৰ অৰ্থে চিন্তা কৰিব লাগে।

ঘ) সকলো ছাত্ৰ-ছাত্ৰী ছাত্ৰ সংগঠনৰ সদস্য হ'ব আৰু সংগঠনৰ কাৰ্যসূচীত প্ৰতি ছাত্ৰ-ছাত্ৰীয়ে ভাগ ল'ব লাগিব।

ঙ) বিশ্ববিদ্যালয় অনুদান আয়োগে অৰ্থ ব্যয় বহন কৰি বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাৰ্ষিক সমাবেশ পতাৰ ব্যৱস্থা কৰিব লাগে। এই সমাবেশত দেশৰ বিভিন্ন ছাত্ৰ সংগঠনৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰিব ।

চ) এহেজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এজনকৈ পৰামৰ্শদাতা নিযুক্তি দিব লাগিব।

ছ) ছাত্ৰ কল্যাণ কাৰ্যসূচীৰ প্ৰশাসনৰ অৰ্থে এজন পূৰ্ণকালীন মূৰব্বী বিষয়া নিয়োগ কৰিব লাগিব।

জ) ছাত্ৰ-ছাত্ৰীৰ বাবে নানা ধৰণৰ উচ্চমানৰ সহ পাঠ্যক্ৰমিক কাৰ্যৱলীৰ ব্যৱস্থা কৰিব লাগে।

**৪.৪.১২ উচ্চশিক্ষাৰ কাৰ্যসূচী, নামভৰ্ত্তিকৰণ আৰু জনশক্তি (Functions, Enrolment and Manpower of Higher Education)**

**১) শৈক্ষিক গৱেষণা ঃ**

ক) শৈক্ষিক গৱেষণাৰ দিশত আন্তঃ বিষয় বিভাগ ক্ষেত্ৰৰ জৰিয়তে বিকাশ সাধন কৰিব লাগিব। আন আন বিভাগসমূহৰ সহযোগিতা আৰু সহায়ৰ ভিত্তিত শিক্ষাস্কুলসমূহে ব্যাপকভাবে শিক্ষাৰ গৱেষণাৰ কাৰ্যসূচীৰ

বিকাশ সাধন কৰিব।

খ) জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ শিক্ষা গৱেষণাৰ কাৰ্যসূচী হাতত লওঁতে ডকুমেণ্টেচন চেণ্টাৰ আৰু নেচনেল ক্লিয়েৰিং হাউচ গঠন কৰিব লাগিব।

গ) গৱেষণা বিকাশৰ অৰ্থে শিক্ষা মন্ত্ৰালয়ৰ অধীনত এখন শিক্ষা গৱেষণা পৰিষদ গঠন কৰিব লাগিব।

ঘ) তথ্য শ্ৰেণীকৰণ, পৰিসাংখ্যিক বিশ্লেষণ আৰু আলোচনাৰ আদিৰ জৰিয়তে গৱেষণাৰ সহায়ক হোৱা কাৰ্যাৱলীৰ বিষয়ে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

ঙ) শিক্ষা গৱেষণাৰ বাবে ৰাজ্যিক ব্যয়ৰ এক শতাংশ ধাৰ্য কৰিব লাগিব।

**২) নতুন বিশ্ববিদ্যালয় গঠন ঃ**

ক) কলিকতা, বোম্বে, দিল্লী, মাদ্ৰাজ আদিৰ দৰে মহানগৰীত থকা বিশ্ববিদ্যালয়ৰ সহায়ক হোৱাকৈ নতুন বিশ্ববিদ্যালয় গঠন কৰিব লাগিব।

খ) গৱেষণাৰ স্তৰ আৰু মান উন্নতিৰ ক্ষেত্ৰত নতুন বিশ্ববিদ্যালয়সমূহে সহায় কৰিব লাগিব।

গ) বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিনা অনুমতি আৰু উপযুক্ত পুঁজিৰ ব্যৱস্থা নোহোৱাকৈ নতুন বিশ্ববিদ্যালয় স্থাপন কৰিব নালাগিব।

ঘ) অন্ততঃ ৩০ খন সংবদ্ধ মহাবিদ্যালয় থকা অঞ্চলতহে এখন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।

ঙ) বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ দুই বা তিনি বছৰৰ আগতে এখন পৰিকল্পনা বৰ্ডে উপাচাৰ্যক নিযুক্তি দি বিশ্ববিদ্যালয় কাম-কাজ আৰম্ভ কৰিব।

**৩) পাঠ্যসূচীৰ পুনৰ সংগঠন ঃ**

ক) বিশ্ববিদ্যালয়ৰ প্ৰথম উপাধিৰ বাবে থকা কলা আৰু বিজ্ঞান বিষয়ক পাঠ্যসূচী অধিক স্থিতিস্থাপক আৰু ব্যাপক হ'ব লাগিব। ইয়াত নতুন

বিষয়ৰ অৱতাৰণা কৰাৰ বাবে বিশেষ ব্যৱস্থা ল'ব লাগিব।

খ) নিম্ন স্নাতক পৰ্যায়ত সাধাৰণ, বিশেষ আৰু সন্মান পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগিব।

গ) পিএইচ.ডি. ডিগ্ৰীৰ সময়সূচী দুই বা তিনি বছৰ হ'ব লাগে। প্ৰথম বছৰত উন্নত মানৰ টিউটৰিয়েল ব্যৱস্থা আৰু বক্তৃতাৰ ব্যৱস্থা কৰিব লাগে।

ঘ) পিএইচ.ডি পৰ্যায়ৰ সকলো গৱেষকে এটা দ্বিতীয় আন্তৰ্জাতিক ভাষা অধ্যয়ন কৰাটো বাধ্যতামূলক হ'ব লাগে।

ঙ) বিশ্ববিদ্যালয়ৰ পাঠ্যসূচীৰ মাজত আন্তঃসমন্ধযুক্ত অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে।

চ) বিজ্ঞান, সমাজবিজ্ঞান আৰু কলা বিষয়ৰ অধ্যয়নৰ মাজত সমতা আনিবৰ বাবে পণ্ডিতসকলে মানবীয় জ্ঞান আৰু অভিজ্ঞতাৰ বৈশিষ্টপূৰ্ণ অৱদান আগবঢ়াব লাগিব।

**৪) বিশ্ববিদ্যালয়ৰ বিস্তাৰ ঃ**

আয়োগৰ পৰামৰ্শ মতে--

ক) উচ্চ শিক্ষাৰ বিস্তাৰ আঁচনিত জনশক্তিৰ প্ৰয়োজনীয়তা আৰু নিয়োগৰ সুবিধাৰ কথা সৰ্বপ্ৰথমে চিন্তা কৰিব লাগিব।

খ) কৃষি, আভিযান্ত্ৰিক, চিকিৎসা আৰু স্নাতকোত্তৰ পৰ্যায়ৰ বিশেষ বিস্তাৰ কাৰ্য আৰু উন্নতৰ সা-সুবিধাৰ ব্যৱস্থা ল'ব লাগিব।

গ) বিশ্ববিদ্যালয়ে সংবদ্ধ কলেজসমূহক প্ৰৱেশৰ বিশেষ নীতি নিৰ্ধাৰণ কৰাত সহায় কৰিব।

ঘ) প্ৰৱেশৰ অৰ্থে নতুন নীতি গঠন নোহোৱালৈকে পূৰ্বৰ দৰে পৰীক্ষাৰ নম্বৰৰ হাৰ বিবেচিত হ'ব।

ঙ) নিজৰ প্ৰৱেশ নীতি প্ৰস্তুত কৰাৰ অৰ্থে প্ৰতিখন বিশ্ববিদ্যালয় প্ৰৱেশ বৰ্ড গঠন কৰি প্ৰৱেশ সমন্ধীয় পৰামৰ্শ ল'ব লাগিব।

চ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিষসূচীকে ধৰি বিভিন্ন বিষয়ত অংশকালীন

শিক্ষা, যোগাযোগ পাঠ্যসূচী আৰু আবেলি সময় শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগে।

ছ) নতুন কলেজ স্থাপনৰ অনুমতি দিয়াতকৈ বিশ্ববিদ্যালয়সমূহে বৰ্তমানৰ কলেজসমূহ বঢ়োৱাতহে অধিক গুৰুত্ব দিব লাগে।

জ) নতুন কলেজ স্থাপনৰ কাৰণে অনুমতি প্ৰদান কৰোঁতে আগৰ পৰাই ওচৰত থকা কলেজৰ কোনো প্ৰকাৰ ক্ষতি নোহোৱা দিশটো বিশেষভাবে গুৰুত্ব দিব লাগে।

**৫) নাৰী শিক্ষা ঃ**

আয়োগৰ পৰামৰ্শ অনুসৰি ---

ক) নাৰী শিক্ষাৰ উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বিশেষ বৃত্তি আৰু আবাসিক সা-সুবিধা দিব লাগে।

খ) ৰাজহুৱা দাবী অনুসৰি প্ৰয়োজন সাপেক্ষে নিম্ন স্নাতক পৰ্যায়ত কেৱল ছোৱালীৰ বাবে পৃথক মহাবিদ্যালয় স্থাপন কৰিব লাগে।

গ) ছাত্ৰীসকলক কলা , বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদি সকলো বিষয়ৰ অধ্যয়নৰ সুবিধা দিব লাগে। নাৰ্ছিং, গাৰ্হস্থ্য বিজ্ঞান, সামাজিক কাৰ্য আদিৰ বিকাশ সাধন কৰি এইবোৰ অধ্যয়নৰ সুবিধা দিব লাগে।

ঘ) ছাত্ৰীসকলে বাণিজ্যিক প্ৰশাসন আৰু বাণিজ্যিক পৰিচালনাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**আত্মমূল্যায়ন (ছ)**

***(টোকাঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সাম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) নতুন বিশ্ববিদ্যালয় গঠনৰ ক্ষেত্ৰত আয়োগে আগবঢ়োৱা যিকোনো তিনিটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................................

..........................................................................................

..........................................................................................
..........................................................................................
..........................................................................................

**৪.৫.১৩ বিশ্ববিদ্যালয় প্ৰশাসন (University Administration)**

বিশ্ববিদ্যালয় প্ৰশাসন সম্পৰ্কত আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে--

**১) বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা ঃ** আয়োগৰ মতে--

ক) বিশ্ববিদ্যালয়সমূহে বিভিন্ন শৈক্ষিক বিভাগৰ মূৰব্বী অধ্যাপকৰ অধীনত একোখনকৈ পৰিচালনা সমিতি গঠন কৰিব আৰু এই সমিতিয়ে পুঁজি আৰু প্ৰশাসনীয় বিষয়ত স্বতন্ত্ৰতা আগবঢ়াব লাগিব।

খ) বিশ্ববিদ্যালয়সমূহে মহাবিদ্যালয়সমূহৰ স্বাধীনতা আৰু স্ব-শাসন ব্যৱস্থাক বিশেষ মান্যতা দিব লাগে।

গ) সাধাৰণ সমস্যা আৰু অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰিবলৈ বিশ্ববিদ্যালয়ৰ প্ৰতিখন কলেজতে শিক্ষক-ছাত্ৰৰ যুটীয়া কমিটি আৰু অনুষ্ঠানৰ মূৰব্বীৰ সভাপতিত্বত এখন কেন্দ্ৰীয় কমিটি গঠন হ'ব লাগিব।

ঘ) বিশ্ববিদ্যালয় কোৰ্ট আৰু শৈক্ষিক পৰিষদত ছাত্ৰ প্ৰতিনিধিৰ কাৰণেও স্থান ৰাখিব লাগিব।

ঙ) প্ৰায়োগিক গৱেষণা (Applied Research) বিষয়সূচী নিৰ্দ্ধাৰণ, ছাত্ৰ প্ৰশিক্ষণৰ সংখ্যা নিৰ্দ্ধাৰণ আদি দিশত বিশদ আলোচনাৰ কাৰণে

বিশ্ববিদ্যালয় অনুদান আয়োগে আন্তঃ বিশ্ববিদ্যালয় বৰ্ড তথা চৰকাৰ আৰু বিশ্ববিদ্যালয়সমূহকলৈ এক বিশেষ যন্ত্ৰৰ বিকাশ সাধন কৰা প্ৰয়োজন।

**২) বিশ্ববিদ্যালয়ৰ ৰাজহ ঃ**

আয়োগৰ মতে ---

ক) বিশ্ববিদ্যালয়ৰ উপাৰ্জন আৰু ব্যয় সম্বন্ধীয় নীতি আৰু পদ্ধতিৰ সৰলীকৰণ কৰি ৰাজ্যিক চৰকাৰে বিশ্ববিদ্যালয়সমূহলৈ আৰ্থিক উপাৰ্জনৰ উপায় আৰু সাহায্য দিব লাগে।

খ) অনুদান আয়োগে বিশ্ববিদ্যালয়ৰ বিকাশ আৰু পৰিচালনাৰ বাবে অনুদান দিয়াৰ ক্ষমতা প্ৰদান কৰিব লাগে। বিশ্ববিদ্যালয় অনুদান আয়োগে ৰাজ্যিক চৰকাৰৰ লগত যুক্তিযুক্তভাৱে বিশ্ববিদ্যালয়ৰ ব্যয়ৰ বাবে দিবলগীয়া সাহাৰ্য্যৰ পৰিমাণ নিৰ্ধাৰণ কৰিব লাগিব।

গ) সময়ে সময়ে কৰা পুনৰীক্ষণৰ দ্বাৰা অনুদান আয়োগে বিশ্ববিদ্যালয়ৰ পুঁজি সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্যিক চৰকাৰলৈ পৰামৰ্শ আগবঢ়াব পাৰিব।

ঘ) বিশ্ববিদ্যালয়সমূহ চৰকাৰ আৰু জনসাধাৰণৰ পোনপটীয়া হস্তক্ষেপৰ পৰা দূৰত থাকিব।

**৩) উপাচাৰ্য নিয়োগ পদ্ধতি ঃ**

ক) বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিৰ্বাচনৰ ক্ষেত্ৰত বাছনি কমিটিৰ সদস্যসকলে বিশ্ববিদ্যালয়ৰ সৈতে জড়িত অথচ বিশ্ববিদ্যালয়ৰ বেতনভোগী নোহোৱা ব্যক্তিত্বসম্পন্ন লোকক প্ৰধান গুৰুত্ব দিব লাগিব।

খ) আচাৰ্যগৰাকীয়েই বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য নিয়োগ কৰাৰ ক্ষমতা পাব লাগিব।

গ) উপাচাৰ্যগৰাকী এজন বিশিষ্ট শিক্ষক , পণ্ডিত হোৱাৰ লগতে যথোপযুক্ত প্ৰশাসনীয় দক্ষতা থকা লোক হ'ব লাগিব।

ঘ) উপাচাৰ্যগৰাকীৰ কাৰ্যকাল পাঁচ বছৰীয়া হ'ব আৰু তেওঁ একেৰাহে দুটা কাৰ্যকালহে উপাচাৰ্য হিচাপে এখন বিশ্ববিদ্যালয়ত থাকিব পাৰিব।

ঙ) উপাচাৰ্যগৰাকীৰ বয়স ৬৫ বছৰ হয়।

**৪) বিশ্ববিদ্যালয় আইন ঃ**

আয়োগে বিশ্ববিদ্যালয়ৰ আইন সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শবোৰ হৈছে--

ক) বিশ্ববিদ্যালয় কোৰ্টেই বিশ্ববিদ্যালয়ৰ নিজস্ব আইন প্ৰণয়নৰ ক্ষেত্ৰত সৰ্বেসৰ্বা হ'ব। কোৰ্টৰ সদস্য সংখ্যা ১০০ হ'ব আৰু ইয়াৰে অধিক সংখ্যক বিশ্ববিদ্যালয়ৰ বাহিৰৰ লোক হ'ব ।

খ) ১৫ বা ২০ জন সদস্য লৈ আৰু উপাচাৰ্যগৰাকীক সভাপতি হিচাপে লৈ বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদখন গঠন হ'ব।

গ) শৈক্ষিক পৰিষদৰ অন্তৰ্গত এখন স্থায়ী সমিতিয়ে বিশ্ববিদ্যালয়ৰ সমস্যা সমাধানৰ ব্যৱস্থা স্থিৰ কৰিব । এই পৰিষদৰ সভা সদায় নিৰ্ধাৰিত সময়তহে হ'ব লাগিব।

ঘ) প্ৰশাসনৰ লগত কোনো সম্বন্ধ নথকাকৈ প্ৰতিখন বিশ্ববিদ্যালয়তে একোখন শৈক্ষিক পৰিকল্পনা বৰ্ড থাকিব আৰু এই বৰ্ডে শিক্ষাৰ আঁচনি আৰু মূল্যায়ণৰ ওপৰত বিশেষ দৃষ্টি দিব।

ঙ) সকলো বিশ্ববিদ্যালয়তে ৰাজ্যৰ ৰাজ্যপাল গৰাকীয়েই আচাৰ্য হিচাবে থাকিব লাগিব। আচাৰ্যই বিশ্ববিদ্যালয়ৰ পৰিদৰ্শন আৰু কাৰ্যবিষয়ক অনুসন্ধানৰ ক্ষমতা লাভ কৰিব।

চ) বিশ্ববিদ্যালয়ৰ সংবিধান প্ৰস্তুত কৰোঁতে বিশ্ববিদ্যালয়সমূহে যাতে নিজস্ব ভাৱে নিৰীক্ষণ নৱীকৰণ আৰু উন্নতিৰ কাৰণে ব্যৱস্থা ল'ব পাৰে তাৰ সুবিধা দিব লাগিব।

ছ) বিশ্ববিদ্যালয়ৰ আইন প্ৰস্তুত কৰাৰ আগতে অনুদান আয়োগে শিক্ষা মন্ত্ৰণালয় আৰু ৰাজ্য চৰকাৰৰ লগ লাগি ত্ৰিপাক্ষিক আলোচনাৰ জৰিয়তে মত বিনিময়ৰ ব্যৱস্থা কৰিব লাগিব।

জ) ভাৰত চৰকাৰে বিশ্ববিদ্যালয়ৰ স্বায়ত্ব শাসন আৰু উচ্চ শিক্ষাৰ বিকাশ সম্বন্ধীয় নীতি নিৰ্দ্ধাৰণৰ কাৰণে সৰ্বোচ্চ ন্যায়ালয়ক উপযুক্ত নীতি প্ৰস্তুত কৰিবলৈ অনুৰোধ জনাব।

**৫) চৰকাৰী সংবদ্ধ আৰু ব্যক্তিগত খণ্ড (Private)ৰ মহাবিদ্যালয় ঃ**

আয়োগৰ মতে --

ক) বিশ্ববিদ্যালয়ে ৰাজ্যিক চৰকাৰৰ সৈতে আলোচনা কৰি লোৱাৰ পিছতহে যিকোনো কলেজলৈ স্বীকৃতি প্রদান কৰিব পাৰিব।

খ) উপাচাৰ্যৰ দ্বাৰা গঠিত এখন সমিতিয়ে ৰাজ্যিক শিক্ষাবিভাগক কলেজসমূহলৈ অনুদান দিয়াৰ পৰামৰ্শ দিব।

গ) বিশ্ববিদ্যালয়ৰ অধীনত সকলো সংবদ্ধ মহাবিদ্যলয়সমূহে প্রচেষ্টা চলাই যাব লাগিব।

ঘ) বিশ্ববিদ্যালয়ৰ স্বীকৃতি বজাই ৰাখিবৰ বাবে মহাবিদ্যালয়সমূহে প্রচেষ্টা চলাই যাব লাগিব।

ঙ) স্থানীয় আৰু পৰম্পৰাৰ আধাৰত চৰকাৰী মহাবিদ্যালয়সমূহৰ পৰিচালনাৰ পদ্ধতি বেলেগ ধৰণৰ হ'ব। চৰকাৰী মহাবিদ্যালয়বোৰ স্বায়ত্ব সংগঠন বা ডিৰেক্টৰেট অৱ কলেজিয়েট এডুকেশ্যন আদিৰ দৰে হ'ব।

চ) উচ্চ মানৰ ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়ৰ কাৰণে অধিক সাহায্য আৰু স্বাধীনতা দিবৰ বাবে পৃথক নীতি থাকিব লাগিব। অৱশ্যে সাহায্যৰ পৰিমাণ নিৰ্ধাৰণ আৰু সাহায্য প্রদানৰ বাবে গ্ৰগণ কৰা নীতিৰ সৰলীকৰণ কৰিব লাগিব।

**৬) বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু আন্তঃবিশ্ববিদ্যালয় বোৰ্ড ঃ**

ক) বৰ্তমান সময়ত আয়োগে কৃষি, আভিযান্ত্রিক আৰু চিকিৎসাৰ ক্ষেত্রত পৃথককৈ অনুদান আয়োগ গঠন কৰিব পাৰিব। কিন্তু এনে আয়োগসমূহৰ মাজত পাৰস্পৰিক সম্বন্ধ ৰখাৰ কাৰণে বিশেষ ব্যৱস্থা কৰিব লাগিব।

খ) অনুদান আয়োগত উপাচাৰ্যকে ধৰি এক-তৃতীয়াংশ চৰকাৰৰ আৰু এক -তৃতীয়াংশ বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য থাকিব।

গ) অনুদান আয়োগে বিশেষ ক্ষমতা বহন কৰা কিছু স্থায়ী সমিতিৰ ওপৰত নিৰ্ভৰ কৰি নিজ কাৰ্য সম্পাদন কৰিব।

ঘ) আয়োগৰ অধীনত একোখনকৈ পৰিদৰ্শন সমিতি থাকিব আৰু এই সমিতিয়ে তিনি বছৰৰ মূৰে মূৰে বিশ্ববিদ্যালয়সমূহ পৰিদৰ্শন কৰিব।

ঙ) ৰাজ্যিক ভিত্তিত বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্থাপন নহৈ শৈক্ষিক মানৰ সমন্বয় সাধনৰ অৰ্থে কেৱল এখনহে অনুদান আয়োগ হোৱাটো বাঞ্ছনীয়।

চ) বিশ্ববিদ্যালয়সমূহক লৈ এখন আন্তঃবিশ্ববিদ্যালয় বোৰ্ড গঠন হ'ব লাগে। আইনগত সকলো বিশ্ববিদ্যালয় ইয়াৰ সদস্য হ'ব ।

ছ) আন্তঃবিশ্ববিদ্যালয় বৰ্ডক যথোপযুক্ত পুঁজিৰ যোগান ধৰিব লাগিব।

জ) যিকোনো বিশ্ববিদ্যালয়ে প্ৰদান কৰা উপাধিক আইনগতভাৱে সকলো বিশ্ববিদ্যালয়ে সন্মান দিব লাগিব।

### ৪.৫.১৪ বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰশাসন (Educational Administration of University)

**ক) শৈক্ষিক পৰিকল্পনা ঃ** আয়োগৰ মতে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিকল্পনাসমূহ তলত দিয়া ধৰণে হোৱা উচিত।

১) শৈক্ষিক পৰিকল্পনাৰ ক্ষেত্ৰত কিছুমান বিশিষ্ট আঁচনিৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব।

২) ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত গুণবাচক বিকাশক লৈহে শিক্ষাৰ এক বহল লক্ষ্য স্থিৰ কৰিব লাগিব।

৩) বিশ্ববিদ্যালয় বৃত্তিমূলক সন্থা, প্ৰশিক্ষণ মহাবিদ্যালয় আদিয়ে সময়ে সময়ে বিশেষ ৰূপে সকলো প্ৰধান শৈক্ষিক কাৰ্যসূচীৰ মূল্যায়ন কৰিব লাগিব আৰু গৱেষণাৰ কাৰণে ব্যাপক কাৰ্যসূচীলৈ আগবাঢ়িব লাগিব।

৪) শৈক্ষিক পৰিকল্পনাৰ ক্ষেত্ৰত বিশিষ্ট আঁচনিৰ ওপৰত গুৰুত্ব দিব লাগিব। এছিয়ান ইনষ্টিটিডী অৱ এডুকেশ্যনেল প্লেনিংৰ সহযোগিতাত বিভিন্ন ৰাজ্যৰ শৈক্ষিক আঁচনি প্ৰস্তুত কৰোঁতাসকলে আঁচনিৰ স্তৰসমূহৰ বিষয়ে সবিশেষ জানিবৰ বাবে শিক্ষা মন্ত্ৰণালয়ে বিশেষ প্ৰশিক্ষণ দিব লাগে।

৫) বিশ্ববিদ্যালয় অনুদান আয়োগে শৈক্ষিক পৰিকল্পনা, প্ৰশাসন আৰু পুঁজি সম্বন্ধীয় এক অধ্যয়ন কেন্দ্ৰ স্থাপনৰ ওপৰত গুৰুত্ব দিব।

৬) জাতীয়, ৰাজ্যিক আৰু স্থানীয় স্তৰত প্ৰশাসনীয় ক্ষেত্ৰত শৈক্ষিক পৰিকল্পনাৰ বাবে অগ্ৰাধিকাৰৰ ভিত্তিত কেন্দ্ৰীয়কৰণৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৭) শৈক্ষিক পৰিকল্পনাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত দায়িত্বৰ কেন্দ্ৰীকৰণ আৰু বিকেন্দ্ৰীকৰণৰ দিশবোৰ সঠিকভাৱে নিৰ্ণয় কৰি শৈক্ষিক ভাৰসাম্য ৰক্ষা কৰিব লাগিব।

**খ) কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব ঃ** কোঠাৰী আয়োগৰ মতে উচ্চ শিক্ষা বা বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ববোৰ হ'ল--

১) কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত, বিশেষকৈ দিল্লীত চৰকাৰে আনৰ কাৰণে আদৰ্শমূলক হ'ব পৰাকৈ শিক্ষানুষ্ঠান স্থাপন কৰিব লাগে।

২) বিভিন্ন ক্ষেত্ৰত মেধা আৰু পাৰদৰ্শিতা থকা লোকক কেন্দ্ৰীয় চৰকাৰে বাছি উলিয়াই তেওঁলোকক ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব।

৩) পৰিকল্পনা আয়োগৰ অনুমোদন সাপেক্ষেহে শিক্ষাৰ বাবে নিৰ্ধাৰিত পুঁজিৰ হ্ৰাস বৃদ্ধি কৰিব লাগে।

৪) সাংবিধানিক নিৰ্দেশ আৰু জাতীয় শিক্ষানীতিৰ আধাৰত শিক্ষাৰ বিকাশ সাধন আৰু মূল্যায়ন হ'ব লাগিব।

৫) কেন্দ্ৰীয় চৰকাৰে বিজ্ঞান, প্ৰযুক্তিবিদ্যা, সমাজ বিজ্ঞান , মানৱীয় আৰু তত্বমূলক বিজ্ঞানৰ বিশিষ্ট শিক্ষানুষ্ঠান স্থাপন কৰিব লাগিব আৰু এইবোৰ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত হ'ব লাগিব।

**গ) শিক্ষামন্ত্ৰণালয়ৰ দায়িত্ব ঃ** কোঠাৰী আয়োগে শিক্ষামন্ত্ৰণালয়ৰ দায়িত্বসমূহ তলত দিয়া ধৰণে হ'ব লাগিব বুলি কৈছে---

১) শিক্ষা মন্ত্ৰণালয়ে কোনো এজন বিশিষ্ট লোকক কেন্দ্ৰীয় চৰকাৰৰ শৈক্ষিক পৰামৰ্শদাতা আৰু শিক্ষা মন্ত্ৰণালয়ৰ সচিব হিচাপে ছয়বছৰৰ কাৰণে বাছনিৰ জৰিয়তে নিয়োগ কৰিব লাগিব।

২) শিক্ষা মন্ত্ৰণালয়ৰ ক্লিয়েৰিং হাউচৰ কাৰ্য ব্যৱস্থাক অধিক কাৰ্যক্ষম

কৰি তুলিবৰ বাবে অধিক পৰিমাণৰ উপযুক্ত ব্যক্তিক নিয়োগ কৰিব লাগিব।

৩) অতিৰিক্ত আৰু যুটীয়া সচিবসকলৰ আধা অংশ পদোন্নতিৰ জৰিয়তে ৰাজ্যিক শিক্ষা বিভাগৰ পৰা নিয়োগ কৰা হ'ব আৰু বাকী আধা অংশ বিশ্ববিদ্যালয় আৰু স্কুলৰ বিশিষ্ট লোকসকলৰ মাজৰ পৰা নিয়োগ কৰা হ'ব। তেওঁলোকৰ কাৰ্যকাল হ'ব পাঁচ বছৰ।

৪) শিক্ষা মন্ত্ৰণালয়ৰ অধীনৰ পৰিসংখ্যা বিভাগ আৰু ৰাজ্যিক পৰ্যায়ৰ পৰিসংখ্যা বিভাগক অধিক শক্তিশালী কৰি পুনৰ সংগঠন কৰিব লাগে যাতে শৈক্ষিক পৰিকল্পনা, নীতি নিৰ্ধাৰণ আৰু মূল্যায়নৰ ক্ষেত্ৰত বিস্তৃত পৰিসংখ্যা সুন্দৰভাৱে ৰখাত সহায়ক হয়।

৫) শিক্ষা মন্ত্ৰণালয়ে কেন্দ্ৰীয় শিক্ষা পৰামৰ্শ পৰিষদ আৰু ইয়াৰ স্থায়ী সমিতিসমূহক অধিক কৰ্মক্ষম আৰু শক্তিশালী কৰি তুলিব লাগিব।

**ঘ) জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) ঃ**

আয়োগে আগবঢ়োৱা পৰামৰ্শ মতে---

১) জাতীয় স্তৰত স্কুলীয়া শিক্ষাৰ উন্নতিৰ বাবে এই পৰিষদে স্কুলীয়া শিক্ষাৰ জাতীয় বৰ্ড, ৰাজ্যিক শিক্ষা বিভাগ আৰু ৰাজ্যিক শিক্ষা সংস্থাৰ সহযোগত নিজ কাৰ্য সম্পাদন কৰিব।

২) এই পৰিষদে পৰিচালনা সমিতিত এজন মাধ্যমিক পৰ্যায়ৰ বিশিষ্ট শিক্ষক, এজন প্ৰাথমিক স্কুলৰ শিক্ষক বা শিক্ষা বিশেষজ্ঞ থাকিব লাগিব।

৩) পৰিষদৰ নিজস্ব পূৰ্ণকালীন অধিকৰ্তা আৰু যুটীয়া অধিকৰ্তা থাকিব। অধিকৰ্তাগৰাকী বিশিষ্ট শিক্ষাবিদ হ'ব লাগিব। তেওঁৰ কাৰ্যকাল পাচঁবছৰ হ'ব আৰু পদমৰ্যাদা বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ সমান হ'ব।

৪) এই পৰিষদৰ যুটীয়া অধিৰ্কতাই প্ৰশাসনীয় কাম-কাজবোৰ সম্পাদন কৰাৰ লগতে অধিকৰ্তাগৰাকীক আন আন কামত সহায় কৰিব।

৫) এই পৰিষদৰ আৰু ৰাজ্যিক শিক্ষা বিভাগৰ কৰ্মকৰ্তাসকলক সময়ে

সময়ে এটাৰ পৰা আনটোলৈ বদলি কৰি থাকিব পাৰিব।

**ঙ) ৰাজ্যিক শিক্ষা প্ৰশাসনঃ আয়োগৰ মতে,**

১) বিভিন্ন শৈক্ষিক বিভাগসমূহত বিস্তাৰিত হৈ থকা শৈক্ষিক কাৰ্যসূচী সমূহৰ একত্ৰিত পৰিকল্পনা আৰু বিকাশৰ সুবিধাৰ কাৰণে ৰাজ্যিক পৰ্যায়তে এক বিশেষ সমন্বয় সাধনাৰ মন্ত্ৰ বা বিভাগৰ প্ৰস্তুতিত গুৰুত্ব দিব লাগে।

২) বিভিন্ন শিক্ষাৰ ক্ষেত্ৰত শিক্ষা বিষয়াক লৈ এখন স্থায়ী সমিতি গঠন কৰিব লাগিব আৰু নিৰ্ধাৰিত সময়ত শিক্ষা সচিবৰ সভাপতিত্বও এই সমিতিৰ সভা বহিব লাগিব।

৩) ৰাজ্যিক প্ৰশাসনীয় বিষয়াজন এজন বিশিষ্ট শিক্ষাবিদ হ'ব লাগিব।

৪) শিক্ষা বিভাগৰ সকলোবোৰ বিশেষ কথাত শিক্ষা সচিবালয়ে পৰামৰ্শ প্ৰদান কৰিব।

৫) ৰাজ্যিক শিক্ষা সচিবালয়ে শৈক্ষিক সমস্যাসমূহৰ পুনৰীক্ষণ কৰা, প্ৰশাসনীয় আৰু পুঁজি সমস্যাক চৰকাৰী বিকাশ নীতিৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰিব লাগিব।

**(চ) জাতীয় শিক্ষা সেৱা ঃ আয়োগৰ পৰামৰ্শ মতে,**

১) শিক্ষা আৰু গৱেষণা, এই দুটা কাৰ্যৰ ভিত্তিত ভাৰতীয় শিক্ষা সেৱা গঠন হ'ব লাগিব। ইয়াৰ অন্তৰ্গত লোকসকলৰ শিক্ষণ অভিজ্ঞতা থাকিব লাগিব।

২) পোনপটীয়া নিয়োগৰ ভিত্তিত ২/৩ বছৰীয়া শিক্ষণ অভিজ্ঞতা থকা তথা শিক্ষণ সম্বন্ধীয় অভিজ্ঞতা অৰ্জন কৰাৰ পিছতহে প্ৰশাসনীয় দায়িত্বৰ ১/৩ অংশ পদত ব্যক্তিক নিয়োজিত কৰা হ'ব আৰু বাকী ২/৩ অংশ পদবী পোনপটীয়া নিয়োগ আৰু পদোন্নতিৰ ভিত্তিত পূৰণ কৰা হ'ব।

৩) ভাৰতীয় শিক্ষা সেৱাৰ কিছুসংখ্যক পদৰ কাৰ্যকাল এক নিদিষ্ট সময়ৰ বাবে কৰি লৈ সেইবোৰত বিশিষ্ট শিক্ষকসকলক নিয়োগ কৰিব পাৰিব। এনেদৰে শিক্ষণ আৰু গৱেষণাৰ কিছুসংখ্যক পদ নিৰ্দিষ্ট সময়সূচীৰ

ভিত্তিত ভাৰতীয় শিক্ষা সেৱা বিষয়ৰ দ্বাৰা পূৰণ কৰাৰ ব্যৱস্থা থাকিব লাগিব।

৪) ভাৰতীয় শিক্ষা সেৱাৰ সমপৰ্যায়ৰ বেতন মানৰ কিছুসংখ্যক পদ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত সৃষ্টি কৰিব লাগে।

৫) ৫০ শতাংশ শিক্ষা সেৱা বিষয়াক নিজস্ব ৰাজ্যৰ শিক্ষা ক্ষেত্ৰত নিয়োজিত কৰিব লাগিব। ভাৰতীয় শিক্ষা সেৱা বিষয়াসকলে অন্ততঃ দুটা ভাৰতীয় ভাষা পৰীক্ষাত বহিব লাগিব।

**(ছ) ৰাজ্যিক শিক্ষা সেৱা ঃ** আয়োগে আগবঢ়োৱা পৰামৰ্শৰ মতে--

১) ৰাজ্যিক শিক্ষা সেৱাৰ উচ্চ স্তৰত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ নিৰ্দিষ্ট সংখ্যক পদ থাকিব। জিলা স্কুল বোৰ্ড সমূহৰ সচিবৰ পদ প্ৰথম শ্ৰেণীৰ হ'ব। জিলা শিক্ষা পৰিদৰ্শকসকলৰ পদসমূহ শিক্ষা সেৱাৰ অন্তৰ্গত হ'ব।

২) বিশ্ববিদ্যালয়ৰ সহযোগত শিক্ষাৰ বিভিন্ন ক্ষেত্ৰৰ বিষয়াসকলৰ প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰি ৰাজ্যিক শিক্ষা বিভাগৰ পুনৰ গঠন কৰিব লাগিব।

৩) বিভাগীয় বিষয়াসকলৰ বেতনৰ অসমতা আঁতৰ কৰিবৰ বাবে বিশ্ববিদ্যালয অনুদান আয়োগে বেতনৰ নিৰিখ নিৰ্ধাৰণ কৰিব লাগিব।

৪) ৰাজ্যিক শিক্ষা সংস্থাই বিশ্ববিদ্যালয়ৰ সহযোগত আন্তঃসেৱা প্ৰশিক্ষণ সমাৰোহৰ, চেমিনাৰ আৰু কৰ্মশালা আদিৰ ব্যৱস্থা কৰিব লাগিব।

৫) আন্তঃকৰ্ম কাৰ্যসূচীৰ মাজেৰে অৰ্হতাৰ উন্নতি সাধন কৰা বিষয়াসকলক উৎসাহিত কৰাৰ অৰ্থে বেতন বৃদ্ধি বা পদোন্নতিৰ ব্যৱস্থা থাকিব লাগিব।

**(জ) জাতীয় শৈক্ষিক প্ৰশাসনীয় বিষয়া মহাবিদ্যালয় ঃ**

শৈক্ষিক প্ৰশাসনীয় বিষয়াসকলৰ কাৰণে শিক্ষা মন্ত্ৰণালয়ে নেচনেল ষ্টাফ কলেজ স্থাপন কৰিব লাগিব বুলি আয়োগে মন্তব্য কৰিছে। ৰাজ্যিক আৰু জাতীয় শিক্ষা সেৱাৰ অন্তৰ্গত উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ আন্তঃসেৱা প্ৰশিক্ষণৰ ব্যৱস্থা এই কলেজত হ'ব । ইয়াত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুটা পৃথক পাঠ্যক্ৰমৰ

ব্যৱস্থা থাকিব। নতুনকৈ নিয়োজিত হোৱা লোকসকলৰ কাৰণে দীৰ্ঘম্যাদী প্ৰশিক্ষণৰ আৰু আন্তঃসেৱাৰ জৰিয়তে অহা বিষয়াসকলৰ কাৰণে ছয় বা সাত সপ্তাহৰ হ্ৰস্বম্যাদী প্ৰশিক্ষণৰ ব্যৱস্থা থাকিব। ইয়াত একোটাকৈ গৱেষণা বিভাগ থাকিব আৰু শৈক্ষিক প্ৰশাসনীয় সমস্যাৰ দিশৰ গৱেষণাই গুৰুত্ব পাব লাগিব। ইয়াৰ উপৰিও সময়ে সময়ে শিক্ষা সমাৰোহ, চেমিনাৰ, শৈক্ষিক পৰিকল্পনা বিষয়ক কৰ্মশালাৰ ব্যৱস্থা থাকিব লাগিব।

**(ঝ) শিক্ষা আইন ঃ**

আয়োগে আগবঢ়োৱা পৰামৰ্শৰ মতে সকলোবোৰ কেন্দ্ৰীয় শাসিত আৰু ৰাজ্যিক অঞ্চলত শিক্ষা আইন বল'বৎ কৰি শিক্ষাক আইন ভিত্তিক কৰি তুলি'বৰ বাবে শিক্ষা প্ৰশাসন গঠন কৰিব লাগিব। ৰাজ্যিক চৰকাৰে আৰু স্থানীয় কৰ্তৃপক্ষৰ সহায়ক হোৱাকৈ ভাৰত চৰকাৰে জাতীয় শিক্ষানীতি সম্বন্ধীয় এক বিবৃতি আগবঢ়াব লাগিব। ইয়াৰ দ্বাৰা বিভিন্ন এলেকাসমূহত শৈক্ষিক আঁচনি যুগুত কৰা আৰু তাক কাৰ্যকৰী কৰাৰ সহায়ক হ'ব লাগিব আৰু লগতে সকলো অঞ্চলৰ বাবে এক জাতীয় শিক্ষা আইন প্ৰস্তুত কৰাৰ কথা বিবেচনা কৰিব লাগিব বুলি আয়োগে মত প্ৰকাশ কৰিছে।

**আত্মমূল্যায়ন(জ)**

***(টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাব।)*

১) জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিষয়ে কোঠাৰী আয়োগে আগবঢ়োৱা তিনিটা উদ্দেশ্য উল্লেখ কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

২) ভাৰতীয় শিক্ষা সেৱা কিহৰ ভিত্তিত গঠন হ'ব লাগিব বুলি আয়োগে কৈছে?

.......................................................................................

.......................................................................................

**৪.৪.১৫ শিক্ষা পুঁজি (Educational Finance)**

আয়োগৰ মতে শিক্ষা ব্যৱস্থাৰ নিৰ্দিষ্ট লক্ষ্য সাধন নোহোৱাৰ ঘাই কাৰণ হিচাপে ক্ৰুটিপূৰ্ণ পৰিচালনা আৰু অনুদান নীতিয়েই প্ৰধানকৈ দায়ী। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে বিভিন্ন এলেকাৰ গুৰুত্ব আৰু দাবী শিক্ষাৰ বিকাশত স্থানীয় বৰঙণি তথা স্থানীয় প্ৰয়োজনীয়তা আদি সকলোবোৰ দিশলৈ লক্ষ্য কৰিহে যিকোনো অনুদান ব্যৱস্থা প্ৰস্তুত কৰিব লাগে। এইবোৰ কথা ভালদৰে বিবেচনা কৰি আয়োগে পৰামৰ্শ দাঙি ধৰিছে এইদৰে---

১) **শিক্ষাৰ সামগ্ৰিক ব্যয় ঃ** ৰাষ্ট্ৰীয় আয়ৰ ৬ শতাংশ পুঁজি শিক্ষাত ব্যয় কৰিব লাগিব আৰু ১৯৬৫--৬৬ চনৰ শিক্ষাৰ ব্যয়ৰ পৰিমাণ ৬০০

কোটি টকাৰ ঠাইত ১৯৮৫--৮৬ চনলৈ এই পৰিমাণ ৪০৩৬.৪ কোটি হ'বগৈ লাগিব। ১৯৬৫--৬৬ চনৰ জনমূৰি আয় ১২ টকাৰ পৰা ১৯৮৫--৮৬ চনত ৫৪ টকা হ'বগৈ লাগিব।

২) [illegible] আগন্তুক দুই বা তিনি দশকত শিক্ষাৰ ব্যয়ৰ পৰিমাণ সামগ্ৰিক পুঁজিৰ দুই তৃতীয়াংশ মাধ্যমিক শিক্ষাৰ বাবে আৰু এক তৃতীয়াংশ উচ্চ শিক্ষাৰ বাবে ধৰিব লাগিব। প্ৰাক -বিশ্ববিদ্যালয় আৰু ইণ্টাৰমিডিয়েট শ্ৰেণীক স্কুলৰ লগত সংযোগ কৰিব লাগিব। মাধ্যমিক পৰ্যায়ত ব্যৱসায়িক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব আৰু উচ্চ শিক্ষা আৰু গৱেষণাৰ বিকাশৰ কাৰণে উপযুক্ত ব্যৱস্থা ল'ব লাগিব।

৩) **পুঁজি সংগ্ৰহ ঃ** স্কুলীয়া পুঁজিৰ গঠন আৰু ঘৰ দুৱাৰ আদিৰ উন্নতিৰ অৰ্থে স্থানীয় সমাজক সচেতন কৰি তুলি'বলৈ স্থানীয় কৰ্তৃপক্ষ আদিয়ে শিক্ষা উন্নতি সমাৰোহ আদিৰ ব্যৱস্থা কৰা উচিত। জিলা পৰিষদসমূহে স্থানীয়ভাবে মাটিৰ খাজনাৰ ওপৰত শিক্ষা কৰ লগাই জিলা স্কুল বৰ্ডসমূহক আৰ্থিক সাহয্য প্ৰদান কৰিব পাৰিব। ৰাজ্যিক চৰকাৰে শিক্ষা কৰৰ পৰিমাণ নিৰ্ধাৰণ কৰি দিব আৰু কিমান দিনলৈ কৰ লগাব তাকে নিৰ্ণয় কৰি দিব। চৰকাৰে প্ৰশাসক, শিক্ষক আদিৰ বতেন ভট্টা আদিৰ খৰচ বহন কৰিব আৰু লগতে ৰাজ্য চৰকাৰৰ অনুদান জিলা পৰিষদৰ দ্বাৰা সংগৃহীত অৰ্থ পৌৰসভাৰ ব্যয়, নিগমবিলাকে আগবঢ়োৱা সাহায্য আদিৰ জৰিতে স্কুল বিলাকৰ বিকাশ সাধন কৰিব লাগিব।

৪) **কেন্দ্ৰীয় চৰকাৰৰ পুঁজি বিষয়ক দায়িত্ব ঃ** আয়োগৰ মতে, কেন্দ্ৰীয় চৰকাৰে নিজস্ব আৰু কেন্দ্ৰীয় সৌজন্যমূলক ক্ষেত্ৰসমূহৰ যোগেদি শিক্ষাৰ বাবে এক বৃহৎ পৰিমাণৰ পুঁজিৰ যোগান ধৰিব। জাতীয় চৰিত্ৰ আৰু বিশেষভাৱে প্ৰয়োজনীয় শিক্ষা কাৰ্যসূচিৰ বাবে কেন্দ্ৰীয় চৰকাৰে পুজিৰ যোগান ধৰিব। পুঁজিৰ অপচয় ৰোধ কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশ্ববিদ্যালয় অনুদান আয়োগ শিক্ষাৰ দ্বাৰা আৰ্থিক উন্নতিৰ, শৈক্ষিক গৱেষণাৰ বাবে ব্যৱস্থা হাতত ল'ব

লাগে আৰু নৱ গঠিত বিশ্ববিদ্যালয়সমূহত শৈক্ষিক অৰ্থনীতি বিষয়ক অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে।

### ৪.৪.১.৬ [illegible]ক্ত[illegible]তথা কাৰিকৰি আৰু আভিযান্ত্ৰিক শিক্ষা (Technical ,Vocational and Engineering Education)

ভাৰতীয় শিক্ষা আয়োগ দেশৰ বৃত্তিমূলক কাৰিকৰি আৰু আভিযান্ত্ৰিক শিক্ষা সম্পৰ্কত তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে-

১) স্কুলসমূহ শিক্ষান্ত পৰীক্ষাৰ সময়লৈকে ব্যৱসায়িক শিক্ষাৰ পাঠ্যক্ৰম চলাই নিব লাগিব যাতে মেধাসম্পন্ন ছাত্ৰ- ছাত্ৰীয়ে এনে পৰীক্ষাৰ পাছতো উচ্চস্তৰীয় ব্যৱসায়িক শিক্ষা ল'ব পাৰে।

২) ভাৰতীয় ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰত (IIT)[illegible] ১৪ বছৰ কৰা উচিত।

৩) জুনিয়ৰ টেকনিকেল স্কুলবোৰক টেকনিকেল হাইস্কুল নাম দি পূৰ্ণ পৰ্যায়ৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

৪) ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু টেকনিকেল স্কুলসমূহত উৎপাদনমুখী প্ৰশিক্ষণ দিব লাগিব।

৫) টেকনিকেল স্কুলসমূহৰ দশম শ্ৰেণীৰ তলৰ শ্ৰেণীত নামভৰ্তিৰ সুবিধা দি নিপুণ কৰ্মীক প্ৰশিক্ষণ দিব লাগিব।

৬) টেকনিচিয়ানসকলৰ পাঠ্যক্ৰম সময়ে সময়ে পৰিবৰ্তন কৰি থাকিব লাগিব।

৭) পলিটেকনিকৰ শিক্ষকসকলৰ অৰ্হতাৰ ওপৰত গুৰুত্ব দিব লাগে আৰু শিক্ষাগত অৰ্হতাৰ ভিত্তিতহে দৰমহাৰ নিৰিখ নিৰ্ধাৰণ কৰিব লাগিব।

৮) আভিযান্ত্ৰিক স্কুলৰ মান উন্নত কৰিব বাবে ইলেকট্ৰনিকচ আৰু ইনষ্ট্ৰুমেণ্টেছন আদি বিষয়ত অৰ্হতাসম্পন্ন বিজ্ঞানৰ স্নাতক ছাত্ৰ - ছাত্ৰীক নিয়োগ কৰিব লাগিব।

৯) কাৰিকৰী হাইস্কুল আৰু পলিটেকনিকৰ পৰা ডিপ্লোমা লাভ কৰা

ছাত্র-ছাত্রীৰ বাবে ক্ষুদ্ৰাকৃতিৰ উদ্যোগ, কাৰখানা আদ স্থাপন কৰিব লাগিব।

১০) পলিটেকনিকবোৰত দেখা দিয়া অপচয় সমস্যা ৰোধ কৰিব বাবে বিশেষ ব্যৱস্থা ল'ব লাগিব।

১১) প্ৰযুক্তিবিদ্যাৰ কেন্দ্ৰসমূহে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ লোকৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচীৰ ব্যৱস্থা কৰিব লাগিব।

১২) কেমিকেল টেকনলজি, ইলেকট্ৰনিকচ, অটমেচন, ইনষ্ট্ৰুমেণ্টেছন, এচট্ৰনট্ৰিকচ আদিৰ নতুন নতুন ক্ষেত্ৰৰ উপযোগীকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগিব।

১৩) আভিযান্ত্ৰিক শিক্ষাৰ স্মাতকোত্তৰ মহলা ভৰ্তিৰ বাবে কমেও এবছৰ কোনো উদ্যোগত কাম কৰি বাস্তৱ অভিজ্ঞতা আহৰণ কৰিব লাগে।

১৪) গৱেষণাৰ ডক্তৰেট ডিগ্ৰীৰ উপৰিও বৃত্তিমূলক উন্নতিৰ অৰ্থে উদ্যোগ প্ৰতিষ্ঠান কৰাৰ বাবে নিয়মীয়াকৈ ডক্তৰেট ডিগ্ৰী প্ৰদান কৰিব লাগে।

১৫) আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰিচালনা বৰ্ডৰ সভাপতিগৰাকীক বিশিষ্ট শিক্ষাবিদৰ মাজৰ পৰা নিৰ্বাচন কৰিব লাগিব।

**আত্মমূল্যায়ন(ঝ)**

***(টোকা ঃ*** *উত্তৰ লিখাৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) কোঠাৰী আয়োগে নিৰ্দ্ধাৰণ কৰি দিয়া কেন্দ্ৰীয় চৰকাৰৰ পুঁজি বিষয়ক দায়িত্বসমূহ উল্লেখ কৰা।

........................................................................................

........................................................................................

........................................................................................

........................................................................................

.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................

**৪.৪.১৭ প্ৰাপ্তবয়স্ক শিক্ষা (Adult Education)**

কোঠাৰী আয়েগে প্ৰাপ্তবয়স্ক শিক্ষাৰ বিশেষ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰি এনে শিক্ষাৰ কাৰণে এক বিশিষ্ট আঁচনি লোৱাৰ কথা কৈছে ।

আয়োগৰ মতে এনে শিক্ষা যিহেতু স্বইচ্ছামূলক প্ৰকৃতিৰ সেয়ে প্ৰথম পদক্ষেপ হিচাপে ব্যক্তিসকলৰ মানসিক প্ৰস্তুতি আনিব পৰাৰ দিশত অধিক গুৰুত্ব দিব লাগিব। সেয়ে এনে কোনো শৈক্ষিক আঁচনিৰ প্ৰস্তুত আৰু প্ৰয়োগ কৰোঁতে এই লোকসকলে বসবাস কৰা পৰিবেশ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ কাৰণে এই শিক্ষাগ্ৰহণ কাৰ্য অৰ্থপূৰ্ণ হোৱাকৈ প্ৰস্তুত কৰিব লাগিব। এইক্ষেত্ৰত আয়োগে আগবঢ়েৱা পৰামৰ্শসমূহ তলত দিয়া ধৰণৰ-

**১) নিৰক্ষৰতা দূৰীকৰণ ঃ**

ক) নিৰক্ষৰতা দূৰীকৰণৰ অৰ্থে ৬-১১ বছৰৰ ল'ৰা ছোৱালীৰ কাৰণে স্কুলীয়া শিক্ষাৰ ব্যৱস্থা ১১-১৪ বছৰীয়া স্কুলীয়া শিক্ষা নোপোৱা বা অকৃতকাৰ্য হৈ স্কুল এৰি দিয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে অংশকালীন শিক্ষাৰ ব্যৱস্থা আৰু ১৫-৩০ বছৰীয়া যুৱক-যুৱতীৰ কাৰণে অংশকালীন তথা সাধাৰণ আৰু ব্যৱসায়িক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

খ) নিৰ্বাচিত নিৰক্ষৰতা দূৰীকৰণ কাৰ্যসূচীৰ জৰিয়তে প্ৰাপ্তবয়স্কৰ বিশেষ গোটৰ বাচনি কৰি লৈ লোকসকলৰ স্বাক্ষৰতাৰ প্ৰতি মননশীল কৰি তেওঁলোকক বিশেষ নিয়ন্ত্ৰণৰ মাজেৰে আগবঢ়াই আনৰ প্ৰচেষ্টা থাকিব লাগিব।

গ) সকলো বাণিজ্যিক আৰু ঔদ্যোগিক প্ৰতিষ্ঠান, বিকাশ প্ৰকল্প, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড আদিয়ে তেওঁলোকৰ অধীনত নিৰক্ষৰ কৰ্মীসকলক

তিনিটা বছৰৰ ভিতৰতে কৰ্মসূচক স্বাক্ষৰতা আনি দিয়াৰ দায়িত্ব ল'ব লাগিব।

ঘ) দেশৰ সকলো শিক্ষিত নাৰী আৰু পুৰুষকলৈ তেওঁলোকৰ সহযোগৰ মাধ্যমেৰে এক সুপৰিকল্পিত সাক্ষৰতাৰ আঁচনি প্ৰস্তুত কৰিব লাগিব।

ঙ) নাৰীসকলৰ স্বাক্ষৰতাৰ হাৰ উন্নত কৰাৰ অৰ্থে কেন্দ্ৰীয় সমাজ কল্যাণ বোৰ্ডৰ দ্বাৰা হ্ৰস্বম্যাদী পাঠ্যক্ৰম ব্যৱস্থা কৰিব লাগিব।

চ) স্বাক্ষৰতাৰ অভিযান ভৱিষ্যতলৈ চলি থাকিব পৰাকৈ বিশেষ কিতাপ পত্ৰ আদিৰ প্ৰকাশত গুৰুত্ব দিব লাগিব।

**২) ধাৰাবাবাহিক শিক্ষা ঃ**

ক) প্ৰাপ্তবয়স্ক লোকসকলৰ বাবে অংশকালীন শিক্ষা ব্যৱস্থাপক আনুষ্ঠানিক শিক্ষাৰ ডিগ্ৰী, ডিপ্লোমা আদি সমান্তৰভাৱে গঠন কৰিব লাগিব।

খ) প্ৰাপ্তবয়স্ক শিক্ষাত সহায়ক হোৱাকৈ শিক্ষানুষ্ঠাসমূহে আগভাগ লৈ পাঠ্যক্ৰমৰ সংগঠন কৰিব লাগিব।

গ) মহীশূৰ ৰাজ্যত থকা বিদ্যাপীঠসমূহ আৰু কেন্দ্ৰীয় প্ৰাপ্তবয়স্ক নাৰী কল্যাণ বৰ্ডৰ দৰেই পুৰুষৰ বাবেও বিশেষ শিক্ষানুষ্ঠান গঠন কৰিব লাগে।

**৩) পত্ৰ বিনিময় বা যোগাযোগ পাঠ্যক্ৰম ঃ**

ক) অংশকালীন পাঠ্যক্ৰম শিক্ষা গ্ৰহণ সুবিধা নোৱাৰি লোকসকলৰ কাৰণে ব্যাপক পৰিসৰৰ পত্ৰ বিনিময় পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

খ) যোগাযোগ পাঠ্যক্ৰমৰ লোসকলক শিক্ষাৰ্থী হিচাপে স্বাকৃতি দি সময়ে সময়ে শিক্ষকক লগ পোৱাৰ সুবিধা দিব লাগে। এনে যোগাযোগ পাঠ্যক্ৰম বা পত্ৰ বিনিময় শিক্ষাৰ কেন্দ্ৰসমূহক মহাবিদ্যালয়ৰ লগত সংযুক কৰিব লাগে যাতে শিক্ষাৰ্থীসকলে পুথিভঁৰাল আৰু আন আন সুবিধাবোৰ ল'ব পাৰে।

গ) পত্ৰ বিনিময় কাৰ্যসূচীসমূহ ৰেডিঅ আৰু দূৰদৰ্শনৰ মাধ্যমেৰে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ঘ) শিক্ষকসকলক নতুন জ্ঞান আহৰণ আৰু নতুন শিক্ষাদান পদ্ধতি আদিৰ বিষয়ত এনে যোগাযোগ বা পত্ৰ বিনিময় কাৰ্যসূচীয়ে সহায় কৰিব লাগিব।

ঙ) শিক্ষা মন্ত্ৰণালয়ে আন আন মন্ত্ৰণালয়ৰ সহযোগত এখন গৃহ অধ্যয়নৰ জাতীয় পৰিষদ ( National Council of Home Studies) গঠন কৰিব লাগিব, যিখন পত্ৰ বিনিময় সংস্থাসমূহৰ কাম - কাজ উন্নতিৰ খবৰ ৰাখিব।

**৪) সংগঠন আৰু প্ৰশাসন ঃ**

ক) প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিত যিবোৰ মন্ত্ৰণালয় আৰু অভিকৰণক জড়িত কৰিব পৰা যায় সেই সকলোবোৰ সহযোগত দেশত এক জাতীয় শিক্ষা বোৰ্ড গঠন কৰিব লাগিব। এই জাতীয় শিক্ষা বোৰ্ডে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহক অনানুষ্ঠানিক প্ৰাপ্তবয়স্ক শিক্ষা বিষয়ক সৰ্ব দিনৰ পৰামৰ্শ আগবঢ়াব আৰু কাৰ্যসূচী আদি প্ৰস্তুত কৰিব লাগিব।

খ) এই শিক্ষা বোৰ্ডে, সাক্ষৰতা, সাহিত্য বিষয়ক কিতাপ-পত্ৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰু শৈক্ষিক আহিলা -পাতি আদি প্ৰস্তুত কৰাৰ দিশত যাৱতীয় ব্যৱস্থা ল'ব।

গ) চৰকাৰী অভিকৰণ আৰু মন্ত্ৰণালয়ৰ মাজত সমন্বয় ৰক্ষা কৰি থকা কামত এই বোৰ্ডে ব্যৱস্থা ল'ব। ইয়াৰ বাহিৰেও গৱেষণা, অনুসন্ধান আৰু মূল্যাবানৰ দিশটো বোৰ্ডে ব্যৱস্থা ল'ব লাগিব।

ঘ) প্ৰাপ্তবয়স্ক শিক্ষাৰ হৈ কাম কৰি থকা স্বেচ্ছামূলক সংগঠনসমূহক উৎসাহিত কৰা আৰু পুঁজিৰ যোগান ধৰাৰ ব্যৱস্থা ল'ব লাগিব।

**৫) বিশ্ববিদ্যালয়ৰ দায়িত্ব ঃ**

ক) ভাৰতীয় বিশ্ববিদ্যালয়সমূহ প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰসাৰৰ বাবে বিশেষ দায়িত্ব বহন কৰিব লাগে।

খ) বয়স্ক লোকসকলৰ আৰ্থ- সামাজিক দিশৰ বিকাশ, সাংস্কৃতিক মূল্যবোধ তথা সামাজিক জীৱনৰ বিকাশৰ বাবে বিশ্ববিদ্যালয় বয়স্ক শিক্ষা

বিভাগ খোলাৰ ব্যৱস্থা কৰিব লাগে।

গ) বিশ্ববিদ্যালয় সকলো বিভাগৰে প্ৰতিনিধিক লৈ প্ৰতিখন বিশ্ববিদ্যালয়ে প্ৰাপ্তবয়স্ক শিক্ষা বোৰ্ড গঠন কৰিব লাগে যাতে প্ৰাপ্তবয়স্ক শিক্ষা সম্পকীয় কাৰ্যসূচীসমূহ সফল প্ৰয়োগত সম্ভৱপৰ হয়।

ঘ) বিশ্ববিদ্যালয়সমূহে যাতে প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলাই নিব পাৰে তাৰ বাবে পুঁজিৰ যোদগান ধৰিব লাগে।

ঙ) প্ৰাপ্তবয়স্ক শিক্ষাৰ সহায়ক হোৱাকৈ উপযুক্ত কিতাপ-পত্ৰ আৰু পুথিভঁৰাল গঠন ব্যৱস্থা কৰিব লাগে।

## ৪.৪.১৮ কৃষি বিষয়ক শিক্ষা (Education for Agriculture)

আমাৰ দেশৰ দৰিদ্ৰতা নিৰ্মূল কৰিবৰ কাৰণে আন দেশৰ পৰা খাদ্য সামগ্ৰী আমদানি কৰিব লগা হোৱাৰ দিশটোলৈ লক্ষ্য ৰাখি আয়োগে উপযুক্ত আৰু আধুনিক কৃষিশিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰিছে আৰু তাৰ কাৰণে কৃষিৰ দ্বাৰা উৎপাদন বৃদ্ধিত শিক্ষাই এক বিশেষ ভূমিকা ল'ব লাগিব। এনে শিক্ষা জাতীয় শিক্ষা পদ্ধতি বিশিষ্ট অংগৰূপে পৰিগণিত হ'ব লাগিব। কৃষি বিষয়ক শিক্ষাৰ ক্ষেত্ৰত আয়োগ আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে -

**১) কৃষি বিশ্ববিদ্যালয় স্থাপন ঃ**

ক) দেশৰ প্ৰতিখন ৰাজ্যত একোখনকৈ কৃষি বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।

খ) এই বিশ্ববিদ্যালয় কৃষি বিষয়ক বিভিন্ন বিষয়সূচীৰ অৱতাৰণা কৰিব লাগে ।

গ) ৰাজ্যিক কৃষি বিভাগ আৰু কৃষি বিশ্ববিদ্যালয় মাজত দায়িত্বসমূহৰ সীমা স্পষ্টভাৱে নিৰ্ধাৰণ কৰিব লাগে।

ঘ) প্ৰতিখন বিশ্ববিদ্যালয় স্নাতকোত্তৰ কৃষি শিক্ষা প্ৰদান ব্যৱস্থা থাকিব লাগিব। ইয়াৰ বাবে বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আৰু কৰ্মচাৰী নিয়োগ কৰিব লাগিব।

ঙ) ভাৰতীয় কৃষি গৱেষণা কেন্দ্ৰ, ভাৰতীয় পশু গৱেষণা কেন্দ্ৰ, জাতীয়

দুগ্ধ গৱেষণা কেন্দ্ৰ, ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু কৃষি বিশ্ববিদ্যালয় সমূহে স্মাতকোত্তৰ পৰ্যায়ৰ কৃষি শিক্ষাৰ দায়িত্ব ল'ব লাগিব।

চ) প্ৰতিখন বিশ্ববিদ্যালয়তে একোটাকৈ সুসজ্জিত পুথিঁভৰাল থাকিব লাগিব।

ছ) ভাৰতীয় কৃষি গৱেষণা পৰিষদে আৰম্ভ কৰা প্ৰকল্প, যেনে-- সমন্বয়, সমস্যা আৰু উৎপাদন সম্বন্ধীয় গৱেষণা আদিৰ আৰ্হিৰ প্ৰকল্পসমূহক অধিক বিকাশিত কৰি তোলা কাৰ্যত কৃষি বিশ্ববিদ্যালয়সমূহে বিশেষ ভূমিকা ল'ব লাগিব।

জ) দহ বছৰীয়া স্কুলীয়া শিক্ষাৰ অন্তত কৃষি বিশ্ববিদ্যালয় প্ৰথম স্নাতক পাঠ্যক্ৰম পাঁচ বছৰীয়া হ'ব।

ঝ) বিশ্ববিদ্যালয়ৰ বিভাগসমূহৰ শৈক্ষিক স্বাধীনতা থাকিব লাগিব। বিশ্ববিদ্যালয় অনুদান আয়োগে স্থিৰ কৰা দৰমহাৰ নিৰিখ কৃষি বিশ্ববিদ্যালয়তো প্ৰযোজ্য হ'ব লাগিব।

ঞ) কৃষি আৰু বিজ্ঞান বিষয়ক স্নাতকসকলৰ কাৰণে বৃত্তিৰ ব্যৱস্থা কৰিব লাগে। কৃষি বিশ্ববিদ্যালয়ৰ মুঠ ২৫% ৰ বাবে বৃত্তিৰ ব্যৱস্থা কৰিব লাগে।

**২) কৃষিৰ বিকাশত আন বিশ্ববিদ্যালয়ৰ অবদান ঃ**

ক) কৃষি বিশ্ববিদ্যালয়ৰ বাহিৰে আন বিশ্ববিদ্যালয়ে যদিহে কৃষি বিষয়ক পাঠ্যসূচীৰ অৱতাৰণা কৰিব খোজে তেন্তে তাৰ বাবে যথোপযুক্ত অৰ্থ সাহায্যৰ ব্যৱস্থা কৰিব লাগিব।

খ) কৃষি বিশ্ববিদ্যালয় আৰু ভাৰতীয় প্ৰযুক্তিবিদ্যাৰ কেন্দ্ৰসমূহৰ মাজত শৈশিক বিষয়ত সম্বন্ধ গঢ়ি তুলি'ব লাগে। ভাৰতীয় প্ৰযুক্তিবিদ্যাৰ কেন্দ্ৰ আৰু কিছুমান বিশ্ববিদ্যালয়ত কৃষিবিভাগ মুকলি কৰিব লাগিব।

গ) আই আই টি. আৰু কিছুমান বিশ্ববিদ্যালয় কৃষি বিভাগত মুকলি কৰিব পৰাৰ সম্ভাৱনীয়তাৰ ওপৰত বিচাৰ কৰি চাব লাগিব।

**৩) কৃষি কলেজ আৰু পলিটেকনিক ঃ**

ক) নতুনকৈ কোনো কৃষি মহাবিদ্যালয় স্থাপনৰ অনুমতি দিব নালাগে। নিম্ন স্নাতক আৰু স্নাতক পৰ্যায়ৰ কৃষি শিক্ষা কৃষি বিশ্ববিদ্যালয়তহে দিব লাগে।

খ) কৃষি বিশ্ববিদ্যালয় অংগীভূত মহাবিদ্যালয়সমূহক ভৱিষ্যতে কৃষি বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰিব লাগিব।

গ) প্ৰতিখন কৃষি মহাবিদ্যালয়তে দুশ একৰ মাটিজোৰা একোখনকৈ পাম থাকিব লগিব।

ঘ) কৃষি পলিটেকনিকসমূহক কৃষি বিশ্ববিদ্যালয়ৰ সংলগ্নকৈ গঢ়ি তুলিব লাগে আৰু ইয়াত ছাত্ৰৰ সংখ্যা এহেজাৰমান হ'ব লাগে।

ঙ) এই পলিটেকনিকসমূহত কৃষি বিষয়ক বহুমুখী পাঠ্যক্ৰমৰ ব্যৱস্থা থাকিব লাগিব।

চ) নগৰ আৰু গাওঁ অঞ্চলৰ সকলো প্ৰাথমিক স্কুলতে সাধাৰণ শিক্ষাৰ অংগস্বৰূপে কিছু পৰিমাণৰ কৃষি বিষয়ক পাঠদানৰ ব্যৱস্থা থাকিব লাগিব।

ছ) স্নাতক আৰু নিম্ন স্নাতক পৰ্যায়ৰ শিক্ষাত গ্ৰামীণ তথা কৃষি বিষয়ক সমস্যাৱলীৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক চিনাকী কৰি দিব লাগিব।

**৪) সম্প্ৰসাৰণ কাৰ্যসূচী ঃ**

ক) কৃষি বিশ্ববিদ্যালয় আৰু পলিটেকনিকসমূহে বিশেষ বিষয়সূচীৰ অৱতাৰণা কৰি গ্ৰাম সেৱক আৰু কৃষি পণ্ডিতসকলে নিজা কাম- কাজ উপযুক্তভাৱে কৰি যাব পৰাকৈ সহায় -সহযোগ আগবঢ়াব লাগিব।

খ) প্ৰতিটো উন্নয়ন খণ্ডত একোটাকৈ সম্প্ৰসাৰণ কেন্দ্ৰ স্থাপন কৰি তাত উপযুক্ত অৰ্হতাৰ লোক নিয়োগ কৰা উচিত।

গ) সম্প্ৰসাৰণ কাৰ্যসূচীৰ অন্তৰ্গত কৃষি বিষয়ে শিক্ষাৰ কাৰণে সফল খেতিয়কসকলৰ সাহায্য লোৱা উচিত।

ঘ) যিসকল গ্ৰামীণ খেতিয়কে প্ৰাথমিক সম্প্ৰসাৰণ কেন্দ্ৰৰ জৰিয়তে কৃষি

বিষয়ে পাঠ্যসূচীত অংশ লৈছে তেওঁলোকক নিজ নিজ গাঁৱত কৃষকৰ অধ্যয়ন চক্ৰ গঠন কৰাৰ কাৰণে উৎসাহিত কৰাৰ প্ৰয়োজন ।

৬) অনাতাঁৰ চিনেমা আদিৰ দৰে প্ৰচাৰ মাধ্যমসমূহৰ যোগেদি গ্ৰামীণ সমাজ আৰু খেতিয়কসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

**৪.৪.১৯ বিজ্ঞান শিক্ষা আৰু গৱেষণা (Science Education and Research) ঃ**

কোঠাৰী আয়োগ বিজ্ঞান শিক্ষা আৰু গৱেষণা ক্ষেত্ৰত কিছুমান পৰামৰ্শ আগবঢ়াইছে। সেইবোৰ হৈছে এনেধৰণৰ-

১) আৰম্ভণিৰে পৰা বিজ্ঞান শিক্ষাৰ মূলসূত্ৰসমূহ বুজা, বৈজ্ঞানিক বিশ্লেষণ পদ্ধতি প্ৰয়োগ আৰু সৃজনাত্মক চিন্তাৰ প্ৰতি গুৰুত্ব দিব লাগে।

২) দ্ৰুতগতিত বাঢ়ি অহা মাধ্যমিক আৰু উচ্চ শিক্ষা, উদ্যোগ আৰু গৱেষণাৰ চাহিদা পূৰণ কৰিবৰ বাবে স্নাতকোত্তৰ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ উপৰিও বিজ্ঞান আৰু অংক বিষয়ত শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি কৰিব লাগিব।

৩) বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত থকা বৈষম্য দূৰ কৰিব লাগে। অংক আৰু বিজ্ঞান শিক্ষাৰ বাবে যথেষ্ট সংখ্যক অগ্ৰৱৰ্ত্তী অধ্যয়ন কেন্দ্ৰ স্থাপন কৰিব লাগিব।

৪) বিজ্ঞান শিক্ষাৰ স্নাতক আৰু স্নাতকোত্তৰ স্তৰৰ পাঠ্যক্ৰম পুনৰ সংশোধন কৰিব লাগিব।

৫) প্ৰত্যেক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় শিক্ষা বিভাগত প্ৰয়োজনীয় তথা সু-সজ্জিত পৰীক্ষাগাৰ থাকিব লাগিব।

৬) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ মাজত এক নিবিড় সম্পৰ্ক ৰাখিব লাগিব। বিজ্ঞান শিক্ষাৰ্থীসকলে পৰিসংখ্যাৰ জ্ঞান লাভ কৰিব লাগিব।

৭) বিশ্ববিদ্যালয় বিজ্ঞানৰ গৱেষণা উন্নয়নৰ বাবে অধিক শিক্ষাৰ্থী আৰু বিজ্ঞানীক আকৰ্ষিত কৰিব লাগে যাতে সৃজনী প্ৰতিভাশীল বিজ্ঞানী আৰু অভিযন্তাৰ দ্বাৰা দেশৰ জনসম্পদৰ উন্নতি হয়।

৮) গণিত বিষয়টোৰ পৰিকল্পিত শিক্ষাৰ বাবে বিশ্ববিদ্যালয়সমূহক বিশ্ববিদ্যালয় অনুদান আয়োগে সহায় কৰিব লাগিব।

৯) গৱেষণাৰ বাবে বিশ্ববিদ্যালয়বোৰ বিশ্ববিদ্যালয় অনুদান আয়োগ বিত্তীয় মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

১০) ভাৰত চৰকাৰৰ বৃত্তি লৈ বিদেশত শিক্ষা গ্ৰহণ কৰিবলৈ গৈ নিগাজিকৈ বসবাস কৰাৰ জৰিয়তে সৃষ্টি হোৱাৰ সমস্যাৰ ওপৰত নিয়ন্ত্ৰণ কৰিব লাগিব।

১১) বিজ্ঞান বিষয়ৰ বিভিন্ন সমস্যা সমাধানৰ বাবে চৰকাৰক পৰামৰ্শ দিবলৈ এখন উচ্চস্তৰীয় বিজ্ঞান পৰামৰ্শ সমিতি গঠন কৰিব লাগিব। এই সমিতিয়ে বিজ্ঞান বিষয়ৰ নীতি নিৰ্ধাৰণ, বিজ্ঞানৰ আৰশ্যকতা, আৰ্থিক আৰু অন্যান্য দিশসমূহৰ বিষয়ে চৰকাৰক পৰামৰ্শ দিব লাগে।

**আত্মমূল্যায়ন (ঞ)**

***(টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা)*

১) কৃষিবিষয়ক শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত কৃষি বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে কোঠাৰী আয়োগৰ পাঁচটা পৰামৰ্শৰ বিষয়ে লিখা।

........................................................................................

........................................................................................

........................................................................................

........................................................................................

........................................................................................

........................................................................................

........................................................................................

২) প্ৰাপ্তবয়স্ক শিক্ষাৰ উন্নতি সাধনত বিশ্ববিদ্যালয়ৰ দায়িত্বসমূহ উল্লেখ কৰা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

**৪.৬ সামৰণি ঃ**

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা পিছৰ কালছোৱাৰ পৰাই ভাৰতীয় শিক্ষাৰ হকে গঠন কৰা আয়োগ বা সমিতিসমূহৰ প্ৰতিবেদনৰ লগত কোঠাৰী আয়োগৰ প্ৰতিবেদনৰ যথেষ্ট পাৰ্থক্য আছে । এই আয়োগৰ প্ৰতিবেদনখনে কেৱল দোষ-ত্ৰুটিসমূহৰ উল্লেখ কাৰ্যতে সীমাবদ্ধ হৈ নাথাকি সেইবোৰ কেনেদৰে

নির্মূল কৰিব পৰা যাব তাৰো উপায়সমূহ আলোচনা কৰিছে। প্ৰাক্-প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ উচ্চতম পৰ্যায়ৰ শিক্ষা, তথা বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ সমস্ত দিশ ইয়াত সামৰি লোৱা হৈছিল আৰু জাতীয় শিক্ষা ব্যৱস্থাৰ ভৱিষ্যত ৰূপ কল্পনা কৰা হৈছিল।

প্ৰাক্-প্ৰাথমিক স্তৰৰ শিক্ষাৰ বিষয়ে কোঠাৰী আয়োগে প্ৰথমবাৰৰ কাৰণে গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ আগবাঢ়ি আহিল। অষ্টম শ্ৰেণীলৈকে স্কুলীয়া শিক্ষাক প্ৰাথমিক পৰ্যায়ৰ অন্তৰ্গত কৰি মাধ্যমিক আৰু উচ্চ মাধ্যমিক সংযোগ কৰি সম্পূৰ্ণ বাৰ বছৰীয়া স্কুলীয়া শিক্ষাৰ প্ৰৱৰ্তনৰ অৰ্থে আয়োগে আগবঢ়োৱা পৰামৰ্শ আধাৰতে বৰ্তমানৰ শিক্ষা ব্যৱস্থা গঠন কৰা হৈছে । প্ৰশাসন, তত্ত্বাৱধান আৰু পৰিদৰ্শন সম্বন্ধীয় দিশসমূহ আয়োগ বিশেষ গুৰুত্ব সহকাৰে বিবেচনা কৰিছে। ইয়াৰ বাহিৰেও নতুন পলিটেকনিক স্থাপন কৰা, পাঠ্যক্ৰম ব্যৱস্থাৰ পৰিবৰ্তন, পাঠ্যপুথি প্ৰস্তুত কৰা, কৰ্ম অভিজ্ঞতাৰ আঁচনি আদি পৰামৰ্শসমূহৰ মাজেদি আয়োগে ভাৰতীয় শিক্ষা ব্যৱস্থাক নতুন ৰূপেৰে সজোৱাৰ পথ দেখুওৱাইছে। শিক্ষাৰ্থীৰ বৈজ্ঞানীক দৃষ্টিভংগী, সমাজসেৱাবোধ, সহিষ্ণুতা, আত্মনিয়ন্ত্ৰণ, আত্মবিশ্বাস আদিৰ সাৱলীল বিকাশ সাধনৰ কাৰণে শিক্ষাৰ কাৰ্যসূচী প্ৰস্তুত কৰা আৰু বাস্তৱভিত্তিক শিক্ষাৰ জৰিয়তে শিক্ষাক উৎপাদানৰ লগত সামাজিক শিক্ষাৰ ব্যৱস্থা কৰা, ধনী-দুখীয়া সকলোৰে কাৰণে শিক্ষাত সমসুযোগৰ ব্যৱস্থা কৰা, জাতীয় সংহতি সবল কৰাৰ অৰ্থে নৱ চিন্তাধাৰাৰে পাঠ্যক্ৰম ৰচনা কৰা ইত্যাদি আন কিছুমান বিশিষ্ট, ব্যাপক আৰু শক্তিশালী পৰামৰ্শ আয়োগে আগবঢ়াইছে।

ইতিমধ্যে, চৰকাৰৰ পৰিবৰ্তনৰ লগে লগে নীতিৰ পৰিবৰ্তন হৈছে। ৰাজীৱ গান্ধী চৰকাৰৰ দিনত ১৯৮৬ চনত নতুন শিক্ষা নীতি আকৌ গঠন কৰা হয়। কোঠাৰী আয়োগৰ পৰামৰ্শৱলীৰ ভিত্তিত কিছু পৰিমাণৰ শৈক্ষিক পৰিবৰ্তন কৰা হ'ল যদিও অনেক পৰামৰ্শ এতিয়া শিক্ষামূলক নথি হিচাপেই ৰৈ গ'ল।

### ৪.৬.১ ঘাই শব্দ (Key Word)

| | |
|---|---|
| বিশিষ্ট অধ্যয়ন | ঃ বিশেষ বা গুৰুত্বপূৰ্ণ। |
| ব্যক্তিগত অধ্যয়ন | ঃ নিজাকৈ কৰা অধ্যয়ন |

| | |
|---|---|
| অংশকালীন শিক্ষা | ঃ দিনটোৰ কিছুসময়ৰ বাবে নিয়োজিত। |
| সম্প্ৰসাৰণ কৰ্ম | ঃ বিস্তাৰিত কৰা কাৰ্য। |
| কনচেপ্ট ৰ্কচ | ঃ ধাৰণা পাঠ্যক্ৰম |
| সংহত পাঠ্যসূচী | ঃ সম্পূৰ্ণৰূপে মিলিত বা একত্ৰীভূত। |
| পুনৰ বিন্যাস | ঃ শৃংখলাবদ্ধভাৱে সজোৱা। |
| স্ব- শাসিত | ঃ নিজৰ দ্বাৰা আয়ত্ত। |

**৪.৬.২ সামৰণি ঃ**

* ১৯৬৪ চনৰ ১৪ জুলাই তাৰিখে বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি ড° ডি.এছ কোঠাৰীৰ সভাপতিত্বত ভাৰতীয় শিক্ষা আয়োগ গঠন কৰা হয়।
* কোঠাৰী আয়েগৰ প্ৰতিবেদনখন ঘাইকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে।
* আয়োগে শিক্ষা আৰু উপাদান, সামাজিক আৰু জাতীয় ঐক্য, শিক্ষা আৰু আধুনিকীকৰণ, সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ আৰু ধৰ্ম সম্বন্ধীয় শিক্ষাৰ জটিলতাসমূহ নাইকীয়া কৰিবলৈ বিভিন্ন পৰামৰ্শ আগবঢ়াইছে।
* আয়োগৰ মতে শিক্ষাৰ মানদণ্ড চাৰিটা উপাদানৰ ওপৰত নিৰ্ভৰ কৰে।
* জাতীয় আৰু ৰাজ্যিক উভয় ক্ষেত্ৰতে শিক্ষাৰ মান একে হ'ব লাগিব।
* শিক্ষক প্ৰশিক্ষণৰ দিশত আয়োগ বেছি গুৰুত্ব অৰ্পণ কৰিছে। সকলোবোৰ শৈক্ষিক পৰিকল্পনা বা আঁচনিত শিক্ষকৰ ব্যৱসায়িক প্ৰস্তুতিক শিক্ষাৰ গুণবাচক প্ৰধান দিশ হিচাপে মানি লৈ তাক মুখ্য স্থান দিব লাগিব।
* প্ৰতিখন ৰাজ্য নিজ নিজ এলেকাৰ শিক্ষা তথা শিক্ষকৰ প্ৰয়োজনৰ আধাৰত প্ৰশিক্ষণ সম্প্ৰসাৰণ কাৰ্য আঁচনি আৰু কৰ্ম, অন্তৰ্বৰ্তী প্ৰশিক্ষণৰ দিশত চকু ৰাখিব লাগিব।

* উচ্চ শিক্ষা স্তৰৰ শিক্ষকৰ বৃত্তিমুখী প্ৰস্তুতিৰ কাৰণে প্ৰশিক্ষণৰ আৰম্ভ কৰিব লাগিব।
* ছাত্ৰ-ছাত্ৰী শিক্ষানুষ্ঠানত প্ৰৱেশ উদ্দেশ্যৰে জাতীয় প্ৰবেশ-নীতি প্ৰস্তুত কৰিব লাগিব।
* কোঠাৰী আয়োগেই ভাৰতৰ সৰ্বপ্ৰথম আয়োগ, যি জাতি বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ কাৰণে শিক্ষাত সমসুযোগৰ কথা কৈছে আৰু ভৱিষ্যতলৈ শিক্ষাক সম্পূৰ্ণভাৱে মাচুল ৰহিত কৰি গঠন কৰাৰ কথাত গুৰুত্ব আৰোপ কৰিছে।
* দেশৰ বিশাল জনসংখ্যা বৃদ্ধিয়ে শিক্ষাৰ দ্ৰুত বিস্তাৰৰ প্ৰয়োজনীয়তা অধিকাৰ কৰি তোলাৰ কাৰণে আয়োগে নতুন নতুন বিদ্যালয় স্থাপন কৰা পৰামৰ্শ আগবঢ়োৱাৰ বাদেও শিক্ষা বিস্তাৰৰ সমস্যাৰ সমাধানৰ কাৰণে কিছু নতুন উপাই কৰাৰ কথা কৈছে।
* সমগ্ৰ প্ৰাক্- বিশ্ববিদ্যালয়ত স্তৰক একমাত্ৰ এটা ধাৰাবাহিক একক হিচাপে বিবেচনা কৰাৰ প্ৰয়োজনীয়তা আৰু সমস্যাৰ ভিত্তিত ইয়াক বিভাজিত কৰাৰ ওপৰতহে আয়োগে গুৰুত্ব প্ৰদান কৰিছে।
* পাঠ্যক্ৰমৰ উন্নতি সাধনৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগ, প্ৰশিক্ষণ মহাবিদ্যালয়, ৰাজ্যিক শিক্ষা বিভাগ, শিক্ষা বৰ্ড আদিৰ সহযোগত পাঠ্যক্ৰম বিকাশ গৱেষণা আদিৰ জৰিয়তে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
* আয়োগে শিক্ষাত নিত্যনতুন জ্ঞানৰ সংমিশ্ৰণ কৰিব পৰাকৈ শিক্ষা প্ৰশাসনে নতুন নতুন শিক্ষা পদ্ধতিৰ ব্যৱহাৰৰ ব্যৱস্থা কৰি শিক্ষকসকলক উৎসাহিত কৰা উচিত আৰু শিক্ষকৰ বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। লগতে মূল্যায়নৰ ক্ষেত্ৰটো এক নৱদৃষ্টিভংগী লৈ আগবঢ়াৰ কথা কৈছে।
* আয়োগৰ মতে বিভাগীয় প্ৰশাসনীয় বিষয়াসকলক কৰ্মকালীন প্ৰশিক্ষণ, শিক্ষক শিক্ষাৰ উন্নতি সাধন, পাঠ্যক্ৰম, পাঠ্যপুস্তক নিৰ্দেশনা, মূল্যায়ন, গৱেষণা আদিৰ প্ৰতি দৃষ্টি ৰাখিবৰ বাবে ৰাজ্যিক শিক্ষাকেন্দ্ৰ গঠন কৰিব লাগিব।

* কেন্দ্ৰীয় চৰকাৰে স্কুলীয়া শিক্ষা বিকাশ আৰু ব্যৱসায়িক শিক্ষানুষ্ঠান স্থাপনৰ বাবে বহল পৰিসৰৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে বিশিষ্ট শিক্ষানুষ্ঠান গঠন আৰু বৃত্তি ব্যৱস্থাৰ দায়িত্ব বহন কৰিব লাগিব।
* বিশ্ববিদ্যালয় অনুদান আয়োগ প্ৰায়োগিক গৱেষণা, বিষয়সূচী নিৰ্ধাৰণ, ছাত্ৰ প্ৰশিক্ষণৰ সংখ্যা নিৰ্ধাৰণ আদি দিশত আলোচনাৰ কাৰণে আন্তঃবিশ্ববিদ্যালয় বৰ্ড তথা চৰকাৰ আৰু বিশ্ববিদ্যালয়সমূহ লৈ এক বিশেষ যন্ত্ৰৰ বিকাশ সাধনৰ পৰামৰ্শ আগবঢ়াইছে।
* আয়োগৰ মতে বিশ্ববিদ্যালয়ে ৰাজ্যিক চৰকাৰৰ লগত আলোচনা কৰিহে মহাবিদ্যালয়বোৰক স্বীকৃতি প্ৰদান কৰিব পাৰিব।
* আয়োগৰ পৰামৰ্শমতে ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যত এখনকৈ কৃষি বিশ্ববিদ্যালয় স্থাপন কৰিব লাগিব আৰু এই বিশ্ববিদ্যালয়ত কৃষি বিষয়ক বিভিন্ন বিষয়সূচীৰ অৱতাৰণা কৰিব লাগে।

**৪.৬.৩ সম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ**

১) ১৯৬৪ চনৰ ১৪ জুলাই তাৰিখে বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি ড$^{0}$ ডি.এছ.কোঠাৰীৰ সভাপতিত্বত কোঠাৰী আয়োগ গঠন কৰা হৈছিল ।

২) আয়োগৰ প্ৰতিবেদনখন ঘাইকৈ তিনিটা ভাগত ভাগ কৰা হৈছে।

**আত্মমূল্যায়ন(খ) ৰ উত্তৰ ঃ**

১) শিক্ষা আৰু উৎপাদন, সামাজিক আৰু জাতীয় আৰু ঐক্য শিক্ষা আৰু আধুনিককৰণ, সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ আৰু ধৰ্ম সম্বন্ধীয় দিশসমূহক শিক্ষা আৰু জাতীয় উদ্দেশ্য সাধনৰ বাবে মুখ্য বিষয় হিচাপে বাছি লৈছিল।

২) শিক্ষাৰ সংগঠন আৰু মানদণ্ড বিষয়ৰ চাৰিটা দিশ হৈছে-

ক) শিক্ষা গাঁথনিৰ ভিন ভিন পৰ্যায়কৰণ আৰু এইবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ ৰক্ষা কৰা।

খ) প্ৰত্যেক পৰ্যায়ৰ মুঠ সময় সীমা স্থিৰ কৰা।

গ) শিক্ষকৰ মান, পাঠক্ৰম, শিক্ষা পদ্ধতি, মূল্যায়ন পদ্ধতি, বিদ্যালয় গৃহ আৰু শিক্ষণৰ সা-সঁজুলিসমূহৰ প্ৰয়োগ সাধন আৰু তাৰ গুণমান বিশিষ্টতা নিৰ্ণয় কৰা।

ঘ) প্ৰাপ্ত সা-সুবিধাসমূহৰ উপযুক্ত ব্যৱহাৰ কৰা।

**আত্মমূল্যায়ন (গ) ৰ উত্তৰ ঃ**

১) শিক্ষক প্ৰশিক্ষণৰ উন্নতি ক্ষেত্ৰত আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ হৈছে-

ক) সকলোবোৰ শৈক্ষিক পৰিকল্পনাত শিক্ষকৰ ব্যৱসায়িক প্ৰস্তুতিক শিক্ষাৰ গুণগত উন্নতি প্ৰধান দিশ হিচাপে মানি লৈ মুখ্যস্থান দিব লাগিব।

খ) শিক্ষকক প্ৰশিক্ষিত কৰি তুলি'বৰ বাবে শিক্ষা বিষয়টোক বিশ্ববিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগিব।

২) কণিষ্ঠ প্ৰৱক্তাসকলক ভাল অভিজ্ঞ শিক্ষকসকলৰ পাঠদানৰ সময়ত শ্ৰেণীত থাকিবলৈ উৎসাহ দিব লাগিব। নতুন শিক্ষকসকলৰ কাৰণে প্ৰতি কলেজতে পুনৰ বিন্যাস কাৰ্যসূচীৰ ব্যৱস্থা সঘনাই কৰিব লাগিব আৰু কিছুমান বিশ্ববিদ্যালয়ত স্থায়ীভাৱে ষ্টাফ কলেজ স্থাপন কৰি এনে প্ৰশিক্ষণ পাঠ্যক্ৰমৰ দায়িত্ব অৰ্পণ কৰিব লাগিব।

**আত্মমূল্যায়ন (ঘ) ৰ উত্তৰ ঃ**

১) কোঠাৰী আয়োগ শাৰীৰিকভাৱে বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে--

ক) প্ৰতিখন জিলাত একোখনকৈ স্কুল স্থাপনৰ পৰামৰ্শ আগবঢ়াইছে।

খ) বাধাগ্ৰস্তসকলক শিক্ষা প্ৰদান কৰিবৰ কাৰণে বিশেষ শিক্ষক প্ৰশিক্ষণ

কাৰ্যসূচী হাতত ল'ব লাগিব ।

২) ক) পিছপৰা শ্ৰেণী আৰু জনজাতিসকলৰ শিক্ষাৰ ক্ষেত্ৰত আয়োগ বৰ্তমানৰ অনুসুচীত জাতি-জনজাতিৰ বাবে থকা কাৰ্যসূচীসমূহ চলাই নিয়া আৰু সেইবোৰৰ বিস্তাৰৰ ওপৰত গুৰুত্ব নোহোৱা আৰোপ কৰিছে।

খ) থান-থিত নোহোৱা আৰু সূচীভুক্তি নোহোৱা জাতি-জনজাতিৰ শিক্ষাৰ্থীৰ কাৰণে শিক্ষাৰ বিশেষ সুবিধা তথা ছাত্ৰাবাস বা ছাত্ৰীনিবাসৰ ব্যৱস্থা কৰিব লাগিব।

গ) প্ৰাথমিক স্তৰৰ শৈক্ষিক সা-সুবিধা কাৰণে ঘন জনবসতিপূৰ্ণ অঞ্চলসমূহত আশ্ৰম স্কুল স্থাপনৰ ব্যৱস্থা কৰিব লাগিব।

**আত্মমূল্যায়ন (ঙ) ৰ উত্তৰ ঃ**

১) ক) বিদ্যালয়ৰ পাঠ্যক্ৰমৰ উন্নতি কাৰণে আয়োগে বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগ, প্ৰশিক্ষণ মহাবিদ্যালয়, ৰাজিক শিক্ষা বিভাগ, শিক্ষা বৰ্ড আদিৰ সহযোগত পাঠ্যক্ৰম বিকাশ, গৱেষণা আদিৰ জৰিয়তে বিশেষ ব্যৱস্থা লোৱাত গুৰুত্ব প্ৰদান কৰিছে।

খ) নিৰ্ধাৰিত সময়ৰ মূৰে মূৰে গৱেষণাৰ ভিত্তিত পাঠ্যক্ৰমৰ সাল-সলনি তথা পৰিৰ্বতন কৰি থাকিব লাগে।

গ) পাঠ্যপুথি প্ৰণয়ন আৰু বিতৰণ সঁজুলিৰ প্ৰস্তুত কৰিব লাগিব আৰু শিক্ষকসকলক কৰ্মকালীন শিক্ষাৰ দ্বাৰা পাঠ্যক্ৰমৰ বিশেষ দিশসমূহৰ বিষয়ে অৱগত কৰিব লাগিব।

ঘ) নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰা আৰু তাৰ পৰীক্ষা- নিৰীক্ষা কৰাৰ ক্ষেত্ৰত বিদ্যালয়সমূহক সুযোগ দিব লাগে।

ঙ) ৰাজ্যিক শিক্ষা বৰ্ডে সাধাৰণ আৰু অগ্ৰৱৰ্ত্তী পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগিব।

**আত্মমূল্যায়ন (চ) ৰ উত্তৰ ঃ**

১) ক) প্ৰতিভাসম্পন্ন আৰু অনগ্ৰসৰ শিক্ষাৰ্থীসকলক বাছি উলিয়াই তেওঁলোকৰ বাবে সংবৰ্দ্ধক আৰু উন্নতমানৰ ব্যৱস্থা কৰিব লাগিব।

খ) মেধাসম্পন্ন শিক্ষাৰ্থীৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকক নিয়োগ কৰাৰ লগতে তেওঁলোকৰ মুক্ত প্ৰকাশ আৰু সৃজনাত্মক কামৰ বাবে সকলো ধৰণৰ সুবিধা প্ৰদান কৰিব লাগিব।

গ) অনুগ্ৰসৰ শিক্ষাৰ্থী বিকাশ বাবে বিশেষ দৃষ্টি ৰখাৰ লগতে শৈক্ষিক সা-সুবিধা ব্যৱস্থা কৰিব লাগিব।

**আত্মমূল্যায়ণ (ছ) ৰ উত্তৰ ঃ**

১) নতুন বিশ্ববিদ্যালয় গঠনৰ ক্ষেত্ৰত আয়োগ আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে--

ক) কলিকতা, বোম্বে, দিল্লী, মাদ্ৰাজ আদিৰ দৰে মহানগৰীত থকা বিশ্ববিদ্যালয়ৰ সহায় হোৱাকৈ নতুন বিশ্ববিদ্যালয় গঠন কৰিব লাগিব।

খ) অন্ততঃ ৩০খন সংবদ্ধ মহাবিদ্যালয় থকা অঞ্চলতহে এখন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।

গ) বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ দুই বা তিনি বছৰৰ আগতে এখন পৰিকল্পনা বৰ্ডে উপাচাৰ্যক নিযুক্তি দি বিশ্ববিদ্যালয়ৰ কাম-কাজ আৰম্ভ কৰিব।

**আত্মমূল্যায়ন (জ) ৰ উত্তৰ ঃ**

১) জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্দেশ্যসমূহৰ বিষয়ে কোঠাৰী আয়োগ আগবঢ়োৱা পৰামৰ্শবোৰ হ'ল-

ক) জাতীয় স্তৰত স্কুলীয়া শিক্ষাৰ উন্নতিৰ বাবে এই পৰিষদে স্কুলীয়া

শিক্ষাৰ জাতীয় বৰ্ড, ৰাজ্যিক শিক্ষা বিভাগ আৰু ৰাজ্যিক শিক্ষা সংস্থাৰ সহযোগত নিজা কাৰ্য সম্পাদান কৰিব লাগিব।

খ) এই পৰিষদৰ পৰিচালনা সমিতিত এজন মাধ্যমিক পৰ্যায়ৰ বিশিষ্ট শিক্ষক, এজন প্ৰাথমিক স্কুলৰ শিক্ষক বা শিক্ষা বিশেষজ্ঞ থাকিব লাগিব।

গ) পৰিষদৰ নিজস্ব পূৰ্ণকালীন অধিকৰ্তা আৰু যুটীয়া অধিকৰ্তা থাকিব। অধিকৰ্তাগৰাকীৰ বিশিষ্ট শিক্ষাবিদ হ'ব লাগিব। তেওঁৰ কাৰ্যকাল পাঁচ বছৰ হ'ব আৰু পদমৰ্যাদা বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ সমান হ'ব।

২) ভাৰতীয় শিক্ষা সেৱা, শিক্ষা আৰু গৱেষণা এই কাৰ্য দুটাৰ ভিত্তিত গঠন হ'ব লাগিব বুলি আয়োগ মত প্ৰকাশ কৰিছে।

**আত্মমূল্যায়ন (ঝ) ৰ উত্তৰ ঃ**

১) কোঠাৰী আয়োগে নিৰ্দ্ধাৰণ কৰি দিয়া কেন্দ্ৰীয় চৰকাৰৰ পুঁজি বিষয়ক দায়িত্বসমূহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে নিজস্ব অৰু কেন্দ্ৰীয় সৌজন্যমূলক ক্ষেত্ৰসমূহৰ যোগেদি শিক্ষাৰ বাবে এক বৃহৎ পৰিমাণৰ পুঁজিৰ যোগান ধৰিব। জাতীয় চৰিত্ৰ আৰু বিশেষভাৱে প্ৰয়োজনীয় শিক্ষাৰ কাৰ্যসূচীৰ বাবে কেন্দ্ৰীয় চৰকাৰে পুঁজিৰ যোগান ধৰিব। পুঁজিৰ অপচয় ৰোধ কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। বিশ্ববিদ্যালয় অনুদান আয়োগ শিক্ষাৰ দ্বাৰা আৰ্থিক উন্নতি, শৈক্ষিক গৱেষণাৰ বাবে ব্যৱস্থা হাতত ল'ব লাগে আৰু নৱ নিৰ্মিত বিশ্ববিদ্যালয়সমূহত শৈক্ষিক অৰ্থনৈতিক বিষয়ত অধ্যয়নৰ ব্যৱস্থা কৰিব লাগিব।

**আত্মমূল্যায়ন (ঞ) ৰ উত্তৰ ঃ**

১) কৃষি বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ হ'ল-

ক) দেশৰ প্ৰতিখন ৰাজ্যত একোখনকৈ কৃষি বিশ্ববিদ্যালয় স্থাপন কৰিব লাগিব।

খ) এই বিশ্ববিদ্যালয়ত কৃষি বিষয়ত বিভিন্ন বিষয়সূচীৰ অবতাৰণা কৰিব লাগে।

গ) ৰাজ্যিক কৃষি বিভাগ আৰু কৃষি বিশ্ববিদ্যালয়ৰ মাজত দায়িত্বসমূহৰ সীমা স্পষ্টভাৱে নিৰ্ধাৰণ কৰিব লাগে।

ঘ) প্ৰতিখন বিশ্ববিদ্যালয়তে স্নাতকোত্তৰ কৃষি শিক্ষা প্ৰদানৰ ব্যৱস্থা থাকিব লাগিব। ইয়াৰ বাবে বিশেষভাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আৰু কৰ্মচাৰী নিয়োগ কৰিব লাগিব।

ঙ) প্ৰতিখন বিশ্ববিদ্যালয়ত একোটাকৈ সু-সজ্জিত পুঁথিভৰাল থাকিব লাগিব।

২) প্ৰাপ্তবয়স্ক শিক্ষাৰ উন্নতি সাধনত বিশ্ববিদ্যালয়ৰ দায়িত্বৰ ক্ষেত্ৰত আয়োগ আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে-

ক) ভাৰতীয় বিশ্ববিদ্যালয়সমূহে প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰসাৰৰ বাবে বিশেষ দায়িত্ব বহন কৰিব লাগে।

খ) বয়স্ক লোকসকলৰ আৰ্থ-সামাজিক দিশৰ বিকাশ, সাংস্কৃতিক মূল্যবোধ তথা সামাজিক জীৱনৰ বিকাশৰ বাবে বিশ্ববিদ্যালয়ে বয়স্ক শিক্ষা বিভাগ খোলাৰ ব্যৱস্থা কৰিব লাগে।

গ) বিশ্ববিদ্যালয়ৰ সকলো বিভাগৰে প্ৰতিনিধিক লৈ প্ৰতিখন বিশ্ববিদ্যালয়ে প্ৰাপ্তবয়স্ক কাৰ্যসূচীৰ সফল প্ৰয়োগ সম্ভৱপৰ হয়।

ঙ) প্ৰাপ্তবয়স্ক শিক্ষাৰ সহায়ক হোৱাকৈ উপযোগী কিতাপ-পত্ৰ যোগান আৰু পুথিভৰাঁলৰ গঠনৰ ব্যৱস্থা কৰিব লাগে।

**৪.৬.৪ আৰ্হি প্ৰশ্ন ঃ**

১) কোঠাৰী আয়োগৰ শিক্ষা আৰু জাতীয় উদ্দেশ্যসমূহ কি কি?

২) শিক্ষকৰ স্থান সম্পৰ্কত আয়োগৰ পৰামৰ্শসমূহ লিখা।

৩) শিক্ষকৰ শিক্ষা সম্পৰ্কত আয়োগৰ পৰামৰ্শৰ বিষয়ে লিখা ।

৪) নামভৰ্তি আৰু জনশক্তি পৰিকল্পনা সম্পৰ্কত আয়োগৰ পৰামৰ্শ কি কি?

৫) বিদ্যালয় স্তৰৰ শিক্ষাৰ সম্প্ৰসাৰণৰ সমস্যা সমাধানৰ বাবে কোঠাৰী আয়োগ আগবঢ়োৱা পৰামৰ্শসমূহ লিখা ।

৬) বিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কত আয়োগৰ পৰামৰ্শবোৰ লিখা।

৭) বিদ্যালয়ৰ শিক্ষাদান পদ্ধতি, নিৰ্দেশনা আৰু মূল্যায়নৰ বিষয়ে কোঠাৰী আয়োগ কি পৰামৰ্শ আগবঢ়াইছিল।

৮) বিদ্যালয় শিক্ষা প্ৰশাসন আৰু পৰ্যবেক্ষণ সম্পৰ্কত আয়োগৰ পৰামৰ্শসমূহ উল্লেখ কৰা।

৯) উচ্চ শিক্ষাৰ বিভিন্ন দিশ সম্বন্ধে আয়োগৰ মতামতসমূহ লিখা।

১০) কৃষি শিক্ষা সম্পৰ্কত আয়োগৰ পৰামৰ্শবোৰ কি কি?

১১) বিজ্ঞান শিক্ষা আৰু গৱেষণা ক্ষেত্ৰত আয়োগৰ পৰামৰ্শবোৰ উল্লেখ কৰা।

১২) কোঠাৰী আয়োগ দেশৰ বৃত্তিমূলক, কাৰিকৰী আৰু আভিযান্ত্ৰিক শিক্ষা সম্পৰ্কত আগবঢ়োৱা পৰামৰ্শবোৰ লিখা।

**৪.৬.৫ প্ৰসঙ্গ পুথি**

চলিহা আৰু অন্যান্য ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, বিদ্যাভৱন, মহাত্মা গান্ধী পথ, যোৰহাট- ১

বৰকাকতি, বিদ্যানন্দ ঃ *ভাৰতীয় শিক্ষাৰ ইতিহাস*, ইউনিকা প্ৰকাশন, মহাত্মা গান্ধী পথ, যোৰহাট-১

শৰ্মা, তৰুণ কুমাৰ ঃ *আধুনিক ভাৰতৰ শিক্ষাৰ ইতিহাস আৰু সমস্যাৱলী* অসম প্ৰিণ্টিং ওৱৰ্কচ প্ৰাঃ লিঃ যোৰহাট

## খণ্ড-৪

# গোট-৫ ঃ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি

(National Policy of Education, 1986)

**গোট গঠন বিন্যাস (Unit Structure)**

**৫.০ উদ্দেশ্য**

**৫.১ প্ৰস্তাৱনা**

৫.১.১ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পটভূমি

৫.১.২ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্য

**৫.২ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পৰিচয়**

৫.২.১ পৰিচয়

৫.২.২ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা

অগ্ৰগতিৰ খতিয়ান

৫.২.৩ ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি

৫.২.৪ সমতাৰ বাবে শিক্ষা

অগ্ৰগতিৰ খতিয়ান

৫.২.৫ বিভিন্ন পৰ্যায়ৰ শিক্ষাৰ পুনৰ গঠন

৫.২.৬ কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা

অগ্ৰগতি খতিয়ান

৫.২.৭ শিক্ষা ব্যৱস্থা কাৰ্যক্ষমকৰণ

৫.২.৮ শিক্ষা প্ৰক্ৰিয়া আৰু বিষয়বস্তুৰ পুনৰ বিন্যাস

অগ্ৰগতি খতিয়ান

৫.২.৯ শিক্ষক

৫.২.১০ শিক্ষাৰ ব্যৱস্থাপনায়/পৰিচালনা

অগ্ৰগতি খতিয়ান

৫.২.১১ সম্পদ আৰু পুনৰৰীক্ষণ

৫.২.১২ ভবিষ্যত

অগ্ৰগতি খতিয়ান

**৫.৩ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সমালোচনা বা মূল্যায়ন**

**৫.৪ গোটটোৰ মূলভাৱ/সাৰাংশ**

**৫.৫ ঘাই শব্দসমূহ**

**৫.৬ পাঠ্য নিৰ্দেশনা**

সম্ভাব্য উত্তৰসমূহ

প্ৰসংগ গ্ৰন্থসমূহ

আৰ্হি প্ৰশ্নসমূহ

**৫.০ উদ্দেশ্য ঃ**

এই গোটটোত সন্নিবিষ্ট আলোচনাখনি অধ্যয়ন কৰাৰ অন্তত তোমালোকে নিম্নোক্ত উদ্দেশ্যসমূহত উপনীত হ'ব পাৰিবা--

(১) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পটভূমি আৰু উদ্দেশ্য বৰ্ণনা কৰিব পাৰিবা,

(২) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল খণ্ড বা দিশবোৰ ব্যাখ্যা কৰিব পাৰিবা আৰু

(৩) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ গুণ আৰু দোষ সাঙুৰি এটি সমালোচনাত্মক টোকা লিখিব পাৰিবা।

**৫.১ প্ৰস্তাৱনা ঃ**

ছাত্ৰ-ছাত্ৰীসকল, এই খণ্ডৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ গোটত তোমালোকে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছত শিক্ষাৰ বিকাশৰ বাবে গঠন কৰা বিভিন্ন আয়োগ আৰু সেই আয়োগসমূহে আগবঢ়েৰা বিভিন্ন পৰামৰ্শ আৰু পদক্ষেপৰ বিষয়ে জানিব পাৰিলা। এইটো গোটত তোমালোকলৈ বুলি আগবঢ়োৱা হৈছে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সন্দৰ্ভত এক বিস্তৃত আলোচনা। এই ৰাষ্ট্ৰীয় শিক্ষা নীতি হ'ল ভাৰতীয় শিক্ষাৰ সৰ্বাংগীন উন্নতি সাধনৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এক বিস্তৃত আৰু সুদূৰপ্ৰসাৰী আঁচনী।

**৫.১.১ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পটভূমি (Background of the National policy of Education- 1986)**

১৯৮৬ চনত সেই সময়ৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে ঘোষণা কৰিছিল যে দেশৰ বাবে অচিৰে এক নতুন শিক্ষা নীতি গ্ৰহন কৰা হ'ব। এই নতুন শিক্ষা নীতিৰ জৰিয়তে ভাৰতবৰ্ষই একবিংশ শতিকাত এক বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰিব পাৰিব।সেই সময়ৰ চৰকাৰখনে গভীৰভাৱে অনুধাৱন কৰি উঠিছিল যে দেশখনক অৰ্থনৈতিক আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ যোগেদি আগুৱাই নিয়াৰ একমাত্ৰ উপায়টোৱেই হ'ল শিক্ষা । এনে এক পটভূমিতেই এই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ খৰচা সংসদৰ উভয় সদনতে উত্থাপন

আৰু গৃহীত কৰা হয়। সেই সময়ৰ শিক্ষামন্ত্ৰী কে. চি পন্ট (K.C. Pant) ৰ নেতৃত্বত প্ৰস্তুত কৰা এই শিক্ষা নীতিকে ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতি বুলি ঘোষণা কৰি চৰকাৰে এক অভিলাষী মনোভাৱৰ পৰিচয় প্ৰদৰ্শন কৰে।

### ৫.১.২ ৰাষ্ট্ৰীয় শিক্ষানীতি,১৯৮৬ ৰ উদ্দেশ্যঃ

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উদ্দেশ্য সমূহক আমি প্ৰাথমিক শিক্ষা , মাধ্যমিক শিক্ষা আৰু উচ্চশিক্ষা - এই তিনি ভাগত আলোচনা কৰিম।

**প্ৰাথমিক শিক্ষা সম্পৰ্কীয় উদ্দেশ্য ঃ**

(১) সাৰ্বজনীন অৰধাৰণ/প্ৰবেশ আৰু উণস্থিতিপঞ্জী (পঞ্জীয়ন)

(২) ১৪ বছৰ বয়সলৈকে সকলো শিশুকে বিদ্যালয়লৈ অহাটো নিশ্চিত কৰা

(৩) বিদ্যালয়ৰ গুণগত শিক্ষাৰ পৰ্যাপ্ত উন্নতি সাধন কৰা যাতে সকলো শিক্ষয়ে প্ৰয়োজন অনুসৰি শিক্ষা লাভ কৰিব পাৰে।

**মাধ্যমিক শিক্ষা সম্পৰ্কীয় ঃ**

(১) শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নতি কৰণ

(২) ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰ শিক্ষা প্ৰদান কৰা।

**উচ্চ শিক্ষা সম্পৰ্কীয় ঃ**

(১) সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু আধ্যাত্মিক বিষয় সমূহত সমালোচনাত্মক চিন্তাৰ সুবিধা দিয়া।

## ৫.২ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পৰিচয় (Introduction of National Policy of education)

তোমালোকে ওপৰৰ আলোচনাত ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পটভূমি সম্পৰ্কে নিশ্চয় কিছু কথা গম পাই আহিছা। ইয়াত এই শিক্ষা নীতিৰ এক পৰিচয়সূচক টোকা প্ৰদান কৰা হ'ল।

দেশৰ সকলো লোকৰে মাজত শিক্ষা প্ৰসাৰ আৰু প্ৰচাৰৰ কাৰণে ভাৰত চৰকাৰে গ্ৰহণ কৰা এক বিশেষ নীতিয়েই হ'ল ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি। এই নীতিৰ জৰিয়তে প্ৰাথমিক স্তৰৰপৰা উচ্চশিক্ষাৰ স্তৰলৈকে সকলো স্তৰ অন্তৰ্ভুক্ত কৰি সামগ্ৰিকভাবে দেশৰ শিক্ষা ব্যৱস্থাক আগবঢ়াই নিব খোজা হৈছিল। এই শিক্ষা নীতিত অন্তৰ্ভুক্ত বিষয়বস্তুবোৰক সামগ্ৰিকভাৱে ১২টা ভাগত ভাগ কৰা হৈছে। এই ১২টা এনেধৰণৰ-

(১) পৰিচয় (Introduction)

(২) শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা (The Essence and role of Education)

(৩) ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি (National System of Educationa)

(৪) সমতাৰ বাবে শিক্ষা (Education for Quality)

(৫) বিভিন্ন পযায়ত শিক্ষাৰ পুনৰ গঠন (Re-organisation of Education at different stages)

(৬) কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা (Technical and Management Education)

(৭) শিক্ষা ব্যৱস্থাক কাৰ্যক্ষমকৰণ (Making the System Works)

(৮) শিক্ষাৰ বিষয়বস্তু আৰু প্ৰক্ৰিয়াৰ পুনৰ বিন্যাস (Re-orienting the content and process of education)

(৯) শিক্ষক (Teacher)

(১০) শিক্ষাৰ ব্যৱস্থাপনা /পৰিচালনা (Management of Education)

(১১) সম্পদ আৰু পুনৰীক্ষণ /পৰ্যালোচনা (Resource and Review)

(১২) ভৱিষ্যৎ (Future)

শিক্ষাৰ্থীসকল তোমালোকে গম পালা যে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বিষয়বস্তুবোৰক ১২ টা ভাগ বা খণ্ডত ভগাই উপস্থাপন কৰা হৈছে। এতিয়া আমি এই ভাগ বা খণ্ডকেইটা সুকিয়া সুকীয়াভাৱে আলোচনা কৰিম, মন দি পঢ়িবা আৰু বুজিবলৈ যত্ন কৰিবা।

**৫.২.১ (১) পৰিচয় (Introductory)**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এক পৰিচয়সূচক আলোচনা উল্লেখ আছে। এই শিতানত আলোচিত কথাখিনিয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লক্ষ্য আৰু সাৰমৰ্ম প্ৰকাশ কৰিছে।

**৫.২.২ (২) শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা (The essence and role of education)**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি দ্বিতীয় খণ্ড বা অংশৰ নাম ৰখা হৈছে শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা। এই অংশত ভাৰতবৰ্ষৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা সম্পৰ্কে আলোচনা কৰা হৈছে। এনেদৰে--

(ক) দেশৰ সকলো লোকৰ আধ্যাত্মিক আৰু পাৰ্থিৱ তথা সৰ্বাঙ্গীন বিকাশৰ বাবে শিক্ষাই মূল উপায়। সেয়েহে সকলোৰে বাবেই শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(খ) শিক্ষাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই শিক্ষাই জাতীয় সংহতি বিজ্ঞানসন্মত দৃষ্টিভংগী আৰু স্বাধীনচিতীয়া মনৰ বিকাশ সাধন কৰিব আৰু সংবিধানত সন্নিবিষ্ট সমাজবাদ, ধৰ্মনিৰপেক্ষতা আৰু গণতান্ত্ৰিক চিন্তা-চেতনাৰ উদ্ৰেক কৰিব।

(গ) শিক্ষাই দেশৰ অৰ্থনীতিৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ মানৱ শক্তিৰ সৃষ্টি কৰিব। জাতীয় আত্মনিৰ্ভৰশীলতাৰ বাবে গৱেষণা আৰু উন্নতিৰ দিহাও শিক্ষাহে।

(ঘ) মুঠৰ ওপৰত, শিক্ষাক দেশৰ বৰ্ত্তমান আৰু ভৱিষ্যতৰ বাবে এক বিনিয়োগ বুলি বিবেচনা কৰিব লাগিব। এইটোৱেই হ'ল ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল নীতি বা আদৰ্শ।

**(৩) ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি (National System of Education)**

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এই অংশটোৰ নাম ৰখা হৈছে "ৰাষ্ট্ৰীয় শিক্ষা

পদ্ধতি”। এই অংশটোত নিম্নোক্ত কথাখিনি কোৱা হৈছে--

ভাৰতীয় সংবিধানত সন্নিবিষ্ট নীতি আৰু আদৰ্শ আধাৰত এক ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি গঠন কৰা হ’ব। ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি ধাৰণাটোত কোৱা হৈছে যে এক নিৰ্দিষ্ট পৰ্যায়লৈকে জাতি, বৰ্ণ, লিংগ বা অৱস্থিতি নিৰ্বিশেষে শিক্ষা লাভ কৰিব। এই লক্ষ্যত উপনীত হ’বলৈ চৰকাৰে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰিব।

তাৰোপৰি, ১৯৬৮ চনৰ শিক্ষা নীতিত উল্লেখ কৰা সাধাৰণ স্কুল ব্যৱস্থা (Common School System) ৰ কাৰ্যকৰী কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা।

**সাধাৰণ বিদ্যালয় ব্যৱস্থা (Common School System) ঃ**

সামাজিক শ্ৰেণী, জাতি, বৰ্ণ, ধৰ্ম আৰু ভাষা নিৰ্বিশেষে সকলো লৰাছোৱালীয়ে পৰা বিদ্যালয় সামাজিক সমন্বয় আৰু শিক্ষাৰ সমাজৰ বাবে এনে বিদ্যালয়ৰ গুৰুত্ব যথেষ্ট বুলি ১৯৬৮ চনৰ শিক্ষানীতিত উল্লেখ কৰা হৈছিল।

এই অংশটো উল্লেখ থকা অন্য এটা গুৰুত্ব দিশ হ’ল প্ৰচলিত ১০+২+৩ শিক্ষা গাঁথনি সম্পৰ্কীয়। ইয়াত কোৱা হৈছে যে ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা ক্ষেত্ৰত গুৰুত্ব দিবলগীয়া অন্য এটা দিশ হ’ল এক উমৈহতীয়া শিক্ষাৰ গাঁথনি (Common educational Structure)। এই ক্ষেত্ৰত এটা প্ৰশংসনীয় পদক্ষেপ ইতিমধ্যেই গ্ৰহণ হৈছেই। সেয়া হ’ল ইতিমধ্যেই দেশৰ চুকে-কাণে এই ১০+২+৩ গাঁথনিটো কাৰ্যকৰী কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এই অংশটো কেৱল এটা অতিৰিক্ত পৰামৰ্শ আগবঢ়োৱা হৈছে যে সেই ১০+২+৩ গাঁথনিৰ অন্তৰ্গত যি প্ৰথম ১০ বছৰৰ স্তৰটো আছে তাৰ সামান্য সাল-সলনি কৰি নতুন ৰূপত ভাঙি পেলাব লাগে এনেদৰে প্ৰথম ৫ বছৰ প্ৰাথমিক শিক্ষা, তাৰ পিছত ২ বছৰৰ উচ্চ প্ৰাথমিক শিক্ষা আৰু শেষৰ দুবছৰ হাইস্কুলীয়া শিক্ষা বা মাধ্যমিক শিক্ষা।

**অগ্ৰগতিৰ খতিয়ান (ক)**

(১) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল খণ্ড বা দিশকেইটা উল্লেখ কৰা।

........................................................................................

........................................................................................

........................................................................................

........................................................................................

(২) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা সম্পৰ্কে কেনে ধৰণৰ কথা উল্লেখ আছে? (৪০টা শব্দৰ ভিতৰত )

........................................................................................

........................................................................................

........................................................................................

........................................................................................

ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিটো এক ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আধাৰত প্ৰতিষ্ঠিত হ'ব। এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমত কিছুমান উমৈহতীয়া বিষয় (Common core) আৰু অন্য কিছুমান শিথিল বিষয়তবস্তু থাকিব। এই উমৈহতীয়া বিষয়বস্তুৰ ভিতৰত থাকিব স্বাধীনতা আদোলনৰ ইতিহাস, সাংবিধানিক দায়বদ্ধাতা আৰু জাতীয় পৰিচয় ৰক্ষা কৰিবপৰা বিষয়সমূহ। এই উপাদানসমূহ বিভিন্ন বিষয় বা পাঠ্যক্ৰমত এনেধৰণেৰে সন্নিবিষ্ট কৰা হ'ব লাগে যাতে ইয়াৰ জৰিয়তে ভাৰতৰ উমৈহতীয়া সাংস্কৃতিক পৰম্পৰা, সমতা গণতন্ত্ৰ আৰু ধৰ্ম নিৰপেক্ষতা স্ত্ৰী-পুৰুষ সমতা, পৰিবেশ সংৰক্ষণ, সামাজিক অন্তৰায়সমূহৰ দূৰীকৰণ, ক্ষুদ্ৰ পৰিয়াল আদৰ্শ গ্ৰহণ, বৈজ্ঞানিক মানসিকতাৰ গঠন আদি প্ৰমূল্যবোধৰ বিকাশ সাধন হয়। সকলো শৈক্ষিক কাৰ্যক্ৰমণিকা ধৰ্মনিৰপেক্ষ মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত হ'ব।

যিহেতু ভাৰতবৰ্ষই অবিৰতভাবে গোটেই বিশ্বখকে এটা পৰিয়াল জ্ঞান কৰি শান্তি আৰু আন্তঃ ৰাষ্ট্ৰীয় বুজা-বুজিৰ হকে কাম কৰি আহিছে সেইবাবে যুব-প্ৰজন্মক শিক্ষাৰ জৰিয়তে গোলকীয় দৃষ্টিভংগীসম্পন্ন ব্যক্তি হিচাপে গঢ়ি তুলি আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু শান্তিপূৰ্ণ সহাৱস্থানৰ কাৰণে অভিৰোচিত কৰিব লাগিব।

সমতা স্থাপন কৰিবৰ কাৰণে সকলোকে সমান শৈক্ষিক সুবিধা প্ৰদান কৰাৰ উপৰিও সকলোৱে যাতে শিক্ষাৰ ক্ষেত্ৰত সফলতা লাভ কৰে তাৰ ব্যৱস্থা কৰিব লাগিব।

শিক্ষাৰ প্ৰতিটো স্তৰতে আয়ত্ব লাভ কৰিবলগীয়া শিক্ষণৰ ন্যূনতম মান নিৰ্ধাৰণ কৰিব লাগিব। দেশৰ বিভিন্ন প্ৰান্তৰত বসবাস কৰা লোকসকলৰ সংস্কৃতি আৰু সামাজিক পদ্ধতি সম্পৰ্কীয় জ্ঞান শিক্ষাৰ্থীসকলক প্ৰদান কৰিব লাগিব। তাৰোপৰি সংযোগী ভাষাৰ উৎকৰ্ষ সাধন, এটা ভাষাৰ কিতাপ অন্যটো ভাষালৈ অনুদান কৰা, বহু-ভাষিক অভিধান আৰু শব্দকোষ প্ৰকাশ কৰা আদি দিশত গুৰুত্ব দিব লাগিব। মুঠৰ ওপৰত যুৱকসকলে যাতে তেওঁলোকৰ নিজস্ব কল্পনা আৰু বোধেৰে ভাৰতবৰ্ষক পুনৰ আৱিস্কাৰ কৰিব পাৰে তেনেধৰণৰ কাম-কাজত উদগনি যোগাব লাগে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ মাজত আন্তঃআঞ্চলিক গতিশীলতাৰ সুবিধা প্ৰদান কৰা হ'ব। বিশ্ববিদ্যালয় আৰু অন্যান্য উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ প্ৰকৃতি আৰু বৈশিষ্ট্যসমূহ সাৰ্বজনীন হোৱাটো প্ৰয়োজনীয়।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা তথা গৱেষণা আৰু উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানবোৰৰ মাজত আন্তঃসম্পৰ্ক স্থাপন কৰি সকলোৱে একেলগে জাতীয় বিকাশৰ গতিত অৰিহণা যোগাব লাগিব।

শিক্ষাৰ সংস্কাৰ সাধন, বৈষম্য দূৰীকৰণ, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ, প্ৰাপ্তবয়স্কৰ নিৰক্ষৰতা দূৰীকৰণ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যামূলক গৱেষণা আদি দিশত গুৰুত্ব দিব লাগিব। অবিৰত শিক্ষাৰ

ব্যৱস্থা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। যুৱক-যুৱতী, গৃহিনী, কৃষি আৰু ঔদ্যোগিক ক্ষেত্ৰৰ শ্ৰমিক/কৰ্মী আৰু অন্যান্য বৃত্তিধাৰীসকলে যাতে নিজৰ পছন্দ আৰু শক্তি অনুযায়ী অবিৰত শিক্ষা লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। অনাগত দিনবোৰত সেইবাবে মুক্ত শিক্ষা আৰু দূৰৱৰ্তী শিক্ষাৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব।

ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিক সুস্থ ৰূপত গঢ়ি তুলি'বৰ কাৰণে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন সংস্থা বা অভিকৰণ, যেনে - বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ (AICTE), ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR), ভাৰতীয় চিকিৎসাবিদ্যা পৰিষদ (MCI) আদিক শক্তিশালী কৰি তুলি'ব লাগিব। এই সংস্থা বা অভিকৰণসমূহে যাতে স্নাতকোত্তৰ শিক্ষা আৰু গৱেষণা সঠিক পথেৰে আগবঢ়াই নিব পাৰে তাৰবাবে সু-সংহত পৰিকল্পনাৰ প্ৰয়োজন। তদুপৰি, ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন প্ৰতিষ্ঠান (NIEPA), বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান (IISTE) আদিকো এই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ৰূপায়ণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰোৱা হ'ব।

ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ ক্ষেত্ৰত থকা চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কেও এক গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়োৱা দেখা যায়। এই ক্ষেত্ৰত ইয়াত কোৱা হৈছে যে যিহেতু ১৯৭৬ চনৰ সংবিধান সংশোধনীয়ে শিক্ষাক সমৱৰ্তী সূচীত অন্তৰ্ভুক্ত কৰিলে সেয়েহে শিক্ষাৰ বিকাশৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে যুটীয়াভাৱে থাকিব। সেইবাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰসমূহে এক অৰ্থবহ যুটীয়া উদ্যোগত শিক্ষাৰ সৰ্বস্তৰৰ বিকাশ সাধনৰ বাবে চেষ্টা কৰিব।

### ৫.২.৪ সমতাৰ বাবে শিক্ষা (Education for Equality) ঃ

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এইটো অংশত শিক্ষাৰ ক্ষেত্ৰত যিবোৰ বৈষম্য আছে সেয়া নাইকিয়া কৰিবলৈ কিছুমান বিশেষ ব্যৱস্থাৰ পৰামৰ্শ দিয়া হৈছে। এই ক্ষেত্ৰত নিম্নোক্ত ধৰণৰ কথাখিনি উল্লেখ কৰা হৈছে -

**(ক) মহিলাৰ সমতাৰ বাবে শিক্ষা (Education for Women's Equality) :**

ইয়াত কোৱা হৈছে যে নাৰীৰ মৰ্যাদা বা প্ৰস্থিতিগত বৈষম্য নাইকিয়া কৰিবলৈ শিক্ষাক এক মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগে। অতীজৰে পৰা প্ৰদৰ্শন কৰি অহা মহিলা আৰু পুৰুষৰ বৈষম্য নাইকিয়া কৰিবলৈ মহিলাৰ সপক্ষে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মহিলাৰ সবলীকৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিয়ে এক যোগাত্মক আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। নাৰীৰ মৰ্যাদা বা প্ৰস্থিতিৰ উন্নয়নৰ বাবে পাঠ্যক্ৰমৰ পুনৰ গঠন, শিক্ষক আৰু শৈক্ষিক প্ৰশাসকসকলৰ প্ৰশিক্ষণ, শিক্ষানুষ্ঠানসমূহৰ সক্ৰিয় অংশগ্ৰহণ আদিৰ জৰিয়তে নতুন মূল্যবোধৰ প্ৰসাৰ সাধন কৰিব। মহিলাসকলৰ বিকাশৰ কাৰণে বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ উপৰিও পাঠ্যক্ৰমৰ এক অংগ হিচাপে মহিলা অধ্যয়ন (Women Studies) ক এক সুকীয়া স্থান দিয়া হ'ব।

মহিলাসকলৰ মাজত থকা নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে কিছুমান বিশেষ সাহায্য সেৱাৰ ব্যৱস্থা কৰা হ'ব। বিভিন্ন স্তৰত মহিলাসকলে যাতে বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাত অংশগ্ৰহণ কৰিব পাৰে, সেইটো দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। বৃত্তিগ্ৰহণৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ মাজত প্ৰচলিত বৈষম্য নাইকিয়া কৰিবলৈ মহিলাসকলক অপৰম্পৰাগত আৰু নতুন প্ৰযুক্তিৰ বৃত্তিসমূহৰ শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব।

**(খ) অনুসূচীত জাতিৰ শিক্ষা (Education for Equality) ঃ**

অন্যান্য লোকসকলৰ সৈতে সমানে ফেৰ মাৰিব পৰাকৈ অনুসূচীত জাতিৰ লোকসকলকো আগবঢ়াই নিবৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা নীতিত কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ প্ৰদান কৰিছে। এইক্ষেত্ৰত এনেধৰণৰ ব্যৱস্থাবোৰৰ কথা ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে -

১) চৈধ্য বছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালী যাতে বিদ্যালয়লৈ আহিবলৈ মন কৰে তাৰ বাবে কিছুমান বিশেষ উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

২) অনুসূচীত জাতিৰ ভিতৰত পৰা বিভিন্ন বৃত্তিৰ মানুহৰ ল'ৰা-ছোৱালীক পূৰ্ব-প্ৰবেশিকা জলপানি প্ৰদান কৰিব লাগে।

৩) অনুসূচীত জাতিৰ ল'ৰা-ছোৱালীৰ নামভৰ্তিকৰণ, বিদ্যালয় এৰি নোযোৱা, বিদ্যালয়ত সফলতা লাভ কৰা আদি নিশ্চিত কৰিবলৈ অবিৰত নিৰীক্ষণ আৰু পৰিকল্পনাৰ ব্যৱস্থা কৰা হ'ব। এই ল'ৰা-ছোৱালীবোৰৰ বাবে প্ৰয়োজন সাপেক্ষে পৰিশোধনমূলক পাঠ্যক্ৰমৰো ব্যৱস্থা কৰা হ'ব।

৪) অনুসূচীত জাতিৰ লোকসকলৰ মাজৰপৰা শিক্ষক নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

৫) অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জিলা সদৰসমূহত হোষ্টেলৰ ব্যৱস্থা কৰা হ'ব।

৬) অনুসূচীত জাতিৰ লোকসকলে অংশগ্ৰহণ কৰিব পৰাকৈ বিদ্যালয় গৃহ, বালৱাড়ী, প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰ আদি সূচল ঠাইত প্ৰতিষ্ঠা কৰা হ'ব।

৭) অনুসূচীত জাতিৰ লোকসকলে শিক্ষা গ্ৰহণ কাৰ্য-সুচাৰুৰূপে পৰিচালিত কৰিবলৈ নতুন নতুন কৌশল/পদ্ধতিৰ চিন্তা কৰা হ'ব।

৮) অনুসূচীত জাতিৰ ল'ৰা-ছোৱালীক ভাল শৈক্ষিক সা-সুবিধা প্ৰদান কৰিবৰ বাবে NREP আৰু RLEGP ৰ সম্পদসমূহৰ সদ-ব্যৱহাৰ কৰা হ'ব।

**(গ) অনুসূচীত জনজাতিৰ শিক্ষা (Education of Scheduled tribes) ঃ**

অনুসূচীত জনজাতিৰ শিক্ষাৰ্থীসকলক অন্যান্য শিক্ষাৰ্থীৰ সমপৰ্যায়লৈ আনিবলৈ নিম্নোক্ত ধৰণৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ কথা ইয়াত উল্লেখ আছে -

১) অনুসূচীত জনজাতি অধ্যুষিত এলেকাবোৰত বিদ্যালয় স্থাপনত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

২) অনুসূচীত জনজাতিৰ শিক্ষাৰ্থীসকলৰ বাবে প্ৰাৰম্ভিক স্তৰত জনজাতীয় ভাষাত পাঠ্যক্ৰম আৰু নিৰ্দেশাত্মক সঁজুলিবোৰ প্ৰস্তুত কৰা হ'ব। পিছত

অৰশ্যে তেওঁলোকে আঞ্চলিক ভাষাৰ যোগেদি শিক্ষা লাভ কৰিবলৈ সুবিধা পাব।

৩) শিক্ষিত আৰু উৎসাহী জনজাতি যুৱকসকলক শিক্ষকতা কৰিবলৈ উদগনি আৰু প্ৰশিক্ষণ দিয়া হ'ব।

৪) আশ্ৰম স্কুলৰ নিচিনাকৈ আবাসিক স্কুল প্ৰতিষ্ঠা কৰা হ'ব।

৫) জনজাতীয় জীৱন-শৈলী আৰু তেওঁলোকৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কিছুমান বিশেষ উদ্‌গনিমূলক ব্যৱস্থা হাতত ল'ব পৰা যায়। যেনে - কাৰিকৰী আৰু বৃত্তিমূলক উচ্চশিক্ষাৰ বাবে জলপানি দিয়া, পৰিশোধনমূলক পাঠ্যক্ৰমৰ ব্যৱস্থা ইত্যাদি।

৬) জনজাতীয় লোকসকলৰ ঐশ্বৰ্যশালী সাংস্কৃতিক পৰিচয় আৰু তেওঁলোকৰ মাজত সৃষ্টিশীল প্ৰতিভাৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰমবোৰ ৰচনা কৰিব লাগে।

**(ঘ) অন্যান্য শৈক্ষিকভাৱে পিছপৰা সম্প্ৰদায় আৰু অঞ্চলসমূহ (Other Educationally backward Sections and areas) ঃ**

অন্যান্য শৈক্ষিকভাৱে পিছপৰা লোকসকল, বিশেষকৈ গ্ৰামাঞ্চলৰ লোকসকলৰ বাবে কিছুমান বিশেষ উদ্‌গনিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৰ্বতীয়া আৰু মৰু অঞ্চল, দুৰ্গম আৰু দ্বীপ অঞ্চলত শৈক্ষিক সা-সুবিধাৰ ব্যৱস্থা কৰা হ'ব।

**(ঙ) সংখ্যালঘু সকলৰ বাবে শিক্ষা (Education for Minorities) ঃ**

সমতা আৰু সামাজিক ন্যায়ৰ স্বাৰ্থত সংখ্যালঘুসকলৰ শিক্ষাৰ বাবে কিছুমান বিশেষ শৈক্ষিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ জৰিয়তে সংবিধান প্ৰদত্ত সংখ্যালঘুৰ নিজা শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা, ভাষা-সংস্কৃতিৰ সুৰক্ষা আদি সম্ভৱ হ'ব। ইয়াৰ উপৰিও পাঠ্যপুথি আৰু শিক্ষানুষ্ঠানৰ কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰোঁতে জাতীয় সংহতিৰ আদৰ্শ সাৰোগত কৰিবলৈ যত্ন কৰিব লাগিব।

**(চ) বাধাগ্ৰস্তসকলৰ বাবে শিক্ষা (Education for handicapped) ঃ**

শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত শিশুসকলো যাতে অন্য সাধাৰণ শিশুৰ দৰে আগবাঢ়ি গৈ সাহস আৰু আত্মপ্ৰত্যয়েৰে জীৱন পথত আগুৱাই যাব পাৰে তাৰ কাৰণে এই ৰাষ্ট্ৰীয় শিক্ষা নীতিত এনেধৰণৰ ব্যৱস্থাসমূহৰ কথা কোৱা হৈছে -

১) চাল-চলনত দুৰ্বলতা থকা বা অন্য সাধাৰণ শিশুৰ সৈতে একেধৰণেৰে শিক্ষা দিয়া হ'ব।

২) যিসকল শিশুৰ বাধাগ্ৰস্ততাৰ মাত্ৰা অতি গম্ভীৰ তেওঁলোকৰ বাবে জিলা সদৰৰ বিশেষ বিদ্যালয় (হোষ্টেলযুক্ত) স্থাপন কৰিব লাগে।

৩) বাধাগ্ৰস্ত শিশুসকলক বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বাধাগ্ৰস্ত শিশুসকলক শিক্ষা দান কৰিবলৈ উপযুক্ত প্ৰশিক্ষণ দি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক সাজু কৰি তোলা হ'ব।

৪) বাধাগ্ৰস্ত শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত কাম কৰি থকা স্বেচ্ছাসেৱী সংগঠনসমূহক উদ্‌গনি দিয়া হ'ব।

**(ছ) প্ৰাপ্তবয়স্ক সকলৰ বাবে শিক্ষা (Education for Adults) ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে প্ৰাপ্তবয়স্কৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি নিম্নোক্ত ধৰণৰ পৰামৰ্শবোৰ দিছে -

সমাজৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উপযুক্ত সংখ্যক গুণগত মানসম্পন্ন মানৱ শক্তিৰ সৃষ্টি কৰিবলৈ অবিৰতভাৱে জ্ঞান-কৌশলৰ উত্তৰণ ঘটাই থাকিব লগা হয়। জাতীয় লক্ষ্য আৰু আদৰ্শৰ প্ৰতি দৃষ্টি ৰাখি প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ ভিতৰত দৰিদ্ৰতা নিৰ্মুলকৰণ, জাতীয় সংহতি, মহিলাৰ সমতা স্থাপন, পৰিবেশ সংৰক্ষণ, মানুহৰ সাংস্কৃতিক সৃষ্টিশীলতাক শক্তিশালীকৰণ, ক্ষুদ্ৰ পৰিয়ালৰ আদৰ্শ গ্ৰহণ আদি বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব লাগে।

১৫-৩৫ বছৰ বয়সৰ ভিতৰৰ সকলো নিৰক্ষৰ লোকৰ মাজত সাক্ষৰতা প্ৰদান কৰাৰ সংকল্পও ইয়াত কোৱা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰকে ধৰি শিক্ষাৰ লগত জড়িত সকলো ব্যক্তি, দল, সংগঠনে এই সাক্ষৰতা

প্ৰদান কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব। এই গণ সাক্ষৰতা কাৰ্যসূচীত অন্তৰ্ভুক্ত দিশবোৰ এনেধৰণৰ হোৱা উচিত ব্যৱহাৰিক জ্ঞান আৰু কৌশল, আৰ্থ-সামাজিক দিশবোৰৰ অনুধাৱন আৰু সিবোৰৰ পৰিবৰ্তনশীলতা ইত্যাদি। তাৰোপৰি প্ৰাপ্তবয়স্ক শিক্ষা আৰু অবিৰত শিক্ষাৰ কাৰ্যকৰীকৰণৰ বাবে নিম্নোক্ত দিশসমূহ অন্তৰ্ভুক্ত কৰা হৈছে -

(ক) গ্ৰামাঞ্চলত অবিৰত শিক্ষা কেন্দ্ৰ স্থাপন কৰা হ'ব।

(খ) নিয়োগকাৰী, ব্যৱসায়ীক সংগঠন, চৰকাৰৰ কৰ্তৃপক্ষসমূহ কৰ্মীসকলক শিক্ষা দিব।

(গ) মাধ্যমিক শিক্ষাৰ পিছৰ স্তৰৰ শিক্ষাৰ বাবে শিক্ষানুষ্ঠান স্থাপন কৰা হ'ব।

(ঘ) কিতাপ, পুথিভৰাঁল আৰু অধ্যয়ন কোঠাৰ উন্নয়ন সাধন কৰা হ'ব।

(ঙ) গণ শিক্ষা আৰু সামুহিক শিক্ষাৰ মাধ্যম হিচাপে ৰেডিঅ', দূৰদৰ্শন, কথাছবি আদি ব্যৱহাৰ কৰা হ'ব।

(চ) শিক্ষাৰ্থীসকলৰ সমূহ আৰু সংগঠন সৃষ্টি কৰা হ'ব।

(ছ) দূৰৱৰ্তী শিক্ষাৰ ব্যৱস্থাকৰণ।

(জ) আত্মশিক্ষণত সহায় কৰা হ'ব আৰু

(ঝ) প্ৰয়োজন আৰু আগ্ৰহ ভিত্তিক বৃত্তিমূলক প্ৰশিক্ষণ কাৰ্যসূচীৰ ব্যৱস্থা কৰা হ'ব ইত্যাদি।

**অগ্ৰগতিৰ খতিয়ান (খ)**

(১) ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি মানে কি? চমুকৈ লিখা।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

(২) ৰাষ্ট্ৰীয় পাঠ্যক্ৰমত কেনেধৰণৰ বিষয় থাকিব লাগে বুলি কোৱা হৈছে? (৩৫টা শব্দৰ ভিতৰত লিখা)

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

(৩) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত অনুসূচীত জাতিৰ শিক্ষাৰ বাবে প্ৰদান কৰা দুটা পৰামৰ্শ উল্লেখ কৰা।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

(৪) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত অনুসূচীত জনজাতিসকলৰ শিক্ষাৰ বাবে প্ৰদান কৰা দুটা পৰামৰ্শ উল্লেখ কৰা।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

(৫) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত বাধাগ্ৰস্তসকলৰ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা দুটা পৰামৰ্শ উল্লেখ কৰা।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

(৬) ১৯৮৬ চনৰ শিক্ষা নীতিত প্ৰাপ্তবয়স্ক শিক্ষা আৰু অবিৰত শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা তিনিটা পৰামৰ্শ উল্লেখ কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ৫.২.৫ বিভিন্ন পৰ্যায়ত শিক্ষাৰ পুনৰ গঠন (Re-organisatrion of Education at different levels) ঃ

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পঞ্চমটো অংশত/ভাগত বিভিন্ন পৰ্যায়ত শিক্ষাৰ পুনৰ গঠনৰ বাবে কিছুমান পৰামৰ্শ দিয়া হৈছে। এই ক্ষেত্ৰত নিম্নোক্ত দিশবোৰ আলোচনা কৰা দেখা যায় -

**(ক) প্ৰাক্-শৈশৱ কালৰ যতন আৰু শিক্ষা (Early Childhood Care and Education) ঃ**

ৰাষ্ট্ৰীয় শিক্ষা নীতিত প্ৰাক্-শৈশৱ কালৰ যতন আৰু শিক্ষাৰ ওপৰত বিনিয়োগ কৰাৰ ওপৰত গুৰুত্ব দিছে। শিশুৰ বিকাশ প্ৰক্ৰিয়াৰ কিছুমান দিশ, যেনে - পুষ্টি, স্বাস্থ্য, মানসিক, শাৰীৰিক, নৈতিক আৰু আবেগিক আদি দিশসমূহৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি প্ৰাক শৈশৱ কালৰ যতন আৰু শিক্ষা প্ৰদান কৰিব লাগিব। ইয়াক পৰাপক্ষত সংহত শিশু বিকাশ সেৱা আঁচনি (Integrated Child development services programme) ৰ অন্তৰ্ভুক্ত কৰা হ'ব।

এই প্ৰাক্-শৈশৱ কালৰ যতন আৰু শিক্ষাত শিশুৰ প্ৰকৃতিৰ আধাৰত সৰ্বাংগীন বিকাশ সাধন কৰিবলৈ যত্ন কৰা হ'ব আৰু সেইবাবে ই শিশুকেন্দ্ৰীক

প্ৰকৃতিৰ হ'ব। লিখা, পঢ়া, গণনা কৰা আদি আনুষ্ঠানিক শিক্ষাদানৰ বিষয়বস্তুবোৰক বৰ বিশেষ গুৰুত্ব প্ৰদান কৰা নহ'ব। মানৱ সম্পদৰ বিকাশ সাধন তথা প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ কাৰণে শিশুৰ যতন আৰু প্ৰাক্-প্ৰাথমিক শিক্ষাৰ সমন্বয় সাধন কৰা হ'ব।

**(খ) প্ৰাথমিক শিক্ষা (Elementary Education) ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত দুটা দিশৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। সেই দুটা দিশ হ'ল -

(১) সাৰ্বজনীনভাৱে নামভৰ্তিকৰণ আৰু ১৪ বছৰ বয়স পৰ্যন্ত শিশুৰ সাৰ্বজনীন সংৰক্ষণ আৰু

(২) শিক্ষাৰ গুণগত মানৰ উন্নয়ন সাধন।

ৰাষ্ট্ৰীয় শিক্ষা নীতিত প্ৰাথমিক শিক্ষা সন্দৰ্ভত গুৰুত্ব দিয়া অন্যান্য দিশবোৰ এনেধৰণৰ -

**(১) শিশুকেন্দ্ৰিক পদ্ধতি (Child Centred Approach) ঃ** শিশুসকলক বিদ্যালয়ত উপস্থিত থাকি শিক্ষা আহোৰণ কৰোঁৱাত এক মনোগ্ৰাহী অভিৰোচক হিচাপে বিবেচনা কৰা হয় এই শিশুকেন্দ্ৰিক পদ্ধতি ব্যৱহাৰ কৰা হ'ব। শিক্ষানুষ্ঠানৰ পৰা শাৰীৰিক শাস্তি বিলুপ্ত কৰা হ'ব আৰু বিদ্যালয়ৰ পাঠদানৰ সময়সূচী শিক্ষাৰ্থীৰ সুবিধা অনুসৰি নিৰ্ধাৰণ কৰা হ'ব।

**(২) বিদ্যালয়ৰ সা-সুবিধা (School Facilites) ঃ** প্ৰাথমিক বিদ্যালয়সমূহত কিছুমান দৰকাৰী সা-সুবিধা, যেনে - ন্যূনতম দুটা আহল-বহল শ্ৰেণীকোঠা, খেলা-ধূলাৰ বাবে পুতলা, ব্লেকবৰ্ড, মানচিত্ৰ, চাৰ্ট আৰু অন্যান্য শিক্ষণ সঁজুলি আদিৰ ব্যৱস্থা কৰা হ'ব। প্ৰতিখন বিদ্যালয়তে দুজনকৈ শিক্ষক, তাৰ মাজৰে এগৰাকী মহিলা থকা উচিত। পিছলৈ অৱশ্যে প্ৰতিটো শ্ৰেণীৰ বাবে একোজনকৈ শিক্ষক থকাৰ ব্যৱস্থা কৰিব।

এই সুবিধাসমূহ সহিতে সামগ্ৰিকভাৱে প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ কাৰণে যি এক প্ৰয়াস কৰা হৈছে, ইয়াক প্ৰতীক ভাষাত - অপাৰেশ্যন ব্লেকবৰ্ড (Operation Black Board, OBB) বোলা হ'ব। এই ' অপাৰেশ্যন ব্লেকবৰ্ড ' আঁচনিৰ জৰিয়তে প্ৰাথমিক শিক্ষাৰ উন্নয়ন সাধন হ'ব আৰু আঁচনিখন ৰূপায়ণ কৰিবলৈ চৰকাৰ, স্থানীয় কৰ্তৃপক্ষ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহে চেষ্টা কৰিব।

(৩) **অগতানুগতিক শিক্ষা (Non-formal Education) ঃ** শিশুসকল বিদ্যালয় নথকা স্থানৰ শিক্ষাৰ্থী, কৰ্মৰত শিশুসকল আৰু গোটেই দিনটোৰ বাবে বিদ্যালয়ত উপস্থিত থাকিব নোৱাৰা ছাত্ৰীসকলৰ বাবে এক বিস্তৃত আৰু পদ্ধতিসন্মত অগতানুগতিক শিক্ষাৰ আয়োজন কৰাৰ কথা কোৱা হৈছে। স্থানীয় মেধা যুৱক-যুৱতীসকলক প্ৰশিক্ষণপ্ৰাপ্ত কৰি তুলি অগতানুগতিক শিক্ষা কেন্দ্ৰসমূহত আধুনিক প্ৰযুক্তিবিদ্যাৰ সা-সজুঁলিৰ সহায়ত শিক্ষাদান কৰিবলৈ যত্ন কৰা হ'ব । তাৰোপৰি আনুষ্ঠানিক শিক্ষা আৰু অগতানুগতিক শিক্ষাৰ গুণগত মান সমপৰ্যায়ৰ কৰি তুলিবলৈ যত্ন কৰা হ'ব।

জাতীয় পাঠ্যক্ৰমৰ আধাৰত শিক্ষাৰ্থীসকলৰ আৰু স্থানীয় প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি অগতানুগতিক শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগিব।

অগতানুগতিক শিক্ষা কেন্দ্ৰসমূহ পৰিচালনাত মূলত স্বেচ্ছাসেৱী সংস্থা আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহে মূল ভূমিকা পালন কৰিব।

ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ্থীৰ অপচয় ৰোধ কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে। এই অপচয়ৰ সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত অগতানুগতিক শিক্ষাই বিশেষভাৱে সহায় কৰিব লাগিব। সেই অনুসৰি ১৯৯০ চনৰ ভিতৰত সকলো ১১ বছৰীয়া শিশু পঞ্চম শ্ৰেণী পাবগৈ। ঠিক তেনেদৰে ১৯৯৫ চনৰ ভিতৰত সকলো ১৪ বছৰীয়া শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা লাভ কৰিব লাগিব।

**((গ) মাধ্যমিক শিক্ষা (Secondary Education) ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত মাধ্যমিক শিক্ষা সন্দৰ্ভত যথেষ্ট গুৰুত্বপূৰ্ণ পদক্ষেপৰ কথা কোৱা হৈছে। মাধ্যমিক শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ ভিন্নমুখী ভূমিকাৰ বাবে সাজু কৰি তোলাৰ উদ্দেশ্য বিভিন্ন ধৰণৰ জ্ঞান-অভিজ্ঞতা প্ৰদানৰ ওপৰত ইয়াত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিত মাধ্যমিক শিক্ষাৰ বাবে আগবঢ়োৱা দুটামান গুৰুত্বপূৰ্ণ পদক্ষেপ এনেধৰণৰ -

গতি সজ্জিতকৰণ বিদ্যালয় (Pace-setting Schools) ঃ এই শিক্ষা নীতিত মাধ্যমিক শিক্ষা সম্পৰ্কে লোৱা এক বিশেষধৰণৰ বিদ্যালয়ৰ স্থাপন কৰা হয়। গতি সজ্জিতকৰণ বিদ্যালয় নামেৰে জনাজাত এই বিদ্যালয়সমূহক পিছলৈ অৱশ্যে নৱোদয় বিদ্যালয়সমূহ এই শিক্ষা নীতিৰ এক মনোৰম পদক্ষেপ। এই নৱোদয় বিদ্যালয়সমূহ বিনামূলীয়া আৰু আবাসিক প্ৰকৃতিৰ। এই বিদ্যালয়সমূহত দেশৰ গ্ৰামাঞ্চলসমূহৰ মেধাবী শিক্ষাৰ্থীসকলে একেলগে থাকি পঢ়া-শুনা কৰিব পৰাৰ ব্যৱস্থা থকাৰ কাৰণে এনে ব্যৱস্থাই শিক্ষাৰ্থীসকলৰ জৰিয়তে জাতীয় ঐক্য আৰু সংহতি স্থাপনত সহায়ক হ'ব। উল্লেখযোগ্য যে দেশৰ প্ৰতিখন জিলাতে পৰ্যায়ক্ৰমে একোখনকৈ নবোদয় বিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ লোৱাটো এই শিক্ষা নীতিৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

**বৃত্তিমুখীকৰণ (Vocationalisation) ঃ**

শিক্ষাৰ পুনৰ সংগঠনৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে গুৰুত্ব প্ৰদান কৰা অন্য এটা দিশ হ'ল শিক্ষাৰ বৃত্তিমুখীকৰণ। এই শিক্ষা নীতি কোৱা হৈছে যে বৃত্তিমুখী শিক্ষাৰ এক প্ৰণালীবদ্ধ, সু-পৰিকল্পিত আৰু দৃঢ়তাৰে ৰূপায়ণ কৰিব পৰা কাৰ্যসূচীৰ প্ৰয়োজনীয়তা আছে। শিক্ষাৰ বৃত্তিমুখীকৰণে শিক্ষাৰ্থীৰ আত্মসংস্থাপন, নিপুণ মানৰ সম্পদৰ ক্ষেত্ৰত থকা চাহিদা আৰু যোগানৰ ভাৰসাম্যহীনতা আৰু উদ্দেশ্যহীনভাৱে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা শিক্ষাৰ্থীসকলৰ সমস্যাৰ সমাধান কৰিব পাৰিব।

শিক্ষাৰ বৃত্তিমুখীকৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱা হৈছে যে যদিও বৃত্তিমূলক শিক্ষা মাধ্যমিক শিক্ষাৰ স্তৰ শেষ হোৱাৰ পিছতে আৰম্ভ কৰা হ'ব তথাপি প্ৰয়োজন সাপেক্ষে অষ্টম শ্ৰেণীৰ পিছতেই এই বৃত্তিমূলক শিক্ষা আৰম্ভ কৰিব পৰা যাব।

স্বাস্থ্য খণ্ডৰ লগত জড়িত বিভিন্ন বৃত্তিমূলক পাঠ্যক্ৰম প্ৰচলন কৰা হ'ব। কৃষিখণ্ড, সমাজসেৱা, বজাৰ মাৰ্কেটিং সম্পৰ্কীয় বিভিন্ন বৃত্তিমূলক পাঠ্যক্ৰমৰ লগতে আত্মনিয়োগ আৰু উদ্যমশীলতাৰ লগত জড়িত অন্যান্য বৃত্তিমূলক পাঠ্যক্ৰমো আৰম্ভ কৰিব লাগে।

চৰকাৰৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ নিয়োগকাৰী কৰ্তৃপক্ষসমূহে বৃত্তিমূলক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব। চৰকাৰে এই বৃত্তিমূলক শিক্ষাৰ ক্ষেত্ৰত মহিলা, গ্ৰামাঞ্চল আৰু জনজাতি অধ্যুষিত অঞ্চলৰ শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা আৰু চাহিদাৰ প্ৰতি বিশেষ মনোযোগ প্ৰদান কৰিব লাগিব।

মাধ্যমিক শিক্ষা সাং কৰা এক শতাংশ ছাত্ৰ-ছাত্ৰীক ১৯৯০ চনৰ ভিতৰত আৰু পঁচিশ শতাংশ ছাত্ৰ-ছাত্ৰীক ১৯৯৫ চনৰ ভিতৰত বৃত্তিমূলক পাঠ্যক্ৰম প্ৰদান কৰা হ'ব।

**(ঘ) উচ্চ শিক্ষা (Higher Education)**

ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱা হৈছে যে উচ্চ শিক্ষাই মানুহক সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক সমস্যাসমূহ অনুধাৱন কৰাত সহায় কৰে। বিশেষ বিশেষ দিশৰ জ্ঞান আৰু কৌশল প্ৰদানৰ জৰিয়তে উচ্চ শিক্ষাই জাতীয় প্ৰগতিত অৱদান আগবঢ়ায়। শৈক্ষিক জখলাৰ একেবাৰে উচ্চতম শিক্ষাই সমগ্ৰ শিক্ষা ব্যৱস্থাৰ বাবে শিক্ষকৰ যোগান ধৰিব।

জ্ঞানৰ অভূতপূৰ্ব বিস্ফোৰণৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা আগতকৈ অধিক গতিশীল হৈ নিত্য নতুন দিশলৈ গতি কৰিব লাগিব।

ৰাষ্ট্ৰীয় শিক্ষা নীতি গ্ৰহণ কৰাৰ সময়ত যিবোৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় আছিল, সেই শিক্ষানুষ্ঠানবোৰ অধিক সা-সুবিধাযুক্ত ৰূপত গঢ়ি তুলিব লাগিব বুলি ইয়াত কোৱা হৈছে। সমগ্ৰ উচ্চ শিক্ষা ব্যৱস্থাটোক অৱক্ষয়ৰ পৰা ৰক্ষা কৰিবই লাগিব বুলিও কোৱা হৈছে।

ৰাষ্ট্ৰীয় শিক্ষা নীতিত স্বয়ংচালিত মহাবিদ্যালয় (Aulonomous College) আৰু বিশ্ববিদ্যালয়ত স্বয়ংচালিত বিভাগ (Autonomous Department) ৰ ওপৰত যথেষ্ট গুৰুত্ব দি এই দিশত ব্যৱস্থা লোৱাৰ পৰামৰ্শ দিছে।

উচ্চ শিক্ষাৰ বাবে থকা পৰিষদবোৰে ৰাজ্যিক স্তৰৰ উচ্চ শিক্ষাৰ পৰিকল্পনা আৰু সমন্বয় সাধন কৰিব। উচ্চ শিক্ষাৰ গুণগত মান ৰক্ষাৰ কাৰণে বিশ্ববিদ্যালয় অনুদান আয়োগে আৰু এই পৰিষদবোৰে যুটীয়াভাৱে দায়িত্ব পালন কৰিব।

উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ আসন ক্ষমতা আৰু সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিহে শিক্ষাৰ্থীৰ নামভৰ্তিকৰণ হ'ব। শিক্ষাদানৰ পদ্ধতিৰো পৰিৱৰ্তন সাধন কৰা হ'ব।

দৃশ্য শ্ৰব্য সঁজুলি আৰু প্ৰযুক্তিবিদ্যামূলক সা-সঁজুলিৰ জৰিয়তেহে শিক্ষাদান কৰা হ'ব। যোগ্যতাৰ ভিত্তিত শিক্ষকৰ নিযুক্তি দিয়া হ'ব আৰু শিক্ষকৰ পাৰদৰ্শিতাৰ মূল্যায়নৰ ব্যৱস্থা কৰা হ'ব।

বিশ্ববিদ্যালয়ৰ গৱেষণামূলক কাৰ্যকলাপক বৰ্দ্ধিত সা-সুবিধা প্ৰদান কৰি উৎসাহিত কৰা হ'ব, যাতে ইয়াৰ গুণগত মান ৰক্ষা পৰে। গৱেষণামূলক কাম-কাজসমূহৰ সমন্বয় সাধনৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে উপযুক্ত ব্যৱস্থাপনাৰ উদ্ভাৱন কৰিব। বহু বিভাগীয় (Interdisciplinary) গৱেষণামূলক কাৰ্যক উদগনি প্ৰদান কৰা হ'ব। বিভিন্ন ক্ষেত্ৰৰ গৱেষণা আৰু বহু বিভাগীয় গৱেষণামূলক কাম-কাজৰ সমন্বয় সাধন আৰু সুবিধাকৰণৰ বাবে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমিতি বা অনুষ্ঠান গঠন কৰা হ'ব।

এইবোৰ দিশৰ উপৰিও উচ্চ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতিত অন্য কিছুমান দিশৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা হৈছে এনেধৰণেৰে -

**মুক্ত বিশ্ববিদ্যালয় আৰু দূৰৱৰ্তী শিক্ষা (Open University and Distance Learning) :**

ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱা হৈছে যে উচ্চ শিক্ষাৰ গণতন্ত্ৰীকৰণ আৰু উচ্চ শিক্ষাক সকলোৰে বাবে সুবিধাজনক কৰি তুলি'বলৈ মুক্ত বিশ্ববিদ্যালয় পদ্ধতিৰ প্ৰচলন হৈছে। সেইবাবে ১৯৮৫ চনত প্ৰতিষ্ঠা হোৱা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় (Indira Gandhi National Open University) ক শক্তিশালী ৰূপত তুলি ধৰিব লাগিব।

**সংস্থাপনা বা চাকৰিক শিক্ষাগত অৰ্হতাৰ পৰা সংযোগহীনকৰণ ঃ (Delinking degree from jobs) ঃ**

ৰাষ্ট্ৰীয় শিক্ষা নীতিত উচ্চ শিক্ষা সম্পৰ্কীয় এটা অন্যতম গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল চাকৰি কৰ্মক উপাধি ডিগ্ৰীৰ পৰা সংযোগহীনকৰণ। এই সংযোগহীনকৰণ অৱশ্যে আভিযান্ত্ৰিক, চিকিৎসা, আইন, শিক্ষাদান আদিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা নহ'ব। সংযোগহীনকৰণ প্ৰযোজ্য হ'ব কেৱল সেইবিলাক চাকৰি সেৱাৰ ক্ষেত্ৰতহে যিবোৰৰ বাবে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী আৱশ্যকীয় চৰ্ত নহয়। কিছুমান বিশেষ বৃত্তি চাকৰিৰ কাৰণে ৰাষ্ট্ৰীয় পৰীক্ষণ সেৱা (National Testing Service) প্ৰতিষ্ঠা কৰা হ'ব।

**গ্ৰাম্য বিশ্ববিদ্যালয় (Rural University) ঃ**

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অন্য এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল গ্ৰাম্য বিশ্ববিদ্যালয়ৰ প্ৰসাৰ ঘটোৱা। তৃণমূল পৰ্যায়ত পৰিকল্পনা কৰি গ্ৰামাঞ্চলৰ পৰিৱৰ্তন সাধনৰ বাবে এই বিশ্ববিদ্যালয়সমূহ মহাত্মা গান্ধীৰ আদৰ্শৰ আধাৰত প্ৰতিষ্ঠা কৰা হ'ব।

**৫.২.৬ কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা (Technical and Management education) ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা হৈছে। ইয়াত কোৱা হৈছে যে কাৰিকৰী শিক্ষা আৰু ব্যৱস্থাপনা শিক্ষা দুটা পৃথক বিষয় যদিও দুয়োটাৰ পাৰস্পৰিক সম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি একেটা দৃষ্টিভংগীৰে এই বিষয় দুটা চাব লাগিব। পৰিবৰ্তিত অৰ্থনীতি, সামাজিক পটভূমি, উৎপাদন আৰু ব্যৱস্থাপনা প্ৰক্ৰিয়া, জ্ঞানৰ প্ৰসাৰ আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰতি লক্ষ্য ৰাখি কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ পুনৰ গঠন কৰিব লাগিব।

মানৱ শক্তিৰ সম্পৰ্কীয় তথ্য-পাতিৰ কাৰণে শেহতীয়াকৈ প্ৰতিষ্ঠা কৰা কাৰিকৰী মানৱ শক্তি তথ্য পদ্ধতিক বিকশিত আৰু শক্তিশালী কৰি তুলি'ব লাগিব।

কম্পিউটাৰ শিক্ষা প্ৰশিক্ষণক এক প্ৰকাৰৰ বৃত্তিমূলক শিক্ষাৰ অংশ বুলি বিবেচনা কৰা হ'ব। স্কুলীয়া স্তৰৰে পৰাই কম্পিউটাৰ সাক্ষৰতাৰ কাৰ্যসূচীক এক বৃহৎ পৰিসৰত গ্ৰহণ কৰা হ'ব।

যিসকল শিক্ষাৰ্থীয়ে আনুষ্ঠানিকভাৱে কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা পোৱা নাই তেওঁলোকক দূৰৱৰ্তী শিক্ষাৰ জৰিয়তে কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। তদুপৰি মহিলা, অৰ্থনৈতিক আৰু সামাজিকভাৱে পিছপৰা শ্ৰেণী আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্থ লোকসকলৰ বাবে কাৰিকৰী শিক্ষা অগতানুগতিক পদ্ধতিৰে (Nonformal) প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগিব। উদ্যমশীলতাৰ প্ৰশিক্ষণ দিবলৈও ব্যৱস্থা কৰিব লাগে। পাঠ্যক্ৰমৰ সমৃদ্ধকৰণ আৰু পুনৰীক্ষণৰ জৰিয়তে নতুন নতুন প্ৰযুক্তিবিদ্যামূলক দিশৰ অন্তৰ্ভুক্ত কৰিব লাগে।

কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতিত থকা অন্য কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল এনেধৰণৰ -

(১) গ্ৰামাঞ্চলৰ পলিটেকনিকসমূহৰ পৰিসৰ আৰু গুণগত মান সবল বিকশিত কৰি তোলা হ'ব।

(২) উচ্চ কাৰিকৰী শিক্ষানুষ্ঠানবোৰত গৱেষণামূলক কাম-কাজক এক নতুন গতি প্ৰদান কৰা হ'ব। এই গৱেষণামূলক কাম-কাজৰ জৰিয়তে নতুন দেশীয় কাৰিকৰী কৌশল, প্ৰচলিত প্ৰযুক্তিবিদ্যাৰ উন্নয়ন, উৎপাদনশীলতাৰ বৃদ্ধিকৰণ আদি দিশ সম্ভৱ হৈ উঠিব।

(৩) সকলো স্তৰৰ কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষানুষ্ঠানসমূহৰ দক্ষতা আৰু ফলপ্ৰসূতা বৃদ্ধিৰ বাবে কিছুমান বিশেষ পদক্ষেপ গ্ৰহণ হ'ব। এই পদক্ষেপবোৰৰ ভিতৰত আছে -

* অপ্ৰচলিত ধাৰণাসমূহ দূৰ কৰি কাৰিকৰী শিক্ষানুষ্ঠানসমূহৰ আধুনিকীকৰণ
* শিক্ষাৰ্থী বিশেষকৈ ছোৱালীসকলৰ বাবে হোষ্টেলৰ ব্যৱস্থাকৰণ
* কাৰিকৰী শিক্ষানুষ্ঠানৰ শিক্ষক-কৰ্মচাৰী নিযুক্তিৰ বাবে অধিক ফলপ্ৰসু প্ৰক্ৰিয়া গ্ৰহণ
* উদ্যোগ প্ৰতিষ্ঠানসমূহৰ প্ৰয়োজনীয়তাৰ আধাৰত পাঠ্যক্ৰম নিৰ্ধাৰণ
* নিৰ্বাচিত কিছুমান শিক্ষানুষ্ঠানক স্বতন্ত্ৰতা প্ৰদান ইত্যাদি।

(৪) পৰিৱৰ্তিত ব্যৱস্থাপনা পদ্ধতি আৰু সিবোৰৰ সৈতে শিক্ষাৰ্থীসকলক পৰিচিত কৰি তুলি'বলৈ। কিছুমান বিশেষ পদক্ষেপৰ কথাও এই শিক্ষা নীতিত কোৱা হৈছে। কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ বাবে পৰিকল্পনা কৰা, প্ৰতিমান নিৰ্ধাৰণ আৰু ৰক্ষা, মূল্যায়ন, পুঁজি যোগান, প্ৰমাণ পত্ৰৰ ব্যৱস্থাকৰণ তথা সমন্বয় সাধনৰ কাৰণে সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ (All India Council for Technical Education) এ স্বতন্ত্ৰতাৰে কাম কৰিব।

উপযুক্ত মানদণ্ড থকা ব্যক্তিগত আৰু স্বেচ্ছামূলক খণ্ডৰ কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা প্ৰতিষ্ঠানৰ প্ৰচেষ্টাক অন্তৰ্ভুক্ত কৰি উদগনি যোগোৱা হ'ব। মানদণ্ড ৰক্ষা কৰাৰ স্বাৰ্থত কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ বাণিজ্যিকীকৰণ হ'বলৈ দিয়া নহ'ব।

**অগ্ৰগতিৰ খতিয়ান (গ)**

(১) অপাৰেশ্যন ব্লেকবৰ্ড কি চমুকৈ লিখা।

......................................................................................

......................................................................................

......................................................................................

......................................................................................

(২) নবোদয় বিদ্যালয় কি চমুকৈ লিখা।

......................................................................................

......................................................................................

......................................................................................

......................................................................................

(৩) শিক্ষাৰ বৃত্তিমুখীকৰণ মানে কি চমুকৈ লিখা।

......................................................................................

......................................................................................

......................................................................................

(৪) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা সন্দৰ্ভত আগবঢ়োৱা তিনিটা পৰামৰ্শ উল্লেখ কৰা।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

**৫.২.৭ শিক্ষা ব্যৱস্থাৰ কাৰ্যক্ষমকৰণ (Making the system work)**

এই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ যোগেদি শিক্ষা ব্যৱস্থাক পুনৰ গঠন কৰোঁতে বিশৃংখলতাৰ সৃষ্টি নহ'বৰ বাবে কিছুমান পৰামৰ্শ তথা ব্যৱস্থা আগবঢ়াইছিল। দেশৰ জনসাধাৰণে শিক্ষা ব্যৱস্থাটোৰ ওপৰত গভীৰ আস্থা ৰাখে। জনসাধাৰণৰ এই আস্থাক কাৰ্য ৰূপায়ণ কৰিবৰ বাবে শিক্ষা ব্যৱস্থাক কাৰ্যক্ষম কৰি তুলি'ব লাগিব। এই ক্ষেত্ৰত আগবঢ়োৱা কৌশলসমূহ এনেধৰণৰ -

* গভীৰ দায়বদ্ধতাৰে শিক্ষকক শিক্ষাদান কৰিবলৈ সা-সুবিধা আগবঢ়াব লাগিব।
* ছাত্ৰ-ছাত্ৰীসকলৰ সেৱাৰ সুবিধাসমূহ উন্নত কৰিব লাগিব আৰু তেওঁলোকৰ আচৰণসমূহৰ মানদণ্ড ৰক্ষা কৰিব লাগিব।
* ছাত্ৰ-ছাত্ৰীসকলৰ সেৱাৰ সুবিধাসমূহ উন্নত কৰিব লাগিব আৰু তেওঁলোকৰ আচৰণসমূহৰ মানদণ্ড ৰক্ষা কৰিব লাগিব।
* শিক্ষানুষ্ঠানবিলাকক ভাল সা-সুবিধা প্ৰদান কৰিব লাগিব আৰু
* ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত মান বজাই ৰাখিবৰ বাবে প্ৰতিষ্ঠাসমূহৰ মূল্যায়ন কৰিব লাগিব।

**৫.২.৮ শিক্ষা বিষয়বস্তু আৰু প্ৰক্ৰিয়াৰ পুনৰ বিন্যাস (Re-orienting the content and process of education)**

শিক্ষা বিষয়বস্তু আৰু প্ৰক্ৰিয়াৰ পুনৰ বিন্যাসৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা

নীতিত কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা হৈছে। সেইবোৰৰ ভিতৰত কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল নিম্নোক্ত ধৰণৰ -

**(১) সাংস্কৃতিক প্ৰেক্ষাপট (Cultural Persective)ঃ**

আনুষ্ঠানিক শিক্ষা আৰু দেশখনৰ বৈচিত্ৰপূৰ্ণ আৰু ঐশ্বৰ্যশালী সংস্কৃতিৰ মাজত সম্পৰ্ক থাকিব লাগিব। নতুন প্ৰজন্মক ভাৰতৰ ইতিহাস আৰু সংস্কৃতিৰ দিশৰ পৰা আঁতৰাই ৰাখিব নালাগিব।

সমগ্ৰ শিক্ষা প্ৰক্ৰিয়া আৰু শিক্ষণীয় বিষয়বস্তুবোৰক সাংস্কৃতিক উপাদানেৰে সমৃদ্ধ কৰি তোলা হ'ব। শিশুসকলৰ মাজত নান্দনিক সংবেদনশীলতা, সংহতি আৰু নিৰ্মলতাৰ বিকাশ সাধন কৰিব লাগিব। শিক্ষাক সাংস্কৃতিক উপাদানেৰে সমৃদ্ধকৰণ কৰিবলৈ বিভিন্ন প্ৰকাৰৰ কৌশল অৱলম্বন কৰিব লাগিব। বিশ্ববিদ্যালয় আৰু কলা, পুৰাতত্ত্ব আদিৰ শিক্ষানুষ্ঠানৰ মাজত সম্পৰ্ক স্থাপন কৰিব লাগিব। তাৰোপৰি সুকুমাৰ কলা, সংগীত বিদ্যা, লোক সংগীত আদিৰ শিক্ষা আৰু গৱেষণাৰ প্ৰতি উপযুক্ত ধৰণেৰে মনোনিবেশ কৰিব লাগিব।

**(২) মূল্যবোধৰ শিক্ষা (Volume education)ঃ**

ৰাষ্ট্ৰীয় শিক্ষা নীতিত মূল্যবোধৰ শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াত কোৱা হৈছে যে মূল্যবোধ অৱক্ষয়ৰ সমস্যাটোৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰমৰ সংশোধন কৰিব লগে যাতে শিক্ষাক সামাজিক আৰু নৈতিক মূল্যবোধৰ বিকাশৰ এক আহিলা হিচাপে প্ৰস্তুত কৰিব পৰা যায়।

আমাৰ দৰে বহুমুখী সংস্কৃতিপূৰ্ণ দেশত মানুহৰ মাজত একতা আৰু সংহতি স্থাপন কৰিবলৈ সাৰ্বজনীন আৰু শাশ্বত মূল্যবোধৰ প্ৰসাৰ ঘটিব লাগিব। ই আমাৰ মাজৰ অসূয়া-অপ্ৰীতিবোৰ নাইকিয়া কৰিব। তাৰোপৰি আমাৰ ঐতিহ্য আৰু জাতীয় লক্ষ্যৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰ যাতে মূল্যবোধৰ শিক্ষাই এক ভূমিকা পালন কৰিব পাৰে তাৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**(৩) ভাষা (Languages) ঃ**

এই ৰাষ্ট্ৰীয় শিক্ষা নীতিত ভাষা সম্পৰ্কেও গুৰুত্বপূৰ্ণ পদক্ষেপৰ কথা কোৱা হৈছে। এই ক্ষেত্ৰত কোৱা হৈছে যে ১৯৬৮ চনৰ শিক্ষা নীতিত ইতিমধ্যেই ভাষা সম্পৰ্কীয় যিখিনি পৰামৰ্শ আৰু পদক্ষেপৰ কথা উল্লেখ আছে সেইখিনিকে উদ্দেশ্যপূৰ্ণ আৰু শক্তিশালীভাৱে কাৰ্যকৰীকৰণৰ ব্যৱস্থা ল'ব লাগে।

**(৪) গ্ৰন্থ আৰু গ্ৰন্থাগাৰসমূহ (Books and Libraries) ঃ**

গ্ৰন্থ আৰু গ্ৰন্থাগাৰ সম্পৰ্কীয় কিছুমান গুৰুত্বপূৰ্ণ পদক্ষেপ এই ৰাষ্ট্ৰীয় শিক্ষা নীতিত উল্লেখ কৰা হৈছে। কম মূল্যতে যাতে সকলো শ্ৰেণীৰ লোকে কিতাপৰ সান্নিধ্য লাভ কৰিব পাৰে তাৰ বন্দোবস্ত কৰিব লাগে বুলিও ইয়াত কোৱা হৈছে। তাৰোপৰি, কিতাপৰ মান উন্নত কৰা, অধ্যয়নৰ অভ্যাস গঠন, সৃষ্টিশীল লিখনি আদি দিশত গুৰুত্ব প্ৰদান কৰা হ'ব। বিদেশী কিতাপবোৰৰ ভাল অনুবাদৰ ব্যৱস্থা কৰা হয়। শিশুৰ পাঠ্যপুথি আৰু অনুশীলন পুথি যাতে গুণগত মান সম্পন্ন হয় তাৰ প্ৰতি মনোযোগ দিয়া হ'ব।

গ্ৰন্থৰ গুণগত উন্নয়নৰ সমসাময়িকভাৱে দেশজুৰি গ্ৰন্থাগাৰ প্ৰতিষ্ঠা আৰু ইতিমধ্যে প্ৰতিষ্ঠিত গ্ৰন্থাগাৰবোৰৰ মান উন্নয়নৰো ব্যৱস্থা কৰা হ'ব।

প্ৰত্যেক শিক্ষানুষ্ঠানতে যাতে গ্ৰন্থাগাৰৰ সুবিধা থাকে আৰু এই গ্ৰন্থাগাৰবোৰৰ মান যাতে উন্নত হয় তাৰ ব্যৱস্থা কৰা হ'ব।

**(৫) মাধ্যম আৰু শৈক্ষিক প্ৰযুক্তিবিদ্যা (Media and educational trchnology)**

এই শিতানত ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱা হৈছে যে দুৰ্গম আৰু বঞ্চিত শিক্ষাৰ্থীসকল যাতে শিক্ষা ব্যৱস্থাৰ দ্বাৰা উপকৃত হ'ব পাৰে তাৰ কাৰণে সংযোগৰ মাধ্যম আৰু শৈক্ষিক প্ৰযুক্তিবিদ্যাক বহলভাৱে ব্যৱহাৰ কৰা হ'ব। শিক্ষকৰ প্ৰশিক্ষণ, গুণগত মান উন্নয়ন, কলা-সংস্কৃতিৰ প্ৰতি সচেতনতা বৃদ্ধিকৰণ আদি ক্ষেত্ৰত শৈক্ষিক প্ৰযুক্তিবিদ্যাক বিশেষ ধৰণেৰে ব্যৱহাৰ কৰা হ'ব।

ৰেডিঅ, দূৰদৰ্শন আদি মাধ্যমবোৰৰ জৰিয়তে বিভিন্ন ধৰণৰ জ্ঞান-অভিজ্ঞতা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে কাৰণ শিশু আৰু প্ৰাপ্তবয়স্ক, সকলোৰে ক্ষেত্ৰতে ইয়াৰ গভীৰ প্ৰভাৱ পৰা দেখা যায়। উচ্চ মানৰ শিশু বোলছবি সৃষ্টিৰ বাবে প্ৰচেষ্টা হাতত ল'ব লাগিব।

**(৬) কৰ্ম অভিজ্ঞতা (Work Experience) ঃ**

সকলো স্তৰৰ শিক্ষাতে কৰ্ম অভিজ্ঞতাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেইবাবে এক সু-সংগঠিত আৰু স্তৰীভূত ৰূপত কৰ্ম অভিজ্ঞতাৰ শিক্ষা প্ৰদান কৰিব লাগে। কৰ্ম অভিজ্ঞতাসমূহ শিক্ষাৰ্থীৰ আগ্ৰহ, ক্ষমতা আৰু প্ৰয়োজনীয়তাৰ আধাৰত নিৰ্ধাৰণ কৰিব লাগে। কৰ্ম অভিজ্ঞতাৰ জ্ঞানে শিক্ষাৰ্থীসকলক তেওঁলোকৰ কৰ্ম জগতত প্ৰবেশত কৰোৱাত সহায় কৰিব।

**(৭) শিক্ষা আৰু পৰিৱেশ (Education and environment) ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত স্পষ্টভাৱে কোৱা হৈছে যে শিক্ষাৰ্থীসকলৰ মাজত পৰিবেশ সচেতনতা সৃষ্টি কৰাটো অতি প্ৰয়োজনীয়। শিক্ষাৰ সকলো স্তৰতে শিক্ষাৰ্থীসকলক পৰিবেশ সচেতন কৰি তুলি'বলৈ যত্ন কৰিব লাগিব।

**(৮) গণিত শিক্ষা (Mathematics teaching) ঃ**

গণিত বিষয়টোক এনেকুৱা এটা স্তৰলৈ পৰ্যবসিত কৰিব লাগে যাৰ যোগেদি ই শিক্ষাৰ্থীক চিন্তা কৰিবলৈ, যুক্তি দৰ্শাবলৈ, বিশ্লেষণ আৰু যুক্তিৰে কোনো কথা প্ৰকাশ কৰিবলৈ সক্ষম কৰি তুলি'ব। ইয়াক এক সুকীয়া আৰু নিৰ্দিষ্ট বিষয় হিচাপে বিবেচনা কৰাতকৈ বিশ্লেষণ আৰু যুক্তি প্ৰদৰ্শন সম্পৰ্কীয় বিষয়বস্তু অন্তৰ্ভুক্ত হৈ থকা অন্য বিষয়সমূহৰ সহযোগী হিচাপেহে গণ্য কৰিব লাগিব।

কম্পিউটাৰ শিক্ষা ইতিমধ্যেই যিহেতু বিদ্যালয়সমূহত অন্তৰ্ভুক্ত কৰা হৈছেই, সেইবাবে গণিত শিক্ষাক কম্পিউটাৰ শিক্ষাৰ লগত সম্পৰ্কিত কৰি তুলিব লাগিব।

**(৯) বিজ্ঞান শিক্ষা (Science Education) ঃ**

শিশুসকলৰ মাজত কিছুমান নিৰ্দিষ্ট দক্ষতা আৰু মূল্যবোধ, যেনে - অনুসন্ধিৎসা, সৃষ্টিশীলতা, বস্তুনিষ্ঠতা, প্ৰশ্ন সোধাৰ সাহস, নান্দনিক সংবেদনশীলতা আদিৰ বিকাশৰ কাৰণে বিজ্ঞান শিক্ষাক শক্তিশালী কৰি তুলি'ব লাগিব। বিজ্ঞান শিক্ষাক এনেধৰণেৰে সজাই তোলা হ'ব যাতে শিক্ষাৰ্থীসকলে সমস্যা সমাধান আৰু সিদ্ধান্ত গ্ৰহণৰ কৌশলসমূহ আয়ত্ব কৰিব পৰাৰ লগতে বিজ্ঞানৰ লগত স্বাস্থ্য, কৃষি, উদ্যোগ আদি ক্ষেত্ৰবোৰৰ কেনে সম্পৰ্ক সেয়া বুজি উঠে।

**(১০) খেলা-ধূলা আৰু শাৰীৰিক শিক্ষা (Sports and physical education) ঃ**

খেলা-ধূলা আৰু শাৰীৰিক শিক্ষা শিক্ষণ প্ৰক্ৰিয়াৰ এটা অবিচ্ছেদ্য অংগ হোৱাৰ বাবে শিক্ষাৰ্থীসকলৰ অন্যান্য দিশবোৰৰ দৰে ইয়াৰো পৰিদৰ্শিতাৰ মূল্যায়ন কৰা হব। খেলা-ধূলা আৰু শাৰীৰিক শিক্ষাৰ আন্তঃগাঁথনিৰ উন্নতিৰ কাৰণে এক দেশজোৰা প্ৰচেষ্টা হাতত লোৱা হ'ব। খেলা-ধূলাৰ শিক্ষা দিবলৈ কিছুমান প্ৰতিষ্ঠান স্থাপন কৰা হ'ব আৰু খেলাভিত্তিক অধ্যয়ন (Sports related studies) ৰ ব্যৱস্থা কৰা হ'ব। খেলা-ধূলাত প্ৰতিভা প্ৰদৰ্শন কৰাসকলক উদগনি যোগোৱা হ'ব। দেশীয় খেলা-ধূলাক প্ৰাধান্য দিয়া হ'ব। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰা "যোগ শিক্ষা" (yoga) সকলো বিদ্যালয়তে অন্তৰ্ভুক্ত কৰা হ'ব।

**(১১) যুৱকসকলৰ ভূমিকা (The role of youth) ঃ**

শিক্ষানুষ্ঠানৰ বাহিৰৰ আৰু ভিতৰৰ বিভিন্ন কাৰ্যকলাপৰ জৰিয়তে যাতে যুৱসমাজে দেশ আৰু সমাজৰ উন্নয়নমূলক কাম কাজত অংশগ্ৰহণ কৰিব পাৰে তাৰ সুবিধা প্ৰদান কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC) আদিত অংশগ্ৰহণ কৰিব লাগিব। শিক্ষানুষ্ঠানৰ বাহিৰেও সমাজৰ অন্যান্য বিকাশমূলক , সংস্কাৰমূলক আৰু সম্প্ৰসাৰণমূলক কাৰ্যসূচীত যুৱকসকলে অংশগ্ৰহণ কৰিব। তাৰোপৰি ৰাষ্ট্ৰীয় স্বেচ্ছামূলক সেৱা আঁচনি (N.S.Vs) ক শক্তিশালী ৰূপত গঢ় দিয়া হ'ব।

### (১২) মূল্যায়ন প্ৰক্ৰিয়া আৰু পৰীক্ষা সংস্কাৰ (The evaluation process and Examination reform)

শিক্ষাদান আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াৰ এটি অবিচ্ছেদ্য অংগ হ'ল মূল্যায়ন। শিক্ষা ব্যৱস্থাৰ গুণগত মান উন্নয়নৰ বাবে এই পৰীক্ষা আৰু মূল্যায়ন প্ৰক্ৰিয়াক ব্যৱহাৰ কৰা উচিত। শিক্ষাৰ্থীৰ উন্নতি সঠিকভাৱে মূল্যায়ন কৰিবলৈ পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিব লাগিব। এই ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ দিশ হ'ল এনেধৰণৰ -

(ক) পৰীক্ষা ব্যৱস্থাৰ পৰা সুযোগ আৰু ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱ নাইকিয়া কৰা।

(খ) মুখস্থ বিদ্যাৰ প্ৰভাৱ নাইকিয়া কৰা।

(গ) বিদ্যায়তনিক আৰু অ-বিদ্যায়তনিক দুয়োটা দিশ সাঙুৰি অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থা কৰা।

(ঘ) শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে মূল্যায়ন প্ৰক্ৰিয়াক ফলপ্ৰসুভাৱে ব্যৱহাৰ কৰে।

(ঙ) পৰীক্ষা পৰিচালনা ব্যৱস্থাৰ উন্নয়ন।

(চ) পৰীক্ষা পদ্ধতিৰ সংস্কাৰৰ লগত সামঞ্জস্য ৰাখি শিক্ষণ সঁজুলি আৰু শিক্ষণ পদ্ধতিৰো পৰিবৰ্তন সাধন।

(ছ) মাধ্যমিক স্তৰৰ পৰাই পৰ্যায়ক্ৰমে ষান্মাসিক (Semester) পদ্ধতিৰ প্ৰৱৰ্তন কৰা।

(জ) মূল্যায়ন কাৰ্যত নম্বৰ দিয়াত পৰিৱৰ্তে মান /মাত্ৰা (Grade) দিয়াৰ ব্যৱস্থা কৰা ইত্যাদি।

উপৰোক্ত দিশবোৰ আভ্যন্তৰীণ পৰীক্ষা আৰু বাহ্যিক পৰীক্ষা উভয়ৰ ক্ষেত্ৰতে প্ৰয়োগ হ'ব। বাহ্যিক পৰীক্ষাৰ পৰিমাণ হ্ৰাস কৰিব লাহিব।

**অগ্ৰগতিৰ খতিয়ান (ঘ)**

(১) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষা ব্যৱস্থাৰ কাৰ্যক্ষমকৰণৰ বাবে আগবঢ়োৱা দুটা পৰামৰ্শ উল্লেখ কৰা।

.........................................................................................

.........................................................................................

.....................................................................................

.....................................................................................

(২) গণিত শিক্ষা সম্পৰ্কে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত কেনেধৰণৰ পৰামৰ্শ আগবঢ়াইছে চমুকৈ লিখা। (৫০টা শব্দৰ ভিতৰত)

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

(৩) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত মূল্যায়ন প্ৰক্ৰিয়া আৰু পৰীক্ষা সংস্কাৰৰ বাবে আগবঢ়োৱা তিনিটা পৰামৰ্শ উল্লেখ কৰা।

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

### ৫.২.৯ শিক্ষক (Teacher) ঃ

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ নৱমটো অংশৰ নাম ৰখা হৈছে শিক্ষক (Teacher)। শিক্ষকসকলৰ পদমৰ্যাদা সমাজৰ সকলোৰে উৰ্দ্ধত বুলি কোৱা হয়। সেয়েহে শিক্ষকৰ সামাজিৰ প্ৰস্থিতিয়েই এখন সমাজৰ সামাজিক-সাংস্কৃতিক মানদণ্ডক প্ৰতিফলিত কৰে। চৰকাৰ আৰু সমাজে এনে পৰিবেশ ৰচনা কৰিব লাগে যাতে শিক্ষকসকল গঠনমূলক আৰু সৃষ্টিমূলক কাৰ্যৰ প্ৰতি

আগ্ৰহী আৰু অভিৰোচিত হয়। সমাজৰ প্ৰয়োজন আৰু সামৰ্থৰ প্ৰতি লক্ষ্য ৰাখি যাতে শিক্ষক সকলে নিত্য নতুন উদ্ভাৱন কৰিব পাৰে বা শিক্ষাদানৰ নতুন কৌশল আৰু কাৰ্যসূচী তৈয়াৰ কৰিব পাৰে, তাৰবাবে তেওঁলোকক স্বতন্ত্ৰতা প্ৰদান কৰিব লাগে।

শিক্ষক নিযুক্তি প্ৰক্ৰিয়াক পুনৰ সংগঠিত কৰি সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটো মেধাভিত্তিক, বস্তুনিষ্ঠ আৰু ব্যৱহাৰিক প্ৰয়োজনভিত্তিক কৰিব লাগিব। প্ৰতিভাবান লোকসকলক আকৰ্ষিত কৰিবৰ বাবে তেওঁলোকৰ সামাজিক আৰু বৃত্তিগত দায়বদ্ধতাৰ লগত সামঞ্জস্য ৰাখি দৰমহা আৰু সেৱা বিধিৰ প্ৰচলন কৰিব লাগে। শিক্ষকসকলৰ নিযুক্তি আৰু স্থানান্তৰণৰ বাবে উপযুক্ত নিৰ্দেশাৱলী প্ৰস্তুত কৰিব লাগে। শিক্ষকৰ মূল্যায়ন ব্যৱস্থা কৰিব লাগিব আৰু তাৰ আধাৰত পদোন্নতিৰ ব্যৱস্থা থাকিব। শিক্ষকৰ দায়বদ্ধতা সম্পৰ্কীয় নীতি নিৰ্দেশনাও প্ৰস্তুত কৰা হ'ব।

শিক্ষক সংস্থাসমূহে শিক্ষকসকলৰ মৰ্যাদা বৃদ্ধি, বৃত্তিগত সমন্বয় সাধন, শিক্ষকৰ অশোভনীয় আচৰণ আদিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষক সংস্থাসমূহে শিক্ষকৰ বৃত্তিগত আচৰণ বিধি প্ৰস্তুত কৰিব পাৰিব আৰু সিবোৰৰ প্ৰয়োগ পৰ্যালোচনা কৰিব।

**শিক্ষক শিক্ষা (Teacher Education)ঃ**

শিক্ষক শিক্ষা এক অবিৰত প্ৰক্ৰিয়া আৰু প্ৰাক্-নিযুক্তিকালীন আৰু নিযুক্তিকালীন শিক্ষক শিক্ষাৰ মাজত কোনো পাৰ্থক্য নাই। সমগ্ৰ শিক্ষক শিক্ষা ব্যৱস্থাটো পুনৰ সংগঠন কৰিব লাগিব। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আৰু প্ৰাপ্তবয়স্ক শিক্ষা আৰু অগতানুগতিক শিক্ষাৰ লগত জড়িত ব্যক্তিসকলক প্ৰাক্-নিযুক্তিকালীন আৰু নিযুক্তকালীন প্ৰশিক্ষণ প্ৰদান কৰিবলৈ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (District Institute Of Education and Training, DIET) প্ৰতিষ্ঠা কৰা হ'ব। নিৰ্বাচিত কিছুমান মাধ্যমিক শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ক উন্নীতকৰণৰ যোগেদি ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পৰিপূৰক হিচাপে কাম কৰিবলৈ দিয়া হ'ব। ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে

(NCTE) শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ মূল্যায়ন কৰাৰ লগতে সিবোৰৰ পাঠ্যক্ৰম আৰু শিক্ষাদান পদ্ধতি সম্পৰ্কে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰিব। শিক্ষক শিক্ষাৰ প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ মাজত পাৰস্পৰিক সম্পৰ্ক থাকিব।

### ৫.২.১০ শিক্ষাৰ ব্যৱস্থাপনা পৰিচালনা (The Management of Education)

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দশম খণ্ডটোৰ নাম ৰখা হৈছে শিক্ষাৰ ব্যৱস্থাপনা বা পৰিচালনা Management of Education) শিক্ষাৰ পৰিকল্পনা আৰু ব্যৱস্থাপনা পদ্ধতিৰ সামগ্ৰিক পুনৰ বিন্যাসক অগ্ৰাধিকাৰ দিয়া হ'ব বুলি ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দশম খণ্ডত উল্লেখ কৰা হৈছে। এই ক্ষেত্ৰত থকা যাৱতীয় নিৰ্দেশনাবোৰ এনেধৰণৰ -

(ক) দেশৰ উন্নয়ন আৰু মানৱ শক্তিৰ চাহিদাৰ লগত সামঞ্জস্য ৰাখি শিক্ষাৰ বাবে এক দীৰ্ঘম্যাদী পৰিকল্পনা আৰু ব্যৱস্থাপনা আঁচনি গ্ৰহণ কৰা হ'ব।

(খ) শিক্ষানুষ্ঠানসমূহৰ বাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু স্বায়ত্বশাসনৰ ব্যৱস্থা কৰা হ'ব।

(গ) বে-চৰকাৰী কৰ্তৃপক্ষ আৰু স্বেচ্ছাসেৱীমূলক প্ৰচেষ্টাক উদগনি যোগোৱাৰ মাধ্যমেৰে শিক্ষাৰ পৰিচালনা ব্যৱস্থাপনা প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণ গুৰুত্ব দিয়া হ'ব।

(ঘ) শিক্ষা পৰিকল্পনা আৰু ব্যৱস্থাপনা কাৰ্যত অধিক মহিলাক জড়িত কৰা হ'ব।

(ঙ) শিক্ষাৰ নিৰ্দিষ্ট উদ্দেশ্য আৰু মানদণ্ডৰ আধাৰত দায়বদ্ধতাৰ নীতি প্ৰতিষ্ঠা কৰা হ'ব।

এই নীতিবিলাকৰ উপৰিও বিভিন্ন স্তৰত শিক্ষাৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ ৰেহ-ৰূপ কেনে হব সেইবিষয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এই অংশটোক উল্লেখ আছে নিম্নোক্ত ধৰণেৰে -

**(১) ৰাষ্ট্ৰীয় পৰ্যায় (National Level) ঃ**

কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদ (Central Advisory Board Of Education) এ শৈক্ষিক উন্নয়নৰ পুনৰীক্ষণ, প্ৰয়োজনীয় পৰিবৰ্তন সাধন আৰু সমগ্ৰ কাৰ্যকৰীকৰণ ব্যৱস্থা পৰিদৰ্শন কৰিব। মানৱ সম্পদ বিকাশৰ বিভিন্ন ক্ষেত্ৰৰ কাৰ্যৱলীৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আৰু সমন্বয় সাধন কৰি এই পৰিষদে ইয়াৰ সমিতিবোৰৰ জৰিয়তে এই ক্ষেত্ৰত কাম কৰি যাব।

ভাৰতীয় শিক্ষা সেৱা (Indian Education Service) সঠিক সংৰচনাসহ প্ৰতিষ্ঠা কৰিব লাগে। এই সেৱাত নিযুক্তিৰ বাবে প্ৰয়োজনীয় নীতি, কৰ্মপন্থা আৰু প্ৰক্ৰিয়াসমূহ ৰাজ্য চৰকাৰসমূহৰ সৈতে আলোচনা কৰিহে নিৰ্ধাৰণ কৰিব লাগে।

**(২) ৰাজ্যিক পৰ্যায় (State Level) ঃ**

কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ আৰ্হিত ৰাজ্য চৰকাৰসমূহে ৰাজ্যিক শিক্ষা উপদেষ্টা পৰিষদ (State Advisory Board of Education) প্ৰতিষ্ঠা কৰিব লাগে। শিক্ষা বিভাগৰ পৰিকল্পনাকাৰী, প্ৰশাসক আৰু শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক প্ৰশিক্ষণ প্ৰদান কৰাত বিশেষ গুৰুত্ব দিয়া হ'ব।

**(৩) জিলা আৰু স্থানীয় পৰ্যায় (District and Local level) ঃ**

উচ্চতম মাধ্যমিক শিক্ষাৰ স্তৰলৈকে শিক্ষা ব্যৱস্থাপনাৰ বাবে জিলা শিক্ষা পৰিষদ (District Board of Education) গঠন কৰা হ'ব। যিহেতু শিক্ষানুষ্ঠানৰ মুৰব্বীসমূহক কিছুমান গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ দিয়া হ'ব সেইবাবে তেওঁলোকৰ বাছনি আৰু প্ৰশিক্ষণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। যৌগিক বিদ্যালয় (School complex) ব্যৱস্থাক সঠিক ধৰণেৰে ৰূপায়নৰ ব্যৱস্থা কৰা হ'ব।

**(৪) স্বেচ্ছাসেৱী অভীকৰণ আৰু সাহায্যপ্ৰাপ্ত প্ৰতিষ্ঠান (Voluntary agencies and sided institutions) ঃ**

সু-সংগঠিত সমাজসেৱী গোট, বে-চৰকাৰী আৰু স্বেচ্ছাসেৱীমূলক প্ৰচেষ্টাক শিক্ষা পৰিচালনা বা ব্যৱস্থাপনামূলক কাম-কাজত অংশগ্ৰহণ কৰিবলৈ

উদগনি যোগোৱা হ'ব। তাৰ লগে লগে শিক্ষাক বাণিজ্যিকীকৰণৰ উদ্দেশ্য প্রতিষ্ঠা কৰা শিক্ষানুষ্ঠানবোৰ প্ৰতিৰোধ কৰাৰ পদক্ষেপ লোৱা হ'ব।

**অগ্ৰগতিৰ খতিয়ান (ঙ)**

(১) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষক শিক্ষাৰ বাবে আগবঢ়োৱা দুটা পৰামৰ্শ উল্লেখ কৰা।

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

(২) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত ভাৰতীয় শিক্ষা সেৱা সন্দৰ্ভত কেনেধৰণৰ পৰামৰ্শ আগবঢ়াইছে লিখা।

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

(৩) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত জিলা আৰু স্থানীয় পৰ্যায়ৰ শিক্ষাৰ ব্যৱস্থাপনা পৰিচালনা সন্দৰ্ভত কি কি পৰামৰ্শ আগবঢ়াইছে চমুকৈ লিখা। (২৫ টা শব্দৰ ভিতৰত)

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

**৫.২.১১ সম্পদ আৰু পুনৰীক্ষণ (Resources and Review) ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ একাদশ খণ্ডটোৰ নাম ৰখা হৈছে সম্পদ আৰু পুনৰীক্ষণ। শিক্ষাৰ ক্ষেত্ৰত কেনেধৰণেৰে সম্পদ ব্যৱহাৰ কৰা হ'ব আৰু সেইবোৰৰ পুনৰীক্ষণ কেনেদৰে কৰা হ'ব সেই সম্পৰ্কে নিম্নোক্ত ধৰণেৰে সুকীয়া সুকীয়াভাৱে ইয়াত আলোচনা কৰা হৈছে -

**(ক) সম্পদ (Resource)ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত সম্পদ সম্পৰ্কীয় পৰামৰ্শ দিয়া হৈছে এনেদৰে -

যিহেতু ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগ, ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিকে ধৰি শিক্ষাৰ লগত জড়িত সকলোৱেই বিবেচনা কৰিছে যে সমতাবাদী লক্ষ্যসমূহ আৰু ব্যৱহাৰিক তথ্য বিকাশমুখী লক্ষ্যসমূহ বাস্তৱ ৰূপায়ণৰ একমাত্ৰ উপায়টোৱেই হ'ল শিক্ষা, সেইবাবে শিক্ষাত সঠিক ধৰণেৰে বিনিয়োগ কৰিব লাগিব।

যিমানদূৰ সম্ভৱ সম্পদ আহৰণ কৰিবলৈ শিক্ষানুষ্ঠানসমূহে যত্ন কৰিব লাগে। সম্পদ আহৰণৰ বাবে বিভিন্ন ধৰণৰ উপায় গ্ৰহণ কৰিব লাগে। যেনে - দান-বৰঙণি সংগ্ৰহ, ৰাইজক বিদ্যালয়গৃহ মেৰামতি আৰু নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ যোগান ধৰিবলৈ অনুৰোধ জনোৱা, উচ্চ শিক্ষাৰ মাচুল বৃদ্ধি কৰা, সামগ্ৰীৰ সু-প্ৰয়োগেৰে সম্পদ ৰাহি কৰা ইত্যাদি। কাৰিকৰী আৰু বৈজ্ঞানিক মানৱ সম্পদৰ বিকাশ আৰু গৱেষণাৰ লগত জড়িত প্ৰতিষ্ঠানসমূহেও সম্পদ আহৰণ কৰিব লাগিব। এই প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰা চৰকাৰী বিভাগ আৰু উদ্যোগ প্ৰতিষ্ঠানৰ পৰা পুঁজি আহৰণ কৰিব পাৰিব। এনেদৰে বিভিন্ন উৎসৰপৰা সম্পদ আহৰণ কৰা প্ৰক্ৰিয়াই কেৱল ৰাজ্য চৰকাৰৰ বোজা হ্ৰাস কৰাই নহয়, ই সকলোৰে মাজত এক দায়িত্ববোধৰ ভাৱ সৃষ্টি কৰিব। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ, নিৰক্ষৰতা দূৰীকৰণ, শিক্ষাৰ সম-সুযোগ, শিক্ষাৰ ফলপ্ৰসূতা, মান আৰু প্ৰাসংগিকতা বৃদ্ধি, বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ জ্ঞান, মূল্যবোধ আদিৰ ক্ষেত্ৰত চৰকাৰ আৰু সমাজেও পুঁজিৰ যোগান ধৰিব।

শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ নকৰাটো বা কমকৈ বিনিয়োগ কৰাটো অতি পৰিতাপৰ কথা। জাতীয় প্ৰগতি আৰু অস্তিত্বৰ কাৰণে শিক্ষাক বিনিয়োগৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে বিবেচনা কৰিব লাগিব। ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিতেই শিক্ষাত বিনিয়োগৰ পৰিমাণ জাতীৰ আয়ৰ ৬ শতাংশলৈ বৃদ্ধি কৰাৰ যি পৰামৰ্শ দিছিল সেই লক্ষ্যত আজিও উপনীত হ'ব পৰা নগ'ল। সেইবাবে অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰপৰা শিক্ষাত বিনিয়োগৰ পৰিমাণ মুঠ জাতীয় আয়ৰ ৬ শতাংশলৈ বৃদ্ধি কৰাটো নিশ্চিত কৰা হ'ব।

**খ) পুনৰীক্ষণ (Review) ঃ**

সম্পদৰ পুনৰীক্ষণৰ ক্ষেত্ৰটো ৰাষ্ট্ৰীয় শিক্ষা নীতিত কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ দিয়া হৈছে। এই পৰামৰ্শবোৰ এনেধৰণৰ -

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰতিটো দিশ কেনেদৰে কাৰ্যকৰী কৰা হৈছে সেইটো প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে পুনৰীক্ষণ কৰা হ'ব। সময় বাগৰি যোৱাৰ লগে লগে আহি পৰিব পৰা নতুন নতুন প্ৰত্যাহবান আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ কাৰ্যকৰীকৰণৰ প্ৰগতি নিশ্চিত কৰিবলৈ প্ৰয়োজন সাপেক্ষে হ্ৰস্বম্যাদী পুনৰীক্ষণৰ ব্যৱস্থাও কৰা হ'ব।

**৫.২.১২ ভবিষ্যত (The Future) ঃ**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ একেবাৰে শেষৰটো খণ্ড বা অংশৰ নাম ৰখা হৈছে ভবিষ্যত (The future)। এই শিতানত নিম্নোক্ত ধৰণৰ কথাবোৰ সন্নিবিষ্ট হৈ আছে -

ভাৰতৰ ভবিষ্যতৰ দিনৰ শিক্ষাৰ গতি-প্ৰকৃতি সম্পৰ্কে এক স্পষ্ট চিত্ৰ ডাঙি ধৰাটো অতি কঠিন জটিল। তথাপি ক'ব পাৰি যে বৌদ্ধিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনক এক উচ্চ স্থান দিয়াৰ যি পৰম্পৰা আমাৰ আছে সেই জাতীয় লক্ষ্যবোৰত উপনীত হ'বলৈ যত্ন কৰাটো আমাৰ বাবে অৱধাৰিত।

দেশৰ ভবিষ্যতৰ স্বাৰ্থত আমাৰ মূল কাম হৈছে সমগ্ৰ শিক্ষা সৌধৰ ভেঁটি সবল কৰি তোলা, যাৰ জৰিয়তে শিক্ষা ব্যৱস্থাটোক জনসাধাৰণৰ কাষ চপাই নিব পৰা যাব। শিক্ষা সৌধৰ উচ্চ স্থানত অৱস্থান গ্ৰহণ কৰা সকলেই যাতে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ স্থানত থাকে তাকো নিশ্চিত কৰিব লাগিব। আমাৰ উজ্জ্বল সাংস্কৃতিক কাঠামোৰে অতীজত সকলোকে পোহৰাই ৰাখিছিল যদিও বিদেশী অধিপত্য আৰু প্ৰভাৱে তাক কিছু ম্লান কৰি পেলাইছিল। সেইবাবেই আজিৰ তাৰিখৰ মূল কথা হৈছে এক বহুমুখী ভূমিকা পালন কৰিব পৰা শিক্ষা ব্যৱস্থাৰ যোগেদি মানৱ সম্পদ বিকাশৰ দেশজোৰা প্ৰচেষ্টাক ত্বৰান্বিত কৰাটো।

**অগ্ৰগতিৰ খতিয়ান (চ)**

(১) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ সম্পৰ্কীয় পৰামৰ্শবোৰ উল্লেখ কৰা। (৬০টা শব্দৰ ভিতৰত)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

(২) সম্পদৰ পুনৰীক্ষণ সম্পৰ্কে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াইছে চমুকৈ লিখা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

(৩) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত ভাৰতীয় শিক্ষাৰ ভৱিষ্যত সম্পৰ্কত কেনেধৰণৰ মন্তব্য আগবঢ়াইছে চমুকৈ লিখা। (৫০ টা শব্দৰ ভিতৰত)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৫.৩ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সমালোচনা বা মূল্যায়ন (Evaluation of National Policy Of Education, 1986)ঃ

ওপৰৰ আলোচনাৰ পৰা তোমালোকে নিশ্চয় অনুধাৱন কৰিব পাৰিছা যে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ সকলো প্ৰকাৰ সকলো স্তৰ আৰু সকলো দিশ সাঙুৰি বিস্তৃত অধ্যয়নৰ ভিত্তিত কিছুমান পদক্ষেপ গ্ৰহণ

কৰিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। এই শিক্ষা নীতিত প্ৰদান কৰা পৰামৰ্শবোৰৰ আধাৰত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাটোক সামগ্ৰিকভাৱে আগবঢ়াই নিব খোজা হৈছিল। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত দেশৰ শিক্ষা ব্যৱস্থাত কিছুমান প্ৰণালীবদ্ধ পৰিবৰ্তন কঢ়িয়াই অনা হৈছিল আৰু ই সমগ্ৰ শিক্ষা ব্যৱস্থাটোক এক নতুন ৰূপত তুলি ধৰিছিল। দেশৰ শিক্ষা ব্যৱস্থাক এক নতুন ৰূপত গঢ়ি তুলি'বলৈ সক্ষম হোৱা এক শিক্ষা নীতিৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ আছিল এনেধৰণৰ - প্ৰাক্‌শৈশৱ কালৰ যতন আৰু শিক্ষা, অপাৰেশ্যন ব্লেক বৰ্ড, নৱোদয় বিদ্যালয়। শিক্ষাৰ বৃত্তিমুখীকৰণ, ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি, উমৈহতীয়া শিক্ষাৰ গাঁথনি (১০+২+৩) জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান ইত্যাদি। যি কি নহওক, তলত ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ গুণ আৰু দোষবোৰ তলত উল্লেখ কৰা হ'ল -

**১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ গুণ ঃ**

(১) এই ৰাষ্ট্ৰীয় শিক্ষা নীতিত সমগ্ৰ দেশৰ বাবেই এক উমৈহতীয়া শিক্ষা গাঁথনিৰ ব্যৱস্থা কৰা হয়।

(২) ইয়াত উল্লেখ কৰা নবোদয় বিদ্যালয় স্থাপনৰ পদক্ষেপে ভাৰতৰ শিক্ষাক এক সুকীয়া মাত্ৰা প্ৰদান কৰিলে।

(৩) কিছুমান নিৰ্বাচিত ক্ষেত্ৰত চাকৰি বা কৰ্মৰ পৰা উপাধিক বা ডিগ্ৰীক পৃথকীকৰণৰ যি পদক্ষেপ সিও অত্যন্ত প্ৰশংসনীয়।

(৪) এই ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ বৃত্তিমুখীকৰণৰ বাবে যি পৰামৰ্শ আৰু পদক্ষেপৰ কথা উল্লেখ আছে সেয়া অত্যন্ত গুৰুত্বপূৰ্ণ।

(৫) ৰাষ্ট্ৰীয় শিক্ষা নীতিত উচ্চশিক্ষাৰ শিতানত গবেষণামূলক কাম-কাজ, স্বয়ংচালিত মহাবিদ্যালয়, মুক্ত বিশ্ববিদ্যালয় আদি দিশত যিবোৰ পদক্ষেপৰ কথা উল্লেখ আছে, সিবোৰো ভাৰতীয় শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

(৬) ইয়াত উল্লেখিত অপাৰেশ্যন ব্লেক বৰ্ড, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন আদি পৰামৰ্শ অতিকে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

**১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দোষ ঃ**

(১) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ভিতৰৰ কথাবোৰ গভীৰভাৱে অধ্যয়ন কৰিলে এনে লাগে যেন ইয়াত বেচৰকাৰী সংগঠন বা সংস্থাবোৰৰ পৰা বেছিকৈ আশা কৰা হৈছিল। ই এই শিক্ষা নীতিৰ এক দুৰ্বলতা।

(২) এই শিক্ষা নীতিত ব্যৱস্থাপনা শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত যথোপযুক্ত গুৰুত্ব প্ৰদান কৰা হোৱা নাই। সাম্প্ৰতিক সময়ত ব্যৱস্থাপনা শিক্ষাৰ গুৰুত্বক কোনোও উলাই কৰিলে নহ'ব।

(৩) শেহতীয়াভাৱে ভাৰতীয় শিক্ষা ব্যৱস্থাত উদ্ভৱ হোৱা দুটা গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান শিক্ষাৰ ব্যক্তিগতকৰণ আৰু শিক্ষাৰ বাণিজ্যিকীকৰণৰ ওপৰত ইয়াত প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰা হোৱা নাই।

(৪) ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পদক্ষেপবোৰ দফাই দফাই ৰূপায়ণ কৰিবলৈ এক উপযুক্ত ৰূপায়ণ কৌশলৰ অভাৱ এই শিক্ষা নীতিত দেখা পোৱা যায়।

### ৬.৪ গোটটোৰ মূলভাৱ / সাৰাংশ

তদানীন্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী আৰু শিক্ষামন্ত্ৰী কে.চি. পন্টৰ নেতৃত্বত ১৯৮৬ চনৰ ভাৰত চৰকাৰে গ্ৰহণ কৰা এখন বিস্তৃত আৰু অভিলাষী আঁচনিয়েই হ'ল ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি। এই শিক্ষা নীতিত অন্তৰ্ভুক্ত হৈ থকা পৰামৰ্শ আৰু পদক্ষেপসমূহক সামগ্ৰিকভাৱে ১২ টা খণ্ড বা অংশত ভাগ কৰা হৈছে। এই খণ্ডকেইটা এনেধৰণৰ -

**(১) পৰিচয় ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰথমটো খণ্ডৰ নাম ৰখা হৈছে পৰিচয়। এই খণ্ডটোত সমগ্ৰ শিক্ষা নীতিৰ এক পৰিচয়সূচক আলোচনা কৰা হৈছে।

**(২) শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা ঃ** ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এই খণ্ডটোত ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব বৰ্ণনা কৰা হৈছে। ইয়াত শিক্ষাক দেশৰ বৰ্তমান আৰু ভবিষ্যতৰ বাবে এক বিনিয়োগ বুলি বিবেচনা কৰা হ'ব বুলি কোৱা হৈছে।

(৩) **ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ তৃতীয়টো খণ্ডৰ নাম ৰখা হৈছে ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি। ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি মতে, এক নিৰ্দিষ্ট পৰ্যায়লৈকে জাতি, বৰ্ণ, লিংগ, স্থান নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীকে এক উমৈহতীয়া উপাদানযুক্ত শিক্ষা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিত এটা উমৈহতীয়া শিক্ষাৰ গাঁথনি (১০+২+৩), উমৈহতীয়া বিষয় আদি থাকিব।

(৪) **সমতাৰ বাবে শিক্ষা ঃ** ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ চতুৰ্থ খণ্ডটিৰ নামকৰণ কৰা হৈছে সমতাৰ বাবে শিক্ষা। এই শিতানত মহিলা, অনুসূচীত জাতি, অনুসূচীত জনজাতি গ্ৰামাঞ্চল, সংখ্যালঘু, বাধাগ্ৰস্ত শিশু, প্ৰাপ্তবয়স্ক আদি শৈক্ষিকভাৱে পিছপৰাসকলৰ শিক্ষাৰ বাবে বিশেষ কিছুমান পদক্ষেপৰ কথা উল্লেখ আছে।

(৫) **বিভিন্ন পৰ্যায়ত শিক্ষাৰ পুনৰ গঠন ঃ** এই খণ্ডটিত বিভিন্ন স্তৰৰ শিক্ষাৰ পুনৰ বিন্যাসৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়াইছে। প্ৰাক-প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰাক-শৈশৰ কালৰ যতন আৰু শিক্ষা, প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত অপাৰেশ্যন ব্লেকবৰ্ড আৰু শিশুকেন্দ্ৰিক শিক্ষা পদ্ধতি, মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত নবোদয় বিদ্যালয় আৰু শিক্ষাৰ বৃত্তিমূখীকৰণ, উচ্চ শিক্ষাৰ ক্ষেত্ৰত স্বয়ংচালিত মহাবিদ্যালয় আৰু চাকৰিক উপাধিৰ পৰা সংযোগহীনকৰণ আদি বিভিন্নধৰণৰ গুৰুত্বপূৰ্ণ পদক্ষেপৰ কথা ইয়াত উল্লেখ আছে।

(৬) **কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা ঃ** এই খণ্ডটিত শিক্ষা ব্যৱস্থাক শক্তিশালী আৰু কাৰ্যক্ষমকৰণ কৰি তুলি'বলৈ কিছুমান পৰামৰ্শ প্ৰদান কৰা হৈছে।

(৭) **শিক্ষা ব্যৱস্থাৰ কাৰ্যক্ষমকৰণ ঃ** এই খণ্ডটিত শিক্ষা ব্যৱস্থাক শক্তিশালী আৰু কাৰ্যক্ষমকৰণ কৰি তুলি'বলৈ কিছুমান পৰামৰ্শ প্ৰদান কৰিছে।

(৮) **শিক্ষা প্ৰক্ৰিয়া আৰু বিষয়বস্তুৰ পুনৰ বিন্যাস ঃ** সমগ্ৰ শিক্ষা প্ৰক্ৰিয়া আৰু শিক্ষাৰ বিষয়বস্তু পুনৰ বিন্যাসৰ কাৰণে কিছুমান বিশেষ পদক্ষেপৰ কথা ইয়াত উল্লেখ কৰা হৈছে। এই ক্ষেত্ৰত নিম্নোক্ত দিশবোৰৰ ওপৰত ইয়াত গুৰুত্ব দিয়া হৈছে।

(ক) সাংস্কৃতিক প্ৰেক্ষাপট

(খ) মূল্যবোধৰ শিক্ষা

(গ) ভাষা

(ঘ) গ্ৰন্থ আৰু গ্ৰন্থাগাৰসমূহ

(ঙ) মাধ্যম আৰু শৈক্ষিক প্ৰযুক্তিবিদ্যা

(চ) কৰ্ম অভিজ্ঞতা

(ছ) শিক্ষা আৰু পৰিৱেশ

(জ) গণিত শিক্ষা

(ঝ) বিজ্ঞান শিক্ষা

(ঞ) খেলা-ধূলা আৰু শাৰীৰিক শিক্ষা

(ট) যুৱকসকলৰ ভূমিকা

(ঠ) মূল্যায়ন প্ৰক্ৰিয়া আৰু পৰীক্ষা সংস্কাৰ ইত্যাদি।

**(৯) শিক্ষক ঃ** ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ নৱম খণ্ডটিৰ নাম ৰখা হৈছে শিক্ষক। এই খণ্ডটিত শিক্ষকসকলৰ পদমৰ্যদা প্ৰস্থিতিৰ উন্নয়ন সাধন আৰু তেওঁলোকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপৰ পৰামৰ্শ আগবঢ়াইছে। এই ক্ষেত্ৰত আগবঢ়োৱা এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন।

**(১০) শিক্ষাৰ ব্যৱস্থাপনা ঃ** এই খণ্ডটিত শিক্ষাৰ পৰিচালনাৰ বিভিন্ন স্তৰ বা পৰ্যায় যেনে - ৰাষ্ট্ৰীয় পৰ্যায়, ৰাজ্যিক পৰ্যায়, জিলা আৰু স্থানীয় পৰ্যায় আদিত শিক্ষা কেনেদৰে পৰিচালিত হোৱা উচিত সেই সম্পৰ্কীয় পৰামৰ্শ আছে।

**(১১) সম্পদ আৰু পুনৰীক্ষণ** ঃ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এই খণ্ডত দুটা দিশৰ ওপৰত গুৰুত্ব দিছে -

(ক) শিক্ষানুষ্ঠানসমূহৰ বাবে সম্পদ আহৰণ আৰু

(খ) সম্পদসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত পদ্ধতিগত পুনৰীক্ষণ।

**(১২) ভৱিষ্যত** ঃ ১৯৮৬ চনৰ একেবাৰে শেষত খণ্ডটিৰ নাম ৰখা হৈছে ভৱিষ্যত। ইয়াত দেশৰ শিক্ষাব্যৱস্থাক ভৱিষ্যতৰ দিনবোৰত কেনেদৰে আগবঢ়াই নিব লাগিব তাৰ এক ইংগিত পোৱা যায়।

**৫.৫ ঘাই শব্দসমূহ ঃ**

(১) **ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি ঃ** এই নিৰ্দিষ্ট পৰ্যায়লৈকে জাতি, বৰ্ণ, লিংগ, স্থান, নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীকে এক উমৈহতীয়া উপাদানযুক্ত শিক্ষা প্ৰদানৰ ব্যবস্থা।

(২) **জাতীয় পাঠ্যক্ৰম ঃ** সমগ্ৰ দেশৰ বাবে একেধৰণৰ শিক্ষণৰ উপাদানযুক্ত পাঠ্যক্ৰম।

(৩) **আশ্ৰম স্কুল ঃ** অনুসূচীত জনজাতি অধ্যুষিত এলেকাত প্ৰতিষ্ঠা কৰা এক প্ৰকাৰৰ আৱাসিক বিদ্যালয়।

(৪) **অপাৰেশ্যন ব্লেকবৰ্ড** ঃ ১৯৮৬ চনৰ শিক্ষা নীতিত প্ৰাথমিক বিদ্যালয়সমূহত নূন্যতম কিছুমান সা-সুবিধা, যেনে - দুজন শিক্ষক, শিক্ষণ সঁজুলি, দুটা আহল-বহল কোঠা আদি ব্যৱস্থাকৰণৰ বাবে গ্ৰহণ কৰা এক আঁচনি।

(৫) **নবোদয় বিদ্যালয় ঃ** গ্ৰামাঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰতিষ্ঠা কৰা এক প্ৰকাৰৰ বিনামূলীয়া আৰু আৱাসিক বিদ্যালয়।

(৬) **শিক্ষাৰ বৃত্তিমুখীকৰণ ঃ** সাধাৰণ শিক্ষাৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীসকলক বৃত্তিমূলক জ্ঞান-কৌশলেৰে পুষ্ট কৰি তোলাৰ এক আঁচনি।

(৭) **স্বয়ংচালিত মহাবিদ্যালয় ঃ** শৈক্ষিক আৰু প্ৰশাসনিক দিশত স্বাধীনভাৱে পৰিচালিত (বিশ্ববিদ্যালয়ৰ অধীনত নহয়) মহাবিদ্যালয়।

(৮) **গ্ৰাম্য বিশ্ববিদ্যালয় ঃ** মহাত্মা গান্ধীৰ আদৰ্শৰ আধাৰত গ্ৰামাঞ্চলত প্ৰতিষ্ঠা কৰা এক প্ৰকাৰৰ বিশ্ববিদ্যালয়।

(৯) **ষান্মাষিক পদ্ধতি ঃ** এটা শিক্ষাবৰ্ষক দুভাগ কৰি ছমাহকে এটা শিক্ষা বৰ্ষ বুলি ধৰা এক পদ্ধতি ব্যৱস্থা।

(১০) **যৌগিক বিদ্যালয় (School complex) ঃ** এখন উচ্চতৰ মাধ্যমিক বা মাধ্যমিক বিদ্যালয়ত কেন্দ্ৰ কৰি ইয়াৰ দাঁতি কাষৰীয়া প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহক লৈ একলগে শৈক্ষিক আৰু অন্যান্য দিশ পৰিচালিত কৰাৰ এক ব্যৱস্থা।

**(১১) শিশুকেন্দ্রিক পদ্ধতি (Chil-Centred approach) ঃ** শিশুসকলৰ প্ৰয়োজন বা চাহিদাক কেন্দ্ৰ কৰি পৰিচালিত শিক্ষা পদ্ধতি।

**(১২) প্ৰাক্-নিযুক্তিকালীন শিক্ষক শিক্ষা (Pre-service teacher education) ঃ** শিক্ষক হিচাপে নিযুক্তি লাভ কৰাৰ আগতেই গ্ৰহণ কৰা শিক্ষা বা প্ৰশিক্ষণ।

**(১৩) নিযুক্তিকালীন শিক্ষক শিক্ষা (In-service teacher-training) ঃ** শিক্ষক হিচাপে নিযুক্তি লাভ কৰাৰ পিছত গ্ৰহণ কৰা শিক্ষা বা প্ৰশিক্ষণ।

## ৫.৬ পাঠ্য নিৰ্দেশনা ঃ

(১) শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা, ডিব্ৰুগড়, ২০০৯

(২) বৰকাকতী, বিদ্যানন্দ ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস, ইউনিকা প্ৰকাশন, যোৰহাট, ২০০৮

(৩) Chaube, S.P. : History and Problems of Indian Education, Vinod Pustak Mandir, Agra, 2004.

(৪) Rawat, P.L. : History Of Indian Education, Ram Prasad and Sons, Agra.

## সম্ভাব্য উত্তৰসমূহ ঃ

### অগ্ৰগতিৰ খতিয়ান (ক) ঃ

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল খণ্ড বা দিশকেইটা হ'ল -

(১) পৰিচয়
(২) শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা
(৩) ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি
(৪) সমতাৰ বাবে শিক্ষা
(৫) বিভিন্ন পৰ্যায়ত শিক্ষাৰ পুনৰ গঠন

(৬) কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা
(৭) শিক্ষা ব্যৱস্থাক কাৰ্যক্ষমকৰণ
(৮) শিক্ষাৰ বিষয়বস্তু আৰু প্ৰক্ৰিয়াৰ পুনৰ বিন্যাস
(৯) শিক্ষক
(১০) শিক্ষাৰ ব্যৱস্থাপনা পৰিচালনা
(১১) সম্পদ আৰু পুনৰীক্ষণ
(১২) ভৱিষ্যৎ

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মতে, ৰাষ্ট্ৰীয় পাঠ্যক্ৰমত কিছুমান উমৈহতীয়া বিষয় আৰু অন্য কিছুমান শিথিল বিষয় থাকিব। এই উমৈহতীয়া বিষয়ৰ ভিতৰত থাকিব ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস, সাংবিধানিক দায়বদ্ধতা আৰু জাতীয় পৰিচয় ৰক্ষা কৰিব পৰা বিষয়সমূহ।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত অনুসূচীত জাতিৰ শিক্ষাৰ বাবে প্ৰদান কৰা দুটা পৰামৰ্শ হ'ল -

(১) চৈধ্য বছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালী যাতে বিদ্যালয়লৈ আহিবলৈ মন কৰে তাৰ বাবে কিছুমান বিশেষ উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(২) অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জিলা সদৰসমূহত হোষ্টেলৰ ব্যৱস্থা কৰিব লাগে।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত অনুসূচীত জন-জাতিসকলৰ শিক্ষাৰ বাবে প্ৰদান কৰা দুটা পৰামৰ্শ হ'ল -

(১) অনুসূচীত জন-জাতি অধ্যুষিত এলেকাবোৰত বিদ্যালয় প্ৰতিষ্ঠা কৰাত অগ্ৰাধিকাৰ প্ৰদান কৰা।

(২) আশ্ৰম স্কুলৰ নিচিনাকৈ আবাসিক স্কুল প্ৰতিষ্ঠা কৰা।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত বাধাগ্ৰস্থসকলৰ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা দুটা পৰামৰ্শ হ'ল -

(১) যিসকল শিশুৰ বাধাগ্ৰস্থতাৰ মাত্ৰা অতি গম্ভীৰ তেওঁলোকৰ বাবে জিলা সদৰত বিশেষ বিদ্যালয় (হোষ্টেল যুক্ত) স্থাপন কৰা।

(২) বাধাগ্ৰস্থ শিশুসকলক বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ যথোচিত ব্যৱস্থা গ্ৰহণ কৰা।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত প্ৰাপ্তবয়স্ক শিক্ষা আৰু অবিৰত শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা তিনিটা পৰামৰ্শ হ'ল -

(১) গ্ৰামাঞ্চলত অবিৰত শিক্ষা কেন্দ্ৰ স্থাপন কৰা।

(২) কিতাপ, পুথিভঁৰাল আৰু অধ্যয়ন কোঠাৰ উন্নয়ন সাধন কৰা।

(৩) প্ৰয়োজন আৰু আগ্ৰহভিত্তিক বৃত্তিমূলক প্ৰশিক্ষণ কাৰ্যসূচীৰ ব্যৱস্থা কৰা।

**অগ্ৰগতিৰ খতিয়ান (গ)**

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** নিজে চেষ্টা কৰা।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মাধ্যমিক শিক্ষা সম্পৰ্কীয় এটি মনোৰম পৰামৰ্শ হ'ল নবোদয় বিদ্যালয় নামৰ এবিধ শিক্ষানুষ্ঠানৰ স্থাপন কৰা। গ্ৰামাঞ্চলৰ প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আহৰণ প্ৰক্ৰিয়াক এক সুকীয়া মাত্ৰা প্ৰদান কৰিবলৈ দেশৰ প্ৰতিখন জিলাতে পৰ্যায়ক্ৰমে স্থাপন কৰিবলৈ লোৱা এই নবোদয় বিদ্যালয়সমূহ বিনামূলীয়া আৰু আবাসিক প্ৰকৃতিৰ।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মাধ্যমিক শিক্ষা সম্পৰ্কীয় এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল শিক্ষাৰ বৃত্তিমূখীকৰণ। শিক্ষাৰ বৃত্তিমুখীকৰণ মানে সাধাৰণ শিক্ষাৰ সমান্তৰালভাৱে ছাত্ৰ- ছাত্ৰীসকলক বৃত্তিমূলক জ্ঞান-কৌশলেৰে পুষ্ট কৰি তোলাৰ এক আঁচনি।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনমৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা সন্দৰ্ভত আগবঢ়োৱা তিনিটা পৰামৰ্শ হ'ল -

(১) যিসকল শিক্ষাৰ্থীয়ে আনুষ্ঠানিকভাৱে কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা পোৱা নাই তেওঁলোকৰ বাবে দূৰবৰ্তী শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা।

(২) গ্ৰামাঞ্চলৰ পলিটেকনিকসমূহৰ পৰিসৰ আৰু গুণগত মান বিকশিত কৰি তোলা।

(৩) নিৰ্বাচিত কিছুমান কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষানুষ্ঠানক স্বতন্ত্ৰতা প্ৰদান কৰা।

**অগ্ৰগতিৰ খতিয়ান (ঘ)**

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষা ব্যৱস্থাৰ কাৰ্যক্ষমকৰণৰ বাবে আগবঢ়োৱা দুটা পৰামৰ্শ হ'ল -

(১) ছাত্ৰ-ছাত্ৰীসকলৰ সেৱাৰ সুবিধাসমূহ উন্নত কৰিব লাগিব আৰু তেওঁলোকৰ আচৰণসমূহৰ মানদণ্ড ৰক্ষা কৰিব লাগিব।

(২) ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত মানদণ্ড বজাই ৰাখিবৰ বাবে শিক্ষা প্ৰতিষ্ঠানসমূহৰ মূল্যায়ন কৰিব লাগিব।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** গণিত বিষয়টোক এনেকুৱা এটা স্তৰলৈ পৰ্যবসিত কৰিব লাগে যাৰ যোগেদি ই শিক্ষাৰ্থীক চিন্তা কৰিবলৈ, যুক্তি দৰ্শাবলৈ, বিশ্লেষণ আৰু যুক্তিৰে কোনো কথা প্ৰকাশ কৰিবলৈ সক্ষম কৰি তুলি'ব। ইয়াক এক সুকীয়া আৰু নিৰ্দিষ্ট বিষয় হিচাপে বিবেচনা কৰাতকৈ বিশ্লেষণ আৰু যুক্তি প্ৰদৰ্শন সম্পৰ্কীয় বিষয়বস্তু অন্তৰ্ভুক্ত হৈ থকা অন্য বিষয়সমূহৰ সহযোগী হিচাপেহে গণ্য কৰিব লাগিব।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত মূল্যায়ন প্ৰক্ৰিয়া আৰু পৰীক্ষা সংস্কাৰৰ বাবে আগবঢ়োৱা তিনিটা পৰামৰ্শ হ'ল -

(১) পৰীক্ষা ব্যৱস্থাৰ পৰা সুযোগ আৰু ব্যক্তিনিষ্ঠতাৰ প্ৰভাব নাইকিয়া কৰা।

(২) বিদ্যায়তনিক আৰু অ-বিদ্যায়তনিক দুয়োটা দিশ সাঙুৰি অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থা কৰা।

(৩) মূল্যায়ন কাৰ্যত নম্বৰ দিয়াৰ পৰিৱৰ্তে মান / মাত্ৰা দিয়াৰ ব্যৱস্থা কৰা।

**অগ্ৰগতিৰ খতিয়ান (ঙ)**

**১ নং প্ৰশ্নৰ উত্তৰ** ঃ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষক শিক্ষাৰ বাবে আগবঢ়োৱা দুটা পৰামৰ্শ হ'ল -

(১) জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা।

(২) ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠাসমূহ মূল্যায়ন কৰাৰ লগতে পাঠ্যক্ৰম আৰু শিক্ষাদান পদ্ধতি সম্পৰ্কে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰিব।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ভাৰতীয় শিক্ষা সেৱাক সঠিক সংৰচনা গাঁথনিসহ প্ৰতিষ্ঠা কৰিব লাগে। এই সেৱাত নিযুক্তিৰ বাবে প্ৰয়োজনীয় নীতি, কৰ্ম পন্থা আৰু প্ৰক্ৰিয়াসমূহ ৰাজ্য চৰকাৰসমূহৰ সৈতে আলোচনা কৰিহে নিৰ্ধাৰণ কৰিব লাগে।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** নিজেই চেষ্টা কৰা।

**অগ্ৰগতিৰ খতিয়ান (চ)**

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত জাতীয় প্ৰগতি আৰু অস্তিত্বৰ কাৰণে। শিক্ষাক বিনিয়োগৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে বিবেচনা কৰিছে। শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ নকৰাটো বা কমকৈ কৰাটো অতি পৰিতাপৰ কথা বুলি ইয়াত কোৱা হৈছে। সেইবাবে, অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰ পৰা শিক্ষাত বিনিয়োগৰ পৰিমাণ মুঠ জাতীয় আয়ৰ ৬ শতাংশলৈ বৃদ্ধি কৰিবলৈ বুলি লক্ষ্য বান্ধি লব'লৈ পৰামৰ্শ দিছে।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত উল্লেখ আছে যে এই শিক্ষা নীতিৰ প্ৰতিটো দিশ কেনেদৰে ৰূপায়ণ কৰা হৈছে সেইটো প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে পুনৰীক্ষণ কৰা হ'ব। প্ৰয়োজন সাপেক্ষে এই ক্ষেত্ৰত হ্ৰস্বম্যাদী পুনৰীক্ষণৰ ব্যৱস্থাও কৰিব লাগে।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** নিজে চেষ্টা কৰা।

**প্ৰসংগ গ্ৰন্থসমূহ**

**অসমীয়া**

(১) শৰ্মা, তৰুণ কুমাৰ আৰু গোস্বামী, ৰজনীকান্ত ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, বনলতা, ডিব্ৰুগড়, ২০০৯

(২) বৰকাকতী, বিদ্যানন্দ ঃ *ভাৰতীয় শিক্ষাৰ ইতিহাস*, ইউনিকা প্ৰকাশন, যোৰহাট, ২০০৮

(৩) শৰ্মা, হেমকান্ত আৰু শৰ্মা, প্ৰতিমা দেৱী ঃ *শিক্ষাতত্ত্ব*, ষ্টুডেন্ট ষ্টৰচ, গুৱাহাটী, ২০১১

(৪) শইকীয়া, তৰুণ আৰু শইকীয়া, ৰুণু বৰা, ঃ *উচ্চতৰ মাধ্যমিক শিক্ষা*, বিদ্যাভৱন, যোৰহাট, ২০১১।

**ইংৰাজী**

(1) Chaube, S.P. : History and Problems of Indian Education, Vinod Pustak Mandir, Agra - 2

(2) Nanda, S.K. and Bhatia, K.K. : B.Ed. guide, Kalyani Publishers, Ludhiana, 1996

(3) Rawat, P.L. : History of Indian Education, Ram Prasad & Sons, Agra - 3

**আৰ্হি প্ৰশ্ন**

১) ১০৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল খণ্ড বা দিশবোৰৰ বিষয়ে বৰ্ণনা কৰা।

২) ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি মানে কি? ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি সম্পৰ্কে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত কেনেকুৱা ধৰণৰ পৰামৰ্শ প্ৰদান কৰিছে ব্যাখ্যা কৰা।

(৩) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ ক্ষেত্ৰত বৈষম্য নাইকিয়া কৰি সমতা স্থাপনৰ বাবে কেনেকুৱা ধৰণৰ পৰামৰ্শ দিছে বৰ্ণনা কৰা।

৪) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত প্ৰাথমিক শিক্ষাৰ পুনৰ গঠন বা বিকাশৰ বাবে কেনেধৰণৰ পৰামৰ্শ প্ৰদান কৰিছে ব্যাখ্যা কৰা।

৫) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত উচ্চ শিক্ষাৰ পুনৰ গঠনৰ বাবে দিয়া পৰামৰ্শবোৰ আলোচনা কৰা।

৬) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ উন্নয়নৰ বাবে প্ৰদান কৰা পৰামৰ্শবোৰ বৰ্ণনা কৰা।

৭) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষা প্ৰক্ৰিয়া আৰু বিষয়বস্তুৰ পুনৰ বিন্যাসৰ বাবে কেনেধৰণৰ পৰামৰ্শ আগবঢ়োৱা বৰ্ণনা কৰা।

৮) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষকসকলৰ পদমৰ্যাদাৰ উন্নতি আৰু শিক্ষক শিক্ষা সম্পৰ্কে কি কি পৰামৰ্শ প্ৰদান কৰিছে ? ব্যাখ্যা কৰা।

৯) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিক্ষাৰ ব্যৱস্থাপনা বা পৰিচালনা সন্দৰ্ভত কি কি পদক্ষেপ গ্ৰহণ কৰাৰ কথা কোৱা হৈছে বৰ্ণনা কৰা।

১০) ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত সম্পদ আৰু পুনৰীক্ষণ সন্দৰ্ভত কেনেকুৱা ধৰণৰ পৰামৰ্শ প্ৰদান কৰিছে বৰ্ণনা কৰা।

# গোট - ৬
# জাতীয় শিক্ষা নীতি (কৰ্ম আঁচনি ঃ ১৯৯২)
(National Educational Policy, NPE)
(Programme/Plan of Action, POA :1992)

**গোট গঠন বিন্যাস (Unit Structure)**

**৬.০ উদ্দেশ্য**
**৬.১ প্ৰস্তাৱনা**
**৬.২ জাতীয় শিক্ষা নীতিৰ (কৰ্ম আঁচনি ঃ ১৯৯২) পটভূমি**
আত্মমূল্যায়নৰ প্ৰশ্ন
**৬.৩ ১৯৯২ চনৰ কাৰ্য আঁচনিৰ মূল দফাসমূহ আৰু সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দফাসমূহ।**
আত্মমূল্যায়নৰ প্ৰশ্ন
**৬.৪ সামৰণি**
ঘাই শব্দসমূহ
পাঠ্য নিৰ্দেশনা
সম্ভাব্য উত্তৰ
আৰ্হি প্ৰশ্ন
প্ৰসংগ পুথি

**৬.০ উদ্দেশ্য (Objectives)**

এই গোটটো অধ্যয়নৰ যোগেদি তোমালোকে -

* ১৯৯২ চনৰ কৰ্ম আঁচনিৰ পটভূমি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিবা।
* কৰ্ম আঁচনিৰ মূল দফাবোৰ আলোচনা কৰিব পাৰিবা।
* কৰ্ম আঁচনি (১৯৯২) চনৰ পৰৱৰ্তী কালত শিক্ষাৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তন ব্যাখ্যা কৰিব পাৰিবা।

**৬.১ প্ৰস্তাৱনা (Introduction)**

তোমালোকে আগৰ গোটটোত জাতীয় শিক্ষা নীতি (১৯৮৬) সম্পৰ্কে বিতংভাৱে জানিব পাৰিলা। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰে সন্নিবিষ্ট দফাসমূহৰ সংশোধিত দিশসমূহৰ সম্পৰ্কে আমি এই গোটটোত পৰ্যায়ক্ৰমে আলোচনা কৰিম।

ভাৰতবৰ্ষই ১৯৪৭ চনত ইংৰাজৰ অধীনৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছত শিক্ষা ব্যৱস্থাৰ পুনৰ গঠন আৰু উন্নয়নৰ বাবে বিভিন্ন আয়োগ গঠনৰ যোগেদি পদক্ষেপ গ্ৰহণ কৰিছিল। এই পদক্ষেপসমূহৰ ভিতৰত ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত সন্নিবিষ্ট পৰামৰ্শসমূহ বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰিবৰ বাবে ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ে এখন কৰ্ম আঁচনি প্ৰস্তুত কৰিবলৈ লৈছিল। ইয়াৰ ফলতেই ১৯৯২ চনৰ কৰ্ম আঁচনিৰ বিকাশ হয়। এই গোটটোৰ অধ্যয়নে তোমালোকক ১৯৮৬ চনৰ দফাসমূহৰ সংশোধিত ৰূপ আৰু ইয়াৰ প্ৰয়োগৰ বিষয়ে আলোচনা কৰিবলৈ সহায় কৰিব।

**৬.২ জাতীয় শিক্ষা নীতি (কৰ্ম আঁচনি ঃ ১৯৯২) পটভূমি (National Education Policy, POA) 1992, Background**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি সম্পৰ্কে তোমালোকে পূৰ্বৰ গোটটোত পাই আহিছা। এই শিক্ষা নীতিৰ পৰামৰ্শসমূহ কাৰ্যত ৰূপায়ণ কৰিবলৈ আৰু দফাসমূহৰ সংশোধনৰ বাবে ভাৰত চৰকাৰৰ মানৱ সম্পদ

বিকাশ মন্ত্রণালয়ে (Ministry of Human Resource Development, MHRD) এখন কৰ্ম আঁচনি প্ৰস্তুত কৰাৰ পোষকতা কৰে। ভাৰত চৰকাৰে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদক (Central Advisory Board of Education - CABE) এখন কমিটি গঠন কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰে। এই পৰিষদে ১৯৯২ চনৰ জুলাই মাহত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী জনাৰ্দন ৰেড্ডীক সভাপতি হিচাবে লৈ এখন কমিটি গঠন কৰে। এই কমিটিখনক সভাপতিজনৰ নাম অনুসৰি জনাৰ্দন ৰেড্ডী কমিটি নামেৰেও জনা যায়। কমিটিয়ে বিভিন্ন ৰাজ্যৰ ছয়জন শিক্ষামন্ত্ৰী , বিভিন্ন ক্ষেত্ৰৰ আঠজন শিক্ষাবিদক সদস্য হিচাবে অন্তৰ্ভুক্ত কৰা হৈছিল। ১৯৯২ চনৰ জানুৱাৰী মাহত কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছিল আৰু ১৯৯২ চনৰ ৭ মে তাৰিখে দুয়োখন সদনত উত্থাপন কৰা হৈছিল। এই প্ৰতিবেদনখনত ১৯৮৬ চনৰ শিক্ষা নীতিৰ মুঠ ১৬৭টা দফাৰ ৩১টা দফাৰ সংশোধন আৰু তাৰ লগত নতুনকৈ দুটা দফা সংযোগ কৰা হৈছিল।

১৯৯২ চনৰ কৰ্ম আঁচনিৰ যোগেদি ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সংশোধন ঘটোৱা হয় আৰু ইয়াৰ প্ৰয়োগৰ বাবে মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ে ৰাজ্য সভাৰ লগত আলোচনা কৰি ১৯৯২ চনৰ ১২ মে তাৰিখে এখন কৰ্ম আঁচনি যুগুত কৰে। ইয়াৰ পাছত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল বিষয়বস্তুসমূহৰ বিষয়ে পৰামৰ্শ দিবলৈ বিখ্যাত শিক্ষাবিদ, বিশেষজ্ঞ আৰু ৰাজ্যিক চৰকাৰৰ জ্যেষ্ঠ বিষয়াক লৈ সৰ্বমুঠ ২২ খন বিভিন্ন টাস্কফৰ্চ গঠন কৰা হয়।

**আত্মমূল্যায়ন (ক)**

***(টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

(১) CABE ৰ সম্পূৰ্ণ ৰূপটো কি?

..........................................................................................

(২) ১৯৯২ চনৰ কৰ্ম আঁচনিখনৰ বাবে গঠন কৰা কমিটিখনৰ সভাপতি কোন আছিল?

....................................................................................................

(৩) ১৯৯২ চনৰ কৰ্ম আঁচনিখনত কিমানটা দফাৰ সংশোধন কৰা হৈছিল?

....................................................................................................

(৪) কৰ্ম আঁচনি ১৯৯২ ৰূপায়ণৰ বাবে কিমানখন টাস্কফৰ্চ গঠন কৰা হৈছিল?

....................................................................................................

## ৬.৩ ১৯৯২ চনৰ কৰ্ম আঁচনিৰ মূল দফাসমূহ আৰু সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দফাসমূহ (Main Sections of Revised National Education Policy and POA)

প্ৰথম আৰু দ্বিতীয় উপগোটৰ বৰ্ণনা কৰা উদ্দেশ্য, প্ৰস্তাৱনা আৰু পটভূমি সম্পৰ্কীয় বিষয়বোৰৰ পৰা তোমালোকে মূল আলোচ্য বিষয়ৰ সম্পৰ্কে নিশ্চয় অলপ আভাস পাইছা। এতিয়া সংশোধিত দফা আৰু কৰ্ম আঁচনিৰ মূল দিশবোৰ আলোচনা কৰো আহাঁ।

### (ক) সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৯২, দফা ৩.৩

এই দফাটোত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাত এক উমৈহতীয়া শিক্ষাৰ বুনিয়াদ (Common Education Structure)ৰ গাঁথনি গঢ়ি তোলাৰ ওপৰত জোৰ দিয়া হৈছিল। তোমালোকে ৰাষ্ট্ৰীয় শিল্প ব্যৱস্থাৰ গাঁথনিটো (১০+২+৩) নিশ্চয় পাইছা। এই সংশোধনিত পূৰ্বৰ গাঁথনিৰ অলপ সাল-সলনি কৰা হয়। ১০ বছৰীয়া বিদ্যালয় শিক্ষক ৫ বছৰীয়া প্ৰাথমিক শিক্ষা, ৩ বছৰীয়া উচ্চ প্ৰাথমিক আৰু ২ বছৰীয়া মাধ্যমিক স্তৰৰ ব্যৱস্থা হিচাপে কৰি তোলাত গুৰুত্ব দিয়া হৈছিল। লগতে ১০+২ (উচ্চতৰ মাধ্যমিক) স্তৰটোক সমগ্ৰ দেশতে বিদ্যালয় শিক্ষা ব্যৱস্থাৰ অংগ হিচাবে গ্ৰহণ কৰিবলৈ যত্ন কৰা হৈছিল।

**(খ) সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৯২, ৫.৫ নং দফা**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত উল্লেখ কৰা প্ৰাথমিক শিক্ষাৰ লগত জড়িত দুটা দিশৰ সংশোধন ঘটাই তিনিটা নতুন দিশ কৰ্ম আঁচনিখনত সন্নিবিষ্ট কৰা হয়। সেইকেইটা এনে ধৰণৰ -

১) সাৰ্বজনীন প্ৰবেশ আৰু নাম ভৰ্তিকৰণৰ ব্যৱস্থা।

২) ১৪ বছৰ বয়সলৈকে শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ সাৰ্বজনীন উপস্থিতিৰ ব্যৱস্থা কৰা।

৩) সকলো শিশুৰে শিক্ষাৰ গুণগত দিশৰ প্ৰকৃত উন্নতিৰ ব্যৱস্থা কৰা।

**(গ) সংশোধিত ৰাষ্ট্ৰীয় শিক্ষণ নীতি, ১৯৯২, দফা ৫.১২**

ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৮৬ ত, অপচয় হোৱা বা স্থবিৰ ল'ৰা-ছোৱালীৰ শিক্ষাক অগ্ৰাধিকাৰ দিবলৈ আৰু নিম্ন পৰ্যায়ৰ পৰা অপচয় আৰু স্থবিৰতাৰ দৰে সমস্যাসমূহ সমাধান কৰিবলৈ যত্ন কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছিল। এই সম্পৰ্কে তোমালোকে আগৰ গোটত পঢ়ি আহিছা। ১৯৯২ চনৰ কৰ্ম আঁচনি একৈশ শতিকাৰ পূৰ্বেই ১৪ বছৰৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিবলৈ আৰু এই নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ এক ৰাষ্ট্ৰীয় অভিযান আৰম্ভ কৰিবলৈ প্ৰচেষ্টা হাতত লৈছিল।

**(ঘ) সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৯২ দফা নং ৫.২৩**

১৯৯২ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি সংশোধন আৰু কৰ্ম আঁচনিয়ে এক প্ৰস্তাৱ গ্ৰহণ কৰিছিল য'ত উল্লেখ আছিল ১৯৯৫ চনৰ ভিতৰত ১০ শতাংশ আৰু ২০০০ চনৰ ভিতৰত ২৫ শতাংশ মাধ্যমিক স্তৰৰ শিক্ষাৰ্থীৰ বাবে বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এনে শিক্ষা লাভ কৰা শিক্ষাৰ্থীৰ বাবে আত্মনিয়োগ আৰু নিযুক্তিৰ বাবে বিশেষ ব্যৱস্থা লোৱাৰ ওপৰতো গুৰুত্ব দিয়া হ'ব। কৰ্ম আঁচনিৰে এই দফাটোত চৰকাৰৰ বিশেষ নিয়োগ নীতি আৰু

শিক্ষাৰ পাঠ্যসূচীক নিয়মিতভাবে পুনৰ নিৰীক্ষণ কৰাৰ ওপৰতো মনোনিবেশ কৰিছিল যাতে মাধ্যমিক পৰ্যায়ত শিক্ষাৰ্থীসকলক উদগনি দিব পাৰি।

এই চাৰিটা দফা ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ১৯৯২ চনৰ সংশোধিত দফা। এতিয়া আমি মন কৰোঁ আঁহা কৰ্ম আঁচতনিখনত উল্লেখ থকা আন কেইটামান দিশ সম্পৰ্কে -

১৯৯২ চনৰ কৰ্ম আঁচনিখন ২৩টা শাখাত বিভক্ত কৰি প্ৰতিটোৰে একোটা শিৰোনাম দিয়া হৈছিল। যেনে -

১) মহিলা সমতাৰ কাৰণে শিক্ষা (Education for Women Equality)

২) অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ শিক্ষা (Education for SC, ST and other Background Classes)

৩) সংখ্যালঘুসকলৰ বাবে শিক্ষা (Education of Minority)

৪) প্ৰাপ্তবয়স্ক আৰু অবিৰত শিক্ষা (Adult and Continuing Education)

৫) পূৰ্ব বাল্যকালৰ প্ৰতিপালন আৰু শিক্ষা (Early Childhood Care and Education)

৬) বিকলাংগ আৰু বাধ্যগ্ৰস্থসকলৰ শিক্ষা (Education of Handicapped)

৭) বুনিয়াদী প্ৰাথমিক শিক্ষা (Elementary Education)

৮) মাধ্যমিক শিক্ষা (Secondary Education)

৯) নবোদয় বিদ্যালয় (Novodaya Vidyalaya)

১০) বৃত্তিমুখী শিক্ষা (Vocational Education)

১১) বৃত্তিমুখী শিক্ষা (Higher Education)

১২) মুক্ত শিক্ষা (Open Education)

১৩) শিক্ষাগত অৰ্হতা বা ডিগ্ৰীসমূহৰ চাকৰিৰ লগত জড়িতকৰণ। (Delinking Degree with Jobs)

১৪) গ্ৰাম্য বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠান (Rural Universities and Institutes)

১৫) আভিযান্ত্রিক আৰু ব্যৱস্থাপনাৰ শিক্ষা (Technical and Management Education)
১৬) গৱেষণা শিক্ষা (Research Education)
১৭) সাংস্কৃতিক প্ৰেক্ষাপট (Cultural Perspetive)
১৮) ভাষাৰ বিকাশ (Development of Language)
১৯) শৈক্ষিক প্ৰযুক্তিবিদ্যা আৰু মাধ্যম (Education Technology and Media)
২০) ক্ৰীড়া, শাৰীৰিক শিক্ষা আৰু যুৱপ্ৰজন্ম (Sport Physical Education and Youths)
২১) মূল্যায়নৰ প্ৰক্ৰিয়াসমূহ আৰু পৰীক্ষা সংস্কাৰ (Evaluation Processes and Examination Reform)
২২) শিক্ষকসকল আৰু তেওঁলোকৰ প্ৰশিক্ষণ (Teachers and their Training)
২৩) শিক্ষাৰ ব্যৱস্থাপনা (Management of Education)

১৯৯২ চনৰ কৰ্ম আঁচনিৰ কিছুসংখ্যক বিষয়ৰ শিৰোনামসমূহ ১৯৮৬ চনতকৈ বেলেগ ধৰণে আৰু কিছুসংখ্যক অলপ বেলেগ ভাষাৰে আগবঢ়োৱা হৈছিল। ১৯৯২ চনৰ কৰ্ম আচনিখনে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিক এক প্ৰসাৰতা প্ৰদান কৰিছিল। এই কৰ্ম আঁচনিখনৰ প্ৰথমতে উল্লেখ কৰা হৈছিল যে ইয়াত মহিলাৰ সমতাৰ বাবে শিক্ষা, অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ শিক্ষা, সংখ্যা লঘুসকলৰ শিক্ষা, বাধাগ্ৰস্থৰ শিক্ষা, প্ৰাপ্তবয়স্ক আৰু অবিৰত শিক্ষা, পূৰ্ববাল্যকালৰ সেৱা আৰু শিক্ষা আদি দিশত অধিক গুৰুত্ব দিয়া হ'ব।

প্ৰাথমিক শিক্ষাৰ লগত জড়িত কাৰ্যসূচীসমূহ এই কৰ্ম আঁচনিত কৰা হৈছিল। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত থকা কৃষ্ণফলক আঁচনি বা অপাৰেচন ব্লেকবৰ্ডে (Operation Black Board) কেৱল প্ৰাথমিক বিদ্যালয়কে সাঙুৰি লৈছিল। কিন্তু ১৯৯২ চনৰ কৰ্ম আঁচনিৰে উচ্চ প্ৰাথমিক বিদ্যালয়সমূহকো ইয়াৰ কাৰ্য পৰিসৰত অন্তৰ্ভুক্ত কৰি লৈছিল।

১৯৮৬ চনৰ শিক্ষা নীতিত ৩০০ জনসংখ্যা থকা ঠাইত এখন প্ৰাথমিক বিদ্যালয় স্থাপনৰ কথা কোৱা হৈছিল। কিন্তু ১৯৯২ চনৰ কৰ্ম আঁচনিত ২০০ জনসংখ্যা থকা ঠাইত এখন প্ৰাথমিক বিদ্যালয় স্থাপনৰ প্ৰস্তাব লোৱা হৈছিল। লগতে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত থকা প্ৰাথমিক বিদ্যালয়ৰ দুটা কোঠা আৰু দুজন শিক্ষকৰ পৰিৱৰ্তে ১৯৯২ চনৰ কৰ্ম আঁচনিয়ে পৰিকল্পনা কৰিছিল তিনিটা কোঠা আৰু তিনিজনীয়া শিক্ষকৰ প্ৰাথমিক বিদ্যালয় বাস্তৱত ৰূপায়িত কৰিবলৈ। প্ৰতি ৩ কিলোমিটাৰৰ আঁতৰে আঁতৰে উচ্চ প্ৰাথমিক বিদ্যালয় স্থাপন কৰিবলৈ ১৯৮৬ চনৰ শিক্ষা নীতিত থকা দিশটোৰ ১৯৯২ চনৰ কৰ্ম আঁচনিয়ে ২ কিলোমিটাৰ আঁতৰে আঁতৰে প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লৈছিল।

১৯৯২ চনৰ কৰ্ম আঁচনিত মাধ্যমিক শিক্ষাৰ লগত জড়িত তিনিটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছিল। প্ৰথমেতে, ১৯৮৬ চনৰ শিক্ষা নীতিত মাধ্যমিক শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত কেৱল IX আৰু X স্তৰলৈকে উল্লেখ কৰা হৈছিল, কিন্তু ১৯৯২ চনৰ কৰ্ম আঁচনিয়ে ১০+২ স্তৰটোকো অন্তৰ্ভুক্ত কৰি লৈছিল। দ্বিতীয় সিদ্ধান্ত আছিল মাধ্যমিক বিদ্যালয়সমূহৰ অৱস্থাৰ উন্নয়ন সাধন আৰু তৃতীয় সিদ্ধান্ত আছিল নবোদয় বিদ্যালয় সদৃশ উপযুক্ত মাধ্যমিক বিদ্যালয় স্থাপন কৰা।

তাৰোপৰি এই কৰ্ম আঁচনিয়ে উচ্চ শিক্ষাৰ বিকাশৰ ওপৰত গুৰুত্ব দিছিল। বিশেষকৈ মুক্ত বিশ্ববিদ্যালয়ৰ মানদণ্ড উন্নয়নৰ ওপৰত।

তোমালোকে এই কথাখিনিৰ জৰিয়তে ১৯৯২ চনৰ কৰ্ম আঁচনিখনৰ বিষয়ে জানিব পাৰিলা। এতিয়া কৰ্ম আঁচনিখনৰ লগত জড়িত অগ্ৰগতি সম্পৰ্কীয় কেতবোৰ দিশ সম্পৰ্কে মন কৰোঁ আঁহা -

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে শিক্ষাক জাতীয় গুৰুত্ব তথা প্ৰয়োজনীয়তা থকা বিষয় হিচাবে চিহ্নিত কৰিছিল। তাৰোপৰি বিনিয়োগৰ এক উত্তম ক্ষেত্ৰ হিচাবে শিক্ষাক বিবেচনা কৰি জাতীয় বাজেটৰ ৬ ব্যয়ৰ সিদ্ধান্ত লোৱা হৈছিল। ২০০০ চনত জাতীয় বাজেটৰ ৪ শিক্ষাৰ শিতানত ব্যয় কৰা হৈছিল।

১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু ১৯৯২ চনৰ সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি আছিল ভাৰতবৰ্ষৰ প্ৰথম এনে এক শিক্ষা আঁচনি য'ত পূৰ্ণ পৰ্যায়ৰ

কৰ্ম আঁচনি আৰু ইয়াৰ প্ৰয়োগৰ বাবে আৱশ্যকীয় বিত্তৰ ব্যৱস্থাও কৰা হৈছিল।

তোমালোকে ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ সম্পৰ্কে নিশ্চয় পঢ়িছা। এই অনুচ্ছেদত থকা প্ৰাথমিক শিক্ষা সাৰ্বজনীন আৰু বিনামূলায়াকৰণৰ যি ব্যৱস্থা, ১৮৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ইয়াৰ ৰূপায়ণৰ বাবে কৃষ্ণফলক আঁচনি (Operation Black Board) প্ৰস্তুত কৰিছিল।

১৯৮৭ চনৰ পৰা ২০০৭ চনৰ ভিতৰত ৮৫ প্ৰাথমিক বিদ্যালয় আৰু ৬৫ উচ্চ প্ৰাথমিক বিদ্যালয় এই কৃষ্ণফলক আঁচনিৰ (Operation Black Board) জৰিয়তে উপকৃত হৈছিল। এই আঁচনিখনে পৰৱৰ্তী কালত সৰ্বশিক্ষা অভিযানৰ (Sarva Siksha Abhiyan) যোগেদি প্ৰাথমিক শিক্ষাক উন্নয়ন কৰাত যথেষ্ট অৰিহণা যোগাইছে।

ইয়াৰ উপৰি ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি (১৯৯২) আৰু কৰ্ম আঁচনিয়ে মাধ্যমিক স্তৰৰ বিশেষ গুৰুত্ব থকা বিদ্যালয় স্থাপনৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই প্ৰসংগতে ২০০৭ চনলৈকে ৫৬৫ খন জৱাহৰ নৱোদয় বিদ্যালয় শিক্ষণ ক্ষেত্ৰত সংযোজন কৰাত অৰিহণা যোগাইছিল। এই বিদ্যালয়সমূহত গ্ৰাম্যাঞ্চলৰ প্ৰতিভাৱান, অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ল'ৰা-ছোৱালীক শিক্ষা গ্ৰহণৰ বিশেষ সুযোগ দিয়া হৈছিল।

এই দিশবোৰৰ উপৰিও ভাৰতবৰ্ষত মুক্ত শিক্ষাৰ প্ৰসাৰ, প্ৰযুক্তিগত শিক্ষাৰ উন্নয়ন, শিক্ষাৰ প্ৰশিক্ষণ আৰু শিক্ষাৰ সংস্কাৰ তথা নতুনত্ব প্ৰদান, মহিলা সবলীকৰণৰ বাবে শিক্ষা, পৰীক্ষা ব্যৱস্থাৰ প্ৰণালীবদ্ধ প্ৰস্তুতি, অবিৰত মূল্যায়নকৰন তথা আধুনিকীকৰণ আদি ক্ষেত্ৰসমূহত ১৯৯২ চনৰ সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু কৰ্ম আঁচনিয়ে বিশেষ পদক্ষেপ লৈছিল।

এই উপগোটটো পঢ়াৰ পাছত তোমালোকে নিশ্চয় বুজিব পাৰিছো যে ১৯৯২ চনৰ সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু কৰ্ম আঁচনিয়ে ভাৰতীয় শিক্ষাক এক নতুন গতি আৰু নিৰ্দেশনা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। ১৯৯২ চনৰ সংশোধনী আৰু কৰ্ম আঁচনিখনৰ বিষয়ে বুজিবলৈ তোমালোকে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল দফাসমূহ এবাৰ পঢ়ি ল'বা।

**আত্মমূল্যায়ন (খ)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাইদিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভব্য উত্তৰৰ লগত মিলাই চাবা)*

১) O.B.B ৰ সম্পূৰ্ণ ৰূপটো কি?

..................................................................................................

২) S.S.A. ৰ সম্পূৰ্ণ ৰূপটো লিখা।

..................................................................................................

৩) ১৯৯২ চনৰ কৰ্ম আঁচনিয়ে প্ৰাথমিক বিদ্যালয় স্থাপনৰ কেনেকুৱা সিদ্ধান্ত লৈছিল?

..................................................................................................

..................................................................................................

৪) সংবিধানৰ কোনটো অনুচ্ছেদত পোনপটীয়াকৈ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থাৰ কথা উল্লেখ আছে?

..................................................................................................

..................................................................................................

**৬.৪ সামৰণি (Let us sum up)**

তোমালোকে ইতিমধ্যে এই গোটটোত ১৯৯২ চনৰ সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দফাসমূহ আৰু কৰ্ম আঁচনি সম্পৰ্কে পঢ়িলা। এই কৰ্ম আঁচনিয়ে শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ প্ৰাথমিক শিক্ষাৰ স্তৰত অপাৰেচন ব্লেকৰ্বডৰ (Operation Black Board) যোগেদি বহুতো নতুন পদক্ষেপ গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ (১৯৮৬) কাৰ্যসমূহ ৰূপায়ণৰ বাবে কৰ্ম আঁচনিয়ে (১৯৯২) যি আঁচনি গ্ৰহণ কৰিছিল, প্ৰথম অৱস্থাত ইয়াৰ পৰা যোগাত্মক ফলাফলেই পোৱা গৈছিল। কিন্তু পৰৱৰ্তী সময়ত দুনীৰ্তিৰ প্ৰাদুৰ্ভাব, উপযুক্ত কৰ্মকৰ্তাৰ অভাব আদিয়ে

Directorate of Distance Education
Dibrugarh University, Dibrugarh - 786004
ISBN NO : **978-93-82785-39-2**
No. of Copies : 1000 Copies Year of Printing : 2015

মানদণ্ড ক্ৰমাৎ নিম্নগামী কৰিছিল।

যি কি নহওক, শেষত ক'ব পাৰি যে ভাৰতীয় শিক্ষা ইতিহাসত পোন প্ৰথমবাৰৰ বাবে শিক্ষা আঁচনিৰ লগত কৰ্ম আঁচনিৰ সংযোজন ১৯৯২ চনৰ সংশোধিত ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু কৰ্ম আঁচনিৰ যোগেদি পোৱা গ'ল। ইয়াৰ পৰৱৰ্তী সময়ত শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন আঁচনি অভিযান আৰু সংশোধনীসমূহত এই কৰ্ম আঁচনিখনৰ যথেষ্ট প্ৰভাব দেখিবলৈ পোৱা যায়।

**ঘাই শব্দসমূহ (Key Words)**

**টাস্কফৰ্চ** - কোনো এটা কাম কৰিবলৈ গঠন কৰা মানুহৰ গোট।

**উমৈহতীয়া** - সকলোৰে বাবে একে।

**অপচয়** - প্ৰাথমিক শিক্ষাৰ ই এটা প্ৰধান সমস্যা। আনুষ্ঠানিক শিক্ষাৰ প্ৰাথমিক স্তৰত যিসকল শিক্ষাৰ্থীয়ে নামভৰ্তি কৰাৰ পাছত বিভিন্ন আৰ্থ-সামাজিক আৰু পাৰিবাৰিক কাৰণত শিক্ষা শেষ নকৰাকৈ আধাতে বিদ্যালয় ত্যাগ কৰে, তাকে অপচয় বোলে। অপচয়ৰ ধাৰণাটো শিক্ষাৰ্থীৰ আৰু শিক্ষা ব্যৱস্থাৰ শ্ৰম, মূলধন আৰু সময়ৰ অপব্যয়ৰ দিশৰ লগত জড়িত।

**স্থবিৰতা** - কোনো এজন শিক্ষাৰ্থীয়ে নিৰ্দিষ্ট শিক্ষাবৰ্ষৰ অন্তত অনুষ্ঠিত হোৱা মূল পৰীক্ষাত চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰি পৰৱৰ্তী শিক্ষাস্তৰলৈ যোৱাৰ পৰিৱৰ্তে একেটা শ্ৰেণীতে বছৰি ৰৈ যাবলগীয়া হোৱা।

**বৃত্তিমূলক শিক্ষা** - বৃত্তিমূলক শিক্ষাই কোনো এটা নিৰ্দিষ্ট বৃত্তি জীৱিকাৰ লগত জড়িত হৈ থকা শিক্ষাক বুজায়। যেনে - আভিযান্ত্ৰিক শিক্ষা।

**পাঠ্য নিৰ্দেশনা (Suggested Readings)**

উপৰোক্ত গোটৰ অন্তৰ্গত বিষয়সমূহৰ ভালদৰে বুজি পাবৰ কাৰণে তোমালোকে নিম্নলিখিত পুথিসমূহৰ সহায় ল'ব পাৰা।

(১) ড° বেদকুমাৰ চলিহা, তৰুণ শইকীয়া, ৰুণু বৰা শইকীয়া ঃ স্নাতক মহলাৰ ভাৰতীয় শিক্ষাৰ ইতিহাস।

(২) বিদ্যানন্দ বৰকাকতী ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস।

(৩) যতীন বৰুৱা ঃ ভাৰতীয় শিক্ষা ইতিহাসৰ অধ্যয়ন

(৪) Prof. Raman Bihari Lal and Dr. G. N. Sinha : Development of India Education and Its Problems

**সম্ভাব্য উত্তৰ (Pribable Answers)**

**আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ**

(১) CABE ৰ সম্পূৰ্ণ ৰূপটো হৈছে - Central Advisory Board of Education (কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদ)

(২) ১৯৯২ চনৰ বাবে গঠন কৰা কমিটিখনৰ সভাপতি অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী জনাৰ্দন ৰেড্ডী আছিল।

(৩) ১৯৯২ চনৰ কৰ্ম আঁচনিত ৩১ টা দফাৰ সংশোধন আৰু দুটা দফা নতুনকৈ সংযোজন কৰা হৈছিল।

(৪) কৰ্ম আঁচনি ১৯৯২ ৰূপায়ণৰ বাবে মুঠতে ২২ খন টাস্কফৰ্চ গঠন কৰা হৈছিল।

**আত্মমূল্যায়ন (খ) ৰ উত্তৰ ঃ**

(১) OBB সম্পূৰ্ণ ৰূপটো হ'ল Operation Black Board (কৃষ্ণফলক আঁচনি)

(২) SSA ৰ সম্পূৰ্ণ ৰূপটো Sarva Siksha Abhiyan (সৰ্বশিক্ষা অভিযান)

(৩) ১৯৯২চনৰ কৰ্ম আঁচনিয়ে ২০০ জনসংখ্যা থকা ঠাইত আৰু প্ৰতি ২ কিলোমিটাৰত আঁতৰে আঁতৰে প্ৰাথমিক বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছিল।

(৪) সংবিধানৰ ৪৫ নং অনুচ্ছেদত ৬ৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীক জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিংগ, অঞ্চল নিৰ্বিশেষে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ কথা উল্লেখ আছে।

**আৰ্হি প্ৰশ্ন (Model Questions)**

(১) ১৯৯২ চনৰ কৰ্ম আঁচনিখনৰ পটভূমি বৰ্ণনা কৰা।

(২) কৰ্ম আঁচনিৰ (১৯৯২) মূল দফাবোৰৰ ব্যাখ্যা কৰা।

(৩) কৰ্ম আঁচনিখনে পৰৱৰ্তীকালত শিক্ষাৰ ক্ষেত্ৰত পেলোৱা প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

**প্ৰসংগ পুথি (Reference Books)**

১. চলিহা, বেদকুমাৰ, শইকীয়া, তৰুণ আৰু শইকীয়া, ৰুণু ঃ স্নাতক মহলাৰ ভাৰতৰ শিক্ষাৰ ইতিহাস, বিদ্যাভৱন মহাত্মা গান্ধী পথ, যোৰহাট -১

২. বৰকাকতী, বিদ্যানন্দ ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস, ইউনিকা প্ৰকাশন, মহাত্মা গান্ধী পথ, যোৰহাট - ১

**ইংৰাজী ঃ**

1. Lal, Prof. Raman Bihari and Sinha, Gr. G. N. : Development Of Indian Education and Its Problems, R. Lall Book Depot, Near Gove. Inter College, Meerut - 25001
2. Chabue, Dr. S.P. : History and Problems of Indian Education, Vinod Pustak Mandir, Agra - 2.

আত্ম শিকন সামগ্ৰী

# Bachelor of Arts (General)

# শিক্ষাতত্ত্ব

# EDUCATION

## পাঠ্যক্ৰম – EDUG : 501

## Development History of Education in India

## 5th Semester

# ভাৰতীয় শিক্ষাৰ বিকাশাত্মক ইতিহাস

## খণ্ড - ৫

দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

# EDUCATION
## COURSE : EDUG -501

### BLOCK - 5
### EMERGING ISSUES IN THE NEW MILLEMINUM

**Contributors :**
**Dr. Shrutidhara Mahanta**
Asstt. Professor in Education, CODE, Dibrugarh University

**Editor :** **Dr. Shrutidhara Mahanta**
Asstt. Professor in Education, CODE, Dibrugarh University

**ISBN : 978-81-924664-8-4**

© Copy right by Centre for Distance and Online Education, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Centre for Distance and Online Education, Dibrugarh University by the Director, CODE, D.U. and printed at Bhattacharyya Offset, Dibrugarh -1.

# শিক্ষাতত্ত্ব

## পাঠ্যক্ৰম - EDUG : 501

### খণ্ড - ৫

## নতুন সহস্ৰাব্দত আলোচ্য বিষয়সমূহ

### সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| **খণ্ড - ৫ ঃ নতুন সহস্ৰাব্দত আলোচ্য বিষয়সমূহ** | |
| **গোট - ১** ঃ পৰিৱেশীয় শিক্ষা | ১-৩৫ |
| **গোট - ২** ঃ মানৱ অধিকাৰ শিক্ষা | ৩৭- ৬৮ |
| **গোট - ৩** ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতা (সৰ্ব সিক্ষা অভিযান) | ৬৯ - ৯৮ |
| **গোট - ৪** ঃ মহিলা সবলীকৰণৰ বাবে শিক্ষা | ৯৯ -১১৬ |
| **গোট - ৫** ঃ শিক্ষাৰ ব্যক্তিগতকৰণ | ১১৭ -১৩৫ |

# খণ্ড - ৫

## গোট - ১

## Unit - 1 : Environmental Education

**গোট গঠন বিন্যাস**

**১.০ উদ্দেশ্য**

**১.১ প্ৰস্তাৱনা**

**১.২ পৰিৱেশৰ অৰ্থ আৰু ধাৰণা**

১.২.১ পৰিৱেশৰ প্ৰকাৰ আৰু উপাদান

১.২.২ বৰ্তমান যুগৰ প্ৰধান পৰিৱেশীয় সমস্যাসমূহ

আত্মমূল্যায়ন - (ক)

**১.৩ পৰিৱেশীয় শিক্ষা**

১.৩.১ পৰিৱেশীয় শিক্ষাৰ অৰ্থ আৰু ধাৰণা

১.৩.২ পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্য

১.৩.৩ পৰিৱেশীয় শিক্ষাৰ প্ৰয়োজনীয়তা

১.৩.৪ পৰিৱেশীয় শিক্ষাৰ নীতিসমূহ

আত্মমূল্যায়ন - (খ)

১.৩.৫ পৰিৱেশীয় শিক্ষাৰ পাঠ্যক্ৰম

১.৩.৬ পৰিৱেশীয় শিক্ষাৰ সমস্যা বা অসুবিধাসমূহ

**১.৪ পৰিৱেশীয় শিক্ষাৰ পৰিসৰ**

**১.৫ পৰিৱেশীয় শিক্ষাৰ শিক্ষণ পদ্ধতিসমূহ**

আত্মমূল্যায়ন - (গ)

**১.৬ সামৰণি**

ঘাই শব্দসমূহ

পাঠ্য নিৰ্দেশনা

সম্ভাব্য উত্তৰ

আৰ্হি প্ৰশ্ন

প্ৰসংগ পুথি

## ১.০ উদ্দেশ্য (Objectives) ঃ

এই গোটটো পঢ়াৰ পিছত তোমালোকে -

(ক) পৰিৱেশৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিবা।

(খ) পৰিৱেশৰ বিভিন্ন প্ৰকাৰ আৰু উপাদানসমূহ চিনাক্ত কৰিব পাৰিবা।

(গ) গোলকীয় উষ্ণতা, সেউজগৃহ পৰিঘটনা, অ'জন স্তৰৰ অৱক্ষয় আদি সমস্যাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিবা।

(ঘ) পৰিৱেশীয় শিক্ষাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিবা।

(ঙ) পৰিৱেশীয় শিক্ষাৰ নীতিসমূহৰ গুৰুত্ব তথা পাঠ্যক্ৰমৰ বিষয়ে আলোচনা কৰিব পাৰিবা।

(চ) পৰিৱেশীয় শিক্ষাৰ পৰিসৰ আলোচনা কৰিব পাৰিবা।

(ছ) পৰিৱেশীয় শিক্ষাৰ শিক্ষণ পদ্ধতিসমূহ ব্যাখ্যা কৰিব পাৰিবা।

## ১.১ পাতনি (Introduction) ঃ

পৰিৱেশৰ প্ৰতি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সজাগতা সৃষ্টি কৰিবৰ বাবে আমাৰ দেশৰ বিদ্যালয়, মহাবিদ্যালয় সকলো পৰ্যায়তে পৰিৱেশ সম্পৰ্কীয় শিক্ষা বাধ্যতামূলক কৰি তোলা হৈছে। সেয়েহে শিক্ষাবিষয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে তোমালোকৰ পৰিৱেশ সম্পৰ্কীয় শিক্ষাৰ বিষয়ে জনাটো অতি প্ৰয়োজনীয়। অৱশ্যে তাৰ আগতে তোমালোকে পৰিৱেশ, ইয়াৰ বিভিন্ন উপাদান, প্ৰকাৰ আৰু লগতে ইয়াৰ লগত জড়িত বিভিন্ন বিষয়সমূহৰ বিষয়ে জানিব লাগিব।

পৰিৱেশ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে ‘Environment’। এই শব্দটো মূল ফৰাচী শব্দ Environ বা Environer ৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হ'ল ‘around’ বা ‘to surround’ বা ‘encompass’ বা encirale’অৰ্থাৎ চৌপাশ সামৰি লোৱা। গতিকে শব্দগত অৰ্থৰ ফালৰ পৰা আমি ক'ব পাৰো যে পৰিৱেশ মানে আমাৰ চৌপাশৰ সকলো ধৰণৰ জৈৱিক তথা অজৈৱিক, পাৰ্থিৱ তথা অপাৰ্থিৱ অৱস্থাৰে সামূহিক অৱস্থা।

এইটো গোটত তোমালোকে পৰিৱেশীয় শিক্ষা, ইয়াৰ ধাৰণা, সংজ্ঞা, উদ্দেশ্য আদিৰ বিষয়ে পঢ়িবলৈ পাবা। ইয়াৰ উপৰিও ‘পৰিৱেশীয় শিক্ষা’ৰ শিক্ষণ-নীতি আৰু কৌশলৰ বিষয়েও ইয়াত আলোচনা কৰা হৈছে। গোটটোৰ শেষৰফালে তোমালোকে ইয়াৰ শিক্ষা প্ৰক্ৰিয়াত শিক্ষকৰ ভূমিকাৰ বিষয়েও পঢ়িবলৈ পাবা।

ইয়াৰ পিছৰ গোটটোত বৰ্তমান যুগৰ আন এটা গুৰুত্বপূৰ্ণ বিষয়ৰ বিষয়ে পঢ়িবলৈ পাবা।

## ১.২ পৰিৱেশৰ অৰ্থ আৰু ধাৰণা

**(Meaning and Concept of Environment) ঃ**

আমাৰ চৌপাশৰ পৃথিৱীখনেই হৈছে ‘পৰিৱেশ’। পৰিবেশেই মানুহ, জীৱ-জন্তু, গছ-গছনি আদি সকলোৰে মূল আধাৰ। তোমালোকে ইতিমধ্যে পাতনিত পঢ়ি আহিছা যে শব্দগত অৰ্থৰ দিশৰ পৰা পৰিৱেশ মানে বিভিন্ন জৈৱিক-অজৈৱিক, পাৰ্থিৱ-অপাৰ্থিৱ উপাদানৰ সমষ্টি।

বৃদ্ধি, বিকাশ তথা জীয়াই থাকিবলৈ হ'লে সকলো জীৱিত পদাৰ্থকেই কোনো বিশেষ নিভৰ কৰিব পৰা প্ৰক্ৰিয়াৰ প্ৰয়োজন হয় আৰু ইয়েই পৰিৱেশ। বায়ু, মাটি, পানী, সকলো জীৱ আদিবোৰ হৈছে পৰিৱেশৰ অংশবিশেষ। আৰু এই সকলোবোৰ উপাদানৰ মাজত অতীজৰে পৰা অবিৰতভাৱে ঘাত-প্ৰতিঘাত চলি আহিছে। ইয়াৰ ফলস্বৰূপে পৰিবেশে গতিশীলতা লাভ কৰে আৰু পৰিৱৰ্তনশীল হৈ থাকে, আৰু এই গতিশীলতা তথা পৰিৱৰ্তনে সকলো উপাদানকে সাঙুৰি লয়।

উপৰোক্ত আলোচনাৰ পৰা তোমালোকৰ মনত নিশ্চয় পৰিৱেশৰ এক ধাৰণা স্পষ্ট হৈ উঠিছে। এতিয়া ইয়াত উল্লেখ কৰা পৰিৱেশৰ সংজ্ঞাসমূহ মনযোগেৰে পঢ়াচোন - পৰিৱেশৰ ধাৰণা তোমালোকৰ মনত আৰু স্পষ্ট হ'ব।

(১) Douglass and Holland : Environment is a word which describes in aggregate, all of external forces, influances and conditions which affects the life, nature, behaviour and

the growth, development and maturation of living organism.

(পৰিৱেশ হৈছে সকলোধৰণৰ বাহ্যিক শক্তি, প্ৰভাৱ আৰু অৱস্থা, যি জীৱিত পদাৰ্থৰ জীৱন, প্ৰকৃতি, আচৰণ আৰু বৃদ্ধি, বিকাশ আৰু পৰিপক্কতাত প্ৰভাৱ পেলায়। - ড'গ্লাচ আৰু হ'লেণ্ড)

(২) Wordsworth : The Environment is everything, that affects the individual except the genes.

(পৰিৱেশ হৈছে সকলোবোৰ উপাদানৰ সমষ্টি, যি কোনো ব্যক্তিৰ জিনৰ বাহিৰে অন্য সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰে। - ওৰ্ৱদচ্‌ৱৰ্থ।)

(৩) 'Encyclopaedia of Environmental Science' (1975) ত উল্লেখ কৰা "পৰিৱেশ হৈছে সকলো অৱস্থা আৰু প্ৰভাৱ, যি প্ৰাণীৰ জীৱন আৰু বিকাশত প্ৰভাৱ পেলায়।"

(৪) অভিধানৰ মতে পৰিৱেশ হৈছে বায়ু, পানী আৰু মাটিৰ সমষ্টি যাৰ ওপৰত মানুহ, জীৱ-জন্তু বা গছ-গছনি নিৰ্ভৰশীল।

## ১.২.১ পৰিৱেশৰ প্ৰকাৰ আৰু উপাদান

**(Types and Components of Environment) ঃ**

পৰিৱেশক আমি বহলভাৱে তিনিভাগত ভগাব পাৰোঁ -

(১) প্ৰাকৃতিক পৰিৱেশ (Physical Environment)

(২) সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ (Social and Cultural Environment)

(৩) মানৱসৃষ্ট বা মানুহে তৈয়াৰ কৰা পৰিৱেশ (Man made Environment)

ইয়াত এই তিনিওটা ভাগৰে এক চমু আলোচনা তোমালোকলৈ আগবঢ়োৱা হৈছে।

**(১) প্ৰাকৃতিক পৰিৱেশ ঃ** প্ৰাকৃতিক পৰিৱেশক আমি দুই ভাগত ভগাব পাৰোঁ-

(ক) জৈৱিক পৰিৱেশ ঃ সকলোধৰণৰ জীৱ-অনুজীৱ, ভাইৰাচ, পোক-পতঙ্গ, চৰাই-চিৰিকতি আৰু গছ-গছনি আদি।

(খ) অজৈৱিক পৰিৱেশ (Non-biological / Asiotic Environment) ঃ মাটি, শিল, বায়ু, পানী, গ্ৰহ-নক্ষত্ৰ আদি।

গতিকে প্ৰাকৃতিক পৰিৱেশৰ অধ্যয়ন বুলিলে আমি এই জৈৱিক আৰু অজৈৱিক উপাদানসমূহৰ অধ্যয়নকে বুজো। আৰু এই জৈৱিক আৰু অজৈৱিক উপাদানসমূহক আমি আন ধৰণেও ভগাব পাৰোঁ -

(ক) বায়ুমণ্ডল (Atmosphere) - মূল উপাদান (Air)

(খ) জলমণ্ডল (Hydrosphere) - মূল উপাদান পানী (Water)

(গ) অস্মমণ্ডল - (Lithosphere) - মূল উপাদান মাটি (Soil or Land)

(ঘ) জীৱমণ্ডল - (Biosphere) - মূল উপাদান গছ-গছনি, জীৱ -জন্তু, অনুজীৱ আদি (All living beings)

(ঙ) ভাৱমণ্ডল - (Noosphere) - মূল উপাদান মানুহৰ কাৰ্য-কলাপ।

**(ক) বায়ুমণ্ডল ঃ**

পৃথিৱীৰ চৌপাশৰ বিভিন্ন গেছেৰে আৱৰি থকা অংশটোকে বায়ুমণ্ডল বোলা হয়। মাধ্যাকৰ্ষণৰ ফলত ই পৃথিৱীৰ লগত সংযোগ হৈ আছে। এই বায়ুমণ্ডলক এখন Protective blanket ৰ লগত তুলনা কৰা হয়, কিয়নো ই সূৰ্যৰ অতিবেঙুণীয়া ৰশ্মিক শোষণ কৰি আমাক ৰক্ষা কৰে। ইয়াৰ লগতে ই উষ্ণতা ধৰি ৰাখি ভূস্তৰক গৰম কৰি ৰাখে (গ্ৰীণ হাউছ প্ৰভাৱ) আৰু দিন-ৰাতিৰ মাজত তাপমাত্ৰা নিয়ন্ত্ৰণ কৰে। আমাৰ চৌপাশৰ বতাহৰ ৭৮.০৮% নাইট্ৰজেন, ২০.৯৫% অক্সিজেন, ০.৯৩% অৰ্গন, ০.০৩৮% কাৰ্বন-ডাই-অক্সাইড পোৱা যায়। জলীয় বাষ্প, কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাস-অক্সাইড, অ'জন আদিক গ্ৰীণহাউচ গেছ বুলি কোৱা হয়। ইয়াৰ ওপৰিও আমাৰ চৌপাশৰ অ-পৰিশোধিত বায়ুত ধূলি, পৰজীৱি, সূক্ষ্ম-

বীজাণু, আগ্নেয় ছাই, উল্কাৰ অংশবিশেষ অলপ অলপ পৰিমাণে থাকিব পাৰে। বায়ুমণ্ডলৰ এটা বৈশিষ্ট্য হ'ল ই সদায় গতিশীল।




**চিত্ৰ-১**

**(খ) অস্মমণ্ডল ঃ**

এই অংশটোৱে মূলতঃ পৃথিৱীৰ ওপৰৰ টান খোলাটো আৰু ইয়াৰ ওপৰৰ অংশটোক, অৰ্থাৎ পৃথিৱীৰ ভূ-স্তৰৰ টান অংশটোকে বুজায়।

**(গ) জলমণ্ডল ঃ**

পৃথিৱীৰ সমগ্ৰ পানী ভাগক ই সামৰি লয়। সাগৰ-মহাসাগৰ, হিমবাহ, নৈ, বিল, হ্ৰদ, পুখুৰী, জান-জুৰি আদি পৃথিৱীৰ ওপৰিভাগৰ পানীৰ উপৰিও ভূগৰ্ভৰ পানীও ইয়াৰ অন্তৰ্গত। ভূপৃষ্ঠৰ প্ৰায় ৭৮% অংশ জলমণ্ডলে অধিকাৰ কৰি আছে, আৰু ই বহুতো প্ৰাণী আৰু উদ্ভিদৰ বাসস্থান। বায়ুমণ্ডলৰ দৰে জলমণ্ডলো সদায় গতিশীল।

**(ঘ) জীৱমণ্ডল ঃ**

উদ্ভিদ, প্ৰাণী, অনুজীৱ, মানুহ আদি সকলোবোৰ জীৱৰে সমষ্টিগত অৱস্থাটোকে জীৱমণ্ডল বোলে। তোমালোকে জানানে যে এই জীৱমণ্ডলৰ প্ৰক্ৰিয়াৰ মূল হৈছে খাদ্যশৃংখল। এই প্ৰক্ৰিয়াৰ জৰিয়তে উৎপাদক (সেউজীয়া উদ্ভিদ), উপভোক্তা আৰু বিয়োজকে এক শৃংখলাবদ্ধ প্ৰক্ৰিয়াত চলে। এই প্ৰক্ৰিয়াত মূলতঃ শক্তি আৰু পদাৰ্থ এটা পৰ্যায়ৰ পৰা আন এটা পৰ্যায়লৈ পৰিবাহিত হয়। চিত্ৰ নং - ২ পৰা তোমালোকে এই কথাষাৰ বুজিব পাৰিবা।




**চিত্ৰ-২**

সকলো জীৱ এই ভৌতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল তথা সম্পৰ্কিত আৰু সিহঁতবোৰৰ মাজৰ আন্তঃসম্পৰ্কই গোটেইটো জীৱৰ স্থিতি নিৰ্ণয় কৰে।

ইয়াৰ উপৰিও জীৱমণ্ডলক কিছুমান পৰিস্থিতিতন্ত্ৰ (Eco-system) ত ভগোৱা হয়। এই বিষয়ে তোমালোকে নিশ্চয় তোমালোকৰ পৰিৱেশ বিজ্ঞানৰ পাঠ্যক্ৰমত বিতংভাৱে পঢ়িবলৈ পাইছা।

**(চ) ভাৱমণ্ডল ঃ**

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগে লগে আধুনিক সমাজে বিশ্বাস কৰিবলৈ ল'লে যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নিৰ্বিকাৰ প্ৰয়োগে অধিক সম্পদৰ যোগান ধৰিব পাৰিব। ফলস্বৰূপে আমাৰ পৃথিৱীখন আৰু ইয়াৰ চৌপাশৰ ওপৰত চাপ পৰিবলৈ ল'লে। পৃথিৱী নামৰ গ্ৰহটো আৰু ইয়াৰ চৌপাশৰ পৰিৱেশৰ ওপৰত পৰা প্ৰভাৱসমূহক ভাৱমণ্ডল বোলা হয়। সেয়ে মানৱজাতিৰ সংগঠনৰ বা উন্নতিৰ স্তৰে স্তৰে ভাৱমণ্ডলো বিকশিত হৈ আহিছে।

**(২) সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ ঃ**

কোনো এজন ব্যক্তিৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ নিৰ্ভৰ কৰে ব্যক্তিজন বসবাস কৰা স্থানৰ ভৌগোলিক অৱস্থান, জলবায়ু, তেওঁৰ জীৱন-ধাৰণ শৈলী (Life-style), তেওঁৰ সম্প্ৰদায়, সমাজ, ধৰ্ম, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থানৰ ওপৰত।

**(৩) মানৱসৃষ্ট পৰিৱেশ ঃ**

সভ্যতাৰ আৰম্ভণিৰেপৰা মানুহে প্ৰকৃতিক নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰি আহিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ লগে লগে প্ৰকৃতিৰ ওপৰত মানুহৰ চাপ বৃদ্ধি পাবলৈ ধৰিছে আৰু মানুহে পৰিৱেশক নিজৰ সুবিধা অনুসৰি খাপ-খুৱাই লৈছে। ইয়েই মানৱসৃষ্ট পৰিৱেশ।

**১.২.২ বৰ্তমান যুগৰ পৰিবেশীয় সমস্যাসমূহ ঃ**

**(ক) গোলকীয় উষ্ণতা** (Global Warming) **আৰু সেউজগৃহ পৰিঘটনা** (Green House Effect)

গোলকীয় উষ্ণতা হৈছে পৃথিৱীৰ গড় উষ্ণতাৰ নিশ্চিত তথা অবিচ্ছিন্ন বৃদ্ধি। ইয়াক পৃথিৱীৰ উপৰিভাগৰ বায়ু আৰু সাগৰৰ পানীৰ গড় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰা হয়।

যোৱা এশ বছৰত পৃথিৱীখন ক্ৰমাগতভাৱে আগতকৈ গৰম হৈ উঠিছে। বিজ্ঞানীসকলে পৰ্যবেক্ষণ কৰি পাইছে যে বিংশ শতিকাৰ আৰম্ভণিৰ পৰা গোলকীয় উষ্ণতা ০.৮° চেলচিয়াচ বা ১৪০ ফৰেণহাইট বৃদ্ধি পাইছে। মানৱ জাতিৰ বিভিন্ন কাৰ্য-কলাপ যেনে - কল কাৰখানা, যান-বাহন, শিল্পদ্যোগ, বাতানুকূল যন্ত্ৰ ইত্যাদিৰ পৰা অনবৰতে নিৰ্গত হোৱা গেছ সমূহ বায়ুমণ্ডলত অধিক ৰূপত বৃদ্ধি পাইছে। এইবোৰ গেছকে সেউজগৃহ গেছ (Green house gas) বুলি কোৱা হয়। বিজ্ঞানীসকলে মত পোষণ কৰিছে যে বায়ুমণ্ডলত সেউজগৃহ গেছৰ পৰিমাণ বৃদ্ধিয়েই গোলকীয় উষ্ণতাৰ মূল কাৰণ।

এতিয়া আমি এই সেউজগৃহ গেছনো কি আৰু ই কেনেদৰে বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি প্ৰক্ৰিয়াৰ সৈতে জড়িত তাৰ বিষয়ে আলোচনা কৰিম।

তোমালোকে ইতিমধ্যে পাইছা যে বায়ুমণ্ডলৰ একেবাৰে নিম্নঅংশৰ স্তৰটো হৈছে ট্ৰপ'স্ফেয়াৰ (Troposphere) । এই স্তৰতে এক প্ৰাকৃতিক প্ৰক্ৰিয়াৰ কেতবোৰ বিশেষ গেছৰ সহায়ত তাপ ধৰি ৰখা হয়। ইয়াকে Green House Effect বা সেউজ গৃহ পৰিঘটনা বুলি কোৱা হয়। সচৰাচৰ মানুহে কাঁচৰ ঘৰৰ ভিতৰত কৃত্ৰিমভাৱে উষ্ণ পৰিৱেশ সৃষ্টি কৰি গছ গজাবলৈ সেউজগৃহ পৰিঘটনাৰ সহায় লয়। এই সেউজ গৃহৰ দৰেই সূৰ্যৰ পৰা পৃথিৱীৰ বায়ুমণ্ডল অতিক্ৰম কৰি পৃথিৱীপৃষ্ঠ পোৱা তাপ, মাটি আৰু পানীয়ে প্ৰথমতে শোষণ কৰি লয় আৰু পিছত ইহঁতে তাপখিনি অৱলোহিত ৰূপত বিকিৰণ কৰি দিয়ে। এনে বিকিৰিত তাপ বায়ুমণ্ডলত থকা পানীৰ কণিকা আৰু বিভিন্ন গেছ, যেনে - কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড আদি গেছে শোষণ কৰি হয়। সেইকাৰণে পৃথিৱীয়ে এৰি দিয়া গেছসমূহ বায়ুমণ্ডলৰ বাহিৰলৈ যাব নোৱাৰি বায়ুমণ্ডলতেই থাকি যায়। সেউজ গৃহ গেছ বোলা এই গেছসমূহে পৃথিৱীৰ বিকিৰত তাপক এখন কম্বলৰ দৰে আৱদ্ধ কৰি অহাৰ ফলতেই ভূ-পৃষ্ঠৰ উষ্ণতা গড় হিচাপে ১৫ ডিগ্ৰী চেন্টিগ্ৰেট উষ্ণ হৈ থাকে, যিটো জীৱজগতৰ বাবে অনুকূল।

তোমালোকে জানা যে গছ-গছনি দহন কৰিলে আৰু জীৱ-জন্তুৰ নিশাহত

কাৰ্বন-ডাই-অক্সাইড গেছ ব্যৱহাৰ কৰি অক্সিজেন গেছ উৎপন্ন কৰে, যি খিনি জীৱ-জন্তুৱে উশাহত ব্যৱহাৰ কৰে। ওঠৰ শতিকালৈকে এই দুই প্ৰক্ৰিয়াৰ ভাৰসাম্যতা কম-বেছি পৰিমাণে প্ৰাকৃতিকভাৱে অটুট আছিল। কিন্তু মানৱজাতিৰ কাৰ্যদক্ষতা বিশেষকৈ উদ্যোগীকৰণ আৰু আধুনিকীকৰণৰ ফলস্বৰূপে, কয়লা, খনিজ তেল, প্ৰাকৃতিক গেছ আদি জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীল, যান-বাহন, কল-কাৰখানা, শক্তি প্ৰকল্প আদিৰ পৰা কাৰ্বন-ডাই-অক্সাইড, মিথেন আদি গেছসমূহ প্ৰতিমুহূৰ্ততে বায়ুমণ্ডললৈ নিৰ্গত হৈ আছে। ইয়াৰ উপৰিও দ্ৰুতগতিত গছ-গছনি হাবি-জংঘলবোৰ ধ্বংস কৰা হৈছে। ফলত তাপ শোষণ কৰিব পৰা ক্ষমতা থকা এই সেউজ গৃহ গেছসমূহৰ পৰিমাণ বায়ুমণ্ডলত ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। বায়ুমণ্ডলত এই সেউজ গৃহ গেছসমূহৰ পৰিমাণ বৃদ্ধিৰ লগে লগে ইহঁতে অধিক তাপ শোষণ কৰি ৰাখিব আৰু ফলস্বৰূপে পৃথিৱীৰ উপৰিভাগ অধিক উত্তাপ কৰি তুলিব। পৃথিৱীৰ উষ্ণতা বৃদ্ধিৰ বাবে যদিও মূলতঃ বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইড গেছেই দায়ী, তাৰ লগতে মিথেন, নাইট্ৰাছ অক্সাইড আৰু ক্ল'ৰ'ফ্ল'ৰকাৰ্বন (ছি এফ ছি) শ্ৰেণীৰ গেছ কেইটায়ো উত্তাপৰ বৃদ্ধি কৰাত বুজন পৰিমাণৰ অৰিহণা যোগাইছে।

মূলতে জীৱাশ্ম ইন্ধন দহন কৰাৰ ফলত সৰ্বাধিক কাৰ্বনডাই অক্সাইড বায়ুমণ্ডললৈ নিৰ্গত হয় যদিও, যান-বাহন, বিভিন্ন উদ্যোগ আদিৰ পৰা কাৰ্বনডাই অক্সাইড, নাইট্ৰাছ অক্সাইজ, ছালফাৰ-ডাই-অক্সাইড আদি নিৰ্গত কৰে। ধাননি পথাৰ, পশুধনৰ পাচন প্ৰক্ৰিয়া, কয়লা, পেলনীয়া জাবৰ প্ৰাকৃতিক গেছ আদিৰ পৰা বহু পৰিমাণৰ মিথেন গেছ নিৰ্গত হয়, জলবায়ুৰ উষ্ণতা বৃদ্ধিত এই মিথেন গেছ কাৰ্বনডাই অক্সাইডতকৈ নগুণ বেছি শক্তিশালী। বিশ্বত প্ৰতিবছৰে বায়ুমণ্ডললৈ নিৰ্গত হোৱা ২৫৫ নিযুত টন মিথেন গেছৰ শতকৰা ১২ ভাগ ভাৰতৰ পৰা নিৰ্গত হয়। সেই কাৰণেই বিগত তিনিদশকত, ১৮৫০ চনৰ আগৰ দশকবোৰৰ তুলনাত গোলকীয় উষ্ণতা ক্ৰমান্বযে বৃদ্ধি পাইছে। ইয়াৰে আকৌ সিংহভাগ উৎপন্ন হয় আমাৰ পোহনীয়া জীৱ-জন্তুৰ পৰা।

ইয়াৰ উপৰিও নানা ধৰণৰ শীতল পানীয়, শীত-তাপ নিয়ন্ত্ৰক, সুগন্ধি স্প্ৰে,

অগ্নিনির্বাপক যন্ত্র আদিৰ পৰা ছি এফ ছি নামৰ এবিধ গেছ নির্গত হয় - যি বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগায়।

**(খ) অম্লবৃষ্টি (Acid Rain) ঃ**

মানৱজাতিৰ কর্মৰাজীয়ে পৰিবেশৰ প্রতি ভাবুকিৰ সৃষ্টি কৰাৰ আন এটা সমস্যা হ'ল অম্লবৃষ্টি। বিভিন্ন কল-কাৰখানা, যান-বাহনৰ পৰা নির্গত ছালফাৰ ডাই অক্সাইড আৰু নাইট্রজেনৰ অক্সাইডসমূহৰ দৰে অম্ল বা এছিদ উৎপন্ন কৰিব পৰা গেছসমূহৰ বায়ুমণ্ডলত বৃদ্ধিয়ে এই অম্লবৃষ্টি ঘটোৱাত অৰিহণা যোগাইছে।

ছালফাৰডাই অক্সাইড গেছে জলীয় ভাপৰ লগত বিক্রিয়া কৰি ছালফিউৰিক এছিদৰ লগতে কম পৰিমাণে ছালফিউৰাছ এছিদো উৎপন্ন কৰে। আকৌ বায়ুমণ্ডলত থকা নাইট্রজেন বিজুলী ঢেৰেকণিৰ সময়ত অক্সিজেনৰ লগ লাগি নাইট্রিক অক্সাইড প্রকৃতিকভাৱেও উৎপন্ন কৰে। আনহাতে গাড়ী মটৰৰ পৰাও যথেষ্ট পৰিমাণৰ নাইট্রজেন অক্সাইড নির্গত হয়। এই নাইট্রিক অক্সাইডে, বায়ুমণ্ডলৰ অক্সিজেন, অ'জন, হাইড্রজেন, পেৰেক্সাইড আদি অনুৰ লগত বিক্রিয়া কৰি বিষাক্ত নাইট্রজেন ডাই অক্সাইড উৎপন্ন কৰে। নাইট্রজেন ডাই অক্সাইডে বায়ুত থকা জলীয় ভাপৰ লগ লাগি নাইট্রিক এছিদ উৎপন্ন কৰে। এই ছালফিউৰিক এছিদ, ছালফিউৰাছ এছিদ, নাইট্রিক এছিদ, বৰষুণত পানীৰ লগত লগ হৈ পৃথিৱীলৈ অম্লবৃষ্টি হিচাপে নামি আহে বা ডাৱৰ বা কুঁৱলীৰ লগত আকাশত বা বায়ুমণ্ডলত ভাহি থাকে। অম্ল বৃষ্টিৰ বেছিভাগ অর্থাৎ শতকৰা ৬০ ভাগ ছালফিউৰিক এছিদ, শতকৰা প্রায় ৩৪ ভাগ নাইট্রিক এছিদ আৰু শতকৰা ৬ ভাগ জৈৱ এছিদ, আৰু নিচেই কম ভাগ ছালফিউৰাছ এছিদৰ উপস্থিতিৰ কাৰণে হয়।

এই পৰিৱেশিক সমস্যা কেৱল ইয়াক সৃষ্টিকাৰী গেছৰ উৎপাদন থলীতেই সীমাবদ্ধ হৈ নাথাকে। এঠাইত উৎপন্ন হোৱা এই অক্সাইডসমূহ বতাহে এখন ঠাইৰ পৰা আন ঠাইলৈ উৰুৱাই নিয়াৰ ফলত, বেলেগ এখন ঠাইতো অম্লবৃষ্টি হ'ব পাৰে। আনহাতে বতাহে অম্লবৃষ্টিও এঠাইৰ পৰা আন ঠাইলৈ ঠেলি লৈ যায়। আমেৰিকাৰ

পেট্ৰ'ৰাসায়নিক প্ৰকল্পবোৰৰ পৰা নিৰ্গত অক্সাইডসমূহৰ সঞ্চালনৰ বাবেই, কানাডাত অম্লবৃষ্টি হয়। আকৌ ব্ৰিটেইন আৰু ফ্ৰান্সৰ উদ্যোগসমূহৰ পৰা নিৰ্গত অক্সাইডৰ বাবে সৃষ্টি হোৱা অম্লবৃষ্টি, বতাহৰ বাবে চুইডেনতো হয়গৈ। শিল্প উদ্যোগ আৰু যান-বাহনৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ ফলতে আজি বিশ্বৰ প্ৰায়বোৰ দেশেই অম্লবৃষ্টিৰ দ্বাৰা আক্ৰান্ত হৈছে। বিভিন্ন উন্নত দেশ পশ্চিম জাৰ্মানী, ডেনমাৰ্ক, নৰৱে, মধ্যে ইউৰোপৰ দেশসমূহ আজি অম্লবৃষ্টিৰ দ্বাৰা বেছিকৈ আক্ৰান্ত হৈছে। ভাৰতৰো বিভিন্ন ঔদ্যোগিক মহানগৰী, যেনে - দিল্লী, মুম্বাই, কলকাতা, নাগপুৰ আদিত এই বৃষ্টিৰ দ্বাৰা আক্ৰান্ত হৈছে।

মানৱজনিত প্ৰদূষণৰ বাবে সৃষ্ট অম্লবৃষ্টি হ'ল এক বিশ্বজনীন সমস্যা, ই পাৰিপাৰ্শ্বিকতাৰ উপৰিও, অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৰ ওপৰতো গভীৰ প্ৰভাৱ পেলায়। অম্লবৃষ্টিয়ে ভূমিৰ গুণাগুণ তথা উৰ্বৰতা সলনি কৰি উৎপাদনৰ লগতে উদ্ভিদ শস্যৰ ওপৰত প্ৰভাৱ পেলায়। অম্লবৃষ্টিৰ বাবে উদ্ভিদৰ বৃদ্ধি আৰু বিকাশ হ্ৰাস  পোৱাৰ উপৰিও, উৎপাদন ক্ষমতা হ্ৰাস পায়। ই উদ্ভিদৰ সালোক-সংশ্লেষণৰ মাত্ৰা কমোৱাৰ লগতে শ্বাস-প্ৰশ্বাসৰ মাত্ৰা বঢ়োৱাৰ ফলত উদ্ভিদৰ বৃদ্ধি ৰহিত হয়। অম্লবৃষ্টিয়ে উদ্ভিদৰ ওপৰত পেলোৱা কুপ্ৰভাৱৰ বাবে বনানীও হ্ৰাস পায়।

ইয়াৰ উপৰিও অম্লবৃষ্টিয়ে পানীৰ অম্লতা গুণ বৃদ্ধি কৰাৰ বাবে পানীত থকা জলজ জীৱসমূহৰ লগতে মাছ আদিৰ দেহত বিভিন্ন বেমাৰ-আজাৰে দেখা দিছে। ইহঁতৰ বৃদ্ধি, প্ৰজনন ক্ষমতা হ্ৰাস পোৱাৰ উপৰিও ইহঁতৰ মৃত্যু পৰ্যন্ত ঘটিছে। ফলস্বৰূপে, কিছুমান প্ৰজাতিৰ জলজ প্ৰাণীৰ অৱলুপ্তিও ঘটিছে। অম্লবৃষ্টিয়ে, পাৰা এলুমিনিয়াম আদি বিষাক্ত ধাতুবোৰ বিয়োজিত কৰাত, মাছ-কাছ আদি জলচৰ প্ৰাণীৰ দেহলৈ এই বিষাক্ত ধাতুবোৰ যায় আৰু খাদ্য শৃংখলৰ জৰিয়তে মাছ-কাছৰ দেহত সঞ্চিত হৈ থকা এই বিষাক্ত ধাতুসমূহ মানৱ দেহত প্ৰবেশ কৰি মানৱ স্বাস্থ্যৰ হানি কৰে।

পাৰিপাৰ্শ্বিকতাৰ ওপৰত প্ৰভাৱ পেলোৱা এই অম্লবৃষ্টিৰ ফলত ঘৰ-দুৱাৰ,

কীৰ্তিস্তম্ভ, দলং, প্ৰাচীন শিলালিপি আদিৰো অৱক্ষয় ঘটি ক্ষতি সাধন হৈছে। ভাৰতৰ তাজমহল, লালকিল্লাৰ দৰে কীৰ্তিস্তম্ভসমূহ অনিষ্ট সাধন হ'বলৈ ধৰাৰ মূলতে এই অম্লবৃষ্টিয়েই।

অম্লবৃষ্টিৰ কু-পৰিণামসমূহৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে এই অম্লবৃষ্টি সৃষ্টিকাৰী গেছসমূহৰ নিৰ্গমণ নিয়ন্ত্ৰণ কৰিব লাগিব। তাৰ বাবে বিভিন্ন উদ্যোগ, কল-কাৰখানা, যান-বাহনসমূহ উপযুক্ত প্ৰযুক্তিৰে বিকাশ ঘটাব লাগিব যাতে এনে গেছ নিৰ্গত নকৰে বা নিৰ্গত কৰিলেও পৰিশোধন কৰিহে বায়ুমণ্ডলত এৰি দিয়ে। এই ক্ষেত্ৰত সকলোৰেই সচেতন হৈ সতৰ্কতা অৱলম্বন কৰাটো অতি প্ৰয়োজনীয়।

### (গ) অ'জনস্তৰৰ অৱক্ষয় (Ozone Layer Depletion) ঃ

মানৱজনিত প্ৰদূষণৰ ফলত পৰিৱেশৰ বিভিন্ন দিশত হোৱা ক্ষতিসমূহৰ ভিতৰত পৃথিৱীৰ বায়ুমণ্ডলৰ ষ্ট্ৰেটস্ফিয়েৰ তৰপত থকা অ'জন স্তৰৰ অৱক্ষয়ো অন্যতম। অক্সিজেনৰ বহুৰূপ অ'জনৰ দ্বাৰা গঠিত, পৃথিৱীৰ পৰা ২৫-২৬ কি.মি. উচ্চতাত অৱস্থিত এই স্তৰটোৱে সৌৰ বিকিৰণত থকা জীৱ দেহৰ ক্ষতিকাৰক অতি বেঙুনীয়া ৰশ্মি, মহাজাগতিক এক্স ৰশ্মি, গামা ৰশ্মি আদি শোষণ কৰি আমাক, জীৱ-জগতক নিৰাপদে ৰাখিছে। এই অ'জন স্তৰ নথকা হ'লে সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মি পৃথিৱীত কোনো বাধা নোপোৱাকৈ পোনে পোনে পাৰিলেহেঁতেন। যাৰ ফলত পৃথিৱীত জীৱ জীয়াই থকাই সম্ভৱ নহ'লহেঁতেন। গতিকে এই অ'জন স্তৰে, পৃথিৱীৰ ঊৰ্দ্ধ আকাশত এটা জীৱন ৰক্ষাকাৰী ছাতিৰ দৰে জীৱজগতক অপকাৰী অতি বেঙুনীয়া ৰশ্মিৰ পৰা ৰক্ষা কৰিছে।

ষ্ট্ৰেটস্ফিয়েৰত থকা অ'জন স্তৰৰ কিছুমান সৌৰৰাসায়নিক বিক্ৰিয়াৰ দ্বাৰা অ'জন অণু গঠন আৰু ভগন হৈ থাকে। সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মিয়ে প্ৰথমে অক্সিজেন অণুবোৰ, মুক্ত জায়মান অক্সিজেন পৰমাণুলৈ ভাঙি পেলায়। এই মুক্ত জায়মান অক্সিজেন পৰমাণু ; একোটা অক্সিজেনৰ লগ-লাগি অ'জন অণু গঠন কৰে আনহাতে এই অ'জন অণুসমূহ কম তৰংগ দৈৰ্ঘ্য অতি বেঙুনীয়া ৰশ্মিয়ে ভাঙি

অক্সিজেন অণু আৰু এটা মুক্ত অক্সিজেন পৰমাণুলৈ ৰূপান্তৰিত কৰে। সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মিৰ বিক্ৰিয়াৰ ফলত অ'জন স্তৰত থকা অ'জনৰ গাঢ়তাৰ সমতা ৰক্ষা হৈ থাকে। অ'জন তৰপটো বিষুব অঞ্চলত পাতল আৰু মেৰু অঞ্চলত তুলনামূলকভাৱে ডাঠ।

১৯৮৫ চন মানৰ পৰা লক্ষ্য কৰা হৈছে যে, অ'জন স্তৰত কিছুমান বিন্ধা বা সুৰুঙাৰ সৃষ্টি হৈছে। অ'জনৰ তৰপটো পাতল হোৱাৰ কাৰণ বিচাৰি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে যে, মানৱ সৃষ্ট কেতবোৰ কাৰ্যৰ ফলত সৃষ্টি হোৱা কেতবোৰ ৰাসায়নিক যৌগই, এই ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে।

অ'জন তৰপটোৰ অৱক্ষয়ৰ মূলতে কিছুমান উদ্যোগজাত ৰাসায়নিক দ্ৰব্য বিভিন্ন ক্ল'ৰফ্ল'ৰ কাৰ্বন (ছি এফ ছি), মিথেন আৰু নাইট্ৰাছ অক্সাইড আদি।

আধুনিক জীৱনৰ অতিকৈ ব্যৱহৃত শীততাপ নিয়ন্ত্ৰক যন্ত্ৰ, ফ্ৰীজ, আদিত বিভিন্ন ক্ল'ৰফ্ল'ৰ কাৰ্বনসমূহ শীতলকাৰক হিচাপে আৰু অগ্নিনিৰ্বাপন যন্ত্ৰ, সুগন্ধি স্পে'ৰ চাপক হিচাপে আৰু প্লাষ্টিক আৰু ইলেকট্ৰিক উদ্যোগ আদিতো ক্ল'ৰফ্ল'ৰ কাৰ্বন, ফ্ৰেয়ন আদি ব্যৱহাৰ কৰা হয়। এই ব্যৱহাৰসমূহৰ যোগেদি এই ক্ল'ৰ'ফ্ল'ৰ কাৰ্বন বা ফ্ৰেয়ন বা বায়ুমণ্ডলত প্ৰৱেশ কৰি, ষ্টেট'স্ফিয়াৰলৈও প্ৰবাহিত হয়। এইবোৰে ৰাসায়নিক বিক্ৰিয়াৰ দ্বাৰা অ'জন স্তৰৰ ঘনত্ব হ্ৰাস কৰে।

তদুপৰি বহু ওপৰেদি উৰা ছুপাৰছনিক বিমানৰ পৰা নিৰ্গত ধোঁৱা আৰু ক্ষুদ্ৰ কণাৰ প্ৰভাৱো অ'জন স্তৰৰ অৱক্ষয়ৰ বাবে দায়ী। জ্বালামুখী বিস্ফোৰণৰ সময়ত নিৰ্গত ছালফিউৰিক এছিদো অ'জন স্তৰ ধ্বংসৰ এটা অন্যতম প্ৰাকৃতিক কাৰণ। বিজ্ঞানীসকলে এন্টাৰ্কটিকাৰ ওপৰত অ'জন তৰপৰ অৱক্ষয় বেছিকৈ হোৱা লক্ষ্য কৰিছে। পৰীক্ষাৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে অ'জন তৰপৰ পৰিমাণ এগুণ কমিলে, পৃথিৱীত পৰাহি অতি বেঙুনীয়া ৰশ্মিৰ পৰিমাণ দুগুণ বৃদ্ধি পায়। অতি বেঙুনীয়া ৰশ্মিয়ে মানুহৰ ছালৰ বেমাৰ, কৰ্কট ৰোগ, চকুত চালি পৰা ৰোগ বৃদ্ধি পোৱাৰ উপৰিও মানুহৰ ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষমতাও হ্ৰাস পাব। অ'জন স্তৰৰ অৱক্ষৰ ফলত অতি বেঙুনীয়া ৰশ্মিৰ প্ৰভাৱ ভূ-মণ্ডলত বৃদ্ধি হোৱাৰ ফলত প্ৰতি

বছৰে প্ৰায় ১০,০০০ কেন্সাৰ ৰোগীৰ সংখ্যা বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। পৃথিৱীৰ দক্ষিণ মেৰুত অৱস্থিত নিউজিলেণ্ড, আৰ্জেন্টিনা আদিত ইতিমধ্যে কেন্সাৰ ৰোগীৰ সংখ্যা বহু বৃদ্ধি পাইছে। পৃথিৱীত অতি বেঙুনীয়া ৰশ্মিৰ প্ৰকোপ আৰু বৃদ্ধি পালে মানুহৰ মাজত অন্ধতা শুকাই-খীনাই যোৱা, বিকলাংগতা আদি দেখা দিয়াৰ ওপৰি প্ৰজনন ক্ষমতা হ্ৰাস পাব। অতি বেঙুনীয়া ৰশ্মিৰ প্ৰভাৱত উদ্ভিদৰ সালোক-সংশ্লেষণ, পৰাগৰেণুৰ অংকুৰণ আদি অনিয়মীয়া হোৱাৰ ফলত উদ্ভিদৰ বৃদ্ধি আৰু খাদ্য শস্য উৎপাদন হ্ৰাস পাব। আনহাতে অতি বেঙুনীয়া ৰশ্মিৰ প্ৰবেশে বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগাব যাৰ ফলত হ'ব পৰা জলবায়ুৰ পৰিবৰ্তনৰ লগতে সুদূৰপ্ৰসাৰী পৰিণামসমূহ তোমালোকে ইতিমধ্যে পাইছা। অতি বেঙুনীয়া ৰশ্মিয়ে মাটিত থকা বা পানীত থকা উদ্ভিদ প্লৱকসমূহৰ উৎপাদন হ্ৰাস কৰিব ফলত জলজ জীৱৰ লগতে মানুহৰ খাদ্য দ্ৰব্য হ্ৰাস পাব। আকৌ সাগৰীয় উদ্ভিদপ্লাৱকৰ হ্ৰাসৰ ফলত, ইহঁতৰ দ্বাৰা বায়ুমণ্ডলৰ পৰা কাৰ্বন ডাই অক্সাইড শোষণ কৰা পৰিমাণ কমি যাব, যি আকৌ ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগাব। মুঠৰ ওপৰত অ'জন তৰপৰ অৱক্ষয়ে পৃথিৱীলৈ এক নিশ্চিত দুৰ্যোগ নমাই আনিব। সেয়ে অ'জন স্তৰ অৱক্ষয় প্ৰতিৰোধ কৰাটো অতি জৰুৰী। উপায় হিচাপে বিভিন্ন দেশে অ'জন স্তৰ ক্ষয় কৰা বিভিন্ন ৰাসায়নিক যৌগবোৰৰ নিৰ্গমণ সম্পূৰ্ণৰূপে বন্ধ কৰাত গুৰুত্ব দিব লাগিব। ইতিমধ্যে গৱেষণাৰ দ্বাৰা ছি এফ ছিৰ বিকল্প দ্ৰব্য তৈয়াৰ কৰা হৈছে যিবোৰ বৰ্তমান বিভিন্ন শীতক, শীত-তাপ নিয়ন্ত্ৰক আদিত ব্যৱহাৰ কৰা হৈছে।

**আত্মমূল্যায়ন - (ক)**

**(১) খালী ঠাই পূৰণ কৰা -**

(ক) আমাৰ চৌপাশৰ পৃথিৱীখনেই হৈছে ............।

(খ) পৃথিৱীৰ চৌপাশৰ বিভিন্ন গেছেৰে আবৰি থকা অংশটোক .......... বোলা হয়।

(গ) ভূপৃষ্ঠৰ প্ৰায় ................ অংশ জলমণ্ডলে অধিকাৰ কৰি আছে।

(ঘ) বায়ুমণ্ডলৰ একেবাৰে নিম্নঅংশৰ স্তৰটো হৈছে ..............।

(ঙ) ............ ৰ বাবে তাজমহল, লালকিল্লাৰ দৰে কীৰ্তিস্তম্ভসমূহৰ অনিষ্ট সাধন হ'বলৈ ধৰিছে।

### ১.৩ পৰিৱেশীয় শিক্ষা (Environmental Education)ঃ

পৰিৱেশৰ সহায়ত পৰিৱেশৰ বাবে আৰু পৰিৱেশৰ বিষয়ে শিক্ষাই হেছে পৰিৱেশীয় শিক্ষা।

'পৰিৱেশৰ ধাৰণা'ৰ বিষয়ে পঢ়োতে তোমালোকে পাইছিলা যে জীৱিত আৰু নিৰ্জীৱ পদাৰ্থৰ মাজত অনবৰতে এটা সংঘাত চলি থাকে, যাৰক ফলত আমাৰ পৰিৱেশ সদায় পৰিৱৰ্তনশীল হৈ থাকে। পৰিৱেশীয় শিক্ষাৰ দিশৰ পৰা মানুহ আৰু পৰিৱেশৰ সংঘাত-প্ৰতিঘাত এটা গুৰুত্বপূৰ্ণ বিষয়। মানৱ জীৱনৰ সৰু-বৰ সকলো ধৰণৰ কাৰ্যৰ বাবে প্ৰকৃতিৰ ওপৰত বিৰ্ভৰশীল। জনসংখ্যা বৃদ্ধি তথা প্ৰকৃতিৰ ওপৰত মানুহৰ শোষণ বৃদ্ধি পোৱাৰ লগে লগে পৰিৱেশৰ ওপৰত এটা ঋণাত্মক প্ৰভাৱ পৰিছে। ফলস্বৰূপে পৰিস্থিতিক ভাৰসাম্য আৰু জীৱ-জগতৰ সুস্থ নিৰ্বাহৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি হেছে। এনে পৰিস্থিতিতে সমাজৰ সকলো শ্ৰেণীৰ লোককে পৰিৱেশৰ বিভিন্ন অৱস্থা আৰু লগতে এক সুস্থ পৰিৱেশ বৰ্তাই ৰাখিবলৈ মানুহে একধৰণৰ ভূমিকা পালন কৰিব লাগে। সেই বিষয়ে সজাগ কৰি তুলিবলৈ পৰিৱেশীয় শিক্ষাক আহিলা হিচাপে লোৱা হৈছে।

### ১.৩.১ পৰিৱেশীয় শিক্ষাৰ অৰ্থ আৰু ধাৰণা (Environmental Education - Meaning and Concept)ঃ

তোমালোকে ইতিমধ্যে নিশ্চয় বুজিব পাৰিছা যে পৰিৱেশীয় শিক্ষা হ'ল পৰিৱেশৰ বাবে আৰু পৰিৱেশৰ বিষয়ে শিক্ষা। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মতে পৰিৱেশৰ প্ৰতি সকলোকে সংবেদনশীল কৰি তোলাটো অতি প্ৰয়োজনীয়। শিশুসকলৰ পৰা আৰম্ভ কৰি প্ৰাপ্তবয়স্কলৈকে সকলোকে এই বিষয়ত সজাগ তথা প্ৰশিক্ষিত কৰি তুলিব পাৰিলেহে আমি এখন সুস্থ তথা সুন্দৰ পৃথিৱী আশা কৰিব

পাৰিম। সেয়েহে সমাজৰ সকলোশ্ৰেণীৰ লোককে পৰিৱেশৰ প্ৰতি সংবেদনশীল কৰিবলৈ হ'লে পৰিৱেশীয় শিক্ষাৰ বাধ্যতামূলক কৰাটো নিতান্তই প্ৰয়োজনীয়।

পৰিৱেশীয় শিক্ষাৰ কিছুমান গুৰুত্বপূৰ্ণ সংজ্ঞা ইয়াত উল্লেখ কৰা হৈছে। তোমালোকে মনোযোগেৰে পঢ়াচোন -

"Environmental Education is the process of recogninzing values and clarifying concepts in order to develop skills and attitudes necessary to understand and appreciate the interrelatedness among man, his culture and his bio-physical surroundings. It also entails practice in decision-making and self formulation of a code of behaviour about problems and issues concerning environmental quality."- UNESCO (1970) Working Committee.

(পৰিৱেশীয় শিক্ষা হ'ল এনে এক প্ৰক্ৰিয়া যি মানুহ আৰু মানুহৰ চৌপাশৰ জৈৱ-প্ৰাকৃতিক, সামাজিক, সাংস্কৃতিক পৰিৱেশৰ মাজৰ সম্বন্ধ তথা নিৰ্ভৰশীলতাৰ বিষয়ে বুজিবলৈ আৰু লগতে এই পৰস্পৰ নিৰ্ভৰশীলতাক প্ৰসংশা কৰিবলৈ প্ৰয়োজনীয় মনোভাব আৰু কৌশল গঢ়ি তোলাত মানুহক সক্ষম কৰি তোলে।)

"Environmental education is a way of implementing the goals of environmental protection. It is not a separate branch of science or field of study. It should be carried out according to the principles of life-long integral education." UNESCO (1976) Seminar

(যি আহিলাৰ সহায়ত পৰিৱেশ সংৰক্ষণৰ লক্ষ্যসমূহত উপনীত হ'ব পৰা যায়, তাকে পৰিৱেশীয় শিক্ষা বোলে। ই বিজ্ঞানৰ বেলেগ কোনো শাখা নহয়। মূল শিক্ষা প্ৰক্ৰিয়াৰ লগতে ইয়াক সংযোগ কৰাটো বাঞ্ছনীয়।)

"Environmental education appears to be a process that

equips human beings with awareness, knowledge, skills, attitudes and commitment to improve environment." - Mishra (1993).

(যি প্ৰক্ৰিয়াৰ দ্বাৰা মানুহৰ মনত পৰিৱেশ সজাগতা, এই বিষয়ৰ জ্ঞান-কৌশল আৰু যোগাত্মক মনোভাৱৰ সৃষ্টি কৰাৰ লগতে পৰিৱেশৰ উন্নতিৰ বাবে মানুহক প্ৰতিশ্ৰুতিবদ্ধ কৰি তোলে, সেয়ে পৰিৱেশীয় শিক্ষা।)

"Environmental education refers to the awareness of physical and cultural environment and perceives its relevance for real life situation. The problems and issues are to be identified. The imbalances of evironment are to be improved in view of sustainable development." - R.A. Sharma (1996)

(পৰিৱেশীয় শিক্ষাই আমাৰ চৌপাশৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক জগতখনৰ প্ৰতি আমাক সজাগ কৰি তোলে আৰু লগতে আমাৰ বাস্তৱ জীৱনৰ ওপৰত পৰিৱেশৰ প্ৰভাৱৰ বিষয়ে আমাক উপলব্ধি কৰিবলৈ সক্ষম কৰি তোলে, লগতে পৰিৱেশ বিষয়ক বিভিন্ন সমস্যাসমূহ চিনাক্ত কৰা আৰু বহনক্ষম উন্নয়নৰ জৰিয়তে পৰিৱেশীয় সমতা বৰ্তাই ৰখাত ই গুৰুত্ব দিয়ে।)

গতিকে আমি ক'ব পাৰোঁ যে শিক্ষকসকলক শাৰীৰিক আৰু সামাজিক পৰিৱেশৰ প্ৰতি সজাগ আৰু সংবেদশীল কৰি তোলাটো পৰিৱেশীয় শিক্ষাৰ মূল উদ্দেশ্য। ইয়াৰ দ্বাৰা শিশুসকলে পৰ্যবেক্ষণ আৰু প্ৰণালীবদ্ধ অনুসন্ধান তথা অন্বেষণৰ জৰিয়তে নিজৰ প্ৰাকৃতিক, সামাজিক তথা সাংস্কৃতিক পৰিৱেশক বুজি উঠিব পাৰে।

### ১.৩.২. পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্য

**(Objectives of Environmental Education) ঃ**

পৰিৱেশীয় শিক্ষাৰ মূল উদ্দেশ্য হ'ল পৰিৱেশ আৰু ইয়াৰ সমস্যাসমূহৰ বিষয়ে মানুহক সজাগ কৰি তোলা। ১৯৭৫ চনৰ অক্টোবৰত বেলগ্ৰেড

(Belgrade) ত অনুষ্ঠিত হোৱা পৰিৱেশীয় শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয় কৰ্মশালাত উল্লেখ কৰা পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্যসমূহ হ'ল -

(১) পৰিৱেশ আৰু ইয়াৰ সমস্যা সম্পৰ্কে শিক্ষাৰ্থী, ব্যক্তি আৰু সমাজৰ বিভিন্ন গোটসমূহৰ মাজত সজাগতা আৰু সচেতনতাৰ ভাব জগাই তোলা।

(২) পৰিৱেশ আৰু মানুহৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে শিক্ষাৰ্থী তথা সমাজৰ সকলোকে অনুভূতিশীল কৰি তোলা।

(৩) শিক্ষাৰ্থীসকলক পৰিৱেশ সম্পৰ্কে প্ৰাথমিক তথা মৌলিক জ্ঞান লাভ কৰাত সহায় কৰা।

(৪) পৰিৱেশৰ প্ৰতি শিক্ষাৰ্থীৰ মনত যোগাত্মক ধাৰণা জগাই তোলা।

(৫) পৰিৱেশীয় সমস্যাসমূহ সমাধান কৰিবৰ বাবে শিক্ষাৰ্থীসকলৰ মাজত সমান কৌশলৰ উন্নতি সাধন কৰাৰ লগতে এই বিষয়ত তেওঁলোকৰ দক্ষতা বৃদ্ধি কৰা।

(৬) বিভিন্ন পৰিৱেশীয় সমস্যাসমূহ সমাধানত সক্ৰিয় অংশগ্ৰহণ কৰিবৰ বাবে শিক্ষাৰ্থীসকলৰ লগতে সমাজৰ বিভিন্ন গোটসমূহক উৎসাহিত কৰি তোলা।

(৭) পৰিৱেশ আৰু সামাজিক মূল্যবোধৰ মাজত যে এক গভীৰ সম্বন্ধ আছে তাক শিক্ষাৰ্থীসকলৰ লগতে সাধাৰণ মানুহক জনোৱা।

(৮) পৰিৱেশৰ প্ৰতি শিক্ষাৰ্থী তথা সৰ্বসাধাৰণ লোকৰ মনত দায়িত্বশীল অনুভূতি জগাই তোলা।

(৯) পৰিৱেশীয় সমস্যাসমূহ উপলব্ধি আৰু সমাধানৰ বাবে যে উপযুক্ত পদক্ষেপ লোৱাটো নিতান্তই প্ৰয়োজনীয়, সেই বিষয়ে বুজি উঠাত শিক্ষাৰ্থীসকলক সহায় কৰা।

(১০) পৰিৱেশীয় সমস্যাসমূহ উপলব্ধি আৰু সমাধানৰ বাবে সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশৰ শিক্ষা প্ৰক্ৰিয়াৰ সহায় লৈ প্ৰয়োজনীয় উদ্দেশ্য সাধনৰ কাৰণে উপযুক্ত কৌশল খটাবৰ বাবে সামৰ্থ আৰু দক্ষতাৰ বিকাশ সাধন কৰা।

(১১) পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্য সাধনৰ উপায় আৰু শৈক্ষিক স্তৰসমূহৰ মূল্যাংকনৰ বাবে শিক্ষাৰ্থীসকলৰ মাজত প্ৰয়োজন হোৱা যথোপযুক্ত কৌশল আৰু দক্ষতাৰ বিকাশ সাধনত সহায় কৰে।

এই উদ্দেশ্যসমূহৰ উপৰিও ১৯৭৭ চনৰ Tibilisi Conference - ত পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্যসমূহ এনেধৰণেৰে নিৰ্ধাৰণ কৰা হৈছিল -

(১) পৰিৱেশ সম্পৰ্কত ব্যক্তি, গোট বা দল আৰু সমাজৰ আচৰণৰ সংশোধন কৰা আৰু নতুন আচৰণৰ বিকাশ সাধন কৰা।

(২) পৰিৱেশ সুৰক্ষা আৰু ইয়াৰ উন্নতি সাধন কৰিবৰ বাবে প্ৰতিজন ব্যক্তিকে এই দিশত উপযুক্ত জ্ঞান, মূল্যবোধ, মনোভাব, অংগীকাৰ আৰু দক্ষতা লাভৰ বাবে উপযুক্ত সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা।

(৩) শিক্ষাৰ্থী তথা ব্যক্তিসকলক গাঁও আৰু নগৰৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু জৈৱ বৈচিত্ৰীয় উপাদানসমূহৰ মাজত বিৰাজমান হৈ থকা পাৰস্পৰিক নিৰ্ভৰশীলতাৰ আৰু পাৰস্পৰিক সম্বন্ধৰ বিষয়ে সচেতনতা বৃদ্ধি কৰা।

"Environmental Education for Asian Countries"(১৯৮৯) আলোচনা চক্ৰখনত পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্যবোৰ চিনাক্ত কৰা হয় এনেধৰণেৰে --

(১) পৰিৱেশৰ উপাদানসমূহ আৰু ইয়াৰ পৰা উৎপত্তি হোৱা প্ৰক্ৰিয়াসমূহৰ মাজৰ সম্বন্ধ বুজি উঠাত সহায় কৰা।

(২) পৰিৱেশৰ সমস্যাবোৰ চিনাক্ত কৰি ইয়াৰ মূল্যায়ন আৰু সমাধানৰ উপায়সমূহো চিনাক্ত তাক সংশোধন কৰা।

(৩) পৰিৱেশ সংৰক্ষণ আৰু ইয়াৰ উন্নতি সাধনৰ বাবে মানুহৰ মূল্যবোধ আৰু মনোভাৱ, অংগীকাৰ আৰু দায়িত্ব বৃদ্ধি কৰিবলৈ পদক্ষেপ হাতত লোৱা।

ইয়াৰ উপৰিও পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্যসমূহক বহলকৈ তিনিটা ভাগত ভাগ কৰি পাৰি। সেইকেইটা হ'ল --

(ক) জ্ঞানমূলক (Cognitive)

(খ) অনুভূতিমূলক (Affective) আৰু

(গ) কৰ্মমূলক বা সংক্ৰিয়াত্মক (Psychomotor বা Connative)।

**জ্ঞানমূলক উদ্দেশ্যসমূহ** পৰিৱেশীয় শিক্ষা সম্পৰ্কীয় জ্ঞানৰ পুনৰ স্মৰণ বা চিনাক্তকৰণৰ লগত জড়িত ; যেনে -

(ক) পৰিৱেশ সম্পৰ্কীয় জ্ঞান লাভ কৰাত সহায় কৰা।

(খ) বিভিন্ন অঞ্চলৰ পৰিৱেশ সম্পৰ্কে জ্ঞান আহৰণত সহায় কৰা।

(গ) শিক্ষাৰ্থীসকলক জৈৱিক-অজৈৱিক পৰিৱেশ সম্বন্ধে বুজাত সহায় কৰা।

(ঘ) পৰিৱেশ সম্বন্ধীয় বিভিন্ন সমস্যাবিলাকৰ লগত জীৱনৰ বিভিন্ন স্তৰৰ সহ-সম্বন্ধৰ বিষয়ে বুজি উঠাত সহায় কৰা।

(ঙ) প্ৰাকৃতিক সম্পদসমূহৰ অনিয়ন্ত্ৰিত ব্যৱহাৰ আৰু জনসংখ্যা বিস্ফোৰণৰ কু-প্ৰভাৱ সম্পৰ্কে বুজি উঠাত সহায় কৰা।

(চ) পৰিৱেশ আৰু জনসংখ্যা বৃদ্ধিৰ প্ৰৱণতা সম্পৰ্কে পৰীক্ষা কৰা আৰু দেশৰ আৰ্থ-সামাজিক উন্নতিৰ ইয়াৰ প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা কৰা।

(ছ) প্ৰাকৃতিক আৰু জৈৱিক সম্পদৰ বিনষ্ট সম্পৰ্কে মূল্যায়ন কৰা আৰু সেইসমূহৰ সংৰক্ষণ তথা বহনক্ষম ব্যৱহাৰৰ উপায় সম্পৰ্কে উপদেশ দিয়া।

(জ) পৰিৱেশৰ পৰা সৃষ্টি হোৱা সামাজিক উদ্বিগ্নতাৰ কাৰণসমূহ অনুসন্ধান আৰু সেইসমূহৰ পৰিশোধনৰ পথ সম্পৰ্কে পৰামৰ্শ দিয়া।

পৰিৱেশীয় শিক্ষাৰ **অনুভূতিমূলক উদ্দেশ্যসমূহ** হৈছে -

(ক) পৰিৱেশীয় সমস্যাসমূহ বুজি উঠিবলৈ শিক্ষাৰ্থী, বিভিন্ন সম্প্ৰদায় আৰু সমাজৰ মাজত আগ্ৰহ, অনুভূতি আদিৰ সৃষ্টি কৰা।

(খ) প্ৰকৃতিৰ অৱদানসমূহক প্ৰশংসা কৰিবলৈ শিকা।

(গ) বিভিন্ন জাতি, গোষ্ঠীৰ পৰিসীমাক সন্মান জনাবলৈ শিকোৱা।

(ঘ) আমাৰ পৰিৱেশক পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাত গুৰুত্ব আৰোপ কৰা।

(ঙ) সমতা, ন্যায়, সত্য, স্বাধীনতা আৰু ভাতৃত্ববোধৰ অনুভূতিক গুৰুত্ব দিয়া।

(চ) বিভিন্ন জাতি, ধৰ্ম আৰু সংস্কৃতি আদিৰ ক্ষেত্ৰত থকা সহিষ্ণুতাৰ নিৰ্দেশনা দিয়া।

পৰিৱেশীয় শিক্ষাৰ কৰ্মমূলক বা সক্ৰিয়াত্মক উদ্দেশ্যসমূহে কৰ্ম আঁচনিৰ জৰিয়তে এই শিক্ষাৰ বিষয়ে জ্ঞান দিয়াত গুৰুত্ব দিয়ে। যেনে -

(ক) বায়ু, পানী আৰু শব্দ প্ৰদূষণ ৰোধ কৰিবৰ বাবে লোৱা আঁচনিসমূহত সক্ৰিয় অংশগ্ৰহণৰ বাবে শিক্ষাৰ্থী তথা ব্যক্তিসকলক আগ্ৰহী কৰি তোলা।

(খ) ওচৰ চুবুৰীয়াৰ ঠাইসমূহ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা কাৰ্যসূচীত অংশগ্ৰহণ কৰা।

(গ) নগৰীয়া আৰু গ্ৰাম্য আঁচনিসমূহত অংশগ্ৰহণ কৰা; আৰু

(ঘ) খাদ্য প্ৰদূষণ সম্পৰ্কীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰা।

পৰিৱেশীয় শিক্ষাৰ সম্পৰ্কত UNESCO- ই তলত উল্লেখ কৰা লক্ষ্যসমূহ নিৰ্ধাৰণ কৰে -

(১) প্ৰত্যেক শিক্ষাৰ্থী তথা ব্যক্তিয়েই পৰিৱেশ আৰু ইয়াৰ সমস্যা সম্বন্ধে বুজি পাব তথা অৱগত হ'ব লাগিব।

(২) পৰিৱেশীয় সমস্যাৰ পৰা সৃষ্টি হ'ব পৰা ভৱিষ্যতৰ সম্ভাব্য পৰিণতি সম্বন্ধে বুজি উঠিব লাগিব।

(৩) পৰিৱেশ উন্নত পৰা আৰু উন্নত হ'ব পৰা সৃষ্টিমূলক কামৰ প্ৰতি দায়বদ্ধ আৰু তেনে কামত অংশগ্ৰহণ কৰিব লাগিব।

(৪) পৰিৱেশীয় সমস্যাৰ সমাধানৰ কামত অংশগ্ৰহণ কৰিব আৰু জড়িত হ'ব লাগিব।

(৫) পৰিৱেশৰ কাৰণে মূল্যবোধৰ উপযুক্ত মনোবৃত্তি গঢ়ি তুলিব লাগিব আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

### ১.৩.৩ পৰিৱেশীয় শিক্ষাৰ প্ৰয়োজনীয়তা

**(Need/Necessity of Environmental Education) ঃ**

তোমালোকে ইতিমধ্যে বুজিব পাৰিছা যে পৰিৱেশ শিক্ষা এক জীৱনযোৰা প্ৰক্ৰিয়া। এজন ব্যক্তিৰ জন্মৰ পৰা মৃত্যু পৰ্যন্ত অনবৰতে পৰিবেশৰ সৈতে আন্তঃক্ৰিয়া চলি থাকে। আচলতে আমি সকলোৱেই নজনাকৈয়ে, ক'ব নোৱাৰাকৈ চৌপাশৰ পৰিৱেশ সম্পৰ্কীয় বিভিন্ন জ্ঞান আহৰণ কৰোঁ। কিন্তু এই জ্ঞান পৰিৱেশ সুৰক্ষা সংক্ৰান্তীয় দায়বদ্ধতালৈ ৰূপান্তৰিত হ'বলৈ আমাৰ শিশুসকলক প্ৰয়োজন হয় এক বিজ্ঞানসম্মত, পদ্ধতিগত প্ৰয়াসৰ, আৰু সেয়ে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত পৰিৱেশ শিক্ষাৰ প্ৰয়োজন অনুভৱ কৰা হয় আৰু ২০০৫ চনত ভাৰতৰ মাননীয় সৰ্বোচ্চ ন্যায়ালয়ে 'পৰিৱেশীয় শিক্ষা'ক এক বাধ্যতামূলক বিষয় হিচাপে সকলো পৰ্যায়ৰ আনুষ্ঠানিক শিক্ষাত প্ৰৱৰ্তন কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াত পৰিৱেশীয় শিক্ষাৰ প্ৰয়োজনীয়তাসমূহ চমুকৈ উল্লেখ কৰা হ'ল -

(ক) এই শিক্ষাই পৰিৱেশ আৰু ইয়াৰ সমস্যা সম্পৰ্কত শিক্ষাৰ্থীসকল, ব্যক্তি আৰু সমাজৰ বিভিন্ন গোটসমূহৰ মাজত সজাগতা আৰু সচেতনতা বৃদ্ধি কৰাত সহায় কৰে।

(খ) পৰিৱেশ আৰু মানুহৰ মাজত থকা পাৰস্পৰিক নিৰ্ভৰশীলতাৰ বিষয়ে উপলব্ধি কৰাত শিক্ষাৰ্থী তথা সমাজৰ সকলো শ্ৰেণীৰ লোককে সহায় কৰে।

(গ) পৰিৱেশ সংক্ৰান্তীয় বিভিন্ন সমস্যাসমূহ সমাধান কৰিবৰ বাবে শিক্ষাৰ্থীৰ মাজত সমাধান কৌশলৰ উন্নতি সাধন কৰাৰ লগতে এই বিষয়ত দক্ষতা বৃদ্ধি কৰাত সহায় কৰে।

(ঘ) পৰিৱেশৰ বৈশিষ্ট্যসমূহৰ লগত সম্বন্ধিত সামাজিক মূল্যবোধসমূহৰ বিষয়ে শিক্ষাৰ্থীসকলক বুজি উঠাত সহায় কৰে।

(ঙ) পৰিৱেশৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ মনত দায়িত্বশীল অনুভূতি জগাই তোলাৰ লগতে পৰিৱেশৰ প্ৰতি সংবেদনশীল কৰি তোলে।

(চ) পৰিৱেশীয় সমস্যাসমূহ উপলব্ধি আৰু সমাধানৰ বাবে সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশৰ শিক্ষা প্ৰক্ৰিয়াৰ সহায়ত উপযুক্ত কৌশল প্ৰয়োগৰ সামৰ্থ আৰু দক্ষতাৰ বিকাশ সাধনত সহায় কৰে।

### **১.৩.৪ পৰিৱেশীয় শিক্ষাৰ নীতিসমূহ**

**(Principles of Environmental Education) ঃ**

১৯৭৭ চনত চোভিয়েট ৰাছিয়াত অনুষ্ঠিত হোৱা Tibilisi Conference-ত পৰিৱেশীয় শিক্ষাৰ নীতিসমূহ নিৰ্দ্ধাৰণ কৰা হৈছিল। তোমালোকে জানিবৰ বাবে সেইবোৰ ইয়াত উল্লেখ কৰা হ'ল -

(ক) পৰিৱেশক সামগ্ৰিক দৃষ্টিভঙ্গীৰে বিবেচনা কৰিব লাগে, অৰ্থাৎ পৰিৱেশক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, ঐতিহাসিক, নৈতিক আৰু সৌন্দৰ্যবোধ, প্ৰযুক্তিগত আদি সকলোবোৰ দিশৰে বিচাৰ কৰিব লাগে।

(খ) পৰিৱেশীয় শিক্ষা এক জীৱনজোৰা প্ৰক্ৰিয়া বুলি বিবেচনা কৰিব লাগিব। সেয়ে বুনিয়াদী স্তৰৰ পৰা শিক্ষাৰ উচ্চস্তৰলৈকে পাঠ্যক্ৰমত ইয়াক অন্তৰ্ভুক্ত কৰিব লাগিব।

(গ) পৰিৱেশীয় সমস্যাসমূহ বন্ধ তথা সমাধান কৰাত সক্ৰিয় অংশগ্ৰহণত গুৰুত্ব দিব লাগিব।

(ঘ) গুৰুত্বপূৰ্ণ পৰিৱেশীয় সমস্যাসমূহক স্থানীয়, ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় দিশৰ পৰা মূল্যায়ন কৰিব লাগে।

(ঙ) প্ৰচলিত আৰু সম্ভাৱনাপূৰ্ণ পৰিৱেশীয় অৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

(চ) বিকাশ আৰু উন্নয়নৰ পৰিকল্পনাসমূহত পৰিৱেশীয় দিশসমূহৰ ওপৰত গুৰুত্ব দিব লাগে।

(ছ) পৰিৱেশীয় সমস্যাসমূহৰ জটিলতাৰ ওপৰত গুৰুত্ব দিব লাগে আৰু সেয়ে শিক্ষাৰ্থীসকলৰ সমালোচনা মূলক তথা যুক্তিমূলক চিন্তা আৰু সমস্যা সমাধানৰ ক্ষমতাৰ বিকাশ সমাধানত গুৰুত্ব আৰোপ কৰিব লাগিব।

(জ) পৰিৱেশীয় সমস্যাসমূহ বাৰণ আৰু সমাধান কৰিবলৈ প্ৰয়োজনীয় মূল্যবোধ আৰু স্থানীয়, ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বিকাশত গুৰুত্ব দিব লাগিব।

(ঝ) পৰিৱেশীয় সমস্যাসমূহৰ আগজাননী তথা বিভিন্ন কাৰণসমূহ যাতে শিক্ষাৰ্থীসকলে চিনাক্ত বা আৱিষ্কাৰ কৰিব পাৰে, তাৰ বিষয়ে শিক্ষাৰ্থীসকলক সহায় কৰিব লাগিব।

**আত্মমূল্যায়ন - (খ)**

(১) পৰিৱেশীয় শিক্ষা কি?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

(২) পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্যসমূহৰ বিভিন্ন ভাগ কেইটা উল্লেখ কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

.....................................................................................

### ১.৩.৫ পৰিৱেশীয় শিক্ষাৰ পাঠ্যক্ৰম

**(Curriculum of Environmental Education)ঃ**

১৯৭৬ চনত Wurzelbacher-এ পৰিৱেশীয় শিক্ষাৰ এখন পাঠ্যক্ৰম প্ৰস্তুত কৰিছিল আৰু পাঠ্যক্ৰমখনত তলৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰিছিল -

(১) মানুহ আৰু পৰিৱেশ (Man and Environment)

(২) জনসংখ্যা আৰু নগৰীকৰণ (Population and Urbanisation)

(৩) ইক'লজি (Ecology)

(৪) অৰ্থনীতি আৰু পৰিৱেশ (Economy and Environment)

(৫) নগৰ আৰু গ্ৰাম্য পৰিকল্পনা (Urban and Rural Planning)

(৬) সামাজিক সম্পদ (Social Resources)

(৭) চৰকাৰী আঁচনি আৰু নাগৰিক (Government Plan and Citizen)

(৮) চাহ আৰু জনসম্পদ (Tea and Water Resource)

(৯) বনজ সম্পদ (Forest Resources)

(১০) বায়ু সম্পদ (Air Resource) ইত্যাদি।

### ১.৩.৬ পৰিৱেশীয় শিক্ষাৰ সমস্যা বা অসুবিধা

**(Problems or Limitations of Environmental Education)ঃ**

পৰিৱেশীয় শিক্ষায়ো আন সকলোবোৰ পাঠ্যক্ৰমৰ দৰে ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যসমূহৰ সফল ৰূপায়ণ কৰিবলৈ যাওঁতে বহুতো সমস্যাৰ সন্মুখীন হ'ব লগাত

পৰে। এই সমস্যাসমূহ ইয়াত উল্লেখ কৰা হৈছে। মনোযোগেৰে পঢ়িবাহক -

(১) শিক্ষাৰ্থীসকলক পৰিৱেশ নিয়ন্ত্ৰণ আৰু ৰক্ষণাবেক্ষণ দিয়াৰ বাবে এনে শিক্ষাৰ নীতি-উদ্দেশ্যসমূহৰ জৰিয়তে সহজতে দায়বদ্ধ কৰাটো এক জটিল কাম, কিয়নো এনে কামৰ সফলতা শিক্ষাৰ্থীসকলৰ অভিপ্ৰায় আৰু ৰুচিবোধৰ পৰিৱৰ্তনৰ ওপৰত নিৰ্ভৰ কৰে।

(২) শিক্ষাৰ্থী তথা ব্যক্তিসকলক উপযুক্তভাৱে পৰিৱেশীয় শিক্ষা প্ৰদানৰ বাবে উপযুক্ত পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ অভাৱ।

(৩) বিশ্বৰ সামগ্ৰিক অৱস্থাৰ বিভিন্নতা অনুসৰি পৰিৱেশ সম্পৰ্কীয় সকলো দিশ আৰু বিষয় সামগ্ৰিকভাৱে খৰচি মাৰি শিক্ষা প্ৰদান কৰা কাৰ্যটো এটা জটিল প্ৰক্ৰিয়া।

(৪) পৰিৱেশীয় শিক্ষাৰ আন এটা সমস্যা হ'ল - যথোপযুক্তভাৱে আৰু সামগ্ৰিকভাৱে পৰিৱেশীয় শিক্ষা প্ৰদান কৰিবৰ বাবে উপযুক্ত, দক্ষ, কৌশলী আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ।

(৫) প্ৰত্যেক সমাজতে পৰিৱেশ ৰক্ষা কৰা দৃষ্টিভংগী বেলেগ বেলেগ। সেয়ে পৰিৱেশৰ মানদণ্ড বজাই ৰাখিব পৰাকৈ শিক্ষা প্ৰদান কৰা কাৰ্যটো সমাজভেদে ভিন্ন।

(৬) পৰিৱেশীয় শিক্ষা যথোপযুক্তভাৱে শিক্ষাৰ্থীক প্ৰদান কৰিবৰ বাবে উপযুক্ত শিক্ষণ সঁজুলিৰ অভাৱ। আনহাতে এনে শিক্ষাৰ বাবে প্ৰয়োজন হোৱা দৃশ্য-শ্ৰব্য সঁজুলিবিলাকো সহজলভ্য নহয়।

(৭) পৰিৱেশীয় শিক্ষা প্ৰদান কৰিবৰ বাবে শিক্ষাৰ্থীসকলক বাস্তৱ পৰিৱেশীয় সমস্যাৰ লগত মুখামুখি কৰাটো অত্যন্ত দৰকাৰী।
কিন্তু প্ৰকৃততে সকলো ক্ষেত্ৰতে সমস্যাৰ লগত জড়িত কৰি শিক্ষা প্ৰদান কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপো অতি কষ্টকৰ আৰু জটিল।

(৮) পৰিৱেশীয় শিক্ষাৰ বাবে এক উপযুক্ত আৰু ফলপ্ৰসূ পৰিকল্পনা কৰা প্ৰয়োজন। কিন্তু আনুষ্ঠানিক শিক্ষাত এনে পৰিকল্পনা কৰাটো সহজ নহয়।

(৯) পৰিৱেশীয় শিক্ষা প্ৰদানৰ বিভিন্ন দিশবোৰ আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হোৱাত শিক্ষা ব্যৱস্থা অতি গধূৰ হৈ পৰিছে।

(১০) এনে শিক্ষাৰ ক্ষেত্ৰত উপযুক্ত পৰিদৰ্শক আৰু পৰিচালকৰ অভাৱ আন এক গুৰুত্বপূৰ্ণ সমস্যা।

## ১.৪ পৰিৱেশীয় শিক্ষাৰ পৰিসৰ

**(Scope of Environmental Education)ঃ**

পৰিৱেশীয় শিক্ষাৰ পৰিসৰ অতি ব্যাপক। ই বিশ্বৰ সকলো বস্তু, সম্পদ, মানুহ আদি সকলোবোৰ কাৰ্যকে ইয়াৰ পৰিসৰৰ অন্তৰ্ভুক্ত কৰে। পৰিৱেশীয় শিক্ষাৰ পৰিসৰৰ বিষয়ে ইয়াত এক চমু আলোচনা আগবঢ়োৱা হৈছে -

(১) জনসংখ্যা বৃদ্ধিয়ে পৰিৱেশৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলায়, পৰিৱেশত কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰে, প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ আৰু লুণ্ঠনৰ মাত্ৰা বৃদ্ধিয়ে জীৱন ধাৰণৰ মানদণ্ড কেনেদৰে নিম্নগামী কৰি তোলে ইত্যাদি দিশসমূহৰ ওপৰত জ্ঞান প্ৰদান কৰে, লগতে এই সমস্যাৰ পৰা কেনেদৰে উদ্ধাৰ পাব, কেনেদৰে পৰিৱেশক ভাৰসাম্য অৱস্থাত ৰাখিব পাৰে আৰু জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে কেনেদৰে প্ৰয়োজনীয় পৰিকল্পনা আৰু উপযুক্ত অৱস্থা গ্ৰহণ কৰিব পাৰে সেই সম্পৰ্কেও জ্ঞান প্ৰদান কৰে।

(২) পৰিৱেশে মানুহৰ জীৱনৰ মানদণ্ড আৰু স্বাস্থ্যৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অতি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। সুস্থ পৰিৱেশে মানুহৰ ওপৰত সুস্থ আৰু অসুস্থ পৰিৱেশে অসুস্থ প্ৰভাৱ পেলায়। পৰিৱেশৰ অসুস্থ প্ৰভাৱৰ ফলত মানুহ মনোদৈহিক জগতখনো অসুস্থ হৈ পৰে; ফলত মানুহৰ বিভিন্ন ৰোগ হোৱাৰ সম্ভাৱনা থাকে। পৰিৱেশীয় অৱস্থাৰ ওপৰতেই পুষ্টিহীনতা,

বিকলাংগ শিশুৰ জন্ম, শিশুৰ মৃত্যু আদি কথাবোৰ নিৰ্ভৰশীল। গতিকে পৰিৱেশীয় শিক্ষাই এই দিশসমূহকো ইয়াৰ পৰিসৰৰ অন্তৰ্ভুক্ত কৰে।

(৩) পৰিৱেশীয় শিক্ষাই মানুহক জীৱন প্ৰক্ৰিয়াত বায়ু প্ৰদূষণ, জল প্ৰদূষণ, তাপ প্ৰদূষণ, তেজস্ক্ৰিয় ৰশ্মি, শব্দ প্ৰদূষণ ইত্যাদি বিভিন্ন প্ৰদূষণসমূহৰ কু-প্ৰভাৱ সম্পৰ্কে পুংখানুপুংখভাৱে আলোচনা কৰে। ইয়াৰ উপৰিও বিভিন্ন প্ৰকাৰৰ প্ৰদূষণৰ কাৰণ আৰু এইসমূহ ৰোধ আৰু নিৰাময় কৰাৰ উপায় সম্পৰ্কেও পৰিৱেশীয় শিক্ষাই প্ৰণালীবদ্ধভাৱে আৰু বিতংভাৱে বিশ্লেষণ আগবঢ়ায়।

(৪) পৰিৱেশীয় শিক্ষাই পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত আৰু প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আইনগত ব্যৱস্থা অধিক সক্ৰিয় আৰু কাৰ্যক্ষম কৰি তোলাৰ বাবে প্ৰণালীবদ্ধ জ্ঞান প্ৰদানত বিশেষ গুৰুত্ব দিয়ে। বৰ্তমান দ্ৰুত ঔদ্যোগীকৰণৰ, প্ৰাকৃতিক সম্পদসমূহৰ ৰক্ষণাবেক্ষণ, দায়িত্বত থকা লোকসকলৰ অকৰ্মণ্যতা, মানুহৰ ধ্বংসাত্মক কাৰ্যাৱলী আদিৰ ফলত প্ৰাকৃতিক সম্পদসমূহ ধ্বংস হৈছে আৰু লগতে পৰিৱেশ ব্যাপকভাৱে প্ৰদূষিত হৈছে। সেয়ে এই ক্ষেত্ৰত আইনগত ব্যৱস্থা কেনেদৰে গ্ৰহণ কৰা উচিত সেই সম্পৰ্কে পৰিৱেশীয় শিক্ষাই বিতংভাৱে আলোচনা- বিলোচনা কৰে।

(৫) পৰিৱেশীয় শিক্ষাই মানুহৰ মূল্যবোধ, ধ্যান-ধাৰণা আৰু জীৱন নিৰ্বাহৰ পদ্ধতি কেনেদৰে প্ৰকৃতিৰ লগত সু-সামঞ্জস্য বজাই ৰাখি উন্নত কৰিব পাৰে সেই সম্পৰ্কে আলোচনা কৰে। ইয়াৰ উপৰিও প্ৰাকৃতিক সম্পদসমূহৰ ৰক্ষণাবেক্ষণ আৰু ব্যৱহাৰ সম্পৰ্কে জ্ঞান প্ৰদান কৰি প্ৰকৃত আৰু মানুহৰ মাজত ভাৰসাম্য বজাই ৰাখি জীৱন ধাৰণৰ পদ্ধতিৰ পৰিৱৰ্তন সাধন আৰু এই দিশবোৰৰ প্ৰতি সচেতন কৰি তোলাৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰে।

(৬) পৰিৱেশীয় শিক্ষাই প্ৰাকৃতিক আৰু জৈৱিক সম্পদ, যেনে - স্থূল সম্পদ,

জলজ সম্পদ, বনজ সম্পদ, শক্তি সম্পদ, খনিজ সম্পদ ইত্যাদিৰ ওপৰত বিশদ আৰু প্ৰণালীবদ্ধ জ্ঞান প্ৰদান কৰে। লগতে এনে সম্পদৰ উৎস আৰু এইবোৰৰ গুণাগুণ হ্ৰাস হোৱাৰ কাৰণ, পৰিৱেশক ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বাবে ল'ব লগা পদক্ষেপ ইত্যাদিৰ বিষয় বিশ্লেষণ আৰু পৰ্যালোচনা কৰে।

(৭) পৰিৱেশীয় শিক্ষাই প্ৰাকৃতিক, জৈৱিক, মানৱ সৃষ্ট পৰিৱেশ আদিৰ সকলো দিশ বিতংভাৱে আলোচনা কৰে। এই শিক্ষাই পৰিৱেশ বিনষ্ট কৰাৰ ক্ষেত্ৰত মানুহে সম্পাদন কৰা কাৰ্য, মানুহৰ ৰুচিবোধ, মূল্যবোধ, অনুভূতি, আচৰণ আদি আৰু পৰিৱেশে প্ৰদূষণৰ ফলত মানুহে ভোগ কৰা সমস্যাৱলী সমাধানৰ উপায়, বিভিন্ন সম্পদৰ অবাধ ব্যৱহাৰৰ ফলত উদ্ভৱ হ'ব পৰা ভয়াবহতা, প্ৰকৃতি আৰু জীৱনৰ মাজত সামঞ্জস্য বজাই ৰখাৰ প্ৰয়োজনীয়তা ইত্যাদি দিশবোৰ ইয়াৰ পৰিসৰ তথা আলোচনাৰ অন্তৰ্ভুক্ত কৰে। তদুপৰি সামগ্ৰিক দৃষ্টিভংগীৰে প্ৰকৃতিৰ মূল্যায়ন আৰু এই ক্ষেত্ৰত মানুহৰ মনোভাৱ বিকাশ কৰি তোলাৰ ক্ষেত্ৰটো ই বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

## ১.৫ পৰিৱেশীয় শিক্ষাৰ শিক্ষণ পদ্ধতিসমূহ (Methods of Teaching of Environmental Education)ঃ

তলত উল্লেখ কৰা পদ্ধতিসমূহৰ দ্বাৰা পৰিৱেশীয় শিক্ষাৰ শিক্ষাদান কৰিব পাৰি -

(১) **শ্ৰেণীকক্ষৰ আলোচনা (Class Discussion) ঃ** শ্ৰেণীত আমাৰ চৌপাশৰ পৰিৱেশৰ কোনো এটা নিৰ্দিষ্ট পৰিৱেশীয় সমস্যা আদিৰ বিষয়ে আলোচনা কৰিব লাগে।

(২) **সৰু সৰু দল লৈ প্ৰকল্প কৰা (Small Group Project) ঃ** পৰিৱেশ সম্পৰ্কে বিশদভাৱে হাতে-কামে আলোচনা কৰিবৰ বাবে শ্ৰেণীৰ শিক্ষাৰ্থীসকলক সৰু সৰু দলত বিভক্ত কৰি প্ৰত্যেক দলকে একো একোটা

নির্দিষ্ট প্ৰকল্প দিব লাগে। উদাহৰণস্বৰূপে, কোনো এটা দলত এখন স্থানীয় বিলৰ ওপৰত অধ্যয়ন কৰিবলৈ দিয়া হ'ল। এই ক্ষেত্ৰত তেওঁলোকে তলৰ দিশসমূহৰ ওপৰত গুৰুত্ব দিব লাগিব। (ক) বিলখনৰ ওপৰত কোন শ্ৰেণীৰ মানুহে নিৰ্ভৰ কৰে? (খ) সেই শ্ৰেণীৰ লোকৰ সমাজখনৰ ওপৰত বিলখনৰ প্ৰভাৱ কেনেধৰণৰ? (গ) বিলখনৰ মুঠ মাটি-কালি কিমান? (ঘ) বিলৰ কাষত বা চাৰিওফালে কেনেধৰণৰ লোক আৰু জীৱ-জন্তু বসবাস কৰে? (ঙ) বিলৰ কাষত আৰু চাৰিওফালে কেনেকুৱা ধৰণৰ গছ-গছনি আছে? (চ) বিলৰ পানীত কেনেধৰণৰ উদ্ভিদ বা জীৱ আছে? (ছ) কেনেকৈ বিলখন অধিক উপযোগী আৰু উন্নত কৰিব পাৰি বা বিলখনে ওচৰৰ মানুহৰ ওপৰত কেনেধৰণে আৰ্থ-সামাজিক প্ৰভাৱ পেলাইছে? ইত্যাদি।

**(৩) জৰীপ কৰা (Survey) ঃ** জৰীপ পদ্ধতি হৈছে পৰিৱেশীয় শিক্ষাৰ এক উপযুক্ত শিক্ষণ পদ্ধতি। এনে পদ্ধতি কোনো এখন অঞ্চল বা ঠাইৰ পৰিৱেশ সম্পৰ্কে আলোচনা কৰিবৰ কাৰণে ব্যৱহাৰ কৰা হয়। এই পদ্ধতিৰ জৰিয়তে শিক্ষাৰ্থীসকলে প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হয়। কোনো উদ্যোগ প্ৰতিষ্ঠান, ডাকঘৰ, বেংক, চিকিৎসালয়, স্থানীয় বজাৰ, স্থানীয় বিল, নদী, অৰণ্য আদিৰ ওপৰত জৰীপ কাৰ্য চলাব পাৰি।

**(৪) বহিঃঅধ্যয়ন (Outdoor Study) ঃ** বহিঃঅধ্যয়ন অৰ্থাৎ কোনো নদী, বিল, গোহা, পাহাৰ ইত্যাদিৰ পৰিৱেশ সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে প্ৰথমেই এখন আঁচনি প্ৰস্তুত কৰা দৰকাৰ। এনে অধ্যয়নৰ লক্ষ্য, আঁচনি আৰু ক্ষেত্ৰ কৰ্ম আদি পূৰ্ব নিৰ্ধাৰিত হ'ব লাগে।

**(৫) প্ৰদৰ্শনীৰ ব্যৱহাৰ (Use of Exhibition) ঃ** প্ৰদৰ্শনীৰ ব্যৱহাৰৰ যোগেৰে শিক্ষাৰ্থীসকলক পৰিৱেশীয় শিক্ষা আকৰ্ষণীয় আৰু মনোগ্ৰাহীকৈ শিকাব পাৰি। শিক্ষাৰ্থীসকলক প্ৰদৰ্শনীৰ বাবে কোনো পৰিৱেশীয় সমস্যাৰ ওপৰত চাৰ্ট, আৰ্হি আদি তৈয়াৰ কৰিবলৈ দিব লাগে। হাতে-কামে কৰাৰ ফলস্বৰূপে

শিক্ষাৰ্থীসকলে বিষয়সমূহ গভীৰভাৱে বুজিবলৈ সক্ষম হয়।

**(৬) খেলা-ধূলা (Games) ঃ** পৰিৱেশীয় শিক্ষাৰ বাবে শিক্ষাৰ্থীৰ মাজত খেলা-ধূলাৰ অতি প্ৰয়োজন, এনে খেলা-ধূলাই শিক্ষাৰ্থীসকলক প্ৰকৃতিৰ ওপৰত আমিবোৰ যে নিৰ্ভৰশীল তাক বুজি পোৱাত সহায় কৰাৰ লগতে নিজস্ব চিন্তাশক্তি, সুস্থ-চিন্তাধাৰা আদি বৃদ্ধি পোৱাত সহায় কৰে।

**আত্মমূল্যায়ন - (গ)**

(১) পৰিৱেশীয় শিক্ষাৰ দুটা সমস্যা উল্লেখ কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

(২) শুদ্ধ নে অশুদ্ধ লিখা -

(ক) বায়ুমণ্ডল বা বায়ু পৰিৱেশীয় শিক্ষাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত।

(খ) আমাৰ দেশত পৰিৱেশীয় শিক্ষা প্ৰদান কৰিবৰ বাবে উপযুক্ত, দক্ষ শিক্ষক পৰ্যাপ্ত পৰিমানে আছে।

(গ) পৰিৱেশীয় শিক্ষাই বিভিন্ন প্ৰদূষণসমূহৰ কু-প্ৰভাৱৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰে।

(ঘ) এখন দেশৰ শিশুসকলৰ পুষ্টিহীনতা, বিকলাংগতা তথা মানসিক স্বাস্থ্য আদি সকলোবোৰ দেশখনৰ পৰিৱেশীয় অৱস্থাৰ ওপৰত নিৰ্ভৰশীল।

(ঙ) খেলা-ধূলাৰ মাজেৰে শিক্ষাৰ্থীসকলক পৰিৱেশীয় শিক্ষা প্ৰদান কৰিব নোৱাৰি।

## ১.৬ সামৰণি

তোমালোকে ইতিমধ্যে বুজিব পাৰিছা যে - জৈৱিক-অজৈৱিক, পাৰ্থিৱ-অপাৰ্থিৱ উপাদানৰ সমষ্টি - আমাৰ চৌপাশৰ পৃথিৱীখনেই হৈছে পৰিৱেশ। লগতে তোমালোকে গোলকীয় উষ্ণতা, সেউজগৃহ পৰিঘটনা, অম্লবৃষ্টি, অ'জনস্তৰৰ অৱক্ষয় আদি বৰ্তমান যুগৰ পৰিৱেশীয় সমস্যাসমূহৰ বিষয়েও জানিব পাৰিলা। ইয়াৰ উপৰিও তোমালোকে জানিব পাৰিলা যে -

(ক) পৰিৱেশৰ সহায়ত পৰিৱেশৰ বাবে আৰু পৰিৱেশৰ বিষয়ে শিক্ষাই হৈছে পৰিৱেশীয় শিক্ষা।

(খ) ই জীৱজগতৰ ওপৰত প্ৰভাৱ পেলোৱা সকলো বিষয়ক সাঙুৰি লয়।

(গ) পৰিৱেশীয় শিক্ষাৰ মূল উদ্দেশ্য হ'ল পৰিৱেশ আৰু ইয়াৰ সমস্যাসমূহৰ বিষয়ে সমাজৰ সকলো শ্ৰেণীৰ লোককে সজাগ কৰা।

(ঘ) পৰিৱেশক সামগ্ৰিক দৃষ্টিভঙ্গীৰে, অৰ্থাৎ ৰাজনৈতিক, সাংস্কৃতিক, নৈতিক, অৰ্থনৈতিক, প্ৰযুক্তিগত আদি সকলোবোৰৰ দিশৰে বিবেচনা কৰিব লাগে।

(ঙ) পৰিৱেশীয় শিক্ষা প্ৰদানৰ বাবে উপযুক্ত, দক্ষ, কৌশলী আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন।

(চ) শিক্ষাৰ্থীসকলৰ বয়স, অভিৰোচন, উপলব্ধ সম্পদ আদিবোৰৰ ওপৰত ভিত্তি কৰি পৰিৱেশীয় শিক্ষাৰ শিক্ষণ পদ্ধতি নিৰ্বাচন কৰিব লাগে।

**ঘাই শব্দসমূহ ঃ**

**পৰিৱেশ ঃ** আমাৰ চৌপাশ বায়ু, পানী, মাটি, শিল, গছ-গছনি, জীৱ-জন্তু, কীট-পতংগ আদিৰ সমষ্টি, যাৰ ওপৰত মানুহ তথা জীৱ-জন্তু, গছ-গছনি আদি সকলো নিৰ্ভৰশীল।

**পৰিস্থিতি তন্ত্ৰ ঃ** ই এনে এক কাৰ্যপ্ৰক্ৰিয়া, য'ত প্ৰকৃতি, বায়ুপানী, মাটি আৰু বৈচিত্ৰ্যময়

জীৱজগত পৰস্পৰে পৰস্পৰৰ লগত সম্পৃক্ত হৈ থাকে আৰু পৰস্পৰক সহায় কৰে।

**গোলকীয় উষ্ণতা ঃ** পৃথিৱীৰ গড় উষ্ণতাৰ নিশ্চিত তথা অবিচ্ছিন্ন বৃদ্ধি।

**সেউজগৃহ গেছ ঃ** কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাচ অক্সাইড, ছি এফ ছি আদি গেছসমূহে বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত সহায় কৰে। এইবোৰকে সেউজগৃহ গেছ বোলে।

**আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ ঃ**

**আত্মমূল্যায় -(ক)ৰ উত্তৰ ঃ**

(১) (ক) পৰিৱেশ, (খ) বায়ুমণ্ডল (গ) ৭৮%, (ঘ) ট্ৰপ'স্ফেয়াৰ, (ঙ) অম্লবৃষ্টি

**আত্মমূল্যায় -(খ)ৰ উত্তৰ ঃ**

(১) ই হৈছে এনে শিক্ষা যি বিজ্ঞান, সমাজ-বিজ্ঞান আৰু মানুহৰ জীৱন আৰু সমাজ সম্পৰ্কীয় বিদ্যাৰ ওপৰত ভিত্তি কৰি পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহৰ ওপৰত আলোকপাত কৰে।

(২) পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্যসমূহক মূলতঃ তিনিটা ভাগত ভগোৱা হৈছে –

(১) জ্ঞানমূলক

(২) অনুভূতিমূলক

(৩) কৰ্মমূলক বা সংক্ৰিয়াত্মক

**আত্মমূল্যায় -(গ)ৰ উত্তৰ ঃ**

(১) তুমি নিজে যত্ন কৰা (ইংগিত ঃ অনুচ্ছেদ ১.৩.৬ চোৱা)

(২) (ক) শুদ্ধ, (খ) অশুদ্ধ, (গ) শুদ্ধ, (ঘ) শুদ্ধ, (ঙ) অশুদ্ধ

**পাঠ্য নির্দেশনা ঃ**

(১) দত্ত, আহমেদ আৰু চলিহা ঃ **পৰিৱেশ অধ্যয়ন**,
ষ্টুডেণ্টচ পইণ্ট, যোৰহাট, ২০১০

(২) Vaishishta and Bansal : **Essentials of Environmental Study**,
Dhanpat Rai Publishing
Company (P) Ltd., 2005

**আৰ্হি প্ৰশ্ন ঃ**

(১) পৰিৱেশ মানে কি? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ কি কি ?

(২) পৰিৱেশীয় শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখা।

(৩) পৰিৱেশীয় শিক্ষাৰ পাঠ্যক্ৰমত কেনেধৰণৰ বিষয় অন্তৰ্ভুক্ত কৰিব লাগে?

(৪) পৰিৱেশীয় শিক্ষা প্ৰদানৰ বাবে কি কি শিক্ষণ পদ্ধতি ব্যৱহাৰ কৰিব পাৰি? তেনে দুটা পদ্ধতিৰ বিষয়ে বহলাই লিখা।

(৫) পৰিৱেশীয় শিক্ষাৰ সমস্যাবোৰ লিখা।

**প্ৰসংগ পুথি ঃ**

(১) চলিহা, শইকীয়া আৰু শইকীয়া ঃ **স্নাতক মহলাৰ ভাৰতীয় শিক্ষাৰ ইতিহাস**,
বিদ্যাভৱন, যোৰহাট-১, ২০১১

(২) শৰ্মা আৰু বৰুৱা (সম্পাদনা) ঃ **সেউজ প্ৰয়াস -শিক্ষকৰ প্ৰসংগ পুথি**;
অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, ২০১০

(৩) Tripathy and Panda : **Fundamentals of Environmental Studies**,
3rd Edition, Vrinda Publication (P) Ltd., 2010

# খণ্ড - ৫
# নতুন সহস্ৰাব্দত অত্যাৱশ্যকীয় আলোচ্য বিষয়সমূহ
# (Emerging issues in the new millenium)

## গোট - ২ ঃ মানৱ অধিকাৰ শিক্ষা
## (Human Rights Education)

**গোট গঠন বিন্যাস (Unit Structure)**

**২.০. উদ্দেশ্য**

**২.১. প্ৰস্তাৱনা**

**২.২. মানৱ অধিকাৰ-ধাৰণা**

২.২.১. মানৱ অধিকাৰৰ সংজ্ঞা

২.২.২. মানৱ অধিকাৰৰ গুৰুত্ব

আত্মমূল্যায়নৰ প্ৰশ্ন

**২.৩. মানৱ অধিকাৰ শিক্ষা**

২.৩.১. মানৱ অধিকাৰ শিক্ষাৰ পটভূমি

২.৩.২. মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা

আত্মমূল্যায়নৰ প্ৰশ্ন

**২.৪. ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শিক্ষালৈ অৱদান**

২.৪.১. মানৱ অধিকাৰ উচ্চ আয়ুক্ত

২.৪.২ মানৱ অধিকাৰ সন্দৰ্ভত বিশ্বসন্মিলনৰ ভূমিকা

আত্মমূল্যায়নৰ প্ৰশ্ন

**২.৫. ভাৰতীয় সংবিধানত মানৱ অধিকাৰ**

২.৫.১ মানৱ অধিকাৰ সংক্ৰান্তত ভাৰত চৰকাৰৰ প্ৰদক্ষেপ

আত্মমূল্যায়নৰ প্ৰশ্ন

**২.৬. মানৱ অধিকাৰ শিক্ষা ঃ সজ্ঞা আৰু বিদ্যালয়ৰ ভূমিকা**

আত্মমূল্যায়নৰ প্ৰশ্ন

**২.৭. সামৰণি**

ঘাই শব্দসমূহ

পাঠ্য নিৰ্দেশনা

সম্ভাব্য উত্তৰ

আৰ্হি প্ৰশ্ন

প্ৰসংগ পুথি

## ২.০. উদ্দেশ্য

এই গোটটোত তোমালোকে মানৱ অধিকাৰ শিক্ষাৰ বিষয়ে অধ্যয়ন কৰাৰ পাছত নিম্নোক্ত দিশত কৰ্ম সম্পাদন কৰিব পাৰিবা -

(ক) তোমালোকে মানৱ অধিকাৰৰ সংজ্ঞা আগবঢ়াব পাৰিবা।

(খ) তোমালোকে মানৱ অধিকাৰ শিক্ষাৰ গুৰুত্ব নিৰ্ণয় কৰিব পাৰিবা।

(গ) তোমালোকে ৰাষ্ট্ৰসংঘৰ শৈক্ষিক ভূমিকাৰ বিষয়ে উল্লেখ কৰিব পাৰিবা আৰু মানৱ অধিকাৰ সম্পৰ্কে গ্ৰহণ কৰা ব্যৱস্থাৱলী চিনাক্ত কৰিব পাৰিবা।

(ঘ) ভাৰতবৰ্ষত সংবিধানে মানৱ অধিকাৰ সুৰক্ষাৰ কাৰণে প্ৰদান কৰা সুবিধাসমূহৰ ব্যাখ্যা কৰিব পাৰিবা।

(ঙ) তোমালোকে মানৱ অধিকাৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ পদক্ষেপসমূহৰ সাৰাংশ লিখিব পাৰিবা।

(চ) তোমালোকে শিক্ষাই মানৱ অধিকাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মাজত কেনেদৰে সজাগতা সৃষ্টি কৰে তাক মূল্যায়ন কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা

তোমালোকে এই খণ্ডৰ আগৰ গোটটোত একবিংশ শতিকাৰ এক অতি গুৰুত্বপূৰ্ণ বিচাৰ্য বিষয় পৰিৱেশ শিক্ষাৰ বিষয়ে অধ্যয়ন কৰিছা। এই গোটটোত তোমালোকে নতুন শতিকাত মানুহে সন্মুখীন হোৱা অন্য এক সামাজিক সমস্যাৰ নিৰ্মূলৰ কাৰণে শিক্ষা ব্যৱস্থাৰ বিষয়ে পঢ়িবলৈ পাবা। এই শিক্ষা বিষয় হৈছে মানৱ অধিকাৰ শিক্ষা। তোমালোকে এই গোটটোত মানুহৰ প্ৰাপ্য অধিকাৰ বঞ্চিতৰ পৰা শিক্ষা ব্যৱস্থাই সচেতনতা সৃষ্টিৰ যোগেদি অধিকাৰ প্ৰদানত আগবঢ়োৱা ভূমিকাৰ বিষয়ে জ্ঞাত হ'বা।

গোটটোৰ মূল বিষয়বস্তু অধ্যয়নৰ যোগেদি তোমালোকে মানৱ অধিকাৰৰ অৰ্থ, গুৰুত্ব, উদ্দেশ্য আৰু সাম্প্ৰতিক স্খলনৰ সৈতে পৰিচিত হ'বা। গোটটোত মানৱ অধিকাৰ শিক্ষাৰ বিষয়ে বৰ্ণনা কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মানৱ অধিকাৰ সুৰক্ষাৰ কাৰণে ৰাষ্ট্ৰসংঘ আৰু বিভিন্ন সন্মিলনে

গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে গোটটোত বৰ্ণনা কৰা হৈছে। ভাৰত চৰকাৰে মানৱ অধিকাৰ প্ৰদানৰ কাৰণে লোৱা পদক্ষেপ আৰু ভাৰতীয় সংবিধানৰ বিভিন্ন অধিকাৰৰ উল্লেখ কৰা হৈছে। গোটটোত শিক্ষাব্যৱস্থাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মানৱ অধিকাৰ সম্পৰ্কে সজাগতা আৰু দায়বদ্ধতা গঢ়ি তোলাৰ বিষয়ে আলোচনা কৰা হৈছে। গোটটো পঢ়ি শিক্ষাৰ্থীসকলৰ মানৱ অধিকাৰ শিক্ষাৰ বৰ্তমান সময়ত তাৎপৰ্য উপলব্ধিত সহায়ক হ'ব।

গোটটো অধ্যয়ন কৰাৰ পূৰ্বে তোমালোকে বাস্তৱ জীৱনত মানুহৰ অধিকাৰ খৰ্ব হোৱাৰ সম্পৰ্কে চকু দিব পাৰা। তোমালোকে হোটেল, ৰেস্তোৰাঁ আদিত বহুতো শিশুৱে কাম কৰা চকুত পৰিছেনে? সেইদৰে ইটা ভাটা, ৰেল ষ্টেচন আদিতো বহুতো শিশুৱে কাম কৰে। শিশুসকলক তেওঁলোকৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰা বয়সত এইদৰে শ্ৰমিক হিচাপে কাম কৰোৱা অনুচিত। সেইদৰে, তোমালোকৰ ঘৰত সদায় দৈনিক কাকতখন চকু ফুৰাবাচোন। কাকতখনত তুমি মানুহক আকস্মিক আঘাত কৰা, হত্যা কৰা, দুৰ্ব্যৱহাৰ কৰা বা ডকাইতি কৰা অনেক খবৰ দেখিবলৈ পাবা। এই উদাহৰণসমূহেই হৈছে মানৱ অধিকাৰ খৰ্ব হোৱাৰ কিছুমান সচৰাচৰ দেখি থকা কাহিনী। মানুহক স্বাধীনতা আৰু নিৰাপত্তা প্ৰদানত মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে এই গোটটো অধ্যয়ন কৰাৰ পাছত তোমালোক সজাগ হ'বা বুলি আশা কৰা হৈছে।

## ২.২ মানৱ অধিকাৰ-ধাৰণা (Human Rights-Concept)

আক্ষৰিক অৰ্থত, মানৱ অধিকাৰৰ অৰ্থ হৈছে মানুহৰ অধিকাৰ। পৃথিৱীৰ প্ৰতিজন মানুহৰ নিজস্ব মন আছে। প্ৰত্যেকৰে নিজা ইচ্ছা, অভিৰুচি, আগ্ৰহ, আশা-আকাংক্ষা থাকে। মানুহৰ সামগ্ৰিক ব্যক্তিসত্বাৰ বিকাশৰ গুৰুত্ব আছে। প্ৰতিজন মানুহৰ সম্ভাব্য গুণাৱলীৰ প্ৰকাশত বাধা সৃষ্টি হ'লে তেখেতৰ অধিকাৰ খৰ্ব হয়। ৰাষ্ট্ৰব্যৱস্থা গঢ়ি উঠাৰ পাছত প্ৰতিজন নাগৰিকৰ নায্য প্ৰাপ্যপূৰণ কৰাটো চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য। জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে সকলো মানুহকে সমান সুবিধা প্ৰদান কৰা উচিত। এই প্ৰয়োজনীয়তাৰ ফলতে মানৱ অধিকাৰে নিজৰ অধিকাৰ সুৰক্ষাৰ লগতে অন্য ব্যক্তিসকলক সুৰক্ষা প্ৰদান কৰা বুজায়।

মানৱ অধিকাৰে মানুহৰ আইনগত অধিকাৰ, সামাজিক অধিকাৰ , নৈতিক অধিকাৰ, ৰাজনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক অধিকাৰক বুজায়। বৰ্তমান কালত পৃথিৱীৰ প্ৰত্যেক দেশেই নাগৰিকসকলৰ সুৰক্ষাৰ কাৰণে সংবিধানিক ব্যৱস্থা, বিধায়িনী ব্যৱস্থা আৰু ন্যায়ালয় ব্যৱস্থাৰ জৰিয়তে নাগৰিকক আইনগত ৰক্ষণাবেক্ষণ প্ৰদানৰ প্ৰচেষ্টা হাতত লয়। মানুহে অন্যায়-অবিচাৰৰ বলি হ'লে আইনৰ সহায় বিচাৰিব পাৰে। তোমালোকৰ বাৰু বিদ্যালয় পৰ্যায়ত ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱ আৰু ফৰাচী বিপ্লৱৰ বিষয়ে পঢ়া মনত আছেনে? বিদ্যালয়ত সমাজ অধ্যয়ন বিষয়ত নিশ্চয় বুৰঞ্জী পাঠত এই বিষয়ে পঢ়িবলৈ পাইছিলা। সেইদৰে, ভাৰত বুৰঞ্জীত চিপাহী বিদ্ৰোহ আৰু ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ বিষয়েও পঢ়িছিলা। এই বিদ্ৰোহ, বিপ্লৱ আৰু আন্দোলনৰ অন্তৰালৰ মুখ্য কাৰণ আছিল মানুহৰ অধিকাৰ আৰু স্বাধীনতা খৰ্ব হোৱা কাহিনী। ৰাজনৈতিক অধিকাৰ প্ৰাপ্তিৰ দাবীত এনে বিপ্লৱ সংঘটিত হৈছিল। স্বাধীন ৰাষ্ট্ৰত প্ৰতিজন ব্যক্তিয়ে ভোটাধিকাৰ, সম্পত্তিৰ সুৰক্ষা, আৰ্থিক উপাৰ্জন, সাংস্কৃতিক সুৰক্ষা, ৰাজনৈতিক ক্ষমতা লাভ, সংঘবদ্ধ হোৱাৰ অধিকাৰ পোৱা উচিত। সেইদৰে, মানুহে এখন সমাজত ঐক্যবদ্ধ হিচাপে বাস কৰি সভ্যতা সংস্কৃতি সংৰক্ষণ আৰু প্ৰসাৰ সাধনৰ সা-সুবিধা লাভ কৰা উচিত। প্ৰতিজন নাগৰিকৰে জনমূৰি আয় বৃদ্ধিৰ জৰিয়তে ৰাষ্ট্ৰীয় সম্পদ বৃদ্ধিৰ অধিকাৰ সুনিশ্চিত হ'ব লাগে সমাজৰ প্ৰতিজন ব্যক্তিৰে নৈতিক অধিকাৰো থাকিব লাগে, অৰ্থাৎ প্ৰত্যেকেই নিজৰ নীতিগত সুবিবেক সম্পন্ন ব্যৱহাৰেৰে সমাজত জীয়াই থকাৰ অধিকাৰ লাভ কৰা উচিত। মানুহৰ প্ৰতিটো প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ অধিকাৰ সুৰক্ষিত হোৱাই হৈছে মানৱ অধিকাৰ।

মানৱ অধিকাৰ এক সাৰ্বজনীন ধাৰণা। পৃথিৱীৰ প্ৰতিখন দেশৰ প্ৰতিজন ব্যক্তিয়ে সকলো অধিকাৰ প্ৰাপ্তি সুনিশ্চিত আৰু সুৰক্ষিত হ'ব লাগে। জাতিগত, লিংগ বৈষম্য বা আৰ্থিক অৱস্থাৰ ভিত্তিত অধিকাৰসমূহ প্ৰদানৰ ব্যৱস্থা কৰিব নালাগে।

মানৱ অধিকাৰ জন্মস্বত্ব ধাৰণা বুলি ক'ব পাৰি। প্ৰত্যেক ব্যক্তিয়ে জন্মসূত্ৰেই সকলো অধিকাৰ ভোগ কৰাৰ সুবিধা পোৱা বাঞ্ছনীয়। মানুহৰ দেহ, বৰণ, ধৰ্ম, স্থান বা পুৰুষ-মহিলা ভেদ ৰাখি অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা অনুচিত।

মানৱ অধিকাৰ এক সামাজিক ধাৰণা। প্ৰত্যেক সমাজতে মানৱ অধিকাৰৰ ৰক্ষণাবেক্ষণ দিয়া হয়। মানৱ অধিকাৰ ভংগ কৰা আইন বিৰুদ্ধ কাৰ্য। মানুহে সমাজত চিন্তা, ভাব প্ৰকাশৰ স্বাধীনতা পোৱাৰ লগতে সামাজিক ন্যায়, সমতা, একতা, নিৰাপত্তা পালেহে অধিকাৰসমূহ লাভ কৰিব পাৰিব।

মানৱ অধিকাৰৰ এক আদৰ্শগত ধাৰণা, নৈতিক বিবেকসম্পন্ন ব্যক্তিয়ে অন্য ব্যক্তিৰ অধিকাৰৰ প্ৰতিও সন্মান প্ৰদৰ্শন কৰে। আদৰ্শবান ব্যক্তিত্বৰ অধিকাৰী লোকে নিজৰ অধিকাৰ আদায় কৰিবলৈ সক্ষম হোৱাৰ লগতে অন্য ব্যক্তিৰ প্ৰাপ্য অধিকাৰ সম্পৰ্কতো যুক্তিবাদী মনৰ পৰিচয় বহন কৰে।

গতিকে, তোমালোকে উপৰোক্ত ব্যাখ্যা অধ্যয়নৰ জৰিয়তে বুজিব পাৰিছা যে মানৱ অধিকাৰ প্ৰতিজন ব্যক্তিৰ সৰ্বাংগীন বিকাশৰ কাৰণে এক এৰাব নোৱাৰা বিষয়। মানৱ অধিকাৰসমূহ চৰকাৰ স্বীকৃত হোৱাৰ লগতে মানুহক সৎ জীৱন-যাপন কৰাত সহায়ক হ'ব লাগে।

**২.২.১ মানৱ অধিকাৰৰ সংজ্ঞা ঃ**

অষ্টাদশ আৰু উনবিংশ শতিকাত মানৱ অধিকাৰ সম্পৰ্কে সচেতনতা বৃদ্ধিৰ পাছত আন্তঃৰাষ্ট্ৰীয় স্তৰত ইয়াৰ সংজ্ঞা নিৰূপণ হয়। তলত মানৱ অধিকাৰ সম্পৰ্কে কেইটামান সংজ্ঞা উল্লেখ কৰা হ'ল -

(১) ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়ুক্তৰ মতে, জাতীয়তা, বাসস্থান, লিংগ, ৰাষ্ট্ৰীয় বা জাতিগত মূল, বৰণ, ধৰ্ম, ভাষা বা অন্য মৰ্যাদাৰ ভেদে সকলো মানুহৰ সৈতে সংপৃক্ত অধিকাৰেই হৈছে মানৱ অধিকাৰ। আমি প্ৰত্যেকেই আমাৰ মানৱ অধিকাৰ পাৰ্থক্য ভেদে সমানভাৱে পাব লাগে। এই অধিকাৰসমূহ অন্তঃসম্পৰ্কযুক্ত,আন্তঃনিৰ্ভৰশীল আৰু অবিভাজ্য।

(২) ভি.টি. পাটিল (V.T. Patil) ৰ মতে মানৱ অধিকাৰে মৌলিক স্বাধীনতা আৰু মুক্ততাক বুজায়, যাৰ অবিহনে পুৰুষ, মহিলা আৰু শিশুৱে সন্মান আৰু মহত্বসহ জীয়াই থকাৰ পৰা বঞ্চিত হয়।

(৩) জে. ডব্লিউ. নিকেল (J.W. Nickel) ৰ মতে, মানৱ অধিকাৰ হৈছে নিৰ্দিষ্ট দেশসমূহৰ প্ৰথা বা ন্যায় ব্যৱস্থাৰ চিনাক্তকৰণ আৰু

কাৰ্যকৰীকৰণৰ নিৰ্দিষ্ট, উচ্চ অগ্ৰাধিকাৰযোগ্য, সাৰ্বজনীন, স্থায়ী আৰু স্বতন্ত্ৰভাৱে বৈধ আদৰ্শ।

উপৰোক্ত সংজ্ঞাসমূহ পঢ়াৰ পাছত তোমালোকে উপলব্ধি কৰিব পাৰিছানে যে পৃথিৱীৰ সকলো মানুহে কোনো ধৰণৰ পাৰ্থক্য নথকাকৈ কিছুমান সকলোৰে গ্ৰহণযোগ্য অধিকাৰ পাব লাগে। মৌলিক অধিকাৰ প্ৰাপ্তিয়ে পৃথিৱীৰ বিভিন্ন দেশৰ মাজত পাৰম্পৰিক নিৰ্ভৰশীলতা বৃদ্ধি কৰে।

**২.২.২ মানৱ অধিকাৰৰ গুৰুত্ব ঃ**

মানৱ অধিকাৰসমূহ কাৰ্যতঃ ৰূপায়ণ কৰিবলৈ মানুহৰ নৈতিকতাৰ লগতে চৰকাৰৰ আইনসংগত ব্যৱস্থাৰ প্ৰয়োজন। সমাজত ন্যায় আৰু সমতা প্ৰতিষ্ঠাৰ জৰিয়তে শান্তিপূৰ্ণ জীৱন-যাপনৰ কাৰণে মানৱ অধিকাৰৰ ব্যৱস্থা কৰা উচিত। মানৱ অধিকাৰে মানুহক ব্যক্তিত্ব বিকাশৰ জৰিয়তে মৰ্যদা সহকাৰে উন্নত মানৱ জীৱন-নিৰ্বাহ কৰাত সহায় কৰে। মানৱ অধিকাৰে জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে সমতা স্থাপন আৰু ব্যক্তি স্বাধীনতাত প্ৰভূত অৰিহণা আগবঢ়ায়।

আমাৰ দেশ ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক গণৰাজ্য। দেশৰ প্ৰতিজন লোকক সামাজিক ন্যায় প্ৰদান কৰিলেহে গণতন্ত্ৰৰ আদৰ্শ প্ৰতিফলন হ'ব। প্ৰতিজন ব্যক্তিক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশত সমান অধিকাৰ প্ৰদান কৰিব লাগিব। স্বাধীন ভাৰতৰ গণতান্ত্ৰিক ভাৱধাৰা গঢ়ি তুলিবলৈ চৰকাৰে মানৱ অধিকাৰৰ বিভিন্ন দিশত গুৰুত্ব প্ৰদান কৰিছে। ন্যায়সন্মত যুক্তি আলোচনাৰ যোগেদি মানৱ অধিকাৰৰ সপেক্ষে আইন প্ৰণয়ন হৈছে। সমাজৰ বঞ্চিত সম্প্ৰদায়সমূহেও মানৱ অধিকাৰৰ দাবীত ধৰ্মঘট, হৰতাল, আন্দোলনৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰা দেখা যায়। সামাজিক সমতা স্থাপনৰ কাৰণে গ্ৰহণ কৰা এনে ধৰণৰ প্ৰচেষ্টাসমূহৰ জৰিয়তে বৰ্তমান কালত মানৱ অধিকাৰ এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছে।

বৰ্তমান সময়ত স্থান বিশেষে মানুহৰ অধিকাৰ খৰ্বৰ হিংসাত্মক কাৰ্য সংঘটিত হোৱা দেখা যায়। বহুতো সংখ্যালঘু সম্প্ৰদায়ৰ ব্যক্তি, মহিলা, শিশু, শাৰীৰিক প্ৰতিবন্ধী ব্যক্তি আদি হিংসা-সন্ত্ৰাস, শোষণৰ বলি হয়। এনে ঘটনাৰ

পৰা ব্যক্তিক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে মানৱ অধিকাৰ আইনৰ বিশেষ প্ৰয়োজন হয়। মানৱ অধিকাৰ সম্পৰ্কে সমাজত এনেবোৰ কাৰণতে সচেতনতা বাঢ়িছে। মানৱ অধিকাৰৰ ধাৰণাই মানুহক আত্ম-উপলব্ধিৰ জৰিয়তে নিজৰ অধিকাৰ সম্পৰ্কে সচেতন কৰি তোলে।

**আত্মমূল্যায়ন (ক)**

(১) তলৰ প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা।

(ক) মানৱ অধিকাৰে নিজৰ প্ৰাপ্য দাবী পূৰণ কৰাক বুজায় / নিজৰ অধিকাৰৰ লগতে অন্যৰ অধিকাৰ সুনিশ্চিত কৰাক বুজায় / কেৱল অন্য ব্যক্তিৰ কাৰণে ত্যাগ স্বীকাৰ কৰাক বুজায়।

..............................................................................................

..............................................................................................

(খ) মানৱ অধিকাৰ এক ৰাজনৈতিক / অৰ্থনৈতিক / সামাজিক ধাৰণা।

..............................................................................................

(২) মানৱ অধিকাৰ সম্পৰ্কত যিকোনো এটা সংজ্ঞা লিখা।

..............................................................................................

..............................................................................................

..............................................................................................

## ২.৩ মানৱ অধিকাৰ শিক্ষা (Human Rights Education)ঃ

মানৱ অধিকাৰৰ ইতিহাস, তত্ত্ব, আইনগত ব্যৱস্থা, বিকাশ, তাৎপৰ্য আদি সম্পৰ্কে জ্ঞান বিতৰণ কৰা প্ৰক্ৰিয়াকে মানৱ অধিকাৰ শিক্ষা বুলি ক'ব পাৰি। মানৱ অধিকাৰ শিক্ষা এক অবিৰত প্ৰক্ৰিয়া। বিদ্যালয়ৰ পাঠ্যক্ৰমত মানৱ অধিকাৰ শিক্ষাৰ অন্তৰ্ভুক্ত কৰা আৱশ্যক। বৰ্তমান পাঠ্যক্ৰমত মূল্যবোধৰ

শিক্ষা আৰু শান্তি শিক্ষাত গুৰুত্ব দিয়া হয়। মানৱ অধিকাৰ শিক্ষাই মানুহক ভাৰতীয় সংবিধানে প্ৰদান কৰা ন্যায়িক ব্যৱস্থাৰ জ্ঞান প্ৰদান কৰে। প্ৰতিজন ব্যক্তিৰ মাজত সমভাৱ আনে আৰু ব্যক্তিত্ব সৰলীকৰণত সহায় কৰে। ফলস্বৰূপে, সমাজত জীৱন নিৰ্বাহৰ মানদণ্ড উন্নত হয়। এখন সুস্থ সমাজৰ দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠাত মানৱ অধিকাৰ শিক্ষাৰ অতি প্ৰয়োজন। মানুহৰ মনত মূল্যবোধ সম্পৰ্কে স্পষ্টতা আনিবলৈ মানৱ অধিকাৰৰ তত্বসমূহ জনা উচিত। ইয়াৰ জ্ঞানে মানুহৰ ব্যৱহাৰ আৰু মনোভাৱৰ পৰিৱৰ্তন সাধন কৰে।

মানৱ অধিকাৰ শিক্ষা এক সামগ্ৰিক বিষয়। এই শিক্ষাই জীৱনৰ প্ৰতিটো স্তৰ স্পৰ্শ কৰে। ইয়াক এক জীৱন-জোৰা প্ৰক্ৰিয়া বুলিও ক'ব পাৰি। সামগ্ৰিক দিশৰ পৰা মানৱ অধিকাৰ শিক্ষাই ইয়াৰ পৰিসৰৰ ভিতৰত পাঠ্যক্ৰমৰ বিষয়বস্তু, শৈক্ষিক প্ৰক্ৰিয়া, শিক্ষাদান পদ্ধতি (Pedagogical methods) আৰু বিদ্যালয়ৰ পৰিচালনাক সাঙুৰি শৈক্ষিক পৰিৱেশক সামৰি লয়। মানৱ অধিকাৰ সুৰক্ষাৰ দৈনন্দিন অভ্যাসে জনসাধাৰণক তেওঁলোকৰ সম্প্ৰদায় আৰু সমাজত গঠনমূলক অংশগ্ৰহণত অৰিহণা যোগায়। অৰ্থাৎ নিজা ঘৰ, বিদ্যালয়, সমাজ আৰু অন্যান্য অনুষ্ঠানতো ব্যক্তিয়ে মানৱ অধিকাৰসমূহ মানি চলিবলৈ যত্ন কৰিব লাগে।

মানৱ অধিকাৰ সম্পৰ্কে বিভিন্ন শৈক্ষিক কাৰ্যসূচীৰ জৰিয়তে সজাগতা সৃষ্টি কৰি বাস্তৱত কাৰ্যকৰী কৰিব পৰা শৈক্ষিক প্ৰক্ৰিয়াকে মানৱ অধিকাৰ শিক্ষা বুলি ক'ব পাৰি, ই সামাজিক পৰিৱৰ্তনত অৰিহণা যোগোৱা কৌশলসমূহ আয়ত্ব কৰাত সহায় কৰে।

গতিকে আমি ক'ব পাৰো যে সামাজিক সংহতি গঢ়ি তোলাত মানৱীয় মূল্যবোধ সম্পৰ্কে যি শিক্ষা ব্যৱস্থাই ব্যক্তিক সচেতন কৰি তোলে, তাকে মানৱ অধিকাৰ শিক্ষা বুলি কোৱা হয়। এই দফাটোত তোমালোকক মানৱ অধিকাৰ সম্পৰ্কে সম্যক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। পিছলৈ মানৱ অধিকাৰ শিক্ষাৰ সংজ্ঞাসহ ব্যাখ্যা পঢ়িবলৈ পাবা।

### ২.৩.১ মানৱ অধিকাৰ শিক্ষাৰ পটভূমি ( Background )ঃ

মানুহৰ নিৰ্যাতনৰ বিৰুদ্ধে ন্যায় ভিক্ষাৰ অলেখ কাহিনী অতীতৰ

লিখনিত পোৱা যায়। ভাৰতীয় সংস্কৃতিৰ আধাৰ স্বৰূপ মহাকাব্যসমূহত মানুহৰ প্ৰাপ্য অধিকাৰ, লুণ্ঠন আৰু তাৰ বিৰুদ্ধে যুদ্ধ-বিগ্ৰহৰ বিৰৰণ লিপিবদ্ধ হৈ আছে। মানৱ অধিকাৰৰ কাৰণে বিভিন্ন সংগ্ৰাম চলি আহিছে।

বিংশ শতাব্দীত প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পিছতে মানৱ অধিকাৰৰ ধাৰণাই গুৰুত্বতা লাভ কৰে। বিশ্ব যুদ্ধৰ হত্যা-সন্ত্ৰাসৰ বিৰুদ্ধে শান্তিকামী ৰাষ্ট্ৰই ঐক্যবদ্ধ হৈ ৰাষ্ট্ৰসংঘৰ দৰে এখন মঞ্চৰ গঢ় দিয়ে। ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰত মানৱ অধিকাৰ সম্পৰ্কে উল্লেখ কৰা হয়। ৰাষ্ট্ৰসংঘৰ সকলো সদস্য ৰাষ্ট্ৰই এই অধিকাৰসমূহক সমৰ্থন কৰাৰ উপৰিও নিজ দেশৰ সংবিধান আৰু আইন ব্যৱস্থাৰ জৰিয়তে মানৱ অধিকাৰৰ ব্যৱস্থা কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ, অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ দৰে অংগ-অনুষ্ঠানেও মানৱ অধিকাৰ সম্পৰ্কে শিক্ষা বিস্তাৰত গুৰুত্ব দিয়ে। ১৯৪৫ চনত স্বাক্ষৰিত হোৱা ৰাষ্ট্ৰসংঘৰ চনদত মানৱ অধিকাৰ উল্লেখ আছে। সেইদৰে ১৯৪৮ চনত স্বাক্ষৰিত ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰৰ (Universal declaration of Human Rights) বিভিন্ন অনুচ্ছেদত মানুহৰ অধিকাৰৰ বিশদ উল্লেখ কৰা হৈছে।

মানৱ অধিকাৰ সম্পৰ্কে ৰাষ্ট্ৰসংঘৰ সকলো সদস্য ৰাষ্ট্ৰৰ উমৈহতীয়া সমৰ্থন আছে। সেয়ে প্ৰত্যেকখন দেশে নিজা নাগৰিকৰ মানৱ অধিকাৰ সুৰক্ষাৰ কাৰণে সাংবিধানিক আৰু ন্যায়িক প্ৰতিকাৰৰ ব্যৱস্থা কৰিছে। ভাৰতীয় সংবিধানেও নাগৰিকক মৌলিক অধিকাৰৰ সুবিধা প্ৰদান কৰিছে।

স্বাধীনতাৰ পাছত ভাৰতৰ সৈতে সীমাকাষৰীয়া ৰাষ্ট্ৰসমূহৰ যুদ্ধ হৈছে। তদুপৰি ৰাজনৈতিক বিবাদ, সন্ত্ৰাসবাদ, লুট-পাত, ডকাইতি, হিংসাত্মক কাৰ্য, গৃহ কন্দল, সাম্প্ৰদায়িক সংঘৰ্ষ, গোষ্ঠীগত মনোমালিন্য, আঞ্চলিকতাবাদ আদিৰ দৰে এশ এবুৰি সমস্যাই ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যক সময়ে সময়ে প্ৰভাৱিত কৰি আহিছে। মানুহৰ নিৰাপত্তা আৰু স্বাধীনতাত ব্যাঘাত জন্মাৰ লগতে সামাজিক শান্তি ব্যাহত হৈছে। তেনে পৰিপ্ৰেক্ষিতাত নিজৰ লগতে আনেও অধিকাৰসমূহ উপভোগ কৰিবলৈ এখন সুস্থ সমাজ গঢ়ি তোলাটো প্ৰয়োজন হৈ পৰে। মানৱ অধিকাৰ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান, জ্ঞানৰ বিস্তাৰ আৰু তথ্য বিতৰণ কৰাত শিক্ষাই শক্তিশালী মাধ্যম হ'ব পাৰে। সেয়ে আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ প্ৰত্যেক স্তৰত মানৱ অধিকাৰ শিক্ষাৰ জ্ঞান

প্ৰদানৰ গুৰুত্ব বৃদ্ধি পাইছে। সেইদৰে, অনানুষ্ঠানিক শিক্ষা, অবিৰত শিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষাতো মানৱ অধিকাৰৰ জ্ঞান আৰু কৌশলৰ শিক্ষাদানৰ কাৰ্যসূচী লোৱা হয়।

বৰ্তমান বিশ্ববিদ্যালয় অনুদান আয়োগে মানৱ অধিকাৰ আৰু মানৱীয় মূল্যবোধৰ বিকাশৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মানৱ অধিকাৰ শিক্ষাই শেহতীয়াকৈ অধিক গুৰুত্ব লাভ কৰিছে।

### ২.৩.২ মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা ঃ

সাম্প্ৰতিক কালত মানৱ অধিকাৰ সম্পৰ্কে নাগৰিক সমাজৰ মাজত যথেষ্ট সচেতনতা বৃদ্ধি পাইছে। ইয়াৰ অন্তৰালত শিক্ষাৰ প্ৰধান অৰিহণা আছে। মানৱ অধিকাৰে প্ৰত্যেককে আত্মসত্বা উপলব্ধি কৰাৰ সুবিধা প্ৰদান কৰে। মানৱ অধিকাৰৰ বিষয়ে শিক্ষাৰ আৱশ্যকতা আলোচনা কৰা হ'ল -

**(ক) গণতান্ত্ৰিক সমাজ ব্যৱস্থা গঠন** -- ভাৰতবৰ্ষৰ প্ৰত্যেকজন ব্যক্তিয়ে সামাজিক আৰু অৰ্থনৈতিক ন্যায়, সমতা, স্বাধীনতা পাবৰ কাৰণে নিজস্ব অধিকাৰ সম্পৰ্কে জ্ঞাত হোৱা প্ৰয়োজন। প্ৰতিজন প্ৰাপ্তবয়স্ক ব্যক্তিয়ে ভোটাধিকাৰৰ গুৰুত্ব বুজি পোৱা উচিত। দেশত গণতান্ত্ৰিক আদৰ্শ আৰু ভাবধাৰা জীয়াই ৰাখিবলৈ নিজৰ অধিকাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে জ্ঞান দিব লাগে।

**(খ) সামাজিক বৈষম্য দূৰীকৰণ** -- সমাজত জাতি, উপজাতি, ধৰ্ম, বৰ্ণ, বৰণ, ভাষা, সংস্কৃতিৰ ক্ষেত্ৰত পাৰ্থক্য থাকিব পাৰে। কেতিয়াবা কোনো সমাজত পুৰুষ আৰু মহিলাৰ মাজত সামাজিক মৰ্যাদাৰ ক্ষেত্ৰত পাৰ্থক্য থাকিব পাৰে। সেইদৰে, কেতিয়াবা শাসক আৰু শোষিত দুই শ্ৰেণীৰ সৃষ্টি হয়। ধনী আৰু দুখীয়াৰ মাজত সংঘাত হয়। শ্ৰেণীৰ ভিত্তিত সামাজিক স্তৰীকৰণৰ দৰে সমস্যাইও কেতিয়াবা গা কৰি উঠে। শিক্ষাৰ জৰিয়তে এখন দেশৰ নাগৰিকসকলৰ মাজত মানৱ অধিকাৰৰ সুবিধাসমূহ বিস্তাৰ কৰিব পাৰিলেহে এনে বৈষম্য বা পাৰ্থক্যসমূহ সমাজৰ পৰা দূৰ হ'ব বুলি আশা কৰিব পাৰি।

**(গ) মানসিক মুক্তি প্ৰাপ্তি** -- মানুহৰ মন আৰু আত্মাৰ মুক্ত প্ৰকাশত বাধা

পালে সুখত জীৱন-নির্বাহ কৰিব নোৱাৰে। চাৰিওফালে হিংসা, সন্ত্রাসৰ পৰিৱেশ বিৰাজ কৰিলে দুঃশ্চিন্তা, ভয়, নিৰাপত্তাহীনতাৰ ভাববোৰ আহি থাকে। একো বিষয়তে একাণপটীয়াকৈ মন বহুৱাব নোৱাৰি। সেয়ে এখন শান্তিপূর্ণ সমাজ ব্যৱস্থাৰ প্রয়োজন। তেনে পৰিৱেশতহে দেশৰ প্রগতি সম্ভৱ। মানৱ অধিকাৰৰ শিক্ষা প্রদানৰ জৰিয়তে দমন, অত্যাচাৰ, শোষণ, শাৰীৰিক-মানসিক অপব্যৱহাৰ, আৱেগিক দুখবোধ সম্পর্কে মানুহক সজাগ ঐক্যবদ্ধ হোৱাৰ সুযোগ পায় আৰু শান্তিপূর্ণ সমাজত মুক্ত মনেৰে ভয়হীনভাৱে জীয়াই থাকিব পাৰে।

**(ঘ) মানুহৰ ব্যৱহাৰৰ পৰিৱৰ্তন সাধন** -- শিক্ষার্থীসকলক মানৱ অধিকাৰ সম্বন্ধে জ্ঞান প্রদানৰ জৰিয়তে বেয়া ব্যৱহাৰসমূহ সংশোধন কৰিব পাৰি। সাংবিধানিক অধিকাৰ আৰু আইনী ব্যৱস্থাৰ বিষয়ে সকলো ব্যক্তিয়ে জনা উচিত। ফলত, বিপদগ্রস্ত হোৱাসকলে আইনৰ সহায় লোৱাৰ উপৰিও যথোপযুক্ত ব্যৱস্থা গ্রহণ কৰিব পাৰে। মানৱ অধিকাৰৰ জ্ঞানে মানুহৰ অসামাজিক ব্যৱহাৰ প্রতিৰোধ কৰাত সহায় কৰিব পাৰে। কিশোৰ অপৰাধীৰ সংখ্যা হ্রাস কৰাতো ই সহায় কৰে। মানৱ অধিকাৰ শিক্ষাই মানুহৰ ব্যৱহাৰ নিয়ন্ত্রণ আৰু সংশোধন কৰে।

**(ঙ) উচ্চ মানসিকতা গঠন** -- মানৱ অধিকাৰে আনৰ অধিকাৰকো সন্মান আৰু শ্রদ্ধা কৰিবলৈ শিকায়। নিজৰ সন্মানক বুজি পোৱাৰ লগতে আনৰ অধিকাৰৰ প্রতি শ্রদ্ধা প্রদর্শন কৰাই ভাল মনোভাৱৰ পৰিচয় বহন কৰে। আনক অসন্মান কৰা ব্যক্তিক নিশ্চয় তোমালোকৰ বেয়া লাগে। গতিকে, মানৱ অধিকাৰৰ শিক্ষাই উচ্চ মন গঢ়ি তোলে।

**(চ) আন্তঃৰাষ্ট্রীয় ভ্রাতৃত্ববোধ সৃষ্টি** -- মানৱ অধিকাৰ সুৰক্ষাৰ জৰিয়তে বিশ্বত মৈত্রী আৰু একতাৰ ভাৱ সৃষ্টি কৰিব পাৰি। আন্তঃৰাষ্ট্রীয় ভ্রাতৃত্ববোধ গঢ়ি তোলাত পাৰস্পৰিক সন্মান প্রদর্শনে সহায় কৰে। মানৱ অধিকাৰ শিক্ষাই মানুহৰ জীৱন নির্বাহৰ মানদণ্ড উন্নত কৰে। মানৱ অধিকাৰসমূহ উলংঘন বা অৱমাননা যাতে নহয় তাৰ প্রতি সকলোৱে চকু ৰাখিব লাগে। যুদ্ধ, পৰৰাষ্ট্র আক্রমণ, গৃহযুদ্ধ, ক্ষমতাৰ

অপব্যৱহাৰ আদি ৰোধ কৰি সম্প্ৰীতিৰ এনাজৰী গঢ়ি তোলাত মানৱ অধিকাৰৰ ভূমিকাক গুৰুত্ব দিয়া উচিত।

**(ছ) শিক্ষা লাভৰ অধিকাৰ** -- মানৱ অধিকাৰে মৌলিক প্ৰয়োজন আৰু স্বাধীনতাসমূহ সুৰক্ষিত কৰাৰ লগতে পৃথিৱীৰ প্ৰতিজন বাসিন্দাই যাতে শিক্ষা লাভৰ সুযোগ লাভ কৰে তাৰ ওপৰত গুৰুত্ব দিয়ে। শিক্ষাই ব্যক্তিত্ব বিকশাই তোলে আৰু যিকোনো বিষয়ত জ্ঞান বৃদ্ধি কৰে। পৃথিৱীত সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰাও বৰ্তমান অতি প্ৰয়োজনীয়। শিক্ষাই ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰে, আৰ্থিক উৎপাদনত সহায় কৰে আৰু সমাজত শান্তিপূৰ্ণ শৃংখলাবদ্ধ জীৱন-যাপন সম্ভৱপৰ কৰি তোলে।

উপৰোক্ত আলোচনাৰ পৰা তোমালোকে নিশ্চয় উপলব্ধি কৰিব পাৰিছা যে নিজৰ অধিকাৰ সম্বন্ধে প্ৰত্যেকেই সজাগ হোৱা উচিত। সেয়া সম্ভৱ কৰি তুলিব পাৰি কেৱল জ্ঞান বিতৰণৰ যোগেদিহে। বিভিন্ন বেচৰকাৰী সংস্থাই মানৱ অধিকাৰৰ সজাগতা বৃদ্ধিৰ কাৰণে মানুহক গাঁৱে-ভূঞে প্ৰচাৰ অভিযান চলাব পাৰে। বৰ্তমান সময়ত সেয়ে মানৱ অধিকাৰ শিক্ষাৰ আৱশ্যকতা অতি প্ৰয়োজনীয়।

**আত্মমূল্যায়ন (খ)**

(১) মানৱ অধিকাৰ শিক্ষাই কোন শতিকাত বিশেষ গুৰুত্ব লাভ কৰে?

..........................................................................................

(২) মানৱ অধিকাৰ শিক্ষাই আন্তঃৰাষ্ট্ৰীয় স্তৰত সাম্য, মৈত্ৰীৰ ভাৱ আনিব পাৰেনে?

..........................................................................................

(৩) মানৱ অধিকাৰ শিক্ষাৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

..........................................................................................

## ২.৪ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শিক্ষালৈ অৱদান

**( Contribution of United Nations organisation to Human Rights Education)ঃ**

১৯৪৫ চনৰ ২৪ অক্টোবৰত আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ কাৰণে পৃথিৱীৰ ৫১ খন দেশৰ সমৰ্থনত ৰাষ্ট্ৰসংঘই জন্ম লাভ কৰে। বৰ্তমান (২০১২) ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ১৯৩ খন। ৰাষ্ট্ৰসংঘৰ মুখ্য উদ্দেশ্যৰাজিৰ ভিতৰত মৌলিক মানৱ অধিকাৰ সুনিশ্চিত কৰা উল্লেখযোগ্য। ৰাষ্ট্ৰসংঘই মানুহৰ মহত্ব আৰু উপযোগিতা অনুসৰি পুৰুষ আৰু মহিলাক সমান অধিকাৰ প্ৰদান আৰু ডাঙৰ-সৰু ৰাষ্ট্ৰক সমান অধিকাৰ দিয়াত গুৰুত্ব দিছিল। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ ১৯৪৮ চনৰ ১০ ডিচেম্বৰত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ জাৰি কৰা হৈছিল। এই ঘোষণাপত্ৰখন ৰাষ্ট্ৰসংঘৰ সকলো সদস্যই সমৰ্থন কৰিছে। ১৯৫০ চনত সাধাৰণ পৰিষদত সকলো সদস্য ৰাষ্ট্ৰৰ সন্মতি সাপেক্ষে ১০ ডিচেম্বৰ দিনটো মানৱ অধিকাৰ দিৱস হিচাপে পালনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তেতিয়াৰে পৰা প্ৰত্যেক বছৰে পৃথিৱীত বিভিন্ন দিশত ১০ ডিচেম্বৰত মানৱ অধিকাৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰ সুনিশ্চিত কৰিবৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ১৯৯৫ চনৰ পৰা ২০০৫ চনলৈকে এটা দশকক ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শিক্ষা দশক হিচাপে ঘোষণা কৰা হৈছিল। মানৱ অধিকাৰ শিক্ষাৰ কাৰণে ২০০৫ চনৰ পৰা ২০০৯ চনলৈকে প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল।

সাৰ্বজনীন মানৱাধিকাৰ ঘোষণাপত্ৰত ৩০টা অনুচ্ছেদ আছে। এই ঘোষণাপত্ৰৰ প্ৰথম অনুচ্ছেদত উল্লেখ কৰা হৈছে যে সকলো মানুহেই মহত্ত্ব আৰু অধিকাৰৰ ক্ষেত্ৰত মুক্ত আৰু সমতাৰে জন্মগ্ৰহণ কৰে। প্ৰত্যেক ব্যক্তিৰ যুক্তি আৰু বিবেক থাকে আৰু ইজনে আনজনক ভ্ৰাতৃত্ববোধৰ উদ্যমেৰে ক্ৰিয়া কৰা উচিত। ঘোষণাপত্ৰই প্ৰতিজন ব্যক্তিৰ জীৱন, মুক্তি আৰু নিৰাপত্তাৰ অধিকাৰৰ উল্লেখ কৰিছে। আইনৰ ওচৰত প্ৰতিজন ব্যক্তিৰ স্বীকৃতি অধিকাৰ সুনিশ্চিত কৰিছে। সাৰ্বজনীন ঘোষণাপত্ৰত মানুহৰ ৰাজনৈতিক, অসামৰিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ উল্লেখ আছে।

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ (Universal

Declaration of Human Rights) ২৬ নং অনুচ্ছেদত প্ৰত্যেক ব্যক্তিক শিক্ষাৰ অধিকাৰ প্ৰদানৰ উল্লেখ কৰা হৈছে। প্ৰাথমিক স্তৰত শিক্ষা বাধ্যতামূলক কৰা আৰু পিতৃ-মাতৃক সন্তানৰ শিক্ষাৰ ব্যৱস্থা কৰা অধিকাৰৰ উল্লেখ কৰিছে। ঘোষণাপত্ৰৰ মতে মানৱ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশৰ কাৰণে আৰু মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা শক্তিশালী কৰাৰ কাৰণে শিক্ষাৰ ব্যৱস্থা কৰা উচিত। শিক্ষাই সকলো মানুহৰ জাতি, বৰ্ণ বা ধৰ্ম নিৰ্বিশেষে বুজাবুজি, সহিষ্ণুতা আৰু বন্ধুত্বৰ ভাব জন্মায়।

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ভিত্তিত কেইখনমান চুক্তি সম্পাদিত হয়। এই চুক্তিসমূহ হৈছে ঃ আন্তৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তি (International Covenant or Civil and Political rights), অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহৰ আন্তঃৰাষ্ট্ৰীয় চুক্তি (International Covenant on Economic, Social and Cultural Rights) আৰু দুখন ঐচ্ছিক চুক্তি (Optional Protocols) এই চুক্তিসমূহ সংঘবদ্ধ ৰূপত আন্তঃৰাষ্ট্ৰীয় অধিকাৰ আইন (International Bill on Rights) হিচাপে জনা যায়।

মানৱ অধিকাৰ সম্পৰ্কে ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰখন স্পষ্ট আৰু নৈতিকবোধ সম্পন্ন দলিল বুলি ক'ব পৰা যায়। ইয়াৰ দফাসমূহত উল্লেখিত বিভিন্ন অধিকাৰসমূহ প্ৰায়োগিক ক্ষেত্ৰত প্ৰযোজ্য আৰু সহজে বোধগম্য।

ৰাষ্ট্ৰসংঘৰ অন্তৰ্গত শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাই (UNESCO) মানৱ অধিকাৰ শিক্ষাৰ কাৰণে প্ৰচেষ্টা হাতত লয়। সংস্থাই আন্তঃৰাষ্ট্ৰীয় বুজাবুজি, সহযোগিতা, শান্তি প্ৰতিষ্ঠা আৰু শিক্ষাত গুৰুত্ব প্ৰদান কৰে। সংস্কৃতি, মূল্যবোধ আৰু জীৱনবোধ সম্পৰ্কে বিভিন্ন বিকাশমূলক কাৰ্যসূচী গ্ৰহণ কৰে। ইউনেস্ক'ই আন্তঃৰাষ্ট্ৰীয় বুজাবুজি, সহযোগিতা আৰু শান্তিৰ কাৰণে শিক্ষাৰ সকলো পৰ্যায়ত আৰু প্ৰকাৰত এক আন্তঃৰাষ্ট্ৰীয় পৰিমাণ আৰু গোলকীয় দৃষ্টিপাতত গুৰুত্ব দিছিল। সকলো মানুহক তেওঁলোকৰ সংস্কৃতি, সভ্যতা, মূল্যবোধ আৰু জীৱন ধাৰণাৰ মান নিৰ্বিশেষে বুজাবুজি আৰু সন্মান প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত এই সংস্থাই পৰামৰ্শ দান কৰিছিল। সংস্থাই পৰামৰ্শ আগবঢ়াইছিল যে সকলো মানুহ আৰু ৰাষ্ট্ৰৰ মাজত আন্তঃনিৰ্ভৰশীলতা

বৃদ্ধিৰ সম্পৰ্কে সজাগতা সৃষ্টি কৰা উচিত।

**২.৪.১ মানৱ অধিকাৰ উচ্চ আয়ুক্ত**

**(Office of the High Commissionar for Human Rights) ঃ**

মানৱ অধিকাৰ উচ্চ আয়ুক্ত হৈছে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ ব্যৱস্থা কৰা প্ৰধান কাৰ্যালয়। ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰ সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শৱলীৰ কাৰ্যকৰীকৰণৰ কাৰণে এই আয়োগে মানৱীয়তাৰ সাৰ্বজনীন আদৰ্শ প্ৰতিফলিত কৰে। ১৯৯৩ চনৰ ২০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে এই আয়ুক্ত গঠন কৰে। আয়োগৰ কাৰ্যকাল চাৰিবছৰীয়া। মানৱ অধিকাৰ উচ্চ আয়ুক্তই মানুহৰ সকলো অধিকাৰ সুৰক্ষাৰ কাৰণে কাম কৰে। আয়ুক্তই সাৰ্বজনীন ঘোষণাপত্ৰৰ বাস্তৱ ৰূপায়ণত গুৰুত্ব দিয়ে।

মানৱ অধিকাৰ আয়ুক্তৰ মূল কাৰ্যাৱলী হৈছে -

(ক) ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ চনদ আৰু চুক্তিসমূহৰ সুনিয়ন্ত্ৰণ কৰা।

(খ) মানৱ অধিকাৰ কেন্দ্ৰৰ যোগেদি পৰামৰ্শ প্ৰদান কৰা আৰু আৰ্থিক সহায় আগবঢ়োৱা ।

(গ) সকলো সদস্য ৰাষ্ট্ৰৰ সৈতে সমন্বয় সাধনৰ যোগেদি মানৱ অধিকাৰ সম্পৰ্কে বিশ্বাস সৃষ্টি কৰা।

(ঘ) মানৱ অধিকাৰ উলংঘনৰ ঘটনা প্ৰবাহ পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা দূৰ কৰা।

গতিকে, ইয়াৰ পৰা তোমালোকে বুজিব পাৰিছা যে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ উচ্চ আয়ুক্তই অধিকাৰ সুৰক্ষাৰ কাৰণে প্ৰধান ভূমিকা পালন কৰে।

**২.৪.২ মানৱ অধিকাৰ সম্পৰ্কত বিশ্বসন্মিলনৰ ভূমিকা ঃ**

মানৱ অধিকাৰ সন্দৰ্ভত কেইবাখনো বিশ্বসন্মিলন হৈছে। এই সন্মিলনসমূহৰ জৰিয়তে বিশ্বত মানৱ অধিকাৰ সুৰক্ষাত গুৰুত্ব দিয়া হৈছে। বিশেষকৈ, টেহৰান সন্মিলন, ভিয়েনা সন্মিলন, ইউনেস্কৰ পৰামৰ্শ আদি উল্লেখযোগ্য পদক্ষেপ মানৱ অধিকাৰৰ কাৰণে প্ৰচেষ্টা হাতত লৈছিল। তোমালোকে তলত উল্লেখ কৰা ভিয়েনা বিশ্ব সন্মিলনৰ বিষয়ে পঢ়াচোন। ১৯৯৩ চনত ১৪ ৰ

পৰা ২৫ জুনলৈকে অষ্ট্ৰিয়া দেশৰ ভিয়েনাত "ভিয়েনা ঘোষণা আৰু কৰ্ম আঁচনি" (Vienna Deelaration and Programme of Action) শীৰ্ষক মানৱ অধিকাৰ সংক্ৰান্তীয় বিশ্ব সন্মিলন হৈছিল। এই ঘোষণাপত্ৰত ১০০ দফা উল্লেখ কৰা হৈছিল। ১৭১ খন দেশৰ ৭০০০ অংশগ্ৰহণকাৰীয়ে আৰু ৮০০বেচৰকাৰী সংস্থাৰ সদস্যই এই সন্মিলনত অংশগ্ৰহণ কৰিছিল। ঘোষণাপত্ৰত উল্লেখ কৰা হৈছিল যে, মানৱ অধিকাৰ শিক্ষাই মানৱ অধিকাৰৰ প্ৰতি সমৰ্পিত ভাৱ শক্তিশালীকৰণৰ উদ্দেশ্যেৰে উমৈহতীয়া বুজাবুজি আৰু সজাগতাত উপনীত হ'বলৈ শান্তি, গণতন্ত্ৰ, বিকাশ আৰু সামাজিক ন্যায়ক অন্তৰ্ভুক্ত কৰা উচিত। (Human Rights education should include peace, democracy, development and social justice in order to achieve common understanding and awareness with a view strengthening commitment to human rights) এই ঘোষণাপত্ৰৰ ৭৮ নং অনুচ্ছেদৰ পৰা ৮১ নং অনুচ্ছেদলৈকে মানৱ অধিকাৰ শিক্ষাৰ বিষয়ে উল্লেখ আছে।

**৭৮ নং অনুচ্ছেদ ঃ** পাৰস্পৰিক বুজাবুজি, সহনশীলতা আৰু শান্তি ৰক্ষাৰ কাৰণে সম্প্ৰদায়সমূহৰ মাজত সুস্থিৰ আৰু সৰ্বাংগীন সম্পৰ্কৰ উন্নয়ন আৰু সফলতা আনিবলৈ মানৱ অধিকাৰ শিক্ষা, প্ৰশিক্ষণ আৰু ৰাজহুৱা তথ্যক মানৱ অধিকাৰ বিশ্ব সন্মিলনে প্ৰয়োজনীয় বিবেচনা কৰে। (The World Conference of Human Rights Considers human Rights education, training and public information essential for the promotion and achievement of stable and harmonious relations among communities for mutual underestanding, tolerance and peace).

**৭৯ নং অনুচ্ছেদ ঃ** সদস্য ৰাষ্ট্ৰসমূহে নিৰক্ষৰতা দূৰ কৰিবলৈ প্ৰচেষ্টা কৰা উচিত আৰু মানৱ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশ আৰু মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ শক্তিশালীকৰণৰ কাৰণে শিক্ষাব্যৱস্থা নিৰ্দেশিত হোৱা উচিত। মানৱ অধিকাৰৰ বিশ্ব সন্মিলনে সকলো সদস্য ৰাষ্ট্ৰ আৰু অনুষ্ঠানসমূহক আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সকলো শিক্ষণ অনুষ্ঠানত

মানৱ অধিকাৰ, মানবীয় আইন, গণতন্ত্ৰ আৰু ন্যায়ৰ নিয়ম কানুন পাঠ্যক্ৰমৰ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনাইছিল। ( States should strive to eradicate illiteracy and should direct education towards the fall development of the human personality and to the strengthening of respect for human rights and fundamental freedoms. The world conference on Human Rights call on all states and institutions to include human rights, humanitarian law, democracy and rule of law as subjects in the curricula of all learning institutions in formal and non-formal setting )

**৮০ (৪০) নং দফা ঃ** মানৱ অধিকাৰ শিক্ষাই শান্তি, গণতন্ত্ৰ বিকাশ আৰু সামাজিক ন্যায়ক অন্তৰ্ভুক্ত কৰা উচিত, যাতে মানৱ অধিকাৰৰ কাৰণে সাৰ্বজনীন সমৰ্পণ শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে উমৈহতীয়া বুজাবুজি আৰু সজাগতাত উপনীত হ'বলৈ আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক মানৱ অধিকাৰ ন্যায়িক দলিলত দেখুওৱাৰ দৰে হয়। (Human Rights Education should include peace, democracy development and social justice, as set forth in international and regional human rights instruments, in order to achieve common under standing and awareness with a view to strengthening universal commitment to human rights).

**৮১ নং দফা ঃ** ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংগঠন (UNESCO) আৰু অন্যান্য মানৱ অধিকাৰ সম্পৰ্কীয় ন্যায়িক দলিলৰ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু গণতন্ত্ৰৰ কাৰণে শিক্ষাবিষয়ক কংগ্ৰেছ (International Congress on Education for Human Rights and Democracy) য়ে ১৯৯৩ চনত মাৰ্চ মাহত উত্থাপন কৰা মানৱ অধিকাৰ আৰু গণতন্ত্ৰৰ কাৰণে শিক্ষা বিষয়ক বিশ্ব কৰ্ম আঁচনিক (World Plan of action) ভিত্তি কৰি, মানৱ অধিকাৰৰ বিশ্ব সন্মিলনে পৰামৰ্শ আগবঢ়াইছিল যে, সদস্য ৰাষ্ট্ৰসমূহে মানৱ অধিকাৰ শিক্ষাৰ বহল পৰিসৰ

আৰু ৰাজহুৱা তথ্যৰ বিস্তাৰ নিশ্চিত কৰিবলৈ, বিশেষকৈ মহিলাসকলৰ মানৱ অধিকাৰৰ প্ৰয়োজনীয়তাক গুৰুত্ব দি বিশেষ কাৰ্যসূচী আৰু কৌশল বিকাশ সাধন কৰা উচিত।

উপৰোক্ত চাৰিটা দফা পঢ়াৰ পাছত তোমালোকে মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে নিশ্চয়কৈ স্পষ্টকৈ জানিব পাৰিছা।

**আত্মমূল্যায়ন (গ)**

(১) ৰাষ্ট্ৰসংঘ কেতিয়া গঠন কৰা হৈছিল?

.................................................................................................

(২) মানৱ অধিকাৰ উচ্চ আয়ুক্ত কেতিয়া গঠন কৰা হৈছিল?

.................................................................................................

(৩) ভিয়েনা বিশ্ব সন্মিলনৰ ঘোষণাপত্ৰৰ কেইটা অনুচ্ছেদত মানৱ অধিকাৰ শিক্ষা সংক্ৰান্তীয় ঘোষণা উল্লেখ কৰা হৈছিল?

.................................................................................................

(৪) মানৱ অধিকাৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ গুৰুত্ব কি?

.................................................................................................

.................................................................................................

## ২.৫ ভাৰতীয় সংবিধানত মানৱ অধিকাৰ (Human Rights in Indian Constitution) ঃ

ভাৰতবৰ্ষৰ স্বাধীনতাৰ পাছত ১৯৪৯ চনৰ ২৬ নবেম্বৰত ভাৰতীয় সংবিধান গ্ৰহণ কৰা হয়। সংবিধানৰ প্ৰস্তাৱনাত ন্যায়, মুক্তি, সমতা আৰু ভ্ৰাতৃত্বৰ উল্লেখ কৰা হৈছে। প্ৰস্তাৱনাত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় প্ৰদানৰ সংকল্প লোৱা হৈছে। মানুহৰ চিন্তা, প্ৰকাশ, বিশ্বাস, ধাৰণা আৰু প্ৰাৰ্থনাৰ মুক্তিৰ উল্লেখ কৰা হৈছে। সেইদৰে সকলোৰে মাজত সুবিধা প্ৰদানৰ

সমতাৰ বিষয়ে আৰু ব্যক্তিৰ মহত্ব আৰু জাতিৰ সমন্বয়ত ভ্ৰাতৃত্ববোধ গঢ়ি তুলিবলৈ প্ৰতিজ্ঞাবদ্ধ হোৱাৰ উল্লেখ হৈছে। সংবিধানৰ প্ৰস্তাৱনাৰ সংকল্পসমূহে মানৱ অধিকাৰ সুৰক্ষাৰ ইংগিত বহন কৰে।

ভাৰতৰ সংবিধানৰ তৃতীয় অধ্যায়ত মৌলিক অধিকাৰ (Fundamental right) সমূহ সন্নিবিষ্ট হৈ আছে। তোমালোকে ভাৰতৰ নাগৰিক হিচাপে মৌলিক অধিকাৰসমূহ জানানে বাৰু? আহাচোন, ভাৰতৰ সংবিধানে আমাৰ কাৰণে প্ৰদান কৰা অধিকাৰসমূহৰ বিষয়ে জানো।

ভাৰতবৰ্ষৰ দৰে বিশাল গণতান্ত্ৰিক ৰাষ্ট্ৰত নিৰ্বাচিত চৰকাৰৰ প্ৰতিনিধিসকলে ব্যক্তিগত আৰু দলীয় স্বাৰ্থ পূৰণ কৰিবলৈ যাতে মানুহক শোষণ কৰিব নোৱাৰে তাৰ কাৰণেই মৌলিক অধিকাৰসমূহ মানৱতাৰ স্বাৰ্থত সংবিধানত উল্লেখ কৰা হৈছে। অৱশ্যে মৌলিক অধিকাৰসমূহ কিছুমান সীমাবদ্ধতাৰ মাজতহে ভোগ কৰিব পাৰি। মৌলিক অধিকাৰ খৰ্ব হ'লে ভাৰতীয় নাগৰিকে ন্যায়ালয়ৰ দ্বাৰস্থও হ'ব পাৰে। প্ৰথম অৱস্থাত মৌলিক অধিকাৰ সাতপ্ৰকাৰৰ আছিল। সংবিধানৰ ৪৪ তম সংশোধনীত সম্পত্তিৰ অধিকাৰ বাতিল কৰা হয়। বৰ্তমান ভাৰতৰ নাগৰিকৰ কাৰণে মৌলিক অধিকাৰ ছয়প্ৰকাৰৰ। এই অধিকাৰসমূহ তলত উল্লেখ কৰা হ'ল -

**(১) সমতাৰ অধিকাৰ (Right to Equality) ঃ**

ভাৰতীয় নাগৰিকক সমান অধিকাৰ প্ৰদানৰ অৰ্থে সংবিধানৰ ১৪ৰ পৰা ১৮ নং অনুচ্ছেদলৈকে সমতাৰ অধিকাৰৰ উল্লেখ আছে।

১৪ নং অনুচ্ছেদৰ মতে, ভাৰতত বাস কৰা লোকক আইনৰ ক্ষেত্ৰত সমতা প্ৰদানৰ উল্লেখ কৰা আছে।

১৫ নং অনুচ্ছেদৰ মতে, জাতি, ধৰ্ম, বৰ্ণ, জন্মস্থান আদিৰ ভিত্তিত নাগৰিকৰ মাজত বৈষম্য নাথাকিব।

১৬ নং অনুচ্ছেদৰ মতে, সকলো শ্ৰেণীৰ লোকে চৰকাৰী চাকৰিত যোগদানত সমান অধিকাৰ পাব।

১৭ নং অনুচ্ছেদৰ মতে, দেশত অস্পৃশ্যতা দূৰীকৰণত গুৰুত্ব দিয়া হৈছে।

১৮ নং অনুচ্ছেদৰ মতে, সামৰিক নাইবা শিক্ষা সম্পৰ্কীয় উপাধিৰ বাহিৰে অন্য কোনো উপাধি প্ৰদান কৰা নহ'ব। ভাৰতীয় নাগৰিকে বিদেশী ৰাষ্ট্ৰই প্ৰদান কৰা উপাধি গ্ৰহণ কৰিব নোৱাৰিব।

**(২) স্বাধীনতাৰ অধিকাৰ (Right to Freedom)ঃ**

ভাৰতৰ সংবিধানৰ ১৯ৰ পৰা ২২ নং অনুচ্ছেদলৈকে স্বাধীনতাৰ অধিকাৰসমূহ উল্লেখ কৰা হৈছে।

১৯ নং অনুচ্ছেদত বাক-স্বাধীনতা, অস্ত্ৰহীন অৱস্থাত শান্তিপূৰ্ণভাৱে সমবেত হোৱা, সংস্থা গঠন, ভাৰতীয় চাৰিসীমাৰ ভিতৰত স্বাধীনভাৱে ঘূৰি ফুৰা, যিকোনো চাকৰি বা ব্যৱসায় কৰাৰ অধিকাৰৰ উল্লেখ কৰা হৈছে।

২০,২১ আৰু ২২ নং অনুচ্ছেদত আইনৰ শান্তি প্ৰদান আৰু ব্যক্তিগত নিৰাপত্তা প্ৰদানৰ বিষয়ে উল্লেখ আছে।

**(৩) স্বাধীনতাৰ অধিকাৰ (Right to Exploitation)ঃ**

সংবিধানৰ ২৩ নং অনুচ্ছেদ আৰু ২৪ নং অনুচ্ছেদত মানুহৰ পৰা বলপূৰ্বক শ্ৰম আদায় কৰা আৰু শিশুশ্ৰমিক নিয়োগৰ ক্ষেত্ৰত নিষেধাজ্ঞা প্ৰদান কৰি শোষণৰ বিৰুদ্ধে অধিকাৰ প্ৰদান কৰা হৈছে।

**(৪) শোষণৰ বিৰুদ্ধে অধিকাৰ (Right to religion)ঃ**

সংবিধানৰ ২৫ ৰ পৰা ২৮ নং অনুচ্ছেদলৈ ধৰ্মীয় অধিকাৰৰ উল্লেখ কৰা হৈছে।

২৫ নং অনুচ্ছেদে নিজৰ ইচ্ছা-ৰুচি মতে ধৰ্ম গ্ৰহণ আৰু প্ৰসাৰৰ স্বাধীনতা প্ৰদান কৰাৰ লগতে নৈতিকতা বিৰোধী কামত লিপ্ত নহ'বলৈ পৰামৰ্শ আগবঢ়াইছে।

২৬ নং অনুচ্ছেদে সকলো লোককে তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ আৰু স্থাৱৰ তথা অস্থাৱৰ সম্পত্তি অধিগ্ৰহণ কৰাৰ অধিকাৰ প্ৰদান কৰিছে।

২৭ নং অনুচ্ছেদৰ মতে, ধৰ্মীয় অনুষ্ঠানৰ ব্যয়ৰ কাৰণে বাধ্যতামূলকভাৱে ৰাজহ তথা কৰ সংগ্ৰহ বন্ধ কৰা হৈছে।

২৮ নং অনুচ্ছেদৰ মতে, অভিভাৱকৰ সন্মতি সাপেক্ষে ছাত্ৰ-ছাত্ৰীক শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা প্ৰদান কৰা উচিত।

### (৫) সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ

**(Cultural and educational rights)**

২৯ নং অনুচ্ছেদৰ মতে, ভাৰতৰ সকলো নাগৰিকে নিজৰ ভাষা-সংস্কৃতি অটুট ৰখাৰ অধিকাৰ লাভ কৰিব। সকলো শিশুৱে চৰকাৰী ধন বা অনুদানেৰে প্ৰতিষ্ঠা কৰা সকলোবোৰ শিক্ষানুষ্ঠানতে জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে নামভৰ্ত্তি কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে।

৩০ নং অনুচ্ছেদৰ মতে, ধৰ্মীয় আৰু সংখ্যালঘু লোকক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে।

### (৬) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ

**(Right to Constitutional Remedies)**

ভাৰতীয় সংবিধানত মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰ স্বাধীনতাত যাতে কোনেও হস্তক্ষেপ কৰিব নোৱাৰে তাৰ বাবে ন্যায়িক ব্যৱস্থাৰ বিষয়ে সংবিধানৰ ৩২ ৰ পৰা ৩৪ নং অনুচ্ছেদলৈকে উল্লেখ আছে।

ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত ৩৬ ৰ পৰা ৫১ নং অনুচ্ছেদলৈকে নিৰ্দেশক নীতিসমূহৰ উল্লেখ কৰা হৈছে। প্ৰথম দুটা অনুচ্ছেদত ৰাষ্ট্ৰৰ ব্যাখ্যা আৰু নিৰ্দেশক নীতিৰ সাংবিধানিক ব্যাখ্যা আগবঢ়োৱা হৈছে। বাকী অনুচ্ছেদসমূহত নিৰ্দেশক নীতিৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হৈছে। সংবিধানৰ ৪৬ নং অনুচ্ছেদত অনুসূচীত জাতি, জনজাতিৰ লোকৰ শিক্ষাৰ কাৰণে ব্যৱস্থাৰ উল্লেখ কৰা হৈছে।

### ২.৫.১ মানৱ অধিকাৰ সংক্ৰান্তত ভাৰত চৰকাৰৰ পদক্ষেপ ঃ

মানৱ অধিকাৰ প্ৰদান কৰিবলৈ ভাৰত চৰকাৰে আইনৰ যোগেদি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯৯৩ চনৰ ২৪ চেপ্তেম্বৰত ভাৰত চৰকাৰে মানৱ অধিকাৰ সুৰক্ষা আইন (Protection of Human Rights Act) প্ৰণয়ন কৰে। এই আইনৰ আধাৰত ১৯৯৩ চনৰ ১২ অক্টোবৰত ভাৰতত

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ (National Human Rights Commission) গঠন কৰা হয়। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক এই আয়োগৰ সভাপতি হিচাপে নিয়োগ কৰে। আয়োগৰ মুখ্য কাৰ্যালয় নতুন দিল্লীত অৱস্থিত। উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশ, এখন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু মানৱ অধিকাৰৰ সৈতে জড়িত দুজন ব্যক্তিক এখন কমিটিৰ পৰামৰ্শ মতে আয়োগৰ সদস্য হিচাপে ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। এই নিৰ্বাচনী কমিটিত ভাৰতৰ প্ৰধানমন্ত্ৰী, লোকসভাৰ অধ্যক্ষ, ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ ভাৰপ্ৰাপ্ত কেন্দ্ৰীয় মন্ত্ৰী, লোকসভাৰ বিৰোধী দলৰ নেতা, ৰাজ্যসভাৰ উপাধ্যক্ষ আৰু ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা থাকে। তদুপৰি, সংখ্যালঘুৰ ৰাষ্ট্ৰীয় আয়োগ, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ সভাপতিয়ে এই আয়োগৰ প্ৰধান সদস্য হিচাপে কাম কৰে।

ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে ভাৰতীয় সংবিধানত উল্লেখিত অধিকাৰসমূহ নিশ্চিত কৰিবলৈ হিংসাত্মক কাৰ্যৰ বিৰুদ্ধে অনুসন্ধানমূলক ব্যৱস্থা গ্ৰহণ কৰে। আয়োগে কাৰাগাৰৰ অপৰাধীসকলৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত্ৰে তৎপৰতা গ্ৰহণ কৰে। সন্ত্ৰাসবাদ, হত্যা, হিংসা আদিৰ পৰা নাগৰিকক সুৰক্ষা দিব বিচাৰে।

আন্তঃৰাষ্ট্ৰীয় সন্ধিসমূহত দেশৰ সুৰক্ষা সুনিশ্চত কৰে। মানৱ অধিকাৰ আয়োগে বেচৰকাৰী সংস্থাসমূহৰ সৈতে এনে ক্ষেত্ৰত যোগাযোগ ৰক্ষা কৰে আৰু উৎসাহ যোগায়। জনসাধাৰণৰ মাজত মানৱ অধিকাৰ সম্বন্ধে সচেতনতা আনিবলৈ আগভাগ লয়।

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ প্ৰতিষ্ঠা হোৱাৰ পাছত ভাৰতৰ বিভিন্ন ৰাজ্যত ৰাজ্যিক মানৱাধিকাৰ আয়োগ গঠন কৰা হয়। ১৯৯৬ চনৰ ১৯ মাৰ্চত অসম মানৱ অধিকাৰ আয়োগ গঠন কৰা হয়, আয়োগৰ মুখ্য কাৰ্যালয় গুৱাহাটীত অৱস্থিত। অসমৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আয়োগৰ সভাপতি। এই আয়োগে অসমত মানৱ অধিকাৰৰ বিৰুদ্ধে হিংসাত্মক কাৰ্য সংঘটিত হ'লে তদন্ত কৰে।

ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্তৰৰ মানৱ অধিকাৰ আয়োগসমূহে বিভিন্ন

শিক্ষামূলক পদক্ষেপ গ্ৰহণ কৰে। মানৱ অধিকাৰ সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদানৰ কাৰণে ৰাষ্ট্ৰীয় আয়োগে গ্ৰীষ্মকালীন বা শীতকালীন প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। সমগ্ৰ বৰ্ষব্যাপী হ্ৰস্বকালীন কাৰ্যসূচী, প্ৰশিক্ষকসকলৰ প্ৰশিক্ষণসূচী, বাতৰিকাকত, প্ৰকাশন আদিৰ ব্যৱস্থা হাতত লয়। বাঙ্গালোৰস্থিত ভাৰত বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় আইন বিদ্যালয়ৰ সৈতে গৱেষণামূলক অধ্যয়নৰ ব্যৱস্থা কৰে। সেইদৰে, ৰাজ্যিক ভিত্তিতো ৰাজহুৱা তথ্যমূলক কাৰ্যসূচীৰ (Public Information Programme) কাৰণে ৰাষ্ট্ৰসংঘৰ উচ্চ আয়ুক্তই সমন্বয়কৰ ভূমিকা গ্ৰহণ কৰে। আয়োগে নিৰ্বাচিত আহিলাৰ বিকাশৰ জৰিয়তে স্থানীয় সামৰ্থতাত সহযোগ কৰে। ৰাজ্যিক আয়োগে মানৱ অধিকাৰ শিক্ষা আৰু প্ৰশিক্ষণৰ বাবে তথ্যভিত্তিক (Database), সম্পদ সংগ্ৰহ (Resource Collection) আৰু কম্পিউটাৰ ব্যৱস্থা (Websection) ৰ বিকাশ সাধন কৰে।

ইয়াৰ উপৰি ভাৰত চৰকাৰে ভাৰতীয় নাগৰিকক অধিকাৰ প্ৰদান কৰিবলৈ শিশু শ্ৰমিক প্ৰতিৰোধ আইন, মহিলাৰ বিৰুদ্ধে হিংসাত্মক কাৰ্য প্ৰতিৰোধ আইন, অৰ্থনৈতিক চালান প্ৰতিৰোধ আইন, যৌতুক প্ৰতিৰোধ আইন আদিৰ প্ৰণয়নৰ জৰিয়তে আইনগত ব্যৱস্থা হাতত লৈছে।

**আত্মমূল্যায়ন (ঘ)**

(১) তলৰ প্ৰশ্নসমূহৰ পৰা শুদ্ধ উত্তৰটো নিৰ্বাচন কৰা ঃ

(ক) ভাৰতৰ সংবিধানত আঠ / সাত / ছয় প্ৰকাৰৰ মৌলিক অধিকাৰ উল্লেখ আছে।

..........................................................................................

(খ) ১৯৯০ / ১৯৯৩ / ১৯৯৫ চনত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠন কৰা হয়।

..........................................................................................

(গ) ভাৰতৰ সংবিধানৰ তৃতীয় অধ্যায়ৰ ১৯ ৰ পৰা ২২ নং অনুচ্ছেদলৈ

ধৰ্মীয় অধিকাৰ / স্বাধীনতাৰ অধিকাৰ / সমতাৰ অধিকাৰসমূহ উল্লেখ কৰা হৈছে।

..........................................................................................

..........................................................................................

(ঘ) ভাৰতবৰ্ষৰ সংবিধান গ্ৰহণ কৰা হয় ১৯৪৯ চনৰ ২৬ নৱেম্বৰত / ১৯৫০ চনৰ ২৬ জানুৱাৰীত / ১৯৯৩ চনৰ ২৪ চেপ্তেম্বৰত।

..........................................................................................

..........................................................................................

**২.৬ মানৱ অধিকাৰ শিক্ষা ঃ**

মানৱ অধিকাৰ সম্পৰ্কে ইতিহাস, তথ্য আৰু প্ৰয়োগ কৌশলৰ জ্ঞান বিতৰণ কৰা অবিৰত শিক্ষণ প্ৰক্ৰিয়াই হৈছে মানৱ অধিকাৰ শিক্ষা।

১৯৯৪ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে (General Assembly) ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শিক্ষা দশকৰ ঘোষণাপত্ৰৰ সৈতে সংগতি ৰাখি ব্যাখ্যা কৰে যে, "মানৱ অধিকাৰ শিক্ষা হৈছে এক জীৱন-জোৰা প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে বিকাশৰ সকলো পৰ্যায় আৰু সমাজৰ সকলো স্তৰত আনৰ মহত্বক সন্মান প্ৰদৰ্শন কৰিবলৈ আৰু সকলো সমাজতে সেই সন্মান নিশ্চিত কৰিবৰ পৰা উপায় আৰু পদ্ধতি সম্পৰ্কে শিক্ষা আহৰণ কৰে।" (A lefe-long process by which people at all level of development and in all strata of society learn respect for the dignity of others and means and methods of ensuring that respect is all societies")

মানৱ অধিকাৰ শিক্ষাৰ কাৰণে ৰাষ্ট্ৰসংঘৰ বিশ্বজনীন কাৰ্যসূচীয়ে (World Programme) সংজ্ঞা আগবঢ়াইছে যে মানৱ অধিকাৰ শিক্ষাই মানৱ অধিকাৰৰ এক সাৰ্বজনীন সংস্কৃতি গঢ়ি তোলাৰ লক্ষ্যৰে শিক্ষা প্ৰশিক্ষণ আৰু তথ্য বিতৰণক লক্ষ্য হিচাপে লয়। ই মানৱ অধিকাৰ আৰু মৌলিক

স্বাধীনতাৰ কাৰণে সন্মান শক্তিশালীকৰণত, জ্ঞান বিতৰণত, কৌশল জনোৱাত আৰু মনোভাৱ গঢ় দিয়াৰ নির্দেশ প্রদান কৰে। এই শিক্ষাই মানৱ ব্যক্তিত্বৰ পৰিপূৰ্ণ বিকাশ সাধন কৰে। এই শিক্ষাই সকলো ৰাষ্ট্ৰ আৰু দেশীয় মানুহ আৰু বৰ্ণ, জাতি, ৰাষ্ট্ৰ, ধৰ্ম আৰু ভাষিক গোষ্ঠীৰ মানুহৰ মাজত বুজাবুজি, সহনশীলতা, লিংগসমতা আৰু বন্ধুত্ব বৃদ্ধি কৰে। মানৱ অধিকাৰ শিক্ষাই ন্যায় নীতিৰে পৰিচালিত মুক্ত গণতান্ত্ৰিক সমাজ ব্যৱস্থাত সকলো মানুহক কাৰ্যকৰীভাৱে অংশ গ্ৰহণৰ কাৰণে সমৰ্থ কৰি তোলে, শান্তিৰ প্ৰতিষ্ঠা আৰু ৰক্ষণাবেক্ষণ কৰে আৰু মানুহ কেন্দ্ৰিক বহনক্ষম বিকাশ (People centred sustainable development) আৰু সামাজিক ন্যায়ৰ উন্নয়ন সাধন কৰে।

গতিকে, তোমালোকে নিশ্চয় বুজিব পাৰিছা যে মানৱ অধিকাৰৰ বিষয়ে জনাটো অতি আৱশ্যকীয়। মানৱ অধিকাৰৰ বিষয়ে জ্ঞান আহৰণ কৰাটো প্ৰতিজন নাগৰিকৰ কাৰণে দৰকাৰী। এতিয়া প্ৰশ্ন হয় মানৱ অধিকাৰৰ বিষয়ে তোমালোকে জানিবা কেনেকৈ বিদ্যালয় পাঠ্যক্ৰমৰ যোগেদি মানৱ অধিকাৰ শিক্ষা প্ৰদানৰ বিভিন্ন পদ্ধতি আৰু কৌশল আছে। তোমালোকে ইতিমধ্যে মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তাসমূহ জানিব পাৰিছা। তলত মানৱ অধিকাৰ শিক্ষা প্ৰদান সম্পৰ্কে উল্লেখ কৰা হৈছে। পঢ়ি চোৱাচোন।

মানৱ অধিকাৰ শিক্ষাৰ বিষয়ে সমাজৰ সকলো মানুহে জনা উচিত। আইনৰক্ষক, ন্যায়বিদ, ৰাজনৈতিক নেতা, চৰকাৰী চাকৰিয়াল, বেচৰকাৰী সংস্থাৰ সদস্যবৃন্দ, শিক্ষক, শিক্ষাৰ্থী, সমাজ কৰ্মী, সাংবাদিক, শাৰীৰিক প্ৰতিবন্ধী ব্যক্তি, সংখ্যালঘু, শৰণাৰ্থী আদি সকলোৰে নিজা অধিকাৰসমূহ জনা বাঞ্ছনীয়। এই উদ্দেশ্যে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উপায়েৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা উচিত। শিক্ষিত পিতৃ-মাতৃয়ে সন্তানক অধিকাৰ সম্পৰ্কে সচেতন কৰি তুলিব পাৰে। এই ক্ষেত্ৰত বিদ্যালয়ত শিক্ষকৰ দায়িত্ব গুৰুত্বপূৰ্ণ।

বিদ্যালয়ত সমাজ অধ্যয়ন, বুৰঞ্জী, সাহিত্য আদি বিষয়ৰ জৰিয়তে ৰাষ্ট্ৰসংঘ, ভাৰতীয় সংবিধান, গোষ্ঠী নিৰপেক্ষ নীতিৰ বিষয়ে শিক্ষাৰ্থীক জনাব পাৰি। তোমালোকৰ বিদ্যালয়ত পঢ়ি থাকোতে অধিকাৰৰ বিষয়ে পোৱা মনত আছেনে বাৰু? উচ্চতৰ মাধ্যমিক পৰ্যায়ত ৰাজনীতি বিজ্ঞান বিষয়ত এই বিষয়ে সন্নিবিষ্ট থাকে। বৰ্তমান মানৱ অধিকাৰ, আইন, ন্যায়শাস্ত্ৰ আদি বিষয়ত

ডিগ্ৰী লাভৰ সুবিধা আছে। ভাৰতৰ কিছুমান বিশ্ববিদ্যালয় মানৱ অধিকাৰৰ বিষয়ত ডিপ্লোমা আৰু চাৰ্টিফিকেট লাভৰ ব্যৱস্থাও কৰা হৈছে। মানৱ অধিকাৰৰ সৈতে প্ৰাসংগিক বিষয়ত গৱেষণা ডিগ্ৰী লাভৰ সুবিধাও আছে। এইদৰে একক অথবা সংহত পাঠ্যক্ৰমৰ জৰিয়তে মানৱ অধিকাৰ সম্পৰ্কে জানিব পাৰি।

মানৱ অধিকাৰ শিক্ষাই বিদ্যালয়ত সমতা আৰু স্বাধীনতা প্ৰদান কৰা কাৰণে দৈনন্দিন উপস্থিতি বৃদ্ধি পায় আৰু গণতান্ত্ৰিক ভাবধাৰাও অটুট থাকে। বিভিন্ন বিষয়ৰ জৰিয়তে প্ৰত্যক্ষভাৱে মানৱ অধিকাৰ শিক্ষাৰ জ্ঞান বিতৰণৰ উপৰিও ল'বলগীয়া অন্যান্য ব্যৱস্থাসমূহ হৈছে -

**(ক) আলোচনা চক্ৰ অনুষ্ঠিতকৰণ ঃ** শিক্ষানুষ্ঠানৰ সকলো স্তৰত মাজে-সময়ে বিজ্ঞ পণ্ডিত, সাধাৰণ নাগৰিক আৰু ন্যায়ক্ষমতাৰ লোকসকলৰ সৈতে শিক্ষাৰ্থীৰ মানৱ অধিকাৰ সম্পৰ্কীয় আলোচনা চক্ৰ আৰু মত বিনিময় অনুষ্ঠানে এনে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে।

**(খ) দিৱস উদযাপন** - বিদ্যালয়ত ৰাষ্ট্ৰসংঘ দিৱস, মানৱ অধিকাৰ দিৱস, নাৰী দিৱস, সাক্ষৰতা দিৱস উদযাপনৰ জৰিয়তে মানৱ অধিকাৰৰ উপযোগিতা সম্পৰ্কে সজাগতা বৃদ্ধি কৰিব পৰা যায়।

**(গ) সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী** - বিদ্যালয়ত মানৱ অধিকাৰ সম্পৰ্কীয় সাহিত্য প্ৰতিযোগিতা, তৰ্ক, আকস্মিক বক্তৃতা, কুইজ, নাটক খেল-ধেমালিৰ জৰিয়তে আনৰ অধিকাৰক সন্মান জনাবলৈ শিক্ষাৰ্থীক শিকাব পৰা যায়।

**(ঘ) মানৱ অধিকাৰ সম্পদ কেন্দ্ৰ স্থাপন** - উচ্চ শিক্ষানুষ্ঠানত মানৱ অধিকাৰ সম্পৰ্কীয় অধ্যয়নৰ সম্পদ কেন্দ্ৰ (Resource Centre) স্থাপনে জ্ঞানৰ বহুতো অপূৰণীয় স্থান পূৰ্ণ কৰিব পাৰে। এনে কেন্দ্ৰৰ জৰিয়তে তথ্য বিতৰণ আৰু প্ৰসাৰ সাধনৰ লগতে গৱেষণা সম্বন্ধীয় অধ্যয়নো আগুৱাই নিব পাৰি।

**(ঙ) শিক্ষকৰ ভূমিকা** - মানৱ অধিকাৰ শিক্ষা প্ৰদানত শিক্ষকসকলে গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা উচিত। মূল্যবোধ, নৈতিকতা, ন্যায়, সম্প্ৰীতিৰ ভাব বিনিময়ৰ যোগেদি শিক্ষাৰ্থীক মানসিক খোৰাক যোগাব পাৰে। শিক্ষকে

শিক্ষাৰ্থীসকলক শ্ৰেণীকোঠাৰ বাহিৰতো অনানুষ্ঠানিকভাৱে মানৱ অধিকাৰৰ বিষয়ে জনাব পাৰে। মানৱ সংক্ৰান্তীয় বিষয়ত উদ্যোগ ল'ব পাৰে আৰু বিস্তাৰৰ কাৰ্যসূচী ৰূপায়ণত সহায় আগবঢ়াব পাৰে বৰ্তমানৰ পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত শিক্ষকৰ দায়িত্ববোধ ভৱিষ্যতৰ সৈতে জড়িত হৈ পৰিছে। শিক্ষকে পৰামৰ্শদাতা আৰু তথ্য-জ্ঞান দাতাৰ লগতে পথ-প্ৰদৰ্শকৰ দায়িত্বও পালন কৰিবলগীয়া হয়।

বৰ্তমান সময়ত পাঠ্যক্ৰমত মানৱ অধিকাৰ, মানবীয় আইন, গণতন্ত্ৰ, সামাজিক ন্যায় আৰু শান্তি শিক্ষাৰ অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা বৃদ্ধি পাই আহিছে। গতিকে, মানৱ অধিকাৰ শিক্ষা বিতৰণত বিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা উচিত।

**আত্মমূল্যায়ন (ঙ)**

(১) আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱস বছৰৰ কোন দিনা পালন কৰা হয়?

..........................................................................................

(২) বিদ্যালয়ৰ পাঠ্যক্ৰমৰ জৰিয়তে মানৱ অধিকাৰ শিক্ষা দিব পৰা এটা বিষয়ৰ নাম উল্লেখ কৰা।

..........................................................................................

(৩) মানৱ অধিকাৰ শিক্ষা প্ৰদানৰ কেইটামান শিক্ষাদানৰ ধৰণৰ (mode) নাম উল্লেখ কৰা।

..........................................................................................

## ২.৭ সামৰণি

আমি এই গোটটোত মানৱ অধিকাৰ ধাৰণা আৰু বিভিন্ন ব্যক্তি সংগঠনে আগবঢ়োৱা সংজ্ঞা আলোচনা কৰিলোহক। আমি মানৱ অধিকাৰ গুৰুত্বতাও উপলব্ধি কৰিব পাৰিলোঁ। গোটটোত আমি মানৱ অধিকাৰ শিক্ষাৰ ধাৰণা, উদ্ভাৱনৰ ইতিহাস আৰু বৰ্তমান শৈক্ষিক প্ৰয়োজনীয়তাৰ বিষয়েও

পঢ়িলোহঁক।

মানৱ অধিকাৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘ, মানৱ অধিকাৰ উচ্চ আয়ুক্ত আৰু ভিয়েনা বিশ্ব সন্মিলনে আগবঢ়োৱা পৰামৰ্শ, চুক্তি, ঘোষণাপত্ৰসমূহৰ চমু উল্লেখ কৰা হৈছে। এই  অংশ পঢ়ি তোমালোকে মানৱ অধিকাৰ শিক্ষা সম্পৰ্কত বিশ্বজনীন পদক্ষেপৰ বিষয়ে জানিব পাৰিছা।

ভাৰতবৰ্ষৰ সংবিধানৰ তৃতীয় অধ্যায়ত ভাৰতৰ নাগৰিকৰ কাৰণে মৌলিক অধিকাৰ প্ৰদান কৰা হৈছে। সেইদৰে অন্যান্য আইনো প্ৰণয়ন কৰা হৈছে। ভাৰতত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাজ্যিক ভিত্তিক মানৱ অধিকাৰ আয়োগ গঠন কৰি মানৱ অধিকাৰ সম্পৰ্কীয় ব্যৱস্থাৱলী হাতত লোৱা হৈছে। মানৱ অধিকাৰ শিক্ষাৰ সংজ্ঞাসমূহ গোটটোত উল্লেখ কৰা হৈছে।  লগতে মানৱ অধিকাৰ শিক্ষা প্ৰদানত বিদ্যালয়ৰ বহুমুখী ভূমিকা আলোচনা কৰা হৈছে। গোটটো অধ্যয়ন কৰি তোমালোকে নিশ্চয় নিজৰ অধিকাৰ সম্বন্ধে সচেতন হ'বা।

**ঘাই শব্দসমূহ**

**মূল্যবোধ ঃ** নীতি, আদৰ্শ, মানদণ্ড, নৈতিকতা, যোগ্যতা। যিকোনো  মানবীয় কৰ্ম, কাৰ্য, চিন্তা, ধাৰণা, বিশ্বাস, অনুভৱ, আবেগ আদিক বুজায় , যি ব্যক্তিৰ বিকাশত সহায় কৰে।

**পদেন সদস্য ঃ** নিজা কাৰ্যালয়ৰ কামৰ বাদেও কোনো বিশেষ কামৰ ক্ষমতাপ্ৰাপ্ত লোক যি অন্য সংস্থাৰ সদস্য হৈছে।

**শৰণাৰ্থী ঃ** আশ্ৰয় খোজা, শৰণাগত।

**বহনক্ষম ঃ** ভৱিষ্যতৰ ক্ষতি নোহোৱাকৈ বৰ্তমান সময়ত মানুহৰ গুণাগুণৰ সদ্ব্যৱহাৰ কৰা।

**গোষ্ঠী নিৰপেক্ষ নীতি ঃ** এই নীতিয়ে ভাৰতক কোনো গোষ্ঠীৰ অধীন নোহাৱাকৈ থকাৰ সমৰ্থ দান কৰিছে আৰু যুদ্ধৰ বিভীষিকাৰ পৰা ৰাষ্ট্ৰসমূহক ৰক্ষা কৰিছে।

**পাঠ্য নিৰ্দেশনা**

(১) শৰ্মা, তৰুণ কুমাৰ ঃ ভাৰতত শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী, বৰকটকী এণ্ড কোম্পানী প্ৰাইভেট লিমিটেড, যোৰহাট, ২০০৮ ।

**সাম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ**

(১) (ক) মানৱ অধিকাৰে নিজৰ অধিকাৰৰ লগতে অন্যৰ অধিকাৰ সুনিশ্চিত কৰাক বুজায়।

(খ) মানৱ অধিকাৰ এক সামাজিক ধাৰণা।

(২) ভি.টি. পাটিলৰ মতে, মানৱ অধিকাৰে মৌলিক স্বাধীনতা আৰু মুক্ততাক বুজায় যাৰ অবিহনে পুৰুষ, মহিলা আৰু শিশুৱে সন্মান আৰু মহত্বৰ সৈতে জীয়াই থকাৰ পৰা বঞ্চিত হয়।

**আত্মমূল্যায়ন (খ) ৰ উত্তৰ ঃ**

(১) বিংশ শতাব্দীত।

(২) পাৰে।

(৩) মানৱ অধিকাৰ শিক্ষা এক জীৱন-জোৰা প্ৰক্ৰিয়া।

**আত্মমূল্যায়ন (গ) ৰ উত্তৰ ঃ**

(১) ১৯৪৫ চনৰ ২৪ অক্টোবৰ ।

(২) ১৯৯৩ চনৰ ২০ ডিচেম্বৰ।

(৩) চাৰিটা।

(৪) সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাপত্ৰৰ ৩০ টা অনুচ্ছেদত মানৱ অধিকাৰ সম্পৰ্কে উল্লেখ কৰা হৈছিল। এই অধিকাৰসমূহ ৰাষ্ট্ৰসংঘৰ সকলো সদস্য ৰাষ্ট্ৰই সমৰ্থন কৰে।

**আত্মমূল্যায়ন (ঘ) ৰ উত্তৰ ঃ**

(১) ছয় প্ৰকাৰৰ।

(২) স্বাধীনতাৰ অধিকাৰ।

(৩) ১৯৪৯ চনৰ ২৬ নৱেম্বৰত।

**আত্ম-মূল্যায়ন (ঙ) ৰ উত্তৰ ঃ**

(১) বছৰৰ ১০ ডিচেম্বৰৰ দিনা।

(২) সমাজ অধ্যয়ন।

(৩) আনুষ্ঠানিক শিক্ষা, অবিৰত শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা।

**আৰ্হি প্ৰশ্ন ঃ**

(১) মানৱ অধিকাৰ বুলিলে কি বুজা সংজ্ঞা আগবঢ়োৱা।

(২) মানৱ অধিকাৰ গুৰুত্বতা সম্পৰ্কে চমুকৈ লিখা।

(৩) মানৱ অধিকাৰ শিক্ষা বুলিলে কি বুজা? ইয়াৰ বিকাশৰ বিষয়ে উল্লেখ কৰা।

(৪) মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তাসমূহ চমুকৈ আলোচনা কৰা।

(৫) মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ অৱদানসমূহ উল্লেখ কৰা।

(৬) ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ সম্পৰ্কে গ্ৰহণ কৰা ব্যৱস্থাৱলী চিনাক্ত কৰা।

(৭) মানৱ অধিকাৰ উচ্চ আয়ুক্ত কি? ইয়াৰ মূল কাৰ্যাৱলী ব্যাখ্যা কৰা।

(৮) ভিয়েনা সন্মিলিত মানৱ অধিকাৰ শিক্ষা সম্পৰ্কে গ্ৰহণ কৰা সিদ্ধান্তসমূহ আলোচনা কৰা।

(৯) ভাৰতবৰ্ষৰ সংবিধানত মানৱ অধিকাৰ সুৰক্ষাৰ কাৰণে আগবঢ়োৱা ব্যৱস্থাসমূহ ব্যাখ্যা কৰা।

(১০) ভাৰত চৰকাৰে মানৱ অধিকাৰ প্ৰদানৰ কাৰণে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে লিখা।

(১১) মানৱ অধিকাৰ শিক্ষাৰ গুৰুত্ব আলোচনা কৰা।

(১২) মানৱ অধিকাৰ শিক্ষা সম্পৰ্কে সচেতনতা সৃষ্টি কৰাত আনুষ্ঠানিক শিক্ষাই কেনে ভূমিকা পালন কৰে লিখা।

(১৩) মানৱ অধিকাৰ শিক্ষা গোটটোৰপৰা মানৱ অধিকাৰ সম্পৰ্কে জনা বিষয়সমূহ চমুকৈ লিখা।

## প্ৰসংগ পুথি

*(১) Mohanty, Jagannath : Human Rights Education,* New Delhi ; Deep and Deep Publications Pvt. Ltd. (2000)

*(২) Patil V.T. : Value Education and Human Rights Education,* GNOSIS Publishers of Educational Books. New Delhi, 2008.

*(৩) শৰ্মা, তৰুণ কুমাৰ ঃ ভাৰতত শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী, বৰকটকী এণ্ড কোম্পানী প্ৰাইভেট লিমিটেড, যোৰহাট, ২০০৮*

## অন্যান্য উৎস

১) www.humanrightseducation.info

২) www.uno.org reviewed on 1/2/12

৩) www.ahrc.gov.in

# খণ্ড - ৫
# গোট - ৩ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতা (সৰ্বশিক্ষা অভিযান)

**গোট গঠন বিন্যাস (Unit Structure)**

**৩.০ উদ্দেশ্য**

**৩.১ প্ৰস্তাৱনা**

**৩.২ প্ৰাথমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য**

**৩.৩ প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তা**

আত্মমূল্যায়ন (ক)

**৩.৪ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতা**

৩.৪.১ সাৰ্বজনীনকৰণ

৩.৪.২ কাৰ্যকৰী দিশসমূহ

৩.৪.৩ সাৰ্বজনীনকৰণৰ প্ৰয়োজনীয়তা

**৩.৫ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ সমস্যাসমূহ**

৩.৫.১ অপচয় আৰু অনুন্নয়ন

৩.৫.২ ইয়াৰ কাৰণসমূহ

আত্মমূল্যায়ন (খ)

**৩.৬. প্ৰাথমিক শিক্ষা সংস্কাৰৰ নতুন আঁচনিসমূহ**

৩.৬.১ অপাৰেচন ব্লেক বৰ্ড

৩.৬.২ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

৩.৬.৩ জিলা প্ৰাথমিক শিক্ষা আঁচনি

৩.৬.৪ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ

আত্মমূল্যায়ন (গ)

**৩.৭ সৰ্বশিক্ষা অভিযান**

৩.৭.১ সৰ্বশিক্ষা অভিযানৰ লক্ষ্য

৩.৭.২ সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য

৩.৭.৩ সৰ্বশিক্ষা অভিযানৰ কাৰ্যসমূহ

৩.৭.৪ ইয়াৰ আঁচনি ৰূপায়ণৰ গাঁথনি

আত্মমূল্যায়ন (ঘ)

**৩.৮ সামৰণি**

প্ৰসঙ্গ পুথি

ঘাই শব্দসমূহ

পাঠ নিৰ্দ্দেশনা

সম্ভাব্য উত্তৰ

আৰ্হি প্ৰশ্ন

## ৩.০ উদ্দেশ্য (Objectives)

এই গোটটো পঢ়াৰ পাছত তোমালোকে -

১) প্ৰাথমিক শিক্ষাৰ লক্ষ্য, উদ্দেশ্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ে লিখিব পাৰিবা।

২) প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ কাৰ্যকৰী দিশ আৰু ইয়াৰ সমস্যাসমূহ আলোচনা কৰিব পাৰিবা।

৩) প্ৰাথমিক শিক্ষা সংস্কাৰৰ বিভিন্ন আঁচনিসমূহৰ বিষয়ে বহলাই লিখিব পাৰিবা।

৪) সৰ্বশিক্ষা অভিযানৰ লক্ষ্য, উদ্দেশ্য, ইয়াৰ কাৰ্যসমূহ বৰ্ণনা কৰিব পাৰিবা।

৫) সৰ্বশিক্ষা অভিযানৰ আঁচনি ৰূপায়ণৰ গাঁথনিৰ বিষয়ে ব্যাখ্যা কৰি লিখিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা

তোমালোকে ইয়াৰ আগৰ গোটত পৰিবেশ শিক্ষাৰ উপৰিও মানৱ অধিকাৰ শিক্ষাৰ বিষয়ে জানিব পাৰিলা। এইবোৰ শিক্ষা কিয় দৰকাৰ সেই বিষয়েও জানিলা। কিন্তু প্ৰাথমিক শিক্ষা লাভ নকৰিলে ওপৰৰ বিষয়বোৰ বুজাত অসুবিধা হ'ব। প্ৰাথমিক শিক্ষা কোনো জাতি, বৰ্ণ, ধৰ্ম বিভেদ নোহোৱাকৈ সকলো মানুহে লাভ কৰাটো বৰ্তমান শিক্ষাৰ অধিকাৰ ৰূপে গণ্য হৈছে। এতেকে এই গোটটোত সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।

এই গোটটোত আমি প্ৰাথমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সামৰি ইয়াৰ সমস্যাসমূহ, সংস্কাৰৰ বিভিন্ন আঁচনিসমূহ আৰু সৰ্বশিক্ষা অভিযানৰ বিষয়ে আলোচনা কৰিম।

এই গোটটো অধ্যয়নৰ পাছত তোমালোকে ভাৰতত চলি থকা বিভিন্ন কাৰ্য ৰূপায়ণ ব্যৱস্থাসমূহ আঁচনিসমূহ আৰু সমগ্ৰ ভাৰত জুৰি বৰ্তমান চলি থকা সৰ্বশিক্ষা অভিযানৰ সংস্কাৰমূলক আঁচনিসমূহৰ বিষয়ে জানিব পাৰিবা।

তদুপৰি তোমালোকে তোমালোকৰ আশে-পাশে চলি থকা এই অভিযানৰ কাৰ্য ৰূপায়ণ ব্যৱস্থাবোৰ জানিবলৈও নিশ্চয় ইচ্ছুক।

## ৩.২ প্ৰাথমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য (Aims and objectives of primary education)

তোমালোকে ইতিমধ্যে প্ৰাথমিক শিক্ষাৰ বাবে স্বাধীনোত্তৰ কালত প্ৰণয়ন কৰা বিভিন্ন আইনসমূহৰ বিষয়ে জানিব পাৰিলা। শিক্ষাৰ প্ৰথমটো পৰ্য্যয়কেই প্ৰাথমিক শিক্ষা বোলা হয়। বৰ্তমান এই প্ৰাথমিক শিক্ষা ৬ বছৰ বয়সৰ পৰা আৰম্ভ কৰাটো বাধ্যতামূলক কৰিছে। শিশুৰ ৬ বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সলৈকে এই সময়ছোৱাই প্ৰাথমিক শিক্ষাৰ সময়। অৱশ্যে বিভিন্ন কাৰণত এই সময়সীমা সাল-সলনি হ'লেও নাম ভৰ্ত্তিৰ বয়স ৬ বছৰ হিচাপে ধাৰ্য কৰা হৈছে। এই সময়ছোৱাতে শিশুৱে ভৱিষ্যত জীৱনৰ বাবে নিজৰে প্ৰস্তুত কৰিবলৈ প্ৰাথমিক জ্ঞান আয়ত্ত কৰিব লাগে। এতেকে আমি প্ৰাথমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে আলোচনা কৰো আঁহা।

প্ৰাথমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য -

(১) শিশুৰ স্বাস্থ্য ৰক্ষা আৰু সু-অভ্যাস গঠন।

(২) শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশ।

(৩) শিশুৰ অন্তৰ্নিৰ্হিত শক্তি ক্ষমতা আৰু সম্ভাৱনীয়তাৰ বিকাশ ঘটোৱা।

(৪) চৰিত্ৰ গঠন আৰু নৈতিক চেতনাৰ জ্ঞান দিয়া।

(৫) সৌন্দৰ্যবোধৰ চেতনা গঢ়ি তোলা।

(৬) সামাজিক সংযোজন আৰু সচেতনতাৰ জ্ঞান দিয়া।

(৭) নতুন নতুন জ্ঞান আৰু অভিজ্ঞতাৰ লগত পৰিচয় ঘটোৱা।

(৮) গণতান্ত্ৰিক ধাৰণা আৰু নাগৰিকত্বৰ জ্ঞান দিয়া।

(৯) পৰিৱেশ সম্বন্ধীয় জ্ঞান আৰু সচেতনতা বৃদ্ধি কৰা।

(১০) অজ্ঞতা আৰু নিৰক্ষৰতা গুচাই স্বাধীন, সচেতন আৰু প্ৰতিক্ৰিয়াশীল ব্যক্তি ৰূপে গঢ়ি তোলা।

## ৩.৩ প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তা (Need of Primary Education)

তোমালোকে জানানে যে প্ৰাথমিক শিক্ষাক বৰ্তমান ব্যক্তি জীৱনৰ মৌলিক প্ৰয়োজন ৰূপে বিবেচনা কৰা হৈছে যদিও পূৰ্বতে ভাৰতীয় সংবিধানে এই শিক্ষাক মৌলিক প্ৰয়োজন ৰূপে গণ্য কৰা নাছিল। বৰ্তমান ভাৰতীয় সংবিধানৰ ৮৬ তম সংশোধনী (২০০২ চনৰ) অনুযায়ী ৬ বছৰৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুৰ বাবে শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ ৰূপে সংবিধানিক স্বীকৃতি প্ৰদান কৰিছে। প্ৰতিজন  শিশুৰ প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰাৰ কাৰণে শিক্ষাৰ অধিকাৰ আইন ২০০৯ (RTE Act 2009) জম্মু কাশ্মীৰৰ বাহিৰে ভাৰতবৰ্ষত ১ এপ্ৰিল ২০১০ চনৰ পৰা বলবৎ হৈছে। এতেকে প্ৰতিজন শিশুৰ বিনামূলীয়া আৰু প্ৰাথমিক শিক্ষা লাভ কৰাৰ অধিকাৰ থাকিব। এখন দেশৰ আৰ্থিক, সামাজিক তথা সাংস্কৃতিক বিকাশৰ লগত প্ৰাথমিক শিক্ষা ওতপ্ৰোতভাৱে জড়িত সৰ্বসাধাৰণ লোকৰ অজ্ঞতা, নিৰক্ষৰতা, অন্ধবিশ্বাস, অনগ্ৰসৰতা, জনসংখ্যা বিস্ফোৰণকে আদি কৰি বৃহৎ সমস্যাবোৰৰ মূল কাৰণ হ'ল প্ৰাথমিক শিক্ষাৰ অভাৱ। এই প্ৰসঙ্গৰ লগত সঙ্গতি ৰাখি প্ৰাথমিক শিক্ষাৰ গুৰুত্বপূৰ্ণ দিশ কেইটামান আমি তলত আলোচনা কৰিছো।

১) **স্বাস্থ্য ৰক্ষা** - স্বাস্থ্য ৰক্ষা প্ৰত্যেকজন ব্যক্তিৰে প্ৰাথমিক দায়িত্ব। প্ৰাথমিক শিক্ষাই জনসাধাৰণক স্বাস্থ্য ৰক্ষাৰ মৌলিক জ্ঞান দিব পাৰে। পৰিষ্কাৰ - পৰিচ্ছন্নতা, খাদ্য, স্বাস্থ্য ৰক্ষাৰ প্ৰয়োজনীয় প্ৰতিৰোধক ব্যৱস্থা আদিৰ বিষয়ে সাধাৰণ জ্ঞান নথকা হেতুকে মহামাৰীত শিশুৰ মৃত্যুৰ হাৰ আদি বৃদ্ধি হৈছে।

২) **সু-নাগৰিকত্বৰ বিকাশ সাধন** - ভাৰতবৰ্ষৰ দৰে বৃহৎ গণতান্ত্ৰিক দেশত সকলো ব্যক্তিৰে নাগৰিকত্বৰ জ্ঞান থকা দৰকাৰ। প্ৰাথমিক শিক্ষাৰ অভাৱে কেতিয়াও এজন ব্যক্তিক সু-নাগৰিক হিচাপে আত্মপ্ৰকাশ কৰাব নোৱাৰে। শিক্ষাৰ দ্বাৰাহে নাগৰিকত্ব দায়িত্ব, কৰ্তব্য, আত্মসচেতনতা, মৌলিক অধিকাৰৰ বিষয়ে জ্ঞান পাব পাৰি।

৩) **আধুনিক চিন্তাৰ বিকাশ** - বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ লগে লগে হোৱা দ্ৰুত পৰিবৰ্তনে যি আধুনিক জগতৰ সৃষ্টি কৰিছে, সেই জগতত খাপ

খাবলৈ উচ্চ শিক্ষিতসকলৰ বাবেই সমস্যাৰ সৃষ্টি হৈছে। তেনেস্থলত প্ৰাথমিক শিক্ষা লাভ নকৰাসকলৰ কেনে দশা হ'ব ই সহজেই অনুমেয়। এতেকে প্ৰাথমিক শিক্ষা প্ৰতিজন ব্যক্তিৰ বাবে অতিকৈ আৱশ্যক।

৪) **জন-বিস্ফোৰণ ৰোধকৰণ** - জনসংখ্যা বৃদ্ধিয়ে পৃথিৱীত ভয়াবহ ৰূপ ধাৰণ কৰাটো এতিয়া আটাইতকৈ জটিল চিন্তা হৈ পৰিছে। পৰিবেশ প্ৰদূষণ, উৎপাদনহীনতা, কৰ্মহীনতা, দৰিদ্ৰতা, সা-সামগ্ৰীৰ দাম বৃদ্ধিয়ে মানুহৰ জনজীৱন পংগু কৰি তুলিছে। প্ৰাথমিক শিক্ষাৰ অবিহনে জনবিস্ফোৰণ ৰোধত সজগতা সৃষ্টি কৰাটো সম্ভৱপৰ নহয়।

৫) **পৰিবেশ সংৰক্ষণ** - জনসংখ্যা বিস্ফোৰণ আৰু দ্ৰুত আধুনিকীকৰণৰ কবলত পৰি গছ-গছনি, হাবি-জংঘল ধ্বংসই কেৱল পৰিৱেশেই বিনষ্ট কৰা নাই, আনুষাঙ্গিক বহু সমস্যাৰো সৃষ্টি কৰিছে এনে সমস্যাৰ প্ৰধান কাৰণ হ'ল মানুহৰ অজ্ঞতা আৰু সচেতনতাৰ অভাৱ। প্ৰাথমিক শিক্ষাই ছাত্ৰ-ছাত্ৰীক সৰুৰে পৰা এনেবোৰ বিষয়ত জ্ঞান দিলে সচেতনতা বৃদ্ধি হ'ব।

৬) **অন্ধবিশ্বাস আৰু কু-প্ৰথা দূৰীকৰণ** - প্ৰাথমিক শিক্ষাই অন্ধবিশ্বাস আৰু সামাজিক কু-প্ৰথা দূৰ কৰিব পাৰে। ভাৰতত প্ৰাথমিক শিক্ষাৰ অভাৱত জাতি-ভেদ প্ৰথা, বাল্য বিবাহ, শিশু শ্ৰমিক, যৌতুক প্ৰথা আদিও নিৰ্মূল কৰিব পৰা নাই। বিভিন্ন সামাজিক সমস্যা আৰু অন্ধবিশ্বাসৰ প্ৰধান কাৰণ শিক্ষাৰ অভাৱ।

**আত্মমূল্যায়ন (ক)**

(১) প্ৰাথমিক শিক্ষাৰ দুটা উদ্দেশ্য ব্যাখ্যা কৰা।

..................................................................................

..................................................................................

..................................................................................

..................................................................................

(২) প্ৰাথমিক শিক্ষা কিয় প্ৰয়োজন চমুকৈ যিকোনো এটা বিষয় উল্লেখ কৰা।

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

## ৩.৪ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতা (Universalisation of Primary Education)

১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধান প্ৰস্তুত কৰা হয় আৰু সংবিধানত শিক্ষা বিষয়টোক অধিক গুৰুত্ব প্ৰদান কৰা হয়। সংবিধানৰ ৪৫ নং অনুচ্ছেদত উল্লেখ থকা মতে - সকলো ৰাজ্যই দহ বছৰৰ ভিতৰত ১৪ বছৰ সময়সীমাৰ সকলো ল'ৰা-ছোৱালীলৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰৱৰ্ত্তনৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু ১৯৬০ চনলৈকে অৰ্থাৎ দহ বছৰ পূৰ্ণ হোৱাৰ পাছতো নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত নহ'ল। ইয়াৰ কাৰণসমূহ বিশ্লেষণ কৰিলে তলৰ দিশসমূহক জগৰীয়া কৰিব পাৰি।

১) আৱশ্যকীয় সম্পদৰ অভাৱ

২) দৰিদ্ৰতা

৩) জনসংখ্যা বৃদ্ধি

৪) সচেতনতাৰ অভাৱ

৫) অত্যাধিক ছাত্ৰৰ সংখ্যা

তোমালোকে শুনি আচৰিত হ'বা যে ১৯৬০ চনত দেশৰ জনসংখ্যা আছিল ৬০০ নিযুত আৰু ইয়াৰ আধাখিনি আছিল ১৮ বছৰৰ তলৰ। ১৯৬৪ চনত ভাৰত চৰকাৰে শিক্ষা আয়োগক পুনৰ ১৪ বছৰৰ বয়সসীমাৰ সকলো ল'ৰা-ছোৱালীলৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ব্যৱস্থাৰ পৰামৰ্শ

দিয়ে। শিক্ষা আয়োগে এই সম্পৰ্কে তলৰ ব্যৱস্থাখিনি ল'বলৈ ৰাজ্যসমূহক পৰামৰ্শ দিয়ে।

১) শৈক্ষিক সুবিধাবোৰ সাৰ্বজনীন কৰা।

২) সাৰ্বজনীন নাম ভৰ্তিকৰণ

৩) ছাত্ৰ-ছাত্ৰীক সাৰ্বজনীনভাৱে বিদ্যালয়ত সংৰক্ষণ

আয়োগৰ এই পৰামৰ্শ মতে আগবঢ়োতেও সমস্যাৰ সৃষ্টি নোহোৱা নহয়। বাধ্যতামূলকভাৱে ৬ বছৰ হোৱা সকলো ল'ৰা-ছোৱালীক বিশেষ আইন নোহোৱাৰ কাৰণে নাম ভৰ্তিকৰণত অসুবিধা হ'ল। সাৰ্বজনীন সংৰক্ষণ ক্ষেত্ৰতো সমস্যা আহিল। চতুৰ্থ শ্ৰেণীলৈকে পঢ়ি বহু ছাত্ৰ-ছাত্ৰী পঞ্চম শ্ৰেণীলৈ নগ'ল ইয়াৰ কাৰণ হ'ল - উচ্চ প্ৰাথমিক বিদ্যালয়লৈ দূৰত্ব বেছি আৰু ছাত্ৰ-ছাত্ৰীক ঘৰুৱা কাম-বনত নিয়োগকৰণ। এনেকুৱা অসুবিধাবোৰৰ কাৰণে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন আকাৰ দিয়াত অসুবিধাৰ সৃষ্টি হৈ আহিছে।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত সাৰ্বজনীন শিক্ষাৰ বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি ১৯৯০  চনৰ ভিতৰত ১১ বছৰলৈকে সকলো ল'ৰা-ছোৱালীৰ কাৰণে আৰু ১৯৯৫ চনৰ ভিতৰত ১৪ বছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালীৰ কাৰণে সাৰ্বজনীন শিক্ষাৰ ব্যৱস্থা কৰি অপাৰেচন ব্লেক বৰ্ড নামৰ কাৰ্যসূচী হাতত লোৱাত এই শিক্ষাই বহু অগ্ৰগতি লাভ কৰিলে বুলি ক'ব পাৰি।

### ৩.৪.১ সাৰ্বজনীনকৰণ (Universalisation)

তোমালোকে সাৰ্বজনীন শব্দৰ মূল অৰ্থটো জানানে? সাৰ্বজনীনৰ অভিধানিক অৰ্থ হ'ল সৰ্বত্ৰ, সকলোতে, দেশজুৰি অৰ্থাৎ সকলোজনকে উদ্দেশ্য কৰি। এতেকে প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণ মানে দেশৰ সকলো ল'ৰা-ছোৱালীকে প্ৰাথমিক শিক্ষাত সামৰি লোৱা, অৰ্থাৎ নিয়মিত স্কুললৈ গৈ থকাখিনিৰ উপৰিও যিসকলে বিভিন্ন কাম-কাজ কৰি আছে, স্কুল এৰি গুছি গৈছে, নিৰক্ষৰ যুৱক-যুৱতী, কৰ্মৰত প্ৰাপ্তবয়স্কসকল, পিচপৰা অঞ্চলৰ নিৰক্ষৰ মহিলাকে আদি কৰি সকলোকে ইয়াত সামৰি লোৱা হৈছে।

প্ৰাথমিক শিক্ষা হৈছে মানুহৰ মৌলিক প্ৰয়োজনীয়তা পূৰণ কৰিব

পৰা নূন্যতম মানব শিক্ষা। এখন গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে এই নূন্যতম শিক্ষা সকলোৱে লাভ কৰা উচিত।

### ৩.৪.২ সাৰ্বজনীনকৰণৰ কাৰ্যকৰী দিশসমূহ (Practical sides of univesalisation)

তোমালোকক আগতেই উল্লেখ কৰা শিক্ষা আয়োগৰ পৰামৰ্শ কেইটাকেই কাৰ্যকৰী দিশ বুলি গুৰুত্বসহ বিবেচনা কৰা হৈছে।

১) **প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন ব্যৱস্থা ঃ (Universal Provision of primary education) ঃ** ছাত্ৰ-ছাত্ৰী খোজকাঢ়ি যাব পৰাকৈ এমাইলৰ দূৰত্বত স্কুল থাকিব লাগে, স্কুললৈ দূৰত্ব বেছি হ'লে কণ কণ শিশুৰ বাবে খোজকাঢ়ি যোৱাত অসুবিধা হয়। প্ৰাথমিক স্কুলৰ সংখ্যা বাঢ়িলেহে সকলোৰে বাবে এই শিক্ষা লাভ কৰাটো সম্ভৱ হ'ব। দেশৰ কিছুমান দুৰ্গম ভিতৰুৱা অঞ্চলৰ জন-বসতি কম হোৱাৰ হেতুকে বহু শিশু আজিও এই শিক্ষাৰ পৰা বঞ্চিত হৈ আছে।

২) **নাম ভৰ্তিকৰণৰ সাৰ্বজনীনতা ঃ (Universal Enrolment) ঃ** ভাৰতৰ বহু ভিতৰুৱা গ্ৰামীণ অঞ্চলৰ মানুহে নাম ভৰ্তিকৰণৰ সময়ৰ বিষয়ে সচেতন নহয় বা নিৰ্দ্দিষ্ট সময়ত অজ্ঞতাৰ বাবে নামভৰ্তিৰ পৰা বাদ পৰি যায়। গতিকে নিৰ্দ্দিষ্ট সময়ত অনিবাৰ্যভাবে নাম ভৰ্তিকৰণ নিশ্চিত কৰিবলৈ ব্যৱস্থা গ্ৰহণো চৰকাৰী কাৰ্যসূচীৰ অৰ্ন্তভুক্ত বিষয়। সাৰ্বজনীন নাম ভৰ্তিকৰণ আৰু উপস্থিতিৰ বিষয়টো এক জটিল বিষয়, কিয়নো ভাৰতৰ বহু জাতি, জনগোষ্ঠীৰ লোক একেঠাইতে দীৰ্ঘদিন নথকাৰো উদাহৰণ নথকা নহয়।

৩) **উপস্থিতিৰ সাৰ্বজনীনতা ঃ (Universal retention) ঃ** প্ৰাথমিক শিক্ষা সমাপ্ত নোহোৱালৈকে ছাত্ৰ-ছাত্ৰীৰ নিয়মিত শিক্ষানুষ্ঠানত উপস্থিতি সম্ভৱ কৰাৰ সকলো যত্ন কৰাটোও অন্য বিষয় দুটাৰ সমানে জৰুৰী বিষয়। শিক্ষাৰ কালছোৱা নিয়মিত শিক্ষানুষ্ঠানত উপস্থিত থাকিলেহে প্ৰকৃততে সাক্ষৰতা লাভ কৰিব পাৰি। কিন্তু দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ অনিয়মিত উপস্থিতি, কন্যা সন্তানক ঘৰুৱা কামত নিয়োগকৰণ আদিয়ে উপস্থিতি তথা ল'ৰা - ছোৱালী বিদ্যালয়ত ধাৰণ কৰাৰ সাৰ্বজনীনতা বিষয়টো জটিল কৰি তুলিছে।

### ৩.৪.৩ সাৰ্বজনীনকৰণৰ প্ৰয়োজনীয়তা ঃ (Need of Universalisation)

তুমি ভাৰতবৰ্ষৰ য'তেই আছা বা য'লৈকে গৈছা তোমাৰ নিশ্চয় দৃষ্টিগোচৰ হয়, কিছুমান কণ কণ শিশু, যুৱক-যুৱতী বা বৃদ্ধলোক, যিসকলে শিক্ষাৰ পৰা বঞ্চিত হৈ থাকি নকৰিবলগীয়া কাম কৰিছে আৰু কৰিবলগীয়া কাম কৰিব পৰা নাই। তেওঁলোক সাধাৰণ জীৱন-যাপনৰ পৰা বঞ্চিত হৈছে। ইয়াৰ প্ৰধান কাৰণটো হ'ল শিক্ষাৰ অভাৱ, কিন্তু দেশৰ প্ৰতিজন নাগৰিকৰ বাবে শিক্ষা সহজলভ্য কৰি তোলাটো এখন কল্যাণকামী ৰাষ্ট্ৰৰ আইনসঙ্গত দায়িত্ব। শিক্ষাৰ অভাৱে দেশৰ আৰ্থ-সামাজিক বিকাশত বাধাৰ সৃষ্টি কৰে। এতেকে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাটো এক জৰুৰী বিষয় হৈ পৰিছে। সাৰ্বজনীনকৰণৰ প্ৰয়োজন সম্বন্ধে তলত আলোচনা কৰা হ'ল।

১) গণতান্ত্ৰিক অধিকাৰ, কৰ্তব্য আৰু দায়িত্ব পালনৰ পৰা বঞ্চিত নহয়।
২) সামাজিক ভাৰসাম্য ৰক্ষা কৰা।
৩) সমাজ তথা দেশৰ দমন, পীড়ণ আৰু শোষণৰ পৰা ৰক্ষা পাব পাৰি।
৪) সমাজৰ দ্ৰুত পৰিবৰ্তন আৰু আধুনিকীকৰণৰ লগত খাপ খাব পাৰি।
৫) জীৱন ধাৰণৰ মান বৃদ্ধি কৰিব পাৰি।
৬) সমাজৰ প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাসৰ পৰা সাধাৰণ লোকক মুক্ত কৰি বিজ্ঞানসন্মত ভেঁটি প্ৰতিষ্ঠা কৰিব পাৰি।
৭) জনসংখ্যা বিস্ফোৰণৰ পৰা সৃষ্টি হোৱা আগন্তুক ভয়াবহতাৰ পৰা যাতে পৃথিৱীক ৰক্ষা কৰিব পাৰি।

### ৩.৫ প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ সমস্যাসমূহ ঃ (Problems on the way to universalisation of primary education)

তোমালোকে জানা যে ভাৰতবৰ্ষ বিভিন্ন জাতি, ধৰ্ম, বৰ্ণৰে গঠিত এখন সমস্যা বহুল দেশ। কিছুমান জাতিগত বা গোষ্ঠীগত বিশ্বাসে জটিল পৰিস্থিতি সৃষ্টি কৰাৰ কথাও একেবাৰে নুই কৰিব নোৱাৰি। গতিকে প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাটো মুঠেই সহজ কাম নহয়। এই ক্ষেত্ৰত দেখা দিয়া

প্ৰধান সমস্যাসমূহ এনেধৰণৰ -

১) ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ কৃষিৰ লগতে বহু গ্ৰাম্যাঞ্চল ওতপ্ৰোতভাৱে জড়িত হৈ থকা হেতুকে দ্ৰুত পৰিৱৰ্তন আৰু আধুনিকীকৰণৰ পৰা এতিয়াও বহু নিলগত আছে।

২) পুৰণি মূল্যবোধ আৰু সংৰক্ষণশীল মনোভাৱৰ বাবে এতিয়াও ল'ৰা আৰু ছোৱালীৰ মাজত বৈষম্যতা সম্পূৰ্ণৰূপে শেষ হোৱা নাই।

৩) আৰ্থিকভাৱে পিছপৰা দৰিদ্ৰ আৰু দুৰ্বল শ্ৰেণীৰ মাজত জনসংখ্যা নিয়ন্ত্ৰণ কৰিব নোৱাৰাটো এক ডাঙৰ সমস্যা।

৪) দেশৰ ক্ষুদ্ৰ উদ্যোগ, শিল্প প্ৰতিষ্ঠানসমূহে শিশু শ্ৰমিক নিয়োগ কৰাটো সম্পূৰ্ণৰূপে বন্ধ নকৰাটোও এক জটিল সমস্যা।

৫) শিক্ষকসকলৰ প্ৰশিক্ষণ ব্যৱস্থা যথোপযুক্ত নোহোৱাৰ বাবেও শিক্ষাক সঠিক দিশত আগবঢ়োৱাত সফল হ'ব পৰা নাই।

৬) প্ৰাথমিক শিক্ষাৰ গুণগত মানৰ ওপৰত কম গুৰুত্ব প্ৰদান ।

৭) দৰিদ্ৰ, অৱহেলিত অথবা পিছপৰা লোকসকলৰ মাজত প্ৰাথমিক শিক্ষাত অপচয় আৰু অনুন্নয়নৰ মাত্ৰা সৰ্বাধিক।

### ৩.৫.১ অপচয় আৰু অনুন্নয়ন (Wastage and Stagnation)

প্ৰাথমিক শিক্ষাৰ বিকাশত আটাইতকৈ ডাঙৰ সমস্যা হৈছে অপচয় আৰু অনুন্নয়ন। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিটো এই বিষয়টোৰে প্ৰাধান্য লাভ কৰিছিল।

**অপচয়ৰ অৰ্থ** - অপচয় মানে প্ৰাথমিক শিক্ষাত ব্যয় কৰা অৰ্থ, সময় আৰু শক্তিৰ অপচয় বা ক্ষতিৰ কথাই বুজাইছে। ছাত্ৰ-ছাত্ৰীয়ে এই শিক্ষা সম্পূৰ্ণ নকৰাকৈ আধাতে ত্যাগ কৰি সাক্ষৰতা লাভ নকৰে। এতেকে ধন, শক্তি, সময়ৰ অপচয় হয়। ল'ৰাতকৈ ছোৱালীৰ অপচয়ৰ মাত্ৰা বেছি।

**স্থৱিৰতা বা অনুন্নয়নৰ অৰ্থ** - ইয়াৰ অৰ্থ হৈছে একেটা শ্ৰেণীতে এবছৰতকৈ অধিক সময় কটোৱা। যাৰ ফলত একেটা শ্ৰেণীতে ছাত্ৰই এবছৰতকৈ

বেছি দিন পঢ়ি থাকে। বিভিন্ন কাৰণত তেওঁলোকে উত্তীৰ্ণ হ'ব নোৱাৰে, ফলত শিক্ষা কাৰ্যত স্থবিৰতা আহে। অৱশেষত বিফলতাৰ মাজেৰেই ছাত্ৰই শিক্ষা কাৰ্য ত্যাগ কৰিবলগা হয়।

### ৩.৫.২ অপচয় আৰু স্থৱিৰতা / অনুন্নয়ণৰ কাৰণসমূহ ঃ (Causes of wastage and stagnation)

অপচয় আৰু অনুন্নয়ণ দুয়োটাই এটাৰ লগত আনটোৰ সম্বন্ধ থকা বিষয়। কোঠাৰী আয়োগৰ মতে এই দুয়োটাই প্ৰাথমিক শিক্ষাৰ নিদ্ৰা হৰণ কৰাৰ দৰে সমস্যা। ইয়াক শিক্ষাৰ দিশত দুৰাৰোগ্য কৰ্কট ৰোগ স্বৰূপে অভিহিত কৰিছে। এই দুয়োটা বিষয়ৰ কাৰণসমূহ তলত আলোচনা কৰা। হ'ল -

১) স্কুলৰ আন্তঃগাঁঠনি আৰু পৰিৱেশে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ আৰু অভিৰুচি বৃদ্ধি কৰিব পৰা নাই।

২) দৰিদ্ৰতাৰ বাবে পিতৃ-মাতৃয়ে সন্তানৰ নূন্যতম প্ৰয়োজনীয়তাখিনি পূৰণ কৰিব নোৱাৰে।

৩) পিতৃ-মাতৃৰ সচেতনতাৰ অভাৱ, সন্তানক ঘৰুৱা কামত নিয়োগকৰণৰ বাবে শিক্ষাৰ পৰা বঞ্চিত হয়।

৪) শিক্ষকৰ শিক্ষাদান পদ্ধতিয়ে ছাত্ৰক আকৰ্ষিত কৰিব নোৱাৰে, শিক্ষকৰ আচৰণেও হতাশ কৰে।

৫) স্কুলত শিশুৰ খেলা-ধূলা ব্যৱস্থাৰ অভাৱ। শিশুৰ মন আকৰ্ষণ কৰিব পৰা উন্নত ব্যৱস্থা নাই।

৬) যাতায়াতৰ অসুবিধাই পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি কৰে।

৭) প্ৰাকৃতিক দুৰ্যোগে বহু অঞ্চল বিধস্ত কৰাৰ বাবে শিক্ষা জীৱনৰ পৰা বিচ্ছিন্ন হয়।

৮) অজ্ঞ অথবা নিৰক্ষৰ পিতৃ-মাতৃয়ে সন্তানক শিক্ষা কাৰ্যত মুঠেই সহায় কৰিব নোৱাৰে।

৯) শ্ৰেণীকক্ষত অত্যাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে কোলাহল সৃষ্টি কৰি শিক্ষা আহৰণৰ বাতাবৰণ নষ্ট কৰে।

১০) শিক্ষক আৰু অভিভাৱকৰ মাজত সমন্বয়ৰ অভাৱ।

১১) শিক্ষকৰ যথোপযুক্ত প্ৰশিক্ষণৰ অভাৱ।

১২) প্ৰাথমিক শিক্ষাৰ শিক্ষকসকলৰ চৰকাৰে জাপি দিয়া ওপৰঞ্চি বোজাই শিক্ষাদানত যতি পেলায়।

১৩) সামাজিক পৰম্পৰা আৰু অন্ধবিশ্বাসেও বিভিন্ন ধৰণে প্ৰাথমিক শিক্ষাত বাধাৰ সৃষ্টি কৰিছে।

**আত্মমূল্যায়ন (খ)**

*(টোকা ঃ উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) সাৰ্বজনীনকৰণ মানে কি?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

২) প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ যি কোনো দুটা সমস্যা লিখা।

..........................................................................................

..........................................................................................

৩) অপচয় আৰু অনুন্নয়নৰ দুটা কাৰণ লিখা।

..........................................................................................

..........................................................................................

## ৩.৬ প্ৰাথমিক শিক্ষা সংস্কাৰৰ নতুন আঁচনিসমূহ (Innovative Schemes for reformation of primary education)

তোমালোকে ইতিমধ্যে জানিব পাৰিলা যে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত বিভিন্ন সমস্যাই বাধা দিছে। সমস্যাবোৰ দূৰ কৰিব নোৱাৰিলে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন ৰূপত নিশ্চয় পাব পৰা নাযাব। এতেকে কুৰি শতিকাৰ শেষৰ দুই দশকৰ ভিতৰত প্ৰাথমিক শিক্ষা সংস্কাৰৰ বাবে কিছুমান আঁচনি আৰু কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে। আঁচনিবোৰৰ মূল উদ্দেশ্য হৈছে প্ৰাথমিক শিক্ষাৰ সমস্যাবোৰ আঁতৰ কৰি যাতে সন্তোষজনক শিক্ষা ব্যৱস্থা গঢ়ি তুলিব পাৰি। তোমালোকক এতিয়া চৰকাৰে গ্ৰহণ কৰা বিভিন্ন সংস্কাৰমূলক আঁচনি আৰু কাৰ্যসূচীসমূহৰ বিষয়ে ব্যাখ্যা কৰিম।

### ৩.৬.১ অপাৰেচন ব্লেক বৰ্ড (Operation Black Board)

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে প্ৰাথমিক শিক্ষাৰ সংস্কাৰৰ বাবে অপাৰেচন ব্লেক বৰ্ড (যাক কৃষ্ণফলক আঁচনিও বোলা হয়) নামেৰে এক কাৰ্যসূচী গ্ৰহণ কৰি শিক্ষানুষ্ঠানৰ বৈষয়িক অৱস্থা উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰে। এই কাৰ্যসূচী মতে - প্ৰত্যেক স্কুলত নূন্যতম শিক্ষা সুবিধাসমূহ তলত উল্লেখ কৰা ধৰণৰ হোৱা উচিত -

ক) দুটা ডাঙৰ কোঠা থাকিব লাগিব।

খ) সামগ্ৰী স্বৰূপে - ব্লেক বৰ্ড, মেপ, চাৰ্ট, গোলক, চক্-দাস্তাৰ ইত্যাদি থাকিব লাগিব।

গ) পুথিভঁৰাল থাকিব লাগিব, য'ত শিশুৰ পুথি, অভিধান, আলোচনী, সহায়ক পুথি, বিশ্বকোষ, বাতৰি  কাকত উপলব্ধ হ'ব।

ঘ) খেলা-ধূলাৰ সঁজুলি থাকিব লাগিব।

ঙ) স্কুলৰ ঘন্টা আৰু সংগীতৰ সুবিধাসমূহ থাকিব লাগিব।

চ) ল'ৰা-ছোৱালীৰ পৃথক প্ৰস্ৰাৱগাৰৰ সুবিধা থাকিব লাগিব।

ছ) কমেও দুজনকৈ শিক্ষক নিযুক্তি।

জ) খোৱাপানীৰ সুবিধা।

ঝ) বিজ্ঞান শিক্ষাৰ বিভিন্ন সামগ্ৰী।

ঞ) শিক্ষকৰ হাতত যাৱতীয় খৰচৰ বাবে আৰ্থিক সাহায্য লাগিব।

ওপৰত উল্লেখ কৰা সুবিধাসমূহৰ বাবে আৰ্থিক সাহায্য চৰকাৰে প্ৰদান কৰিব। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা আৰ্থিক সাহায্য যথোচিত ব্যৱহাৰৰ ক্ষেত্ৰত গ্ৰাম্য শিক্ষা সমিতিবোৰে তদাৰক কৰিব।

## ৩.৬.২ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (District Institution of Education and Training) DIET

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰতেই প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশৰ বাবে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান গঠন কৰা হয়। প্ৰাথমিক স্কুলৰ শিক্ষকসকলৰ প্ৰাক্-কৰ্মকালীন (Pre-service training) আৰু কৰ্মকালীন প্ৰশিক্ষণ (In-service training) পাঠ্যক্ৰম সংগঠিত কৰিব পৰাকৈ আৰু ব্যক্তিগতভাৱে অগতানুগতিক (non-formal) আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ বিকাশ ঘটাবলৈ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হ'ব।

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কেতবোৰ আঁচনি তলত আলোচনা কৰা হ'ল -

১) **শিক্ষক প্ৰশিক্ষণ আৰু উদীয়মানকৰণ** - এই আঁচনি অনুসৰি মাজে মাজে সপ্তাহিক, মাহেকীয়া, পযেকীয়া, বছৰেকীয়া, দুবছৰীয়া আদি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। এই প্ৰশিক্ষণত শিক্ষক, প্ৰধান শিক্ষক, নিৰ্দ্দেশক, নিৰীক্ষক, গাঁও শিক্ষা সমিতিৰ সদস্য আৰু বিশেষজ্ঞসকলকো সামৰা হৈছে।

২) জিলা প্ৰাথমিক শিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ বাবে বিভিন্ন শৈক্ষিক সমলৰ (Educational resource support) ব্যৱস্থা কৰা।

৩) জিলা প্ৰাথমিক শিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ সমস্যাসমূহ সমাধান কৰি বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ ক্ষেত্ৰভিত্তিক গৱেষণা (Action research) আৰু পৰীক্ষণৰ ব্যৱস্থা কৰা।

### ৩.৬.৩ জিলা প্ৰাথমিক শিক্ষা আঁচনি (District Primary Education Programme or DPEP)

তোমালোকে জানি সুখী হ'বা যে ১৯৯৮ চনৰ নৱেম্বৰ মাহত বিশ্ববেংক আৰু ইউৰোপীয় আৰ্থিক সাহায্যৰে ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ তত্বাৱধানত প্ৰাথমিক শিক্ষাৰ বিকাশৰ বাবে এখন নতুন আঁচনি (DPEP) বোলা হয়। এই ৫ বছৰীয়া (পাঁচ) আঁচনিখনৰ মুখ্য উদ্দেশ্যসমূহ এনেধৰণৰ -

১) প্ৰাথমিক শিক্ষাৰ সংস্কাৰৰ বাবে ৰাষ্ট্ৰীয় ৰাজ্যিক আৰু জিলা পৰ্যায়ত আঁচনি প্ৰস্তুত কৰণ, পৰিচালন প্ৰশিক্ষণ আৰু গৱেষণাৰ বিকাশ ঘটোৱা।

২) স্কুল এৰি দিয়াৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১০ শতাংশলৈ কমোৱা।

৩) প্ৰাথমিক শিক্ষা আয়ত্বকৰণৰ গড় ২৫ শতাংশলৈকে বঢ়োৱা।

৪) পুৰুষ, মহিলা আৰু জাতি, জনগোষ্ঠীৰ মাজত নাম ভৰ্তিকৰণ, শিক্ষা অপচয় আৰু শিক্ষা গ্ৰহণৰ মাজত থকা প্ৰভেদ আঁতৰ কৰা।

এই জিলা শিক্ষা আঁচনিখন কাৰ্যকৰীকৰণৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচীসমূহ এইবাৰ আলোচনা কৰোঁ আহা -

১) শিক্ষণ সামগ্ৰীসমূহৰ উন্নতি সাধন কৰা।

২) খোৱাপানীৰ সুবিধা কৰা আৰু ছোৱালীৰ বাবে সুকীয়া প্ৰস্ৰাৱগাৰৰ সুবিধা প্ৰদান কৰা।

৩) ৩ - ৬ বছৰৰ শিশুৰ সৰ্বাঙ্গীন বিকাশৰ বাবে প্ৰাক্-প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা।

৪) শিশু মেলা, প্ৰদৰ্শনী আদিৰ আয়োজন কৰা।

৫) প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক শিক্ষাৰ মাজত সমন্বয় আৰু সহযোগিতা স্থাপন কৰা।

৬) সাম্প্ৰদায়িক লোকসকলক ক্ৰিয়া-কলাপত জড়িত কৰি উৎসাহিত কৰা।

৭) বিভিন্ন কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰা শিশুসকলৰ বাবে বিকল্প শিক্ষাৰ ব্যৱস্থা কৰা।

জিলা শিক্ষা আঁচনিখনে শিক্ষাৰ গুণগত মানৰ উন্নতি কৰি প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰি তোলাত এক অভিনৱ প্ৰচেষ্টা গ্ৰহণ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত ভেদভাৱ নোহোৱাকৈ, সমতা ৰক্ষাৰ বাবে নিশ্চয় আঁচনিখনৰ বাস্তৱ পদক্ষেপ বুলিব পাৰি।

### ৩.৬.৪ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ সংস্থা (State Council of Educational Research and Training or NCERT)

১৯৬১ চনত গঢ়ি উঠা জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ সংস্থা (National Counsil of Education Research Training or NCERT) শাখা হিচাবে ৰাজ্যবোৰত SCERT গঢ়ি উঠে। আমাৰ অসমত ইয়াৰ শাখা কেতিয়া স্থাপন হয় জানানে? ১৯৮৫ চনৰ মাৰ্চ মাহত ৰাজ্যিক শিক্ষা সংস্থা গুৱাহাটীত স্থাপন হয়। ইয়াৰ মূল উদ্দেশ্য আছিল স্কুলীয়া শিক্ষা আৰু শিক্ষক প্ৰশিক্ষণৰ গুণগত মান উন্নত কৰা।

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ সংস্থাৰ অন্তৰ্গত আঁচনিসমূহ এইবাৰ আলোচনা কৰোঁ আহাঁ -

১) স্কুলীয়া শিক্ষা আৰু শিক্ষক প্ৰশিক্ষণৰ মান উন্নীকৰণত চৰকাৰৰ অধীনত শীৰ্ষ অনুষ্ঠান ৰূপে কাম কৰা।

২) শিক্ষাৰ পৰিকল্পনা গ্ৰহণ আৰু নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰক প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱা।

৩) পাঠ্যক্ৰম আৰু পাঠ্যপুথি আদি পুনৰীক্ষণ আৰু বিকাশ সাধন কৰা।

৪) প্ৰাথমিক পৰ্যায়ত বৃত্তি পৰীক্ষা পৰিচালনা কৰা।

৫) বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ আৰু নৰ্মাল স্কুলৰ শিক্ষক, শিক্ষা প্ৰশাসক আৰু শিক্ষক প্ৰশিক্ষকসকলৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰশিক্ষণ আঁচনি সংগঠিত কৰি তোলা।

৬) শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানৰ পৰীক্ষা পৰিচালনা কৰা।

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ সংস্থাই বৰ্তমান প্ৰাথমিক

আৰু মাধ্যমিক স্কুলৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰিছে। এই সংস্থাই ১৯৯৩-৯৭ চনৰ ভিতৰত প্ৰায় ২০ হাজাৰ প্ৰাথমিক স্কুলৰ শিক্ষকক প্ৰশিক্ষণ দান কৰিছে বুলি ইতিমধ্যে প্ৰকাশ পাইছে। বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষক সকলৰো প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। এই সংস্থাই শিক্ষকৰ হাত পুথি, শিক্ষা নিৰ্দেশনা আৰু পৰিদৰ্শন আদিৰ পুস্তিকাৰ উপৰিও সাহিত্য পুথি প্ৰকাশৰো পৰিকল্পনা লৈছে। বৰ্তমান সংস্থাই ৰাজ্যিক শৈক্ষিক সম্পদ কেন্দ্ৰ (State Academic resource centre) স্থাপন কৰি বিভিন্ন শৈক্ষিক সংস্থাসমূহৰ এক উমৈহতীয়া মঞ্চ গঠন কৰিছে।

**আত্মমূল্যায়ন (গ)**

১) অপাৰেচন ব্লেক বৰ্ড আঁচনিত কোনবোৰ কথাই প্ৰাধান্যতা পাইছে?

..................................................................................

..................................................................................

..................................................................................

২) জিলা প্ৰাথমিক শিক্ষা আঁচনিখনৰ বিশেষত্ব কি?

..................................................................................

..................................................................................

..................................................................................

৩) ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ সংস্থাৰ সফলতাৰ চমু আভাস দিয়া।

..................................................................................

..................................................................................

..................................................................................

### ৩.৭ সৰ্বশিক্ষা অভিযান (Sarva Shiksha Abhijan, SSA)

তোমালোকে বৰ্তমান সমগ্ৰ দেশতে সৰ্বশিক্ষা অভিযান চলি থকা কথা শুনি আছা, কিন্তু প্ৰকৃততে সৰ্বশিক্ষা অভিযাননো কি ইয়াৰ কাৰ্যপন্থা কেনেধৰণৰ, ইয়াৰ উদ্দেশ্যনো কি, এই কথাখিনিয়ে আমি ইয়াত আলোচনা কৰিম।

প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰি তুলিবৰ বাবে সৰ্বশিক্ষা অভিযান এক অভিনৱ প্ৰচেষ্টা। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়ে কেন্দ্ৰীয় শাসিত অঞ্চলক সামৰি প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ এক সবল বাস্তৱ পদক্ষেপ বুলিব পাৰি। স্বতন্ত্ৰভাৱে ৰাজ্য চৰকাৰেও উন্নতি কৰাৰ সুবিধা পাইছে। এই অভিযানৰ দ্বাৰা প্ৰাথমিক শিক্ষাত পিছপৰি থকা অঞ্চলৰ শিশুসমূহৰ বিকাশ আৰু প্ৰাথমিক শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাত বিশেষ গুৰুত্ব দিয়া হৈছে। তাৰোপৰি এই অভিযানে অনুসূচিত জাতি জন-জাতিৰ ছোৱালীবোৰ আৰু সংখ্যালঘু সম্প্ৰদায়সমূহৰ শিক্ষাৰ বিকাশত বিশেষ গুৰুত্ব আৰোপ কৰিছে। শিক্ষক আৰু অভিভাৱকৰ মাজত সমন্বয় স্থাপনো এই অভিযানৰ এক মহান প্ৰচেষ্টা।

এইখিনিতে আৰু এটা কথা উনুকিয়াই থওঁ যে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষত উল্লিখিত আঁচনিসমূহৰ উপৰিও অন্য কেইখনমান গুৰুত্বপূৰ্ণ আঁচনি গ্ৰহণ কৰা হৈছিল। যেনে - ১৯৭৮ চনৰ ৰাষ্ট্ৰীয় . প্ৰাপ্ত বয়স্ক শিক্ষা কাৰ্যসূচী (National Adult Education Programme), ১৯৮৮ চনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন (National Literacy Mission), ১৯৮৮ চনত জনশিক্ষা নিলয়ম (Jana Siksha Nilayam), ১৯৮৬ চনত পঞ্চম সৰ্ব ভাৰতীয় শিক্ষা জৰীপ (Fifth All India Education Survey), বিহাৰ শিক্ষা প্ৰকল্পকে (Bihar Education Project) আদি কৰি বিভিন্ন আঁচনিৰ জৰিয়তে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীকে সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰদানৰ চেষ্টা কৰিছিল যদিও সকলোবোৰ আঁচনিয়েই কম-বেছি পৰিমাণে ব্যৰ্থ হোৱাত ১৯৯২ -৯৩ চনত কেন্দ্ৰীয় চৰকাৰৰ ৫২ তম ৰাষ্ট্ৰীয় নমুনা জৰীপ (National Sample Survey) আৰু ১৯৯৮ -৯৯ চনৰ ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্য জৰীপ (National Family and Health Survey)ৰ তথ্যৰ ওপৰত ভিত্তি কৰি

প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ প্ৰয়োগকে অন্য এখন আঁচনি গ্ৰহণ কৰে। সেইখনেই হৈছে সৰ্বশিক্ষা অভিযান।

এই অভিযান দশম পৰিকল্পনা (২০০২-২০০৭) শেষ হোৱাৰ আগে আগে সকলো ঠাইতে ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰিব। ১৯৯৯ চনত সৰ্বশিক্ষা অভিযান মিছন নামৰ আঁচনিখন প্ৰস্তুত কৰি ২০০১ চনৰ পৰা কাৰ্যকৰীভাৱে গ্ৰহণ কৰা হয়।

### ৩.৭.১ সৰ্বশিক্ষা অভিযানৰ লক্ষ্য
### (Aims of Sarva Siksha Abhijan or SSA)

এই অভিযানে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত আঞ্চলিক আৰু লিঙ্গ বৈষম্য দূৰ কৰি গুণগত মানবিশিষ্ট প্ৰাথমিক শিক্ষা প্ৰদান আৰু সম্প্ৰসাৰণক গুৰুত্ব দি নিম্নলিখিত লক্ষ্যসমূহ নিৰ্দ্ধাৰণ কৰিছে।

১) ২০০৫ চনৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষানুষ্ঠানতেই হওক, বিকল্প শিক্ষা কেন্দ্ৰতেই হওক শিক্ষা নিশ্চিত কৰি বিদ্যালয়লৈ ঘূৰি অহাৰ (Back-to-School) ব্যৱস্থা কৰিব লাগিব।

২) ২০০৭ চনৰ ভিতৰত সকলো শিশুৱে পাঁচ বছৰীয়া প্ৰাথমিক শিক্ষা সমাপ্ত কৰিব ।

৩) ২০১০ চনৰ ভিতৰত সকলো শিশুৱে যাতে আঠ বছৰীয়া প্ৰাথমিক শিক্ষা সমাপ্ত কৰিব পাৰে।

৪) জীৱনৰ বাবে শিক্ষা বিষয়টোক গুৰুত্ব দি সন্তোষজনক আৰু গুণগত মানৰ প্ৰাথমিক শিক্ষাৰ ওপৰত মনোনিবেশ কৰিব লাগিব।

৫) প্ৰাথমিক শিক্ষাৰ স্তৰত থকা সামাজিক আৰু লিঙ্গ বৈষম্য ২০১০ চনৰ ভিতৰত দূৰ কৰিব লাগিব।

৬) ২০১০ চনৰ ভিতৰত সাৰ্বজনীন সংৰক্ষণ নিশ্চিত কৰা হ'ব।

### ৩.৭.২ সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য
### (Objectives of Sarva Siksha Abhiyan)

বৰ্তমান সমগ্ৰ ভাৰতবৰ্ষতে চলি থকা সৰ্বশিক্ষা অভিযানৰ মূল উদ্দেশ্যসমূহ হৈছে এনেধৰণৰ -

১) প্ৰাথমিক বিদ্যালয়ৰ মান ৰক্ষা কৰিবলৈ শিক্ষানুষ্ঠানসমূহৰ সংস্কাৰ সাধন কৰা।

২) শিক্ষা কাৰ্যসূচীক শিথিলভাৱে ৰাজ্যৰ প্ৰয়োজন অনুসৰি গ্ৰহণযোগ্য কৰি তোলা।

৩) বিদ্যালয় পৰ্যায়লৈকে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ ফলপ্ৰসু বিকেন্দ্ৰীকৰণ ব্যৱস্থা গঢ়ি তোলা।

৪) বিদ্যালয়ৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ নিশ্চিত কৰি অভিযান সফল কৰি তোলা।

৫) শিক্ষানুষ্ঠানবোৰ যে ৰাইজৰ হৈ অনুষ্ঠান এই ধাৰণাটো ৰাইজৰ মাজত প্ৰচাৰ কৰা।

৬) বিদ্যালয়ৰ নিৰ্মাণ অথবা মেৰামতিৰ কামত স্থানীয় সামগ্ৰীৰ ব্যৱহাৰ কৰা আৰু স্থানীয় নিয়োগ সুনিশ্চিত কৰা।

৭) শিশুসকলে আনন্দদায়ক পৰিৱেশৰ মাজেৰে আৰু পৰ্যবেক্ষণ প্ৰক্ৰিয়াৰ মাজেৰে যাতে হাতে কাম শিকিব পাৰে তাৰ ব্যৱস্থা কৰা।

৮) চৰকাৰ, স্থানীয় সংস্থা আৰু ৰাইজৰ মাজত সংহিতপূৰ্ণ বাতাবৰণ সৃষ্টি কৰা।

৯) অনুসূচিত জাতি, জনজাতি, দৰিদ্ৰলোকৰ ল'ৰা-ছোৱালীৰ লগতে শাৰিৰীকভাৱে অক্ষম ল'ৰা-ছোৱালীক সুবিধা প্ৰদান কৰা।

১০) স্ত্ৰী শিক্ষাক প্ৰাধান্য দি মহিলা শিক্ষাৰ বিকাশত উৎসাহ যোগোৱা।

### ৩.৭.৩ সৰ্বশিক্ষা অভিযানৰ কামসমূহ (Functions of Sarva Siksha Abhijan)

ওপৰত উল্লেখ কৰা লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি সৰ্বশিক্ষা অভিযানে তলৰ কাৰ্যসমূহ সম্পাদনা কৰিছে।

১) পৰিকল্পনা আৰু পৰিচালনা ব্যৱস্থাৰ সংস্কাৰ সাধন।

২) শিক্ষাৰ আয়-ব্যয় পৰিচালনা কৰা।

৩) বিদ্যালয়সমূহৰ আন্তঃগাঁঠনি উন্নত কৰা।

৪) শিক্ষাৰ পৰিবেশ শিশুৰ বাবে আকৰ্ষণীয় আৰু আনন্দদায়ক কৰি তোলা।

৫) ক্ষমতা বিকেন্দ্ৰীকৰণ পদ্ধতিৰে প্ৰাথমিক শিক্ষাৰ দায়িত্ব ৰাইজৰ হাতত তুলি দিয়া।

৬) শিক্ষাৰ প্ৰায়োগিক দিশৰ বিকাশ ঘটোৱা।

৭) শিক্ষকসকলৰ বাবে জিলা, খণ্ড আৰু মণ্ডল পৰ্যায়ত বৃত্তিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

৮) শিক্ষকৰ গুণগত মান উন্নীতকৰণৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ত কৰ্মশালা, অধ্যয়ন শিকিবৰ ব্যৱস্থা কৰা।

৯) শিক্ষা প্ৰশাসনৰ মূল্যায়ন ৰূপ, পৰীক্ষা ব্যৱস্থাৰ মূল্যায়ন কৰা আৰু সংস্কাৰ সাধন, শিক্ষক নিয়োগ কৰা, শিক্ষা আইন পুনৰীক্ষণ আৰু পৰ্যালোচনা কৰা।

১০) শিক্ষাৰ ক্ষেত্ৰৰ বিভিন্ন সম্প্ৰদায়ক জড়িত কৰা।

### ৩.৭.৪ সৰ্বশিক্ষা অভিযানৰ আঁচনি ৰূপায়ণৰ গাঁথনি (Frame work of the programme of Sarva Siksha Abhijan)

সৰ্বশিক্ষা অভিযানৰ আঁচনি ৰূপায়ণৰ গাঁথনিৰ বিভিন্ন দিশবোৰ এনেধৰণৰ -

১) প্ৰশাসন (Administration)

২) ৰাজহুৱা কাম-কাজ (Civil Works)

৩) আয়-ব্যয় সম্বন্ধীয় (Accounts)

৪) আঁচনি পৰিচালনা (Programme Management)

৫) কাৰ্য পৰিচালনাৰ খবৰ ব্যৱস্থা (Management information system)

৬) হিচাব নিৰীক্ষণ (Audit)

তোমালোকে এইখিনিতে জানি থোৱা ভাল হ'ব যে উক্ত দিশবোৰ কাৰ্যকৰী কৰিবলৈ ৰাজ্যিক ভিত্তিত আৰু জিলা ভিত্তিত কিছুমান সমন্বয়ক, বিষয়া-কৰ্মচাৰী, সহকাৰী, সহযোগী সমন্বয় ব্যক্তি চৰকাৰে নিয়োগ কৰিছে।

অসম সৰ্বশিক্ষা অভিযান মিছন নামেৰে সমাজ পঞ্জীভূত আইন ১৮৬০ অধীনত এখন ৰাজ্যিক কাৰ্য ৰূপায়ণ সমিতি গঠন কৰা হয়। ইয়াৰ মূল অঙ্গ হ'ল -

১) পৰিচালনা সমিতি (Administration)

২) কাৰ্যকৰী সমিতি (Civil works)

৩) পৰিচালনা সমিতিৰ সভাপতি - ৰাজ্যৰ মুখ্যমন্ত্ৰীজন

৪) উপসভাপতি - ৰাজ্যৰ শিক্ষামন্ত্ৰীজন

৫) কাৰ্যকৰী সমিতিৰ সভাপতি - মুখ্য সচিব

৬) সদস্যসকল - শিক্ষাখণ্ড, স্বাস্থ্য, বিত্তীয় পৰিকল্পনা, সমাজ কল্যাণ আদি বিভাগৰ প্ৰশাসনীয় মুৰব্বী বিষয়াসকল

ৰাজ্যিক কাৰ্য ৰূপায়ণ সমিতিৰ মুখ্য কাৰ্যকৰী বিষয়াজনকে মিছন সঞ্চালক বুলি কোৱা হয়। জিলা ভিত্তিক মিছনৰ কাৰ্য পৰিচালনাৰ দায়িত্ব উপায়ুক্তৰ (ডেপুটি কমিছনাৰৰ) হাতত থাকে। তেওঁ জিলা ভিত্তিত কাৰ্য কৰা দলটোৰ সভাপতিত্ব কৰে। জিলা প্ৰাথমিক শিক্ষা বিষয়াজনক জিলা মিছন সমন্বয়ক (Co-ordinator) বোলা হয়। তেওঁৰ সহায়ক হিচাবে দুজনকৈ সহযোগী জিলা সমন্বয়ক (Associate District Mission Co-ordinator) থাকে।

আঁচনি পৰিচালনা (Programme Management) ৰ শিতানৰ অন্তৰ্ভুক্ত বিষয়বোৰ হ'ল -

১) সমাজৰ সহযোগিতা আৰু বিশেষভাৱে নিক্ষেপ গোটসমূহ (Community participation & special focus groups)

২) শিক্ষক প্ৰশিক্ষণ ব্যৱস্থা (Teacher training pedagogy)

৩) বিকল্প শিক্ষানুষ্ঠান (Alternative Schooling)

৪) সংহতিমূলক শিক্ষা অক্ষম শিশুৰ বাবে আৰু প্ৰাক্-বাল্যকালৰ শিক্ষা (Integrated education for disabled children & early childhood education)

সৰ্বশিক্ষা অভিযানে ২০১০ চনৰ ভিতৰত **'সকলোৰে বাবে শিক্ষা'** (Education for all) কাৰ্যত সক্ৰিয়তাৰে অংশ গ্ৰহণ কৰি আহিছে। শিশু উত্তৰণ কাৰ্যসূচীৰ অধীনত নাম ভৰ্তিকৰণ প্ৰক্ৰিয়া অব্যাহত আছে আৰু শিশুসকলৰ হ্ৰস্বকালীন পাঠ্যক্ৰম প্ৰদানৰ ব্যৱস্থাও কৰা হৈছে। এই অভিযানৰ দ্বাৰা প্ৰতি ডেৰ কি.মি.ৰ অন্তৰে অন্তৰে বিদ্যালয় নথকা অঞ্চলত **'আমাৰ পঢ়াশালি'** নামৰ শিক্ষাকেন্দ্ৰ স্থাপন হৈছে। অসমত বৰ্তমান পাঁচ হাজাৰমান আমাৰ পঢ়াশালি স্থাপন কৰা হৈছে। অসমৰ ৯ খন জিলাত **'আশাদীপ'** নামৰ অভিযানৰ জৰিয়তে দহ বছৰৰ আৰু তাৰ ঊৰ্দ্ধৰ শিশুক আৱাসিক সেতুবদ্ধ পাঠ্যক্ৰম আগবঢ়োৱাৰ ব্যৱস্থাও অব্যাহত আছে। **'শিক্ষা কৰ্মী' 'শিক্ষা সাৰথী'** আদিৰ নিযুক্তিৰ ব্যৱস্থাও এই অভিযানৰে কাৰ্য ৰূপায়ণ প্ৰণালী। তাৰোপৰি অসমত **'জলধাৰ'** আঁচনিৰ জৰিয়তে খোৱাপানীৰ যোগান, প্ৰস্ৰাৱগাৰ, শৌচাগাৰ নিৰ্মাণৰ কামো চলি আছে। শিশুক প্ৰযুক্তিগত জ্ঞান দিয়াৰ উদ্দেশ্য ৫০০ খন মান পৈনত বিদ্যালয়লৈ কম্পিউটাৰৰ যোগান ধৰিছে। তোমালোকৰ আশে-পাশে থকা প্ৰাথমিক স্কুলবোৰৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক সহযোগিতা আৰু উৎসাহিত কৰিবাচোন। তোমালোকৰ সহযোগিতাও সৰ্বশিক্ষা অভিযানৰ অন্যতম উদ্দেশ্য। কণ কণ শিশুসকলক আগবঢ়াই নিয়াটো আমাৰ সকলোৰে দায়িত্ব নহয়নে?

**আত্মমূল্যায়ন (ঘ)**

১) সৰ্বশিক্ষা অভিযানৰ যিকোনো দুটা লক্ষ্য লিখা।

.....................................................................................

.....................................................................................

.....................................................................................

২) সৰ্বশিক্ষা অভিযানৰ মূল গাঁঠনি সম্পৰ্কে চমুকৈ বৰ্ণনা কৰা।

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

**কৰণীয় কৰ্ম**

১) তোমাৰ সমীপৰ প্ৰাথমিক স্কুলত সৰ্বশিক্ষা অভিযান মিছনৰ অধীনত কি কি কাৰ্য ইতিমধ্যে সম্পন্ন হৈছে তাৰ বৰ্ণনা দাঙি ধৰা।

## ৩.৮ সামৰণি (Let us sum up)

এই গোটটোত আমি বিশেষকৈ সাৰ্ব্বজনীনকৰণ বিষয়টোৰ সমস্যাসমূহ বুজিব পাৰিলো। বিভিন্ন জাতি, ধৰ্ম, বৰ্ণেৰে গঠিত ভাৰতবৰ্ষৰ বৈচিত্ৰই প্ৰাথমিক শিক্ষাক সাৰ্বজনীন ৰূপ দিব নোৱাৰাটো এক প্ৰধান কাৰণ। তাৰোপৰি ভাৰতৰ কৃষি ভিত্তিক গ্ৰামাঞ্চলৰ জীৱন যাপন প্ৰণালীয়েও প্ৰাথমিক শিক্ষাৰ অগ্ৰগতিত স্থৱিৰতা আনিছে।

বৰ্তমান ভাৰতত প্ৰৱৰ্তন কৰা সৰ্বশিক্ষা অভিযান আঁচনিৰ পৰ্যায়গত গাঁঠনিয়ে এই শিক্ষাক বহু দিশত সংস্কাৰ কৰা পৰিলক্ষিত হৈছে। এই

গোটটোত আমি ৰাজ্যিক আৰু জিলা পৰ্যায়ত সৰ্বশিক্ষা অভিযান মিছনৰ কাৰ্য ৰূপায়ণ কৰিবলৈ লোৱা ব্যৱস্থাৰ কথাও আলোচনা কৰিলো। তোমালোকে ইতিমধ্যে বুজিব পাৰিছা যে এই অভিযানত ভাৰতবৰ্ষৰ সকলো বিভাগৰ আৰু সকলো শ্ৰেণীৰ মানুহকেই সামৰি লোৱা হৈছে। এই অভিযান সফল কৰাৰ দায়িত্ব তুমি মই সকলোৰেই। আমাৰ সকলোৰেই প্ৰচেষ্টাতহে যে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰি তুলিব পৰা হ'ব এই কথা ইতিমধ্যে সকলোৰেই বুজিব পাৰিছে।

**ঘাই শব্দসমূহ (Key Words)**

**জন বিস্ফোৰণ** - অতি মাত্ৰা জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত সৃষ্টি হোৱা সমস্যাসমূহৰ ভয়াবহতা।

**সাৰ্বজনীন** - সৰ্বত্ৰ, কোনো বাদ নপৰাকৈ সৰ্বব্যাপী।

**অপচয়** - লোকচান, অৰ্থ, সময় আৰু শক্তি অবাবতে খৰচ কৰা।

**অনুন্নয়ন** - আগবাঢ়িব নোৱাৰা, একে ধৰণেই থাকি যোৱা।

**পাঠ্য নিৰ্দ্দেশনা (Suggested Reading)**

১) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, ভাৰতীয় শিক্ষা সমস্যাত দৃষ্টিপাত

২) চলিহা, বেদ কুমাৰ শইকীয়া, তৰুণ শইকীয়া, ৰুণু বৰা ঃ *স্নাতক মহলাৰ ভাৰতৰ শিক্ষাৰ ইতিহাস*, প্ৰকাশন - বিদ্যা ভৱন, যোৰহাট - ১

৩) 'অসম সৰ্বশিক্ষা অভিযান মিছন', বাৰ্ষিক ৰিপৰ্ট, ২০০৬-২০০৭

৪) সৰ্বশিক্ষা অভিযান, অসম - 'প্ৰস্তুতিমূলক সম্ভাৰ', বিশেষ প্ৰশিক্ষণৰ বাবে ২০১১ চন সৰ্বশিক্ষা অভিযান, অসম, কাহিলীপাৰা, গুৱাহাটী - ১৯

## সম্ভাব্য উত্তৰ (Probable Answers)

### আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ

১) প্ৰাথমিক শিক্ষাৰ উদ্দেশ্যসমূহৰ ভিতৰত মুখ্য উদ্দেশ্য দুটা হ'ল - শিশুৰ স্বাস্থ্যৰক্ষা কৰি ভৱিষ্যতৰ সু-স্বাস্থ্যৰ অধিকাৰী কৰা আৰু মানসিকভাৱে শক্তিশালী আৰু সু-চিন্তাৰ অধিকাৰী কৰা।

২) প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিভিন্ন দিশ গোটটোত উল্লেখ কৰা হৈছে যদিও সু-নাগৰিকত্বৰ বিকাশ সাধন আৰু পৰিৱেশ সংৰক্ষণৰ বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন আহি পৰিছে।

### আত্মমূল্যায়ন (খ) ৰ উত্তৰ ঃ

১) সাৰ্বজনীনকৰণ মানে প্ৰাথমিক শিক্ষা ভাৰতবৰ্ষ তথা অসমৰ সকলো শ্ৰেণীৰ মানুহৰ মাজতেই উপলব্ধ হওক। শিক্ষা যিহেতু মৌলিক অধিকাৰ, গতিকে এই শিক্ষাৰ পৰা যাতে কোনো বাদ পৰিব নোৱাৰে।

২) প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ প্ৰধান দুটা কাৰণ হ'ল-অপচয় আৰু অনুন্নয়ন।

৩) অপচয় আৰু অনুন্নয়নৰ দুটা কাৰণ হ'ল -

ক) আৰ্থিক দুৰৱস্থা

খ) শিক্ষানুষ্ঠানৰ দুৰ্বল আন্তঃগাঁঠনি।

### আত্মমূল্যায়ন (গ) ৰ উত্তৰ ঃ

১) অপাৰেচন ব্লেক বৰ্ড আঁচনিত কিছুমান বিষয়ত বিশেষ গুৰুত্ব দিয়া হৈছে - খোৱাপানী, পুথিভৰাঁল, খেলাৰ ব্যৱস্থা, শ্ৰেণীকোঠা আৰু আনুষঙ্গিক শিক্ষণীয় সামগ্ৰী, প্ৰস্ৰাৱগাৰ ইত্যাদি।

২) জিলা প্ৰাথমিক শিক্ষা আঁচনিখন বিশ্ববেংক আৰু ইউৰোপীয় গোষ্ঠীয়ে দিয়া আৰ্থিক সাহায্যত গঢ়ি উঠিছিল। আঁচনিখনে সমতা ৰখাৰ বাবে

বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

৩) ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণত বিশেষ সফলতা লাভ কৰিছে। কিয়নো এই প্ৰতিষ্ঠানে ১৯৯৩-৯৭ চনৰ ভিতৰত ২০ হাজাৰ শিক্ষকক প্ৰশিক্ষণ দিয়াৰ কথা ইতিমধ্যে প্ৰকাশ পাইছে। বৰ্তমান সংস্থাটোৱে ৰাজ্যিক শৈক্ষিক সম্পদ কেন্দ্ৰও গঢ়ি তুলিছে। তাৰোপৰি গৱেষণামূলক কামো অব্যাহত ৰাখিছে।

**আত্মমূল্যায়ন (ঘ) ৰ উত্তৰ ঃ**

১) সৰ্বশিক্ষা অভিযানৰ যি কোনো দুটা লক্ষ্য হ'ল -

(ক) প্ৰাথমিক শিক্ষাৰ স্তৰত থকা সামাজিক আৰু লিঙ্গ বৈষম্য ২০১০ চনৰ ভিতৰত দূৰ কৰা

আৰু

(খ) ২০১০ চনৰ ভিতৰত সাৰ্বজনীন সংৰক্ষণ নিশ্চিত কৰা।

২) সৰ্বশিক্ষা অভিযানৰ মূল গাঁথনি হ'ল -

(ক) পৰিচালনা সমিতি (খ) কাৰ্যকৰী সমিতি

ঃ কাৰ্য ৰূপায়ণৰ ইয়াৰ বিভিন্ন দিশসমূহ হ'ল -

- প্ৰশাসনীয় দিশ
- ৰাজহুৱা কাম-কাজ
- আয়-ব্যয়
- আঁচনি পৰিচালনা
- কাৰ্য পৰিচালনাৰ খবৰ ব্যৱস্থা
- হিচাব নিৰীক্ষণ

## আৰ্হি প্ৰশ্ন - (Model Questions)

১) প্ৰাথমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ কেনেধৰণৰ, বহলাই আলোচনা কৰা।

২) প্ৰাথমিক শিক্ষা কিয় প্ৰয়োজন?

৩) সাৰ্বজনীন প্ৰাথমিক শিক্ষা মানে কি বুজা?

৪) সাৰ্বজনীনকৰণৰ কাৰ্যকৰী দিশসমূহ আলোচনা কৰা।

৫) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতা কৰণৰ সমস্যাসমূহ আলোচনা কৰা।

৬) অপচয় আৰু অনুন্নয়ন মানে কি বুজা?

৭) অপচয় আৰু অনুন্নয়নৰ কাৰণসমূহ ফঁহিয়াই বৰ্ণনা কৰা।

৮) প্ৰাথমিক শিক্ষা সংস্কাৰৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ কি কি আলোচনা কৰা।

৯) সৰ্বশিক্ষা অভিযান কি?

১০) সৰ্বশিক্ষা অভিযানৰ লক্ষ্যকেইটা কি কি?

১১) সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্যসমূহ কেনেধৰণৰ?

১২) সৰ্বশিক্ষা অভিযানৰ কাৰ্যসমূহ ব্যাখ্যা কৰা।

১৩) সৰ্বশিক্ষা অভিযানৰ গাঁঠনি সম্পৰ্কে বহলাই আলোচনা কৰা।

১৪) অসমত সৰ্বশিক্ষা অভিযান মিছনৰ কাৰ্য সম্পৰ্কে আলোচনা কৰা।

১৫) তুমি দেখা প্ৰাথমিক স্কুলত সৰ্বশিক্ষা মিছনৰ অধীনত কেনেধৰণৰ কাৰ্যসূচী ৰূপায়ণ হৈছে তাৰ চমু আভাস দাঙি ধৰা।

## প্ৰসঙ্গ পুথি

### অসমীয়া

১) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, লয়াৰ্ছ বুক ষ্টল,গুৱাহাটী।

২) চলিহা আৰু অন্যান্য ঃ *স্নাতক মহলাৰ ভাৰতৰ শিক্ষাৰ ইতিহাস*, বনলতা প্ৰকাশন।

৩) বৰুৱা, যতীন ঃ *ভাৰতীয় শিক্ষা সমস্যাত দৃষ্টিপাত*, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

**ইংৰাজী**

Shukla, P.D. : *The New Education Policy in India*, Sterling Publishers Private Limited.

Aggarwal, J.C. : *Development and Planning of Modern Education*, Ninth Edition, Vikash Publishing house Pvt. Ltd.

Axom Sarba Siksha Abhijan Mission, Annual Report (2006-07 ), Kahilipara, Guwahati - 781019.

## খণ্ড - ৫
## গোট - ৪ ঃ মহিলা সবলীকৰণৰ বাবে শিক্ষা

**গোট গঠন বিন্যাস (Unit Structure)**


**৪.০ উদ্দেশ্য**

**৪.১ প্ৰস্তাৱনা**

**৪.২ মহিলা সবলীকৰণৰ ধাৰণা**

৪.২.১ মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ উদ্দেশ্য

৪.২.২ মহিলা সবলীকৰণত শিক্ষাৰ ভূমিকা

আত্মমূল্যায়নৰ প্ৰশ্ন

৪.৩ **প্ৰাচীন ভাৰতত মহিলা শিক্ষা**

৪.৩.১ বৈদিক যুগত মহিলা শিক্ষা

৪.৩.২ বৌদ্ধ যুগত মহিলা শিক্ষা

৪.৩.৩ ইছলাম যুগৰ মহিলা শিক্ষা

৪.৪ **ইংৰাজ শাসনকালত মহিলা শিক্ষা**

৪.৫ **স্বাধীনোত্তৰ কালত মহিলা শিক্ষা**

আত্মমূল্যায়নৰ প্ৰশ্ন

৪.৬ **মহিলা সবলীকৰণৰ ক্ষেত্ৰত থকা সমস্যাসমূহ**

৪.৭ **মহিলা সবলীকৰণৰ ক্ষেত্ৰত থকা সমস্যাসমূহৰ সমাধানৰ উপায়**

আত্মমূল্যায়নৰ প্ৰশ্ন

৪.৮ **সামৰণি**

ঘাই শব্দসমূহ

পাঠ নিৰ্দ্দেশনা

সম্ভাব্য উত্তৰ

আৰ্হি প্ৰশ্ন

প্ৰসংগ পুথি

## ৪.০ উদ্দেশ্য (Objective)

এই গোটটো পঢ়াৰ পাছত তোমালোকে -

(১) মহিলা সবলীকৰণৰ অৰ্থ ভালদৰে ব্যাখ্যা কৰিব পাৰিবা।

(২) মহিলা সবলীকৰণৰ বাবে যে শিক্ষাই অন্যতম আহিলা তাক ব্যাখ্যা কৰিব পাৰিবা।

(৩) মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ উদ্দেশ্যসমূহ আলোচনা কৰিব পাৰিবা।

(৪) স্বাধীনোত্তৰ কালত মহিলা শিক্ষাৰ অগ্ৰগতিৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিবা।

(৫) মহিলা শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যাসমূহ আৰু ইয়াৰ সমাধানৰ বাবে পৰামৰ্শাৱলী আলোচনা কৰিব পাৰিবা।

## ৪.১ প্ৰস্তাৱনা (Introduction)

তোমালোকে নিশ্চয় জানা যে মহিলা সবলীকৰণ বিষয়টো বৰ্তমান সময়ত এক অতি গুৰুত্বপূৰ্ণ বিষয়। মহিলা সবলীকৰণ বুলিলে আমি ইয়াকে বুজি পাওঁ যে সমাজৰ নাগৰিক মহিলাসকলক পুৰুষসকলৰ সমানেই সকলো কামতেই অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰা আৰু সমান সামাজিক মৰ্যাদা প্ৰদান কৰা। মহিলা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাক এক অন্যতম আহিলা হিচাপে গণ্য কৰিব পাৰি। কাৰণ শিক্ষাই মহিলাসকলক শিক্ষিত আৰু জ্ঞানী কৰি তুলি সামাজিক বিকাশৰ বিভিন্ন দিশত অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণা যোগাব।

এই গোটত আমি মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ উদ্দেশ্য, আমাৰ ভাৰতবৰ্ষত বিভিন্ন সময়ত মহিলা শিক্ষাৰ বিকাশ তথা ইয়াৰ যোগেদি মহিলা সবলীকৰণ, মহিলা সবলীকৰণৰ ক্ষেত্ৰত আমাৰ সমাজত থকা বিভিন্নধৰণৰ সমস্যাসমূহ আৰু সমস্যাসমূহ সমাধানৰ বাবে পৰামৰ্শৱলী, মহিলা সবলীকৰণৰ বাবে থকা বিভিন্ন ধৰণৰ চৰকাৰী আৰু বেচৰকাৰী আঁচনিসমূহ ইত্যাদিৰ বিষয়ে আলোচনা কৰিম।

এই গোটটো পঢ়াৰ পিছত তোমালোকে মন কৰিবাচোন কিদৰে সমাজৰ

সামগ্ৰিক বিকাশত মহিলাসকলৰ অৰিহণা থাকে আৰু এই অৰিহণাই সমাজখনক কি দৰে আগুৱাই নিব পাৰে। মহিলা শিক্ষা আৰু সবলীকৰণ অবিহনে যে আমাৰ সমাজখন বহুত পিছপৰি থাকে সেয়া তোমালোক এই গোটটো অধ্যয়নৰ জৰিয়তে বুজি উঠিব পাৰিবা।

## ৪.২ মহিলা সবলীকৰণৰ ধাৰণা (Concept of Women Empowerment)

মহিলা সবলীকৰণ বুলিলে সাধাৰণ অৰ্থত কি বুজা যায়, সেই সম্পৰ্কে তোমালোকক ইতিমধ্যে এশাৰী বাক্যত কৈ অহা হৈছে। বৰ্তমান আমাৰ সমাজখন যথেষ্ট দ্ৰুতগতিত পৰিবৰ্তিত হৈছে আৰু পুৰুষসকলৰ দৰেই সমাজৰ মহিলাসকলো বিভিন্ন দিশত আগবাঢ়ি গৈ নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰিছে। সমাজত সকলো দিশতে, যেনে - সামাজিক, ৰাজনৈতিক, ধৰ্মীয়, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি দিশত মহিলাসকলেও সমানেই অংশগ্ৰহণৰ সুবিধা পোৱাটোকেই মহিলা সবলীকৰণ বুলি ক'ব পাৰি। মহিলা সবলীকৰণ বৰ্তমান আমাৰ সমাজৰ সৰ্বাংগীন উন্নতিৰ বাবে অতি প্ৰয়োজনীয় হৈ পৰিছে। সমাজৰ যিহেতু আধা অংশই মহিলা, গতিকে সমাজৰ এটা অংশক বাদ দি কেতিয়াও সমাজৰ উন্নতি হ'ব নোৱাৰে। গতিকে আমি এই বিষয়ে আলোচনা কৰোঁ আঁহা।

### ৪.২.১ মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ উদ্দেশ্য (Objectives of Education for Women Empowerment)

আমি জানো যে প্ৰত্যেক কামৰে এটা নিৰ্দ্দিষ্ট উদ্দেশ্য বা লক্ষ্য থাকে। ঠিক সেইদৰে শিক্ষাৰ ক্ষেত্ৰতো প্ৰত্যেকৰে নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থাকে। প্ৰত্যেকৰে উদ্দেশ্যসমূহ বেলেগ বেলেগ হয়। গতিকে, মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ ক্ষেত্ৰতো কেতবোৰ উদ্দেশ্য আছে। তাৰে কেইটামান উদ্দেশ্যৰ বিষয়ে আমি ইয়াত আলোচনা কৰিম।

**(১) মহিলাসকলৰ সৰ্বতোমুখী বিকাশ সাধন কৰা ঃ** মহিলাসকলৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক, সাংস্কৃতিক, নৈতিক, ৰাজনৈতিক, সামাজিক,

অৰ্থনৈতিক ইত্যাদি সকলো দিশৰ বিকাশ সাধন কৰাটোৱেই মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ অন্যতম প্ৰধান উদ্দেশ্য বুলি ক'ব পাৰি।

(২) **অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলা ঃ** সমাজৰ মহিলাসকলক অৰ্থনৈতিকভাৱে টনকিয়াল কৰি সমাজ তথা দেশৰ বিকাশত সহায় কৰাটো মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ আন এটা উদ্দেশ্য।

(৩) **গণতান্ত্ৰিক ভাবধাৰাৰ বিকাশ ঘটোৱা ঃ** সমাজৰ মহিলাসকলৰ মাজত সুস্থ গণতান্ত্ৰিক ভাবৰ বিকাশ ঘটাই তেওঁলোকক একোগৰাকী সুস্থ গণতান্ত্ৰিক নাগৰিক হিচাপে গঢ়ি তোলাটো মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ উদ্দেশ্য।

(৪) **নেতৃত্ব গুণৰ বিকাশ সাধন কৰা ঃ** সমাজত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ধৰ্মীয়, ব্যৱসায়িক ইত্যাদি সকলো দিশতে নেতৃত্ব প্ৰদান কৰিব পৰাকৈ মহিলাসকলক শিক্ষা প্ৰদান কৰাই ইয়াৰ উদ্দেশ্য।

(৫) **সুপ্ত প্ৰতিভা বিকাশৰ সুবিধা প্ৰদান কৰা ঃ** মহিলাসকলৰ সুপ্ত প্ৰতিভাৰ বিকাশ আৰু ইয়াক প্ৰকাশৰ উপযুক্ত সুবিধা প্ৰদান কৰাটো মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ অন্যতম উদ্দেশ্য।

(৬) **সমাজক দ্ৰুতগতিত আধুনিকীকৰণ কৰি তোলা ঃ** মহিলাসকলৰ শিক্ষাই সমাজৰ আধুনিকীকৰণ খৰতকীয়া কৰি তুলিব পাৰে। গতিকে সমাজত আধুনিকীকৰণৰ গতি দ্ৰুত কৰি তুলি সমাজৰ বিকাশ সাধন কৰিবৰ কাৰণে মহিলা সবলীকৰণৰ শিক্ষা প্ৰয়োজন।

(৭) **জনসংখ্যা নিয়ন্ত্ৰণ ঃ** আমাৰ ভাৰতবৰ্ষৰ দৰে দেশত অভূতপূৰ্বভাৱে বৃদ্ধি পোৱা জনসংখ্যাক নিয়ন্ত্ৰণ কৰিবৰ কাৰণে মহিলা শিক্ষাৰ অতি প্ৰয়োজন। কিয়নো জনসংখ্যা নিয়ন্ত্ৰণৰ দ্বাৰা সুস্থ সামাজিক বিকাশৰ ক্ষেত্ৰত পুৰুষসকলতকৈ মহিলাসকলৰ বেছি অৰিহণা আছে।

(৮) **শিশু কল্যাণ আৰু স্বাস্থ্য সচেতনতাৰ সৃষ্টি ঃ** মহিলাসকল অৰ্থাৎ মাতৃসকল শিক্ষিত হ'লেহে তেওঁলোক স্বাস্থ্য সম্পৰ্কে সচেতন হ'ব আৰু পৰিয়ালৰ তথা সমাজৰ সদস্যসকলৰ বিকাশত গুৰুত্ব দিব পাৰিব। গতিকে, মহিলাসকলৰ শিক্ষাৰ জৰিয়তে স্বাস্থ্য সচেতনতাৰ সৃষ্টি হোৱাৰ লগতে শিশু কল্যাণ তথা সমাজৰো কল্যাণ সাধন হ'ব।

## ৪.২.২ মহিলা সবলীকৰণত শিক্ষাৰ ভূমিকা (Role of Education in Women Empowerment)

তোমালোকক আগতেই কৈ আহিছো যে বৰ্তমান সময়ত মহিলা সবলীকৰণৰ বাবে শিক্ষা অতি গুৰুত্বপূৰ্ণ। গতিকে এই শিক্ষাৰ ভূমিকা অতি মহান আৰু গুৰুত্বপূৰ্ণ।

মহিলা সবলীকৰণত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল এখন দেশৰ সাংস্কৃতিক অথবা আধ্যাত্মিক দিশৰ প্ৰতিফলন নাৰীয়েহে কৰিব পাৰে। নাৰীও পুৰুষৰ দৰেই মানুহ। তেওঁলোকৰো বিকাশৰ অধিকাৰ আছে। সমাজত শিক্ষিত মহিলা অবিহনে শিক্ষিত পুৰুষ হ'ব নোৱাৰে। যদি সৰ্বসাধাৰণ শিক্ষা পুৰুষ বা মহিলাক দিব লাগে তেন্তে প্ৰথমে মহিলাকহে দিয়া উচিত যাতে পিছৰ পুৰুষো তেওঁলোকৰদ্বাৰা শিক্ষিত হ'ব পাৰে। ১৯৬৪-১৯৬৬ চনৰ কোঠাৰী আয়োগে উল্লেখ কৰিছে বৰ্তমান আধুনিক যুগত মহিলাৰ ভূমিকা ঘৰৰ মাজতে সীমাবদ্ধ নহয়। তেওঁলোক সকলো দিশতে সম-অংশীদাৰ হ'ব লাগিব।

শিক্ষাই মহিলাসকলৰ বিকাশৰ ক্ষেত্ৰত নিম্নোলিখিত ধৰণেৰে ভূমিকা গ্ৰহণ কৰিব পাৰে -

**(১) সমাজৰ উন্নয়ন প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে উৎসাহ প্ৰদান ঃ** আমাৰ সমাজৰ উন্নয়নমূলক কাৰ্যকলাপত অংশগ্ৰহণ কৰি মহিলাসকলক প্ৰয়োজনীয় জ্ঞান, কৌশল আৰু আত্মবিশ্বাসেৰে কৰ্তব্য আৰু দায়িত্ব পালন কৰাত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**(২) কু-সংস্কাৰ আৰু অন্ধবিশ্বাস দূৰীকৰণ ঃ** সমাজৰপৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস দূৰীকৰণ কৰি শিক্ষাই মহিলা সবলীকৰণৰ ক্ষেত্ৰত এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

**(৩) লিংগ বৈষম্য দূৰ কৰা ঃ** আমাৰ সমাজৰ অন্যতম সমস্যাস্বৰূপ লিংগ বৈষম্য দূৰ কৰি শিক্ষাই মহিলা সবলীকৰণত সহায় কৰে।

**(৪) যৌতুক প্ৰথা, বাল্য বিবাহ আদি সামাজিক বিকাৰ নিৰ্মুলকৰণ ঃ** যৌতুক প্ৰথা, পৰ্দা প্ৰথা, বাল্য বিবাহ আদি সামাজিক বিকাৰসমূহ নাইকিয়া কৰি

মহিলা শিক্ষাৰ প্ৰসাৰ তথা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

**(৫) বিজ্ঞানসন্মত মানসিকতা গঢ় দি তোলা ঃ** শিক্ষাৰ প্ৰসাৰে সমাজত বিজ্ঞানসন্মত মানসিকতাৰো প্ৰসাৰ ঘটায়। শিক্ষাই মহিলাসকলৰ মাজতো নতুন মানসিকতা গঢ়ি তুলি ৰক্ষণশীল আৰু পৰম্পৰাগত ভাৱধাৰা দূৰ কৰাত সহায় কৰে।

**(৬) মূল্যবোধ গঢ়ি তোলা ঃ** সমাজত নৈতিক, আধ্যাত্মিক, ধৰ্মীয়, সাংস্কৃতিক আৰু মানবীয় মূল্যবোধ গঢ়ি তোলা আৰু প্ৰসাৰ কৰাৰ ক্ষেত্ৰত শিক্ষাই মহিলাসকলক অনুপ্ৰাণিত কৰি তোলে।

**(৭) দৰিদ্ৰতা নিৰ্মূলকৰণ ঃ** সমাজৰ দৰিদ্ৰতা নিৰ্মূলকৰণৰ ক্ষেত্ৰতো শিক্ষাৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। কিয়নো শিক্ষাই অৰ্থনৈতিক উন্নয়নৰ জৰিয়তে সমাজখন স্বাৱলম্বী কৰি আগুৱাই নিয়ে। মহিলাসকলো পুৰুষসকলৰ দৰে শিক্ষিত হৈ অৰ্থনৈতিক স্বাবলম্বিতা অৰ্জন কৰিলে সমাজৰপৰা দৰিদ্ৰতা নিৰ্মূল কৰিব পৰা যাব।

**(৮) বৌদ্ধিক দিশৰ যোগ্যতা বিকাশত সহায় কৰা ঃ** শিক্ষাই উক্ত দিশসমূহৰ বিকাশৰ লগতে বৌদ্ধিক বিকাশো সম্ভৱ কৰি তোলে। বৰ্তমান বৌদ্ধিক সমাজখনৰ লগত ফেৰ মাৰিব পৰাকৈ শিক্ষাই মহিলাসকলক উপযুক্ত কৰি তোলে।

গতিকে, তোমালোকে ওপৰৰ আলোচনাৰপৰা শিক্ষাই কেনেদৰে মহিলা সবলীকৰণ সম্ভৱ কৰি তোলে তাক নিশ্চয় বুজিব পাৰিছা।

## আত্মমূল্যায়ন (ক)

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১. মহিলা সবলীকৰণৰ বাবে শিক্ষা বুলিলে কি বুজা?

.......................................................................................

.................................................................................

.................................................................................

.................................................................................

২. মহিলা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাই কেনেদৰে ভূমিকা পালন কৰিব পাৰে?

.................................................................................

.................................................................................

.................................................................................

.................................................................................

## ৪.৩ প্ৰাচীন ভাৰতত মহিলা শিক্ষা

## (Women Education in ancient India)

আমাৰ প্ৰাচীন ভাৰতবৰ্ষত মহিলাসকলৰ বেছি শিক্ষা-দীক্ষা নাছিল। বহুসময়ত তেওঁলোক শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত হৈছিল। এই বিষয়ে আমি এতিয়া ভালদৰে আলোচনা কৰিম। প্ৰাচীন ভাৰতবৰ্ষত বিভিন্ন সময়ত মহিলাসকলৰ শিক্ষাগত পৰিস্থিতি কেনে আছিল সেই সম্পৰ্কে তোমালোকে তলৰ আলোচনাৰপৰা ব্যাখ্যা কৰিব পাৰিবা।

### ৪.৩.১ বৈদিক যুগত মহিলা শিক্ষা

### (Women Education in Vedic Period)

প্ৰাচীন ভাৰতীয় শিক্ষাত বিশেষকৈ বৈদিক যুগত প্ৰথমাৱস্থাত নাৰীসকলে পুৰুষৰ সমানেই নিজৰ শৈক্ষিক গুণাৱলী বিকাশ কৰিবৰ কাৰণে সুবিধা পাইছিল। সেই সময়ত বহুতো মহিলাই নিজক প্ৰতিষ্ঠা কৰিবলৈও সক্ষম

হৈছিল। বৈদিক যুগৰ যাগযজ্ঞ, পূজা-অৰ্চনা আদিত মহিলাসকলেও বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বেদৰ, বিশেষকৈ ঋক-বেদৰ বহুতো অংশৰ ৰচনা নাৰীয়ে কৰিছিল বুলি জানিব পাৰি। তদুপৰি বৈদিক সাহিত্য আহৰণতো নাৰীৰ যথেষ্ট দখল আছিল। দৰ্শন আৰু তৰ্কশাস্ত্ৰৰ দৰে কোনো কোনো বিষয়ত অনেক সময়ত তেওঁলোকে পুৰুষসকলকো চেৰাই গৈছিল। উপনিষদৰ যুগত মৈত্ৰেয়ীয়ে দৰ্শন শাস্ত্ৰত বিশেষ পাৰদৰ্শিতা লাভ কৰিছিল। আন এগৰাকী নাৰী গাৰ্গীয়ে দাৰ্শনিক আৰু ভাষাবিদৰূপে পাৰদৰ্শিতা লাভ কৰি প্ৰখ্যাত হৈ উঠিছিল। সেই সময়ৰ মহীয়সী মহিলাসকলৰ অন্যতম আছিল অপলা, লোপামুদ্ৰা, মৈত্ৰেয়ী, গাৰ্গী ইত্যাদি।

বৈদিক যুগৰ নাৰী শিক্ষা ঐতিহ্যপূৰ্ণ আছিল যদিও উত্তৰ-বৈদিক কালত বিভিন্ন কাৰণত মহিলা শিক্ষা অৱদমিত হ'বলৈ ধৰে আৰু পিছৰ পৰ্যায়ত মহিলা শিক্ষাক সম্পূৰ্ণৰূপে অপ্ৰয়োজনীয় বিষয় বুলি ভবা হয়।

### ৪.৩.২ বৌদ্ধ যুগত মহিলা শিক্ষা

**(Women Education in Buddhist Period)**

বৌদ্ধ যুগত নাৰী শিক্ষাক সম্পূৰ্ণৰূপে অৱহেলিত কৰা হয়। নাৰীসকল অৱহেলিত তথা দুৰ্বল শ্ৰেণী বুলি গণ্য কৰি নিম্নস্তৰত স্থান দিয়া হয়। বাল্যবিবাহ আদিৰ দৰে নাৰী প্ৰগতিৰ অনিষ্টকাৰী নিয়ম সমাজত আহি পৰে। ফলত নাৰীসকল শিক্ষা গ্ৰহণৰ সুবিধাৰ পৰা বঞ্চিত হৈ পৰে। কিন্তু, বৌদ্ধ শিক্ষা ব্যৱস্থাত পুৰুষৰ কাৰণে নিম্ন পৰ্যায়ৰপৰা উচ্চ পৰ্যায়লৈকে অনেক শিক্ষাকেন্দ্ৰ স্থাপন কৰা হ'ল। কিন্তু নাৰীসকল ইয়াত শিক্ষা লাভৰ পৰা বঞ্চিত হ'ল। অৱশ্যে, এই সময়ছোৱাত নাৰীশিক্ষাৰ প্ৰতি গুৰুত্ব দিয়া হোৱা নাছিল যদিও সেই সময়ৰ বিভিন্ন পাৰদৰ্শী নাৰীৰ বিষয়েও জানিব পৰা যায়। সংঘমিত্ৰা, অনুপমা আদি সেই সময়ৰ বিদ্বান নাৰী আছিল। গতিকে, ক'ব পাৰি যে ৰাজপৰিয়াল নাইবা অভিজাত পৰিয়ালৰ এগৰাকী নাৰীয়ে ঘৰুৱা শিক্ষাৰ জৰিয়তে শিক্ষিত হ'ব পাৰিছিল। অৱশ্যে, এই যুগত মহিলা শিক্ষাক আমি কেতিয়াও সন্তোষজনক বুলি ক'ব নোৱাৰো।

### ৪.৩.৩ ইছলাম যুগৰ মহিলা শিক্ষা
### (Women Education in Islamic Period)

মধ্যযুগত ইছলামসকলৰ ৰাজত্বকালত মহিলা শিক্ষাৰ অৱস্থাৰ যথেষ্ট অৱনতি ঘটে। এই সময়ত ইছলামীয় মহিলাসকলৰ মাজত পৰ্দা প্ৰথাৰ যথেষ্ট প্ৰচলন আছিল। এই পৰ্দা প্ৰথাই নাৰী শিক্ষাৰ প্ৰধান অন্তৰায় আছিল। গতিকে মহিলাসকলৰ শিক্ষাৰ বিশেষ প্ৰসাৰ হোৱা নাছিল। সৰ্বসাধাৰণ মহিলা শিক্ষা লাভৰ পৰা বঞ্চিত আছিল। অৱশ্যে ৰাজ পৰিয়াল আৰু অভিজাত পৰিয়ালৰ বহুতো ছোৱালীক ঘৰুৱা শিক্ষকৰ বন্দোবস্ত কৰি শিক্ষা প্ৰদান কৰা হৈছিল। তেওঁলোকৰ ভিতৰত বহুতো মহিলাই নিজকে বিদ্বান হিচাপে প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য আছিল বাবৰৰ জীয়েক গুলবদন, নুৰজাহান, মমতাজ, জেবুন্নিছা, জাহানাৰা, চালমা, চুলতানা আদি। তেওঁলোকে আৰবী আৰু পাৰ্চী ভাষা চৰ্চা কৰি সমকালীন সাহিত্যলৈ নিজৰ অবদান আগবঢ়োৱাৰ উপৰিও নানা বিষয় অধ্যয়নৰ জৰিয়তে খ্যাতি লাভ কৰিছিল। অৱশ্যে, স্ত্ৰী শিক্ষাব্যৱস্থা সেই সময়ত যথেষ্ট সংকুচিত আছিল বুলিয়ে ক'ব পাৰি।

### ৪.৪ ইংৰাজ শাসনকালত মহিলা শিক্ষা
### (Women Education during British Period)

পুৰণি সময়ছোৱাত আমাৰ ভাৰতবৰ্ষত যে মহিলা শিক্ষাৰ ছবিখন বিশেষ সন্তুষ্টিদায়ক নাছিল সেই কথা আমি ইতিমধ্যে ওপৰৰ আলোচনাৰ পৰা বুজিব পাৰিলো। এতিয়া আমি ভাৰতবৰ্ষলৈ ইংৰাজসকলৰ আগমনৰ পিছত মহিলা শিক্ষাই কেনেধৰণৰ ৰূপ গ্ৰহণ কৰিছিল সেই বিষয়ে আলোচনা কৰিম।

প্ৰথম অৱস্থাত ভাৰতবৰ্ষত বেহা-বেপাৰৰ অৰ্থে অহা ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ প্ৰাৰম্ভিক কালছোৱাত ভাৰতবৰ্ষত নাৰী শিক্ষা সম্পূৰ্ণৰূপে অৱহেলিত হৈ আছিল। ছোৱালীৰ কাৰণে কোনো বিশেষ শিক্ষানুষ্ঠান নাছিল আৰু ছাত্ৰীৰ সংখ্যাও তেনেই নগন্য আছিল। পিছৰ পৰ্যায়ত উদৰ নিৰ্দ্দেৰ্শনামা (১৮৫৪) ৰ যোগেদি মহিলা শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে বুলি কোৱা হৈছিল। ভাৰতবৰ্ষৰ ৰাজা ৰামমোহন ৰায়ৰ নেতৃত্বৰ গঠন হোৱা

ব্ৰাহ্মসমাজে নাৰী শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাইছিল। মিছনেৰীসকলেও বম্বে, কলিকতা আৰু মাদ্ৰাজত কেবাখনো ছোৱালী স্কুল প্ৰতিষ্ঠা কৰিছিল। লাহে লাহে জনসাধাৰণৰ মাজত স্ত্ৰী শিক্ষাৰ প্ৰতি সচেতনতা বৃদ্ধি পাবলৈ ধৰে।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰা স্ত্ৰী শিক্ষাৰ বিকাশৰ গতি খৰতকীয়া হ'বলৈ আৰম্ভ কৰে। দেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ধাৰণাটোৱে সকলোকে সচেতন কৰি তোলে। স্ত্ৰী শিক্ষাৰ বহুতো নতুন আঁচনি গঢ়ি তোলা হয় আৰু মহিলাৰ বাবে আচুতীয়া শিক্ষানুষ্ঠান স্থাপন কৰা হয়। লাহে লাহে স্ত্ৰী শিক্ষাৰ প্ৰসাৰ হ'বলৈ আৰম্ভ কৰে। ভিতৰুৱা অঞ্চলত স্ত্ৰী-শিক্ষাৰ ব্যৱস্থা কৰা, বাল্য বিবাহ, পৰ্দা প্ৰথা ৰোধ কৰা আদি বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়া হয়। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়লৈকে পূৰ্বৰ তুলনাত মহিলাসকল শিক্ষিত আৰু সাহসী হৈ উঠে।

## ৪.৫ স্বাধীনোত্তৰ কালত মহিলা শিক্ষা (Women Education in Post-independence Period)

স্বাধীন ভাৰতবৰ্ষত শিক্ষাৰ ক্ষেত্ৰত বহুতো নতুনত্বৰ উদ্ভাৱন ঘটে আৰু ভালেমান শৈক্ষিক আঁচনিৰ প্ৰৱৰ্তন কৰা হয়। সমাজ সচেতন লোকসকলেও মহিলা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বতাৰ বিষয়ে উপলব্ধি কৰি উঠে। বিভিন্ন ধৰণৰ শৈক্ষিক আঁচনি আৰু আয়োগসমূহেও মহিলাৰ শৈক্ষিক পৰিস্থিতিৰ উত্তৰণৰ বাবে পৰামৰ্শ প্ৰদান কৰে। ভাৰতীয় সংবিধানেও মহিলাৰ ক্ষেত্ৰত সমতা, শৈক্ষিক সা-সুবিধা প্ৰদান, সুযোগ-সুবিধাৰ সমতা স্থাপন আদিৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ প্ৰতিখন পৰিকল্পনাই মহিলা সবলীকৰণৰ বিভিন্ন দিশত গুৰুত্ব প্ৰদান কৰিছে।

বৰ্তমান সময়ত অৰ্থাৎ ১৯৯০ চনৰ পাছৰপৰাই মহিলা শিক্ষাই দ্ৰুতগতিত বিকাশ লাভ কৰিছে। শিক্ষাৰ প্ৰতিটো খণ্ডতে মহিলাসকলে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। তদুপৰি মহিলাৰ শিক্ষিতৰ হাৰো তুলনামূলকভাৱে আগতকৈ বৃদ্ধি পাইছে।

গতিকে, ওপৰৰ আলোচনাৰ পৰা আমি বুজিব পাৰিলো যে মহিলা শিক্ষাই সমাজত মহিলা সবলীকৰণত যথেষ্ট অৰিহণা যোগাইছে।

**আত্মমূল্যায়ন (খ)**

***টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১. বৈদ্ধিক যুগত ভাৰতবৰ্ষত মহিলাসকলৰ শিক্ষাগত পৰিস্থিতি কেনে আছিল?

.......................................................................................................

.......................................................................................................

.......................................................................................................

২. ইছলামীয় শিক্ষা ব্যৱস্থাত সৰ্বসাধাৰণ মহিলাসকলে শিক্ষা গ্ৰহণ কৰিব নোৱাৰাৰ প্ৰধান কাৰণ কি কি আছিল?

.......................................................................................................

.......................................................................................................

.......................................................................................................

৩. স্বাধীনতাৰ পিছত ভাৰতবৰ্ষত মহিলা শিক্ষাৰ বিষয়ে লিখা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৪.৬ মহিলা সবলীকৰণৰ ক্ষেত্ৰত থকা সমস্যাসমূহ (Problems in Women Empowerment)

মহিলা সবলীকৰণৰ ক্ষেত্ৰত কোনবিলাক দিশেনো প্ৰধান অন্তৰায় হিচাপে থিয় দিয়ে সেই বিষয়ে আমি এতিয়া আলোচনা কৰিব।

**(১) সামাজিক অন্ধবিশ্বাস ঃ** বহুতো সামাজিক অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ কাৰণে ৰক্ষণশীল সমাজত মহিলাসকল শিক্ষা লাভৰ পৰা বঞ্চিত হয়।

**(২) সমাজৰ বৈষম্যমূলক মনোভাব ঃ** আমাৰ বহুতো পৰম্পৰাগত তথা ৰক্ষণশীল সমাজত মহিলাসকলৰ ক্ষেত্ৰত থকা লিংগ বৈষম্য বা বৈষম্যমূলক মনোভাৱৰ কাৰণেও মহিলা সবলীকৰণৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি হয়।

**(৩) প্ৰাপ্তবয়স্ক মহিলাৰ নিৰক্ষৰতা ঃ** বহুক্ষেত্ৰত দেখা যায় যে সমাজৰ প্ৰাপ্তবয়স্ক মহিলাসকল নিৰক্ষৰ হোৱাৰ কাৰণে তেওঁলোকে তেওঁলোকৰ কন্যা সন্তানসকলৰ শিক্ষাগ্ৰহণৰ মূল্য বুজি পাবলৈ সক্ষম নহয়। সেইবাবে বহুক্ষেত্ৰত তেওঁলোকে শিক্ষাক আওকাণ কৰি কন্যা সন্তানৰ বিবাহৰ দিশটোহে বিবেচনা কৰে।

**(৪) প্ৰয়োজনীয় পাঠ্যক্ৰমৰ অভাব ঃ** মহিলা শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত থকা প্ৰয়োজনীয় পাঠ্যক্ৰমৰ অভাবেও শিক্ষাৰ জৰিয়তে মহিলা সবলীকৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

**(৫) ঘৰুৱা কামৰ অধিক বোজা ঃ** আমাৰ সমাজত মহিলাসকলে সাধাৰণতে ঘৰুৱা কাম-কাজৰ লগতে অধিক সময় পাৰ কৰিব লগা হয়। ফলস্বৰূপে, তেওঁলোকে অন্যান্য সামাজিক বা শৈক্ষিক কামৰ লগত জড়িত হ'বলৈ সময় নাপায়। সেইবাবেও মহিলাসকল সবলীকৰণৰ ক্ষেত্ৰত কিছু পিছপৰি থাকিব লগা হয়।

## ৪.৭ মহিলা সবলীকৰণৰ বাবে থকা সমস্যাসমূহৰ সমাধানৰ উপায় (Suggestion for the problem of women Empowerment)

মহিলা সবলীকৰণৰ ক্ষেত্ৰত থকা সমস্যাসমূহৰ সম্পৰ্কে আমি যিহেতু আলোচনা কৰি আহিলো, গতিকে এতিয়া সেই সমস্যাসমূহনো কেনেদৰে সমাধান কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিম। সেয়া হ'ল -

(১) সমাজত সকলোৰে বাবে শিক্ষাৰ সমসুবিধা প্ৰদান কৰা।

(২) সমাজত বিভিন্ন ক্ষেত্ৰত মহিলাৰ বাবে সংৰক্ষণৰ সুবিধা থকা।

(৩) পৰম্পৰাগত আৰু ৰক্ষণশীল মনোভাবসমূহ দূৰ কৰা, যাতে মহিলাসকলে আধুনিকীকৰণৰ জৰিয়তে নতুনত্বক গ্ৰহণ কৰিব পাৰে।

(৪) সমাজত লিংগ বৈষম্য নাইবা পুৰুষ মহিলাৰ মাজত থকা অসমতা দূৰীকৰণ।

(৫) মহিলাসকলৰ বাবে উপযুক্ত শিক্ষানুষ্ঠানৰ ব্যৱস্থা কৰা আৰু সামাজিক সহযোগিতাৰ সৃষ্টি কৰা।

(৬) মহিলাসকলৰ বাবে বৃত্তিমুখী পাঠ্যক্ৰম আৰু প্ৰয়োজনীয় শিক্ষণ সঁজুলিৰ ব্যৱস্থা কৰা।

গতিকে, উপৰোক্ত ব্যৱস্থাসমূহ পালনৰ জৰিয়তে সমাজত মহিলা সবলীকৰণ হ'ব বুলি আশা কৰিব পাৰি।

**আত্মমূল্যায়ন (গ)**

*(**টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১. মহিলা সবলীকৰণৰ ক্ষেত্ৰত আমাৰ সমাজত থকা প্ৰধান সমস্যাসমূহ কি কি আলোচনা কৰা।

.........................................................................................

..................................................................................

..................................................................................

২. মহিলা সবলীকৰণৰ ক্ষেত্ৰত উন্নতি কৰিবৰ কাৰণে কি কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰি?

..................................................................................

..................................................................................

..................................................................................

## ৪.৮ সামৰণি (Let us sum up) ঃ

এই গোটটোত আমি আমাৰ সমাজত বিভিন্ন সময়ত মহিলা শিক্ষাৰ বিকাশ কেনেদৰে হৈছিল আৰু ই মহিলা সবলীকৰণৰ দিশত কেনে প্ৰভাব পেলাইছিল, সেই বিষয়ে আলোচনা কৰিলো। প্ৰাচীন কালত মহিলাসকল শৈক্ষিকভাবে যে বৰ্তমান সময়ৰ নিচিনাকৈ শক্তিশালী নাছিল আৰু শিক্ষাৰ অভাৱেই যে বহুক্ষেত্ৰত সামাজিক বিকাশৰ অন্তৰায় আছিল তাকো আলোচনা কৰিলো। বৰ্তমান মহিলাসকলক শিক্ষাই যে শক্তিশালী ৰূপত সবলীকৰণ কৰি তুলিব পাৰিছে তাক ওপৰৰ আলোচনাৰ পৰাই বুজিব পৰা যায়। তদুপৰি মহিলাসকলৰ সবলীকৰণৰ ক্ষেত্ৰত বাধাস্বৰূপে থিয় দিয়া কাৰকসমূহ চিনাক্ত কৰি তাক কেনেদৰে সমাধান তথা নিৰ্মূল কৰিব পৰা যায়, তাৰ প্ৰতি দৃষ্টি ৰাখি বিভিন্ন সমাধানসমূহ দিবৰ বাবেও আমি চেষ্টা কৰিলো।

## ঘাই শব্দসমূহ (Key Words)

**মহিলা সবলীকৰণ ঃ** মহিলাসকলক সমাজত অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক আদি সকলো ক্ষেত্ৰতে অংশগ্ৰহণৰ সমসুবিধা প্ৰদান কৰা আৰু উপযুক্ত সামাজিক মৰ্যাদা প্ৰদান কৰা।

**লিংগ বৈষম্য ঃ** সমাজত পুৰুষ আৰু মহিলা ভেদে থকা বৈষম্য য'ত মহিলাসকলক পুৰুষসকলতকৈ দুৰ্বল বুলি গণ্য কৰা হয়।

**বৈদিক যুগ ঃ** ভাৰতীয় সভ্যতাৰ প্ৰথম সময়ছোৱা য'ত হিন্দুধৰ্ম তথা হিন্দু শিক্ষাৰ প্ৰসাৰ চাৰি বেদৰ আধ্যাত্মিক শিক্ষাৰ যোগেদি হৈছিল।

**বৌদ্ধ যুগ ঃ** গৌতম বুদ্ধই যিসময়ছোৱাত বৌদ্ধধৰ্ম প্ৰচাৰৰ জৰিয়তে প্ৰভাৱ বিস্তাৰ কৰিছিল, সেই সময়ছোৱাকে বৌদ্ধ যুগ বুলি ক'ব পাৰি।

**ইছলাম যুগ ঃ** মহম্মদ ঘোৰীয়ে ত্ৰয়োদশ শতিকাত ভাৰতবৰ্ষত ইসলাম সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে। সেই সময়ৰেপৰা ভাৰতবৰ্ষত বৃটিছসকলে সাম্ৰাজ্য স্থাপনৰ সময়লৈকে মাজৰ কালছোৱাক ইছলাম যুগ বুলি কোৱা হয়।

**বৃটিছ যুগ ঃ** ষষ্ঠদশ শতিকাত ভাৰতবৰ্ষত বেহা-বেপাৰৰ উদ্দেশ্যে অহা ইংৰাজসকলে ভাৰতবৰ্ষত খোপনি পুতি বিংশ শতিকাৰ মাজভাগলৈকে যি শাসন চলাইছিল, সেই কালছোৱাকে বৃটিছ যুগ বুলিব পাৰি।

**স্বাধীনোত্তৰ কাল ঃ** আমাৰ দেশ ভাৰতবৰ্ষই ইংৰাজৰ শাসনৰ পৰা ১৯৪৭ চনত স্বাধীনতা লাভ কৰাৰ পিছৰ সময়ছোৱা।

## পাঠ্য নিৰ্দ্দেশনা (Suggested Reading) ঃ

১. সোণোৱাল, পুৰঞ্জয় ঃ ভাৰতীয় শিক্ষাত নতুন ধাৰা, সৰস্বতী প্ৰকাশন, গোলাঘাট।

২. শইকীয়া, তৰুণ আৰু বৰা, ৰুণু ঃ উচ্চতৰ মাধ্যমিক শিক্ষা, বিদ্যা ভৱন, যোৰহাট - ১।

৩. শৰ্মা, তৰুণ কুমাৰ ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা, গুৱাহাটী - ১।

## সম্ভাব্য উত্তৰ (Probable Answers) ঃ

### আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ

১. মহিলাসকলক সমাজৰ সকলো দিশতে, যেনে - অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক আদি সকলো দিশতে পুৰুষৰ সমানে অংশগ্ৰহণ

করিব পৰাকৈ আৰু উপযুক্ত সামাজিক মৰ্যাদা পাব পৰাকৈ যি শিক্ষা প্ৰদান কৰা হয়, তাকে মহিলা সবলীকৰণৰ বাবে শিক্ষা বুলিব পাৰি।

২. মহিলা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অপৰিসীম। শিক্ষাই সমাজৰ উন্নয়ন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ মহিলাসকলক উদ্বুদ্ধ কৰি তোলে। তদুপৰি শিক্ষাই সমাজক কু-সংস্কাৰ আৰু ৰক্ষণশীলতাৰ পৰা মুক্ত কৰি আধুনিকীকৰণৰ দিশত আগুৱাই নিয়ে।

**আত্মমূল্যায়ন (খ) ৰ উত্তৰ ঃ**

১. বৈদিক যুগৰ প্ৰথম অৱস্থাত মহিলাসকলৰ শৈক্ষিক প্ৰস্থিতি যথেষ্ট উন্নত আছিল। মহিলাসকলে এই সময়ছোৱাত সকলো কামতে অংশগ্ৰহণ কৰিছিল। কিন্তু পিছৰ সময়ছোৱাত মহিলাসকলৰ পৰিস্থিতি একেবাৰে অবনমিত হয়।

২. ইছলামযুগত সৰ্বসাধাৰণ মহিলাসকল শিক্ষাগ্ৰহণৰপৰা সম্পূৰ্ণৰূপে বঞ্চিত আছিল। ইয়াৰ প্ৰধান কাৰণ আছিল সমাজৰ ৰক্ষণশীলতাৰ প্ৰভাৱ। পৰ্দা প্ৰথা, বাল্য বিবাহ আদিয়ে সেই যুগৰ মহিলাসকলক শিক্ষাৰ লগতে যিকোনো উন্নতিত অন্তৰায় স্বৰূপে থিয় দিছিল।

৩. স্বাধীনোত্তৰ কালছোৱাত ভাৰতবৰ্ষত মহিলা শিক্ষাই পূৰ্বৰ তুলনাত বহুখিনি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হ'ল। মহিলাসকলৰ বহুতো উচ্চ শিক্ষিত হ'ল, বহুতো মহিলাৰ স্কুল, কলেজ স্থাপন হ'ল। মহিলা শিক্ষিতৰ হাৰো বৃদ্ধি হ'ল।

**আত্মমূল্যায়ন (গ) ৰ উত্তৰ ঃ**

১. মহিলা শিক্ষা আৰু সবলীকৰণৰ ক্ষেত্ৰত থকা প্ৰধান সমস্যাসমূহ হ'ল সামাজিক অন্ধবিশ্বাস, নিৰক্ষৰতা ঘৰুৱা কামৰ বোজা, মহিলা শিক্ষাৰ বাবে উপযুক্ত পাঠ্যক্ৰমৰ অভাব ইত্যাদি।

২. মহিলা সবলীকৰণৰ বাবে গ্ৰহণ কৰিব পৰা কেতবোৰ উপায় হ'ল -

শিক্ষাত সম-সুবিধা প্ৰদান, লিংগ বৈষম্য দূৰীকৰণ, মহিলাৰ বাবে সংৰক্ষণ, সামাজিক সহযোগিতাৰ সৃষ্টি ইত্যাদি।

**আৰ্হি প্ৰশ্ন (Model Questions) ঃ**

১) মহিলা সবলীকৰণ বুলিলে কি বুজা?

২) মহিলা সবলীকৰণৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ উপাদান কি কি?

৩) মহিলা সবলীকৰণত শিক্ষাই কেনেদৰে সহায় কৰিব পাৰে?

৪) বৈদিক যুগত মহিলাসকলৰ শিক্ষা ব্যৱস্থা কেনে আছিল?

৫) বৌদ্ধ যুগৰ মহিলা শিক্ষাৰ চাৰিটা বৈশিষ্ট্য লিখা।

৬) ইছলাম শাসনকালত শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ দুটা কাৰণ উল্লেখ কৰা।

৭) ইংৰাজ শাসনকালত ভাৰতবৰ্ষত মহিলা শিক্ষা প্ৰসাৰৰ কাৰণে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল?

৮) স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষত মহিলা শিক্ষাৰ অগ্ৰগতিৰ বিষয়ে লিখা।

৯) আমাৰ সমাজত মহিলা শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত থকা প্ৰধান অন্তৰায় সমূহ কি কি?

১০) মহিলা শিক্ষাৰ বহুল প্ৰসাৰৰ কাৰণে তুমি কি পৰামৰ্শ দিবা।

১১) মহিলা সবলীকৰণে সমাজৰ উন্নতিত সহায় কৰিব পাৰেনে তোমাৰ মতামত দাঙি ধৰা।

## প্ৰসংগ পুথি (Reference Book)

**অসমীয়া ঃ**

১. শৰ্মা, তৰুণ কুমাৰ ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, বনলতা, গুৱাহাটী -১।

২. সোণোৱাল , পুৰঞ্জয় ঃ *ভাৰতীয় শিক্ষাত নতুন ধাৰা,* সৰস্বতী প্ৰকাশন, গোলাঘাট।

৩. চলিহা আৰু অন্যান্য ঃ *ভাৰতীয় শিক্ষাৰ ইতিহাস*, বিদ্যাভৱন, যোৰহাট - ১।

**ইংৰাজী ঃ**

১. Kurukkhetra : *A Journal of Rural Development Empower Rural Women*, Vol. 58, June, 2010

# খণ্ড - ৫
# গোট - ৫ ঃ শিক্ষাৰ ব্যক্তিগতকৰণ
# (Privatisation of Education)

## গোট গঠন বিন্যাস (Unit Structure)


**৫.০ উদ্দেশ্য**

**৫.১ প্ৰস্তাৱনা**

**৫.২ শিক্ষাৰ ব্যক্তিগতকৰণৰ অৰ্থ**

৫.২.১ শিক্ষাৰ ব্যক্তিগতকৰণৰ প্ৰয়োজনীয়তা

৫.২.২ শিক্ষাৰ ব্যক্তিগতকৰণৰ সুফল আৰু কুফল

আত্মমূল্যায়নৰ প্ৰশ্ন

**৫.৩ উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ধাৰণা আৰু অৰ্থ**

৫.৩.১ উচ্চ শিক্ষা ব্যক্তিকৰণত প্ৰভাৱ পেলোৱা উপাদানসমূহ

৫.৩.২ উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ কাৰণসমূহ

আত্মমূল্যায়নৰ প্ৰশ্ন

৫.৩.৩ উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ আঁচনি আৰু নীতি

৫.৩.৪ উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ গুণ আৰু দোষ

আত্মমূল্যায়নৰ প্ৰশ্ন

**৫.৪ সামৰণি**

ঘাই শব্দসমূহ

পাঠ্য নিৰ্দেশনা

সম্ভাব্য উত্তৰ

আৰ্হি প্ৰশ্ন

প্ৰসঙ্গ পুথি

**৫.০ উদ্দেশ্য ঃ**

এই গোটটো পঢ়াত তোমালোকে -

১) শিক্ষা ব্যক্তিগতকৰণৰ অৰ্থ, প্ৰয়োজনীয়তা সুফল আৰু কুফলবোৰৰ বিষয়ে লিখিব পাৰিবা।

২) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ধাৰণা আৰু অৰ্থ বিষয়ে জানিব পাৰিবা।

৩) উচ্চ শিক্ষা ব্যক্তিগতকৰণত প্ৰভাৱ পেলোৱা উপাদানসমূহ আলোচনা কৰিব পাৰিবা।

৪) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ কাৰণসমূহ বৰ্ণনা কৰিব পাৰিবা।

৫) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ আঁচনি আৰু নীতিসমূহৰ সম্পৰ্কে জানিব পাৰিবা।

৬) উচ্চ শিক্ষাত ব্যক্তিগতকৰণৰ গুণ আৰু দোষসমূহ নিৰ্ণয় কৰিবা।

**৫.১ প্ৰস্তাৱনা ঃ**

তোমালোকে পূৰ্বৰ খণ্ডসমূহৰ পৰিৱেশীয় শিক্ষা, সৰ্বশিক্ষা অভিযানৰ সাৰ্বজনীন প্ৰাথমিক শিক্ষা, নাৰী সৱলীকৰণৰ শিক্ষা আদি বিষয়ে অধ্যয়ন কৰিলা। খণ্ডটো অধ্যয়ন কৰি তোমালোকে জানিব পাৰিলা যে বৰ্তমান সময়ৰ নতুন শতিকাত এই বিষয়বস্তুবোৰ বৰ প্ৰয়োজন হৈ পৰিছে। ঠিক তেনেকৈ বৰ্তমান শিক্ষানুষ্ঠানত ব্যক্তিগতকৰণৰ প্ৰভাৱ বৰ বেছিকৈ পৰিছে। এই পাঠটোৰ দ্বাৰা তোমালোকে শিক্ষা ব্যক্তিগতকৰণৰ প্ৰভাৱৰ সম্পৰ্কে জনাৰ আগতে ব্যক্তিগতকৰণ মানে কি, তাৰ বিষয়ে জানো আহা। ব্যক্তিগতকৰণ মানে হৈছে শিক্ষানুষ্ঠানৰ বিকাশৰ প্ৰক্ৰিয়াক ব্যক্তি বা সংগঠনৰ দায়িত্বলৈ হস্তান্তৰকৰণৰ এক প্ৰক্ৰিয়া। আনহাতে শিক্ষাৰ ব্যক্তিগতকৰণ হৈছে শিক্ষাৰ জৰিয়তে মানৱ সম্পদ বিকাশৰ উদ্দেশ্য সাধনত চৰকাৰৰ যি ভূমিকা, সেই ভূমিকা বেচৰকাৰীভাৱে কোনো ব্যক্তি বা সংগঠনে গ্ৰহণ কৰাকে বুজা যায়। এই পাঠটোৰ অধ্যয়নৰ দ্বাৰা তোমালোকে শিক্ষাৰ ব্যক্তিগতকৰণৰ অৰ্থ, প্ৰয়োজনীয়তা, সুফল আৰু কুফলবোৰৰ বিষয়ে জানিব পাৰিবা। ইয়াৰ

উপৰিও উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ধাৰণা আৰু অৰ্থ, উচ্চ শিক্ষা ব্যক্তিগতকৰণত প্ৰভাৱ পেলোৱা উপাদানসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিবা আৰু শেষলৈ উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ আঁচনি আৰু নীতিসমূহৰ অধ্যয়ন কৰিব পাৰিবা। এইবিলাকৰ উপৰিও উচ্চ শিক্ষাত ব্যক্তিগতকৰণ গুণ আৰু দোষসমূহ তোমালোকে নিৰ্ণয় কৰিব পাৰিবা। এই গোটটো পঢ়াৰ আগতে তোমালোকে বিদ্যালয়বিলাকলৈ মন কৰিবাচোন। বৰ্তমানসময়ত চৰকাৰী আৰু বেচৰকাৰীভাৱে দুয়োধৰণৰ বিদ্যালয় পোৱা যায়। বৰ্তমান চৰকাৰী বিদ্যালয়তকৈ বেচৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অত্যধিক বৃদ্ধি পাইছে। ইয়াৰ কাৰণ হৈছে চৰকাৰী বিদ্যালয়বিলাকত ছাত্ৰ অনুপাতে শিক্ষকৰ অভাৱ। ইয়াৰ উপৰিও ঘৰ-দুৱাৰ, আচবাব, শিক্ষণীয় সা-সঁজুলি পৰ্যাপ্ত পৰিমাণে নথকাৰ ফলত চৰকাৰী বিদ্যালয়বিলাকে শিক্ষাৰ্থীসকলক আকৰ্ষিত কৰিব পৰা নাই। এইবোৰৰ কাৰণতে বহু অভিভাৱকে শিক্ষাদান, নিয়মানুবৰ্ত্তিতা আদিৰ ক্ষেত্ৰত সুনাম থকা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰতি বৰ বেছিকৈ আগ্ৰহী হৈছে।

## ৫.২ শিক্ষাৰ ব্যক্তিগতকৰণৰ অৰ্থ (Meaning of privatisation)

শিক্ষাৰ জৰিয়তে মানৱ সম্পদ বিকাশৰ উদ্দেশ্য সাধনত চৰকাৰৰ যি ভূমিকা সেই ভূমিকা বেচৰকাৰীভাৱে কোনো ব্যক্তি বা সংগঠনে গ্ৰহণ কৰা শিক্ষাৰ ব্যৱস্থাকে শিক্ষাৰ ব্যক্তিগতকৰণ বুলি কোৱা হয়। শিক্ষাৰ ব্যক্তিগতকৰণৰ প্ৰচেষ্টাৰ মূলতে আছে শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত বিশ্বায়নৰ প্ৰভাৱ। এই বিশ্বায়নৰ প্ৰভাৱৰ ক্ষেত্ৰত তিনিটা প্ৰক্ৰিয়া জড়িত হৈ থাকে, সেই কেইটা হৈছে শিক্ষাৰ আধুনিকীকৰণ, বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণ। এই তিনিটা প্ৰক্ৰিয়াক সামাজিক পৰিবৰ্তনৰ কাৰণ বুলি কোৱা হয়। সামাজিক পৰিৱৰ্তনৰ ফলতে আমাৰ সমাজখনে প্ৰতিদিনে পৰিবৰ্তন হৈ আধুনিকীকৰণ লগত খাপ খাই পৰিছে। একবিংশ শতিকাৰ আধুনিকীকৰণৰ যুগত জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত বাণিজ্যিক লাভালাভে শিক্ষা ব্যৱস্থাক ব্যক্তিগতকৰণ কৰি তুলিছে। ইয়াৰ প্ৰভাৱ আমাৰ ভাৰতবৰ্ষত বেছিকৈ পৰিছে। ভাৰতবৰ্ষত জনসংখ্যা দ্ৰুত হাৰত বৃদ্ধি হোৱাৰ ফলত চৰকাৰী শিক্ষানুষ্ঠানত ভালদৰে শিক্ষা প্ৰদান কৰিব পৰা নাই। ইয়াৰ ফলত বেচৰকাৰী শিক্ষানুষ্ঠান জন্ম হৈছে আৰু এচাম ব্যক্তিয়ে

এই শিক্ষানুষ্ঠানবোৰক বাণিজ্য হিচাপে লৈছে।

মধ্যযুগ শেষ হোৱাৰ পাছত ভাৰতবৰ্ষলৈ বৃটিছসকল আহিছিল ইষ্ট ইণ্ডিয়া কোম্পাণী নামলৈ বেপাৰ-বাণিজ্য কৰিবলৈ। তাৰ পিছত ভাৰতবৰ্ষত সামাজ্ৰবাদ স্থাপন কৰি দেশীয় শিক্ষা তথ্য সংগ্ৰহ কৰি ভাৰতত আধুনিক শিক্ষাৰ পাতনি মেলে। ইংৰাজসকলে প্ৰাচীন ভাৰতীয় শিক্ষাক বিলুপ্ত কৰিব বিচাৰিছিল আৰু ভাৰতবৰ্ষত পশ্চিমীয়া শিক্ষা প্ৰৱৰ্তন কৰিছিল। এই পশ্চিমীয়া শিক্ষা প্ৰৱৰ্তনৰ মূলতে আছিল ভাৰতবৰ্ষত ইংৰাজী ভাষা মাধ্যমৰ শিক্ষানুষ্ঠান স্থাপন কৰা। গতিকে এই ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানবোৰে বৰ্তমান ভাৰতত ব্যক্তিগত খণ্ডৰ ব্যৱস্থাত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হৈছিল যদিও সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰত বহু পৰিমাণে ইংৰাজৰ ওপৰত নিৰ্ভৰ কৰিছিল। এনেধৰণে নিৰ্ভৰ কৰাৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত আনকি ভিতৰুৱা গাঁৱতো ইংৰাজী মাধ্যমৰ প্ৰাক্-প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰভাৱ পৰিছিল। বৰ্তমান সময়ত ভিতৰুৱা গাঁৱবিলাকতো দিনক দিনে ব্যক্তিগত খণ্ডৰ বিদ্যালয় বৃদ্ধি হৈ গৈ আছে। কেৱল চৰকাৰী ব্যৱস্থাৰ জৰিয়তে যে প্ৰাথমিক শিক্ষা লাভ কৰাটো সকলো শিশুৰ বাবে সম্ভৱপৰ নহয়, সেই কথা শিক্ষাবিদসকলে উপলব্ধি কৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ক অগ্ৰাধিকাৰ দিছিল। স্বাধীনতাৰ আগতে লৰ্ড কাৰ্জনে প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণৰ কাৰণে ব্যক্তিগত শিক্ষানুষ্ঠানসমূহলৈ যিদৰে অৰ্থ সাহায্য দিছিল, ঠিক তেনেকৈ ভাৰতবৰ্ষৰ চৰকাৰে উন্নত মানৰ ব্যক্তিগত বিদ্যালয়সমূহলৈ স্বীকৃতি প্ৰদান কৰি টকা-পইচা যোগান ধৰি আৰু তাৰ পিছত চৰকাৰীকৰণ কৰি ব্যক্তিগত খণ্ডৰ প্ৰচেষ্টাক উৎসাহিত কৰিছিল।

### ৫.২.১ শিক্ষাৰ ব্যক্তিগতকৰণৰ প্ৰয়োজনীয়তা (Need of Privatisation in Education)

বৰ্তমান গোলকীকৰণৰ যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আমাৰ শিক্ষাজগতত এক আমূল পৰিৱৰ্তন আনিছে। নতুন নতুন তথ্য প্ৰযুক্তিবিদ্যাই মানৱ জাতিক এক নতুন পথৰ সন্ধান দিছে। ইয়াৰ লগে লগেই বৰ্তমান দুটা

নতুন ক্ষেত্ৰৰ সৃষ্টি হৈছে।

(ক) প্ৰতিযোগিতামূলক ক্ষেত্ৰ আৰু

(খ) সৃষ্টিশীল ভাবনাৰ ক্ষেত্ৰ।

১৯৮৪ চনৰ উচ্চ শিক্ষাৰ আয়োগ ১৯৬৪-৬৬ চনৰ কোঠাৰি আয়োগ আৰু ১৯৮৫ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আয়োগসমূহে নতুন নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ কিছুমান পৰামৰ্শ আগবঢ়াইছে। গতিকে এই পৰামৰ্শসমূহ অনুসৰি সমস্যা সমাধান কৰিবৰ বাবে বৰ্তমান ব্যক্তিগত কৰণক অধিক গুৰুত্ব দিয়া হৈছে। শিক্ষাক অৰ্থনৈতিক আৰু সামাজিকভাৱে উৎপাদনমুখী বিনিয়োগ বুলি কোৱা হয়। সেয়েহে শিক্ষা বিষয়টোক আৰ্থিক সম্পদ হিচাপে গণ্য কৰা হয়। ১৯৮০-৯০ চনৰ প্ৰথমভাগৰ পৰাই প্ৰত্যেক উন্নত দেশেই অৰ্থনৈতিক সংকটত ভুগিছে। এই অৰ্থনৈতিক সংকট দূৰ কৰিবলৈ চৰকাৰে এখন ঠেক অৰ্থনৈতিক স্থিতাৱস্থাৰ আঁচনি হাতত লৈছে। এই আঁচনিয়ে শিক্ষাৰ গাঁথনিৰ ক্ষেত্ৰত সংস্কাৰ সাধন কৰিছে।

বৰ্তমান সময়ত উচ্চ শিক্ষা পদ্ধতিটো যথেষ্ট খৰচী। এই খৰচ যিহেতু ব্যক্তিয়ে বহন কৰে, সেয়েহে ইয়াৰ প্ৰাথমিক লাভালাভ ব্যক্তিয়ে পোৱা উচিত। উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ক্ষেত্ৰত আন্তৰাষ্ট্ৰীয় প্ৰভাৱ পৰিলক্ষিত হয়। ১৯৪৮ চনত প্ৰতিষ্ঠিত গেট্ GATT (General Agreement on Trade and Tariff) চুক্তিৰ আধাৰতে স্থাপন হোৱা বিশ্ব বাণিজ্য সংস্থাই সমগ্ৰ বিশ্বতেই এক নতুন ব্যৱসায়িক তথা আৰ্থ-সামাজিক বাতাবৰণ সৃষ্টি কৰিছে। এই চুক্তিয়ে শিক্ষা বিষয়টোক সামৰি লৈছে। ১৯৪৮ চনত প্ৰতিষ্ঠিত GATT ৰ ঠাইত ১৯৯৫ চনত নতুনকৈ প্ৰতিষ্ঠিত World Trade Organisation (WTO) নামৰ আন্তৰ্জাতিক সংগঠনত ভাৰতবৰ্ষ অন্তৰ্ভুক্ত হয়। WTO এ কৃষি আৰু অন্যান্য কিছুমান সেৱাক সামৰি লোৱাৰ উপৰিও শিক্ষামূলক সেৱাক সামৰি লয়। WTOৰ মতে যিবোৰ ৰাজহুৱা খণ্ড উৎপাদনমূলক নহয় তেনেবোৰে ৰাজকোষৰ সাহায্য লাভ কৰিব নোৱাৰে। WTOৰ মতে উচ্চ শিক্ষা হৈছে উপভোগ্য বস্তু, ই উৎপাদনৰ বস্তু নহয়। গতিকে যিসকলে উচ্চ শিক্ষা ল'বলৈ বিচাৰে তেওঁলোকে নিজৰ খৰচত শিক্ষা গ্ৰহণ কৰিব লাগিব। উচ্চ শিক্ষা অনুষ্ঠানবোৰেও অনুষ্ঠান-প্ৰতিষ্ঠান পৰিচালনা কৰিবৰ কাৰণে নিজৰ

প্ৰচেষ্টাৰে কৰিব লাগিব। এনে অসুবিধাৰ ফলশ্ৰুতিতে ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰৰ উচ্চ শিক্ষাৰ বিকাশত বাধাপ্ৰাপ্ত হ'ল।

শিক্ষাখণ্ডক বাণিজ্যিক ক্ষেত্ৰৰ অন্তৰ্ভুক্ত কৰাত আৰু পাঠৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰসমূহৰ বাবে মুক্ত বাণিজ্য ব্যৱস্থা থকাত চহকী দেশবোৰে ভাৰতৰ দৰে অৰ্থনৈতিক দিশত দুৰ্বল দেশবোৰত শিক্ষাৰ বেপাৰ-বাণিজ্য আৰম্ভ কৰিছে। বৰ্তমান বিদেশী বিশ্ববিদ্যালয়বোৰৰ লগতে ফেৰ মাৰিব নোৱাৰিলে আমাৰ দেশৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ জীয়াই থাকিব নোৱাৰিব। সেয়ে আমাৰ দেশৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে নতুন নতুন বিষয়বস্তু অন্তৰ্ভুক্ত কৰি নিজকে প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে, নহ'লে ভৱিষ্যতে আমাৰ মহাবিদ্যালয়সমূহ বন্ধ হৈ যাব পাৰে।

ভাৰতবৰ্ষৰ শিক্ষা প্ৰতিষ্ঠানসমূহে গতানুগতিক শিক্ষাৰ ওপৰতহে অধিক গুৰুত্ব দি আহিছে। কিন্তু বৰ্তমান সময়ত সমাজ ব্যৱস্থাত এনেবোৰ বিষয়ৰ গুৰুত্ব কমি অহাৰ বিপৰীতে বৃত্তিগত শিক্ষাৰ ওপৰত অধিক গুৰুত্ব বৃদ্ধি পাইছে। ১৯৭০ চনৰ আগলৈকে আমাৰ দেশত কোনো বিশ্ববিদ্যালয়ে বৃত্তিগত শিক্ষাৰ বাবে কোনো পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা নাছিল। কেৱল ব্যক্তিগত প্ৰতিষ্ঠানসমূহে বৃত্তিগত শিক্ষাৰ প্ৰৱৰ্তন কৰিছিল। এই শিক্ষা প্ৰৱৰ্তন কৰিবলৈ যাওঁতে যথেষ্ট খৰচ হয় বাবে চৰকাৰী মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত প্ৰৱৰ্তন কৰা নাছিল। গতিকে এনেবোৰ কাৰণতেই উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ লগত সহযোগিতা বজাই ৰাখি সময়ৰ খোজত নিজকে প্ৰাসংগিক কৰি উচ্চ শিক্ষাক ব্যক্তিগতকৰণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

### ৫.২.২ শিক্ষা ব্যক্তিগতকৰণৰ সুফল আৰু কুফল (Good and Bad effects of Individualisation of Education)

শিক্ষা ব্যক্তিগতকৰণ আলোচনাৰ পৰা তোমালোকে জানিব পাৰিলা যে প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাত চৰকাৰী শিক্ষা ব্যৱস্থাৰ প্ৰতি প্ৰত্যাহ্বান জনাই দেশৰ চুকে-কোণে বহুতো ব্যক্তিগত শিক্ষানুষ্ঠান গঢ়ি উঠিছে। গতিকে শিক্ষাৰ ব্যক্তিগতকৰণৰ সুফল আৰু কুফলবোৰ হৈছে -

**সুফল ঃ**

১) ব্যক্তিগতকৰণ কৰাৰ ফলত শিক্ষাৰ গুণগত মান উন্নত হৈছে।

২) ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰত পাঠ্যক্ৰমিক শিক্ষাৰ প্ৰদান কৰাৰ লগতে সহ পাঠ্যক্ৰমিক কাৰ্যাৱলীতো সমানে গুৰুত্ব দিয়া হয়।

৩) ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহত শিক্ষক আৰু অভিভাৱকৰ মাজৰ সম্পৰ্ক চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহতকৈ বেছি ঘনিষ্ঠ হয়।

৪) ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহত শিক্ষাৰ্থীক অধিক সা-সুবিধা প্ৰদান কৰাৰ লগতে ইয়াৰ ফলাফলো যথেষ্ট উন্নতমানৰ হয়।

৫) ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰত শিক্ষাদানৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিগত সঁজুলি ব্যৱহাৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত শিক্ষাৰ্থীয়ে নতুন নতুন বিষয়বস্তু জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়।

৬) ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰত কৰ্ম সংস্কৃতি বৃদ্ধি পায়। কামত ফাকি দিয়া শিক্ষক-কৰ্মচাৰীসকল অনুষ্ঠানৰ মুৰব্বীজনৰ ওচৰত জবাবদিহি হ'বলগীয়া হয়।

**কুফল ঃ**

১) ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক নহয়।

২) ব্যক্তিগতকৰণ ব্যৱস্থাই শিক্ষা ব্যৱস্থাক ব্যৱসায়িক কৰিহে তুলিছে।

৩) চৰকাৰী নিয়ন্ত্ৰণ নথকাৰ বাবে এনে শিক্ষানুষ্ঠানৰ গুণগত মানৰ ক্ষেত্ৰত কেতিয়াবা সমস্যাই দেখা দিব পাৰে।

৪) ব্যক্তিগতকৰণ শিক্ষা ব্যৱস্থাত অৰ্থনৈতিকভাৱে পিছপৰা অভিভাৱকৰ ল'ৰা-ছোৱালীয়ে শিক্ষালাভৰ পৰা বঞ্চিত হয়।

৫) ব্যক্তিগতকৰণ শিক্ষা ব্যৱস্থাই দুখীয়া আৰু চহকী দুটা শ্ৰেণীৰ মাজৰ ব্যৱধান সৃষ্টি কৰে।

৬) ব্যক্তিগত শিক্ষানুষ্ঠানত নামভৰ্তিৰ ক্ষেত্ৰত মেধাসম্পন্ন শিক্ষাৰ্থীতকৈ অধিক মাচুল দিব পৰা শিক্ষাৰ্থীয়ে অগ্ৰাধিকাৰ পায়।

**আত্মমূল্যায়ন (ক)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভাব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) গ্যাট (GATT) চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

........................................................................................

২) শিক্ষাৰ ব্যক্তিগতকৰণ মানে কি? বৰ্তমান সময়ত ইয়াৰ প্ৰয়োজনীয়তা আছেনে?

........................................................................................

........................................................................................

........................................................................................

........................................................................................

........................................................................................

........................................................................................

৩) শিক্ষা ব্যক্তিগতকৰণৰ দুটা গুণাৱলী উল্লেখ কৰা।

........................................................................................

........................................................................................

........................................................................................

........................................................................................

## ৫.৩ উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ধাৰণা আৰু অৰ্থ (Meaning and Concept of Privatisation in Higher Education)

উচ্চ শিক্ষাৰ সমস্ত দায়িত্ব চৰকাৰে বহন নকৰি কোনো ব্যক্তিগত খণ্ডৰ যোগেদি বহন কৰা আৰু পৰিচালিত কৰা প্ৰক্ৰিয়াকে উচ্চ শিক্ষা ব্যক্তিকৰণ বুলি কোৱা হয়।

ভাৰতবৰ্ষৰ এক বৃহৎ পুঁজি উচ্চ শিক্ষাৰ শিতানত খৰচ কৰা হয় যদিও দেশৰ ৮ শতাংশ জনসাধাৰণেহে উচ্চ শিক্ষা লাভ কৰিবলৈ সক্ষম হয়। তোমালোকে বৰ্তমান দেখিছাই এফালে জনসংখ্যা বৃদ্ধি আৰু আনফালে উচ্চ শিক্ষা বিপদাপন্ন। এনে এক পৰিস্থিতিত দেশৰ শিক্ষা ব্যৱস্থাক নতুন ৰূপত গঢ়ি তোলাৰ প্ৰয়োজন আহি পৰিছে। সেয়েহে একবিংশ শতিকাত সমগ্ৰ বিশ্বজুৰি নতুন চিন্তাৰ আগমন ঘটিছে আৰু এনে চিন্তাবোৰক বাস্তবায়িত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বৰ্তমান সময়ত তথ্য-প্ৰযুক্তিৰ অগ্ৰগতিয়ে শিক্ষা ব্যৱস্থাত নতুন ৰূপৰ প্ৰতিফলন ঘটিছে। ইয়াৰ উপৰিও প্ৰযুক্তিবিদ্যাৰ যুগত শিক্ষক, ছাত্ৰ, অভিভাৱক প্ৰশাসন আদিৰ পাৰস্পৰিক সম্পৰ্ক নতুন ৰূপত গঢ় লৈ উঠিছে। তোমালোকে বহু সময়ত পুথিভঁৰাল নোহোৱাকৈ নতুন নতুন কিতাপৰ সন্ধান আৰু কিতাপৰ বিষয়বস্তুবোৰ বৰ্তমান সময়ত ইন্টাৰনেটৰ সহায়েৰে পাবলৈ সক্ষম হৈছা। গতিকে এই সময়ছোৱাত তথ্য-প্ৰযুক্তিবিদ্যা, ইন্টাৰনেট আদি উচ্চ শিক্ষাত বৰ প্ৰয়োজমনীয় হৈ পৰিছে। উচ্চ শিক্ষাৰ শিতানত যথেষ্ট টকা-পইচা খৰচ হৈছে যদিও সেই মতে যুৱশক্তিক উচ্চ শিক্ষা যোগান ধৰিব পৰা নাই। সেয়েহে এনে এক পৰিপ্ৰেক্ষিততে চৰকাৰে উচ্চ শিক্ষাক ব্যক্তিগত ক্ষেত্ৰলৈ নিয়াৰ পৰিকল্পনা কৰাৰ যো-জা চলাইছে।

### ৫.৩.১ উচ্চ শিক্ষা ব্যক্তিকৰণত প্ৰভাৱ পেলোৱা উপাদানসমূহ (Influence the elements which pressure the higher Education)

উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ক্ষেত্ৰত প্ৰধানকৈ চাৰিটা উপাদানে প্ৰভাৱ পেলায়। সেইকেইটা হৈছে -

১) প্ৰয়োগবাদীসকলৰ প্ৰভাৱ।

২) আদৰ্শবাদীসকলৰ প্ৰভাৱ।

৩) বাণিজ্যিক আগ্ৰহৰ সমন্বয়কৰ প্ৰভাৱ।

৪) জনসাধাৰণৰ হেঁচা প্ৰয়োগৰ ফলশ্ৰুতি।

ইয়াৰ উপৰিও উচ্চ শিক্ষা ব্যক্তিগতকৰণত প্ৰভাৱ পেলোৱা আন কিছুমান দিশ হৈছে -

(ক) জনসাধাৰণে ব্যক্তিগত প্ৰয়োজনীয়তাখিনি পূৰণ কৰিবৰ বাবে উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ পাতনি মেলে।

(খ) অৰ্থনৈতিক পৰিকল্পনা অভাৱৰ ফলতে শিক্ষা ব্যক্তিগতকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

(গ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰত অৰ্থনৈতিক ব্যয়ৰ আঁচনি যুগুত কৰে যদিও কেন্দ্ৰীয় চৰকাৰে কিছুমান নতুন আঁচনি আৰু কাৰ্যসূচী প্ৰয়োগ কৰাৰ ফলত উচ্চ শিক্ষা ক্ষেত্ৰত বেমেজালিয়ে দেখা দিয়ে।

### ৫.৩.২ উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ কাৰণসমূহ (Causes of Privatisation of Higher Education)

উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ কাৰণসমূহ হৈছে -

১) বৰ্তমান জনসংখ্যাৰ অনুপাতে চৰকাৰী উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহ বৃদ্ধি হোৱা নাই।

২) দক্ষতাসম্পন্ন মানৱসম্পদ সৃষ্টি কৰাত চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহ বিফল হৈছে।

৩) চৰকাৰী উচ্চ শিক্ষানুষ্ঠানসমূহত যথোপযুক্ত পুঁজিৰ অভাৱৰ ফলত উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ফালে ঢাপলি মেলিছে।

৪) চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানবোৰত প্ৰশাসনীয় দুৰ্বলতাৰ ফলতো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে গা কৰি উঠিছে।

৫) বৰ্তমান পৰম্পৰাগত শিক্ষা ব্যৱস্থাই দেশৰ জনসাধাৰণক মানৱ সম্পদ গঢ়ি তোলাত ব্যৰ্থ হৈছে।

৬) বৰ্তমান শিক্ষা ব্যৱস্থাই উৎপাদনমুখী কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়ণ কৰাত ব্যৰ্থ হোৱা দেখা গৈছে।

**আত্মমূল্যায়ন (খ)**

***(টোকা ঃ*** *উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভৱ্য উত্তৰৰ লগত মিলাই চাবা।)*

১) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ধাৰণা আৰু অৰ্থ ব্যাখ্যা কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

২) উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ কাৰণসমূহ কি কি?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ৫.৩.৩ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ আঁচনি আৰু নীতি (Plans and policies in privatisation of Higher Education)

**১) ১৮৮২ চনৰ ভাৰতীয় শিক্ষা আয়োগ আঁচনি (The Indian Education Commission 1882) ঃ**

উচ্চ শিক্ষা ব্যক্তিগতকৰণ ক্ষেত্ৰত ভাৰতীয় শিক্ষা আয়োগে উল্লেখ কৰে যে ৰাষ্ট্ৰীয় চৰকাৰী প্ৰতিষ্ঠান কাৰণে চৰকাৰে আৰু অগ্ৰসৰ হোৱা উচিত নহয়। এই ক্ষেত্ৰত কিছুমান পৰামৰ্শ আগবঢ়ায়।

(ক) চৰকাৰে নিজৰ শিক্ষা প্ৰতিষ্ঠান কাৰ্যৰ পৰিমাণ কমাব লাগিব।

(খ) মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত থকা চৰকাৰী প্ৰতিষ্ঠানসমূহ দক্ষতাসম্পন্ন বেচৰকাৰী অনুষ্ঠানৰ হাতত অৰ্পণ কৰিব লাগিব।

(গ) বেচৰকাৰী শিক্ষানুষ্ঠানসমূহলৈ চৰকাৰে অনুদানৰ আৰ্থিক দিশত সহায় আগ বঢ়াব লাগে।

**২) ১৯০৪ চনৰ লৰ্ড কাৰ্জনৰ বিশ্ববিদ্যালয় আইন (Lord Curzon's university Act of 1904)**

লৰ্ড কাৰ্জনে শিক্ষা ব্যক্তিগতকৰণৰ ক্ষেত্ৰত কিছুমান নীতি উল্লেখ কৰে -

(ক) প্ৰত্যেক বিশ্ববিদ্যালয় অধিকাৰ ক্ষেত্ৰ নিৰ্ধাৰণ কৰিব লাগে আৰু প্ৰশাসনিক ব্যৱস্থা পুনৰ সংগঠন কৰিব লাগে।

(খ) সকলো চৰকাৰী আৰু বেচৰকাৰী স্কুলকে নিয়ন্ত্ৰণত ৰাখিব বিচাৰে।

(গ) শিক্ষা বিভাগৰ দ্বাৰা স্বীকৃতি পোৱা মাধ্যমিক বিদ্যালয়সমূহত চৰকাৰী বেচৰকাৰী উভয়েৰে সমপৰিমাণে সাহায্য পাব লাগে।

**৩) ১৯৮৫ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু ১৯৯২ চনৰ কৰ্ম আঁচনি (The National Policy on Education NPE 1986 and programme of Action POA 1992) ঃ**

এই আঁচনিখনৰ নীতিসমূহ হৈছে -

(ক) মানৱ সম্পদ উন্নয়ন কৰিবৰ বাবে উচ্চ শিক্ষাত টিউচন মাচুল বৃদ্ধি কৰিবৰ বাবে পৰামৰ্শ আগবঢ়ায়।

(খ) মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি দিয়াৰ কথা উল্লেখ কৰে।

(গ) উচ্চ শিক্ষানুষ্ঠানসমূহক যিকোনো সিদ্ধান্ত নিজস্বভাৱে গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

৪) **১৯৯২ চনৰ কেন্দ্ৰীয় শিক্ষা উপদেষ্টা বৰ্ড** (As regard the funding of the universities the Report of the CABE Committee on April, 1992) ঃ ৰাজ্যৰ প্ৰতিখন বিশ্ববিদ্যালয়ৰ উন্নতিৰ বাবে ৰাজ্য চৰকাৰ সম্পূৰ্ণভাৱে অসমৰ্থ হোৱা বাবে বিশ্ববিদ্যালয়বিলাকক নিজৰ প্ৰচেষ্টাৰে আৰ্থিক দিশত টনকিয়াল হ'বৰ বাবে এই আঁচনিয়ে পৰামৰ্শ আগবঢ়ায়।

৫) **পূৰ্ণ্যায়া কমিটি** (Purnayya Committee 1992-93) ঃ বিশ্ববিদ্যালয় অনুদান আয়োগক এই কমিটিখনে আৰ্থিক সংক্ৰান্তত এখন প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদন মৰ্মে ১৯৯৫ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে সকলো বিশ্ববিদ্যালয়কে আৰ্থিক দিশত টনকিয়াল হ'বৰ কাৰণে পৰামৰ্শ আগবঢ়োৱাৰ লগতে নিজস্বভাৱে এটা শিক্ষা ফাণ্ড তৈয়াৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

৬) **১৯৯৮ চনত ইউনেস্ক আঁচনি** (UNESCO PLAN 1998) ঃ সংবিধানৰ ১৪ নং অনুচ্ছেদ অনুসৰি ১৯৯৮ চনৰ ৫ অক্টোবৰত ইউনেস্কই ঘোষণা কৰে যে উচ্চ শিক্ষাৰ আৰ্থিক দিশটো হ'ল এক ৰাজহুৱা সেৱা। সেয়ে উচ্চ শিক্ষাৰ বিত্তীয় ব্যৱস্থা টনকিয়াল কৰিব লাগিব ৰাজহুৱা আৰু ব্যক্তিগত সম্পদ আহৰণৰ যোগেদি।

৭) **২০০২ চনৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ আঁচনি** (UGC Circular of 23rd July 2002) ঃ এই আঁচনিয়ে উচ্চ শিক্ষাক ব্যক্তিগতকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। ইয়াৰ উপৰিও ২০০৩ চনত বিশ্ববিদ্যালয় অনুদান আয়োগ বিত্তীয় সংকটত ভোগা বাবে স্ব-নিয়োজন আঁচনি গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে।

### ৫.৩.৪ উচ্চত শিক্ষাত ব্যক্তিগতকৰণৰ গুণ আৰু দোষ ঃ

তোমালোকে উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ধাৰণা, ইয়াৰ প্ৰভাৱ সম্পৰ্কে

জানিলা। গতিকে আমি ইয়াৰ দোষ আৰু গুণবোৰ বিশ্লেষণ কৰো।

**গুণ (Merit) ঃ**

১) ইয়াত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ৰাজনৈতিক হেঁচা নাথাকে। ফলত উপযুক্ত মেধাসম্পন্ন ব্যক্তিক পৰিচালনা সমিতিয়ে শিক্ষক হিচাপে নিযুক্তি দিব পাৰে।

২) শিক্ষাৰ্থীৰ সৰ্বতোমুখী বিকাশৰ ওপৰত গুৰুত্ব দিয়ে।

৩) বিত্তীয় হিচাপ-নিকাচৰ ক্ষেত্ৰত কোনো বেমেজালিয়ে দেখা নিদিয়ে।

৪) শিক্ষা অধিক প্ৰতিযোগিতামূলক হয়।

৫) মানৱ সম্পদৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়।

**দোষ (Demerits) ঃ**

১) উচ্চ শিক্ষা ব্যক্তিগতকৰণে শিক্ষা ব্যৱস্থাক দোষযুক্ত কৰি তুলিছে।

২) আসন সংৰক্ষণৰ ক্ষেত্ৰত জটিল সমস্যাই দেখা দিয়ে।

৩) ধনী শ্ৰেণীৰ বাবে এই শিক্ষা ব্যৱস্থা সম্ভৱ হয়।

৪) উচ্চ শিক্ষাৰ নামত ব্যক্তিগত ব্যৱসায় চলাব সম্ভাৱনীয়তা অধিক হয়।

৫) ইয়াত অধিক মাচুল দিবলগীয়া হয়।

**আত্মমূল্যায়ন (গ)**

***(টোকা ঃ** উত্তৰ লিখিবৰ বাবে প্ৰশ্নটোৰ তলতে তোমাক ঠাই দিয়া হৈছে। তোমাৰ উত্তৰবোৰ গোটটোৰ শেষত থকা সম্ভব্য উত্তৰৰ লগত মিলাই চাবা।)*

১) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ দুটা গুণ উল্লেখ কৰা।

.......................................................................................

.......................................................................................

.......................................................................................

২) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ক্ষেত্ৰত কি কি অসুবিধা হ'ব পাৰে?

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

**৫.৪ সামৰণি**

বৰ্তমান বিশ্বত গোলকীকৰণৰ প্ৰভাৱৰ ফলত শিক্ষাৰ ব্যক্তিগতকৰণে এক আমূল সামাজিক পৰিৱৰ্তন আনিছে। জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে শিক্ষাৰ্থীৰ সংখ্যা যিমান দ্ৰুত গতিত বৃদ্ধি পাইছে সেই অনুপাতে উচ্চ শিক্ষা অনুষ্ঠান বৃদ্ধি পোৱা নাই। ফলত উচ্চ শিক্ষা ব্যক্তিগতকৰণে শিক্ষাৰ্থীসকলৰ অভাৱবিলাক দূৰ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও ভাৰতীয় বিভিন্ন শিক্ষা আয়োগ আৰু আঁচনিবিলাকেও ভাৰতীয় উচ্চ শিক্ষাক সংস্কাৰমুখী কৰিবৰ কাৰণে কাৰণে ব্যক্তিগত শিক্ষানুষ্ঠানসমূহত অধিক গুৰুত্ব দিছে। ১৯৪৮ চনত প্ৰতিষ্ঠিত হোৱা গেটে (GATT) চুক্তি খনে সমগ্ৰ বিশ্বতেই শিক্ষাক এক ব্যৱসায়িক তথা আৰ্থ সামাজিক বাতাবৰণ সৃষ্টি কৰিছে। ১৯৯৫ চনত World Trade Organization নতুনকৈ প্ৰতিষ্ঠিত আন্তজাৰ্তিক সংগঠনৰ ভাৰতবৰ্ষ অন্তৰ্ভুক্ত হয়। WTO অন্তৰ্ভুক্ত ৰাষ্ট্ৰসমূহৰ বাবে মুক্ত বাণিজ্য ব্যৱস্থা থকাত চহকী দেশবোৰে ভাৰতৰ দৰে অৰ্থনৈতিক দিশত দুৰ্বল দেশবোৰত শিক্ষাৰ বেপাৰ-বাণিজ্য আৰম্ভ কৰিছে। ভাৰতবৰ্ষৰ চৰকাৰী উচ্চ শিক্ষানুষ্ঠানসমূহত গতানুগতিক পাঠ্যক্ৰমৰ ওপৰত বেছিকৈ গুৰুত্ব দিয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভৱিষ্যতৰ বৃত্তিগত আশাৰ ৰেঙনি খুব কম দেখা পোৱা যায়। যাৰবাবে ব্যক্তিগত প্ৰতিষ্ঠানসমূহে বৃত্তিমূলক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল বৰ্তমান ব্যক্তিগত শিক্ষানুষ্ঠানৰ ফালে অগ্ৰসৰ হৈছে।

## ঘাই শব্দসমূহ (Key Words)

**মানৱ সম্পদ ঃ** দেশৰ উৎপাদনক্ষেত্ৰলৈ অৰিহণা যোগোৱা বা অৰিহণা যোগাবলৈ সক্ষমতা থকা মানুহবোৰকে মানৱ সম্পদ বুলি কোৱা হয়।

## পাঠ্য নিদেৰ্শনা (Suggested Reading) ঃ

উপৰোক্ত গোটৰ অন্তৰ্গত বিষয়সমূহ ভালদৰে বুজি পাবৰ কাৰণে তোমালোকে নিম্নলিখিত পুথিসমূহৰ সহায় ল'ব পাৰা।

১) তৰুণ কুমাৰ শৰ্মা ঃ *ভাৰতত শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী*

২) ড° বেদকুমাৰ চলিহা, তৰুণ শইকীয়া, ৰুণু বৰা শইকীয়া ঃ *স্নাতক মহলাৰ ভাৰতৰ শিক্ষাৰ ইতিহাস*

৩) পুৰঞ্জয় সোনোৱাল ঃ *শিক্ষাত নতুন ধাৰণা*

৪) Dr. Birendra Deka, Munindra Narayan, Lokman Ali : *Educationl Essays on Higher Education.*

## সম্ভাব্য উত্তৰ (Probable Answers)

**আত্মমূল্যায়ন (ক) ৰ উত্তৰ ঃ**

১) ১৯৪৮ চনত গ্যাট (GATT) চুক্তিখন স্বাক্ষৰিত হৈছিল।

২) শিক্ষাৰ জৰিয়তে মানৱ সম্পদ বিকাশৰ উদ্দেশ্য সাধনত চৰকাৰৰ যি ভূমিকা, সেই ভূমিকা বেচৰকাৰীভাৱে কোনো ব্যক্তি বা সংগঠনে গ্ৰহণ কৰা শিক্ষা ব্যৱস্থাকে শিক্ষাৰ ব্যক্তিগতকৰণ বুলি কোৱা হয়।

বৰ্তমান ইয়াৰ প্ৰয়োজনীয়তা আছে। গোলকীকৰণৰ যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই শিক্ষা জগতত এক আমূল পৰিবৰ্তন আনিছে। শিক্ষা জগতৰ পৰিবৰ্তন হোৱাৰ মূল কাৰণ হৈছে ব্যক্তিগতকৰণৰ শিক্ষানুষ্ঠানৰ প্ৰভাৱ। বৰ্তমান বিশ্বত জনসংখ্যা যিদৰে বৃদ্ধি পাইছে সেই অনুপাতে উচ্চ শিক্ষানুষ্ঠান বৃদ্ধি পোৱা নাই। ফলত বহুতো ছাত্ৰ-ছাত্ৰীয়ে

উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সম্ভৱ হোৱা নাই, আৰু চৰকাৰী উচ্চ শিক্ষানুষ্ঠানসমূহত গতানুগতিক পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল ভৱিষ্যত পৰিকল্পনাক লৈ সমস্যাৰ সৃষ্টি হৈছে। এইবোৰ কাৰণতে উচ্চ শিক্ষাক ব্যক্তিগতকৰণৰ প্ৰয়োজনীয়তা আছে।

৩) শিক্ষা ব্যক্তিগতকৰণৰ দুটা গুণাৱলী হৈছে -

(ক) ব্যক্তিগতকৰণৰ ফলত শিক্ষা ব্যৱস্থাক ব্যৱসায়িক প্ৰতিযোগিতা বৃদ্ধি হোৱাৰ লগতে শিক্ষাৰ গুণগত মানো বৃদ্ধি হৈছে।

(খ) ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহত শিক্ষক আৰু অভিভাৱকৰ মাজৰ সম্পৰ্ক চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহতকৈ বেছি ঘনিষ্ঠ হয়।

**আত্মমূল্যায়ন (খ) ৰ উত্তৰ ঃ**

১) উচ্চ শিক্ষাৰ সমস্ত দায়িত্ব চৰকাৰে বহন নকৰি কোনো ব্যক্তিগত খণ্ডৰ যোগেদি বহন কৰা আৰু পৰিচালিত কৰা প্ৰক্ৰিয়াকে উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণ বুলি কোৱা হয়।

২) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ কাৰণসমূহ হৈছে -

(ক) বৰ্তমান জনসংখ্যাৰ অনুপাতে চৰকাৰী উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহ বৃদ্ধি হোৱা নাই।

(খ) চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানবোৰত প্ৰশাসনীয় দুৰ্বলতাৰ ফলতো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে গা কৰি উঠিছে।

(গ) বৰ্তমান পৰম্পৰাগত শিক্ষা ব্যৱস্থাই দেশৰ জনসাধাৰণক মানৱ সম্পদ গঢ়ি তোলাত ব্যৰ্থ হৈছে।

(ঘ) বৰ্তমান শিক্ষা ব্যৱস্থাত উৎপাদনমুখী কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়ণ কৰাত ব্যৰ্থতাই দেখা দিছে।

**আত্মমূল্যায়ন (গ) ৰ উত্তৰ ঃ**

১) উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ দুটা গুণ হৈছে -

(ক) শিক্ষাৰ্থীৰ সৰ্বতোমুখী বিকাশৰ ওপৰত গুৰুত্ব দিয়া হয়।

(খ) শিক্ষা অধিক প্ৰতিযোগিতামূলক হয়।

২) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ক্ষেত্ৰৰ হ'ব পৰা অসুবিধাবোৰ হৈছে -

(ক) শিক্ষা ব্যৱস্থাক দোষযুক্ত কৰি তুলিছে।

(খ) এই শিক্ষা ব্যৱস্থা কেৱল ধনী শ্ৰেণীৰ বাবেহে।

(গ) ই মাচুলৰ পৰিমাণ বেছি হয়।

(ঘ) আসন সংৰক্ষণৰ ক্ষেত্ৰত জটিল সমস্যাৰ সৃষ্টি হয়।

**আৰ্হি প্ৰশ্ন (Model Question)**

১) শিক্ষা ব্যক্তিগতকৰণ বুলিলে কি বুজা? ইয়াৰ দোষ-গুণবোৰ আলোচনা কৰা।

২) শিক্ষা ব্যক্তিগতকৰণৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা।

৩) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ ধাৰণা সম্পৰ্কে আলোচনা কৰা।

৪) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ কাৰণসমূহ বৰ্ণনা কৰা।

৫) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ গুণ আৰু দোষবোৰ বিচাৰ কৰা।

৬) উচ্চ শিক্ষা ব্যক্তিগতকৰণৰ আঁচনি আৰু নীতিসমূহ কি কি আছিল?

**প্ৰসঙ্গ পুথি (Reference Book)**

**অসমীয়া ঃ**

১) শৰ্মা, তৰুণ কুমাৰ ঃ *ভাৰতত শিক্ষা বিকাশৰ ইতিহাস আৰু সমস্যাৱলী,* বনলতা নতুন বজাৰ, ডিব্ৰুগড়।

২) সোণোৱাল, পুৰঞ্জয় ঃ *শিক্ষাত নতুন ধাৰা,* গোলাঘাট, সৰস্বতী প্ৰকাশন।

৩) চলিহা, ড° বেদ কুমাৰ, শইকীয়া, তৰুণ, বৰা শইকীয়া, ৰুণু ঃ *স্নাতক মহলাৰ ভাৰতৰ শিক্ষাৰ ইতিহাস,* বিদ্যাভৱন, মহাত্মা গান্ধী পথ, যোৰহাট - ১।

৪) Deka, Dr. Briendra, Goswami, Munindra Narayan, Ali, Lokman : Educational Essays on Higher Education, Ashok Book Stall, Panbazar, Guwahati - 01.

❑❑❑